আধাৰশিলা

অশ্রারশিলা

মালিক

মিত্র এণ্ড ঘোষ
[illegible] : কলকাতা

ADHARSHILA : An Assamese Novel, written by Syed Abdul Malik, Jorhat and Published by Sree Nagendra Nath Das, on behalf of M/s. Mitra Agency & Co., Tinsukia, Assam.

Second Published : September '87

Price Rupees Thirty five only.

দ্বিতীয় প্ৰকাশ :

॥ চেপ্তেম্বৰ, ১৯৮৭ চন ॥

॥ তিনিচুকীয়াৰ মিত্ৰ এজেন্সি এণ্ড কোং'ৰ শ্ৰীনৰেন্দ্ৰ নাথ দাসৰ দ্বাৰা প্ৰকাশিত আৰু কলিকতাৰ ৮৩/বি, বিবেকানন্দ ৰোডৰ 'ভাস্কৰ প্ৰিণ্টাৰ্চ'ত শ্ৰীৰণজিৎ কুমাৰ সামন্তৰ দ্বাৰা মুদ্ৰিত ॥ প্ৰচ্ছদপট : গণেশ বসু।

বেচ—পঁইত্ৰিশ টকা

[redacted]

॥ এক ॥

দুটি প্ৰাণী।

আন্ধাৰ ৰাতি।

বেৰৰ বাহিৰত মাজ-চ'তৰ জৰজৰীয়া বতাহজাকৰ মৰম লগা, মিঠা সো-সোৱনি। বৰদৈচিলা এই বছৰ সোনকালেই আৰম্ভ হ'ব হ'বলা। যোৱা দুদিন একেৰাহে বতাহ বলি আছে—দিনে-ৰাতিয়ে। গছবোৰত আৰু শুকান পাত এখিলাও নাই।

দুটা কেৰাচিনৰ টিপ-চাকি জ্বলি আছে—দুটা কোঠাত। ইটোৰ পোহৰে সিটোক ছোবাহি নাই। দুমূৰৰ দুটা কোঠা, মাজৰ কোঠাটো আন্ধাৰ। একেটা ঘৰৰ তিনিটা কোঠা। বৰ আহল-বহল নহয়, ঠেকো নহয়, মজলীয়া।

চাকিৰ পোহৰ অকণ অকণকৈ কঁপিছে। ঘৰটোৰ দুৱাৰ বন্ধ, খিৰিকী নাই। কোনবাদি মাটি খহি যোৱা বেৰৰ জলঙাইদি বতাহ সোমাইছে। চাকিৰ পোহৰ কঁপিছে।

বাহিৰত বতাহজাকৰ অবিৰাম সো-সোৱনি।

কাণ দিলেও আৰু ক'তো কাৰো মাত-বোল নুশুনি। দুপৰ ৰাতি। সকলো শুইছে। জাৰ গৈছে, গৰমো অহা নাই, মাজ-চ'ত। মানুহবোৰ শান্তিৰে টোপনি গৈছে।

টোপনি নাই যোৱা দুটি প্ৰাণী। একেটা ঘৰৰ দুটা কোঠাৰ মজিয়াত দুটি প্ৰাণীৰ চকুত টোপনি নাই। ৰাতি যিমানে বাঢ়িছে সিমানে দুয়োৰে চকুৰ টোপনি আৰু নোহোৱা হৈ আহিছে।

আগফালৰ কোঠালিত এৰীয়া কাপোৰখন লৈ চালপীৰাখনৰ ওপৰতে বহি আছে—ৰহমান। চকু দুটা ডাঙৰকৈ মেলা। চুটিকৈ কটা ঠৰঙা চুলিবোৰ যেন আৰু ৰুক্ষ হৈ পৰিছে। তেওঁৰ ডাঢ়িবোৰ প্ৰায় সকলো পকিছে। মূৰৰ চুলি পকিছে কম। ৰহমানৰ নাকটোৰ পাহি দুটা মাজে মাজে ফুলি উঠিছে। চকু-মুখত মাজে মাজে একোটা বিৰক্তি আৰু অস্বস্তিৰ ভাব স্পষ্টভাৱে বিৰিঙি উঠিছে। মাজে মাজে অধৈৰ্য্য হৈ তেওঁ একোবাৰ বহাৰপৰা আধাউঠা কৰি আকৌ বহিছে।

দুৱাৰখন হেঁচি মাজ-ৰাতিৰ বতাহজাক বিৰাম-বিহীনভাৱে বৈ গৈছে।

ইতিমধ্যে ৰহমানে ইখনৰ পিছত সিখনকৈ নিজেই কাটি কেইবাখনো তামোল খালে। আজি তেওঁ তামোলৰ পিক্ পেলাবলৈকো পাহৰি গৈছে। মাজে মাজে তেওঁ বাঁওহাতৰ কাষতে থকা হোকাটো আনি এনেয়ে মুখ দি হুপি চালে—ধঁপাতো নাই, জুয়ো নাই। নিৰ্ব্বিকাৰভাৱে হোকাটো আকৌ তেওঁ থৈ দিলে।

'সোণপাহী—' এনেই এবাৰ মাতিব খুজিও মনে মনে থাকিল। এতিয়া বহুত ৰাতি। কোনে ধঁপাত লগাই দিব ?

অকণমান পৰ কিবা ভাবি থাকি ৰহমান বহাৰপৰা উঠিল আৰু মাজৰ কোঠাটোলৈ সোমাই গ'ল। তেওঁ ৰ'ল। আন্ধাৰৰ মাজতে বৈ এটা শুকান, হুটা মাত কোমল কৰিবৰ চেষ্টা কৰি মাতিলে, "সোণপাহী—"

"হো—?" এটা সবু দুৰ্বল মাত।

"অলপ ভাল পাইছ নে?"

"ওহো, নাই পোৱা, বেঁছিহে হৈছে।"

অলপ পৰৰ নিস্তব্ধতা। আন্ধাৰতে বৈ ৰহমানে কিবা এটা ভাবিবৰ চেষ্টা কৰিলে। তাৰ পিছত ক'লে, "অলপ পৰ তই অকলে থাকিব পাৰিবি নে? ভয় কৰিবি নেকি?"

"নকৰোঁ।"

"ও', ভয় নকৰিবি। চাওঁচোন, পাওঁ যদি তিলপাহীহঁতক মাতি আনো। মাতোঁগৈ নে? নে ৰাতিপুৱা আনিলেও হ'ব?"

"এতিয়াই আনগৈ। নহ'লে মই মৰিম।"

হেঁচি কথা কেঁকনি আৰু চেপা কান্দোনেৰে কোঠাটো ভৰি পৰিছে। চাকিটোৰ জুইবোৰ শেঁতা হালধীয়া হৈছে। বতাহজাক অকণো শাঁত হোৱা নাই।

মাজৰ আন্ধাৰ কোঠালিটোৰপৰা ৰহমান ওলাই আহিল আৰু কোনেও নুশুনাকৈ ক'লে, "মৰা হ'লেও ভাল আছিল।"

বটাটোৰপৰা লৈ আৰু এখন তামোল তেওঁ মুখত ভৰালে, অলপ পৰ থিয় দি ৰ'ল, এবাৰ বাহিৰ কাঠিৰ দুৱাৰখন হেঁচা মাৰি মেলি চালে। বাহিৰত ধুঁৱলীয়া জোনাক আছে, জোৰ-চাকিৰ দৰকাৰ নাই। বতাহজাক অলপ শাঁত হৈছে।

দুৱাৰ-চুকৰপৰা লাখুটিডাল আৰু বটাৰপৰা তামোল দুখন আৰু নলীয়া কটাৰী-খন হাতত লৈ ৰহমান ওলাই গ'ল।

চোতালৰ আগৰ ডেমেহীয়া নাৰিকল পুলিটোৰ পাতবোৰ জিৰ্বাজিৰ কৰি কঁপিছে। জোনাকবোৰ শেঁতা হৈছে। আকাশখনৰ বুকুখন হালধীয়া হৈছে। পৃথিবীখন শুই আছে।

চোতাললৈ ওলাই ৰহমানৰ মনটো হঠাৎ মুকলি লাগিল। অতপৰে অকলে অকলে নিমাওমাও ঘৰটোৰ ভিতৰত সোমাই থকাৰ পিছত এতিয়া মুকলি আকাশখনৰ তললৈ, বতাহজাকৰ বুকুলৈ আৰু জোনাকবোৰৰ মাজলৈ আহি ৰহমানৰ মনটো অলপ ফৰকাল লাগিল। মনৰ মাজৰ বিৰক্তি আৰু বিমৰ্ষতা বহুখিনি পাতলিল।

পদুলিমুখত বৈ তেওঁ এবাৰ চাৰিওফালে চালে। তেওঁৰ কিবা এটা বহুত পুৰণি কথা মনত পৰিব খুজিলে। কিন্তু কোনো বিশেষ কথা তেওঁৰ মনলৈ নাহিল। ফাগুন-চ'তমহীয়া ৰাতি মানুহৰ মনলৈ বহুত কথাই আহে।

ৰহমান বেগাবেগিকৈ আগবাঢ়িল।

॥ দুই ॥

ভৰা গাঁও। শ শ বছৰৰ পুৰণি গাঁও। পথাৰে-সমাৰে, ঘৰে-বাৰীয়ে, মাতে-মাতেই পুৰণি যুগৰ কবাজ লাগি আছে। গাঁওখনৰ প্ৰতিটো খাল-ডোং, প্ৰতিটো গছ-

বাট ৰহমানৰ চিনাকি। বাটৰ কাষৰ কোনটো আঁহতৰ পুলি কোনে কেতিয়া ৰুইছিল, কাৰ চোঁতালৰ আগৰ কোন জোপা বেলগছত কোন বছৰ লদা-লদে বেল লাগিছিল, ৰহমানে ক'ব পাৰে।

এই গাঁৱৰ লগত, এই মাটি-পানীৰ লগত, এই গছ-বনৰ লগত ৰহমানৰ তিনি কুৰি বছৰৰ সম্বন্ধ।

আৰু গাঁৱৰ মানুহবোৰ—কাৰ চকুত কেইডাল নোম আছে সেই পৰ্য্যন্ত ক'ব পাৰে ৰহমানে। গাঁওখনৰ প্ৰতি ঘৰ মানুহৰ খবৰ ৰাখে ৰহমানে। ৰহমান মুৰব্বী, চন্দাৰি, তদুপৰি অলপ বেজগিৰিও কৰে। গাঁৱত হস্পিতাল নাই, ডাক্তৰ নাই, গাঁৱলীয়া বেজৰ চিকিৎসা-পানীতে পেট-বিষ, মুৰ-বিষ ভাল হয়। সন্নিপাত, কলেৰা হোৱাবোৰ মৰে।

মৰা-জীয়া লৈয়ে সংসাৰ।

ৰহমান আজি কিছুদিনৰপৰা অকলশৰীয়া হৈছে। চাৰিটা পুতেক—চাৰিওটা বেলেগ হৈ গ'ল। সৰুটো যাবৰ আজি চাৰি মাহ হৈছে—দন্দ কৰি গ'ল। চাৰিজনী ছোৱালীৰ তিনিজনী বিয়া দি উলিয়াই দিলে। সোণপাহীৰ বিয়া হোৱা নাই। সোণপাহীৰ মাক মৰিবৰ আজি ওঠৰ বছৰ হ'ল। মানুহ আৰু সদায় জীয়াই থাকিবলৈ আহিছে নে ?

ৰহমান খৰখুজীয়াকৈ আগবাঢ়িল। কাৰোবাৰ পদুলিমুৰত কুকুৰ এটাই এনেয়ে ভুক্ কৰিলে, ক'ৰবাত জাক কুকুৰ মনে মনেই শুই থাকিল, লৰচৰকে নকৰিলে। চিনাকি মানুহ দেখিলে সিহঁতে নুভুকে।

গাঁওখনৰ মাজতে পুৰণি মচজিদটো। বহুতদিনীয়া পুৰণি। বাইজ আহি প্ৰথম ইয়াত বসবাস কৰিবলৈ লওঁতেই ওখ-পাখ চাই মচজিদৰ ভেটি ঠিক কৰিছিল। মচজিদটো আজিও তাতেই আছে। মচজিদৰ আগতে দুহালিচা মাটিৰ প্ৰকাণ্ড পুখুৰীটো। পানী নহয় যেন ফটিকৰ ধাৰ। গোটেই গাঁওখনে ইয়াৰপৰা পানী খায়। পুখুৰী-পাৰতে পাঁচজোপা বুঢ়া বকুলৰ গছ—বহুতদিনীয়া।

মচজিদৰ ওচৰ পাই ৰহমান অকণমান থমক খাই ৰ'ল। বতাহত বকুলৰ পাতবোৰে জিৰজিৰাই আছে। পুখৰীটোৰ পানীবোৰত জোনাক পৰিছে, জোনাকবোৰ কঁপিছে। মচজিদৰ প্ৰকাণ্ড খেৰৰ চ'ৰা-ঘৰটোৰ বৰ খুঁটাবোৰ থম থম কৰে ৰহি আছে। চ'ৰা-ঘৰটোৰ সিফালে সেয়া টিনৰ বৰ মচজিদ। চুণ দিয়া বগা বেৰবোৰ হালধীয়া জোনাকৰ মাজত নীৰৱে পৰি আছে—গহীন,—জয়াৰ।

মচজিদৰ ভিতৰৰ মমকেডাল এতিয়াও জ্বলি থাকিব পায়, ভিতৰখন পোহৰ যেন লাগে। মচজিদৰ মম বতাহেও নুমাব নোৱাৰে, ফিৰিঙ্গাই ৰখি থাকে।

ৰহমানৰ অলপ ভয় লগা যেন লাগিল। এই দুপৰ ৰাতি, মচজিদৰ ওচৰত এনেকৈ অকলে ৰৈ থকাটো বৰ ভাল কথা নহয়। পুৰণি মচজিদত যে জিন্ আছে সেইটো সৰ্ব্ববাদীসম্মত। আজি-কালি আগৰ বুঢ়াজনা নাই, ডেকাজন আছে। কেতিয়াবা আন্ধাৰ ৰাতি ঢকা-চমকাকৈ পুখুৰী-পাৰত দেখা যায়—বিৰাট পুৰুষ, কুৰি-পঁচিশ হাত ওখ, বগা পাগুৰি মাৰে, বগা চোলা পিন্ধে আৰু এযোৰ ক'ঠালৰ খৰম পিন্ধি পুখুৰী-পাৰেদি অহা-যোৱা কৰে।

বাতি-বিয়লি মানুহ মচজিদৰ আগেদি অকলে ৰবকৈ অহা-যোৱা নকৰে।

ৰহমানৰ গাৰ নোম অলপ শিয়ৰা যেন লাগিল। মচজিদৰ ভিতৰত সেয়া কোনোবাই গুণগুণোৱা নাই নে ? ৰাতি হেনো মানুহ নথকা সময়ত ফিৰিস্তা আৰু জিন্‌সকলে নামাজ পঢ়ে।

ৰহমানে কিবা এটা দোৱা পঢ়িবৰ চেষ্টা কৰিলে, কিন্তু একো মনত নপৰিল। এবাৰ সন্ত্ৰমেৰে মচজিদৰ ফালে চাই, মনতে এটা চালাম জনাই তেওঁ বেগাবেগিকৈ আগবাঢ়িল। পিছলৈ ঘূৰি চাবলৈ তেওঁৰ ভয় লাগিল। এইখিনিত মানুহৰ ঘৰো নাই।

দূৰত, বাঁহনিখনৰ সিপাৰে দুটা শিয়ালে একেলগে হোৱা দিছে। কাইলৈ ব'দ দিব লাগে।

মুঠি মাৰি অনা তামোলখন মুখত ভৰাই ৰহমান আকৌ আগবাঢ়িল।

নঙলাডাল মেলি ৰহমান খোলোকৰ চোতাললৈ সোমাই গ'ল।

সকলো শুই নিঃপালি দিছে। খোলোকৰ ঘৰ-বাৰী সকলো নিজম-নিটাল, ঘৰৰ চালৰ খেৰবোৰত ৰতাহজাকে আহি জৰজৰাই আছে।

"খোলোক, অ' খোলোক--"

কাৰো মাতবোল নাই। দিনটো কাম কৰা মানুহ—বেচেৰাৰ ঘোৰ টোপনি।

"মালৌ, হেৰ অ' মালৌ—" এইবাৰ ৰহমানে আগতকৈ অলপ ডাঙৰকৈয়ে মাতিলে।

ভিতৰত এখন বিচনা কেৰ্‌কেৰোৱা যেন শুনা গ'ল।

"হেৰ মালৌ ! অকণ উঠচোন—মালৌ—"

"কোন ? হেৰা বাহিৰত কোনোবাই মাতিছে—"

"কোনোবা নহয় মইহে, অলপ উঠ। খোলোক নাই নেকি ?"

অলপ পৰৰ পিছতে হাতত লেমটো লৈ মালৌৱে দুৱাৰখন মেলি দিলে।

"এ দদাইটি। ৰাতিনো কিমান হ'ল, আহা ৰহাহি। শুনিছা নে উঠাচোন, এওঁ দদাইটি আহিছে।" মালৌ অলপ ব্যস্ত হ'ল আৰু ৰহমানক বহিবলৈ দিবলৈ মুঢ়াটো বিচাৰিলে।

"হেৰ নবহোঁ, বহিবৰ সময় নাই। ঘৰত সোণপাহীক অকলে এৰি আহিছোঁ। তই ওলাচোন বেগেতে মোৰ লগতে—"

এনেতে খোলোক শোৱাৰপৰা উঠি আহিল।

"কি হ'ল দদাইটি ? ইমান ৰাতিখন যে ওলালাহি ?" চকু মোহাৰি মোহাৰি ৰহমানলৈ চাই খোলোকে সুধিলে।

"এৰা, ৰাতিখন আৰুনো কাক পাবি ? সোণপাহীজনীয়ে গধূলি ভাত খাই উঠাৰপৰা কেঁকাই আছে। অকলে এৰি আহিছোঁ, জানো এতেপৰে কি হৈছে। ওলা আকৌ মালৌ—"

মালৌৰ বয়স দুকুৰিৰ ওচৰ চাপিছে। খোলোকৰ প্ৰায় পঞ্চাশ। ল'ৰা-ছোৱালী নাই, নিছুৰীয়া।

মালৌৱে এবাৰ ৰহমানৰ মুখলৈ আৰু এবাৰ খোলোকৰ মুখলৈ চালে, তাৰ পিছত ভিতৰলৈ সোমাই গ'ল।

চকু দুটা ডাঙৰকৈ মেলি, এনেয়ে এবাৰ বাহিৰলৈ আৰু এবাৰ ৰহমানৰ মুখলৈ চাই অলপ খপা-জপাকৈ খোলোকে ক'লে, "ৰ'বাচোন, পিছে এটা কথা নহয় দদাই। তাই এতিয়া যাব হয়, পিছে ৰাইজে—"

ৰহমানে কিবা এটা ক'ব খোজোঁতেই গাত কাপোৰ এখন লৈ মালো ওলাই আহিল। "ব'লা দদাইটি।"

খোলোকে কিন্তু ক'লে, "ৰ'চোন যাবি, পিছে এটা কথা নহয়—"

"কথাটো পিছত হ'ব। জীৱ এটাতকৈ এওঁৰ কথাটোহে ডাঙৰ হ'ল।" গোঁজোৰা মাৰি মালোৱে ক'লে আৰু ভিতৰৰপৰা ওলাই চোঁতালত ভৰি দিলেহি।

ৰহমানে আশ্বস্তৰ সুৰত ক'লে, "তই বাৰু একো চিন্তা নকৰিবি। তহঁতৰ একো নহয়, মই আছোঁ নহয়। যাওঁ দেই, থাক।"

খৰখুজীয়াকৈ ৰহমান আৰু মালোৱে খোজ দিলে।

"ৰাতি বাৰু কিমান হ'ল দদাইটি ?"

"পুৱাবৰে হ'ব পায়। কোন কাহানিয়ে গধুলি হৈছিল পাহৰিলোঁৱেই।"

জোনাকৰ পোহৰবোৰৰ ফালে চাই মালোৱে সুধিলে, "আজি পূৰ্ণিমা নেকি ?"

"নহয় হ'বলা, জানো।"

তাৰ পিছত কিছু দূৰ নীৰৱে আহি দুয়ো ৰহমানৰ ঘৰ পালেহি।

হেঁচামাৰি দুৱাৰখন মেলি ৰহমানে দেখিলে চাকিটো তেতিয়াও জ্বলি আছে।

"আহ মালো, ভিতৰলৈ যা, সোণপাহী ভিতৰতে আছে। সোণপাহী, হেৰ টোপনি গ'লি নেকি ?"

মজিয়াৰ গছাটোৰপৰা চাকিটো হাতত লৈ মালো ভিতৰ সোমাই গ'ল।

"হেৰ সোণপাহী কেনি আছনো ?"

অলপ অস্থিৰভাৱে কিছুপৰ ৰহমান আন্ধাৰতে বহি থাকিল। আন্ধাৰতে বটাৰপৰা তামোল এখন বিচাৰি খালে। অলপ টোপনি অহা যেন কৰা দেখি এটা এওমুৰি মাৰিলে আৰু সোণপাহীৰ কোঠাৰ ফালে কাণ দি থাকিল।

অলপ পৰৰ পিছত গঁৰালত কুকুৰাৰ পাখিৰ জাকি শুনি ৰহমান বহাৰপৰা উঠিল। কুকুৰাৰ ডাক আৰম্ভ হ'ল। এয়া প্ৰথম কুকুৰা ডাক। এনেয়ে ৰহমানৰ গা-মন পাতল লাগিল—ৰাতি পুৱাবৰ হ'ল আৰু।

হঠাৎ যেন বতাহজাক অলপ শান্ত হৈ গ'ল। বাহিৰৰ জোনাকবোৰ শীতল হৈ গ'ল। গছপাতৰ জিৰজিৰণিবোৰ থীৰ হৈ আহিল। কোনো কাৰণ নোহোৱাকৈয়ে বুঢ়া ৰহমানৰ মনটোৰ মাজত এটা সজীৱ প্ৰফুল্লতা অনুভৱ কৰিলে।

এবাৰ তেওঁৰ মালোক মাতিবৰ মন গ'ল। কিন্তু তেওঁ মাতোঁ মাতোঁ কৰি সাজু হওঁতেই ৰহমানৰ কাণত পৰিল এটা সদ্যজাত কেঁচুৱাৰ কান্দোনৰ মাত ! সোণপাহীৰ কোঠালিত।

ৰহমান চঞ্চল হৈ উঠিল।

"হেৰা মালো—" আৰু কি ক'ব তেওঁ বিচাৰি নোপোৱা হ'ল। এটা আকস্মিক আনন্দই তেওঁৰ মাতটো হেঁচি ধৰিলে।

কিন্তু পিছ-মুহূৰ্ত্ততে ৰহমানৰ উৎকণ্ঠা শেষ কৰি মালোৱে ভিতৰৰপৰাই চিঞৰি

চিএগুৰি ক'লে, "দদাইটি, ল'ৰা। এতিয়া বেগাই খৰি-খেৰ অলপ যোগাৰ কৰি দিয়া। জুই একুৰা ধৰিব লাগিব।"

ৰহমানে কি ক'ব লাগে, কি কৰিব লাগে, একো যেন নজনা হৈ গ'ল। তেওঁ আন্ধাৰতে মজিয়াৰপৰা দাখন লৈ খৰি কাটিবলৈ ওলাই যাব খুজিছিল। দুৱাৰমুখ পাই দেখিলে এতিয়াও ৰাতি আছে। তেওঁৰ মনত পৰিল, ভিতৰত খৰি-চাঙত থকাৰ উপৰিও ভঁৰালৰ আগতো বহুত ফলা খৰি আছে। এনেয়ে চিএগুৰি ৰহমানে সুধিলে, "হেৰ মালো, সোণপাহী কেনে আছে? তাইৰ দেখোন মাতবোল নাই।"

ভিতৰৰপৰাই চিএগুৰি মালোৰে ক'লে, "সকলো ভালে আছে। তুমি চিন্তাই নকৰিবা।" তাৰ পিছত অলপ সৰু মাতেৰে ক'লে, "হেৰ, লাজখন কিহৰ, দে ল'ৰাক গাখীৰ দে। পিৰ্থীপিত পৰিবৰ এপৰ হ'ল, ল'ৰাৰ ভোক লগা নাই নে? মই জুইকুৰা ধৰি দিছোঁ। দে দে দেখা নাই নে ল'ৰাটোৰে"

আকৌ কুকুৰাৰ ডাক শুনা গ'ল। এইবাৰ আৰু ৰহমান ভিতৰত নৰ'ল। তেওঁ চোতাললৈ ওলাই আহিল। জোনৰ পোহৰ ধীৰে ধীৰে উষাৰ পোহৰৰ লগত মিলি যাব ধৰিছে। বতাহজাক আৰু কোমল আৰু শীতল হৈ আহিছে। ভোটাতৰাটো ফট্‌ফটীয়াকৈ জ্বিলিকি পৰিছে।

ৰহমানে চোঁতালৰ মাজত বৈ ভিতৰৰ ফালে চাই সুধিলে, "মালো, কিবা লাগিব-মেলিব নেকি? মই মচজিদলৈ যাওঁ। ফজৰৰ নামাজৰ সময় হ'লহিয়েই।"

এইবাৰ মালো ভিতৰৰপৰা ওলাই আহিল আৰু ভিতৰত দুৱাৰমুখতে বৈ চেপা মাতেৰে ক'লে, "লৰাও ল'ৰা, বৰ ৰূপহ ল'ৰা দদাইটি। গোটেইটো শকত-আৰত ছ'মহীয়া ল'ৰা যেন। তুমি বেগেতে মচজিদৰপৰা আহাগৈ। আহোঁতে কাৰ ঘৰত পোৱা জালুক আৰু নহৰু লৈ আহিবা আৰু কাৰোবাৰ ছোৱালী-তোৱালী এজনী পালেও লগতে লৈ আহিবা। এতিয়া লৰালুৰি হ'ল যেতিয়া বাৰেকুৰি কাম ওলাব নহয়, তুমিনো নিজে কি কৰিবা।"

"বাৰু মই আহিছোঁ। কি লাগে-ভাগে তই চাগৈ। তই হ'লে আজি যাব নোৱাৰ।"

বুঢ়াই আনন্দ মনেৰে মচজিদলৈ খোজ ল'লে। আজিৰপৰা ঘৰখনত তিনিটি প্ৰাণী হ'ল।

॥ তিনি ॥

শুকুৰবাৰ।

অন্য দিনা শুকুৰবাৰে জুমা-নামাজত বৰ বেছি মানুহ নহয়। মানুহবোৰ দিহিঙে-দিপাঙে যায়, কামে-কাজে লাগি থাকে। ডেকা চামৰ নামাজ-ৰোজালৈ বৰ মন-কাণ নাই। কাম-বন কৰিব নোৱাৰা, বা ঘৰত কাম-কাজ বেছি নথকা বুঢ়া কেইজন আছে।

ধৰ্ম্মলৈ মন-কাণ নাই বুলি সাধাৰণ অভিযোগ এটা ডেকাহঁতৰ বিৰুদ্ধে উত্থাপন কৰা হয় যদিও টানি ধৰিবলৈ কোনোৱে সাহস নকৰে। কাৰণ প্ৰত্যেক ঘৰৰে ডেকাহঁত মচজিদত অনুপস্থিত।

আজি কিন্তু গাঁৱৰ বুঢ়া-ডেকা সকলো আহিছে। মচজিদ প্ৰায় ভৰি পৰিছে।

"ৰাইজ, নামাজ পঢ়ি উঠি গুচি নাযাব, অলপ বৈ যাব—" কোনোবা এজনে জনাই থ'লে।

অৱশ্যে যাবৰ কাৰণে আজি কোনো অহা নাই।

নামাজ ভাগিলত সকলো ৰাইজ আহি চ'ৰা-মচজিদত বহিলহি, বুঢ়াসকলে কঠ-পাটী যি পালে পাৰি বহিল, ডেকাহঁত কোনো থিয় হৈ থাকিল, কোনো বা মাটিতে লেপেটি কাঢ়ি বহিল। দুই-এটাই অলপ ওলাই গৈ বকুল-তলত বিৰি জ্বলাই দুহোপা মৰাত লাগিল।

"ৰাইজ সকলো বহকচোন, বহক। হেৰ, ডেকাহঁত তহঁতো বহহঁক। থিয়া-থিয়ৈ কৰি থাকিব নালাগে।

প্ৰায়খিনি ৰাইজ যেয়ে য'তে যেনেকৈ পাৰিলে বহিল।

এটা গুণগুণনি আৰম্ভ হ'ল।

"বহঁক, আটাইখনে নামাতিবি, এজনক ক'বলৈ দে। উলিওৱাহে গাঁওবুঢ়া, বহি থাকিলে কি হ'ব?"

অলপ গলটো খেকাৰি লৈ, শুধ বগা ডাঢ়িখিনিৰ ওপৰত হাত ফুৰাই জিকিৰত বুঢ়াই মাত লগালে, "ৰাইজ, খোদাৰ মচজিদত সৰু-বৰ নাই। ইয়াত মিছা কৈও সাৰিব নোৱাৰ, সঁচা কৈও সাৰিব নোৱাৰ, আল্লাই সকলো দেখি আছে—"

বুঢ়াৰ দাঁত প্ৰায় নাযেই। তথাপি বলিষ্ঠ মাতটো স্পষ্টকৈ ৰাইজৰ কাণত পৰিল। ৰাইজ সকলো নিস্তব্ধ, নীৰৱ।

জিকিৰত বুঢ়া গোটেই জামাতৰ ভিতৰতে বয়সত আটাইতকৈ ডাঙৰ। যদিও তেওঁ নিজে কোৱা 'এশমান হ'ল' বোলাষাবত অলপ অতিৰঞ্জন আছে, তথাপি তেওঁৰ বয়স যে আশীৰ ওপৰ হৈছে সেইটো সকলোৱে জানে।

অলপ বৈ তেওঁ আকৌ কৈ গ'ল, "দুনিয়াত গুনাহ নকৰা কোন আছে? পীৰ-পয়গম্বৰসকলেও নাজানি-নুশুনি দোষ-দায় লগাইছিল, পিছে আল্লাৰ ওচৰত তৌবাহ কৰিলে, আল্লাই সকলোকে মাফ কৰে। আল্লাহ ৰহমানুৰ ৰহিম।"

উশাহ সলাবৰ কাৰণে বুঢ়া আকৌ অলপ ৰ'ল। তাৰ পিছত আকৌ ক'লে, "তই আকৌ বেয়া নাপাবি ৰহমান। চুন্নত জামাতৰ মাজত থাকি আমি ছৰা-ছৰিয়ত মানি নচলিলে দোজখত পৰিব লাগিব। তোৰ ঘৰত যিটো ঘটনা হ'ল, সকলো ৰাইজে জানিছে। আল্লাৰ হুকুম, তোৰ জীয়েৰ সোণপাহীয়ে এনেকুৱা বদনামী এটা কৰিব বুলিনো কোনে ভাবিছিল? পিছে তই ডাঙৰ দোষ কৰিলি। জানি-শুনি গুনাহ লুকুৱাই ৰাখি তোৰ লগতে ৰাইজখনকো গুনাহগাৰ কৰিলি। তই তেনেকুৱা কৰিব নাপাইছিল। তই জনা-শুনা মানুহ। ঘৰখনত তয়ে-জীয়েৰে থাক, তই জানো একো নজনাকৈ আছিলি!"

ৰহমানে তলমূৰ কৰি শুনি গ'ল।

এনেতে কোনোবা এটাই মাত লগালে, "নাজানিব কেলেই, নিশ্চয় জানে। সেইবোৰ কথাৰ ভেদ পাপ্লেই সব্ পুতেক-বোৱাৰীয়েক বেলেগ হৈ গ'ল। তেওঁ আমাৰ ৰাইজখনৰ লগত থাই আমাক কেলেই গুনাহৰ ভাগী কৰিবলে ?"

আন এটাই তাতোকৈ চৰা মাতত কৈ উঠিল, "এতিয়া পিছে বৰ মানুহৰ ইজ্জতটো ক'ত থাকিল ? জহৰা নাতি লৈ—"

"তই মনে মনে থাক। তোক কোনে ক'বলৈ কৈছে—" জিকিৰত বুঢ়াই ভেকাহি মাৰিলে। আকৌ সকলো মনে মনে থাকিল।

"তই পিছে এতিয়া কি কৰ ৰহমান ?" ৰহমানলৈ চাই বুঢ়াই সুধিলে।

এনেতে এটা ডেকাই জুমৰ মাজৰপৰা মাত লগালে, "সোণপাহীৰ চোৰটো কোন ৰাইজক জনাব লাগিব।"

"হেই মনে মনে থাকচোন।" কোনোবা এটাই ক'লে।

"কেলেই মনে মনে থাকিম অ'। চন্দাৰ গাঁওবুঢ়াৰ ঘৰতে এইবোৰ হ'বলৈ হ'লে গাঁও ৰ'ব নেকি ?"

"ৰহমানে সকলো ক'ব নহয়, তহঁতে চিঞৰ-বাখৰ লগাইছ কেলেই ?"

ৰহমান এইবাৰ বহাৰপৰা উঠিল। তলৰপৰা মুৰ তুলি এবাৰ কেউফালৰ ৰাইজলৈ চালে। তাৰ পিছত আকৌ তলমুৰ কৰি এষাৰ এষাৰকৈ ক'লে, "ৰাইজ, আল্লাৰ মচজিদ আছে, জামাত খলকোল্লা আছে, দেও-ফিৰিস্তাসকল আছে। মোৰ মৰিবলৈ চাইটা দিন আছে, ৰাইজৰ আগত মিছা নামাতোঁ।"

ৰহমান ৰ'ল, আকৌ ৰাইজলৈ চালে। তাৰ পিছত অলপ ডাঙৰকৈয়ে ক'লে, "মই ৰাইজৰ জগৰ লগাইছোঁ, হয় ৰাইজ।"

"সেইবুলি ক'লেই হ'ব নে ? সকলো কথা ৰাইজক জনাওক।"

"জনাইছোঁ ৰাইজ, নজনাম কেলেই। ৰাইজৰ মাজতে বুঢ়া হৈছোঁ। মাৰিলে-কাটিলেও ৰাইজেই কান্ধতকৈ কবৰলৈ নিব লাগিব। ৰাইজৰপৰা কথা চুৰ কৰিবলৈ যাম নে ?"

ৰহমানক সঁচাকথীয়া মানুহ বুলি জামাতে জানে। তেওঁৰ কথাৰ সুৰত এচামৰ মনত তেওঁৰ প্ৰতি সমবেদনা হ'ল। কিন্তু আন দল তেতিয়াও উগ্ৰ।

"আমাক আচল কথাটো লাগে, অন্য কথা আমাক কেলেই ?"

ৰহমানে ক'লে, "আচল-নকল একো নাই। ৰাইজে সকলো জানে। সোণপাহী মোৰ নুমলীয়া জী! মাক নাইকিয়া ছোৱালী, ময়ো লঠামুৰা অকলশৰীয়া মানুহ। তেও বুলি মই চকু নিদিয়াকৈ থকা নাছিলোঁ। পিছে তাইৰ যে গাত কিবা হৈছে— ৰাইজ আছে—মই আজি এমাহৰ আগলৈকে ক'ব পৰা নাছিলোঁ।"

"ক'ব পাৰিলত পিছে ৰাইজক নজনালা কিয় ?"

"দোষ কৰিছোঁ বোপাইহঁত। যেতিয়া কথাটো জানিলোঁ, তেতিয়া দেখিলোঁ সৰ্ব্বনাশ হৈছে। পিছে তাইকনো তেতিয়া সেইটো গাবে ক'লৈ খেদাই পঠিয়াম ? খেদাল্লেই পঠিয়াওঁ, তাই য'ত মৰে মৰকগৈ, পিছে তাইৰ পেটৰ বে-গুনাহ জীৱটোক জানো ধ্বংস কৰিব পাৰি ? আল্লাৰ হুকুম, এটা মানুহৰ পোৱালি আহিছে।...."

"মানুহৰ পোৱালিয়েই আহক, বা কুকুৰৰ পোৱালিয়েই আহক, সেইজনী মানুহ ঘৰত ৰাখি তুমি ৰাইজৰ লগত খোৱা-বোৱা কৰি থাকিব নালাগিছিল।"

ৰহমানে তলমূৰ কৰি থাকিল। একো নামাতিলে।

কোনোবা এটা ডেকাই ঠহৰ কৰে কৈ উঠিল, "গোটেই গাঁওখনৰ বদনাম আনিলে সোণপাহীয়ে। চোৰ কোন আমাক জনাব লাগে, আমি কাকো নেৰোঁ।"

ৰহমানে সবুকৈ ক'লে, "সেই কথা ময়ো অজিলৈকে নাজানো। তাইৰ মুখৰপৰাও উলিয়াব পৰা নাই এতিয়ালৈকে। আল্লাই জানে আৰু তাই জানে কোনে আমাৰ শত্ৰুতা কৰিলে—" বিষণ্ণভাৱে ৰহমানে ক'লে।

নিজৰ মাজতে কোৱাৰ দৰে ডেকাদলৰ ভিতৰৰ কোনোবা এটাই অলপ সবুকৈ ক'লে, 'তুমি নাজানিব পাৰা, কিন্তু চোৰ কোন আমি বিচাৰি উলিয়াম। খাই কাৰ্শলা ডালত উঠিল ।'

জিকিৰত বুঢ়াই ৰাই দিলে, "আমি সকলো একেটা মচজিদৰ একেটা জামাতৰ মানুহ, আমি সকলোটি ভাই-ককাই আৰু সেইদেখি ভাইৰ পাপে ভাইক নোছোৱাকৈ নাথাকে। সোণপাহীয়ে বেয়া কাম কৰিলে, হয়তো নাজানি-নুশুনিয়ে কৰিলে। সেইবুলি কণা হৈ খালত পৰা যি, চকু মুদি পৰাও সি—বোকা-পানী লাগিবই। ৰহমান অকলশৰীয়া মানুহ, পুতেকহঁতো আঁতৰি গ'ল, জীয়েকজনীকনো কেনেকৈ এৰি দিয়ে? পিছে সমাজৰ মাজত থাকিলে সমাজৰ মান-ইজ্জত বচাই চলিব লাগে। আল্লাই সকলো দেখি আছে, আমি লুকুৱাই ক'ত সাৰিম? এতিয়া—"

একে লেথাৰিয়ে কথাখিনি কৈ অলপ ভাগৰি বুঢ়া বৈ গ'ল, তাৰ পিছত আকৌ ক'লে, "এতিয়া ছোৱালীজনী আৰু ৰহমানে ছৰা-ছৰিয়ত মতে তৌবাহ-তিলাৱত কৰক, চোৰটোকো ধৰাই দিয়ক, আমিও সদৌ জামাতে তৌবাহ কৰোঁ, আল্লাই আমাৰ গুনাহো মাফ কৰোঁতা আৰু সেয়ে যেতিয়ালৈকে নহয়, ৰাইজে ৰহমানৰ লগত বহা-উঠা কৰিব নোৱাৰে।"

"ইমান দিন যে খোৱা-লোৱা কৰিলে তাৰ কি হ'ব?" কোনোবা এটাই ক'লে।

"গুনাহ হৈছে, আল্লাৰ ওচৰত মাফ খোজহঁক। আৰু কি উপায় আছে—"

আৰু দুই-চাৰিটা আলোচনাৰ পিছত মেল ভাগিল। ৰহমানে কোনো উচ-বাচ নকৰি তলমূৰ কৰি মচজিদৰপৰা ঘৰলৈ খোজ ল'লে।

সন্তানটোৰ বাপেকৰ নাম সোণপাহীয়ে কোৱা নাই। কোৱাৰ সম্ভাৱনাও কম। তেন্তে কি কৰা যায়? ঘৰৰ বাজ কৰি, গাঁৱৰ বাজ কৰি সোণপাহীক খেদাই দিলে তাই যাব ক'লৈ? তাইৰতো ৰহমানৰ বাহিৰে আৰু কোনো নাই। হয়তো তাইৰ গৰ্ভত জন্ম লোৱা অবৈধ সন্তানটোৰ বাপেক কোন কৈ দিলেও সেই দুৰ্বৃত্তই স্বীকাৰ নকৰিব পাৰে। কি উপায় হ'ব?

ৰহমানে জানে আল্লাই মাফ কৰিলেও সমাজে সোণপাহী আৰু তাইৰ ল'ৰাটোক ক্ষমা নকৰিব। অথচ সমাজৰ বাহিৰতো জীয়াই থকা নাযায়।

অৱশেষত বহুত চিন্তাৰ পিছত ৰহমানে ঠিৰাং কৰিলে যে পিছত যি হয় হ'ব, বৰ্ত্তমানত সোণপাহী তেওঁৰ লগতে থাকিব। আজি তাইৰ যাবলৈ কোনো ঠাই নাই।

॥ চাৰি ॥

মছজিদৰ পুখুৰী-পাৰৰ বকুলৰ তলত প্ৰায় একুৰিমান সৰু সৰু ল'ৰা-ছোৱালীয়ে খেলিছিল। কোনোৱে খেলিছিল বকুল-গুটিৰে একৈয়া বোটলা, কোনোৱে ধুলি-ভাত আৰু কোনোৱেবা ক'কালে ক'কালে যুঁজ। ল'ৰা-ছোৱালীবোৰৰ বয়স কাৰো দহ-এঘাৰ বছৰৰ বেছি নহয়।

বতৰ ভাল থাকিলে, বৰষুণ-বাদল নহ'লে, গাঁৱৰ ল'ৰা-ছোৱালীবোৰে ইয়াতে সদায় খেলে। বৰ বৰ জোপোহা বকুল কেজোপাৰ তলবোৰ ফু-মাৰি ভাত খাব পৰা—চাফা। খৰালি তাত বন-পাতো নোহোৱা হয়, বাৰিষা বন গজে যদিও বোকা নহয়। পুখুৰী-পাৰবোৰ বৰ ওখ, ফাগুন-চ'তমহীয়া বকুল-তলখন ধুলিয়ৰি আৰু ফৰকাল হয়। ল'ৰাবোৰে তাতে জুম পাতি, কিৰীলি পাৰি খেলে, নাচে, জ'পিয়ায়। দন্দ-কাজিয়াও কৰে।

চ'ত সোমাইছে। ফাগুন এইবাৰ বৰ খৰাং গ'ল। মাঘৰ শেষতে এজাক বৰষুণ দিছিল, তাৰ পিছত গোটেই মাহটো বৰষুণ নাই। আকাশত ,পাতল পাতল কপহুৱা-মেঘ দুই-এচপৰা কেতিয়াবা দেখা পোৱা গ'লেও বৰষুণৰ চিনেই নাই। খৰাং বতৰৰ কাৰণেই আগতীয়াকৈ গৰমো হৈছে এইবাৰ। গছ-পাতবোৰ খৰত ডেই গৈছে।

খেলি থকা ল'ৰা-ছোৱালীৰ জুমটোতে ছয়বছৰীয়া ল'ৰা এটাও আছিল। বয়স তাৰ ছয় বছৰহে যদিও দেখাত তাক দহ-বাৰবছৰীয়া ল'ৰা যেন লাগে। ল'ৰাটোৰ হাত-ভৰিবোৰ লোহোৰা-লোহোৰ, মুখখন অলপ দীঘল চানেকীয়া, পুৰঠ। মূৰত এখিনি ঘন ক'লা চুলি। চুলিবোৰ অলপ দীঘল হৈছে—কপালৰ আধাখিনিলৈকে ঢাকি আছে। তাৰ গাত এটা চুটি বনিয়ন আৰু এটা পুৰণি চুটি হাফ্‌পেণ্ট।

তাত দুই-চাৰিটা বয়সত তাতকৈ ডাঙৰ ল'ৰাও আছিল দুই-এজনী আঠ-ন বছৰীয়া ছোৱালীও আছিল। কিন্তু সকলোৰে মাজত তাৰ চেহেৰা-পানী, খোজ-কাটলহে চকুত পৰা বিধৰ আছিল।

তাৰ কোনো বিশেষ লগৰীয়া নাছিল। সি লগৰ সকলোৰে লগত খেলিছিল, আৰু অন্য ল'ৰা-ছোৱালীবোৰে সকলোৱে তাৰ লগ বিচাৰিছিল।

ল'ৰাটোৰ নাম ছমীৰ।

প্ৰায় তিনি ঘণ্টাতকৈও বেছি সময় খেলাৰ পিছত ল'ৰা-ছোৱালীবোৰ ঘৰা-ঘৰি যাবলৈ ওলাইছিল। চিঞৰ-বাখৰ লাগি গ'ল—পল্টন নামৰ ল'ৰাটোৰ বকুল-গুটি দুটা কম ওলাইছে। আকৌ সকলো চাপি আহিল। প্ৰত্যেকৰে হাতৰ গুটি এটা এটাকৈ লেখি চোৱা হ'ল, কাৰো হাতত বেছি নাই, যাৰ যিমান আছিল সিমানেহে আছে। ছমীৰৰ হাততো এটা গুটিও বেছি নোলাল। অলপ সময় আটাইবোৰ ল'ৰা-ছোৱালী বিমোৰত পৰি ইটোৱে সিটোৰ মুখ চোৱা-চুই কৰিব ধৰিলে।

অলপ সময়ৰ পিছত ছমীৰে ক'লে, "বাবু পল্টন, তোৰ গুটিবোৰ আকৌ লেখচোন। কিজানি আছে—"

"ইঃ মই লেখিলোঁ নহয়, নাইকিয়া—" পল্টনে ক'লে।

কিন্তু মুহূৰ্ত্ততে স্থিৰ হৈ গ'ল যে আকৌ এবাৰ পল্টনৰ গুটিবোৰ হিচাপ কৰি চাব লাগে।

চোৱা হ'ল। পল্টনৰ গুটি ঠিকেই আছে। লেখাতহে তাৰ ভুল হৈছিল। ল'ৰা-ছোৱালীবোৰক মিছাতে চোৰ ধৰাৰ কাৰণে পল্টনৰ ওপৰত সিহঁতৰ খং উঠিল। সিহঁতে তাক খেচ্‌খেচাই কিবা-কিবি ক'ব ধৰিলে। পল্টন অলপ অজলা ল'ৰা, নিৰুপায় হৈ সি কান্দি দিলে।

পাভ অলপ মুখ চোকা ছোৱালী—বয়সো ন-দহৰ ওচৰ চাপিছে। তাই কৈ উঠিল, "নিজে চোৰ, আকৌ লোকক চোৰ কয়—"

কথাষাৰ শুনি ছমীৰৰ খং উঠি গ'ল।

"তইহে চুৰুণী—" কৈ সি পাভক খেদি গ'ল মাৰিবলৈ। দুয়োটাৰে জোঁটাপুটি লাগি গ'ল। পাভই ছমীৰক বলে নোবাৰে। তাই সৰু-ফুটীয়া ছোৱালী, মুখখনহে চোকা।

তৎক্ষণাৎ ল'ৰা-ছোৱালীদল দুভাগ হৈ গ'ল। চিঞৰ-বাখৰ, কন্দা-কটা আৰু বাঢ়িল। ওচৰত থকা দুই-চাৰি তিৰোতা মানুহ আহি বকুল-তল পালেহি। পাভৰ মাকো আহি হাজিৰ হ'ল। ডাঙৰ মানুহক দেখি ল'ৰা-ছোৱালীবোৰে কাজিয়া কৰিবলৈ এৰি গোচৰ দিয়াত লাগি গ'ল।

পাভই যেতিয়া মাকক লগালে যে ছমীৰে তাইক চুৰুণী বুলিলে আৰু চুলিত ধৰি ভুকুৱালে, পাভৰ মাক টিৰ্টিঙৰি-তুলা হৈ উঠিল আৰু জীয়েকক হাতত ধৰি টানি টানি ঘৰৰ ফালে লৈ গ'ল। লগে লগে চিঞৰি চিঞৰি কৈ গ'ল— "কুকুৰবোৰৰ লগত ধেমালি নকৰিলে গা শাঁত নপৰে। মোৰ ছোৱালীক চুৰুণী বোলে! তাৰ মাক চুৰুণী। জহৰা, জহৰাই মোৰ ছোৱালীৰ গাত হাত দিয়ে! ব, এইবেলি মোৰ ল'ৰা-ছোৱালীৰ ফালে চাবি, মোৰ হাতৰপৰা জহৰাক কোনটো বাঁপেকে ৰক্ষা কৰে চাম।"

পাভৰ মাকৰ লগে লগে পাভৰ ফলীয়া ল'ৰা-ছোৱালীজাকে কিৰীলি পাৰি চিঞৰি চিঞৰি ঘৰৰ ফালে ঢাপলি মেলিলে—"জহৰা—জহৰা—জহৰা—"

প্ৰথমে ছমীৰে ল'ৰা-ছোৱালীজাকৰ ফালে কিছু দূৰ আগবাঢ়ি খেদি আহিছিল। কিন্তু বাৰে বাৰে তাৰ ফালে চাই 'জহৰা জহৰা' বুলি চিঞৰি যোৱা ল'ৰা-ছোৱালীজাকৰ আগত হঠাৎ সি অসহায় যেন অনুভৱ কৰিলে আৰু তলমূৰ কৰি বকুল-তলৰপৰা ঘৰৰ ফালে বাট ল'লে। মাথোন সৰুকৈ ভোৰভোৰাই কৈ গ'ল—"তহঁতহে চুৰুণী, তহঁত চব চুৰুণী—"

দিনটোত ল'ৰা-ছোৱালীৰ হাজাৰখন দন্দ লাগে আৰু ভাগে। ছমীৰহঁতৰো কাজিয়াবোৰ অল্পস্যাদী। কিন্তু কাজিয়া লাগিলেই ছমীৰক ইবোৰ ল'ৰা-ছোৱালীয়ে এষাৰ গালি পাৰে, যিষাৰ গালি অন্য কোনো ল'ৰা-ছোৱালীকে নাপাৰে—"জহৰা—এই জহৰা।"

এই গালিষাৰ শুনিবলগীয়া হ'ব বুলিয়ে সৰু ল'ৰা হ'লেও ছমীৰে কাৰো লগত কাজিয়া নকৰাকৈ থাকিবৰ চেষ্টা কৰে, কিন্তু দন্দ নলগাকৈ কাচিৎহে থাকে। তাৰ বেয়া

আগে খোঁতিয়া সি দেখে যে আগদিনা তাৰ ফলীয়া হৈ কাজিয়া কৰা ল'ৰা-ছোৱালীবোৰেও হয়তো পিছদিনা তাৰ লগত কাজিয়া কৰি তাক সেইবুলি জোকায়। অন্যক গালি সিও পাৰে— অৰ্থ বুজি পোৱা-নোপোৱা, গাঁৱৰ অন্যৰ মুখত শুনা গালিবোৰ ল'ৰা-ছোৱালীৰ সহজে মুখস্থ হয় আৰু সময় মতে তাৰ ব্যৱহাৰো সিঁহতে নকৰাকৈ নাথাকে। কিন্তু তাক পৰাৰ নিচিনা গালি অন্যক কিয় নাপাৰে, এই কথা ছমীৰে বুজিব নোৱাৰে। তাৰ খঙো উঠে, বেজাৰো লাগে।

খেলিবলৈ যাবৰ সময়ত সদায় সি অন্য ল'ৰা-ছোৱালীৰ দৰে ৰং মনেই যায়, কিন্তু ঘুৰি আহোঁতে সদায় তলমূৰ কৰি কান্দি কান্দি আহে। সোণপাহীয়ে তাক আৰু উমলিবলৈ নাযাবলৈ কৈ হাত-মুখ ধুৱাই মৰম কৰি নিচুকাবৰ চেষ্টা কৰে। সি সৰু ল'ৰা, মাকৰ আদৰ-মৰমৰ মাজত তাৰ বেজাৰ-অপমানৰ কথা পাহৰি যায়। কিন্তু প্ৰায় দৈনিক একে ৰকমৰ গালি শুনি শুনি তাৰ খং বাঢ়ি যায়। আৰু তাৰ গোটেই খংটো উঠে মাকৰ ওপৰত।

স্কুলতো কেতিয়াবা কোনোবা ল'ৰা-ছোৱালীয়ে তাক সেইদৰেই জোকায়। সি মাষ্টৰক গোচৰ নিদিয়ে। ছল চাই থাকি স্কুল ছুটীৰ সময়ত তাক জোকোৱা ল'ৰা-ছোৱালীবোৰক যাকে পাৰে এভুকু দি ঘৰলৈ দৌৰ দিয়ে। ইয়াৰ বাবে পিছদিনা কেতিয়াবা পণ্ডিতৰ মাৰো খায়।

কেতিয়াবা ছমীৰে তাক তেনেকৈ গালি পৰাৰ কথা কৈ ৰহমান নানাকক গোচৰ দিয়ে। ৰহমানে তলমূৰ কৰে আৰু অন্য কথা কৈ তাক ফুচুলাবৰ চেষ্টা কৰে। আৰু কেনেবাকৈ সেইবোৰ কথা সোণপাহীৰ কাণত পৰে বুলি ছমীৰক লৈ এনেই আলিবাটলৈ ওলাই যায়।

যোৱা ছ'বছৰ ৰহমান আৰু সোণপাহী সমাজৰপৰা বাদ পৰি আছে। দেখাদেখিকৈ কাৰো ঘৰলৈ আহ্-যাহ্ নাই। অৱশ্যে লুকাই-চুৰকৈ কেতিয়াবা গাঁৱৰ কোনোবা ৰহমানৰ ঘৰলৈ নহা নহয়। বহুতৰে নাহিলে নচলে। কোনোৱে ৰহমানৰ মাটি আধি বোৱে, কোনোৱেবা পাঁচ টকা বুপকে ধাৰলৈ বিচাৰি আহে, কোনোবে বা ধান এদোণ, তামোল-পাণ এটাকে খুজিবলৈ আহে। গাঁওখনৰ ভিতৰত ৰহমান ৰস-পম থকা মানুহ।

অৱশ্যে কিবা এটা উপায়ে ৰহমানক সমাজৰ মাজত সুমুৱাই ল'ব পৰা হ'লে সকলোৱেই ভাল পালেহেঁতেন। অন্য সময়ত নহ'লেও গাঁৱৰ ভোজ-বিয়াত ছ'বছৰে ৰহমান বুঢ়া অনুপস্থিত থাকিবলগীয়া হোৱাৰ কাৰণে ৰাইজৰে বেয়া লাগে। পিছে কি কৰিব ? মানুহতকৈ নিয়ম ডাঙৰ।

ৰহমান বুঢ়াৰো মাজে মাজে বৰ বেজাৰ লাগে। সমাজৰ নিয়মৰ বিৰুদ্ধে তেওঁৰ কোনো অভিযোগ নাই। সমাজো নিৰুপায়, তেৰেঁা নিৰুপায়। সোণপাহীক ক'লৈ খেদাই পঠাব ? আৰু সোণপাহী ক'ৰবালৈ গ'লেও ছমীৰক ৰহমানে পলকৰ কাৰণে চকুৰ আঁৰ কৰিব নোৱাৰে। সিও তাৰ নানাকৰ বাহিৰে অন্য কোনো মানুহৰ মৰম আজিলৈকে পোৱা নাই। নানাকেই তাৰ বোপাই-দদাই-মোমাই, ভাই-বন্ধু-লগৰী সকলো। বুঢ়াৰ আতোলতোল মৰমৰ মাজতে সি লহ্পহ্কৈ বাঢ়ি উঠিছে। ছমীৰ চকুৰ আঁৰ হ'লেই বুঢ়াৰ চট্ফটনি আৰম্ভ হয়, সোণপাহীক মাতি সোধে ল'ৰাটো কেনি গ'ল, নাইবা অলপ পলম হোৱা যেন দেখিলে তাক বিচাৰি নিজেই ওলাই যায়।

তথাপি বহুমানৰ মাজে মাজে বৰ বেয়া লাগে। ভৰা গাঁওখনৰ মাজত থাকিও নিজকে বৰ অকলশৰীয়া যেন লাগে। তেওঁৰো গাঁৱত ভোজ-বিয়া হ'লে, চকুৰ আগেদিয়ে মানুহবোৰ অহা-যোৱা কৰা দেখি বেয়া লাগে, অনুতাপ হয়, অনুশোচনাও হয়। কিয় এনে হ'ল? কাৰ দোষত? কাৰ ভুলত? কেঁতিয়াবা বহুমানে ভাবে যে সোণপাহীক ক'ৰবালৈ আঁতৰাই পঠাই তেওঁ নিজে মুক্ত হ'ব আৰু মৰমৰ সমাজখনৰ মাজত আকৌ সোমাই পৰিব। কিন্তু ভবাৰ বাহিৰে আৰু অন্য একোকে কৰা নহয়। সোণপাহীৰ কৰুণ মুখখনলৈ চালে বহুমানৰ সকলো সঙ্কল্প নোহোৱা হৈ যায়।

সোণপাহীয়ে বুজে তাই কেৱল সমাজৰ ওচৰতে অপৰাধ লগোৱা নাই, জীৱনৰ ওচৰতো তাই অপৰাধ লগালে। তাই ডাঙৰ পাপ কৰিলে, গুনাহ কৰিলে, ইয়াৰপৰা তাই সহজে মুক্তি নাপায়। ছমীৰৰ বাপেক কোন—মই কৈ নিদিওঁ কিয়? কৈ দিবতো পাৰোঁ। অন্য কোনো কথাতো লুকাই থকা নাই! এবছৰ-দুবছৰকৈ ছমীৰ ছ'বছৰীয়া হ'লহি। তাৰ বাপেকৰ নাম লুকুৱাই ৰাখি কি লাভ হ'ব? কিন্তু এতিয়া আৰু জনায়েইবা কি লাভ? ছ'বছৰেতো লাঞ্ছনা-গঞ্জনা, সকলো ভুগিলোঁৱেই, ছমীৰৰ জীৱনত মচিব নোৱাৰা কলঙ্ক সানিলোঁৱেই। এইটো জীৱনেই লাহে লাহে সহজ হৈ আহিছে। পাহৰণিৰ বুকুত লুকাই পৰিব ধৰা কাহিনী উজাৰি ক্ষতিৰ বাহিৰে লাভ একো নহয়।

তথাপি বাপেকৰ কাৰণে সোণপাহীৰ বেয়া লাগে। তাইৰ কাৰণেই বুঢ়া বাপেকে আজি সমাজৰপৰা অপমান পাবলগীয়া হৈছে। এই বুঢ়া বয়সত গাঁৱৰ বিয়া-ভোজ সকলো বাদ দিবলগীয়া হৈছে। অকাৰণতে তাইৰ কাৰণেই নিজৰ জীৱনৰ আনন্দ-উল্লাস এৰিবলগীয়া হৈছে।

মাজে মাজে সোণপাহীৰ নিজৰ ওপৰতে ধিক্কাৰ জন্মে। তাইৰ পাপৰ কাৰণে অন্যে শাস্তি ভুগিবলগীয়া হৈছে কিয়? তথাপি তাই নিৰুপায়। মাত্ৰ সোণপাহী আৰু বহুমান দুয়ো ছমীৰৰপৰা কলঙ্কৰ কাহিনী লুকুৱাই ৰাখিবৰ চেষ্টা কৰে। চেষ্টা কৰে পঢ়াই-শুনাই তাক মানুহ কৰিবৰ কাৰণে।

সোণপাহীয়ে ভাবে যে তাইৰ আৰু কোনো ভৱিষ্যৎ নাই। তাইৰ বয়স বেছি হোৱা নাই, তাইৰ বয়সৰ ছোৱালী বহুতৰে বিয়া হোৱা নাই। কিন্তু সিহঁতৰ আশা আছে, সিহঁতৰ ভৱিষ্যৎ আছে। সোণপাহীৰ জীৱন অকালতে চিৰদিনৰ কাৰণে ব্যৰ্থ হৈ গৈছে! এতিয়া তাইৰ জীৱনৰ একমাত্ৰ আশা—তাইৰ পুতেক ছমীৰ যেন মানুহ হ'ব পাৰে, সি যেন তাৰ সাফল্যৰে তাৰ আৰু মাকৰ জীৱনৰ কলঙ্ক নিশ্চিহ্ন কৰি দিব পাৰে।

সোণপাহীয়ে লক্ষ্য কৰি দেখে ছমীৰ যিদৰে লহপহকৈ বাঢ়ি আহিছে, তাৰ বুদ্ধি-বৃত্তিও তেনেদৰেই দিনক দিনে বাঢ়ি আহিছে। তাইৰ পাপৰ দোষে তাক নুছুলে, সি এদিন এটা মানুহ হ'ব। মনে মনে তাই ছমীৰৰ ভৱিষ্যতৰ কাৰণে আল্লাৰ ওচৰত মুনাজাত কৰে—'আল্লা, তাক মানুহ কৰা।'

॥ পাঁচ ॥

নাযায়—নুপুৰায়।

তথাপি যায়, তথাপি পুৰায়। দিনৰ পিছত ৰাতি, ৰাতিৰ পিছত দিন, গ্ৰীষ্ম-বৰ্ষাৰ বিৰামহীন পৰিক্ৰমা।

আৰু চাৰিটা বছৰ পাৰ হৈ গ'ল। পৃথিবীৰ বিশেষ পৰিৱৰ্ত্তন নহ'ল। যোৱা বছৰ যিবোৰ পাত কঁহি আছিল, সেইবোৰ পাত এই বছৰ বুঢ়া হৈ পকি সৰি গ'ল, নতুন পাত ওলাল।

পৰিৱৰ্ত্তন দেখদেখকৈ আহিল বুঢ়া ৰহমানৰ 'শৰীৰলৈ'। যোৱা বছৰ জাৰকালি বুঢ়াৰ বৰ টান অসুখ হৈছিল—নামত জ্বৰ-কাহ, আচলতে আছিল নাবেঙা। বহুত গাঁৱলীয় দৰৱ-জাতি কৰি বুঢ়াক বচোৱা হ'ল—কিন্তু বুঢ়াৰ দেহাৰ আঁত লৰিল, স্বাস্থ্য একেবাৰেই ভাগি গ'ল। এনেই উঠি-মেলি ফুৰি গা টঙাবলৈকে বুঢ়াৰ চাৰিমাহ লাগিল।

ৰহমান বৰ খীণাল, শেঁতাও পৰিল। মূৰৰ চুলি আৰু ডাঢ়ি এডালো বাকী নোহোৱাকৈ পকি শেষ হ'ল। মানুহজনৰ ক'কালো অলপ হুলিল। হয়তো নেবা-চিলেইহেঁতেন, কিন্তু সোণপাহীৰ অক্লান্ত পৰিচৰ্য্যা আৰু গাঁৱলীয়া ঔষধৰ অকাট্য ফলেই বুঢ়াৰ প্ৰাণ ৰক্ষা কৰিলে। নাবাচিম বুলি বুঢ়াই নিজেও ভয় খাইছিল, সেইদেখি এদিন বেমাৰৰ মাজতে গাঁৱৰ মানুহ আৰু আঁতৰি থকা পুতেকহঁতক মতাই আনি বুঢ়াই ক'লে, "এনেকুৱা বেমাৰ মোৰ কোনো দিন হোৱা নাই। আল্লাই ইমানতে নিলেও ভাল আৰু—গুনাহগাৰ বান্দা, দিনে দিনে গুনাহ বাঢ়িহে গৈছে। পিছে মোৰ যি হয় হওক, এই সোণপাহী আৰু ছমীৰৰ মোৰ অবিহনে আৰু কোনো নাই। সোণ-পাহীক পাৰিলে ৰাইজে মাফ কৰি দিব, পিছে ছমীৰ মাচুম—তাৰ গাত কোনো দোষৰ চেকা নাই। তাক মই আল্লা আৰু ৰাইজৰ হাততে গতালোঁ। তাৰ এতিয়া দহ বছৰ হৈছে। নাবালক ল'ৰা, ৰাইজে তাক মৰম কৰিলেই মই শান্তিৰে চকু মুদিব পাৰিম। মোৰ ল'ৰাকিটাক মই আগতে মাটি-সম্পত্তি ভাগ কৰি দিলোঁ। মোলৈ বুলি মাটি চাৰি পুৰা ৰাখিছিলোঁ। সেয়া আৰু ল'ৰাহঁতক নিদিওঁ, সেয়া সোণপাহী আৰু ছমীৰে পাব। ছমীৰ জানিবা মোৰ নাতি নহয়, পোৱেই।"

ৰাইজে দায়িত্ব লৈছিল। বুঢ়াৰ পুতেকহঁতেও আপত্তি কৰা নাছিল, কাৰণ সিহঁতে বাপেকৰপৰা নিজৰ ভাগ আগতেই ভগাই লৈছিল।

বুঢ়া অৱশ্যে নমৰিল, লাহে লাহে আৰোগ্য হৈ আহিল। সোণপাহী আৰু ছমীৰেও যেন চৌদিশে বেঢ়ি অহা আন্ধাৰৰপৰা ৰক্ষা পালে।

ইতিমধ্যে ছমীৰ পাঠশালা স্কুল পাছ কৰি হাইস্কুলৰ ক্লাচ ফ'ৰ পাইছিলগৈ। সকলোৱে স্বীকাৰ কৰিলে যে পঢ়া-শুনাত ল'ৰাটো চোকা।

লাহে লাহে ছমীৰেও কথাবোৰ অলপ অলপ বুজি পোৱা হৈ আহিব ধৰিলে। তেতিয়াও সকলো কথা তাৰ মনত স্পষ্ট হোৱা নাছিল, কিন্তু এটা কথা সি বুজি উঠিছিল যে তাৰ জীৱন আৰু অন্য ল'ৰাৰ জীৱনৰ মাজত এটা পাৰ্থক্য আছে। অৱশ্যে এই পাৰ্থক্যটো কি সেই বিষয়ে নিজে একো বুজিব পৰা নাছিল। মাত্ৰ বুজিছিল যে অন্য ল'ৰা-ছোৱালীৰ নিচিনাকৈ তাৰ বাপেক নাই। কিন্তু বাপেক নোহোৱা, তাৰ সমনীয়া ল'ৰা-ছোৱালী গাঁওখনত আৰু আছে। তথাপি তাৰ বাপেক নথকাটো অন্যৰ বাপেক নথকাতকৈ কিয় বেলেগ বুজিবলৈ তাৰ টান লাগিল।

অৱশ্যে বয়স বাঢ়ি অহাৰ লগে লগে এটা কথা দেখি তাৰ ভাল লাগিল যে আজি-কালি তাক আৰু ল'ৰা-ছোৱালীবোৰে আগৰ নিচিনা দেখাদেখিকৈ গালি নাপাৰে। হয়তো সাহস নকৰে। কিয়নো গায়ে-গাৰিয়ে তাৰ লগত যুঁজিব পৰা ল'ৰা দুটামানহে আছে। তালৈ বহুতে ভয় কৰে। কৈশোৰৰ স্বাভাৱিক প্ৰফুল্লতা আৰু চাঞ্চল্যই, আৰু অনবদ্য স্বাস্থ্য-শ্ৰীয়ে ছমীৰৰ মনলৈ মাজে মাজে অহা বিষাদ আঁতৰাই ৰাখিছিল। সোণপাহীয়েও ছমীৰৰ তেজগোঁৱা ধুনীয়া মুখখন আৰু শকত-আৱত হাত-ভৰিবোৰলৈ চাই থাকি বিমৰ্ষতাৰ মাজতো আনন্দ অনুভৱ কৰিছিল—লাহে লাহে তাইৰ কোলাৰ অকণমান ছমীৰটো এটা মানুহ হ'বলৈ আগবাঢ়িছে। গাঁওখনত তাৰ নিচিনা স্বাস্থ্যৱান আৰু সুশ্ৰী ল'ৰা দ্বিতীয় এটা তাইৰ চকুত নপৰে।

কেতিয়াবা দুপৰীয়া ঘৰখন যেতিয়া নিমাওমাও হয়, ৰহমান হয়তো নীৰৱে বিচনাত পৰি থাকে, আৰু ছমীৰ থাকে স্কুলত। তেতিয়া সোণপাহীয়ে ভয়ে ভয়ে ঘৰৰ ভিতৰত সোমাই, নাইবা পিছফালে পুখুৰীৰ দলঙত বহি কিবা-কিবি ভাবে। বাপেক ৰহমানৰ স্বাস্থ্য পৰি আহিছে। তেওঁ হয়তো আৰু কেই বছৰমান জীয়াই থাকিব, কিন্তু দিনে দিনে সংসাৰৰ লগত তেওঁৰ সম্পৰ্ক লঘু হৈ আহিছে। তেওঁ যেন ইচ্ছা কৰিয়ে এই ঘৰ-সংসাৰৰ কৰ্তৃত্ব নিজৰ হাতৰপৰা এৰুৱাই ছমীৰ আৰু সোণপাহীৰ হাতত সমৰ্পণ কৰিবৰ কাৰণেই আগবাঢ়িছে। আৰু ছমীৰেও যেন ঘৰখনৰ ইটো-সিটো কবাত হাত দি নিজৰ আৰু ঘৰখনৰ দায়িত্ব বহন কৰাৰ শক্তি আহৰণৰ প্ৰস্তুতি কৰিছে।

ৰহমান বুঢ়াই এদিন চকু মুদিব, এদিন হয়তো ছমীৰেও নিজৰ পথ ল'ব। মই কি কৰিম? ক'লৈ যাম? মোৰ জানো কোনো ভৱিষ্যৎ আছে? মোৰ জীৱনটো জানো এনেকৈয়ে অৰ্থহীনভাৱে শেষ হৈ যাব?

সোণপাহীৰ নিজকে বৰ অসহায় যেন লাগে। তাই জীৱনৰ যি পথত ভৰি দিলে সেই পথত আশা নাই, পোহৰ নাই, সঙ্গী নাই—বন্ধু নাই, ভৱিষ্যৎ নাই। এই পথৰ মূৰত যাত্ৰা-শেষৰ আনন্দ নাই, অনিশ্চিত আন্ধাৰে ভৰা এই পথ—অতি ভয়াবহ এই নিঃসঙ্গ পথৰ যাত্ৰা।

সোণপাহীয়ে কেতিয়াবা আচীৰ্ত নিজৰ মুখখন চায়, নিজৰ গাটো চায়। তাইৰ কলঙ্কিত যৌৱনৰ অকণো ম্লানিমাৰ চিন তাইৰ গাত নাই। এই একুৰি পাঁচ বছৰ বয়সতো তাইৰ দেহাত আছে পাৰ উপচি পৰা যৌৱন, অটুট স্বাস্থ্য আৰু লোভনীয় স্বাস্থ্যশ্ৰী। নিজৰ মুখখনলৈ, নিজৰ গাটোলৈ চাবলৈ সোণপাহীৰ ভয় লাগি যায়। তথাপি তাই অনুভৱ কৰে যেন ছমীৰ নামৰ ল'ৰাটোৰ জন্ম তাই কোনো কাহানিও দিয়া নাছিল। এতিয়াও যেন তাই অক্ষত যৌৱনৰ সকলো মহিমা লৈ নতুনকৈ জীৱনৰ

মজিয়াত প্ৰথম খোজ পেলাবৰ কাৰণে আয়োজনহে কৰিছে। তাই এজনী কেঁচা নতুন গাভৰু, তাইৰ কোনো অতীত নাই। আছে মাথোন ৰামধেনুৰঙীয়া এটা সোণালী-ৰূপালী ভৱিষ্যৎ। সোণপাহীৰ কিবা আশা কৰিবৰ মন যায়—জীয়াই থকাৰ সঁজুলি আহৰণ কৰিবৰ মন যায়।

কিন্তু এই সকলোবোৰ অলপ সময়ৰ কাৰণেহে। পিছ-মুহূৰ্ত্ততে তাই জীয়া বাস্তৱৰ মাজলৈ ঘূৰি আহে। এই বাস্তৱৰ চেতনাই তাইক হতাশ কৰে, নিৰাশ কৰে, বিমৰ্ষ কৰে।

ছমীৰ ঘৰত নাছিল। ৰহমানে আগফালে কাৰোবাৰ লগত কথা পাতিছিল। এনেকৈ মাজে মাজে আজি-কালি কোনোবা আহে, বুঢ়াৰ লগত সুখৰ-দুখৰ কথা পাতি যায়, খোৱা-বোৱা এতিয়াও নকৰে।

তেওঁলোকৰ কথালৈ সোণপাহীয়ে প্ৰায়ে কাণ নিদিয়ে। মতা মানুহৰ কথালৈ কাণ নিদিলেও তাইৰ কোনো ক্ষতি নহয়। তাইৰ জগতখন সম্পূৰ্ণ তাইৰ নিজস্ব।

আজি কিন্তু হঠাৎ আকস্মিকভাৱে এষাৰ কথা সোণপাহীৰ কাণত পৰিল, তাই বুজিব নোৱাৰা কথা: "পিছে ল'ৰাটোৰ কি হ'ব? ল'ৰাটোক মই কেতিয়াও এৰি দিব নোৱাৰোঁ। মই যি কেইদিন জীয়াই আছোঁ, তাক মোৰ লগতে ৰাখিম।"

সোণপাহীয়ে এইবাৰ কাণ দিয়াটো প্ৰয়োজনীয় যেন অনুভৱ কৰিলে। কাৰ বিষয়ে কি কথা কোনে পাতিছে? আনকি সোণপাহীয়ে বেৰৰ ফাকেদি জুমি চাবৰো চেষ্টা কৰিলে মানুহজন কোন। এটা অজানিত শংকাত তাইৰ বুকুখন ঢুক্ঢুক্ কৰি কঁপি উঠিল।

ৰহমানৰ মাত: "সোণপাহীৰনো কি বয়স হৈছে? কোনোবা ভাল মানুহ ওলালে তাইক দিবলৈ মই বেয়া নাপাওঁ। মোৰো গা দিনে দিনে বেয়াৰ ফালেহে গৈছে। তাইক আৰু কিমান দিন ৰখি থাকিম? পিছে তাইৰ আৰু ল'ৰাটোৰ কেনেবাকৈ কিবা দুখ হ'ব লাগিলে, মৰিলেও মই শান্তি নাপাম। সিহঁতৰ লগত লাগিয়েই আজি দহ বছৰে মই কম দুখ ভোগা নাই।"

অভ্যাগতৰ মাত: "মইনো কি ক'ম? সকলো বুজি-বাজিহে আহিছোঁ। মানুহটো কিন্তু ভাল। বয়স অলপ হৈছে, পিছে মতা মানুহৰ বয়সৰনো কি লেখ আছে। আচল কথা তাৰ ল'ৰা-ছোৱালীকেটাক নিজৰ ল'ৰা-ছোৱালী বুলি লৈ ঘৰখন ধৰি ৰাখ পৰা ছোৱালী এজনী তাক লাগে। টকা-পইচা আল্লাই বহুত দিছে, খাওঁতাহে নাই।"

ৰহমানৰ কথা: "তাইক নোসোধাকৈ একো কৰিব নোৱাৰিব। তাইৰ বয়স হৈছে, নিজৰ বুজ-বাজ হৈছে। নিজৰ কাৰণে কি ভাল, কি বেয়া তাইহে মোতকৈ ভালকৈ বুজিব।"

অভ্যাগতৰ কথা: "ছোৱালীকতো সুধিব লাগিবই, তাইক নোসোধাকৈ আমিও একো নকৰোঁ। পিছে আমি জানো আপোনাৰ কথাই শেষ কথা। সোণপাহীয়ে কেতিয়াও আপোনাৰ কথা নেপেলায়। আৰু এটা কথা নহয়, সোণপাহী ঘূণলগা ছোৱালী, ৰূপ-গুণ যিমান যি নাথাকক, বদনামী ছোৱালী এজনী আৰু অইন জীয়ৰী ছোৱালী এজনী একে সমান হ'ব জানো?"

বহমানৰ কথা ঃ "এতিয়াই মই একো ক'ব নোৱাৰোঁ। ভাবি-চিন্তি চব লাগিব। অৱশ্যে কথাযাৰ শুনি মই বেয়া পোৱা নাই। সোণপাহীক পাবলৈ ক'বৰাত গজোঁতাৰ কথা ময়ো বহুত দিনৰপৰা ভাবি আছোঁ।"

অভ্যাগতে বিদায় ল'লে। কোন মানুহ এবাৰ চাবৰ ইচ্ছা থকা সত্বেও সোণপাহীয়ে দুৱাৰমুখ ওলাই চাবৰ সাহস বিচাৰি নাপালে। এটা অজানিত ভয়ে, এটা বুজিব নোৱাৰা শঙ্কাই সোণপাহীক বিব্ৰত কৰি তুলিলে। শুনা কথাবোৰ তাইৰ নুশুনা যেন লাগিল, নিজৰ কাণক বিশ্বাস কৰিব নোৱাৰা যেন অনুভৱ কৰিলে তাই। বাবাই কাৰ লগত এইবোৰ কি কথা পাতিছে? কি আলোচনা কৰিছে? মোৰ জীৱনলৈ এইবোৰ কি নতুন বিপৰ্যয় নামি আহিব ধৰিছে?

সোণপাহীৰ নিজৰ মনটোক কথা এষাৰ সুধি চাবলৈকো ভয় লাগিল। বাপেকৰ কাৰণে চাহ বাকি লৈও দিবলৈ যাবলৈ যেন ভৰি দুখনত অকণো শক্তি বিচাৰি নোপোৱা হ'ল। কিবা এটাই তাইক হেঁচি ধৰিছে, তাইৰ হাত-ভৰিবোৰ অচল হৈ গৈছে। এখন অবোধ্য পৃথিৱীলৈ তাই অকলে সোমাই যাবলৈ লৈছে, যাৰ একোকে তাই নাজানে।

সোণপাহীয়ে বহু কষ্টে নিজকে স্বাভাৱিক অৱস্থালৈ আনিবলৈ চেষ্টা কৰিলে।

কেইটামান দিন পাৰ হৈ গ'ল। বাপেকে কিবা কথা উলিয়ায় বুলি আশা আৰু উৎকণ্ঠাৰে বাট চাই থকা সত্বেও বুঢ়াই কোনো কথা নুলিয়ালে। সোণপাহীয়ে অলপ নিৰুৎসাহ অনুভৱ কৰিলে, লগে লগে ভালো পালে। তাই ছমীৰক অলপ বেছিকৈ মৰম কৰিলে। তাৰ মুৰৰ চুলিখিনি নিজে ফণিয়াই দিলে আৰু তাক এনেকুৱা কিছুমান কথা সুধিলে যিবোৰ কথা তাই ছমীৰক কোনোদিন সোধা নাই।

ঃ আজি-কালি ল'ৰা-ছোৱালীবোৰে তোক আগৰ নিচিনাকৈ নোজোকায়, নহয়?

ঃ আজি-কালি পাভই স্কুলত পঢ়ি আছে নে নাই? তাইক তই মাত নে নামাত?

ঃ মোলৈ বাৰু তোৰ মৰম লাগে নে ছমীৰ? বাৰু মোলৈ বেছি মৰম লাগে, নে নানালৈ?

ঃ মই নাথাকিলে তই অকলে থাকিব পাৰিবি নে বাৰু? সঁচা? ভয় কৰ কিজানি?

ঃ মই যদি মৰি যাওঁ, মই যদি নোহোৱা হৈ যাওঁ, তই বাৰু বেয়া পাবি নে নাপাব?

অবাস্তৱ আৰু অদৰকাৰী প্ৰশ্ন। কিন্তু প্ৰশ্নবোৰ মাকে কিয় সুধিছে ছমীৰে অকণো বুজিব নোৱাৰিলে। মাকৰ মুখলৈ ভেলেঙা লাগি চাই সি চুটি চুটিকৈ উত্তৰ দিলে। তাৰ উত্তৰ শুনি বহুত দিনৰ মুৰত, সোণপাহীয়ে হাঁহিবৰ চেষ্টা কৰিলে। যেন সোণপাহীৰ জীৱনৰ প্ৰশ্নবোৰৰ সকলো উত্তৰ আজি ছমীৰৰ ওচৰতে আছে। ছমীৰেই তাইৰ জীৱনৰ গতিপথ নিৰ্ণয় কৰিব।

ছমীৰ আচৰিত নহ'ল। এই বয়সত লোকৰ প্ৰশ্নৰ উত্তৰ দিবৰ অৱকাশ আৰু ধৈৰ্য্য নাথাকে। ছমীৰৰ যে নিজৰেই বহুত প্ৰশ্নৰ মীমাংসা কৰিবলগীয়া আছে। উত্তৰ দিলে যদিও কথাবোৰ ছমীৰৰ গাত নালাগিল। মাত্ৰ এটা কথা ছমীৰৰ

বুজিবলৈ অলপ টান লাগিল। এনেকুৱা প্ৰশ্নবোৰ আজি সোণপাহীয়ে তাক কিয় সুধিলে! লাগেৰেতো নোসোধে!

কোনো কথাতে গুৰুত্ব দিয়াৰ বয়স এইটো ছমীৰৰ নহয়। অতীতৰ চিন্তা কৰিবৰ বা ভৱিষ্যতৰ কল্পনা কৰিবৰ—এটাৰো প্ৰয়োজন তাৰ নাই। তাৰ দহবছৰীয়া মনটোৱে সি মাথোন চাৰিওফালে হাত মেলিলেই পোৱা নানা ৰকমীয়া বৰ্ত্তমানক সাবটি ল'বৰ কাৰণে প্ৰস্তুত হৈছে তেতিয়া। নানা ৰহণেৰে ফাকুৱুলীয়া আকাশখনে তাক হাত বাউল দি মাতে, মুকলি পথাৰবোৰত চকুৰ আঁৰত লুকাই কোনোবা দুষ্ট ল'ৰাই কুকুভা খেলিবলৈ চিঞৰি চিঞৰি মাতে। সি পঢ়া কিতাপবোৰৰ ছবিবোৰে কত যে ধুনীয়া ধুনীয়া সাধুকথা কয়, কত যে গান গায়। ছমীৰৰ চকু জলমলাই উঠে। নাচি ফুৰা ৰঙা-নীলা সপোনবোৰ হাতেৰে ছুই ছুই সি কিবা-কিবি ভাবে, গুণগুণায়। আলাসতে কিবা-কিবি সাজে। সেইবোৰৰ কোনো নাম নাই।

কিন্তু এদিন গধুলি যেতিয়া অন্য কিবা-কিবি কৈ শেষ কৰাৰ পিছত ৰহমান বুঢ়াই গাত নলগাভাৱে ছমীৰক ক'লে, "বাৰু ছমীৰ, মাৰ আৰু মই নাথাকিলে তই ইয়াত অকলে থাকিব পাৰিবি নে?" তেতিয়া প্ৰথমতে ছমীৰে সহজভাৱেই ক'লে, "পাৰিমতো নানা। তোমালোক নাথাকিলেও মই থাকিব পাৰিম।"

কিন্তু পিছত ছমীৰে এবাৰ ভাবিলে, আজি নানায়ো একে কথাকে সুধিলে কিয়? মোক এৰি নানা আৰু বৌটি ক'ৰবালৈ যাব খুজিছে নেকি? কিন্তু মোকনো এৰি থৈ যাব কিয়? ক'লৈ যাবনো? কেতিয়াকৈ যাব?

অৱশ্যে নানাকৰ কথাও ছমীৰৰ মনত বৰ বেছি পৰলৈ নাথাকিল। অলপ পৰৰ পিছতে সকলো কথা পাহৰি ছমীৰ ঘৰৰ বাহিৰ ওলাই গ'ল—তাৰ সমনীয়াবোৰৰ লগত উমলিবৰ কাৰণে। তেতিয়া তাৰ পিছলৈ ঘূৰি চোৱাৰ অৱকাশ নাছিল।

॥ ছয় ॥

সমাজৰ বাহিৰত থাকিবলগীয়া হোৱাটো কি, ছমীৰে তেতিয়াও বুজিব পৰা হোৱা নাই। নানাক আৰু মাক তাৰ নিচিনাকৈ ইঘৰ-সিঘৰলৈ নাযায় কিয় সি নুবুজে আৰু সেই বিষয়ে চিন্তা কৰিবলৈকো তাৰ আজৰি নাই। সমনীয়া ল'ৰা-ছোৱালীবোৰৰ লগত সি গাঁৱৰ মানুহবোৰৰ ঘৰলৈ পুৱা-গধুলি যায়, খেলে-মেলে। কেতিয়াবা কাৰোবাৰ ঘৰত চাহ-ভাতো খায়, তাক প্ৰায় সকলো মানুহেই মৰমো কৰে। লগৰীয়াবোৰেও আজি-কালি দন্দ-কাজিয়া নালাগিলে আগৰ নিচিনাকৈ গালি পাৰি নোজোকায়। ঘৰখনতকৈ গাঁওখনক তাৰ বেছি আপোন যেন লাগি আছে।

পাভৰ লগত আজি-কালিও মাজে মাজে তাৰ দন্দ লাগে। পাভই তাক গালি পাৰে, কিন্তু ছল পালেই ছমীৰে পাভৰ পিঠিত ভুকু সোধায়। তথাপি দন্দ-হাই কৰে

যদিও পাভই তাক মৰমো কৰে। পাভ তাইকৈ বয়সত কেইবছৰমানৰ ডাঙৰ। অৱশ্যে গায়ে-গাখিয়ে ছমীৰক পাভতকৈ ডাঙৰ যেনহে দেখি।

পাভ ছোৱালীজনী সৰু-ঘুটীয়া হ'লেও ধুনীয়া। তাই বেছ বগা, গাৰ আহ্-পাহ কোমল, চকুহালো ধুনীয়া। আজি-কালি তাই গাত গামোচা লয় আৰু ছমীৰৰ আগতে কেতিয়াবা গামোচাখন সৰি পৰিলে তাই লাজত ৰঙা পৰে। কিয় তেনেকুৱা কৰে ছমীৰে একো বুজি নাপায়।

কিন্তু তাইৰ মুখখন বৰ চোকা। অকণমান খং উঠিলেই জক্‌জকাই উঠে। তাইৰ খং উঠিলে ছমীৰৰ ভয় লাগে। অৱশ্যে তাৰ সান্ত্বনা যে তাই তাক বলে নোৱাৰে। তাৰ গাৰ বল পাভতকৈ বহুত বেছি।

পাভই স্কুল এৰিলে। গাঁৱত ইমানজনী ছোৱালী স্কুললৈ যোৱাটো লাজৰ কথা। সেইবাবে ছমীৰ বা অন্য কাৰো কোনো আক্ষেপৰ কাৰণ নাই। চিঠিখন লিখিব আৰু পঢ়িব পৰাতকৈ আৰু বেছি শিক্ষা ছোৱালীক কেলেই? ঘৰৰপৰা স্কুললৈ যোৱা বাটতে পাভহঁতৰ ঘৰ, মচজিদৰ ওচৰতে। পাভক ছমীৰে নিতৌ লগ পায়, কেতিয়াবা সি সোমাব নুখুজিলেও দুৱাৰমুখত ৰৈ থাকি পাভই তাক মাতি লৈ যায়। আৰু চিৰা-জলপান কিবা খাবলৈ দি তাৰ লগত এনেয়ে কথা পাতে।

এদিন পাভই ছমীৰক সুধিলে, "হয় নে অ' ছমীৰ, তোৰ মাৰৰ বোলে বিয়া হ'ব?"

"ধেৎ, বৌটিৰ আকৌ কেলেই বিয়া হ'ব?"

"হ'ব বা, তই বাৰু চাবি। ক'ৰবাৰ দূৰৰ গাঁৱৰ দৰা আহি মাৰক বিয়া কৰাই লৈ যাব। তোকো লৈ যাব কিজানি।"

"মোক নিলে কেলেই যাম। যাঃ।"

"নাযাৱ যদিনো ক'ত থাকিবি?"

"নানাৰ লগত থাকিম।"

পাভই এনেয়ে কয়, "বাৰু ভয় নকৰিবি। নহ'লে মোৰ লগতে থাকিবি? থাকিবি নে নাথাক?"

"তোৰ লগত নাথাকোঁ পায়, তই ইমান দন্দ কৰ—"

"মইহে দন্দ কৰোঁ, তই হ'বলা দন্দ নকৰ? মোক ভুকুৱাৰ কেলেই?"

"তইনো মোক গালি পাৰ কেলেই?"

হয়তো তাৰ পিছত দুয়োটাই আৰু দন্দ-কাজিয়া নকৰিবলৈ মনে মনে সংকল্প কৰে, কিন্তু পিছ দিনাই ভুকুৱা-ভুকি লাগে দুয়োটাৰে।

সিহঁতৰ কথা-বতৰালৈ বয়সস্থসকলে কাণ নিদিয়ে। সৰু ল'ৰাৰ মেল—তাৰ কোনো অৰ্থ নাই, সিহঁতৰ কাজিয়াবোৰো ধেমালি।

কিন্তু গাঁৱত বিয়া-ভোজ হ'লে যে সিহঁতক নামাতে এইটো সি বুজিব পাৰিছে। ইয়াৰ বাবে তাৰ নানাকেই দায়ী বুলি সি মনে মনে ভাবে। মাত্র কিয় দায়ী সেইটোহে সি ভালকৈ বুজিব নোৱাৰে। তাৰ সমনীয়াবোৰেও তাক খোলাখুলিকৈ নকয়—কিয় সিহঁতক গাঁৱৰ বিয়া-ভোজলৈ নামাতে।

মচজিদলৈ যোৱাত অৱশ্যে তাক বা নানাকক কোনেও বাধা নিদিয়ে। বাতিপুৱা অন্য ল'ৰা-ছোৱালীৰ লগতে সিও মচজিদলৈ যায়। নামাজ পঢ়িবলৈ নহয়; মচজিদত

পুৰো ফজিৰত মৌলবীয়ে আৰবী-উৰ্দু পঢ়ায়। সেইটোৱেই মক্তব। ছমীৰ আৰবী পঢ়াতো বেয়া নহয়। এসময়তে আখৰ চিনি সি কায়দা পাছ কৰিলে। এতিয়া কোৰাণ পঢ়িছে। ঢলি ঢলি গা জোকাৰি, অন্য ল'ৰা-ছোৱালীৰ লগতে চিঞৰি চিঞৰি সি কোৰাণ পঢ়ে। চায়ো পঢ়ে, মুখস্থও গায়। অৱশ্যে কি পঢ়িছে তাৰ অৰ্থ সি একো বুজি নাপায়। তথাপি কোৰাণ পঢ়ি তাৰ ভাল লাগে। মাজে মাজে সি ভাবে যে ডাঙৰ হ'লে সি ফজিৰত মৌলবীৰ নিচিনা এজন ডাঙৰ মৌলবী হ'ব। মৌলবীক সকলোৱে সন্মান কৰে। আৰু তেওঁ নিজে ভাত-পানী নাৰান্ধিলেও হয়। গোটেই গাঁওখনতে ঘৰে ঘৰে তেওঁক দাৱাত কৰি খুৱায়। এৰা, মৌলবী হোৱাটোহে ভাল কাম।

নানাকৰ লগতে কেঁতিয়াবা ছমীৰ শুকুৰবাৰে জুমা-নামাজ পঢ়িবৰ কাৰণে মচজিদলৈ যায়। কিন্তু বেছি পৰ মচজিদত সোমাই থাকিবলৈ তাৰ টান লাগে। নামাজ পঢ়িবলৈ সি শিকিছে, কিন্তু অন্য মানুহবিলাকৰ নিচিনাকৈ বহুত পৰ মচজিদৰ ভিতৰত সোমাই থাকিবলগীয়া হ'লে তাৰ উচ্‌পিচনি লাগে। ইফালে-সিফালে চাই সি ওলাই আহে। আৰু বকুল-তললৈ দৌৰ দিয়ে। এইবাবে তাক নানাকে বা অন্য কোনোৱে একো নকয়। কাৰণ সৰু ল'ৰাৰ মচজিদলৈ যোৱাটোৱেই ডাঙৰ কথা। ফিৰিস্তা ল'ৰাৰ কিহৰ নামাজ।

মচজিদলৈ সকলো মানুহ যাব পাৰে, ৰহমান বুঢ়াও সদায় যায়। কিন্তু গাঁৱৰ অন্য মানুহৰ ঘৰলৈ নানাক কিয় নাযায়? এই প্ৰশ্নটোৰ ভাল উত্তৰ আজিলৈকে ছমীৰক কোনেও দিয়া নাই!

এদিন সি পাভক সুধিলে, "এই পাভ, আমাৰ নানাক তহঁতৰ ঘৰলৈ কেলেই আহিবলৈ নিদিয় ?"

তাৰ প্ৰশ্নটোত পাভই অলপ থতমত খালে। তাই ৰঙা-চিঙা পৰি গ'ল। তাৰ পিছত ক'লে, "তোৰ মাৰৰ বিয়া হৈ যাওক, তাৰ পিছত নানাৰক চবে মাতিব।"

"যাঃ, মিছাকৈ কৈছ—"

"সঁচাকৈ কৈছোঁ। বাৰু, নানাৰ নাহিলেও তই সদায় আহিবি দেই। তোক কোনেও মানা নকৰে।"

"নানা নাহিলে ময়ো আৰু কাৰো ঘৰলৈ নাহোঁ—" ওফোন্দ পাতি ছমীৰে ক'লে।

অলপ নিৰুপায়ত পৰি পাভই ক'লে, "তই বৰ অ'কৰা অ'—তই একো নাজান—"

ছমীৰৰ খং উঠি গ'ল।

"কি নাজানো, মই চব জানো। আমাৰ নানাক আৰু বৌটিক তহঁতে কাৰো ঘৰলৈ যাবলৈ নিদিয়। কেলেই নিদিয় বাৰু পাভ ?"

"তোৰ বাপেৰ নাই নহয়, সেই কাৰণে—" খপ্‌কৰে পাভই কৈ জিভা কামুৰি ধৰিলে। এইবাৰ কথা ছমীৰক ক'ব নালাগিছিল।

"ফুলবো দেখোন বাপেক নাই। হাদিৰবো নাই, কণমাইবো নাই—?"

"এতিয়াহে নাই, আগেয়ে আছিল—"

"আৰু মোৰ বাবা আগবেপৰা নাই নেকি ?" ছমীৰে সুধিলে।

"ওঁ, আগৰেপৰা নাই।"

"নাথাকিলে পিছে কি হ'ল, বৌটি আছে নহয় ?"

"সেইবোৰ ক'ই ব'লি নাপায়—"
"মই বাৰু আমাৰ মচজিদৰ মৌলবীক সুধিম নে ?"
"সেইবোৰ কথা কাকো সুধিব নাপায়—" পাভই ক'লে।
ছমীৰ কিন্তু সন্তুষ্ট নহ'ল।
মোৰ জানিবা বাবা নায়েই, কাহানিও নাছিলেই, সেইটো আকৌ সুধিব নাপায় কেলেই ? সেই কাৰণে নানাক গাঁৱৰ মানুহে বিয়া-ভোজলৈ নামাতিব কেলেই ? পাভও বদমাচ। তাই মোক চব কথা নকয়। এদিন ভালকৈ ভুকু খালে ক'ব তেতিয়া।
অৱশ্যে এইবোৰ কথা ছমীৰে সদায় চিন্তা কৰি নাথাকে। আজি-কালি পঢ়া-শুনাও কৰিব লাগে, খেলিবও লাগে। মাজে মাজে দুদল ল'ৰা-ছোৱালীৰ মাজত কাজিয়া লাগিলে এদলৰ হৈ মাৰ-পিটো কৰিব লাগে আৰু পথাৰে-সমাৰে লগৰ দুই-চাৰিটাৰ লগত টলো-টলৌকৈ ঘুৰি ফুৰিবও লাগে। তাৰ বহুত কাম। ব'হাগমহীয়া চোঁতালৰ আগৰ পথাৰডৰাত হোৱা ক'কলুৱা ধলনি পানীত কল-গছৰ ভুৰ সাজি নাও বোৱা, সাঁতোৰা, শাওণমহীয়া বোকা দিয়া মাটিত মৈৰ পিছে পিছে দৌৰি পুঠিমাছ খেদি খেদি বোকাত লুতুৰি-পুতুৰি হোৱা, আহিনমহীয়া সঁজালি ধৰা সেউজীয়া ধাননিৰ মাজত ছাগলী খেদাবলৈ গৈ ছাগলী পোৱালিৰ লগত মিতিৰালি পাতি বহি থকা, আঘোণমহীয়া ধাননিলৈ মাকৰ লগত গৈ দুগোছা ধান দাই চেঁচোৰৰ গছ বিচাৰি নৰাণি চলাথ কৰা, মাঘমহীয়া বিহুৰপৰা আৰম্ভ কৰি গোটেই মাহটো হাবিয়ে-বননিয়ে পিৎপঙাই ফুৰা, আৰু ফাগুন-চ'তমহীয়া চিঞৰি, কিৰীলি পাৰি ঘৰে-বাহিৰে নাচি-গাই ঘৰলৈ ঘুৰি আহিবলৈ পাহৰি গৈ আকাশৰ স'তে মনৰ কথা পাতি বহি থকা—বহুত কাম, বহুত কাম। ছমীৰৰ আজৰি নাই।
ইয়াৰ উপৰি দেওবাৰে দেবেনহঁতৰ ঘৰলৈ গৈ দেবেনৰ ককায়েকৰ জেপৰপৰা বিৰি চুৰ কৰি গোহালিৰ আঁৰত লুকাই লুকাই খোৱা, হাচেন বুঢ়াৰ কুঁহিয়াৰণিৰ পুৰা-কুঁহিয়াৰ চুৰ কৰা, মঘুৰাহঁতৰ চেনি-মিঠা আমজোপাৰপৰা ফৰ্ম্মুটি মাৰি দুটা আম সৰুৱাই গালি নোখাওঁতেই পলাই সৰা, মচজিদৰ আগৰ বকুল কেজোপাত বকুল পকিলে প্যাতে প্যাতে বগাই বকুল পৰা, আৰু পাভহঁতৰ বাৰী-চাপৰ মাটি-ক'ঠাল চুৰ কৰি খোৱা—এইবোৰ দৰকাৰী কাম আছেই।
অন্য কথা চিন্তা কৰিবলৈ ছমীৰৰ আজৰি ক'ত ?
আৰু তাক কোনোৱে কাৰো ঘৰলৈ যাবলৈ মানা নকৰে দেখোন ! আহ বুলি কোনেও নামাতে, কিন্তু গ'লে নাহিবি বুলি কোনেও নকয়। অৱশ্যে দাৱাত নকৰে কাৰণে গাঁৱৰ বিয়া-ভোজলৈ সিও নাযায়। এনেই হ'লে ঘৰৰ ভিতৰত সোমাই থকাতকৈ গাঁৱৰ ইঘৰ-সিঘৰত ঘুৰি ফুৰি তাৰ ভাল লাগে। বেমাৰ পৰাৰ পিছৰপৰা নানাক বহমান বুঢ়া বেছিভাগ সময় ঘৰতে শুই-বহি থাকে। আৰু তাৰ মাকজনী—ঘৰৰপৰা ক'লৈকো ওলাই নাযায়। কেনেকৈ যে দিনে-ৰাতিয়ে নিজৰ ঘৰতে সোমাই থাকিব পাৰে ! ছমীৰৰ বৰ অদ্ভুত লাগে। আৰু তাৰ মাকে বৰ হাঁহি-মাতিও নাথাকে, সদায় কিবা মন মৰা হৈ থাকে। অলপ ওলাই-মেলি গ'লেহে কেনিবাদি।
কিন্তু অন্যৰ কথা ভাবিবৰ বৰ বেছি সময় ছমীৰৰ নাই। তাৰ দেহ-প্ৰাণৰ কৌহে

কোঁহে নতুন দিনৰ পৰশৰ উন্মাদনা লাগে। দুয়ো বাহু মেলি সি ধুনীয়া পৃথিৱীখনক আঁকোৱালি ল'বৰ কাৰণে হাঁহি মুখে আগবাঢ়ি যায়।

॥ সাত ॥

সোণপাহী গাঁওখনৰ ভিতৰতে এজনী ধুনীয়া ছোৱালী। বহুমানো বস-পম থকা মানুহ। গাঁওখনে তেওঁৰ ওচৰত হাত পাতে, তেওঁৰ কাৰো ওচৰত হাত নাপাতিলেও চলে। মাক মৰাৰ পিছৰপৰা সোণপাহীক বহুমানেই ডেউকাৰ আঁৰ দি ৰাখি আহিছিল আৰু সোণপাহীৰ ওপৰত তেওঁৰ আছিল গভীৰ বিশ্বাস।

কিন্তু সোণপাহীয়ে বিশ্বাসঘাতকতা কৰিলে। হয়তো বয়স কম হোৱাৰ কাৰণে আৰু জীৱন সম্পৰ্কে অতি কম অভিজ্ঞতা থকাৰ কাৰণে তাই এটা ডাঙৰ ভুল কৰিলে।

অৱশ্যে এনে ভুল হৈ যাব বুলি তাই নিজেও ভবা নাছিল। গাঁৱৰ বহুত ডেকাই আহিছিল তাইৰ মৰম বিচাৰি। এজনৰ ওচৰত তাই নিজক নিঃশেষ কৰি ধৰা দিলে। হয়তো এই ধৰা দিয়াৰ মাজেদি সোণপাহীয়ে সেই ডেকাৰ লগত জীৱন-জোৰা সম্বন্ধ গঢ়ি তোলাৰ স্বপ্ন দেখিছিল।

ছমীৰৰ জন্মই সোণপাহীৰ স্বপ্নক খানবান কৰি ধুলিত মিহলাই দিলে। তাইক সমাজে চিনি পালে কলঙ্কিনী ৰূপে, পতিতা ৰূপে। সোণপাহীৰ জীৱনৰ সোণালী ৰাজবাটত ভয়াৱহ আন্ধাৰৰ কালদৈত্যৰ ভৰি-খোজ পৰিল।

ডেকাজনৰ নাম সোণপাহীয়ে প্ৰকাশ কৰি দিবলৈ অস্বীকাৰ কৰিলে। এদিন যাৰ ওচৰত সকলো সমৰ্পণ কৰি দিলে, তাৰ প্ৰতি প্ৰেমত নে ঘৃণাত তাই নিজৰ ওপৰতে সকলো গ্লানি জাপি দিলে, কোনেও নাজানে।

সোণপাহীৰ নিজতকৈ বেছি দুখ লাগিছিল বুঢ়া বাপেক আৰু ছমীৰৰ কাৰণেহে। তাইৰ দোষতেই তেওঁলোকে অমৰ্য্যাদা আৰু গ্লানি ভোগ কৰাৰ উপৰিও, সামাজিক জীৱনৰ সঙ্গসুখৰপৰা বঞ্চিত হ'বলগীয়া হ'ল। সোণপাহী কিন্তু যি কাৰণতেই নহওক, নিজৰ সংকল্পত অটল থাকিল। তাইৰ বৰ্ত্তমান আৰু ভৱিষ্যতক যি হাঁহি হাঁহি ভস্মীভূত কৰি দিলে, তাৰ পৰিচয় তাই গোটেই পৃথিৱীৰপৰা গোপন ৰাখিব। এই সংকল্প সোণপাহীয়ে কিয় ল'লে, সেই কথাও সকলোৰে দুৰ্ব্বোধ্য হৈ ৰ'ল। হয়তো এই অৰ্থহীন অভিমানেৰে তাই নিজৰ ওপৰতে প্ৰতিশোধ ল'বৰ অপচেষ্টা কৰিলে।

সহজ ক্ষমাৰে বহুমানে সোণপাহী আৰু তাইৰ গ্লানিক আৱৰি ৰাখিলে। সমাজৰ সিদ্ধান্তক নতশিৰে মানি লৈ তেওঁ সমাজৰপৰা নিজক আঁতৰাই ৰাখিলে। গাঁৱৰ বাইজে বুজিবলৈ টান পালে বহুমানৰ নিচিনা এজন গাঁৱৰ মুখিয়াল আৰু ধৰ্ম্মভীৰু মানুহে এনে এটা পৰিস্থিতিত যি সিদ্ধান্ত ল'লে সি সৰ্ব্বশুদ্ধ হ'ল নে নহ'ল। মানুহে এইটোও বুজিবলৈ টান পালে বহুমানে এজনী কলঙ্কিতা ছোৱালীতকৈ সমাজখনক পাতল বুলি ধৰিলে নেকি!

অৱশ্যে সময় যোৱাৰ লগে লগে গাঁৱৰ মানুহে কথাটোত গুৰুত্ব কমাই দিব ধৰিলে। এনে ঘটনা একক নহয়, মাজে মাজে দুই-চাৰিটা এনে অবাঞ্ছনীয় কাণ্ড ঘটিয়ে থাকে। নতুনটোৱে পুৰণিৰ গুৰুত্ব কমাই দিয়ে, সি সাধাৰণ হৈ পৰে।

ছমীৰ স্কুললৈ গৈছিল। ঘৰৰ ভিতৰত আছিল ৰহমান আৰু সোণপাহী আৰু দিন দুপৰৰ নীৰৱতা। অন্য দিনা এনে সময়ত ৰহমান অলপ শোৱে, আজিও কিচনাত পৰি তেওঁ টোপনি গৈছে বুলিয়ে সোণপাহীয়ে ভাবিছিল আৰু তায়ো অলপ কাতি হ'ব খুজিছিল।

ৰহমানে মাত লগালে, "সোণপাহী আছ নে ?"

"কি হ'ল বাবা ?"

সোণপাহী আহি বাপেকৰ কাষত ৰ'লহি।

তাইৰ মুখলৈ এবাৰ চাই, তাৰ পিছত চকুহাল চোঁতালৰ আগৰ বেল-গছজোপাৰ ওপৰত থৈ লাহে লাহে ৰহমানে ক'লে, "যি হ'ল হৈ গ'ল। মানুহৰ জীৱনত সেইবোৰ ভুল-চুক্ হয়েই। সকলো আল্লাৰ ইচ্ছা। বাইজক দোষ দিও লাভ নাই, নিজক দোষ দিও লাভ নাই।" বুঢ়া অলপ ৰ'ল।

আজি ৰহমানে এইবোৰ কথা কিয় উলিয়াইছে বুজিবৰ চেষ্টা কৰি সোণপাহীয়ে বাপেকৰ মুখলৈ চালে।

"মই তোৰ কথাকে চিন্তা কৰিছোঁ। মইনো আৰু কিমান দিন থাকিম ? খোদাৰ হুকুম হ'লে বহুত বছৰো থাকিব পাৰোঁ—সেইটো সুকীয়া কথা। মই তোৰ কাৰণে একো ভাল দিহা কৰিব নোৱাৰিলোঁ। ল'ৰা-ছোৱালীৰ কাৰণে বাপেক-মাকক বহুত কৰিবলগীয়া থাকে।"

ৰহমান কিবা ভাবি আকৌ ৰ'ল। তেওঁ যেন কথাবোৰ একেলেথাৰিয়ে কৈ যাব পৰা নাই। কথাবোৰ অলপ অসংলগ্ন হৈ পৰিছে।

সোণপাহীয়ে ক'লে, "এইবোৰ কথানো কেলেই চিন্তা কৰিছা বাবা ? কপালত যি হ'ব লগা আছে হ'ব।"

"সকলো কথা কপাললৈকে এৰি দিব নোৱাৰি। আমাৰ কাৰণে আমি নিজেও চিন্তা কৰা দৰকাৰ। মই জানিবা নাই, তই আৰু ছমীৰ অকলে কেনেকৈ চলিবি ?"

"আল্লাই চলাব নহয়, সেইবোৰ তুমি নাভাবিবা। এতিয়া আমি ছমীৰক মানুহ কৰাৰ কথাহে ভাবিব লাগে।"

"তাৰ কথাকে ভাবিছোঁ। আৰু বেছি দিন তাক গাঁৱত ৰখাটো ঠিক নহ'ব। গাঁৱত নানাজনে তাক ছল পালেই নানা কথা শুনাব। হয়তো পঢ়া-শুনালৈ পিঠি দি সি দন্দ-কাজিয়া কৰাতহে বেছি মনোযোগ দিব। মই ভাবিছোঁ, এই বছৰটো থাকক—অহা বছৰলৈ পৰীক্ষা হৈ গ'লেই তাক নগৰলৈ পঠিয়াই দিম, আৰু তাৰ আগতে—"

"তাৰ আগতে কি বাবা ?"

"তাৰ আগতে তোৰ বিয়াখনো পাতি পেলাওঁ—?"

"মোৰ আকৌ কি বিয়া ?"

"কিন্তু এটা ভুল কৰিছিল মইহঁতে আৰু চিৰজীৱন তাৰ শাস্তিকে ভোগ কৰি থাকিব

নে? তোৰ বাপৰ কতজনী ছোৱালীৰ এতিয়াও বিয়া হোৱাই নাই আৰু তেওঁক বিয়া কৰাবৰ কাৰণে মানুহ ওলাইছে যেতিয়া—”

সোণপাহীৰ কাণ-মূৰ ৰঙা পৰিল। তাইৰ বুকুৰ ভিতৰখন কঁপি উঠিল। এটা অজানিত ভয়, এটা গধুৰ অপৰাধবোধ, এটা অবোধ অনিশ্চয়তাই সোণপাহীৰ চিন্তাশক্তিক বিকল কৰি পেলালে।

হয়তো বাপেকৰ আগত তাইৰ জীৱন ধ্বংসকাৰীৰ নাম প্ৰকাশ কৰি দি আত্মৰক্ষা কৰাৰ এয়ে সময়। হয়তো অতীতৰ কথা অকণো নাভাবি সমাগত ভৱিষ্যতক সাদৰি লৈ আত্মপ্ৰৱঞ্চনাৰ সামৰণি পেলোৱাৰ এয়ে সময়। হয়তো বাপেক আৰু পুতেকক অকলশৰীয়া কৰি এৰি থৈ নিজে নতুন জীৱন আৰম্ভ কৰাৰ আগতে আত্মহত্যা কৰি এটা নিৰ্লজ্জ ইতিহাসক ধূলিত মিলাই দিয়াৰ এয়ে অপূৰ্ব সুযোগ।

সোণপাহীৰ মূৰটো ঘূৰোৱা যেন লাগিল। একো নকৈ তলমূৰ কৰি তাই লাহে লাহে বাপেকৰ ওচৰৰপৰা গুচি আহিল। বাপেকে ক'লে, “তই ভাবি-চিন্তি চা। তোৰ অমতত মই একো নকৰোঁ। কিন্তু ছমীৰটোৰ কাৰণে আমাৰ ভবা দৰকাৰ। মই বা তই তাৰ বোজা হোৱাটো বেয়া কথা হ'ব। তাৰ নিজৰ মতে তাৰ জীৱনটো গঢ়ি তুলিবৰ কাৰণে তাক সুবিধা দিব লাগিব। ইয়াত থাকিলে সি আমাৰ নিচিনাই হ'ব —ভাল মানুহ হ'ব নোৱাৰিব।”

সোণপাহীয়ে ভাবি চালে: মোক আঁতৰাই জানো বাবাই মুক্তি পাবলৈ বিচাৰিছে, নে মোৰেই সুখ-সমৃদ্ধিৰ কাৰণে এনে কথা বাবাই ভাবিছে? মোৰ কাৰণেই যোৱা বহু বছৰে বাবাই নিজৰ সকলো সুখ-সন্মান বিসৰ্জন দি হেলাৰঙে সমাজৰপৰা নিজক আঁতৰাই ৰাখিছে। আৰু আজি যদি বাবাই ভাবে যে মই কাৰোবাৰ লগত বিয়া হোৱা উচিত, তেন্তে বাবাৰ ইচ্ছা পূৰ্ণ নকৰাটো ক্ষমাহীন পাপৰ কথা হ'ব। তেওঁৰ জীৱনৰ শেষ আশা পূৰ্ণ কৰাটো মোৰ পবিত্ৰ কৰ্তব্য। মই জানো, জীৱনত সুখী হোৱাৰ পথ মোৰ কাৰণে শেষ হৈছে। এতিয়া যদি কিবা উপায়ে বাবা আৰু ছমীৰক সুখী কৰিব পাৰোঁ, তাৰেই চিন্তা কৰিম। দৰকাৰ হ'লে মই কাৰোবাৰ লগত বিয়াও সোমাম। বাবা সুখী হওক, ছমীৰ মানুহ হওক।

॥ আঠ ॥

ছমীৰে বৰ ভালকৈ একো বুজিব নোৱাৰিলে।

আড়ম্বৰ বিশেষ নাই। সৰুণ থেৰেৰে আগফালে অকণমান ৰভা দিয়া হৈছে। গাঁৱৰ মানুহো দুই-চাৰি আহিছে, আৰু ইমান দিন নহাকৈ থকা ছমীৰৰ মোমায়েকহঁত —হমছোল, নুৰুদ্দিন আৰু ফাইজো আহিছে।

পাছৰ কথা প্ৰথমে ছমীৰে বুজিব পৰা নাছিল। পিছলৈ বুজিছিল যদিও বিশ্বাস কৰিব পৰা নাছিল। আৰু এতিয়া বিশ্বাস কৰিবলগীয়া অৱস্থা হোৱাৰ কাৰণে সি

জোৰেৰে প্ৰতিবাদ কৰিছিল। কিন্তু চোতালত যেতিয়া ৰভাও দিয়া হ'ল, তেতিয়া তাৰ বৰ লাজ লাগিল। তাৰ আৰু বেছি লাজ লাগিল যেতিয়া তাৰ ক্লাচৰ ল'ৰাবোৰে লুক-ঢুক নোহোৱাকৈ তাক সুধিব ধৰিলে, "মাৰৰ বিয়ালৈ পিছে আমাক মাতিবি নে নামাত? মাৰৰ বিয়াত পিন্ধিবলৈ নতুন চোলা-কাপোৰ কেতিয়া ল'বি? মাৰৰ লগতে যাবিগৈ নে ইয়াতে থাকিবি?"

প্ৰশ্নবোৰে ছমীৰক ব্যতিব্যস্ত কৰি তুলিলে। সোণপাহীৰ ওচৰলৈ আহিবলৈ, বা আগৰ দৰে সোণপাহীৰ মুখলৈ চাবলৈ তাৰ ভয় আৰু লাজ লগা হ'ল।

সৰু ল'ৰা হ'লেও সি বৰ অস্বস্তি অনুভৱ কৰিব ধৰিলে। ঘৰত থাকিবলৈ তাৰ বেয়া লাগে। তাৰ চকুৰ আগতে ঘৰত তাৰ মাকৰ বিয়াৰ আয়োজন চলিছে, তাৰ লগত কোনেও পৰামৰ্শ কৰা নাই। বাহিৰলৈ কাৰোবাৰ ঘৰলৈ গ'লেও তাক আৰু অন্য কথা কোনোৱে নোসোধে, সোধে কেৱল সোণপাহীৰ বিয়াৰ কথা। সি যেন এটা ডাঙৰ মানুহহে। অতদিনে সি ভয় কৰিবলৈ আৰু লাজ কৰিবলৈ শিকা নাছিল, এতিয়া তাৰ অজ্ঞাতেই সি মানুহৰ আগত ওলাই ফুৰিবলৈ ভয় আৰু লাজ কৰা হ'ল। যেন সকলোৱে লগ লাগি তাৰ মূৰত কিছুমান নতুন অপমানৰ বোজা জাপি দিয়াৰ দিহা কৰিছে।

তাৰ খং উঠিল মাক আৰু নানাকৰ ওপৰত। বিয়া হ'বলৈ বৌটিৰ লাজ লগা নাই নে? আৰু নানাইনো কেলেই বৌটিৰ বিয়া পাতিবলৈ লৈছে?

বাহিৰে ছমীৰ বিমৰ্ষ হৈ পৰিল, ভিতৰি তাৰ মনটো বিদ্ৰোহী হৈ উঠিল। কাৰো লাজ নাই, চব নিলাজ। সি কেইবাদিনো স্কুললৈ নগ'ল। স্কুললৈ বুলি ওলাই গৈ সি বননিয়ে-বাঁহনিয়ে অকলে অকলে ঘূৰি ফুৰিলে। তাৰ চিনাকি মানুহবোৰৰ আগত দেখা দিবলৈকে তাৰ লাজ লাগিল।

কিন্তু গধূলি ঘৰলৈ আহি সি নিশ্চিতভাৱে বুজিলে যে বিয়াখন হ'বই। বৰ ডাঙৰকৈ নহয় কিজানি। তথাপি সোণপাহীৰ বিয়াখন নোহোৱাকৈ নাথাকে। মানুহবোৰৰ একো লাজ নাই।

লুকাই-চুৰকৈ সি মাকৰ মুখলৈ চালে—মাকে বাৰু বেজাৰ কৰি আছে নেকি? কিন্তু সোণপাহী আগৰ নিচিনাই গহীন হৈ আছে। আনন্দত আছে নে বেজাৰত আছে একো বুজিব নোৱাৰি। মাকজনীক তাৰ ক'ৰবাৰ দূৰণীয়া পৰ-মানুহ এজনী যেন লাগিল। সেই ছোৱালীজনীৰে বিয়া হ'ব—হওক। ছমীৰৰ একো ভাবিবলগীয়া নাই।

দুপৰীয়া স্কুললৈ বুলি ওলাই গৈ ছমীৰ পাভৈ'তৰ ঘৰত ওলালগৈ। পাভ বিচনা এখনতে এনেই শুই আছিল। ঘৰটোত আৰু কোনোবা আছিল যদিও কাৰো মাতবোল নাই—সকলো কিজানি শুই আছে নাইবা ক'ৰবালৈ ওলাই গৈছে।

পাভই ছমীৰক তাই শুই থকা বিচনাখনতে বহুৱাই ল'লে। আমন-জিমনকৈ ছমীৰ তাইৰ কাষতে বহিল। পাভই তাইৰ চাদৰখনৰ আগটোৰে তাৰ মুখখন মচি দিলে। ৰ'দ্ৰাগমহীয়া ৰ'দত তাৰ মুখখন ঘামি আহিছিল।

"স্কুললৈ হ'বপায় নগ'লি?" পাভই সুধিলে।

একো নামাতি ছমীৰ ৰহি থাকিল।

"ভাল কৰিলি, পৰহিলৈ মাৰৰ বিয়া। আজিনো কি স্কুললৈ যাব লাগিছে।"

তেতিয়াও ছমীৰে একো নামাতিলে।

"কি হ'ল অ'—নামাত নেকি? যা, ময়ো নামাতো।"

তথাপি ছমীৰৰ মুখৰ মাত নাই।

পাভ বিচনাতে বহিল, আৰু দুয়ো হাতে ধৰি ছমীৰৰ মুখখন নিজৰ ফালে ঘুৰাই দিলে। ছমীৰে কান্দিছে। তাৰ দুয়ো চকুৰপৰা দুধাৰ পানী বাগৰি আহিছে। মুখখন তাৰ ৰঙা পৰিছে।

পাভ অলপ হতাশ আৰু অপ্ৰস্তুত হ'ল। সদায় লগ পালেই তাই তাক জোকায়। সি গালি পাৰে নাইবা তাইক ভুকুৱায়। তাইৰ ভাল লাগে। ইয়াৰ আগতে ছমীৰক তাই কোনো দিন কন্দা দেখা নাই।

পাভই তাক গাৰ কাষলৈ চপাই আনিলে, আৰু তাৰ পিঠিত হাত থৈ মুখৰ ওচৰলৈ মুখখন নি সুধিলে—"কান্দিছ কেলেই? কোনোবাই কিবা ক'লে নেকি? মই হ'লে আজি তোক একো নাই কোৱা পায়।"

ছমীৰে দুয়ো হাতেৰে পাভৰ ডিঙিত সাৰটি ধৰিলে, আৰু ফেকুৰি ফেকুৰি কান্দি উঠিল। পাভয়ো তাক দুয়ো হাতেৰে বুকুৰ মাজত সুমুৱাই ল'লে, আৰু তাক সান্ত্বনা দিবৰ মনেৰে খোকাথুকি মাতেৰে ক'লে, "মাৰৰ কাৰণে বেয়া লাগিছে নহয়? যক দে। তই সদায় মোৰ ওচৰলৈ আহিবি। মই তোক খুব মৰম কৰিম, সদায় মৰম কৰিম।"

ইমান আন্তৰিকতাৰে পাভই তাক কোনো দিন কথা কোৱা নাই। সি তাইৰ বুকুৰ মাজত মুখখন গুজি দি ক'লে, "তোৰো বিয়া হ'ব নহয়—"

পাভৰ মুখেদি হাঁহি বিৰিঙি গ'ল। তাৰ গাটো জোকাৰি দি তাই ক'লে, "কোনে কৈছে মোৰ বিয়া হ'ব—ইঃ।"

"চব মাইকী ছোৱালীৰে বিয়া হয়। ছোৱালীবোৰ বৰ বেয়া।" ছমীৰে ক'লে।

"বিয়া হ'লেই মানুহ বেয়া হয় নেকি? তই একো নাজান—" পাভই ক'লে, আৰু ছমীৰক বুকুৰ মাজত সাৰটি ধৰি তাৰ গালে-মুখে চুমা খাই দিলে।

ছমীৰৰ বেয়া নালাগিল। সি সদায় এতিয়াও মাকৰ লগতে শোৱে, মাকেও তাক বুকুৰ মাজত সাৱটি লৈ থাকে। মাকেও তাক চুমা খায়, কিন্তু আজি পাভক তাৰ ভাল লাগিল। পাভৰ গাৰ উমটো বৰ ভাল লগা।

পাভই তাক গাৰ কাষতে বিচনাতে শুৱাই ল'লে। আৰু তাক মৰম কৰি কৰি ক'লে, "মাৰৰ বিয়া হৈ গ'লে ভাল হ'ব, জানিছ। তেতিয়া আৰু আমি সকলো তহঁতৰ ঘৰলৈ যাব পাৰিম।"

কথাষাৰত যেন ছমীৰে এটা আনন্দ পালে। পাভৰ বগা, কোমল গালখনত নাকটোৰে হেঁচি ধৰি সি ক'লে, "যক—বি ঘলৈ যায়। বাবাতো নায়েই, বৌটিও জানিবা নাই। নাথাকক, কিনো হ'ব। নানা আছে নহয়।"

পাভৰ তালৈ আৰু বেছি মৰম লাগিল। তাই তাক আকৌ সাৱটি ধৰিলে আৰু ক'লে, "এৰা, যক দে। তই আমাৰ ঘৰলৈ আহিবি। মই আছো নহয়। মোৰ তোলৈ বৰ মৰম লাগে, জান?"

ছমীৰে পাভৰ কথা বিশ্বাস কৰিলে। মুখেৰে কথা নকৈ তাইৰ সকলোখোৰ মৰম

আদায় কৰি ল'বৰ কাৰণে পাডৰ তিতিত আৰু জোৰেৰে সাৰটি ধৰি সি তাইৰ গাৰ কাষ চাপি গ'ল। এইবোৰ মৰমৰ কোনো নাম নাই।

॥ ন ॥

সোণপাহীক যিজনলৈ বিয়া দিয়া হ'ল তাৰ নাম হাছমত। বয়স ৫০ বছৰ—মানুহটো খীণ, দাঁত কেইবাটাও সৰি গাল দুখন দুয়ো ফালে সোমাই গৈছে। মুখৰ বৰণ এসময়ত হয়তো মিঠাবৰণীয়া আছিল। খেতি-পথাৰত, ৰ'দ-বতাহত লাগি থকা মানুহ, এতিয়া ক'লা হৈছে। মুৰৰ চুলি আধা-আধি পকিছে। মানুহটো ওখ—প্ৰায় ছ'ফুট। এটা চকু অলপ কে'ৰা—কিন্তু সিমান বেয়া নেদেখি।

সোণপাহীৰ আগতে আৰু দুজনী বিয়া কৰাইছিল। প্ৰথমজনী ঘৈণীয়েক ছোৱালী এজনী হৈয়ে মৰিল। সেই ছোৱালীজনীক বিয়া দিছিল। বিধৱা হৈ এতিয়া বাপেকৰ লগতে আছেহি আজি কেইবা বছৰ।

প্ৰথম ঘৈণীয়েক মৰাৰ এবছৰৰ পিছত দ্বিতীয়জনী বিয়া কৰায়। এইজনী ঘৈণীয়েকৰ ল'ৰা-ছোৱালী চাৰিটা হৈছিল। এটা ল'ৰা, তিনিজনী ছোৱালী, ল'ৰাটো বৰ্ত্তমান ডেকা হৈছে। খেতি-বাতি সিয়েই কৰে।

দ্বিতীয়জনী ঘৈণীয়েক মৰিবৰ আজি তিনি বছৰ হ'ল। প্ৰথমতে হাছমতে বিয়া নকৰোঁৱেই বুলিছিল। পিছে ল'ৰা-ছোৱালীকেটাৰ দুখ হয় বুলি অগত্যা বিয়া কৰাবলৈ ঠিক কৰিলে। নিজৰ গাঁৱত বা ওচৰ-পাঁজৰৰ গাঁৱত সুবিধাজনক ছোৱালী নাপাই দুৰে দুৰে হেঁপা মেলিলে। অৱশেষত সোণপাহীৰ বাতৰি পালে। বিশেষকৈ যেতিয়া শুনিলে যে সোণপাহী ছোৱালীজনী তেজে-পানীয়ে বৰ ধুনীয়া, হাছমতৰ তাইক নেদেখাকৈয়ে মন খাই গ'ল, আৰু ছোৱালী ধৰিবলৈ বিশ্বস্ত মানুহ পঠিয়ালে।

অলপ বয়স নোহোৱা হ'লে নিজ-গাঁৱৰ মানুহেই হাছমতলৈ ছোৱালী দিলেহেঁতেন। কিয়নো হাছমতৰ অৱস্থা ভাল। ৰুপিত মাটি আঠ পুৰা আছে। পামতো আছে আলু-সৰিয়হৰ তলী চৈধ্য হালিচা। তদুপৰি গৰু-ম'হে, ঘৰে-বাৰীয়ে মানুহঘৰ ৰজনজনা। বছৰি ডেৰহাজাৰ-দুহাজাৰ টকাৰ তামোলকে বেচে। এনেজন মানুহে ছোৱালী নাপাবৰ কোনো কাৰণ নাই।

অৱশ্যে আগৰ কেজনী ঘৈণীয়েকৰ ল'ৰা-ছোৱালী আছে। থাকক, ছোৱালীবোৰ লোকৰ ঘৰলৈ যাব। ল'ৰা ডাঙৰ হ'লে নিজেই আঁতৰি যাব। ঘৰখনত মূল মানুহ এজনী নহ'লে কোনোমতেই নচলে।

গাঁৱত হাছমতৰ এটা বদনাম আছে। হাছমত খাম্ধকানি, বাৰীৰ চাপত সৰি থকা কেঁচা তামোল এটা বুটলি নিলেও ঘৰলৈকে খেদি যায়। নিজলৈ বুলি কাপোৰ-কানি এখন-এখন কিনিলেও নলয়। ল'ৰা-ছোৱালীকো দিয়াৰ অভ্যাস নাই। ল'ৰা-ছোৱালীয়ে

হাছমত ঘৰত নাথাকোঁতে কঁঠাল এঠাৰে বাহিৰ চুৱাৰপৰা পইচা চুৰ কৰে। বাপেক ঘৰত নাথাকোঁতে চুৰকৈ তামোল-পাণ বেচে আৰু তাৰে পইচা সাঁচি সাঁচি বছৰ-দুবছৰৰ মুৰত চোলা এটা, কাপোৰ এডোখৰ লয়। ছোৱালী কেইজনীয়ে আজিলৈকে সৰিয়হৰ তেলৰ বাহিৰে অন্য তেল অকণ মূৰত লৈ পোৱা নাই।

দুয়োহাতে আজুৰি যদিও হাছমতে মাহেকত হাজাৰ-ডেৰহাজাৰ টকা আৰ্জে, তথাপি মাহিলী খৰচ এশ টকাৰ ওপৰলৈ নাযায়। কেতিয়াবা কোনো অপৰিহাৰ্য্য কাৰণত দুটকা বেছি খৰচ হ'লে, পিছৰ মাহত খৰচ কমাই তাক সমান কৰি থোৱা হয়। ফলত কেতিয়াবা তেল নোহোৱা আঞ্জাও খাবলগীয়া হয়, নাইবা কেৰাচিন নোহোৱাৰ কাৰণে গধূলি জুইৰ পোহৰত ভাত খাই আন্ধাৰে-মুন্ধাৰে শুই থাকিবলগীয়া হয়।

ঘৰত কোনোবা বেমাৰ পৰিলেও, ঔষধ-পাতি বা চিকিৎসাৰ কোনো ব্যৱস্থা কৰা নহয়। 'ৰজৰৰ বেমাৰ আপুনি ভাল হ'ব, নাইবা আল্লাই দিছে, আল্লাই নিব—' এয়া হাছমতৰ ৰোগ নিবাৰণৰ মন্ত্ৰ। গাঁৱৰ ৰাইজৰ মতে আগৰ ঘৈণীয়েক দুয়োজনী স্বাস্থ্যৱতী আছিল। ভাল আহাৰ-পানীৰ অভাৱত স্বাস্থ্যহীন হৈ পৰে আৰু বেমাৰত কোনো চিকিৎসা নোহোৱাৰ কাৰণেই মৰে।

হাছমতে অৱশ্যে কয়, 'যাৰ যিমান দিন আয়ুস আছে সিমান দিনহে থাকিব। মানুহক জীয়াই ৰাখিবলৈ ডাক্তৰৰ বাপেকৰ দাঁত নাই! খোদাৰ হুকুম, বেজাৰ কৰিলে আমি বেইমানহে হ'ব লাগিব।'

হাছমতে হেনো মনে মনে সুত লৈ গৰু বেপাৰীক টকা ধাৰলৈ দিয়ে। গাঁৱত গৰু-ম'হৰ চৰকা হ'লে হেনো তিনিটা সুতখোৰৰ নাম লিখি গৰু-ম'হৰ ডিঙিত তাবিজ আঁৰি দিলে চৰকাৰ পোক সৰি পৰে। হাছমতৰ নাম থকা তাবিজ হেনো গাঁৱৰ বহুত গৰু-ম'হে পিন্ধিছে।

সন্ধিয়াৰ পিছত হাছমতৰ পাৰ্টি আহি ৰহমানৰ চোঁতালত ব'লহি। মানুহ দুয়োপক্ষৰে কম। হাছমতৰ যুক্তি: 'বিয়াত টকা ভঙা অদৰকাৰী কথা। কইনা-ঘৰকো মিছাতে আৰ্মান দিয়া হয়, আৰু দৰাৰ লগত সৰহ মানুহ গ'লে, মানুহবিলাকেও এনেয়ে কষ্ট খায়।' গতিকে হাছমতৰ লগত এখন-গৰু-গাড়ীত মানুহ ছ'টা আহিছে। দৰাৰ পুতেক-জীয়েক কোনো নাহিল। সিহঁতৰ হেনো বাপেকৰ এই তৃতীয় বিয়াখনত সমৰ্থন নাছিল। 'নাহক, ল'ৰা-ছোৱালীৰ কথাত লাগি জীৱনটো বৰবাদ হ'বলৈ দিব নোৱাৰি।'

ৰহমানৰ ঘৰতো মানুহ বৰ বেছি নাই। ভাল হওক, বেয়া হওক, ভনীয়েকৰ বিয়া বুলি ৰহমানৰ পুতেক-বোৱাৰীয়েকহঁত আহিছে। তাতে সোণপাহীক উলিয়াই দিব পাৰিলে সমাজৰ দায়ো ভাগিব—গতিকে গাঁৱৰো দুই-চাৰি আহিছে। কইনাঘৰীয়া কাম অৱশ্যে মালো আৰু খোলোকহঁতে ভালেখিনি কৰিছে।

নিকাহৰ আগে আগে মৌলৱী চাহেবে সোণপাহীক তোবাহ কৰালে, আৰু উপস্থিত ৰাইজে হাত তুলি সোণপাহীৰ ভৱিষ্যৎ মঙ্গলৰ কাৰণে আল্লাৰ ওচৰত দোৱা কৰিলে।

বিয়ালৈ পাভও আহিছিল। ছমীৰ এক মুহূৰ্ত্তৰ কাৰণেও মাকৰ কাষ নাচাপিল। অক টানি টানি মাকৰ ওচৰলৈ নিয়া হৈছিল, কিন্তু কইনাৰ সাজ পিন্ধি বহি থকা সোণপাহীজনীক তাৰ বৰ আপদু যেন লাগিল। সি কাষ নাচাপিল। সময়খিনি সময়

সি পাভৰ লগে লগেই আছিল। পাভুৱো তাৰ হাত এৰি নিদিলে। পাভৰ লগত একাষে বৈ থাকি সি বভাতলত বহা তাৰ মাকৰ দৰাটোলৈ চালে। মানুহটো দেখিবলৈ ইমান আপচু যেন লাগিল তাৰ। বুঢ়া মানুহনো দৰা হয় নে? আৰু মানুহটোৰ চকু এটা তাৰ বৰ বেছি কেঁৰা যেন লাগিল।

ছমীৰৰ মাজু মোমায়েকে মাজতে এবাৰ আহি তাক টানি নি হাছমতৰ লগত চিনাকি কৰি দিবৰ চেষ্টা কৰিছিল। সি কিন্তু হাত-ভৰি এছাৰিলে, তাক কোনোমতে হাছমতৰ ওচৰলৈ আনিব পৰা নগ'ল। সমগ্ৰ কাৰবাৰবোৰ দেখি ছমীৰৰ ল'ৰা মনটো ভিতৰি ভিতৰি বিদ্ৰোহী হৈ উঠিল।

শেষত যেতিয়া কান্দি কান্দি সোণপাহীয়ে তাৰপৰা বিদায় ল'বৰ কাৰণে তাৰ ভিঙিত সাৱটি ধৰি তাৰ গালে-মুখে চুমা খালে, তেতিয়া অতপৰে নকন্দাকৈ থকা ছমীৰে হুকুহুকাই, অধীৰ হৈ কান্দি উঠিল। তাক কোনোৱে শাঁত কৰিব নোৱাৰা হ'ল। তাৰ কান্দোনৰ লগতে বিয়া-ঘৰত থকা অন্যান্যবিলাকৰো চকুপানী ওলাই আহিল।

ইমান পৰে ৰহমান বুঢ়া ইটো-সিটো কাম কৰাত ব্যস্ত আছিল। যিজনী সোণপাহীৰ কাৰণে আজি অত বছৰে ইমানখিনি লাঞ্ছনা, অপমান অকাতৰে সহ্য কৰিলে, আজি সেই সোণপাহীক চিৰজীৱনৰ কাৰণে আঁতৰাই পঠিয়াব। ৰহমানৰ অন্তৰ ভাগি গৈছিল, তথাপি তেওঁ ধৈৰ্য্য ধৰি থাকিবৰ চেষ্টা কৰিছিল। কিন্তু এতিয়া নাতিয়েকে বুকু ভাঙি কন্দা দেখি তেৰোঁ আৰু নিজৰ বেজাৰ লুকাই ৰাখিব নোৱাৰিলে। তেওঁৰো চকুৰপৰা তপত লোতকৰ ধাৰা ধাৰাসাৰে বাগৰি আহিল। তেওঁ নাতিয়েকক সাৱটি ধৰিলে আৰু দুয়ো দুটা অবুজ শিশুৰ নিচিনাকৈ উচুপি উচুপি, ফেকুৰি ফেকুৰি কান্দিব ধৰিলে। কাষত বৈ পাভই দুয়োকো নিচুকাবৰ ব্যৰ্থ চেষ্টা কৰিলে। বিয়াখন হৈ গ'ল।

॥ দহ ॥

সোণপাহীক উলিয়াই দিয়াৰ পিছত ঘৰখন কিবা মৰা-ঘৰ যেন হ'ল। ৰহমান জুপুকা মাৰি মনে মনে বহি থাকে। মাজে মজে এনেয়ে ছমীৰৰ লগত দুআষাৰ আগ-গুৰি নোহোৱা কথা পাতে। পুৰা-গধূলি মচজিদতে কটাই দিয়ে। যেন তেওঁৰ অৱলম্বন হঠাৎ নোহোৱা হৈ গ'ল। তেওঁ এটা অনাথ শিশুৰ দৰে অসহায় হৈ পৰিল।

ছমীৰ আৰু বেছি উদাসীন হৈ পৰিল। সি কাৰো লগত কথা নাপাতে, মন মাৰি মনে মনে বহি থাকে। বিয়াৰ পিছত তাৰ সৰু মোমায়েক-মামীয়েক বাইজৰ পৰামৰ্শ মতে ৰহমানৰ লগতে থকাৰ ব্যৱস্থা হ'ল। কিন্তু মামীয়েকহঁতেও ছমীৰৰ মুখৰ মাত উলিয়াব নোৱাৰিলে। তাক মাতি আনি খুৱাব লাগে, জোৰ কৰি কাপোৰ পিন্ধাই স্কুললৈ পঠিয়াব লাগে, শুবৰ সময়তো আপোনা-আপুনি টোপনি নাহে মানে তাক শুৱাব নোৱাৰি। ৰহমান বুঢ়াই নীৰৱে, গোপনে চকুলো টুকিলে, নাতিয়েকতকৈ কম বেজাৰ তেওঁৰ লগা নাছিল। সোণপাহীক উলিয়াই দিয়াতকৈ ছমীৰৰ দুখ দেখিহে

বুকৰখন মোজাবত হিয়া ভাগি গৈছিল। ল'ৰাটো এতিয়াহে একেবাৰে অনাথ হ'ল। তাক সান্ত্বনা দিবৰ কোনো থল নাই।

সৰু মামীয়েকৰ ল'ৰা-ছোৱালী এহাল। পাঁচ বছৰীয়া আৰু দুবছৰীয়া। ল'ৰা-ছোৱালীহাল মৰম লগা। ছমীৰে কিন্তু সিহঁতৰ ফালে ঘূৰিকে নাচালে। সিহঁত দুটাই খেলে আৰু সি থৰ লাগি চাই থাকে, যেন একোকে বুজি পোৱা নাই। মামীয়েক বিৰক্ত হয়, বিৰুদ্ধি হয়। দেখাই-মেলাই ইমানটো ল'ৰা ইমান অবুজ হ'লে কেনেকৈ? মানুহজনীৰ মনটো কোমল, ছমীৰক মৰম কৰিবৰ চেষ্টা কৰিলে। কিবা-কিবি বুজাবৰ চেষ্টা কৰিলে, কিন্তু কাৰো কোনো কথাই ছমীৰক অকণো লৰচৰ কৰিব নোৱাৰিলে। সি যেন পাষাণ হৈ গৈছে।

অন্য সময়ত ছমীৰক পাভই নিচুকাব পাৰে। এতিয়া কিন্তু সি পাভহঁতৰ ঘৰলৈও নোযোৱা হ'ল। সি নোযোৱা দেখি পাভ নিজেই আহিল, কিন্তু তাক কাষলৈ চপাই আনি অকণমান মৰম কৰিব খোজোতে সি এনেদৰে মাৰি পঠিয়ালে যে পাভ কৰ্ফাল খাই পৰিল। পাভৰ খং উঠি গ'ল। শোধ-পোছ নাই, তায়ো দিলে ছমীৰক এক চৰ শোধাই। লগে লগে ক'লে, "যাগৈ মাৰৰ লগতে। তাত সুখেৰে থাবলৈ পাবি, দদায়েৰে খুব মৰম কৰিব। আমি তোক মৰম কৰিবই নাজানো—গোঁৱাৰটো ক'ৰবাৰ।"

পাভৰ চৰ খাই কিন্তু ছমীৰে নাকান্দিলে। অলপ পৰ সি থৰ লাগি থিয় দি ৰ'ল। তাৰ পিছত একো নমতাকৈ ভিতৰলৈ সোমাই গ'ল। পাভও লগে লগে গ'ল।

সোণপাহীৰ বিয়া বুলি ছমীৰৰ কাৰণে বহমানে এসাজ কাপোৰ কিনি আনিছিল। নিয়াৰ দিনা সেইসাজ কাপোৰ সি পিন্ধিছিলেও। সোলোকাই থোৱা নতুন চোলা-কাপোৰকেটা সি গাঁৰুৰ তলতে সুমুৱাই থৈছিল।

ভিতৰলৈ সোমাই গৈ সি কাপোৰসাজ উলিয়ালে, আৰু পিছে পিছে যোৱা পাভৰ মুখলৈ দলি মাৰি দিলে। পাভই খাপ মাৰি ধৰিলে। তাৰ পিছত ছমীৰ মজিয়াতে বহি পৰিল আৰু ফেকুৰি ফেকুৰি কান্দিব ধৰিলে।

অলপ ভয়ে ভয়ে পাভ তাৰ ওচৰ চাপি গ'ল। তাই আগতকৈ শকত-আৱত হৈছে যদিও ছমীৰৰ বল তাইতকৈ বেছি। তাৰ খোচা-ভুকুলৈ তাইৰ ভয় লাগে।

পাভই মাটিতে আঁঠুকাঢ়ি মৰমেৰে তাৰ পিঠিত হাতখন থ'লে। তাৰ পিছত তাক তাইৰ গাৰ কাষ চপাই আনিলে। তাৰ মুখখন নিজৰ মুখত লগাই পাভই বৰ মৰমেৰে ক'লে, "এনেকৈ থাকিলে বাৰু কি হ'ব? ব'ল, আমাৰ ঘৰলৈকে যাওঁগৈ—যাবি?"

কন্দা চকু দুটা তুলি ছমীৰে এবাৰ পাভৰ চকুলৈ চালে, তাৰ পাছত আকৌ উচুপিব ধৰিলে। পাভই তাৰ মূৰটো বুকুৰ মাজত সুমুৱাই ল'লে আৰু ক'লে, "বৰ চৰটো মাৰিলোঁ, দুখ পালি নেকি?" তাই তাৰ গালখন মৰমেৰে মোহাৰি দিলে।

লাহে লাহে ছমীৰৰ কন্দা শাঁত পৰি আহিল। কিন্তু সি পাভক এষাৰো কথা নক'লে। কিছু পৰ পাভৰ বুকুৰ মাজতে সোমাই থাকি লাহে লাহে সি নিজক মুক্ত কৰিলে আৰু কোঠাটোৰপৰা বাহিৰলৈ ওলাই আহিল। একাষে নীৰৱে বহমান বুঢ়া বহি আছিল, সি এবাৰ নানাকৰ ফালে কেৰাহিকৈ চালে, তাৰ পিছত বাহিৰলৈ ওলাই গৈ পদুলি-মুখত থিয় দি ৰ'লগৈ।

ৰহমানে পাভক ক'লে, "সি বৰ অবুজ, তাক অলপ ডাঙৰ ৰবলৈকে নেগে বা পাভ! অলপ আঁতৰি থাকিলে—ল'ৰাৰ মন, আকৌ ভাল হৈ যাব। তাক মাৰ-ধৰ নকৰিবি।"

"সিনো মোক সদায় কেলেই মাৰে—!" কৈ পাভ ওলাই গ'ল। পদূলি-মুখত ছমীৰ তাইৰ কাৰণেই বৈ আছিল। হাতত ধৰাধৰিকৈ দুয়োটা লাহে লাহে গ'লগৈ।

ৰহমান বুঢ়াই নিজেও চিন্তা কৰি চালে আৰু পুতেকহঁতৰ লগতো পৰামৰ্শ কৰিলে—এইকেটা দিন যেনে-তেনে যাওক আৰু। পৰীক্ষাটো হৈ গ'লেই ছমীৰক নগৰৰ হাইস্কুলত নাম লগাই দি তাতে পঢ়াবৰ দিহা কৰিব লাগে। নগৰত ছমীৰক ৰাখিবৰ এটা সুবিধা থকাৰ কাৰণে ৰহমানৰ অলপ সাহস হ'ল। ৰহমানৰ বৰ জীয়েকৰ গিৰিয়েকৰ ককায়েকে আজি-কালি ঠিকাদাৰি কৰি নগৰতে থাকে। অৱস্থা বজনজনা। হাজাৰ হাজাৰ টকাৰ ঠিকা লয়, বৰ বুধিয়ক মানুহ। মাটি-ভেটি কিনি নগৰতে পকী ঘৰ-দুৱাৰ কৰিছে। ছমীৰক ৰাখিবলৈ নিশ্চয় বেয়া নাপায়। আৰু তাৰ কাপোৰ-কানি, খৰচ-পাতিও দি থাকিব ৰহমান বুঢ়াই। মাত্ৰ থকা-মেলাৰ সুবিধা দিব লাগে আৰু অলপ চকু ৰাখিব লাগে। ছমীৰ ল'ৰাটোনো কিমানৰ? তাতে তেওঁৰ জা-জঞ্জালো কম। ল'ৰা-ছোৱালী বুলিবলৈ কোনো নাই। ছমীৰ থাকিলে হয়তো তেওঁলোকে ভালেই পাব।

ছমীৰৰ ভৱিষ্যৎ সম্পৰ্কে এই ব্যৱস্থা এক প্ৰকাৰ নিশ্চিতৰূপেই কৰাৰ নিৰ্ণয় হ'ল।

দ্বিতীয় কথা এটা বুঢ়াই নিজে নিজে মনতে চিন্তা কৰি থ'লে, ক'বৰ সময় হ'লে ক'ব—এতিয়া কোৱাৰ দৰকাৰ নাই। মনৰ সকলো কথা আগতীয়াকৈ সদাৰি কৰা ভাল নহয়। কথাটো হ'লঃ আজি নহয় কালিলৈ ৰহমান বুঢ়াই দুনিয়াৰপৰা বিদায় ল'ব। পুতেকহঁতক প্ৰত্যেককে মাটি-ভেটি ভাগ কৰি দিলে। ভাগ নকৰাকৈ নিজৰ কাৰণে বুঢ়াৰ যি মাটি-সম্পত্তি আছে, সেয়া পুতেকহঁতক নিদি বুঢ়াই নাতিয়েক ছমীৰক দি যাব। তাৰ বাপেক নাই, এতিয়া মাকো নাই, আৰু ৰহমান নাথাকিলে কোনোৱেই নাথাকিব। ভালে-কালে থাকোঁতেই ছমীৰৰ সংস্থানৰ ব্যৱস্থা তেওঁ কৰি থৈ যাব। বেমাৰ পৰাৰ সময়তে কথাটো বুঢ়াই জনাই থৈছিল।

কিন্তু এতিয়া নহয়। এতিয়া ছমীৰ নাবালক হৈ আছে। আৰু এই কথা এতিয়াই বেছি জনাজাত হ'লে অন্য অসুবিধাও হ'ব পাৰে। পুতেকহঁতৰ স্বভাৱ-চৰিত্ৰৰ কথা ৰহমানে ভালকৈয়ে জানে। সিহঁতে আমনি কৰিব পাৰে।

অন্য জোঁৱাইৰ দৰেই সোণপাহীৰ গিৰিয়েক হাছমতো সোণপাহীক লগত লৈ আঠমঙলা খাবলৈ আহিল। বুঢ়াই লক্ষ্য কৰিলে এই কেইদিনতে সোণপাহী এজনী সম্পূৰ্ণ বেলেগ মানুহ হৈ পৰিছে। বাহিৰে হাঁহি-মাতি অলপ প্ৰফুল্ল যেন দেখুৱাবৰ চেষ্টা কৰিলেও তাইৰ মনৰ বিষাদ তাই ঢাকি ৰাখিব নোৱাৰিলে। হয়তো নিজৰ দোষৰ শাস্তি ভোগ কৰিছোঁ বুলি তাই নিজক প্ৰবোধ দিবৰ চেষ্টা কৰি বিফল হৈছে। হয়তো নতুন জীৱনটোৱে তাইৰ কাৰণে কোনো সুখ-সমৃদ্ধিৰ, কোনো আশা-সম্ভাৱনাৰ প্ৰতিশ্ৰুতি আগবঢ়োৱা নাই। সেয়ে হয়তো তাই নিৰ্ব্বিকাৰ হৈ পৰিছে। বিয়াখন যেন এখন বিৰাট প্ৰহসন!

ৰহমানে সকলো বুজিলে, কিন্তু এতিয়া ইয়াৰ কোনো শুধৰণিৰ পথ নাই। আৰু

অন্য পথ আলেও নাছিল। সোণপাহীৰ ভাগ্যই তাইৰ জীৱনৰ সহজ পথটো অভাৱনীয়ভাৱে আগতেই বন্ধ কৰি পেলাইছিল। আজি তাৰ বাবে অনুতাপ কৰা যায়, কিন্তু সেই পথৰ বন্ধ দুৱাৰ মুকলি কৰা নাযায়। সোণপাহীয়ে নিজেই ৰচনা কৰা এই পথ। আৰু তাই নিজেই এই পথৰ যাত্ৰী।

মাক আহিলত পাভৰ লগত ছমীৰ ঘৰলৈ আহিল, কিন্তু মাকে তাক যিমানে ওচৰ চপাই নি মৰম কৰিবৰ চেষ্টা কৰিলে, সিমানে আঁতৰত বৈ মাকৰ ফালে দুই-এবাৰ আচহুৱাভাৱে চালে যদিও সি আঁতৰে আঁতৰে ফুৰিলে। এবাৰ কথাবো উত্তৰ নিদিলে, এবাৰো মাকক নামাতিলে। হাছমতৰ ফালে সি ঘূৰিয়ে নাচালে। এবাৰ জোৰ কৰি হাছমতে তাক হাতেৰে ধৰি ওচৰ চপাই নিব খুজিছিল। সি হাছমতৰ হাতত এটা শকত খোচা বহুৱাই দি আঁতৰি গ'ল। হাছমতে হাঁহি হাঁহি কথাটো পাতলাই দিবৰ চেষ্টা কৰিলে। মানুহৰ আগত লাজ পালে নিশ্চয়, কিন্তু হাছমতৰ বুদ্ধি আছিল, এনে অৱস্থাত নিজৰ মান কেনেকৈ ৰক্ষা কৰিব লাগে জানে। কিন্তু হাছমতে তেতিয়াই মনে মনে ঠিক কৰিলে যে সোণপাহীক বিয়া কৰালে যদিও এই জাৰজটোৰ লগত তেওঁৰ কোনো সম্পৰ্ক নাই আৰু আগলৈকো নহ'ব। ল'ৰাৰ মতি-গতি ভাল নহয়। এতিয়াই যেতিয়া এনেকুৱা, আগলৈ যে ভাল হওক ছাৰি বেয়াৰ ফালেহে যাব, সেই বিষয়ে নিশ্চিন্ত হোৱাত কোনো বাধ্য নাই।

কথাৰ লাচতে মাজতে এবাৰ হাছমতে শহুৰেকক ক'লে, "মাকৰো মন আছিল, ময়ো ভাবি আহিছিলোঁ, বোলোঁ ল'ৰাটোক আমিয়ে লৈ যাম। মাকৰপৰা আঁতৰি ল'ৰা কেনেকৈ থাকিব? পিছে ছমীৰ অবুজ হৈ আছে। এতিয়াই আমাৰ লগত নিব খুজিলে নাযাবহে কিজানি। আপোনালোকে অলপ ভালকৈ চকু-কাণ দিব। তাৰ পঢ়া-শুনাৰ সুবিধা ইয়াতহে হ'ব যেন লাগিছে।"

কথাষাৰ জোঁৱায়েকে কিয় কৈছে ৰহমানে নুবুজা নহয়। ৰহমানে ক'লে, "জানাই, এতিয়া তাৰ বাহিৰে মোৰ লগ বুলিবলৈ কোনো নাই। সেইবুলি তাক মই বেছি দিন নিজৰ লগত ইয়াতে নাৰাখোঁ। পৰীক্ষাটো হৈ যাওক, তাক নগৰৰ হাইস্কুলতে নাম লগাই দিয়ামগৈ।"

তাৰ পিছত ছমীৰ সম্পৰ্কে কৰা তেওঁৰ পৰিকল্পনাটোৰ কথা কিছু বিতংকৈ হাছমতক ক'লে। হাছমতেও ভাল বুলি শলাগিলে।

সোণপাহী আৰু হাছমত ৰহমানৰ ঘৰত তিনি দিন থাকি গ'লগৈ। এই কেইদিনৰ ভিতৰতে ৰহমানে বুজিলে যে হাছমতলৈ সোণপাহীক বিয়া দিয়াটো ডাঙৰ ভুল হৈছে। ডেকালিৰ ব্যৰ্থ প্ৰয়াস কৰিলেও হাছমত এটা বুঢ়া মানুহ। এই বুঢ়াটোৰ লগত ভৰ যৌৱনৰ এই সোণপাহীজনীয়ে জীয়াতু ভোগাৰ বাহিৰে অন্য একো লাভ নহ'ব। বিয়া নিদি ঘৰতে ৰখা হ'লেই হয়তো বেছি ভাল আছিল।

কিন্তু এতিয়া পট-পৰিৱৰ্ত্তন কৰিবৰ উপায় আৰু নাই।

মাক থকা তিনি দিন ছমীৰ ঘৰলৈ নাহিল, পাভহঁতৰ ঘৰতে ৰাতিও থাকিল। মাকহঁত যাবলৈ ওলালত ছমীৰক মতাই অনালে। পাভৰ লগত অলপ সময়ৰ কাৰণে সি আহিল, কিন্তু সি মাকক নামাতিলে। মাকে তাক জোৰ কৰি বুকুলৈ চপাই ল'লে আৰু তাৰ ডিঙিত ধৰি হুকহুকাই কান্দিলে। সি ভালেমান পৰ নিৰ্ব্বিকাৰভাৱে থৰ লাগি

আছিল। হঠাৎ যেন তাৰ সকলো ধৈৰ্য্য, সকলো উদাসীনতাৰ ভাব শেষ হৈ গ'ল। তাৰ অৱৰুদ্ধ বেদনাৰ জোৱাৰ পাৰ ভাঙি আহিল। ছমীৰে মাকৰ ডিঙিত ধৰি অবুজ, অশান্তভাৱে হুকহুকাই কান্দি উঠিল।

মাকেও কান্দিলে।

বিদায় লোৱাৰ আগতে মাকে নিজৰ আঙুলিৰপৰা সোলোকাই ছমীৰৰ আঙুলিত এটা সোণৰ আঙঠি পিন্ধাই দিলে।

থোকাথুকি মাতেৰে সোণপাহীয়ে ক'লে, "আজিৰপৰা তোৰ মাৰো মৰিল বুলি ধৰিবি। তোক দিবলৈ মোৰ একো নাই বোপাই। এইটো আঙঠি বৌটিয়ে মোক দিছিল। তয়ে ৰাখিবি, তোৰ বুঢ়ীমাৰৰ চিন।"

আকৌ এবাৰ আকলুৱাভাৱে ছমীৰক বুকুত সুমুৱাই লৈ সোণপাহীয়ে তাৰ গালে-মুৰে চুমা খালে, তাৰ পিছত চকুপানী মচি মচি ঘৰৰপৰা ওলাই গৈ পদুলি-মুৰত থকা গৰু-গাড়ীখনত উঠিলগৈ।

সোণৰ আঙঠিটো দিয়াত হাছমতে ভাল নাপালে, তথাপি কোনোমতে ক'লে, "আঙঠিটো ভালকৈ ৰাখিবা দেই। প্ৰায় পাঁচ গ্ৰাম ওজনৰ সোণৰ মোহৰ-আঙঠি। ক'তো নেহেৰুৱাবা।"

ছমীৰে তেতিয়া কাৰো মুখলৈ চোৱা নাছিল। গাড়ীত বহি তাৰ ফালে চাই থকা সোণপাহীৰ ফালে চাই আছিল। তাৰ দুয়ো চকুৰপৰা অবিৰল ধাৰে লোতক বাগৰি আহিছিল।

গাড়ীৰ চকা ঘূৰিল। চকুপানীৰে বাট নেদেখা হৈ সোণপাহীয়ে ঘৰৰ ফালে চাই চাই থোকাথুকি মাতেৰে কান্দি কান্দি ক'লে, "যাওঁ দেই ছমীৰ, পাভ থাক দেই, ভায়েৰক চাবি। বাবা আহিছোঁ আৰু—"

কিন্তু তাইৰ এটা কথাও স্পষ্ট হৈ ওলোৱা নাছিল। তাইৰ মাতটো এটা মৃত্যুকাতৰ গোঙনি যেন শুনাইছিল।

ক্ৰমে কেঁকুৰিটোৰ সিপাৰে গাড়ীখন নেদেখা হৈ গ'ল।

পাভ ছমীৰৰ কাষতে থিয় দি আছিল। তাই ছমীৰৰ হাতখনত ধৰি ক'লে, "আহ এতিয়া!"

একো নুবুজাৰ নিচিনাকৈ ছমীৰে পাভৰ মুখলৈ চকু তুলি চালে। পাভই তাইৰ হাতৰ তলুৱাৰে তাৰ গালৰ ওপৰেদি বাগৰি অহা চকুপানীবোৰ মচি দিলে।

দৃশ্যটো ৰহমান বুঢ়াৰ অসহ্য লাগিল। তেওঁ চোতালৰপৰা ভিতৰলৈ সোমাই গ'ল। পাভৰ লগত ছমীৰ আকৌ ঘৰৰপৰা বাহিৰ ওলাই গ'ল।

॥ এঘাৰ ॥

কেইমাহমান যোৱাৰ পিছত ছমীৰে এটা নতুন কথা আৱিষ্কাৰ কৰিলে। সিহঁতৰ গাঁৱৰ কসমৰ ভনীয়েক মইনাৰ বিয়া হৈছিল। বিয়ালৈ এইবাৰ কিন্তু ছমীৰহঁতক সকলোকে মাতিলে। গাঁৱৰ বিয়া সি দূৰৰপৰাহে দেখিছিল। কাৰো এনে বিয়াৰ

ৰভাতলত থকাৰ সৌভাগ্য তাৰ হোৱা নাছিল। সোণপাহীৰ বিয়াত বিয়াৰ কোনো আড়ম্বৰ-আয়োজন নাছিল।

নানাকেও তাক ক'লে, বিয়ালৈ যাব লাগিব, সি যেন গা-পা ধুই, ভাল কানি-কাপোৰ পিন্ধি সোনকালে ওলায়। তাৰ মনত বৰ স্ফূৰ্ত্তি লাগিল। সি খৰখেদা কৰিলে।

ফাগুন মাহ। এজাক মৰমী কোমল বতাহ জিৰজিৰাই বৈ আছে। গাঢ় নীলা আকাশখন তপত তপত, বগা বগা হৈছে। মনবোৰ ক'ৰবাত এনেয়ে উৰি ফুৰিছে।

নানাকক সি ক'লে, তাৰ স্কুললৈ যোৱা বাটতে কদমহঁতৰ ঘৰ, সি চিনি পায়। নানাকৰ লগত সি নাযায়, হয় অকলেই যাব, নাইবা পাভৰ লগত যাব।

ৰহমান অকলেই বিয়া ঘৰলৈ ওলাই গ'ল। তেতিয়া মুঠেই দুপৰ লহিয়াইছিল।

পাভৰ মাকজনী ৰৰ খেৎখেঙীয়া আৰু দন্দুৰী—ছমীৰে তাইলৈ ভয় কৰে। পিছে পাভৰ মাক প্ৰায়ে ঘৰত নাথাকে। গাঁওখনত ইঘৰ-সিঘৰ মাৰি ফুৰে দিনৰ দিনটো। পাভৰ বাপেক কামৰ মানুহ। দিনৰ দিনটো পথাৰতে কটায়। ঘৰখনত থাকে পাভ আৰু কোনো নাই। পাভ ঘৰত অকলেই থাকে।

ছমীৰ গ'লে সেইদেখি তাইৰ আনন্দ বেছি হয়।

পাভ বিয়ালৈ যাব নে নাযায়, গ'লে কাৰ লগত যাব, তাক লগত লৈ যাব নে নাযায় সুধিবৰ কাৰণে, নানাক যোৱাৰ পিছত ছমীৰ পাভহঁতৰ ঘৰলৈ গ'ল।

দুৱাৰ বন্ধ। সি হেঁচিলে, ভিতৰৰপৰা ডাং মৰা আছে। চিঞৰ-বাখৰ নকৰি সি ঘৰৰ মুধৰ বাটটোৰেদি পিছ-চোঁতাললৈ গ'ল। এবাৰ সৰু খিৰিকীখনেদি পাভৰ কোঠালিটোলৈ চালে, পাভ তাত নাই। সৰুকৈ এবাৰ সি মাতিলে, "পাভ--'

কাৰো মাতবোল নাই।

অকলশৰীয়া মিঠা ৰ'দজাক চোঁতালখনলৈ আপোনমনে নামি আহিছে। জিৰজিৰীয়া বতাহজাকে বাৰীৰ গছ-পাতবোৰ কঁপাইছে। অন্য বাই-বুই নাই। কেউপিনে নিটাল, নিমাত।

পাভহঁত বিয়ালৈ গ'লেই নেকি ? ছমীৰৰ অলপ বেয়া লাগিল। ঘৰটোৰ কেউফালে চাই, কাকো নেদেখি সি পাভহঁতৰ বাৰীৰ চুকত থকা পুখুৰীটোৰ ফালে গ'ল।

ফাগুনমহীয়া। পুখুৰীটোৰ পানী বহুত শুকাইছে। প্ৰায় আঠ হাতমান তলতহে অলপ পানী আছেগৈ। পুখুৰীটো বৰ ডাঙৰ নহয়। চাৰিউফালে নানা গছ-বনে পাৰবোৰত এখন বেৰাৰ সৃষ্টি কৰিছে। পুখুৰীটো বৰ দ'।

ছমীৰ গৈ পুখুৰীৰ পাৰত থিয় হ'ল। তললৈ পানীৰ ফালে চাই দেখিলে, ধকধক্ কৰে বগা এখন নিপোটল পিঠি, একোছা কিচকিচ্ কৰে ক'লা চুলি, আৰু দুখন লোদোৰ-পোদোৰ হাতৰ ঠাৰি।

ছমীৰ বৈ গ'ল। সি যেন উচপ্ খাই উঠিল।

অলপ বৈ সি মাতিলে, "এই পাভ—"

পাভই নিশ্চন্তে আপোনমনে, পুখুৰীত নামি গা ধুই আছিল। তায়ো অলপ উচপ্ খাই ঘূৰি চালে। ওপৰত, পুখুৰী-পাৰত ছমীৰক দেখি তাইৰ ওঁঠত হাঁহি ফুটি উঠিল।

গা ধুই থকা ছোৱালীজনী পাভ বুলি চিনি পোৱাৰ লগে লগে ছমীৰ তললৈ নামি গ'ল—একেবাৰে য'ত পাভই গা ধুই আছিল সেইখিনিলৈ।

পাভ তাৰ ফালে ঘূৰিল, তাই ক'কাললৈকে পানীত নামি আছে। গাৰ ওপৰ-ডোখৰ উদং।

হাঁহি পাভই সুধিলে, "কি হ'ল, এতিয়া যে আহিলি ?"

পাভৰ গাটো ঢাকিবৰ কোনো উপায় নাছিল। আৰু ছমীৰৰ আগত গা লুকুৱাবৰ কোনো প্ৰয়োজনো তাই বোধ কৰা নাছিল।

জীৱনত এই প্ৰথম এটা নতুন বস্তু দেখাৰ দৰে সি পাভৰ গাটোলৈ চাই ৰ'ল। এটা কোমল, বগা, সুঠাম গা—তেনেই কেঁচা, তেনেই নতুন। পাভৰ মুখখন সি আগেও দেখিছে, কিন্তু পাভৰ উদং বুকুখন এনেকৈ সি কোনো দিন দেখা নাছিল। হাত দুখন ওপৰলৈ তুলি পাভই তিতা চুলিখিনিৰে খোপা এটা বান্ধিবৰ চেষ্টা কৰিছিল। ছমীৰে দেখিলে পাভৰ কাষলতিৰ তলত অলপমান মুগাবৰণীয়া মিহিন চুলি।

আৰু অলপ উচ্ছলভাৱে হাঁহি পাভই ক'লে, "তেনেকৈ কি চাই আছ, তেনেকৈ চাই থাকিব নাপায় নহয়।"

ছমীৰ আৰু দুখোজ তললৈ নামি গ'ল। সি পানীৰ একেবাৰে কাষত ৰ'লগৈ। এতিয়া তাৰ তেনেই কাষতে পাভ—পাভৰ গাটো।

অবাক হৈ সি অলপ সময় পাভৰ নতুন, ধুনীয়া, ক্ৰমে পুৰঠ হৈ আহিব ধৰা বুকু দুটিৰ ফালে চাই থাকিল। তাৰ পিছত কিছু সময় চিন্তা কৰি চাই কোৱাৰ দৰে সৰুকৈ ক'লে, "বৌটিৰো তেনেকুৱা আছে।"

এবাৰ নিজৰ সৰু পিয়াহ দুটিৰ ওপৰেদি সলজ্জভাৱে চকু ফুৰাই নি হাঁহি পাভই ক'লে, "আছেতো অ'কৰা। সকলো মাইকী মানুহৰে থাকে।"

তাইৰ গাৰ সকলো তেজ আহি তেতিয়া তাইৰ গাল-মুখত থুপ খাইছেহি।

পানীত এটা জোবোবা মাৰি পাভই সুধিলে, "বৌটি আহিল নেকি ?"

"ঘৰত কোনো নাই, তই বিয়ালৈ নাযাব নেকি ?"

"এতিয়া নাযাওঁ। ঘৰত কোনো নাই নহয় আৰু মই বৌটিৰ লগতহে যাম। তই ব'ল, মোৰ কোঠালিতে বহগৈ। মই গা ধুই গৈছোঁ।"

"বেগেতে আহিবি—"

ছমীৰ এখোজ এখোজকৈ পুখুৰীৰ তলৰপৰা ওপৰলৈ উঠি আহিল। অকণমান গামোচা এডোখৰ পিন্ধি, কোনোমতে ক'কালটো ঢাকি পাভই গা ধুই আছিল। তাই প্ৰায় উলঙ্গ। সেইদৰে ছমীৰৰ আগত দেখা দিবলৈ তাইৰ লাজ লাগিল—যদিও কাপোৰ পিন্ধিবলৈ শিকাৰ আগৰেপৰা সিহঁতে একেলগে খেলি-মেলি আহিছে।

আৰু পলম নকৰি পাভ লাহে লাহে পুখুৰীৰপৰা উঠি আহিল। আৰু তিতা গাৰেই ঘৰৰ ফালে খোজ ল'লে। ছমীৰে ঘৰৰ পিছফালৰ বাৰাণ্ডাতে বৈ তাইৰ ফালেই চাই আছে।

ফাগুনৰ অশান্ত বতাহজাক জিৰজিৰ কৰি বৈ গৈছে। ৰ'দজাক মিঠা, এটা হাঁহিৰ নিচিনা মিঠা।

পাভৰ হয়তো তেতিয়া ছমীৰৰ আগত লাজ লগা নাছিল। প্ৰথম যৌৱনৰ অবুজ-

উন্মাদনাত উন্মনা হৈ তাই মাথোন আকাশ, বতাহ, ৰ'দ আৰু নীৰৱতাক আদৰি ল'বৰ চেষ্টা কৰিছিল।

এই ৰ'দ আৰু নীৰৱতাৰ যেন শেষ নাই।

পাভ আহি বাৰাণ্ডাৰ পিৰালিত উঠিলহি। বাৰাণ্ডাৰ ডাং এডালতে গামোচাখন আছিল। তাৰেই নিঃসংকোচে আৰু লাহে লাহে চুলিকোছা টুকি আৰু গাটো মচি মচি তাই এনেয়ে ক'লে, "ইয়াতে ৰ'ব নালাগে। মোৰ তাতে বহুগৈ ব'ল। বৌটি আহিব এতিয়া, তেতিয়া পঠিয়ায় যদি আমি বিয়ালৈ যাম।"

তাৰ পিছত গামোচাখন আকৌ ডাংডাললৈ দলি মাৰি থৈ পাভ কোঠাৰ ভিতৰলৈ দুৱাৰখন মেলি সোমাই গ'ল। পিছে পিছে ছমীৰো গ'ল।

তাৰ ফালে নোচোৱাকৈয়ে পাভই তাইৰ বিচনাৰ ওপৰত উলিয়াই ৰখা মেখেলাখন আৰু চোলাটো পিন্ধিবৰ আয়োজন কৰিবলে। লগে লগে ক'লে, "বিয়ালৈ যাবলৈ তই ঘৰত কৈ আহিছ নে নাই?"

ছমীৰৰ মুখত মাতবোল নাই। সি বিচনাখনৰ কাষত বৈ পাভই কাপোৰ সলোৱা বৰ বিস্ময় আৰু কৌতুহলেৰে চাই আছে। কোঠাটোৰ ভিতৰত পোহৰ কম। দুৱাৰখনো কাণিদুৱৰীকৈ মেলা আছে। যেন কোঠাটো এটা ৰহস্যেৰে ভৰি পৰিছে।

জীৱনত এই প্ৰথম কাপোৰ পিন্ধিবলৈ আৰম্ভ কৰা এজনী সৰু ছোৱালীৰ দৰে পাভই প্ৰথমে ক'কালৰ তিতি থকা ঠেক গামোচাখন সোলোকাই পেলালে, তাৰ পিছত কাপোৰ পিন্ধাত লাগিল।

তাৰ নিচেই চকুৰ আগতে এজনী ডাঙৰ নঙঠা ছোৱালী দেখি ছমীৰৰ বৰ ভাল নালাগিল। তথাপি সি পাভলৈকে চাই থাকিল নীৰৱে।

সি নমতা দেখি পাভ তাৰ ফালে ঘূৰিল আৰু চোলাটোৰ বুতাম মাৰি মাৰি ক'লে, "এই, নামাত কেলেই, কিনো চাই আছ ভেবা লাগি?"

ছমীৰৰ চকু-মুখত এটা অৰ্থহীন, লাজকুৰীয়া হাঁহি বিয়পি গ'ল—সৰল, নিৰ্দ্দোষ, লাজুকীয়া হাঁহি। পাভয়ো তাৰ দৰেই হাঁহিলে আৰু তাৰ ওচৰলৈ আহি তাৰ সম্মুখৰপৰা বাহু দুটাত ধৰি তাক জোকাৰি দি দি ক'লে, "বিয়ালৈ যে যাবলৈ আহিছ, চুলিকোছাও ফণিয়াই আহিব নোৱাৰিলি নে? কেনেকুৱা জপৰাটো হৈ আহিছে!"

ভালেমান দিন নকটোৱাৰ কাৰণে ছমীৰৰ চুলি বহুত দীঘল হৈ ওলমি পৰিছিল।

গামোচা এখন চাদৰ কৰি গাত লৈ, পাভ আহি তাইৰ চাপৰ বিচনাখনতে ভৰি ওলোমাই বহিল আৰু নিজৰ চুলিবোৰ শুকাইছে নে নাই চালে। নাই শুকোৱা। তাই বিচনাৰ কাষৰ তাইৰ সৰু মেজখনৰপৰা ফণিখন বিচাৰি ল'লে আৰু ছমীৰৰ বাউঁসিত ধৰি ওচৰ চপাই আনিলে তাৰ চুলিবোৰ ফণিয়াই দিবৰ কাৰণে। সি অলপ আঁতৰি থকা দেখি তাই তাক আৰু কাষলৈ টানি আনিলে আৰু ভৰি দুখনৰ মাজত কৰঙনেৰে চেপি ধৰি তাক অলপ কুঁজা কৰি লৈ চুলিবোৰ ফণিয়াই দিব ধৰিলে। ছমীৰক পাভৰ বাহিৰে এনেদৰে মৰম কোনেও নকৰে। সেই কাৰণেই তাৰো পাভলৈ বৰ মৰম লাগে। সি তাইৰ ভৰিৰ মাজত সোমাই থাকিয়ে তাইৰ ফালে মুখ কৰি ঘূৰিল আৰু তাইৰ গাল দুখনত এনেয়ে হাত ফুৰাই দিলে। তাৰ মূৰ ফণিওৱা শেষ কৰি পাভই তাৰ গালে-মুখে চুমা খালে, অলপ ওচৰ চপাই আনি মৰমেৰে তাক সাৱটি ধৰি

থাকিল। তাৰ পিছত তাৰ গালত গালখন থৈ সৰু সৰুকৈ ক'লে, "কাকো নক'বি আকৌ জানিছ—।" ছমীৰে একো নুবুজিলে।

এনেতে বাহিৰত পাভৰ মাকে মাতিলে, "হেৰ পাভ, আছে নে নাই এইজনী। চাওঁ দুৱাৰ-ডাংডাল মেল।"

ততাতৈয়াকৈ পাভই ছমীৰক এৰি দিলে আৰু কোঠাৰপৰা ওলাই গৈ দুৱাৰখন মেলি দিলে।

"ভিতৰত আৰু কোনোবা আছে নেকি ?"

"ওঁ, ছমীৰ আছে। বিয়ালৈ যাবলৈ ওলাই আহিছিল। মোৰ লগতে যাব, তই নহ'লে দেখি আমি দুয়োটা ৰৈ আছোঁ।" পাভই ক'লে।

এটা বিৰক্তি-ভৰা চেপা মতেৰে মুখৰ ভিতৰতে পাভৰ মাকে কৈ উঠিল, "তোৰো আৰু গিয়ানটো। ভোজ-বিয়ালৈ যাবলৈও এই জহৰা-খহৰাবোৰৰ বাহিৰে অন্য লগ নাপালি নে ? তই বিয়ালৈ কেলেই যাবি তাৰ লগত ?"

"গ'লেনো কি হয় ?" একেই চেপা মাতেৰে কিন্তু প্ৰতিবাদৰ চেষ্টা নকৰি পাভই ক'লে, "সিনো আৰু কাৰ লগত যাব ?"

"যাৰে লগত গ'ল লাগিলে—"

সিটো কোঠাত কথাবোৰ কৈছিল। কথাবোৰ অস্পষ্ট হ'লেও আহি ছমীৰৰ কাণত পৰিলহি। পাভৰ মাকৰ কথা শুনি তাৰ কাণ-মুখ ৰঙা পৰি উঠিল। অলপ পৰ সি তভক মাৰি ৰ'ল। তাৰ পিছত হঠাৎ খঙত উদ্‌ভ্ৰান্ত হৈ সি তাৰ মূৰৰ চুলিবোৰ টানি টানি আউলি-বাউলি কৰি পেলালে আৰু পিছ মুহূৰ্ত্ততে কোঠাৰপৰা ওলাই পিছফালৰ চোঁতালেদি দৌৰ মাৰিলে।

পাভই আহি দেখিলে ছমীৰ নাই, অন্তৰ্ধান হৈছে। তাই বাহিৰলৈ চালে—ছমীৰ দৌৰি দৌৰি আলি উঠিছেগৈ আৰু ঘৰৰ ফাললৈ গৈছে।

তাইৰ বেয়া লাগিল। মাকৰ ওপৰত তাইৰ খং উঠি গ'ল। তাই নিজৰ কোঠালৈ সোমাই দুৱাৰখন বন্ধ কৰি দিলে আৰু ভোৰভোৰাই ক'লে, "ময়ো নাযাওঁ বিয়ালৈ। যি যায় গৈ থাওক, মই মৰিলেও নাযাওঁ।"

তাই কি কৈছে কাণ নিদি পাভৰ মাক পুখুৰী-পাৰৰ ফালে গ'ল। মাকে জানে, নাযাওঁ বুলিলে পাভক লৰাব নোৱাৰি।

বিয়া হৈ গ'ল। পাভ আৰু ছমীৰ কোনোটোকে বিয়ালৈ নিব পৰা নহ'ল।

॥ বাৰ ॥

সোণপাহীৰ বিয়াৰ কেইমাহমানৰ পিছৰপৰা ছমীৰ মৌলবীৰ ওচৰত পঢ়িবলৈ মচজিদলৈ নোযোৱা হ'ল। আৰবী-উৰ্দ্দু তাৰ বৰ বিশেষ শিকা নহ'ল, তথাপি আখৰবোৰ জোঁটাই জোঁটাই সি উৰ্দ্দু আৰু আৰবী পঢ়িব পৰা হ'ল, নামাজ পঢ়িবৰ কাৰণে আৱশ্যকীয় দোৱা, নিয়ত, চূড়া আদি কিছু শিকিলে, আৰু কোৱাণো নিজেই

পঢ়িব পৰা হ'ল। আৰু কিছু দিন অহা-যোৱা কৰা হ'লে হয়তো আৰু দুআষাৰমান ইচলামৰ ৰীতি-নীতি, ধৰ্ম্ম-কৰ্ম্মৰ কথা শিকিব পাৰিলেহে'তেন। কিন্তু এৰি দিলে।

স্কুললৈ অৱশ্যে গৈ থাকিল, কিন্তু তাতো কিছু অনিয়মীয়া হ'ব ধৰিলে। মানুহৰ ঘৰলৈও সি নাযায়, আনকি পাভহঁতৰ ঘৰলৈও। কেইবা দিনো আহি পাভই মাতি-মেলিও তাক নিব নোৱাৰিলে। আনকি মাকৰ হৈ তাই তাৰ ওচৰত মাফো খুজিলে, তথাপি সি নগ'ল।

সোণপাহী এতিয়া নাই, আঁতৰি গৈছে। কিন্তু আঁতৰি যোৱা নাই এটা কথা— ছমীৰ সোণপাহীৰ অবৈধ সন্তান। তাৰ বাপেক কোন, কোনেও ক'ব নোৱাৰে। সমাজৰ অন্যান্য ল'ৰাৰ সমান মৰ্য্যাদা ছমীৰে পাব নোৱাৰে।

কাৰণ--

কাৰণ—তাৰ মাকৰ কলংকৰ দাগ লাগি আছে তাৰ নিশ্বাসত। সি পাপৰ সন্তান। সমাজৰ মাজলৈ আহ্-যাহ্ কৰাৰ লৌকিক বাধা আজি নাই, কিন্তু মানুহৰ মনৰ দুৱাৰ এতিয়াও তাৰ কাৰণে ভালকৈ মুকলি হোৱা নাই। সামাজিক শুচিতাৰ জগতত সি এতিয়াও অস্পৃশ্য।

কথাবোৰ লাহে লাহে ছমীৰে বুজি পাই আহিছে। এতিয়াও মাজে মাজে তাৰ সমনীয়া ল'ৰা-ছোৱালীবোৰৰ লগত দন্দ-কাজিয়া, মাৰ-পিট্ লাগে। আৰু অন্য ৰকমে ছমীৰক হৰুউৱাৰ সম্ভাবনা নেদেখিলে ল'ৰাবোৰে শেষ অস্ত্ৰ হানে--"বাপেৰক মাতি আনগৈ যা, তেহে আমাৰ লগত পাৰিবি।"

এক মুহূৰ্ত্ততে ছমীৰে দেহ-মনৰ সকলো বল-শক্তি হেৰুৱায় পেলায। সি হাৰে, সি হাৰ মানে।

এটা অব্যক্ত অমানুষিক অভিযোগত তাৰ মনটো ভৰি উঠে। কিন্তু এই অভিযোগ কাৰ বিৰুদ্ধে, ল'ৰা মানুহ, সি নিজেই বুজিব নোৱাৰে।

মাজে মাজে সি ভাবে, সি গৈ সুধি আহিব সোণপাহীক, প্ৰকৃততে তাৰ কোনোবা বাপেক আছিল নে নাই, আছিল যদি এতিয়া ক'ত আছে, কিয় লুকাই আছে?

কিন্তু সোণপাহী আজি তাৰপৰা ভালেমান দূৰত থাকে। আৰু আঠমঙলাৰ পিছত সোণপাহীহঁতে এবাৰহে আহিছিল। তাৰ পিছত অহাই নাই। তাৰ মাকৰ ওপৰতে খং উঠে। বদনামখিনি তাৰ কাৰণে এৰি, সোণপাহী অন্য এটা মানুহৰ লগত গুচি গ'ল। কিয় গ'ল তেনেকৈ?

আৰু তাৰ সেই নাম নজনা, চিনি নোপোৱা বাপেকটো! সিনো কেনেকুৱা মানুহ, এবাৰো ছমীৰৰ খবৰ ল'বহি নাপায় নে? তাক কিন্তু মই সহজে ক্ষমা নকৰোঁ। তাক চিনি ল'ব লাগিব ভালকৈ!

পুতেকহঁত আঁতৰি যোৱাৰ পিছত ৰহমান বুঢ়াই নিজে খেতি কৰিবলৈ এৰি, মানুহ ধৰি খেতি কৰাইছিল। এতিয়া সৰু পুতেকহঁত আহি বুঢ়াৰ লগতে থাকিবলৈ লোৱাত আকৌ ঘৰতে খেতি কৰাৰ ব্যৱস্থা কৰিছিল। হাতে-হালোৱা আৰু ৰোৱনী-দাৱনী থাকিলে খেতি কৰিবলৈ কোনো অসুবিধা নাই। আৰু নিজৰ হাত দুখনৰ সমান কি হ'ব?

তাৰ উপৰি হাতত লগা ল'ৰা এটাও আছে—ছমীৰ। চাও'তে চাও'তে তাৰ এঘাৰ-বাৰ বছৰেই হ'লহি। আৰু বয়সৰ জোখত সি ল'ৰাটো বাঢ়িছে বেছি। আজিকালি তাক ১৬।১৭ বছৰীয়া ডেকা এটা যেনেই দেখি। আৰু তাৰো হাত-ভৰিবোৰ শকত-আৱত, আঁহ-পাহ বলী, ওখই-পাখই, চলনে-ফুৰণে সি যেন এটা লেখৰ মানুহেই হৈ পৰিছে লাহে লাহে। সেইডোখৰত তাৰ চেহেৰা-পানী, গঢ়-গঠনৰ ল'ৰা দ্বিতীয় এটা নাই। পথাৰৰ কামত সি তাৰ সৰু মোমায়েকক সহায় কৰিব নোৱাৰাৰ কোনো কাৰণ নাই। গাঁৱত ছয়-সাত বছৰৰপৰা ল'ৰা-ছোৱালীয়ে ঘৰ-পথাৰৰ কাম শিকে।

ছমীৰৰ অৱশ্যে আজিলৈকে পথাৰত নামিবলগীয়া হোৱা নাছিল। নিজৰ ঘৰত খেতি নকৰোৱাৰ কাৰণে ছমীৰক নানাকে অন্যৰ পথাৰত গৈ নামিবলৈ নিদিছিল। তথাপি শাওণমহীয়া পথাৰত নামি পুঠি মাছ ধৰা, কাৰোবাৰ বাম-কঠীয়াতলিত গৈ এমুঠি কঠীয়া তোলা, সমনীয়া কাৰোবাৰ লগত গৈ কেইগোছামান ভুঁই ৰোৱা আৰু বিশেষকৈ আঘোণমহীয়া নিজৰ আৰু অন্যৰ ধাননিত গৈ এমুঠি ধান দোৱা সি শিকিছিল। তাৰ বয়সৰ এটা শিশুৰ কাৰণে সেইবোৰ কাম নহয়, ধেমালি। এইবোৰত লাগি থাকিবলৈ পালে ছমীৰে অইন সকলো কথা পাহৰি থাকে। তাৰ মনৰ বিমৰ্ষতা নোহোৱা হৈ যায়। মাটিৰ লগত মিতালি পাতি, বতাহৰ লগত দন্দ কৰি, আঘোণমহীয়া ৰ'দজাকক মনৰ কথা কৈ তেতিয়া সি আপোন-পাহৰা হৈ থাকে।

সেইদেখি সেইবাৰ যেতিয়া তাৰ সৰু মোমায়েকে ইটো-সিটো কৰিবৰ কাৰণে তাক পথাৰলৈ নিব ধৰিলে, সি অকণো বেয়া নাপালে। স্কুললৈ যোৱাতকৈ বা কিতাপ পঢ়া, অংক কৰাতকৈ এইদৰে মুকলি পথাৰৰ মাজত ঘূৰি ফুৰিবলৈ পোৱাটো আনন্দৰ কথা। নানাকে অতদিন তাক দিয়া নাছিল, সৰু মোমায়েকক সেইদেখি তাৰ ভাল লাগিল।

স্কুললৈকো সি অহা-যোৱা কৰি থাকিল। জলপান দিবলৈ গৈ দুই-এপাক হাল বোৱা, কোৰখন লৈ পৰাই-নোৱাৰাই পথাৰৰ চুক-কাণ কোৰা— এইবোৰ কাম শিকিবৰ দৰকাৰ নাই। ভাত-শাক খোৱাৰ নিচিনা কথা—লাচতে শিকা হৈ যায়।

ছমীৰৰ সৰু মোমায়েকে দেখিলে যে আৰু দুই-এবছৰৰ পিছৰপৰা হালে-মৈয়ে ছমীৰ এটা ভাল খেতিয়ক হৈ উঠিব। তাক যে বুঢ়াই পঢ়িবৰ কাৰণে নগৰলৈ পঠিয়াব খুজিছে তাৰ কোনো দৰকাৰ নাই। বাপেক-মাক নাইকিয়া ল'ৰা—পঢ়ি-শুনিনো কি হাকিম-মুঞ্চুফ হ'ব ? ভালকৈ খেতি-বাতি কৰিবলৈ শিকি ল'লে আগলৈ এটা মানুহ হৈ যাব পাৰিব।

ছমীৰৰ সৰু মোমায়েকে তাক খেতিৰ কামত বেছিকৈ লগাবৰ কাৰণে চেষ্টা কৰিব ধৰিলে।

॥ তেৰ ॥

দিনবোৰ যাব ধৰিলে।

এদিন ৰহমান বুঢ়া তেও'লোকৰ গাঁৱৰপৰা প্ৰায় ৫০ কিলোমিটাৰ দূৰৰ নগৰলৈ গ'লল—ছমীৰক নগৰত ৰাখি পঢ়োৱাৰ এটা ব্যৱস্থা কৰিবৰ কাৰণে। তাক আৰু

গাঁৱত থকা নাযায়। সবু পুতেকৰ মনোভাৱ বুঢ়াই অলপ অলপ বুজিব পাৰিলে। ছমীৰক খেতি-বাতিত লগাই দিব পাৰিলে তাৰ লাভ হয়। ভাগিনীয়েক পঢ়ি-শুনি ভাল মানুহ হওক, এইটো তাৰ ইচ্ছা নহয় যেন লাগিল।

নগৰলৈ কিয় যাবলৈ ওলাইছে এই বিষয়ে কাকো বৰ বেছিকৈ খুলি একো নক'লে যদিও পুতেক-বোৱাৰীয়েকহঁতে নুবুজাকৈ নাথাকিল। অৱশ্যে ছমীৰ দুৰলৈ আঁতৰি গ'লেও সিহঁতে বৰ বেয়া নাপায়। কাৰণ এতিয়া ছমীৰ থাকিও সিহঁতৰ বৰ লাভ হোৱা নাই। তাক পুহি থাকিবলগীয়াহে হৈছে।

ৰহমান বুঢ়াৰ ডাঙৰ জীয়েকক আন এখন গাঁৱৰ এজন আলি-মহৰীলৈ বিয়া দিছিল। এই মহৰীজনৰ ককায়েক এজন ডাঙৰ ঠিকাদাৰ। নগৰত থাকে, অৱস্থা বৰ ভাল। ধনী মানুহ হিচাপে এক শ্ৰেণী লোকৰ মাজত নগৰত জনাজাত। আহমদ ঠিকাদাৰক প্ৰায় সকলোৱেই চিনে, জানে।

এওঁৰ ঘৰতে ছমীৰক থোৱাৰ দিহা কৰিবৰ কাৰণে ৰহমান বুঢ়া নগৰলৈ গ'ল।

বুঢ়াৰ জোঁৱায়েক আলি-মহৰী যদিও অৱস্থা বেয়া নহয়। ককায়েকৰ আশ্ৰয়তে তেওঁৰ লগতে কাম কৰি অৱস্থা টৰ্নকিয়াল কৰিছে। পি. ডব্লিউ. ডি. অ'ভাৰছিয়াৰ, এচ. ডি. অ'. আদিৰ লগতো চা-চিনাকি, খাতিৰ-বাতিৰ আছে। কিন্তু এওঁ নগৰত ঘৰ-বাৰী এতিয়াও কৰা নাই। অলপ মাটি নগৰৰ একাষে কিনি থৈছে। তাত এটা আহল-বহল ডাঙৰ ঘৰ সাজিবৰ তেওঁৰ ইচ্ছা। কিন্তু সদ্যহতে তেনে এটা ঘৰ সাজিলে বহুতৰে চকুত পৰাৰ ভয় আছে। অৱশ্যে তেওঁতকৈ কম আৰ্জ্জনৰ মানুহেও আজি-কালি হাজাৰ হাজাৰটকীয়া ঘৰ সজাইছে।

আহমদ ঠিকাদাৰৰ লগত ৰহমান বুঢ়াই খৰচি মাৰি সকলো কথা-বতৰা পাতিলে। গাঁৱত থাকিলে, যিমানেই পঢ়া-শুনা নকৰক তাৰ গাৰ চেকাটো নাতবে আৰু হয়তো বেছি দিন সি পঢ়া-শুনাও কৰি থাকিব নোৱাৰিব। ৰহমান বুঢ়াৰ স্বাস্থ্য দিনক দিনে পৰি আহিছে, তাক চাওঁতা-চিতোঁতাও নাই। আৰু গাঁৱত পঢ়া-শুনাতকৈ অন্য ফালেহে ল'ৰাবোৰৰ ধাউতি বেছি। কেও-কিছু নোহোৱা ল বা, পঢ়ি-শুনিয়ে কিজানিবা একঠা আৰ্জ্জি খাব পাৰে।

আহমদ ঠিকাদাৰ গহীন মানুহ। কথা কম কয় আৰু ক'লেও জুখি-মাখি কয়। বয়স পঞ্চাশৰ ওচৰ চাপিছে। প্ৰথম স্ত্ৰীৰ মৃত্যুৰ পিছত দ্বিতীয়বাৰ বিয়া কৰাইছে, নগৰ কাষৰীয়া গাঁৱৰ ছোৱালী। আগৰ পৰিৱাৰৰ এজনী ছোৱালী আৰু এটা ল'ৰা। ছোৱালীজনীৰ বিয়া দিলে। ল'ৰাটোৱে পি ইউ. পাছ কৰি আলিগড়ত ইঞ্জিনীয়াৰিং পঢ়িছে। দ্বিতীয় পৰিৱাৰৰ ল'ৰা-ছোৱালী নাই—কাজেই ঘৰখনত হাই-উৰুমি কম, শান্ত।

ছমীৰৰ নিচিনা নিছুৰীয়া ল'ৰা এটাক ৰাখিবলৈ একো অসুবিধা নহয়। তদুপৰি ৰহমান বুঢ়াই ছমীৰৰ কিতাপ-কাপোৰৰ খৰচ, স্কুলৰ ফীজ আদি পঠিয়াই থাকিব। মাত্ৰ তাক থাকিবলৈ ঠাই দিব লাগে আৰু সময়ত ভাত মুঠি দিব লাগে।

আহমদ ঠিকাদাৰে ছমীৰক ঠাই দিবলৈ আনন্দেৰে সন্মতি জনালে।

আহমদ উচ্চ শিক্ষিত নহয়। সেইবাবে প্ৰথম অৱস্থাত তেওঁৰ কিছু আক্ষেপ আছিল। কিয়নো ভাল চাকৰি পোৱাৰ উপযুক্ত শিক্ষা তেওঁৰ নাছিল। কিন্তু

বিপৰীতে ইয়াৰ ফল হিতহে হ'ল। আহমদৰ আত্মবিশ্বাস আছিল, গতিকে তেওঁ ব্যৱসায়ত হাত দিলে। অভিজ্ঞতাই তেওঁক উন্নতি কৰাৰ পথত সহায় কৰিলে। কিছু দিনৰ ভিতৰতে তেওঁ এজন ভাল ঠিকাদাৰ হৈ পৰিল।

টকা-পইচাই তেওঁৰ প্ৰথম জীৱনৰ বিমৰ্ষতা কিছু কমাইছিল আৰু তেওঁ বেছ ৰঙিয়াল হৈ পৰিছিল। কিন্তু প্ৰথমা পত্নীৰ অকাল মৃত্যুত তেওঁ বৰ আঘাত পাইছিল। হয়তো জীৱনলৈ হেৰোৱা আনন্দ ঘূৰি আহিব বুলিয়ে তেওঁ দ্বিতীয় বিবাহ কৰিছিল। কিন্তু দ্বিতীয় পত্নীৰ কোনো সন্তান নোহোৱাৰ কাৰণে তেওঁ বিমৰ্ষ আৰু উদাসীন হৈ পৰিছিল। নিজক ব্যস্ত ৰাখিয়ে যেন তেওঁ অলপ শান্তি পাইছিল।

তদুপৰি দ্বিতীয় পত্নী জুলেখা হয়তো নিঃসন্তান হোৱাৰ কাৰণেই, কিছু খামখেয়ালী আৰু খিংখিঙীয়া স্বভাৱৰ হৈ পৰিছিল। আহমদক তেওঁ অনাদৰ, অৱহেলা কৰা নাছিল, কিন্তু তেওঁৰ কথা-কাৰ্যৰপৰা, তেওঁ যে সুখী নহয় সেইটো বুজিবলৈ আহমদৰ টান নালাগিছিল। কাৰো কোনো কথাৰে প্ৰতিবাদ তেওঁ নকৰিছিল—যেন কোনো কথাতে তেওঁৰ নিজস্ব মত-অভিমত বুলি কথা এটা নাই। ছমীৰক ঘৰত ৰাখি পঢ়াবলৈ যিদৰে তেওঁ আপত্তি নকৰিলে, তাৰ খৰচ ল'বলৈকো তেওঁ কোনো আপত্তি নদৰ্শালে।

"যদি মন যায়, আৰু পাৰে, খৰচ-পাতি পঠিয়াব, তেতিয়া হ'লে সি আপোনালোকক পাহৰি নাযায়। আৰু অসুবিধা হ'লে নালাগে পঠিয়াব। এটা ল'ৰাইনো আমাৰ কি খাই টুকুৰাব? পিছে সৰহভাগ সময় মই বাহিৰে বাহিৰেই থাকোঁ, দূৰে দূৰে ঠিকা আছে। সপ্তাহ, দহদিনৰ মূৰত একোবাৰ আহোঁ। ঘৰত তেনেকৈ মূৰব্বী মানুহ নাই বুলিলেই হয়। সি নিজে নিজেই ভালকৈ চলি পঢ়া-শুনা কৰিব লাগিব"—তেওঁ মাথোন ক'লে।

ৰহমান বুঢ়াই আহমদৰ খোলাখুলি কথাত ভাল পালে।

ৰহমানে ঠিকাদাৰৰ পৰিবাৰ জুলেখাৰ লগতো চা-চিনাকি, কথা-বতৰা হ'ল। অলপ ওখ চানেকীয়া, লাহী, বৰ বুপহী ছোৱালীজনী। বয়স নিচেই কম, ২০।২১ বছৰৰ বেছি নাই হোৱা যেন দেখি। মাতটো সিমান মিঠা নহয়, কিন্তু এনেই মানুহজনী মৰমিয়াল হ'ব যেনেই লাগিল।

হয়তো ঠিকাদাৰ আগতে থকাৰ কাৰণে জুলেখাই ৰহমানৰ লগত বৰ বেছি কথা-বতৰা নাপাতিলে। মাত্ৰ ছমীৰৰ সম্পৰ্কে সুধিলে, "ল'ৰাটোৰনো বাপেক কোন আপোনালোকেও নাজানে নে?"

হুমুনিয়াহ কাঢ়ি ৰহমান বুঢ়াই ক'লে, "নাজানো আই, তাইক হাজাৰ সোধাতো নক'লে, কি কৰিম। জনা হ'লে জানো তাক এৰি দিলোহেঁতেন?"

ঠিকাদাৰে অন্য দুই-চাৰিটা কথা পাতিলে। তাৰ পিছত চাহ-ভাত খুৱাই ৰহমানক বিদায় দিলে।

ৰহমানে হাইস্কুলৰ হেড্-মাষ্টৰকো লগ ধৰিলে আৰু ছমীৰক এটা চীট্ দিবৰ কাৰণে খাটনি ধৰিলে। হেড্-মাষ্টৰে আশা দিলে, "ল'ৰা যদি পঢ়া-শুনাত বেয়া নহয়, চীট্ পাব। আগেয়ে তাৰপৰা পাছ কৰি আহক।"

আশ্বস্ত হৈ আনন্দ মনেৰে ৰহমান বুঢ়া গাঁৱৰ ঘৰলৈ ঘূৰি আহিল।

॥ চৈত্ৰ ॥

ছমীৰ অকলশৰীয়া। ঘৰখনত মোমায়েকৰ ল'ৰা-ছোৱালী থাকিলেও তাৰ বৰ কাম নাচাপে। স্কুলৰ ল'ৰা-ছোৱালীবিলাকৰো বহুতে তালৈ ভয় কৰে, আৰু কিছুমানলৈ সিও ভয় কৰে, কোনোবা মুহূৰ্ত্তত সেই অসহ্য, মাৰাত্মক কথাষাৰ কৈ তাক আঘাত দিয়ে বুলি। গাঁৱৰ ফালেও সি বৰ কম যায়। পাভহ'তৰ ঘৰলৈ মাজে মাজে তাৰ যাবৰ মন যায়, কিন্তু পাভৰ মাকৰ কথা মনত পৰিলে তাৰ সকলো উৎসাহ নোহোৱা হয়।

অৱশ্যে এইদৰে অকলশৰে থাকি থাকি তাৰ অভ্যাস হৈ গৈছে। পাভৰ বাহিৰে অন্যৰ লগত সি বৰকৈ কথাও নাপাতে। আগেয়ে নানাকৰ লগত পাতিছিল, আজি-কালি সোণপাহীৰ বিয়াৰ পিছৰপৰা সি বৰ বেছি নানাকৰো কাষ নাচাপে।

যেতিয়াৰপৰা স্কুলত আৰু গাঁৱত কথাটো ওলাল যে বছৰেকীয়া পৰীক্ষাৰ পিছতে প্ৰমোচন লৈ ছমীৰ নগৰলৈ যাবগৈ আৰু তাতে হাইস্কুলত নাম লগাই নগৰতে থাকি পঢ়িব, তেতিয়া প্ৰায়বোৰ ল'ৰা-ছোৱালীয়েই তাক অলপ অন্য চকুৰে চোৱা হ'ল। সি যেন নগৰলৈ গ'লেই, এতিয়া যেন নগৰৰপৰাহে আহিছে, সি যেন এটা ভব্য-গব্য নগৰীয়া ল'ৰাহে।

মনে মনে ছমীৰৰো ভাল লাগিল। গাঁৱৰ অকলশৰীয়া জীৱন তাৰ বিস্বাদ আৰু আমনিলগা যেন লাগিছিল। ক'ৰবালৈ আঁতৰি যাব পাৰিলেই যেন সি সকাহ পায়। এতিয়া তেনে এটা সুযোগ ওলোৱাৰ কাৰণে আৰু বিশেষকৈ নগৰতে থাকি পঢ়া-শুনাও কৰিব পাৰিব বুলি জানি তাৰ আনন্দ হ'ল। আজিলৈকে কোনো নগৰলৈ সি যোৱাও নাই। গাঁৱৰ কেইটা ল'ৰানো গৈছে? তাতে সিহঁতৰ গাঁওখন নগৰৰপৰা বহুত আঁতৰৰ ভিতৰুৱা গাঁও, যোৱা-মেলা কৰাও বৰ সহজ নহয়। প্ৰায় ৫০ কিলোমিটাৰ বাট।

নগৰবোৰ ধুনীয়া। কিজানি কেনেকুৱা ধুনীয়া। মাজে মাজে ছমীৰৰ খুব স্ফূৰ্ত্তি লাগি যায়, কিয় সি নিজেই নাজানে।

বছৰেকীয়া পৰীক্ষা হৈ গ'ল, নগৰলৈ যাবলৈ পোৱাৰ আশাত, মনৰ স্ফূৰ্ত্তিতে অলপ মনপূতি পঢ়ি সি পৰীক্ষা দিলে। ভালকৈয়ে পাছ কৰিব লাগে। সি ক্লাচ চেভেনলৈ প্ৰমোচন পাব। সিহঁতৰ পঢ়া স্কুলটোৰ সেইটোৱেই শেষ ক্লাচ। ইয়াতে থাকি পঢ়িবলৈ হ'লে সি আৰু পাঁচ কিলোমিটাৰমান দূৰৰ হাইস্কুলটোত নাম লগাই পঢ়িব লাগিব। ভালেই হ'ল, নগৰত স্কুললৈ ইমান দূৰ খোজকাঢ়ি যাবৰ দৰকাৰ নহয়।

আৰু কালি, পুহ মাহৰ শেষ ভাগ। পথাৰবোৰত ধান দোৱা প্ৰায় শেষ হৈ আহিছে। মাঘ সোমোৱাৰ লগে লগে গৰু উদং দিব। তেতিয়ালৈ পথাৰত ধান থাকিলে গৃহস্থৰেই ক্ষতি। মানুহে খৰ-খেদা কৰিছে।

সিহঁতৰ ঘৰৰপৰা এক কিলোমিটাৰমান দূৰত পাভহঁতৰ এহালিচা মাটি দাবলৈ তেনেই আছে। তাই আৰু বাপেকেহে এইবাৰ ধান দাইছে। মাকৰ আজি এমাহমান অসুখ, কিবা বাত-বিষ হৈছে, পথাৰলৈ যাব পৰা নাই।

ছমীৰহঁতৰ ঘৰলৈ ৰাতিপুৱা পাভ আহিছিল, তায়ে ক'লে কথাটো। বহুমান বুঢ়াই কথাটো শুনি ভাল নাপালে, কিন্তু দাৱনী নধৰাৰ কাৰণ বুজিব নোৱাৰিলে। বিশেষ চিন্তা নকৰি তেওঁ ক'লে, "আমাৰ ছমীৰকে ক'চোন, সিও এনেয়েহে আছে, মুঠিচেৰেক দাই দিবগৈ পাৰে দেখোন।"

দুপৰীয়া পথাৰলৈ যাওঁতে পাভই ছমীৰকো লগতে লৈ গ'ল, তাইৰ হাতত দুখন কাচি।

ৰ'দজাক কোমল আৰু সোৱাদ লগা। অলপ আগতে নৰাণিবোৰে নিয়ৰ সামৰিছে, মাটিবোৰ সেমেকা হৈ আছে। ধাননি পথাৰবোৰৰপৰা এটা মিহলি গোন্ধ ওলাইছে। শুকান নৰা, সেমেকা মাটি, পকা ধান সকলোৰে মিহলি এটা আপোন আপোন লগা গোন্ধ। গোন্ধটো ছমীৰহঁতৰ ভাল লাগিল। পথবুৱা আলিয়ে আলিয়ে নৰা ভাঙি ভাঙি সিহঁত ধাননিডৰাৰ ফালে আগবাঢ়িল।

"তই নগৰলৈ কেতিয়া যাবি অ'?" পাভই সুধিলে।

"জানো কেতিয়া যাওঁ। নানাইহে জানে।"

"গ'লে আৰু বোলে নাহ?"

"নাহিম কেলেই? মাজে মাজে আহিম, পিছে বহুত দূৰ নহয়, সদায় আহিব নোৱাৰিম।"

"তালৈ গ'লে তোৰ বাৰু মোলৈ মনত পৰিব নে?"

"জানো, পৰিব কিজানি—"

"ক'ত পৰিব, এনেয়েহে কৈছ—" পাভই ক'লে। তাইৰ কথা সি ভালকৈ বুজি নাপালে, সেইবোৰ কথা তেতিয়া সি ভবাও নাছিল। ৰ'দ-বগা, পথবুৱা দুপৰৰ উৰুঙা নিৰ্জনতাখিনিয়ে তেতিয়া তাক বুকুত সুমুৱাই লৈছিল। তাৰ মনটো ক'ৰবালৈ উৰি গৈছিল।

পথাৰখন পাৰ হৈ সিহঁত এটা চাপৰিত উঠিলগৈ।

"অলপ বহোঁ আহ, বহুত দূৰ যাব লাগে পায়।" পাভই ক'লে, আৰু দুয়োটা ঘাঁহনিৰ ওপৰতে ওচৰা-উচৰিকৈ বহিল।

পাভই বুঢ়ী দাৱনী এজনীৰ নিচিনাকৈ ক'কালৰপৰা হাঁচতিখন উলিয়ালে আৰু তামোল এখন উলিয়াই ছমীৰৰ হাতত দি ক'লে, "হোঁ, তামোল তই খাৱ নে নাখাৱ?"

ছমীৰে তামোলখন মুখত ভৰালে।

"আজি দদাই নাহে নেকি?"

"অলপ পিছেকৈহে আহিব, বৌটিৰ দাবাই বিচাৰি গৈছে। তই লগত অহা বুলি জানিহে মোক পঠিয়ালে, নহ'লে ময়ো নাহিলোহেঁতেন—"

"কেলেই?"

"অকলে অকলে ইমান দূৰ আহিব পাৰি নেকি।" হাঁহি পাভই ক'লে।

"মই দেখোন পাৰোঁ?"

"উ, তই যে মতা ল'ৰা।"

ছমীৰে নামাতিলে। ছোৱালীবোৰৰ ইমান ভয়। মচজিদৰ আগৰ বকুল-তলেদি অকলে যাবলৈও পাভজনীয়ে ভয় কৰে।

দুপৰীয়াৰ শান্ত ৰ'দবোৰ কোমলকৈ গলি আহি নৱাণি-পথাৰ-চাপৰি সকলোতে পৰিছে। জান-নাজান এজাক চেঁচা বতাহ ক'ৰবাৰপৰা ক'ৰবালৈ বৈ গৈছে। ক'ৰবাত নতুনকৈ জগা গৰুৱে পোৱালিক হেম্বেলিয়াইছে।

সিহঁতৰ চকুত আনন্দময় বিস্ময়ৰ চাৱনি, ইমান নিৰ্জন, ইমান শান্ত এই ফালটো, এইফালে কেৱল পথাৰ, পথাৰ আৰু পথাৰ, মানুহৰ ঘৰ-বাৰী নায়েই, বহুত দূৰতহে মানুহৰ বাৰীৰ তামোলনিবোৰ দেখা যায়। দূৰে দূৰে কাউৰী কেইটামানে এনেই বৰ্মলিয়াই আছে।

পাভই ওপৰলৈ মুকৈ বননিৰ ওপৰতে শুই দিলে।

তাইৰ ফালে চাই ছমীৰে ক'লে, "এই, ইয়াতে শুলি কেলেই? ধান নাদাৰগৈ নেকি?"

"ৰ অ' তামোলখনে বৰ মূৰত ধৰিবলে। তোৰ ধৰা নাই নে?"

"ওহোঁ।"

"মোৰ মূৰটো হ'লে বৰ ঘূৰাইছে পায়।" চকু দুটা মুদি, হাত দুখন দুয়োফালে বননিৰ ওপৰত মেলি দি পাভ পৰি ৰ'ল।

মূৰ ঘূৰালে কি কৰিব লাগে ছমীৰে নাজানে। সি অলপ বিব্ৰত হৈ ক'লে, "বেছিকৈ ঘূৰাইছে নেকি?" সি তাইৰ হাতখনত পৰি মোহাৰি দিবৰ চেষ্টা কৰিবলে। কি কৰিব সি ভাবি নাপালে।

অলসভাৱে পৰি থাকি ছমীৰৰ সোঁ-হাতখন তাইৰ বুকুত থৈ পাভই ক'লে, "তামোলখন যোবাই নাই, বুকুতে লাগি আছে। তই মোৰ বুকুখন মোহাৰি দেচোন।"

অলপ ইতস্ততঃ কৰি ছমীৰে পাভৰ বুকুখন লাহে লাহে মোহাৰি দিব ধৰিবলে।

একেই অলসভাৱে চকু মুদি পৰি থাকি পাভই কোনোবা এটা সময়ত তাইৰ চোলাটোৰ বুতাম কেইটা খুলি দি মোহাৰিবৰ কাৰণে তাইৰ বুকুখন উলিয়াই দিলে।

এবাৰ পাভৰ মুখলৈ আৰু এবাৰ পাভৰ বুকুলৈ চাই চাই ছমীৰে তাইৰ বুকুখন মোহাৰি দি থাকিল। ছমীৰৰ গাটো গৰম লগা যেন লাগিল।

"অলপ ভাল লাগিছে নে?" কিছুপৰৰ মূৰত ছমীৰে সুধিলে।

"উঁ, অলপ ভাল পাইছোঁ। বাবা আহিছে নে চাচোন।"

তাইৰ বুকুত হাত থৈয়ে ছমীৰে কেউপিনে চালে—কোনিও কোনো নাই।

"নাই, কোনো অহা নাই—"

অলপ বৈ ছমীৰে ক'লে, "ভাল লাগিছে যদি যাওঁ উঠ। ধাননো কেতিয়া দাবি?"

পাভ নুঠিল। তাই অলসভাৱে চকু মুদি পৰি থাকিল। ছমীৰৰ চকুৰ আগত ওলাই থাকিল তাইৰ তেজগুলপীয়া ৰঙা মুখখন, তাইৰ ধক্‌ধক্‌ কৰে বগা পদুমক'লীয়া পিয়াহ দুটা আৰু কাপোৰ উজাই ভালেমানলৈকে ওলাই থকা আঁঠুৰ ওপৰ-দুডোখৰ।

ছমীৰে পাভৰ কাণৰ কাষলৈ মুখখন নি, গালতে গালখন লগাই ক'লে, "আজি হ'বলা ধান দাবলৈ নাযাৱ?"

এটা আচৰিত ধৰণৰ হাঁহি মুখত বিৰিঙাই মূৰ জোকাৰি তাই ক'লে, "ওহোঁ।"

তাই বৰ মৰমেৰে তাৰ ডিঙিটোও সাৱটি ধৰিবলে আৰু সৰুকৈ ক'লে, "তোলৈ মোৰ খুব মৰম লাগে জান?" শোচোন, মোৰ ওচৰতে শো, তই দুৰৰ নগৰলৈ যাবিগৈ নহয়—"

ছমীৰেও পাভৰ ডিঙিত সাৰ্বটি ধৰিলে। কাতি হৈ পাভই তাক ভাইৰ গাৰ কাষ চপাই আনিলে আৰু তাৰ মূৰৰপৰা ভৰিলৈকে প্ৰতিটো অঙ্গত হাত ফুৰাই ফুৰাই ক'লে, "তই একো নাজান। ইমানটো ল'ৰা হ'লি, তেও একোকে নাজান—অ'কৰাটো!"

ছমীৰৰ লাজো লাগিল, ভালো লাগিল। ছোৱালীবোৰৰ গাবোৰ বৰ কোমল। বিশেষ আপত্তি নকৰি সি মাথোন থোকাথুকিকৈ ক'লে, "ধেৎ, মোৰ বৰ লাজ লাগে!"

পাভই একো নক'লে। কেৱল মিচিকিয়াই হাঁহিলে।

॥ পোন্ধৰ ॥

শুকুৰবাৰে আবেলি মচজিদত গাঁৱৰ আটাইকেজন বুঢ়া গোট খাইছিল। ছমীৰ পঢ়িবৰ কাৰণে গাঁও এৰি নগৰলৈ যাবলৈ ওলাইছে, এই উপলক্ষে ৰহমান বুঢ়াই মচজিদত চিৰিণী দিছিল—পায়স, কল আৰু কিবাকিবি। ছমীৰ, তাৰ সৰু মোমায়েক, ৰহমান বুঢ়া সকলো আহিছিল। ল'ৰাটো 'দুৰ-দুৰণিৰ' নগৰ-চহৰলৈ যাবলৈ ওলাইছে। বাইজে, সকলোৱে তাৰ ভালৰ কাৰণে মচজিদত আল্লাৰ ওচৰত দোৱা কৰিব লাগে।

অলপ কোৰাণ আৰু দৰুদ পঢ়াৰ পিছত চিৰিণী ভাগ কৰি দিয়া হ'ল। খাই থকা সময়তে গাঁৱৰ আটাইতকৈ বুঢ়া জিকিৰত গাঁওবুঢ়াই ক'লে, "ভালকৈ পঢ়া-মেলা, ফুৰা-চকা কৰিবি, নগৰৰ আও-ভাও ভালকৈ বুজি-বাজি চলিবি। আল্লাই তোক ডাঙৰ মানুহ কৰক!"

মৌলবী চাহেবে মুনাজাত কৰোঁতেও সকলোৱে শুনাকৈ আল্লাৰ দৰ্‌গাহত হাত তুলি প্ৰাৰ্থনা জনালে, 'ছমীৰ মাচুম, বেগুনাহ ল'ৰা। তাক যেন তুমি ৰক্ষা কৰা আল্লাহ, আৰু যেন সি আমাৰ মান-ইজ্জত ৰক্ষা কৰি গাঁৱলৈ ঘূৰি আহে তাৰ একমাত্ৰ তুমিয়েই ৰক্ষাকৰ্ত্তা, তাৰ আৰু কোনো নাই '

ৰহমান বুঢ়াৰ চকুৰপৰা অজানিতে লোতক বাগৰি আহিছিল। অব্যক্ত ভাষাৰে তেওঁ মাথোন ক'বৰ চেষ্টা কৰিছিল, '—আমীন, আমীন—'

লাহে লাহে এজন এজনকৈ মানুহ ঘৰাঘৰি গ'ল। জিকিৰত, ফজনুৰ আৰু ৰহমান কিবাকিবি কথা পাতি অলপ পিছ পৰিল।

ফজনুৰ অলপ কথা জনা মানুহ, ইটো-সিটোৰ পিছত তেওঁ মাজতে সুধিলে, "হয়নেহে তাৰ স্কুলত পিছে ছমীৰে বাপেকৰ নাম কি বুলি দিব?"

ৰহমান অলপ হতভম্ব হৈ গ'ল।

"স্কুলত বাপেকৰ নাম লাগে নেকি?"

"লাগেতো, ইয়াৰ স্কুলত জানো লগা নাছিল?"

জিকিৰতে ক'লে, "এৰা এইটো স্কুলৰপৰা 'ছাত্ৰফিকট' নিব ল্যাগিব নহয়, তাত নাম লগাবলৈ, তাতে তাৰ বাপেকৰ নাম লিখা থাকিব কিজানি।"

"এ, এইবোৰ কথা মই ভবাই নাই।" চিন্তিতভাৱে ৰহমানে ক'লে।

ফজনুৰে কলে, "বৰ ভাবিব নালাগে, অন্যৰ নাম নাপালে সোণপাহীৰ গিৰিয়েকৰ

নামটোকে কৈ দিবা। তাৰ আচল বাপেক নহ'ল কি হ'ল, ছমীৰৰ মাকক বিয়া কৰাইছেতো।"

"পিছে ছমীৰ মাস্তি হয় নে নহয় এতিয়া।"

"সি আকৌ কিহৰ মাস্তি হ'ব লাগিছে, তাৰ বাপেক যেতিয়া নাই, কাৰোবাৰ নামটো নিদিলে চলিব নে?"

"এৰা—"

মচজিদৰপৰা গৈ ছমীৰে গাঁৱৰ মানুহৰ প্ৰায় প্ৰত্যেক ঘৰতে মাত লগালেগৈ, সি অনুভৱ কৰিলে আজি যেন তাক সকলোৱে মৰম কৰিছে—আশীৰ্ব্বাদো কৰিছে। এটা বিনীত নম্ৰতাত গাঁওখনৰ প্ৰতি তাৰ কৃতজ্ঞতা চকুপানী হৈ বাগৰি আহিল। থোলোকহঁতৰ ঘৰলৈও সি গ'ল। মালো বুঢ়ী হৈছে, মালোৱে তাক কাণে-মুৰে হাত ফুৰাই মৰম কৰিলে আৰু তাৰ মুখলৈ চাই চাই ক'লে, "চাওঁতে চাওঁতে ডেকাই হ'লি। সিদিনাহে তোৰ নাড়ী কাটি মাৰৰ কোলাত দিছিলোঁ। আজি-কালি বছৰটোনো কি? কেইবছৰ হ'ল অ' তোৰ—বাৰ নে তেৰ?"

শেষত সি পাভহঁতৰ ঘৰলৈ আহিল। পাভৰ মাকে তাক দুৱাৰডলিৰপৰাই আদৰি নিয়াদি নিলে, "আহ, আহ বোপাই আহ। তই আকৌ বোলে যাবগৈ। পাভজনীৰ মুখত আৰু এই কেইদিন তোৰ বাহিৰে অন্য কথা নায়েই। কেতিয়াবা গালি-শপনি পাৰোঁ, বেয়া-চেয়া নাপাবি। যা, বায়েৰ তাইৰ কোঠালিতে থাকিব পায়, তাইক বুজাই ক'বি বোলে আকৌ আহিম। নহ'লে তাই কান্দি কান্দি চকু উখহাব—যিহে অবুজ ছোৱালী!"

ছমীৰ পাভৰ কোঠালৈ সোমাই গ'ল। তেতিয়া গধূলিয়েই হৈ আহিছে, অৱশ্যে এতিয়াও কোনেও লেম-চাকি জ্বলোৱা নাই।

বিচনাখনৰ কাষতে থৰ লাগি পাভ থিয় দি আছে। ছমীৰ তাইৰ ওচৰলৈ গ'ল আৰু তাইৰ হাতখনত ধৰি মাতিলে—

"এই—"

"কি হ'ল?" পাভৰ মাতটো কোমল হ'লেও ৰুক্ষ।

"মই মাত লগাবলৈ আহিছোঁ। কাইলৈ যামগৈ নহয়—"

"যাগৈ, তোকনো কোনে নাযাবলৈ কৈছে—" পাভই তাৰ ফালে নোচোৱাকৈয়ে কৈ গ'ল।

ছমীৰৰ খং উঠি গ'ল।

"ঠিক কৈছ?" সি এছাৰ মাৰি তাইৰ হাতখন এৰি দিলে।

অলপ পৰ দুয়োটা তেনেকৈয়ে ৰ'ল। তাৰ পিছত পাভ তাৰ ফালে ঘূৰিল।

"এতিয়াহে যে আহিছ, দিনটো ক'লৈ গৈছিলি?"

দিনটো ক'ত কি কৰিলে চমুকৈ ছমীৰে ক'লে।

"এতিয়াও যা, গাঁওখনত মাত লগাই ফুৰগৈ। মোক মাত লগাবলৈ নাহিলেও হ'ব।"

"তোক মাত লগাবলৈ নাই অহা। সেইদিনা যে কিবা এটা দিম বুলিছিলি, দিবি নে নিদিয়?" ছমীৰে ক'লে আৰু তাইৰ মুখলৈ চালে।

পাভই মুখেৰে একো নামাতিলে। দুখোজমান গৈ তাই অকণমান চাবি এটা লৈ এটা সৰু টিনৰ বাকচ খুলিলে আৰু তাৰপৰা কিবা এটা উলিয়াই আনিলে।

ছমীৰে তাইৰ ফালে নীৰৱে চাই থাকিল।

বেলি মাৰ গৈছে, কোঠাটোৰ ভিতৰখন প্ৰায় আন্ধাৰেই হৈছে। তাই বাকচৰপৰা কি উলিয়ালে ছমীৰে ভালকৈ ধৰিব নোৱাৰিলে, পাভই বাকচটো আকৌ বন্ধ কৰিলে। আৰু তাৰ ফালে ঘূৰি নোচোৱাকৈয়ে ক'লে, "কিমান সময়ত যাবি ?"

"খুব ৰাতিপুৱাই।"

"লগত কোন যাব ?"

"নানা।"

নীৰৱতা।

"মাৰ হ'বলা নাহিল ?"

"আজি ৰাতি পাবহি কিজানি।"

"মাৰে কি দিব ?"

"ক'ব নোৱাৰোঁ, দিলেও মই নলওঁ।"

সিফালে মুখ কৰি থাকি আন্ধাৰতে পাভই হাঁহিছিল—মুচুক-মাচাক কৰি।

"মই দিলে ল'বি হ'বলা ?"

"তইনো কি দিবি ? দিয় যদি দে।"

"নিদিওঁ যদি—?"

"যাহ্ ধেমালি নকৰিবি, সেয়া বাকচৰপৰা কি উলিয়ালি ?"

পাভ এইবাৰ ঘূৰিল। ছমীৰে এবাৰ তাইৰ হাতলৈ আৰু এবাৰ মুখলৈ চালে।

অন্য দিনৰ দৰেই পাভই তাক কাষলৈ চপাই ল'লে আৰু অভিযোগভৰা মাতেৰে ক'লে, "আজি ৰাতিপুৱাৰেপৰা বাট চাই থাকিলোঁ তই আহিবি বুলি, আহিছ এতিয়া ৰাতি—"

অন্য সময়ত পাভৰ ওচৰত সি কেতিয়াও দোষ স্বীকাৰ নকৰিলেহেঁতেন। এতিয়া কিন্তু সামান্য ক্ষুণ্ণ মাতেৰে সি ক'লে, "আগতে আহিবই নোৱাৰিলোঁ, বেয়া পাইছ নহয় ?"

"নাপাম নে আৰু ?"

"বাৰু, এইবাৰৰপৰা নগৰৰপৰা গাঁৱলৈ আহিলে তোৰ ওচৰলৈকে প্ৰথমে আহিম, অইন ক'লৈকো নাযাওঁ—"

মৰমতে পাভই তাক বুকুৰ মাজত সুমুৱাই ল'লে আৰু ক'লে, "আহিবি জানো ? মোলৈ জানো তোৰ সিমান মৰম আছে ?"

ছমীৰে কিবা এটা ক'ব খুজিছিল, কথা বিচাৰি নাপালে। পাভৰো মাত থোকাথুকি হৈ আহিছিল। সন্ধিয়াৰ আন্ধাৰখিনিয়ে সিহঁতৰ অবুজ বেদনাক আৰু গভীৰ কৰি তুলিছিল। ছমীৰ পাভৰ কান-সমনীয়া যদিও এটা তেনেই সৰু ল'ৰাৰ দৰে পাভৰ গাত সাৱটি ধৰি, তাইৰ বুকুত মূৰ সুমুৱাই সি উচুপিছিল।

এনেতে লেম্ এটা হাতত লৈ পাভৰ মাক কোঠাটোলৈ সোমাই আহিল, আৰু দুয়োটাকে তেনেকৈ দেখি মুখ টিপি হাঁহিলে। পাভই কোনোমতে ক'লে, "ই আকৌ কান্দিছে চা বৌটি।"

একো নকৈ পাভৰ মাক ওলাই গ'ল। তাইৰো চকু দুটা সেমেকা যেন পালে।

দুয়োটা বিচনাখনতে বহিল।

পাভই তাইৰ হাতৰ মুঠিত লৈ থকা বস্তুটো উলিয়াই ছমীৰৰ ফালে আগবঢ়ালে, তাই নিজে সীয়া এডোখৰ বগা কাপোৰ—এখন ৰুমাল। তাতে তাই ৰঙা-নীলা সূতাৰে কিবা ফুল তুলিছে।

ছমীৰে তেতিয়াই মেলি চালে। তাৰ মুখখন আনন্দত উজ্জ্বল হৈ উঠিল। পাভই তাৰ মুখলৈ চালে।

তাৰ পিছত তাই উলিয়ালে দুটা ৰূপৰ টকা আৰু তাৰ হাতত গুজি দি ক'লে, "হেঁা, এয়াও ল।"

হাতৰ মুঠি মেলি চাই সি ক'লে, "এ, টকা নালাগে। মোক নানাই দিব।"

"নানাৰে দিবতো, এয়া মই দিছোঁ। লৈ যা, মিঠাই খাবি কেতিয়াবা।"

পাভই টকা দুটা ৰুমালখনৰ এটা মূৰত ভালকৈ বান্ধি তাৰ চোলাৰ জেপত সুমুৱাই দিলে।

ফুটাই ক'ব নোৱাৰা কিবা এটা বেদনা লৈ কিছুপৰ দুয়োটাই দুয়োটাৰ মুখলৈ চাই ৰ'ল ১৫ বছৰীয়া পাভ আৰু তেৰ বছৰীয়া ছমীৰ—দুটা অজান শিশু।

অলপ পৰৰ মূৰত ছমীৰে ক'লে, "তই বাৰু কেতিয়াবা নগৰলৈ যাবি নে?"

"মইনো কি কৰিবলৈ নগৰলৈ যাম?"

"গ'লে মোক লগ ধৰিবি দেই—"

"গ'লেনো আৰু ক'ত থাকিমগৈ? তোৰ তাতেহে থাকিমগৈ।" নিশ্চয়তাৰে পাভই ক'লে।

আকৌ অলপ পৰৰ বেদনামধুৰ নিস্তব্ধতা।

"এতিয়া যাওঁগৈ আৰু, নানাই বিচাৰিব।" ছমীৰে ক'লে।

একো নকৈ পাভই ছমীৰক ওচৰ চপাই আনি তাৰ কান্ধৰ ওপৰত মূৰ থৈ ক'লে, "নগৰবোৰ হেনো বৰ ভাল নহয়। ভালকৈ থাকিবি দেই।"

চকুত পানী লৈ ছমীৰে বিদায় ল'লে।

॥ ষোল ॥

নগৰৰ জীৱন মানেই ব্যস্ততা নেকি? আহমদ মানুহজন দিনে-ৰাতিয়ে ইমান ব্যস্ত হৈ থাকে। কেতিয়াবা ৰাতি তিনি পৰতে উঠি, কাউৰীয়ে নৌ কা কৰোঁতেই ওলাই যায়, এদিন নাহে, দুদিন নাহে, এসপ্তাহ, দহ দিনতো ঘূৰি নাহে। যি কেইদিন ঘৰত থাকে, সেই কেইদিনো অতিপাত ব্যস্ত হৈ থাকে। ঠিকাদাৰ মানুহ তেনেকুৱাই কিজানি।

আহমদৰ এই ব্যস্ততা দেখি ছমীৰৰ সময়বোৰ নাথায়-ন্দুপ্ৰায় যেন লাগে। আগেয়ে গাঁৱতো তাক নানাকে সোনকালে জগাই দিয়ে, বেলি নো ওলাওঁতেই সি উঠে। এতিয়াও সি আগৰ নিচিনাকৈয়ে সোনকালেই উঠে। কিন্তু উঠি পঢ়া কিতাপ কেইটাকে আৰু কিমান পঢ়ি থকা যায়? ইয়াত সি কাৰো ঘৰ চিনি নাপায়, তাৰ উপৰি তাক বাহিৰত ঘূৰি ফুৰিবলৈ মানা কৰি দিয়া হৈছে। আহমদৰ ঘৰ আৰু বাৰীৰ চাৰি-সীমাৰ ভিতৰতে সোমাই থাকি তাৰ অসহ্য লাগে।

স্কুললৈ ওলাই গ'লে তাৰ ভাল লাগে। কিন্তু নগৰৰ স্কুলৰ প্ৰায়বোৰ ল'ৰা তাৰ অচিনাকি। আৰু ল'ৰাবোৰে তাৰ ফালে যিদৰে চায় আৰু তাৰপৰা আঁতৰি গৈ যিদৰে ফিচিগুা-ফিচিগুিকৈ কথা পাতে, তাৰ বৰ অস্বস্তি লাগে।

অৱশ্যে ইতিমধ্যে যিকেইটা ল'ৰাৰ লগত তাৰ চিনাকি আৰু কথা-বতৰা হৈছে, সিহঁতক তাৰ সিমান বেয়া লগা নাই। তাৰে ভিতৰত দুটা ল'ৰাক তাৰ ভাল লাগিছে, এটা আমজাদ, আনটো বোধেশ্বৰ। সিহঁতৰ ঘৰুৱা চিনাকিও সি পাইছে। আমজাদৰ বাপেক মাইনৰ স্কুলৰ চকীদাৰ—আজি-কালি দৰমহা বাঢ়িছে। আৰু বোধেশ্বৰৰ বাপেক কাঠ-মিস্ত্ৰী। বোধেশ্বৰটো ওখই-পাখই ছমীৰৰে সমান, বৰণটোহে তেলক'লীয়া আৰু বৰ মলিয়ন কাপোৰ-কানিবোৰ পিন্ধি আহে। আমজাদ ওখ যদিও খীণোৱা, লেংপেঙীয়া, তাতে পায়জামাটোও পিন্ধে ঠিহা মৰা, ঠেক। তাক আৰু দীঘল দেখি। তাৰ চকুহাল অলপ ডাঙৰ ডাঙৰ, দন্দ লাগিলে ক্লাচৰ ল'ৰাই টেলেকা, টৰ্চলাইট বুলি জোকায়। সি অলপ নিশকতীয়া, দূৰৰপৰা গালি পৰাৰ বাহিৰে অন্য একো কৰিব নোৱাৰে।

ক্লাচৰ সকলো ল'ৰাই লক্ষ্য কৰিলে যে ছমীৰৰ নিচিনা হৃষ্ট-পুষ্ট, স্বাস্থ্যৱান ল'ৰা সিহঁতৰ মাজত এটাও নাই। হয়তো ঈৰ্ষাতে, নাইবা ধেমালিতে সিহঁতে তাৰ বিষয়ে উল্লেখ কৰিবলগীয়া হ'লে, 'ম'হ', 'মতা মানুহ', নাইবা 'গামা' বুলি আমোদ কৰে। প্ৰথম দুটাৰ অৰ্থ বুজি পালেও 'গামা' মানে কি প্ৰথমে ছমীৰে বুজা নাছিল। আমজাদহঁতে বুজাই দিলে—গামা এটা বৰ ডাঙৰ বীৰ, কুস্তি কৰিব পাৰে, মালযুঁজ লাগিব পাৰে, এটা বিখ্যাত পালোৱান। ছমীৰে তাক গামা বোলাৰ কাৰণে বেয়া নাপালে, কিন্তু ল'ৰাবোৰৰ কোৱাৰ ধৰণটোত সি সন্তুষ্ট হ'ব নোৱাৰিলে।

নগৰৰ ছাত্ৰৰ প্ৰয়োজন অনুপাতে তাৰ কাপোৰ-কানি বেছি নাই। তথাপি সি চোলা-কাপোৰ অলপ সাৱধানে পৰিপাটিকৈয়ে পিন্ধি আহে।

স্কুললৈ আহিবলৈ ওলোৱাৰ আগতে সি গা-কাপোৰ ধোৱে, তেল-তুল লৈ চুলিখিনি ভালকৈ ফণিয়ায়, কামিজটোৰ কলাৰটো ডিঙিৰ ওপৰত থিয় কৰি তুলি লয়। কামিজৰ আস্তিন দুটা কিলাকুটিৰ ওপৰলৈ কোঁচাই লয় আৰু বহল পায়জামাটো দীঘলকৈ পিন্ধে। সি দেখনিয়াৰ হৈ পৰে। তাৰ অটুট স্বাস্থ্য আৰু কমনীয় শ্ৰীয়ে সকলোৰে দৃষ্টি আকৰ্ষণ কৰে।

অৱশ্যে তাৰ সংকোচৰ ভাব এতিয়াও যোৱা নাই। স্কুলৰ মাষ্টৰবোৰৰ নাম এতিয়াও ভালকৈ শিকা নাই। অৱশ্যে মাষ্টৰৰ উপনাম নামবোৰৰ লগত সি কিছু পৰিচিত হৈছে, 'বেগ মাষ্টৰ'—এওঁৰ চাইকেলত সদায় এটা পুৰণি ফটা বেগ ওলমি থাকে, 'জুনুকা মাষ্টৰ'—এওঁ খোজ কাঢ়িলে চেণ্ডেলৰ বকুলেছ কেইডালে জুনুক

জনেক কবি যায়, 'ফাপৰ মাষ্টৰ'—এওঁ মুৰত কোনো দিনে তেল নলয়, 'বোঁবা মাষ্টৰ' —এও কথা এটা বুজোৱাৰ পিছত সদায় কয়—'বুজিছ হি হি হি—' আৰু খোজ কাঢ়োঁতে দৌৰি যোৱাদি যায়; 'তপা মাষ্টৰ', 'হাতী মাষ্টৰ' ইত্যাদি। সকলোৱে মাষ্টৰসকলক এইবোৰ নামেৰেই চিনি পায়, আনকি মাষ্টৰসকলেও।

নগৰৰ স্কুললৈ আহি অৱশ্যে ছমীৰৰ মনটো আগতকৈ বহুত মুকলি হ'ল। নানা নতুন কথা শুনিলে আৰু শিকিলেও। ঘৰত থকা সময়খিনিত মনোযোগেৰেই পঢ়ে, স্কুলত থকা সময়ত পাঠ্যলৈ মনোযোগ দি, বাকী সময়ত, বিশেষকৈ আহমদ ঠিকাদাৰ ঘৰত নাথাকিলে, সি বোধেশ্বৰহঁতৰ লগত অলপ নগৰখনৰ ইমুৰ-সিমুৰ ঘূৰে। চা-চিনাকি হৈ থোৱা ভাল। অৱশ্যে দুই-এডোখৰ ঠাইলৈ যোৱাটো বৰ বেয়া বুলি সকলোৱে কোৱাৰ কাৰণে তাৰ যাবৰ যথেষ্ট আগ্ৰহ আৰু কৌতূহল হোৱা সত্ত্বেও সি নগ'ল। সেইফালে হেনো কিছুমান বেয়া মানুহ থাকে, গুণ্ডা থাকে। গুণ্ডা বস্তুটো কি ছমীৰ কিয়, তাৰ ক্লাচৰ অন্য ল'ৰায়ো নাজানে। কিন্তু গুণ্ডা মানে বৰ ভয়াবহ কিবা এটা, এনে এটা অস্পষ্ট ধাৰণা সকলোৰে আছে। সেইফালে নোযোৱাই ভাল। আৰু ছমীৰ সেইফালে যোৱা বুলি গম পালে আহমদেও তাক ডাবি-ধমকি দিব। তেওঁলোকে বেয়া পাব।

আহমদ কম কথাৰ গহীন মানুহ। ছমীৰৰ কথাই নাই, জুলেখা আৰু ঘৰৰ চাকৰ-বাকৰবোৰেও তেওঁলৈ বৰ ভয় কৰে। ঘৰলৈ আহিলে তেওঁৰ ওচৰলৈ অহা মানুহৰ-পৰা তেও ৰক্ষা নাপায়।

আহমদৰ ঘৰখন অৱশ্যে নিৰ্বালমেই চলি থাকে। জুলেখা বৰ বেছি বয়সীয়া ছোৱালী নহ'লেও ঘৰ চলাব নজনা নহয়। তদুপৰি ঘৰৰ বাহিৰ-ভিতৰ সকলোৰে কাম-বন কৰি ঘৰ চলোৱা এহাল মানুহ আছে—কণ আৰু টেটেৰী। সিহঁতৰ ল'ৰা-ছোৱালী নাই, আদবয়স ইয়াতেই গ'ল। গিৰিহঁততকৈ সিহঁতৰ চকু বেছি। ঘৰ চলাবৰ কাৰণে আৰু হস্কিলে-মস্কিলে খৰচ কৰিবৰ কাৰণে আহমদে জুলেখাৰ হাতত যথেষ্ট টকা-পইচা দি যায়।

এনে এখন ঘৰত আহমদৰ অবাধ্য হ'লে যে ছমীৰৰ নিজৰে অপকাৰ হ'ব, সিমানটো ছমীৰে বুজে।

আৰু এটা কথা।

আহমদে টকাৰ কাৰণে দিনক ৰাতি কৰি খাটে যদিও তেওঁ নিয়ম মতে নামাজ পঢ়ে। দিনৰ দিনটো আগৰি-জুগৰি আহিলেও নামাজৰ সময় হ'লে তেওঁ অকণো নৰয়। ঘৰৰ অন্যান্যকো তেওঁ নিয়ম মতে নামাজ, ৰোজা ৰাখিবলৈ সদায় তাগাদা কৰে। অৱশ্যে কাকো জোৰ নকৰে।

তেওঁ প্ৰায়েই কয়, 'দুনিয়াৰ কামত লাগি আল্লালৈ পাহৰি থাকিলে, আল্লায়ো কোনোবা দিনা আমাক পাহৰি যাব। আল্লাই ৰক্ষা নকৰিলে আমাক ৰক্ষা কৰোঁতা কোনো নাই।'

এই নৈতিক আৰু শান্তি পৰিৱেশটোৰ মাজত থাকি ছমীৰৰো এটা পৱিত্ৰ আৰু শান্ত জীৱন গঢ়ি তুলিবৰ ইচ্ছা জাগে। অৱশ্যে, তাৰ বয়সৰ ল'ৰাই ধৰ্ম্ম-জীৱন যাপনত কোনো তাৎপৰ্য্য বুজিব নোৱাৰে, প্ৰতিযোগিতাৰ মনোভাৱ থাকিলে, নাইবা কোনো

অনুকৰণীয় আদৰ্শই বেছিকৈ আকৰ্ষণ কৰিলে সিহঁত তেনে কামত লাগে, কিন্তু অন্য কোনো নতুন আকৰ্ষণে পালে, সিহঁত সহজতে আঁতৰি যায়।

ছমীৰৰ মাজে মাজে নামাজ পঢ়িবৰ মন গ'লেও তাৰ ধৈৰ্য্য নাথাকে। মাত্ৰ মাজে মাজে শুকুৰবাৰে সি জুমা-নামাজ পঢ়িবলৈ মচজিদলৈ যায়।

আহমদে এই বিষয়ে তাক বিশেষ একো নকয়, সি ল'ৰা মানুহ।

অলপ দিনৰ পিছত ছমীৰৰ বন্ধুত্ব গঢ়ি উঠিল পূৰ্ণানন্দ মাষ্টৰৰ পুতেক দয়ানন্দৰ লগত। ল'ৰাটো বয়সত তাতকৈ অলপ সৰু কিন্তু পঢ়া-শুনাত বৰ চোকা। দয়ানন্দ এতিয়া ছমীৰৰ একে শ্ৰেণীৰ।

দয়ানন্দ মিঠা বৰণীয়া, মুখৰ গঢ়টো কলডিলীয়া, চকু দুটা অলপ সৰু সৰু, কিন্তু ধুনীয়া, তাৰ দাঁত দুপাৰি বৰ বগা আৰু সমান। কথা-বতৰাত দয়ানন্দ বৰ নম্ৰ। সি ছমীৰতকৈ কিছু চাপৰ।

এদিন দয়ানন্দৰ লগত স্কুল ছুটীৰ পিছত গৈ ছমীৰ পূৰ্ণানন্দ মাষ্টৰৰ ঘৰ ওলালগৈ। লাজ আৰু সংকোচত সি ৰঙা পৰিছিল আৰু সহজ হ'বৰ খুব চেষ্টা কৰা সত্ত্বেও পূৰ্ণানন্দ মাষ্টৰৰ সন্মুখত সি বৰ অপ্ৰস্তুত আৰু অসহায় অনুভৱ কৰিলে।

পূৰ্ণানন্দৰ বয়স ৩২।৩৩ বছৰ, মানুহজন স্বাস্থ্যৱান আৰু বৰ স্ফূৰ্ত্তিবাজ। দয়ানন্দৰ লগত ছমীৰক দেখি তেওঁ হাঁহি হাঁহি ক'লে, "হেৰ, এইডোখৰ আকৌ ক'ৰ? বেছ নোদোকাটো, গাঁৱৰপৰা আহিছ হ'বলা? পঢ়িম বুলিয়ে আহিছ নে নগৰত গা ঘেলাবলৈ আহিছ? দয়ানন্দ, বন্ধু যেতিয়া পালি, ভিতৰলৈ নে। মাৰক ক'গৈ চাহ-তাহ দিয়ক। অলপ চাই-চিঁতি দিবলৈ ক'বি—এইবোৰ গাঁৱলীয়া ল'ৰা, তহঁতৰ নিচিনা নাড়ী শুকান নহয়।"

দয়ানন্দৰ মাকে দুয়োটাকে চাহ-জলপান খাবলৈ দিলে। পূৰ্ণানন্দ ভিতৰলৈ সোমাই আহি সিহঁতৰ খোৱাৰ ফালে অলপ পৰ চাই থাকি ক'লে, "দয়া, নগৰীয়া হৈ দেখুৱাব নালাগে। যি পাৰা ধৰা। তহঁতে খাব নোৱাৰা হ'লে, মোৰ চাকৰি নকৰিলেও হ'লহেঁতেন। হেৰ, তই—কি নাম ক'লি? ছমীৰ? ছমীৰ জমীৰ যি হৰ, এতিয়া ইফালে-সিফালে নাচাবি। খাবৰ সময়ত আমাৰ দয়ানন্দৰ নতুন বন্ধুৰ কাৰণেও দয়া নাই।"

দয়ানন্দৰ মাকে হাঁহিটো ওঁঠেৰে কামুৰি ৰাখি ক'লে, "বাৰু, আপুনি এতিয়া বাহিৰলৈ যাওকচোন। ল'ৰা দুটাই খাবলৈ বহিল—ওলালহি আপুনি আমনি কৰিবলৈ—"

পূৰ্ণানন্দই ক'লে, "হেৰ জমীৰ, কি ক'লি—ছমীৰ? এওঁ আমাৰ অন্নপূৰ্ণা। বুজি পাৱ অন্নপূৰ্ণা কি? তই গৰীয়াৰ ল'ৰা, ক'ত বুজিবি? হেৰ, যি পূৰ্ণানন্দক অপূৰ্ণ ৰাখে তাকে অন্নপূৰ্ণা বোলে, বুজিলি?"

মাষ্টৰণীৰ ঘোপা চকুৰ মিঠা চাৱনিৰ ফালে চাই চাই পূৰ্ণানন্দ বাহিৰলৈ ওলাই গ'ল।

সেই দিনাই ছমীৰৰ পূৰ্ণানন্দ মাষ্টৰক বৰ ভাল লাগি গ'ল। মানুহজনে ইমান সহজে তাক আপোন কৰি ল'ব পাৰিব বুলি সি ভবাই নাছিল। আহু-বাহু কৰিবলৈ তাৰ এৰৰ আপোন মানুহ হ'ল।

হ'মহীয়া পৰীক্ষা হৈ যোৱাৰ পিছত আৰু নগৰখনক ছমীৰৰ আচহুৱা নলগা হ'ল। সৰু নগৰ, বাট-পদূলিকেইটা চিনিবলৈ দহ-পোন্ধৰ দিনৰ বেছি নালাগে। অৱশ্যে নগৰৰ মানুহবোৰ চিনি পোৱা সিমান সহজ নহয়। বহুত মানুহ। আৰু মানুহবোৰ ক'ৰপৰা আহে আৰু ক'লৈ যায় একো বুজিব নোৱাৰি।

স্কুলৰ আৰু খেল-পথাৰৰ প্ৰায়বোৰ ল'ৰাৰ লগতে তাৰ চিনাকি হৈ গৈছে। তাকো ইতিমধ্যে বহুত ল'ৰাই চিনি পাইছে। গাঁৱত ৰবাব টেঙা আৰু ফটা-কানিৰ বল খেলা ল'ৰাই আহি নগৰৰ ভাল ভাল ফুটবল টীমৰ লগত খেলি কৃতিত্ব দেখুৱাব পৰাত ছমীৰৰ নাম 'ভাল বেক' বুলি জনাজাত হৈ পৰিল। আনকি খেলাৰ নাম শুনিলে জঁপিয়াই উঠা থৰ্গ মাষ্টৰেও এদিন তাক ক্লাচতে ক'লে, "এইবোৰ ফাচ-ফুচ খেলাত জিকাটো কি ৰৰ ডাঙৰ কথা, টুৰ্ণামেণ্ট আহিছে, তাত যেতিয়া জিকিবি, তেতিয়াহে বুজিম। বেকত খেল? গোল কোন ফালে দিয়, আগলৈ নে পিছলৈ?" তেওঁৰ কথাত গোটেই ক্লাচটোৱে গিৰ্জ্জনি মাৰি হাঁহিছিল আৰু ছমীৰ লাজত ৰঙা পৰিছিল।

অৱশ্যে থৰ্গ মাষ্টৰ ক্লাচৰপৰা ওলাই যোৱাৰ পিছত দুষ্ট ল'ৰা দুটামানে কোৱা-কুই কৰিছিল, গোল আগলৈ দিয়ে নে পিছলৈ দিয়ে থৰ্গ চাৰে জানিবা জানেহে। ফুটবলৰ ক'ভাৰ কোনটো, ব্লাডাৰ কোনটো চিনি নাপায়।

আকৌ ল'ৰাগালে হাঁহিছিল খুকথুকাই।

নগৰীয়া জীৱনটো, ছাত্ৰ জীৱনটো, খেলুৱৈ জীৱনটো ছমীৰৰ ভাল লাগি আহিল। ক্ৰমে গাঁওখন তাৰ বহুত বেছি দূৰত থকা যেন লাগি আহিবলৈ ধৰিলে।

॥ সোতৰ ॥

ইতিমধ্যে ছমীৰ দুজনী মাইকী মানুহৰ লগত চিনাকি হ'ল—আহমদৰ পৰিবাৰ জুলেখা আৰু পূৰ্ণানন্দ মাষ্টৰৰ পৰিবাৰ দেৱী বাইদেউ। এওঁৰ আচল নাম সি নাজানে। বাইদেউৰ বয়স ২৮৷২৯ বছৰমান হ'ব, কিন্তু দেখাত তেওঁ এজনী সৰু ছোৱালীৰ নিচিনা। জুলেখাও সৰুফুটীয়া ছোৱালী, কিন্তু তেওঁৰ বয়স কুৰিৰ পাৰ হোৱা নাই যেন লাগে।

আৰ-তাৰপৰা, বিশেষকৈ কণৰপৰা ছমীৰে জুলেখা সম্পৰ্কে কিছু কথা জানিব পাৰিছে। জুলেখা কোনোবা এখন দূৰ গাঁৱৰ বৰ দুখীয়া মানুহৰ ছোৱালী। আহমদৰ প্ৰথমা পত্নীৰ মৃত্যুৰ পিছত, ঠিকাৰ কামত ফুৰোঁতে তেওঁ এই জুলেখাৰ খবৰ পায়। পত্নীৰ মৃত্যুৰ পিছত আৰু বিয়া নকৰাম বুলি সংকল্প কৰিছিল যদিও জুলেখাক এবাৰ দেখাৰ লগে লগে পূৰ্ব্ব-সংকল্প পৰিত্যাগ কৰি, তেওঁ সোনকালে বিয়াখন কৰাই পেলায়। তেওঁলোকৰ মাজত বয়সৰ পাৰ্থক্য আছিল যথেষ্ট। কিন্তু দুখীয়া মানুহৰ ছোৱালী, ইমান ধনী নগৰীয়া মানুহ এজনলৈ দিবলৈ পোৱাটো জুলেখাৰ ককায়েকহঁতে সৌভাগ্যৰ কথা বুলিয়ে ভাবিলে।

কণৰপৰা ছমীৰে আৰু বুজিব পাৰিলে যে জুলেখা বৰ একাচেকা আৰু গৰ্ব্বিণী। এই গৰ্ব্ব কিহৰ কাৰণে কণহঁতে আজিও বুজিব পৰা নাই, কিন্তু এনেইতো কথাই নাই,

আনকি আহমদ থাকোঁতেই মাজে মাজে জ্বলেখাই যিটো ভেম দেখ্বায়, দেখি কদহ্'তবে মনে মনে ভয় লাগি যায়—কিজানি আহমদে কি কবি বহে। আহমদক সিহ'তে ভালকৈয়ে জানে। হঠাৎ কেতিয়াবা আকৌ মান্হজনী বৰ ভাল হৈ পৰে। হাঁহি-মাতি, খ্ৰাই-খ্ৰাই সকলোৰে লগত এনে ব্যৱহাৰ কৰে যেন এইজনী অন্য এজনী মান্হ। তেতিয়া আনকি তেওঁ বিচাৰি-খোঁচাৰি নি ছমীৰৰ লেতেৰা চোলা-কাপোৰবোৰো ভালকৈ ধ্ই দিয়েগৈ। তাৰ ফুটবল খেলি ফলা হাফপেণ্ট্টো সী দিয়ে আৰ্ তাৰ পঢ়া-কোঠালিৰ চকী-মেজ সকলো পৰিপাটি কৰেগৈ।

অন্য সময়ত কিন্তু জ্বলেখা বৰ গহীন হৈ থাকে ; আনকি কাৰো লগত কথাও নাপাতে, বধা-বঢ়াও নকৰে, চুপ-চাপ ক'ৰবাত বহি থাকে। আৰ্ ভয়ে ভয়ে কোনোবাই কিবা ক'লেও, এনে জোৰেৰে ডাবি দিয়ে যে কওঁতাজন অলপ-ধতুৰা হ'লে, অৱস্থা কৰ্ণ হাস্যকৰ হৈ উঠে। হয়তো এই কাৰণেই আহমদেও জ্বলেখাৰ লগত বৰ বেছি কথা-বতৰা নাপাতেই। দ্য়ো ওচৰা-উচৰিকৈ থাকিলে আহমদ আৰ্ জ্বলেখাক বাপেক-জীয়েক যেন দেখি আৰ্ হয়তো তেনে এটা কাৰণতে জ্বলেখাৰ দোষ-ত্ৰ্টিৰ প্ৰতি বৰ বেছি চকু নিদি আহমদে নিজৰ কাম-কাজৰ মাজত নিজকে সদায় ব্যস্ত ৰাখে।

নানাকে শিকাই দিয়া মতে ছমীৰে জ্বলেখাক মাহী ব্লি মাতে। হয়তো সোণপাহীতকৈ বয়সত সৰ্ হোৱাৰ কাৰণেই।

দেৱী বাইদেউৰ পাৰিবাৰিক অৱস্থা স্বচ্ছল নহয়। ঘৰখনৰ আৰ্জ্জনৰ ভিতৰত প্ৰ্ণানন্দ মাষ্টৰৰ স্কুলৰ দৰমহাৰ টকা কেইটা। পৰিয়ালটোৰ প্ৰয়োজনৰ অন্পাতে টকা তেনেই তাকৰ। ল'ৰা-ছোৱালী তিনিটা—ডাঙৰটো দয়ানন্দ, সৰ্ দ্জনী ছোৱালী।

কিন্তু প্ৰ্ণানন্দৰ পৰিয়ালটোৰ নিচিনা স্খী পৰিয়াল অতি কমেই আছে—এই কথা অন্যে নাজানিলেও স্কুলৰ শিক্ষক আৰ্ ছাত্ৰ-ছাত্ৰী সকলোৱে জানে। দ্খ-বেজাৰ কেনেকৈ কৰিব লাগে প্ৰ্ণানন্দই নাজানেই। সকলো অৱস্থাতে হাঁহি-তামাচাতে থাকে। দেৱী বাইদেউ যদিও বৰ শান্ত তথাপি বৰ ৰঙিয়াল, সৰ্ আটোম-টোকাৰি ঘৰখন যেন নাচি-হাঁহিয়ে জীৱন্ত কৰি ৰাখিছে। মান্হজনীৰ ধ্নীয়া, কোমল, গ'ঢ়িত ম্খখনত আৰ্ গভীৰ শান্ত চকুহালত পৱিত্ৰ এটা প্ৰফুল্লতাৰ জ্যোতি সদায় লাগি থাকে। প্ৰ্ণানন্দই তেওঁক মাতে 'গভৰ্ণৰ' ব্লি।

"গভৰ্ণৰ, আমাৰ আৰ্ এডোখৰ কামিজ নাছিল নে? এইডোখৰৰ গা বৰ ভাল নহয় যেন পাইছোঁ—" ফিৰ্চিকি ফটা, কলাৰ আধা-আধি নোহোৱা হোৱা আৰ্ ৰিফ্-চিলাই কৰিবৰ ঠাই নোহোৱা কামিজটো হাতত লৈ প্ৰ্ণানন্দই ভিতৰৰ ফালে চাই চিঞৰে।

"গভৰ্ণৰ, আমাৰ ৰথডোখৰৰ দেখোন আগ-চকাড্খৰিৰ টোপনি, বতাহ দিয়া চুঙাডালি বা ক'ত ফ্ৰিবলৈ গ'ল—" স্কুললৈ যাবলৈ ওলাই চাইকেলখনৰ আগ-চকাৰ পাম্প নোহোৱা দেখি এই মন্তব্য।

"গভৰ্ণৰ, আমাৰ দয়াৰ বিয়ালৈ জানো আৰ্ দ্ই-এবছৰ ৰ'ব পৰা নাযাব ? আৰ্ দয়াৰ দ্ৰ্ভগীয়া পিতৃদেৱতাবো দ্বিতীয়া গৰাকীৰ ব্যৱস্থা কৰিবলৈ 'প্ৰথমা গৰাকীৰ বা মত আছে নে নাই ? পিছে বেচেৰা চেমাটোৱে লমোন দিয়ে থাকিব নে ?" স্কুললৈ

পূৰ্ণানন্দই এটোমা কটা তামোল-পাণ লৈ যায়। দেৱী বাইদেৱে কাটি-কুটি দিয়ে। এয়া কথাটো সোঁৱৰাই দিয়াৰ ভাষণ।

কেতিয়াবা ওচৰত মানুহ-দুনুহ নাথাকিলে আৰু খাবলৈ চিগাৰেট নোহোৱা হ'লে পূৰ্ণানন্দই কয়, "ওঁঠ, দুখ নকৰিবি, এইদৰে লঘোনত শুকাই মৰিবলৈকে পূৰ্ব্বজন্মত সাধি আহিছিলি। আমাৰ ওঁঠৰ তৃষা বৈ যাব চিৰদিন, মৰুৰ মাজত হায় নিজৰাৰ কৰি অন্বেষণ, চেলেউ-চুৰত নাই, চুমাৰ আশাই নাই—ওঁঠ তোৰ মিছা এই অশ্রু বৰিষণ—গভৰ্ণৰ—"

দেৱী বাইদেউৰ কাণ-মূৰ বগা পৰে। কি যে লবালিবোৰ কৰি থাকে। কোনোবা আহি যদি কেনেবাকৈ শুনেহি!

দেৱীয়ে চিগাৰেট আনি পূৰ্ণানন্দৰ হাতত দিয়েহি। ওঁঠত চিগাৰেটটো লৈ পূৰ্ণানন্দই কীটছৰ কবিতা আবৃত্তি কৰে—"Heard melodies are sweet, but those unheard are sweeter. অৰ্থটো বুজিছা নে ? জ্বলোৱা চিগাৰেট মিঠা, কিন্তু নজ্বলোৱা চিগাৰেটৰ ধোঁৱা তাতোকৈ সোৱাদ।"

নিৰুপায় হৈ দেৱীয়ে দিয়াচলাই-কাঠী মাৰি চিগাৰেটটো জ্বলাই দিয়ে। একান্তমনে হুপি হুপি আধা চকু মুদি পূৰ্ণানন্দই বক্তৃতা দিয়ে—'জ্বলোৱা অগনি প্ৰিয়া বুকুৰ মাজত, নুমাব নোৱাৰা নেকি চকুৰ লাজত ?'

অৰ্থটো দেৱী বাইদেৱে বুজে। কৃত্ৰিম অভিমানেৰে কাষ চাপি আহি দেৱীয়ে পূৰ্ণানন্দৰ বাহু আৰু বুকুৰ মাজত আশ্ৰয় লয় আৰু কয়, "এটাহে কিন্তু—কৈ দিলোঁ।"

কিন্তু অভিজ্ঞতাবপৰা পূৰ্ণানন্দই বুজিব পাৰিছে—'এটা' কিমানৰ লগত কিমান যোগ দিলে হয়। প্ৰণয়ীৰ গণিত-শাস্ত্ৰত সংখ্যাবোৰৰ মূল্য বেলেগ হোৱাৰ বাবে কাকো দোষ দিয়া নাযায়।

এই সুখী পৰিয়ালটো, বিশেষকৈ দেৱী বাইদেউক ছমীৰৰ বৰ ভাল লাগে। পূৰ্ণানন্দ চাৰকো তাৰ ভাল লাগে, কিন্তু তেওঁ তাৰ মাষ্টৰ, বৰ আহঁে নাপায়। আৰু সকলোৰে আগতে মাষ্টৰে এনে কিছুমান কথা কৈ দিয়ে যে ছমীৰে লাজ পাই যায়। গতিকে সি মৰমৰ আশ্ৰয় বিচাৰে দেৱী বাইদেউৰ ওচৰতহে। বাইদেৱে তাক দয়ানন্দৰ নিচিনাকৈয়ে মৰম কৰে। এই মৰম তাৰ বৰ আপুৰুগীয়া যেন লাগে।

"হেৰ জমীৰ, নে কি কৈছিলি—মজীৰ ? মই আৰু তোৰ নামটো আজিও মনত ৰাখিব নোৱাৰিলোঁ। বুৰঞ্জীৰ কত ৰজা-মহাৰজাৰ নাম মুখস্থ কৰিলোঁ, মাত্ৰ নোৱাৰিলোঁ তোৰ নামটো। বাৰু হ'ব দে, হেৰ মজীৰ নে জমীৰ—"

"ছমীৰ—চাৰ!"

"ছমীৰ—নিশ্চয় নিশ্চয়, মোৰ যদি ভুল হয়, তোৰ শুদ্ধ হ'বই লাগিব, You are right. অঙ্ক পাৰ ?"

ছমীৰে তলমূৰ কৰে, অঙ্কত সি সিমান বেয়া নহয়, তাৰ লাজ লাগে।

"নাজান ? বেয়া নহয়। অঙ্ক নাজানিলেও দুনিয়াত কাৰো হানি নহয়। বাৰু ক'চোন, যিটো বল মূৰেৰে খেলে তাক কি বল বোলে ?"

প্ৰশ্নটোত ছমীৰ হতভম্ব হয়, ভাবিবে খেলা বলক ফুটবল বোলে, কিন্তু মূৰেৰে

খেলা বলক কি বোলে ? হেণ্ড বল ? ক'তা ? ক'তো শুনা নাই দেখোন নামটো।
সি নীৰৱ হয়।

"হেৰ নাজান ? ভৰিৰে খেলা বলকো ফুটবল বোলে, ফুটবল ভৰিৰেও খেলিব পাৰ, মাত্ৰ হাতেৰে নোৱাৰ।"

"হয় চাৰ—"

"হেৰ কি ভাবিছ, ল'ৰা পঢ়ালেও মাষ্টৰ হ'ব পাৰি, নপঢ়ালেও মাষ্টৰ হ'ব পাৰি। দেখা নাই—পোষ্ট-মাষ্টৰ, ষ্টেচন-মাষ্টৰ—কত মাষ্টৰ আছে। তেওঁলোকে ল'ৰা পঢ়ায় নেকি ? একেই কথা বুজিছ মজীৰ—ভৰিৰে খেলিলেও ফুটবল সদায় ফুটবলেই।"

পূৰ্ণানন্দ চাৰৰ কথাত ছমীৰে আমোদ পায়। কি কথাবোৰ যে ভাবি থাকে চাৰে। আৰু মোৰ নামটো সঁচাকৈয়ে তেওঁৰ মনত নৰয় জানো ? নে তেওঁ এইবোৰ ধেমালি কৰে।

তথাপি ছমীৰৰ পূৰ্ণানন্দক ভাল লাগে, ইমান ৰসাল আৰু ৰঙিয়াল মানুহজন !

এখন নতুন পৃথিৱী তাৰ অজ্ঞাতেই ছমীৰৰ মনটোৰ মাজলৈ সোমাই যায়। ক্ৰমে জীৱনৰ স্বাদ উপলব্ধি কৰা যেন লাগে তাৰ। কিতাপবোৰৰ মাজত সি নতুন কথা পায়, মানুহবোৰৰ মাজত সি নতুন সৌন্দৰ্য্য দেখে। আৰু তাৰ নিজৰ ভিতৰতো এটা বেলেগ নতুন মানুহৰ জন্ম হোৱাৰ সঁহাৰি সি পায়।

॥ ওঠৰ ॥

"তাৰ গা ভাল নহয় অ'।"

"নহয়, তাৰ গা ভাল, মনহে ভাল নহয়—"

"একো নহয়। তাৰ গাও ভাল, মনো ভাল। সি কৰোঁ বুলি কৰিলে।আজি—"

"সি চালাই সি-পাৰ্টিৰ ঘোচ খালে, নহ'লে ইমান বেয়া সি কোনো দিন খেলা নাই।"

"খেলোঁ বুলি কোনোৱে বেয়া খেলিব নোৱাৰে। তাৰ আজি নিশ্চয় কিবা এটা হৈছে।"

"পিছে আজি সি আমাক এনেকৈ হৰুৱাই দিব নালাগিছিল।"

"কি বুজিছ হে, চব বেইমান, চব বেইমানৰ বাচ্ছা।"

ফুটবল মেচখনত ছমীৰৰ পাৰ্টি হাৰিল। আগৰ দৰেই বেকতে খেলিছিল যদিও আজি ছমীৰে সঁচাকৈয়ে বৰ বেয়া খেলিলে; কেইবাটাও ভেটিৰ পৰা বল নাৰাখিলে, ফলত তিনি গোল খালে। জয়ী দলৰ হৈ ধ্বনি আৰু কিৰীলি বিমানে বাঢ়িল, ছমীহঁতৰ স্কুলৰ ল'ৰাবোৰৰ খং সিমানে চৰি যাব ধৰিলে ছমীৰৰ ওপৰত। অন্য খেলুৱৈয়ে বেয়া খেলিলে বৰ দোষণীয় কথা নহয়, কিন্তু ছমীৰে বেয়া খেলিব কিয়, সি যে গোটেই টীমটোৰ ভিতৰতে আটাইতকৈ নিৰ্ভৰযোগ্য খেলুৱৈ. আৰু অন্যে কেতিয়াবা বেয়া খেলিলেও, ছমীৰে কেতিয়াও বেয়া নেখেলে।

আজি কি হ'ল ? ছমীৰে আজি ইমান বেয়া খেলিলে কিয় ?

তলমূৰে কৰি বোধেশ্বৰৰ লগত ছমীৰ আহি আছিল নীৰৱে। তাৰ পাৰ্টিটো হৰাতকৈ, তাৰ নিজৰ খেলা বেয়া হোৱাৰ কাৰণেহে তাৰ মৰ্ম্মান্তিক বেজাৰ লাগিছিল।

সিহঁত আহি আলোচনা কৰি থকা ল'ৰাজুমৰ ওচৰ পালেহি। ছমীৰে এবাৰ সিহঁতৰ ফালে চাই তলমূৰ কৰিলে, যেন খেলত হৰাৰ গোটেই গ্লানিখিনি অকল তাৰেই, আন কাৰো নহয়।

অন্য দিনা হ'লে সকলো আগবাঢ়ি আহি ছমীৰৰ লগত এষাৰ কথা নিশ্চয় পাতিলেহেঁতেন। আজি কিন্তু সকলোৱে তাক দেখিও নেদেখা ভাও জুৰিলে। ছমীৰো একো নামাতি তলমূৰ কৰি সিহঁতৰ কাষেদি পাৰ হৈ গৈছিল।

এটা ল'ৰাই ছমীৰহঁতে শুনাকৈয়ে ক'লে, "বেইমান চালা। ঘোচ খাই নিজৰ পাৰ্টিক হৰুৱাই দিলে।"

লগে লগে আন এটাই কৈ উঠিল, "এই গাঁৱলীয়া জহৰাচবত একদম বিশ্বাস নাই।"

হঠাৎ ছমীৰ ঘূৰিল আৰু একে চোঁচাই আহি ল'ৰাকেইটাৰ আগত ৰ'লহি। আৰু অস্বাভাৱিক কঠিন মাতেৰে কৈ উঠিল, "এই কাক কৈছ ?"

লগে লগে জুমটোৰ প্ৰায় আটাইকেইটা ল'ৰাই চিঞৰি কৈ উঠিল, "তোক কৈছোঁ, আৰু কাক ক'ম—"

হঠাৎ ছমীৰৰ ভীষণ খং উঠি গ'ল।

"তহঁতে নেখেলিলি কেলেই ?" কঠিন মাতটো আৰু কঠিন কৰি ছমীৰে ক'লে।

"আমি খেলিলে গাঁৱলীয়া জহৰাচবে বেইমানী কৰিবলৈ পাব কেনেকৈ ?" ল'ৰাটোৰ মুখৰপৰা কথাষাৰ ওলাই শেষেই নহ'ল, ছমীৰৰ একেটা চৰতে ল'ৰাটো মাটিত বাগৰি পৰিল।

"এই, তাক কেলেই মাৰিলি ? ল'ৰাকেইটা জাঙুৰ খাই উঠিল আৰু তাৰ ফালে আগবাঢ়ি আহিল। বোধেশ্বৰ আহি ছমীৰৰ ওচৰত ৰ'লহি।

"মাৰ চালাক—"

কিন্তু সিহঁতে মাৰিবলৈ সাজু হওঁতেই ছমীৰৰ চৰ-ঘোচাৰ কোবত আত্মৰক্ষা কৰিব নোৱাৰি ল'ৰাকেইটা দৌৰি পলাল। ছমীৰে সিহঁতক খেদি যাব খুজিছিল, কিন্তু বোধেশ্বৰে তাক হাতত ধৰি ৰাখিলে।

"ঠিক হৈছে আৰু দৰকাৰ নাই, গুচি আহ। পাইছে চালাহঁতে—" বোধেশ্বৰে ক'লে। ছমীৰৰ খং কিন্তু কমা নাছিল। সি চিঞৰি চিঞৰি ক'লে, "এতিয়া পলালি কেলেই ? আহ, কোন বেইমান চাওঁ—"

ল'ৰাকেইটাই কিছু দূৰৰপৰা ঘূৰি চাই সি খেদি নোযোৱা দেখি চিঞৰি ক'লে, "বাৰু, তোক দেখিম। তই কিমান ডাঙৰ গুণ্ডা দেখি ল'ম। বেইমান চালা।"

টানি টানি বোধেশ্বৰে ছমীৰক ঘৰৰ ফালে লৈ গ'ল। ঘৰ পাই গা-পা ধোৱাৰ পিছতো ছমীৰৰ খং মাৰ নগ'ল। এদিন ভাল খেলিব নোৱাৰাৰ কাৰণেই তাক এনেকৈ কিয় গালি পাৰিব ? ছমীৰক গালি পাৰিবলৈ সিহঁত কোন ? কোন বেইমান ? কোন জহৰা ? মোক ইমান বেয়া বদনাম সিহঁতে কিয় দিব ?

ৰাতি ভাত-পানী সি নাখালে, তাৰ বৰ বেজাৰ লাগিল। বেয়া লগাৰ কাৰণ সি নিজেই বুজিব নোৱাৰিলে। আজিৰ খেলাত তাৰ অবাঞ্ছনীয় অযোগ্যতা প্ৰমাণ হোৱাৰ

কাৰণে, নে তাক বেয়া ধৰণে গালি পৰাৰ কাৰণে ? কিন্তু সেই কাৰণেই ল'ৰাকেইটাৰ লগত মাৰ-পিট্ কৰাটো তাৰ উচিত হ'ল জানো ? কিন্তু যিবাৰ গালি শুনাৰপৰা সি আজি আহি গাঁও এৰি নগৰ পালেহি, সেই কথাষাৰে আজিও তাৰ পিছ এৰা নাই। হয়তো সেই অপযশে আৰু জীৱনত তাক এৰা নিদিব ! ছমীৰৰ নিজকে বৰ অসহায় যেন লাগিল। সি যেন এনেকুৱা এটা বাটেদি আগবাঢ়িছে, যিটো বাটেদি যোৱাৰ বাহিৰে তাৰ অন্য পথ আৰু নাই ! গাঁৰুত মূৰ গুজি সি নীৰৱে হুকহুকাই কান্দিলে।

সেইদিনা আহমদ ঘৰতে আছিল। তেওঁ প'টি'কতে বহি কোনোবা এজনৰ লগত কথা পাতি আছিল, এনেতে দুটামান ল'ৰা আহি তেওঁৰ আগত গোচৰ দিলেহি, "আজি আপোনাৰ ঘৰত থকা ল'ৰাটোৱে কেইবাটাও ল'ৰাক বাটত ধৰি মাৰ-পিট্ কৰিলে।"

"কোনে ?"

"ছমীৰ নে কি, আপোনালোকৰ ঘৰত যে থাকে ল'ৰাটো—"

সিহঁতে আৰু কিবা-কিবি বহুত কথা লগালে। বেৰখনৰ ইপাৰৰপৰা ছমীৰে সকলো শুনিলে। ল'ৰাকেইটা কোন চাৰৰ মন গৈছিল তাৰ, কিন্তু বিচনাখনৰপৰা উঠিবৰে শক্তি নোহোৱা যেন পালে সি।

সেইদিনা ৰাতি আহমদে তাক একো নক'লে। পিছদিনা অতি সোনকালেই তেওঁ কামৰ ঠাইলৈ গ'লগৈ। ছমীৰৰ ডাবি খোৱাৰ ভয় কিছু শাম কাটিলে।

কিন্তু ৰাতিপুৱা খাই-বৈ উঠি স্কুললৈ যাবৰ সময়ত কাৰা মাতেৰে জুলেখাই সুধিলে, "কালি স্কুলৰ ল'ৰাৰ লগত মাৰ-পিট্ কৰিলি কেলেই ?"

মাতটোৰ ৰুঢ়তাত সি অলপ ভয় খালে।

"সিহঁতে মোক বেয়া গালি পাৰিছিল।"

"বেয়া খেলিলে, বেয়া গালি পাৰিবই। খাই খাই ঢেঁৰেহা গা-ডালহে বঢ়াইছ ; পঢ়া-শুনাৰ ফালে বা কি হৈছে। দুদিনমান ভাল খেল বুলি শুনিছিলোঁ, এতিয়া ডাতো হৈছেগৈ সেয়া। কি বুলি গালি পাৰিছিল সিহঁতে ?"

কান্দো কান্দো মাতেৰে ছমীৰে কোনোমতে ক'লে, "বেইমান বুলিছিল, আৰু—আৰু—"

"আৰু কি বুলিছিল, নকৱ কেলেই ?"

কিন্তু আৰু কি বুলিছিল, ছমীৰৰ মুখত নুফুটিল। হাতত কিতাপ-পত্ৰ কেইটা লৈ সি তললৈ মূৰ কৰি স্কুললৈ ওলাই গ'ল।

তাৰ ফালে চাই চাই এটা বিৰক্তি-ভৰা মাতেৰে জুলেখাই ভোৰ-ভোৰাই ক'লে, "বাপেক-মাকৰ চিন-চাব নোহোৱা এই বাৰে-বিজতৰীয়াবোৰ জানো কি কৰিবলৈ ঘৰ ছপাইছে। এইবোৰে কেতিয়াবা সকলোৰে নাক-কাণ কটাব।"

কথাখিনি ছমীৰে স্পষ্টভাৱেই শুনিবলৈ পালে। তলমূৰ কৰি নীৰৱে সি স্কুললৈ খোজ ল'লে। জুলেখাৰ ফালে ঘূৰি চাবৰ সাহস তাৰ নহ'ল।

স্কুলতো কিবা এটা ঘটিব বুলি তাৰ ভয় লাগিছিল। কিন্তু একো নহ'ল। মাৰ খোৱা ল'ৰাকেইটাই লাজতে সেই কথা নুলিয়ালে আৰু তলে তলে বিবা ওলাইছিল, তাৰপৰাও ছমীৰৰ ভয়ৰ কাৰণ নাছিল। কেইবাটাও ল'ৰাই তাক সাহস দি ক'লে,

"ঠিক কৰিছিল, সিহঁতক আৰু অলপ দিব লাগিছিল। সিহঁতে নিজেতো একো খেলিব নোৱাৰেই, অনাৰ ওপৰত কথা কোৱাত ওস্তাদ। আৰু কিবা কৰিব খুজিলে আমি আছোঁ, সিহঁতৰ নাক সমান কৰি দিম।"

ছমীৰে সঁচাই সাহস পালে।

কেইদিনমান সি ক'লৈকো নগ'ল। গা ভাল নহয় বুলি সি খেলিবলৈ থকা অন্য মেচবোৰো নেখেলিলে। অৱশ্যে সেইদিনাৰ পিছত জুলেখাই তাক আৰু একো নক'লে।

দয়ানন্দই জোৰ কৰি এদিন তাক সিহঁতৰ ঘৰলৈ লৈ গ'ল। সেইদিনা বতৰটো ভাল নাছিল। আকাশখন ক'লা মেঘে ঢাকি ৰাখিছিল। বৰষুণ আনো আনো হৈ আছিল। ছমীৰ যাব নুখুজিছিল, কিন্তু দয়ানন্দই নেৰিলে। তাতে ঘৰত আজি 'চাৰ' নাই, ক'ৰবালৈ গৈছে, ৰাতি নাহে।

'চাৰ' নাই বুলি জনাত ছমীৰৰ অলপ পাতল লাগিল। চাৰেও তাক খুব মৰম কৰে, কিন্তু এনেকুৱা কথা কিছুমান সোধে, যিবোৰ শুনি সি বৰ অসুবিধাত পৰে। ভয় নালাগিলেও চাৰলৈ তাৰ বৰ লাজ লাগে মাজে মাজে।

ছমীৰহঁত ঘৰ সোমোৱাৰ অলপ পৰৰ পিছতে বৰ বৰষুণ আহিব ধৰিলে।

চাহ-তাহ দিয়াৰ পিছত দেৱী বাইদেৱে মৰম কৰি তাক সুধিলে, "হয় নে ছমীৰ, তইতো ফুটবল সদায় ভাল খেল বুলি শুনিছিলোঁ—সকলোৱেই কয়। সেই দিনানো ভাল খেলিব নোৱাৰিলি কিয়? কি হৈছিল?"

ছমীৰে দেৱী বাইদেউৰ মুখলৈ চকু তুলি চালে। বাইদেউৰ চকুত বহুত মৰম আৰু আশ্বাস থুপ খাই থকা সি দেখিলে। সি অনুভৱ কৰিলে যে এই মানুহগৰাকীৰ ওচৰত কোনো কথা লুকুৱাবৰ প্ৰয়োজন নাই। এই মুহূৰ্ত্তত এই মানুহগৰাকীতকৈ আপোন তাৰ কোনো নাই।

আকৌ দেৱী বাইদেৱে সুধিলে, "কি হৈছিলনো সেইদিনা? গা ভাল নাছিল নেকি? গা ভাল নাথাকিলে খেলিবলৈ যাব নালাগে।"

ছমীৰে তলমুৰ কৰি ক'লে, "গা ভাল আছিল—পিছে—"

"কি হৈছিল?"

"মোৰ মনটো বেয়া লাগি আছিল।"

বাইদেৱে ধুনীয়াকৈ হাঁহি ক'লে, "তোৰ সৰু ল'ৰাৰ আকৌ মন বেয়া হয় কেলেই?"

একো নামাতি অলপ সঙ্কোচেৰে ছমীৰে তাৰ কামিজৰ জেপৰপৰা এখন চিঠি উলিয়াই দেৱীৰ ফালে আগবঢ়ালে।

"এইখন আকৌ কি?"

কোনোমতে সি ক'লে, "তাতে লিখা আছে—"

"পঢ়ি চাওঁ নে?"

"ওঁ—"

চিঠিখন পাণ্ডই লিখিছে। তাইৰ আখৰবোৰ সিমান ভাল নহয়। কথাবোৰবো বৰ বেছি সঙ্গতি নাই। মূল কথাকেইটা এই—'পাণ্ডৰ ছমীৰলৈ মাজে মাজে বৰকৈ মনত পৰে। ছমীৰৰ নানাকৰ গা বৰ অসুখ। সোণপাহী মাজতে আহিছিল, সোণপাহীৰ

কিজানি গা-মন ভাল নহয়। গিবিয়েক হেনো বৰ বেয়া মানুহ। দুখ দিয়ে কিজানি। মানাকৰ গা ভাল নোহোৱাৰ কাৰণেহে তাৰ খৰচৰ পইচা পঠোৱাত দেৰি হৈছে।

শেষত, তই কেতিয়া আহিবি? সোনকালে আহিবি নে বাৰু? তোৰ বাৰু মোলৈ মনত পৰে নে? পঢ়া-শুনা ভালকৈ কৰিবি দেই। আহিলে তোক বহুত কথা ক'ম।....'

"পাভ কোন অ'? ছোৱালীজনীৰ দেখিছোঁ তোলৈ বৰ মৰম! তোৰ আকৌ বোলে বায়েৰ নাই? এইজনী দেখোন বায়েৰ?"

সৰুকৈ ছমীৰে মাথোন ক'লে, "ও'—"

হাঁহি হাঁহি দেৱীয়ে ক'লে, "এইবোৰনো কি বৰ ডাঙৰ কথা! তই সৰু ল'ৰাটোৱে এইবোৰ কথা চিন্তা কৰিবলৈ ল'লে, ইয়াত পঢ়া-শুনা কৰিবি কেনেকৈ? এইবোৰ চিন্তা কৰি থকাৰ কাৰণেই সেইদিনা খেলা বেয়া হ'ল। বেছিকৈ ভাবি থাকিলে তোৰ পঢ়াও বেয়া হ'ব জানো?"

ছমীৰৰ চকু ঢুলঢুলীয়া হৈ আহিল। থোকাথুকি মাতেৰে কোনোমতে সি ক'লে—

"হয়।"

তাৰ মূৰত মৰমেৰে হাত ফুৰাই দি দেৱীয়ে ক'লে, "ল'ৰাবোৰৰ লগত কাজিয়া-পেঁচাল নকৰিবি। নগৰৰ ল'ৰাবোৰ বৰ ভাল নহয়।"

বৰষুণজাক ধাৰাসাৰে দি আছিল। মাক আৰু ছমীৰৰ ফালে বৰকৈ মনোযোগ নিদি দয়ানন্দই পিছফালৰ বাৰাণ্ডাত বৰষুণৰ পানীৰ লগত ভনীয়েকহঁতক লৈ খেলিছিল।

লাহে লাহে ছমীৰৰ চকুৰপৰা গালৰ ওপৰেদি দুধাৰ লোতক বাগৰি আহিছিল। দেৱী বাইদেউৰ কাষত সি সদায় বৰ দুৰ্ব্বল হৈ পৰে কিয়, সি নিজেই বুজিব নোৱাৰে। ল'ৰাৰ লগত কাজিয়া কৰি কিবা বেয়া কাম কৰিছে বুলি আজিলৈকে সি ভবা নাছিল। কিন্তু এই মুহূৰ্ত্তত বাইদেউৰ কাষত তাৰ নিজকে বৰ অপৰাধী যেন লাগিল। বাইদেৱে তাক এটা বেয়া ল'ৰা বুলি ভাবিছে!

দেৱীয়ে দেখিলে ছমীৰৰ চকুৰপৰা পানী বাগৰি আহিছে। তেওঁ তাক বৰ মৰমেৰে বুকুত সুমুৱাই ল'লে আৰু হাতৰ তলুৱাৰে চকুপানীখিনি মচি দিলে আৰু ক'লে, "কান্দিবলৈ আকৌ কি হ'ল?"

হঁহা-কন্দাৰ মাজেদিয়ে ছমীৰৰ দুটা বছৰ পাৰ হৈ গ'ল।

॥ উনৈশ ॥

এমাহমানৰ আগৰপৰা মনতে আশা পুহি পুহি ৰাখি, গৰমৰ বন্ধত যেতিয়া ছমীৰ গাঁৱৰ ঘৰলৈ আহিল, সি ঘৰখনত বহুত পৰিবৰ্ত্তন দেখিলে। নানাক বহমান বুঢ়া মৃত্যুশয্যাত। তেওঁ চিনিব নোৱাৰাকৈ খীণাইছে আৰু অতিশয় দুৰ্ব্বল হৈছে। তেওঁ একো খাবও নোৱাৰে। আৰু বেছি দিন বচাৰ আশা নাই বুলি গাঁৱৰ মানুহে কোৱা-মেলা কৰিছে।

বাপেকৰ অসুখ বেঁছি হোৱাৰ বাতৰি পাই ছমীৰৰ ডাঙৰ মোমায়েক দুটাও নিজৰ নিজৰ পৰিয়াল লৈ আহি ইয়াতে আছেহি। সোণপাহীও সতিনীয়েকৰ সৰু জীয়েক-জনীক লৈ সিদিনা আহিছে। বুঢ়াৰ অৱস্থা টান বুলি বাতৰি পালে হাছমতো সময় মতে আহিব। গাঁৱৰ মানুহো পুৰো-গধূলি নিতৌ আহিয়ে আছে।

বহমান বুঢ়াৰ ঘৰখন বিয়া-ঘৰ যেন হৈ পৰিছে। সৰু ল'ৰা-ছোৱালীবোৰেও চিঞৰ-বাখৰ লগাই কোঢ়াল কৰিছে। কিয় সকলো ইয়াত এইদৰে গোট খাইছে, সিহঁতে কোনেও বুজা নাই।

সোণপাহীৰ লগত অহা ছোৱালীজনী ছমীৰৰ সমনীয়া। ছোৱালীজনী খীণ, বৰ লেউসেউ। তাইৰ নাকটো দীঘল আৰু জোঙা, চকু দুটা অলপ ডাঁহা। তাই আঁঠুৰ তললৈকে পৰা ফ্ৰক এটা পিন্ধিছে। ডিঙিত সোণৰ মণি এধাৰ, আৰু কাণতো সোণৰ কাণফুল পিন্ধিছে।

ছোৱালীজনীক দেখি ছমীৰৰ অকণো ভাল নালাগিল। ডাঁহা চকু দুটাই অলপ হাঁহি থাকে। তাইৰ চকু দুটা দেখি তাৰ তাইৰ ওপৰত খঙেই উঠা যেন পালে।

এজনী মামীয়েকে ছমীৰ আৰু ছোৱালীজনীক মাতি আনি চিনাকি কৰি দিলে—"এইজনী তোৰ ভনীয়েৰ,—গুলচী।"

সি ঘোপাকৈ এবাৰ তাইৰ ফালে চাই একো নামাতি আঁতৰি গ'ল। মামীয়েকে মুখ টিপি হাঁহিলে। কোনোবাই সৰুকৈ মন্তব্য কৰিলে, "সি বৰ একাচেকা ল'ৰা। বালৈ মৰম সোমাব, গালি খায়ো তালৈ যাব। আৰু যাক ভাল নাপায়, মৌৰে-ঘিউৰে দি মাতিলেও সি ঘূৰিয়ে নাচায়।"

সি নানাকৰ কাষত বহিলগৈ। নানাকে তাক মূৰত ধৰি, গালে-মুখে হাত ফুৰাই মৰম কৰিলে। তেওঁৰ চকুৰ কোণত তপত লোতক জমা হ'ল। কিবা-কিবি ক'ব খুজি একো নোকোৱাকৈ পৰি থাকিল। ছমীৰৰ সৰহ সময় বহি থকাটো অসম্ভৱ যেন অনুভৱ হ'ল। তাৰ মনত লাগিল যেন তাৰ নানাক তাৰপৰা বহুত দূৰলৈ আঁতৰি গৈছে। আৰু দূৰৰপৰা তালৈ ঘূৰি ঘূৰি চাইছে।

বুঢ়াৰ আৰোগ্য কামনা কৰি পুতেকহঁতে মচজিদত ফাতেহা কৰিছিল। গাঁৱৰ বয়সস্থ নামাজী মানুহসকল মচজিদত জমা হৈছিল। মোমায়েকহঁতৰ লগতে ছমীৰো মচজিদলৈ গৈছিল।

ফাতেহাৰ পিছত বুঢ়াসকলে অন্য সময়ত কৰাৰ দৰে দেশ-বিদেশৰ কথা আলোচনা কৰিছিল।

"যুদ্ধখন চাওঁতে চাওঁতে ঘৰেই পালেহি। আল্লাইহে সকলোকে ৰক্ষা কৰোঁতা।"

"এৰা, দেশখনত বজি লাগিলে আৰু ক'ত লাগিব ক'ত নালাগিব তাৰ কিবা নিৰ্ণয় আছে নে? সিবেলি জাৰ্মেনীৰ ৰণ লাগোঁতে আমি সৰু সৰু। আমাৰ ইয়াত তেও বজি লগা নাছিল। তেও বুলি বাইজখনৰ কম দুৰ্গতি গ'ল নে?"

"নগৰবোৰত লগা হ'লেই ভাল আছিল, আমাৰ গাঁৱৰ গৰিব বাইজে কোনোমতে এমুঠি আৰ্জন কৰি খাই আল্লা আল্লা কৰি দিন কটাইছোঁ। আমি কাৰ কি কৰিবলৈ গৈছোঁ।"

"যুদ্ধ মানে জুই। জুইৰ আৰু কিহৰ কেঁচা-পকা আছে, কিহৰ গাঁও-নগৰ

আছে? এফালৰপৰা চাঁহি-মুহি নিব। আল্লাই আমাৰ ল'ৰা-তিৰোতাৰ মান-ইজ্জত ৰক্ষা কৰোঁতা।"

আৰু নানা কথা-বতৰা চলিল। ছমীৰে সকলো কথা ভালকৈ বুজিব নোৱাৰিলে। নগৰতো সি শুনিছিল যে মহাযুদ্ধ লাগিছে। জাৰ্ম্মেনী আৰু জাপান এফালে, আৰু বৃটিছ, ৰুছ আৰু এমেৰিকা এফালে। নগৰৰ মাজেদি মাজে মাজে মিলিটাৰী কনভয় পাৰ হৈ যোৱাও সি দেখিছে। কিন্তু যুদ্ধ যে কেনেকৈ লাগে বা কিয় লাগে, সেই বিষয়ে তাৰ কোনো স্পষ্ট ধাৰণা নাই। ৰব ভয় খাবৰ বা চিন্তা কৰিবৰ কাৰণ সি বিচাৰি নাপালে। বৰং নগৰত থাকিলে যেন যুদ্ধ-তুদ্ধলৈ ভয় কৰাৰ দৰকাৰ নাই, এনে ভাবহে সি দেখুৱালে।

পাভই এদিন তাক সুধিলে, "নগৰত যুদ্ধ লাগিছে হয় নে ছমীৰ?"

ছমীৰে হাঁহি উৰুৱাই দিয়াৰ দৰে ক'লে, "নগৰত যুদ্ধ লাগিছে, তই ইয়াতে ভয় খালি! লাগিছেতো যুদ্ধ। কি হ'ল পিছে?" অৱশ্যে যুদ্ধ লাগিলে কি হয় পাভয়ো নাজানে। তথাপি তাই ক'লে, "ধেমালি নহয় জানিছ? যুদ্ধ লাগিলে ৰব বেয়া বুলি কৈছে সকলোৱে।"

"ময়ো যুদ্ধলৈ যাম।" গহীন হৈ ছমীৰে ক'লে।

পাভই ক'লে, "অমঙ্গলীয়া কথাবোৰ নক'বি বুজিছ। নগৰত থাকি পঢ়িবৰ মন নাযায় যদি গুচি আহিবি। সেইবোৰ কথা মুখত নানিবি।"

"ইয়ালৈ আহিম কেলেই, যুদ্ধলৈ যাম—" আগতকৈও গহীন হৈ ছমীৰে ক'লে।

"তোক জানিবা যুদ্ধত ল'বহে। ডেকা মানুহহে লয়—" পাভই ক'লে।

"মই কিবা ডেকা মানুহ নহয় নেকি? তই কি ভাবিছ?"

তাৰ পিছত ছমীৰ আহি পাভৰ গাৰ কাষত থিয় হ'ল আৰু তাইতকৈ সি কিমান ওখ হৈছে, মুৰে মুৰে মিলাই জুখি চাই ক'লে, "মই সৰু হৈ আছোঁ নেকি? চা, তোতকৈও ওখ হ'লোঁ।"

তাৰ গাৰ কাষৰপৰা আঁতৰি নাহি পাভই ক'লে, "ওখ হ'লেই মানুহ ডেকা নহয়— যা। আৰু তই ডেকা হৈছ যদি মোৰ ওচৰলৈ নাহিবি।"

"চিঠি দি মাতিছিলি কেলেই?" ছমীৰে ক'লে।

"আমি কাৰোবাক চিঠি দি নামাতিলেহে পাৰিছোঁ। কোনে বা কাক মাতিছিল!"

"ঠিক কৈছ?" জেপৰপৰা দুখন চিঠি উলিয়াই পাভক দেখুৱাই ছমীৰে ক'লে, "এইবোৰ পিছে কোনে লিখিছিল?"

থাপ্ মাৰি তাৰ হাতৰপৰা চিঠি দুখন লৈ পাভই পিছ-চোঁতাললৈ দৌৰ মাৰিলে। ছমীৰে "দে দে" কৈ পিছে পিছে খেদি গ'ল। এবাৰ বাগি দি পাভ ভিতৰৰ ফালে ঘূৰিল আৰু দৌৰ দিলে। ছমীৰেও পিছৰপৰা খেদি আহি পাভৰ চাদৰখনত টান মাৰি ধৰিলে। পাভ লৰ মাৰিলে। পাভৰ চাদৰখন তাৰ হাততে থাকি গ'ল। দৌৰি গৈ পাভ তাইৰ কোঠাত সোমালগৈ আৰু ভিতৰৰপৰা দুৱাৰখন হেঁচি ধৰিলে। একে হেঁচাই দুৱাৰখন মেলি ছমীৰ ভিতৰ সোমাই গ'ল আৰু দুৱাৰখন বন্ধ কৰি পিঠিৰে হেঁচি ধৰি থাকি ক'লে, "এতিয়া ক'লৈ যাবি?"

চেপা মাতেৰে লাজে লাজে পাভই কলে, "মোৰ চাদৰখন দে—"

"তই মোৰ চিঠি দে—" একেই সুৰতে ছমীৰে ক'লে।

পাভু অলপ আগবাঢ়ি আহিল আৰু তাৰ ফালে হাত মেলি অলপ সৰু চেপা মাতেৰে ক'লে, "বৌটি ওলাবহি পাৰে, চাদৰখন দে।"

ছমীৰে পাভুৰ মুখলৈ আৰু গাটোলৈ চালে। পাভৰ অলপ লাজ লাগিল। তাই অনুভৱ কৰিলে যে আগেয়ে ছমীৰে তাইৰ ফালে এনেকৈ চাব নাজানিছিল। অৱশ্যে ছমীৰৰ আগত তাই গাটো ঢাকিবৰ কোনো চেষ্টা নকৰিলে।

তাইৰ ফালে চাই থাকিয়ে ছমীৰে চাদৰখন তাইৰ হাতলৈ আগবঢ়াই দিলে। চিঠি দুখন সি নিবিচাৰিলে ; লাহে লাহে চাদৰখন গাত মেৰিয়াই লৈ পাভই ক'লে, "ডেকা হৈছ, যুদ্ধলৈ যাবগে। মোৰ ইয়ালৈ আহিছ কেলেই ?"

ছমীৰ তাইৰ ফালে আগবাঢ়ি গ'ল আৰু জীৱনত এই প্ৰথমবাৰৰ কাৰণে নিজে পাভক দুয়োহাতে মৰমেৰে সাৱটি ধৰিলে। তাৰ হাতৰ মাজৰপৰা এৰাবৰ চেষ্টা নকৰি পাভই হাঁহি ক'লে, "যা যা, বৰ মৰম দেখুৱাবলৈ আহিছে। তোকনো কোনে মাতিছে !"

ছমীৰে তাৰ গালখন তাইৰ গালত লগাই দিলে আৰু সৰুকৈ ক'লে, "এতিয়া পেহীটি আহিব নেকি ?"

"নাহিলেই জানিবা, কেলেই ?"

ছমীৰৰ চকু দুটা এনেই জলমলাই উঠিল। মুখেৰে সি একো ক'ব নোৱাৰিলে। সি কঁপিব ধৰিলে।

পাভই ক'লে, "কিনো হ'ল, কঁপিছ কেলেই ? বৌটি এতিয়া নাহে।"

তথাপি ছমীৰ গোটেই মানুহটো কঁপিছিল। সি যেন বৰ অসহায় আৰু দুৰ্ব্বল হৈ পৰিছিল।

পাভই তাক মৰমেৰে ডিঙিত সাৱটি ধৰিলে আৰু তাক তাইৰ গাৰ একেবাৰে কাষ চপাই আনি ক'লে, "নগৰলৈ গৈ দুষ্ট হৈছ নহয় ? চাও, হাতখন ক'ত থৈছ ? নাপায় ছিঃ !"

অৱশ্যে ছমীৰৰ অস্থিৰ হাতখনৰ ভয়াৰ্ত্ত স্পৰ্শটো তাইৰ গাত অনুভৱ কৰি পাভৰ বেয়া নালাগিল। তাৰ কাণত মুখ থৈ পাভই ক'লে, "এতিয়া যাবগে। মই বাৰু তোক আমাৰ ঘৰত থাকিবলৈ মাতি আনিমগৈ—এদিন।"

কিন্তু বহমান বুঢ়াৰ অৱস্থা বেছি বেয়াৰ ফালেহে যাব ধৰিলে। আৰু ভাল হোৱাৰ আশা নাই। পাভই তাক সিহঁতৰ ঘৰত থাকিবলৈ মাতিছিলহি যদিও সকলোৱে তাক সেইদিনা যাবলৈ হাক দিলে। কোন সময়ত বুঢ়াৰ কি হয় ঠিক নাই। শেষ সময়ত মুখত পানী এটোপা দিবলৈ নাপালে তাৰ চিৰ-জীৱন দুখ থাকি যাব। ছমীৰক ৰাতি-বিয়লি কেনিও যাবলৈ বাধা কৰিলে।

ৰাতি ভালেমানলৈকে সকলো মানুহ বহি আছিল, বুঢ়াই শেষ নিশ্বাস টানিছে। হয়তো ৰাতিটো থাকিব। কিন্তু বুঢ়া মানুহ, একো ক'ব নোৱাৰি।

ছমীৰো নানাকৰ ওচৰতে বহি আছিল। তাৰ অলপ অলপ টোপনি আহিছিল। তাৰ বাহিৰে অন্য ল'ৰা-ছোৱালী সকলোবোৰ শুলে। ডাঙৰৰ লগতে সিহে মাথোন বহি আছিল।

ৰাতি একমান বাজি গ'ল।

মাজু মোমায়েকে ছমীৰে টোপনিয়াই থকা দেখি ক'লে, "তই টোপনিয়াই বহি থাকিব নালাগে, বহুত ৰাতি হ'ল, শুই থাকগৈ যা বোপাই—দৰকাৰ হ'লে আমি জগাই দিম।"

ছমীৰৰ টোপনি আহিছিল। লেমটো কাষলৈ নি, ৰহমান বুঢ়াৰ ক্লান্ত মুখখনলৈ নীৰৱে এবাৰ চাই সি কোঠাৰপৰা ওলাই গ'ল শুবৰ কাৰণে।

ঘৰখনত মানুহ বেছি হোৱাৰ কাৰণে বিচনাৰ নাটনি পৰিছিল—যেয়ে য'তে পাইছিল যেনে-তেনে এঘুমটি মাৰিবৰ চেষ্টা কৰিছিল।

ছমীৰে ক'তো খালী বিচনা দেখা নাপালে। অৱশেষত মাটিতে কৰি লোৱা এখন বিচনাৰ একাষে অকণমান খালী ঠাই পৰি থকা দেখি- সি তাতে শুবলৈ ল'লে। সি ক'ত শুলে চাবলৈ তেতিয়া কাৰো ধৈৰ্য্য নাছিল। ঠাই অকণমান পোৱা দেখি, তাক শুবলৈ কৈ লেম লৈ মামীয়েক কোঠাৰপৰা ওলাই গ'ল।

প্ৰথমে একাষে পৰি থাকি ক্ৰমে সি আৰু অকণমান ঠাই পাবৰ কাৰণে অলপ কাষ চাপি গ'ল। হাতেৰে খেপিয়াই সি বুজিব পাৰিলে যে তাৰ সমানে ওখ ছোৱালী এজনী শুই আছে। অনুমান কৰি সি বুজিলে সেইজনী গুলচী। নহ'লে সিমানজনী ছোৱালী ঘৰখনত আৰু কোনো নাই। লাহে লাহে কাষ চাপি গৈ গৈ সি গুলচীৰ গাৰ কাষ পালেগৈ। প্ৰথমতে ঘোৰ টোপনিত আছিল যদিও পিছত ছোৱালীজনীয়ে সাৰ পালে। আৰু আধা-টোপনিতে মাতিলে—"কোন?"

"মই, অলপ সিফালে যাচোন—" ছমীৰে ক'লে।

"আৰু ক'লৈ যাম—সিফালে মাটি!" ছোৱালীজনীয়ে ক'লে।

"ও—" ছমীৰে ক'লে আৰু তাইৰ গাৰপৰা অলপ আঁতৰি টোপনি যাবৰ চেষ্টা কৰিলে।

কোঠাটোৰ ভিতৰত ঘোপমৰা আন্ধাৰ, চৌদিশ নিস্তব্ধ। মাত্ৰ ইফালে-সিফালে শুই থকা ল'ৰা-ছোৱালীবোৰৰ উশাহ-নিশাহৰ শব্দ আৰু বুঢ়াৰ কাষত বহি থকা মানুহকেজনৰ মুখৰ ক্লান্ত অস্পষ্ট গুণগুণনি। আৰু কোনো সা-শব্দ নাই।

কিছুপৰ নিশ্চলভাৱে পৰি থকাৰ পিছত যেতিয়া ছমীৰ লাহে লাহে ছোৱালীজনীৰ গাৰ কাষ চাপি গ'ল, তেতিয়া টোপনিতে অহাৰ দৰে ছোৱালীজনীও তাৰ কাষ চাপি আহিল। আন্ধাৰ আৰু নীৰৱতাৰ মাজেদি এটা অস্থিৰ কৈশোৰে যৌৱনৰ উপলব্ধিৰ পথ বিচাৰিলে। সেইজনী পাভ নহয়, গুলচী।

শেহৰাতি বুঢ়া ঢুকাল।

ছমীৰৰ কৈশোৰ শেষ হ'ল।

॥ বিশ ॥

আহমদ ঠিকাদাৰৰ ব্যস্ততা আশা কৰিব নোৱাৰাভাৱে বাঢ়ি গ'ল। অসামৰিক কাম বুলি কোনো কাম প্ৰায় নোহোৱাই হ'ল। আহমদে লাখ লাখ টকাৰ মিলিটাৰী কামৰ ঠিকা লৈ দুৰে দুৰে ঘূৰি ফুৰিব ধৰিলে।

আজি-কালি আহমদে ছমীৰক আগৰ নিচিনাকৈ সৰু ল'ৰা হিচাপে ব্যৱহাৰ নকৰে ৷ সি ক্লাচ নাইনত পঢ়ে। ওখই-পাখই, শকতে-আৱতে এতিয়া সি এটা দেখনিয়াৰ ডেকা মানুহ। পঢ়া-শুনাত আগতকৈ অলপ অমনোযোগী হৈছে যদিও সেইটো এই বয়সৰ লক্ষণ বুলি তাত গুৰুত্ব দিয়া হোৱা নাই। অকল স্কুলৰে নহয়, নগৰখনৰে সি এতিয়া এটা নাম কৰা ফুটবল খেলুৱৈ। তাৰ নিচিনা বেক্ লাভ কৰাটো সৌভাগ্যৰ কথা বুলি প্ৰায় সকলোৱেই এক মুখে স্বীকাৰ কৰে।

যুদ্ধৰ দিনত ছমীৰৰ নিচিনা এটা মানুহ ঘৰখনত নাথাকিলে আজি-কালি ল'ৰা-তিৰোতা অকলে এবি থৈ যোৱাটো ভয়-ভাবনাৰ কথা।

আহমদৰ ঘৰ-বাৰী আহল-বহল। মনে মনে তেওঁৰ ভয় হৈছিল কিজানিবা তেওঁৰ ঘৰ-বাৰী মিলিটাৰীয়ে বিকুইজিছন দি লৈ লয়। এটাই ভাৰসা আছিল—তেওঁ নিজেই এজন ডাঙৰ মিলিটাৰী ঠিকাদাৰ, হয়তো ওপৰৱালা অফিচাৰক কৈ-মেলি ৰক্ষা পৰিব পাৰে।

ইতিমধ্যে নানা ৰকমৰ মিলিটাৰীৰে নগৰখন ভৰি পৰিছিল। স্কুল, থিয়েটাৰ-হল আদি ডাঙৰ ডাঙৰ ঘৰবোৰ মিলিটাৰীয়ে লৈছে—হস্পিটল্ নাইবা কিবা অফিচ কৰিবৰ কাৰণে। ছমীৰহঁতৰ স্কুলটো এতিয়াও লোৱা নাই, কিন্তু ল'ব বুলি কথা শুনাইছে। বহুত ছাত্ৰই স্কুলটো এতিয়াও মিলিটাৰীয়ে নোলোৱাৰ কাৰণে মনে মনে বেয়া পাইছে। স্কুল নোহোৱা হ'লেই সিহঁত পঢ়াৰ দায়িত্বৰপৰা অব্যাহতি পাব।

আজি কিছু দিনৰপৰা ছমীৰেও পঢ়া এৰাৰ চিন্তা কৰিছিল। কাৰণ কেইবাটাও:

নানাক ৰহমান বুঢ়া ঢুকোৱাৰ তিনি মাহ পিছলৈকে সৰু মোমায়েকে তাৰ পঢ়াৰ খৰচ পঠিয়াই আছিল। তাৰ পিছত নপঠোৱা হ'ল। সি চিঠি দিলে, তাৰ পিছত নিজেও গ'ল ঘৰলৈ। মোমায়েকে ক'লে, "তোলৈ ক'ৰপৰা টকা পঠিয়াম! যুদ্ধৰ দিন, আমি চলাই টান। কাৰোবাৰ কিবা চাকৰি-বাকৰি আছে নে? আৰু বাবাই জানো কিবা ধনৰ টোপোলা থৈ গৈছিল। পাৰ যদি পঢ়গৈ, নহ'লে মিলিটাৰী কামকে কৰগৈ, আজি-কালি হাজাৰ-বিজাৰ মানুহ লৈছে মিলিটাৰী-কামত।"

ছমীৰ বৰ ক্ষুণ্ণ হ'ল, কিন্তু মুখেৰে একো নামাতিলে। যেনে-তেনে মেট্ৰিকটো পাছ কৰাটো তাৰ একান্ত ইচ্ছা আছিল। সেয়ে হয়তো নহ'বগৈ।

কোনো কোনোৱে তাক পৰামৰ্শ দিলে—সোণপাহীহঁত চহকী মানুহ। আৰু এদিন নহয় এদিন সি মোমায়েকহঁতৰ ঘৰৰপৰা যাবই লাগিব। তাৰ আচল ঘৰ হাছমতৰ ঘৰহে। যেনেকৈয়ে নহওক, সোণপাহীক যেতিয়া বিয়া কৰাইছে, হাছমত এতিয়া ছমীৰৰ বাপেক। এবছৰ-ডেৰবছৰ পঢ়িবৰ কাৰণে ল'ৰাটোক খৰচৰ টকাকেইটা নিদিব নে?

অনিচ্ছা সত্ত্বেও ছমীৰে মাকলৈ চিঠি লিখিলে। প্ৰথমখন চিঠিৰ কোনো উত্তৰ নাহিল। অলপ দিনৰ পিছত সি আকৌ এখন চিঠি লিখিলে। এইবাৰ উত্তৰ আহিল—সোণপাহীৰপৰাও নহয়, হাছমতৰপৰাও নহয়, আহিল হাছমতৰ পুতেক জাফৰৰপৰা। চিঠিখন পঢ়ি ছমীৰৰ গাৰ নোম শিয়ৰি উঠিল: সি লিখিছে, "মাৰক বাবাই নিকাহ কৰি আনিলে। তেওঁক পোহোঁতেই ঘৰখন জুৰুলা হৈছে। এতিয়া আকৌ বাৰেবাহতুৰা ল'ৰালৈ টকা পঠিয়াবলৈ মাৰে এপেৰা ধন লগত অনা নাছিল নহয়।"

আৰু কিছুমান অতি জঘন্য কথা, বিবোৰ কথা কোনোবাই ছমীৰৰ সম্মুখত কোৱা হ'লে হয়তো ছমীৰে কণ্ঠনালীক টেঁটু চেপি শেষ কৰি দিলেহেঁতেন।

চিঠিখন ছমীৰে ফালি নেপেলালে, তাৰ সৰু চুটকেচটোৰ এচুকত পেলাই থ'লে। এবাৰ তাৰ মাকক চাবৰ মন গ'ল, কিন্তু কথাখাৰ ভাবিয়ে তাৰ আৰু খং উঠি গ'ল। হাছমত বা তেওঁৰ পুতেকৰ গাত কোনো দায় নাই, সকলো দোষৰ মূল হৈছে তাৰ মাক সোণপাহী। সেই বান্ধকানি বুঢ়াৰ লগত বিয়া হ'বলৈ কিহে পাইছিল? ভাবোঁতে ভাবোঁতে তাৰ আৰু খং উঠি গ'ল সোণপাহীৰ ওপৰত। মোক এনেদৰে জন্ম দিছিল কিয়? মোক সৰুতে টেঁটু চেপি নামাৰি এই গ্লানিৰ জীৱনৰ মাজলৈ আনিছিল কিয়? আজি মোৰ কোনো পৰিচয় নাই, কোনো সমাজ নাই, কোনো অতীত নাই, বৰ্ত্তমান নাই। মোৰ এনে দুৰ্দশাৰ কাৰণে বৌটিয়েই দায়ী, আন কোনো নহয়।

পাভলৈ তাৰ বৰ্ত্তমান অৱস্থাৰ কথা জনাই ছমীৰে চিঠি লিখিলে। পাভই আৰু ভয়াৱহ কথা লিখিলে—ৰহমান বুঢ়াৰ মাটি-সম্পত্তি লৈ ছমীৰৰ মোমায়েকহঁতৰ মাজত খোৱা-কামোৰা লাগিছে। এতিয়াই পঢ়া-শুনা এৰি গুচি আহে যদি হয়তো বাইজে তাক ককাদেউতাকৰ মাটি-সম্পত্তিৰ ভাগ এটা দিব পাৰে। নহ'লে কিন্তু তাৰ ভাগ পোৱাৰ কোনো আশা নাই। তাৰ তিনিও মোমায়েকে নিজৰ নিজৰ কথাহে ভাবিছে, তাৰ কথা কোনেও উল্লেখেই কৰা নাই।

এতিয়া সি সংসাৰৰ বহুত কথা বুজি পোৱা হৈছে, বহুত কথা চিন্তা কৰিব পৰাও হৈছে। সি ভাবি চাই দেখিলে, মোমায়েকহঁতে একো ভুল কৰা নাই। পৈত্রিক সম্পত্তিৰ ভাগ বিচাৰিবই। ছমীৰতো একো নহয়, সি সোণপাহীৰ ল'ৰা। সোণপাহীয়ে ইচলামী আইন মতে সম্পত্তিৰ ½ অংশৰ ভাগ এটা পাব লাগে। কিন্তু তাই তাতকৈ বেছিহে পালে, ছমীৰৰ জন্মৰ পিছত মাক-পুতেকহালকে ইমান বছৰ নানাকে পুহিলে। মোমায়েকহঁতে তেতিয়া সম্পত্তিৰ কোনো ভাগ বিচৰা নাছিল, তদুপৰি সোণপাহীৰ বিয়াতো যথেষ্ট খৰচ কৰিলে। এতিয়া আকৌ ছমীৰে ভাগ বিচাৰি গ'লে কোনে দিব?

কাৰো গাত দোষ নাই, সকলো দোষ মোৰ।

এদিন অভাৱনীয়ভাৱে ছমীৰে এখন মনিঅৰ্ডাৰ পালে—পাঁচ টকাৰ। পঠাইছে পাভই। সি মনিঅৰ্ডাৰখন পাই আচৰিত হ'ল। পাভই কুপনত লিখিছে—"টকাকেইটাৰে তই কিবা মিঠাই-চিঠাই কিনি খাবি।" আৰু পাভই অৱশ্যে লগতে লিখিলে—"শুনিছোঁ বোলে ঠিকাদাৰ লাখপতি ধনী মানুহ—তেওঁনো খৰচ-পাতি নোলোৱাকৈ এইকেইটা দিন তোক ৰাখিব নোৱাৰিব নে? তই বুজাই ক'বি, তেওঁ নিশ্চয় ৰাখিব, তোৰপৰা টকা নিবিচাৰে। নহ'লে ইয়ালৈকে গুচি আহ।"

আহমদ ঠিকাদাৰে যে তাৰপৰা টকা ল'বলৈ নিবিচাৰে, সেই কথা আটাইতকৈ বেছি ভালকৈ জানে ছমীৰে। আজি প্ৰায় তিনি বছৰ দূৰে দূৰে থাকিও আহমদে তাৰ পঢ়া-শুনাৰ খবৰ-খাতি ৰাখি আহিছে। তাৰ কিবা অসুবিধা হৈছে নেকি তাকো বাতৰি লৈছে। তেওঁ বাহিৰে দেখুৱাই কথা কোৱা বিধৰ বা মৰম কৰা বিধৰ মানুহ নহয়। অৱশ্যে তেওঁৰ ঘৰৰ লগত সম্পৰ্ক বৰ কম, গতিকে প্ৰকৃতপক্ষে যদি কোনোবাই ছমীৰৰ ওপৰত চকু ৰাখিব পাৰে, তেন্তে তেওঁ হ'ল আহমদৰ পৰিয়াল জুলেখা।

কিন্তু তিনি বছৰ একেখন ঘৰতে থাকিও ছমীৰে জুলেখাক ভালকৈ বুজিব নোৱাৰিলে। দেখাত ৰূপহী এই মানুহজনীৰ মনটো অকণো বুজা নাযায়। কেতিয়াবা বৰ ৰঙিয়াল আৰু প্ৰফুল্ল হৈ থাকে, নুসুধিলেও দুটা কথা উপযাচি সোধে, নাখাওঁ বুলিলেও ইটো-সিটো বস্তু বলেৰে খুৱায়। তেতিয়া এনেকুৱা আতো-পুতো কৰে যে মানুহজনীৰ মনটো মৰম-চেনেহেৰে ভৰি থকা যেন লাগে। কিন্তু কেতিয়াবা তেওঁ অস্বাভাৱিক ধৰণে গহীন হৈ পৰে, বহাতে বহি দূৰলৈ চাই থাকে, কাৰো লগত কথা-বতৰা নাপাতে। চকুৰ আগেদিয়ে কোনোবা পাৰ হৈ গ'লেও একো নেদেখা যেনকৈ থৰ লাগি বহি থাকে। মাতিলেও কথাৰ উত্তৰ নিদিয়ে। তেওঁৰ যেন কাৰোবাৰ ওপৰত বৰ খং উঠি আছে আৰু তাক পালে যেন তেও এতিয়াই হত্যা কৰিব।

এনে অৱস্থাত ছমীৰে তেওঁক বৰ বেয়া দেখে। তেওঁৰ মুখখন গোমোঠা হয়, চকু দুটা খোপা হয়, তলৰ ওঁঠটো অলপ ওলমি পৰে আৰু মানুহজনী দেখিবলৈ বেয়া হৈ যায়। তেতিয়া জুলেখালৈ ছমীৰৰ ভয় লাগে। সি নিলগে নিলগে ফুৰে। ৰবকৈ তেওঁৰ কাষ নাচাপে। এইজনী যেন এজনী সম্পূৰ্ণ বেলেগ জুলেখা।

কিন্তু যি ৰূপতে নাথাকক, জুলেখাই টকা-পইচাৰ খবৰ মাজে মাজে কৰে। অকণো সঙ্কোচ নকৰাকৈ সহজভাৱে, ব্যৱসায়ী সুৰত জুলেখাই তাক সোধে, "এই মাহৰ পইচা পালি নে নাই? নাই অহা নেকি?"

সেইদেখি ছমীৰলৈ প্ৰতি মাহে অহা টকা কুৰিটাৰ পাঁচটা নিজলৈ ৰাখি, ১৫ টা টকা তপতে তপতে সি জুলেখাৰ হাতত দি দিয়ে। টকা হাতত লৈ কেতিয়াবা জুলেখাই মুখ টিপি হাঁহে, কেতিয়াবা গহীন হৈ থাকে।

আহমদৰ নিচিনা ধনী মানুহ এজনে তাৰ নিচিনা দুখীয়া ল'ৰা এটাৰপৰা থকা-খোৱাৰ খৰচ কিয় লয় তাৰ বুজিবলৈ টান লাগে। কিন্তু ঠিকাদাৰ আহমদে জুলেখাক কৈছিল, "তালৈ মাক-মোমায়েকে যি খৰচৰ টকা পঠায় সেই টকা, সি দিলে ৰাখি থ'বা। আমিতো তাক খোৱা-মেলা, ভাত-কাপোৰ সকলো দিমেই। ঘৰৰপৰা টকা আহিলে আটাইখিনি তাকে খৰচ কৰিবলৈ এৰি দিলে সি এনেই উৰুৱাই দিব পাৰে। সৰু ল'ৰাই টকাৰ মূল্য নুবুজে, সেইবুলি তাক তাগাদা নিদিবা আকৌ।"

জুলেখাই মাথোন কৈছিল, "ঘৰৰ টকা-পইচা নাহিলে, তাৰ ঘৰৰ লগত সম্পৰ্কই নোহোৱা হৈ যাব, তাতে সি গাঁৱৰ ল'ৰা। এইখন নগৰ"

যোৱা দুমাহ এনে ধৰণে টকা ছমীৰে দিব পৰা নাই। সি বেয়া পাইছে দিব নোৱাৰি, লাজো পাইছে। অথচ সি কাৰণো বুজিব পৰা নাই, টকা কিয় নহা হৈছে।...

ঘৰৰপৰা ঘূৰি আহি সি দেখিলে এনেকৈ আৰু থকা নাযায়। অথচ সি আৰু নিজৰ টকা খৰচ কৰি নগৰত থাকিব নোৱাৰিব, এই কথাষাৰ তাৰ কাৰণে বৰ মৰ্ম্মান্তিক দুখৰ কথা। আজি তাৰ এটা গৰ্ব্ব আছে—আহমদৰ ঘৰত সি আছে যদিও সি সম্পূৰ্ণ তেওঁলোকৰ ওপৰত নিৰ্ভৰশীল নহয়। কিন্তু এতিয়া সি কি কৰিব? তাক আজি টকা দি সহায় কৰোঁতা কোনো নাই।

ছমীৰ বিমৰ্ষ হৈ পৰিল। সি অনুভৱ কৰিলে এই পৃথিৱীত তাৰ নিজৰ আপোন বুলিবলৈ আজি কোনোৱেই নাই। সি সম্পূৰ্ণ অৱলম্বনহীন। পৃথিৱীখন তাৰ শূন্যভাৱে ভৰা যেন লাগিল।

কিন্তু তাৰ অৱস্থাৰ কথা সি কাকো নক'লে। তাৰ সীমিত বুদ্ধি আৰু অভিজ্ঞতাৰেই সি এই অৱস্থাক অতিক্ৰম কৰাৰ পথ বিচাৰিলে, কিন্তু পঢ়া-শুনা এৰি যুদ্ধক্ষেত্ৰৰ অনিশ্চয়তাৰ মাজত সোমাই পৰাৰ বাহিৰে অন্য কোনো পথ তাৰ সন্মুখত সি দেখিবলৈ নাপালে। কম বয়সীয়া ল'ৰা হ'লেও সি বুজিছিল যে সৈনিকৰ জীৱন বা ৰণ-থলীৰ জীৱন সহজ নহয়, তাত প্ৰতিটো মুহূৰ্ত্তত অনিশ্চিত মৃত্যুৰ লগত হাত মিলাই খোজ দিব লাগে। আৰু তাৰ বিদ্যাৰে সি সাধাৰণ সৈনিকৰ বাহিৰে অন্য কোনো সুখজনক আৰু সন্মানজনক কাম পোৱাৰো সম্ভাৱনা নাই। কিন্তু তাৰ ভৱিষ্যৎ ভাগ্য-ৰচনাৰ পথ যুদ্ধক্ষেত্ৰৰ মাজেদিয়েই গৈছে। এইটো সি সহজে বুজিব পাৰিলে।

অৱশ্যে সি সহজে পঢ়া এৰি দিবলৈ মান্তি নহ'ল। আৰু এমাহ সি বাট চাব— হয়তো কিবা এটা উপায় ওলাব পাৰে। কিন্তু আহমদ বা জুলেখাৰ অনুগ্ৰহ ভিক্ষা নকৰিবৰ কাৰণে সি দৃঢ়-প্ৰতিজ্ঞ। তাৰ গাত শক্তি আছে, মনৰো দৃঢ়তা আছে— অলপতে হতাশ হ'বলৈ সি প্ৰস্তুত নহয়। অৱশ্যে কেনেবাকৈ তাৰ অৱস্থাৰ কথা জানিব পাৰি যদি আহমদে উপযাচি তাক সহায় কৰিব খোজে, তাক সি প্ৰত্যাখ্যান নিশ্চয় নকৰে। কিন্তু আজি-কালি যে আহমদৰ মিলিটাৰী ঠিকাৰ বাহিৰে অন্য কোনো ফালে চকু দিয়াৰ আজৰিয়েই নাই।

সময়মতে টকা দিব নোৱাৰি ছমীৰৰ জুলেখাৰ ওচৰত অলপ সংকোচ বোধ হৈছিল, অলপ আঁতৰি আঁতৰি ফুৰিছিল। কেতিয়াবা ৰাতি হয়তো একো নোখোৱাকৈয়ে শুই থাকিছিল।

অৱশেষত তাৰ অসহ্য লাগি আহিব ধৰিলে। এদিন সি পূৰ্ণানন্দ মাষ্টৰৰ ঘৰলৈ ওলাই গ'ল। তেওঁক সি সকলো কথা খুলি ক'ব আৰু তেওঁৰ উপদেশ বিচাৰিব। চাৰৰ আগত নোৱাৰিলেও দেৱী বাইদেউৰ আগত সহজে তাৰ নিজৰ কথা কৈ দিব পাৰিব।

দুৰ্ভাগ্য! চাৰ ঘৰতে আছে। সি মনে মনে গম নিদিয়াকৈ ভিতৰৰ ফালে যাবৰ চেষ্টা কৰিছিল। চাৰে তাক দেখিলে—

"হেৰ, পোনে পোনে ভিতৰলৈ পোনাইছ সেইটো কোন অ'? জমীৰ নহয় নে?"

ছমীৰ ঘূৰিল।

"মই চাৰ—ছমীৰ—"

"আজি-কালি ৰবকৈ পঢ়া-শুনাত ধৰিছ নেকি? খীণাইছ দেখোন! তোক বহুত দিন এইফালে অহা দেখাই নাই।"

"হয় চাৰ—"

দেৱী ওলাই আহিল ভিতৰৰপৰা।

"হেৰা, মজিৰ আহিছে হে। সি হেনো তোমালৈ কিবা এটা আনিছে, মোক নেদেখুউৱাকৈ মনে মনে তোমাক দিবলৈ নিছিল। মই পিছে দেখি গ'লো।"

দেৱীয়ে পূৰ্ণানন্দৰ কথালৈ কাণ নিদিলে। তেওঁ ক'লে, "আহ ছমীৰ, দয়া নাই। আহ বহহি।"

ছমীৰে এবাৰ দেৱীৰ মুখলৈ চালে। হঠাৎ সি উপলব্ধি কৰিলে, 'বাইদেৱে মোক

ইমান দিন চাহ-ভাত খুৱাইছে—মই যদি সামান্য কিবা এটাও তেওঁক কৌতিয়াবা দিব পাৰিলোহেঁতেন। মই বৰ অপদাৰ্থ, বৰ অকৃতজ্ঞ।' এনেয়ে তাৰ বাইদেউৰ সন্মুখত লাজ লাগিল।

"ভালেমান দিন দেখোন আমাৰ ফালে অহা নাই, ঘৰলৈ গৈছিলি নেকি?" দেৱীয়ে সুধিলে, আৰু তাৰ কাৰণে চাহ এপিয়লা বাকিবলৈ চাহপাত, চেনি যতনাই ল'লে।

"ক'লৈকো নাই যোৱা বাইদেউ! এনেয়েহে অহা নাই।" সি ক'লে।

পূৰ্ণানন্দ ভিতৰ সোমাই আহিল। "হেৰা, কথাটো ইয়াক কৈছা নে নাই? তাক কোৱা আকৌ—"

মুখ টিপি হাঁহি দেৱীয়ে ক'লে, "সেইবোৰ কথা মই ক'ব নোৱাৰোঁ। চখ লাগিছে যদি আপুনিয়ে কওক।"

পূৰ্ণানন্দ বাৰাণ্ডাত থকা চকীখনতে বহিল।

"বছৰেকীয়া পৰীক্ষাত ইংৰাজীত কিমান নম্বৰ পাইছিলি অ' মছিৰ? মছিৰ নহয় জানো তোৰ আচল নামটো?"

"সাতষষ্ঠি চাৰ।"

"আও, বহুত পালি'। হেৰ কোন মাষ্টৰে চাইছিল তোৰ কাগজ? কিবা ঘোচ-ঘাচ দিছিলি নেকি আকৌ? ইংৰাজীত সাতষষ্ঠি! তেনেহ'লেতো তই ল'ৰা ভালেই। হেৰা, ইয়াক পিঠা এটা বেছিকৈ দিবাহে, ই ইংৰাজীত সাতষষ্ঠি পাইছিল। বাৰু, ক'চোন "Make hay while the sun shines" ইয়াৰ অসমীয়া কি?"

অন্য কিবা সোধে বুলি ছমীৰৰ কাণ-মুখ অলপ ৰঙা পৰিছিল। সি অলপ ভাবি কলে, "চাৰ, সময়ৰ সদ্ব্যৱহাৰ কৰিব লাগে।"

"হেৰ, সেইটো অসমীয়া হ'ল নে? হেৰ, তাৰ অসমীয়া হ'ল—পিঠা-চাহ পোৱা মানুহকে খাই থ'ব লাগে—"

তেতিয়া দেৱীয়ে ছমীৰক এপিয়লা চাহ আৰু ভজা পিঠা তিনিটা দিছিল তাৰ সন্মুখৰ সৰু মেজখনৰ ওপৰত।

ছমীৰে সৰুকৈ হাঁহিলে।

দেৱীয়ে পূৰ্ণানন্দকো চাহ আনি দিলে।

চাহ খাই খাই পূৰ্ণানন্দই ক'লে, "আৰকালিৰ ৰ'দ বেছি পৰ নাথাকে বুজিছ? এই যে যুদ্ধখন আৰম্ভ হৈছে—বহুত দিন চলি থাকিব বুলি ভাবিছ নেকি? ওহোঁ। আমি বুজি পাওঁতে-নোপাওঁতেই যুদ্ধ শেষ হৈ যাব। সেইদেখি মই কি কৰিব খুজিছোঁ জান?"

পূৰ্ণানন্দই দেৱীৰ মুখলৈ চালে। দেৱীয়ে সিফালে মুখ কৰিলে।

"এওঁ আকৌ নামেই শুনিব নোখোজে। মই যুদ্ধত যোগ দিব খুজিছোঁ, বুজিছ

"চাৰ—" বিস্মিত হোৱাৰ দৰে ছমীৰে মূৰ তুলি পূৰ্ণানন্দৰ মুখলৈ চালে।

"কি হ'ল, তয়ো বাইদেৱেৰৰ পাৰ্টিৰ নেকি? হেৰ, ছোৱালীবোৰে বীৰৰ সাধুকথা পঢ়ি ভাল পায়, কিন্তু নিজৰ স্বামীগৰাকী বীৰত্ব দেখুৱাবৰ কাৰণে যুদ্ধ-ক্ষেত্ৰলৈ সৈনিক হৈ যোৱাটো সহ্য কৰিব নোৱাৰে।"

"চাৰ, আপুনি সঁচাকৈয়ে যুদ্ধলৈ যাব নেকি?"

"যুদ্ধলৈ যোৱাত আকৌ কিহৰ সঁচা-মিছা আছে। ডেকাহে নালাগে বুঢ়া মানুহবোৰো দলে দলে যুদ্ধলৈ গৈছে। মই ছোৱালী হোৱা হ'লে হয়তো নগৈও পাৰিলোহেঁতেন। তেতিয়া ভিতৰ-বাৰাণ্ডাত বহি নিজৰ মুৰৰ বা লোকৰ মুৰৰ ওকণিকে মাৰিলোহেঁতেন।"

দেৱীয়ে ক'লে, "বুজিছ ছমীৰ, এখেত হেনো যুদ্ধলৈ যায়। ল'ৰা-ছোৱালী লৈ মই হেনো তোৰ চাৰৰ গাঁৱৰ ঘৰলৈ যাবগৈ লাগে। কিহবাই পাইছে।"

কিবা এটা কথা ভাবি হঠাৎ ছমীৰৰ মুখখন অলপ উজ্জ্বল হৈ উঠিল, "চাৰ, ময়ো যুদ্ধলৈ যাব খুজিছোঁ।"

তাৰ কথাত দেৱী আৰু পূৰ্ণানন্দ দুয়ো হতভম্ব হৈ গ'ল। ছমীৰে কয় কি?

কিন্তু পিছ-মুহূৰ্ত্ততে উচ্ছ্বসিত হৈ মাষ্টৰে ক'লে, "A grand idea. ব'ল দুয়োটা যাওঁ। তই ফুটবল খেলিবি আৰু মই অংক পঢ়াম। যুদ্ধ আৰু কয় কাক?"

তাৰ পিছত দেৱীৰ ফালে চাই ক'লে, "এতিয়া বুজিলাতো, জমীৰো যাব— যুদ্ধলৈ।" তাৰ পিছত তেওঁ বহাৰপৰা উঠিল আৰু কৈ কৈ ওলাই গ'ল, "ওলা, ওলা, যাব জীৱন আৰু মৰণৰ মাজত কোনো পাৰ্থক্য নাই, সি মৰিবৰ সুযোগ পায়ো নমৰাটো মুৰ্খামি। তয়ো ওলা মজিৰ—"

পূৰ্ণানন্দ ওলাই যোৱাৰ পিছত দেৱী আহি ছমীৰৰ ওচৰতে চাপৰ মুঢ়া এটা লৈ বহিল আৰু বিষাদসনা মাতেৰে ক'লে, "তহঁতৰ চাৰৰ মগজুত জানো কোনে সুমুৱাই দিলে, তেখেতে হেনো যুদ্ধলৈ গৈ বহুত ধন ঘটি আনিবগৈ। আৰু তেখেত গ্ৰেজুৱেট কাৰণে হেনো কমিছনড্ ৰেংক পাব।"

তলমুৰ কৰি ছমীৰে দেৱীৰ কথা শুনি গ'ল। তাৰ ক'বৰ মন গৈছিল—"চাৰে দেখোন এটা কাম কৰেই, চাৰৰনো যুদ্ধলৈ যোৱাৰ কি দৰকাৰ?"

কিন্তু সেই ৰকমে ক'লে কিজানি তাৰ নিজৰ পৰিকল্পনায়ো সমৰ্থন হেৰুৱায়, এই ভয়ত সি একো নকৈ নীৰৱে থাকিল।

দেৱীয়ে ক'লে, "আৰু তইনো সেইবোৰ কি ভাবিছ? স্কুলীয়া ল'ৰা আকৌ কিহৰ যুদ্ধলৈ যায়?"

"মই স্কুল এৰিম বাইদেউ—"

"কি? কিয় এৰিবি স্কুল?"

অলপ পৰ ছমীৰ নীৰৱে থাকিল। তাৰ পিছত তলমুৰ কৰি লাহে লাহে ক'লে, "আজি তিনি মাহ খৰচ দিব পৰা নাই।"

"কিয়?"

আকৌ ছমীৰ মনে মনে থাকিল।

"বাবাৰেনো কি কৰে? তোৰ পঢ়াৰ খৰচখিনি পঠাব নোৱাৰে জানো?"

কথাষাৰ শুনি ছমীৰে এবাৰ অবাক চাৱনিৰে দেৱীৰ মুখলৈ চালে। তাৰ কাণ-মুৰ ৰঙা পৰিছে। সি মানুহটো অসম্ভৱ ৰকমে অস্থিৰ হৈ পৰিছে। অলপ পৰৰ মুৰত নিজক শান্ত কৰিবৰ চেষ্টা কৰি ব্যৰ্থ হৈ সি কান্দোন মিহলি চেপা মাতেৰে কৈ উঠিল, "মোৰ কোনো নাই বাইদেউ—"

ছমীৰৰ ব্যক্তিগত জীৱনৰ কথা দেৱীয়ে বা পূৰ্ণানন্দই কোনো দিন সোধা নাছিল। তাৰ কথাবাৰ শুনি দেৱীয়ে আঘাত পালে। কথাবাৰ পাতলাবৰ মনেৰে তেওঁ ক'লে, "এ, মই আগেয়ে নাজানিছিলোঁ। পিছে পঢ়া এৰিলেও তই যুদ্ধলৈ নাযাবি। তহঁত ল'ৰা মানুহ। যুদ্ধ বৰ বেয়া বস্তু।"

ছমীৰৰ চকু দুটা পুৰিছিল। তাৰ বুকুৰ ভিতৰত এটা অস্থিৰ, তীব্ৰ বেদনাই তাক মৰ্মাহত কৰিছিল। ওঁঠ দুটা তাৰ শুকাই গৈছিল।

সি বহাৰপৰা উঠিল।

দেৱীয়ে তাৰ চকুলৈ চালে। ছমীৰৰ চকুত পানী! তেওঁৰো চকু সেমেকি উঠিল। কিন্তু তাৰ আগত দুৰ্ব্বলতা প্ৰকাশ কৰিবৰ চেষ্টা নকৰি তেওঁ সিফালে মুখ ঘুৰালে, আৰু হাঁহিবৰ চেষ্টা কৰি ক'লে, "মই দেখোন বাইদেৱেৰ এজনী আছোঁৱেই। আৰুনো কিমান লাগে?"

পূৰ্ণানন্দ আকৌ সোমাই আহিল। হয়তো তেওঁ সকলো কথা শুনি আছিল।

তেওঁ ক'লে, "বাৰু দে বমিজ, তই তেও বাইদেৱেৰ এজনীকে পালি। মোৰ আকৌ সিও নাই। প্ৰথমতে গ'ল দেউতা, পিছে পিছে বৌটিয়েও দৌৰ মাৰিলে। মই থাকি গ'লোঁ। একদম অকলে জানিছ? বৃত্তি পাইছিলোঁ কাৰণে জানিবা কোনোমতে ডিগ্ৰীটো ল'ব পাৰিলোঁ। তাৰ পিছতো অকলেই থাকিলোহেঁতেন, পিছে তোৰ বাইদেৱেৰ লগ দিলে। আৰু কি কৰিবি?"

কৈ তেওঁ দেৱীৰ ফালে চাই হাঁহিবৰ চেষ্টা কৰিলে। দেৱীয়ে কিন্তু হাঁহিব নোৱাৰিলে।

"তোৰ ফীজ কিমান?" দেৱীয়ে সুধিলে।

ছমীৰৰ ভয় লাগি গ'ল। দেৱী বাইদেৱে মোৰ ফীজখিনি দি দিব খুজিছে কিজানি! নাই, নাই, চাৰে যি টকা পায়, তাৰে নিজৰ পৰিয়ালটোকে ভালকৈ নোজোৰে। নহ'লে চখত চাৰ যুদ্ধলৈ যাবলৈ ওলোৱা নাই!

হঠাৎ সি ক'লে, "মই এতিয়া যাওঁ বাইদেউ।"

মাষ্টৰহঁতৰ উত্তৰলৈ বাট নাচাই ছমীৰ বেগাবেগিকৈ ওলাই গ'ল।

তাৰ যোৱাৰ ফালে চাই থাকি দেৱীয়ে ক'লে, "তাৰ হেনো কোনো নাই—"

"নহ'লেনো সি যুদ্ধলৈ যাবলৈ মোৰ লগ লয় নে?"

"আপোনাৰো হ'বলা কোনো নাই?" দেৱীয়ে ক'লে।

॥ একৈশ ॥

সোণপাহীলৈ ছমীৰে লিখা চিঠি তাই পোৱা নাছিল। পালেও সোণপাহীয়ে নিজে পঢ়িব নজনা গতিকে আনৰ হতুৱাইহে পঢ়াই শুনাব লাগিলহেঁতেন। ছমীৰৰ চিঠি হাছমতৰ হাততো পৰা নাছিল, পৰিছিলহি হাছমতৰ দ্বিতীয় স্ত্ৰীৰ পুত্ৰ জাফৰৰ হাতত।

জাফৰক ছমীৰে কোনো দিন দেখা নাই। মাত্ৰ সোণপাহী ঘৰলৈ আহোঁতে জন্য

কোনোবা মাইকী মানুহক অন্য কথাৰ মাজতে সোণপাহীয়ে কোৱা শুনিছিল যে ল'ৰাটো বৰ সুবিধাজনক নহয়। অলপ পঢ়া-শুনা কৰিছিল, কিন্তু সি কোনো চাকৰি-বাকৰি নকৰে। টলৌ-টলৌকৈ ঘূৰে আৰু অ'ত-ত'ত আড্ডা দি ফুৰে। তাৰ স্বভাৱ-চৰিত্ৰও সিমান ভাল নহয়।

জাফৰ সম্পৰ্কে ছমীৰে ইমানকে মাত্ৰ জানিছিল। সকলো কথা জানিবৰ তাৰ প্ৰয়োজনো নাছিল, উপায়ো নাছিল।

সোণপাহীক বিয়া কৰাই নিয়াৰ ছ'মাহমানৰ ভিতৰতে নতুন ঘৰখনৰ সকলো কথা তাই বুজি উঠিল। হাছমত সেই অঞ্চলৰ কুখ্যাত 'কিৰ্পিণ বুঢ়া'। খোৱা-পিন্ধা সকলোতে বৰ কটকিনা হৈ চলে। এই বয়সত কিবা ভাল বস্তু খোৱা হ'লে হয়তো গাত অলপ বল-শক্তিয়েই থাকিলহেঁতেন। কিন্তু বুঢ়াই নিজে খাবৰ কাৰণেও উপৰুৱা দহটা পইচা খৰচ নকৰে। ফলত হাছমত বয়সতকৈও বুঢ়া হৈছে। খোৱাৰ ভিতৰত বৰ বেছি মলা-ধঁপাতৰ হোকা খায় আৰু খুন্দা বা পতাহিওৱা তামোল খায়। বাৰীত তামোল-পাণ যথেষ্ট আছে।

কিন্তু কিৰ্পিণ হ'লেও আৰু খৰচৰ বিষয়ত হাত ধৰি চলিলেও বুঢ়াই সোণপাহীক মৰম নকৰা নহয়। হয়তো এই বয়সত সেৱা-শুশ্ৰূষা পোৱাৰ আশাত, সোণপাহীক বিয়া কৰাই আনি তাইক বিতুষ্ট কৰি ৰাখিলে নিজৰেই ক্ষতি হ'ব ভাবি, হাছমতে সোণপাহীক দেখা-দেখিকৈয়ে মৰম-চেনেহ কৰিছিল।

বিয়াৰ কেইদিনমানৰ ভিতৰতে সোণপাহীয়ে নিশ্চিতভাৱে বুজি উঠিছিল যে এই বিয়াত মত দি তাই ডাঙৰ ভুল কৰিলে। দাম্পত্য সুখৰ কোনো সম্ভাৱনাই তাইৰ ভাগ্যত নাই। তাইৰ স্বামী, তাইৰ এটা দুৰ্ব্বল অৱলম্বন মাত্ৰ। এই অৱলম্বনৰ আশ্ৰয় নলৈও তাই দিন কটাব পাৰিলেহেঁতেন।

তথাপি হাছমতৰপৰা পোৱা আন্তৰিক, কিন্তু উপৰুৱা মৰম-চেনেহখিনিক সোণপাহীয়ে অৱজ্ঞা নকৰিলে। হাছমতলৈ তাইৰ পুতৌ হ'ল। হাছমত বুঢ়া, হাছমত কিৰ্পিণ, হাছমত নিবীৰ্য্য, শক্তিহীন, তথাপি হাছমতে তাইক মৰম কৰিবলৈ বিচাৰে আৰু তাইৰো মৰম পাবলৈ বিচাৰে। সকলো বুজিও হাছমতক উপেক্ষা কৰাটো অন্যায় হ'ব বুলিয়ে সোণপাহীয়ে বিবেচনা কৰিলে। সোণপাহীয়ে চিন্তা কৰি চালে—'সঁচা, মোৰ স্বাস্থ্য, মোৰ ৰূপ-যৌৱন অটুট আছে—কিন্তু মোৰ মচিব নোৱাৰা কলঙ্কৰ কথা কোনে নাজানে? তথাপি যে হাছমতে সামাজিক ৰীতিমতে মোক স্ত্ৰী-ৰূপে গ্ৰহণ কৰিলে, তাৰ বাবে মই তেওঁৰ ওচৰত কৃতজ্ঞ থকা উচিত।'

সোণপাহীয়ে অন্তৰেৰে হাছমতক ভাল পাব নোৱাৰিলেও বুঢ়াক সন্তুষ্ট ৰাখিবৰ কাৰণে সবল চেষ্টা কৰিব ধৰিলে।

প্ৰথম কেইমাহমান সোণপাহীৰ ভালেই কাটিছিল। হাছমতৰ বিধবা জীয়েকজনী নিৰ্জু ছোৱালী। তাইৰপৰা বিশেষ আমনি বা অসুবিধা পাব লগা নহ'ল। সৰু ছোৱালী তিনিজনীৰ দুজনীক নিজৰ বিয়াৰ পিছতে বিয়া দি উলিয়াই দিলে। ঘৰত আছে সৰু ছোৱালীজনী আৰু পুতেক জাফৰ।

বাপেকৰ লগত ছোৱালী আনিবলৈ সোণপাহীহঁতৰ ঘৰলৈ জাফৰ যোৱা নাছিল। ছোৱালী আহি ঘৰ সোমোৱাৰ পিছদিনা হাছমতে নিজেই ল'ৰা-ছোৱালী কেইটাৰ লগত

মাহীমাকৰ চিনাকি কৰি দিছিল। ওৰণিৰ তলেদিয়ে ন-কইনা সোণপাহীয়ে জাফৰলৈ চাইছিল, জাফৰেও নতুন মাহীমাকৰ ধুনীয়া মুখখনলৈ একেথৰে চাই আছিল।

তেতিয়া তাৰ বয়স ২৬ বছৰ। অলপ খীণ যদিও দেখাই-মেলাই ল'ৰাটো মিমান বেয়া নহয়। এযাৰ কথা সোণপাহীয়ে বুজিব নোৱাৰিছিল : ২৬ বছৰীয়া ডেকা জাফৰৰ বিয়াখন নাপাতি বুঢ়া হাছমতে নিজৰ বিয়াখন কিয় পাতিলে? জাফৰৰ বিয়া এতিয়াও পতা নাই কিয়? গাঁৱত তাৰ বয়সৰ কোনো ল'ৰাই বিয়া নকৰোৱাকৈ থকা নাই।

ঘৰখনলৈ টকা-পইচা যিদৰে আহে, সেইদৰে ওলাই নাযায়। বাপেকৰ বাকচৰপৰা মনে মনে পইচা চুৰ কৰি নি জাফৰে বাহিৰত লুকাই লুকাই খৰচ কৰে। হাছমতৰ পইচা 'হেৰায়'। সন্দেহ কৰিলেও জাফৰক ধৰা পেলাব নোৱাৰে। ঘৰৰ ল'ৰাটোৱে আৰু ঘৰৰ টকা চুৰ কৰিব নে?

সোণপাহীক অনাৰ পিছত তাইকে সন্তুষ্ট কৰিবৰ মনেৰে হয়তো হাছমতে হাত-খৰচৰ পইচা থোৱা বাকচটো চাবিয়ে স'তে সোণপাহীক গতাই দিলে। গৃহিণী হিচাপে ধনৰ পেৰাৰ চাবি হাতত ৰাখিবলৈ পোৱাত সোণপাহীয়ে গৰ্ব অনুভৱ কৰিলে। আৰু টকা-পইচাৰ নিৰ্ভুল হিচাপ কৰি বাকচৰ চাবি সদায় নিজৰ লগত ৰাখিব ধৰিলে।

জাফৰৰ বৰ অসুবিধা হ'ল।

জাফৰে অন্য উপায় পাংগলে। মাজে মাজে অৱশ্যে পঁচিশ-পঞ্চাশ পইচা সোণপাহীৰ-পৰা খুজি নিনিয়া নহয়। কিন্তু সদায় তেনেকৈ বিচাৰিবলৈ অসুবিধা আৰু সোণপাহীয়ে সহজকৈ দিবও নোৱাৰে। মনত পৰিলেই বুঢ়াই হিচাপ লয়। সোণপাহীয়ে কোনোমতে হিচাপ মিলাই বুজাই দিয়ে।

কিন্তু জাফৰে সোণপাহীৰ ধনৰ পেৰাত হাত দিয়াৰ সুবিধা কৰিব নোৱাৰি তাইৰ মনৰ পেৰাত হাত দিবৰ চেষ্টা কৰিলে। ঘৰৰ অন্যান্যই যাতে কোনো ৰকমে সন্দেহ কৰিব নোৱাৰে, এনে ধৰণে সি সোণপাহীৰ মনৰ কাষ চাপিবৰ প্ৰয়াস পালে। সম্বোধনত সোণপাহী তাৰ 'মাহী'। মাহীৰ কাষত ঘৰখনৰ একমাত্ৰ ল'ৰা জাফৰৰ আলাপ-আচাৰত আত্মীয়তা প্ৰকাশ পোৱাত অস্বাভাৱিকতা বিশেষ নাই। আৰু সোণপাহীয়েও 'পুতেক'ক সোনকালে নিজৰ আপোন কৰিব পাৰিছোঁ বুলি আত্মপ্ৰসাদ লাভ কৰিলে। আৰু দেশাচাৰ মতেই জাফৰক মৰম-চেনেহ কৰাত কোনো অশোভনীয়তা নাই বুলি প্ৰত্যয় যাবৰ প্ৰয়াস পালে। অৱশ্যে সোণপাহীয়ে ছোৱালীজনীকো অকৃত্ৰিমভাৱেই মৰম কৰি বুকুত সুমুৱাই ল'বৰ চেষ্টা নকৰাকৈ নাথাকিল।

চকুত গোপন কামনা আৰু মনত অপ্ৰকাশিত ক্ষুধা লৈ জাফৰে সোণপাহীৰ লগৰ আত্মীয়তাক ঘনিষ্ঠ সৌহাৰ্দ্য আৰু প্ৰণয়লৈ পৰিৱৰ্ত্তিত কৰাৰ চেষ্টা কৰিলে। সোণপাহীৰ বয়স হৈছিল, জীৱনত তিক্ত অভিজ্ঞতাও আহৰণ কৰিছিল। জাফৰৰ নিচিনা ২৬ বছৰীয়া অবিবাহিত ডেকা এটাৰ মনটোক বুজি পাবলৈ বেছি কষ্ট কৰিবলগীয়া নহ'ল। কিন্তু সকলো কথা গভীৰভাৱে বিবেচনা কৰি, সোণপাহীয়ে নিজক সংযত কৰি একো নজনা-নুবুজাৰ দৰে সকলো লক্ষ্য কৰি গ'ল। সোণপাহীয়ে বুজিছিল, জীৱনত আৰু কোনো নতুন ভুল কৰিবলৈ হ'লে মৃত্যুৰ মাজতো সোণপাহীয়ে আশ্ৰয় নাপাব। আৰু নিজৰ মনটোৰ গভীৰলৈ চাই তাই দেখিছিল, তাইৰ মনত যদি

তাইৰ স্বামী বুঢ়া হাছমতৰ প্ৰতিয়েই অকণমান ভাল পোৱাৰ ছিটিকনি আছে, ডেকা জাফৰৰ প্ৰতি সিমানকণো নাই। তাইৰ মনৰ মাজত জাফৰৰ কাৰণে এতিলমানো ঠাই নাই। জাফৰক তাই ভাল পাব নোৱাৰে। আৰু হাছমতৰ বিৱাহিতা স্ত্ৰী হৈ তাই অন্য কোনো পুৰুষক ভাল পোৱাৰ কথা চিন্তা কৰাও পাপ। এটা পাপৰ পৰিণামৰপৰাই তাই আজিও মুক্ত হ'ব পৰা নাই। নতুন পাপত লিপ্ত হ'ব লাগিলে তাই কাহানিও নিস্তাৰ নাপায়।

জাফৰৰ মনৰ ভাব অকণো নুবুজাৰ দৰে সোণপাহীয়ে তাক মৰম-চেনেহৰ মাজত ৰাখিবৰ চেষ্টা কৰিলে। কিন্তু দিনে দিনে সোণপাহীৰ কাৰণে এই কথা স্পষ্ট হৈ পৰিছিল যে জাফৰৰ কামনাৰ চকুৰে সোণপাহীৰ দেহাৰ ৰূপৰ বাহিৰে অন্য একো চাৰ নজনা হৈ আহিছিল।

॥ বাইশ ॥

"মৰমৰ বৌটি,

আজি ভালেমান দিন তোমালৈ চিঠি লিখা নাই। তোমাৰপৰাও পোৱা নাই। মনৰ বেজাৰতে মই চিঠি দিয়া নাই। আগৰ চিঠি এখনৰ উত্তৰ জাফৰ ককাইটিয়ে বৰ বেয়াকৈ দিছিল। সেইদেখি মই আৰু তোমালৈ চিঠি নিদিম বুলিয়ে ভাবিছিলোঁ। পিছে বিশেষ দৰকাৰত এই চিঠি লিখিছোঁ, আশাকৰোঁ সোনকালে উত্তৰ দিবা।

নানা চুকোৱাৰ পিছৰপৰা মামাহঁতে মোৰ খৰচ নপঠিওৱা হ'ল। তেওঁলোকে নপঠিয়ায় আৰু পঠিয়াবও নোৱাৰে। সেইদেখি খৰচৰ টকা বিচাৰি তোমালৈ লিখিছিলোঁ।

আজি চাৰি মাহ মই ঠিকাদাৰৰ ঘৰত মোৰ দিবলগীয়া খৰচৰ টকা দিয়া নাই। তেওঁলোকে একো নাই কোৱা যদিও মোৰ মনে মনে বেয়া লাগিছে। ঠিকাদাৰ ঘৰত প্ৰায়ে নাথাকে।

স্কুলৰ ফী দিব নোৱাৰাৰ কাৰণে মোৰ নাম কটা গ'লহেঁতেন, কিন্তু আমাৰ এজন মাষ্টৰে মই নজনাকৈয়ে মোৰ ফীজ দি আছে। তেখেতৰো অৱস্থা ভাল নহয়। স্কুলত কাম কৰি পোৱা দৰমহাৰ টকাৰে খাব-পিন্ধিবলৈকে নোজোৰে। তেখেতে আৰু দেৱী বাইদেৱে মোক বৰ মৰম কৰে। তেখেতে হেনো অলপ দিনৰ ভিতৰতে মিলিটাৰী চাকৰি কৰিবলৈ যাব। তাত বহুত টকা পায়।

মেট্ৰিক পৰীক্ষালৈ আৰু বৰ বেছি দিন নাই। এই কেইদিন যেনে-তেনে পঢ়িব পৰা হ'লে, পৰীক্ষাটো দিব পাৰিলোহেঁতেন। তুমি যদি মোৰ খৰচৰ টকা কেইটা দি থকাৰ দিহা কৰিব পাৰা, মই পঢ়িব পাৰিম। নহ'লে অন্য উপায় নাই। ময়ো পঢ়া এৰি মিলিটাৰীত কাম বিচাৰি যাব লাগিব। কি কাম পাম একো ক'ব নোৱাৰোঁ।

টকা মোক থাকলৈ দিলেও হ'ব। মই পৰীক্ষা দি উঠিয়ে কাম কৰি খাব পাৰিম, তোমালোকে চিন্তা কৰিব নালাগে।

চিঠিৰ উত্তৰৰ লগতে টকা পঠাবা। মই যাব নোৱাৰোঁ, স্কুলো খতি হ'ব আৰু মোৰ অহা-যোৱাৰ খৰচো নাই। মই ভালেই আছোঁ। আশাকৰোঁ তোমাৰো ভাল।

চিঠিৰ উত্তৰৰ কাৰণে বাট চাই থাকিলোঁ।

তোমাৰ মৰমৰ
ছমীৰ।"

তাৰ পইচাৰ অসুবিধা হোৱাৰ কথা ছমীৰে বোধেশ্বৰক কৈছিল। বোধেশ্বৰে জোৰকৈ ধৰাত সি মাকলৈ চিঠি লিখিবলৈ মান্তি হ'ল। কিন্তু পোন্ধৰ দিনৰ ভিতৰত উত্তৰ নাহিলে সি স্কুল এৰি দিয়াৰ খাটাং সিদ্ধান্ত কৰিলে।

আহমদ ঠিকাদাৰে অতদিনে তেওঁৰ ঘৰত থাকিবলৈ দি, সময় মতে তাক ভাত-চাহ দিয়াৰ ব্যৱস্থা কৰি দি যি অনুগ্ৰহ দেখুৱাইছে, তাৰ বাবে তেওঁৰ ওচৰত সি কৃতজ্ঞ। কিন্তু নানাকে কৰি থৈ যোৱা চুক্তি ভঙ্গ কৰি এতিয়া নিজে খুজি তেওঁৰপৰা অৰ্থ সাহায্য লৈ পঢ়িবলৈ সি প্ৰস্তুত নহয়। বিশেষকৈ জুলেখাই তেতিয়া তাৰ সম্পৰ্কে এটা বৰ বেয়া ধাৰণা লৈ ল'ব। সেইটো সি হ'বলৈ নিদিয়ে। সি যে মাহে মাহে জুলেখাৰ হাতত খৰচৰ টকা দি আছে, এই কথা আহমদে জানে নে নাজানে সি ক'ব নোৱাৰে। আৰু প্ৰকৃতপক্ষে জুলেখায়ো তাৰপৰা মাহে মাহে টকা বিচাৰি তাক তাগাদা নিদিয়ে। মাত্ৰ তেওঁৰ স্বাভাৱিক গহীন মাতটোৰে সোধে, "এই মাহৰ টকা আহিল নে নাই অ' ?"

এইদৰে সোধাৰ অন্য কিবা অৰ্থ থাকিব পাৰে বুলি ভাবিবৰ অৱকাশ ছমীৰৰ নাছিল। সি ধৰি লৈছিল যে নিয়মমতে টকা সি দি থাকিবই লাগিব। সম্পূৰ্ণৰূপে লোকৰ অনুগ্ৰহৰ ওপৰত নিৰ্ভৰ কৰি ইয়াত থকাটো তাৰ কাৰণে শোভনীয় নহয়। নগৰত থাকি পঢ়িবলৈ সি ঠাইহে বিচাৰিছে—সহায় বিচৰা নাই। অভিমান তাৰ জীৱনৰ লগৰীয়া। ঠিকাদাৰৰ ঘৰত অনুগ্ৰহৰ পাত্ৰ হৈ থাকি সি তাৰ সন্মান আৰু আত্মাভিমান বিসৰ্জন নিদিয়ে।

মাকলৈ চিঠি দিয়াৰ কুৰি দিন পাৰ হৈ গ'ল। অধৈৰ্য্য হৈ অস্বস্তিৰে সি হিচাপ কৰি চালে। নাই, মাকৰপৰা চিঠি বা টকা অহাৰ কোনো আশা আৰু নাই। আকৌ ফীজ দিবৰ সময় পালেহি। হয়তো এই মাহতো পূৰ্ণানন্দ মাষ্টৰে মনে মনে তাৰ ফীজ দি দিব। ছমীৰৰ বৰ অসহায় যেন লাগিল নিজকে। পূৰ্ণানন্দ মাষ্টৰে সকলো ছাত্ৰকে বৰ মৰম কৰে। এনেয়ো মানুহজন বৰ মৰমিয়াল। যাক বেছি মৰম কৰে, তাৰ নামটো তেওঁ সদায় ওলোটাই-ওভোতাই মাতি আনন্দ পায়। দয়ানন্দক কেতিয়াবা মাতে নয়াদন্দ বুলি। দেৱী বাইদেউক মাতে বেদী বুলি, সিহঁতৰ ক্লাচৰ পবনক মাতে বপন বুলি, আৰু ৰঘুনাথক মাতে গৰুনাথ বুলি। ল'ৰাবোৰে বেয়া নাপায়। ছমীৰক বৰ মৰম কৰে বুলিয়েই তাৰ নামটো ওলোটাই-ওভোতাই মাতে, কিন্তু তাক ছমীৰ নুবুলি যেতিয়া মৰিছ বোলে, তেতিয়া তাৰ লাজ লাগি যায়।

পূৰ্ণানন্দ মাষ্টৰৰ নিজৰে অভাৱ। ইপিনে যুদ্ধ লগাৰ কাৰণে বস্তুৰ দাম দিনক দিনে বাঢ়ি গৈছে। কিন্তু মানুহজনে কোনো দিন দুখ-বেজাৰ কৰিব নাজানে বুলিহে।

ছমীৰৰ লগৰ বোধেশ্বৰে ঠিক কৰি পেলাইছে যে সি স্কুললৈ যাবই। পঢ়া-শুনাত সি সিমান ভাল নহয়, আনহাতে তাৰ খৰচ-পাতিবো বৰ অভাব। কিতাপ-কাগজ, পিন্ধা কাপোৰ-কানি কেইডোখৰেই যোগাৰ নহয় গোটেই বছৰটোত। আৰু পঢ়াও নাযায়, আৰু পঢ়িও লাভ নাই। এয়ে বহুত।

দুটা কথাৰ কাৰণে ছমীৰৰ বোধেশ্বৰক ভাল লাগিছিল। বোধেশ্বৰে কোনো কথা নুলুকুৱায়, তাৰ আগত সুখৰ-দুখৰ সকলো কথা কয়। কিন্তু সি সমবেদনা বা দুতো নিবিচাৰে। সেই বিষয়ত সি ছমীৰেৰে স'তে একে। পঢ়ি-শুনি ডাঙৰ মানুহ হ'ব আমি নোৱাৰোঁ। মিছাকৈ কষ্ট কৰি মৰাৰ কি দৰকাৰ—এয়ে তাৰ যুক্তি। সি পঢ়াত ভাল নোহোৱা কাৰণে নিয়মমতে বছৰি প্ৰমোচন নাপাইছিল। গতিকে ক্লাচ নাইন পাবলৈ তাৰ যথেষ্ট দিন লাগিছিল। সি আছিল বয়সত ছমীৰতকৈ যথেষ্ট ডাঙৰ।

দ্বিতীয়তে কোনোবা এজনী ছোৱালীৰ লগত বোধেশ্বৰৰ মিল আছিল। অৱশ্যে সিহে ছোৱালীজনীক ভাল পাইছিল, ছোৱালীজনীৰ মন সি বুজিব পৰা নাছিল। দুখীয়া মানুহৰ ছোৱালী—স্বভাৱ-চৰিত্ৰও বৰ ভাল নহয় হেনো। কিন্তু বোধেশ্বৰে মাজে মাজে তাইৰ কথা তাক কৈছিল। ছমীৰে কিন্তু ছোৱালীৰ কথা শুনাটো স্কুলীয়া ল'ৰাৰ কাৰণে বেয়া কথা বুলি ভাবিছিল। তথাপি বোধেশ্বৰক তাৰ ভাল লাগিছিল।

নগৰৰ উত্তৰৰ সৰু নৈখনৰ ওপৰৰ দলংখনৰ একাষে বহি ছমীৰে অকলে অকলে চিন্তা কৰি আছিল—সি কি কৰিব। নৈখনৰ সিপাৰেই মিলিটাৰী কেম্প। বহুত মিলিটাৰী মানুহ, গাড়ী তাত জমা হৈছে। সেইবোৰ এমেৰিকান মানুহ—ওখ-পাখ, শকত শকত বগা মানুহবোৰ। সিহঁতে অতিপাত খায়—মাংস, ৰুটী, মদ, চিৰিংগাম।

দলংখনৰপৰা আধা কিলোমিটাৰ দূৰতে সেয়া এমেৰিকান মিলিটাৰী কেম্পৰ অনুজ্জ্বল লাইটবোৰ জ্বলিছে। জাপানীৰ ভয়ত ব্লেক আউটৰ অৰ্ডাৰ হৈছে। নগৰত ৰাতি লাইট নজ্বলে। মিলিটাৰী কেম্পতো লাইটবোৰ ঢাকনিৰে ঢাকি ৰখা হয়—যাতে ওপৰৰপৰা শত্ৰুৱে সৈন্য-শিবিৰ বুলি বুজিব নোৱাৰে।

তেতিয়া ৰাতি দহ বাজি গৈছিল। একেবাৰে পাতলীয়া জোনাক আছিল—দূৰৰ একো বস্তুকে স্পষ্টকৈ নেদেখি, ওচৰেদি কোনোবা পাৰ হৈ গ'লেও চিনিব নোৱাৰি।

জুপুকা মাৰি দলঙৰ একাষে বহি আছিল ছমীৰ। চকু তাৰ অদূৰৰ মিলিটাৰী কেম্পত, আৰু তাৰ পিঠিৰ পিছত পৰি আছে এখন শংকিত নগৰৰ নিৰ্জীৱ নিশ্বাস। নৈখন বৈ গৈছিল শান্তভাৱে। ক্ষীণ জোনাক পৰি পানীত অলপ তিৰ্বিৰণি উঠিছিল, কিন্তু ই আছিল বৰ অনুজ্জ্বল। বৈ যোৱা নৈখনক কুঁৱলীয়ে ঘাঁহনিত মেলি ৰখা ময়লা চাদৰ এখন যেন দেখা গৈছিল। দূৰৰ তৰাবোৰৰ পোহৰৰ উজ্জ্বলতা নাছিল।

অন্য কোলাহল নাই। মাত্ৰ মিলিটাৰী কেম্পৰপৰা সৈন্যবোৰৰ চিঞৰ-বাখৰৰ শব্দ বতাহত ভাহি আহিছিল। সেই কোলাহলত উচ্ছলতা থাকিলেও তাত এটা শংকিত অস্থিৰতাও মিহলি হৈ আছিল। হয়তো সৈন্যবোৰে খাইছিল, গাইছিল আৰু নাচিছিল।

কোনোবাই মাউথ অৰ্গেন বজাইছিল আৰু কোনোবাই সুহুৰিয়াইছিল। এই মিশ্ৰিত শব্দৰ প্ৰতিধ্বনি মাজে মাজে বৰ কৰুণ যেন শুনাইছিল।

শুনিবৰ চেষ্টা নকৰাকৈয়ে শব্দবোৰ আহি ছমীৰৰ কাণত পৰিছিলহি। তাৰ বেয়া লগা নাছিল। পঢ়া-শুনা কৰাৰ নিচিনা সভ্য-ভব্য কথা ভেতিয়া তাৰ মনলৈ অহা নাছিল। তাৰ দেহ-মনৰ ভিতৰত সি অনুভৱ কৰিছিল এটা নাম নোহোৱা উন্মাদনা।

মাজে মাজে দুই-এখন মিলিটাৰী গাড়ী পাৰ হৈ গৈছিল। সেইবোৰক তাৰ ব্যতিক্ৰম যেন লগা নাছিল। পাৰ হৈ যোৱা গাড়ীবোৰৰ শব্দ ক্ৰমে কেম্পৰ কোলাহলৰ লগত মিলি পৰিছিল। এটা শব্দমুখৰ নীৰৱতাই চৌদিশ আচ্ছন্ন কৰি পেলাইছিল।

হঠাৎ সি শুনিলে অলপ আঁতৰতে কোনোবাই খিক্‌খিকাই হাঁহিছে। তাৰ অলপ ভয় খোৱা যেন লাগিল। সি ডিঙি বেঁকা কৰি ঘূৰি চালে।

নগৰৰ ফালৰপৰা কোনোবা তিনিটা আহিছে, আৰু সিহঁতেই ঢলি ঢলি পৰি খিক্‌খিকাই হাঁহিছে। সিহঁতৰ হাঁহিটো এই ৰাতি ছমীৰৰ বৰ অশ্লীল যেন লাগিল।

সিহঁত আহি ছমীৰৰ ওচৰ পালেহি। ছমীৰ বহাৰপৰা উঠিল আৰু একপ্ৰকাৰ সিহঁতৰ মুখা-মুখি হৈ পোন হৈ থিয় দিলে।

সিহঁত ৰৈ গ'ল, সিহঁতৰ হাঁহি বন্ধ হৈ গ'ল। ছমীৰে দেখিলে তাৰ সন্মুখত মিলিটাৰীৰ নিচিনা পেণ্ট আৰু কামিজ পিন্ধা দুটা ডেকা আৰু এজনী ছোৱালী। সিহঁতৰ এটাকো সি চিনি নাপায়।

ডেকা এটাই চেপা মাতেৰে মাতিলে, "এই কোন?" তাৰ মাতটো সি কঠিন কৰিবৰ চেষ্টা কৰিছিল, কিন্তু মাতটোত এটা দুৰ্ব্বলতাহে প্ৰকাশ পালে।

ছোৱালীজনীয়ে ছমীৰৰ মুখলৈ চাই আছে।

"এইফালে তোমালোক ক'লৈ যোৱা?" কোনো উৎকণ্ঠা বা উষ্মা প্ৰকাশ নকৰি ছমীৰে সুধিলে।

"তুমিনো ইয়াত কাৰ কাৰণে চোপ লৈ বহি আছা?" এটা ডেকাই সুধিলে। তাৰ মাতত ব্যঙ্গৰ সুৰ।

সহজভাৱেই ছমীৰে ক'লে, "এনেই এইফালে ফুৰিবলৈ আহিছিলোঁ।"

এটাই অলপ খুক্‌খুকাই হাঁহি ক'লে, "এৰা, ৰাতি এঘাৰ বজাত ফুৰিবলৈ অহা ঠাইডোখৰ বেয়া হোৱা নাই। বুজিছোঁ হে বুজিছোঁ। আমাৰ আগত লুকুৱাৰ নালাগে। অলপ ৰোৱা। এইক থৈ আহি আমিও ইয়াতে ৰ'মহি। কথা-বতৰা পাতিম।"

বুজি নোপোৱাৰ দৰে ছমীৰে সুধিলে, "এওঁকনো ক'ত থৈ আহিবা?"

এটা ডেকাই হাঃ হাঃকৈ হাঁহি উঠিল, "তুমিনো ক'ত থৈ আহি ইয়াত বহি আছাহি?"

"মই! মইতো কাকো ক'তো থৈ অহা নাই। এনেয়েহে ইয়াত আহি বহি আছিলোঁ।"

ইটো ডেকাই ক'লে, "হেৰা, আমাৰ ওচৰত লুকুৱাবৰ দৰকাৰ নাই। এইদৰে

আমিও দুপইচা কৰিবলৈ, তুমিও দুপইচা কৰিছা। আৰু আমাৰ ছোৱালীবোৰেও দুপইচা কৰিছে।”

এনেতে ছোৱালীজনীয়ে ক'লে, “ব'ল, ব'ল। বাটতে কথা পাতি ৰাতি দুপৰ কৰিব নালাগে। বেছি ৰাতি হ'লে আকৌ কেম্পলৈ সোমাবলৈকে নিদিব।”

অবাক হৈ ছমীৰে ছোৱালীজনীৰ মুখলৈ চালে। কাহিলি জোনাকত তাইৰ মুখখন তাৰ বৰ কদাকাৰ আৰু বীভৎস যেন লাগিল।

ছমীৰে একাষৰীয়া হৈ দিলে। ডেকা দুটাৰ লগত ছোৱালীজনী হাঁহি হাঁহি গুচি গ'ল। হতভম্ব হৈ ছমীৰে সিহঁতৰ ফালে চাই থাকিল।

অলপ আঁতৰ হৈ ছমীৰৰ কাণত পৰাকৈয়ে ডেকা এটাই ক'লে, “একো নজনা যেন বুজাইছে। দেখিলেই বুজিব পাৰি নহয়—তাৰো এইটিয়েই কাৰবাৰ। বাৰু, আজি চিনিলোঁ নহয়।”

ছমীৰ সিহঁতৰ ফালে দুখোজ আগুৱাই গ'ল। তাৰ পিছত আকৌ ঘূৰি আহিল। কিছুপৰ সি মিলিটাৰী কেম্পটোৰ ফালে চাই থাকিল। কোনোবাই গাইছে, কোনোবাই নাচিছে, কোনোবাই মাউথ অৰ্গেন বজাইছে। এটা মিশ্ৰিত কোলাহল ৰাতিৰ আন্ধাৰত কোনো অসহায় নাৰীৰ কান্দোনৰ দৰে বতাহত ভাহি আহিছে।

॥ তেইশ ॥

ছমীৰে মাকলৈ দিয়া চিঠিৰ কোনো উত্তৰ নাহিল। তাৰ মনৰ অশান্তি বাঢ়ি যাব ধৰিলে। এবাৰ সি ভাবিলে, সি নিজেই মাকৰ ওচৰলৈ গৈ পৰিস্থিতিটো বুজি আহিব। কিন্তু তাৰ অভিমান হ'ল। মাকৰ ওচৰলৈ কেতিয়াবা সি যাব পাৰে, কিন্তু পইচা বিচাৰি কেতিয়াও নাযায়। সি লাগিলে স্কুল এৰি দিব, লাগিলে নাখাই লঘোনত মৰি যাব, তথাপি কাৰো ওচৰত হাত নাপাতে। তাৰ অভাৱ-অসুবিধা যিমানে বাঢ়িছিল, সিমানে তাৰ এই ভাবটো দৃঢ় হৈ আহিছিল। এতিয়া সি সহজভাৱেই ভাবিবলৈ আৰম্ভ কৰিলে যে মিলিটাৰীলৈ সি যাবই। হাজাৰ হাজাৰ মানুহ গৈছে। তাৰ নোযোৱাৰ কোনো কাৰণ থাকিব নোৱাৰে।

অৱশ্যে মেট্ৰিকটো পাছ কৰিব পৰা হ'লে ভাল আছিল।

পঢ়া-শুনাত সি অলপ অমনোযোগী হৈ আহিল। বাৰে বাৰে তাৰ চকুৰ আগত ভাহি উঠিব ধৰিলে সেই নৈৰ সিপাৰৰ মিলিটাৰী কেম্পটো। তালৈ গ'লেই সি কিবা নহয় কিবা কাম এটা পাই যাব। দৰমহা অলপ সৰহ হ'লেই হয় মাত্ৰ।

নিজৰ কোঠাত সোমাই সৰু আচাঁখনত সি নিজৰ মুখখন চালে। সি দেখিলে এখন তেজাল পুৰঠ মুখ, এহাল সজীৱ চকু, এখিনি দীঘল ক'লা চুলি আৰু এখন বহল কপাল। চাই থাকি তাৰ ভাল লাগিল। নাকৰ ওপৰত তাৰ শালমন এটা উঠিছিল, সেইটোৰ ওপৰত সি লাহে লাহে হাত ফুৰালে। হঠাৎ তাৰ চকুত পৰিল, তাৰ নাকটোৰ তলত, ওপৰ ওঁঠত দুডালমান মিহিন ক'লা নোম। তাৰ লাজ লাগি গ'ল। মোৰ গোঁফ গজিলেই নেকি? সি ইফালে-সিফালে চালে, কোঠাটোত কোনো নাই।

লাহে লাহে সি তাৰ কোমল লোকিখিনিৰ ওপৰত হাত ফুৰাই দিলে। এটা নাম নোহোৱা কাৰণত তাৰ আনন্দ লাগি গ'ল। শেষতৈৰি—আনন্দতে সি ক'লে, তাৰ পিছত অলপ পৰ আচাঁত নিজকে চাই থাকি সি সেইখিনিৰপৰা আঁতৰি আহিল।

ছমীৰৰ গাটো বৰ পাতল পাতল লাগিল। হঠাৎ যেন তাৰ কোঠাটো বহুত গীতৰ সুৰেৰে ভৰি পৰিছে। সি এবাৰ দুয়ো বাহু মূৰৰ ওপৰলৈ তুলি এঙামুৰি দিলে। তাৰ পিছত বাহু দুটা চকুৰ আগলৈ আনি চালে। তাৰ বাহু দুটা সঁচাকৈয়ে মাংসল আৰু শকত হৈ পৰিছে। সোঁহাতৰ ঠাৰি আৰু বাহু সি বাঁওহাতেৰে ছুই চালে। নিজৰ হাতখনলৈকে তাৰ মৰম লাগি গ'ল।

কোঠাটোৰ ভিতৰত এনেয়ে সি এটা পাক ঘূৰিলে।

হঠাৎ সি দেখিলে তাৰ কোঠাৰ দুৱাৰমুখত জুলেখা থিয় দি আছে। তেওঁৰ চকুৰে-মুখে এটা ধুনীয়া হাঁহি।

সি বৰ লাজ পালে আৰু কি কৰিব একো ঠিক কৰিব নোৱাৰি সি অপ্ৰস্তুত হৈ কোঠাটোৰ মাজতে ৰৈ গ'ল। বহুত লাজে আহি তাৰ কাণ-মূৰ ৰঙা কৰি তুলিলে।

একো নকৈ হাঁহি হাঁহিয়ে জুলেখা দুৱাৰমুখৰপৰা আঁতৰি গ'ল।

এটা অস্পষ্ট, অব্যক্ত ভাষাৰে ছমীৰে নিজকে ক'লে, 'মই ডেকা হোৱাৰ কথা তেৰোঁ জানি গ'ল।'

তাৰ আৰু লাজ লাগিল।

ফুটবল খেলা ইউনিফৰ্ম পিন্ধি সি প্ৰায় নাচি নাচিয়ে ঘৰৰপৰা ওলাই গ'ল।

সেইদিনা, সন্ধিয়াৰ পিছত আহমদ ঠিকাদাৰ ঘৰলৈ আহিছিল। তেওঁ বৰ ব্যস্ত, কিন্তু বেছি ব্যস্ত থকাৰ কাৰণেই তেওঁৰ গা অলপ অসুখ। তেওঁ দুই-চাৰি দিন ঘৰতে থাকি জিৰণি ল'ব। জুলেখায়ো জোৰ কৰিলে—'গা সম্পূৰ্ণ ভাল নহয় মানে আপুনি যাব নোৱাৰে। টকানো আমাক কেলেই? টকাৰ কাৰণে এনেকৈ দেহা মাটি কৰিবৰ কোনো দৰকাৰ নাই।'

আহমদে অসুখীয়া শুকান ওঁঠ দুটাৰে মাথোন হাঁহিলে, একো নক'লে।

ৰাতি জুলেখাই ছমীৰক ক'লে, "ছফী ডাক্তৰক মাতি আনগৈচোন যা—এতিয়াই মাতিছে বুলি ক'বি।"

ছমীৰে তেতিয়াও খেলাৰ ইউনিফৰ্ম খোলাই নাছিল। সি সেইদৰেই ওলাই গ'ল।

ছফী ডাক্তৰৰ ঘৰ নগৰখনৰ সিটো মূৰে, আহমদৰ ঘৰৰপৰা প্ৰায় এক কিলোমিটাৰ আঁতৰত। অৱশ্যে মিউনিচিপ্যালিটিৰ সীমাৰ বাহিৰেদি এটা সৰু ৰাস্তা আছে। সেইপিনেদি গ'লে বহুত ওচৰ হয়।

ছমীৰে সেইটো ৰাস্তাইদিয়ে ছফী ডাক্তৰৰ ঘৰলৈ খোনাই দিলে। দিনত দুবাৰ নে এবাৰ এইটো বাটেদি সি গৈছে। ৰাস্তাটো ঠেক আৰু অপৰিষ্কাৰ। দুয়োকাষে খেপাখেপি কিছুমান কেৰাচিনৰ টিনৰ ঘৰ, কিছুমান চাপৰ চালি আৰু কিছু অতি মলিয়ন খেলা আদিৰে সজা জুপুৰি আছে। তাত বাবে-বৰণীয়া মানুহ থাকে। মাজে মাজে দুই-এটা অলপ ভাল ঘৰো আছে। কিন্তু তাতো পিছিহ'ত নাথাকে, সেইবোৰ ভাৰা ঘৰ।

ৰাতি তেতিয়া দহ বাজি গৈছিল। ছমীৰে অলপ বেগায়ে খোজ দিছিল—ডাক্তৰৰ

ঘৰৰ ফালে। কিন্তু যেতিয়া সি সেই ঠেক গলিটোৰ মাজ পালেহি, তেতিয়া আপোনা-আপুনিয়ে তাৰ খোজ অলপ ধীৰ হৈ গ'ল। সি দেখিলে বাটটোৰ দুয়োকাষে তিৰোতা মানুহ। কিছুমান থিয় দি আছে, আৰু ইজনীয়ে-সিজনীয়ে কিবা কথা পাতি উচ্ছলভাবে হাঁহিছে। বুঢ়ীও আছে, আদহীয়াও আছে আৰু গাভৰুও আছে।

কিছুমান তিৰোতা বহি আছে। দুই-এজনীয়ে বিৰি-চিগাৰেট হুপিছে, আৰু হাঁহিছে।

নাচাবৰ চেষ্টা কৰিও সিহঁতৰ ফালে চাই চাই সি আগবাঢ়িছিল। এটা জুপুৰিৰ-পৰা দুটা মিলিটাৰী ওলাই আহিছে আৰু সিহঁতৰ পিছতে আহিছে এজনী ছোৱালী —তাইৰ গাত কাপোৰ নাই বুলিলেই হয়। ছমীৰে চকু ঘুৰাই ল'লে। আনফালে সি দেখিলে এটা ঠেক ঘৰৰ ভিতৰত কেইটামান মানুহে মদ খাই ঢলং-পলং কৰিছে আৰু অশ্লীল কিবা চিঞৰিছে। দুজনী ছোৱালীয়ে প্ৰায় অনাবৃত দেহাৰে নাচিছেই নে ঢলি ঢলি পৰিছে!

ছমীৰে খোজ অলপ বেগাই দিবৰ চেষ্টা কৰিলে।

দূৰে দূৰে মিউনিচিপ্যালিটিৰ লাইট-পষ্টবোৰ আছে। কিন্তু ব্লেক আউটৰ কাৰণে লাইট জ্বলা নাই। আকাশৰ পাতল জোনাকখিনিয়ে আন্ধাৰবোৰ অলপ পাতলাইছে। কিন্তু সকলো অস্পষ্ট, সকলো ধূঁৱলী-কুঁৱলী। বাটৰ কাষৰ লেতেৰা জুপুৰি ঘৰবোৰ, তাত কমকৈ জ্বলি থকা লণ্ঠন আৰু কেৰাচিনৰ টিপ চাকিবোৰ; আৰু বাটৰ দুয়োকাষে বহি থকা ছোৱালী আৰু তিৰোতাবোৰ, সকলো এটা অস্পষ্টতাৰ মাজত সোমাই আছে। তাৰে কোনোটো ঘৰত বেসুৰা হাৰমোনিয়াম বাজিছে, কোনোবাই চিঞৰি চিঞৰি কিবা গান গাইছে। কিন্তু সকলোকে তল পেলাই কিছুমান মিশ্ৰিত, অশ্লীল চিঞৰ-বাখৰে পৰিৱেশটো উত্তপ্ত আৰু কোলাহলময় কৰি তুলিছে।

ছমীৰৰ বৰ অস্বস্তি লাগিল! সি বেগাই ঠাইডোখৰ পাৰ হৈ যাবৰ চেষ্টা কৰিলে।

হঠাৎ দুজনী ছোৱালীয়ে তাৰ বাট ভেটি ধৰিলে।

"আৰু ক'লৈ গৈ আছা বাবু—আগলৈ আৰু নাই—" দুয়োজনীয়ে অশ্লীলভাৱে হাঁহিছে।

সি থমকি ৰ'ল। দুয়োজনীৰে মুখলৈ অস্পষ্ট জোনাকতে চালে। সি বোৱা দেখি এজনী অলপ ওচৰ চাপি আহিল আৰু তাৰ হাতখনত ধৰিলে।

"আহা, আৰু আগলৈ গৈ থাকিলে কিটো পাবা। সিফালে ধুবী-পাৰা, তাৰ সিফালেতো চব তোমালোকৰ ভদ্ৰলোকৰ ঘৰ।"

"মই ডাক্তৰৰ ঘৰলৈ যাবলৈ আহিছোঁ—"

"ডাক্তৰৰ ঘৰলৈ? কেলেই—কি হৈছে?"

সি উত্তৰ দিবলৈ নোপাওঁতেই আনজনীয়ে কৈ উঠিল, "চাও, চাও, ক'ত কি হৈছে। আহাচোন, কি হৈছে চাওঁগৈ—"

মোৰ একো হোৱা নাই, দদাইটিৰ অসুখ—"

আনজনী ছোৱালী তাৰ গাৰ কাষলৈ আহি, একেবাৰে তাৰ গাতে গা ঘঁহাই থিয় হ'ল আৰু সৰুকৈ সুধিলে—

"ডাক্তৰক দিবলৈ পইচা কিমান আনিছা ?"

"পইচা নাই অনা।" সি ক'লে।

"তুমি ভেকা মানুহটো, তোমাৰ জেপত টকা দহোটা নহ'ব নে ? চাওঁ বাৰু—"

ছমীৰে পিন্ধি থকা জাৰ্চীটোৰ জেপ নাছিল। ছোৱালীজনীয়ে তাৰ হাফপেণ্টটোৰ জেপত হাত সুমুৱাবৰ চেষ্টা কৰিলে।

এছাৰ মাৰি সি তাইৰ হাতখন আঁতৰাই দিলে আৰু ছোৱালী দুজনীক একাষৰীয়া কৰি থৈ আগবাঢ়িবৰ চেষ্টা কৰিলে।

কাষৰ জুপুৰিটোৰপৰা এটা মাত ভাহি আহিল, "ইয়ালৈ আহা বাবু, তুমিও নতুন, আমিও নতুন—"

সি সেইফালে নাচালে আৰু বেগাই খোজ দিবৰ চেষ্টা কৰিলে।

এজনী ছোৱালী আহি পিছফালৰপৰা তাৰ হাতখনত আকৌ খাপ্ মাৰি ধৰি তাক পিছলৈ টানিলে।

ছমীৰ ঘূৰি দিলে।

ছোৱালীজনীয়ে তাৰ হাতখন এৰি দিলে।

চাৰিউফালে ওচৰৰ ছোৱালী আৰু তিৰোতাবোৰে খুক্‌খুকাই হাঁহি উঠিল।

ছমীৰৰ খং উঠি গ'ল। টান মাতেৰে সি ক'লে, "মোৰ হাতত কেলেই ধৰিছিলা ?"

তাৰ কথাত আমোদ পোৱাৰ দৰে তাৰ সন্মুখৰ ছোৱালীজনীয়ে ক'লে, "হাতত নধৰি আৰুনো কিহত ধৰিম ? আহা, গৈ থাকিব নালাগে আৰু—"

আকৌ তাই তাৰ ফালে হাত আগবঢ়াইছিল। ছমীৰে তাইৰ গালতে ঠাঁচ কৰে এক চৰ বহুৱাই দিলে। ছোৱালীজনীয়ে তৰ্ক'বই নোৱাৰিলে।

হঠাৎ কেউফালৰপৰা চিঞৰ-বাখৰ উঠিল। জুপুৰিবোৰৰ ভিতৰৰপৰা দুই-চাৰিটা মতা মানুহ ঢলং-পলংকৈ ওলাই আহিল। ছমীৰে কেউপিনে চালে। এনেতে ওচৰত থকা আনজনী ছোৱালীয়ে তাক গৰা মাৰি ধৰিবৰ কাৰণে দুয়োহাত মেলি আহিল। ছমীৰে কিলাকুটি মাৰি তাইক কৰ্ফাল খুৱাই পেলালে। সি দেখিলে ইতিমধ্যে আন্ধাৰৰ মাজৰপৰা বহুত মতা-তিৰোতা আলিবাটলৈ ওলাই তাৰ ফালে দৌৰি আহিছে।

আৰু নৰৈ ছমীৰে দৌৰ মাৰিলে আৰু মুহূৰ্ত্ততে ধুৰী-পাৰা পাৰ হৈ গ'ল। সি এবাৰো পিছলৈ ঘূৰি নাচালে।

প্ৰায় লৰি লৰিয়েই সি ছফী ডাক্তৰৰ ঘৰৰ আগ পালেগৈ। তেতিয়াহে সি ঘূৰি চালে আৰু ভালকৈ উশাহ ল'লে।

সি নিজেই আচৰিত হ'ল।

মই কোন বাটেদি আহিলোঁ ? দিনততো কেতিয়াবা মই এই বাটেদি আহিছোঁ, তেতিয়া জুপুৰি ঘৰবোৰ আছিল, কিন্তু এই মানুহবোৰতো কোনো দিন দেখা নাছিলোঁ! ছোৱালী কেইজনীয়ে মোৰ বাট ভেটি ধৰিছিল কিয় ? গাত কাপোৰ-কানি নোহোৱাকৈ সিহঁতবোৰ কেনেকৈ আধা-নাঙঠ হৈ আছে!

তাৰ গাটো বৰ লেতেৰা লেতেৰা লাগিল। এনেই গাটো জাৰি-জোকাৰি নিজক স্বাভাৱিক অৱস্থালৈ আনি লৈ, সি গৈ ছফী ডাক্তৰৰ দুৱাৰমুখত ৰ'ল আৰু ডাক্তৰক মাত দিলে। ডাক্তৰ ওলাই আহিল।

॥ চৌবিশ ॥

ছমীৰে ইতিমধ্যে স্কুল খতি কৰা আৰম্ভ কৰিছে। বোধেশ্বৰ আহি আছে, কিন্তু পঢ়া-শুনাৰ লগত তাৰ সম্পৰ্ক কমি আহিছে। ছমীৰক লগ পালেই সি যুদ্ধলৈ যোৱাৰ কথা উলিয়ায়।

আকৰ্ষণ কেইবাটাও—

দৰমহাৰ উপৰিও এলাওয়েন্স দিয়ে।

খাকী কামিজ-পেণ্ট দিয়ে।

বুট জোতা আৰু উলৰ গৰম মোজা দিয়ে।

ফ্ৰী ৰেশ্বন দিয়ে।

চৰকাৰী খৰচত দেশ-বিদেশত ফুৰায়।

মাজে মাজে ছুটীও দিয়ে।

ভাল কাম কৰিব পাৰিলে প্ৰমোচনো হয় সোনকালে সোনকালে।

আমজাদ, বোধেশ্বৰ আৰু ছমীৰ বহি যুদ্ধলৈ যোৱাৰ কথা আলোচনা কৰে। পঢ়া-শুনা কৰি থাকিবলৈ তিনিওটাৰে টকা-পইচাৰ অভাৱ আৰু পঢ়ি থাকিয়েবা কি লাভ হ'ব? বয়সো যাব, ধন-পইচাও যাব, পিছত ভাল ভাল চাকৰিবোৰ ডাঙৰ মানুহৰ ল'ৰাবোৰে পাব। এনেই দুখীয়া হৈ ঘৰত মৰাতকৈ যুদ্ধত মৰাই ভাল।

'আমাৰ কাৰণে কোনে ভাবে অ' ?'

ছমীৰেও চিন্তা কৰি চায়। তাৰ কাৰণে ভাবোঁতা আজি সঁচাকৈয়ে কোনো নাই। মাকে চিঠি-পত্ৰ নিদিয়ে, খবৰ-বাৰ্তাৰ নলয়। পাভজনীয়েহে মাজে মাজে চিঠি-পত্ৰ দিয়ে। আৰুতো তাৰ কোনো নায়েই।

ইয়াত অৱশ্যে দেৱী বাইদেৱে খবৰ লয়, কিন্তু বাইদেউহঁতো কোনোবা অন্যঠাইলৈ যাবগৈ হেনো। পূৰ্ণানন্দ চাৰে মিলিটাৰী চাকৰিৰ কাৰণে ইণ্টাৰভিউ দিলেগৈ। কাগজ পোৱা মাত্ৰেই যাব লাগিব।

ছমীৰে মনে মনে ঠিক কৰিলে, সি আৰু ভাবি নাথাকে। আহমদ ঠিকাদাৰ এইবাৰ আহিলে তেওঁক কৈ সি ক'ৰবাত মিলিটাৰী কামত গুচি যাব।

দিনতে দুই-এদিন সিহঁতে নগৰত থকা ৰিক্ৰুটিং অফিচৰ আগেদি পাক মাৰি আহিল। দলে দলে ল'ৰা কাম বিচাৰি আহিছে। কি লাজৰ কথা? সিওতো এটা মতা মানুহ।

সিহঁতে সেই এমেৰিকান মিলিটাৰী থকা কেম্পটোতো দূৰে দূৰে পাক মাৰি আহিল। কওঁ কওঁ কৰিও ছমীৰে সেইদিনা ৰাতি সি দেখা দৃশ্যটোৰ কথা নক'লে, হয়তো আমজাদহঁতে তাক বৰ বেয়া ভাবিব। সি মাত্ৰ ক'লে যে আটাইবোৰ মিলিটাৰী মানুহ ভাল মানুহ নহয়। বেয়া মানুহো সিহঁতৰ মাজত আছে।

বোধেশ্বৰ আৰু আমজাদে বেয়া মিলিটাৰী সম্পৰ্কে শুনা কাহিনীবোৰ কয়।

সেইবোৰ বেয়া কথা বুলি কৈও সেইবিলাকৰ বিষয়ে আলোচনা কৰি তৃপ্তি অনুভৱ কৰে।

থিয়েটাৰ হলটো মিলিটাৰী হস্পিটেল্ কৰিছে। ওচৰতে থকা ৰায়চাহাবৰ ঘৰটো মিলিটাৰীয়ে লৈ তাত নাৰ্চবোৰক থাকিবলৈ দিছে। বগী বগী মেম নাৰ্চবোৰৰ লগতে আফ্ৰিকা আৰু ভাৰতৰ ক'লী ক'লী নাৰ্চবোৰো আছে। নাৰ্চবোৰৰ পিছে লাজ, ভয় একো নাই। মতা মানুহৰ নিচিনা ফিট্‌ফিটীয়া খাকী কাপোৰ পিন্ধে। কিছুমানে গাতে লাগি ধৰি থকা খাকী পেণ্টো পিন্ধে। ডিউটিৰ পিছত অফিচাৰবোৰৰ লগত গাড়ীত উঠি ক'ৰবালৈ গুচি যায়।

কথাবোৰ আলোচনা কৰি সিহঁতে সোৱাদ পায়। নিজে দেখা, আনৰপৰা শুনা কথাৰ লগতে সিহঁতে মনে-গঢ়া কাল্পনিক কাহিনীও জোৰা দিয়ে।

সৈন্যবাহিনীৰ জীৱনটো সিহঁতৰ চকুৰ আগত বৰ আকৰ্ষণীয় আৰু মোহনীয় হৈ ধৰা দিয়ে। তিনিওটাই প্ৰায় সিদ্ধান্ত কৰি পেলায়, সিহঁত আৰু নৰয়—যাবই।

সিহঁতৰ অনভিজ্ঞ দৃষ্টিৰ সম্মুখত যুদ্ধক্ষেত্ৰৰ ছবি এক বিচিত্ৰ সৌন্দৰ্য্য-পুৰী যেন হৈ ধৰা দিয়ে।

সেইদিনা ৰাতি ভাত খাওঁতে জুলেখা তাৰ ওচৰতে থিয় হৈ আছিল। তললৈ মুৰকৈ নীৰৱে সি ভাত খাই গৈছিল। সাধাৰণতে সি খাবৰ সময়ত তেওঁ এনেদৰে চাই নাথাকে। সি অনুভৱ কৰিলে আজি জুলেখাই তাক কিবা এটা ক'ব। তেওঁৰ মুখৰ ফালে চাবলৈ তাৰ সাহস নহ'ল।

কিন্তু সি খাই থকা সময়ত তেওঁ তাক একো নক'লে।

মুখ-হাত ধুই সি তাৰ কোঠালৈ যাব খুজিছিল—জুলেখাই ক'লে, "অকণমান ৰহচোন—"

এবাৰ তেওঁৰ মুখলৈ চাই সি ৰহিল।

তেওঁ হাতৰ মুঠিত লৈ থকা খাম এটা তালৈ আগবঢ়াই দি ক'লে, "মাৰৰপৰা চিঠি আহিছে। হোঁ—"

হঠাৎ তাৰ মনটো ভাল লাগি গ'ল। তেওঁৰপৰা চিঠিখন লৈ সি খুলিলে আৰু লেমটো অলপ ওচৰ চপাই আনি চিঠিখন পঢ়িলে।

পঢ়ি শেষ কৰি তাৰ মুখখন শুকাই গ'ল।

জুলেখাই তাৰ ফালে চাই আছিল—সুধিলে, "ভাল নে মাৰৰ ? কি লিখিছে ?"

একো নকৈ চিঠিখন সি তেওঁৰ হাতলৈ আগবঢ়াই দিলে আৰু সি তলমুৰ কৰি ৰহি ৰ'ল।

জুলেখাই চিঠিখন পঢ়িলে। চমু চিঠি, কোনোবা স্কুলীয়া ল'ৰা-ছোৱালীৰ হতুৱাই লিখাই দিছে। অন্য কথাৰ পিছত ছমীৰৰ মাকে লিখিছে যে তাৰপৰা কোনো চিঠি-পত্ৰ নাপাই তেও বৰ চিন্তিত হৈ আছে। আৰু তাৰ খৰচ-পাতি কেনেকৈ চলিছে ভাবি বৰ উদ্বিগ্ন হৈ আছে। লগতে সোণপাহীয়ে লিখিছে—'মই এটা বৰ ডাঙৰ বিপদত পৰিছোঁ। চিঠিত লিখিব নোৱাৰোঁ। যদি সময় আৰু সুবিধা কৰিব পাৰ, এবাৰ সোনকালে জৰুৰ আহি যাবি।'

অলপ পৰ জ্যুলেখা মনে মনে থাকিল। তাৰ পিছত তেওঁ ছমীৰলৈ চাই সুধিলে, "তইনো মাৰলৈ চিঠি নিদিয় কেলেই ?"

কন্দনা-মুৰা মাতেৰে ছমীৰে ক'লে, "চিঠি মই দিয়ে আছোঁ। আজি কেইবামাহো মোৰ খৰচৰ পইচা পঠিওৱা নাই দেখি মই কেইবাখনো চিঠি দিছোঁ। উত্তৰহে পোৱা নাই। পিছে বৌটিয়ে কিয় চিঠিবোৰ পোৱা নাই জানো।"

"কিজানি মাৰৰ হাতত পৰাগৈয়ে নাই। বাটতে অন্য কোনোবাই ৰাখি থৈছে ?"

ছমীৰে একো নক'লে। হয়তো হাছমতৰ পুতেকে পাই চিঠিবোৰ তাৰ মাকক নিদি লুকুৱাই থৈছে। ছমীৰে বৰ অসহায় আৰু বিমূঢ় অনুভৱ কৰিলে।

কিছুপৰ নীৰৱতাৰ মূৰত সি ক'লে, "মই একো বুজিব পৰা নাই।"

"পিছে মাৰৰ যে কিবা বিপদ হৈছে বুলি লিখিছে—"

ঢুলঢুলীয়া চকুৰে ছমীৰে জ্যুলেখালৈ চালে। ইমান দিন এই মানুহজনীয়ে কোনো দিন তাক ইমান আপোনভাৱে মাত-বোল কৰা নাই। তেওঁ সদায় দূৰে দূৰেই থাকে। আজি ছমীৰে অনুভৱ কৰিলে যেন তেওঁৰ ভিতৰত তাৰ কাৰণে বহুত মৰম লুকাই আছিল। তাৰ কান্দোন ওলাই আহিব খুজিলে।

জ্যুলেখাই তাৰ ফালে নোচোৱাকৈয়ে সুধিলে, "তই হ'ব পায় টকা খুজি মাৰলৈ চিঠি লিখিছিলি ? মাৰে টকা ক'ত পাব ?"

এই কথা ছমীৰে কোনো দিন ভবা নাছিল। ছমীৰে লাজ পোৱা যেন পালে। মাক বা হাছমতৰ ঘৰত কেনেকৈ আছে সি নাজানে। অথচ সি মাকলৈ টকা বিচাৰি চিঠি লিখি আছে।

"ওঁ, এতিয়া যা—" জ্যুলেখাই ক'লে।

ছমীৰ উঠি ভাত-খোৱা কোঠাৰপৰা তাৰ কোঠালৈ গুচি গ'ল। তাৰ মুৰ তলৰপৰা ওপৰ নহ'ল। দুঘণ্টা পাৰ হৈ গ'ল।

বাহিৰত জোনাক আছিল। আহমদৰ বাৰী-ঘৰ সকলোতে ৰূপালী জোনাকবোৰ বিয়পি পৰিছে। কিবা ফুল ক'ৰবাত ফুলিছে—গোন্ধবোৰ জোনাকৰ লগত মিহলি হৈ আহি ভিতৰ সোমাইছেহি। চৌদিশ নিমাত, নিটাল। ৰাতি হৈছে, মানুহবোৰ শুইছে। দূৰে দূৰে হোৱা অস্পষ্ট শব্দই নীৰৱতাক আৰু গভীৰ কৰিছে।

আহমদৰ ঘৰৰ লেমবোৰ নুমুওৱা হৈছে। বহল বহল খোলা খিৰিকীবোৰেদি জোনাকবোৰ ঘৰৰ ভিতৰলৈ সোমাই আহিছে।

ভৰিৰে অকণো শব্দ নকৰাকৈ, আধা মেল খাই থকা দুৱাৰখনেদি জ্যুলেখা ছমীৰৰ কোঠালৈ সোমাই গ'ল। বিচনাখন খালী পৰি আছে, ছমীৰ তাত নাই। জ্যুলেখাই ইফালে-সিফালে চালে—খোলা খিৰিকীখনৰ কাষত চকী এখনত বহি ছমীৰে একেথৰে বাহিৰৰ জোনাকৰ ফালে চাই আছে।

ঠিক একেদৰেই শব্দ নকৰাকৈ তেওঁ তাৰ কাষলৈ গ'ল আৰু তাৰ বাঁওফালে থিয় হৈ তাৰ পিঠিত লাহেকৈ হাতখন থ'লে আৰু কোমলকৈ মাতিলে, "ছমীৰ—"

ছমীৰে যেন তেওঁ তাৰ কোঠালৈ অহা ক'ব পাৰে। সি মুৰ তুলি তেওঁলৈ চালে। জোনাকৰ পোহৰত জ্যুলেখাই দেখিলে তাৰ গালৰ ওপৰেদি দুয়ো চকুৰপৰা লোতক বাগৰি আহিছে। হয়তো সি বহুত পৰ খিৰিকীৰ কাষত বহি, বাহিৰলৈ চাই চাই কান্দি আছে।

“তই কান্দিছ নেকি ? কান্দিবলৈ আকৌ তোৰ কি হৈছে—” কৈ জুলেখাই হাতৰ তলুৱাৰে তাৰ গাল দুখন মোহাৰি দিলে আৰু তাৰ গালে-মুৰে হাত ফুৰাই দিলে।

“ৰাতি বহুত হ’ল, শুই থাকাঁহি আহ। এনেকৈ বহি থাকিব নাপায় নহয়—”

ছমীৰৰ অনুভৱ হ’ল যে আজিলৈকে তাক ইমান মৰমেৰে কোনেও মতা নাই। সি লাহে লাহে বহাৰপৰা উঠিল।

জুলেখাই ক’লে, “মাৰৰ কিবা বিপদ হৈছে বুলি লিখিছে। পিছে মোৰ মনেৰে একো হোৱা নাই। তোক বহুত দিন নাই দেখা কাৰণে তেনেকৈ লিখিছে। আৰু কিবা হৈছে যদিও এদিন গৈ খবৰ কৰি আহিবি। চিন্তা কৰিলে কি হ’ব ?”

এয়া যেন সদায় মনে মনে থকা আগৰ জুলেখা নহয়, অন্য এজনী মানুহ। ছমীৰে জুলেখাৰ মুখলৈ চালে। খিৰিকীৰে ভিতৰলৈ সোমোৱা জোনাকৰ পোহৰত সি দেখিলে লাহী গাৰে এজনী বগা ছোৱালী, এখন শান্ত তেজাল মুখ, আৰু এখিনি ঘন, ক’লা চুলি।

সি আহি বিচনাখনত বহিলহি।

“ও‘, এতিয়া শুই থাক আৰু। বহুত ৰাতি হ’ল—” কৈ জুলেখা তাৰ ওচৰলৈ আহিল আৰু তাৰ মুৰত হাত ফুৰাই লাহে লাহে ওলাই গ’ল।

ছমীৰৰ কোঠাটোলৈ এজাক কোমল বতাহ সোমাই আহিছে। বতাহজাকত ৰাতি বেছি হোৱাৰ নিঃসঙ্গ গভীৰতা আছে। জোনাকবোৰ আৰু মুকলি আৰু স্বাভাৱিক হৈ পৰিছে। ছমীৰৰ মনটো পাতল আৰু মুকলি যেন লাগিল। কিন্তু শুবৰ চেষ্টা নকৰি সি চকু দুটা মেলি বিচনাতে একেদৰেই বহি থাকিল।

তেনেকৈয়ে বহুত সময় পাৰ হৈ গ’ল। দুৰৰ থানাত দুই বজাৰ ঘণ্টা মাৰিলে। লগে লগে তাৰ কোঠাৰ সিফালৰ ভাত-খোৱা কোঠাৰ ৱালক্লকটোতো দুই বজাৰ মৃদু শব্দ হ’ল।

ছমীৰৰ টোপনি ভগা যেন লাগিল। হঠাৎ সি দেখিলে তাৰ কোঠালিৰ দুৱাৰখন খোলাই আছে। দুৱাৰখন বন্ধ কৰিবৰ কাৰণে সি উঠি আহিল। সন্মুখলৈ চাই দেখিলে ভাত-খোৱা কোঠাৰপৰা জুলেখাহঁতৰ শোৱা-কোঠাৰ ভিতৰৰ দুৱাৰখনো মেল খাই আছে। অন্য দিনা দুৱাৰখন বন্ধ থাকে।

ছমীৰ নিজৰ কোঠাৰপৰা ওলাই ভাত-খোৱা কোঠাটো পাৰ হৈ জুলেখাৰ শোৱা-কোঠাৰ মেলা দুৱাৰখনৰ মুখত ৰ’লগৈ। এবাৰ সি কোঠাটোৰ ভিতৰলৈ চালে।

বহল পালেংখনৰ ওপৰত এখন ধক্‌ধক্‌ কৰে বগা বিচনা-চাদৰ পৰা আছে। পালেংখনৰ মুৰৰ ফালে এখন টিপয়ৰ ওপৰত টেবুল লেম্পটো অনুজ্জ্বলভাৱে জ্বলি আছে। দক্ষিণফালৰ খোলা খিৰিকীখনেদি পাতল পৰ্দা ভেদি অলপ কোমল জোনাক সোমাই আহিছে আৰু অলপ বেঁকা হৈ ওপৰলৈ মুকৈ জুলেখা শুই আছে।

এটা অকাৰণ কৌতুহলত ছমীৰ কোঠাটোৰ ভিতৰ সোমাই গ’ল। আৰু গৈ পালেংখনৰ কাষত ৰ’লগৈ।

জুলেখাৰ গভীৰ টোপনি। তেওঁৰ এখন হাত বুকুৰ অলপ নামনিতে থোৱা আছে, আনখন বিচনাৰ ওপৰত মেল খাই পৰি আছে। তেওঁৰ মুখখন অলপ মেল খাই আছে আৰু তলৰ ওঁঠটো অলপ আঁতৰি আহিছে।

জুলেখাৰ চাদৰখন বিচনাত পৰি আছে, আৰু ৰূতাম সুলকি থকা চোলাটোৰ মাজেদি বুকুখনৰ ভালেমানখিনি বগা ওলাই আছে।

ছমীৰে একেথৰে কিছুপৰ জুলেখাৰ ফালে চাই থাকিল। তাৰ মনত লাগিল যেন জুলেখাৰ টোপনি যোৱা মুখখন বৰ কৰুণ আৰু বিষাদময়। অলপ আগতে যেন জুলেখাই অকলে অকলে কান্দি আছিল আৰু কান্দি কান্দিয়ে যেন তেওঁ টোপনি গৈছে।

পালেংখনৰ কাষৰপৰা সি অলপ আঁতৰি আহিল। সৰু মেজখনৰ ওপৰত সি দেখিলে এখন কোৰাণ শ্বৰীফ। চিন দি জপাই থোৱা আছে। কোৰাণ শ্বৰীফ পঢ়ি পঢ়ি জুলেখাই কান্দিছিল নেকি? কিন্তু কিয়?

সি আকৌ পালেংখনৰ ওচৰলৈ গ'ল। বিচনা-চাদৰখনত হাত দি চালে, বৰ কোমল আৰু শীতল হৈ আছে।

লাহে লাহে পালেংখনৰ কাষতে সি আঁঠুকাঢ়ি বহি দিলে আৰু নিঃশব্দে গাঢ় টোপনিত উশাহ-নিশাহ লৈ পৰি থকা জুলেখাৰ ফালে অপলকে চাই ৰ'ল।

সকলোবে গভীৰ টোপনি। জগতত এতিয়া কোনেও সাৰ পাই থকা নাই। মাত্র ছমীৰহে সাৰ পাই আছে।

একেথৰে চাই থাকি থাকি ছমীৰৰ চকুযোৰ ক্রমে মুদ খাই আহিব ধৰিলে। লাহে লাহে তাৰ মুৰটো গধুৰ লাগি আহিল, তাৰ থুতৰিটো আহি বিচনাখনৰ ওপৰত ৰ'লহি।

ছমীৰে নজনাকৈয়ে এজাক গভীৰ টোপনিয়ে তাক হেঁচি ধৰিলে। তাৰ গাডোখৰ বিচনাৰপৰা তললৈ থাকিল আৰু ঢলি পৰা মুৰটো বিচনাতে দি ছমীৰ টোপনি গ'ল।

ৰাতি পুৱাবৰ সময়ত টোপনি ভাগি বিচনাৰ ওপৰত একাষে ছমীৰৰ মুৰটো দেখি জুলেখা অলপ উচপ্ খাই উঠিছিল যদিও বিচনাতে বহি তেওঁ দেখিলে, ছমীৰ সেইদৰে আঁঠু কঢ়াতে টোপনিত লালকাল। তেওঁ তাক নজগালে। সন্তৰ্পণে তেওঁ বিচনাৰ-পৰা নামিল আৰু মজিয়াতে সৰু বিচনা এখন পাৰি দি লাহেকৈ তাৰ মুৰটো বিচনাৰ-পৰা এৰুৱাই আনি তাতে শুৱাই দিলে আৰু ফজৰৰ নামাজ পঢ়িবৰ কাৰণে অজু কৰিবলৈ বাহিৰলৈ ওলাই গ'ল।

কণে সাৰ পাইছিল।

জুলেখাই কলে, "ৰাতি আজি ছমীৰে কিবা ভয় খালে হ'বপায়। মোৰ কোঠালিতে শুৱাই থৈছোঁ, এতিয়া তাক নজগাবি।"

কণে এবাৰ ছমীৰক ভূমুকি মাৰি চালে। তেতিয়া তাৰ গভীৰ শান্ত টোপনি।

তেতিয়াও ৰাতি পুওৱা নাছিল। আহমদৰ ঘৰৰ অলপ আঁতৰতে থকা মচজিদত তেতিয়া মোৱজ্জিনে ফজৰৰ আজান দিছিল। আজানৰ মিঠা দীঘল সুৰটোৱে শান্ত ঊষাৰ তন্ময়তাক মৃদু আঘাত কৰিছিল। জুলেখাই জাই-নামাজত বহি, ফজৰৰ নামাজ পঢ়িবলৈ আৰম্ভ কৰিছিল।

ছমীৰৰ তেতিয়াও গভীৰ টোপনি।

॥ পঁচিশ ॥

সোণপাহীৰ পুতেক ডেকা হ'ল। ল'ৰা-ছোৱালী ডেকা-গাভৰু হ'লে মাকবোৰ বুঢ়ী হ'ব লাগে। তাতে সোণপাহীৰ বিয়া হৈছে হাছমত বুঢ়াৰ লগত। বুঢ়ী হ'ব নোৱাৰাটো বেয়া কথা।

কিন্তু বেয়া কথা হ'লেও সোণপাহী বুঢ়ী হ'ব পৰা নাই। বুকুভৰা বেদনা বুকুত বোজা বান্ধি ফুৰিও ঘনাই ঘনাই শেষ হৈ যোৱা বছৰবোৰৰ ধূলি-মাকতি গাত সানিও সোণপাহী বুঢ়ী হ'ব পৰা নাই। তাইৰ জীৱনত, তাইৰ মনত বছৰ আৰু বেদনাৰ বহুত ক'লা আঁচোৰ লাগিছে, কিন্তু তাইৰ স্বাস্থ্য-উপচি পৰা দেহাটোত তাৰ আঁক এটাও আজিলৈকে পৰা নাই। হাছমতৰ মজিয়ালৈ অহাৰ পিছতো তাইৰ জীৱনলৈ স্বচ্ছন্দ সুখ উপভোগৰ সৌভাগ্য অহা নাই, কিন্তু তথাপি দিনক দিনে তাইৰ শ্ৰী-চেহেৰা চৰিহে গৈছে। এতিয়াহে যেন তাই নতুনকৈ গাভৰু হৈছে। তাইৰ গাল-মুখবোৰলৈ নতুন ডালিম-ফুলীয়া তেজ আহিছে। তাইৰ হাত-ভৰিবোৰ লোদোৰ-পোদোৰ হৈ পৰিছে। তাইৰ আটিল গাটো আঁহ-পাহ মেলি এজনী ন-গাভৰুৰ সকলো-খিনি ৰূপৰ ঐশ্বৰ্য্যেৰে জীৱন্ত হৈ উঠিছে।

গাঁৱৰ মৰমিয়াল তিৰোতাসকলে নিজৰ মাজতে কোৱা-মেলা কৰে, "এইহেন তিঁয়হৰ জালী যেন সোণ-চকলীয়া ছোৱালীজনীকনো হাছমত বুঢ়াটোৰ বিয়া কৰাবলৈ কিহে পাইছিল। ছোৱালীজনীৰ কেঁচা দেহাটো মাটি কৰিলে।"

"অকণমান ঘুণ লাগিছিলেই জানিবা, হাবিৰ ফুলতো মৌৱে মুখ দিয়ে, সেইবুলি এইহেন ছোৱালীজনীক এনেকৈ জীয়াই জীয়াই পুৰি খাব নালাগিছিল। আজি-কালিৰ বুঢ়াবোৰো কিবা নিলাজ-নিধক হ'ল। এই মৰিবলৈ চাই দিন থকা মৰ-কেলেপা বুঢ়াটোৱে বাৰু এই ফুকলীয়া ছোৱালীজনী বিয়া কৰাব লাগে নে ?"

"আজি-কালিৰ ছোৱালীবোৰৰো বাছ-বিচাৰ নাই অ'। তাইনো এষাৰ মাত মাতিব নাপায় নে ? আই-বোপায়েতো হাত সাৰিবলৈ চাবই। পুতেকটোকো এৰি থৈ তাই বাৰু আহিল হয় !"

"এ, বিয়া নোহওঁতেই ল'ৰাৰ মাক হোৱা ছোৱালী, কিবা গুণি-গাঁথিহে হাছমতলৈ আহিছে। কিনো বেয়া হৈছে, সেইহেন ঘৰ এখনৰ ৰাণী হৈ খাইছে। নহ'লেনো সেই কৰাইচটোৰ খায় কোনে ?"

হাছমতৰ লগত বিয়া হৈ অহাৰ পিছত সোণপাহীয়ে এটা কথা বঢ়িয়াকৈ বুজিছে, হাছমত তাইৰ ৰূপৰ বশ। এই কথাটো জানি তাইৰ মনত আনন্দ যি দৰে হ'ল, সেই দৰে তাই এটা নিৰ্লজ্জ অন্তৰ্বেদনাও অনুভৱ কৰিলে। তাই ৰূপৰ পূজাৰী নিবিচাৰে, তাইৰ নাৰীত্বক পূৰ্ণতাৰ তৃপ্তি আৰু আস্বাদ দিব পৰা এক লগৰীয়া তাই বিচাৰে। যাৰ বাহুত তাইক নিঃশেষ কৰি দিব পৰা পৌৰুষৰ মাদকতা আছে, যাৰ ওঁঠত তাইৰ দেহাৰ তৃষিত মাতৃত্বক জগাই তুলিব পৰা উন্মাদনা আছে।

হাছমতৰ একো নাই।

হাছমত এটা হুতযৌৱন, দুৰ্বল বুঢ়া—যাৰ সিবাত যৌৱনৰ জুই কাহানিবাই নুমাই ছাই হৈ গৈছে।

তথাপি হাছমত স্বামী। স্বামীৰ আশ্ৰয়ত তাই জীৱনৰ বহুখিনি অপূৰ্ণতা পূৰ্ণ হোৱা যেন অনুভৱ কৰে। হাছমতলৈ তাইৰ মৰম লাগে, হাছমতলৈ তাইৰ পুতৌ হয়। তাই মনে মনে আমোদ পায়—যেতিয়া তাইৰ মন যোগাবৰ কাৰণে হাছমতে ডেকালিৰ বিফল অভিনয় কৰি ব্যৰ্থ হয়। তাই সান্ত্বনা লাভ কৰে—যেতিয়া কিৰ্পিণ হাছমতে স্নেহৰ আতিশয্যত ধনৰ পেৰাৰ চাবি সোণপাহীৰ হাতত গতাই দিবলৈ আহে আৰু সোণপাহীয়ে নিজে নাৰাখি তেওঁৰ হাততে ৰাখিবলৈ ঘূৰাই দিয়ে।

মৰম, চেনেহ আৰু মিঠা ব্যৱহাৰেৰে সোণপাহীয়ে হাছমতৰ ল'ৰা-ছোৱালী সকলোকে অতি অলপ দিনৰ ভিতৰতে আপোন কৰি ল'লে। আনকি হাছমতৰ সোণপাহীতকৈ বয়সত ডাঙৰ বাঁৰী জীয়েকজনীয়েও সোণপাহীৰ মৰমক সন্দেহ কৰাৰ কোনো থল নাথাকিল। সকলোৱে সোণপাহীক ভাল পালে।

কিন্তু ভাল নাপালে হাছমতৰ পুতেক জাফৰে।

জাফৰ হাছমতৰ একমাত্ৰ ল'ৰা। ল'ৰাটো খীণ, হটঙা, তেল-ক'লীয়া। ডেকা ল'ৰা যদিও তাৰ গাত ডেকাৰ শ্ৰী-চেহেৰা নাই। বৰ বেছিকৈ বিৰি খায়, কাম-বন বিশেষ একো নকৰে। সদায় বেজাৰমুৱা আৰু গেঁঠেলা হৈ থাকে। কাৰো লগতে বৰকৈ হলি-গলি নকৰে। মাজে মাজে গাঁৱৰ ল'ৰা-ছোৱালীৰ লগত চিঞৰি চিঞৰি কাজিয়া কৰে। কেতিয়াবা বাপেক আৰু বাঁৰী বায়েকজনীৰ লগতো কাজিয়া আৰু চিঞৰ-বাখৰ কৰে।

খৰচ-ভগনৰ ক্ষেত্ৰত সি বাপেকতকৈও কিৰ্পিণ। ঘৰত তেল-নিমখ অকণমান বেছি খৰচ হোৱা যেন দেখিলেও সি চিঞৰ-বাখৰ লগায়। সোণপাহীয়ে লাজ পায়। এইখন ঘৰত কেনেকৈ চলিব—চিন্তা কৰি তাই আমোদ পায়। তালৈ খং উঠাৰ পৰিবৰ্তে তাইৰ হাঁহি উঠে।

পোনপটীয়াকৈ জাফৰে সোণপাহীক একো নকয়। অৱশ্যে সোণপাহীৰ বিষয়ে উল্লেখ কৰিবলগীয়া হ'লে 'নতুন মাহী' বুলিয়েই কয়। কিন্তু সোণপাহীয়ে সদায় তালৈ অলপ ভয় কৰি চলে। ল'ৰাটো গোঁৱাৰ আৰু তাৰ বিচাৰ-বুদ্ধিও বৰ কম। অৱশ্যে আনকেইটা ল'ৰা-ছোৱালীক কৰাৰ দৰে সোণপাহীয়ে তাকো মৰম-চেনেহ কৰিব খোজে। কিন্তু সি আঁতিৰে আঁতিৰে ফুৰে। মাজে মাজে সোণপাহীৰ তাক একো নুবুজা যেনেই লাগে।

দিনত ইফালে-সিফালে ওলাই গ'লেও ৰাতি হাছমত সদায় ঘৰতে থাকে। ঘৰ-বাৰীবোৰ গাঁৱৰ হিচাপত ভালেই। অন্ততঃ বেৰ-চাল, দুৱাৰ-খিৰিকীবোৰ মজপুত। গাঁৱত চোৰলৈ ভয় নোহোৱা নহয়। হাছমতৰ দুপইচা আছে বুলিও বাইজে জানে। বেৰ-চাল মজপুত নহ'লে ভালদৈ টোপনি যোৱাটোও ভয়ৰ কথা। হাছমতৰ বাৰীৰ চাপতো ওখ চকোৱা আছে। ৰাতি জপনা মাৰি থ'লে বাহিৰৰ কোনোৱে সহজে ওলোৱা-সোমোৱা কৰিব নোৱাৰে।

ৰাতি শোৱাৰ আগতে এবাৰ হাছমত বুঢ়াই হাতত চাকি লৈ জপনা-দুৱাৰ বন্ধ কৰা হ'ল নে নাই, চাইহে শুবলৈ যায়।

মাজু জীয়েকৰ বৰ টান নৰিয়াৰ বাতৰি পাই, বাঁৰী জীয়েকক লগত লৈ হাছমত জীয়েকৰ ঘৰলৈ গ'ল। তাৰপৰা প্ৰায় চৌবিশ কিলোমিটাৰ দূৰৰ এখন গাঁৱত মাজু জীয়েকৰ ঘৰ। দুই কিলোমিটাৰ খোজকাঢ়ি গৈ বাকীডোখৰ বাচেৰে যাব লাগিব।

যোৱাৰ আগতে হাছমতে জাফৰক ক'লে, "তই ক'লৈকো নাযাবি, ঘৰতে থাকিবি। গৰু-গাই কেইটা আহিল নে নাই অলপ বিচাৰ কৰিবি। আৰু মাহীয়েৰক কিবা লাগে-ভাগে নে চাবি। আমাৰ বা কেইদিন হয়।"

জাফৰে নীৰৱে শুনি থাকিল, একো নক'লে। চকুৰ কোণেৰে সোণপাহীয়ে এবাৰ জাফৰৰ মুখলৈ চালে, তাৰ মনৰ ভাব বুজিবৰ চেষ্টা কৰিলে। তাৰ নিৰ্বিকাৰ মুখখন দেখি একো বুজিব নোৱাৰিলে।

হাছমতহঁত ওলাই যোৱাৰ অলপ পিছতে কাকো একো নোকোৱাকৈ জাফৰো কেনিবা ওলাই গ'ল। কাকো মাত লগাই যোৱাৰ অভ্যাস তাৰ নাই।

সন্ধিয়া লাগি ভগাৰ পিছতো জাফৰ ঘূৰি নাহিল। সোণপাহীয়ে নিজেই গৰু-গাই বান্ধিলে, লেম-চাকি জ্বলালে আৰু ভাত-পানী ৰন্ধাত লাগিল।

জাফৰ যেতিয়া ঘৰলৈ ঘূৰি আহিল, তেতিয়া ভাত-পানী খাই তাৰ সৰু ভনীয়েক-জনী শুই পৰিছে। মাথোন তাক ভাত বাঢ়ি দিবৰ কাৰণে সোণপাহীহে অকলে বিচনাতে বহি আছে।

সি মতা শুনি সোণপাহীয়ে আহি দুৱাৰ মেলি দিলে। ইমান ৰাতিলৈকে ক'লৈ গৈছিল সোণপাহীৰ সুধিবৰ ইচ্ছা আছিল, কিন্তু নুসুধিলে। তাই মাথোন ক'লে, "আহিলা—"

বয়সত তাইতকৈ ডাঙৰ কাৰণে সোণপাহীয়ে জাফৰক 'তুমি' বুলি মাতে।

একো নকৈ জাফৰ ভিতৰলৈ সোমাই আহিল আৰু দুৱাৰখন শলখা লগাই বন্ধ কৰিলে।

"ভাত বাঢ়োঁগৈ নে?"

"ওঁ—"

সোণপাহী ৰান্ধনিশাললৈ গ'ল। হাত-মুখ ধুই সিও ভাত খাবলৈ বহিলগৈ। সোণপাহীয়ে তাৰ মুখলৈ চালে, ইমান নিৰস আৰু কঠিন তাৰ মুখখন! সি যেন এটা ডেকা ল'ৰা নহয়েই। মুখখন মলিন, চকু দুটা সোমোৱা, ওঁঠ দুটাত তেজ নাই—শেঁতা, হাতৰ ঠাৰিবোৰ খীণ। যেন ল'ৰাটো বহুতদিনীয়া বেমাৰৰপৰাহে উঠি আহিছে। তাক দেখি সোণপাহীৰ বেয়াই লাগিল।

নীৰৱে ভাত খাই জাফৰ উঠি আহিল।

সোণপাহীয়ে ক'লে, "তুমি বহাগৈ, মই বাটি-কাঁহীকেইটা সামৰি গৈছোঁ।"

তেতিয়াও একো নকৈ জাফৰ সোণপাহীহঁতৰ কোঠালৈ আহিল আৰু তাত থকা পুৰণি বেতৰ মুঢ়াটোতে বহিল।

অলপ পৰৰ পিছতে ৰান্ধনিশালৰ দুৱাৰ জপাই, সোণপাহীও আহি বহিলহি। বিচনাৰ ওপৰতে বটাটো লৈ তাই তামোল কটাত লাগিল।

তাই অনুভৱ কৰিলে জাফৰে একেথৰে তাইৰ ফালে চাই আছে। তাই তললৈ মুৰকৈ তামোল কাটি থকাৰ মাজতে নীৰৱতা ভঙ্গ কৰি ক'লে, "বাবাৰৰ লগত

তোমাৰ বিয়াখন পতাৰ কথা হৈছিলো। সেনেকালে তোমাৰ বিয়াখন পাতি পেলাব খুজিছো।"

"কি ?" হুটা মাতেৰে জাফৰে ক'লে।

"ও', তোমাৰ বিয়া আৰু নাপাতিলে হ'ব নে ? ক'ৰ ছোৱালী লাগে আমাক দেখুৱাই দিয়া, আমি ধৰোঁগৈ।"

তামোলখন জাফৰলৈ আগবঢ়াই দি সোণপাহীয়ে তাৰ মুখলৈ চালে। সি একেথৰে তাইলৈকে চাই আছে। কিন্তু তাৰ মুখৰ অকণো পৰিবৰ্ত্তন হোৱা নাই।

আকৌ সোণপাহীয়েই ক'লে, "তোমাকনো পিছে ক'ৰ ছোৱালী লাগে ?"

তামোলখন হাতত লৈ থাকিয়ে জাফৰে ক'লে, "মোক লগা ছোৱালীজনী আনি দিব পাৰিবা ?"

হ'হাৰ নিচিনা কৰি সোণপাহীয়ে ক'লে, "আগেয়ে তুমি বাৰু দেখুৱাই দিয়াচোন, আমি খুজি-মেলি চাওঁ। কেলেইনো নিদিব ?"

"তোমালোকে কেতিয়াও নোৱাৰা—" দৃঢ়ভাৱে জাফৰে ক'লে।

"ক'ৰনো ৰজাৰ জীয়েকজনী চাই থৈছা ? আমি ধৰিলে যে নিদিব ?" এইবাৰ সোণপাহীয়ে হাঁহিয়ে ক'লে।

হঠাৎ জাফৰ বহাৰপৰা উঠিল। দুখোজ সোণপাহীৰ বিচনাখনৰ ফালে আগুৱাই আহিল।

সোণপাহীয়ে খহি যোৱা চাদৰখন ভালকৈ ল'লে আৰু তামোল কটা কটাৰীখনৰ আগত লাগি থকা চুণখিনি চঁচি চঁচি এৰুৱাবৰ চেষ্টা কৰিলে।

জাফৰ আহি সোণপাহীৰ ওচৰতে ব'ল আৰু এটা চেপা, হুটা মাতেৰে সুধিলে, "বাবালৈ তুমি কেলেই বিয়া হৈছিলা ?"

তাৰ প্ৰশ্নটোত সোণপাহী অলপ সংকুচিত হ'ল। তাই বিচনাখনতে অলপ কুঁচি-মুচি বহিবৰ চেষ্টা কৰিলে।

সৰুকৈ শুন-নুশুন মাতেৰে তাই ক'লে, "কি হ'ল পিছে ?"

তল মূৰ কৰি জাফৰে আকৌ আঁতৰি গৈ মূঢ়াটোত বহিলগৈ।

এটা অস্বস্তিকৰ নীৰৱতাই কোঠাটো আগুৰি ধৰিলে। লেমটোৰ দুৰ্ব্বল পোহৰখিনি ম্লান হৈ গ'ল।

একেই শুকান মাতেৰে জাফৰে ক'লে, "তুমি বৰ ভুল কৰিলা, বাবালৈ তুমি বিয়া হ'ব নালাগিছিল।"

সোণপাহীয়ে মূৰ তুলি জাফৰৰ ফালে চালে। জাফৰে তাইলৈ চোৱা নাই। তল মূৰ কৰি কথাবোৰ কৈছে।

পৰিস্থিতিটো সলনি কৰিবৰ কাৰণে হাঁহিবৰ চেষ্টা কৰি সোণপাহীয়ে ক'লে, "আমাৰ কথা বাৰু বাদ দিয়া। যি হ'ল, হৈ গ'ল। এতিয়া তোমাৰ বিয়াখন পাতিব লাগে। বাবাৰ ঘূৰি আহক, এইবাৰ কিন্তু নেৰিছোঁ।"

কৈ সোণপাহী বিচনাৰপৰা নামিল। আৰু বটাটো নি মূৰ-শিতানৰ সৰু মেজখনৰ ওপৰত থ'লে। মেজৰ ওপৰত থকা সৰু আৰ্চীখনত তাইৰ মুখখন তাই দেখা পালে। এখন গাঢ়ত, তেজাল মুখ। এতিয়া যেন আৰু ৰঙা পৰিছে।

সেইখিনিবপৰাই সোণপাহীয়ে ক'লে, "কি ভাবি আছা ! ভয় খাব নালাগে। আমি সকলো কৰিম। আমি আছোঁ নহয়—"

তাৰ পিছত সোণপাহী বিচনালৈ আহিল আৰু অলপ জাৰি-জোকাৰি লৈ বিচনাত কাতি হৈ শোৱাৰ আয়োজন কৰিলে। জাফৰক যাবলৈ কোৱাৰ কোনো প্ৰয়োজন তাই অনুভৱ নকৰিলে। যেতিয়া মন যায় সি যাব। হয়তো 'শুই থাকাগৈ যোৱা' বুলি ক'লে সি বেয়াই পাব। ঘৰখনৰ ভিতৰত আজিলৈকে সোণপাহীয়ে তাকহে বশ মনাব পৰা নাই। জাফৰক হাত কৰিব পাৰিলেই তাইৰ আৰু চিন্তাৰ কাৰণ নোহোৱা হ'ব। কিন্তু ই বৰ কেঁচা আৰু কঠুৱা। সহজে তাক বলাব পৰাৰ আশা নাই।

তাক তললৈ মুৰ কৰি ভাবি থকা দেখি সোণপাহীয়ে মিচিক মিচিক হাঁহিছিল। বিয়াৰ কথা ক'লে চিন্তা কৰিবলগীয়া নাথাকিলেও ল'ৰাবোৰে চিন্তিত হৈ দেখুৱায়। এইবোৰ সোৱাদ লগা চিন্তা।

চকু আধা-মুদা কৰি জাফৰৰ ফালে চাই থাকি সোণপাহীয়ে টোপনি যোৱাৰ নিচিনা কৰিলে।

জাফৰ বহাৰপৰা উঠিল। অলপ পৰ থিয় দি ৰ'ল। তাৰ পিছত আহি সোণপাহীৰ বিচনাৰ কাষত ব'লহি। সোণপাহীয়ে চকু দুটা আৰু মুদি দিবৰ চেষ্টা কৰি পৰি থাকিল।

"টোপনি গলা নেকি ?" তেনেই সৰুকৈ সি ক'লে।

সোণপাহীয়ে একো নামাতিলে।

অলপ সময় অপ্ৰস্তুতভাৱে সি বৈ থাকিল, তাৰ পিছত সোণপাহীৰ গাৰ কাষতে বহিল। তেতিয়াও সোণপাহীয়ে লৰচৰ নকৰিলে। আৰু অলপ পৰ বৈ, সি অলপ বিব্ৰতভাৱে সোণপাহীৰ হাতখনত ধৰিলে।

উচপ্ খাই উঠাদি উঠি সোণপাহীয়ে কৈ উঠিল, "কোন ?" তাই বিচনাতে বহি দিলে আৰু এনেয়ে চকু দুটা মোহাৰি টোপনিবপৰা সাৰ পোৱাৰ দৰে ভগা ভগা মাতেৰে ক'লে, "এ, তুমি ! তুমি শোৱাগৈ নাই নেকি ? এঃ, মোৰ টোপনি আহি গৈছিল।"

সোণপাহীয়ে গাৰ কাপোৰবোৰ টানি-টুনি ঠিক কৰি ল'লে। জাফৰে তাইৰ গাটোলৈ চাই আছে।

সোণপাহীয়ে এটা আনন্দ অনুভৱ কৰিলে। জাফৰে তাইৰ ৰূপৰ কাষত আত্ম-সমৰ্পণ কৰিছে।

এঙামুৰি এটা দিবৰ কাৰণে হাত দুখন মুৰৰ ওপৰলৈ তুলি তাই জড়িত মাতেৰে ক'লে, "ৰাতি বহুত হোৱা নাই জানো ? মোৰ যে এনে টোপনিয়ে ধৰিছে।"

তাৰ পিছত জাফৰৰ মুখলৈ চাই হাঁহি তাই ক'লে, "তোমাৰ জানো টোপনি অহা নাই ?"

একো নকৈ জাফৰে সোণপাহীৰ হাতখন নিজৰ হাতৰ মাজত ল'লে।

এজনী আভুৱা ছোৱালীৰ দৰে তাই ক'লে, "মোৰ হাতখনতনো কি আছে ?

হঠাৎ জাফৰে শুকান মাতেৰে ক'লে, "তুমি বাবাৰ লগত কেলেই বিয়া হ'লা ? তুমি জানো একো বুজা নাই ?"

অলপ সময় সোণপাহী নিশ্চল হৈ ৰ'ল। হঠাৎ তাই কঠিন হৈ দিলে আৰু ক'লে,

"হ'ল আৰু বাবাৰৰ লগত বিয়া। কিটো বুজিব লাগে ? যোৱা শুই থাকাগৈ। মোৰ বৰ টোপনি আহিছে।"

কৈ তাই জাফৰৰ মুখলৈ চালে। জাফৰে লৰচৰো কৰা নাই, তাইৰ হাতখনো এৰি দিয়া নাই। সি মানুহটো ক'পিছে, তাৰ মুখখন শুকাই গৈছে।

হঠাৎ সি সোণপাহীৰ কোলাত এটা সৰু ল'ৰাৰ দৰে মূৰটো সুমুৱাই দিলে আৰু কন্দনা মাতেৰে ক'লে, "মই মৰি যাম—মই মৰি যাম ! তুমি নাই বুজা কেলেই ?"

সোণপাহীৰ ওঁঠত হাঁহি বিৰিঙি উঠিল। তাই এটা সৰু ল'ৰাক দিয়াৰ দৰে তাৰ চুলিৰ মাজত আঙুলি বুলাই দি দি ক'লে, "নাপায় নহয় ! বাবাৰৰ লগত মোৰ বিয়া হৈ গ'ল যেতিয়া অন্য ৰকমে ভাবিব নাপায় নহয় ! গুনাহ হ'ব।"

জাফৰে মাথোন অবুজৰ দৰে ক'লে, "নহ'লে মই মৰি যাম, তুমি মৰম নুকৰিলে মই মৰি যাম, মই ক'ৰবালৈ গুচি যাম।"

"মইনো মৰম নকৰিম কেলেই ? নাই কৰা জানো ?"

কৈ সোণপাহীয়ে তাৰ মূৰটো কোলাৰপৰা দাঙি ধৰিলে। সি এবাৰ সোণপাহীৰ মুখলৈ চালে। তাৰ চকুত হাজাৰ যুগৰ বুভুক্ষা। এই চাৱনিৰ অৰ্থ সোণপাহীয়ে বুজি পায়। এই চাৱনিত আত্ম-সমৰ্পণৰ বন্য হিংস্রতা আছে। জাফৰৰ তেল-ক'লীয়া মুখখন সজীৱ হৈ ৰঙা পৰি উঠিছে।

একো নকৈ সোণপাহী আকৌ শুই পৰিল।

জাফৰে অলপ পৰ তাইৰ মুখলৈ চাই থাকিল। তাৰ পিছত সোণপাহীৰ বুকুৰ মাজত মুখখন সুমুৱাই দিলে।

তাৰ মূৰটোত হাত দি তাৰ মুখখন আঁতৰাবৰ চেষ্টা কৰি সোণপাহীয়ে ক'লে, "কিনো সৰু ল'ৰাৰ নিচিনাখন কৰিছা ? বুঢ়ী মানুহৰ লগত সেইবোৰ ধেমালি কৰে নে ? যোৱা শুই থাকাগৈ।"

তেতিয়া জাফৰৰ ওঁঠে সোণপাহীৰ বুকুৰ অমৃত স্পৰ্শ কৰিছে। সি অধৈৰ্য্য হৈ পৰিছে। তাৰ মুখখন আঁতৰাবৰ এটা দুৰ্ব্বল চেষ্টা কৰি বিফল হৈ সোণপাহীয়ে সৰুকৈ ক'লে, "এইবোৰ নাপায় ! কোনোবাই জানিবলৈ হ'লে, মৰিবা।"

মুখখন নাতৰোৱাকৈ জাফৰে সোণপাহীক দুয়ো হাতে জোৰেৰে সাৱটি ধৰিলে।

লেমটো মূৰ-শিতানত জ্বলি আছে। সিটো কোঠাত সৰু ছোৱালীজনীৰ ঘোৰ টোপনি। পৃথিৱীখন নিস্তব্ধ।

হঠাৎ সোণপাহীৰ কিবা কথা এটা মনত পৰিল। বহুত দিনৰ আগৰ এনেকুৱা এটা ৰাতিৰ অসহায় দুৰ্ব্বলতাৰ স্মৃতি তাইৰ চকুৰ আগত ভাহি উঠিল। তাইৰ প্ৰথম যৌৱনৰ দুৰ্ব্বোধ্য আৱেগ-উন্মাদনাত, অতীত-ভৱিষ্যৎ একো চিন্তা নকৰি তাই নিজক এৰি দিছিল এজন ডেকাৰ দুটা মৰমী বাহুৰ মাজত। পৃথিৱীখনৰ কথা তাই পাহৰি গৈছিল। তাই মাথোন নিজকে নিঃশেষ কৰি দিয়াৰ মুহূৰ্ত্তত অব্যক্ত ভাষাৰে বাৰে বাৰে কৈছিল, "মই তোমাক ভাল পাওঁ, মই তোমাৰ, মই চিৰদিন তোমাৰ !"

জাফৰৰ অধীৰ ক'পা হাতখনে সোণপাহীৰ দেহাটোক চিনি পাবৰ যত্ন কৰিছিল। অলপ পৰ সোণপাহী নিশ্চল হৈ পৰি থাকিল। তাইৰ ক্ৰমে সংযম হেৰুৱাই অহা দেহাটোৰ লগত তাইৰ মনটোৱে যুঁজিবলৈ আৰম্ভ কৰিলে।

কেইটামান মুহূৰ্ত্ত।

হঠাৎ সোণপাহীয়ে বিচনাতে বহি দিলে। তাইৰ গাৰপৰা জাফৰৰ হাতখন টান মাৰি এৰুৱাই আনিলে। কিন্তু কঠিন নোহোৱাকৈ মৰম লগাকৈয়ে ক'লে, "ও' হ'ল আৰু নাপায়। মাকৰ গাখীৰতহে তেনেকৈ খায়।"

জাফৰ যেন দুৰ্ব্বল হৈ পৰিল। সি নিজক সোণপাহীৰ কাষৰপৰা অলপ আঁতৰাই নিলে আৰু নীৰৱে তল মূৰ কৰি বহি থাকিল।

এটা সৰু ল'ৰাক মৰম কৰাৰ দৰে সোণপাহীয়ে তাক গালে-মূৰে হাত ফুৰাই দি ক'লে, "কোনেও নেদেখিলেও আল্লাই সকলো দেখি আছে। বৰ ডাঙৰ গুনাহ হ'ব। এনেই মৰম কৰিম দেই! সেইবিলাক নকৰিবা।"

তাৰ পিছত হুঁহাৰ নিচিনা কৰি ক'লে, "সোনকালে তোমাৰ বিয়া পাতি দিম। তেতিয়া আৰু মৰম বিচাৰি মোৰ ওচৰলৈ নাহিলেও হ'ব।"

এটা ক্লান্ত অবুজ শিশুৰ দৰে জাফৰ বিচনাখনৰ এদাঁতিয়ে দীঘল দি শুই পৰিল। অসহায়ভাৱে সি যেন কাৰোবাৰ মৰমৰ আশ্ৰয় বিচাৰিছে।

সোণপাহীয়ে তাক নিজৰ বিচনালৈ উঠি যাবলৈ নক'লে। তাই বিচনাৰপৰা নামি আহিল আৰু জাফৰৰ হাত-ভৰিবোৰ পোনাই দিলে। সি অলপ সময় সোণপাহীৰ হাতখনত আকোঁ ধৰি থাকিল। সোণপাহীয়ে আপত্তি নকৰিলে।

লাহে লাহে সি টোপনি গ'ল।

॥ ছাব্বিশ ॥

মনটো নতুন হ'লে পৃথিৱীৰ সকলো নতুন যেন লাগে। চিনাকি বস্তুবোৰকে আচহুৱা, অচিনাকি যেন লাগে। মনটোৱে কয়, 'এয়া তোমাৰ লগত মোৰ প্ৰথম চিনাকি। তুমিও নতুন, ময়ো নতুন। এয়া নতুনৰ স'তে নতুনৰ পৰিচয়!'

লাহে লাহে ছমীৰ আগবাঢ়িছিল। 'গাঁৱত এই এটা সুবিধা। খৰখেদা কৰিবৰ দৰকাৰ নহয় কাহানিও। তাতে তাৰ পুজাৰ বন্ধ আছে।' কেইবা দিনো স্কুল ছুটী। বন্ধত ছমীৰ তাৰ নানাকৰ গাঁৱলৈ আহিছে। আজি কেইবা মাহৰো মূৰত। এৰা, কেইবা মাহো সি গাঁৱলৈ অহা নাই।

মাজ আহিনৰ সেউজ-কুমলীয়া গাঁও। তাৰ চকুৰ আগত বাটৰ দুয়ো কাষে শেষ নোহোৱা কেঁচা ধাননিবোৰ। শাওণৰ কেইদিনৰ ভিতৰতে খেতিয়কহঁতে কেনেকৈনো ইমানবোৰ মাটি ৰুই পেলালে, ভাবিলেও আচৰিত লাগে। মাজত ক'তো অকণো শুইন নাই—কোমল বতাহত আপোন-মনে হালি-জালি থকা কেঁচাপতীয়া ধাননিবোৰ। প্ৰতিখিলা ধান-পাতক কিবা এটা কৈ কৈ, নাচনী বতাহজাক এফালৰপৰা বৈ গৈ থাকে। বতাহজাক গাত লগাৰ লগে লগে ৰোৱাবোৰৰ গাত দেওধনি লাগে। সিহঁতে ঢলি ঢলি নাচে।

জোতাযোৰ ছমীৰে সোলোকাই ল'লে। এনেকুৱা বনগজা কোমল মাটিত শুদা ভৰিৰে খোজ কাঢ়িহে ভাল লাগে। ভৰিৰ আঙুলিত অকণ অকণ সেমেকা মাটি

লাগে, পায়জামাৰ পাতলিত বনগুটি, বিয়নী-সাৰটো লাগে। হাওলি থকা ধান-পাতে কলাফুলত কোবায়, নাকত জহালি পথাৰৰ নতুন গোন্ধ লাগে।

তাৰ হাতত সৰু টোপোলাটো। বন্ধত সি এনেয়ে থাকিব নে? সি দুটামান কিতাপ লৈ আহিছে আৰু এটা আধা-পুৰণি ফুটবল—মোমায়েকৰ ল'ৰা কেইটাই খেলিব। আৰু অলপমান মিঠাই—দুভাগ কৰি আনিছে, এভাগ পাভৰ কাৰণে, ইভাগ মোমায়েকৰ ঘৰৰ কাৰণে।

জুলেখাই যেতিয়া তাক ঘৰলৈ আহিবলৈ টকা কেইটা দিছিল, তাৰ ল'বৰ মন নগৈছিল। তাৰ লাজ লাগিছিল। পিছে তেওঁ যেতিয়া ক'লে, "লৈ যা। এনেই দিয়া নাই। 'মাৰৰপৰা আন', 'মোমায়েৰৰপৰা আন', আনি ধাৰ মাৰিবি। আৰু তই এতিয়া ডাঙৰ ল'ৰা হ'লি, নগৰ-চহৰৰপৰা ঘৰলৈ যাবি, শুদা হাতে যাব নাপায়।"

সি লৈছিল। কিন্তু মনে মনে তাৰ চিন্তা হৈছিল, ঘূৰি আহি যদি ধাৰ মাৰিবহি নোৱাৰে!

টোপোলাটোৰ লগতে জোতাযোৰো সি হাততে ল'লে। তাৰ মনটো পাতল লাগিছিল। সৰু টোপোলাটো আৰু পাতল যেন লাগিছিল। বাচ যোৱা আলিবাটৰপৰা ভাল আলিয়েদি পোনাই গ'লে সিহঁতৰ গাঁৱলৈ পাঁচ কিলোমিটাৰমান পৰে, কিন্তু পথৰুৱা আলিয়েদি পোনাই গ'লে ডেৰ কিলোমিটাৰমান চমু হয়। তাৰ সোনকালে ঘৰ ওলাবৰ মন গৈছিল। সি খোজ বেগাই দিয়া নাছিল, মাত্ৰ চমু বাটেদি পোনাইছিল। আহিনৰ ধাননিয়ে তাৰ মনটোৰ আঁচলত ধৰি পিছলৈ টানিছিল।

গাঁৱৰ সীমা পাই তাৰ মনটো অলপ দমি যোৱা যেন অনুভৱ কৰিলে সি। ঘৰ—তাৰতো নিজৰ ঘৰ বুলি ঘৰ এখন নাই। আছে তাৰ ককাদেউতাকৰ ঘৰ। এতিয়া নানাও নাই। আছে মোমাই-মামীহঁত। মোমাইৰ ঘৰ জানো মোৰ নিজৰ ঘৰ! কোনেই বা তাত মোৰ কাৰণে বাট চাই আছে? কোনেই বা তাত আগবাঢ়ি আহি মোক আহ বুলি মাতিব? কোনেই বা তাত যাওঁ বুলিলে 'আজি নালাগে যাব' বুলি হাতত ধৰি টানিব? ইমান আশা কৰি, ইমান হেপাহ কৰি মইনো আহিছোঁ ক'লৈ?

ছমীৰৰ খোজবোৰ ধীৰ হৈ আহিল। তথাপি তাৰ আনন্দ লাগিল। অইন কোনো তাক মাতোঁতা নাথাকিলেও, ইয়াৰ চিনাকি-অচিনাকি গছ-বনবোৰেই, বাট-পদুলিবোৰেই, পথাৰৰ ধূলি-বোকাবোৰেই তাক মৰমেৰে মাতিছে। এইখন জনমদায়িনী গাঁও। জনম দিয়া আইতকৈও ডাঙৰ। বৌটি আজি ইয়াত নাই, কিন্তু গাঁওখন যাব ক'লৈ? গাঁওখন আছে। আয়ে মোক পাহৰিলে, গাঁওখনে পাহৰিব পাৰে নে? পদুলিৰ মুৰে মুৰে কুকুৰবোৰ শুই আছে। সিহঁতৰ আগেদিয়ে পাৰ হৈ আহিছোঁ। সিহঁতে মুৰ তুলি চায়। মোক চিনি পায়। হামি এটা মাৰি, মৰমেৰে মোলৈ চাই আকৌ চকু মুদি শুই থাকে। সিহঁতে ভুকু বুলিও মোক ভয় অকণ নুখুৱায়। এইখন যে মোৰ গাঁও। এইবোৰ মোৰ চিনাকি কুকুৰ। ছ'মাহতে সিহঁতে চিন নাপাহৰে। চিন পাহৰে মানুহে!

ছমীৰ বৈ গ'ল। নঙলামুখত বৈ বুঢ়ীজনীয়ে থৰ লাগি তাৰ ফাললৈকে চাই আছে।

এইজনী মালো—

"জেঠাই ?"

বুঢ়ীৰ সোলা মুখখনত হাঁহি ফুটি উঠিল। "এৰা, তোকে চাই আছোঁ। মই বোলোঁ হয় নে নহয় ? চকুৰে আজি-কালি ভালকৈ নমনা হৈছোঁ। আহ বহহি আহ। চহৰৰপৰাই আহিলি ?"

নওলা পাৰ হৈ ছমীৰ মালোহঁতৰ ঘৰলৈ সোমাই গ'ল।

"এৰা, ভাল নহয় জেঠাই ?"

"ভাল বোপাই ভাল। পিছে, তোৰ ভাল নহয় ? কেইদিনমান থাকিবি ?"

ছমীৰে প্ৰথমে এগিলাচ চেঁচা পানী খুজি খালে।

তামোলখন কাটি বটাটো তাৰ কাষলৈ আগবঢ়াই দি মালোৰে ক'লে, "জেঠোৰেৰ নাই। গাঁৱৰ ফাললৈকে গৈছে। তই অকণ বহ। চাহপানী এটোপা কৰোঁ। আমি আকৌ গুড়েহে খাইছোঁ, তই খাবি নহয় ?

"নালাগে চাহপানী, মই যাৱেঁই।"

"যাবিচোন বহ। দুষাৰ কথা-বতৰা হওঁ। ভাতকে খা, খাবি ? মাৰৰ বা-বাতৰি কিবা পাৱ নে ? ময়ো ছোৱালীজনী বহুত দিন দেখাই নাই—অহাই নাই এইফালে।"

আগৰেপৰা মালোৰে এইদৰে একেলগে বহুত কথা কয়।

বেৰখনৰ সিপাৰে জুইকুৰা খুঁচৰি দি মালোৰে চাহ তপতোৱাত লাগিল।

"মোমাইটিহঁতৰ ফালে ভাল নে জেঠাই ?"

"ওঁ ভাল হ'বপায়। জানো, মই বৰকৈ যোৱাই নাই সেইফালে। তই হ'বলা সেইবোৰকে খবৰ কৰিবলৈ আহিলি ? এৰা, আজি-কালিৰ দেশ-দুনিয়াৰ কথা নক'বি আৰু। হেৰ, মতা একোটাহঁত হৈছে, নিজৰ বাহুৰে দুডৰা আৰ্জ্জি ল'লিহেঁতেন তেহে। বাপেৰে ঘটি এৰি থৈ গ'ল, তাকে লৈ তহঁতে মুৰ ফলা-ফলি কৰিব পাৱ নে ? তহঁতো ভাল ককাই-ভাই।"

"কিহৰ কথানো কৈছা জেঠাই ?"

"কিহৰ কথা ক'বি আৰু, তোৰ মোমায়েৰহঁতৰ কথা কৈছোঁ। মৰাত শগুণ পৰিছে অ'। তই জানো শুনা নাই ? বৰ মোমায়েৰে, মাজু মোমায়েৰে নানাৰৰ ভাগৰ মাটি-সম্পত্তিৰ ভাগ বিচাৰিছে। সৰু মোমায়েৰে নিদিওঁ বুলিছে। 'বোলে বুঢ়াক মই হে লাৰি-চাৰি মাৰিলোঁ, এতিয়া সম্পত্তিৰ ভাগ বিচাৰিবলৈ তহঁত কোন ?' সিদিনা কটা-কাটি হোৱাহে।"

শুনিবলৈ ছমীৰৰ আগ্ৰহ নোহোৱা হ'ল। তাৰ বৰ ভাগৰ লগা যেন লাগিল। সি যেন নগৰৰপৰা ইয়ালৈকে কেইবাদিনো খোজকাঢ়ি আহি পাইছেহি।

মালো বুঢ়ীয়ে সৰু বাটি এটাত এডোখৰ গুড়েৰে সৈতে চাহপানী এবাটি তাৰ আগত আনি থ'লেহি। গাখীৰো নাই। আগেয়ে সিজোৱা চাহপাত হ'বলা! আমৰলীয়া বৰণ ধৰিছে। সি শোহা মাৰিলে। চাহপানীখিনি তাৰ কেহা লাগিল। সি গুড় একামোৰ খালে।

মালোৰে তাৰ মুখলৈ চাই ক'লে, "হওঁতে বুঢ়াৰ সম্পত্তিৰ ভাগ তয়ো পাৱ। দহ-বাৰ বছৰ নানাৰক মাৰেহে পতি কৰিছিল। অইন কোনোবাই কৰিছিল জানো ?

পিতেকহঁতেতো তেতিয়া নিলগে নিলগেই থাকিল। পিছে মোমায়েৰহঁতে তোকো যে কিবা এটা দিব বৰ আশা নাই। সেইবুলি তই এৰি নিদিবি। ৰাইজে তোকো এভাগ দিব পাৰে।"

ছমীৰে একো নামাতিলে।

সি সম্পত্তিৰ ভাগ বিচাৰি অহা নাই। সি আহিছে তাৰ ল'ৰালিৰ চিনাকি গাঁওখনৰ চিনাকি মৰম বিচাৰি। ইয়াত মন গ'লে দুদিন থাকি, সি মাকহঁতৰ গাঁৱলৈকো যাম বুলি আহিছে এইবাৰ। বিপদ হোৱা বুলি চিঠি দিছিল মাকে। কিবা বিপদ হৈছে এথোন!

থাই থাওক, যাৰে সম্পত্তি যেয়ে খায়। সেইবোৰ তাক নালাগে। সি মিলিটাৰীত যাব।

কথাষাৰ সি মালৌক কোৱাটো বেয়া নহ'ব বুলি ভাবিলে।

"মই তোমালোকক মাত লগাই যাবলৈহে আহিলোঁ। মই যুদ্ধলৈ যাবলৈ ওলাইছোঁ, মিলিটাৰীত যাম।"

প্ৰথমে মালৌৱে কথাষাৰ বুজিব নোৱাৰিলে। চকু দুটা ডাঙৰকৈ মেলি তাই ছমীৰৰ মুখলৈ চালে।

হাঁহি ছমীৰে ক'লে, "এৰা, মই মিলিটাৰীত চাকৰি কৰিবলৈ যাবলৈ ওলাইছোঁ জেঠাই।"

"জানো কি কৈছ বোপাই! তই জানো তাত পঢ়ি থকা নাই?"

"পঢ়ি আছোঁ। পিছে ঘৰৰ ওচৰতে যুদ্ধখন হৈছে, কাম কৰিলে কিছু টকা ঘটিব পাৰিম। আজি-কালিৰ দিনত পঢ়ি থাকিলেনো কি হ'ব?"

"মইনো সেইবোৰ কি জানো? ভাল দেখিছ যদি যা, তহঁতৰ ভাল হ'লেই আমাৰ ভাল। পিছে মেলেটৰীত বিপদ-আপদৰ ভয় নাই নহয়?"

"বিপদৰ ভয়নো ক'ত নাই?" হাঁহি ছমীৰে ক'লে আৰু বহাৰপৰা উঠিল।

"যাৱই নেকি? মাৰকো দেখা এটা কৰি আহিবিগৈ। শুনিছোঁ বোলে আজি-কালি বৰ ৰজনজনা হৈ থাইছে। গঞা ৰাইজেও বোলে আজি-কালি তাইক বৰ মৰম-চেনেহ কৰে।"

কথাষাৰ শুনি ছমীৰৰ ভাল লাগিল। নিশ্চয় সোণপাহীৰ কোনো বিপদ হোৱা নাই। তাক চাবৰ কাৰণেহে বুদ্ধি কৰি মাতি পঠিয়াইছে।

মালৌৰ ঘৰৰপৰা আনন্দ মনেৰেই ছমীৰ ওলাই গ'ল।

মালৌ নগুলামুখলৈকে আহিল, এবাৰ তাৰ মুৰৰপৰা ভৰিলৈকে চালে। বুঢ়ীৰ মুখখনত এটা তৃপ্তিৰ পোহৰ জিলিকি উঠিল। তাই ক'লে, "হেৰ, সেই সিদিনাহে তোৰ নাই কাটি কোলাত লৈছিলোঁ, ডেকাটো হ'লি। আৰু দুদিনমানৰ মূৰত তোৰ ল'ৰা-ছোৱালীৰো নাই কাটিবৰ হ'ব। হ'ক বোপাই, কেতিয়াবা আহিলে সোমাবি।" তাৰ পিছত মাতটো নমাই ক'লে, "আছে যদি জেঠোৱেৰলৈ পুৰণি-চুৰণি চোলা এটা লৈ আহিবি অ'। চোলা-কাপোৰ তেনেই নাই।"

ছমীৰ আগবাঢ়িল। সি অনুভৱ কৰিলে যে আৰু এভাগ মিঠাই অনা হ'লে সি মালৌ বুঢ়ীকো দি যাব পাৰিলেহেঁতেন।

দ্খোজ গৈ সি ৰ'ল।

মালোৰে ভেতিয়াও তাৰ ফাললৈকে চাই আছে।

বাটৰ কাষতে সি টোপোলাটো মেলিলে আৰু কাগজেৰে বান্ধি অনা মিঠাইভাগ টোপোলাৰপৰা বাহিৰ উলিয়ালে।

"হেৰ, কি হ'ল ?" মালোৰে সুধিলে।

সি আকৌ মালোৰ ওচৰলৈ আহিল আৰু মিঠাইৰ সৰু টোপোলাটো দি ক'লে, "হোঁৱা।"

বুঢ়ীয়ে হাত পাতি ল'লে।

"কি পালিনো বোপাই ? এ, মোক এইবোৰ কেলেই দিছ ? মোমায়েৰৰ ল'ৰা-ছোৱালী আছে—"

"আৰু আনিছোঁ নহয়—" ছমীৰে ক'লে আৰু মালোলৈ ঘূৰি নাচাই খোজ ল'লে।

তাৰ মনটোত বৰ আনন্দ লাগিল। এইজনী মানুহেই পৃথিৱীত তাক প্ৰথমে ছুইছিল। প্ৰথমে কোলাত লৈছিল, প্ৰথমে তাক দেখিছিল। তাৰ নাই কাটি তাক মানুহ বুলি আদৰ জনাইছিল। তাৰ গাত লাগি অহা মাকৰ পেটৰ কেঁচা তেজ ধুৱাই-পখালি তাক পৰিষ্কাৰ কৰিছিল।

মালোজনীক তাৰ বৰ আপোন মানুহ যেন লাগি গ'ল।

আগেয়ে তাৰ মনলৈ এইবোৰ কথা নাহিছিল। আগেয়ে সি এইবোৰ কথা ভাবিব নাজানিছিল। এৰা, এতিয়াহে এইবোৰ কথা সি ভাবিবলৈ শিকিছে।

মচজিদৰ পুখুৰী-পাৰৰ বকুল কেইজোপা আগৰ নিচিনা হৈয়ে আছে। তাৰ ডাঠ ডাঠ পাতবোৰ, ফেৰেঙণি মেলা থোৰালি থোৰালি ডালবোৰ, আৰু নিমজ গুৰি গছডাল—সকলো আছে। গছ কেইজোপা পিছে অলপ বুঢ়া হৈছে। বকুলৰ তলত এজুম ল'ৰা-ছোৱালীয়ে উমলি আছে। ছমীৰ অলপ ৰ'ল। সিহঁতৰ লগতে বহি তাৰো অলপ খেলিবৰ মন গ'ল। পিছে সৰু সৰু ল'ৰা-ছোৱালীবোৰে তালৈ আচহুৱাভাৱে চালে। সিহঁতৰ চাৱনিটো তাৰ বৰ আপোন যেন নালাগিল। বকুল কেইজোপাৰ গাবোৰ হাতেৰে ছুই ছুই সি আগবাঢ়ি গ'ল।

মচজিদৰ পুখুৰীৰ পাৰতে সি টোপোলাটো থ'লে আৰু ভৰি ধুবৰ কাৰণে দলঙলৈ নামি গ'ল।

পানীবোৰ ফট্‌ফটীয়া নিৰ্ম্মল, তলৰ ঘাঁহ-বন পৰ্য্যন্ত দেখি। আগৰেপৰা এই মচজিদৰ পুখুৰীটোৰ পানী বৰ চাফা, এতিয়া আহিনমহীয়া একেবাৰে ফটিকধাৰ যেন হৈছে।

হাত-মুখ ধুই ছমীৰৰ বৰ শাঁত লাগিল। পানীখিনি যেন তাৰ বৰ আপোন। দলঙৰপৰা দুখোজ উঠি আহি সি আকৌ নামি গ'ল আৰু একাঁজলি পানী লৈ পি খালে। তাৰ পিছত উঠি আহিল।

ইমান পৰে সি মচজিদটোৰ ফালে মন কৰা নাছিল। পুখুৰী-পাৰত বৈ সি সিপাৰে থিয় দি থকা মচজিদটোলৈ চালে। বৰ গহীন, বৰ শান্তভাৱে নীৰৱে থিয় দি আছে—ল'ৰা কালৰপৰা সি যেনেদৰে দেখি আহিছে, তেনেদৰেই। অকণো পৰিবৰ্ত্তন, অকণো লৰচৰ হোৱা নাই। কিন্তু আগতকৈ যেন বেছি গহীন হৈছে মচজিদটো। তাৰ মুখটো

এনেয়ে অলপ দোঁ খাই আছিল। মচজিদৰ কাষতে তাৰ নানাকৰ কবৰ আছে কোনখিনিত আছে সি এনেয়ে মনত পেলালে। অলপ পৰ সি থিয় দি থাকিল। তাৰ পিছত লাহে লাহে খোজ ল'লে।

মচজিদটোক তাৰ বহুত পুৰণি এজন আপোন মানুহ যেন লাগিল।

সৰু মোমায়েক, মামীয়েকহঁতে তাক যথেষ্ট আদৰ-সাদৰ কৰিলে। চাহ-তাহ খোৱাৰ পিছত মোমায়েকে এটা এটাকৈ তেওঁলোকৰ দুখৰ কাহিনী ক'বলৈ আৰম্ভ কৰিলে: "খেতিটো এইবাৰ বৰ ভাল নহ'ল। গৰুহালেই ভৰ খেতিৰ সময়তে চবকাত পৰিল। বাৰ দিন হাল খতি হ'ল। বোৱাৰী নাই, মামীয়েৰৰ তেতিয়া গা-নৰিয়া, ভাদত হৈছে সৰু ছোৱালীজনী। খাজনা এতিয়াও দিয়াই নাই। ইপিনে ভঁৰালৰ ধানো ঢুকাই আহিছে, আহিনৰ মাহটো টানি-টুনি যায় কি নাযায়! তোৰ চিঠি পাইছিলোঁ, পিছে ক'ৰপৰা তোলৈ টকা পঠিয়াওঁ? হাঁহ-কুকুৰা বেচি কোনোমতে তেল-নিমখৰ খৰচটো উলিয়াই আছোঁ—মাজে মাজে তাৰো টনাটনি পৰে। ইপিনে বৰ মোমায়েৰে, মাজু মোমায়েৰে খাওঁ খাওঁ কৰি আছিছে, মাটি-সম্পত্তিৰ ভাগ লাগে। আছেনো কি ফুটুকাৰ ফেনসোপা? লাগে, নিবি। তহঁতেতো নিজে যি পাৰ, দুই-এডৰা ঘটিলি, মোৰতো একোৱেই নাই—"

ছমীৰে শুনি গ'ল।

নানাক মৰাৰ পিছতে এই ঘৰখন যে এনেকুৱা হৈ যাব, সি ভাবিবই পৰা নাছিল। খৰচ নপঠোৱাৰ কাৰণে মোমায়েকহঁতৰ ওপৰত পেটে পেটে তাৰ খং উঠি আহিছিল। আৰু ছল পালে দু-কথা শুনাম বুলিও সি ভাবি আহিছিল। পিছে মোমায়েকহঁতৰ অৱস্থাৰ কথা শুনি সি সেইবোৰ পাহৰি গ'ল।

কথা পাতোঁতে-মেলোঁতে সন্ধিয়া লাগি ভাগিল।

ছমীৰৰ মনটো তেতিয়াও অলপ নগৰীয়া নগৰীয়া হৈ আছিল। সি মামীয়েকৰ লগত বৰ খোলাখুলিকৈ কথা পাতিব পৰা নাছিল। এওঁলোকৰ লগত আগেয়ে ঘনিষ্ঠতা হোৱা নাছিল।

পিছে সৰু মোমায়েকৰ ছোৱালীজনী এতিয়া গাভৰুৱেই হ'ল। তাই ধুনীয়াজনী হৈছে, মাকো ধুনীয়া।

তাই তাৰ আগত ওলোৱা-সোমোৱা কৰি চাহ-তামোল দি কথা-বতৰাও মাজে মাজে পাতিলে। তাৰ বেয়া নালাগিল। আগেয়ে তাই সৰু আছিল। গাভৰু হ'লে ছোৱালীবোৰ বহুত সলনি হৈ যায়। তাইৰ নাকটোহে অলপ চুটি। ডেকা ল'ৰা এটাক আপোন কৰি ল'বলৈ এজনী গাভৰু ছোৱালীৰ পাঁচ মিনিটৰ বেছি সময় নালাগে।

কিন্তু গধূলি মামীয়েকে তাৰ কাণত পৰাকৈয়ে বেৰখনৰ সিপাৰে কোৱা শুনিলে: "ল'ৰাটো আহিল, এতিয়া শোৱে ক'ত? বিচনা নায়েই নহয়—"

"তাক যেনে-তেনে আগফালেই বিচনা এখন কৰি দিয়া, আমি আৰু শুম যেনে-তেনে। সিনো কেইদিন থাকিব। কাইলৈকে যাবগৈয়ে কিজানি?"

"তাৰে বিচনা কৰিলে পিছে ল'ৰা-ছোৱালী কেইটা শুব ক'ত?"

কথাবোৰ সি শুনাকৈ, ডাঙৰকৈয়ে কৈছিল। শুনি তাৰ ভাল নালাগিল। বিচনা এখন নিশ্চয় যেনে-তেনে কৰিব পাৰে, আহিনমহীয়া দিন—জাৰো নাই, গৰমো নাই।

মাৰি-পাটী কিবা এখন হ'লেই হ'ল। ঘৰত বুঢ়ীজনী আছে কাৰণেই তাক ঠাই দিব নোৱাৰা হৈছে—মামীয়েকহঁতে।

ছমীৰে মনে মনে কিবা এটা ভাবিলে, তাৰ পিছত বুঢ়ীহঁতৰ লগত আৰু দুবাৰমান কথা পাতি সি মোমায়েকক ক'লে, "মই অলপ পাভহঁতৰ ঘৰলৈ যাওঁ মোমাইটি।"

"এ, তালৈ যাব নেকি ?"

"ওঁ, ৰাতিপুৱাই যাবগৈ লাগিব নহয়। মাতষাৰ নলগালে বেয়া পাব।"

"আহিবি নে থাকিবি ?"

"আকৌনো কি আহিম ? ৰাতি বহুত হ'ল। আৰু সিহঁতেও নেৰে নহয়—"

"ৰাতিপুৱা আকৌ ইয়াত সোমাই যাবি—" মামীয়েকে ক'লে।

"আহিম মামীটি—"

"ভাত নোখোৱাকৈয়ে সি পাভহঁতৰ ঘৰলৈ ওলাই গ'ল।

ঘৰৰ ভিতৰৰপৰা আলিবাটলৈ ওলাই তাৰ বৰ মুকলি মুকলি লাগিল। বৰ ভাল জোনাক হৈছে। পাতল, বগা নিয়ৰ পৰিছে। আলিৰ দুয়োকাষৰ ধাননিবোৰ অলপ দোঁ খাই গৈছে। ধানুনিবোৰ কেঁচা কেঁচা গোন্ধাইছে। কুঁৱলীবোৰ তাৰ বৰ আপোন আপোন লাগিল। এটা প্ৰফুল্ল উল্লাসত সি পাভহঁতৰ ঘৰৰ ফালে খোজ ললে।

প্ৰথমতে পাভই তাৰ আগত দেখাকে নিদিলে।

"পাভ নাই নেকি খুড়ীটি ?"

"আছে, নাথাকি ক'লৈ যাব ? আখলত আছে হ'বলা! হেৰ পাভ, ভায়েৰ আহিছে অ'—"

কিন্তু পাভৰ খবৰেই নাই।

ছমীৰৰ বেয়াও লাগিল, অলপ অলপ খঙো উঠিল। এইজনীৰ যে ফুটনি !

"তয়ে ভিতৰলৈ যা। তাই কিবা কামত লাগি থাকিব পায়। ভাত খালি নে নাই ?"

সি পোনে পোনেই ৰান্ধনিশাল পালেগৈ। জুইকুৰা জ্বলি আছে, ভাত উতলিছে। টিপ চাকিটো আথাৰ ওপৰতে মিট্-মিট্কৈ জ্বলি আছে—পাভ নাই।

ক'লৈনো গ'ল পাভজনী ?

ছমীৰে তাইৰ শোৱা-কোঠাতো চালেগৈ, নাই।

তাৰ আৰু খং উঠি গ'ল। অলপ ডাঙৰকৈয়ে ক'লে, "পলাইছ—পলা, মই গুচি যাম। আহিলোঁ কাৰণেই বৰ বাহাদুৰি হৈছে।"

সি তাইৰ কোঠালিৰপৰা পিছফালৰ বাৰাণ্ডালৈ ওলাই গ'ল। বাহিৰৰ জোনাকৰ ফালে চাই বেৰখনৰ কাষতে পাভ থিয় হৈ আছে—মনে মনে।

সি এবাৰ তাইৰ ফালে চালে, তাই হয় নে নহয়। তাই তেতিয়াও থৰ লাগি জোনাকলৈকে চাই আছে।

সি লাহেকৈ আৰু অলপ ভয়ে ভয়ে পাভৰ পিঠিত হাতখন থ'লে আৰু সৰুকৈ মাতিলে, "এই—"

"কি হ'ল ?" পাভৰ মাতটো শুকান।

"ইয়াত বৈ আছহি কেলেই ?"

"কি হ'ল পিছে ?"

তাইৰ মাতটোৰ উদাসীন কৰ্কশতাত সি নিৰুৎসাহ হৈ পৰিল। তাইৰ পিঠিৰপৰা সি হাতখন এৰুৱাই আনিলে।

অলপ পৰৰ নিস্তব্ধতা।

"মই তেনেহ'লে যাওঁগৈ—"

পাভই নামাতিলে।

"এই পাভ, তেনেকৈ আছ কেলেই ? তোক খুড়ীটিয়ে কিবা ক'লে নেকি আজি ?"

তাই হঠাৎ তাৰ ফালে মুখ কৰি ঘূৰিল।

"এতিয়া যে ইয়ালৈ আহিছ, অথনিয়ে ঘৰলৈ আহিলি নহয় ? ক'লৈ গৈছিলি ?"

"তোকনো কেলেই, গৈছিলোঁ ক'ৰবালৈ—"

"এতিয়াও যা ক'ৰবালৈ, ইয়ালৈ কেলেই আহিছ ! তাত ৰূপহী আছে নহয়—"

"তেনেকৈ নক'বি জানিছ। সেইজনী সৰু মোমাইটিৰ জীয়েক নহয় নেকি ?"

"যা যা, ভাল মানুহ ওলাব নালাগে। একে বেলিয়ে সোমাল যি সোমাল, অমৰাপুৰীত সোমাল। দিনটো আৰু ক'ত ওলাব পাৰে।"

"হেৰ ছমীৰ, বায়েৰক পালি নে নাই—" বাহিৰ কোঠালিৰপৰা চিঞৰ আহিল। একেদৰেই চিঞৰি ছমীৰে ক'লে, "এইজনী ইয়াত মনে মনে লুকাই আছেহি আৰু মোৰ লগত দন্দ কৰিছে,—আৰু—"

পাভই তাৰ মুখখন বন্ধ কৰি ধৰিলে। সি তাইৰ হাতখন এৰুৱাবৰ চেষ্টা কৰি নোৱাৰি আঙুলি এটাত কামোৰ মাৰি দিলে জোৰেৰে।

"আয়ৌ—" বুলি পাভই চিঞৰি উঠিল।

"পালি—"

কৈ ছমীৰ বাহিৰ কোঠালিলৈ গুচি আহিল।

পাভৰ মাক আৰু বাপেকৰ লগত সি দুই-চাৰিটা কথা পাতিলে আৰু ছল চাই সি যুদ্ধলৈ যাবলৈ ওলোৱাৰ কথাও ক'লে। তেওঁলোকে বেয়া নুবুলিলে।

"এৰা, আমাৰো যিমান দুখ হৈছে, ল'ৰা-চৰা এটা থকা হ'লে, আমিও ৰণলৈ পঠিয়ালোহেঁতেন। আমাৰ আকৌ মুঠেই ছোৱালী এপাত।"

ভাত-পানী খোৱাৰ পিছত পাভৰ মাকে সুধিলে, "ঘৰলৈ যাব নে ইয়াতে থাকিবি ?"

"এতিয়া নাযাওঁ আৰু, বহুত ৰাতি হ'ল। মোমাইটিহঁত শুবই পায়।"

"এৰা, নালাগে যাব, ইয়াতে শুই থাক। পাভ, ইয়াক ইয়াতে বিচনা এখন কৰি দে। এতিয়া ৰাতিখন আৰু ঘৰলৈ যাব নালাগে।"

একো নকৈ পাভৰ কোঠালিৰ কাষৰ কোঠাতে পাভই তাৰ কাৰণে এখন বিচনা কৰি দিলে। এখন নগা ঢাৰিৰ ওপৰত পাটী এটা পাৰি, তাতে এখন ছ'কঠীয়া পাৰি দিলে—মাটিতে, আৰু তাইৰ নিজৰে গাৰু এটা আনি তাক শুবলৈ দিলে।

আগেয়ে হোৱা হ'লে তাক তাই লগতে শুৱাই ল'লেহেঁতেন। পিছে এতিয়া ছমীৰটো ডেকা হ'ল, তাক আৰু লগত শুৱাব নোৱাৰি।

পাভৰ মাক-বাপেক সিফালৰ নিজৰ কোঠাত শুবলৈগে। শোৱাৰ আগতে মাকে ক'লে, "ভায়েৰ বোলে ৰাতিপুৱাই যাবগৈ। তাৰ কাৰণে জলপান, চাহ যতনাই থ'বি অ' পাভ—"

পাভই মাথোন সৰুকৈ ক'লে, "বাৰু—"

কামিজটো সোলোকাই ছমীৰ বিচনাত পৰিল। তাৰ ভাগৰ লাগিছিল। পাভজনী আৰু নাহিবই হ'বলা। ৰান্ধনিশালতে কিনো ঘুটুং-ঘাটাং কৰি আছে জানো? আগেয়ে দেখোন সদায় পাভৰ লগতে শুৱাই লয়, এইবেলি ইয়াত বেলেগে শুবলৈ দিলে কেলেই? ছোৱালীবোৰৰ একো নাই। মুখতেহে। ৰাতিপুৱা সোনকালে উঠি চাহ নোখোৱাকৈ গুচি গ'লেহে তাই মজাটো পাব। ইঃ, মোক যেন নামাতিবই·

ছমীৰৰ চকু মুদ খাই আহিছিল। তাৰ ভৰি-হাতবোৰ অৱশ লাগিছিল। মাটিবোৰ অলপ চেঁচা হৈ আহিছে আৰু। গাৰুটো সি শুঙি চালে—ছোৱালীৰ চুলি চুলি গোন্ধাইছে। ছোৱালীৰ চুলিবোৰৰ অন্য ৰকম গোন্ধায়। বেয়া নহয় গোন্ধটো।

ৰান্ধনিশাল সামৰি-সুতৰি, হাতত চাকিটো লৈ পাভই মাকহঁত শোৱা-কোঠালৈ গ'ল। সৰুকৈ মাতিলে, "বৌটি—"

মাকহঁতৰ টোপনি আহিল। সদায় সোনকালে শোৱা মানুহ। কোঠাটোৰপৰা ওলাই তাৰ দুৱাৰখন তাই ভালকৈ বন্ধ কৰিলে। আগফালৰ দুৱাৰখন এবাৰ চালে, মাকে ভালকৈ ডাং মাৰি থৈছে।

তাই ছমীৰৰ বিচনাৰ কাষলৈ আহিল, লেমটো অলপ তললৈ নমাই তালৈ চালে। ওপৰলৈ মুকৈ সি পৰি আছে। তাৰ ভাল টোপনি আহিছে। এখন হাত তাৰ বুকুৰ ওপৰত আছে, আনখন হাত মূৰৰ ওপৰ ফালে গাৰুৰ কাষত পৰি আছে।

ছমীৰৰ নাকৰ তলত গোঁফখিনি আৰু মিহিনকৈ গজা থুঁতৰিৰ ডাড়িখিনি দেখি তাইৰ মুখত এনেয়ে এটা আমোদৰ হাঁহি বিৰিঙি উঠিল। ই ডেকা হ'ল আৰু— পাভই ভাবিলে।

তাই নিজৰ কোঠালিলৈ গ'ল। শিতানৰ মূৰৰ সৰু মেজখনৰ ওপৰত থকা আচাঁখনত নিজৰ মুখখন চালে, কিছুপৰ চাই থাকিল। তাই জানো সঁচাকৈয়ে আচাঁত দেখা ছোৱালীজনীৰ সমান ধুনীয়া?

কিছু সময় তাই নিজৰ মুখখনৰ ফালে চাই থাকিল।

আচাঁৰ কাষৰপৰা আঁতৰি আহি তাই চাদৰখন সোলোকাই বিচনাতে থ'লে। নিজৰ গাটো এবাৰ চালে, তাৰ পিছত সৰু ব্লাউজটোও সোলোকালে। তলত তাই নিজেই জোখ কৰি সী লোৱা কপাহী কাপোৰৰ 'বডিচ' এটা পিন্ধি আছিল। শুবৰ সময়ত সদায় তাই চোলা সোলোকাই শোৱে। গাত অকল এই সৰু গাতে লাগি ধৰা বডিচটোহে থাকে।

তাই আকৌ আচাঁখনৰ ওচৰলৈ আহি নিজৰ গাটো চালে। বুকুখন তাইৰ ধুনীয়া আৰু টনটনীয়া হৈ পৰিছে। সোঁহাতৰ তলুৱাখন খোল কৰি তাই নিজৰ বুকু দুটা চুই চালে। ইয়াতকৈ ডাঙৰ হ'লে বেয়া—এনেয়ে তাই ক'লে।

কিবা ভাবি তাই অলপ পৰ থিয় দি থাকিল, তাৰ পিছত ফু মাৰি চাকিটো নুমাই বিচনাখনলৈ আহিল আৰু শব্দ নকৰাকৈ একাষে বহিল।

তেনেকৈয়ে কিছু সময় তাই বহি থাকিল। পাভৰ অলপ অস্বস্তি লাগিল। ই আজি ইয়াত শুবলৈহে আহিল। 'ময়ো' শুই থাকোঁ!

কিন্তু তাই শুব নোৱাৰিলে।

তাই আন্ধাৰতে কেউপিনে চালে। বাহিৰৰ জোনাকৰ অলপ অলপ পোহৰ ভিতৰ সোমাইছে। বাহিৰত বৰ ভাল জোনাক আছে। ঘৰৰ ভিতৰৰ বস্তুবোৰো অলপ ভালকৈ চালেই দেখি, চিনিবও পাৰি।

গাঁওখনৰ, ঘৰটোৰ সকলো শুলে। তাইৰহে টোপনি অহা নাই। তাইৰ এনেয়ে অলপ গৰম লাগিছে। বাহিৰত ভাল জোনাক।

তাই বহাৰপৰা উঠি আহিল। শুদা বডিচটো আৰু অকণমান মেখেলাখনেৰে তাইৰ নিজকে এজনী তেনেই সৰু ছোৱালী যেন লাগিল। তাই যেন ছমীৰৰ লগত ওমলা, কাজিয়া কৰা, ঠেহ-পেঁচ পতা সেই সৰু, টিপ্‌টিপি পাভজনী! তাইৰ যেন পোন্ধৰ-ষোল বছৰ বয়স হোৱাই নাই।

তাইৰ নিজকে ফাগুনমহীয়া পখিলা এজনী যেন লাগিল।

পাভ আহি ছমীৰৰ বাঁওফালে বিচনাখনতে বহিল। এটা সৰু ল'ৰা বদৰে ফোঁচফোঁচাই ছমীৰ শুই আছে। তাৰ ওচৰতে যে মই বহি আছোঁ বপুৰাই ক'বই নোৱাৰে। তাইৰ হাঁহি উঠিল। অথনি মাত-বোল নকৰাৰ কাৰণে মোক বেয়াই পালে নেকি জানো? পাওক বেয়া। দিনটো সি আহিব আহিব বুলি বাট চাই বহি থাকিলোঁ। আহিছে এতিয়া ৰাতি!

পাভই তাইৰ সোঁহাতখন ছমীৰৰ গাৰ ওপৰেদি পাৰ কৰি তাৰ গা নোছোৱাকৈ সিফালে থ'লে। তাৰ পিছত ইখন হাত ইফালে থৈ তাই আঁঠু কাঢ়িলে, আৰু ছমীৰৰ মুখৰ ওপৰতে গালখন থৈ তাক হেঁচা মাৰি ধৰিলে।

ছমীৰে সাৰ পাই গ'ল।

সি কিবা ক'ব খুজিছিল, কিন্তু পাভই গালখনেৰেই তাৰ মুখখন বন্ধ কৰি ধৰিলে।

সি দুয়োহাতে ধৰি তাইৰ মুখখন আঁতৰাই দিলে। পাভ বহিল। ক্ষীণ পোহৰতে শোৱাৰপৰাই ছমীৰে পাভৰ মুখলৈ চালে, চাই থাকিল। সি তাইৰ উদং বাউঁসিৰ ওপৰেদি হাতখন আনি তাইৰ হাতখনত ধৰিলে।

তাৰ কাণৰ কাষলৈ মুখখন নি পাভই ক'লে, "শুই থাকিবলৈ আহিছিলি নেকি।"

ছমীৰ বহি দিলে।

ফুচফুচাই পাভই ক'লে, "তোৰ ইমান টোপনি!"

"মই একো ক'বই নোৱাৰোঁ—" সি বৰ সৰুকৈ ক'লে।

"পিছফালে বাহিৰলৈ যাওঁ আহ—"

"বাহিৰলৈ? কেলেই?"

"কথা পাতিম।"

পাভ বহাৰপৰা উঠিল আৰু হাতত ধৰি তাকো উঠাই দিলে।

দুয়োটা পিছফালে বাহিৰলৈ ওলাই আহিল। বাহিৰত পৃথিৱীভৰা শান্ত জোনাক।

"পুখুৰী-পাৰলৈ যাওঁ বল।"

দুয়োটা বাৰাণ্ডাৰপৰা নামি পুখুৰী-পাৰলৈ গ'লগৈ।

পুখুৰীৰ পাৰটো নিৰ্জন। পানীত আৰু এটা জোনে অকণ অকণকৈ নাচি আছে। তেনেই পাতল কুঁৱলী কিছুমানে দূৰণিৰ ঘৰ-বাৰী, গছ-গছনিবোৰ ঢাকি ৰাখিছে।

বনবোৰৰ ওপৰত নিয়ৰ পৰিছিল। সিহঁতে দলঙৰ ওচৰৰ বন নোহোৱা ঠাই এডোখৰ বিচাৰি ল'লে।

"ইয়াতে বহোঁ আহ—" পাভই ক'লে।

দুয়োটা বহিল।

"তই হ'বলা শোৱাই নাছিলি ?" ছমীৰে সুধিলে।

"দিনত নাহিলি কেলেই ?"

"সময়কে নাপালোঁ।"

"কাইলৈ যাবিগৈ নেকি ?"

"বৌটিহঁতৰ তালৈ যাম কিজানি।"

"তালৈ আকৌ কেলেই ?"

"মিলিটাৰীলৈ যাম নহয় ! বৌটিক মাত লগাই আহোঁগৈ।"

"কি মিলিটাৰীলৈ যাবি ?" তাৰ ফালে ঘূৰি চাই পাভই সুধিলে।

মূৰ জোকাৰি জোকাৰি ছমীৰে ক'লে, "খৰচ-পাতিও নাই, আৰু পঢ়ি থাকিনো কি হ'ব ? আমাৰ লগৰ বহুত ল'ৰা গৈছে। মই যাম বুলি ঠিক কৰিছোঁ।"

চকু দুটা ডাঙৰকৈ মেলি পাভই তাৰ মুখলৈ চালে।

"ধেমালি কৰিছ নে, সঁচাকৈ কৈছ ?"

"সঁচাকৈ কৈছোঁ আকৌ—"

"ক'লৈ যাবি।"

"য'লৈকে পঠিয়ায় ত'লৈকে যাম। মিলিটাৰীত মানুহ নিজে যায় নেকি ?"

ভালেমান পৰ পাভ মনে মনে থাকিল।

"এই, কি হ'ল ?"

"আকৌ কেতিয়া আহিবি ?"

"কেনেকৈ জানিবি ! ছুটী দিলে মাজতে আহিম, নহ'লে যুদ্ধ শেষ হ'লে আহিম।" নিশ্চিতভাৱে ছমীৰে ক'লে।

হঠাৎ পাভ বহাৰপৰা উঠি দিলে। ছমীৰে মূৰ দাঙি তাইৰ মুখলৈ চালে।

"কি হ'ল ? যাব নেকি ?"

পাভই নামাতিলে। একেদৰেই তাই নীৰৱে থিয় হৈ থাকিল। সিও বহাৰপৰা উঠিল। পাভৰ মুখামুখিকৈ সি থিয় হ'ল আৰু তাইৰ মুখলৈ চাই সুধিলে, "কি হ'লনো ?"

"একো হোৱা নাই—" অভিমানভৰা ক্ষুণ্ণ মাতেৰে পাভই ক'লে।

ছমীৰে পাভলৈ চালে। তাইৰ চুলিবোৰ অলপ আউলী-বাউলী হৈ আছে। সি হাতখন মেলি তাইৰ থুতৰিটো ছুলে আৰু ক'লে, "মামীটিহঁতৰ ঘৰত হেনো মই শুনিলোঁ বিচনাই নাই। সেইদেখিহে গুচি আহিলোঁ—"

পাভৰ মুখখন উজ্জ্বল হৈ উঠিল।

"ৰূপহীৰ ফালে বৰকৈ চাইছিলি হ'বলা—"

"তেনেকুৱা কথা নক'বি জানিছ—" ছমীৰে ক'লে।

"কেলেই ৰূপহী বেয়া নেকি ?"

ছমীৰে একো নামাতিলে। পাভৰ কান্ধৰ ওপৰত থকা বডিচটোৰ ফিতাডাল অলপ অলপকৈ টানি সি ক'লে, "এইটোনো কেলেই পিন্ধি আছ ?"

"কেলেই নিপিন্ধিম ? ডাঙৰ ছোৱালীয়ে শুদা গা উলিয়াই থাকিব পায় নেকি।"

কোৱাৰ লগে লগে পাভই পিঠি ফালৰ হুক দুটা খুলি দিলে আৰু বডিচটো সুলকি আহিল।

"চাব খুজিছ হ'বপায় ?" এমোকোৰা হাঁহিৰে পাভই ক'লে আৰু তাৰ চকু দুটা হাতৰ তলুৱাৰে মুদাই ধৰিলে।

ছমীৰে তাইৰ হাতখন এৰুৱাই বাঁওহাতেৰে ধৰি থাকিল।

বগা জোনাকবোৰ আহি পাভৰ বগা বুকুখনত পৰিছেহি। তাইৰ কোমল মিহি গাটো অলপ ৰঙচুৱাৰ নিচিনা হৈছে। তাইৰ চকু দুটা জলমলাইছে।

চকু আঁতৰাই ননাকৈ ছমীৰে তাইৰ বুকুখনলৈ চাই থাকিল।

তাৰ থুঁতৰিত ধৰি মুখখন ওপৰলৈ দাঙি ধৰি পাভই ক'লে, "খবৰ পাইছ হ'বলা ?"

'নালাগে নকওঁ পায়, তই জোকাবি—"

"কি, ক'চোন বাৰু !" ছমীৰে ক'লে।

"মোক চাবলৈ মানুহ আহিছিল নহয় ?"

"কি মানুহ আহিছিল ?" ছমীৰে সুধিলে।

"ধেৎ অঁকৰাটো ! দৰা-ঘৰৰ মানুহ—"

"কাৰ দৰা ?"

"মোৰ ? আৰু কাৰ ? বৌটিহঁতে কোৱা-কুই কৰিছে, মোৰ বোলে বিয়া পাতিব—"

হঠাৎ যেন ছমীৰৰ চকুৰ আগৰপৰা জোনাকৰ পৃথিৱীখন নোহোৱা হৈ গ'ল।

সি এছাৰ মাৰি পাভৰ হাতখন তাৰ থুঁতৰিৰপৰা এৰুৱাই মুখ ঘূৰাই ল'লে। তাৰ চকু দুটা বাষ্পাকুল হৈ উঠিল।

পাভই তাৰ দুয়ো বাহুত হাত থৈ তাক নিজৰ ফালে ঘূৰাবৰ চেষ্টা কৰিলে। সি কিন্তু ঠৰঙা হৈ দিলে।

"কিনো হ'ল আকৌ ? মোৰ বিয়া হ'লে বেয়া পাবি নেকি ?"

হঠাৎ ছমীৰ ঘূৰিল আৰু তাইৰ বুকুত মুখ সুমুৱাই তাইক সাৱটি ধৰিলে। সি উচুপিছে। সৰু ল'ৰা এটাক লোৱাৰ দৰে পাভই তাক বুকুৰ মাজত সুমুৱাই লৈ ধৰি থাকিল। তাইৰ চকুৰপৰাও তপত চকুলো বাগৰি আহিছিল।

কিছু পৰৰ মূৰত ছমীৰ শান্ত হ'ল আৰু পাভৰ কাষৰপৰা আঁতৰি আহিল।

লাহে লাহে পাভই তাক এৰি দিলে। তাই নিজৰ বুকুখনলৈ চালে। দেখিলে ছমীৰৰ চকুপানীৰে তাইৰ বাঁও বুকুটো তিতি গৈছে।

"ভিতৰলৈকে যাওঁগৈ আহ—" পাভই ক'লে।

ছমীৰ বৈ থাকিল, লৰচৰ নকৰিলে।

পাভ আকৌ মাটিতে বহিল আৰু তাকো ওচৰতে বহুৱাই ল'লে। তাৰ মুখটো কোলাত লৈ তাই তাৰ চকু-গাল মোহাৰি দিলে। মাকৰ কোলাত সন্তান থকাৰ দৰে অসহায়ভাৱে ছমীৰ পাভৰ কোলাত পৰি ৰ'ল।

'মোৰো বেয়া লাগিছে জানিছ? পিছে ঘৰত কোনো নাই। মিলিটাৰীৰ দিন. সেইদেখি মোক বিয়া দি দিব খুজিছে। ছোৱালী যেতিয়া—দিবই, কিনো কৰিবি ?" পাভই তাক সান্ত্বনা দিয়াৰ মনেৰে ক'লে।

একো নামাতি থৰ লাগি ছমীৰে পাভৰ মুখলৈ চাই ৰ'ল। তাৰ চকুৰ আগতে থকা পাভৰ উদং বুকুখনত তাৰ চকু নৰ'ল—সি চাই ৰ'ল পাভৰ কথা কোৱা মুখখনলৈ আৰু তাইৰ কোমল চকু দুটালৈ। সি যেন একো বুজা নাই। সি যেন এটা সৰু ল'ৰা. তাক কোলাত লৈ পাভই যেন সি বুজি নোপোৱা কিবা এটা ৰাজকুমাৰীৰ বিয়াৰ সাধু কৈছে আৰু শুনিছে যদিও সি একো বুজি পোৱা নাই।

বহুত জোনাক আকাশৰ বুকুৰপৰা পৃথিৱীলৈ নামি আহিছে। বহুত কুঁৱলীয়ে সেই জোনাকক ম্লান কৰি পেলাইছে। দুটা জাগ্রত শিশুৰ অবুজ বেদনাৰ বাহিৰে আৰু কোনোৱেই সাৰ পাই থকা নাই।

এই মৰমৰ কোনো নাম নাই, এই বেদনাৰ কোনো নাম নাই।

উজ্জ্বল এখিনি বগা জোনাকে পাভৰ উন্মুক্ত যৌৱনৰ পাহে পাহে সোণালী-ৰুপালী পোহৰ সানি দিছে। আহিনৰ পৃথিৱীখন শিয়ৰি উঠিছে।

বহুত পৰৰ নীৰৱতাৰ পিছত পাভৰ কাষতে বহি ছমীৰে সুধিলে, "কেতিয়া হ'ব তোৰ বিয়া ?"

"জানো। চাই গৈছেহিহে এথোন—হয় বা নহয় !"

দুয়ো আকৌ পুখুৰীৰ পানীত নচা জোনটোৰ ফালে চাই নীৰৱে বহি থাকিল।

"তই বৌটিয়েৰহঁতৰ তালৈ যাবি নেকি ?"

"জানো, যাম কিজানি—"

"নালাগে যাব—"

'কেলেই—?"

"এনেই, মই কৈছো নালাগে যাব।" অলপ দৃঢ়তাৰে পাভই ক'লে, আৰু বডিচটো পিন্ধি ল'লে।

"তই কৈছ যদি নাযাওঁ বাৰু ! পিছে বৌটিয়ে চিঠিত কিবা বিপদ হোৱা বুলি লিখিছিল।"

"সেই কাৰণেহে কৈছোঁ তই নালাগে যাব—"

ছমীৰ মনে মনে থাকিল। যাবলৈ তাৰো বৰ আগ্রহ নাছিল।

তাৰ মুৰৰ চুলিবোৰৰ মাজত আঙুলি বুলাই বুলাই পাভই ক'লে, "তই তেনেহ'লে মিলিটাৰীলৈ যাবি ?"

"হুঁ—"

আকৌ কিছু পৰৰ নীৰৱতা। ছমীৰ আৰু পাভ দুয়োটাই নিজে নিজে কিবাকিবি ভাবিছে—আপোন-মনে।

পাভ বহাৰপৰা উঠিল।

"ঘৰলৈ যাওঁ আৰু ব'ল। ৰাতি কিজানি বহুত হ'ল।" পাভই ক'লে।

"আজি হ'লে বৰ ভাল জোনাক হৈছে—" ছমীৰে ক'লে আৰু বহাৰপৰা উঠিল।

পৃথিৱী-পাৰ এৰি চোঁতালখন পাৰ হৈ সিহঁত দুটা লাহে লাহে ঘৰলৈ গুচি আহিল।"

ভিতৰ সোমাই শব্দ নকৰাকৈ দুৱাৰখন বন্ধ কৰি পাভই ফুচফুচাই ক'লে, "শুই থাকগৈ—"

"ক'ত শুম—?"

"জানো ক'ত শোৱা ?" তাৰ বাউসিত ধৰি জোকাৰি দি পাভই ক'লে।

"মোক হ'লে আমনি নকৰিবি।" পাভই নিজৰ বিচনাখনত বহি ক'লে।

ম্লান জোনাকৰ কিছুমান অস্পষ্ট পোহৰ আহি পাভৰ বিচনাখনত পৰিছিলহি। ছমীৰক মৰমেৰে গাৰ কাষলৈ চপাই নি পাভই ক'লে, "ইয়াতে শো বাৰু। ৰাতিপুৱা পিছে তাত শুবিগৈ।"

ছমীৰে ক'লে, "তই জগাই দিবি।"

॥ সাতাইশ ॥

মিলিটাৰী হস্পিটল কৰিবৰ কাৰণে ছমীৰহঁতৰ স্কুলটো ল'লে। সদ্যহতে অন্য সুবিধাজনক ঠাই নোপোৱাৰ কাৰণে স্কুলটো দুমাহৰ কাৰণে বন্ধ দিলে। ল'ৰাবোৰৰ বৰ স্ফূৰ্ত্তি—অসময়ত দুমাহ স্কুল বন্ধ। ছমীৰৰো আনন্দ লাগিল। এতিয়া আৰু স্কুল নাই যেতিয়া যুদ্ধলৈ যোৱাত কোনো বাধা নাই।

পূৰ্ণানন্দ মাষ্টৰ যোৱাটো খাটাং হ'ল। তেওঁ ওখ-পাখ, শকত-আৱত, গ্ৰেজুৱেট মানুহ, 'কিংছ কমিছন' পালে, প্ৰথমে চেকেণ্ড লেফটেনেণ্ট হৈ ভৰ্ত্তি হ'ব। তেওঁক মিলিটাৰীৰ চিভিল চাপ্লাইত ষ্ট'ৰ ইন্‌চাৰ্জ কৰি দিছে। অহা সপ্তাহতে পূৰ্ণানন্দ যাব।

ছমীৰে দেখা কৰিবলৈ গ'ল।

যুদ্ধলৈ মিলিটাৰী হৈ যাব, কিন্তু পূৰ্ণানন্দ অকণো চিন্তিত বা ব্যস্ত হোৱা নাই। ছমীৰক দেখি হাঁহি হাঁহি আগৰ দৰেই ক'লে, "হেৰ ছমীৰ, তোক বহুত দিন দেখা নাই, মই বোলোঁ মোতকৈ আগেয়ে তয়ে গলি নেকি যুদ্ধলৈ ?"

"গাঁৱলৈ গৈছিলোঁ চাৰ !" ছমীৰে ক'লে।

"ওঁ, ভাল কৰিলি। মাজে মাজে গাঁৱলৈ যাব লাগে। ভাল নে মাৰৰ ?"

"বৌটিহঁতৰ ঘৰলৈ যাবলৈ নহ'ল।"

"তেনেহ'লেনো গাঁৱত কাৰ ঘৰলৈ গ'লি ? হেৰা, এই মৰিছ আহিছেহে—" পূৰ্ণানন্দই ভিতৰৰ ফালে চাই চিঞৰিলে।

দেৱী বাইদেউ ওলাই আহিল।

"তইনো আজি-কালি ক'ত থাক অ', দেখা পাবলৈকে নাই দেখোন ? দয়াক সুধিয়ে থাকোঁ। আহ ভিতৰলৈকে—"

দেৱীৰ পিছে পিছে ছমীৰ পিছফালৰ বাৰাণ্ডালৈ গ'ল।

"চাৰ গ'লে আপোনালোক ক'ত থাকিব বাইদেউ?"

"আমি দেউতাহঁতৰ তালৈ যামগৈ। ভয়েই লাগিছে বোপাই। ল'ৰা-ছোৱালীৰ পঢ়া-শুনাও যাব—ঘৰখনবো থান্থিত নোহোৱা হ'ব—কেতিয়াবা পাৰিলে আমাৰ খবৰ-বাতৰি কৰিবি।"

ছমীৰে বাইদেউৰ মুখলৈ চালে। বাইদেৱে ধেমালি কৰা নাই, সঁচা-সঁচিকৈয়ে কৈছে।

তল-মূৰ কৰি সি ক'লে, "ময়ো যাম নহয় বাইদেউ—"

বাইদেৱে কৰুণা-কোমল চাৱনিৰে তাৰ মুখলৈ চালে। অলপ পৰ মনে মনে থকাৰ পিছত ক'লে, "সঁচাকৈয়ে যাবি নেকি?"

"ভাবিছোঁ আৰু—"

দেৱী বাইদেৱে জানে, ক'ৰবালৈ যাওঁ বুলিলে নাযাবি বোলোঁতা ছমীৰৰ কোনো নাই। ল'ৰাটোৰ কাৰণে তেওঁৰ বেয়া লাগিল। বৰ দুৰ্ভগীয়া বেচেৰা ছমীৰটো। কিন্তু সি আৰু অলপ পঢ়িব পৰা হ'লে ভাল আছিল।

পূৰ্ণানন্দ আকৌ সোমাই আহিল।

"জমীৰ, স্কুলতো এতিয়া নাই। নাই মানে আৰু সোনকালে নহ'বও। পিছে তই এনেয়ে বহি থাকিবি নেঁ?"

"সিও যায় হেনো—" সামান্য অভিযোগৰ সুৰত দেৱীয়ে ক'লে।

"যাবতো, যেনেকুৱা ওস্তাদ, তেনেকুৱা শিষ্য। কিন্তু তই এটা কাম কৰিব লাগিব, বুজিছ মছীৰ! তোৰ ওস্তাদ যদি আৰু ঘূৰি নাহে, তই ঘূৰি আহিবি। নহ'লে আমাৰ মাজত কোনো পাৰ্থক্য নাথাকিব।"

দেৱী বাইদেৱে তল মূৰ কৰি চাহ কৰিবৰ কাৰণে আঁতৰি গ'ল। পূৰ্ণানন্দৰ ধেমালিবোৰ কেতিয়াবা তেওঁ সহ্য কৰিব নোৱাৰে।

পূৰ্ণানন্দও বহিল।

লাহে লাহে তেওঁ ক'লে, "অহা সপ্তাহত মই যাবই লাগিব। তাৰ আগতে এওঁলোকক ঘৰত থৈ আহোঁগৈ। আমাৰ নগৰখন মিলিটাৰীৰে ভৰি পৰিছে। ইয়াত মাইকী মানুহ নালাগে, মতা মানুহৰে শান্তিৰে থকা টান হৈ আহিছে। এৰা, মৃত্যুলৈকে যাৰ ভয় নাই, সিহঁতে আকৌ অইনলৈ ভয় কৰিব কিয়? নহয় জানো?"

ছমীৰ তল মূৰ কৰি থাকিল। আমি যেতিয়া মিলিটাৰী হৈ যাম, তেতিয়া আমাৰো মৃত্যু আৰু অইনলৈ ভয় নোহোৱা হৈ যাব। তেনে হোৱাটো ভাল হ'ব নে বেয়া হ'ব, ছমীৰে একো বুজিব নোৱাৰিলে।

দেৱীয়ে দুয়োকে চাহ দিলে।

দেৱীক দেখি পূৰ্ণানন্দৰ প্ৰফুল্লতা আকৌ ঘূৰি আহিল।

"হেৰা বেদী, বছীমৰ কাৰণে অলপ কন্দা-কটা কৰিছা নে নাই। তাৰ বোলে কোনো নাই। তোমাকে বাইদেউ বোলে যেতিয়া—সি বণলৈ যাবলৈ ওলাইছে, তাৰ কাৰণে অকণমান তুমিয়ে কান্দা! বেয়া হ'ব নে মছীৰ—"

তেতিয়া তল মূৰ কৰি ছমীৰে চাহ খাইছিল। দেৱীৰ চকু এনেয়ে ঢুলঢুলীয়া হৈ আহিছিল। দেৱীয়ে কাৰো মুখলৈ চাব নোৱাৰিলে।

"হেৰ মজিদ, তই গান গাব জান নে ? বাইদেৱেৰক দেখি মোৰ এটা বঙালী গান মনত পৰি গৈছে অ'। জানো, কোনোবা বিশ্ব কবিয়েই লিখিছিল নে নিঃস্ব কবিয়েই লিখিছিল।"

পূৰ্ণানন্দ বহাৰপৰা উঠিল, আৰু বাৰাণ্ডাৰ ৰেলিঙত ভেজা দি গুণগুণাই গালে—

"মৰণ যাৰে গেল ডাকি
সে কেনৰে দিবে ফাকি,
তাৰে তুই কাঁদাসনে আৰ,
নাৰ্বলিতে যাৰ নয়নে জল ঝৰে।
তাৰে তুই দিস্ নে বেথা ভুল কৰে।"

গাই গাই তেওঁ চোতাললৈ নামি গ'ল আৰু নতুনকৈ পতা অকণমান শাকনিডোখৰত সোমালগৈ।

চাহ খোৱা শেষ কৰি ছমীৰে ক'লে, "মই যাওঁ বাইদেউ ! আশীৰ্ব্বাদ কৰিব।"

দেৱীয়ে ক'লে, "ভালকৈ থাকিবি—য'তে থাক ! কি কৰিবি, আমি দুখীয়া মানুহ। নহ'লেনো তহঁতৰ চাৰ বা তহঁত বিপদৰ মাজলৈ কেলেই যাব লাগিলহেঁতেন ? চাৰক বেয়া নাপাবি ! তেখেত তেনেকুৱা খেমেলীয়া মাহুহেই। হাঁহি হাঁহি সহ্য নকৰিলেনো ইমানবোৰ দুখ-কষ্ট আমি কেনেকৈ সহ্য কৰিলোহেঁতেন ?"

আপোন জনৰ দৰে তাৰ আগত কথাবোৰ খোলা-খুলিকৈ কোৱাৰ কাৰণে দেৱী বাইদেউলৈ ছমীৰৰ আৰু মৰম লাগিল। কিন্তু সেই মৰম প্ৰকাশ কৰিবৰ কোনো উপায় সি বিচাৰি নাপালে।

অলপ পৰ এনেয়ে বহি থাকি, সি মাত লগাই গুচি আহিল।

তেতিয়া সন্ধিয়া লাগি আহিছে।

লাহে লাহে সি স্কুলৰ ফালে আগবাঢ়িল।

দিনে দিনে সৈনিকেৰে নগৰখন ভৰি পৰিছে। নিৰ্ভয়ে শান্তিৰে এখোজো দিবৰ উপায় নাই। এটা অভাৱনীয় ব্যস্ততাই সমু নগৰখন ছানি পেলাইছে। ৰাতি 'ব্লেক আউট' হয়। কৃষ্ণ পক্ষত ৰাতিবোৰ ভয়াৱহ হৈ উঠে। ঢাকনিৰে ঢকা নিস্তেজ লাইটেৰে মিলিটাৰী গাড়ীবোৰ অহা-যোৱা কৰে। দুপৰ ৰাতি দীঘলীয়া মিলিটাৰী কন্ভয়ৰ গোঁ গোঁ গোঁ শব্দই সকলোৰে টোপনি ভাঙে। অনিশ্চয়তা আৰু ভয়ে অসামৰিক মানুহবিলাকৰ মনবোৰ ভীতিগ্ৰস্ত কৰি তোলে।

স্কুলটো ছমীৰৰ চিনি নোপোৱা যেন লাগিল। জপনামুখত বন্দুকধাৰী সৈন্য থিয় হৈ আছে, কম্পাউণ্ডৰ ভিতৰত বহুত ট্ৰাক আৰু জীপ আছে আৰু ভিতৰত বহুত সৈন্য।

সিদিনালৈকে এইটো সিহঁতৰ স্কুল আছিল।

তাৰ বৰ বেয়া নালাগিল। দুদিনমানতে সিও এটা মিলিটাৰী হৈ ক'ৰবাৰ এনেকুৱা কেম্পতে থাকিব। হয়তো এনেকুৱা এটা হাইস্কুলতে।

সি ভাবিলে, পাৰিলে এবাৰ সি বোধেশ্বৰ আৰু আমজাদক লগ ধৰিব। কেইবা দিনো সি সিহঁতক লগ পোৱা নাই।

স্কুলৰপৰা আমজাদহঁতৰ ঘৰলৈ প্ৰায় এক কিলোমিটাৰ দূৰ। নৈখনৰ পাৰত সিহঁতৰ ঘৰটো, ঘৰ মানে জুপুৰি এটা।

কিন্তু আমজাদহঁতৰ ঘৰৰ আগ পাই তাৰ সোমাবৰ মন নগ'ল। এতিয়া কিজানি সি ঘৰত নাই। এই সময়ত ক'ত ঘৰত থাকিব?

নৈৰ পাৰে পাৰে উদ্দেশ্যহীনভাৱে সি আগবাঢ়িল—মিলিটাৰী কেম্পটোৰ ফালে।

আকাশত জোন নাই। তৰাবোৰ ফট্‌ফটীয়াকৈ ওলাইছে। এটা গভীৰ, ক'লা পোহৰ চাৰিওফালে বিয়পি পৰিছে। এই পোহৰত চকুত আগত কোনো বস্তুৰ অস্তিত্ব দেখা যায়, কিন্তু একো স্পষ্ট নহয়। কুঁৱলীও আছিল আৰু অলপ অলপ জাৰো হৈছিল। কাষৰ আলিটোৰেদি কৰ্কশ গোঁ গোঁ শব্দ কৰি মিলিটাৰী গাড়ীবোৰ আগবাঢ়িছে—ইফালে-সিফালে।

অকলশৰীয়াকৈ আহি থাকিও ছমীৰৰ বেয়া নালাগিল। তাৰ কাষেদি পাৰ হৈ যোৱা মানুহবোৰলৈ সি নাচালে, মানুহবোৰেও তালৈ নাচালে।

অন্য দিনাৰ দৰেই সি দলংখনৰ কাষতে ৰ'লগৈ। নৈখনৰ পানীবোৰ আন্ধাৰত চকুৰে নেদেখি, কিন্তু পানীৰ বুকুৰ তৰাবোৰ ভালকৈ দেখা যায়। নৈৰ বুকুত আৰু এখন তৰা-ভৰা ক'লা আকাশ। এই আকাশখন অলপ অলপকৈ কঁপিছে।

দলংখনৰ কাষতে গৰাটোৰ অলপ নামনিৰ হেলনীয়াডোখৰতে ছমীৰ বহিল. তাৰ চকু নৈৰ সিপাৰৰ মিলিটাৰী কেম্পটোৰ ওপৰত নিবদ্ধ।

আজি কিন্তু কেম্পটোত বৰ বেছি মানুহ নাই যেন লাগিল। গণ্ডগোল কম, লাইট বৰ বেছি জ্বলা নাই। হয়তো সৈন্যবোৰক ক'ৰবালৈ পঠিয়ালে। মিলিটাৰী কেম্পত একেবোৰ সৈন্যই সৰহ দিন থাকিবলৈ নাপায়। মাজে মাজে কেম্প খালী হয়। হয়তো দুই-এদিনৰ কাৰণে, নাইবা দুঘণ্টা-তিনিঘণ্টাৰ কাৰণে। তাৰ পিছত অন্য সৈন্য আহে, কেম্প আকৌ জীৱন্ত হৈ উঠে।

ছমীৰে সেইফালে চাই থাকিল। সৈন্য একেবাৰে নোহোৱা নহয়। কিন্তু সংখ্যাত নিশ্চয় তাকৰ আছে। হয়তো একুৰিমানহে আছে।

দুই-চাৰিটা মানুহ দলঙৰ ওপৰেদি, আন্ধাৰৰ মাজেদিয়ে অহা-যোৱা কৰি আছে। আগেয়ে এইপিনে যথেষ্ট মানুহ অহা-যোৱা কৰিছিল। মিলিটাৰী কেম্পটো হোৱাৰপৰা মানুহৰ আহ্‌-যাহ্‌ পাতলিছে। সৈন্যবোৰত একো বিশ্বাস নাই।

এনেয়ে ছমীৰৰ বহি থাকি ভাল লাগিল। পূৰ্ণানন্দ চাৰ আৰু দেৱী বাইদেৱে মোক ইমান মৰম কৰে! চাৰহঁত যদি ধনী হ'লহেঁতেন! স্কুলৰ দৰমহাৰে নোজোৰে, কেনেকৈ জুৰিব? বস্তুবোৰৰ যিহে দাম হ'ল, চাৰে বা কিমান দৰমহা পায়!

পাভৰো বিয়া হ'ব। পাভই মোক ইমান মৰম কৰে! পিছে পাভজনী বৰ নিলাজ। মই একো নজনা সৰু ল'ৰা বুলি ভাবে। পিছে মই চব জানো। জানিলে কি হ'ব? তাই মোতকৈ ডাঙৰ। সেইদেখি—মই সৰু দেখি, মই একো নজনা হৈ আছোঁ বুলি ভাবে। সেইদিনা বিচনাত লগতে শুৱাই লৈ ইমান জুলুম কৰিলে! মই এনেয়েহে টোপনিৰ ভাও ধৰি পৰি আছিলোঁ। মইতো সাৰ পায়ে আছিলোঁ। পাভই মোৰ চকু দুটাত হাত দি চালে—টোপনি গ'লোঁ নে নাই বোলা। মইতো টোপনি যোৱাই নাছিলোঁ, চকু মুদি পৰিহে আছিলোঁ। কাণৰ কাষত মুখখন থৈ তাই সুধিছিল, 'এই, টোপনি গ'লি নেকি?' মই নামাতিলোঁ। গ'লোঁৱেই জানিবা টোপনি—তাইনো কি কৰে

চাওঁ। মোৰ টোপনি অহা বুলি ভাবিলে তাই। পাণ্ডজনী বৰ নিলাজ। তাই মোৰ পায়জামাটো খুলি দিলে। তাই বৰ নিলাজ, বৰ নিলাজ। মোতকৈ ডাঙৰ হ'লে কি হ'ব—মই চব জানো, চব বুজি পাওঁ।

তাই যে মোক ইমান মৰম কৰে !

দেৱী বাইদেউ আৰু পাণ্ড নোহোৱা হ'লে, মোক মৰম কৰোঁতা কিজানি আৰু কোনোৱেই নাথাকিব !

পাণ্ডৰ বিয়া হ'ব। দেৱী বাইদেউহঁত ইয়াৰপৰা ক'ৰবালৈ যাবগৈ।

ছমীৰে দেখিলে দলংখনৰ সিপাৰৰপৰা—কেম্পৰ ফালৰপৰা দুটা সৈন্য আহিছে। কিন্তু পাৰ হৈ নগৈ দলংখনৰ ওপৰেদি সিহঁত দুটাই অহা-যোৱা কৰি আছে। সিহঁতে নিশ্চয় তাক দেখা নাই। সি নামনিত, আন্ধাৰৰ মাজত মনে মনে বহি আছে।

সিহঁত ফুৰিবলৈ আহিছে, ছমীৰে এনেয়ে ভাবিলে। সিহঁতৰ প্ৰতি বিশেষ কোনো কৌতূহল নহ'ল তাৰ। আন্ধাৰতে সিহঁতলৈ তাৰ মৰম লগা যেন লাগিল। বেচেৰাহঁতে ফুৰিব-মেলিবলৈ দিনততো সময় নাপায় ! মানুহ দুটা ওখ আৰু শকত। এমেৰিকানেই হ'ব পায়। এইটো কেম্পত আন সৈন্য নাথাকে।

সিহঁতে কাৰোবাৰ কাৰণে বাট চাই থকা যেন লাগিল। অলপ পৰ নগৰমুৱা হৈ চাই থাকি সিহঁতে আকৌ কেম্পমুৱা হ'ল। সিহঁত ব্যস্ত হোৱা নাই। সিহঁতে লাহে লাহে খোজ দিছে। লাহে লাহে সিহঁত কেম্পৰ ফালে আগবাঢ়িল।

ছমীৰ বহি থাকিল। ৰাতি অলপ হ'ল। যাব লাগিল আৰু। আজি ঠিকাদাৰো অহাৰ কথা আছে। গধূলি ঘৰত নেদেখিলে তেওঁ বেয়া পাব। জানো, মই মিলিটাৰীলৈ যাব খোজাৰ কথা তেওঁ ক'ব পাৰে নে নোৱাৰে। এইবাৰ মই নিজেই ক'ম।

তাৰ পিঠিৰ পিছফালে কাৰোবাৰ মাত। আন্ধাৰৰ মাজেদিয়ে সি চালে। তিনিটা মানুহ যেন লাগিল। যেন গাতে গা লাগি আছে। নগৰৰ ফালৰপৰা আহিছে।

"তহঁত ইয়াতে অলপ ৰ। সিহঁত ইয়ালৈকে আগবাঢ়ি অহাৰ কথা আছিল। দেৰি হৈ গ'ল। মই অলপ আগলৈ চাই আহোঁ।"

—এটাৰ মাত।

"তোমালোকে মোক এইফালে ক'লৈ আনিলা ?" এটা ভয়াৰ্ত্ত, চেপা নাৰীকণ্ঠ !

মাতটো কাণত পৰি ছমীৰ সজাগ হৈ উঠিল।

অলপ কৰ্কশ মাতেৰে এটাই ক'লে, "ক'লৈ আনিছোঁ বুজি পাবিয়েই নহয়, ছট্‌ফটাইছ কেলেই ?—" কথাষাৰ কৈ মানুহটো দলঙৰ ওপৰেদি কেম্পৰ ফালে অলপ থৰথুজীয়াকৈ আগবাঢ়িল।

ছমীৰে দেখিলে আনটো মানুহে কাষৰ মানুহজনীক গাৰ ফালে টানিছে, আৰু কৈছে, "তই ভয় নকৰিবি। এৰাতিৰ কাৰণে এশ টকা দিম বুলিছে। এমেৰিকান চিপাহীবোৰৰ ঢেৰ টকা। ৰাতিটো থাকিবি, ৰাতি নোপুৱাওঁতেই তোক লৈ যামহি।"

চেপা, কন্দনা মাতেৰে মানুহজনীয়ে ক'লে, "এইবোৰ তোমালোকে মোক কি কৰিবলৈ আনিলা। মই মৰি থাকিম, মই যাওঁগৈ—"

"ক'লৈ যাবিগৈ আকৌ ? অ' সঁচৰা সিহঁত আহিছেই হ'বলা—"

ছমীৰে আগলৈ চালে। আগেয়ে পায়চাৰি কৰি থকা সৈন্য দুটাক লগত লৈ মানুহটো থুৰি আহিছে।

মানুহজনীয়ে কাউখাউ কৰিছে। "আয়ৌ, মই মৰি যাম। মোক এৰি দিয়া, এৰি দিয়া।"

মানুহটোৱে তাইক গবা মাৰি ধৰি আছে—গাৰ বলেৰে।

ছমীৰ হঠাৎ সচেতন হৈ উঠিল। এই মানুহ দুটাই ছোৱালীজনীক এমেৰিকান সৈন্যক বেচিবলৈ আনিছে। ছোৱালীজনীয়ে আৰ্ত্তনাদ কৰিছে। কিন্তু তাই ডাঙৰকৈ চিঞৰিব পৰা নাই।

চাওঁতে চাওঁতেই সৈন্য এটাই মানুহজনীক সাৰট মাৰি দাঙি ল'লে। ছমীৰৰ হাত-ভৰিবোৰ অৱশ যেন লাগিল। সি কিংকৰ্ত্তব্যবিমূঢ় হৈ পৰিল।

ছোৱালীজনীয়ে হাত-ভৰি এছাৰিছে আৰু চিঞৰিছে—"মোক মাৰিলে ঔ—মৰিলোঁ ঔ—"

ছোৱালীজনী অনা মানুহ দুটা ইতিমধ্যে লৰি পলাইছে। আন্ধাৰৰ মাজত সিহঁত অদৃশ্য হৈ গৈছে।

সৈন্য দুটাই ছোৱালীজনী নি দলংখনৰ মাজেই পালেগৈ।

হঠাৎ ছমীৰ বহাৰপৰা জাঁপ মাৰি উঠিল। ইফালে-সিফালে চালে—ক'তো বাঁহ-কাঠ একো নাই। সি গৰাৰপৰা দলঙৰ ওপৰলৈ উঠি আহিল আৰু বেগাই গৈ সৈন্যটোক পিছফালৰপৰা দুয়ো হাতেৰে গবা মাৰি ধৰিলে। সৈন্যটোৱে ছোৱালীজনী হাতৰপৰা থেকেচ কৰে মাটিলৈ পেলাই দিলে, আৰু তাৰ হাতৰপৰা এৰাবৰ কাৰণে জোৰ কৰিলে।

ছমীৰে চিঞৰি উঠিল—"জান মাৰি দিম চালা।" লগে লগে সি ছোৱালীজনীক ক'লে, "দৌৰা, তুমি পলোৱা—দৌৰা দৌৰা—"

কিন্তু ছোৱালীজনীয়ে দৌৰিবলৈ নোপাওঁতেই আনটো সৈন্যই তাইক গবা মাৰি ধৰিলে। মুখৰ ভিতৰতে সি কিবা এটা ক'লে। ছমীৰে বুজিব নোৱাৰিলে।

ছমীৰৰ একো ভাবিবৰ সময় নাছিল। ধৰি থকা সৈন্যটোক এৰি দি, সি সিটো সৈন্যৰ ফালে আগবাঢ়ি গ'ল। আৰু তাক ইমান জোৰেৰে এটা ঘোচা মাৰিলে যে সেই প্ৰকাণ্ড মানুহটোও কৰ্ফালি খাই পৰিল। ইতিমধ্যে আনটো সৈন্যও তাৰ ফালে আগবাঢ়ি আহিল। আৰু ছমীৰক গবা মাৰি ধৰিলে।

ছমীৰে একে আঁজোৰেই নিজক মুক্ত কৰিলে আৰু সৈন্যটোক এনে এটা গ'তা মাৰিলে যে সি থিয়েৰে ৰ'ব নোৱাৰি দলঙৰপৰা তললৈ খহি পৰিল। ছমীৰৰ গাত তেতিয়া যেন সমগ্ৰ পৃথিৱীৰ শক্তি আহি থুপ খাইছিলহি। তাক আক্ৰমণ কৰিবলৈ অহা দ্বিতীয় সৈন্যটোক সি ঘুচিয়াবলৈ আৰু ভুকুৱাবলৈ আৰম্ভ কৰিলে। ছমীৰেও কেইটামান শকত ঘোচা খালে।

ছমীৰে মাথোন ৰুদ্ধশ্বাস হৈ চিঞৰিছে, "তুমি পলোৱা, বৈ আছা কেলেই—দৌৰ দিয়া। মই ইয়াৰ দিহা লগাম—কুকুৰ পোৱালি, ছুঁৱৰৰ বাচ্ছা—"

মাটিত পেলাই লৈ ছমীৰে সৈন্যটোৰ বুকুৰ ওপৰত বহি ল'লে আৰু তাক ঘুচিয়াই, ভুকুৱাই অৱশেষত অৱশ কৰি পেলালে। সৈন্যটো আধা মৰা হ'ল।

ছমীৰে তাক এৰি দি অলপমান সময় তাৰ ফালে চাই ৰ'ল। সি হয়তো অজ্ঞান হৈ পৰিছে।

"ছুৱৰৰ বাচ্চা—" দাঁতেৰে দাঁত চেপি ধৰি এবাৰ সি ক'লে, তাৰ পিছত ঘূৰি চাই দেখিলে ছোৱালীজনী তেতিয়াও অসহায়ভাৱে অলপ আঁতৰতে থিয় হৈ আছে।

সি অলপো নৰ'ল। ছোৱালীজনীক সি সাৱট মাৰি কান্ধত তুলি ল'লে, আৰু দৌৰিবলৈ আৰম্ভ কৰিলে—নগৰৰ ফালে।

আধা কিলোমিটাৰতকৈও বেছি দৌৰি সি টাউনৰ ভিতৰ সোমাল। সেইখিনিৰপৰা মানুহৰ ঘন বসতি আৰম্ভ হৈছে। এঘৰ মানুহৰ পদুলিমুখ পাই সি ৰ'ল, ছোৱালীজনীক নমালে আৰু ফোপাবলৈ ধৰিলে। ঘামত তাৰ গোটেই গা তিতি গৈছিল। সি চাই দেখিলে, সি পিন্ধি থকা কামিজটো বেয়া ৰকমে ফাটি গৈছে।

ভালকৈ উশাহ ল'ব পৰা হোৱাৰ পিছত সি ছোৱালীজনীৰ মুখলৈ চালে। শেঁতা পৰা এখন খীণ মুখ সি সেই আন্ধাৰৰ অস্পষ্টতাৰ মাজেদিয়ে দেখা পালে। ছোৱালীজনীয়ে ভয়ে ভয়ে তাৰ মুখলৈ আৰু ইফালে-সিফালে চাইছে।

"তোমালোকৰ ঘৰ কোনখিনিত ?" ছমীৰে সুধিলে।

"ৰায় বাহাদুৰ মৃগেন বৰুৱাৰ ঘৰৰ পিছফালে।"

ছমীৰে চিনি পায়।

"বহুত দূৰ দেখোন ! তোমাক এইফালে কোনে আনিছিল ?"

আন্ধাৰতে চাৰিউফালে চাই ছোৱালীজনীয়ে ক'লে, "মাধৱ আৰু এটা মানুহে। ইটো মানুহ মই চিনি নাপাওঁ—"

"কোন মাধৱ ?"

"সেইফালেই থাকে। মাজে মাজে আমাৰ ঘৰলৈ আহি থাকে।" ছোৱালীজনীয়ে ক'লে।

পদুলি-মুৰত কথা পতা শুনি, কাষৰ মানুহ ঘৰৰ মানুহ এজন হাতত লণ্ঠন লৈ ওলাই আহিল।

"কোন হে ?"

কৈ কৈ মানুহজন কাষ পালেহি।

ছমীৰেও ছোৱালীজনীক এতিয়া হে ভালকৈ দেখিলে। সৰু, টুপটুপীয়া মুখেৰে মিঠা বৰণীয়া এজনী খীণ ছোৱালী। বৰ ওখ নহয়, কিন্তু খীণ কাৰণে ওখ যেন দেখি। তাই এখন কপাহী শাৰী আৰু এটা অকণমান ব্লাউজ পিন্ধি আছে। ভয়ত আৰু দুৰ্ভাৱনাত তাইৰ চকু দুটাত এটা শংকিত কোমল চাৱনি প্ৰকাশি উঠিছে। তাই যেন কোনোমতেহে থিয় হৈ আছে।

মানুহজনৰ ফালে চাই ছমীৰে ক'লে, "দুটা মানুহে এওঁক মিলিটাৰীক দিবলৈ নিছিল। মই এৰুৱাই আনিছোঁ। খুব মাৰিলোঁ সিহঁতক।"

"তুমিনো কোন ?" ছমীৰৰ মুখলৈ চাই মানুহজনে সুধিলে।

"মোৰ নাম ছমীৰ—"

"অ'। নিৰ্দ্বিধাৰভাৱে কথাষাৰ কৈ মানুহজন আকৌ ঘৰলৈ সোমাই গ'ল।

"খোজকাঢ়ি যাব পাৰিবা নহয় ?"

"পাৰিম।"

"ব'লা, তেনেহ'লে। বহুত ৰাতি হ'ল।"

আগে আগে ছোৱালীজনী, পিছে পিছে ছমীৰ। ব্লেক আউটৰ আন্ধাৰৰ মাজে মাজে দুয়ো খোজ ল'লে।

"তুমিনো সিহঁতৰ লগত কেনেই আহিছিলা ?"

"মাধৱে আগেও কেতিয়াবা টকী দেখুৱাবলৈ নিয়ে। আজিও সেইবুলিয়ে আনিছিল।"

কিছু পৰৰ নিস্তব্ধতা।

"তোমালোকৰ ঘৰত আৰু কোন আছে ?"

"দেউতাহে আছে।"

"আৰু কোনো নাই ?"

"নাই।"

"দেউতাৰে কি কৰে ?"

"আজি-কালি একো নকৰে। আগেয়ে ডি. চিৰ অফিচৰ চাপ্ৰাছী আছিল। এতিয়া পেঞ্চন পায়।"

কিছুপৰ আকৌ নীৰৱতাৰ মাজেদিয়ে সিহঁত আগবাঢ়িল।

ছোৱালীজনীয়ে ক'লে, "সেই কেইটা মিলিটাৰী মানুহ নেকি ?"

"ওঁ, এমেৰিকান মিলিটাৰী। সেইফালে সিহঁতৰ কেম্প আছে। বৰ বেয়া মানুহ—ছুৱৰৰ বাচ্ছা চব।"

"মাধৱে কৈছিল সেই ফালে বোলে এটা নতুন টকী হল হৈছে, তাত নতুন টকী হৈছে—"

"এমেৰিকান কেইটাই তোমাক শেষ কৰি দিলেহেঁতেন—" ছমীৰে ক'লে।

ৰায় বাহাদুৰ মৃগেন বৰুৱাৰ ঘৰৰ পিছফালৰ ঠেক গলিটোৰেদি দুয়ো আগবাঢ়িল। বাটটো বৰ ঠেক আৰু আন্ধাৰ।

"আমি ঠিকেই আহিছোঁ নে ?" ছমীৰে সুধিলে।

"ওঁ, আৰু অলপ গ'লে আৰু এটা ৰাস্তা পাম। তাৰ কাষতে আমাৰ ঘৰ—"

অৱশেষত আন্ধাৰৰ মাজেদিয়ে আহি সিহঁত এটা সৰু ঘৰৰ পদুলি-মুখত ব'লহি।

"এয়াই আমাৰ ঘৰ।"

"তুমি যোৱা তেনেহ'লে, মই যাওঁ—"

"অকণমান বহি নাযায় জানো ?"

"বহুত ৰাতি হ'ল। অন্য কেতিয়াবা আহিম।"

অকণমান পৰ দুয়ো নীৰৱে বৈ থাকিল। তাৰ পিছত ছোৱালীজনী তাৰ ফালে অলপ আগবাঢ়ি আহিল আৰু সৰুকৈ ক'লে, "দেউতা টোপনি যাব পায়।"

"ওঁ।"

"আমি দুখীয়া মানুহ। দেউতাই কেইটকামান পেঞ্চন পায়, নোজোৰে। মাধৱে মাজে মাজে সহায় কৰে।"

"অ'—"

"আপুনি বেগতে যাওকগৈ। মাধৱ অন্দৰে ওলাবহি। আপোনাক লগ পালে সি কাজিয়া কৰিব। সি বৰ বেয়া মানুহ।"

"তাকো মই শেষ কৰি দিম—" ছমীৰে ক'লে।

"আগেও কেতিয়াবা সি তোমাক মিলিটাৰী কেম্পলৈ নিছিল নেকি?"

তলমূৰ কৰি ছোৱালীজনীয়ে ক'লে, "নাই নিয়া, মাজে মাজে মিলিটাৰীহে আমাৰ ঘৰলৈ আনে। নহ'লে আমি চলিব নোৱাৰোঁ, কি কৰিম।"

ছমীৰৰ এটা তীব্ৰ খং উঠিল এই খীণ ছোৱালীজনীৰ ওপৰত। এইজনী এজনী বেয়া ছোৱালী!

"মই যাও'। মাধৱ আহিলে ক'বা, কোনোবা দিনা ছমীৰে তাক লগ পাব। ছুৱৰৰ বাচ্ছা!"

ঘূৰি ছমীৰে খোজ দিছিল। ছোৱালীজনীয়ে ক'লে, "শুনক।"

ছমীৰ ঘূৰিল।

"আপোনাৰ বহুত কষ্ট হ'ল। মোক বেয়া নাপাব দেই। আপুনি নোহোৱা হ'লে, আজি মোক মিলিটাৰীয়ে মাৰি পেলালেহেঁতেন।"

"মৰা হ'লেই ভাল আছিল—" ছমীৰে ক'লে আৰু গোঁ গোঁৱাই সেইখিনিৰপৰা খোজ ল'লে।

ছোৱালীজনী অলপ পৰ সেইখিনিতে থিয় দি থাকিল আৰু তাৰ পিছত লাহে লাহে ঘৰলৈ সোমাই গ'ল।

চব বজ্জাত! চব ছুৱৰৰ বাচ্ছা! সেই ছোৱালীজনীও ছুৱৰৰ বাচ্ছা!

ছমীৰৰ এনেয়ে কাৰোবাৰ ওপৰত বৰ খং উঠিল। সি খোজবোৰ বেগাই দিলে। সি দেখিলে আকৌ সি ঘামিছে।

মাধৱৰ মই জান মাৰি দিম। সেই ছোৱালীজনীৰো জান মাৰি দিম। তাইক মিছাকৈয়ে ইমানডোখৰ ৰাস্তা কান্ধত লৈ দৌৰিলোঁ। ছুৱৰৰ বাচ্ছা!

ঘৰ সোমাই সি গম পালে—আজি আহমদ ঠিকাদাৰ নাহিল। সি আশ্বস্ত অনুভৱ কৰিলে। কিন্তু তাৰ খং অকণো নকমিল। চব বজ্জাত, চব ছুৱৰৰ বাচ্ছা!

॥ আঠাইশ ॥

সোণপাহীয়ে যিমানে সাৱধানে নিজক বচাই চলিবৰ চেষ্টা কৰিছিল—জাফৰ সিমানে অবুজ আৰু অসাৱধান হৈ পৰিছিল। সোণপাহীয়ে জাফৰক তাইৰপৰা আঁতৰাই ৰাখিবৰ বহুত চেষ্টা কৰিলে। কিন্তু জাফৰে যেন একো বুজি নাপায়।

মুখ খুলি সোণপাহীয়ে কাকো একো ক'ব নোৱাৰে। জীয়েকৰ ঘৰৰপৰা ঘূৰি অহাৰ পিছৰপৰা হাছমতে লক্ষ্য নকৰিলেও জাফৰৰ বিধৱা বায়েকে কথাটো লক্ষ্য কৰিব ধৰিলে যে জাফৰৰ কিছু পৰিৱৰ্ত্তন হৈছে ইতিমধ্যে। আগেয়ে সি সোণপাহীৰ ছাঁতকে নলয়। তাইক মাত এষাৰো নামাতে, পানী এটোপাও খুজি নাখায়। এতিয়া

কিন্তু অত-পানী সকলো তাক সোণপাহীয়েহে দিব লাগে। অন্দৰিব ইটো-সিটো বিচাৰি সি বাবে বাবে সোণপাহীকহে খাটনি ধৰেগৈ। এই পৰিবৰ্ত্তন তাইৰ চকুত নপৰাকৈ নাথাকিল।

সোণপাহী বেছি সাৱধান হ'বলগীয়া হ'ল। হাছমতৰপৰা তাইৰ অন্য সুখ হওক বা নহওক, আজি তেৱেঁই তাইৰ একমাত্ৰ আশ্ৰয়। আজি আৰু এইখন ঘৰৰ বাহিৰে তাইৰ অন্য কোনো আশ্ৰয়ৰ স্থল নাই। আৰু জীৱনৰ তিক্ত অভিজ্ঞতাই তাইক সাৱধান হ'বলৈ শিকাইছে। প্ৰতিটো খোজত তাইৰ নতুন বিপদলৈ ভয়। কিন্তু জাফৰৰ নিচিনা এটা অবুজ, আঁকোৰ-গোজালি, দুৰ্ব্বল মানুহৰপৰা নিজক কেনেকৈ ৰক্ষা কৰি চলিব, এই চিন্তা দিনক দিনে প্ৰবল হ'ব ধৰিলে তাইৰ।

সোণপাহীয়ে এটা কথা বুজি পাইছে, জাফৰ দুৰ্ব্বল। অকণমান বুজনি দিলেই, অকণমান কাষত লৈ মৰম কৰিলেই সি সন্তুষ্ট হ'ব। তাইৰ মৰম আদায় কৰিবৰ কাৰণে জোৰ কৰিবৰ শক্তি আৰু মনোবল তাৰ নাই। কিন্তু সি এটা ডেকা ল'ৰা। সৰু ল'ৰাৰ দৰে তাক কাষত লৈ মৰম কৰিবৰ উপায় সোণপাহীৰ নাই। তাইৰ কাষত আছে হাছমত। হাছমত তাইৰ স্বামী। তাইৰ নাৰীত্ব আৰু সতীত্বৰ ৰক্ষক। আৰু তাইৰ ওপৰত আনৰ নহ'লেও বাঁৰী আইটিৰ আছে তীক্ষ্ণ সন্দিগ্ধ দৃষ্টি। অপূৰ্ণ ক্ষুধা লৈ বিধৱাৰ জীৱন কটাইছে আইটিয়ে। তাই বুজি পায় যে বুঢ়া হাছমতৰ স্ত্ৰী হোৱা আৰু স্বামীহীনা বিধৱা হোৱাৰ মাজত কোনো পাৰ্থক্য নাই। আইটিৰ অভিনয় কৰাৰ প্ৰয়োজন নাই। কিন্তু সোণপাহীৰ অভিনয় কৰাৰ বাহিৰে অন্য উপায় নাই। আৰু জাফৰৰ লোলুপ দৃষ্টিৰ অৰ্থও আইটিয়ে বুজি নোপোৱা নহয়।

কেনেবাকৈ অকণমান অকলশৰীয়া যেন দেখিলেই জাফৰ আহি সোণপাহীৰ কাষ পায়হি। তাক দেখিলেই সোণপাহী অধৈৰ্য্য আৰু বিব্ৰত হয়। সি সৰুকৈ কোনো কথা ক'লেও তাই চিঞৰি চিঞৰি উত্তৰ দিয়ে, যাতে সিহঁতে কি কথা পাতিছে সেই সম্পৰ্কে অন্যে একো নাভাবে, বা অন্যে বুজিব পাৰে। তাৰ মাজতে সৰুকৈ অনুনয়ৰ সুৰত সোণপাহীয়ে কয়, "তুমি এনেকৈ যেতিয়াই-তেতিয়াই নাহিবা। দেখা নাই জানো—আমাৰ ওপৰত সকলোৰে কেনেকৈ চকু দি থাকে।"

সোণপাহীৰ কথা উৰাই দি অবুজৰ দৰে জাফৰে কয়, "কোনে কিটো ভাবিব? আমি আৰু কথা-বতৰাও নাপাতিম নে? তোমাৰ এনেয়ে ভয়।"

"মোৰ ভয় লাগে, এতিয়া তুমি যোৱা।" চেপা মাতেৰে সোণপাহীয়ে কয়।

"ৰাতি আহিম?"

"মৰিবা। ময়ো মৰিম।" কন্দনামুৱা সুৰেৰে, কঠিন মাতেৰে সোণপাহীয়ে কয় আৰু কিবা এটা বিচাৰি যোৱাৰ দৰে জাফৰৰ কাষৰপৰা উঠি যায়।

জাফৰৰপৰা ৰক্ষা পৰাৰ এটা মাত্ৰ উপায় আছিল—তাৰ বিয়া পাতি দিয়া।

সোণপাহীয়ে কথাটো হাছমতৰ ওচৰত উত্থাপন কৰিলে।

হাছমতে ক'লে, "তাৰ বিয়াখনতো পাতিব লাগে। কিন্তু তালৈনো ভাল ছোৱালী এজনী কোনে দিব? সিতো কোনো কামৰ মানুহ নহয়—"

"সুখত খাই থাকিবলৈ পাইছে কাৰণে কাম-বন একো নকৰে। ডেকা মানুহটো—কাম-বন কৰিব নোৱাৰাতো নহয়—"

"তুমিয়ে সুধিবাচোন, সি কি কয়। ক'ব ছোৱালীবা লাগে তাক, আজি-কালিৰ বিছে ল'বা।"

সোণপাহী মনে মনে থাকিল। এই কথা নোসোধাক্ষেয়ে জাফৰৰ উত্তৰটো সোণপাহীয়ে ক'ব পাৰে। সুধিলেই সি নিৰ্লজ্জভাৱে কৈ দিব—'তোমাক লাগে।' এই বিষয়ত তাৰ কাণ্ডজ্ঞান—শূন্য।

"মোক নকয়, আইটিৰ হতুৰাই সোধাব লাগিব। মোৰ মনেৰে তাৰ বিয়াখন যিমান সোনকালে হয় পাতিবহে লাগে।"

সোণপাহীয়ে জানে—এয়া জাফৰৰ স্বাৰ্থত নহয়, তাইৰ নিজৰ স্বাৰ্থত। জাফৰক তাইৰপৰা দূৰত ৰখাৰ ব্যৱস্থা কৰিব নোৱাৰিলে, তাই নিজেই দূৰলৈ আঁতৰি যোৱাৰ সম্ভাৱনাই দেখা দিব পাৰে।

কিছুপৰ ভাবি-চিন্তি হাছমতে ক'লে, "ক'ৰবাত ভাল ছোৱালী চকুত পৰিছে জানো? দেখাই-মেলাই, কামে-কাজে ভাল ছোৱালী?"

সোণপাহীয়ে মনতে পাঙি থোৱা কথাষাৰ উত্থাপন কৰিলে, "আমাৰ গাঁৱতে, আমাৰ ঘৰৰ ওচৰতে পাভ নামে ছোৱালী এজনী আছে। ছোৱালীজনী নামে-গায়ে পাভ—বৰ ৰূপহী, বয়সো কম। অৱশ্যে মানুহ ঘৰহে অলপ নিৰস।"

একেআষাৰেই হাছমতে ক'লে, "দুখীয়া মানুহৰ ঘৰৰ ছোৱালীৰ মনবোৰ বৰ দুখীয়া হয়হে! বাৰু, তাক কৈ-মেলি আগেয়ে বিয়া কৰাবলৈ মান্তি কৰোৱাচোন। ছোৱালীৰ কথা পিছতো হ'ব।"

"আগেয়ে আমাৰ পচন্দৰ ছোৱালী এজনী চাই-মেলি লৈ ক'লেহে যদি মান্তি কৰাব পাৰি।"

অলপ চিন্তা কৰি থাকি সোণপাহীয়ে ক'লে, "আপুনিয়ে, আইটিয়ে গৈ এবাৰ সেই পাভ বোলা ছোৱালীজনী বাৰু চাই আহকগৈচোন—"

"যাব পাৰোঁ। তুমিও ওলোৱা।"

"আমাৰ গাঁৱলৈ মোৰ অকণো যাবৰ মন নাযায়। বাবা নায়েই, আৰু গাঁওখনে মোক ভাল চকুৰে নাচায়। আইটি আৰু আপুনিয়েই যাওক। আইটিয়ে ভালকৈ চাই-চিঁতি আহিব পাৰিব।"

আইটিকো সোণপাহীয়ে কথাটো ক'লে। আইটিয়ে আপত্তি নকৰিলে। সোণপাহীক অলপ মানি চলাত আইটিৰ অলপ স্বাৰ্থ আছে। আইটি উলিয়াই দিয়া ছোৱালী। এইখন সোণপাহীৰ মজিয়া। যেনেকুৱাই নহওক, ইয়াত সোণপাহীৰ এটা কৰ্তৃত্ব খাটে। ঘৰখন সোণপাহীয়েই চলায়।

পাভৰ কথা মনত ৰখাত সোণপাহীৰ এটা স্বাৰ্থ আছিল। পাভক তাই কেঁচুৱাৰেপৰা দেখিছে। পাভক জাফৰলৈ আনি ল'ব পাৰিলে, তাইৰ কামে-কাজে সুবিধা হোৱাৰ উপৰিও একে গাঁৱৰে দুজনী হ'ব। সোণপাহীৰ শক্তি বাঢ়িব আৰু পাভৰ নিচিনা দুখীয়া মানুহৰ ঘৰৰ ছোৱালীকহে বলাই-কৰাই খাব পাৰিব।

সোণপাহী আৰু আইটিয়ে জাফৰলৈ ছোৱালী চাব খোজাৰ কথাষাৰ জাফৰক ক'লে। সি তলমূৰ কৰি গোঙোৱা হৈ থাকিল, একো নামাতিলে। বিয়াৰ কথাত সি ভালেই পাইছে নে বেয়াই পাইছে, সিহঁতে বুজিব নোৱাৰিলে।

জেঠেৰীয়েকৰ ঘৰলৈও যোৱা হ'ব, আৰু পাভ বোলা ছোৱালীজনীকো চাই অহা হ'ব, এই ভাবি হাছমত যাবলৈ ওলাল। বিশেষকৈ দিনে দিনে হাছমতৰ সোণপাহীৰ কোনো কথা পেলাব নোৱাৰা অৱস্থা হৈ আহিছিল। আইটিও ওলাল যদিও আইটিৰ বৰ আগ্ৰহ নাছিল। আৰু ঘৰখনত সোণপাহী আৰু জাফৰক অকলে এৰি যাবলৈ মনে মনে ভাল নাপাইছিল। অৱশ্যে আইটিৰ সোণপাহীৰ প্ৰতি তেনে কোনো ঈৰ্ষা বা বৈৰিতা নাছিল। কিন্তু জাফৰক সোণপাহীৰপৰা আঁতৰাই ৰখাই ভাল বুলি আইটিয়ে অনুভৱ কৰিছিল। জীয়ৰী থাকোঁতেই আনৰ ওচৰত ধৰা দিয়া ছোৱালী—সোণপাহী। তাইৰ যে দুৰ্ব্বলতা নোহোৱা নহয়, সেইটো আইটিয়ে বুজিছিল। আৰু বুজিছিল যে সোণপাহীৰ ৰূপৰ ওচৰত আত্ম-সমৰ্পণ কৰিবলৈ জাফৰৰ বেছি পৰ নালাগে।

মুৰামুৰি সময়ত আইটিয়ে ভনীয়েকজনীকো লগ ল'লে। তাই গাভৰুৱেই হৈছে। ঘৰতে সোমাই থাকিলে ছোৱালীৰ ওপৰত কোনে চকু দিয়ে? অলপ ই গাঁও, সি গাঁও ফুৰিলেহে চাবিৰ চকুত পৰে। আজি-কালিৰ ছোৱালী যাচি নিদিলে বিয়া কৰাওঁতাই নোলায়।

কথাটো সোণপাহীয়ে বৰ ভাল নাপালে। তাই ক'লে, "গুলচীনো কেলেই যায়। তায়ো গ'লে, মই ঘৰখনত অকলে কেনেকৈ থাকিম?"

হাছমতে ক'লে, "জাফৰক ঘৰতে থাকিবলৈ ক'বা। সি ঘুৰি ফুৰিব নালাগে। আমি এদিন বা দুদিন থাকিয়ে আহিম, চিন্তা নকৰিবা।"

সোণপাহীয়ে আইটিৰ মুখলৈ চালে, তাইৰ মুখৰপৰা তাইৰ মনৰ ভাব অকণো বুজিব নোৱাৰিলে।

কিন্তু ঘৰত থাকিবলৈ কৈ যাবলৈ হাছমতে যাবৰ সময়ত জাফৰক ঘৰত দেখা নাপালে। তাৰ আগেয়ে সি কেনিবা ওলাই গ'ল।

আইটিহঁত যোৱাৰ পিছত সোণপাহীৰ সঁচাকৈয়ে বৰ উৰুঙা লাগিল। ঘৰখন নিমাওমাও। তাই চিন্তা কৰি চালে। অতদিনে নিজৰ ল'ৰাৰ নিচিনাকৈ মৰম কৰি, ফুচুলাই বা ভয় খুৱাই জাফৰক তাইৰপৰা দূৰত ৰাখি আহিছে। কিন্তু আজি তাই কি কৰিব? পাপলৈ তাইৰ ভয় নোহোৱা নহয়। এবাৰৰ ভুলৰ শাস্তি তাই আজিও ভুগি আছে। এতিয়া যে তাই বিবাহিতা। তাইৰ স্বামী আছে, আৰু জাফৰ স্বামীৰ পুত্ৰ। স্বামীৰ পুত্ৰ হ'লে তাইৰ নিজৰো পুত্ৰ। নাই নাই, এই পুত্ৰৰ ওচৰত আত্ম-সমৰ্পণ কৰিলে তাইৰ ইমান ডাঙৰ পাপ হ'ব, গুনাহ হ'ব যে তাৰ শাস্তিৰপৰা তাই কোনো দিন মুক্তি নাপাব। যি হয় হ'ব, কিন্তু জাফৰক তাই আজি বাধা দিবই। তাৰ কাৰণে তাই কিবা অবাঞ্ছনীয় কাম কৰিবলগীয়া হ'লেও কৰিব। আৰু সোণপাহী কম বয়সীয়া গাভৰু ছোৱালীও হৈ থকা নাই। তাইৰ ল'ৰা ছমীৰেই ডেকা হ'ল। তাইৰ দেহাটো ডেকা হৈ থকাইতো সকলো নহয়।

সোণপাহী কঠিন হ'ব। তাই নিজকে কঠিন কৰিব, সিমান কঠিন হ'ব—যিমান হ'লে তাই জাফৰৰ দুৰ্ব্বলতাক অনুকম্পা নেদেখুৱাই ঘৃণা কৰিব পাৰিব। ভাবি ভাবি সোণপাহীয়ে মনৰ ভিতৰতে শক্তি বিচাৰি ইটো-সিটো কৰি বহি থাকিল। যেন তাইৰ কোনো চিন্তা কৰিবলগীয়া হোৱা নাই, এনে ধৰণে সহজ হৈ থাকিবৰ চেষ্টা কৰিলে।

আবেলি জাফৰ ঘৰলৈ আহিল।

"বাবাহঁত গ'ল নেকি ?"

"গ'ল।"

"আইটিও গ'ল নেকি ?"

"আইটিও গ'ল, গুলচীও গ'ল। তুমিনো ক'লৈ গৈছিলা ?"

"অলপ ওলাই গৈছিলোঁ। এটোপা চাহ-পানী দিব পাৰিবা জানো ?"

"অকণমান বহা। মই এতিয়াই কৰি দিছোঁ।" কৈ সোণপাহী ৰান্ধনি-শাললৈ গ'ল।

এয়া সহজ সোণপাহী।

অলপ পৰৰ পিছত জাফৰ গৈ সোণপাহীৰ ওচৰতে, ৰান্ধনি-শালত মুঢ়া এটা লৈ বহিলগৈ। সোণপাহীয়ে জুইকুৰা ধৰি চাহৰ কেট্‌লিটো তুলি দিলে।

জাফৰে সোণপাহীৰ মুখলৈ চাই আছে, সোণপাহীয়ে দেখিলে। জাফৰৰ চাৱনিক বাধা দিবৰ কোনো উপায় নাই, চাওক!

অলপ পৰ মনে মনে বহি থাকি জাফৰে সুধিলে, "বাবাহঁত তাত কেইদিন থাকিব ?"

"ক'ব নোৱাৰোঁ। দুই-তিনি দিনমান থাকিব কিজানি।"

কথাষাৰত যেন জাফৰে আনন্দ পালে। সৰহ দিন আঁতৰি থকাৰ যুক্তি হিচাপেই যেন সি ক'লে. "এৰা, অতদিনৰ মূৰত গৈছে, দুদিনমান থাকি নাহিলে ভাল হ'ব জানো ?"

সোণপাহীয়ে নামাতিলে। তাই চাহ বকাত লাগিল—নীৰৱে।

কিছু পৰৰ মূৰত সোণপাহীয়ে ক'লে, "অলপ পৰ তুমি ঘৰত থাকিব পাৰিবা জানো ?"

"কেলেই ?"

"মই অলপ পানৈহঁতৰ ঘৰৰপৰা আহোঁ।"

"কেলেই ?"

"ৰাতি থাকিবলৈ পানৈক মাতি আহোঁ। নহ'লে অকলে মই কেনেকৈ থাকিম ?"

"মই থাকিম নহয়, পানৈক কেলেই ?"

"সেই কাৰণেহে। তুমি নথকা হ'লে মই অকলেই থাকিব পাৰিলোহেঁতেন।"

"পানৈক নালাগে মাতিব।"

'মাতিব নালাগে যদি তুমি কিন্তু মোক আমনি নকৰিবা—"

জাফৰে সোণপাহীৰ মুখলৈ চালে। সোণপাহীয়েও চালে। তাৰ চকুত অসহায় কৰুণ চাৱনি। সোণপাহীৰ আনন্দ লাগিল। জাফৰ দুৰ্ব্বল. তাইৰ মৰম পাবলৈ সি অনুনয় কৰিব পাৰে, জোৰ কৰিব নোৱাৰে। তালৈ সোণপাহীৰ পুতৌ হোৱা যেন লাগিল। নাই, ইয়ালৈ ভয় নকৰিলেও চলিব। মই দুৰ্ব্বল হৈ নিদিলেই হয়।

তলমূৰ কৰি চাহ খাই জাফৰ লাহে লাহে ওলাই গ'ল। সোণপাহী বহি থাকিল।

হয়তো হাছমতৰ কাৰা শাসনত ডাঙৰ হোৱা জাফৰে জীৱনত কোনো ছোৱালীৰে মৰম পোৱা নাই। নহ'লে সি এইদৰে, এটা কাঙালৰ নিচিনাকৈ সোণপাহীৰ ওচৰত

আঁঠু নল'লেহে'তেন। হয়তো সি ভাল পাব নাজানে, হয়তো সোণপাহীৰ দৰেই গাঁৱৰ অন্য ছোৱালীবোৰেও তাক পুতৌ কৰে, ভাল নাপায়। দুৰ্ভগীয়া বেচেৰা!— সোণপাহীয়ে ভাবিলে।

তাই চাই দেখিলে—একেদৰেই তলমূৰ কৰি জাফৰ নঙলা-মুখেদি ওলাই গৈছে। তাক পিছফালৰপৰা এবাৰ মাতি ঘৰলৈ সোনকালে ঘূৰি আহিবলৈ ক'বৰ মন গ'ল তাইৰ। কিন্তু নামাতিলে। যাওক, মাতিবৰ দৰকাৰ নাই। জাফৰ নাহি নোৱাৰে।

সন্ধিয়া হৈ আহিছিল। লেম-চাকি জ্বলাই সোণপাহীয়ে ভাত ৰান্ধিবৰ কাৰণে আকৌ ৰান্ধনি-ঘৰত সোমাল।

গাঁৱৰ নীৰৱ গধূলি। জাৰ নামিছে। ৰাতি বেছ জাৰ পৰিছে। জুইবোৰ মিঠা লগা হৈ আহিছে।

অকলে অকলে জুইৰ গুৰিত বহি সোণপাহীয়ে আগ-গুৰি নোহোৱা কথাবোৰ ভাবি গৈছিল। স্মৃতিবোৰ জীৱন্ত হৈ উঠি তাইৰ নিঃসঙ্গতাৰ চেতনাক পাহৰাই দিছিল। আখাটোত ৰঙা জুইকুৰা মিট্‌মিট্ কৰি জ্বলি আছিল আৰু বাহিৰত ডাঠ এজাক কুঁৱলীয়ে গধূলিৰ গাঁওখনক লাহে লাহে ঢাকি পেলাইছিল। সোণপাহী'তৰ বহল বাৰীখনৰপৰা নিলগত থকা কোনোবা এঘৰত কেঁচুৱাই কান্দিছিল। এটা ম্লান বিষণ্ণতাই অকাৰণতে সোণপাহীৰ মনটোক গধুৰ কৰি তুলিছিল। আজিৰ জীৱনটো পিছলৈ থৈ তাইৰ উৰণীয়া মনটো ভালেমান বছৰৰ আগলৈ ঘূৰি গৈছিল :

এজন সুঠাম, সুশ্ৰী ডেকা আহি সিহঁতৰ ঘৰত আলহী হৈছিলহি। ডেকাজনৰ চকুহাল আছিল বেথাভৰা, কৰুণ ; কিন্তু মুখখন আছিল হাঁহিভৰা। দেখিয়েই ডেকালৈ তাইৰ চেনেহ উপজিছিল। তাই তেতিয়া এজনী সৰু ছোৱালী। গাত কাপোৰ লোৱাৰ লাগ-বান্ধ তাইৰ নাছিল তেতিয়া। অৱশ্যে দৈহিকভাৱে তাই গাভৰু হোৱা বুলি তাইক বুজাই দিয়া হৈছিল। কিন্তু সামান্য দৈহিক পৰিৱৰ্ত্তনৰ বাহিৰে তাৰ অন্য কোনো তাৎপৰ্য্য তাই বুজি পোৱা নাছিল।

ডেকাজনে তাইক গাভৰু হোৱা বুলি কোৱা নাছিল, কৈছিল এষাৰ অতি মিঠা লগা কথা : 'সোণপাহী, তুমি ইমান ধুনীয়া—' ইয়াতকৈ মন ভাল লগা কথা, ইয়াৰ আগতে আৰু কোনেও তাইক কোৱা নাছিল। হৰ্ষ আৰু পুলকত তাইৰ মনটো নাচি উঠিছিল।

সেই ডেকাজন সিহঁতৰ ঘৰত কেইবা দিনো আছিল। তাইক কাষলৈ চপাই লৈ তাই বুজি পোৱা-নোপোৱা কিবা-কিবি কথাবোৰ কৈ গৈছিল। ওচৰত কোনো নথকা সময়ত তাইক কোলাত বহুৱাই লৈ চুমা খাইছিল। তাইৰ ভাল লাগিছিল। তাইৰ লাজ লাগিছিল, কিন্তু তাই একো বুজা নাছিল ভালকৈ।

তেতিয়া তাই বুজা নাছিল যে সেই ডেকাজনেই এদিন ছমীৰৰ পৰিচয়হীন পিতাক হ'ব। সোণপাহীৰ স্বপ্নভঙ্গৰ কাৰণ হ'ব, তাইৰ জীৱনভৰা দুখ আৰু ব্যৰ্থতাৰ হেতু হ'ব। সেইবোৰ এতিয়াও জীয়াই থকা, হেৰোৱা দিনৰ জীয়া মৰমৰ কথা। হাজাৰ বেদনাৰ কুঁৱলীয়েও সিহঁতক অকণো নিস্তেজ কৰিব পৰা নাই। পাহৰণিৰ কুঁৱলীয়ে সিহঁতক অকণো ম্লান কৰিব পৰা নাই!

সেইবোৰ কথা সোণপাহীয়ে মনত পেলায়হঁলে নিৰিবিচাৰে। সেইবোৰ কথা তাই

পাহৰি থাকিবৰ চেষ্টা কৰে, পাহৰি থাকে। আজি এই ম্লান শীতৰ নিঃসঙ্গ সন্ধিয়াত সেইবোৰ তাইৰ মনত অনাহূতভাৱে কিয় উদয় হৈছে তাই বুজিব নোৱাৰিলে। ক্ৰমে তাইৰ চকু দুটা তপত লোতকেৰে ভৰি আহিল। এটা মৰ্মদাহী হুমুনিয়াহে তাইৰ বুকুৰ জঁকা, কামীহাড় সকলো ভাঙি নিয়া যেন অনুভৱ কৰিলে তাই।

হঠাৎ তাই যেন কাষতে অন্য এটা দীৰ্ঘনিশ্বাসৰ শব্দ শুনিবলৈ পালে। তাই বাষ্পাকুল চকু দুটাৰে সেইফালে চালে। দুৱাৰ-মুখত জাফৰ থিয় হৈ একেথৰে তাইৰ ফালে অপলক দৃষ্টিৰে চাই আছে।

চকুত ধোঁৱাই ধৰাৰ দৰে সোণপাহীয়ে চাদৰখনৰ আগেৰে তাইৰ চকু দুটা মোহাৰিলে। তাৰ পিছত নুমাই যাব ধৰা জুইকুৰা বঢ়াই দি ক'লে, "তুমিনো কেতিয়া আহিলা ?"

কিন্তু সোণপাহীৰ প্ৰশ্নৰ উত্তৰ নিদি জাফৰে সুধিলে, "তুমি কান্দি আছিলা কেলেই ?"

জাফৰৰ মাতটো অনুকম্পা মিহলি যেন লাগিল সোণপাহীৰ। তাই কি কৈছে নভবাকৈয়ে ক'লে, "মইতো সদায় কান্দো। তুমি হ'বলা আজিহে দেখিলা ?"

যেন আশ্বাস পাই, এটা সৰু ল'ৰাৰ দৰে জাফৰ আহি সোণপাহীৰ ওচৰতে চাপৰ মুঢ়াটোত বহিলহি।

"তুমি কেলেই কান্দা ?" সোণপাহীৰ মুখলৈ চাই সি সুধিলে।

"দেখিছাই নহয়—মোৰ জীৱনত কিমান সুখ, নাকান্দি কি কৰিম ?"

আজি প্ৰথমবাৰৰ কাৰণে যেন জাফৰে সোণপাহীৰ জীৱনৰ দুখ আৰু ব্যৰ্থতা নিজ চকুৰে দেখা পালে। এই ধুনীয়া গাভৰু ছোৱালীজনীৰ অতীতটো যিদৰে বেদনাময়, সেইদৰেই তাইৰ ভৱিষ্যতটোও সম্পূৰ্ণ শূন্য। তাত কোনো সুখ-শান্তিৰ সম্ভাৱনা নাই। কেৱল এটা নিশ্চিত সম্ভাৱনাই তাইৰ আছে ঃ কিছু দিনৰ মূৰত তাই বিধৱা হ'ব পাৰিব। আৰু এদিন এই অৰ্থহীন বৈধৱ্য সহ্য কৰিব নোৱাৰা হ'লে আত্মহত্যা কৰিব পাৰিব। আৰু সহ্য কৰিব পাৰিলে অৰ্থহীনভাৱে কিছুদিন জীয়াই থাকি তাৰ পিছত মৰিব পাৰিব। সেয়েই সোণপাহীৰ জীৱনৰ ভৱিষ্যৎ।

কথাবোৰ স্পষ্টকৈ জাফৰে ভাবিব নাজানিছিল, কিন্তু নভবাকৈয়ে এই কথাবোৰ আজি তাৰ বুজি পোৱা যেন লাগিছিল।

নিৰ্বাক হৈ কিছুপৰ জাফৰে সোণপাহীৰ ফালে চাই ৰ'ল, তাৰ পিছত অতি সৰুকৈ ক'লে, "ময়ো তোমাক দুখহে দিছোঁ। এৰা, মোৰপৰাও তুমি দুখহে পাইছা—"

"যদি বুজিছা, মোক আৰু দুখ নিদিবা দেই। মই আৰু সহিব নোৱাৰোঁ। কপালত যি আছিল হ'ল। আৰু বেছি দুখ হ'লে মই মৰি থাকিম।"

বৰ গভীৰভাৱে, বৰ কৰুণভাৱে ক'লে সোণপাহীয়ে। জাফৰে যেন তাইৰ ভিতৰত এজনী বেলেগ মানুহ দেখা পালে—জীৱনত দুখৰ বাহিৰে অন্য একোকে চিনি নোপোৱা এজনী ভাগ্যহীনা, দুৰ্ভগীয়া মানুহ। যাৰ ক'তো সান্ত্বনাৰ স্থল নাই।

আৰু কিছুপৰৰ মূৰত সোণপাহীয়ে বাঢ়ি দিয়া ভাত নীৰৱে খাই জাফৰ মনে মনে উঠি গ'ল।

ভাত খাই থাকোঁতে সোণপাহীয়ে ভাবিলে, জাফৰৰ গাত কি দোষ আছে ? সি

ডেকা মানুহ, তাৰ বুঢ়া বাপেকৰ লগত হোৱা তাইৰ বিয়াৰ ভেকো-ভাওনাখনৰ অসাৰ্থকতা সি নুবুজা নহয়। হয়তো অন্য কাৰো মৰম বিচাৰিব নাজানি, অন্য কাৰো মৰম নাপাই সি মোৰ মৰমকে বিচাৰিছে। সকলো বুজিও সি একোকে বুজিবলৈ মাথি হোৱা নাই। এই দেহ, এই ৰূপ লৈ তাৰ নিচিনা এটা ডেকাৰ আগত সদায় থাকিলে, তাৰ মনত কামনা-বাসনাৰ জুই জ্বলাটো তেনেই স্বাভাৱিক কথা। মোৰ অতীতৰ কথা, মোৰ বৰ্ত্তমান বয়সৰ কথা কোনো দিন সি ভাবি চোৱা নাই।

মোক 'মাহী আই' বুলি স্বীকাৰ কৰিবৰ কোনো যুক্তি, কোনো হেতু হয়তো সি বিচাৰি পোৱা নাই।

দুপৰাহমান ভাত খাই, বান্ধনি-ঘৰৰ দুৱাৰ বন্ধ কৰি সোণপাহী উঠি আহিল। বিভিন্নমুখী নানা চিন্তাই তাইক বিব্ৰত কৰি তুলিলে। আজিৰ অকলশৰীয়া ঘৰটোত, অকলশৰীয়া ৰাতিটো জাফৰৰ মনত কিছুমান গধুৰ বেদনা সুমুৱাই নিদিয়া হ'লেই ভাল আছিল—তাই ভাবিলে।

আগফালৰ দুৱাৰ বন্ধ কৰিবৰ কাৰণে সোণপাহী আগফালৰ কোঠালিলৈ আহিল। আন্ধাৰতে জুপুকা মাৰি জাফৰ বহি আছে।

দুৱাৰখন মাৰি থৈ আহি সোণপাহীয়ে ক'লে, "ঠাণ্ডা পৰিছে। এনেকৈ বহি থাকিব নালাগে, ভিতৰলৈকে আহা।"

বাধ্যৰ দৰে জাফৰ সোণপাহীৰ পিছে পিছে আহিল। তাৰ নিচিনা এটা গোঁৱাৰ ল'ৰা কেনেকৈ হঠাৎ ইমান নিৰ্জু আৰু শান্ত হৈ পৰিল, সোণপাহীৰ বুজিব নোৱাৰা যেন লাগিল।

সোণপাহীহঁতৰ সৰু কোঠালিটোত টিপ-চাকি এটা জ্বলি আছে। সি কোঠাটোৰ সকলোবোৰ আন্ধাৰ আঁতৰাব পৰা নাই। মাটিৰে লিপা ঘৰৰ বেৰবোৰ হালধীয়া-ধোঁৱাবৰণীয়া যেন দেখাইছে। বাহিৰত কুঁৱলী।

সোণপাহী তাইৰ বিচনাখনতে বহিল। অলপ আঁতৰতে মুঢ়া এটাত জাফৰ বহিল। অলপ সময় কোনো কথা-বতৰা নোহোৱাকৈ কাটি গ'ল। দুয়োৰেই যেন কিবা কথা এটা ক'বলৈ বিচাৰিছিল, কিন্তু কথা বিচাৰি পোৱা নাছিল।

মাতত অলপ প্ৰফুল্লতাৰ সুৰ দিবৰ চেষ্টা কৰি সোণপাহীয়ে জাফৰলৈ চাই ক'লে, "তুমি আকৌ ইবোৰ-সিবোৰ নাগাবা দেই। পাভজনী সঁচাকৈয়ে বৰ ধুনীয়া ছোৱালী। পাভ যি পাভ—কোমল তিঁয়হৰ জালী যেন, আৰু বয়সো নিচেই কম।"

জাফৰে সোণপাহীলৈ মুৰ তুলি চালে। অলপ আগতে নিজৰ দুখত কান্দি থকা মানুহজনীয়ে ইমান সোনকালে কেনেকৈ তাৰ বিয়াৰ কথা ভাবিব পাৰিলে, সি বুজিবই নোৱাৰিলে। ছোৱালীবোৰক অকণো বুজা নাযায়। কান্দিবলৈ যিদৰে সিহঁতৰ সময় পৰ নালাগে, হাঁহিবলৈকো সময় পৰ নালাগে। সিহঁতে কেতিয়া হাঁহে, কেতিয়া কান্দে ধৰিবই নোৱাৰি।

জাফৰক মনে মনে থকা দেখি সোণপাহীয়ে আকৌ ক'লে, "বাবাহঁতে চাই ঘূৰি আহক, তাৰ পিছত তুমি ওলাবা মোৰ লগত, পাভক দেখুৱাই আনিমগৈ। যাবা ?"

হঠাৎ যেন সোণপাহীৰ মনলৈ আনন্দ ঘূৰি আহিছিল।

জাফৰে ক'লে, "তোমালোকে জানো এইবোৰ কি কৰিব খুজিছা—"

"কি কৰিব খুজিছো আকৌ—তোমাৰ বিয়া পাতিব খুজিছো। বোৱাৰী এজনী নহ'লে সদায় মই অকলে অকলে কেনেকৈ থাকিম। আৰু ঘৰখনত সৰু ল'ৰা-ছোৱালীও নাই, কেনেকুৱা নিমাওমাও লাগি থাকে।"

হাঁহি হাঁহি কৈছিল যদিও সোণপাহীৰ কথাখিনিত কোনোবাদি বিষাদ মিহলি হৈ আছে যেন অনুভৱ কৰিলে জাফৰে। সোণপাহীৰতো মাতৃ হোৱাৰ বয়স যোৱা নাই। তাইতো এতিয়াও সন্তানৰ মাতৃ হ'ব পাৰে! ইমান কেঁচা হৈ আছে।

কথাষাৰ কৈ দিব খুজিও সি বৈ গ'ল। বৰ কৰুণ অশ্লীল এই কথাষাৰ, সোণপাহীৰ কাৰণে দুৰ্ব্বহ হ'ব।

কিন্তু তাৰ নীৰৱতাক অবাক কৰি দি সোণপাহীয়ে ক'লে, "কি ভাবিছা? বাবাৰে মোক নামতহে বিয়া কৰালে। আমাৰ ল'ৰা-ছোৱালী হোৱাৰ কোনো আশা নাই। তুমি বিয়া কৰালে, তোমাৰ ল'ৰা-ছোৱালীয়েই আমাৰ ল'ৰা-ছোৱালী হ'ব।"

কথাবোৰ শুনি লাজ লাগিব লাগে নে বেজাৰ লাগিব লাগে, জাফৰে বুজিব নোৱাৰিলে। আৰু কথাবোৰ সোণপাহীয়ে ধেমালিতে কৈছে নে এনেয়ে ভালকৈয়ে কৈছে, সি বুজিব নোৱাৰিলে। অৱশ্যে সোণপাহী গাঁৱলীয়া ছোৱালী। এইবোৰ কথা আলোচনা কৰাত তাই সংকোচবোধ নকৰাটোৱেই স্বাভাৱিক।

একো নোকোৱাকৈ, একো ক'বলৈ বিচাৰি নাপাই, জাফৰ তলমূৰ কৰি বহি থাকিল। সোণপাহীয়ে বুজিলে, আজি তাইৰ জয় হৈছে। এতিয়া জাফৰ তাইৰ সম্পূৰ্ণ বশ। অৱাঞ্ছনীয় একো কৰিবৰ শক্তি এতিয়া তাৰ নাই।

"একেবাৰে নমতা হ'লা দেখোন। পাৱক যদি নালাগে, অন্য কোন ছোৱালীক লাগে কোৱা। ইয়াৰ গাঁৱৰ ছোৱালীবোৰৰ লগততো তোমাৰ চিনা-জনা আছে—"

জাফৰ বহাৰপৰা উঠিল আৰু আহি সোণপাহীৰ সন্মুখত ৰ'লহি। সোণপাহীয়ে বহাৰপৰাই তাৰ মুখলৈ চালে। হঠাৎ সি আঁঠুকাঢ়ি মাটিতে বহিল আৰু তাইৰ আঁঠুৰ মাজত মূৰটো সুমুৱাই দি ক'লে, "মই মৰি যাম। তুমি মৰম নকৰিলে মই মৰি থাকিম।"

দুৰ্ব্বল জাফৰটোলৈ সোণপাহীৰ মৰম লাগিল। 'ভাল পোৱা' আদায় কৰিব সি নাজানে, সেয়ে সি 'ভাল পোৱা' ভিক্ষা কৰিছে। সোণপাহীক বাপেকে বিয়া কৰোৱাৰ পিছৰেপৰা সি ঘৰৰপৰা আঁতৰি আলেঙে আলেঙে ফুৰিছে। তাৰ মনৰ অসহায় অৱস্থাক ঢাকিবৰ কাৰণে সি নিজৰ ব্যক্তিত্ব প্ৰতিষ্ঠাৰ চেষ্টাত নিজৰ অজ্ঞাতেই গোঁৱাৰ হৈ পৰিছে। কিন্তু এতিয়াও সি এটা অসহায় সৰু ল'ৰা। হয়তো সোণপাহীতকৈ বয়সত ডাঙৰ, কিন্তু তাৰ ভিতৰৰ মানুহটোৰ অকণো বয়স হোৱা নাই। নহ'লে অসম্ভৱৰ ওপৰতে সি আশাৰ ভেটি ৰচনা নকৰিলেহেঁতেন।

সোণপাহীয়ে তাৰ চুলিবোৰৰ মাজত আঙুলি বুলাই দি দি ক'লে, "উঠা, আকৌ সেইবোৰ কথা কৈছা। সেইবোৰ ক'লে মই বেয়া পাম। উঠা, মই দেখোন তোমাক মৰম কৰোঁ।"

সোণপাহীৰ আঁঠুটোৰ ওপৰত থুতৰিটো থৈ তাইৰ মুখলৈ নোচোৱাকৈয়ে জাফৰে ক'লে, "প্ৰথমতে তুমি ইয়ালৈ আহোঁতে তোমাক মোৰ শত্ৰু যেন লাগিছিল। তোমাক মোৰ দেখিবৰ মন নগৈছিল। মই ঘৰৰপৰা আঁতৰি ফুৰিছিলোঁ। এতিয়া পিছে

তোমাৰপৰা আঁতৰি থাকিলে মই থাকিব নোৱাৰা হওঁ। সেইবোৰ বিয়া-চিয়া পাতিব নালাগে। আমি এনেকৈয়ে থাকিম। তোমাৰপৰা আঁতৰি যাব লাগিলে যে মোৰ কি হ'ব, মই ক'ব পৰা নাই।"

জাফৰৰ পোনপটীয়া কথাবোৰ শুনি সোণপাহীৰ ভাল লাগিল। সি মিছা কথা কোৱা নাই।

সোণপাহীয়ে ক'লে, "বাৰু এতিয়া উঠা, এতিয়াতো আৰু মই তোমাৰ শত্ৰু নহওঁ। তুমিও মোৰ শত্ৰুতা নকৰিবা দেই। দেখিছা নহয় মোৰ কিমান দুখ।"

সোণপাহীয়ে জাফৰক বিচনাখনতে, নিজৰ কাষতে বহুৱালৈ দিলে।

জাফৰে ক'লে, "মোক যে কোনে কি কৰিছিল? মাজে মাজে ছমীৰে তোমালৈ চিঠি দিছিল। চিঠিবোৰ পিয়নে মোৰ হাতত দি গৈছিল। কিন্তু সেইবোৰ তোমাক মই নেদেখুৱাই লুকুৱাই থৈ দিলোঁ।"

"ছমীৰে মোলৈ চিঠি দিছিল—" আচৰিত হৈ সোণপাহীয়ে তাৰ মুখলৈ চালে।

"দিছিল। চিঠিত তাৰ খৰচৰ কাৰণে টকা বিচাৰিছিল। কিন্তু 'কিন্তু—"

চিঠিবোৰ তুমি মোক নিদিলা কেলেই? তাৰ চাগৈ পইচাৰ কাৰণে কিমান কষ্ট, কিমান অসুবিধা হৈছে—"

"মোক মাফ কৰা। তোমাৰ ওপৰত মোৰ ইমান বেয়া ভাব সোমাইছিল যে তোমাক দুখ দিবৰ কাৰণে মই বাট বিচাৰি ফুৰিছিলোঁ। কি যে ডাঙৰ অন্যায় কৰিলোঁ মই!"

সোণপাহী মনে মনে থাকিল। জাফৰৰ ওপৰত তাইৰ খং উঠিলেও এনে ধৰণে স্বীকাৰ কৰাৰ কাৰণে তাই তাক খং কৰিব নোৱাৰিলে। তাই নিজকে কোৱাদি ক'লে, "মোৰ বাহিৰে তাৰতো আৰু কোনো নাই। তাৰ চিঠিৰ উত্তৰ নাপাই চাগৈ সি মোক খুব বেয়া পাইছে।"

"মৱে উত্তৰ দিছিলোঁ। কিন্তু ছমীৰলৈ টকা পঠাব নোৱাৰোঁ বুলি লিখি দিছিলোঁ। মোৰ যে কি হৈছিল, মই এতিয়াও বুজিব পৰা নাই।"

খং আৰু বেজাৰে সোণপাহীৰ মনটো আগুৰি ধৰিলে। জাফৰক তাইৰ বৰ নীচ যেন লাগিল। সোণপাহীৰ ওপৰত প্ৰতিশোধ ল'বৰ কাৰণে সি ছমীৰক কিমান কষ্ট দিলে! সোণপাহী এইখন ঘৰলৈ অহাৰ কাৰণেতো তাই নিজে দায়ী নহয়, দায়ী তাৰ বাপেক—হাছমত। কিন্তু সি যত অন্যায় কৰিলে, কৰিলে তাইৰ আৰু ছমীৰৰ। ছমীৰে চাগৈ তাইক কেতিয়াও মাফ নকৰিব।

কথাবোৰ কিবা দুৰ্ব্বোধ্য হৈ আহিছিল। লাহে লাহে তাইৰ নিজৰ ওপৰতে খং উঠি আহিব ধৰিলে। সকলো মোৰ নিজৰে কৰ্ম্মফল। মোৰ এই দুখ, মোৰ এই গ্লানি মোৰ প্ৰাপ্য। এই সকলোবোৰৰ কাৰণে মৱেই জগৰীয়া, জাফৰৰ কি দোষ! সি মোৰ পুত্ৰ নহৈ, মোৰ স্বামী হ'ব পাৰিলেহেঁতেন। বাপেকলৈ তাৰ ঈৰ্ষা নহ'ব কিয়? কিন্তু বাপেকৰ বিৰুদ্ধে সি একো কৰিব নোৱাৰে, সি দুৰ্ব্বল। সি প্ৰতিশোধ ল'লে মোৰ ওপৰত। আজি সি বুজিছে, তাৰ ভুল হৈছিল।

সোণপাহী তাৰ ফালে ঘূৰিল। তলমূৰ কৰি বিষাদ মনেৰে জাফৰ বহি আছে।

সোণপাহীয়ে ক'লে, "তুমি একো চিন্তা নকৰিবা। তোমাৰ গাত কোনো দোষ

নাই। মোৰ কপাল বেয়া। নহ'লে জানো এইবোৰ হ'বলৈ পায়। যোৱা, এতিয়া শুই থাকাগৈ, ৰাতি বহুত হ'ল।"

"এতিয়া মোৰ খুব বেয়া লাগিছে—" ভগা ভগা মাতেৰে জাফৰে ক'লে।

"এতিয়া সেইবোৰ ভাবি থাকিব নালাগে।"

"কিন্তু তোমাক মোৰ ইমান শত্ৰু যেন কিয় লাগিছিল, মই এতিয়াও বুজিব পৰা নাই।" জাফৰে ক'লে।

অলপ ৰৈ জাফৰে আকৌ ক'লে, "তুমি শোৱা। তোমাৰ কিজানি টোপনি আহিছে।"

"তুমিও শোৱাগৈ যোৱা। তোমাৰ জানো টোপনি অহা নাই?"

"মই এইখিনিতে শুই থাকিম। মোক খেদাই নিদিবা দেই।"

সোণপাহীয়ে একো নক'লে। হঠাৎ যেন তাইৰ ভিতৰৰ যুৱতীজনী মৰি গৈছে আৰু তাৰ ঠাইত এজনী আলৰ বুঢ়ী আহি ঠাই লৈছেহি। সেই বুঢ়ীজনীয়ে পৃথিৱীৰ যেই কোনো ল'ৰাকে বুকুৰ কাষত লৈ মৰম কৰি শুৱাব পাৰে! সিহঁতলৈ তাইৰ অকণো ভয় নাই। হাজাৰ পুৰুষৰ আহ্বানেও যেন তাইৰ যৌৱনক আৰু জগাই তুলিব নোৱাৰিব।

বিচনাখনত একাষৰীয়া হৈ সোণপাহী শুলে আৰু জাপি থোৱা বৰ কাপোৰখন মুৰৰপৰা ভৰিলৈকে মেলি ল'লে। কাষতে বহি থকা জাফৰে নিজকে বৰ অসহায় যেন অনুভৱ কৰিলে।

সি সোণপাহীৰ গাৰ কাষলৈ আহিল আৰু বিচাৰি লৈ তাইৰ হাতখন নিজৰ হাতৰ মাজত লৈ ক'লে, "মোলৈ খুব খং উঠিছে, নহয়?" তাৰ মাতটো বৰ কৰুণ যেন লাগিল সোণপাহীৰ।

সোণপাহীয়ে একো নামাতিলে। সি কুঁচি-মুচি সোণপাহীৰ গাৰ কাষতে শুলে আৰু ক'লে, "মই এইখিনিতে শুই থাকোঁ দেই—"

সোণপাহীৰ ভিতৰৰ বুঢ়ীজনীয়ে নিৰ্ব্বাক ভাষাৰে ক'লে, 'শোৱা, তোমালৈ মোৰ কোনো ভয় নাই। মই এজনী বুঢ়ী।'

॥ ঊনত্ৰিশ ॥

আহমদ ঠিকাদাৰৰ পদুলি-মুৰত কেইবাটাও পুলিচ দেখি মানুহ কিছু গোট খালে। কথাটো কোনেও বুজিব পৰা নাছিল। কি হৈছে, কাক বিচাৰিছে, কিয় বিচাৰিছে? ঘৰত ঠিকাদাৰ নাই।

অলপ পৰৰ পিছতে মানুহে কথাটো বুজিব পাৰিলে—

ঠিকাদাৰৰ ঘৰত থকা ছমীৰে এজনী ভদ্ৰঘৰৰ ছোৱালীক ফুচুলাই নি এমেৰিকান মিলিটাৰীক বেচিবলৈ গৈছিল। মাধৱ আৰু কণপায়ে দেখা পাই মিলিটাৰীৰ লগত মাৰপিট, কাজিয়া কৰি ছোৱালীজনী কোনোমতে উদ্ধাৰ কৰি আনিছে।

পুলিচৰ কথা শুনি সকলো স্তব্ধ হ'ল। "ল'ৰাটো তলে তলে ইমান বেয়া হৈছে বুলি আমি জনা নাছিলোঁ।"

"শকত-আৰত ল'ৰা, বল-চল থেলে। সি যে এনেকুৱা যেপাৰত ধৰিব, কোনে ভাবিব পাৰিছিল।"

"আমাৰ কিন্তু বিশ্বাস হোৱা নাই। সি স্কুলীয়া ল'ৰাটোৱে সেইবোৰ ক'ত কৰিবলৈ গৈছেহে। ল'ৰাটো শকত-আৰত হ'ল কি হ'ল। তাৰ বয়স হৈছে কিমান? এইবোৰ কথা কোনে কৈছেহে। ক'ৰবাত কোনোবাই কৰিলে চাগে—লগাই দিছে তাক।"

"এ নক'বা, আজি-কালিৰ দেশকাল বেয়া হ'ল। মিলিটাৰীৰ ৰাজত্ব হ'ল। দেশত আৰু ভাল মানুহ আছে জানো?"

ছমীৰ ওলাই আহিল ভিতৰৰপৰা। পুলিচ দেখি অলপ বিস্মিত হ'ল যদিও সি ভয় নাখালে। উপস্থিত সকলোৱে কৌতূহলেৰে তাৰ মুখলৈ চালে।

"কম ল'ৰা নহয়। এনে এটা কাম কৰিও সি কেৰেপকে কৰা নাই।"

আহমদ ঠিকাদাৰক দাৰোগাই ভালকৈ জানে। মাধৱহ'তৰ এজাহাৰ নোপোৱা হ'লে, তেওঁ নাহিলহেঁতেন। কিন্তু চৰকাৰী বিষয়া, নাহি উপায় নাই।

দাৰোগাই ছমীৰৰ জবানবন্দী ল'লে। উপস্থিত লোকসকলৰ পুলিচৰ কথাখিনি যিমান অবিশ্বাস্য যেন লাগিছিল, ছমীৰৰ কথাখিনিও সিমানেই অবিশ্বাস্য যেন বোধ হ'ল। দুটা এমেৰিকান চিপাহীৰ লগত অকলে যুঁজি সিনো ছোৱালীজনী এৰুৱাই আনিব পাৰিলে নে? দাৰোগা অভিজ্ঞ মানুহ। হয়তো প্ৰকৃত ঘটনাটো কি—তেওঁ কিছু বুজিব পাৰিলে। কিন্তু মনৰ ভাব প্ৰকাশ নকৰি ক'লে, "তোমাক এৰেষ্ট কৰিব লাগিব। আমাৰ লগত থানালৈ যাবলৈ ওলোৱা।"

অৱশ্যে কোনোবা জামিনদাৰ ওলালে যে জামিনত ছমীৰক এৰি যাবলৈ তেওঁ প্ৰস্তুত, এইটো বুজাত কাৰো কষ্ট নহ'ল। কিন্তু এজন মানুহেও আগবাঢ়ি আহি কথাষাৰ নক'লে।

এজনে মাত্ৰ গাত নলগাভাৱে ক'লে, "ল'ৰাটোক জামিনত এৰি যাব নোৱাৰে জানো?"

"কোন হ'ব জামিন?" দাৰোগাই সুধিলে।

জুলেখাই ভিতৰৰপৰা সকলো শুনি আছিল। পৰ্দাৰ সিপাৰৰপৰাই তেওঁ ক'লে, "অকণমান ৰ'ব। জামিনদাৰক মাতিবলৈ গৈছে।"

কিন্তু বেছি পৰ ৰ'বলগীয়া নহ'ল। প্ৰায় দৌৰি অহাদি আহি পূৰ্ণানন্দ মাষ্টৰ তাত উপস্থিত হ'লহি।

তেওঁ দাৰোগা প্ৰমুখ্যে সকলোৰে মুখলৈ এবাৰ চালে, তাৰ পিছত কঠিনভাৱে ক'লে, "কি হৈছে?"

দাৰোগাই চমুকৈ কথাটো মাষ্টৰক বুজাই ক'লে।

মাষ্টৰৰ খং উঠি গ'ল।

"কেচটো অনুসন্ধান নকৰাকৈ কোনোবা দুৰ্বৃত্তৰ কাগজ এখন পায়ে আপোনালোকে ল'ৰাটোক এৰেষ্ট কৰিবলৈ আহিছে! সি মোৰ ছাত্ৰ, তাৰ কোনো নাথাকিলেও মই আছোঁ। আপুনি তাক এৰেষ্ট কৰিব নোৱাৰে। দৰকাৰ হ'লে মোক লৈ যাব পাৰে।"

মাষ্টৰৰ কথা শুনি উপস্থিত লোকসকলৰ দুই-এজনে মন্তব্য কৰিলে, "হয়তোন,

একপক্ষীয় কথাতে তাক এৰেষ্ট কৰাটো ঠিক নহ'ব। আপোনালোকে কথাটো ভালকৈ অনুসন্ধান কৰক।"

ছমীৰক এৰেষ্ট কৰাটো দাৰোগাৰো উদ্দেশ্য নাছিল। কিন্তু তেওঁ যে উলায়মলোকে ছমীৰক এৰেষ্ট কৰিবলৈ অহা নাই, সেইটো দেখুৱাবলৈ গহীন হৈ ক'লে, "কে'চটো বৰ কম্‌প্লিকেটেদ্‌। ইপিনে এমেৰিকান সৈন্য এটাও হস্পিটেলত আছে। মিলিটাৰী মৰাটো কি—আপোনালোকেতো বুজিব পাৰিছেই।"

পূৰ্ণানন্দই ক'লে. "ছমীৰে ছোৱালীজনীক ৰক্ষা কৰিবলৈ তাক ঘূচিয়াই দলঙৰপৰা বগৰাই দিলে। মই হোৱা হ'লেতো তাক শেষেই কৰি দিলোহেঁতেন। Brutes deserve no better."

দাৰোগাই বুজিলে, ছমীৰৰ বিৰুদ্ধে কে'চটো বৰ শক্তিশালী নহয়! ঠিকাদাৰ আহমদো বৰ ধনী মানুহ, আৰু পূৰ্ণানন্দ 'কিংচ কমিছন' পাই সৈন্য বিভাগত যোগ দিবৰ কাৰণে প্ৰস্তুত হৈয়ে আছে। এইবোৰ কে'চ লৈ তেওঁলোকৰ লাভ নহয়।

অৱশেষত পূৰ্ণানন্দক জামিন লৈ দাৰোগাই ছমীৰক এৰি বিদায় ল'লে।

ছমীৰে যেন একো বুজি পোৱা নাছিল। থৰ লাগি সি সকলোবোৰ চাই আছিল। তাৰ চকুৰ আগৰ মানুহবোৰক, তাৰ চিনি নোপোৱা যেন লাগিছিল। সি বুজিব নোৱাৰিছিল, বিপদত পৰা এজনী ছোৱালীক, নিজক বিপন্ন কৰি উদ্ধাৰ কৰাৰ কাৰণে সি এৰেষ্ট হ'ব লাগে কিয়? কি অপৰাধ কৰিলে সি? আৰু সি বুজিব নোৱাৰিলে, মাধৱ নামৰ সি চিনি নোপোৱা মানুহটোৱে ইমান মিছা কথা তাৰ বিৰুদ্ধে কিয় লগালে? তাকতো ছমীৰে চিনিকে নাপায়।

মানুহবোৰ দিহা-দিহি গুচি গ'ল। মাত্ৰ ৰহি থাকিল পূৰ্ণানন্দ মাষ্টৰ। মাষ্টৰৰ খং তেতিয়াও মাৰ যোৱা নাই। চকীখনত বহি থকাৰ পৰাই তেওঁ ক'লে, "তই অকণো ভয় নকৰিবি ৰজীম। মই আছোঁ নহয়। ইঃ, পুলিচবো সাহ কম নহয়! সোধ নাই, পোছ নাই, চিধা হেণ্ডকাফ লৈ আহিছে। যেন মাক-বাপেক নোহোৱা ক'ৰবাৰ বাটৰ বাটৰুৱাকহে এৰেষ্ট কৰিবলৈ আহিছে—"

হঠাৎ মাষ্টৰৰ মুখলৈ চাই থকা ছমীৰে বহি থকা মাষ্টৰৰ ভৰি দুখন সাৱট মাৰি ধৰিলে, আৰু কান্দি উঠিল—"চাৰ, চাৰ—"

মাষ্টৰে তাৰ মুৰ-পিঠিত থপৰিয়াই ক'লে, "তোৰ আকৌ কি হ'ল? মৰিছ? হেৰ, মতা ল'ৰাই কান্দে নে? চাওঁ উঠ উঠ, মোৰ বহুত কাম আছে। বাইদেৱেৰ-হঁতক আজি ৰাতিকৈ থ'বলৈ নিব লাগে। যাবিচোন তয়ো, তই গ'লে বাইদেৱেৰে ভাল পাব। এইবোৰ কথা আকৌ বাইদেৱেৰক নক'বি। আমাৰ বেদী আকৌ চকুপানী টোকাত তোতকৈও ওস্তাদ।"

কথাখিনি কৈ পূৰ্ণানন্দই হাতৰ পিঠিৰে তেওঁৰ সজল চকু দুটা মোহাৰি ল'লে।

পৰ্দাৰ সিপাৰত তেতিয়াও জুলেখা নীৰৱে বৈ আছিল। তেৱেঁই পূৰ্ণানন্দ মাষ্টৰক পুলিচ অহা দেখি মতাই অনাইছিল। তেওঁ দেখিলে, পূৰ্ণানন্দই চকুপানী ৰোধ কৰিব পৰা নাই। তেওঁৰ কিবা এষাৰ সুধিবৰ ইচ্ছা হৈছিল। কিন্তু পূৰ্ণানন্দ ধৰা পৰি লাজ পাই যায় বুলি পৰ্দাৰ কাষৰপৰা আঁতৰি গ'ল।

পূৰ্ণানন্দ বহাৰপৰা উঠিল আৰু ভিতৰৰ ফালে চাই অলপ ডাঙৰকৈ ক'লে,

"আপোনালোকে কোনো চিন্তা নকৰিব। কোনোবা গুণ্ডা মানুহে লগালে কাৰণে পুলিচ আহিছিল। ছমীৰক একো কৰিব নোৱাৰে।" তাৰ পিছত ছমীৰৰ ফালে ঘূৰি চাই ক'লে, "তই ভয় নকৰিবি অ' বছীম, মাধৱটোনো কোন, ময়ো খবৰ কৰিম। পিছে সময়হে জানো পাওঁ নে নাপাওঁ। মোৰো যাবৰ হ'ল নহয়।"

হাঁহি হাঁহি ছমীৰ আৰু জুলেখাক নির্ভয় দি পুর্ণানন্দ ওলাই গ'ল। কিছুপৰ তেওঁৰ ফালে চাই থাকি ছমীৰ লাহে লাহে ভিতৰ সোমাই গ'ল।

সি যোৱাৰ গম পাই জুলেখাই এনেয়ে নিজকে কোৱাদি ক'লে, "ঘৰখনত মতা মানুহ এটা নাই। তোৰ ওপৰতে সাহস কৰি আছোঁ। ঠিকাদাৰেতো টকাৰ বাহিৰে একো চিনি নাপায়। ঘৰ-বাৰীৰ যে চিন্তা কৰিব লাগে ক'বই নোৱাৰে।" কথাবোৰ আহি ছমীৰৰ কাণত পৰিছিলহি।

"তই পঢ়া-শুনা কৰা ল'ৰা, পঢ়িব পাৰ। তই আকৌ গ'লি মিলিটাৰীৰ লগত যুঁজ কৰিবলৈ, চুৰুণী ছোৱালীৰ ভাৰ বান্ধিবলৈ। কোনোবা দিনা ঘৰৰ ঘৰোৱাহকে জেইল নুখুৱালেই ৰক্ষা। ঠিকাদাৰ আহক, মই আৰু এইবোৰ চাই থাকিব নোৱাৰোঁ।"

জুলেখাৰ মাতটো ডাঙৰ নাছিল যদিও কথাবোৰৰ সুৰটো কঠিন আছিল। ছমীৰৰ সহ্য কৰিবলৈ টান লগা যেন লাগিল। কিন্তু সি একো নক'লে আৰু একো নকৰিলে। সি নিজকে স্থিৰ কৰি ৰাখিবৰ চেষ্টা কৰিলে। যেন সি অকণো বিব্ৰত হোৱা নাই, অকণো ভয় খোৱা বা লাজ পোৱা নাই। মাত্ৰ যেন এখন ফুটবল মেচ ভালকৈ খেলি বেয়া ৰকমে হাৰি আহিছে।

দিনটো ছমীৰ ক'লৈকো ওলাই নগ'ল। ভাত-পানী অন্য দিনাৰ দৰেই খাই-মেলি সি তাৰ কোঠালিতে সোমাই থাকিল। জুলেখাই দুই-এবাৰ পাক মাৰি চাই গ'ল যদিও তাক আৰু একো নক'লে। বেছি কথা ক'বলৈ তেওঁৰ ভয়ো লাগিছিল, বেয়াও লাগিছিল। এটা কথা জুলেখাই জানে যে অন্য যেই নহওক ছমীৰ বেয়া ল'ৰা নহয়। পুলিচ বা মাধৱ বা অন্য কোনোবাই আহি ক'লেও ছমীৰৰ বিৰুদ্ধে কোনো কথা তেওঁ বিশ্বাস নকৰে কাহানিও। কিন্তু আজি সঁচা হওক, মিছা হওক বদনাম এটা হৈ গ'ল। দিনটোৰ ভিতৰতে জনাজানি হৈ যাব যে আজি আহমদ ঠিকাদাৰৰ ঘৰলৈ পুলিচ আহিছিল—ছমীৰক এৰেষ্ট কৰিবৰ কাৰণে। এইটো বেয়া কথা। পুলিচে এৰেষ্ট কৰি লৈ নগ'লেও ছমীৰৰ ওপৰত এটা দাগ পৰিল, তাৰ এটা বদনাম হ'ল। আৰু এই বদনামী মানুহটোক তেওঁলোকেই খুৱাই-পিন্ধাই ৰাখি ডাঙৰ কৰিছে। বদনামে তেওঁলোককো নুছুই নেৰে। ঠিকাদাৰ বাহিৰে বাহিৰে থকা মানুহ। জগৰীয়া কৰিব, মানুহে দায়ী কৰিব—জুলেখাকহে। 'মই এইবোৰ কেলেই সহিম?'

॥ ত্ৰিশ ॥

√ৰায় বাহাদুৰ মৃগেন বৰুৱাৰ প্ৰকাণ্ড কম্পাউণ্ডটোৰ পিছফালৰ সৰু ঠেক ৰাস্তাটোৰেদি অলপ অকাই-পকাই গৈ যিখন ঠাই পোৱা যায়, তাত ধনী মানুহ বা ভাল মানুহ এঘৰো নাই। ৰাস্তাৰ দুয়োধাৰে কিছুমান চাপৰ চাপৰ দীঘলীয়া টিঙৰ

চালিৰ ঘৰ। ঘৰবোৰ ভগা-ছিগা, অপৰিপাটি আৰু অপৰিষ্কাৰ। কিন্তু ঘৰবোৰতকৈ বেছি অপৰিষ্কাৰ তাৰ চাৰিওফালৰ নৰ্দমা আৰু গেৰেকনিবোৰ। পচা, দুৰ্গন্ধময় পানী আৰু পিটনিৰে চৌদিশ ভৰা। বাৰিষাকালি আৰু অন্য সময়তো ডাঙৰ বৰষুণ হ'লে সেই নৰ্দমা আৰু পিটনিৰ পানী ঘৰবোৰৰ ভিতৰলৈ সোমায়। মানুহবোৰ তেতিয়া বাঁহৰ চাঙৰ ওপৰত উঠে, নাইবা তাতো থকাৰ উপায় নোহোৱা হ'লে আলি-বাটলৈ ওলাই আহে। এনেদৰে জীৱন কটোৱাৰ অভ্যাসটো সিহঁতৰ ইমান সহজ হৈ পৰিছে যে তাত কোনো অস্বাভাৱিকতা সিহঁতে নেদেখে।

ইয়াত থকা সকলোবোৰ মানুহ দুখীয়া। কিছুমানে বজাৰত শাক-পাচলি বেচে, কিছুমানে ঘৰে ঘৰে চিচা, কাগজ, প্লাষ্টিকৰ বস্তু ফেৰী কৰে, কিছুমানে চুৰি, পিক্-পকেট কৰে, ৰিক্সা চলায় আৰু কিছুমানে ক'ৰবাৰপৰা দুজনীমান ছোৱালী আৰু তিৰোতা মানুহ আনি কেইদিনমান ৰাখেহি আৰু সিহঁতৰ কাৰণে ৰাতি গ্ৰাহক বিচাৰি আনি কমিচন লয়। মাজে মাজে তাত আহি পুলিচো আলহী হয়হি, আজি-কালি কেম্পৰপৰা পলাই অহা জমাদাৰ, লেন্স-নাইকহঁতে ৰাতিৰ এপৰ কটাই যায়হি। ইয়াত লজ্জা, সম্ভ্ৰম, ভয়, পৰিচ্ছন্নতাৰ কোনো বিচাৰ নাই। বাসিন্দাবোৰে ইয়াতে সিহঁতৰ সমাজ পাতি থাকে, আজৰি পালে বহি সুখ-দুখৰ কথা পাতে, চল পালে চুৰ কৰে, দৰকাৰ হ'লে কাজিয়া কৰে, গালি পাৰে, অশ্লীল কথা কয়। আৰু কোনোবা মৰিলে সময় থাকিলে অলপ বেজাৰ কৰে।

এই ঘৰবোৰ পাৰ হৈ সৰু এটা অকলশৰীয়া ঘৰ পোৱা যায়। ঘৰটো এটা কম্পাউণ্ডৰ ভিতৰত বেলেগে আছে। পুৰণি আৰু উৰলি যোৱা।

এইটো এসময়ৰ ডি. চি.ৰ ৰিটায়াৰ্ড চাপ্ৰাচী জয়নাথৰ ঘৰ।

জয়নাথে পেঞ্চন পাবৰ সাত বছৰ হ'ল। বহুত দিন চাকৰি কৰি যি সাঁচিছিল, আৰু পেঞ্চনৰপৰা বৰ্ত্তমান যি পায়, অকলশৰীয়া হোৱা হ'লে তাৰেই সি নমৰে মানে চলিব পাৰিলেহেঁতেন হয়তো। কিন্তু তাৰ গাভৰু জীয়েকজনী আছে। তাইৰ স্বাস্থ্য বৰ ভাল নহয় আৰু জয়নাথেও আজি চাৰি বছৰ এজমাত ভুগিছে। ভাত মুঠিৰ উপৰিও মাজে মাজে দুয়োটাৰে কাৰণে ঔষধ-পাতি কিনিব লাগে। গতিকে চলাটো বৰ কণ্টকৰ।

বুঢ়া জয়নাথৰ এতিয়া শ্ৰম কৰি আৰ্জ্জিব পৰা শক্তি নাই। গাত শক্তি থকা-মানলৈকে সি কাম কৰি এতিয়া অৱসৰ লৈছে। আৰ্জ্জিব পৰা আছে মাত্ৰ তাৰ জীয়েক জুতি। কিন্তু তাইৰ শিক্ষা-দীক্ষা নাই বুলিলেই হয়, বাপেকে পাঠশালা স্কুলত এশ্ৰেণী নে দুশ্ৰেণী পঢ়াইছিল। এতিয়া তাই জোঁটাই জোঁটাই চিনেমাৰ হেণ্ডবিল আৰু ৰাজহুৱা সভাৰ জাননী কোনোমতে পঢ়িব পাৰে। এই বিদ্যাৰে তাই কোনো চাকৰি নাপায়। জয়নাথৰ ইচ্ছা আছিল তাইক ছোৱালী স্কুলৰ চকীদাৰণী, নাইবা কোনোবা হাকিমৰ ঘৰত আয়া কৰি দিয়া, কিন্তু সুবিধা এঠাইতো নহ'ল। স্কুলত কাম খালী নাই, আৰু হাকিমসকলৰ ঘৰৰ আয়াজনী স্বাস্থ্যৱতী, ধুনীয়া আৰু নিৰোগ হ'ব লাগে।

মাধৱ সেই গলিটোতে থাকে আৰু আছে কেইটামান তাৰ লগৰীয়া—অৰ্জ্জুন, মোবাৰক, পিতম চিং, কানাই। সিহঁতে ৰাতি জুৱা খেলে, চিনেমা হলত পিক্-

পকেট কাটে, চুৰি-ডকাইতিও কৰে মাজে মাজে, মদ খায়, ভাং আৰু বিৰিও খায় আৰু দালালি কৰে। ছোৱালীৰ কাৰণে সিহঁতৰ লোভ বৰ বেছি নাই। যাক দৰকাৰ তাক ছোৱালীৰ যোগান ধৰি সিহঁতে কমিচন আৰু বকচিচ লয়।

মাধৱে প্ৰথমে জয়নাথৰ লগত আৰু তাৰ পিছত জুতিৰ লগত বন্ধুত্ব গঢ়ি তুলিছিল। এবাৰ জয়নাথৰ কাহ-জ্বৰ বৰ বেছি বকমে হৈছিল আৰু মাধৱে নিজৰ জেপৰ টকা দি ডাক্তৰ আনি চিকিৎসা কৰাইছিল। সেয়ে চিনাকিৰ সূত্ৰপাত। কিন্তু এইবোৰ মানুহৰ চিনাকি আৰু বন্ধুত্বৰ মাজত ব্যৱধানৰ সীমা বৰ ঠেক। সিহঁতৰ আত্মীয়তা চিনাকিৰ পিছৰ 'ঢাপ' মাথোন।

অৱস্থাই জুতি আৰু মাধৱক বৰ ওচৰ চপাই আনিলে। অৱশ্যে জুতিক প্ৰথমতে সি নিজৰ কাৰণেই বিচাৰিছিল যদিও পিছলৈ জুতিক সি বৰকৈ নিবিচৰা হ'ল, আৰু তাৰ নিজৰ বা জয়নাথহঁতৰ পইচা-পাইৰ বেছি দৰকাৰ হ'লেহে সি জুতিৰ যোগেদি কেইটামান টকা অৰ্জ্জাৰ ব্যৱস্থা কৰিব ধৰিলে। এই ব্যৱস্থা ভাল নে বেয়া, বা এই ব্যৱস্থা লাভজনক নে হানিকৰ সেইটো ভাবি চাবৰ প্ৰয়োজন অনুভৱ কৰাৰ সময় সিহঁতৰ নাছিল। আৰু সেই অঞ্চলত এনে ব্যৱস্থা প্ৰায় সাধাৰণত পৰিণত হৈছিল।......

জুতিক এমেৰিকান সৈন্য কেইটাৰ হাতত শোধাই দি মাধৱ আৰু মোৱাৰক আঁতৰি আহিছিল। সিহঁতে আহি এখন হোটেলৰ পিছফালে থকা আড্ডাত আৰু কেইটা-মানৰ লগত জুৱা খেলাত লাগিল। জুৱাত সেই ৰাতি সিহঁত দুয়োটা হাৰিল। হাৰি সিহঁতে অন্য কেইটাৰ লগত কাজিয়া কৰিলে আৰু ৰাতি একমান বজাত দুয়োটা আকৌ দলঙৰ ওচৰলৈ গ'ল।

সিহঁতে কেউপিনে চালে। জুতি তাতে সিহঁতৰ কাৰণে বাট চাই বৈ থকাৰ কথা আছিল। কিন্তু নাই। সিহঁতে কেম্পৰ ফালে চালে। তাৰ সৈন্যবোৰ শুই পৰিছে। মোৱাৰকে এটা অশ্লীল মন্তব্য দিলে আৰু ক'লে, "তাইক কেম্পলৈ নিলেগৈ হ'বলা। এমেৰিকান ষাঁড় কেইটাই তাইক মাৰি নেপেলালেই হয়। তাইৰো আকৌ হাড় কেইডালহে আছে—"

আৰু অলপ আগলৈকে চাই সিহঁত দুটা ঘূৰি আহিল।

মাধৱে ক'লে, "তাই নিজেই ঘূৰি যাব পাৰিব অ', আৰু ৰাতিপুৱাও যদি তাই ঘৰ নোলায়গৈ, বিচাৰি নিমহি ব'ল।"

ৰাতি আৰু সিহঁতে জুতিৰ খবৰ নল'লে। ছমীৰে থৈ যোৱাৰ অলপ পৰৰ পিছতে তাই দুৱাৰে মাৰি শুই থাকিল।

ৰাতিপুৱা যেতিয়া জুতিৰ মুখৰপৰা সকলো কথা শুনিলে, মাধৱ গৰ্জ্জি উঠিল। "কত ফন্দী কৰি এমেৰিকান চাহেব হাত কৰিছিলোঁ, সি চালাই পণ্ড কৰি দিলে। তাক ঠিক কৰিব লাগিব।"

কিন্তু ছোৱালী মানুহৰ আগত বেছি কথা কোৱা বেয়া বুলি সি তাত আৰু একো নক'লে। প্ৰথমে সিহঁত কেইটা লগ লাগি কথাটোৰ বিষয়ে কি কৰা যায়, ভালকৈ আলচ কৰিলে, তাৰ পিছত এবাৰ মিলিটাৰী কেম্পৰ ফালে গ'ল। তাত দৰকাৰী কথাখিনিৰ ভু লৈ, সিহঁতৰ চিনাকি পুলিচ কেইটাৰ লগত পৰামৰ্শ কৰি থানাত

এজাহাৰ দিলে—ছমীৰৰ বিপক্ষে। ফৰিয়াদী—জ্যোতিৰ বাপেক জয়নাথ, আচামী—ছমীৰ।

বয়স বেছি নহ'লেও জ্যোতিয়ে ভালেমান মানুহক চিনি পাইছিল। প্ৰায় সকলো মানুহৰ প্ৰকৃতি একে। সম্ভৱতঃ এজনী ছোৱালী পালে, তাইৰ কাৰণত সিহঁতৰ বীৰত্ব, সিহঁতৰ পশুত্ব, নাইবা সিহঁতৰ দুৰ্বলতা প্ৰকাশ কৰাটোৱেই সিহঁতৰ একমাত্ৰ কৰ্তব্য বুলি সিহঁতে ভাবিছিল। জ্যোতি তাত অকণো আচৰিত হোৱা নাছিল। তাই অলপ আচৰিত হ'ল ছমীৰৰ নিচিনা এটা ল'ৰাক লগ পাই। তাই বুজিবই নোৱাৰিলে কিয় সি এমেৰিকান সৈন্য কেইটাৰ লগত দন্দ কৰি তাইক এৰুৱাই আনিলে। সিহঁতক দেখি তাই ভয় খাইছিল সঁচা, কিন্তু তেনেকুৱা মানুহ দুই-চাৰিটা আগেও তাই লগ নোপোৱা নহয়। ছমীৰে তাইক আনি ঘৰত থৈ গ'লহি, অথচ তাই কোৱাতো সি নৰৈ গুচি গ'ল। জ্যোতিয়ে ছমীৰক বুজিব নোৱাৰিলে। তেনেকুৱা মানুহো থাকে নে?

কিন্তু মাধৱহঁতে আহি যেতিয়া এমেৰিকানৰপৰা আগতে টকা লৈ তেনেকৈ গুচি অহাৰ কাৰণে খং কৰিলে, তাই ক'লে যে—তাই নিজে গুচি অহা নাই, ক'ৰবাত লুকাই থকা সেই মানুহটোৱেহে জোৰ কৰি এৰুৱাই তাইক লৈ আহিল। তাই কি কৰিব?

মাধৱে সুধিলে, "পিছে সি তোক কিমান টকা দিলে? ৰাতিটো আছিল নহয়?"

"পদুলি-মুৰৰপৰাই গুচি গ'ল! মই ৰাখিলতো নাথাকিল—" জ্যোতিয়ে ক'লে।

"বাৰু, সেইবোৰ সাধুকথা আমাক শুনাব নালাগে। মিলিটাৰীৰ লগত কাজিয়া কৰি এৰুৱাই আনি সি তোক এনেয়ে এৰি থৈ যাব? এনেকুৱা মানুহ আজি-কালিৰ পৃথিৱীত ক'ত আছে অ'। বাৰু, তাক ৰাখিলি, যি কৰিলি কৰিলি। এতিয়া আমি তাৰ ওপৰত কেচ দিম। সি আমাৰ কাৰবাৰ নষ্ট কৰি দিছে। পুলিচ, হাকিমে সুধিলে আমি যেনেকৈ ক'বলৈ কওঁ তেনেকৈ ক'বি। নহ'লে তোকো শুদাই নেৰোঁ। তোৰো জান মাৰিম।"

কাৰবাৰ নষ্ট কৰিবৰ ইচ্ছা জ্যোতিৰো নাই। গতিকে তাই মাধৱহঁতৰ কথাত সন্মতি নজনাই নোৱাৰিলে। আৰু আৰম্ভণিতে ছমীৰক শেষ কৰিব নোৱাৰিলে, জ্যোতিক লৈ কাৰবাৰ চলাই থকা সিহঁতৰ কাৰণে টান হ'ব। নহ'লে সিয়ে মাধৱহঁতৰ কিবা বিপদ ঘটাব পাৰে।

জয়নাথৰ নিচিনা এজন পেঞ্চন পোৱা চৰকাৰী কাম কৰা ভদ্ৰলোকৰ ছোৱালীক ফুচুলাই নি মিলিটাৰীক বেচিবলৈ নিয়াটো নিতান্ত গুৰু অপৰাধ। পুলিচ সম্পূৰ্ণ উদাসীন থকাটো সম্ভৱ নহয়। তাতে মাধৱহঁতৰপৰা মাজে মাজে পুলিচে বেছ লাভজনক কেচো পায়। হয়তো ঠিকাদাৰৰপৰাও কিবা আদায় হ'ব পাৰে।

পূৰ্ণানন্দ মাষ্টৰৰ নিচিনা মানুহ লগ পাই যাব বুলি পুলিচে আগেয়ে ভবা নাছিল।

ছমীৰক এৰেষ্ট কৰিবলৈ পুলিচ অহাৰ পিছত ক'তো একো নোহোৱাকৈ দুটা দিন পাৰ হৈ গ'ল। বৰ আত্মস্থ আৰু সহজভাৱে ছমীৰে ঘূৰা-মেলা কৰিলে যেন ক'তো একোৱেই হোৱা নাই। ইয়াৰ ভিতৰতে সি চাইকেলেৰে এবাৰ জয়নাথৰ ঘৰৰ আগৰ ৰাস্তাটোৱেদি পাক মাৰিও আহিল। এবাৰ পূৰ্ণানন্দ মাষ্টৰৰ ঘৰলৈও গ'ল। ঘৰটো পৰি আছে, দুৱাৰত তলা লগোৱা। দেৱী বাইদেউক ঘৰত থৈ আহিবলৈ গ'ল চাব।

এবাৰ সি আমজাদ আৰু বোধেশ্বৰকো বিচাৰি গ'ল। আমজাদক নাপালে। বোধেশ্বৰক লগ পাই সুধিলে, সি ঘূৰ্খলৈ যোৱাৰ কি ঠিক কৰিলে। বোধেশ্বৰে ক'লে যে ছমীৰৰ কাৰণেহে সি বাট চাই আছে, সি যাবলৈ প্ৰস্তুত। সিহঁত দুইটাৰে ধাৰণা যে গ'লেই মিলিটাৰীত কাম পোৱা যায়। মাত্ৰ সিহঁত ঘৰৰপৰা ওলাই যাব লাগে।

"কাইলৈ ৰাতিকৈ মোক অলপ লগ ধৰিবিচোন—" ছমীৰে বোধেশ্বৰক ক'লে।

"কিবা দৰকাৰ আছে নেকি ?"

"দৰকাৰ আৰু কি ? আমি যাওঁ যদি ৰাতিয়ে যোৱাহে ভাল হ'ব। কাকো নজনোৱাকৈ মনে মনে যাম বুজিছ! তেতিয়া হ'লে গৈয়ে কাম নাপালেও আমাক কোনেও ঘূৰাই আনিব নোৱাৰে। এনেই মোক যাবলৈ নিদিবও পাৰে।"

"গ'লেই কাম নাপাম জানো ?" বোধেশ্বৰে সুধিলে।

"এতিয়াই কেনেকৈ ক'বি ? আৰু মই ভাবিছোঁ, আমি ইয়াত কাম নিবিচাৰোঁ। অন্য এখন টাউনলৈ যাম, ডিমাপুৰ বা লিডুৰ ফালে। সেই ফালেহে বোলে খুব কাম ওলাইছে। বাৰু পাৰিলে ৰাতি তই যাবি, নহ'লে ময়ে আহিম। তই পিছে সাজু থাকিবি।"

বোধেশ্বৰ ৰাজী।

পুলিচ অহাৰ পিছ দিনা আহমদ ঘৰলৈ আহিছিল। জুলেখাৰপৰা তেওঁ ছমীৰৰ ঘটনাটোৰ বিষয়ে সকলো শুনিলে। কিন্তু তেওঁ একো নক'লে। ছমীৰৰ ভয় হৈছিল, কিজানিবা তেওঁ তাক ডাবি-ধমকি দিয়ে। পিছে তেওঁ তাৰ আগত সেই বিষয়ে একো উল্লেখকে নকৰিলে। ছমীৰৰ বৰ অস্বস্তি লাগিল।

জুলেখা বা তেওঁ কোনোৱেই তাৰ মুখৰপৰা প্ৰকৃত কথাটো জানিবৰ চেষ্টা এবাৰো নকৰিলে। হয়তো কথাটো ক'বলৈ পোৱা হ'লে তাৰ মনটো পাতল লাগিলহেঁতেন।

পিছদিনা পুৱাতে আহমদ গ'লগৈ।

মাধৱক এবাৰ লগ পাবৰ তাৰ বৰ মন গ'ল। মানুহটোক যেনে-তেনে এবাৰ লগ পাবই লাগিব আৰু তাৰ বিপক্ষে মিছাকৈ পুলিচত কিয় গোচৰ দিলে সুধিব লাগিব। সি মনতে ভাবিলে মাধৱ মানুহটো কোনটো আৰু সি কেনেকুৱা। তাৰ লগত যদি লাগিবলগীয়া হয়, সি তাক বলে পাৰিব নে নোৱাৰে ? আমজাদ আৰু বোধেশ্বৰেও মাধৱক চিনি নাপায়। সিহঁত থাকে চহৰখনৰ আনটো মূৰে আৰু নগৰখনৰ হাজাৰ-বিজাৰ মানুহৰ মাজত কোনে কাক চিনি পায় ?

মাধৱক চিনি নাপালেও কিন্তু আমজাদ আৰু বোধেশ্বৰ দুয়োটাই জুতিক চিনি পায়। পাকে-প্ৰকাৰে বোধেশ্বৰে ছমীৰক ক'লে যে জুতিক সি কেৱল চিনি পোৱাই নহয়, মাজে মাজে সি জুতিহঁতৰ ঘৰলৈকো যায়। অৱশ্যে অন্য মানুহ জুতিৰ ওচৰলৈ যি কাৰণে যায়, বোধেশ্বৰ কিন্তু তেনে কাৰণত নাযায়। সি লʼৰা মানুহ। কিন্তু জুতিলৈ তাৰ কিবা এক ধৰণৰ এটা আসক্তি আছে—যদিও ছোৱালীজনী 'ভাল' নহয় আৰু স্বাস্থ্যৱতীও নহয় আৰু দেখাই-মেলায়ো সিমান ধুনীয়া নহয়। অৱশ্যে এই কথা পোনপটীয়াকৈ ছমীৰক ক'বলৈ তাৰ অলপ সংকোচ লাগে। কিন্তু নোকোৱাকৈও থাকিব নোৱাৰে। তাৰ ভাষাত—জুতিক সি 'ভাল পায়'।

ৰাতি ভাত-পানী খাই উঠি ছমীৰে তাৰ সৰু টিনৰ চুটকেচটোত তাৰ কাপোৰ-কানি

কেইটা জাপি ভৰালে। মেজৰ ওপৰত তাৰ কিতাপ-বহীবোৰ ভালকৈ জাপি থ'লে, তাৰ পিছত বহি এখন সৰু চিঠি লিখিলে—পাণ্ডলৈ। চিঠিখন গাঁৰুৰ তলতে থৈ সি এবাৰ খবৰ কৰিলে জুলেখা শুলেনে নাই।

জুলেখা তেতিয়াও শোৱা নাই। শোৱা-কোঠাতে বহি তেওঁ মনে মনে উল গঁঠি আছে। ছমীৰ তেওঁৰ ওচৰলৈ নগ'ল। কাষৰ কোঠালিটোৰপৰা পৰ্দাৰ আঁৰত বৈ কিছু পৰ তেওঁলৈ চাই ৰ'ল। তেওঁ বাৰু কি ভাবিছে? তেওঁ বাৰু মোৰ কথা ভাবিছে নে? তেওঁ কিজানি মোক বৰ বেয়া মানুহ বুলি ভাবিছে! ভাবক, মই কি কৰিম?

সি তাৰ জেপত হাত দি চালে। তাৰ হাতত আজি ইমানখিনি টকা আছে বুলি তেওঁ কিয়, কোনেও ক'ব নোৱাৰে। আজি যে সোণপাহীয়ে ডাকত পঠোৱা তিনি কুৰি টকা দুপৰীয়াৰপৰা তাৰ জেপত লৈ ফুৰাইছে সি। তিনি কুৰি টকা! সি আজিয়ে তাৰ জুলেখাহঁতক দিবলৈ থকা খৰচৰ টকাখিনি দি দিব। এই কথা চাগে তেওঁ ভবাই নাই।

কিন্তু কেইটামান টকা তাৰ হাতত ৰাখিব পৰা হ'লে ভাল আছিল। যুদ্ধলৈ গৈয়েতো সি টকা নাপায় আৰু যোৱাৰ খৰচোতো অলপ দৰকাৰ হ'ব। কিন্তু যুদ্ধলৈ যোৱাৰ কথা, আকৌ বা কেতিয়াকৈ ঘুৰি আহিব পাৰোঁ। কাৰোবাৰ ধাৰ শোধ নকৰাকৈ যোৱা ভাল কথা নহ'ব। তথাপি পোন্ধৰটা টকা লগত ৰখাৰ চিন্তা কৰিলে সি। যুদ্ধলৈ গৈ প্ৰথম মাহৰ দৰমহাৰপৰাই সি ঠিকাদাৰৰ নামত ১৫ টকা কিয়, সৰহকৈয়ে টকা পঠিয়াই দিব। মানুহঘৰে তাৰ কম উপকাৰ কৰা নাই।

হঠাৎ তাৰ এটা কথা মনত পৰিল। সি যে এতিয়াও জামিনত আছে। সি যদি মনে মনে গুচি যায়, হয়তো তাৰ কাৰণে পূৰ্ণানন্দ চাৰক পুলিচে আমনি কৰিব। কথাটো বৰ বেয়া হ'ব। চাৰক বিপদত পেলোৱাটো বৰ অন্যায় হ'ব। তেওঁ মোক কম মৰম আৰু উপকাৰ কৰা নাই। কিন্তু পুলিচেতো জানে যে মাধৱে মোৰ বিৰুদ্ধে একেবাৰে মিছা কেচ দিছে। পিছত মোৰো একো নহয়, চাৰৰো একো নহয়। তথাপি চাৰক নোকোৱাকৈ গ'লে চাৰে বৰ বেয়া পাব। কিন্তু এতিয়াতো আৰু চাৰক লগ পাবৰ উপায় নাই।

ভাবি ভাবি ছমীৰে এটা উপায় পালে। সি সেই ছোৱালীজনীৰ ঘৰলৈ যাব আৰু তাইক আৰু তাইৰ বাপেকক মাধৱে দিয়া মিছা মোকৰ্দ্দমাটো উঠাই ল'বলৈ ক'ব। মাধৱ বেয়া মানুহ হ'লেও ছোৱালীজনী আৰু তাইৰ বাপেক নিশ্চয় সিমান বেয়া মানুহ নহয়। তাক এনেয়ে বিপদত নেপেলায়, সিতো সিহঁতৰ একো অপকাৰ কৰা নাই। এৰা, মই নিজে গৈ ছোৱালীজনীক কথাটো ক'মগৈ—এতিয়াই, আজি ৰাতিয়ে।

বোধেশ্বৰ এতিয়াও অহা নাই। সি অহা হ'লে, দুই-চাৰিটা কথা তাৰ লগত আলোচনা কৰিব পৰা গ'লহেঁতেন। কিন্তু বোধেশ্বৰ নগ'লেও নাই, মই যামেই। পঢ়িবৰ উপায়ো নাই, পঢ়ি থাকি লাভো নাই। আৰু ইমান বদনাম লৈ এইখন চহৰত আৰু থাকিব নোৱাৰি। ইয়াৰ মানুহবোৰ বেছি ভাগ বজ্জাত।

ইয়াৰপৰা ক'ৰবালৈ গুচি যাম আৰু ঘুৰি আহিলে মিলিটাৰী হৈ ঘুৰি আহিম। তেতিয়াহে মাধৱৰ নিচিনা বেয়া মানুহবোৰক অলপ শিকাব পৰা যাব।

বোধেশ্বৰৰ নহা দেখি ছমীৰে অলপ নিৰুৎসাহ অনুভৱ কৰিলে। আহিম বুলিলে মানুহ আহিব লাগে! কিন্তু বোধেশ্বৰটোৰ সাহসটো জানো কেনেই ইমান কম?

জুলেখাৰ কোঠাৰ দুৱাৰ-মুখত বৈ সি আকৌ চালে। আগৰ দৰেই তেওঁ নীৰৱে উল গুঁঠি আছে। আজি তেওঁ যেন বৰ গভীৰভাৱে কিবা এটা ভাবি আছে।

ছমীৰ কোঠাৰ ভিতৰলৈ সোমাই গ'ল। জুলেখাই অকণমান মূৰ দাঙি চালে, তাৰ পিছত আকৌ উল গোঁঠাত লাগিল।

"মই অকণমান এইখিনিৰপৰা আহোঁ—সোনকালে আহিম—" ছমীৰে অনুমতি বিচৰাৰ সুৰত ক'লে।

"ইমান ৰাতি ক'লৈ যাবৰ হ'ল।" তালৈ নোচোৱাকৈয়ে জুলেখাই ক'লে।

"বোধেশ্বৰৰ ওচৰৰপৰা আহোঁ, দৰকাৰ আছে—"

"ৰাতি ৰাতি ঘূৰি ফুৰিবি আৰু তোক বিচাৰি পুলিচ ঘৰ ওলাবহি।"

ছমীৰে তলমূৰ কৰিলে। সিদিনা ঘটা সকলো কথা মুকলিকৈ তাৰ জুলেখাক ক'বৰ মন গ'ল, কিন্তু তাৰ সংকোচ লাগিল। আৰু তেওঁ জানিবলৈ বিচৰা নাই যেতিয়া কৈ কি লাভ?

তাৰ মুখলৈ চাই জুলেখাই একেই সুৰত সুধিলে, "ক'লৈ যাব?"

ছমীৰে ক'লে, 'অলপ দূৰ যাম।"

"সোনকালে ঘূৰি আহিবি। ৰাতি বেছিলৈ নাথাকিবি—" জুলেখাই ক'লে।

"আহিম—" সৰুকৈ কৈ ছমীৰ ওলাই গ'ল। বাহিৰত আন্ধাৰ। সি আহমদ ঠিকাদাৰৰ পাঁচ ব্যাটাৰিৰ টৰ্চটো আৰু হকি-ষ্টিক এডাল হাতত ল'লে। অলপ শিক্ষা হৈছে। ৰাতি-বিয়লি হাতত এটা টৰ্চ থকা দৰকাৰ আৰু আপদে-বিপদে হাতত লাঠি-লুঠা এডাল থকাও দৰকাৰ। আজি-কালি কোন শত্ৰু, কোন মিত্ৰ জনা নাযায়।

বোধেশ্বৰ শুবলৈ ধৰিছিল। খং কৰি সি তাক জগাই ল'লে!

"ইমান এলাহ হ'লে দুনিয়াত কি কৰিবি অ'। উঠ।"

"ক'লৈনো যাব?"

"আহচোন আগেয়ে মোৰ লগত। ভয় নাই আহ, মই আছোঁ।"

ছমীৰৰ লগত বোধেশ্বৰ ওলাই আহিল। সিও সৰু লাঠি এডাল হাতত ল'লে।

"তই পিছে কি ঠিক কৰিলি? আজিয়ে যাবিতো?" ছমীৰে তাক সুধিলে।

"মোক দেখোন যাবলৈ হাক দিছে অ'। যুদ্ধলৈ যোৱাটো বোলে বৰ ভাল কথা নহয়। বহুত বিপদৰ ভয় আছে।" বোধেশ্বৰে ক'লে।

"অ' বিপদৰ ভয় আছে কাৰণেই নাযাব হ'বলা? এৰা, মই আগেয়ে জানিছিলোঁ।"

"মোৰ কিন্তু এতিয়াও মনটো আছে। ঘৰত নিদিলে কি কৰিম?"

একো নামাতি খৰখুজীয়াকৈ ছমীৰ আগবাঢ়িল। লগে লগে বোধেশ্বৰো যাব ধৰিলে।

"ক'লৈনো যাব?"

"আহি থাক।" আদেশ দিয়াৰ সুৰতে ছমীৰে ক'লে।

"বৰ আন্ধাৰ পায়। ৰাতিও বহুত হ'ল কিজানি—" বোধেশ্বৰে ক'লে।

ৰায় বাহাদুৰ মুগেন বৰুৱাৰ ঘৰৰ পিছফালৰ আলিটোৰেদি সোমাই ছমীৰে ক'লে,

"মাধৱটোক এবাৰ চাই লওঁ বুলি আহিছোঁ অ'। সিনো কিমান ডাঙৰ গুণ্ডা—আজি অলপ চাই লওঁ।"

"কিবা কাজিয়া-চাজিয়া কৰিবি নেকি আকৌ—" অলপ ভয়েৰে বোধেশ্বৰে ক'লে।

"কৰিলে দেখিবিয়েই নহয়। আগতে ভয় খাব নালাগে আহ—"

বোধেশ্বৰৰ মনে মনে অলপ ভয় নলগা নহয়। কিন্তু ছমীৰ লগত থকাত সি সাহস পালে। সি জানে ছমীৰৰ লগত যুঁজিব পৰা মানুহ অতি কমেই আছে। তাৰ বাহুত এনে শক্তি আছে যে এমেৰিকান সৈন্যও তাৰ ঘোচাত তিষ্ঠি থাকিব নোৱাৰে।

সিহঁত আহি জয়নাথৰ ঘৰৰ আগত ৰ'লহি। চাৰিওফালে আন্ধাৰ, গলিটোৰ দুই-এটা কোঠালিত অকণ অকণ পোহৰ দিয়া চাকি দুই-এটা জ্বলি আছে, কিন্তু মানুহবোৰ প্ৰায়ে শুইছে। ঘৰটোৰ ভিতৰত এটা লেম জ্বলি আছে। আৰু ভিতৰত কোনোবাই অলপ চিঞৰ-বাখৰ কৰিয়ে কথা পাতি আছে।

ছমীৰহঁত অলপ ৰ'ল।

ফুচফুচীয়া মাতেৰে বোধেশ্বৰে ক'লে, "এইটো দেখোন সিহঁতৰে ঘৰ—"

"কাৰ ঘৰ? তই চিনি পাৱ নেকি?"

"মই যে তোক কৈছিলোঁ ছোৱালীজনীৰ কথা।"

"কাৰ কথা কৈছিলি?"

"ও', তাইৰ লগত মোৰ জনা-শুনা আছে।"

একো নকৈ ছমীৰ আগবাঢ়িল আৰু বোধেশ্বৰক সৰুকৈ ক'লে, "সেইজনী ছোৱালীয়েই। ভয় নকৰিবি, দৰকাৰ হ'লে লাঠি চলাবি।"

দুৱাৰ-মুখত ৰৈ ছমীৰে মাতিলে, "কোন আছে?"

হঠাৎ ভিতৰৰ কথা-বতৰা বন্ধ হৈ গ'ল।

"কোনোবাই মাতিছে হ'বলা অ'—মাধৱ। দুৱাৰখন মেলি চাচোন।"

ছমীৰৰ বুকুখন ঢুকঢুকাই উঠিল। মাধৱ ইয়াতে আছে।

দুৱাৰখন মেল খালে। লণ্ঠনটো হাতত লৈ এটা মানুহে ছমীৰহঁতৰ মুখলৈ চাই ক'লে, "কোন?"

"আমি—" সদায় অহা মানুহৰ দৰে সহজভাৱে ছমীৰে ক'লে।

জুতিও আগবাঢ়ি আহিল। তাই ছমীৰৰ মুখলৈ চালে। তাই তাক চিনি পালে।

"আপুনি! ভিতৰলৈ আহক—"

"এওঁনো কোন?" মানুহটোৱে সুধিলে।

মজিয়াত বহি থকা আনটো মানুহেও ছমীৰহঁতৰ মুখলৈ চালে।

"এৱেঁই ছমীৰ। সেইদিনা যে মোক ৰক্ষা কৰিছিল। বহক, আপুনি বহক—" জুতিয়ে দুটা মূঢ়াৰ ফালে দেখুৱালে। "তু—তুমিও বহা—" তাই বোধেশ্বৰৰ ফালে চাই ক'লে।

ছমীৰে মানুহ দুটালৈ চালে। এটা অলপ চুটি-চাপৰ মানুহ। বয়স প্ৰায় ৩৫।৩৬ বছৰ হ'ব। তাৰ আগ দাঁত-দুটা সৰু। দুই-তিনি দিন ডাঢ়ি খুৰোৱা নাই হ'বলা; মুখখন ডাঢ়িয়ে ঢাকি ৰাখিছে। তাৰ মোচকুটো অলপ কেঁৰা। মানুহটোৰ মুখত মদৰ গোন্ধ।

আনটো মানুহৰ বয়স অলপ কম যেন দেখি। হয়তো ২৩।২৪ বছৰ হ'ব। সি অলপ খীণ আৰু শেঁতা পৰা। মুৰত এখিনি দীঘল ক'লা চুলি। চুটি মানুহটোৱে এটা খাকী পেণ্ট আৰু এটা খাকী কামিজ পিন্ধিছে। আনটোৱে চুৰিয়া আৰু কামিজ পিন্ধি আছে।

"আপোনালোক বহক—" জুতিয়ে ক'লে।

কিন্তু তাইৰ কথালৈ কাণ নকৰি ছমীৰে সুধিলে, "মাধৱ কাৰ নাম— ?"

তাৰ প্ৰশ্নটোত দুয়োটা মানুহ অলপ যেন সচকিত হ'ল।

চুটি-চাপৰ মানুহটোৰ ফালে দেখুৱাই জুতিয়ে ক'লে, "এৱেঁই মাধৱ, কেলেই ?"

আনন্দিত হোৱাৰ দৰে ছমীৰে ক'লে, "অ' হয় নেকি। তুমিয়েই তেন্তে! আমি তোমাক লগ পাবৰ কাৰণেই আহিলোঁ। দুৱাৰখন বন্ধ কৰচোন বোধেশ্বৰ।"

বোধেশ্বৰে তাৰ কথামতেই দুৱাৰখন বন্ধ কৰি দি তাৰ ওচৰতে থিয় দি ৰ'ল।

ছমীৰে ক'লে, "মোক চিনি পাইছা নে ? মোৰ নামেই ছমীৰ।"

জুতিয়ে ক'লে, "মই চিনি পাইছোঁ।"

"তুমিতো পাইছাই। এওঁলোকেও মোক চিনা দৰকাৰ।"

হঠাৎ সি মাধৱৰ ফালে ঘুৰিল।

"সিদিনা মিলিটাৰীক বেচিবলৈ জুতিক তোমালোক দুটায়ে নিছিলা ?"

সিহঁতে কোনো উত্তৰ নিদিলে।

"হয় নে নহয় ?" কঠিনভাৱে ছমীৰে ক'লে।

"হয়—" সৰুকৈ মাধৱে ক'লে।

"মই জুতিক এৰুৱাই আনিলোঁ ?"

সিহঁত আকৌ মনে মনে থাকিল।

"তাৰ পিছত তোমালোকে মোৰ বিপক্ষে পুলিচত কে'চ দিলা ?"

সিহঁত নিৰুত্তৰ।

"নামাতা কিয় ?"

জুতিয়ে ছমীৰৰ মুখলৈ চাই সুধিলে, "কি কে'চ দিলে ?"

"সোধা এওঁলোকক কি কে'চ দিছে। কিয়, তুমি নে তোমাৰ দেউতাৰেইতো ফৰিয়াদী—"

"মই ? মইতো একো নাজানো—" বিস্মিতভাৱে জুতিয়ে ক'লে।

"নাজানিলেও এই মাধৱে মোৰ বিৰুদ্ধে কে'চ দিছে। মইহে হেনো তোমাক এমেৰিকান মিলিটাৰীক বেচিবলৈ নিছিলোঁ আৰু ইহঁতেহে হেনো তোমাক এৰুৱাই আনিলে।"

"কি ?" চেপা মাতেৰে জুতিয়ে চিঞৰি উঠিল আৰু মাধৱহঁতৰ মুখলৈ চালে।

"নামাতা কিয় ? হয় নে নহয় ?" ছমীৰে কঠিনভাৱে সুধিলে।

এইবাৰ হুঁটা কৰ্কশ মাতেৰে মাধৱে ক'লে, "হয় জানিবা, কি কৰিবা তুমি—" সি কথা শেষ কৰিবলৈ নাপালে। ছমীৰে ইমান জোৰেৰে তাক এটা চৰ মাৰিলে যে একেচৰে সি লুটি খাই পৰিল। কিন্তু লগে লগে আনটো মানুহে ছমীৰক সাৱটি মাৰি ধৰিলে। ছমীৰে এৰাবলৈ জোৰ কৰিলে, কিন্তু সি গাৰ সকলো শক্তি দি তাক

ধৰিছিল, আৰু তাৰ গাত বলো আছিল। সি ধৰা দেখি মাধৱ পৰাৰপৰা উঠি হাতত এখন ছুৰী লৈ ছমীৰৰ ফালে খেদি আহিল। কিন্তু লগে লগে বোধেশ্বৰৰ লাঠিৰ শকত মাৰ এটা তাৰ হাতত পৰিল আৰু 'উঃ' কৰি সি বহি গ'ল। ছুৰীখন হাতৰপৰা এৰাই ছিটিকি পৰিল আৰু মাধৱৰ হাতখনো ওলমি গ'ল।

মাধৱৰ হাতখন একেবাৰতে ভাগি ওলমি পৰা দেখি আনটো মানুহে ছমীৰক এৰি দিলে। কিন্তু ছমীৰে তাক নেৰিলে। সি তাৰ দীঘল চুলিকোছাত থাপ্ মাৰি ধৰিলে আৰু এনে শকত কেইটামান চৰ মাৰিলে যে সিও মাটিত বাগৰি পৰিল।

ছমীৰ খণ্ডত থৰথৰ কৰি কঁপিছিল যদিও স্থিৰ হৈ সি ক'লে, "আৰু যুঁজিবি নেকি? এইভাল দেখিছ, শেষ কৰি দিম—" সি হকি-ষ্টিকডাল দেখুৱালে।

নিৰ্ব্বাক হৈ জুতিয়ে চাই আছিল। তাইৰ ফালে নোচোৱাকৈয়ে ছমীৰে ক'লে, "তোমাকো মাৰিব লাগিছিল, কিন্তু তোমাক নামাৰোঁ। তুমি ছোৱালী মানুহ। কিন্তু ইহঁতক যদি আকৌ ইয়ালৈ আহিবলৈ দিয়া, ইহঁতক এৰি তোমাকহে শেষ কৰি দিম। মোক চিনি পাইছা—মই ছমীৰ—ছমীৰ গুণ্ডা।"

সি মাধৱক বাউসিত ধৰি থিয় কৰাই দিলে, আৰু আকৌ এটা কাণ-তলীয়া চৰ বহুৱাই দি ক'লে, "চিনিছ মোক? দৰকাৰ হ'লে পুলিচ লৈ যাবি, অকলে নাযাবি। জানিছ! অকলে গ'লে আৰু প্ৰাণ লৈ ঘুৰি আহিব নোৱাৰ।"

কথাখিনি কৈ সি ছুৰীখন মজিয়াৰপৰা বুটলি ল'লে আৰু আনটো মানুহৰ ক'কালতে শকত গোৰ এটা মাৰি ক'লে, "ই আকৌ ছুৰী মাৰে।"

দুৱাৰখন মেলি ছমীৰ আৰু বোধেশ্বৰ ওলাই আহিল। বাহিৰ ওলাই ছমীৰে ক'লে, "টকা লাগিলে ছমীৰক ক'বা। তাৰ টকা থাওঁতা নাই। নিজক এনেকৈ বেচি পইচা নঘটিবা, বুজিলা—"

সি জেপত হাত দিলে, এখন দহটকীয়া ন'টত হাত পৰিল। সি ন'টখন জুতিৰ ফালে দলি মাৰি দিলে আৰু তাইৰ মুখলৈ এবাৰ চাই বেগাই ওলাই আহি আলিবাটত উঠিলহি।

"বেগাই যাওঁ ব'ল—" বোধেশ্বৰে ক'লে।

"ব—"

"আকৌ ব'লি কেলেই?"

"ব'চোন চাওঁ। মোক নাপাই, নোৱাৰি, সিহঁতে জুতিকে মাৰ-ধৰ কৰিব পাৰে। সিহঁতো জানোৱাৰহে।"

দুয়োটা অলপ পৰ ব'ল।

"কিমান টকা দিলে অ'?"

"আগৰ দিবলগীয়া আছিল নে আগতীয়াকৈ দিছে?"

ছমীৰহঁতৰ কাণত কথাবোৰ পৰিছিলহি। কথাবোৰ শুনি ছমীৰৰ আকৌ খং উঠি গ'ল। কিন্তু জুতিয়ে একো মতা নাই। তাই কি কয় শুনিবৰ কাৰণে সিহঁতে কাণ দিলে, কিন্তু তাইৰ মুখৰ কোনো কথা সিহঁতৰ কাণত নপৰিল।

"হাতখন ভাগিল নেকি?"

"জানো বব বিবাইছে—"

"বাৰু হ, সিহঁত কত সাবিব ? আজি সিহঁত আহিব বুলি নাজানিলোঁ কাৰণেহে। নহ'লে হাৰামীহঁতৰ জানকে শেষ কৰি দিলোহেঁতেন।"

"তোমালোক এতিয়া যোৱাগৈ—" সেইটো জুতিৰ মাত।

"যাম যাম। নতুন আলহী পাইছ যেতিয়া আমাক খেদাবিতো। পিছে তাৰ আয়ুস বেছি নাই দেই, জানিবি।"

"আহ—" ছমীৰে ক'লে।

"ক'লৈ ?" বোধেশ্বৰে দেখিলে ছমীৰ আকৌ জুতিহঁতৰ ঘৰৰ ফালে আগবাঢ়িছে।

ছমীৰে বাট নাচালে। হাতত হকি-ষ্টিকডাল লৈ সি ঘৰটোৰ ভিতৰলৈ সোমাই গ'ল, আৰু সোধ-পোছ নাই দুয়োটাকে মৰিয়াবলৈ ধৰিলে। বাধা দিবলৈ সিহঁতে সময়কে নাপালে। দুয়োটা মানুহ ধৰাশায়ী হৈ পৰিল। ছমীৰৰ গোটেই জীৱনৰ সকলো অভিযোগৰ যেন সি আজি প্ৰতিশোধ ল'লে।

হঠাৎ জুতি আগবাঢ়ি আহিল আৰু ছমীৰৰ হাতত দুখনত ধৰি ক'লে, "আৰু নামাৰিব। সিহঁত মৰি থাকিব।"

"সিহঁত মৰিব লাগে—" কৈ ছমীৰে এছাৰ মাৰি তাইক আঁতৰাই পঠালে। আৰু পৰি থকা মানুহ দুটাক দুটা শকত গোৰ শোধাই ওলাই আহিল।

সি এবাৰো নামাতিলে। জুতিৰ মুখলৈও নাচালে। গোঁ গোঁৱাই সি ওলাই আহিল আৰু আলিবাটত উঠি বোধেশ্বৰক ক'লে, "ওঁ, এইবাৰ ব'ল। এইবাৰ আৰু সিহঁতে যি কৰে কৰক।"

আন্ধাৰৰ মাজেদি দুয়োটা গুচি আহিল।

॥ একত্ৰিশ ॥

ছমীৰ ওলাই যোৱাৰ পিছত জুলেখা উঠিল আৰু তাৰ কোঠালৈ আহিল। আজি তাৰ মেজৰ কিতাপবোৰ জাপি-জুপি থোৱা আছে। তাৰ কাপোৰ-কানিও বাহিৰত এটাও নাই, হয়তো জাপি চুটকেচত ভৰাই থৈ গৈছে। তাৰ বিচনাখন আছে, কিন্তু বিচনা-চাদৰখন নাই। শুদা গাৰু দুটা তোছকখনৰ ওপৰত পৰি আছে।

জুলেখাৰ অলপ কৌতুহল হ'ল। ছমীৰে আজি বস্তু-বাহানিবোৰ এনেকৈ থৈ গৈছে কিয় ? ইমান ৰাতি বোধেশ্বৰৰ তালৈ যাবৰ তাৰ কি দৰকাৰনো পৰিল ! সিদিনা পুলিচ অহাৰ পিছৰপৰা সি বৰ অন্য ৰকম হৈ আছে। কি ভাবিছে, কি কৰিছে একো বুজা নাযায়। আজি আকৌ ইমান ৰাতি ওলাই গৈছে।

জুলেখাই এনেই অলপ মেজখন লাবি-ছাবি চালে। তাৰ পিছত তাৰ বিচনাখনৰ ওপৰত পৰি থকা গাৰু কেইটা ঠিক কৰি থ'বলৈ লওঁতে চকুত পৰিল জাপি থোৱা সৰু

চিঠিখন, সাধাৰণভাৱে কাগজডোখৰ বুটলি আনি লেমটোৰ কাষলৈ নি তেওঁ পঢ়ি চাবৰ চেষ্টা কৰিলে।

"মৰমৰ পাভ,

অৱশেষত মই যুদ্ধলৈ যাবলৈ ওলালোঁ। আজি ৰাতিয়ে ঘৰৰপৰা যাম। ক'লৈ যাম এতিয়াও ক'ব পৰা নাই। আৰু কেতিয়াকৈ ঘূৰি আহিম আৰু ঘূৰি আহিব পাৰিম নে নাই তাকো ক'ব নোৱাৰোঁ।

আৰু এটা কথা। মোৰ ওপৰত এখন মিছা মোকৰ্দ্দমা লগাই দিছে। আমাৰ পূৰ্ণানন্দ চাৰেহে মোক জামিনত ৰাখিছে। নহ'লে পুলিচে নিলেইহেঁতেন, পিছে চাৰো যুদ্ধলৈ যাব। ময়ো যাওঁ। তেতিয়া আৰু পুলিচে একো কৰিব নোৱাৰে। ক'লৈ গ'লোঁ কোনেও গমকে নাপাব—মিলিটাৰীলৈ গ'লে।

মই বাৰু মাজে মাজে তোলৈ চিঠি দিম। তয়ো দিবি দেই। তোৰ যদি বিয়া হয়, মোলৈ চিঠি লিখি জনাবি। মই আহিব নোৱাৰিম কিজানি!

ঠিকাদাৰৰ ঘৰতে বহুত দিন থাকিলোঁ নহয়, এইখনেই মোৰ ঘৰ যেন লাগিছিল। মোৰতো আৰু অন্য ঘৰ-বাৰী নায়েই। আৰু ইয়াৰ খুৰীটিয়েও মোক বৰ মৰম কৰিছিল। তেওঁলোকৰ ল'ৰা-ছোৱালী নাই নহয়, মোকে নিজৰ ল'ৰাৰ নিচিনা ভাবিছিল। পিছে মোক সিদিনাৰ ঘটনাৰ পিছৰপৰা তেওঁলোকে বেয়া পাইছে। মোৰপৰা তেওঁলোকৰো বদনাম হৈছে। মোক হ'লে তেনেকৈ একো কোৱা নাই। পিছে তেওঁলোকৰ মনত এনেকৈ বেজাৰ দিয়াৰ কাৰণে মই বৰ বেয়া পাইছোঁ। সেইদেখি মই ভাবিছোঁ, মই আৰু যুদ্ধলৈকে যাওঁগৈ। পঢ়িনো কি হ'ব? আৰু লোকৰ ওপৰতনো কিমান নিৰ্ভৰ কৰি থাকিম? মোৰ বৰ বেয়া লাগে।

আৰুনো কি লিখিম?

এটা কথা পিছে ভাবিছোঁ। আজি মোৰ ওপৰত মোকৰ্দ্দমা দিয়া মানুহটোক বিচাৰি যাম, যদি লগ পাওঁ, মোকনো কেলেই মিছাতে বদনাম দিলে সুধিম, আৰু তাক এপিটন দিম। মই তাৰ একো কৰা নাই, সি বাৰু মোক কেলেই মিছাতে বিপদত পেলাব?

এতিয়াই ওলাই যাম। তাক লগ পালেই হয়।

অ' ইয়াৰপৰা পুৰা চাৰি বজাত যিখন ৰেল যায়, সেইখনতে যাম বুলি ভাবিছোঁ। কামত সোমায়ে বাৰু মই তোলৈ চিঠি দিমগৈ। এতিয়া আৰু লিখিবলৈ সময় নাই।

তোৰ বিয়ালৈ মই কিজানি আহিব নোৱাৰিম।

ছমীৰ।"

কথাখিনি প্ৰায় একে উশাহতে পঢ়ি শেষ কৰিলে জুলেখাই। তেওঁ অনুমান কৰা কথাবোৰ তেওঁৰ চকুৰ আগত স্পষ্ট হৈ পৰিল। ছমীৰ তেনেহ'লে যাবলৈ ওলাল। সি যুদ্ধলৈ যাব।

চিঠিখন আকৌ আগৰ ঠাইতে থৈ তেওঁ ছমীৰৰ কোঠাৰপৰা ওলাই আহিল। মনটো তেওঁৰ গধুৰ লাগিল।

তেওঁলোক নিঃসন্তান। বাৰেই দোষ নহওক লাগিলে, বিয়াৰ ইমান বছৰৰ পিছতো সন্তানৰ মুখ দেখাৰ ভাগ্য তেওঁলোকৰ নহ'ল। এতিয়াও আহমদে জুলেখাক

প্ৰাণেৰে ভাল পায়। এই কথা জুলেখাই জানে আৰু জুলেখায়ো আহমদক অন্তৰৰ সকলো গভীৰতা দি ভাল পায়। কিন্তু আহমদ দূৰে দূৰে থাকে, যেন জুলেখাৰ কাষত ঘৰৰ ভিতৰত থাকি তেওঁ বৰ অশান্তি অনুভৱ কৰে, বৰ অস্বস্তি পায়।

ছমীৰৰ ইতিবৃত্ত জনা সত্ত্বেও আহমদহঁতে ছমীৰক নিজৰ ঘৰত ৰাখি পঢ়োৱাৰ দায়িত্ব লৈছিল। হয়তো ঘৰখনত এটা ল'ৰা থাকিলে জুলেখাৰ নিঃসঙ্গতাৰ বেদনা কিছু লাঘৱ হ'ব। কিন্তু ছমীৰৰ প্ৰতি মৰম থাকিলেও বহু চেষ্টা কৰিও জুলেখাই ছমীৰক অন্তৰঙ্গভাৱে আপোন কৰি ল'ব নোৱাৰিছিল। তেওঁৰ মনৰ মাজত এটা দুৰ্বোধ্য সংকোচ আছিল ঃ ছমীৰ জাৰজ। এটা জাৰজ সন্তানক মৰম কৰিব পাৰি, কিন্তু একান্তভাৱে আপোন কৰি ল'ব নোৱাৰি। আন এটা দুৰ্ব্বলতাও জুলেখাৰ অৱচেতনত লুকাই আছিল ঃ বয়সত কম হ'লেও ছমীৰ আছিল স্বাস্থ্যৱান আৰু এটা শ্ৰীসম্পন্ন যুৱক। তেওঁৰ মাজে মাজে ভয় হৈছিল, কিজানিবা আহমদে তেওঁৰ ওপৰত ৰখা বিশ্বাসৰ মৰ্য্যাদা কোনোবা দিনা তেওঁ ৰক্ষা কৰাত ব্যৰ্থ হৈ যায়। সেই কাৰণে তেওঁ নিজক ছমীৰৰপৰা যিমান পাৰে আঁতৰাই ৰাখিছিল।

আৰু—

হয়তো নিজস্ব কোনো সংকোচ বা দুৰ্ব্বলতাৰ কাৰণেই ছমীৰো জুলেখাৰপৰা নিলগে নিলগেই থাকিছিল। হয়তো তাৰ মনত কোনো হীনাত্মিকা ভাব আছিল, হয়তো সিও জুলেখাক মাকৰ আসনত বহুৱাই চাব পৰা হোৱা নাছিল।

আজি ছমীৰ গুচি যাবলৈ ওলোৱাৰ মুহূৰ্ত্তত জুলেখাই অনুভৱ কৰিলে যেন এই কেও-কিছু নোহোৱা সৰ্ব্বহাৰা ল'ৰাটোৰ কাৰণে তেওঁৰ মনৰ ভিতৰত কেনিবাদি বহুত মৰম সোমাই আছিল। আৰু সেই কথা তেওঁ নিজেই আজিলৈকে নাজানিছিল। কিন্তু তাক নাযাবলৈ ক'বলৈ তেওঁৰ কোনো যুক্তি নাই। তাক বাধা দিবৰো কোনো অধিকাৰ নাই। ছমীৰৰ জীৱনটো গঢ়ি তোলাত জুলেখাহঁতে যদি অকণমান সহায় কৰি দিলে, তেন্তে সেয়ে যথেষ্ট। তাৰ সমগ্ৰ জীৱনৰ গতিপথ নিৰ্ণয় কৰি দিয়াৰ কিবা দায়িত্ব বা অধিকাৰ আছে বুলি ভাবিবৰ যোগ্যতা তেওঁলোকৰ আছে নে নাই জুলেখাই আজিও নাজানে।

তথাপি অতি নিবিড়ভাৱে তেওঁ অনুভৱ কৰিলে যে জীৱনৰ অনিশ্চিত পথত ভৰি দিবলৈ ওলোৱাৰ সময়ত তাৰ কাৰণে তেওঁৰ সঁচাকৈয়ে বৰ বেজাৰ লাগিছে।

ছমীৰৰ কোঠাৰপৰা ওলাই আহি জুলেখা নিজৰ বিচনাতে বহিল। আৰু কিছুমান দুৰ্বোধ্য কথা চিন্তা কৰি নীৰৱে বহি থাকিল। কিছু সময় বহি থাকি তেওঁ বিচনাত পৰিল। আৰু চকু মুদি পৰি থাকি টোপনি যাবৰ চেষ্টা কৰিলে। কিন্তু তেওঁৰ টোপনি অহা নাছিল।

ৰাতি প্ৰায় ডেৰ বজাত পিছফালৰ দুৱাৰখন মেলি ছমীৰ ভিতৰলৈ সোমাই আহিল। সি বৰ সন্তৰ্পণে ভিতৰ সোমাইছিল যাতে জুলেখাৰ টোপনি নাভাগে। অৱশ্যে জুলেখাই সাৰ পায়ে আছিল, তেতিয়াও।

ছমীৰে দুৱাৰখন বন্ধ নকৰিলে ; কাৰণ অলপ পিছতে সি সেইখন দুৱাৰেদিয়েই এই ঘৰৰপৰা চিৰদিনৰ কাৰণে ওলাই যাব। দুৱাৰখন বন্ধ কৰি লাভ নাই।

ছমীৰ তাৰ কোঠালৈ সোমাই গ'ল। সি কেউপিনে চালে—নাই, সকলো একেই

আছে, তাৰ কোঠাত সি খোৱাৰ পিছত কোনো সোমোৱা নাই। বিচনাখনতে সি বহিল। তাৰ অলপ ভাগৰ লাগিছিল, কিন্তু মনটো তাৰ পাতল লাগিছিল। আজি যেন সি তাৰ বিৰুদ্ধে হোৱা বহুত অন্যায়ৰ প্ৰতিবিধান কৰি আহিল। মাধৱ নামৰ মানুহটোৱেই যেন তাৰ সকলো ব্যৰ্থতাৰ মূল কাৰণ আছিল। আৰু আজি তাৰ ওপৰত ছমীৰে যথোপযুক্ত প্ৰতিশোধ ল'লে। তাৰ সঁচাকৈয়ে আনন্দ লাগিল।

মই পলাই গুচি গ'লে পূৰ্ণানন্দ চাৰৰ কিবা অসুবিধা হ'ব নেকি বাৰু? হ'ব লাগিলে বৰ বেয়া কথা হ'ব। সেইদিনা চাৰ জামিন নোহাৱা হ'লে পুলিচে মোক কিজানি এৰেষ্ট কৰি লৈয়ে গ'লহেঁতেন।

নাই, চাৰক পুলিচে একো কৰিব নোৱাৰে। চাৰো মিলিটাৰীলৈ যাব। মিলিটাৰীলৈ গ'লে আৰু ক'ত পুলিচে বিচাৰি পাব। তাতে চাৰ কমিচন্‌ড্‌ অফিচাৰ হৈ যাব। চাৰক পুলিচে একো কৰিব নোৱাৰে।

ঘড়ীত দুই বজাৰ মৃদু শব্দ হ'ল। ৰাতিটো বেছি নিস্তব্ধ যেন লাগিল। ছমীৰে শুবৰ চেষ্টা নকৰিলে। ৰেললৈ আৰু বেছি সময় নাই। এই যাত্ৰাই হ'ব তাৰ জীৱনৰ প্ৰথম স্বতন্ত্ৰ যাত্ৰা। সি তাৰ বস্তু কেইটা একেঠাই কৰি ল'লে। অলপ ৰ'ল, তাৰ পিছত হাতত সাৰে ভৰিত সাৰে গৈ জুলেখাৰ কোঠাৰ দুৱাৰ-মুখত ৰ'ল। দুৱাৰখন আজিও বন্ধ কৰা নাই। আজি-কালি বন্ধ নকৰেই কিজানি।

ছমীৰ কোঠালৈ সোমাই গ'ল।

সেই সিদিনাৰ দৰেই ওপৰলৈ মুকৈ চকু মুদি জুলেখা বিচনাত শুই আছে। কিন্তু ৰাতি জাৰ হোৱাৰ কাৰণে গাত এখন চক্‌লেট্‌ ৰঙৰ কোমল ৰাগ লৈ আছে। লেমটো শান্তভাৱে জ্বলি আছে।

ছমীৰ সহজভাৱে জুলেখাৰ বিচনাৰ কাষ চাপি গ'ল। কিছু সময় জুলেখাৰ মুখৰ ফালে চাই থাকিল, তাৰ পিছত সি সৰুকৈ মাতিলে, "খুৰীটি—"

সাৰ পাই থকা সত্ত্বেও জুলেখাই গভীৰ টোপনিত থকাৰ দৰে পৰি থাকিল, লৰচৰ নকৰিলে।

অলপ পৰ মনে মনে থকাৰ পিছত ছমীৰে নিজকে কোৱাদি সৰুকৈ ক'লে, 'টোপনি। থক নজগাওঁ। মই যাওঁ আৰু খুৰীটি—'

কথাখিনি কৈ ছমীৰ জুলেখাৰ ঠেং-নামনিৰ ফালে গ'ল, আৰু জুলেখাৰ ভৰিত সোঁহাতখন থ'লে, তচ্‌লিম কৰিবৰ কাৰণে। টোপনিৰপৰা সাৰ পোৱাৰ দৰে জুলেখা চ'ক্‌ খাই বিচনাতে বহি দিলে। আৰু তন্দ্ৰাজড়িত মাতেৰে চিঞৰিলে, "কোন।"

"মই—" শান্তভাৱে ছমীৰে ক'লে।

তেওঁ চকু দুটা মোহাৰিলে আৰু তাৰ ফালে চালে। "কি হ'ল, তই এতিয়াও শোৱাই নাই নেকি? বহ।"

"মই আজি শোৱাই নাই।" তেওঁৰ বিচনাখনতে বহি ছমীৰে ক'লে।

"শোৱাই নাই? কেলেই, কি হ'ল? কিবা ভয়-চয় খালি নেকি?"

"নাই খোৱা—" কৈ সি মনে মনে থাকি ভলমুৰ কৰিলে।

"তই যে ওলাই গৈছিলি, কেতিয়া ঘূৰি আহিলি?"

"অলপ আগতেহে আহিছোঁ। মই, মই—" সি আকৌ নীৰৱ হ'ল।

জুলেখাই তাৰ মুখলৈ পোনপটীয়াকৈ চালে।

"তই কি ক'ব খুজিছ ?"

তেওঁৰ ফালে নোচোৱাকৈয়ে ছমীৰে ক'লে, "মই আজি মাধৱক খুব পিটিলোঁ—"

চকু দুটা বহলকৈ মেলি তালৈ চাই তেওঁ সুধিলে, "কোন মাধৱক ?"

"সেই যে মোৰ ওপৰত মিছা কেচ দিছিল—"

অলপ পৰ জুলেখা মনে মনে থাকিল।

তাৰ পিছত তেওঁ ক'লে, "ঠিকাদাৰ সিদিনা থানালৈ গৈছিল। দাৰোগাই কৈছে কে'চটো বোলে একো নহয়, মিছা কে'চ। তই আকৌ মাৰপিটখন কৰিবলৈগৈ কেলেই ?"

আহমদ ঠিকাদাৰৰ পৰিচয়টো সি যেন আকৌ এবাৰ নতুনকৈ পালে। তাৰ কিবা বিপদ হয় বুলি মানুহজন থানালৈকো গ'ল।

"বাৰু, যি কৰিবলি কৰিলি, এতিয়া শুই থাকগৈ যা। ৰাতি বহুত হ'ল।"

জুলেখাৰ মুখলৈ চাই সি কিবা এটা ক'ব খুজিলে, কিন্তু তাৰ ডিঙিৰপৰা কথা ওলাই নাহিল। সি বৰ অস্বস্তি অনুভৱ কৰিব ধৰিলে।

"আৰু কি হ'ল ?" জুলেখাই সুধিলে।

বহুত চেষ্টা কৰি সি কোনোমতে ক'লে, "মই আজি যাব খুজিছোঁ—"

"যাব খুজিছ ? ক'লৈ ?" একো নজনাৰ দৰে জুলেখাই ক'লে।

"যুদ্ধলৈ—মই আগেয়ে যে কৈছিলোঁ—"

ভালেমান পৰ নীৰৱতাৰ মাজেদি কাটি গ'ল। ছমীৰৰো যেন একো ক'বলগীয়া নাছিল আৰু জুলেখাৰো যেন একো সুধিবলগীয়া নাছিল।

বহুত পৰৰ মূৰত জুলেখাই ক'লে, "নগ'লে নহয় হ'বলা ?"

ছমীৰে একো নামাতিলে।

ছমীৰ মিলিটাৰীত কাম কৰিবলৈ যাবলৈ ওলোৱাৰ কথা এদিন জুলেখাই আহমদকো জনাইছিল। কথাষাৰ শুনি একেই নিৰ্ব্বিকাৰ আৰু উদাসীনভাৱে তেওঁ কৈছিল, "এ, হয় নেকি ?"

"ওঁ—"

"পঢ়া-শুনা বন্ধ। তাৰ যাবলৈকো কোনো ঠাই নাই, এনেই থাকি সি কি কৰিব ? সি হেনো যুদ্ধলৈকে যায়—"

কিছু পৰ চিন্তা কৰি থাকি আহমদে মাথোন কৈছিল, "তাক ল'ব জানো ? মানুহটোহে শকত-আৱত, বয়স জানো হৈছে ?"

"তাক কি ক'ম ?"

"কি ক'বলগীয়া আছে ? যাব খুজিছে যদি যাওক।"

কথাষাৰ কৈ বিমৰ্ষভাৱে আহমদ আঁতৰি গৈছিল।

জুলেখা বিচনাৰপৰা নামিল আৰু তাৰ ফালে নোচোৱাকৈয়ে সুধিলে, "কেতিয়াকৈ যাবি ?"

"আজি ৰাতিয়ে যাম, চাৰি বজাৰ বেলত।"

আকৌ কিছু পৰ অস্বস্তিকৰ নীৰৱতাৰ মাজেদি কাটি গ'ল।

একো নোকোৱাকৈ জ্যলেখা বান্ধনিশাললৈ গ'ল। আৰু জুইকুৰা জ্বলালে। ছমীৰ আহি তেওঁৰ ওচৰতে থিয় হ'ল।

"যাবলৈ ওলালি বেতিয়া—ৰাখিলে থাকিবি জানো? চাহ এটোপাকে খাই যা।"

তেওঁ চাহ বকাত ধৰিলে, আৰু অলপ পৰৰ পিছত ক'লে, "আজিৰ পৰাহে অকলশৰীয়া হ'লোঁ, আৰু—দদায়েৰে বা কি কয়; কৈছিলি জানো?"

কথাষাৰ বৰ অনুভূতি দি কৈছিল জ্যলেখাই। শুনি তাৰ মনটো কেনিবা বিবাই যোৱা যেন লাগিল। সি যেন তেওঁক সান্ত্বনা দিবৰ চেষ্টা কৰি ক'লে, "স্কুলটো মিলিটাৰীয়ে লৈ ল'লে, কেতিয়া এৰি দিব ঠিক নাই। এনেয়ে থাকিনো কি কৰিম। অন্য ল'ৰাও গৈছে।"

জ্যলেখাই একো নামাতিলে। চাহ বাকি তেওঁ ছমীৰৰ আগত থ'লে, আৰু এটা টিনৰপৰা বিস্কুট উলিয়াই প্লেট এখনত দিলে।

তাৰ কিবা-কিবি ক'বৰ মন গৈছিল হয়তো। কিন্তু কথাবোৰ সি বিচাৰি নোপোৱা হ'ল। খাবলৈ ভাল নলগা সত্ত্বেও সি চাহ খাবলৈ ধৰিলে।

তাক ৰান্ধনিশালতে এৰি জ্যলেখা আকৌ তেওঁৰ শোৱা-কোঠালৈ গ'ল আৰু বাকচ এটা মেলি এখন সৰু মোনা উলিয়ালে। বাকচটো বন্ধ কৰি তেওঁ তাৰপৰা ওলাই আহিল।

চাহ খাই শেষ কৰোঁতে ৰাতি তিনি বাজিছিল। ছমীৰে অলপ খৰ-খেদা কৰিলে। সি নিজৰ কোঠালৈ আহিল, আৰু সৰু চুটকেচটো আৰু অকণমান বিচনাখন হাতত লৈ ওলাই আহিল।

জ্যলেখা যেন তেনেই অসহায় হৈ পৰিছিল। তেওঁ তাক যাবৰ কাৰণে সহায় কৰি দিবও পৰা নাই, যাবলৈ বাধা দিবও পৰা নাই। সি আহি জ্যলেখাৰ সম্মুখত থিয় হ'লহি।

"ৰেল চাৰি বজাত যায়—" যেন বিদায় লোৱাৰ কাৰণ হিচাপে সি ক'লে। সি হাতৰ বস্তু কেইটা মাটিতে থৈ কুঁজা হৈ জ্যলেখাক তচ্‌লিম কৰিবৰ খুজিলে। কিন্তু জ্যলেখাই তাৰ বাউসিত ধৰি তাক থিয় কৰাই দিলে, আৰু বৰ মৰমেৰে তাক বুকুত সাৱটি ধৰিলে। এই মানুহগৰাকীৰ এনে আন্তৰিক মৰম আগেয়ে সি কোনো দিন পোৱা নাছিল। সিও জ্যলেখাক সাৱটি ধৰিলে।

"মোক বেয়া পাই গৈছ নেকি ছমীৰ? আকৌ কেতিয়া আহিবি?" ৰুদ্ধ, অস্পষ্ট কণ্ঠেৰে তেওঁ ক'লে।

"ছুটী পালেই মই ইয়ালৈ আহিম। আৰুনো মোৰ যাবলৈ ক'ত ঠাই আছে?" ছমীৰে ক'লে।

জ্যলেখাই তাৰ মূৰে-গায়ে হাত ফুৰাই দিলে, আৰু বৰ মৰমেৰে কপালত এটা চুমা খাই ক'লে, "আমাক পাহৰি নাযাবি।"

এইবাৰ সি কুঁজা হৈ জ্যলেখাক তচ্‌লিম কৰিলে, আৰু লাহে লাহে দুৱাৰ-মুখৰ ফালে খোজ ল'লে।

"হোঁ, এয়া লৈ যা।" কৈ জ্যলেখাই সৰু মোনাখন তাৰ হাতত তুলি দিলে।

হাতত লৈ সি সুধিলে, "কি?"

"তোৰ টকাখিনি। খৰচৰ কাৰণে তই আমাৰ ঘৰত যি টকা দিছিলি সকলো তাতে থৈ দিছিলোঁ। সেয়া লৈ যা। শুদা হাতে ঘৰৰপৰা ওলাই যাব নাপায়।"

ছমীৰ থমক খাই ৰ'ল। বিস্ময়েৰে জুলেখাৰ মুখলৈ চালে।

কষ্টেৰে হাঁহি এটা ওঁঠত ফুটাই তুলিবৰ চেষ্টা কৰি জুলেখাই ক'লে, "ঠিকাদাৰে তোৰপৰা লৈ এনেকৈ থৈ যাবলৈ কৈছিল। হুম্কিলে-মম্কিলে তোৰ দৰকাৰত কেতিয়াবা লাগিব বুলি। সেয়া তোৰ পইচা—"

ছমীৰে আৰু জুলেখাৰ মুখলৈ চাব নোৱাৰিলে। তাৰ চকুত লোতকৰ ধল নামিছিল। এটা অবুজ আনন্দ আৰু কৃতজ্ঞতাত তাৰ বুকুৰ ভিতৰখন ভাগি যোৱা যেন লাগিছিল।

কোনোমতে সি ক'লে, "যাওঁ—"

তাৰ পিছত দুৱাৰডলি পাৰ হৈ সি আন্ধাৰ ৰাতিৰ বুকুলৈ অকলশৰে আগবাঢ়িল। থৰ লাগি জুলেখাই তাৰ ফালে চাই থিয় দি ৰ'ল।

॥ বত্রিশ ॥

কেইবা বছৰ ধৰি যুদ্ধ চলিল। সমগ্ৰ পৃথিৱী-জোৰা মহাসমৰ। প্ৰথমে মানুহে ভয় খালে, বিস্মিত হ'ল, যুদ্ধৰপৰা আঁতৰি থাকিবৰ চেষ্টা কৰিলে। কিন্তু ক্ৰমে যুদ্ধ কাষ চাপি আহিল, চাৰিওফালৰপৰা লেলিহান জিভা মেলি যুদ্ধই সকলোকে আগুৰি ধৰিলে। দূৰ-ওচৰ, গাঁও-নগৰ সকলো যুদ্ধৰ সৰ্বগ্ৰাসী কবলত সোমাই পৰিল।

অসমৰ বুকুত হোৱা সমৰায়োজনৰ প্ৰভাৱৰপৰা অসমৰ মানুহ সৰহ দিন আঁতৰি থাকিব নোৱাৰিলে। পৰোক্ষে বা প্ৰত্যক্ষে প্ৰায় সকলো মানুহ যুদ্ধৰ লগত জড়িত হৈ পৰিল। আধুনিক যুগৰ সমৰায়োজন, ইয়াৰ বিৰাট আৰু জটিল আয়োজনেৰে, সাধাৰণ মানুহৰ কাৰণে নতুন এক মাৰণ-কৌশলৰূপে প্ৰকট হৈ উঠিল। সাধাৰণ মানুহৰ চকুত বিস্ময়ৰ সৃষ্টি কৰি মাৰণাস্ত্ৰবোৰে মানুহৰ আদিম বৰ্ব্বৰতাৰ নতুন ৰূপক ঢাকিবৰ প্ৰয়াস পালে। এয়া যেন সমৰায়োজন নহয়—এখন চমকপ্ৰদ অস্ত্ৰ-শস্ত্ৰৰ প্ৰদৰ্শনী।

সোঁ-শৰীৰে যুদ্ধ-প্ৰাঙ্গনলৈ সোমাই আহি ছমীৰে ৰোমাঞ্চিত অনুভৱ কৰিলে। এই যে অফুৰন্ত গতিশীলতা, এই যে ৰুদ্ধশ্বাস ব্যস্ততা, এই যে হাঁহি হাঁহি দলে দলে যুৱকৰ মৃত্যুৰ মুখামুখি হ'বৰ কাৰণে সিহঁতৰ পদক্ষেপ—ছমীৰে ইয়াৰ মাজতে জীৱনৰ স্বতঃস্ফূৰ্ত্ত বিকাশৰ ছবি দেখা পালে। এয়া বন্ধনহীন, অবাৰিত মুক্তি। কোনো বাধা নাই, কোনো নিয়ম নাই, কোনো শংকা নাই। জীৱন আৰু মৃত্যুৰ এয়া মুখামুখি প্ৰত্যাহ্বান। ঘৰত সোমাই থকা মানুহবোৰৰ যে মৰিবলৈ ইমান ভয়। দুৱাৰ-ডলিতে যেন যমদূত বৈ আছে। কিন্তু ইয়াত মৃত্যু এটা সহজ সত্য। তাৰ কাৰণে কাৰো কোনো দুঃস্বপ্ন নাই।

সামাজিক নীতি-নিয়মৰ অনুশাসনত বন্দী হৈ থকা ছমীৰৰ প্ৰাণটোৱে যেন হঠাৎ

মৰিব পাৰে। প্ৰাণক্ষ্যকৰ অৱকাশ পালে। সি অনুভৱ কৰিলে যেন যুদ্ধখন তাৰ কাৰণেই আহিছে।

সি কেম্পে কেম্পে ঘূৰিলে। চাকৰিৰ সন্ধান কৰিলে। ওখই-পাখই, শকতে আৱতে সি যুদ্ধৰ কাৰণে দেখাত উপযুক্ত মানুহ। কিন্তু তাৰ বয়স কম। সেইটোও হয়তো কিবা এটা কৰা যায়। কিন্তু সি যেনে ধৰণৰ কাম বিচাৰিলে, তেনে ধৰণৰ কামৰ কাৰণে তাৰ আৱশ্যকীয় শিক্ষা নাছিল। সি অন্ততঃ মেট্ৰিক পাছ হ'ব লাগিছিল। আনহাতে, পূৰ্ণানন্দ মাষ্টৰৰ এখন হাতেলিখা চাৰ্টিফিকেটৰ বাহিৰে তাৰ অন্য কোনো চাৰ্টিফিকেটো নাছিল।

ছমীৰৰ স্বপ্নই এটি আঘাত পালে। যুদ্ধক্ষেত্ৰতো নিয়ম আছে। আৰু কিছুমান নিয়ম অতি কঠোৰ।

কিন্তু সি হতাশ হ'বৰ কাৰণে প্ৰস্তুত নাছিল। এবাৰ যেতিয়া ঘৰৰপৰা ওলাই আহিল, সি পুনৰ সেই ঘৰলৈ ঘূৰি নাযাবৰ কাৰণে দৃঢ়প্ৰতিজ্ঞ। আৰু ঘূৰি সি যাবই বা ক'লৈ? তাৰতো ক'তো ঘূৰি যোৱাৰ ঠাই নাই। ককাকৰ ঘৰ আজি তাৰ ঘৰ নহয়। মাকৰ ঘৰলৈ যোৱাৰ কথা সি ভাবিবও নোৱাৰে। মাকে যে তাক সামৰি ল'ব নোৱাৰিব। আৰু আহমদৰ ঘৰ—তাতো তাৰ স্থান থাকিলেও কোনো আকৰ্ষণ নাই। হয়তো আহমদে নাইবা জুলেখাই তাক যুদ্ধলৈ আহিবলৈ হাক দিব পাৰিলেহেঁতেন। কিন্তু ক'তা, তেওঁলোকেওতো একো নক'লে। তাৰ বৰ্ত্তমান আৰু ভৱিষ্যতৰ কাৰণে চিন্তা কৰোঁতা পৃথিৱীত কোনো নাই। তেন্তে সি কাৰ কাৰণে ৰ'ব? কাৰ কাৰণে ঘূৰি যাব?

তাৰ সমনীয়া আৰু দুই-চাৰিটা ল'ৰাক সি লগ পালে। দুই-চাৰিটাৰপৰা চিঠিও পালে। সৰহভাগেই পৰামৰ্শ দিলে যে অকল সৈনিক হোৱাকে যুদ্ধ কৰা নোবোলে। সৈনিক নোহোৱাকৈও যুদ্ধৰ লগত জড়িত হৈ থাকিব পৰা যায়। আৰু অধিক ধন ঘটিব পৰা যায়। যুদ্ধৰ নিয়মবোৰ বৰ কঠোৰ, আৰু তাত কায়িক খাটনিও অত্যন্ত বেছি।

ছমীৰৰ সৰহ ধনৰ লোভ নাছিল। আৰু কায়িক খাটনিৰ কাৰণেও সিমান ভয় নাছিল। কিন্তু নীতি-নিয়মৰ বান্ধোনৰ কাৰণে তাৰ এটি মজ্জাগত বিৰাগ আৰু বিতৃষ্ণা আছিল। আৰু এই বাবেই তাৰ মনৰ মাজত আছিল এটা অৰ্দ্ধজাগ্ৰত বিদ্ৰোহ। অসামৰিক বা সামাজিক নীতি-নিয়মৰপৰা বাজ ওলাই সামৰিক নীতি-নিয়মৰ কঠোৰতাৰ মাজত সোমাই পৰাৰ কোনো স্পষ্ট যুক্তি সি বিচাৰি নাপালে। কিন্তু যুদ্ধক্ষেত্ৰৰপৰা ঘূৰি নাযাবলৈ সি নিশ্চিত সংকল্প লৈ আহিছিল।

বৰ বেছি চিন্তা কৰিবলগীয়া নহ'ল ছমীৰৰ। সি মিলিটাৰী ঠিকাদাৰৰ লগত কামত সোমাল। বহি থকাৰ বিলাসিতা কৰিবৰ সুযোগ আৰু সময় তাৰ নাছিল। ঠিকাদাৰেও তাক আশ্বাস দিলে যে মিলিটাৰীত চাকৰি পোৱা মাত্ৰকে তেওঁ ছমীৰক যাবলৈ এৰি দিব। কিন্তু লগে লগে ঠিকাদাৰে এই কথাও ছমীৰক বুজাই দিলে যে ধন ঘটিবৰ কাৰণেই যি যুদ্ধলৈ যাব খোজে, সি সৈনিক নহৈ মিলিটাৰী ঠিকা কৰাই বেছি লাভজনক। ড্ৰাইভাৰ লগ দিলে আৰু সাৱধানে চলাব জানিলে মিলিটাৰী ঠিকাদাৰিত

অলপ দিনতে আৰু অলপ কষ্টতে 'বজা' হ'ব পাৰি। মিলিটাৰী ঠিকাদাৰৰ হাতত টকা—টকা নহয়, 'কাগজ-পাত।'

ঠিকাদাৰৰ কথাৰ সত্যতাৰ প্ৰমাণ পাবৰ কাৰণে ছমীৰৰ বেছি দিন ৰ'বলগীয়া নহ'ল। প্ৰথম যৌৱনত ভৰি দিয়া এটা নতুন ডেকাৰ সকলোখিনি উদ্যম আৰু প্ৰেৰণা লৈ অবিৰাম ছমীৰে ঠিকাদাৰৰ কাম কৰি দেখিলে, পৃথিৱীত ধন ঘটাটোৱেই আটাইতকৈ সহজ কাম। সামান্য বুদ্ধি খটাব পাৰিলে, সামান্য শ্ৰম কৰিব জানিলে, আৰু যুদ্ধ-যুগৰ অনিয়মবোৰৰ লগত নিজক খাপ খুৱাই ল'ব পাৰিলে, এটা কপৰ্দ্দকহীনৰো লাখপতি হ'বলৈ বৰ সৰহ দিন নালাগে।

ছ'মাহ ঠিকাদাৰৰ লগত কাম কৰাৰ পিছত আৰু আও-ভাওবোৰ বুজি লোৱাৰ অন্তত, আৰু ঠিকাদাৰৰ লগতো কিছু মতান্তৰ ঘটাৰ ফলত, ছমীৰে ঠিকাদাৰৰ লগত কাম কৰা এৰি দিলে, আৰু নিজে ঠিকা কৰা আৰম্ভ কৰিলে। সি মিলিটাৰী কনষ্ট্ৰাকচন আৰু চাপ্লাইৰ ঠিকা ল'লে, কাৰণ তাতেই লাভ হয় সৰ্ব্বাধিক। আৰু সৰহ টকা ঘটাই য'ত একমাত্ৰ লক্ষ্য, তাত সকলো অনিয়মক নিয়ম কৰি ল'বলৈ কাৰো নাবাধে।

অলপ দিনৰ ভিতৰতে ছমীৰ হৈ পৰিল—'ছমীৰ ঠিকাদাৰ'। ছমীৰ হৈ পৰিল—ডাঙৰ ডাঙৰ মিলিটাৰী অফিচাৰ, ইঞ্জিনীয়াৰ আদিৰ চিনাকি আৰু বন্ধু, ছমীৰ হৈ পৰিল - বহু টকাৰ মালিক, কাজেই বেংকৰ মেনেজাৰ, কাৰবাৰী মানুহ আদিৰ অতি প্ৰিয়জন।

উদ্দাম গতিত সমৰায়োজন চলি থাকিল। আৰু সমানে উদ্দাম গতিত চলি থাকিল ছমীৰৰ ঠিকাদাৰি। এটকীয়াৰ কথাই নাই, দহটকীয়া, শটকীয়া ন'টৰো মূল্য কমি আহিল—ছমীৰৰ কাৰণে। হাজাৰ হাজাৰ টকাৰ বিল পাছ হয়। হাজাৰ হাজাৰ টকা লাভ হয়। লাভৰ টকা ভাগ হৈও ছমীৰৰ ভাগত বহুত হাজাৰ থাকি যায়। কেতিয়াবা ছমীৰ নিজেই আচৰিত হৈ যায়—ইমান টকা! ইমানবোৰ টকা! মানুহক ইমান টকা লাগে নে? ইমানবোৰ টকাৰে মই কি কৰিম?

ক্ষিপ্ৰগতিত ব্যস্ত দিনবোৰ আগবাঢ়ি যাব ধৰিলে। ছমীৰৰ সমগ্ৰ ল'ৰাকালটো এটা অলীক দুঃস্বপ্ন যেন লাগিল তাৰ! নানাক আৰু সোণপাহী, মোমায়েক আৰু পাভ, গুলচী আৰু হাছমত সেইবোৰ যেন কিছুমান বহু দূৰণিৰ ছায়াছবি আছিল। আজি সিহঁতৰ কোনো কায়িক অস্তিত্ব নাই। আজি যিবোৰ অচিন-অজান মানুহৰ মাজত সি ঘূৰা-ফিৰা কৰিছে, এমেৰিকান, বৃটিছ, আফ্ৰিকান—এইবোৰ মানুহৰ মাজতে যেন সি সৰুৰেপৰা ডাঙৰ হৈছে। আৰু ইহঁতক যেন প্ৰত্যেকটোকে সি ভালকৈ চিনি পায়।

মাত্ৰ মাজে মাজে তাৰ মনত পৰে পূৰ্ণানন্দ চাৰৰ কথা, দেৱী বাইদেউৰ কথা আৰু জুলেখাৰ কথা। পাভলৈ মনত পৰিলেই তাইক লগ পাবৰ মন যায়। বৰ সাংঘাতিক দুষ্ট পাভজনী। ইমান নিলাজ আৰু ইমান মৰমিয়াল, আৰু ইমান যে ভয় নাই।

প্ৰথম দুবাৰমান চুলি কটাওঁতে লগতে নাপিতে তাৰ নতুনকৈ গজা ডাঢ়িখিনিও চেঁচি খুৱাই দিছিল। প্ৰথম প্ৰথম ডাঢ়ি খুৱাবলৈ তাৰ লাজ লাগিছিল, কিন্তু এদিন সি নিজেই এটা ৰেজৰ-চেট, এডোখৰ চাবোন আৰু এডাল ছেভিং ব্ৰাচ কিনি আনিলে।

প্ৰথমে দুই-তিনি দিনৰ মূৰে মূৰে আৰু পিছলৈ দৈনিক সি ভাটি খুৰাব ধৰিলে। দিন যোৱাৰ লগে লগে সি উপলব্ধি কৰিলে যে সি আৰু সৰু স্কুলীয়া ল'ৰা হৈ থকা নাই। সি ডেকা হৈছে। তাৰ ৰক্ত-স্নায়ু-অঙ্গ-প্ৰত্যঙ্গ সকলোৱে তাৰ এই নতুন উপলব্ধিক সমৰ্থন জনালে।

তেতিয়াও সি ত্ৰিলোকী সিং ঠিকাদাৰৰ লগতে আছিল। এদিন ত্ৰিলোকী সিংএ ছমীৰক এখন লৰীত এক লৰী খেৰ বোজাই দি ফিল্ডলৈ পঠিয়াইছিল, আৰু লগতে ডেৰ লাখ টকাৰ এখন বিল পাছ কৰাই আনিবলৈ গেৰিছন ইঞ্জিনীয়াৰৰ অফিচলৈ যাবলৈ নিৰ্দ্দেশ দিছিল। ইয়াৰ কাৰণে তাৰ লগত দিছিল এজনী বিহাৰী তিৰোতা—অফিচাৰক ঘোচ দিবৰ কাৰণে।

✓ ছমীৰৰ কথাটো অকণো বিসদৃশ যেন লগা নাছিল। সি প্ৰায়েই এইদৰে ছোৱালী নি অফিচাৰক দিয়েগৈ। লগতে দুটা বা এটা মদৰ বটল। তেতিয়া বিল সোনকালে পাছ কৰি দিয়ে। বিল পাছ কৰাবৰ কাৰণে এইবোৰ কৰিবই লাগে বুলি এটা বিশ্বাসেই হৈ গৈছিল ছমীৰৰ। ✓

দুৰ্দ্ধৰ্ষ বেগত লৰী চলিছিল। ছমীৰে ইতিমধ্যে লৰী চলাবলৈ শিকিছিল। কিন্তু সি লাইচেন্স্ পোৱা নাছিল, ল'বৰ সময় কৰিবই পৰা নাছিল। সেইদিনা লৰী চলাইছিল এটা আদহীয়া নেপালী ড্ৰাইভাৰে। সোঁহাতে ষ্টীয়েৰিং ধৰি ড্ৰাইভাৰ, মাজতে বিহাৰী তিৰোতাজনী, আৰু বাঁওফালে ছমীৰ। কাৰো মুখত কোনো কথা নাই। কেৱল গাড়ীৰ গোঁ গোঁ শব্দটোৱেই তিনিওৰে চিন্তা কেন্দ্ৰীভূত কৰি পেলাইছিল। গাত লগা বতাহজাক সিহঁতৰ ভাল লাগিছিল। গোটেই দিনটো টান ৰ'দ আছিল। সেইদেখি আবেলিৰ বতাহজাক গাত লাগি সিহঁতৰ শাঁত লাগিছিল।

বিহাৰী তিৰোতাজনী কেতিয়াবা গাড়ীৰ জোকাৰণিত আৰু কেতিয়াবা এনেয়ে ছমীৰৰ কিছু গাৰ কাষ চাপি আহিছিল। ছমীৰে ববকৈ মন কৰা নাছিল।

মানুহজনী আটিল। গাবোৰ পুৰঠ। দেখাত সিমান ধুনীয়া নহয়। কিন্তু কায়িক শ্ৰম কৰি খোৱাৰ কাৰণে দেহাত এটা গ্ৰাম্য সৌন্দৰ্য্যৰ ম্লান লাৱণ্য আছিল। আজি কিছু দিনৰপৰা অন্য কাম নকৰি এইদৰে ইজন-সিজন ঠিকাদাৰৰ লগত মিলিটাৰী কেম্পলৈ আহি এৰাতি-দুৰাতি থাকি কিছু টকা ঘটি চলিবলৈ ধৰিছে। তাই অকলেই নহয়; তাইৰ নিচিনা আৰু কেইবাজনীয়েও।

একেৰাহে প্ৰায় ষাঠি কিলোমিটাৰমান চলোৱাৰ পিছত ড্ৰাইভাৰে লৰীখন একাষৰীয়াকৈ ৰাখিলে। ৰাস্তাৰপৰা আধা কিলোমিটাৰমান ভিতৰলৈ সোমাই এখন নেপালী বস্তী আছে। সি তালৈকে গৈ ৰাতিৰ ভাতসাজ খাই আহিব। আগে-পিছেও এইদৰে গাড়ী ৰখাই খাই যায়। তাৰ কোনোবা সম্পৰ্কীয় মানুহ আছে।

ছমীৰে কোনো আপত্তি নকৰিলে। মাত্ৰ ক'লে, "অলপ সোনকালে আহিবি, বেছি ৰাতি নোহওঁতেই আমি হাবিখন পাৰ হৈ যাব পাৰিলে ভাল হয়।"

ড্ৰাইভাৰে ক'লে, "এক ঘণ্টাৰ বেছি নহয়—"

আহোঁতে-যাওঁতে তাৰ হয়তো আধা ঘণ্টাহে লাগিব, কিন্তু ভাত আৰু মদ খাওঁতে সময় ল'ব। ছমীৰে জানে—মদ নাখালে ইমান দূৰ সি গাড়ী চলাব নোৱাৰে।

অন্যান্য মিলিটাৰীৰ গাড়ী অহা-যোৱা কৰি আছে। ঠাইডোখৰ কিছু নিজান।

ভাৰৰৰ মাজত জোনটো লুকাই থকাৰ কাৰণে কাহিলি কাহিলি জোনাকহে আছে। ৰাতি তেতিয়া আঠমানহে বাজিছিল।

ড্ৰাইভাৰ নামি যোৱাৰ কিছু পৰৰ পিছত ছমীৰে যেন অনুভৱ কৰিলে যে তাৰ গাৰ কাষতে এজনী তিৰোতা বহি আছে। তাৰ তাইক কিবা এটা সুধিবৰ মন গ'ল। কিন্তু কি সুধিব ভাবি নাপালে। মানুহজনীয়েও তাক একো সোধা নাই।

সি চিগাৰেট এটা জ্বলালে। আৰু জুইশলা কাঠিৰ পোহৰতে মানুহজনীৰ মুখখন চালে। মানুহজনী তাৰ কিছু গাভৰু আৰু শুৱনী যেনেই লাগিল।

অলপ পৰ বৈ সি গাড়ীৰপৰা নামিল। আৰু মানুহজনীৰ ফালে হাতখন আগবঢ়াই দি ক'লে, "আহ—"

মানুহজনী নামি আহিল।

সি মানুহজনীৰ হাতত ধৰিলে আৰু আলিবাটৰপৰা কিছু আঁতৰি পাতলীয়া হাবিডোখৰৰ মাজলৈ টানি লৈ গ'ল। তাই কোনো আপত্তি নকৰিলে।

ইয়াৰ পিছৰপৰা ছমীৰে বুজিলে যে ডেকা হ'লে, নিজৰ পৌৰুষ উপলব্ধিৰ কাৰণে এজনী ছোৱালীৰ দৰকাৰ। সেই ছোৱালীৰ জাত, ধৰ্ম, বয়স, ৰূপ এইবোৰৰ দৰকাৰী কথা নহয়। দৰকাৰী কথা তাই উপভোগ্য এজনী ছোৱালী হয় নে নহয়।

আৰু লগে লগে যুদ্ধক্ষেত্ৰৰ মানুহবোৰৰ মদৰ কাৰণে ইমান খ'ক্ কিয় তাৰ কাৰণটোও বুজিলে। অবিশ্ৰান্ত কায়িক পৰিশ্ৰমৰ পিছত শৰীৰক উন্মাদনা দিব পৰা আৰু মনক অতীত-ভৱিষ্যতৰ চিন্তাৰপৰা মুক্তি দিব পৰা কিবা এটা অৱলম্বনৰ প্ৰয়োজন। আৰু সেয়ে হৈছে মদ—আৰু মদৰ ৰাগী। হয়তো মদ খাই সাময়িকভাৱে হ'লেও আপোন-পাহৰা হ'ব নোৱাৰা হ'লে, এই দূৰ-দূৰণিত ঘৰ-বাৰী, আত্মীয়-স্বজন, আপোন পৰিয়ালক এৰি অহা মৃত্যুযাত্ৰী যুৱক সৈনিকবিলাকে যুদ্ধ কৰিব নোৱাৰিলেহেঁতেন। অতীতৰ স্মৃতি আৰু ভৱিষ্যতৰ দুৰ্ভাৱনাৰপৰা আত্মৰক্ষাৰ উপায় হৈছে, নিজক পাহৰি থকা আৰু তাৰ কাৰণেই দৰকাৰ মদৰ। মদৰ ৰাগীৰ।

এই কথা ছমীৰক কোনোৱে বুজাই দিয়া নাছিল। কিন্তু মদ খাবলৈ আৰম্ভ কৰি, তাৰ যুক্তি হিচাপে এইবোৰ কথা ছমীৰে নিজকে কৈছিল।

যুদ্ধক্ষেত্ৰৰ উদ্দণ্ডতা আৰু স্বাভাৱিক কদৰ্যতাই ছমীৰৰ চকুৰ আগৰপৰা পথ আৰু বিপথৰ পাৰ্থক্য নোহোৱা কৰি দিছিল। মই যি কৰিছোঁ সেয়েই সত্য, কিয়নো— ইয়াক সত্য নহয় বুলি কোনোৱে মোক আজিলৈকে কোৱা নাই, এয়ে আছিল ছমীৰৰ নিজস্ব যুক্তি।

তদুপৰি ছমীৰক সকলোৱে কৈছিল, যুদ্ধ সদায় নাথাকে। কোন দিনা হঠাৎ শেষ হৈ যায়, কোনেও ক'ব নোৱাৰে। যুদ্ধ শেষ হৈ গ'লে, যুদ্ধৰ দিনৰ সা-সুবিধাবোৰো শেষ হৈ যাব। গতিকে সুযোগ এৰি দিয়াটো মূৰ্খামি হ'ব। অৰ্থাৎ যি কোনো উপায়ে যিমান পাৰা, আৰু যেনেকৈ পাৰা টকা ঘটি লোৱা। ছমীৰ এই যুক্তিৰ সদ্ব্যৱহাৰ কৰিবৰ কাৰণে দৃঢ়চিত্তে লাগিছিল।

তথাপি এবছৰ-দুবছৰকৈ চাওঁতে চাওঁতে পায় পাঁচ বছৰ যুদ্ধ চলিল। বিভিন্ন যুদ্ধক্ষেত্ৰত, বিভিন্ন কেম্প-চাইটত ঠিকাদাৰি কৰি ছমীৰে আশা কৰাতকৈও অধিক টকা আৰ্জিলে আৰু ব্যয় আৰু অপচয় কৰিও তাৰ বিশেষ কম হোৱা নাছিল।

এইকেইটা বছৰৰ ভিতৰতে ছমীৰ এটা কিশোৰ বা ফুকলীয়া ল'ৰা গঢ়ি এটা পূৰ্ণ যুৱক হ'ল। অৱশ্যে তেতিয়াও তাৰ বয়স বিশ বছৰৰ বেছি হোৱা নাছিল। কিন্তু ওখই-পাখই, শকতে-আৱতে, গঢ়ে-গঠনে ছমীৰ এটা দেখনিয়াৰ সুপুৰুষ ডেকা হৈ পৰিল। মিলিটাৰী কেম্পত গঢ়ি উঠা তাৰ বন্ধু-মহলৰ মাজত, তাৰ স্বাস্থ্য, তাৰ অক্লান্ত শ্ৰম-শক্তি আৰু তাৰ চেহেৰা-পানী আলোচনাৰ বিষয় হৈ পৰিছিল। আৰু সাধাৰণতে অনিয়মীয়া যদিও এই বাবেই সি নিজৰ চেহেৰাৰ যত্নও মাজে মাজে লৈছিল।

স্কুলীয়া ল'ৰা হিচাপে পায়জামা-কামিজ পিন্ধাৰ অভ্যাস স্কুল এৰাৰ লগে লগেই সি এৰিছিল। সামৰিক-অসামৰিক সকলো মানুহেই খাকী লংপেণ্ট আৰু কামিজ পিন্ধাটো এটা ফেশ্বন হৈ পৰিছিল। ছমীৰেও অলপ দিনৰ ভিতৰতে খাকী মিলিটাৰী সাজ-পোছাক পিন্ধাৰ অভ্যাস কৰিলে। এই পোছাকত তাৰ নিজকে কেতিয়াবা কোনোবা ডাঙৰ মিলিটাৰী অফিচাৰ যেন লাগি যায়। হাতত দামী এমেৰিকান হাত-ঘড়ী, ক'কালত বেল্ট্ আৰু ও'ঠত সদায় উড্‌বাইন চিগাৰেট। লগতে জেপত এজাপ ন'ট।

এইটোহে যেন জীৱনৰ আচল ৰূপ—ছমীৰে ভাবিলে।

যুদ্ধক্ষেত্ৰৰ বিভিন্ন ঠাইত থকা পাঁচ বছৰ কাল সি পাভৰ বাহিৰে অন্য কাৰো খবৰ কৰাৰ প্ৰয়োজন বোধ নকৰিলে। কাৰোপৰা সি কোনো চিঠি-পত্ৰও নাপালে। এই বাবে তাৰ এটা অভিযোগ আছিল যদিও কোনো অনুতাপ নাছিল।

মাজে মাজে ক্ষোভ আৰু বিৰাগত সি নিজকে কৈ উঠিছিল, 'মই সদায় অকলশৰীয়া। নালাগে তহঁত কোনেও মোৰ খবৰ-বাতৰি ল'ব। তহঁতৰ খবৰো মই নলওঁ, মৰিলেও নলওঁ।'

কিন্তু পিছতে সি অনুভৱ কৰিছিল যে এইবোৰ মাথোন এক অক্ষম সান্ত্বনা। তাৰ খবৰ-বাতৰি পাবলৈ পৃথিৱীৰ কোনোৰেই বাট চাই বৈ থকা নাই। শত্ৰুৰ বোমা পৰি, নাইবা কিবা এটা দুৰ্ঘটনা হৈ সি যদি ইয়াতে এতিয়াই মৰি থাকে, তেতিয়াও পৃথিৱীৰ কাৰো কোনো ক্ষয়-ক্ষতি নহয়। সি কেৱল তাৰ নিজৰ কাৰণেই জীয়াই আছে, আৰু কাৰো কাৰণে নহয়।

এনে ধৰণৰ চিন্তাই ছমীৰক উদ্দণ্ড আৰু উচ্ছৃংখল হ'বলৈ উদগনি দিছিল। সি অনুভৱ কৰিবলৈ বিচাৰিছিল—দায়িত্বহীন হোৱাৰ আনন্দ।

এই ক্ষেত্ৰত অন্যান্য ঠিকাদাৰবিলাকে তাক সমৰ্থন আৰু সহযোগ আগবঢ়াইছিল। কেইজনমান হৈ পৰিছিল তাৰ অকৃত্ৰিম বন্ধু, অকল মদ খোৱাতে নহয়, অন্যান্য পৰামৰ্শ দিয়াতো এওঁলোকে ছমীৰৰ লগত অকণো কাৰ্পণ্য কৰা নাছিল। যাৰ ঠাইৰ বাৰজন যেতিয়া যুদ্ধক্ষেত্ৰত বন্ধুত্ব-ডোলত বান্ধ খায়, তেতিয়া আৰু তেওঁলোকৰ মাজত কোনো কুণ্ঠা বা লজ্জা-জ্ঞান নাথাকে। অতি অশ্লীল কথাবোৰো একেবাৰে সহজভাৱে আলোচনা কৰিব পাৰে। নাৰী-সংক্ৰান্ত লেতেৰা কথাবোৰৰ মুকলি আলচ কৰি সিহঁতে এটা তৃপ্তি পায়; আৰু সেই সম্পৰ্কীয় নানা সত্য, অৰ্ধসত্য বা কাল্পনিক কাহিনীৰ অৱতাৰণা কৰি সিহঁতে আজৰি সময়বোৰ কটায়। যুদ্ধক্ষেত্ৰৰ বাহিৰত ক'ৰবাত এখন মাৰ্জ্জিত, শিক্ষিত, ৰুচিসম্পন্ন আৰু পৰিচ্ছন্ন মানৱ-সমাজ থকাৰ কথা সিহঁতে একেবাৰেই পাহৰি যাবলৈ বিচাৰে। অহৰ্নিশ মৃত্যুৰ শংকাৰে আচ্ছন্ন এই

যুদ্ধক্ষেত্ৰখনেই একমাত্ৰ পৃথিৱী, ধন ঘটাই একমাত্ৰ ধৰ্ম্ম আৰু মৃত্যুৰপৰা বচাই ৰখা দুটামান ভয়ঙ্কৰ দিনক মদ আৰু নাৰীৰ সঙ্গ-সুখৰ মাজেৰে কটাই দিয়াই জীৱন-সংহিতা।

ছমীৰ সম্পূৰ্ণ অভ্যস্ত হৈ পৰিছিল। তদুপৰি যুদ্ধক্ষেত্ৰত আত্ম-পৰিচয় বিচৰাৰ অকাৰণ গ্লানি নাই। ইয়াত কাকো কোনোৱে নোসোধে, 'তোমাৰ পিতাৰাৰ নাম কি, তুমি কাৰ সন্তান, তুমি বৈধ সন্তান নে জাৰজ?' ইয়াত কাৰো সন্মুখত, কাৰো কোনো কাৰণত লজ্জিত বা সংকুচিত হ'বলগীয়া নাই।

যুদ্ধক্ষেত্ৰেই ছমীৰক যেন অবাঞ্ছনীয় আত্ম-গ্লানিৰপৰাও ৰক্ষা কৰিলে। সি যেন মূৰ দাঙি, বুকু ফিন্দাই ক'ব পৰা হ'ল, 'মই ছমীৰ, আৰু অন্য পৰিচয় মোৰ নিবিচাৰিবা। মোৰ অন্য কোনো পৰিচয় নাই।'

ছমীৰে দুই লাখ টকাৰ এটা নতুন ঠিকা পাইছিল। ঠিকা লৈছিল ছমীৰে নিজৰ নামত, অৱশ্যে ঠিকাৰ কামবোৰ চলাব কিছুমান চাব্‌কণ্ট্ৰেক্টৰে।

কাম আৰম্ভ কৰিছিল।

হঠাৎ এদিন গুজৱ উঠিল, "এমেৰিকাই জাপানত এটম্ বোমা দিলে। আৰু যুদ্ধ নহয়। যুদ্ধ শেষ হ'ল।"

প্ৰথমে মানুহে বিশ্বাস কৰিবলৈ টান পাইছিল। কিন্তু কেইদিনমানৰ ভিতৰতে কথাটো চৰকাৰীভাৱেও জনাজনি হৈ গ'ল, কথাটো সঁচা। মিত্ৰ-শক্তিৰ জয় হৈছে, জাৰ্ম্মানি-জাপান হাৰিছে।

অলপ দিনৰ ভিতৰতে ওলটা যাত্ৰা আৰম্ভ হ'ল। আৰম্ভ হ'ল প্ৰত্যাবৰ্ত্তনৰ অভিযান। এটা দুপৰ ৰাতিৰ ভয়াৱহ সাধুকথা হঠাৎ শেষ হৈ যোৱাৰ দৰেই বিশ্ব-জোৰা দ্বিতীয় মহাসমৰখন হঠাৎ শেষ হৈ গ'ল। কোটি কোটি টকাৰ যুদ্ধ-সামগ্ৰী য'তে আছিল, ত'তে পেলাই এমেৰিকান, বৃটিছ, আফ্ৰিকান আৰু পৃথিৱীৰ বিভিন্ন দেশৰ সৈন্যই নিজৰ ঘৰলৈ বুলি যাত্ৰা কৰিলে। অলপ দিনৰ ভিতৰতে যুদ্ধক্ষেত্ৰবোৰ শূন্য এৰাবাৰীত পৰিণত হ'ল। মিলিটাৰী কেম্পবোৰ ধুমুহাই ভঙা নগৰৰ অস্থি-কঙ্কাল যেন হৈ পৰি ৰ'ল।

হঠাৎ যেন এটা ভয়ঙ্কৰ যুগ শেষ হৈ গ'ল। এটা ভয়াৱহ দুঃস্বপ্ন নাইকিয়া হৈ গ'ল। কোনোবাই এটা পগলা-ফাটেকৰ দুৱাৰ মুকলি কৰি পগলাবোৰক বলিয়ালি কৰিবলৈ এৰি দিছিল, আকৌ যেন কোনোবাই সকলোকে ধৰি ফাটেকত সুমুৱাই থ'লে।

যুদ্ধখন হঠাৎ এনেদৰে শেষ হৈ যাব বুলি কোনোৱে ভবা নাছিল। বিশেষকৈ ছমীৰৰ নিচিনা ডাঙৰ ঠিকাদাৰবিলাকে যুদ্ধ আৰু বহুত বছৰ পূৰ্ণ-পয়োভৰেৰে চলি থাকিব বুলিয়ে আশা কৰিছিল। সেইদেখি ছমীৰে প্ৰথমে যুদ্ধ শেষ হোৱা কথাটো বিশ্বাস কৰা নাছিল। কিন্তু যিদিনা মিলিটাৰী হেড্‌কোৱাৰ্টাৰৰপৰা যুদ্ধ শেষ হোৱা আৰু যুদ্ধক্ষেত্ৰৰ সকলো কাম স্থগিত ৰাখিবলৈ নিৰ্দ্দেশ দিয়াৰ জাননী পালে, সেই দিনা ছমীৰে বিশ্বাস কৰিবলৈ বাধ্য হ'ল। প্ৰথমে ছমীৰে পৰিস্থিতিটো একো বুজিবই নোৱাৰিলে। আগ-ৰাতি শেষ হৈ যোৱা এখন বিয়াৰ ৰভা-তলত যেন ছমীৰ অকলেই বহি আছে আৰু চাৰিওপিনে খেলি-মেলি হৈ পৰি আছে চকী-মেজ, পাত-পটুৱাবোৰ।

কেইদিনমান ছমীৰে ঘূৰা-ঘূৰি কৰিলে—পাব লগা থকা টকাৰ বিল পাছ কৰাবৰ

কাৰণে। যেনে-তেনে বিলবোৰ পাছ কৰাই নল'লে সতকাই টকা পোৱা টান হ'ব—এই কথা ছমীৰে বুজিছিল। কিছু টকা সি পালে। কিন্তু কিছুমান টকাৰ বিল পৰি থাকিল। তাক জনোৱা হ'ল যে যথাসময়ত সি নাপাই নাথাকে। ইতিমধ্যে ছমীৰৰ হাতত আঢ়ৈ লাখৰো অধিক টকা জমা আছিল। গতিকে ছমীৰে বৰ বেছি চিন্তা নকৰিলে। নাপালেও নাই।

কিন্তু হঠাৎ যুদ্ধখন শেষ হৈ যোৱাত ছমীৰো হঠাৎ নিষ্কৰ্ম্মা হৈ পৰিল। ব্যস্ততাবোৰ নোহোৱা হৈ গ'ল। যুদ্ধক্ষেত্ৰত তাৰ উপস্থিতি অদৰকাৰী হৈ পৰিল। সি আকৌ অসামৰিক জগতখনলৈ ঘূৰি অহাৰ কথা চিন্তা কৰিবলগীয়া হ'ল।

প্ৰকৃততে তেতিয়ালৈকে ছমীৰে সাধাৰণ মানুহৰ সমস্যাবহুল সংসাৰখনৰ সকলো কথা বুজি পাবৰ সুবিধা পোৱা নাছিল। সেইদেখি চাৰ্কাচ পাৰ্টি ভাগি গ'লে চাৰ্কাচৰ খেলুৱৈবোৰে একো কৰিব নজনা হৈ পৰাৰ দৰে, ছমীৰো হঠাৎ এনেদৰে নিষ্কৰ্ম্মা হৈ পৰিল যে এতিয়া সি কি কৰিব বা কি নকৰিব একো সিদ্ধান্ত কৰিব নোৱাৰাত পৰিল। এই বিষয়ে সি লগৰ অন্যান্য দুই-চাৰি ঠিকাদাৰৰ লগত আলোচনা-পৰামৰ্শও কৰিলে। আৰু অৱশেষত থিৰাং কৰিলে যে কোনোবা এখন কিছু নিলগৰ চহৰলৈ গৈ, সি এইবাৰ অসামৰিক ঠিকা আদিকে কৰিব, নাইবা কোনো সুবিধাজনক ব্যৱসায় আৰম্ভ কৰিব। অন্যান্য মিলিটাৰী ঠিকাদাৰবোৰেও তেনে ধৰণেই চিন্তা কৰিছিল।

অকণমান জিৰণি পাই যেতিয়া ছমীৰে নিজৰ পুৰণি চিনাকি মানুহবোৰৰ কথা মনত পেলাইছিল, আৰু আকৌ তেওঁলোকৰ কাৰোবাৰ ওচৰলৈকে ঘূৰি যাব নেকি চিন্তা কৰিছিল। সি বৰ অসহিষ্ণুভাৱে সিদ্ধান্ত কৰি পেলাইছিল যে এই কেইবছৰৰ ভিতৰত তাৰ জীৱনলৈ যি পৰিৱৰ্ত্তন আহিল, সেই পৰিৱৰ্ত্তনে তাৰ পুৰণি চিনাকি সমাজখনলৈ ঘূৰি যোৱাৰ বাট মুকলি কৰি ৰখা নাই। চিনাকি সমাজখন তাৰ কাৰণে অচিনাকি হৈ পৰিছে, আৰু সিও সেইখন সমাজলৈ ঘূৰি যোৱাৰ যোগ্যতা হেৰুৱাই পেলাইছে। আৰু তাৰ সেই চিনাকি সমাজখনত, তাৰ নতুন পৰিচয়েও কোনো ধৰণৰ ৰেখাপাত কৰিব নোৱাৰিব। কাৰণ, সেইখন সমাজে তাক তাৰ জন্ম ইতিহাসৰপৰা বিচ্ছিন্ন কৰি চাবলৈ এতিয়াও নিশ্চয় প্ৰস্তুত হোৱা নাই। আজি হয়তো সেইখন সমাজলৈ তাৰ ভয় নকৰিলেও চলিব, কিন্তু সেইখন সমাজৰপৰা আন্তৰিক শ্ৰদ্ধা সি কাহানিও পাব নোৱাৰিব।

তদুপৰি সেইখন সমাজলৈ ঘূৰি গ'লে সি পুনৰ সঙ্কুচিত হৈ পৰিব লাগিব। নিয়ম-নিষ্ঠাৰ মাজেদি নিজক নিয়ন্ত্ৰিত কৰি চলিব লাগিব, আৰু সেয়ে হ'ব তাৰ নৱলব্ধ মুক্তি আৰু স্বাধীনতাৰ অপমৃত্যু।

যুদ্ধক্ষেত্ৰৰ কেম্পবোৰ উঠি গৈছিল। সামৰিক-অসামৰিক সকলো মানুহ দিহাদিহি গুচি গৈছিল। আৰু থকা নাযায়।

ছমীৰেও এদিন তাৰ বিচনা-পত্ৰ, বস্তু-বাহানি যি আছিল সামৰি লৈ, পাছ বুক, চেক্ বুক আৰু পাব লগা থকা টকাৰ কাগজ-পত্ৰ আদি লৈ যুদ্ধক্ষেত্ৰ এৰি দুৰণিৰ অন্য এখন চহৰলৈ বিশেষ কোনো লক্ষ্য নোহোৱাকৈয়ে যাত্ৰা কৰিলে। যিমানেই চিনাকি জগতখনৰপৰা আঁতৰি যোৱা যায়, সিমানেই যেন তাৰ মঙ্গল।

এই যাত্ৰাত ছমীৰৰ সঙ্গী আছিল ঠিকাদাৰ কৃপাল সিং। কৃপাল সিং ছমীৰতকৈ বয়সীয়া মানুহ। কিন্তু সি বৰ কৰ্ম্মঠ আৰু স্ফূৰ্ত্তিবাজ মানুহ। জীৱনত বিপদৰ সম্মুখীন হ'বলৈ সি কোনো দিন ভয় কৰা নাই। সেয়ে তেনে এটা মানুহৰ লগত সৌহাৰ্দ্দ্য গঢ়ি তুলিবলৈ ছমীৰৰ কষ্ট কৰিবলগীয়া হোৱা নাছিল। আৰু কৃপাল সিঙে বুজিছিল যে ছমীৰৰ সংসাৰৰ অভিজ্ঞতা অতি কম। গতিকে তাক বেহা লগাই দিব পাৰিলে ভৱিষ্যতে সি মানুহ হৈ খাব পাৰিব। হয়তো কৃপালৰ এই নিঠৰুৱা ল'ৰাটোৰ প্ৰতি এটা মৰম উপজিছিল। কিন্তু পোনপটীয়া কোনো উপদেশ দিবৰ অধিকাৰ কৃপালৰ নাই বুলিয়ে হয়তো ভাবিছিল। আনহাতে, কৃপালেও মদ খাইছিল। আৰু অন্য দুৰ্ব্বলতাও কৃপালৰ আছিল।

নতুন চহৰখনলৈ আহি ছমীৰ কেইদিনমান এটা হোটেলত থাকিল। তাৰ পিছত এটা ভাৰাঘৰ ল'লে। ঘৰটো এজন মানুহৰ কাৰণে যথেষ্ট আহল-বহল। চহৰৰ মাজ-ভাগতে যদিও এটা আছুতীয়া আলিবাটৰ কাষত। মিলিটাৰী ঠিকাদাৰ বুলি জানি গৃহস্থই আনন্দ মনেই ছমীৰক ঘৰটো ভাৰালৈ দিলে।

লগে লগে ছমীৰে এটা নেপালী বাম্ধনি ল'ৰা বন্দবস্ত কৰি ল'লে। আৰু ইয়াত কি কৰিব আৰু কৰিলেও কোন ধৰণৰ কাৰবাৰ কৰিব, এই বিষয়ে চিন্তা কৰিলে। কৃপাল সিঙেও তাৰ এজন চিনাকি শিখ ব্যৱসায়ীৰ লগ লাগি ইয়াতে কিবা এটা কাৰবাৰ খোলাৰ চেণ্টা কৰিছিল, কিন্তু ছমীৰে কাৰবাৰত কৃপাল সিঙৰ লগ লাগিবৰ ইচ্ছা নকৰিলে। কিবা কাৰবাৰ কৰিলে সি অকলেই কৰিব। সাধাৰণতে কোনো মানুহক বিশ্বাস নকৰাটোৱেই ছমীৰৰ স্বভাৱত পৰিণত হৈছিল। গতিকে ব্যৱসায়ত কাৰো অংশীদাৰ নহ'ম বুলিয়ে প্ৰথমে ছমীৰে সিদ্ধান্ত কৰিলে। সদ্যহতে কিছু দিনলৈ ছমীৰে নতুন একো নকৰাকে ঠিক কৰিলে। যুদ্ধ শেষ হৈছে মাথোন। পৰিস্থিতিয়ে কেনে গতি লয় ক'ব নোৱাৰি।

॥ তেত্ৰিশ ॥

দক্ষিণ ট্ৰাংক-ৰোডৰ উত্তৰে—তাৰপৰাই ফাটি যোৱা ফুকনৰ আলি। কিছুদূৰ পোনে পোনে উত্তৰলৈ গৈ, তাৰ পিছত পশ্চিম-মুৱা হৈছে—ট্ৰাংক-ৰোডৰ সমান্তৰাল-ভাৱে। আগেয়ে ফুকনৰ আলিৰ কাষত মানুহ বেছি নাছিল, মাজে মাজে দুই-চাৰি ঘৰ মানুহ, মাজে মাজে এনেই পৰি থকা মাটি, মাজে মাজে খাল-ডোং-পিটনি। নগৰৰ গৰু চৰে, জাৰকালি চাৰ্কাচ আৰু ৰামলীলা হয়, কেতিয়াবা সেই অঞ্চলৰ সৰু ল'ৰাবোৰে তাত বল খেলে। ফুকনৰ আলিৰ দক্ষিণ-ফাল মিউনিচিপালিটিৰ ভিতৰত, উত্তৰ-ফাল, বাহিৰত।

যুদ্ধৰ সময়ত ইয়াত বাহাদুৰ সিং ঠিকাদাৰে খেৰৰ গুদাম, কাঠ-বাঁহৰ গুদাম আদি কৰিছিল। আৰু তেওঁৰ তলত কাম কৰা মানুহবোৰৰ কাৰণে শাৰী শাৰী দীঘলীয়া ঘৰ সজাই দিছিল। তাতে তেওঁ যুদ্ধৰ শেষৰ ফালে নিজৰ প্ৰকাণ্ড ঘৰ সজালে, এটা লৰী-মটৰ ভাল কৰা কাৰখানা পাতিলে। নগৰৰ ভিতৰত বিখ্যাত কাৰখানা—'দি সিং মটৰ ৱৰ্কছ্'। লগতে তেওঁৰ ভায়েক চন্দ্ৰ সিংএ এটা ধান-কল

আৰু এটা কাঠফলা কল পাতিলে। লগে লগে দোকান-পোহাৰ, হোটেল-ৰেষ্টোৰাঁৰে ঠাইডোখৰ বজনজনা হৈ উঠিল। মিউনিচিপালিটিৰ লাইট্ ফুকনৰ আলিৰ দক্ষিণ-কাললৈকে আহিছিল। কিন্তু এতিয়া বাহাদুৰ সিঙৰ কাৰখানা ইত্যাদিৰ কাৰণে তেওঁ নিজৰ জেনেৰেটৰ বহুৱাই উত্তৰৰ ফালেও লাইটৰ ব্যৱস্থা কৰিলে। ঠাইডোখৰ নানা ঠাইৰ, নানান তৰহৰ মানুহেৰে ভৰি পৰিল।

কোনে কাৰ মাটি কেতিয়া কেনেকৈ কিনি, ইয়াত এইদৰে গজগজীয়া হৈ বহিল, কোনেও ক'বই নোৱাৰিলে। এখন নতুন নগৰ গঢ়ি উঠিল—'বাহাদুৰ সিং নগৰ।' বিশৃংখল, অপৰিপাটি আৰু অপৰিষ্কাৰ যদিও এনে ঠাইত আহি থাকিবলৈ লোৱা মানুহৰ অভাৱ নহ'ল। অলপ দিনৰ ভিতৰতে ছন পৰি থকা ঠাইখনত ভৰি এখন থ'বৰ কাৰণেও শূন্য মাটি এচমকা পাবলৈ নোহোৱা হ'ল। ইয়াত আগৰেপৰা থকা মানুহবোৰৰ অস্তিত্ব—নতুন মানুহবোৰৰ চিঞৰ-বাখৰ, হুলস্থুলে প্ৰায় নোহোৱাৰ নিচিনা কৰি দিলে। ছন পৰা নিৰ্জন মাটিলৈ ব্যস্ততা আহিল, আৰু আহিল ব্যস্ত মানুহ। মানুহৰ জীৱিকা-অৰ্জনৰ ব্যস্ত সংগ্ৰাম, আৰু নানা বৰণীয়া, নানা প্ৰকাৰৰ ব্যৱসায়।

নাপিতৰ দোকান কেইখন পাৰ হৈ 'দি নিউ গ্ৰেট হোটেল' নামৰ ভাত-ৰুটী আৰু চাহ-মদ বেচা এখন দোকান। টিনৰ চালি, মিলিটাৰীয়ে এৰি থৈ যোৱা আধা ভগা চকী-মেজ। দুৱাৰৰ ওপৰত এখন তক্তাৰ ওপৰত চুণেৰে লিখা 'দি নিউ গ্ৰেট হোটেল'। মহাজন এটা শকত বিহাৰী। আগেয়ে অসমৰে ক'ৰবাত অন্য কিবা কাৰবাৰ কৰিছিল। এতিয়া আহি ইয়াত হোটেল খুলি বহিছেহি।

হোটেলখনৰ উত্তৰলৈ আৰু দুখনমান দোকান-পোহাৰ পাৰ হৈ গৈ এটা ঠেক সৰু গলি গৈছে। তাৰো দুয়োপাৰে সৰু সৰু টিনৰ চালিৰ চাপৰ চাপৰ ঘৰ। কোনোবাই নিজে সাজি লৈছে, কোনোবাই ভাৰা-ঘৰ সজাই দিছে। এই গলিটোতে যুদ্ধৰ দিনত সৃষ্টি হোৱা ভালেকেজনী অকলশৰীয়া তিৰোতা মানুহ থাকে। দিনত সিহঁতক ত্ৰিশ পাৰ হোৱা বুঢ়ী যেন দেখি, আৰু ৰাতি সিহঁত হৈ পৰে ষোল বছৰীয়া গাভৰু। দিনত গলিটো প্ৰায় নিমাত-নীৰৱ থাকে। সন্ধিয়াৰ পিছৰপৰা তাত জীৱন আৰম্ভ হয়। হাঁহি-খিকিন্দালি, দন্দ-কাজিয়া আৰম্ভ হয়, আৰু আৰম্ভ হয় নাৰী-দেহৰ বেচা-কিনা। অতি সহজ আৰু স্বাভাৱিকভাৱেই এই ব্যৱসায় চলে। পুলিচ, মিউনিচিপাল কৰ্তৃপক্ষ সকলোৱে জানে।

গলিৰ ভিতৰতে অলপ আছুতীয়া অকলশৰীয়া ঘৰ এটাত এজনী ছোৱালী থাকে। ছোৱালীজনীৰ বয়স ২২।২৩ বছৰৰ বেছি প্ৰকৃততে নহয়। আৰু দিনতো তাইৰ বয়স ইয়াতকৈ বেছি বুলি ভাবিবলগীয়া নহয়। তাইৰ স্বাস্থ্য আৰু দেহশ্ৰী এতিয়াও অটুট্ আছে। তাই সুন্দৰী, ওখ-পাখ আৰু ধুনীয়া তাইৰ দেহৰ গঠন। মুখখনত সদায় এটা হাঁহি লাগি আছেই। আজি তাইৰ আচল নামটো তাইৰ নিজৰ বাহিৰে আন কোনেও ক'ব নোৱাৰে। তাইৰ বৰ্ত্তমান চলিত নাম 'মায়াৰাণী'। এই নাম তাই নিজেই দিয়া নে অন্য কোনো তাইৰ প্ৰিয়জনে দিয়া জনা নাযায়। কিন্তু জানোতাসকলে তাইক মায়া বুলিয়েই জানে।

সুন্দৰী কাৰণেই আৰু বেছি বয়সীয়া নোহোৱাৰ কাৰণেই মায়াৰ ব্যৱসায় আন

বহুতকৈ ভাল চলে। প্ৰায় গোটেই ৰাতি তাইৰ আলহী থাকে। বহুতে আহি তাইক নিবিচাৰিলেও তাইৰ তাত বহি মদ-গিলাচ খাই ভাল পায়। মাজে মাজে তাই ঘৰত নোহোৱা হয়। কোনোবা চহকী গ্ৰাহকে মটৰ পঠিয়াই কেইদিনমানৰ কাৰণে তাইক আছুতীয়াকৈ নিয়ায়, হয়তো নিজৰ কাৰণে, নাইবা মজলিছি বন্ধুসকলৰ কাৰণে। মায়াক সেই কাৰণেই ওচৰৰ অন্যবোৰ ছোৱালীয়ে অলপ ঈৰ্ষাৰ চকুৰে চায়। তাই কিন্তু সিহঁতলৈ ভ্ৰূক্ষেপ নকৰে। তাই সিহঁতৰ অনুগ্ৰহৰ ওপৰত নিৰ্ভৰশীল নহয়। তাইৰ মূলধন তাইৰ ধুনীয়া দেহাটো, গতিকে সিহঁতৰ লগত তৰ্কবাদ কৰি সময় নকটায়, তাই আজৰি সময়ত নিজৰ দেহাটোকে সজাই-পৰাই ৰখাত লাগি থাকে। এই কাৰণে তাইক বহুতে গৰ্ব্বী বুলিও ভাবে।

এদিন ৰাতি কৃপাল সিঙৰ লগত আহি ছমীৰ মায়াৰ ঘৰত ওলাইছিলহি। অহাৰ বিশেষ কোনো উদ্দেশ্য নাছিল। কৃপাল সিঙৰ নিচিনা এজন অন্তৰঙ্গ বন্ধুৰে লগ ধৰাত সি আহিবলৈ মান্তি হৈছিল। আৰু ক'ৰবালৈ যোৱাত তাৰ কোনো বাধাও নাছিল। সি অকলশৰীয়া, সি মুক্ত।

তাক মায়াৰ কাষত এৰি বিশেষ কাম থকাৰ অজুহাত দেখুৱাই কৃপাল সিং গুচি গৈছিল। আৰু মাজৰাতি যেতিয়া সি মাত নলগোৱাকৈ মায়াৰ ঘৰৰপৰা বাহিৰ ওলাই গৈছিল, সি উপলব্ধি কৰিছিল যে আজিৰ ৰাতিটোতে সি জীৱনৰ ইমানবোৰ কথা শিকি গ'ল যে ইয়াৰ আগেয়ে একৈশ বছৰীয়া তাৰ জীৱনটোত তাৰ এক শতাংশও সি শিকা নাছিল। মায়াক তাৰ বৰ ভাল নালাগিলেও বেয়া নালাগিল। এটা কথা মাথোন তাৰ বুজিব নোৱাৰা যেন লাগিল: প্ৰথম চিনাকি হোৱা এজনী ধুনীয়া ছোৱালীয়ে তাক এনেদৰে দেহ-মন সকলো দি মৰম কৰিব পাৰিলে কেনেকৈ? আৰু আহিবৰ সময়ত কৃপাল সিঙে শিকাই দিয়া মতে সি যেতিয়া তাইলৈ পঞ্চাশটকীয়া ন'টখন আগবঢ়াইছিল, তাই লৈ হাঁহি হাঁহি তাৰ জেপত ভৰাই দি কৈছিল, "আকৌ আহিবা নহয়, তেতিয়া দিবা। নতুন আলহীৰপৰা মই টকা নলওঁ।" তেতিয়া তাৰ মায়াক এজনী বৰ মৰমিয়াল ছোৱালী যেন লাগি গৈছিল। সি মনে মনে তেতিয়াই থিৰাং কৰি পেলাইছিল যে সি মায়াৰ ঘৰলৈ নিতৌ আহিব।

সি নিতৌ আহিবলৈ লৈছিল। এজনী নাৰীক জীৱনত প্ৰথমবাৰৰ বাবে সম্পূৰ্ণকৈ চিনি পোৱাৰ আনন্দৰ মাদকতাত সি মায়াৰ প্ৰতি এটা গভীৰ আকৰ্ষণ অনুভৱ কৰিছিল। সি যেন জীৱনত কোনো দিন নোপোৱা মাণিক বিচাৰি পালে—এনে দৰে সি মায়াৰ দেহাৰ কাষত নিজক সমৰ্পণ কৰি দি ক'লে, "তুমি মোৰ, তুমি অন্য কাৰো হ'ব নোৱাৰা। অন্য কাৰোবাক তোমাৰ ওচৰত দেখিলে মই কিন্তু সহ্য নকৰিম।"

তাইৰ গতানুগতিক সহাস্য আশ্বাসেৰে মায়াই তাৰ ডিঙিত সাৰটি ধৰি ক'লে, "তুমি থাকোঁতে মই আৰু অন্যক কিয় বিচাৰিম? আজিলৈকে কত মানুহক লগ পালোঁ, কাকো তোমাৰ সমান ভাল লগা নাই মোৰ। তুমিও কিন্তু অন্যৰ ফালে আৰু চকু নিদিবা। দিলে মই সহ্য কৰিব নোৱাৰিম।"

তাইৰ কথা ছমীৰে বিশ্বাস কৰিলে। সি এটা অবাৰিত উচ্ছৃংখল জীৱনৰ সোঁতত নিজক উটুৱাই দিলে।

যুদ্ধৰপৰা ঠিক নহয়, যুদ্ধক্ষেত্ৰৰপৰা ছমীৰ ঘূৰি আহিল পাঁচ বছৰৰ মূৰত। সি যুদ্ধৰ সৈনিক হ'বৰ মন কৰি ঘৰৰপৰা ওলাই গৈছিল। যুদ্ধ সম্পৰ্কে তাৰ এটা ৰঙীন ধাৰণা আছিল। কিন্তু ডিমাপুৰত গৈ ৰিক্ৰুটিং অফিচৰলৈ নো-যাওঁতেই সি বিখ্যাত মিলিটাৰী ঠিকাদাৰ ত্ৰিলোকী সিঙক লগ পালে, আৰু তেওঁৰে উপদেশমতে সি 'ৰেগুলাৰ আৰ্মী'ত ভৰ্ত্তি হোৱাৰ বৃথা চেষ্টা নকৰি, তেওঁৰ তলতে দৰমহা খোৱা ডিপো-মেনেজাৰ হিচাপে মাহে তিনিশ টকাৰ চাকৰিত সোমাল। অৱশ্যে সৈন্যবিলাকৰ দৰেই সি খাকী কামিজ-পেণ্ট পিন্ধিলে, সিহঁতৰ দৰেই মিলিটাৰী ট্ৰাকত হুৰহুৰাই ঘূৰিলে, আৰু মিলিটাৰীৰ নিচিনাকৈ চলন-ফুৰণ কৰাৰ অভ্যাস কৰিলে।

ছ'মাহৰ ভিতৰতে সি মিলিটাৰী ঠিকাদাৰৰ সকলোখিনি ব্যৱসায়-বুদ্ধি শিকি ল'লে। কেনেকৈ অফিচাৰক এবটল মদ দি দহ হাজাৰ টকাৰ এখন বিল দুবাৰ পাছ কৰাব লাগে, কেনেকৈ পাঁচ শ খেৰ জমা দি, নিজেই তাত জুই লগাই পঞ্চাশ হাজাৰৰ বিল আদায় কৰিব লাগে, কেনেকৈ কোনো কাম নকৰাকৈ বা কোনো বস্তু যোগান নিদিয়াকৈয়ে হাজাৰ হাজাৰ টকা পাব পাৰি, আৰু কেনেকৈ মিলিটাৰীক বস্তু যোগান দি, পুনৰ তাকে চুৰ কৰি আকৌ যোগান দি দুগুণ-তিনিগুণ মূল্য আদায় কৰিব লাগে, সকলোবোৰ সিঙৰ লগত কাম কৰাৰ সুযোগ পাই ছমীৰে শিকি ল'লে। প্ৰথমতে তাৰ ভয় লাগিছিল, সামান্য প্ৰতিবাদো কৰিছিল। কিন্তু সিঙে যেতিয়া তাক বুজাই দিলে যে যুদ্ধ সদায় নাথাকে, আৰু যুদ্ধ তেনেকৈয়ে চলে। আৰু মিলিটাৰী ঠিকাদাৰি কৰি এবছৰত যিমান টকা ঘটিব পাৰিব, মিলিটাৰী চাকৰিত সোমাই গোটেই জীৱন কাম কৰিলেও সিমান টকা আৰ্জ্জিব নোৱাৰে। তেতিয়া ছমীৰে আৰু আপত্তি কৰাৰ প্ৰয়োজন নেদেখিলে। শ টকীয়া ন'টবোৰ তাৰ ফটা কাগজ যেন লাগিব ধৰিলে।

সিঙৰ লগত ছ'মাহ কাম কৰাৰ পিছত সি তেওঁৰ লগৰপৰা আঁতৰি আহিল, আৰু নিজেই ঠিকা লোৱা আৰম্ভ কৰিলে। সি দেখিলে যুদ্ধৰ ঠিকাৰ নিচিনা লাভজনক আৰু কোনো ব্যৱসায় নাই। পাঁচ বছৰৰ ভিতৰতে বিভিন্ন ঠাইত, বিভিন্ন ঠিকা কৰি সি প্ৰায় আঢ়ৈ লাখ টকা জমা কৰিলে। ঘোচ-ঘাচলি নিদিয়া হ'লে হয়তো ইয়াৰ দুগুণ টকা জমা কৰিব পাৰিলেহেঁতেন। তথাপি যুদ্ধৰ শেষত যেতিয়া সি নিজকে এবাৰ জুখি চালে, তেতিয়া সি দেখিলে যে সি আঢ়ৈ লাখ টকাৰ মালিক হৈ আহিছে। সি এজন নামকৰা ঠিকাদাৰ হৈ পৰিছে। তাৰ নিজৰ এটা গুৰুত্ব থকা যেন অনুভৱ কৰিলে সি।

যুদ্ধত ঠিকাদাৰি কৰা কালছোৱাৰ ভিতৰত সি অন্যান্য বহুত অভিজ্ঞতাও আহৰণ কৰিলে। অৱশ্যে এইবোৰ অভিজ্ঞতাৰ অধিকাৰী হৈ সি নিজকে ধনী বুলি ভাবিব পৰা হোৱা নাছিল। প্ৰতিটো নতুন অভিজ্ঞতাই তাক যেন একোটা ক্ষতিৰ উপলব্ধিহে দিছিল। তথাপি অযাচিতভাৱেই সি বিভিন্ন অভিজ্ঞতাৰ সন্মুখীন হৈ সেইবোৰক চিনি আৰু বুজি পাবলগীয়া হৈছিল। সেইবোৰ অভিজ্ঞতা তাৰ জীৱনৰ কাৰণে অপ্ৰতিহত আৰু অৱশ্যম্ভাৱী হৈ উঠিছিল।

ছমীৰে মদ খোৱা আৰম্ভ কৰিছিল। যুদ্ধলৈ গ'লে—সৈনিকেই হওক বা অসামৰিকেই হওক—যেন মদ খাবলৈ শিকিবই লাগিব।

বিল পাছ কৰাবৰ কাৰণে বা সৰহ টকাৰ ঠিকা পাবৰ কাৰণে সি মিলিটাৰী অফিচাৰ, একাউণ্টেণ্ট, কেৰাণী আদিক মদৰ বটল উপহাৰ দিবলগীয়া হৈছিল। প্ৰথমে

প্ৰথমে 'কাগ বন্ধ' মদৰ বটল ছুবলৈকো তাৰ বেয়া লাগিছিল। কিন্তু ক্ৰমে এগিলাচ মদ আৰু এগিলাচ পানীৰ মাজত কোনো পাৰ্থক্য নথকা যেন লাগি আহিব ধৰিলে তাৰ। মদৰ বটলক তাৰ আপোন আপোন লাগিব ধৰিলে।

অৱশ্যে যিবোৰ উপায়েৰে যুদ্ধৰ সময়ত টকা ঘটা হয়, সেইবোৰ উপায় তাৰ বেয়া বা অস্বাভাবিক যেন নালাগিল। সেইটোৱেই যেন নিয়ম, তাত যেন নিয়মৰ ব্যতিক্ৰম একো নাই। এইদৰে টকা ঘটাত সি কোনো নৈতিকতাৰ অৱমাননাৰ চেতনা অনুভৱ নকৰিলে। বৰং ইমান সহজভাৱে ইমান সৰহ টকা আৰ্জিব পৰাত তাৰ আনন্দহে লাগিল। টকা ঘটাত এটা মাদকতা আছে। সি মদৰ পানীৰ নিচিনাই এৰিব নোৱাৰা।

এসময়ত বেংকৰ লগত তাৰ কোনো সম্পৰ্ক নাছিল। তাত বহুত টকা থাকে, আৰু বহুত ডাঙৰ মানুহে সেই টকাৰ লেনদেন কৰে, এয়ে আছিল তাৰ ধাৰণা। কেতিয়াবা আহমদ ঠিকাদাৰে তাক চেক্ ভঙাবলৈ পঠিয়াইছিল। চেক্‌খনৰ পিছফালে চহী এটা কৰি, সি টকা লৈ গুচি আহিছিল—ভালকৈ বুজা নাছিল, কেনেকৈ কি হয়।

কিন্তু মিলিটাৰী ঠিকাদাৰিত ধৰি সি বেংকৰ লগত ভালকৈয়ে চিনাকি হ'ল। আনকি, মেনেজাৰৰ লগত গোপনে লাভৰ অংশ দিয়াৰ চুক্তিত অ'ভাৰ ড্ৰাফ্‌ট্ কেনেকৈ নিব লাগে, তাকো সি দুদিনমানতে বুজি পাই উঠিল। ইতিমধ্যে কুমিল্লা বেংক, ত্ৰিপুৰা বেংকৰ উপৰিও গুৱাহাটী বেংক, বেংক অব্ আসাম আদি নতুন নতুন বেংক গঢ়ি উঠিল। আৰু তাৰ এজেণ্টবিলাকে মিলিটাৰী ঠিকাদাৰৰ ঘৰৰ বাট বাৰুকৈয়ে চিনি ল'লে। ছমীৰৰ লগত বন্ধুত্ব গঢ়ি তুলিলে—বেংক অব্ আসামৰ এজন কেৰাণী সুদৰ্শন ৰাজখোৱাই। মানুহজন বিশ্বাসযোগ্য, নিৰ্ভৰযোগ্য আৰু কথা-বতৰাত বৰ নম্ৰ। ছমীৰে তেওঁৰ যোগেদি বেংকত টকা জমা থ'বলৈ বিশেষ চিন্তা কৰিবলগীয়া নহ'ল। আৰু যেতিয়া বেংকৰ লগত ছমীৰৰ সম্পৰ্ক ঘনিষ্ঠ হৈ আহিল, ছমীৰে মেনেজাৰৰ লগতো আত্মীয়তা গঢ়ি তুলিলে। ইয়াৰপৰা তাৰ লাভেই হ'ল। দৰকাৰ মতে দহ-পোন্ধৰ হাজাৰ টকাৰ অ'ভাৰ ড্ৰাফ্‌ট্ সি নিব পৰা হ'ল, অৱশ্যে সেই টকাৰপৰা হোৱা লাভৰ এটা অংশ মেনেজাৰক দিয়াত সি কাৰ্পণ্য নকৰিলে।

যুদ্ধৰ পিছত ছমীৰ এখন বিশেষ সমাজৰ এখিনি বিশেষ মানুহৰ মাজত বেছ জনাজাত আৰু সৰৰহী হৈ উঠিল। তাৰ এইখন সমাজত সি দেখা পালে বেংকৰ মেনেজাৰৰপৰা আৰম্ভ কৰি কৃপাল সিং, মায়া আদি বহুতকে। কাকোৱেই তাৰ পৰ যেন নালাগিল, আৰু সিবিলাকৰ লগত বা সিবিলাকৰ কাৰণে দুপইচা খৰচ কৰাটোত কাৰ্পণ্য কৰাৰ কোনো প্ৰয়োজন সি নেদেখিলে।

যুদ্ধখন হঠাৎ শেষ হৈ গ'লত হঠাৎ যিদৰে পৃথিৱী-জোৰা ব্যস্ততাখিনি থমকি ৰৈ গ'ল, তেনেকৈ ছমীৰো থমকি ৰৈ গ'ল। ব্যস্ত হোৱাৰ বিশেষ কোনো দৰকাৰ সি নেদেখিলে। তাৰ অলপ জিৰণি ল'বৰ মন গ'ল, অলপ ফুৰিবৰ মন গ'ল। তাৰ নতুন বন্ধুখিনিয়ে তাক পৰামৰ্শ দিলে কলিকতা, দাৰ্জিলিং, দিল্লী, বোম্বাইত অলপ ফুৰি আহিবৰ কাৰণে। কিন্তু তাৰ ইচ্ছা হৈছিল যদিও ঘূৰি ফুৰি ভাগৰ লগাৰ বাহিৰে অন্য একো নহ'ব বুলি ভাবি সি দুবলৈ নগৈ কিছু দিনৰ কাৰণে শ্বিলঙলৈকে যোৱাৰ মনস্থ কৰিলে। প্ৰায় সকলোৰে মুখত সি শুনিছিল অবিবাহিত মানুহৰ কাৰণে শ্বিলংখনেই উৎকৃষ্ট ঠাই।

॥ চৌত্ৰিশ ॥

শিৱলিঙলৈ যোৱাৰ আগতে সি এবাৰ আহমদ ঠিকাদাৰৰ ঘৰলৈ বা সিহঁতৰ নিজৰ গাঁৱলৈ যোৱাৰ কথা ভাবিছিল। কিন্তু মনৰ ভিতৰত সি অকণো উদ্যম বিচাৰি নাপালে। মাক সোণপাহী আজি তাৰপৰা বহুত দূৰত, সি এবাৰ টকা পঠাইছিল, সোণপাহীয়ে পালে নে নাপালে আজিও সি ক'ব নোৱাৰিলে। চিঠিতো নাপালেই, মনিঅৰ্ডাৰৰ কুপনখনকে ঘূৰাই নাপালে। মাকৰ লগত তাৰ কোনো সম্পৰ্ক আজি তাৰ আছে বুলি সি ভাবিব নোৱাৰিলে।

সি যুদ্ধত থাকোঁতেই কাৰোবাৰ লগত পাভৰ বিয়া হৈ যোৱা বুলি সি শুনিছিল। দিছিল যদিও সি তাইৰপৰা কোনো চিঠি পোৱা নাছিল, পালেও তাইৰ বিয়ালৈ সি যাব নোৱাৰিলেহেঁতেন। তেতিয়া সি বহুত দূৰত আছিল। বিয়াৰ খবৰটো পোৱাৰ দিনা তাৰ এনেয়ে বৰ বেয়া লাগিছিল, সি বহুত মদ খাইছিল সেইদিনা। ছোৱালীবোৰৰ একো নাই। পাভজনীয়ে তাক ইমান মৰম কৰিছিল। কিন্তু অন্য কোনোবা ল'ৰা এটাৰ লগত তাই কিমান সহজে বিয়া হৈ গুচি গ'ল? তাইনো দুদিনমান ৰ'ব নোৱাৰিলে নে?

আৰুনো সি ক'লৈ যাব? আহমদ ঠিকাদাৰৰ ঘৰলৈ এবাৰ যাবৰ মন আছিল তাৰ। কিন্তু তাৰ ওপৰত এজনী বেয়া ছোৱালীয়ে মাধৱৰ লগ লাগি এটা কে'চ দিছিল, বৰ বেয়া কে'চ। পূৰ্ণানন্দ মাষ্টৰ আছিল তাৰ জামিন। হয়তো কে'চটো এতিয়াও পুলিচৰ হাতত আছে। অৱশ্যে পুলিচলৈ এতিয়া তাৰ অকণো ভয় নাই। তাৰ হাতত টকা আছে—ঢেৰ টকা। টকা থাকিলে মানুহ মাৰিও সাৰি যাব পাৰি। কিন্তু যিখন চহৰে এদিন তাক আচামী কৰিছিল—সেইখন চহৰলৈ সি আৰু ঘূৰি নাযায়। আহমদ ঠিকাদাৰ আৰু জুলেখাই তাক হয়তো মৰম কৰিছিল। কিন্তু এতিয়া আৰু সি কাৰো মৰম নিবিচাৰে। সি সৰু ল'ৰা হৈ থকা নাই। এতিয়া সি এটা ডেকা মানুহ। তাৰ কাৰো মৰমৰ দৰকাৰ নাই। মায়াই তাক বহুত মৰম কৰে, কেতিয়াবা গোটেই ৰাতিটো সি মায়াৰ তাতে কটাই দিয়ে। মায়াই টকাও সৰহ নলয়। পাভৰ নিচিনাকৈ অৱশ্যে তাই মৰম কৰিব নাজানে। কিন্তু তাই তাৰ আগত অকণো লুক-ঢুক নকৰে। ছোৱালীজনী গাভৰু আৰু ধুনীয়াও।

দেৱী বাইদেউলৈ মাজে মাজে তাৰ মনত পৰে। তেওঁলোক আজি-কালি আগৰ ঠাইত নাই। কিজানি ক'ত আছে? তাক লগ পালে কিজানি পূৰ্ণানন্দ চাৰে আজিও তাৰ নামটো ভুলকৈ মাতিব!

ছমীৰ অকলশৰীয়া, তাৰ কোনো সমাজ নাই। কোনো আপোন নাই। সি আপোন বিচাৰি ফুৰিব কিয়? এতিয়া সি নিৰ্ভুলভাৱে এটি কথা বুজি পায়—মই এটা জাৰজ। পৃথিৱীত জাৰজৰ কোনো সমাজ নাই।

গধূলি ছমীৰে এখন হিন্দী চিনেমা চালে। ছবিখন তাৰ সিমান ভাল নালাগিল, তথাপি সি শেষলৈকে বহি থাকিল, আৰু শেষ হ'লতহে হলৰপৰা ওলাই আহিল।

চিনেমা হলৰ আগৰ পাণ-বিৰিৰ দোকানখনৰপৰা সি এপেকেট চিগাৰেট কিনিবলৈ লৈছিল। সি অনুভৱ কৰিলে যেন কোনোবা এটা আহি তাৰ পিছতে বৈছেহি। সি এটা চিগাৰেট জ্বলালে, আৰু টকাটো ভঙাই দোকানীয়ে পইচাখিনি ঘূৰাই দিয়ালৈ বাট চালে। তাৰ কোনো কাম নাই। খৰ-খেদা কৰিবৰ কোনো আৱশ্যক নাই। চিনেমা চোৱা অন্য মানুহবোৰ কিন্তু চিনেমা শেষ হ'লে এক মুহূৰ্ত্তও নবয়, ঢাপলি মেলে। যেন সিহঁতক কোনোবাই জোৰ কৰি এটা ঘৰৰ ভিতৰত সুমুৱাই ৰাখিছিল, আৰু এতিয়া মুক্তি পাই লৰ ধৰিছে—নিজ নিজ ঘৰলৈ।

ছমীৰে ঘূৰি চালে। তাৰ পিছতে এজনী ছোৱালী, অলপ অপ্ৰস্তুতভাৱে বৈ আছে।

তাইক পিছলৈ থৈ ছমীৰে খোজ দিলে। দুখোজমান অহাৰ পিছত এনেয়ে সি ঘূৰি চালে। ছোৱালীজনী তাৰ পিছে পিছে আহি আছে।

আকৌ ছমীৰে খোজ দিলে—অলপ বেগাই।

কিন্তু কেইখোজমান আহি তাৰ খোজ এনেয়ে অলপ ধীৰ হৈ আহিল। সি কিজানি অলপ বৈয়ে দিলে। এইবাৰ খৰকৈ অহা ছোৱালীজনী আহি তাৰ একেবাৰে ওচৰেই পালেহি।

ছমীৰে জেপত কিবা এটা বিচৰাৰ দৰে বৈ দিলে, আৰু ছোৱালীজনীক নেদেখাৰ ভাও জুৰিলে। তাই আগবাঢ়ি যাওক।

কিন্তু ছোৱালীজনীও বৈ গ'ল, আৰু তাৰ ফালে চাই সহজভাৱে ক'লে, "ব'লক, ঘৰলৈকে নাযাব জানো? ময়ো আপোনাৰ লগতে যাম।"

ছমীৰে গহীনাই ছোৱালীজনীৰ মুখলৈ চালে। তাইক সি নিশ্চয় চিনি নাপায়।

"কাক কৈছা?" ছমীৰে সুধিলে।

"আপোনাকে কৈছোঁ। আপোনাৰ ঘৰৰ ওচৰতে আমাৰ ঘৰ। এইডোখৰ অকলে যাবলৈ মোৰ ভয় লাগে।" সহজভাৱে ছোৱালীজনীয়ে ক'লে।

ছমীৰে যাবলৈ আৰম্ভ কৰিলে।

সি একো সোধা নাছিল, ছোৱালীজনীয়ে উপযাচিয়ে কৈ গ'ল, "মোক আগবঢ়াই নিবলৈ অহাৰ কথা আছিল, নাহিল দেখোন! আপোনাৰ লগতে যাওঁ আৰু—"

"ওঁ," ছমীৰে ক'লে।

ৰাতি ন' বজাত চিনি নোপোৱা ছোৱালীজনী লগত লৈ আলিয়ে আলিয়ে গৈ থাকিবলৈ তাৰ ভাল নালাগিল।

কিছুদূৰ নীৰৱে গৈ থকাৰ পিছত ছমীৰে সুধিলে, "তোমালোকৰ ঘৰনো কোনখিনিত?"

"আপোনাৰ ঘৰৰ ওচৰতে, আলিটোৰ ইপাৰে আমাৰ ঘৰ। ব'লক বাৰু, মই দেখুৱাই দিম।"

ছমীৰ অলপ নিশ্চিন্ত হ'ল। ঘৰৰ ওচৰৰে যেতিয়া, মানুহে হয়তো একো নাভাবিব। আৰু ভাবিলেও তাৰ চিন্তা কৰিবলগীয়া একো নাই। ইয়াত তাৰ কাৰণে আন কাৰো লাজ পাবলগীয়া নহয়।

"আপুনি আজি-কালি ঘৰতে খায় নে হোটেলত খায়?" ছোৱালীজনীয়ে সুধিলে।

ছোৱালীজনীয়ে তেনেহ'লে মোৰ বিষয়ে বহুত খবৰ ৰাখে। এবা, নহ'লে লগত আহিবলৈ সাহস নকৰিলেহেঁতেন।

"হোটেলতো খাওঁ, ঘৰতো খাওঁ।" চমুকৈ ছমীৰে ক'লে।

"কাণ্ডা আমাৰ ঘৰলৈ মাজে মাজে যায় নহয়—"

কাণ্ডা ছমীৰৰ চাকৰ ল'ৰাটো।

ইয়ালৈ আহি প্ৰথমে কিছু দিন ছমীৰ হোটেলতে আছিল। তাৰ পিছত নিজাকৈ এটা ভাৰাঘৰ লৈ আছে বৰ্ত্তমান। কাণ্ডাই ইটো-সিটো কৰি দিয়ে, ভাত-পানীও ৰান্ধে। আৰু বেছি সময় ঘৰটোৰ লগত ছমীৰৰ সম্পৰ্ক বৰ কম। বহুত ৰাতি ঘৰলৈ আহি, বেলি দুপৰলৈকে শোৱাটো তাৰ অভ্যাস হৈ গৈছে। খোৱা-বোৱাত বৰ অনিয়মীয়া। অৱশ্যে এইবাবে তাৰ কাৰো ওচৰত কৈফিয়ৎ দিবলগীয়া নহয়। গতিকে অভ্যাস সলনি কৰাৰ কোনো প্ৰয়োজন তাৰ এতিয়াও হোৱা নাই। সি ঘৰত নথকা সময়ত কাণ্ডাই চাগৈ এই ছোৱালীজনীৰ ঘৰত কথাৰ মহলা মাৰি থাকেগৈ। তাক বিদায় দিব লাগিব। আজি-কালি চাকৰৰ অভাৱ নাই।

বাকী বাটছোখৰত সিহঁতে আৰু কোনো কথা নাপাতিলে। নগৰৰ ছোৱালী হ'ল বুলি এনেকৈ অকলে চিনেমা চাবলৈ যোৱাটো ছমীৰে বৰ ভাল নাপালে। অকলে গ'লে অকলে আহিবও পাৰিব লাগে। এনেকৈ বাটৰুৱাৰ লগ ধৰি অহা-যোৱা কৰাটো কোনো ভাল কথা নহয়।

"সউটো আমাৰ ঘৰ—" এটা সৰু পুৰণি ঘৰৰ ফালে দেখুৱাই ছোৱালীজনীয়ে ক'লে।

ছমীৰে সন্মুখলৈ চালে। ঘৰটো আলিৰ বাঁওফালে। লেম্প্-প'ষ্ট্টোৰপৰা কিছু দূৰত। চাপৰ পুৰণি, মামৰে ধৰা টিনৰ চালৰ এটা ঘৰ। অন্য দিনা দেখিছিল যদিও ছমীৰে বৰকৈ মন কৰা নাছিল। ঘৰটো বিশেষত্বহীন।

"অ' সেইটোৱেই নেকি ?" এনেয়ে ছোৱালীজনীৰ কথাষাৰৰ উত্তৰ দিয়া দি ছমীৰে ক'লে।

"ওঁ, আপোনাৰ ঘৰৰপৰা বেছি দূৰ নহয়—নহয় নে বাৰু ?" এই কথাষাৰ কৈ যেন ছোৱালীজনীয়ে এটা আনন্দ পালে।

ছমীৰে একো নামাতিলে।

পদূলি-মুৰ পাই ছোৱালীজনীয়ে ক'লে, "উঃ পালোঁহি পায়। আহক, আমাৰ ঘৰত অকণমান সোমাই যাব। বেয়া পাব নেকি ?"

এইটো প্ৰস্তাৱ ছমীৰে আশা কৰা নাছিল। অলপ অপ্ৰস্তুতভাৱে সি ক'লে, "এতিয়া আৰু বহুত ৰাতি হ'ল। আজি আৰু—"

"একো নহয়, আপোনাৰ ঘৰনো কিমান দূৰত ? বেছি দেৰি বহিব নালাগে বাৰু।"

ছমীৰে আৰু প্ৰতিবাদ কৰিব নোৱাৰিলে। কিন্তু ছোৱালীজনীৰ লগত এনেদৰে বাটত চিনাকি হৈ সিহঁতৰ ঘৰ পৰ্য্যন্ত যাবলৈ তাৰ অকণো ভাল নালাগিল।

"মা, অ' মা—" সোমায়ে তাই চিঞৰিলে। "ইয়াতে বহক দেই। আমি দুখীয়া মানুহ আক'—বেয়া নাপাব।" কৈ ছোৱালীজনীয়ে চাদৰখনৰ আগেৰে চকীখন মোহাৰি দিলে। ছমীৰ বহিল।

এটা সৰু কোঠা, কিন্তু বৰ পৰিষ্কাৰ আৰু পৰিপাটি। কোঠাটোৰ মাজতে এখন পৰিষ্কাৰ কাপোৰেৰে ঢাকি থোৱা এখন সৰু মেজ। তাৰ দুকাষে দুখন চকী। এটা চুকত এখন টুলৰ ওপৰত এটা লণ্ঠন কমকৈ জ্বলাই থোৱা আছে।

"আপুনি অহাৰ কথা মাক কওঁ ৰ'ব। এপিয়লা চাহ দিওঁ দেই। একো নাই, শুদা চাহ। আমি দুখীয়া মানুহ—" বিনয়েৰে কথাখিনি কৈ ছোৱালীজনী ছমীৰৰ উত্তৰলৈ অপেক্ষা নকৰি ভিতৰলৈ সোমাই গ'ল।

ছোৱালীজনী বেছি বয়সীয়া নহয়। তাইৰ বয়স বৰ বেছি ১৭।১৮ বছৰ হৈছে। ঘুৰণীয়া মুখেৰে মিঠা বৰণীয়া ছোৱালীজনী। গাটো অৱশ্যে আটিল আৰু সুশ্ৰী। ওখ-পাখ নিয়মীয়া। পিছে ছোৱালীজনীক বৰ ধুনীয়া বুলিব নোৱাৰি।

সেউজীয়া পৰ্দাখন আঁতৰাই ভিতৰৰপৰা এজনী শকত, বগী আদহীয়া মানুহ ওলাই আহিল। ছমীৰে চকীখনতে অলপ লৰচৰ কৰি উঠাৰ নিচিনা কৰিলে।

"বহা, বহা। আমাৰ ঘৰৰ আগেদিয়ে সদায় অহা-যোৱা কৰা, কেইবা দিনো মই মতাম মতাম বুলি ভাবোঁ। আজি যে নিজেই আহিলা। বৰ ভাল পালোঁ।"

কি ক'ব ছমীৰে ভাবি নাপালে।

ভিতৰৰপৰা ওলাই আহি ছোৱালীজনীয়ে ক'লে, "চাহ ভিতৰতে দিছোঁ মা। আহক, এপিয়লা চাহ খাব লাগিব। জোৰ কৰিছোঁ আৰু—বেয়া নাপাব।"

ছমীৰে অনুভৱ কৰিলে যে ছোৱালীজনীয়ে তাক জব্দ কৰি পেলাইছে, মনে মনে সি কথাটো বৰ ভাল নাপালে।

মানুহজনীয়ে মিঠাকৈ হাঁহি ক'লে, "আহা ভিতৰলৈকে। বেয়া নাপাবা, তাই তেনেকুৱাই। আমাৰ ঘৰলৈ মানুহ নাহেই নহয়। আজি তুমি আহিছা নহয়, তাইৰ বৰ বং লাগিছে। আহা, আহা—"

একো নকৈ ছমীৰ উঠি ছোৱালীজনীৰ পিছে পিছে ভিতৰলৈ গ'ল।

স'চাকৈয়ে এপিয়লা চাহ আৰু দুডোখৰমান বিস্কুট, অন্য একো নাই।

"তই এনেয়ে বহ মা, তোক চাহ নিদিওঁ। বহক আকৌ।"

ছমীৰ বহিল।

"বয়সত মোতকৈ সৰু হ'বা। সেইদেখি তুমি বুলিছোঁ—বেয়া আকৌ নাপাবা।"

মানুহজনীৰ সৰলভাৱে কোৱা কথাখিনি ছমীৰৰ ভাল লাগিল। সি ক'লে, "নাই, তুমি বুলিলে কেলেই বেয়া পাম?"

"কাণ্ডাই কেতিয়াবা তোমাক আমাৰ কথা কোৱা নাই নে?"

"কাণ্ডা থাকেহে, তাৰ লগত মই কথা-বতৰা পাতিবলৈ আজৰিকে নাপাওঁ।"

"মাজে মাজে সি আহে। আমাৰ জীনাৰ লগত তাৰ বৰ ভাল। ল'ৰাটো বেয়া ল'ৰা নহয়—"

ছোৱালীজনীয়ে ক'লে, "জীনা কোন, ভাবিছে নহয়? মোৰ নামেই জীনা। আচলতে জীনিয়াহে। পিছে সিমান দীঘল নাম মাৰ মুখত নুফুটে—জীনা বোলে।"

মানুহজনীয়ে হাঁহিলে। ছমীৰে এবাৰ জীনিয়াৰ মুখলৈ চালে, তাৰ পিছত ক'লে, "এও'ক মই আজিহে দেখিছোঁ।"

"মই কিন্তু আপোনাক বহুত দিনৰপৰা দেখিছোঁ—এই ঘৰটোত থাকিবলৈ লোৱাৰপৰা—" জীনিয়াই ক'লে।

ছমীৰে চাহ খাই শেষ কৰি আনিছিল। মানুহজনীয়ে সুধিলে, "তুমি লোৱা ঘৰটো বেছ আহল-বহল। ভালেমান মানুহ থাকিব পাৰিব। পৰিয়াল আনিম বুলি ভাবিছা বোধকৰোঁ ?"

হঠাৎ মানুহজনীৰ কথাবোৰ ছমীৰৰ একো নুবুজা যেন লাগিল। আধা শোহা-মৰা চাহৰ পিয়লাটো তাৰ তেনেকৈয়ে ৰৈ গ'ল।

অলপ পৰৰ মূৰত কোনোমতে সি ক'লে, "পৰিয়াল—?"

জীনিয়া আৰু মানুহজনীয়ে তাৰ মুখলৈ চালে। একো নকৈ সি বহাৰপৰা উঠিল।

"যায়েই নেকি ? অকণমান বহক। ৰাতি বৰ বেছি হোৱা নাই নহয়—" জীনিয়াই ক'লে।

"এতিয়া যাওঁ আৰু। মোৰ অলপ কাম আছে।" কোনোমতে ছমীৰে ক'লে।

"আজি ভাত ক'ত খাব ? ঘৰত নে হোটেলত ?"

"ঘৰতে খাম—" কৈ ছমীৰ বাহিৰৰ কোঠাটোলৈ ওলাই আহিল।

"বহক, মই তামোল নিছোঁ—" জীনিয়াই ভিতৰৰপৰাই চিঞৰিলে।

হঠাৎ ছমীৰৰ নিজকে বৰ দুৰ্ব্বল যেন লাগিল। সি চকীখনতে বহি পৰিল। সি অনুভৱ কৰিলে : অথনিৰেপৰা মই এই মানুহজনী আৰু জীনিয়াৰ লগত বৰ অভদ্ৰ ব্যৱহাৰ কৰিছোঁ। তেওঁলোকৰ ঘৰলৈ আহি, তেওঁলোকৰ লগত ভালকৈ এষাৰ কথাও পতা নাই। এনে ব্যৱহাৰ কৰা নিশ্চয় বৰ অশোভনীয় হৈছে।

লাহে লাহে ছমীৰে সুধিলে, "আপোনালোকৰ ঘৰত আৰু কোনো নাই নেকি ?"

"নাই। আমি দুজনীয়েই—জীনা আৰু মই। তুমি নতুনকৈ আহিছা—ইয়াত মোক বহুতেই চিনি পায়—মোৰ নাম চেনেহী। মিড্-ৱাইফ্ কৰোঁ।"

চেনেহী মিড্-ৱাইফক জানিবৰ বা চিনি পাবৰ ছমীৰৰ কোনো দিনেই দৰকাৰ পৰা নাই।

ছমীৰে স'চা কথাষাৰ ক'লে, "মই নাজানিছিলোঁ।"

"নাজানিবাতোন, তোমাৰনো আহিবৰ কিমান দিন হৈছে ?"

বটাত তামোল লৈ জীনিয়া সোমাই আহিল। আৰু ছমীৰৰ আগত বটাখন থবিলে।

"জানিছ মা, আথুজেতো মোক থৈ কেনি যে গ'ল পাত্তা নাই। এখেতে নানে, মই জোৰ কৰি লৈ আহিলোঁ—বোলোঁ মোক ঘৰত থৈ আহিব ব'লক। মোক চিনি নাপায় কি হ'ল, মইতো চিনি পাওঁ। মোৰ ওপৰত কিজানি আপোনাৰ এতিয়ালৈকে খং উঠি আছে, নহয় ?"

ছমীৰে হাঁহিলে।

"খং নাই উঠা, কিন্তু তোমাক চিনি নাপাইছিলোঁ নহয়—"

"এতিয়া চিনি পালে নহয়, এতিয়া আৰু মোক খং নকৰিব।"

"কিবোৰনো কৈ আছ জীনা ? নতুন মানুহ এজনক তেনেকৈ কথা ক'ব পায় নে ?"

জীনিয়াই ক'লে, "নকও বাৰু। আপুনি কিন্তু আজিৰপৰা আমাৰ ঘৰলৈ আহিব লাগিব। আমি চহকী মানুহ নহয় পিছে—"

ছমীৰে জীনিয়ালৈ চাই হাঁহিলে। ছোৱালীজনীৰ মন খোলা, আপোন-পৰ, নতুন-পুৰণিৰ বিচাৰ নাই। কিন্তু তাইক বেয়া পাবৰ উপায় নাই।

"এতিয়া পিছে যাও আৰু দেই—"

"বাৰু যোৱা, সময় পালে আহিবা কেতিয়াবা। ঘৰখনত কোনো নাই, নগা ল'ৰা এটা আছে—সিও নিজ খুচিমতে চলে। কেতিয়াবা মই অকলে থাকোঁ, কেতিয়াবা জীনা অকলে থাকে। তাই পঢ়ি আছে নহয়—"

আজিয়ে জীনিয়াহঁতৰ বিষয়ে আৰু বেছি কথা জানিবৰ চেষ্টা সি নকৰিলে। কিন্তু অযাচিতে তাৰ প্ৰতি দেখুউৱা আদৰখিনি তাৰ বেয়া নালাগিল। সিহঁতৰ যদি কিবা স্বাৰ্থ আছে, তাৰ বাবেও সিহঁতক বেয়া পাবলগীয়া নাই। হয়তো জীনিয়াহঁতে জানিব পাৰিছে যে যুদ্ধৰপৰা ছমীৰে বহুত টকা ঘটি আনিছে। আৰু সেই কাৰণেই জীনিয়াই সিহঁত দুখীয়া বুলি বাৰে বাৰে কৈছে।

ছমীৰৰ লগে লগে মাক-জীয়েক দুয়ো দুৱাৰ-মুখলৈকে আহিল। জীনিয়াই ক'লে, "এইটো আমাৰ ঘৰ, সোটো আপোনাৰ ঘৰ। তেও আপুনি আমাক চিনি নাপায়। আজি চিনি পালে নহয়। যিদিনা হোটেলত খাবলগীয়া হয়, সেইদিনা আমাৰ ইয়ালৈকে আহিব। আমিয়ে যেনে-তেনে খুৱাম। হোটেলৰ নিচিনা নাপায় অৱশ্যে।"

জীনিয়াৰ কথাত চেনেহী আৰু ছমীৰ দুয়ো হাঁহিলে। তাৰ পিছত ছমীৰ বাহিৰলৈ ওলাই আহিল আৰু জীনিয়াৰ ফালে ঘূৰি চাই ক'লে, "তুমিও কেতিয়াবা মোৰ ঘৰলৈ যাবা দেই।"

॥ পঁইত্ৰিশ ॥

হঠাৎ যুদ্ধখন শেষ হৈ যোৱাত বহুত মানুহ নিবনুৱা হ'ল। যিবোৰ অসামৰিক মানুহে যুদ্ধক্ষেত্ৰত কাম কৰিছিল, সেই মানুহবোৰৰ কাম নোহোৱা হ'ল। আনহাতে, যুদ্ধৰ দিনত ইটো-সিটো কাম কৰি সস্তীয়া ধন আৰ্জ্জন কৰা মানুহবোৰে টকাৰ মূল্য বুজিব নোৱাৰি এনেই ধন উৰুওৱাত অভ্যস্ত হৈ পৰিছিল। যুদ্ধও শেষ হ'ল, সিহঁতৰ টকাও শেষ হ'ল। দেশ জুৰি বিৰাট নিবনুৱা সমস্যা মূৰ দাঙি উঠিল।

কিন্তু ছমীৰৰ সৌভাগ্য, হয়তো ঠিকাদাৰি কৰাৰ কাৰণেই সি নিবনুৱা হ'বলগীয়া নহ'ল। কিন্তু যুদ্ধ শেষ হোৱাত সিও নিষ্কৰ্ম্মা হৈ পৰিল। কৰিবলৈ তাৰ একো কাম নোহোৱা হ'ল।

প্ৰথমতে তাৰ বেয়া লগা নাছিল। পাঁচোটা বছৰৰ ৰুদ্ধশ্বাস ব্যস্ততাৰ পিছত দুদিনমানৰ অলস জিৰণিখিনি তাৰ বৰ আৰামৰ যেন লাগিল। অৱশ্যে যুদ্ধখনে আগৰ শান্তি নোহোৱা কৰি দিলে, আৰু যুদ্ধৰ পূৰ্ব্বৰ পৰিৱেশ পুনৰ ঘূৰি অহাৰ কোনো সম্ভাৱনাই নাই। মানুহৰ জীৱনলৈ এটা ব্যস্ততা, এটা হুৰ-মূৰ অশান্তি আহি

পাৰিছে। কিন্তু এই ব্যস্ততা এটা অকাৰণ ব্যস্ততা। এই ব্যস্ততাক বুজিব পাৰি নিৰুদ্বোৰ বল।

বেংকত টকাখিনি থকাৰ কাৰণে ছমীৰৰ বিশেষ কোনো দুশ্চিন্তা হোৱা নাছিল। কিন্তু একেবাৰে একো নকৰাকৈ দিনৰ পিছত দিন কটাই দিয়াটোও বৰ সুখৰ কথা নাছিল। এতিয়া সি এটা দেখনিয়াৰ ধুনীয়া ডেকা, তাতে তাৰ 'বহুত টকা' আছে বুলিও বহুতে শুনিছে। গতিকে তাৰ লগত চিনাকি হ'বলৈ অথবা তাৰ লগত বন্ধুত্ব গঢ়ি তুলিবলৈ আগবাঢ়ি অহা অন্য ডেকাৰ সংখ্যা তাকৰ নাছিল। সি কিন্তু কাৰো লগত অন্তৰঙ্গতা গঢ়ি তোলাৰ প্ৰেৰণা বিচাৰি নাপালে, প্ৰয়োজন বোধ নকৰিলে। সি বহুতৰে লগত চিনাকি হ'ল যদিও কাকো তাৰ নিজা পৰিচয় দিয়াৰ দৰকাৰ সি নেদেখিলে। তাৰ কোনো পৰিচয় নাই। বাহিৰত গহীন-গম্ভীৰ হৈ ফুৰিলেও সি সকলোৰেপৰা অলপ ফালৰি কাটি ফুৰিছিল। মনৰ ভিতৰত সি এটা হীনাত্মিকা ভাৱ অনুভৱ কৰিছিল। সকলোৰে পৰিচয় আছে, তাৰ কোনো পৰিচয় নাই। সি ক'বলৈ বেয়া নাপায়, যদি তাক কোনোবাই সোধে—সি ক'ত পঢ়িছিল, সি কিয় পঢ়া এৰিছিল, সি কিয় মাধৱক মাৰিছিল বা বেংকত তাৰ কিমান টকা আছে। আনকি সি ক'বলৈ বেয়া নাপায়, মায়াৰ লগত তাৰ সম্পৰ্ক কি? তাইক সি কিমান পইচা দিয়ে আৰু বিনিময়ত তাইৰপৰা সি কি আদায় কৰি লয়। কিন্তু কোনোবাই যদি সোধে—তাৰ বাপেক কোন, তাৰ বাপেকৰ নাম কি, তাৰ বাপেক ক'ত থাকে—হয়তো সোধোঁতাজনৰ কোনো অসদুদ্দেশ্য নাথাকিলেও সি তাৰ মূৰত টাঙোন বহুৱাই দিব, হয়তো তাকে কৰিব নোৱাৰিলে, সি নিজৰে কিবা এটা অঘটন ঘটাই বহিব। তাৰ নিজ পৰিচয়ৰ কথা চিন্তা কৰিলেই ছমীৰ অধৈৰ্য্য হৈ উঠে। এটা প্ৰচণ্ড আত্মগ্লানিয়ে তাক বিব্ৰত কৰি তোলে, আৰু তাৰ সকলো খং পুঞ্জীভূত হয়গৈ তাৰ মাকৰ ওপৰত।

সোণপাহীয়ে নিজ খুচিমতে তাৰ জন্ম দিলে। এটা জাৰজৰ জন্ম দিলে, আৰু তাৰ পিছত তাক দূৰলৈ এৰি থৈ অন্য এটাৰ লগত বিয়া সোমাই ঘৰ-সংসাৰ কৰি সুখেৰে দিন কটাইছে। তাৰ চিঠি এখনৰো উত্তৰ দিয়াৰ মাকৰ আজৰি নাই। মাকৰ ওপৰত খং উঠাৰ লগে লগে তাৰ অন্য তিৰোতাবোৰৰ ওপৰতো আৰু সমগ্ৰ নাৰী-জাতিটোৰ ওপৰতে ভীষণ খং উঠি যায়। কাৰোবাৰ ওপৰত প্ৰতিশোধ ল'বৰ মন যায়। মিলিটাৰীৰপৰা এজনী ছোৱালীক ৰক্ষা কৰি দিয়াৰ পুৰস্কাৰ—পুলিচৰ হাতত বন্দী হোৱা। সকলো বজ্জাত—কাৰো ওপৰত বিশ্বাস নাই। সি উদ্দণ্ড হৈ পৰে। এটা অসহিষ্ণু আত্মনিপীড়নৰ বাসনা জাগে। তাৰ মাংসপেশীত সি এফালৰপৰা সকলো চাঁহি-মুহি নিয়াৰ তীব্ৰ প্ৰচণ্ডতা উপলব্ধি কৰে। যেন সকলোকে ধ্বংস কৰি সি নিজেও ধ্বংস হৈ যাব। তেতিয়া তাৰ টকাবোৰ দুয়ো হাতে খৰচ কৰি উৰুৱাই দিবৰ মন যায়। বহুত মদ খাই, মাতাল হৈ, নীতি-নিয়মক ভৰিৰে গচকি ধূলি কৰি দিবৰ মন যায়। এটা অকথ্য আক্ৰোশ আৰু অভিযোগত তাৰ মনটো উন্বাউল হৈ উঠে।

অৱশ্যে মদ খোৱাত ধৰিলেও সি এতিয়াও জুৱা খেলাত ধৰা নাই। জুৱা খেলাত অনিশ্চিত সম্ভাৱনাৰ আনন্দ উপলব্ধি কৰাৰ উন্মাদনা আছে, কিন্তু দেহ বা মন কোনোটোৰেই শক্তি বা বিশেষত্ব প্ৰতিষ্ঠাৰ সুযোগ নাই। তাৰ দেহাত অজস্ৰ, অফুৰন্ত শক্তি আছে। জুৱা খেলাত সেই শক্তিয়ে প্ৰকাশ লাভ নকৰে।

ৰাতি, এঘাৰ বজালৈকে সিহঁতে বহি আলোচনা কৰিলে—ছমীৰ, নিৰাৰণ শীল আৰু জয়নাথ বৰুৱাই। নিৰাৰণ শীলৰ যুদ্ধৰ আগতে এখন চুলিকটা 'চেলুন' আছিল। যুদ্ধৰ সময়ত মিলিটাৰীক কেম্বলৰ বস্তু যোগোৱাৰ ঠিকা লৈছিল, আৰু এতিয়া কি কাৰবাৰত হাত দিব তাৰেই চিন্তা কৰিছে। জয়নাথ বৰুৱাই এয়াৰোড্ৰোমৰ ওচৰত কেণ্টিন খুলিছিল—এমেৰিকান সৈনিকৰ কাৰণে। মদ আৰু মাংস বেচি যথেষ্ট লাভ কৰিছিল। অৱশ্যে শীল আৰু বৰুৱাৰ এতিয়া কিমান টকা আছে, কোনেও ক'ব নোৱাৰে। শীল আৰু বৰুৱা দুয়ো বয়সত ছমীৰতকৈ যথেষ্ট ডাঙৰ। বৰুৱা আদহীয়াই হৈছে।

বৰুৱাৰ পৰামৰ্শ হ'ল যে তিনিও লগ লাগি এটা প্ৰাইভেট লিমিটেড্ কোম্পানী খুলিব। সদ্যহতে কোম্পানীটোৱে পি. ডব্লিউ. দি ৰ বিল্ডিং কনষ্ট্ৰাক্চনৰ ডাঙৰ ডাঙৰ ঠিকাবোৰ ল'ব। ছমীৰে যদি বৰ্ত্তমান নিজে কামত লাগিবৰ ইচ্ছা নকৰে, সি চীটিং পাৰ্টনাৰ হিচাপে থাকিব। কিন্তু ডাঙৰ কাৰবাৰ কৰিবলৈ হ'লে, লিমিটেড কোম্পানী কৰাই অতি যুক্তিযুক্ত কথা।

নিৰাৰণ শীলৰো এনে এটা কোম্পানী খোলাত আপত্তি নাই। অৱশ্যে পি. ডব্লিউ. দি ৰ ঠিকাতকৈ মিলিটাৰী 'ডিচ্‌প'জেল্‌ছৰ ডাম্প্' লৈ কাৰবাৰ কৰিব পাৰিলে—বিশেষকৈ মণিপুৰৰ ফালে থকা ভাল লৰী-মটৰৰ ডাম্প্ লৈ বেচিব পাৰিলে যথেষ্ট লাভ হোৱাৰ আশা। কিন্তু যেই কাৰবাৰকে কৰক, কোনো কাৰবাৰেই অকলে কৰিবলৈ লোৱাটো সুবিধাজনক নহয়। গতিকে কোম্পানী খোলাই সকলো ফালৰপৰা সুবিধাজনক।

শীলে পৰামৰ্শ আগবঢ়ালে যে সদ্যহতে সিহঁতৰ প্ৰত্যেকজনে প'চিশ হাজাৰকৈ দি—পাৰিলে বেংক অব্ আসামৰ ব'ৰ্ড অব্ ডিৰেক্টৰছৰ সভ্য ফুকনকো লৈ তেওঁৰপৰাও প'চিশ হাজাৰ ল'ব পাৰিলে, এক লাখ টকাৰ এটা ভাল কোম্পানীয়েই হ'ব।

এইবোৰ আলোচনা শেষ হ'ল যদিও শেষ সিদ্ধান্ত লোৱা নহ'ল। ৰাতি বহুত হ'ল। আলোচনা হৈছিল শীলৰ ঘৰত। শীল পুৰ্ব্বে ঢাকাৰ মানুহ আছিল, অসমতে ল'ৰাকালৰেপৰা আছে। যুদ্ধৰ সময়ত পৰিয়াল দেশত থৈ আহিছিলগৈ, এতিয়াও অনা নাই।

তিনিও বহি অলপ অলপ মদ আৰু কণী আৰু ফুলকবি ভজা খাইছিল, আৰু আলোচনা কৰিছিল। ছমীৰে আগৰেপৰা কথা কম কয়, সি অৱশ্যে বিষয়টো ভালকৈ চিন্তা কৰি চাইছিল। আৰু অসম্মতি একোতে জনোৱা নাছিল।

যেতিয়া সিহঁতৰ আলোচনা সেই দিনাৰ কাৰণে শেষ হয়, তেতিয়া সিহঁতক বেছ নিচাই ধৰিছিল, আৰু তেতিয়া ৰাতিও এঘাৰ বাজি গৈছিল।

বৰুৱা বিদায় লৈ যোৱাৰ পিছত ছমীৰে নিজৰ ঘৰৰ ফালে নোপোনাই, মায়াৰ ঘৰৰ ফালে খোজ লৈছিল। তেতিয়া আলিবাটত মানুহ প্ৰায় নায়েই। বিশেষ একো নভবাকৈ সি আগবাঢ়িছিল।

কিছু দূৰ যোৱাৰ পিছত মূৰ তুলি চাই সি দেখিলে—সিফালৰপৰা কোনোবা দুটা আহিছে। সি কৌতূহল অনুভৱ কৰাৰ প্ৰয়োজন বোধ নকৰিলে। মানুহ দুজন আহি ছমীৰৰ সন্মুখ পালেহি।

"ছমীৰ নেকি ?" মাইকী মানুহৰ মাত। ছমীৰে মূৰ তুলি চালে—চেনেহী। লগৰ মানুহজনক সি চিনিব নোৱাৰিলে।

"আ—আপুনি ?" অলপ থতমত খাই ছমীৰে ক'লে।

"বাতি দেখোন বহুত হ'ল, ঘৰলৈ নোযোৱা জানো ? এইফালেনো ক'লৈ যোৱা ?" চেনেহীয়ে সুধিলে।

মনৰ নিচা থকা সত্ত্বেও সি সহজভাৱেই ক'লে, "ঘৰলৈ—ঘৰলৈকে যাব লাগে। এইপিনে অলপ কাম আছে। আপুনি ক'লৈ গৈছিল ?"

"এটা ডেলিভাৰী কে'চ আছিল—অ' এখেতক চিনি নোপোৱা নহয়, এখেত ডাক্তৰ মহচিন। প্ৰাইভেট প্ৰেক্‌টিছ কৰে।"

চেনেহীৰ লগৰ মানুহজন এজন ডাক্তৰ বুলি জানি তাৰ অলপ সংকোচ লাগিল। বিশেষকৈ তাৰ মুখত এতিয়াও মদৰ গোন্ধ আছিল—প্ৰথম চিনাকিতে ডাক্তৰে তাৰ সম্পৰ্কে এটা বেয়া ধাৰণা কৰি ল'ব।

ছমীৰে কপাললৈ সোঁহাতখন তুলি ডাক্তৰক চালাম কৰিলে—'আদাব—'

ডাক্তৰেও হাতখন কপাললৈ তুলিলে, কিন্তু মুখেৰে একো নক'লে।

চেনেহীয়ে ক'লে, "বৰ জৰুৰী কাম নাই যদি ঘৰলৈকে যাওঁ আহা। তুমি মোৰ লগত আহিলে, ডাক্তৰক মই ঘৰত থৈ যাব পাৰিম। বাটতে তেখেতৰ ঘৰ—"

ছমীৰে অলপ ইতস্ততঃ কৰিলে। তাৰ পিছত চেনেহীৰ মুখলৈ চাই ক'লে, "ব'লক তেন্তে—"

"তোমাৰ কোনো অসুবিধা নহয়তো ?"

ছমীৰে একো নামাতিলে, কিন্তু ঘূৰি অহা বাটেৰেই আকৌ যাবলৈ আৰম্ভ কৰিলে।

অলপ দূৰ অহাৰ পিছত ডাক্তৰে ক'লে, "আপুনি আগেয়ে ইয়াত নাছিল বোধকৰোঁ। আগেয়ে মই দেখা নাই—"

ছমীৰে উত্তৰ দিবলৈ নোপাওঁতেই চেনেহীয়ে ক'লে, "ছমীৰ ল'ৰা মানুহ, 'তুমি' বুলি মাতিলেও বেয়া নাপায়—নহয় নে ছমীৰ—?"

"হয়—" সৰুকৈ ছমীৰে ক'লে।

ইয়াৰ পিছত চেনেহীয়েই ছমীৰৰ বিষয়ে দুটামান কথা ডাক্তৰক বুজাই ক'লে।

ডাক্তৰ আৰু ছমীৰ দুয়ো একো নোকোৱাকৈ শুনি গ'ল।

নিজৰ ঘৰৰ পদুলি-মূৰ পাই ডাক্তৰ ৰ'ল আৰু ছমীৰৰ ফালে চাই ক'লে, "ঘৰত সকলো শুলে, এতিয়া আৰু নালাগে সোমাব। অন্য সময়ত আহিবা দেই—কেতিয়াবা।"

"ভাল, আহিম—" ছমীৰে কোনোমতে ক'লে।

"এবেঁই তেনে তোমাক ঘৰত থৈ যাবগৈ ?" কৈ ডাক্তৰ নিজৰ পদুলিয়েদি সোমাই গ'ল।

চেনেহী'ত আগবাঢ়িল।

"এইফালে ক'লৈ যাবলৈ গৈছিলা ?" চেনেহীয়ে সুধিলে।

প্ৰশ্নটোত ছমীৰ সামান্য বিব্ৰত হ'ল, তাৰ পিছত ক'লে, "সেইফালে অলপ কাম আছিল।"

"বৰ জৰুৰী কাম নহয়তো ? মই আকৌ গধূলিয়েই গ'লো। বৰ বেয়া কেঁচ আছিল, ডাক্তৰে নিজে নোৱাৰি মোক মতাই পঠালে।"

কি কেঁচ, কাৰ ঘৰত আছিল—সুধিবৰ মন যোৱা সত্ত্বেও ছমীৰে নুসুধিলে। অলপ পৰ মনে মনে যোৱাৰ পিছত সি ক'লে, "আপুনি, কেতিয়াবা এনেকৈ ৰাতি ক'ৰবালৈ যাব লগা হ'লে, জীনিয়া অকলেই থাকিব পাৰে নে ?"

"পাৰে। নগা ল'ৰাটো আছে নহয়।"

"আপোনালোকৰ ঘৰত মতা মানুহ নায়েই তেনেহ'লে ?"

তাৰ প্ৰশ্নটো হয়তো অলপ অপ্ৰত্যাশিত আছিল। অলপ পৰ মনে মনে থকাৰ পিছত চেনেহীয়ে ক'লে, "এৰা নায়েই—"

"জীনিয়াৰ দেউতাক ক'ত থাকে ?"

সোধাৰ পিছতে ছমীৰে অনুভৱ কৰিলে যে এইটো তেনেই অবাঞ্ছনীয় প্ৰশ্ন। জীনিয়া চেনেহীৰ জীয়েক—ঘৰত মতা মানুহ নাই, তাৰ মানে জানিয়াৰ দেউতাক নায়েই কিজানি।

ছমীৰৰ প্ৰশ্নটোৰ উত্তৰ নিদি চেনেহীয়ে কলে, "ঘৰেই পালোঁহি। অকণমান বহি নোযোৱা জানো ?"

বাটৰ কাষলৈ চকু দি ছমীৰে দেখিলে—সিহঁত আহি তেতিয়া চেনেহীহঁতৰ পদুলি-মুৰ পাইছেহি।

"ৰাতি বহুত হোৱা নাই জানো ?" এনেয়ে ছমীৰে সুধিলে আৰু বিশেষ আপত্তি নকৰি চেনেহীৰ পিছে পিছে সোমাই গ'ল।

"জীনা—অ' জীনা—"

কিন্তু কাৰো মাত নাই। চৌদিশ তেতিয়া নীৰৱ হৈ গৈছে। ঘৰৰ ভিতৰত এটা কমাই থোৱা লণ্ঠন জ্বলি আছে। দুৱাৰ বন্ধ।

"তুমি অকণমান ৰোৱা, মই পিছফালে গৈ ভিতৰৰপৰা দুৱাৰখন মেলি দিওঁগৈ।"

কৈ চেনেহী পিছফালে গ'ল, আৰু ভিতৰেদি আহি দুৱাৰখন মেলি দিলেহি।

ছমীৰ চকীখনতে বহিল। চেনেহীয়ে আৰু এটা লণ্ঠন জ্বলালে, আৰু ভিতৰলৈ গ'ল।

হয়তো সিহঁতৰ মাত শুনি জীনিয়াই সাৰ পালে। তাই চকু মোহাৰি মোহাৰি আগফাললৈ ওলাই আহিল আৰু এনেই অনিৰ্দিষ্টভাৱে ক'লে, 'মা, আহিলি নেকি ?"

ছমীৰে জীনিয়ালৈ চালে। জীনিয়াই এটা অলপ চুটি, পাতল ছেমিজ পিন্ধি আছে। তাইৰ গাত অন্য চোলা-কাপোৰ আৰু নাই। তাইৰ কোমল, পুৰঠ বাহু দুটা ওলাই আছে। আৰু 'ল' নেক'ৰ ছেমিজটোৰ মাজেদি বুকুখনৰ ভালেমানখিনিলৈকে ওলাই আছে।

তাই চকুৰপৰা হাত গুচাই আগতে ছমীৰক দেখি অলপ অপ্ৰস্তুত হৈ পৰিল। কিন্তু পিছ মুহূৰ্ত্তত নিজক আয়ত্তলৈ আনি ওঁঠত এটা অস্পষ্ট হাঁহি বিৰিঙাই তাই ক'লে, "অ' আপুনি ! মই বোলো মাহে আহিছে।"

"মাৰাও আহিছে—ভিতৰলৈ গৈছে—" ছমীৰে ক'লে।

মাতত অভিযোগ সানি জীনিয়াই ক'লে, "মাজনী সদায় সদায় ৰাতি এনেকৈ ওলাই যায়। অকলে মোৰ টোপনিয়েই নাহে। আপোনালোক কেতিয়া আহিল ?"

এনেতে চেনেহী ভিতৰপৰা আহিল।

নিজৰ অজ্ঞাতেই ছমীৰে জীনিয়াৰ গাৰ ফালে অতপৰে চাই আছিল। সি চকু আঁতৰাই আনিলে।

শান্তভাৱে চেনেহীয়ে ক'লে, "তই সাৰ পালি হ'বলা ? বাটতে এওঁক পাই এওঁৰ লগতে আহিলোঁ। মই ভাত বাঢ়োঁগৈ দেই। এমুঠি ইয়াতে খাই যোৱা। নহ'লে এতিয়া আৰু ক'ত খাবাগৈ—"

ছমীৰে অলপ কেৰেঘেঁহাৰ খোজা যেন দেখি, তাৰ অলপ ওচৰলৈ আহি জীনিয়াই ক'লে, "আমি হ'লে দুখীয়া মানুহ।" তাৰ পিছত প্ৰায় লগে লগেই ক'লে, "ওঁহু, আপোনাৰ মুখত কিবা গোন্ধাইছে। ৰ'ব, মই পানী আনি দিওঁ, মুখখন ধুই পেলাওক।"

জীনিয়াৰ কথাত ছমীৰে যেন অলপ লাজ পালে। কিন্তু নিজৰ দুৰ্ব্বলতা প্ৰকাশ নকৰি সি ক'লে, "ভাত মই ঘৰতে খামগৈ। মই উঠোঁ আৰু—"

চেনেহীয়ে ক'লে, "তাইৰ কথাত নধৰিবা। কি ক'ব লাগে, কি ক'ব নালাগে তাই একো নাজানে—"

চেনেহীৰ ফালে চাই জীনিয়াই ক'লে, "মইনো কি বেয়া কথা ক'লোঁ মা ? তয়ে চাহিচোন বাৰু, কিবা এটা স্পিৰিত স্পিৰিত গোন্ধোৱা নাই নে ?"

"বাৰু গোন্ধক যা, মামাৰক মুখ-হাত ধুবলৈ পানী দেহি—"

"আপুনি তেন্তে মামা ?" হঠাৎ যেন জীনিয়া প্ৰফুল্ল হৈ উঠিল।

তাই ছমীৰক পানী আৰু গামোচা আনি দিলেহি।

এইবাৰ ছমীৰে মন কৰিলে যে দেখাত জীনিয়াজনী এজনী সৰু ছোৱালী। তাই যুৱতী হৈছে যদিও তাইৰ কৈশোৰৰ চপলতা অকণো যোৱা নাই। শুদা ছেমিজটোৰে তাৰ আগত থাকি, তাই বিশেষ কোনো অসুবিধা বা অস্বস্তি বোধ কৰা নাই যেন লাগিল ছমীৰৰ।

চেনেহীয়ে ক'লে, "ভাত-তৰকাৰি অলপ গৰম হ'বলৈ দিছোঁ। অকণমান বহিব লাগিব দেই। ভিতৰলৈকে আহা।"

হাত-মুখ ধুই গামোচাৰে মুখ মচি মচি ছমীৰ ভিতৰলৈ গ'ল। এইবাৰ সহজভাৱে বহি লৈ সি নিঃসংকোচে ক'লে, "মোৰ কাৰণে মিছাতে ভাতৰ দিহা কৰিছে বাইটি—"

তাৰ মুখত 'বাইটি' শব্দটো শুনি চেনেহীয়ে ঘূৰি চালে। চেনেহীৰ ধুনীয়া মুখখন ৰঙা হৈ উঠিল। যেন তেওঁৰ এটা ডাঙৰ জয় হ'ল।

পিছ-মুহূৰ্ত্ততে শান্ত হৈ তেওঁ ক'লে, 'বাইটি যদি বুলিলিয়েই, মোক আৰু আপুনি-চাপুনি নুবুলিবি বোপাই।"

চেনেহীৰ কথাষাৰত যেন বহুত অনাস্বাদিত গভীৰ মৰম সোমাই আছিল। এটা আনন্দত তাৰ মনটো ভৰি উঠিল। সি চেনেহীৰ ফালে চাব নোৱাৰিলে।

জীনিয়াই কিন্তু অভিযোগ কৰি উঠিল, "মাই আৰু যাকে-তাকে তই বুলিহে ভাল পায়। মামাই তেনেহ'লে মোক তই বুলিব, নহয় নে মা—"

"জানো তোক কি বোলে। এৰা, মই এই আপুনি-চাপুনিবোৰ ভাল নাপাওঁ।"

ভাত বৰ তৃপ্তিৰে খালে ছমীৰে। অলপমান মাছৰ তৰকাৰি, অমৰাৰ আচাৰ,

আলুৰ সনা, আৰু বুট-দাইল। কিন্তু খাই বৰ তৃপ্তি পালে ছমীৰে। বহুত দিন সি এনেকৈ খোৱা নাই। সি পেট ভৰাই খালে।

সি উঠিব খোজা দেখি জীনিয়াই চিঞৰি উঠিল, “অ’ মা, মামাই দেখোন নাখালেই। সিমানখিনি দেখোন ময়ে খাব পাৰোঁ।”

“খালোঁ নহয় জীনিয়া, আৰু কিমান খাম?”

“মতা মানুহে সিমানহে খায় নেকি? খাই ভাল পোৱা নাই, নহয়? এৰা, আমি দুখীয়া মানুহ।”

“আৰু খালে মই উঠিবই নোৱাৰিম। ইয়াতে থাকিব লাগিব—” হাঁহি ছমীৰে ক’লে। আৰু বহাৰপৰা উঠিল।

“থাকিব লাগিলে থাকিব। মায়ে-ময়ে এখন বিচনাত শুম, আপুনি মোৰ বিচনাত শুই থাকিব—নহয় নে মা—”

চেনেহীয়ে তামোলৰ বটাটো আগবঢ়াই দিলে, একো নামাতিলে।

তামোল এখন মুখত ভৰাই ছমীৰে ক’লে, “মই থাকিলোহেঁতেন—জানিছা বাইটি, পিছে জীনিয়াই মোক আপুনি বুলিছে। মই নাথাকোঁ।” -

জীনিয়াই চকু ঘোপাকৈ তালৈ চাই ক’লে, “এবাৰ যেনিবা ভুল হৈ গ’ল, ঘোৱা—তাতেই বেয়া পাই গ’লা একেবাৰে। আমি দুখীয়া মানুহ, আমাৰ ঘৰত কি থাকিবা?”

অলপ পৰৰ কাৰণে তিনিও নীৰৱ হ’ল। তাৰ পিছত শান্তভাৱে চেনেহীয়ে ক’লে, “আমাৰ ঘৰত মতা মানুহ নাই। আমি দুজনীয়েই, আৰু কোনো নাই। সেইবোৰ বহুত কথা। কেতিয়াবা তোক ক’ম বাৰু! এতিয়া ৰাতি বহুত হ’ল, যাগৈ যা। আজি বিকালে যাবলৈ গৈছিলি, সেইফালে বৰকৈ নাযাবি। সেইবোৰ বৰ ভাল ঠাই নহয়।”

ছমীৰে নীৰৱে চেনেহীৰ কথাখিনি শুনি থাকিল। তাৰ পিছত একো নামাতি বহাৰপৰা উঠিল।

লেমটোৰে পদুলি-মুখলৈকে আগবঢ়াই দি বিদায় দিবৰ সময়ত চেনেহীয়ে সৰুকৈ ক’লে, “দিনত নাহিবি, আহিলে কেতিয়াবা ৰাতিয়ে আহিবি। আমাৰ মানুহবোৰ বৰ ভাল নহয়।”

“এতিয়া যাওঁ বাৰু” বুলি ছমীৰ আলিবাটত উঠিল। তেতিয়া বহুত ৰাতি।

॥ ছয়ত্ৰিশ ॥

এটা কথা ছমীৰে বুজিব নোৱাৰিছিল: ক’তো, কাৰো লগত সি প্ৰাণ-মন ঢালি মিলি পৰিব নোৱাৰে কিয়?

এইখন নতুন চহৰ, বেলেগ চহৰ। ইয়াত তাক যি চিনি পায়, সি তাক ছমীৰ ঠিকাদাৰ বুলিয়েই জানে। এটা ২২।২৩ বছৰীয়া স্বাস্থ্যৱান ডেকা, মুখত ঠিকাদাৰি কৰি বহুত ধন ঘটি আনিছে, আৰু ইয়াত ডেকা দেহ-মনে বিচৰা আনন্দ কিনা বাধাই

উপভোগ কৰিছে। ইয়াতকৈ বেছি তাৰ বিষয়ে কোনোৱে একো নাজানে। কাৰো জানিবৰ আৱশ্যকো নহয়। অথচ, এই মানুহবোৰৰ লগত যেতিয়া সি থাকে, তেতিয়া কি এটা সংকোচে যেন তাক ধৰি ৰাখে—চেষ্টা কৰিও সি নিজক বন্ধু-মহলত উন্মুক্ত কৰি দিব নোৱাৰে। মদ খালেও তাৰ মনৰ এই নামহীন সংকোচ সম্পূৰ্ণ নোহোৱা নহয়। অকলে কেতিয়াবা দুৱাৰ বন্ধ কৰি ঘৰৰ ভিতৰত সোমাই লৈ সি সৰহকৈয়ে মদ খায়। কিন্তু লগত কোনোবা থাকিলে সি সৰহ মদ নাখায়। কিবা এটা ভয়ত, সি যেন নিজৰ ভিতৰৰ কিবা এটা আনৰপৰা গোপন ৰাখিবৰ প্ৰয়াস কৰে। ই একপ্ৰকাৰ কম্‌প্লেক্স, কিন্তু ছমীৰৰ দুৰ্বোধ্য লাগে। তাৰ মনৰ ভিতৰৰ এই অন্তৰ্দ্বন্দ্ব সি বুজিবৰ চেষ্টা কৰিও বিফল হয়। টকাই মানুহক সাহস দিয়ে, যৌৱনে শক্তি দিয়ে, মদে উদ্দণ্ডতা দিয়ে, আৰু সচেতন নিঃসঙ্গতাই আত্মবিশ্বাস দিয়ে। কিন্তু হঠাৎ কেতিয়াবা ছমীৰে উপলব্ধি কৰি উঠে যেন তাৰ এইবোৰ একো নাই। সি এটা অসহায়, নিৰাশ্ৰয়, আত্মপৰিচয়হীন আলহী। মনৰ ভিতৰত সি এটা মৰ্মন্তুদ আত্ম-গ্লানি অনুভৱ কৰে। আৰু এই আত্ম-গ্লানিৰপৰা ৰক্ষা পৰিবৰ কাৰণে সি উচ্ছৃংখল হৈ দিয়ে। সমগ্ৰ পৃথিৱীখনৰ লগত যুঁজ কৰাৰ প্ৰচণ্ড শক্তিমত্তা উপলব্ধি কৰিবৰ কাৰণে সি বহুত বেছি মদ খায়, আৰু মায়া নাইবা অন্য কোনো ছোৱালীৰ ওচৰত পৌৰুষৰ অপচয়ৰ কাৰণে বাহিৰ ওলায়। তেতিয়া তাৰ টকা-পইচা দুয়ো হাতে ছটিয়াই শেষ কৰি দিবৰ মন যায়।

ছমীৰৰ ঘৰটোৰপৰা অলপ আঁতৰতে, আলিৰ কাষতে আছে পুৰণি মচজিদটো, নামো 'পুৰণি মচজিদ'।

আশী-নব্বৈ বছৰৰ আগতে নগৰৰ এই অঞ্চলত থকা মুছলমান মানুহসকলে চান্দা-বৰঙণি তুলি মচজিদটো সজাইছিল, মানুহ তেতিয়া কম আছিল যদিও মচজিদটো তেওঁলোকে ডাঙৰকৈয়ে সজাইছিল—আগলৈ মানুহ বাঢ়িব—মচজিদ কিবা আৰু সদায় সজাই থাকিবা নে?

তেতিয়া বস্তু সস্তা আছিল, তথাপি চুণ-চুৰ্কীৰে সজাওঁতেও তেতিয়াৰ দিনতে মচজিদটোত বহুত টকা পৰিছিল। কোনোবা এজন মানুহে নিজে এহালিচা মাটি দান দিছিল—তাতে মচজিদটো সজা হৈছিল। তাৰ গাতে, অলপ নিলগতে কবৰস্থান-খন। মচজিদৰ কাষৰ কবৰবাণত অকণমান ঠাই পোৱাটো সৌভাগ্যৰ কথা। পুৱো-গধূলি মচজিদলৈ নামাজীসকল আহিব, তেওঁলোকৰ দোৱাত মোৰ্দাসকলে শান্তি পাব।

কবৰেৰে ঠাইডোখৰ প্ৰায় ভৰি গৈছে। সদায় মচজিদলৈ গৈ থকা মানুহবোৰ এদিন যাব নোৱাৰা হয়। বিচনাত পৰি পৰি মনৰ চকুৰে অন্য এখন দেশৰ স্বপ্ন দেখি দেখি এদিন শেষ নিশ্বাস এৰে। কন্দা-কটা হয়, আপোন পৰিয়ালৰ আৰ্তনাদত আকাশৰ বুকু দীৰ্ণ-বিদীৰ্ণ হয়। তাৰ পিছত শুধ বগা কাপোৰেৰে মেৰাই শবযাত্ৰী-দলে সেই প্ৰাণহীন নিশ্চল দেহাটো কান্ধত তুলি মচজিদৰ ওচৰলৈ লৈ আহে।

এজন নোহোৱা হৈ যায়।

সংসাৰ চলি থাকে।

কেঁচা মাটিৰ নতুন কবৰ লেউজীয়া বনে ঢাকি পেলায়।

দিনে অন্ততঃ দুবাৰ ছমীৰ এই মচজিদটোৰ আজানদিয়ে পাৰ হৈ যাবলগীয়া হয়।

মৰমতো সময়ত মচজিদত মানুহ নাথাকে। নামাজৰ সময়ত মানুহ গোট খায়, তাৰ পিছত হৰা-খৰি যায়। ৰাতি নোপুৱাওঁতেই ফজৰৰ নামাজৰ আজানৰ সুৰটো আহি তাৰ কাণত পৰেহি। কেতিয়াবা শুনি ছমীৰৰ ভাল লাগে, বৰ মধুৰ লাগে। কেতিয়াবা বৰ বিৰক্তি লাগে। এই মানুহবিলাকৰ জানো অন্য কাম আৰু একো নাই। পুহমহীয়া জাৰতো ৰাতি এডোখৰ থাকোঁতেই কেনেকৈ মচজিদলৈ আহে? মানুহবোৰ চব বলিয়া, কাণে-মূৰে কাপোৰ লৈ সি শুই থাকিবৰ চেষ্টা কৰে।

সৰুতে গাঁৱৰ মচজিদত সি কেতিয়াবা নামাজ পঢ়িবলৈ গৈছিল। কিয় গৈছিল— কাৰণ সি ক'ব নোৱাৰে। অন্য মানুহ, অন্য ল'ৰা-ছোৱালী যায়; সেইদেখি সিও গৈছিল।

আজি-কালি মচজিদলৈ ঘোৰাৰ, নামাজ পঢ়াৰ, অদৃশ্য এক আল্লাৰ ওচৰত আঁঠু লৈ প্ৰাৰ্থনা কৰাৰ কোনো অৰ্থ সি বিচাৰি নাপায়। এইদৰে পুৰা-গধুলি মচজিদলৈ আহি সময় নষ্ট কৰাৰপৰা কাৰ কি লাভ হৈছে, সি অকণো বুজিব নোৱাৰে।

কিন্তু কেতিয়াবা হঠাৎ সি নামাজৰ সময়তে মচজিদৰ আগেদি পাৰ হৈ যায়। দুই-এজন চিনাকি-অচিনাকি মানুহক লগ পাই যায়। বেগাই খোজ দি সি পাৰ হৈ যায়। কোনেও তাক একো নকয়, একো নোসোধে। তাৰ সংকোচ লাগে। মানুহবিলাকে মোক কিজানি বেয়া বুলি ভাবিছে! ভাবক।

মহচিন ডাক্তৰো সদায় নামাজ পঢ়িবলৈ মচজিদলৈ যায়—বগা কুৰ্তা, বগা পায়জামা আৰু বগা টুপী পিন্ধি। ডাক্তৰৰ ডাঢ়ি প্ৰায় সকলো পকি বগা হৈছে। মূৰৰ চুলিও পকা। তেওঁৰ মুখখন দেখিলে মানুহজন শান্ত প্ৰকৃতিৰ যেন লাগে। তেওঁৰ চকু দুটা বৰ সবল—সৰু ল'ৰাৰ নিচিনা।

কেতিয়াবা অপ্ৰত্যাশিতভাৱে ছমীৰ ডাক্তৰৰ মুখা-মুখি হৈ যায়। ছমীৰে নেদেখা যেন দেখুৱাই ফালৰি কাটিব খুজিলেও ডাক্তৰ আগবাঢ়ি আহি হাঁহি-মুখে মাত লগায়, "ছমীৰ নহয় নে? ক'ৰপৰা আহিলা? আমাৰ ঘৰলৈ অহাৰ কথা আছিল নহয়, সময়েই পোৱা নাই নেকি?"

ছমীৰ অপ্ৰস্তুত হৈ পৰে। ডাক্তৰ মানুহজনক দেখিলেই সি নিজৰ ভিতৰত কিবা এটা অকাৰণ দুৰ্বলতা অনুভৱ কৰে। এই মানুহজনে যেন জীৱনত কাহানিও ভুল কৰা নাই। জীৱনত যেন তেওঁ এটা বাটেদিয়েই চিৰদিন অহা-যোৱা কৰিছে— ঘৰৰপৰা মচজিদ আৰু মচজিদৰপৰা ঘৰলৈ।

হয়তো ডাক্তৰলৈ ছমীৰৰ কিবা এক ৰকমৰ ভয় লাগি যায়। কিন্তু ভয় লাগিবৰ কি কাৰণ আছে, সি ভাবি নাপায়।

নম্ৰভাৱে, কিন্তু খপ্‌জপাই ছমীৰে উত্তৰ দিয়ে, "হয়, সময়েই পোৱা নাই।"

"বাৰু, সময় পালে এদিন যাবা।"

কৈ ডাক্তৰ আগৰ দৰেই নিৰ্বিকাৰভাৱে গুচি যায়। ছমীৰেও খোজ লয়।

'ডাক্তৰৰ ঘৰলৈ মই কেতিয়াও নাযাওঁ, গ'লেই মোক মচজিদলৈ যাবলৈ কথা ল'ব—' এনেয়ে সি ভাবে। কথাবোৰ ভাবি ভাবি অকাৰণতে তাৰ কাৰোবাৰ ওপৰত খং উঠি যায়। মই কাৰো একো নহওঁ, মোৰো কোনো একো নহয়, তথাপি ইয়াৰ মানুহবোৰে মোৰ কথা ভাবে কিয়? মোৰ খবৰ-বাতৰি লয় কিয়? সিহঁতে

কিয়জানি মোক মৰম কৰিবলৈকো বিচাৰে। সিহঁতে মোক কিয় মৰম কৰিব? মইতো কাৰো মৰম নিবিচাৰোঁ। কিন্তু সিহঁতে যেতিয়া বুজি পাব—ছমীৰ কোন, ছমীৰ কি—তেতিয়াও জানো সিহঁতে মোক মৰম কৰিবলৈ বিচাৰিব? সিহঁতে মোক ঘিণ কৰিব. সিহঁতে মোৰ লগত বহা-উঠা নকৰিব, সিহঁতে মোৰ নাম শুনিলেও ঘৃণাত শিয়ৰি উঠিব। এইবোৰ মানুহৰ মৰমৰ মাজলৈ সোমাই গৈ কি লাভ? পৃথিৱীত মোৰ কোনো নাই, মই অকলশৰীয়া, কোনোৱে মোক মৰম কৰিব নালাগে। মই কাৰো মৰম নিবিচাৰোঁ।

কিন্তু নতুনকৈ চিনাকি হোৱা চেনেহী বাইটিয়ে ছমীৰৰ সংকল্পত অলপ খেলি-মেলি লগাই দিয়ে। মানুহজনীৰ ওচৰ পালে, তেওঁৰ কাষত ৰহি থাকিবৰ মন যায়। তেওঁৰ মৰম পাবৰ মন যায়। তেওঁৰ মৰমক প্ৰত্যাখ্যান কৰিবৰ কোনো উপায় নাই বুলি তাৰ ধাৰণা হয়।

কিন্তু তেওঁৰ ওচৰৰপৰা গুচি অহাৰ পিছত, নিজৰ দুৰ্বলতাৰ কাৰণে ছমীৰৰ নিজৰ ওপৰতে খং উঠে। মই কাৰো মৰম নিবিচাৰোঁ, কাৰো মৰম নিবিচাৰোঁ—সি প্ৰায় চিঞৰিয়ে নিজকে কয়।

আৰু এই জীনিয়াজনী! তাই কিন্তু কাৰো লগত নিমিলে। তাই এজনী বেলেগ ছোৱালী। সংকোচ নাই, ভয় নাই, আপোন-পৰ নাই, চিনাকি-অচিনাকি নাই। ইমান খোলা আৰু মৰম লগা ছোৱালীজনী—তাই পাভৰ নিচিনাও নহয়, মায়াৰ নিচিনাও নহয়। এজনী সৰু ছোৱালী এনেকুৱা হ'ব পাৰে বুলি ছমীৰে কাহানিও ভবা নাছিল। ছোৱালীজনীলৈ মৰম নালাগি নোৱাৰি।

ছমীৰে মনে মনে ঠিক কৰিছিল যে কাৰো ঘৰলৈ নোযোৱাটোৱেই, কাৰো লগত ঘনিষ্ঠতা গঢ়ি নোতোলাটোৱেই তাৰ কাৰণে উচিত হ'ব। ঘনিষ্ঠতা, আত্মীয়তা—এইবোৰৰ শেষ পৰিণাম তাৰ কাৰণেই ক্ষতিকৰ হ'ব। অন্যৰ কাৰণে একো নহয়।

আৰু তাৰ ক্ষতিত অন্য কাৰো কোনো ক্ষতি নহয়।

ছমীৰৰ মাজে মাজে মন যায় যেন বহুত মানুহ গোটাই লৈ সি চিঞৰি চিঞৰি কৈ দিব—'তোমালোকে কাণ দি শুনা—এই ছমীৰ এটা বেয়া মানুহ, তাৰ পিতৃ-পৰিচয় নাই। সি এটা জাৰজ—এটা জাৰজ—জাৰজ।'

কথাবোৰ ভাবি তাৰ খং উঠে। তাক মৰম কৰিব খোজা মানুহবোৰ, মচজিদটো, নগৰখন আৰু তাৰ নিজৰ ওপৰতে খং উঠি যায়। তাৰ নিজকে বৰ অসহায়, বৰ দুৰ্ভগীয়া যেন লাগে। কেতিয়াবা তাৰ চকুপানী ওলাই আহে।

॥ সাতত্ৰিশ ॥

নিৰাবৰণ শীল আৰু জয়নাথ বৰুৱা হতভম্ব হৈ গ'ল। সিহঁতৰ সমগ্ৰ পৰিকল্পনাটো এনেদৰে নিৰৰ্থক হৈ যাব বুলি সিহঁতে ভবাই নাছিল। অৱশ্যে সিহঁতে লিমিটেড কোম্পানী খোলা সম্পৰ্কে এক বিশেষ ধৰণে চিন্তা কৰিছিল। সিহঁতৰ নিজৰ নিজৰ কাৰ কিমান টকা আছিল, সেই সম্পৰ্কে ইজনে সিজনৰপৰা

কথাটো গোপন ৰাখিছিল। প্ৰকৃততে সিহঁতৰ হাতত টকা আছিল নিচেই কম। তাৰে প্ৰাইভেট লিমিটেড কোম্পানী খোলা যাব পাৰে, কিন্তু ডাঙৰ ঠিকা বা কাৰবাৰ কৰা নাযায়। সিহঁতে ভাবিছিল যে ছমীৰৰ লগ লৈ, প্ৰধানতঃ তাৰ টকাকে ইহাত-সিহাত কৰি সিহঁতে ব্যৱসায় কৰিব। অৱশ্যে ছমীৰক ঠগিবৰ চিন্তা সিহঁতে কৰা নাছিল। কিন্তু ছমীৰক হাতত ৰাখি ব্যৱসায় কৰি নিজৰ অৱস্থা উন্নত কৰাৰ কথা চিন্তা কৰিছিল। নিবাৰণ আৰু জয়নাথেই সকলো কৰিব, ছমীৰে বিশেষ একো কৰিব নালাগে, মাত্ৰ মাজে মাজে কাম-কাজ চুপাৰভাইজ কৰিব, আৰু মাজে মাজে হিচাপ-পত্ৰৰ ওপৰত অলপ চকু ফুৰাব। আনকি—ছমীৰে যদি 'শেয়াৰ' সৰহকৈ লয়, লাভো সেই অনুসৰিয়েই পাব।

ছমীৰ মান্তি হৈছিল। এনে এটা কথাকে ছমীৰেও চিন্তা কৰি আছিল। টকা খটাই, বৰ বেছি হুৰ-মুৰ নকৰি নিৰালমে খাই-বৈ থাকিব পাৰিলেই তাৰ যথেষ্ট। এটা মানুহৰ কাৰণে বৰ বেছি হাবাথুৰি খাবৰ দৰকাৰ নাই।

সেই কাৰণে নিবাৰণ শীল আৰু জয়নাথ বৰুৱাৰ লগত লগ লাগি এটা প্ৰাইভেট লিমিটেড কোম্পানী খোলাত সি সানন্দে সন্মতি দিছিল। কিন্তু যেতিয়া জয়নাথ বৰুৱাই দলিলখন প্ৰস্তুত কৰিবৰ কাৰণে উকীল বন্দবস্ত কৰি আহি ছমীৰৰপৰা তাৰ বিষয়ে কেইটামান কথা জানিবলৈ বিচাৰিলে, ছমীৰ প্ৰথমে তভক খাই ৰ'ল, তাৰ পিছত হঠাৎ হাত-মূৰ জোকাৰি চিঞৰি উঠিল, "মই নোৱাৰিম, মই নোৱাৰিম।"

জয়নাথ বৰুৱা হতভম্ব হৈ গ'ল। ছমীৰৰ মুখলৈ চাই তেওঁ সুধিলে, "কি নোৱাৰিবা ?"

উত্তেজিত মাতেৰে ছমীৰে কলে, "কোম্পানী কৰে, কি কৰে আপোনালোকে কৰি থাককগৈ। মোক নালাগে—মই নোৱাৰিম।"

"কিন্তু নোৱাৰিবৰ কি আছে ? তুমিতো একো কৰিব নালাগে, আমিয়ে সকলো কৰিম। মাত্ৰ এই ফৰ্মখন পূৰাই দিব লাগে—তোমাৰ নাম, দেউতাৰাৰ নাম, জন্ম ঠাই—"

অসহ্য যন্ত্ৰণাত চিৎকাৰ কৰাৰ দৰে ছমীৰে আৰু তীব্ৰভাৱে চিঞৰি উঠিল, "আপুনি যাওক বৰুৱা। লাগে যদি মোৰপৰা টকা লৈ যাওক। কিন্তু সেইবোৰ ফৰ্ম-চৰ্ম মোৰ ওচৰলৈ নানিব। ফৰ্ম মোক নালাগে, কোম্পানী মোক নালাগে।"

"কিন্তু ফৰ্মখন পূৰাই দিয়াত কি আপত্তিৰ কাৰণ আছে ? যুটীয়া কাৰবাৰ, এইবোৰ দলিল-পত্ৰ থাকিলে কাৰো হানি-বিঘিনিৰ ভয় নাথাকে। কাৰবাৰৰ কাৰণে—"

কিন্তু জয়নাথ বৰুৱাই কথা শেষ কৰিবলৈ নাপালে, দলিলৰ ড্ৰাফট্‌খন তেওঁৰ হাতৰপৰা আঁজোৰ মাৰি টানি লৈ ছমীৰে ছিৰাছিৰকৈ ফালি পেলালে।

কাণ্ড-কাৰখানা দেখি জয়নাথ প্ৰথমে বিস্মিত হ'ল, তাৰ পিছত তেওঁৰ ভীষণ খং উঠি গ'ল।

তেওঁ প্ৰায় চিঞৰিয়ে ক'লে, "মদ আৰু মাইকীৰ কাৰণেই সকলো উৰুৱাই দিয় বুলি ঠিক কৰি থৈছিলাই যদি আমাক মিছাতে এইবোৰ কথা কৈছিলা কিয় ? যাবৃ থাকক, তোমাৰ টকা নহ'লেও আমি কোম্পানী খুলিব পাৰিম, আমাৰ কাৰবাৰ পৰি

নাথাকে। কিন্তু মায়া আৰু মনে তোমাক দেউতাীয়া কৰিব, চাই থাকিবা—" কৈ জয়নাথ গোঁ গোঁৱাই ওলাই গ'ল। ছমীৰে একো নক'লে, একো ক'ব নোৱাৰিলে।

জয়নাথ বৰুৱা যোৱাৰ পিছত ছমীৰে বহুত পৰ কোঠাটোৰ ভিতৰতে ঘূৰি ঘূৰি বুজিবৰ চেষ্টা কৰিলে—কিহৰ কাৰণে তাৰ ইমান খং উঠি গ'ল? এখন ফৰ্ম পূৰা কৰি দিব লাগে—দুটামান মানুহৰ নাম দিব লাগে, দুখনমান ঠাইৰ নাম দিব লাগে, ইয়াত খং উঠিবলগীয়া কি আছিল?

কিন্তু খং নুঠিব কিয়? মই ছমীৰ—মই এটা মানুহ। নিজে আৰ্জোঁ, খাওঁ, খাওঁ। মই সম্পূৰ্ণ এটা মানুহ। কিন্তু এই পৃথিৱীখনে তাতে সন্তুষ্ট নহৈ অন্যৰ নাম জানিবলৈ বিচাৰে কেলেই? পিতাৰ নাম নহ'লে, পৃথিৱীৰ মানুহবোৰৰ নাম অসম্পূৰ্ণ থাকি যায় নেকি? পিতাক নহ'লে মানুহ জীয়াই থাকিবই নোৱাৰে নেকি? মই একো নহয়, মোৰ কিবা হোৱাটো পিতা নামৰ এটা মানুহৰ পৰিচয়েৰে সাৰ্থক কৰি তুলিব লাগিব?

বহুত পৰ চিন্তা কৰিও সি এই কথাবোৰৰ কোনো যুক্তি, কোনো যথাৰ্থতা বিচাৰি নাপালে।

জয়নাথ বৰুৱাই তাক বহুত কিবা-কিবি কথা শুনাই গ'ল—কিবা মদ আৰু মাইকীৰ কথা। মোক কথা শুনাবৰ তাৰ কি অধিকাৰ আছে? মই অৰ্জ্জো টকা—মই মদতে উৰুৱাওঁ বা মাইকীতে উৰুৱাওঁ, তাত অন্যৰ কি?

কিন্তু কথাবোৰ ভাবি ভাবি লাহে লাহে তাৰ মনটো গধুৰ আৰু বিষণ্ন হৈ আহিল। এই জগতত মোৰ কোনো পৰিচয় নাই। মই জাৰজ। মোৰ পিতা নাই, মোৰ পিতৃ-পৰিচয় নাই। মোৰ কোনো সামাজিক মৰ্য্যাদা থাকিব নোৱাৰে।

অকলশৰীয়া ঘৰটোৰ ভিতৰত তাৰ বৰ অকলশৰীয়া লাগিল। এবাৰ মই বৌটিৰ ওচৰলৈ যাম আৰু বৌটিক সুধিম—মোৰ কোনো পিতা নাছিল নেকি? আছিল যদি মোৰ বাবা কোন! তেওঁৰ নাম কি? তেওঁ ক'ত থাকে? তেওঁ মোৰ পিতা বুলি পৰিচয় নিদিব কিয়? মোৰ বাবাৰ নাম গোপন ৰাখি, অজ্ঞাত ৰাখি বৌটিৰ কি স্বাৰ্থ পূৰণ হৈছে?

বৌটিয়ে ক'ব লাগিব, ক'বই লাগিব!

ছমীৰে দেখিলে—এখন মটৰ আহি তাৰ ঘৰৰ আগত ৰৈছে আৰু তাৰপৰা কেইজনীমান মানুহ নামি তাৰ ঘৰলৈকে আহিছে। মূৰ তুলি চাই ছমীৰে দেখিলে—তাৰ মাজত চেনেহী বাইটিও আছে।

এনেকৈ তাৰ ঘৰলৈ কোনো মাইকী মানুহ কোনো দিন অহা নাই। আজিনো এওঁলোক কিয় আহিছে? সি নিজকে ততাতৈয়াকৈ তেওঁলোকৰ আগত দেখা দিবৰ কাৰণে প্ৰস্তুত কৰিলে, আৰু দুৱাৰ-মুখলৈ ওলাই আহিল। অলপ আগৰ তাৰ মনৰ অৱস্থা যাতে ধৰা নপৰে, তাৰ কাৰণে সি সচেষ্ট হ'ল।

'অ' তুমি আছা? তোমাক ঘৰত লগ নাপাম বুলিহে ভাবিছিলোঁ—" চেনেহীয়ে ক'লে।

"আহক—আপোনালোক বহক।" মানুহকেইজনী ভিতৰ সোমাই বহিল।

চেনেহীয়ে আৰম্ভ কৰিলে, "এবেতসকল তোমাকেই লগ পাওঁ বুলি আহিছে।

এখেত মহিলা সমিতিৰ সহকাৰী সম্পাদিকা আৰু এখেত ইয়াৰ অনাথ আশ্ৰমৰ চুপাৰ্ইন্টেণ্ডেণ্ট।"

নম্ৰভাৱে ছমীৰে প্ৰণাম জনালে।

"আমি আপোনাকে লগ পাবলৈ আহিলোঁ। আমাৰ ইয়াত যে অনাথ আশ্ৰমখন আছে—আপুনি ক'ব পাৰে বোধকৰোঁ। তাত দিনে দিনে অনাথৰ সংখ্যা বাঢ়ি গৈছে। আগেয়ে ছিয়াশীটা ল'ৰা-ছোৱালী আছিল, এতিয়া এশ তেইশটা হ'ল। খৰচ বহুত বাঢ়িছে। চৰকাৰে অলপ টকা দিয়ে, বাকী বাইজৰ দান-বৰঙণিৰেই চলাব লাগে। সকলোবোৰ অনাথ ল'ৰা-ছোৱালী, মাক-বাপেক নাই, কোনো অভিভাৱকো নাই। আশ্ৰমেই পোহ-পাল দি সিহঁতক ডাঙৰ-দীঘল কৰাৰ দায়িত্ব লৈছে।"

চেনেহীয়ে ক'লে, "কিছুমান ঘাট-মাউৰা, পোহ-পাল দিবলৈ কেও-কিছু নাই। কিছুমানৰ মাক-বাপেকৰ কোনো সন্ধান নাই। কিছুমানৰ মাক আছে, বাপেক নাই। কিছুমান ভদ্ৰ ঘৰৰ ছোৱালীৰ বিয়া নহওঁতেই হোৱা ল'ৰা-ছোৱালী—তুমি এবাৰ চাবলৈ গ'লেহে বুজিবা।"

মহিলা সমিতিৰ সম্পাদিকাই বক্তৃতাৰ সামৰণি পেলোৱাৰ ধৰণে ক'লে, "আপুনি বুজিবই পাৰিছে—অনাথ আশ্ৰমৰ সৰহভাগ ল'ৰা-ছোৱালীয়েই জাৰজ সন্তান। আমাৰ সমাজত জাৰজ সন্তানৰ সমান দুৰ্ভগীয়া কোনো নাই।"

নিজৰ অজ্ঞাতসাৰেই ছমীৰে চেপা মাতেৰে কৈ উঠিল, "জাৰজ!"

চেনেহীয়ে ক'লে, "এৰা জাৰজ। পিছে জাৰজ হ'লেও জানো সিহঁত মানুহৰে সন্তান নহয়? কাপুৰুষ পিতৃ-মাতৃয়ে সিহঁতক পেলাই দিলেও আমিতো পেলাই দিব নোৱাৰোঁ। তোমাৰপৰা সিহঁতৰ কাৰণে কিছু দান বিচাৰি আহিছোঁ—দিয়া কি দিয়া। এশ তেইশটা ল'ৰা-ছোৱালী।"

আটাইকেইজনী মানুহে ছমীৰৰ মুখলৈ চালে। নিজেই নজনাকৈ ছমীৰৰ মুখৰ বৰণ সলনি হৈ গৈছিল। শেষৰ কথাখিনিয়ে তাৰ মুখখন শেঁতা কৰি তুলিলে। সি থৰ লাগি ৰৈ গ'ল। যেন পাঁচজনী মাইকী মানুহ ক'ৰবাৰপৰা আহি এই কথাবোৰ তাকে কৈছে।

তেনেতে আনজনী মানুহে ক'লে, "কথাবোৰ শুনি চাগৈ আপোনাৰ বেয়া লাগিছে। আমাৰো বেয়া লাগে। কিন্তু আপুনি-আমি এই অনাথবোৰৰ দুখ-বেদনা কেনেকৈ উপলব্ধি কৰিম। আমাৰ আই-বোপাই, ভাই-ককাই, আপোন পৰিয়াল আছে—সিহঁতৰ কোনো নাই। মাক নাই, বাপেক নাই, পৰিয়াল নাই, কোনো নাই। এতিয়া সমাজেই, আমিয়েই সিহঁতৰ সকলো হ'বলগীয়া হৈছে।"

আৰু বক্তৃতা শুনি থকাৰ ধৈৰ্য্য ছমীৰৰ নাছিল। সি বহাৰপৰা উঠিল আৰু চেনেহীৰ ফালে চাই সুধিলে, "মইনো কি কৰিব লাগে বাইটি।"

এটা সৰল হাঁহি মাৰি চেনেহীয়ে ক'লে, "কি কৰিব লাগে আৰু! দান দিয়া—তুমি কিন্তু অলপ সৰহকৈ দিব লাগিব।"

বাকী মানুহকেইজনীয়েও তাৰ মুখৰ ফালে চালে।

একো নামাতি ছমীৰ ভিতৰলৈ গ'ল আৰু বাকচ খুলি এশটকীয়া ন'ট দুখন আনি চেনেহীৰ হাতলৈ আগবঢ়াই দিলে। তাৰ হাতত দুখন শটকীয়া ন'ট দেখি

আটাইকেইজনী মানুহৰ চকু-মুখ উজ্জ্বল হৈ উঠিল। ইমানখিনি তেওঁলোকে আশা কৰা নাছিল।

অনাথ আশ্ৰমৰ চুপাৰিন্টেণ্ডেণ্টে এখন ৰচিদ লিখি দিলে। আৰু ক'লে, "আপোনাক আমি ধন্যবাদ দিবলৈ ভাষা বিচাৰি পোৱা নাই। আপোনাক আমাৰ আশ্ৰমৰ এজন পৃষ্ঠপোষক বুলিয়ে আমি ধৰিছোঁ। এদিন কিন্তু আপুনি আশ্ৰম চাবলৈ যাব লাগিব।"

ছমীৰে যেন সকলো কাম যন্ত্ৰবৎ কৰি গৈছিল। সি ক'লে, "ভাল বাৰু, যাম কেতিয়াবা।"

মানুহকেইজনী যাবলৈ উঠিলত ছমীৰৰ হঠাৎ মনত পৰিল যে সি তেওঁলোকক এটোপা চাহ বা এখন তামোল দিয়া উচিত আছিল। চেনেহীৰ ফালে চাই সি ক'লে, "এটোপা চাহ খাই যাওক—"

চেনেহীয়ে হাঁহি ক'লে, "নালাগে বোপাই। চাহ কেতিয়াবা অন্য এদিন আহি খাই যামহি। নহয় নে হে? আৰু চাহনো বনাব কোনে? ডাং-ঘৰলাৰ ঘৰ!"

বাকী মানুহকেইজনীয়ে মাৰ্জ্জিতভাৱে হাঁহিলে, ছমীৰে অলপ লাজ পালে। কোনোমতে সি ক'লে, "ৰান্ধনিটো আছে নহয়—"

চাহ নোখোৱাকৈয়ে মানুহকেইজনীয়ে বিদায় ল'লে। পদূলি-মুখৰপৰা অলপ ঘূৰি আহি চেনেহীয়ে তাক ক'লে, "জীনাই তোক মাতিছিল, পাৰিলে আজি এবাৰ যাবিচোন।"

"বাৰু—" সৰুকৈ ছমীৰে ক'লে।

মানুহকেইজনী যোৱাৰ পিছত কিন্তু ছমীৰৰ বৰ অস্থিৰ আৰু অধৈৰ্য্য লাগিল। পৃথিৱীখনত সিয়েই একমাত্ৰ পিতৃ-পৰিচয়হীন জাৰজ নহয়। জাৰজ সন্তানেৰে পৃথিৱী ভৰি আছে। সিহঁতক লৈ অনাথ আশ্ৰম গঢ়ি উঠিছে।

কিন্তু এই জাৰজবোৰৰ বাপেকবোৰ ক'লৈ গ'ল? ক'ত আছে? সমাজে সিহঁতক নিবিচাৰে কিয়? সিহঁতক ধৰি শাস্তি নিদিয়ে কিয়? জাৰজৰ পিতৃ বুলি সিহঁতক জগতৰ সন্মুখত ঘোষণা কৰি নিদিয়ে কিয়?

আকৌ ছমীৰৰ খং উঠি গ'ল। হাতৰ মুঠিত লৈ থকা ৰচিদডোখৰ সি মোহাৰি দলিয়াই পেলাই দিলে।

আগফালৰ দুৱাৰখন বন্ধ কৰি সি ভিতৰলৈ আহিল আৰু বিলাতী মদৰ বটল এটা আৰু চ'ডাৰ বটল দুটা আনি মেজৰ কাষত বহি ল'লে।

প্ৰাইভেট লিমিটেড কোম্পানী, অনাথ আশ্ৰম, ডাক্তৰ মহচিন, চেনেহী বাইটি, জীনিয়া—এইবোৰ কি? এইবোৰৰ লগত মোৰ সম্পৰ্ক কি? এইবোৰ মোক কেলেই? তহঁতক মোৰ টকা লাগে! লাগে নে, কিমান টকা লাগে লৈ যা! কিন্তু মোক নিবিচাৰিবি, মই ছমীৰ, মই জাৰজ! মই মানুহ নহয়, জাৰজ!

লাহে লাহে চ'ডাৰ লগত মদ মিলাই মিলাই ছমীৰে খাই যাব ধৰিলে। কেতিয়াবা মদ বহুত খালেও তাৰ অকণো নিচাই নধৰে। মাত্ৰ তাৰ গা-মূৰ গৰম উঠে—তাৰ খং উঠে, তাৰ বেজাৰ লাগে আৰু হতাশভাৱে সি বিচনাত শুই পৰে।

॥ আঠত্ৰিশ ॥

ছমীৰৰ মাজে মাজে ইচ্ছা হয় যে মায়াক তাৰ ঘৰলৈকে লৈ আহিব। তাইক সি টকা দিয়ে, তাৰ বিনিময়ত তাই তাক দেহাৰ কামনা উপশমৰ সম্ভাৰ দিয়ে। কিন্তু টকা লয় যদিও তাই সম্পূৰ্ণ তাৰ নহয়। হয়তো সি নথকা অৱস্থাত তাইৰ তালৈ অন্য কোনোবা পুৰুষ আহে। কিন্তু তাই তাক দৃঢ়ভাৱে সদায় কয় যে তাৰ বাহিৰে অন্য কোনো আলহীক তাই তাইৰ ঘৰত ঠাই নিদিয়ে।

ছমীৰে তাইক কেইবাদিনো কৈছে, 'অন্য কাৰোবাক যদি কেতিয়াবা তোৰ ঘৰত, তোৰ লগত দেখা পাওঁ, মই কিন্তু কাকো শুদাই নেৰোঁ। জান মাৰি দিম।"

এজনী ব্যৱসায়ী প্ৰেমিকাৰ সকলোখিনি মৌখিক আন্তৰিকতা দি তাই তাৰ ডিঙিত সাৰটি ধৰি কয়, "তুমি মোক বিশ্বাস নকৰা, নহয়? তুমি থাকোঁতে অন্যক মই কিয় আহিবলৈ দিম? তুমি যে কেতিয়াবা দুই-এটাক লগ পোৱা, সিহঁত এনেয়ে আহে। বহুত দিনৰপৰা চিনাকি মানুহ।"

"চিনাকি-অনচাকি মই নাজানো। তই মোৰ, মোৰ হৈ থাকিব লাগিব। বুজিছ।"

শান্ত ছোৱালীজনীৰ দৰে মায়াই কয়, "তোমাৰ হৈ নাথাকিনো মই অন্য কাৰ হ'ম? মোৰ ঘৰ নাই, বাৰী নাই, আপোন পৰিয়াল নাই। তোমাৰ নিচিনা এজন মানুহ পালে মইনো অন্যক কেলেই বিচাৰিম? তুমি হ'লে মোক এৰি যাব নোৱাৰিবা। বুজিছা?"

ছমীৰে তাইৰ কথালৈ কাণ নিদিয়ে। মায়াক তাৰ বেয়া নালাগে। তাই গাভৰু ছোৱালী। যুদ্ধৰ দিনৰ অৱস্থাই তাইক এইটো জীৱন দিলে। এবাৰ যি ছোৱালীয়ে এইটো পথত ভৰি দিয়ে, তাইৰ আৰু ঘূৰি যাবৰ পথ নাই। সেই পথেদিয়েই গৈ থকাৰ বাহিৰে আৰু গত্যন্তৰ নাই। সেই পথেই সিহঁতৰ জীৱনৰ পথ; সিহঁতৰ জীয়াই থকাৰ পথেই সিহঁতৰ মৃত্যুৰ পথ।

মায়াক বিষয়ে ছমীৰে কোনো দিন সোধা নাই—তাই কোন? তাইৰ কোন আছে? কিয়, কেনেকৈ তাই দেহোপজীৱিনীৰ ব্যৱসায় ল'লে, মায়ায়ো তাক কোনো দিন তাৰ ব্যক্তিগত জীৱনৰ বিষয়ে কোনো কথা সোধা নাই। তাই জানে—জীৱনৰ সহজ আনন্দৰ পথেদি খোজ দিবৰ সুযোগ যাৰ আছে, সি মায়াৰ নিচিনা ছোৱালীৰ ওচৰত কিনা আনন্দৰ সন্ধান কৰিবলৈ নাহে। ছমীৰৰ জীৱনৰ বাটতো ক'ৰবাত বাটকে'ৰা লাগিছে। টকা লৈ মানুহক মৰম বেচাই যাৰ ব্যৱসায়, সি ছমীৰৰ নিচিনা এটা ডেকাক আপোন কৰি লোৱাৰ কৌশলবোৰ প্ৰয়োগ নকৰাৰ কোনো অৰ্থ নাই।

"মায়া, মই তোৰ ইয়ালৈ পলাই পলাই আহিব লাগে। ব'ল তোক মোৰ ঘৰলৈকে লৈ যাওঁ।"

"বলিয়া হৈছা নেকি? এইখন চহৰত মোক সকলোৱে চিনি নাপালেও মোৰ নাম বহুত মানুহে জানে। তুমি থাকা ভদ্ৰলোকৰ সমাজত, তালৈ মই কেনেকৈ যাম?"

"কেলেই? কিয় যাব নোৱাৰ?"

মায়াই তাক কাৰণবোৰ বুজাই কয়। তাইৰ নিজৰ কাৰণে কোনো চিন্তা নাই। তাই সকলো ঠাইলৈকে যাব পাৰে। কিন্তু ছমীৰৰ ক্ষতি হ'ব, বদনাম হ'ব। আৰু ভদ্ৰলোক থকা পাৰালৈ তাই গ'লে, তাৰ ভদ্ৰলোক-ভদ্ৰমহিলাসকলেও গম পালে ছমীৰক ঘৃণা কৰিব।

ছমীৰে মায়াক একো নকয়। কিন্তু মনে মনে তাৰ খং উঠে : মই যিহকে নকৰোঁ অন্যৰ তাতে কি? মায়াৰো কোনো নাই, মোৰো কোনো নাই। আমি যেই নকৰোঁ, তাত অন্যৰ চকু দিয়াৰ কোনো দৰকাৰ নাই, কোনো অধিকাৰ নাই। মই মদ খাওঁ, মই মায়াৰ লগত থাকোঁ. মই মাতলামি কৰোঁ, পাগলামি কৰোঁ. অন্যে তাত মাতিবলৈ একো নাই। মোৰ জীৱনটো মোৰ, অন্য কাৰো নহয়।

"মায়া—"

"কি?"

"তই তেনেহ'লে নাযাৱ?"

"ওহোঁ—"

"তেনেহ'লেময়ো ইয়ালৈ আহি থাকিব নোৱাৰোঁ।"

"তুমি আকৌ নাহিবা কেলেই?"

ছমীৰে একো নামাতে।

মায়াক তাৰ দৰকাৰ। মায়াক নহ'লেও অন্য কোনোবা এজনী ছোৱালী তাক লাগে। সি ডেকা মানুহ।

কিন্তু এই গলিটো এৰি মায়া অন্য ঠাইলৈ যাবলৈ ৰাজী নহয়। অৱশেষত ছমীৰে ক'লে, "বাৰু তই যদি নাযাৱ, নালাগে যাব। তোৰ ইয়ালৈ কিন্তু অন্য কোনো আহিব নোৱাৰিব—বুজিলি—"

"মই কৈছোঁৱেই নহয়—" মায়াই কয়।

মায়াৰ ঘৰৰপৰা ঘূৰি আহোঁতে ৰাতি দহ বাজি গৈছিল। বাহিৰত আগ-ৰাতিৰ কুঁৱলী আছিল। বাটত মানুহ বৰ বেছি নাছিল। ছমীৰে মদ খোৱা নাছিল। মায়াৰ লগত তৰ্ক কৰি, কথা পাতিয়ে সি ঘূৰি আহিছিল। সেইদিনা মায়াৰ দেহাৰ প্ৰতি তাৰ অকণো লোভ লগা নাছিল। কেতিয়াবা তাৰ মনটো বেয়া লাগি থাকিলে, মায়াজনীক তাৰ বৰ নিকৃষ্ট আৰু অপদাৰ্থ যেন লাগে। আজি আহিবৰ সময়ত সি আনকি মায়াক মাতষাৰো লগাই নাহিল।

সি আহি মচজিদটোৰ ওচৰ পাইছিলহি। আগলৈ চাই দেখিলে—মচজিদৰপৰা কোনোবা এজন আহিছে। ওচৰ পাই সি চিনি পালে—ডাক্তৰ মহচিন। সি একাষৰীয়া হৈ পাৰ হৈ যাবৰ চেষ্টা কৰিছিল, কিন্তু ডাক্তৰে মাত লগালে, "ছমীৰ নেকি?"

ছমীৰ ৰৈ গ'ল।

"হয়—"

"ৰাতি হ'ল দেখোন, ক'ৰপৰা আহিলা?"

"অলপ কাম আছিল—" সি ক'লে, "আপুনি মচজিদৰপৰা এতিয়াহে আহিছে?"

তাৰ কথাৰ উত্তৰ নিদি ডাক্তৰে ক'লে, "আজি তোমাক মানুহ এজনে বিচাৰি আহিছিল। ইয়াৰ মানুহ নহয়, দূৰৈৰপৰা আহিছে।"

"মানুহজন এতিয়া ক'ত আছে ?"

"তোমাৰ ঘৰত বিচাৰিছিল, নাপাই মচাঁজদত বিচাৰি আহিছিল। ৰাতি হ'ল, আৰু ক'লৈ যাব।"

অলপ ইতস্ততঃ কৰি ছমীৰে ক'লে, "এতিয়া গ'লে আপোনাৰ ভাতে তেওঁক পাম নহয় ?"

"শুব পায়, ৰাতি বহুত হ'ল নহয়। তুমি কালিলৈ ৰাতিপুৱাকৈয়ে আহিবা। আমাৰ ঘৰলৈতো তুমি এদিনো অহাই নাই ?"

ছমীৰে সৰুকৈ ক'লে, "হয়, কালিলৈ পুৱা যাম বাবু। মানুহজনক থাকিবলৈ ক'ব।"

"থাকিব, তেওঁ তোমাকে বিচাৰি আহিছে।"

অলপ পৰৰ নীৰৱতা।

"অৰ্ফেনেজলৈ বোলে তুমি দুশ টকা দিলা। মোক চেনেহীয়ে ক'লে। আমি বৰ ভাল পাইছোঁ।"

ছমীৰ তলমুৰ কৰি থাকিল, একো নক'লে।

হঠাৎ যেন ডাক্তৰৰ কিবা কথা এটা মনত পৰিল।

"তুমি এতিয়া ঘৰলৈ যাবা, নহয় জানো ?"

"হয়।"

"ভাত খালা ?"

"হয় খালোঁ, হোটেলতে খাই আহিলোঁ।"

অলপ চিন্তা কৰি ডাক্তৰে ক'লে, "তোমাৰ ক'ৰবাত কিবা দৰকাৰী কাম আছে নেকি এতিয়া ?"

"একো কাম নাই।"

"কথা এটা ক'লে বেয়া পাবা নেকি জানো ?"

"কেলেই বেয়া পাম ? কিনো ?"

"মোৰ অলপ অৰ্ফেনেজলৈ যাবলগীয়া আছে—এতিয়া। ছোৱালী এজনীৰ আজি চাৰি দিনৰপৰা অসুখ। তুমি যদি ঘৰৰ ফালে যোৱা, চেনেহীৰ তাত অকণ সোমাবা আৰু ক'বা যে মই এতিয়া অৰ্ফেনেজলৈ যাম। যদি পাৰে, তেৱোঁ এবাৰ অৰ্ফেনেজলৈ আহিলে ভাল হয়।"

"এতিয়া আপুনি অৰ্ফেনেজলৈ যাব ? ৰাতি জানো বহুত হোৱা নাই ?" ছমীৰৰ মাতত বিস্ময়ৰ সুৰ মিহলি হৈ আছিল।

"ৰাতি হৈছে। মই গধূলি এবাৰ গৈ আহিছোঁ। ছোৱালীজনীৰ অসুখ নকমাৰ কাৰণে মনতে চিন্তা লাগি আছে। সেইদেখি আকৌ যাব খুজিছোঁ। চেনেহীও আহিলে মোৰ সুবিধা হ'ব ?"

"ভাল বাবু, মই ক'মগৈ—" ছমীৰে ক'লে।

"যাবু যোৱা তেন্তে দেই, বেয়া নাপাবা।"

একো নকৈ ছমীৰ ঘৰৰ ফালে আগবাঢ়িল। অকলশৰে মচাঁজদৰ আগেদি যাওঁতে আজি তাৰ অলপ জয়াৰ জয়াৰ লাগিল।

চেনেহীহঁতৰ দুৱাৰ-মুখত বৈ ছমীৰে মাতিলে, "জীনিয়া, অ' জীনিয়া।"

"কোন? মামা নেকি।"

"ওঁ, অকণমান দুৱাৰখন মেলাচোন।"

জীনিয়াই আহি দুৱাৰখন মেলি দিলে।

"আহা, ভিতৰলৈকে নাহা কেলেই?"

"বাইটি নাই নেকি?"

"কোন? মা? নাই। ক'ৰবাত ডেলিভাৰী কে'চ আছে। অৰ্থনিয়ে গ'ল। কেতিয়া আহিব কোনে জানে?"

অলপ বৈ তাই ক'লে, "তুমি আহিলা ভালেই হ'ল মামা। মই অকলেহে আছিলোঁ। মোৰ ভয় নালাগে, পিছে বেছি ৰাতিলৈ অকলে থাকিলে বেয়া লাগে।"

"বাইটি সদায় যাবলগীয়া হয় নেকি?"

"হয় আৰু। চব মানুহেই বিচাৰে, নগ'লে কেনেকৈ হ'ব? তুমিনো ইমান ৰাতি আজি ক'ৰপৰা আহিলা?"

ছমীৰে জীনিয়ালৈ চালে। আজি তাই হাত নোহোৱা এটা সৰু ব্লাউজ আৰু এখন কপাহী শাৰী পিন্ধি আছে। তাইৰ চুলিবোৰ আউলী-জাউলী হৈ আছে। তাইৰ ধুনীয়া, সৰল মুখখনত এটা চঞ্চল তৃপ্তিৰ উজ্জ্বলতা।

"এতিয়া বাইটিক কথা এষাৰ ক'বৰ কাৰণেহে আহিছিলোঁ। বাইটি আকৌ নায়েই।"

"মোকে নোকোৱা কেলেই?"

"ওঁ, তোমাকেই কৈছোঁ। মহচিন ডাক্তৰে বাটতে লগ পাই ক'লে, বোলে কোনোবা ছোৱালী এজনীৰ বৰ অসুখ, তালৈ এতিয়া ডাক্তৰ যাব, পাৰিলে বাইটিকো যাবলৈ কৈছে।"

"ক'ৰ ছোৱালী?"

"অনাথ আশ্ৰমৰ।"

"অনাথ আশ্ৰমৰ ল'ৰা-ছোৱালীবোৰৰ সদায় অসুখ হৈয়ে থাকে। পিছে মা এতিয়া ঘৰত নায়েই নহয়। বাৰু মামা, তুমি বহা। মই চাহ কৰোঁ, মাও আহক। অৰ্ফেনেজলৈ মাক তুমিহে লৈ যাব লাগিব, নহ'লে কাৰ লগত যাব?" কথাখিনি জীনিয়াই নিশ্চয়তা দি ক'লে।

"কিন্তু ইমান ৰাতি বাইটি যাব জানো?"

"যাবতো। অৰ্ফেনেজত কাৰোবাৰ কিবা হ'লে মা সদায় যায়। ৰাতিয়েই হওক বা দিনেই হওক। মা নাৰ্চ মানুহ, নগ'লে হ'ব নে?"

ছমীৰে জীনিয়াৰ মুখলৈ চালে আৰু ক'লে, "মই ভাত খাই আহিলোঁ জীনিয়া। এতিয়া চাহ নাখাওঁ আৰু। মই যাওঁ, বাইটিক কথাটো ক'বা।"

"ক'লে কি হ'ব? মা কাৰ লগত যাব?"

ছোৱালীজনীৰ কথাবোৰত প্ৰতিবাদৰ ঠাই নাই।

জীনিয়াই ক'লে, "ভিতৰলৈ আহা; ইয়াত ঠাণ্ডাত বহি থাকিব নালাগে। মই অইকুৰা জ্বলাই চাহ কৰিম আৰু তুমি মোৰ ওচৰতে বহি থাকিবা।"

কৈ আগফালৰ দুৱাৰখন হেঁচা মাৰি বন্ধ কৰি লেমটো হাতত লৈ জীনিয়া ভিতৰৰ ফালে আগবাঢ়িল, অগত্যা ছমীৰো তাইৰ পিছে পিছে গ'ল।

হাতৰ ঘড়ীটো চাই ছমীৰে দেখিলে, ৰাতি এঘাৰ বাজিবৰ হ'ল।

জীনিয়াই এজনী পাৰ্গত ৰান্ধনীৰ দৰে জুইকুৰা ধৰিলে আৰু চাহৰ কেট্‌লিটো জুইৰ ওপৰত তুলি দিলে। জুইকুৰাৰ উত্তাপটো ছমীৰৰ মিঠা লাগিল। বাহিৰৰ জগতখন তেতিয়া শান্ত আৰু নীৰৱ হৈছে। জুইৰ ওচৰৰ চাপৰ মুঢ়াটোতে বহি ছমীৰ আৰু তাৰ কাষতে আন এটা তাতকৈ চাপৰ মুঢ়াত বহি জীনিয়া। জুইকুৰা সোণবৰণীয়া হৈ জ্বলিছে।

জীনিয়াই কিজানি কিবা এটা ভাবি আছিল। তাই ওঁঠ টিপি মিচিক্-মাচাক্‌কৈ অকলে অকলে হাঁহিছিল। ছমীৰে তেতিয়া কি ভাবিছিল, সিয়েই জানে।

"মামা—"

"হোঁ—"

"তোমাৰ ভনীয়েক আছে নে নাই ?"

"নাই।"

"বায়েক ?"

"নাই।"

"ককাই-ভাই কেইজন ?"

"নাই।"

"তোমাৰ তেনেহ'লে কোনো নাই ?"

ছমীৰে একো নামাতিলে।

"মোৰো কোনো নাই। মা আৰু মইহে।"

"বাবাৰ ক'ত আছে ?"

"বাবা ? বাবা মোৰ নায়েই।" বেছ আনন্দেৰে কোৱাদি জীনিয়াই ক'লে।

ছমীৰে তীব্ৰভাৱে তাইৰ মুখলৈ চালে।

"মাই কয়, সকলো ছোৱালীৰ হেনো বাপেক নাথাকে। নাই যদি নাই, তাকেনো কোনে ভাবি থাকে ?"

জীনিয়াৰ কথাখিনিয়ে ছমীৰক যেন অলপ বিব্ৰত কৰি তুলিলে। কিন্তু তাৰ ফালে নোচোৱাকৈয়ে জীনিয়াই চাহ বাকিলে আৰু ক'লে,"তোমাৰ বাৰু মা আছে নে নাই,মামা?"

এনেতে বাহিৰত চেনেহীয়ে মাতিলে, "জীনা, অ' জীনা—"

"মা আহিল—" স্ফূৰ্ত্তিৰে জীনিয়াই ক'লে। তাই দুৱাৰখন মেলি দিলেগৈ আৰু ক'লে, "মামা আহিছিল, ৰাখি থৈছোঁ।"

"কোন, ছমীৰ ?"

"ওঁ, আৰুনো কোন মামা আছে ?"

হাতৰ বেগটো লৈ জীনিয়াই সুধিলে, "এতিয়া গা ধুবি নেকি মা ?"

"এবা ধুব লাগিব। চেৰাশালিৰপৰা আহিছোঁ।"

ছমীৰো ভিতৰৰপৰা ওলাই আহিল। সি ক'লে, "তোমাকে বিচাৰি আহিছিলোঁ। ডাক্তৰ মহাচনে পঠিয়াইছিল।"

"ডাক্তৰ মহাচনে ? কি হ'ল ?"

"অনাথ আশ্ৰমত কোনোবা ছোৱালী এজনীৰ বৰ অসুখ বোলে। তেওঁ হস্পিটললৈ গৈছে, তোমাকো যাবলৈ কৈছে।"

"কাৰবা আকৌ কি অসুখ হ'ল ? মোক ৰাতিয়ে যাবলৈ কৈছে, নহয় ?"

"পাৰিলে যাবলৈ কৈছে—"

"তই ভাত খোৱাই নাই, নহয় মা ! গাটো ধুই ল।"

চেনেহী বহিল। মানুহজনী ক্লান্ত আৰু পৰিশ্ৰান্ত হৈ আহিছে। তেওঁৰ কপালৰ আগৰ যি দুই-এডাল চুলি পকিছিল তাত নিয়ৰ বিৰিঙি আছে। হয়তো তেওঁৰ মুখখন জাৰৰ কাৰণেই অলপ শেঁতা পৰিছে, তেওঁৰ বগা মুখখন আৰু বেছি বগা যেন দেখাইছে।

"এতিয়া ৰাতি কিমান হ'ল চাচোন—" চেনেহীয়ে ছমীৰক ক'লে।

"এঘাৰ বাজি গ'ল।"

"বৰ বেছি ৰাতি হোৱা নাই। তই মোলৈ ভাত উলিয়াগৈ যা। মই গাটো ধুই আহোঁ। ছমীৰ, তই অলপ থাক দেই !"

কৈ, কালৈকো অপেক্ষা নকৰি, চেনেহী সৰু বাথৰুমটোৰ ফালে আগবাঢ়িল।

আধা ঘণ্টাৰ ভিতৰতে ভাত-পানী খাই চেনেহী অৰ্ফেনেজলৈ যাবলৈ সাজু হ'ল।

অতপৰে ছমীৰে চেনেহীৰ কাৰ্য্য-কলাপ বুজিবৰ চেষ্টাহে কৰিছিল যেন। সি ক'লে, "বহুত ৰাতি হ'ল। এতিয়া তুমি নগ'লেও নহ'ব জানো বাইটি।"

"চিৰিয়াচ কে'চ নহ'লে ডাক্তৰে ৰাতিয়ে মাতি নপঠিয়ালেহেঁতেন। মই যাবই লাগিব। তই থাকিলি ভালেই হ'ল, ব'ল মোক থৈ আহিবি অৰ্ফেনেজত।"

জীনিয়াই ক'লে, "সেই কাৰণেহে মই মামাক ৰাখি থৈছিলোঁ।"

জীনিয়াক শুই থাকিবলৈ কৈ চেনেহী আৰু ছমীৰ ওলাই গ'ল।

দুৱাৰ-মুখত ৰৈ জীনিয়াই সুধিলে, "ৰাতিয়ে আহিবি নে নাহ—মা ?"

"কেনেকৈ জানিম ? মোলৈ বাট চাব নালাগে, তই শুই থাক। আজি মামাৰহে অলপ কষ্ট হ'ল আৰু।"

তাৰ পিছত দুয়ো আগবাঢ়িল।

॥ ঊনচল্লিশ ॥

পিছদিনা পুৱা ন'মান বজাতহে ছমীৰৰ টোপনি ভাগিল। বাহিৰত কোনোবাই মাতি আছে। সাৰ পাই, দুৱাৰ মেলি সি প্ৰথমতে মানুহটোক চিনিবই নোৱাৰিলে। কিন্তু মানুহটোৱে যেতিয়া ক'লে, "হেৰ, মোলৈ তেনেকৈ কি চাই আছ ?. মই বোধেশ্বৰ, চিনিবই পৰা নাই নেকি ?"

"আহ আহ, সঁচাকৈয়ে চিনিব পৰা নাছিলোঁ। ইমান কোঁচ মোচ ৰাখিবলৈ ল'লি কেতিয়াৰপৰা ?"

চকীখনত বহি, বোধেশ্বৰে ছমীৰৰ মুখলৈ চালে।

"শকত হ'লি অ'—"

"হৈছো আৰু। তই কালিয়ে আহিলি হ'বলা ?"

"কালি গধূলি পালোঁহি। কত বাৰ-জোৰা মাৰি তোৰ ঠিকনা বিচাৰি বিচাৰি ওলাইছোঁহি। তইতো আৰু চিঠি-পত্ৰ এখনো নিদিয় ?"

চিগাৰেটৰ টিংটো বোধেশ্বৰৰ ফালে আগবঢ়াই দি ছমীৰে ক'লে, "চিগাৰেট খা, মই মুখ-হাত ধোওঁ। তোৰ বিচনা-পত্ৰ ডাক্তৰৰ তাতে আছে হ'বলা ?"

"এৰা তাতে আছে, অনাব লাগিব।"

ছমীৰে মুখ-হাত ধুই আহিল আৰু দুয়ো চাহ খাবলৈ বহিল।

বোধেশ্বৰে অৱশ্যে মহচিন ডাক্তৰৰ ঘৰতে চাহ খাই আহিছিল, তথাপি ছমীৰৰ কথাত আকৌ চাহ খাবলৈ বহিবলগীয়া হ'ল।

"মোৰ ঠিকনা ক'ত পালি ?"

"এৰা, তোৰ ঠিকনা বহুত কষ্টেৰেহে গোটালোঁ। তই যে ইয়াতে বৈ গ'লি, আমাৰ তালৈ আৰু নাযাব নেকি ?"

"তালৈ গৈনো কি কৰিমগৈ ? ইয়াতে কিবা কাৰবাৰ এটা কৰি থাকিম বুলি ভাবিছোঁ।"

"হাতত টকা-পইচা আছে জানো ?"

"আছে অলপ। তোৰ ?"

"মোৰ ক'ৰপৰা থাকিব ? কিছুদিন এ. আৰ. পি.ত চাকৰি কৰিছিলোঁ, দৰমহা কেইটকা পালোঁ আৰু খালোঁ।"

দুয়ো চাহত মুখ দিলে।

"পূৰ্ণানন্দ চাৰৰ ভাল নে ?"

"মই ক'ব নোৱাৰোঁ। চাৰ যুদ্ধলৈ গ'লত ল'ৰা-ছোৱালী ক'ৰবাত থৈ আহিছিলগৈ নহয় ? তাৰপৰা অহাই নাই হ'বলা ?"

আকৌ কিছুপৰ দুয়ো মনে মনে থাকিল।

"আহমদ ঠিকাদাৰৰ ঘৰৰ খবৰ কিবা জান নে ?"

"আজি-কালি তেওঁলোক তাত নাই। যুদ্ধৰ দিনতে ঘৰটো মিলিটাৰীক ভাৰা দিলে। তেওঁলোক আজি-কালি ক'ত থাকে মই নাজানো।"

অলপ চিন্তা কৰি ছমীৰে ক'লে, "তাত তেনেহ'লে মোৰ আগৰ চিনাকি মানুহ কোনোবেই নাই ! গৈনো কি কৰিমগৈ ?"

বোধেশ্বৰে একো নামাতিলে।

ল'ৰাটোৰে পিৰিচ-পিয়লা নিয়াৰ পিছত ছমীৰে তাক ডাক্তৰৰ ঘৰৰপৰা বোধেশ্বৰৰ বিচনা-পত্ৰ আনিবলৈ পঠিয়াই দিলে।

দুয়ো দুটা চিগাৰেট জ্বলালে।

কিছুপৰৰ মূৰত ছমীৰে সুধিলে, "তইনো পিছে ইয়াত কি মন কৰি ওলালিহি ? মোৰ কাৰণে আকৌ বেয়া নাপাবি।"

"বেয়া পাম কেলেই ? তই নুসুধিলেও মই ক'ম। তোকে লগ পাবৰ কাৰণেহে আহিছোঁ। তই জানো কি কৰিব পাৰ !"

"ক'চোন বাৰু কি হৈছে!—"

"সেই যে জুতি নামেৰে ছোৱালীজনী আছিল—জানো তোৰ মনত আছে নে নাই—?"

"জুতি? সেইজনীনো কোন ছোৱালী?"

"সেই যে তই এমেৰিকান মিলিটাৰীৰপৰা এৰুৱাই আনিছিলি—"

"অ' মনত পৰিছে। তাইৰ পিছে কি হ'ল?"

"ময়ো ক'ব নোৱাৰোঁ তাইৰ কি হ'ল? সেইদিনা মাধৱহঁতক মাৰপিট্ কৰি তয়ে-ময়ে আমি দুয়োটা জানো গুচি অহা নাছিলোঁ!"

"ওঁ। তেনে তাইৰ কিবা হৈছে বুলি তই কেনেকৈ জানিলি?"

"কওঁ—ৰ।"

আৰু এটা চিগাৰেট জ্বলাই লৈ বোধেশ্বৰে ক'লে, "জুতিৰ বাপেকৰ টান বেমাৰ। এইবাৰ আৰু নৰ'ব কিজানি। বুঢ়া মানুহ, তাতে পুৰণি বেমাৰ, জীয়েকজনীও নাই—"

"মানে জুতি? তাইনো ক'লৈ গ'ল?"

"ক'লৈ গ'ল কোনেও ক'ব নোৱাৰে। যুদ্ধৰ দ্বিতীয় বছৰতে তাইক হেনো মাধৱে লৈ আহিল।"

"মাধৱে লৈ আহিল? তাইকতো তাৰ লগত যাবলৈ মানা কৰিছিলোঁ।"

"তই-মই মানা কৰিলেই তাই নাযাব নে?"

ছমীৰ বহাৰপৰা উঠিল আৰু ক'লে, "তই মদ খাব নে নাখাব?"

বোধেশ্বৰে হাঁহিলে, "মোক ইমান বেয়া মানুহ বুলি নাভাবিবিচোন। এ. আৰ. পি ত কাম কৰিলোঁ বুলি আৰু মদ-মাইকীতো ধৰিম নে?"

ছমীৰে আলমাৰিটো খুলি খুলি ক'লে, "মই আকৌ অকণমান মদ নাখালে নোৱাৰোঁ। বস্তুটো বেয়া নহয়, বুজিছ—"

সি আধা-খোৱা মদৰ বটল এটা আৰু চ'ডাৰ বটল এটা আনি মেজখনৰ ওপৰত থ'লে।

আশ্চৰ্য্য হৈ আৰু ব্যথিত মাতেৰে বোধেশ্বৰে ক'লে, "তই স'চাকৈয়ে মদ খোৱাত ধৰিলি নেকি? নে ধেমালি কৰিছ?"

গিলাচ এটা আনি ছমীৰ চকীখনত বহিলহি আৰু ক'লে, "অভ্যাসটো কৰিলোঁ আৰু এৰি দিয়া নাই। বেয়া নালাগে বুজিছ। বাৰু, তই নাখাব যেতিয়া, নালাগে খাব।"

কৈ ছমীৰে গিলাচত চ'ডা আৰু মদ মিহলোৱাত লাগিল। বোধেশ্বৰে তাৰ ফালে কিছুপৰ চাই থাকি সৰুকৈ ক'লে, "মদ খোৱা পিছে ভাল নহয়।"

তাৰ কথালৈ কাণ নিদি এঢোকা মদ খাই ছমীৰে ক'লে, "অ' কিবা জুতিৰ কথা কৈছিলি নহয়? ছোৱালীবোৰ চব বজ্জাত জানিছ বোধেশ্বৰ। তাইক মিলিটাৰীৰপৰা বচাই দিলোঁ, ফলত তাই মোৰ ওপৰত মোকৰ্দ্দমা দিলে। মাধৱক পিটি, তাৰ লগত নাথাকিবলৈ কৈ আহিলোঁ। বুঢ়া, বেমাৰী বাপেকটোক পেলাই থৈ তাই তাৰ লগতে পলাই গ'ল। ছোৱালীক যদি তই বিশ্বাস কৰ, মৰিবি।"

ছমীৰে আৰু এঢোকা মদ খালে।

বোধেশ্বৰে ক'লে, "পিছে তাই হেনো মাহে মাহে বাপেকলৈ টকা পঠিয়াই আছিল। আজি তিনিমাহমানহে টকা পঠিওৱা নাই।"

"পঠিয়াই চাগৈ আমনি লাগিল, পিছে তাই আছে ক'ত?"

"এইখন চহৰতে। ক'ত অৱশ্যে মই নাজানো। কিন্তু বাপেকলৈ টকা ইয়াৰ-পৰাই পঠিয়াই আছিল।"

বোধেশ্বৰৰ কথা শুনি ছমীৰ কিছু বিস্মিত হ'ল।

"তাই ইয়াতে আছে? ময়োতো ইয়াতে আছোঁ আজি ৭।৮ মাহ হ'ল।"

"ইয়াতে থাকিলেও তইনো কেনেকৈ জানিবি? চহৰখনত কত মানুহ থাকে। আৰু তাইবা ক'ৰ গলিয়ে-চলিয়ে সোমাই আছে—"

"এৰা—" চিন্তান্বিতভাৱে ছমীৰে ক'লে।

নীৰৱতাৰ মাজেদি কিছুপৰ কাটি গ'ল।

"পিছে তই ইয়ালৈ আহিলি কিয়? সেই জুতিকে বিচাৰি আহিলি নেকি?"

সহজভাৱে বোধেশ্বৰে ক'লে, "এৰা, বাপেকে তাইক বৰকৈ বিচাৰিছে। শেষ সময় আৰু। মোক খাটনি ধৰিলে, যেনে-তেনে ছোৱালীজনী বিচাৰি নি দিব লাগে। তয়ো ইয়াতে আছ বুলি খবৰটো পালোঁ। মই বোলোঁ তয়ে কিজানি তাইক বিচাৰি উলিয়াব পাৰ।"

ছমীৰে হাঃ হাঃ কৰি হাঁহি উঠিল।

"মোৰ আৰু কাম নাই? এতিয়া গলিয়ে গলিয়ে পলৰীয়া ছোৱালী বিচাৰি ফুৰিম?"

বোধেশ্বৰে একো নামাতিলে। হয়তো ছমীৰক এনে কাম কৰিবলৈ কোৱাটো বৰ ভাল কথা নহ'ব।

মদ গিলাচ শেষ কৰি ছমীৰ শান্ত হৈ বহিল।

"তইনো বুঢ়াৰ লগত চিনাকি হ'লি কেনেকৈ?"

"সেইবোৰ বহুত কথা।"

"বাৰু বাদ দে! বহুত কথাৰ দৰকাৰ নাই। তই কাপোৰ-কানি সলা, গা-পা ধো। মই অকণমান ওলাই যাম এতিয়া। তই কেইদিনমান থাকিবি নহয়?"

"বুঢ়া যদি মৰি থাকে?"

"হেৰ, বুঢ়া তোৰ শহুৰেৰ নহয়, মৰি থাকিলে তোৰ নাকান্দিলেও চলিব।"

অলপ পৰৰ পিছত ভাল কাপোৰ-কানি পিন্ধি ছমীৰ ওলাই গ'ল। তেতিয়া বোধেশ্বৰৰ বিচনা-পত্ৰও আহি পাইছে।

॥ চল্লিশ ॥

মহচিন ডাক্তৰৰ বয়স যাঠিৰ ওচৰ চাপিছে। তেওঁ আগৰ দিনৰ এল. এম. পি. ডাক্তৰ। তেওঁলোক ডাক্তৰ হৈ ওলাই অহাৰ দিনত চহৰখনত বৰ বেছি ডাক্তৰ নাছিল, অলপ দিনৰ ভিতৰতে ভাল ডাক্তৰ হিচাপে তেওঁ বিখ্যাত হৈ পৰিছিল। চৰকাৰী

ডাক্তৰ হিচাপেই তেওঁ ডাক্তৰি জীৱন আৰম্ভ কৰিছিল আৰু ষোল বছৰ চাকৰিও কৰিলে। ইয়াৰ ভিতৰতে তেওঁ বিয়াও কৰাইছিল। কিন্তু বিয়াৰ দহ বছৰৰ পিছত তিনিজনী ছোৱালী আৰু এটা ল'ৰা থৈ তেওঁৰ পত্নী পৰিয়াৰ ঢুকাই থাকিল। পত্নীয়াৰ ঢুকোৱাৰ পিছত আৰু আঠ মাহ তেওঁ কাম কৰিছিল। কিন্তু আৰু নোৱাৰিলে। তেওঁ চৰকাৰী চাকৰি ইস্তফা দিলে। পত্নী বিচ্ছেদৰ বেদনা দিনে দিনে গভীৰতৰ হৈ আহিব ধৰিলে, আৰু মানুহজন বৰ নিস্পৃহ আৰু উদাসীন হৈ পৰিল।

জীৱিকাৰ কাৰণে তেওঁ প্ৰাইভেট প্ৰেক্‌টিছৰ ব্যৱস্থা কৰিলে। নগৰৰ মাজত কোঠা এটা ভাৰা লৈ তেওঁৰ ফাৰ্মাচি খুলিলে।

দুখ অলপ যেতিয়া শাম কাটি আহিছিল, তেতিয়া ডাক্তৰে তেওঁৰ জীৱনৰ দ্বিতীয় ডাঙৰ আঘাতটো পালে অপ্ৰত্যাশিতভাৱে। বিয়া দিয়াৰ চাৰি বছৰৰ পিছত তেওঁৰ ডাঙৰ ছোৱালীজনীৰ গিৰিয়েক ঢুকাই থাকিল এসপ্তাহৰ টাইফয়ডত। থাকিল ডেৰ বছৰীয়া এটি ল'ৰা। ল'ৰাটো আৰু জীয়েকক ডাক্তৰে নিজৰ ঘৰলৈকে লৈ আহিল। তেওঁ ডেকাকালত বৰ সুশ্ৰী আৰু শুৱনি ডেকা আছিল, তেওঁৰ ছোৱালীকেইজনীও আছিল বৰ ধুনীয়া। তিনি বছৰত তিনিজনী ছোৱালী বিয়া দিয়াত তেওঁ কোনো কষ্ট পাবলগীয়া হোৱা নাছিল। কিন্তু জীয়েক বিধৱা হোৱাত তেওঁ পত্নীৰ মৃত্যুতকৈও বেছি শোক পালে। তেওঁৰ মন ভাগি পৰিল, উদ্যম হেৰাই গ'ল। আগৰ হাঁহি-মাতি থকা স্ফূৰ্ত্তিবাজ মানুহজন বিষণ্ণ আৰু হতাশ হৈ পৰিল। হয়তো তেওঁ সংসাৰ একেবাৰে বিসৰ্জন দিলেহেঁতেন। এনেতে এটা ঘটনা ঘটিল ঃ

চহৰৰ মিউনিচিপাল কৰ্তৃপক্ষ আৰু কিছু সমাজসেৱী লোকে এখন অনাথ আশ্ৰম পতাৰ ব্যৱস্থা কৰিলে। প্ৰথমে ই কেৱল অনাথ আশ্ৰমেই আছিল, পিছত ইয়াৰ লগতে পতিতাসকলৰ কাৰণেও থকা-খোৱা আৰু সৎ ব্যৱসায় কৰি জীৱিকা আৰ্জ্জনৰ ব্যৱস্থা কৰা হ'ল। গোটেই অনুষ্ঠানটোৰ নাম অনাথ আশ্ৰমেই ৰখা হ'ল। এদল লোকে মত প্ৰকাশ কৰিলে যে অনাথ বুলিলে যিদৰে মানুহৰ কৰুণা হয়, সেইদৰে পতিতা বুলিলে অভ্যাসবশতঃ মানুহৰ মনত এটা ঘৃণাৰ ভাবহে জন্মে। গতিকে সুকীয়া নামকৰণ নকৰি অনুষ্ঠানটোৰ নাম অনাথ আশ্ৰমেই ৰখাৰ সিদ্ধান্ত কৰা হ'ল।

ডাক্তৰক এই অনাথ আশ্ৰমৰ অবৈতনিক ডাক্তৰ কৰাৰ উপৰিও সাধাৰণ পৰামৰ্শদাতা বা এড্‌ভাইজাৰ নিযুক্ত কৰা হ'ল। ডাক্তৰে নিজক ব্যস্ত ৰখাৰ সুযোগ পালে, আৰু অনাথ আশ্ৰমখনৰ কাৰণে দেহে-প্ৰাণে খটাত আত্মনিয়োগ কৰিলে।

ইয়াতেই ডাক্তৰে লগ পালে এজনী মানুহক—তেওঁৰ নাম চেনেহী।

চেনেহীৰ জীৱনৰ সুকীয়া ইতিহাস আছে। সেই ইতিহাসো বৰ আনন্দকৰ নহয়। অনাথ আশ্ৰমৰ কামত লাগি ডাক্তৰে ডাক্তৰিৰ প্ৰেক্‌টিছ এৰি নিদিয়াৰ সিদ্ধান্ত কৰিলে।

ডাক্তৰৰ একমাত্ৰ ল'ৰা আছুচান। তেওঁ ইঞ্জিনীয়াৰ হ'ল। আৰ্জ্জন বেছ ভাল। দূৰে দূৰে থাকে যদিও বাপেক, বায়েক আৰু ভাগিনীয়েকটোলৈ নিয়ম মতে যথেষ্ট টকা পঠিয়ায়। ডাক্তৰে নিজৰ কাৰণে কষ্ট কৰি আৰ্জ্জন নকৰিলেও চলে। প্ৰেক্‌টিছ কৰি পোৱা টকাৰ সৰহখিনি তেওঁ আশ্ৰমৰ কাৰণে দিয়ে। আশ্ৰমৰ অনাথ আৰু পতিতাবোৰৰ বেমাৰ হ'লে বিনা পইচাই চিকিৎসা কৰা, আৰ্জ্জনৰ সৰহ টকা আশ্ৰমৰ

কাণ্ডৰ কাৰণে দিয়াৰ উপৰিও ঔষধ-পাতিও দাম নোলোৱাকৈ তেওঁ দিয়ে। অৱশ্যে এই সকলোবোৰ কৰে যদিও তেওঁ সদায় অন্তৰালত থাকে। বহুতে এইবিলাক কথাৰ গমকে নাপায়। অনাথ আৰু পতিতাৰ সেৱাৰ মাজেদি ডাক্তৰে যেন নিজৰ ভিতৰত অন্য এজন মানুহক জাগ্রত কৰি তোলাৰ ব্রত গ্রহণ কৰিলে।

ডাক্তৰে অতি কম কথা কয়। কিন্তু তেওঁ বৰ অমায়িক, কোনোবাই কিবা সুধিলে বা কিবা কথা আলোচনা কৰিবলৈ বিচাৰিলে তেওঁ আন্তৰিকতাৰেই আলোচনাত যোগদান কৰে। কিন্তু তেওঁৰ এটা ধাৰণা যে মুখেৰে কথা কোৱাতকৈ হাতেৰে কাম কৰা, আৰু মানুহৰ লগত কথা পাতি সময় কটোৱাতকৈ নামাজত বহি অন্তৰাত্মাক চিনি পাবৰ যত্ন কৰা যেন বেছি ভাল কথা।

আজি চাৰি মাহৰ আগতে এদিন ৰাতি এজন ৰোগী চাই ডাক্তৰ ঘৰলৈ উভতিছিল। ৰাতি বৰ বেছি হোৱা নাছিল তেতিয়া। বৰ গৰম আছিল আৰু নগৰৰ বহু ঠাইত এপিডেমিক্ হৈছিল। ডাক্তৰৰ লগত আছিল ঔষধ নিবলৈ অহা এজন মানুহ—ৰোগীৰ ঘৰৰপৰা অহা।

হঠাৎ ডাক্তৰৰ চকুত পৰিল ৰাস্তাৰ কাষত কোনোবা এটা দীঘল দি পৰি আছে। তেওঁ কাষ চাপি গ'ল, আঁৰু টৰ্চ্চ মাৰি চালে—এজনী ছোৱালী।

তেওঁলোক ৰ'ল। কুঁজা হৈ ডাক্তৰে ছোৱালীজনীৰ মুখখন ভালকৈ চালে। মৰা নহয়, ছোৱালীজনীয়ে উশাহ লৈ আছে। কিন্তু তাই হয়তো মূৰ্চ্ছা গৈ আছে।

টৰ্চ্চটো মানুহজনৰ হাতলৈ দি ডাক্তৰে ছোৱালীজনীক মাতিলে, "হেৰা, তুমি কোন? উঠা—"

ছোৱালীজনী নিঃসাৰ, নিশ্চল হৈ পৰি আছে। ডাক্তৰে ছোৱালীজনীৰ হাতখন লৈ নাড়ী চালে। ছোৱালীজনীৰ গাটো চেঁচা, কিন্তু নাড়ীৰ গতি বেছি অস্বাভাৱিক হোৱা নাই।

স্বাভাৱিক সহজ মাতেৰে ডাক্তৰে মানুহজনক ক'লে, "তুমি এখন ৰিক্সা বিচাৰি আনা—বেগাই যোৱা।"

মানুহজন যোৱাৰ পিছত ডাক্তৰে ছোৱালীজনীৰ হাত-মুৰ মোহাৰি দি তাইৰ সংজ্ঞা ঘুৰাই আনিবৰ চেষ্টা কৰিলে। দহ মিনিটমানৰ মূৰত ছোৱালীজনীয়ে অলপ হাত-ভৰি জোকাৰিলে আৰু হোঁ-হাঁ কৰিলে। একো নকৈ ডাক্তৰে আৰু কিছুপৰ তাইৰ হাত-মুৰ মোহাৰি দিলে। কিন্তু তাই আকৌ অৱশ হৈ পৰি থাকিল।

ৰিক্সাখন আহিলত, ডাক্তৰ, মানুহজন আৰু ৰিক্সাৱালা তিনিও ধৰি ছোৱালীজনীক ৰিক্সাত তুলিলে, আৰু তাই নিজে বহি থাকিব পৰাৰ কোনো সম্ভাৱনা নেদেখি, তেৱোঁ তাইৰ কাষতে বহি তাইৰ হলি পৰা মুৰটো কোলাত সুমুৱাই ল'লে।

ৰাতিটো ডাক্তৰৰ ঘৰতে ৰাখি চিকিৎসা আৰু শুশ্রূষা কৰি ডাক্তৰে ছোৱালীজনীৰ চেতনা আনিলে। আৰু দুটা ইনজেক্চন্ দিয়াৰ পিছত তাই চকু মেলি চাই অবাক বিস্ময়েৰে সেহাই সেহাই ক'লে, 'মাৰি নেপেলাবি, মোক মাৰি নেপেলাবি।"

ৰাতিয়ে চেনেহী আহিছিল।

সেই ৰাতি চেনেহীক ছোৱালীজনীৰ ওচৰত ৰাখি ডাক্তৰ অলপ শুবলৈ গ'ল।

পুৱাৰ কালে ছোৱালীজনী কিছু সুস্থ হৈ আছিল।

আৰেফা চেনেহীয়ে ডাক্তৰক জনালে, "ছোৱালীজনীৰ কোনো অসুখ হোৱা নাই। তাইৰ অলপ জ্বৰ আছিল। কিন্তু কেইবাটাও মানুহে তাইৰ ওপৰত অত্যাচাৰ কৰাৰ কাৰণে তাই সংজ্ঞাহীন হৈ পৰিছিল। তাইৰ ব্লীডিং সম্পূৰ্ণ বন্ধ হোৱা নাই। ছোৱালীজনী বৰ দুৰ্ব্বল আৰু নিশকতীয়া।"

ডাক্তৰে সুধিলে, "তাই ক'ৰ ছোৱালী ?"

চেনেহীয়ে ক'লে, "তাই এজনী বেশ্যা। তাইৰ নিজৰ ঘৰ নাই। অন্য দুজনীমান বেশ্যাৰ লগত তাই সেই পাৰাতে থাকে।"

কিছুপৰ মনে মনে থকাৰ পিছত ডাক্তৰে ক'লে, "আগেয়ে তাইক সম্পূৰ্ণ সুস্থ হ'বলৈ দিয়া। তাৰ পিছত তাইক সুধিব লাগিব, যদি তাই মান্তি হয়, তাইক অনাথ আশ্রমতে ৰখাৰ দিহা কৰিব লাগিব।"

ছোৱালীজনী চাৰি দিন ডাক্তৰৰ ঘৰতে থাকিল। তাইৰ বিষয়ে একো নজনাৰ দৰে অন্য ৰোগীক চিকিৎসা কৰাৰ দৰেই ডাক্তৰে তাইৰ ঔষধ-পথ্য দি চিকিৎসা কৰিলে। চেনেহীয়েও আৱশ্যকীয় পৰিচৰ্য্যা কৰিলে।

তাই সুস্থ হৈ উঠিল। কিন্তু চেনেহীয়ে সোধা সত্ত্বেও তাই নিজৰ কোনো পৰিচয় নিদিলে। সেই বিষয়ে বেছি কথা সুধিবলৈ ডাক্তৰে চেনেহীক মানা কৰি দিলে। চেনেহীয়েও আৰু নুসুধিলে। হয়তো তাইৰ ইতিহাসে কোনোবা নিৰ্ম্মল, নিষ্কলংক ভদ্র পৰিয়ালৰ নাম কলংকিত কৰি দিব। ডাক্তৰে ক'লে, "ছোৱালীজনীক এতিয়া ব্যক্তিগত কোনো কথা সোধাৰ দৰকাৰ নাই। হয়তো আমাৰ আগত তাই সঁচা কথা নক'ব। তাইৰ সঠিক নাম-ধামো আমাক নক'ব পাৰে ; নুসুধিবা।"

চেনেহীয়ে ডাক্তৰৰ কথা কোনো দিন অমান্য কৰা নাই।

ঘৰত তেতিয়া কোনো নাছিল। আছৰৰ নামাজ পঢ়ি উঠি ডাক্তৰ আগফালৰ খাঁহনিডোখৰতে বহি আছিল। ৰ'দজাক তেতিয়া কোমল আৰু মিঠা হৈছিল।

ছোৱালীজনী আহি ডাক্তৰৰ কিছু পিছতে বাৰাণ্ডাৰ খুটা এটাত ধৰি থিয় দিছিলহি। দুয়ো দুয়োকো যেন কিবা এটা ক'ব খুজিছিল, কিন্তু ক'ব পৰা নাছিল।

কিছুপৰৰ মূৰত ডাক্তৰে সুধিলে, "চাহ-তাহ খালা নে ?"

"হয়, খালোঁ বাবা—"

ছোৱালীজনীয়ে অনায়াসে আৰু সহজেই ডাক্তৰক 'বাবা' বুলি সম্বোধন কৰাত ডাক্তৰ বিশেষ আচৰিত নহ'ল। বহুত ৰোগীয়ে তেওঁক বাবা বোলে, হয়তো ডাক্তৰৰ পিতৃসুলভ সহৃদয় আচৰণৰ কাৰণে।

"গাটো একেবাৰে ভাল পাইছা নে ? কিবা অসুখ আছে নেকি এতিয়া ?"

"এতিয়া নাই। কিন্তু মাজে মাজে মোৰ গ্রহণীৰ নিচিনা হয়। দুমাহ-তিনি মাহৰ মূৰে মূৰে হৈ থাকে। তেতিয়া কেইবাদিনো পৰি থাকিবলগীয়া হয়।"

ডাক্তৰ মনে মনে থাকিল। হয়তো ক্রনিক ডিচেন্ট্রি আৰম্ভ হৈছে, অন্য স্ত্ৰী-ৰোগো হ'ব পাৰে।

কিছুপৰৰ মূৰত ছোৱালীজনী ডাক্তৰৰ কাষ চাপি আহিল আৰু ভয়ে ভয়ে কোৱাদি ক'লে, "বাবা, মোক অন্য ক'ৰবাত থকাৰ কিবা এটা দিহা কৰি দিয়ক, আকৌ তাত থাকিবলৈ যাব লাগিলে মই আৰু নাবাচোঁ।"

ডাক্তৰে শান্তভাৱে ক'লে, "ময়ো তোমাক সেই কথাকে ক'ব খুজিছিলোঁ। কেইদিনমান ইয়াতে থাকা, যদি অসুবিধা নোপোৱা। আমাৰ ইয়াতে এখন অনাথ আশ্ৰম আছে, তাত তোমাৰ নিচিনা ছোৱালীবিলাকক ৰখা হয়। যদি তুমি ইচ্ছা কৰা, তাতে তোমাৰ থকাৰ ব্যৱস্থা কৰি দিব পৰা যাব।"

ছোৱালীজনী কিছুপৰ মনে মনে থাকিল। তাৰ পিছত তাই লাহে লাহে ক'লে, "মোৰ পিতা আছে—"

ডাক্তৰে তাইলৈ ঘূৰি চালে, "তোমাৰ পিতাৰ আছে? ক'ত আছে? তোমাৰ আৰু কোন আছে?"

"আৰু কোনো নাই। পিতা বেমাৰী মানুহ—এতিয়া কেনেকুৱা আছে একো ক'ব নোৱাৰোঁ। আজি কেইবামাহো মই পিতালৈ টকা পঠিয়াব পৰা নাই।"

"পিতাৰলৈ তুমি টকা পঠোৱা? টকা ক'ত পোৱা?"

ছোৱালীজনীয়ে তলমূৰ কৰিলে।

ডাক্তৰে বুজিলে, এই প্ৰশ্নটো সোধা ভাল নহ'ল। চেনেহীৰপৰাতো তেওঁ বুজিবই পাৰিছে—ছোৱালীজনীয়ে কেনেকৈ টকা ঘটে।

কিছুপৰৰ মূৰত ছোৱালীজনীয়ে ক'লে, "মোক অনাথ আশ্ৰমতে থকাৰ সুবিধা কৰি দিয়ক বাবা। ভালকৈ চিকিৎসা নকৰালে মই সেই গ্ৰহণী বেমাৰতে মৰিব লাগিব। আৰু অন্য ক'ৰবাত থাকিবলগীয়া হ'লেও মই জীয়াই থাকিব নোৱাৰিম, মৰি যাম—"

ডাক্তৰে ক'লে, "এৰা, আশ্ৰমত থাকিলে ময়ে তোমাৰ চিকিৎসাও কৰিব পাৰিম, আৰু ভালকৈ চলিলে তুমি সোনকালেই ভাল হ'ব পাৰিবা। সেইবোৰ বেমাৰ ভাল নোহোৱাকৈ নাথাকে।"

চেনেহীকো ছোৱালীজনীয়ে ক'লে, "পিতালৈ আজি কেইবামাহো টকা-পইচা পঠিয়াব পৰা নাই। আৰু সেইদৰে টকা ঘটি মই পিতালৈ টকা পঠিয়াব নোৱাৰিম বাইদেউ! পিতা মৰিলেও মৰক। এনেকৈ এটাৰ কাৰণে দুয়োটা মৰাতকৈ এটা মৰাই ভাল।"

"মাহেকত কিমান টকা পঠিয়াইছিলা?"

"আগেয়ে ত্ৰিশ-চল্লিশ টকাকৈ পঠিয়াইছিলোঁ। পিছে মোৰ গা ভাল নথকা হোৱাৰপৰা টকা পঠিয়াব নোৱাৰা হ'লোঁ। মই নিজে চলিবলৈকে নোজোৰে।"

"আশ্ৰমত জীৱিকা আৰ্জন কৰাৰো ব্যৱস্থা আছে। তুমি চিন্তা নকৰিবা।"

সংকোচ নকৰাকৈয়ে ছোৱালীজনীয়ে ক'লে, "পিছে বাইদেউ, মোৰ কথা জানিলে জানো তাত ঠাই দিব?"

"তোমালোকৰ নিচিনা মানুহৰ কাৰণেই আশ্ৰম পতা হৈছে।" চেনেহীয়ে ক'লে।

ডাক্তৰে ছোৱালীজনী সম্পৰ্কে থানাৰ পুলিচত এটা খবৰ দিলে, তাৰ পিছত তাইক নি অনাথ আশ্ৰমৰ পতিতা শাখাত ভৰ্ত্তি কৰি দিলে। ডাক্তৰে তাইক আশ্বাস দিলে, তাইৰ ৰক্ষণাবেক্ষণ, ভৰণ-পোষণৰ দায়িত্ব আশ্ৰমে ল'ব। আৰু তাইৰ অসুখ আৰোগ্য কৰাৰ ভাৰ তেওঁ ল'ব।

অনাথ আশ্ৰমৰ সম্পাদিকাই সোধাত তাই ক'লে, "মোৰ নাম জ্যোতি।"

॥ একচল্লিশ ॥

জয়নাথ বৰুৱা আৰু নিৰাৱণ শীল ক্ষান্ত নাথাকিল। ছমীৰৰ টকা লৈ ব্যৱসায় কৰি নিজে লাভৱান হোৱাৰ যি আঁচনি সিহঁতে কৰিছিল, সি থান্‌বান্ হৈ যোৱাত সিহঁত দুয়ো ক্ষুণ্ণ হ'ল। কিন্তু ইয়াৰ বাবে সিহঁতে ছমীৰকে দোষী কৰিলে। বিশেষকৈ প্ৰথমতে মান্তি হৈ শেষত পৰিচয়টো দিবৰ সময়ত এনেদৰে সকলো ওলট্-পালট্ কৰি দিয়াৰ কাৰণ সিহঁতে বুজিব নোৱাৰিলে।

ছমীৰক পোনপটীয়াকৈ একো কৰিবৰ উপায় সিহঁতৰ নাছিল। সি সিহঁতৰ ওপৰত নিৰ্ভৰশীল নহয়। কিন্তু আমি কাৰোবাৰ অপকাৰ কৰোঁ বুলিলে বা কাৰোবাৰ শত্ৰুতা কৰোঁ বুলিলে বৰ বেছি কষ্ট কৰিবলগীয়া নহয়। লাহে লাহে চহৰৰ 'এশ্বিনি লোকৰ মাজত ছমীৰ সম্পৰ্কে নিতে নিতে নতুন নতুন কাহিনী ওলাব ধৰিলে। কাহিনীবোৰ এনে ধৰণৰ :

ছমীৰ পলৰীয়া।

মিলিটাৰীলৈ গৈ কাৰোবাৰ টকা মাৰি ইয়াত আত্মগোপন কৰি পলাই আছেহি। তাৰ আচল নাম ছমীৰ হয় নে নহয়, তাতো সন্দেহৰ অৱকাশ আছে। নহ'লে তাৰ নাম-ধাম সুধিলে নক'ব কিয় ?

ছমীৰ এটা গুণ্ডা।

চৌবিশ ঘণ্টা মদ আৰু মাইকী লৈয়ে থাকে। লোকক ঠগি অনা টকা—মদ আৰু মাইকীত উৰুৱাবলৈ কিহৰ চিন্তা কৰিব ?

ঘৰটো নামতহে ভাৰা লৈছে, সি সৰহ পৰ মায়া নামৰ বেশ্যাজনীৰ ঘৰতে থাকে। সেই কাৰণে ভাল মানুহৰ সমাজলৈ সি নাহে।

ছমীৰে চেনেহীৰ ঘৰত ৰাতি ৰাতি আড্ডা দিয়ে। চেনেহীৰ চৰিত্ৰ নজনা মানুহতো কোনো নাই। বুঢ়ী হৈছে কি হ'ল ? নতুন প্ৰেমিক পাইছে, পুৰণি অভ্যাস কেনেকৈ এৰিব ?

ছমীৰ পিছে জীনিয়াৰ লগত হে ফুচফুচীয়া মেল মাৰি ৰাতি ৰাতি বহি থাকে। ছোৱালীজনীৰ জীৱনটো খাব। তায়ো যি হে বচকী। এই বেলিহে জোৱায়-জোখায় পৰিছে।

মহচিন ডাক্তৰক বাৰু পালে কিহে ? এনেকুৱা আঁচনাকি গুণ্ডাক ঘৰ লগাব পায় নে ? দুনিয়াখনৰ চৰকে ভাল মানুহ বুলি ভাবিয়ে মানুহজনৰ ৰত বিপদ। বাঁৰী জীয়েকজনী আছে, তাইৰ বুকুতে কামোৰ নিদিলেই ৰক্ষা। মৰক যেয়ে ধ'তে মৰে

অনাথ আশ্ৰমলৈ বোলে ছমীৰে খোজা মাত্ৰকে দুশ টকা দিলে। কিবা মতলব নাথাকিলে এইদৰে চিকাৰুপ ঢালি দিবলৈ কিহে পাইছে ? আশ্ৰমত সেই জাত-কুল যোৱা ছোৱালীবোৰ পুহিছে নহয়। ভালেই হৈছে, ছমীৰ গুণ্ডাক তাৰে মেনেজাৰ পাতি দিয়ক ! ভয় নাই, অনাথ আশ্ৰমত জহৰা লম্বা-ছোৱালী এদল বাঢ়িলে ৰাখিবলৈ ঠাইৰ নাটনি নহয়।

ইয়াৰ উপৰিও নানা কল্পিত কাহিনী বিয়পি পৰিল—অতি অলপ দিনৰ ভিতৰতে। মায়াই ইয়াৰ কিছুমান কথা ছমীৰক ক'লে, ছমীৰে কাণ নিদিলে। সি ক'লে, "মোৰ কথা কোনে কি কৈছে, তাৰ কথা ভাবি তই মূৰ ঘমাব নালাগে। মই সকলো জানো। দৰকাৰ হ'লে কি কৰিব লাগে তাকো জানো।"....

চেনেহীয়েও কথাবোৰ শুনিছিল। এনে কথা চেনেহীয়ে ইয়াৰ আগেয়েও শুনিছিল। তেওঁ একো নকৈ ছমীৰক মাথোন ক'লে, "আমি যাৰ কোনো দিন শত্ৰুতা কৰা নাই, ছল পালেই সিহঁতেও আমাৰ শত্ৰুতা কৰিবলৈ বিচাৰে। তই অলপ চাই-চিতি চলিবি ছমীৰ! আমাৰ দুনিয়াখনত ভাল মানুহ বৰ তাকৰ।"

ছমীৰে হাঁহি ক'লে, "মোৰ কথা তোমালোক কোনেও চিন্তা নকৰিবা, চেনেহী বাইটি। জীৱনত মই বহুত ঠেকা খাইছোঁ। ময়ো ভাল মানুহ নহয়। মদ খাওঁ, বেয়া ঠাইলৈ যাওঁ, দৰকাৰ হ'লে মানুহৰ লগত মাৰপিট্ কৰোঁ। মিলিটাৰীত সম্ভীয়া ধন ঘটিবৰ কাৰণে কত বেয়া কাম নকৰিলোঁ! ময়ো বেয়া মানুহ বাইটি, ভাল মানুহ নহয়। আৰু বেয়া মানুহে বেয়া মানুহক অতি সহজেই চিনি পায়।"

হুমুনিয়াহ কাঢ়ি চেনেহীয়ে ক'লে, "বেয়া মানুহ হোৱাত কোনো বাহাদুৰি নাই বোপাই। দুনিয়াখনত লাখ লাখ বেয়া মানুহ আছে। সিহঁতৰ মাজত থাকি ভাল মানুহ হ'ব পৰাটোহে ডাঙৰ কথা।"

"ভাল মানুহ হৈ কি লাভ? মই বহুত বেয়া মানুহ লগ পাইছোঁ, বহুত ভাল মানুহো লগ পাইছোঁ—ফিৰিস্তাৰ নিচিনা মানুহ। কিন্তু হ'লে কি হ'ব? ভাল মানুহ বেছি দিন ভাল মানুহ হৈ থাকিব নোৱাৰে। হয় ভাল মানুহবোৰ দুখ-কষ্ট ভুগি ভুগি মৰে, নতুবা বেয়া মানুহ হৈ যায়। ময়ো জানো এসময়ত ভাল মানুহ নাছিলোঁ?"

হাঁহি চেনেহীয়ে ক'লে, "তই এতিয়াও ভাল মানুহ হৈয়ে আছ ছমীৰ। মই মানুহ চিনি পাওঁ।"

বিস্ময়েৰে ছমীৰে চেনেহীৰ মুখলৈ চালে। এই মানুহজনীয়ে মোক ভাল মানুহ বুলি ভাবে নেকি? সমগ্ৰ পৃথিৱীখনে যেতিয়া জানিব যে মই এটা বেয়া মানুহ, তেতিয়াও চেনেহী বাইটিয়ে মোক ভাল মানুহ বুলি ভাবিব পাৰিব নে? মোৰ পৰিচয় তুমি একোকে নাজানা বাইটি।

তলমূৰ কৰি ছমীৰে সৰু সৰুকৈ নিজকে কোৱাদি ক'লে, 'মই ভাল মানুহ নহয়—মই এটা বেয়া মানুহ।'

কিন্তু ছমীৰক আটাইতকৈ বেছি বিস্মিত কৰি তুলিলে ডাক্তৰ মহচিনে।

ছমীৰৰ চাৰিওদিশে এটা সন্দিগ্ধ পৰিবেশ গঢ়ি উঠিছিল। ইফালে-সিফালে গ'লেও বাটৰ দুয়োকাষৰ মানুহবোৰে যেন তালৈ চাই ফিচিগু-ফিচিগু কৰিছে, তাৰ অনবৰত তেনে অনুভৱ হ'ব ধৰিলে। সি এটা অশান্তি আৰু অস্বস্তিৰ মাজেদি দিনবোৰ কটাব লগাত পৰিল। যিমানেই সি নিৰ্ব্বিকাৰ হ'বৰ চেষ্টা কৰিলে, সিমানে জনবৰ-বোৰে তাক বেছি আমনি দিব ধৰিলে।

এদিন দুপৰীয়া টান ৰ'দ ওলাইছিল। আলিবাটত মানুহ বেছি নাছিল। মনৰ মাজত বহুত অস্বস্তি আৰু বিৰক্তি লৈ ছমীৰ বৰলৈ ঘূৰি আহিছিল। তাৰ বৰ গৰম

লাগিছিল। সি বিধন হোটেলত প্ৰায়ে ভাত-চাহ খায়, সেই হোটেলৰ মানুহবোৰেও যেন তাৰ প্ৰতি অশ্ৰদ্ধা আৰু অবহেলা প্ৰকাশ কৰা আৰম্ভ কৰিছে। অৱশ্যে ছমীৰে কোনো দিন দৰ-দাম নকৰে, কোনো দিন বাকী নাখায়, খাবৰ সময়ত কোনো দিন চিঞৰ-বাখৰ নকৰে। তথাপি যেন আজি-কালি হোটেলৰ মানুহবোৰে তালৈ অলপ কৌতুহল আৰু ৰহস্যৰ ভাবেৰে চায়। ছমীৰৰ এটা অকাৰণ খং উঠে।

মচজিদৰ আগ পাই ছমীৰে চাই দেখিলে, মহচিন ডাক্তৰ মচজিদৰ পকা বাৰাণ্ডাৰ ওপৰতে বহি আছে। তেওঁৰ গাত সেই পৰিষ্কাৰ বগা কুৰ্ত্তা আৰু পায়জামা—ঢো ঢো কৰে বগা।

ছমীৰ আগবাঢ়িব খুজিছিল। ডাক্তৰে মাতিলে, "ছমীৰ নেকি ?"

"হয়—"

"অকশমান আহাচোন। ৰ'দ লগা নাই জানো ?"

ছমীৰ বিমোৰত পৰিল। ডাক্তৰৰপৰা যিমান পাৰে সি আঁতৰি থাকিবলৈ চেষ্টা কৰে, আৰু মচজিদৰ লগত আজি-কালি তাৰ সম্পৰ্ক নায়েই। মচজিদত নামাজ পঢ়ি কটোৱা সময়খিনি তাৰ অকাৰ্য্যত কাল অপচয় কৰা যেন লাগে। এইবোৰ কাম নোহোৱা মানুহৰ কাম।

এতিয়া যে ডাক্তৰে মচজিদলৈকে মাতিলে !

সি থমক্ খাই ৰ'ল।

"আহা, আহা, তাতে ৰ'লা কিয় ? তোমাক বিচাৰি মই যামহে বুলিছিলোঁ। ইয়ালৈকে আহা। ইয়াত বেছ ঠাণ্ডা।"

অগত্যা ছমীৰ লাহে লাহে গেটখন পাৰ হৈ মচজিদৰ কম্পাউণ্ডলৈ সোমাই গ'ল।

"ইয়াতে বহা, আহা। ক'ৰপৰা আহিলা ?"

"অলপ ওলাই গৈছিলোঁ।"

মচজিদৰ বাৰাণ্ডাত বহিবলৈ যেন ছমীৰৰ অলপ সঙ্কোচ লাগিল।

"বহা, থিয় হৈয়ে থাকিলা দেখোন। ইয়াত বেছ জুৰ।"

ছমীৰ তললৈ ভৰি ৰাখি বাৰাণ্ডাৰ একাষে বহিল।

আত্মীয়তাৰ সুৰত ডাক্তৰে সুধিলে, "নতুন কিবা কাৰবাৰত হাত দিছা নেকি ?"

"নাই দিয়া।"

"কিবা এটা কৰিব লাগিছিল, নহয় জানো ?"

"কৰিম বুলি ভাবিছোঁ—পিছে—"

ডাক্তৰে তাৰ মুখলৈ চালে।

"কিবা অসুবিধা হৈছে নেকি ?"

"অন্য এখন ঠাইতহে কাৰবাৰ আৰম্ভ কৰিমগৈ বুলি ভাবিছোঁ।"

"অন্য এখন ঠাইত ? কিয় ইয়াত কি হ'ল ?"

"ইয়াৰ মানুহবোৰ বৰ ভাল নহয় যেন লাগিছে !"

ডাক্তৰে হাঁহিলে। তেওঁৰ শান্ত, সৌম্য হাঁহিটোৱে তেওঁৰ মুখখন উজ্জ্বল কৰি তুলিলে।

"ইয়াৰ মানুহবোৰ বেয়া বুলিনো তোমাক কোনে ক'লে ?"

ছমীৰে একো নামাতিলে। তলমূৰ কৰি সি বহি থাকিল।

"মইতো ইয়াত সমূৰেপৰা আছোঁ। আজিলৈকে কোনো বেয়া মানুহ লগ পোৱা নাই। তুমি ইয়াতে কাৰবাৰ আৰম্ভ কৰা বুজিছা, দেখিবা মানুহবোৰ বেয়া নহয়।"

ছমীৰে এইবাৰ ক'লে, "কিছুমান মানুহ বৰ ভাল নহয়। আৰু মৰো বৰ ভাল মানুহ নহয়—"

"তেনেকৈ নাপায় ক'ব। কোনোবাই বেয়া বুলি ক'লেই জানো আমি বেয়া হৈ যাম? তুমি আৰু মই মচজিদত বহি আছোঁ। মচজিদত জানো কোনোবা বেয়া মানুহ থাকিব পাৰে? অ' এটা কথাহে, আশ্ৰমৰ ছোৱালী এজনীয়ে তোমাৰ খবৰ কৰিছিল, তোমাক বিচাৰিছিল।"

"আশ্ৰমৰ ছোৱালীয়ে? মোক?"

"এৰা, তোমাক। চেনেহী আৰু মই তোমাৰ কথাকে পাতি আছিলোঁ। ছোৱালীজনীয়ে শুনি আছিল। পিছত তাই ক'লে যে তাই তোমাক চিনি পায়। তাই তোমাক এবাৰ বিচাৰিছে। মোৰ তালৈ আহিলে, মই লগতে লৈ যাব পাৰিম। নহ'লে চেনেহীৰ লগতো যাব পাৰা। তাই কিন্তু বৰকৈ বিচাৰিছে।"

অনাথ আশ্ৰমত ছমীৰৰ কোনো চিনাকি ছোৱালী থাকিব পাৰে, সি ভাবি নাপালে। থাকিলেও তাঁক কিয় বিচাৰিব? অলপ পৰ চিন্তা কৰি ছমীৰে ক'লে, "কোনে যে বিচাৰিছে মই ভাবি পোৱা নাই।"

"আহিবাচোন বাৰু, মৰো সিমান চিনি-জানি নাপাওঁ। ছোৱালীজনী পিছে বৰ ভাল।"

ছমীৰে সন্মতি দিলে—চেনেহীৰ লগতে সি আশ্ৰমলৈ যাব। কিন্তু কোন ভাল ছোৱালীয়ে তাক কিয় বিচাৰিছে সি ভাবি নাপালে।

ছমীৰৰ ভয় লাগিছিল, কিজানিবা ডাক্তৰে তাক নামাজ পঢ়িবলৈ মচজিদলৈ আহিবলৈ কয়। কিন্তু ডাক্তৰে সেই বিষয়ে একো কথা নক'লে। ছমীৰ অলপ আশ্বস্ত হ'ল।

"ইয়াত বেছ জুৰ—নহয় নে?"

"হয়," ছমীৰে সমৰ্থন জনালে।

"চেনেহীক লগ পাবা নেকি?"

"পাব পাৰোঁ।"

"লগ পালে ক'বা যে মই এবাৰ লগ পাব খুজিছোঁ। পাৰিলে আমাৰ ঘৰতে এবাৰ মোক লগ ধৰিব।"

"ভাল বাৰু—মই এতিয়া যাওঁ।"

"যোৱা? বাৰু যোৱা। তুমি কিন্তু আশ্ৰমলৈ এবাৰ যাবলৈ নাপাহৰিবা।"

ছমীৰে আৰু একো নক'লে। লাহে লাহে সি মচজিদৰ কম্পাউণ্ডৰপৰা ওলাই আহি আলিবাটত উঠিল আৰু চিন্তিতভাৱে ঘৰৰ ফালে খোজ দিলে। 'ছোৱালীজনী কোন?' সি মনতে ভাবিলে।

॥ বিয়াল্লিশ ॥

শিলজুৰি বাগিচাৰ বাবু লাইনত এদিন এটা চাঞ্চল্যই দেখা দিলে। প্ৰভাত ঘোষৰ ঘৰলৈ ৰাতি দুপৰত ডাক্তৰ আৰু নাৰ্চ আহিল। ওচৰ-চুবুৰীয়া দুই-এঘৰ বাবুৰ বয়সস্থা পৰিবাৰসকলো আহিল।

ৰাতি তিনি বজাত প্ৰভাত ঘোষৰ মজিয়াত কেঁচুৱাৰ কান্দোন শুনা গ'ল। কিন্তু আধা ঘণ্টামানৰ পিছতে সেই কান্দোন নোহোৱা হৈ গ'ল।

ঘোষ পূৰ্ব্ববঙ্গৰ মানুহ আছিল। অসমলৈ আহি শিলজুৰিত কেৰাণী সোমাইছিল। ঘোষৰ ঘৈণীয়েক আছিল ৰুগীয়া—প্ৰায় বেছিভাগ সময় বিচনাতেই থাকে। ল'ৰা-ছোৱালী দুটা। ছোৱালীজনী হোৱাৰ পিছৰপৰা ঘোষৰ ঘৈণীয়েকৰ প্ৰসূতা আৰম্ভ হৈছিল। তেনেকৈ চলা টান দেখি ঘোষে বিয়া নিদিয়া খুলশালীয়েকজনীক আনি ৰাখিছিলহি। নাম কেতেকী। কেতেকী দেখাই-মেলাই ধুনীয়া ছোৱালী।

কথাটো বাগিচাৰ বাহিৰলৈ নগ'ল। কেতেকীৰ ঘৰতো নাপালেগৈয়ে। তিনি মাহৰ মূৰত ভিনিহিয়েক ঘোষে নি কেতেকীৰ ধুমধামেৰে বিয়া পাতি দিলেগৈ—'দেশত' গৈ।

ডাক্তৰ আনিবলগীয়া নোহোৱা হ'লে হয়তো কেতেকীৰ সন্তানটোৱে বৰ বেছিপৰ উশাহ ল'বলৈ নাপালেহেঁতেন। কিন্তু প্ৰভাত ঘোষ নিৰুপায় হ'ল। কাৰো বুজিবলৈ বাকী নাথাকিল যে কেতেকীৰ সন্তানটোৰ পিতাক কোন। সন্তানটো আছিল এজনী ছোৱালী।

প্ৰভাত ঘোষক ৰক্ষা কৰিলে মতা মহৰী দেবেন গগৈয়ে। দেবেন গগৈ আছিল নিঃসন্তান। বিয়া কৰোৱাৰ সাত বছৰৰ পিছতো কোনো সন্তান হোৱা নাছিল। সদ্যজাত কেঁচুৱাটো দেবেন গগৈয়ে লৈ গ'ল।

সেই সন্তানৰ পিতৃত্বৰ সকলোখিনি দায়িত্ব ল'লে দেবেন গগৈয়ে, 'আৰু তেওঁৰ ঘৈণীয়েকে। নিঃসন্তান পৰিয়ালটিৰ মজিয়াত এজনী গোলাপ ফুল যেন টুকটুক কৰে ৰঙা, গ'ঢ়িত ছোৱালী দিনক দিনে বাঢ়ি আহিল। ছোৱালীজনী দেখিলেই মৰম লগা। নতুন মাক-বাপেকে তাইৰ নাম ৰাখিলে—চেনেহী।

জন্মৰ লগে লগে যি দুৰ্ভাগ্যক মোৰ বুলি লৈ আহে, তাৰ জীৱনত সহজে দুৰ্য্যোগৰ অৱসান নঘটে। বাগানৰ মাজত কাম কৰাই থাকোঁতে এদিন দেবেন গগৈক সাপে খুটিলে। গগৈ নাবাচিল। তেতিয়া চেনেহীৰ হৈছিল ছ'বছৰ। বাগিচাৰ স্কুললৈ অন্য ল'ৰা-ছোৱালীৰ লগতে অহা-যোৱা কৰিছিল মাত্ৰ।

দেবেনৰ আকস্মিক মৃত্যুৰ ফলত গগৈৰ ঘৈণীয়েকে বাগিচা এৰি বাপেকৰ ঘৰলৈ গুচি আহিব লগা হ'ল। বাগিচা এৰাত বৰ দুখ নাছিল, দুখ পালে যেতিয়া সকলোৰে পৰামৰ্শত চেনেহীক বাগিচাৰ ইউৰোপীয় মেনেজাৰৰ তত্ত্বাৱধানত খৃষ্টান মিশ্বনাৰিৰ হাতত শোধাই দিবলগীয়া হ'ল। জন্মৰ দিনাৰপৰা প্ৰতিপাল কৰি ছ'বছৰীয়া

ছোৱালীজনী পৰক গতাই দিব লগা হোৱাত গগৈয়নীয়ে মৰ্মান্তিক দুখ পালে। কিন্তু যেতিয়া সকলোৱে বুজাই ক'লে যে চেনেহীৰ নিচিনা ছোৱালী এজনী লৈ পিছলৈ বিধবা গগৈয়নী বহুত অসুবিধাত পৰিবলগীয়া হ'ব, আৰু তাইক মিশ্বনাৰিৰ হাতত গতাই দিলে, ছোৱালীজনী সুখত ডাঙৰ-দীঘল হ'ব পাৰিব, তেতিয়া অনিচ্ছা সত্ত্বেও গগৈয়নী মান্তি হৈছিল।

চেনেহীৰ নাম চেনেহীয়েই থাকিল, মাত্র চেনেহীক খৃষ্টান ধৰ্ম্মত দীক্ষিত কৰা হ'ল। তাইক অলপ পঢ়োৱা হৈছিল, তাৰ পিছত পঢ়া এৰুৱাই মিশ্বন হস্পিটলত নাৰ্চিং আৰু মিড্-ৱাইফাৰিৰ ট্ৰেইনিং দিয়া হ'ল। চেনেহী হৈ উঠিল—সৱৰৰহী নাৰ্চ চেনেহী।

চেনেহীৰ জীৱনে গঢ় ল'লে, কিন্তু গতিপথ বিচাৰি নাপালে। মিশ্বন হস্পিটলতে নাৰ্চ হিচাপে গাভৰু চেনেহীয়ে জীৱিকাৰ দিহা কৰি লৈছিল। কিন্তু তাতো দুৰ্য্যোগে লগ নাৰিলে।

সেই দিনত এবাৰ দেখিলে চেনেহীক মানুহে পাহঁৰিব নোৱাৰিছিল। চেনেহীৰ পৰিচৰ্য্যা লাভ কৰা ৰোগীয়ে বেমাৰ ভাল হোৱাৰ পিছতো বেমাৰৰ ভাও জুৰি দুদিন থাকি গৈছিল—চেনেহীক এৰি যাবৰ সত নোযোৱাৰ কাৰণে।

এদিন মটৰ এক্সিডেন্ট্ কৰি বাঁওহাত ভঙা এজন ডেকা আহি মিশ্বন হস্পিটলত ভৰ্ত্তি হৈছিলহি। তেওঁ কোনোবা ধনী মানুহৰ ল'ৰা। চেনেহীৰ ওপৰত তেওঁৰ নাৰ্চিঙৰ ভাৰ পৰিছিল। ডেকাৰ হাত কেইদিনমানতে ভাল হৈ গৈছিল, কিন্তু মনৰ মাজত বেমাৰ আৰম্ভ হৈ গৈছিল—চেনেহীক দেখাৰ দিন ধৰি। ধনী ৰোগী, দিনে ৫০ টকা ভাৰা দি স্পেচিয়েল ৱাৰ্ডত থাকে। হাত ভাল হোৱাৰ পিছত ৰেষ্ট্ লোৱাৰ প্ৰয়োজন উপলব্ধি কৰি আৰু এমাহ মিশ্বন হস্পিটলত থাকিল। তাৰ পিছত এদিন পুৱা হাঁহি হাঁহি বিদায় ল'লে।

সেইদিনা ৰাতিয়ে মিশ্বন হস্পিটলৰপৰা চেনেহী অন্তৰ্ধান হৈছিল, আৰু ডেকাৰ পূৰ্ব পৰিকল্পিত ব্যৱস্থা অনুসৰি কলিকতা ওলাইছিলগৈ। অকল হস্পিটলেই নহয়, গোটেই নগৰখনত বাৰ্তাৰিটো ৰজনজনা হৈ পৰিছিল।

এয়া অন্য এখন নগৰৰ কথা।

এদিন অকলশৰে এজনী অপূৰ্ব্ব সুন্দৰী গাভৰু ছোৱালী আহি ইয়াৰ চিভিল হস্পিটলৰ দুৱাৰ-মুখত ৰ'লহি, আগবেলা। ডাক্তৰ মহচিনে তেতিয়া চৰকাৰী ডাক্তৰৰ চাকৰি কৰে। তেৱেঁই তেতিয়া হস্পিটলৰ সম্পূৰ্ণ দায়িত্বত আছিল। তাতে তেওঁ দহ বছৰ কাম কৰিছে।

অনুমতি লৈ চেনেহী ডাক্তৰৰ কোঠালৈ সোমাই গ'ল। আৰু ডাক্তৰৰ নিৰ্দেশ অনুসৰি ডাক্তৰৰ সম্মুখৰ চকীখনতে বহিল।

"কিয় আহিছে? কিবা অসুখ হৈছে নেকি?"

আশা আৰু আস্থাৰে ডাক্তৰ মহচিনৰ মুখৰ ওপৰত চাৱনি থাপি চেনেহীয়ে ক'লে, "মোৰ কোনো অসুখ হোৱা নাই—"

"অন্য কাৰোবাৰ হৈছে?"

"নহয়, অসুখ কাৰো হোৱা নাই। মই এটা কাম বিচাৰি আহিছোঁ।"

"কাম, কি কাম ?"

চেনেহীয়ে সৰু বেগটোৰপৰা উলিয়াই এখন কাগজ ডাক্তৰৰ ফালে আগবঢ়াই দিলে—মিছনৰ হস্পিটলত নাৰ্চিং আৰু মিড্-ৱাইফাৰি ট্ৰেইনিং পাছ কৰাৰ চাৰ্টিফিকেট।

লাহে লাহে ডাক্তৰে ক'লে, "আমাৰ এই হস্পিটলত দুজনী নাৰ্চ'ৰ চেংশ্বন আছে। দুয়োজনী বৰ্ত্তমান আছে। আপুনি জানো এই মিশ্বন হস্পিটলতে কামত সোমাব নোৱাৰিব ? তাত আপোনাক নল'ব জানো ?"

"ল'লেও মই তাত কাম কৰিবলৈ যাব নোৱাৰিম। আপোনাৰ ইয়াতে কিবা এটা উপায় কৰি সুবিধা কৰি দিয়ক চাৰ—"

মহীচনে চাৰ্টিফিকেটখন চেনেহীলৈ ঘুৰাই দি ক'লে, "এইখন ৰাখক। ইয়ালৈ কেতিয়া আহিল ?"

"আজি। ৰেলৰপৰা নামি বাহিৰে বাহিৰে আহিছোঁ।"

অলপ হাঁহি ডাক্তৰে ক'লে, "এনেকৈ কাম বিচাৰিলে পাবলৈ কিছু অসুবিধা। বাৰু আহক—"

ডাক্তৰ বহাৰপৰা উঠিল, আৰু তেওঁৰ কোঠাৰপৰা বাহিৰলৈ ওলাই আহিল। পিছে পিছে চেনেহীও আহিল।

দুয়ো আহি হস্পিটলৰপৰা অলপ দূৰতে থকা ডাক্তৰৰ ঘৰ পালেহি।

ডাক্তৰণীয়ে চেনেহীক চাহ খাবলৈ দিলে, অলপ কথা-বতৰাও পাতিলে। তেওঁ নিজেও ধুনীয়া আছিল। কিন্তু চেনেহীৰ ৰূপটো দেখি তেওঁ যেন লজ্জিত হৈ পৰিল। ইমান সৌন্দৰ্য্য আৰু ইমান যৌৱন লৈ আহিছে ছোৱালীজনীয়ে !

ডাক্তৰে চেনেহীক দুই-চাৰিটা কথা সুধিলে, তাৰ পিছত ক'লে, "চৰকাৰী হস্পিটলত সদ্যহতে কাম দিব পৰাৰ আশা দেখা নাই। কিন্তু আপুনি যদি ইয়াতেই থাকোঁ বোলে, তেন্তে মই এটা ব্যৱস্থা কৰাৰ কথা ভাবিছোঁ।"

চেনেহীয়ে আশাৰে ডাক্তৰৰ মুখলৈ চালে।

"আমাৰ নগৰখনত মিড্-ৱাইফ নাই বুলিলেই হয়। দুই-এজনী ধাই আছে। কাম বৰ ভালকৈ নাজানে। ইয়াত এজনী পাছ কৰা মিড্-ৱাইফ থাকিলে, ৰাইজৰো সহায় হ'ব, মাজে সময়ে আমাৰ হস্পিটলৰ মেটাৰ্নিটি ৱাৰ্ডতো কাম কৰিব পাৰিব। আৰু মইতো আছোঁৱেই। যি পাৰোঁ সুবিধা কৰি দিম।"

সেইদিনা আবেলিৰপৰা চেনেহীৰ অনুৰোধক্ৰমে ডাক্তৰে চেনেহীক তুমি বুলি মাতিবলৈ ধৰিলে, আৰু ডাক্তৰেই হ'ল তেওঁৰ একমাত্ৰ অভিভাৱক আৰু আত্মীয়।

চাৰি দিন ডাক্তৰৰ ঘৰতে থকাৰ পিছত যেতিয়া তেওঁৰ ঘৰৰ কাষৰ সৰু ঘৰটোতে থাকিবৰ কাৰণে চেনেহী গ'ল, তেতিয়া কাষতে এজন নিৰ্ভৰযোগ্য আত্মীয় থকাৰ সকলোখিনি আস্থা লৈ চেনেহী শান্তিৰেই টোপনি গ'ল।

ইয়াৰ এসপ্তাহৰ পিছত ডাক্তৰৰ লগত এটা ডেলিভাৰী কে'চৰপৰা উলটি আহিবৰ সময়ত চেনেহীয়ে ডাক্তৰক ক'লে, "মোৰ এটা কথা আপোনাক এতিয়াও জনোৱা নাই। অৰুণ বৰুৱা নামেৰে এজন ধনী ডেকাই মোক বিয়া কৰাম বুলি হস্পিটলৰপৰা

পলাই নৈ গৈছিল। তেওঁক বিশ্বাস কৰি মযো বাতি পলাই গৈছিলোঁ। আমি কলিকতা ওলাইছিলোগৈ। তেওঁ মোক ঠগিবলৈ বিচাৰিছিল, কিন্তু নোৱাৰিলে; ধৰা পৰি গ'ল। তেওঁৰ ঘৈণীয়েক আৰু এটা ল'ৰা আছে। এদিন তেওঁৰ বাকচত এখন চিঠি পাই মই সকলো গম পাই গ'লোঁ, আৰু ফাকি দি মোক ঠগিবৰ চেষ্টা কৰাৰ কাৰণে তেওঁৰ লগত কাজিয়া কৰি অকলেই গুচি আহিলোঁ।"

কিছুপৰ নীৰৱে আহি থকাৰ পিছত ডাক্তৰে ক'লে, "তেনে ধৰণৰ মানুহ সকলো ঠাইতে থাকিব পাৰে, বুজি-বাজি চলিব লাগে।"

চেনেহীয়ে ডাক্তৰৰ সন্মুখত শপত খোৱাৰ দৰে দৃঢ়ভাৱে ক'লে, "জীৱনত আৰু নোৱাৰিব। নজনা-নুবুজাৰ কাৰণে এবাৰ ঠগ খালোঁ। আৰু কাকো মই বিশ্বাসেই নকৰোঁ।"

হাঁহি ডাক্তৰে ক'লে, "সকলোকে অবিশ্বাস কৰিলে কিজানি পৃথিৱীত চলিবলৈ টান হ'ব।"

কথাষাৰ ডাক্তৰে নিজৰ বিষয়েই ক'লে নেকি চেনেহীয়ে ভালকৈ বুজিব নোৱাৰিলে।

চেনেহীক লগ পোৱাৰ এবাৰ মাহৰ পিছতে ডাক্তৰণীৰ মৃত্যু হৈছিল। তাৰ কেইমাহমানৰ পিছত ডাক্তৰে চৰকাৰী কাম ইস্তফা দিছিল। ইয়াৰ অলপ দিনৰ পিছত চৰকাৰী হস্পিটলত এটা মিড-ৱাইফৰ কাম ওলাইছিল, চেনেহীক কামটো যচা হৈছিল, চেনেহীয়ে নল'লে। বাহিৰাকৈ থাকিয়ে চেনেহীয়ে যথেষ্ট আৰ্জ্জন কৰিছিল। নগৰখনৰ ভিতৰতে—অতি কম সময়ৰ ভিতৰতে চেনেহী জনাজাত আৰু সৰৱৰহী হৈ পৰিছিল।

ডাক্তৰৰ নিচিনাকৈ আজিলৈকে কাকো চেনেহীয়ে বিশ্বাস কৰিব পৰা নাছিল। ডাক্তৰণীৰ মৃত্যুৰ পিছত ডাক্তৰক সান্ত্বনা দিয়াৰ, আশা দিয়াৰ, অকণমান পৱিত্ৰ আনন্দ দিয়াৰ দায়িত্ব লৈছিল চেনেহীয়ে। আত্মীয়তাৰ একান্ত আশ্বাসেৰে চেনেহীয়ে ডাক্তৰক কৈ দিছিল—তেওঁৰ ৰহস্যময় জন্ম-কাহিনী। সেই কাহিনী ক'বলৈ তেওঁৰ অকণো দ্বিধা-সংকোচ লগা নাছিল। ডাক্তৰে মাথোন কৈছিল, "মানৱ-শিশুৰ জন্মক্ষণতকৈ পৱিত্ৰ মুহূৰ্ত্ত আৰু নাই চেনেহী। নিজক তুমি যিমানেই বেয়া বুলি ভাবা, অপৱিত্ৰ বুলি ভাবা লাগিলে, তোমাৰ হাতৰ প্ৰথম স্পৰ্শতেই বহুত স্বৰ্গীয় শিশুৱে জন্ম লাভ কৰিছে। তোমাৰ নাকতে বহুত মানৱ-শিশুৰ জন্মক্ষণৰ পৱিত্ৰ নিশ্বাস লাগিছে। সেই শিশুবোৰক জীৱনৰ মাজলৈ অনাৰ সৌভাগ্য তোমাৰেই নহয় জানো?"

চেনেহীয়ে বুজিবৰ চেষ্টা কৰিলে ডাক্তৰে কি ক'ব খুজিছে! তেওঁ সংকোচেৰে ক'লে, "মোৰ কেতিয়াবা ভয়েই লাগে—মোৰ নিচিনা এজনী মানুহে চোৱাৰ কাৰণে কিজানিবা কোনোবা শিশু অপৱিত্ৰ হৈ যায়।"

ডাক্তৰে ক'লে, 'তুমি জানো জন্ম লোৱা কোনোবা শিশুক কেতিয়াবা ঘৃণা কৰিছা? হাতৰ স্পৰ্শই কাকো অপৱিত্ৰ কৰিব নোৱাৰে, অপৱিত্ৰ কৰে মানুহৰ মনে।"

ডাক্তৰৰ কথাই চেনেহীৰ মনলৈ আত্মবিশ্বাস ঘূৰাই আনিছিল। কেৱল টকাৰ কাৰণেই নহয়, এটা গভীৰ মানৱীয় দায়িত্ববোধে চেনেহীক কৰ্ত্তব্যত আত্মনিয়োগ কৰিবলৈ নতুন প্ৰেৰণা দিছিল।

ভালেমান বছৰ পাৰ হৈ গ'ল।

॥ তিয়াল্লিশ ॥

সন্ধিয়াৰ আগে আগে ছমীৰ আৰু বোধেশ্বৰ গৈ ডাক্তৰৰ ঘৰ ওলালগৈ। ডাক্তৰ ঘৰতে আছিল।

ছমীৰক ডাক্তৰে ক'লে, "তুমি আশ্ৰমলৈ যাম বুলিয়ে ওলাই আহিছা নহয়? এবোঁ যাব পাৰিব, যদি যাব খোজে।"

ছমীৰে ক'লে, "আপুনিও যাব নহয়?"

"ময়ো যাম, তোমালোক অকণমান বহা। মই মগ্‌ৰিবৰ নামাজ কেইৰাকাত পঢ়ি আহোঁ।"

দুয়োকো চাহ দিলে। সিহঁতক চাহ খাবলৈ কৈ ডাক্তৰ নামাজ পঢ়িবৰ কাৰণে মচজিদলৈ ওলাই গ'ল।

এই কেইদিন ছমীৰ আৰু বোধেশ্বৰে ক'ৰবাত জ্যুতিৰ কিবা ভু পায় নেকি খবৰ কৰিছিল, কিন্তু ক'তো কোনো শুং-সূত্ৰকে নাপালে। অৱশেষত সিহঁত দুয়ো এনে এটা অভিমতত উপনীত হৈছিল যে যিহেতু আজি কেইমাহমান জ্যুতিৰপৰা বাপেকে টকা পোৱা নাই, গতিকে এই বিষয়ে কোনো সন্দেহ নাই যে জ্যুতি ইয়াত নাই। হয়তো মাধৱৰ লগতে নাইবা আন কাৰোবাৰ লগতে জ্যুতি অন্য ক'ৰবালৈ গুচি গৈছে। যিজনী ছোৱালীয়ে বেমাৰী বাপেকক মৰিবলৈ এৰি থৈ আহিব পাৰে, তাই যে সদায় বাপেকলৈ টকা পঠাই থাকিব, তেনে আশা কৰাৰ কোনো ভিত্তি নাই। আৰু জ্যুতি এই চহৰতে ক'ৰবাত থাকিলেও তাইতো ভদ্ৰলোকৰ মাজত নাই, তাই হয়তো আছে কোনোবা লেতেৰা গলিত। তাইক কেনেকৈ বিচাৰি উলিওৱা যাব?

চাহ খাই থাকোঁতে এইবোৰ কথাকে পাতি আছিল ছমীৰ আৰু বোধেশ্বৰে। ডাক্তৰ মচজিদৰপৰা আহিল। আৰু ছমীৰহঁতৰ লগতে অলপ বহিল।

"চাহ খালাহঁক নহয়?"

"হয়—" দুয়ো ক'লে।

অলপ পৰ মনে মনে থাকি ডাক্তৰে ক'লে, "আজি এটা বেয়া খবৰ পালোঁহে।"

"কি বেয়া খবৰ?"

"মানুহ এজন ঢুকাল—"

"কোন মানুহ?"

"মানুহজনক অৱশ্যে মই কোনো দিন দেখা নাই, চিনিও নাপাওঁ। কিন্তু তেওঁক মই জানিছিলোঁ।"

বোধেশ্বৰ আৰু ছমীৰে ডাক্তৰৰ মুখলৈ কৌতূহলেৰে চালে।

কৰুণভাৱে হাঁহি ডাক্তৰে ক'লে, "তেওঁৰ ছোৱালীজনীক মই চিনি পাওঁ বুজিছা। ছোৱালীজনীৰপৰাই তাইৰ বাপেকক জানিছিলোঁ। আজি চিঠি পালোঁ, মানুহজন বোলে ঢুকাল।"

তিনিও কিছু সময় মনে মনে থাকিল। তাৰ পিছত ডাক্তৰেই ক'লে, "ছোৱালীজনীক

খবৰটো এতিয়াও দিয়াই নাই। তোমালোকো ব'লা, আমি ছোৱালীজনীক খবৰটো দি আহোঁ।"

এনেতে চেনেহী সোমাই আহিল।

বহাৰপৰা উঠি ডাক্তৰ অলপ আগবাঢ়ি গ'ল।

"আহা চেনেহী। তুমি আহিবা বুলি ভাবিছিলোঁ।"

"অ' তোমালোকো আছা। ছমীৰৰনো আজি-কালি কি হ'ল, ঘৰকৈ নেদেখোঁৱেই দেখোন—"

"যাবই পৰা নাই বাইটি।" অপৰাধীৰ দৰে ছমীৰে ক'লে।

"তোমালোক অকণমান বহা, মই কাপোৰ পিন্ধি ওলাই আহোঁ।" ডাক্তৰে ক'লে। তেওঁ তেতিয়াও মচজিদলৈ যোৱা কুৰ্ত্তা-পায়জামাৰেই আছিল।

চেনেহীও ডাক্তৰৰ পিছে পিছে গ'ল—ঘৰৰ ভিতৰলৈ। চেনেহী আহিলে ডাক্তৰৰ বিধৱা জীয়েকৰ খবৰ নকৰাকৈ নাযায়।

ছমীৰে ক'লে, "এদিন তোক চেনেহী বাইটিৰ ঘৰলৈ নিম বুলিছিলোঁ। সেয়াই চেনেহী বাইটি। তোৰ কথা কৈছিলোঁ।"

বোধেশ্বৰে একো নক'লে।

ডাক্তৰ সাজ পিন্ধি মহচিন ওলাই আহিল। চেনেহীও আহিল। আটাইকেজন ডাক্তৰৰ ঘৰৰপৰা অনাথ-আশ্ৰমৰ ফালে আগবাঢ়িল।

চেনেহীয়ে ডাক্তৰক ক'লে, "ছমীৰটো অকলশৰে আছে, তাৰ বিয়াখন পাতি দিব লাগিব।"

ডাক্তৰে ক'লে, "ময়ো ভাবিছোঁ—"

ছমীৰৰ তালু শুকাই অহা যেন লাগিল। বিয়া? আজিলৈকে তাক জীৱনত কোনোৱে বিয়াৰ কথা কোৱা নাই। সিও কোনো দিন ভবা নাই। বিয়া কৰোৱা মানুহ অন্য এবিধ থাকে। তাৰ নিচিনা মানুহে বিয়া নকৰায়। যাৰ ঘৰ নাই, বাৰী নাই, আপোন পৰিয়াল নাই—পৃথিৱীত কোনোৱেই নাই—সি জানো বিয়া কৰায়? যাৰ টকা-পইচা থাকিলেও নিজৰ পৰিচয় নাই, যাৰ জন্মৰ ইতিহাস ঢাকি ৰাখিছে বহুত কলঙ্কই, বহুত গ্লানিয়ে, তাৰ বিয়া হ'ব কেনেকৈ? তাক বিয়া কৰাব কোনে?

"তোমালোকেনো কি কৰিছাহে বোধেশ্বৰ, ছমীৰৰ বিয়াখন পাতি নিদিয়া কিয়? ছমীৰ কিবা সৰু ল'ৰা হৈ আছে নেকি?" ডাক্তৰে ক'লে।

এনেয়ে বোধেশ্বৰে ক'লে, "হয়—"

ছমীৰ মনে মনে অলপ আতঙ্কিত হৈ উঠিল। আশ্ৰমৰ ছোৱালী এজনীয়ে মোক বিচাৰিছে! তাইক লগ পাবৰ কাৰণে আমি সদলবলে আহিছোঁ। ডাক্তৰ আৰু চেনেহী বাইটিয়ে মোক কোনো দিনে নোকোৱা কথা কৈছে। এইবোৰ কি হৈছে? মোক অকলশৰীয়া পাই এওঁলোকে কিবা কৰি জব্দ কৰিব খুজিছে নেকি?

তেনেহ'লে তোমালোকে কোনেও ছমীৰক চিনি পোৱা নাই। ছমীৰ বেলেগ মানুহ।

বাট বেছি দূৰ নহয়। তেওঁলোক আহি অনাথ-আশ্ৰম পালেহি। তেতিয়া ৰাতি হৈছে। আশ্ৰমত লাইট জ্বলিছে।

দৰ্শক বহা ৰুমতে ছমীৰ আৰু বোধেশ্বৰক বহিবলৈ দি ডাক্তৰ সৰু ল'ৰা-ছোৱালী থকা ঘৰটোৰ ফালে আৰু চেনেহী ছোৱালী আৰু তিৰোতা থকা ঘৰটোৰ ফালে গ'ল। অলপ অস্বস্তি আৰু কৌতূহলেৰে ছমীৰহঁত বহি থাকিল।

কেইমিনিটমানৰ পিছতে ডাক্তৰ আৰু চেনেহী ঘূৰি আহিল ; চেনেহীৰ পিছে পিছে এজনী খীণ ছোৱালী।

ডাক্তৰ বহিল, চেনেহী কিন্তু থিয় হৈয়ে থাকিল। পিছে পিছে অহা ছোৱালীজনীৰ বাউঁসিত ধৰি আগুৱাই দি চেনেহীয়ে ক'লে, "ছমীৰ চাচোন, এওঁক চিনি পাব নে ?"

ছমীৰ আৰু বোধেশ্বৰ দুয়ো ছোৱালীজনীৰ মুখলৈ চালে। সিহঁতৰ চিনি পোৱা যেন নালাগিল। অৱশ্যে সিহঁতে একো নকৈ ছোৱালীজনীৰপৰা চকু আঁতৰাই আনি, চেনেহীৰ মুখৰ ফালে চালে।

ছোৱালীজনীক চেনেহীয়ে সুধিলে, "ইহঁতক চোৱাচোন, তুমি বাৰু চিনিব পাৰিছা নে ?"

ছমীৰৰ ফালে দেখুৱাই ছোৱালীজনীয়ে ক'লে, "চিনি পাইছোঁ, এৱেঁই মোক মিলিটাৰীৰপৰা ৰক্ষা কৰিছিল।"

তাইৰ মাতটোত ছমীৰ বিস্মিত হ'ল। এইবাৰ সি তীব্ৰভাৱে ছোৱালীজনীলৈ চালে। সি চিনি পাই গ'ল। সেইজনী জ্যুতি !

চিনি পাই বোধেশ্বৰে কৈয়ে উঠিল—"জ্যুতি !"

"সেয়া দেখোন তোমালোকে চিনি পালা।"

ডাক্তৰে জেপৰপৰা উলিয়াই খাম এটা চেনেহীৰ হাতত দিলে আৰু বহাৰপৰা উঠি ক'লে, "তোমালোকে কথা-বতৰা পাতাচোন, মই অলপ আহিছোঁ—"

ডাক্তৰ উঠি গ'ল।

বোধেশ্বৰে ক'লে, "মই যে তোমাকে বিচাৰি ইয়াত ওলাইছোঁহি জ্যুতি। তুমি যে ইয়াতে আহি আছাহি, মইতো ক'ব নোৱাৰোঁ।"

চেনেহীয়ে চিঠিখন পঢ়াত মনোযোগ দিলে।

ছমীৰে ক'লে, "তুমি ইয়াত কেনেকৈ ওলালাহি জ্যুতি ! কি জানো খবৰ পাই বোধেশ্বৰে তোমাক বিচাৰি আহি মোৰ ঘৰত ওলাইছিলহি। মই কিন্তু বিশ্বাস কৰা নাছিলোঁ যে তুমি সঁচাকৈয়ে ইয়াতে আছা—"

চিঠিখন পঢ়ি চেনেহীৰ মুখখন শেঁতা পৰি গ'ল। কিন্তু একো নকৈ তেওঁ আগৰ নিচিনাই গহীন হৈ থাকিবৰ চেষ্টা কৰিলে।

জ্যুতিয়ে ক'লে, "মোৰ কথা বাইদেউহঁতে জানে। মইনো কি ক'ম ?"

বোধেশ্বৰে ক'লে, "মই আহিবৰ আজি কেইবাদিনো হ'ল, ছমীৰৰ তাতে আছোঁ। মই সঁচাকৈ তোমাকে বিচাৰি আহিছিলোঁ। তোমাৰ পিতাৰাৰ বৰ অসুখ আছিল। আজি কেইমাহমান তুমি বোলে কোনো খবৰ-বাতৰিও পঠিওৱা নাই, টকাও পঠিওৱা নাই—"

"পিতা এতিয়া কেনেকুৱা আছে ?"

চেনেহীয়ে এবাৰ ছোৱালীজনীৰ মুখলৈ চালে, তেওঁ যেন কিবা এটা বুজিবৰ চেষ্টা কৰিলে। তাৰ পিছত ছমীৰৰ হাতলৈ চিঠিখন দি ক'লে, "জ্যুতিৰ দেউতাকৰ নামত ডাক্তৰে দেখোন সদায় টকা পঠিয়াই আছে। কিমান দিন পোৱা নাই ?"

বোধেশ্বৰে ক'লে, "আগৰ পাঁচ মাহৰ পালে। যোৱা 'তিনি মাহ একো পোৱা নাই।"

জ্যোতিয়ে ক'লে, "মইতো পিতালৈ কোনো দিন টকা পঠিওৱা নাই?"

চেনেহীয়ে ক'লে, "বেমাৰ হৈ আশ্ৰমত পৰি থাকিলে তুমিনো কেনেকৈ টকা পঠিয়াবা! ডাক্তৰেই পঠিয়াই আছে।"

অলপ বৈ তেও' ক'লে, "পিছে আৰু নপঠালেও হ'ব—"

ছমীৰে চিঠিখন পঢ়ি শেষ কৰিছিল। নিৰুদ্বেগভাৱে সি ক'লে, "জ্যোতিৰ পিতাক ঢুকাল—"

কথাষাৰ কৈ সি তলমূৰ কৰিলে।

বোধেশ্বৰে চেপা আৰ্দ্ৰ মাতেৰে প্ৰশ্ন কৰিলে—"ঢুকাল?"

কাৰো মুখত মাত নাই। হঠাৎ যেন সকলোৱে কথা ক'বলৈ পাহৰি গৈছে। জ্যোতি থিয় দিয়াতে থৰ লাগি বৈ গ'ল। নিশ্চল, নিৰ্ব্বাক এটা শিলৰ মূৰ্ত্তিৰ দৰে।

যান্ত্ৰিকভাৱে ছমীৰে চিঠিখন খামত ভৰাই চেনেহীলৈ আগবঢ়াই দিলে। চেনেহীয়ে ল'লে।

জ্যোতিয়ে কন্দা নাই, কান্দিব পৰা নাই। এটা ৰুদ্ধ অন্তৰ্দাহে তাইৰ অনুভূতিক যেন বিফল কৰি দিলে।

বোধেশ্বৰে কিবা এটা ক'ব খুজিছিল, এনেতে ডাক্তৰ সোমাই আহিল। এনে এটা পৰিস্থিতিৰ উত্তৰ হ'ব বুলি যেন ডাক্তৰ প্ৰস্তুত হৈয়ে আহিছিল।

ডাক্তৰে জ্যোতিৰ চকুলৈ চালে। ডাক্তৰক দেখি জ্যোতিৰ দুয়ো চকুৰপৰা অবিৰলভাৱে দুধাৰ তপত লোতক বাগৰি আহিল।

অলপ সময় নীৰৱে থাকি ডাক্তৰে যেন নিজকে সংযত কৰি ল'বৰ চেষ্টা কৰিলে। তাৰ পিছত এনেয়ে জ্যোতিৰ ওচৰলৈ গৈ ক'লে, "এও'ৰ, বোধেশ্বৰৰ কথা ক'ব নোৱাৰোঁ, বাকী—চোৱা জ্যোতি—মোৰ বাবা নাই, চেনেহীৰ বাবা নাই, ছমীৰৰ বাবা নাই—আমি সকলো পিতৃহীন—নহয় নে ছমীৰ?"

হঠাৎ যেন ডাক্তৰৰ কথাষাৰে ছমীৰৰ অনুভূতিত এটা প্ৰচণ্ড আঘাত দিলে। ছমীৰ মুহূৰ্ত্তৰ কাৰণে বিব্ৰত আৰু অধৈৰ্য্য হৈ পৰিল, সি কিবা এটা যেন চিঞৰি ক'ব খুজিলে। সি এটা বেদনাতুৰ অবাক চাৱনিৰে ডাক্তৰৰ মুখলৈ চালে, তাৰ পিছত অসীম অৱসাদত ক্লান্ত হৈ পৰাৰ দৰে তলমূৰ কৰি চকীখনতে বহি পৰিল।

চেনেহীয়ে যেন পৰিস্থিতিটো আয়ত্তলৈ আনিবলৈ চেষ্টা কৰিছিল। হঠাৎ জ্যোতিয়ে এটা চেপা মাতেৰে আৰ্ত্তনাদ কৰি উঠিল—"বাবা—"

ডাক্তৰে তাইৰ মূৰটোত লাহে লাহে হাত ফুৰাই দি ক'লে, "ব'লা আমি অলপ ওলাই যাওঁ। গাড়ী বৈ আছে—"

কোনো কথা নোকোৱাকৈ ডাক্তৰৰ পিছে পিছে চেনেহী, জ্যোতি, বোধেশ্বৰ আৰু ছমীৰ আশ্ৰমৰপৰা বাহিৰ ওলাই আহি, গেটৰ মুখত বৈ থকা টেক্সিখনত উঠিলহি। কিন্তু—কোনেও ক'ব নোৱাৰিলে।

গাড়ীখন আহি মচজিদৰ আগত বৈ, গ'লহি। ডাক্তৰে ক'লে, "অকণমান নামিবা জানো চেনেহী?"

আটাইকেইটা গাড়ীৰপৰা নামিল। মচজিদৰ পশ্চিমফালে থকা নীৰৱ কবৰস্থানখনৰ ফালে দেখুৱাই লাহে লাহে ডাক্তৰ মহচিনে ক'লে, "এয়া মচজিদ, আৰু মচজিদৰ পিছফালে সেয়া আমাৰ কবৰস্থান। এই কবৰস্থানত শুই থকা মানুহবোৰো এদিন আমাৰ নিচিনা জীয়া মানুহেই আছিল। তোমাৰ মনত আছে কিজানি চেনেহী, এদিন মোৰ চোফিয়াকো বগা কাপোৰেৰে ঢাকি বাঁহৰ চাঙীত তুলি আনি ইয়াতেই সমৰ্পণ কৰি দিছিলোঁ। বহুত বছৰ হ'ল কিজানি, কিন্তু মোৰ সউ সিদিনাৰ কথা যেন লাগি আছে। মই মচজিদলৈ আহিলে সদায় কবৰস্থানত শুই থকা মৃতসকলৰ কথা মনলৈ আহে। নীৰৱে তেওঁলোকৰ শান্তিৰ কাৰণে আল্লাৰ ওচৰত অকণমান দোৱা কৰোঁ, প্ৰাৰ্থনা কৰোঁ।"

ডাক্তৰ অলপ ৰ'ল। তেওঁৰ মাতটো গভীৰ হৈ ওলাইছিল, বহুত অব্যক্ত বেদনা আহি যেন তেওঁৰ মাতটোত থুপ খাইছিলহি। তেওঁৰ কথা শুনি যেন জুতিয়ে মুহূৰ্তৰ কাৰণে পিতাকৰ মৃত্যুৰ কথা পাহৰি গৈছিল।

ডাক্তৰে আকৌ নিজকে কোৱাদি ক'লে, "তেওঁলোক গ'ল, আমাৰ ওচৰৰপৰা চিৰদিনৰ কাৰণে গ'ল। তেওঁলোকৰ আত্মাই আল্লাৰ কৰুণাৰ কাষ চপাৰ সুযোগ লাভ কৰিলে। মোৰ চোফিয়াৰ আত্মা, জুতিৰ পিতাকৰ আত্মা, পৃথিৱীৰ লাখ লাখ মৃত ব্যক্তিৰ আত্মা—সকলো আমাৰ স্মৃতিৰ দেশলৈ, অনন্তৰ জ্যোতিৰ দেশলৈ গুচি গ'ল। তেওঁলোকৰ মুক্তি আৰু শান্তিৰ কাৰণে প্ৰাৰ্থনা কৰাৰ বাহিৰে আমাৰ আৰু কোনো উপায় নাই।"

কৈ ডাক্তৰে জোতাযোৰ খুলিলে, আৰু দুয়োহাত তুলি মুনাজাত কৰিলে। ছমীৰেও মুনাজাত কৰিলে ডাক্তৰৰ দৰেই। চেনেহী, জুতি আৰু বোধেশ্বৰে নীৰৱে তলমূৰ কৰি সেই প্ৰাৰ্থনাত সমৰ্থন জনালে।

তাৰ পিছত আটাইকেইজন আহি গাড়ীত উঠিলহি। কাৰো মুখত মাত নাছিল।

হঠাৎ ছমীৰৰ মনত লাগিল যেন মচজিদটোৰ পশ্চিমত হঠাৎ কবৰবোৰ খোল খাই গ'ল আৰু ধক্‌ধকীয়া বগা কফন পিন্ধা মোৰ্দাবোৰে মূৰ তুলি সিহঁতৰ ফালে থৰ লাগি চাই আছে।

ছমীৰৰ গাৰ নোমবোৰ শিয়ৰি উঠিল। সি চকু দুটা মুদি দিলে আৰু ডাক্তৰৰ গাৰ কাষ চাপি বহিল, অন্যে ক'ব নোৱাৰিলে।

গাড়ী চলিল। ডাক্তৰে ক'লে, "চেনেহী, যদি বেয়া নোপোৱা জুতিক আজি তোমাৰ ঘৰলৈকে লৈ যোৱা। দুই-এদিন তোমাৰ তাতে থাককগৈ। তোমালোকৰ কিবা অসুবিধা হ'ব নেকি ?"

চেনেহীয়ে ক'লে, "ময়ো তাকেই ক'ম বুলি ভাবিছিলোঁ। তুমি বেয়া নোপোৱা নহয় জুতি ?"

জুতিয়ে মাথোন আন্ধাৰৰ মাজেদিয়ে চেনেহীৰ চকুলৈ চালে, একো মাতিব নোৱাৰিলে।

চেনেহীৰ ঘৰৰ আগত ডাক্তৰৰ বাহিৰে সকলো গাড়ীৰপৰা নামিল। ডাক্তৰে ক'লে, "ছমীৰ, বোধেশ্বৰে কি কৰে মোক জনাবা। জুতি ঘৰলৈ ঘূৰি যাব খোজে যদি আমি পঠিয়াই দিয়াৰ দিহা কৰিম, কিন্তু এতিয়া যোৱাৰ কিবা দৰকাৰ আছে নে নাই ভাবি চাবা।"

॥ চৌৰাল্লিশ ॥

ছমীৰৰ মনটো বৰ বিষণ্ণ লাগিছিল। বিশেষকৈ সিদিনা ৰাতি মচজিদৰ সন্মুখত ডাক্তৰে যেতিয়া মৃতাত্মাসকলৰ কাৰণে প্ৰাৰ্থনা কৰিছিল, তেতিয়া তাৰ মনৰ মাজলৈ আহিছিল—তাৰ নানাকৰ সেই দৃঢ়, সবল মুখখনৰ ছবিখন। কিয়? মই এজন বাবাৰ কাৰণে, পিতৃৰ কাৰণে প্ৰাৰ্থনা কৰাৰ সৌভাগ্যৰপৰা বঞ্চিত হ'লোঁ কিয়? ক'ত আছে সেই মানুহজন, যাৰ ৰক্ত আছে মোৰ শৰীৰৰ প্ৰতিডাল সিৰত? কিয় তেওঁ আত্মগোপন কৰিলে, বৌটিয়েইবা তেওঁৰ নাম কাকো নক'লে কিয়?

দুপৰীয়া ভাত খাই উঠি, খিৰিকীৰ কাষৰ বিচনাখনত ওপৰলৈ মুকৈ শুই, দূৰৰ নীলা আকাশখনৰ ফালে চাই চাই আগ-গুৰি নোহোৱা কথাবোৰ ভাবি গৈছিল ছমীৰে! জীৱনে তাক ক'ৰপৰা ক'লৈ লৈ আহিছে, তাৰ অকণো নুবুজা যেন লাগিল। সি যেন অনিশ্চিত পথেদি বহুত দূৰ আহিল—সম্পূৰ্ণ অকলশৰে। আৰু শেষ পৰ্য্যন্ত সি এইদৰেই গৈ থাকিব লাগিব।

'আকস্মিকভাৱে এদিন লগ পোৱা এই জ্যুতি নামৰ ছোৱালীজনীক আকৌ লগ পাই গ'লোঁ কিয়? তাই দুখীয়া, মই টকা দিব পাৰোঁ, তাইৰ বাপেক মৰিল, সেইবাবে মই সমবেদনা জনাব পাৰোঁ, কিন্তু তাই যে এজনী বৰ বেয়া ছোৱালী সেই কথা মই অস্বীকাৰ কৰিব নোৱাৰোঁ। তাই কিজানি মায়াৰ নিচিনাই এজনী বেয়া ছোৱালী। বুঢ়া, বেমাৰী বাপেকৰ কাৰণে তাই নিজকে নেবেচি নিশ্চয় অন্য ৰকমেও দুপইচা আৰ্জ্জন কৰিব পাৰিলেহেঁতেন। বেয়া ছোৱালী নোহোৱা হ'লে তাই জীৱিকাৰ ভাল পথ ল'লেহেঁতেন।

বৌটিহঁতে বাৰু মই মৰিলোঁৱেই বুলি এৰি দিলে নেকি? আজি ইমান দিনে এখন চিঠি দিব নাপায় নে? নাই, মোৰ কথা কোনোৱে মনত ৰখা নাই, মোক সকলোৱে পাহৰি গৈছে, আনকি পাভজনীয়েও।

পাভৰ কিজানি বিয়া হৈ যাব পায়। তাই কিন্তু মোক বহুত মৰম কৰিছিল। পিছে তাই বৰ দুষ্ট। মোৰ আগত অকণো লাজ নকৰে।···

বহুত দিন তাইৰ কথা ভবাই নাই। তায়ো আজি-কালি মোলৈ চিঠি নিদিয়ে।

আগ-গুৰি নোহোৱা নানা কথা ছমীৰৰ মনলৈ আহিছিল। ঘৰটোৰ ভিতৰত নীৰৱতাখিনিয়ে তাৰ মনটোক অলপ উদ্‌ভ্ৰান্ত কৰি তুলিছিল।

কোনো কথা-বতৰা নোকোৱাকৈ আৰু কাকো মাত নলগোৱাকৈ একেবাৰে তাৰ কোঠালৈ সোমাই আহিল জীনিয়া। তাইৰ ৰঙা পৰা মুখখনত নিৰ্ভীক তৃপ্তিৰ হাঁহি।

তাই আহি ছমীৰৰ বিচনাখনৰ কাষত ৰ'লহি। তাইৰ ফালে চাই ছমীৰ বিচনাতে বহি দিলে।

"জীনিয়া—!"

মুৰটো জোকাৰি জোকাৰি জীনিয়াই ক'লে, "ওঁ—"

"বহা জীনিয়া—"

"ওহোঁ—" আকৌ তাই মূৰটো জোকাৰিলে।

ছমীৰ বিচনাৰপৰা নামি আহিল, আৰু চকীখনৰ ফালে দেখুৱাই ক'লে, "বহাচোন বাৰু।"

জীনিয়া বহিল।

ছমীৰে লক্ষ্য কৰিলে জীনিয়াৰ চকু-মুখত অভিমানৰ ডাৱৰ জমা হৈছে।

"মই ঘৰত থকা বুলি কেনেকৈ জানিলা।"

"মই সদায় খিৰিকীৰ কাষত বহি চাই নাথাকোঁ নেকি? তুমিহে আমাৰ ঘৰৰ আগেদি আহিলে আমাৰ ফালে নোচোৱাই।"

মানুহৰ মনৰ কোমল অনুভূতিবিলাক দুৰ্ব্বল বুলি ভবাৰ অভ্যাস হৈ আহিছিল ছমীৰৰ। কিন্তু এইটো মুহূৰ্ত্তত তাৰ জীনিয়ালৈ মৰম লাগি যোৱা যেন লাগিল। জীনিয়াৰ মুখলৈ চাই সি ক'লে, "মোলৈ চাই থকা মানুহ দুনিয়াতে কোনো নাই। মোক দেখিলেও সিফালে মুখ কৰে। তুমি আকৌ মোলৈ চাই থকা বুলি কেনেকৈ জানিম?"

জীনিয়াক ছমীৰৰ এজনী সৰু ছোৱালী যেন লাগিল—যেতিয়া সি দেখিলে তাই মুখখন ওন্দোলাই পেলাইছে। জীনিয়াই এখন পাতল হালধীয়া ৰঙৰ শাৰী পিন্ধি আহিছে, আৰু নিজ হাতেৰে সী লোৱা এটা টিক্‌টিক্‌ কৰে ৰঙা ব্লাউজ পিন্ধিছে। তাইৰ বেণী দুডালৰ মূৰত দুডাল সেউজীয়া ৰিবন। সৰু ক'লা ফিতাৰ চেণ্ডেলযোৰৰ ফাকে ফাকে তাইৰ সৰু, বগা ভৰি'দুখন আৰু আঙুলিকেটা ওলাই আছে। ছমীৰে তাইৰ মূৰৰপৰা ভৰিলৈকে বহস্যেৰে চোৱাদি চালে।

হঠাৎ জীনিয়াই থিয় হৈ দিলে। ছমীৰ উচপ্ খাই উঠিল। খৰ্‌খৰ্‌কৈ তাই ক'লে, "আমাৰ ঘৰলৈ নাযায়েই। নমতাকৈ মই নিজেই আহিলোঁ, এতিয়া আকৌ কথা নকৈ চাই আছে, মই যাওঁ।"

হাঁহি ছমীৰে ক'লে, "তোমালৈ যদি চাব নাপায় কোৱা! বহা বাৰু দেই! কি চাইছোঁ জানা—চাইছোঁ, তুমি এজনী সৰু ছোৱালী নে ডাঙৰ ছোৱালী—"

কথাষাৰত জীনিয়াই লাজ পালে। আকৌ কিছুমান ৰঙা আহি তাইৰ গালত থুপ খালেহি। তাই বহি দিলে।

তাই ক'লে, "বাৰু মোক ফাকি দিব নালাগে। মই সৰু ছোৱালী নহয়—"

ছমীৰ অলপ গহীন হ'ল আৰু ক'লে, "চেনেহী বাইটি আছে নে নাই?"

জীনিয়ায়ো শান্ত হৈ ক'লে, "নাই। মা আৰু কেতিয়াবা ঘৰত থাকে নে? মোৰ যে অকলে ঘৰত থাকিবলৈ বেয়া লাগে মাই কোনো দিন নাভাবে।"

"স্কুললৈ নগ'লা?"

"বন্ধ আছে। তুমি আৰু একো ক'বই নোৱাৰা।"

ছমীৰে হাঁহিলে। স্কুলৰ লগত কাহানিবাই তাৰ সম্পৰ্ক শেষ হৈছে, কেতিয়া খোলা থাকে, কেতিয়া বন্ধ থাকে সি ক'ব নোৱাৰে। লাহে লাহে সি ক'লে, "জানা জীনিয়া, মোৰ ঘৰলৈ কোনো দিন কোনো ছোৱালী অহা নাই। তুমিয়ে প্ৰথম আহিছা। মোৰ খুব ভাল লাগিছে।"

জীনিয়াই ক'লে, "মই এনেই অহা নাই, দৰকাৰতহে আহিছোঁ।"
"এৰা, মই জানিছোঁ নহয়, এনেইনো কিয় আহিবা, নহয় জানো ?"
জীনিয়াই চিঞৰি উঠিল, "আকৌ তেনেকৈ কৈছা ?"
"তুমিয়েইতো ক'লা।" ছমীৰে হাঁহিলে।
জীনিয়াই তাৰ মনৰ মাজৰ বিষণ্ণতাখিনি যেন নোহোৱা কৰি দিলেহি।
বান্ধনি ল'ৰাটোক মাতি ছমীৰে দুয়োৰে কাৰণে চাহ কৰিবলৈ ক'লে।
জীনিয়া ইতিমধ্যে কিছু সহজ আৰু শান্ত হৈ পৰিছে।
ছমীৰ বিচনাখনতে বহিল।
জীনিয়াই ক'লে, "আজি-কালি আমাৰ ঘৰলৈ নাই যোৱা কেলেই ?"
"নাই যোৱা জানো ? মাজে মাজে যাওঁ নহয় ?"
"মাজে মাজে যে যোৱা, সদায় নোযোৱা কেলেই ? সিদিনা মাই মালভোগ কল আনিছিল, মই পুডিং বনাইছিলোঁ। ইমান ভাল হৈছিল পুডিংখিনি, তুমি আকৌ সেইদিনা নগ'লাই।"
"মোক মাতি নপঠিয়ালা কেলেই ?"
মুখটো জোকাৰি জীনিয়াই ক'লে, "কেলেই মাতিম ? আপোন মানুহক মাতি খুৱায় নেকি ? তোমাৰ ভাগৰ পুডিংখিনি এদিন থৈ দিছিলোঁ। পিছদিনা পেলাই দিলোঁ।"
ছমীৰে একো নক'লে। এই ছোৱালীজনীয়ে মোক আপোন মানুহ বুলি ভাবে নেকি ? তাইৰনো মই কেইদিনৰ চিনাকি ? তাইক আপোন কৰিবলৈ মইতো একো কৰা নাই।
ছমীৰে জীনিয়াৰ মুখলৈ চালে। চেনেহীৰ পাৰ-ওপচা মৰমৰ মাজত ডাঙৰ হৈ জীনিয়াজনী সবল, সৰু ছোৱালী এজনী হৈ আছে। তাই পৃথিৱীখনক এতিয়াও চিনি পোৱা নাই। মোক যিদিনা তাই চিনি পাব, যিদিনা তাই বুজিব মই কিমান বেয়া মানুহ, তেতিয়া তাই আৰু মোক আপোন বুলি ভাবিব নোৱাৰিব।
"মোলৈ তেনেকৈ চাই আছা কেলেই ?" শাৰীখন অলপ টানি-টুনি লৈ জীনিয়াই ক'লে।
ছমীৰে হাঁহিবৰ চেষ্টা কৰি ক'লে, "মোলৈ তোমাৰ মৰমখিনি ক'ত আছে চাইছোঁ—"
আকৌ জীনিয়া ৰঙা পৰিল।
"মোৰ মৰম নাই, যোৱা—"
তাইৰ নাকটো কঁপিছে। কিবা এটা জগৰ লগাই তাই যেন ধৰা পৰি গৈছে। তাই গোটেই মানুহজনী ৰঙা পৰিছে। খিৰিকীয়েদি সোমাই অহা বতাহখিনিয়ে তাইৰ মুখৰ মিহিন, সৰু চুলিখিনিত অকণ অকণ ঢৌ তুলিছে।
হঠাৎ ছমীৰৰ মনত লাগিল যেন জীনিয়া নামৰ ছোৱালীজনী তাৰ আগত বহি থকা নাই। সি যেন এটা সপোন দেখিছে। যেন তাৰপৰা বহুত দূৰত, দূৰ নীল আকাশৰ বুকুত সি কোনো দিন আগেয়ে দেখা নোপোৱা এক দেৱবালাৰ জীৱন্ত ছবি দেখিছে।
এনেয়ে সি তাৰ নিজৰ গাল আৰু থুতৰিৰ ওপৰত হাত ফুৰালে, দুদিন ডাটি

খুবোৱা নাই। গালবোৰ খহটা হৈ গৈছে। সি অনুভৱ কৰিলে যেন সি বৰ অপৰিষ্কাৰ হৈ আছে। বহুত দিন।

ছমীৰে ক'লে, "জীনিয়া, মই যদি তোমালোকৰ ঘৰলৈ সদায় যাওঁ, তুমি বেয়া নাপাবা জানো ?"

এজনী বয়সীয়া তিৰোতাই কোৱাদি গহীন হৈ তাই ক'লে, "বাৰু হৈছে—নালাগে যাব। সদায় যোৱা মানুহ আমি চিনি পাওঁ।"

চাহ আহিল। টিপয়খন ওচৰ চপাই আনি ছমীৰে কেইডোখৰমান বিস্কুট আগবঢ়াই দি ক'লে, "খোৱা, মোৰ ল'ৰাটোৱে আকৌ পুডিং বনাব নাজানে।"

ঘোপাকৈ ছমীৰলৈ চাই জীনিয়াই চাহ খাব ধৰিলে। ছমীৰেও চাহৰ পিয়লাত শোহা মাৰিলে।

জীনিয়াই ক'লে, "জুতি বাইদেউৰ হেনো আকৌ অসুখ হৈছে। মানুহজনী বেমাৰী কিজানি। শেঁতা—নহয় নে বাৰু ? মাক মাতি পঠালে। তাৰপৰা বা ক'লৈ যায়গৈ। কিমান যে কেঁচ থাকে সদায়। মোৰ অকলে অকলে খুব বেয়া লাগিল, সেই দেখি ইয়ালৈ গুচি আহিলোঁ। তুমি কিজানি বেয়া পাইছা ?"

"জুতিৰ আকৌ কেতিয়াৰপৰা অসুখ ?"

"জানো, কালিৰপৰা হ'ব পায়। আমাৰ ঘৰত থকা কেইদিন তেওঁ বৰ বেজাৰ কৰি আছিল, বাপেক মৰিল নহয়।"

"এৰা," ছমীৰে ক'লে।

"তেওঁৰ হেনো আৰু কোনো নাই। নাই যদি নাই। বেজাৰ কৰি থাকিলে কি হ'ব ? মোৰো দেখোন কোনো নাই, মই বেজাৰ কৰোঁ নে কিবা ?"

জীনিয়ালৈ চাই ছমীৰে ক'লে, "তোমাৰ মা আছে নহয়—"

জীনিয়াই একো নামাতিলে।

ছমীৰৰ কথাষাৰে যেন তাইক সান্ত্বনা দিব নোৱাৰিলে। তাই যেন কিবা কাৰণত অলপ ক্ষুণ্ণ হ'ল।

ছমীৰে চাহখিনি শেষ কৰিব নোৱাৰিলে। পিয়লাটো থৈ দিলে। মুহূৰ্ত্ততে যেন তাৰ মনৰ সকলো আনন্দ নোহোৱা হৈ গ'ল। কিবা এটা বিষাদে যেন হঠাৎ তাৰ মনটো ছানি পেলালে, চকু দুটা ক্ৰমাৎ সেমেকি অহা যেন লাগিল তাৰ।

জীনিয়াই তাৰ মুখলৈ চালে। তাই স্তম্ভিত হৈ গ'ল। কেনেকুৱা হৈ গৈছে ছমীৰৰ মুখখন, ক'লা পৰি গৈছে ! বেজেৰুৱা হৈ গৈছে ! কিবা যেন কান্দো কান্দো হৈ গৈছে !

তাইৰো মনটো দমি গ'ল। 'মই কিবা টান কথা ক'লোঁ নেকি ?'—তাই ভাবিলে।

"কি হৈছে ? তেনেকুৱা কৰিছা কেলেই ?" বৰ মৰম লগাকৈ জীনিয়াই সুধিলে।

জীনিয়াৰ মুখৰ ফালে চাই গভীৰ অস্পষ্ট মাতেৰে ছমীৰে ক'লে, "মোক তুমি মৰম নকৰিবা জীনিয়া, মই বৰ বেয়া মানুহ, একেবাৰে বেয়া মানুহ।"

"ইঃ, কোনে কৈছে তুমি বেয়া মানুহ। তুমি ইমান ভাল। তোমাক মোৰ খুব ভাল লাগে।"

ছমীৰ বিচনাখনতে ওপৰলৈ মুকৈ শুই পৰিল। আৰু লাহে লাহে নিজকে কোৱাদি ক'লে, "জীনিয়া, এই দুনিয়াত মোৰ কোনো নাই। মোৰ বাবাও নাই—"

জীনিয়া চকীৰপৰা উঠি আহিল আৰু ছমীৰৰ ওচৰতে বিচনাখনত বহি সুধিলে, "সৰুতে মৰিল, নহয় ?"

জীনিয়াৰ হাতখনত গালেৰে হেঁচি ধৰি এটা অশান্ত সৰু ল'ৰাৰ দৰে ছমীৰে চেপা মাতেৰে ক'লে, "নহয় জীনিয়া, সৰুতে মৰা নাই। মোৰ বাবা কোন মই ক'বই নোৱাৰোঁ, কোনোৱেই ক'ব নোৱাৰে। মই এটা—মই এটা—"

সি আৰু কথা ক'ব নোৱাৰিলে। তাৰ কথা জীনিয়াই একো বুজিব নোৱাৰিলে। এটা সৰু ল'ৰাক সান্ত্বনা দিয়াৰ দৰে জীনিয়াই তাৰ চুলিবোৰৰ মাজত আঙুলি বুলাই বুলাই তাক যেন মৰম কৰিব ধৰিলে।

"সকলোৰে বাবাক থাকে নে ? দুখ কৰিলে কি হ'ব ? মোৰো বাবা নাই, মই নাভাবোঁৱেই।"

ছমীৰে ক'লে, "মই নাভাবি নোৱাৰোঁ, এক মুহূৰ্ত্তৰ কাৰণেও সেই চিন্তা মোৰ মনৰ মাজৰপৰা নাযায়। সেই চিন্তাৰপৰা ৰক্ষা পাবৰ কাৰণেই মই স্কুল এৰি যুদ্ধলৈ গ'লোঁ। নিজৰ ঠাইলৈ ঘূৰি নগৈ অকলশৰে ইয়াতে পৰি আছোঁ। সেই চিন্তাৰপৰা মুক্তি পাবৰ কাৰণেই মই মদ খাওঁ জীনিয়া, আৰু বহুত বেয়া কাম কৰোঁ। তুমি সৰু ছোৱালী, তোমাক মই বুজাই ক'ব নোৱাৰোঁ। তুমিও মোক মৰম নকৰিবা জীনিয়া।"

জীনিয়া তাৰ আৰু কাষ চাপি গ'ল, আৰু বৰ মৰমেৰে তাৰ গালে-মুখে আথ-বেথকৈ হাত ফুৰাই দি লাহে লাহে ক'লে, "মোৰ বাবা নাই কাৰণে আমাৰ ঘৰলৈ কোনো নাযায়। মোক কোনোৱে মৰম নকৰে। মই সৰু ছোৱালী নহয় জানা, বহুত কথা বুজি পাওঁ। তোমাক মৰম নকৰিবলৈ মোক নক'বা দেই। তোমালৈ এনেয়ে মোৰ খুউব মৰম লাগে।"

অশ্ৰুসিক্ত চকুৰে ছমীৰে জীনিয়াৰ মুখলৈ চালে। এনেকুৱা কথা তাক কোনোৱে কাহানিও কোৱা নাই। জীনিয়াৰ কথাত কোনো কৃত্ৰিমতা নাই। তাই সৰল, কিন্তু এনেকুৱা এজনী সৰল ছোৱালীক কেনেকৈ মৰম কৰিব লাগে সি নাজানে। মৰমেৰে তাইৰ পিঠিত হাত থৈ ছমীৰে জীনিয়াক বুকুৰ কাষলৈ চপাই আনিলে। এজনী তেনেই সৰু ছোৱালীৰ নিচিনাকৈ তাৰ বুকুতে পৰি থাকি জীনিয়াই লাহে লাহে ক'লে, "মা ৰাতি ঘৰত নাথাকিলে মোৰ কেতিয়াবা ভয় লাগে। আজি ৰাতিও মা ঘৰলৈ 'আহিব নোৱাৰোঁ' বুলি কৈ গৈছে। সেই কাৰণেই মই আহিছিলোঁ। আজি ৰাতি তুমি আমাৰ ঘৰতে থাকিবাগৈ দেই ! মাক মই কৈ থৈছোঁ। মাই কৈ গৈছে, বোলে 'মাতিবগৈ। বেয়া নাপায় যদি থাকিবলৈ ক'বি'। যাবা ?"

জীনিয়াৰ সৰলতাই তাক অভিভূত কৰি তুলিলে। সি ক'লে, "গ'লে আক' তুমি মোক মৰম কৰিবা নেকি ?"

"যাঃ" বুলি জীনিয়া তাৰ কাষৰপৰা আঁতৰি আহিল।

তাৰ চকুলৈ চাই চাই জীনিয়াই ক'লে, "মাক মই সকলো কৈ দিম ৰ'বা। ইয়াত ঘৰটোত সোমাই অকলে অকলে কান্দি থাকা—মই মৰম কৰোঁ বুলি আমাৰ ঘৰলৈ নোযোৱা—মই চব কৈ দিম—"

ছমীৰ বিচনাতে বহিল আৰু শান্তভাৱে ক'লে, "সঁচাকৈয়ে জীনিয়া, মই কাৰো মৰম সহ্য কৰিব নোৱাৰোঁ। মানুহৰ মৰমলৈ মোৰ ভয় লাগে—"

"মই মাইকী ছোৱালীজনীয়েই মৰমলৈ ভয় নকৰোঁ, তুমি আকৌ মৰমলৈ ভয় কৰা !" হাঁহি জীনিয়াই ক'লে।

"তোমাক কোনোবাই মৰম কৰে জানো ?" ছমীৰে সুধিলে।

"নকৰে, কোনে কৰিব ? মোক মৰম কৰিব লাগে বুলি তুমি আমাৰ ঘৰলৈকে নোযোৱা হ'লা। মই কিবা বুজি নাপাওঁ নেকি ?"

ছমীৰৰ মনটো পাতল লাগিল। অলপ পৰৰ আগৰ তাৰ মনৰ বেজাৰখিনি নোহোৱা হৈ গ'ল। সি বিচনাৰপৰা নামি আহিল আৰু জীনিয়াৰ ওচৰলৈ আহি ক'লে, "বাইটিক একো নক'বা দেই। নহ'লে তেওঁ বৰ বেয়া পাব। মোক আৰু বেয়া মানুহ বুলি ভাবিব।"

"আজি যাবা নে নোযোৱা ?"

"নগ'লে ভয় কৰিবা নেকি ?"

"তেনেহ'লে যাবলৈ ভয় কৰিছা ?"

ছমীৰ জব্দ হৈ গ'ল।

"যাম বাৰু। পিছে অলপ দেৰিহে হ'ব কিজানি। গধূলি অলপ কাম আছে।"

"কি কাম আছেনো ?"

"একো নকৰাকৈ বহি বহি খাই আছোঁ। এনেকৈতো সদায় চলিব নোৱাৰি। কিবা কাজ-কাৰবাৰ এটাৰ ব্যৱস্থা কৰিব খুজিছোঁ। ইয়াৰ পি. ডব্লিউ. দি.ৰ এটা ঠিকাৰ কাৰণে চেষ্টা কৰিছোঁ, পাব পাৰোঁ কিজানি।"

"অ' ভাল হৈছে। তাকে কৰা।"

হাঁহি ছমীৰে ক'লে, "এৰা, নৈৰ দলং এখন সজাব লাগে। ইয়াত নহয়, ইয়াৰপৰা ৩৪ কিলোমিটাৰ দূৰত। তেতিয়া ভালেই হ'ব, তাতে থাকিব লাগিব। ইয়ালৈ আৰু আহিব নালাগিব।"

মুৰটো জোকাৰি জীনিয়াই ক'লে, "তেনেকৈ কৈ নাথাকিবা জানিছা ! মাক কৈ মই তোমাৰ ঠিকা পোৱা বন্ধ কৰাই দিম। মাই চৰকে চিনি পায়।"

"তেতিয়া হ'লেতো মই ইয়াৰপৰা আগতেই পলাব লাগিব।"

জীনিয়াই ক'লে, "ক'লৈ পলোৱা চাম নহয়। বাৰু, এতিয়া মই যাওঁ। মই নোশোওঁ, বহি থাকিম, তুমি যাবা। যাবা নে নোযোৱা ?"

ছমীৰৰ জীনিয়ালৈ মৰম লাগিল। সি ক'লে, "আবেলিয়েই হ'ল, মই এতিয়াই অলপ ওলাই যাম। পৰাপক্ষত সোনকালেই আহিম। তুমি বাৰু মোৰ কাৰণে বহি থাকিব নালাগে। শুলেও মই জগাই দিব পাৰিম !"

জীনিয়া লাহে লাহে গ'লগৈ।

॥ পঞ্চত্ৰিশ ॥

এক্‌জিকিউটিভ্ ইঞ্জিনীয়াৰৰ হেড্ ক্লাৰ্কক লগ পাম বুলি ঘৰৰপৰা ওলাই গৈ ছমীৰ ডাক্তৰ মহচিনৰ ঘৰ ওলালগৈ। জুতিৰ আকৌ কি অসুখ হৈছে খবৰ কৰিবৰ কাৰণে। ডাক্তৰ ঘৰত নাই। আশ্ৰমলৈকে গৈছে। বিশেষ নাভাবি ছমীৰ আশ্ৰমৰ

ফালেই আগবাঢ়িছিল। বাটতে জয়নাথৰ লগত ভেটা-ভেটি হ'ল। দুয়ো দুয়োৰে চকুলৈ চালে। হঠাৎ জয়নাথক দেখি ছমীৰৰ খং উঠা যেন লাগিল।

"কোনফালে যোৱা ?" জয়নাথেই সুধিলে।

"অফ্‌'নেজলৈ—" চমুকৈ ক'লে ছমীৰে।

"তোমাক এবাৰ লগ পাবৰ কাৰণে মই তোমাৰ ঘৰলৈ যাম বুলি ভাবিছিলোঁ—"

"কেলেই ?"

"অলপ দৰকাৰ আছিল।"

কথাবোৰ খোলাখুলিকৈ নোকোৱাৰ কাৰণে ছমীৰ বিৰক্ত হ'ল। অলপ ৰূঢ়ভাৱে সি ক'লে, "টকা লাগে নেকি ?"

জয়নাথে হয়তো তাৰ মনৰ অৱস্থাটো বুজি পালে। ক'লে, "ঠিক টকাৰ কাৰণে নহয়—বাৰু, এতিয়া এফালে যাবলৈ আহিছা, যোৱা। মই কোনোবা এটা সময়ত ঘৰতে লগ ধৰিম।"

ছমীৰে ক'লে, "ঘৰত মোক নাপাব। বিচাৰিলে মায়াৰ তাত বিচাৰিব। নহ'লে মদৰ মহলত। আৰু নহ'লে—"

'চেনেহীৰ ঘৰত'- বুলি ক'ব খুজি সি বৈ গ'ল, মায়াৰ ঘৰ আৰু মদৰ মহলৰ লগত চেনেহীৰ ঘৰৰ নাম উল্লেখ কৰাটো অমাৰ্জনীয় হ'ব।

জয়নাথে অলপ ভয়ে ভয়ে এবাৰ তাৰ মুখলৈ চালে, কিবা এটা ক'বলৈ বিচাৰিলে, কিন্তু তাৰ ফালে ঘূৰি নোচোৱাকৈয়ে ছমীৰ গোঁ-গোঁৱাই গুচি গ'ল।

এইবোৰ মানুহৰ লগত ভাল ব্যৱহাৰ কৰি কোনো লাভ নাই। ইহঁত বজ্জাত।

আশ্ৰমত ডাক্তৰ বা চেনেহী কাকো সি লগ নাপালে। সি গৈ জ্যুতিৰ বিচনাৰ কাষ পালেগৈ।

বিচনাখনতে অৱশভাৱে জ্যুতি শুই আছে। তাইৰ চকুৰ গুৰিবোৰ ক'লা পৰিছে। গাল দুখনো খীণাই গৈছে। ওঁঠ দুটা তাইৰ শেঁতা পৰি বগা হৈ গৈছে। তাইৰ গাটো এখন উণী কম্বলেৰে ঢকা আছে—ভৰিলৈকে।

পশ্চিমৰ খিৰিকীখনেদি মাৰ যাব ধৰা বেলিটোৰ নিস্তেজ হালধীয়া ৰ'দজাক আহি কোঠাটোৰ ভিতৰত পৰিছেহি। অলপতে সন্ধিয়া হ'ব।

ছমীৰে জ্যুতিৰ মুখখনলৈ চালে। ইয়াৰ আগেয়ে এদিনো সি তাইৰ মুখলৈ ভালকৈ চোৱা নাই। তাইৰ মুখখন সিমান ধুনীয়া নহয়। মুখখন কোমল যদিও তাত দৈহিক অত্যাচাৰজনিত এটা ৰুক্ষতা আছে। কিন্তু দেখিলে মুখখন নিষ্পাপ যেন লাগে।

ছমীৰ ওচৰৰ টুলখনতে বহিল। তাক কোঠালৈ অনা ছোৱালীজনী তাৰ অলপ আঁতৰতে থিয় দি আছে।

"টোপনি নেকি ?" ছোৱালীজনীৰ ফালে চাই ছমীৰে সুধিলে।

"এঘণ্টামানৰ আগতে এটা ইন্‌জেক্‌চন দিছিল—" ছোৱালীজনীয়ে ক'লে।

সিহঁতৰ মাত শুনি জ্যুতিয়ে চকু মেলিলে। কাষত ছমীৰক দেখি তাইৰ মুখখন সামান্য প্ৰফুল্ল হৈ উঠিল।

"জ্যুতি, তোমাৰ গা কেতিয়াৰপৰা ভাল নাই ?"

"আজি কেইবাদিনৰপৰা। বৰ বুকুৰ বিষ হৈছে। মূৰটোও বৰ ঘূৰায়, উঠিবলৈ গাত শক্তিয়েই নাই যেন লাগে।"

"মই আজি অলপতেহে খবৰ পালোঁ।"

"তোমাক কোনে ক'লে ?"

"জীনিয়াই ক'লে। চেনেহী বাইটি অহা নাই জানো ?"

"আহিছিল। ডাক্তৰো আহিছিল। ক'ৰবাত এটা টান কে'চ আছে। কোনোবা গাঁৱত। তালৈ গৈছে।"

ছোৱালীজনীয়ে ক'লে, "বেছি কথা ক'বলৈ ডাক্তৰে মানা কৰি গৈছে—"

ছমীৰেও ক'লে, "এৰা, বেছি কথা নক'বা। কথা ক'লে বুকুত জোৰ পৰে।"

কথাখিনি কৈ জুতিও শ্ৰান্ত হৈ পৰিছিল। তাই মনে মনে থাকিল।

অলপ পৰ বহি থকাৰ পিছত ছমীৰে তাইৰ কপালত হাত দি চালে—তাপ আছে নেকি ?

চকু দুটা ডাঙৰকৈ মেলি তালৈ চাই জুতিয়ে ক'লে; "নুছুবা—"

তাইৰ মাতটো ডিঙিতে থাকিল।

"কি কৈছা জুতি ?" মুখখন তাইৰ মুখৰ অলপ কাষ চপাই নি ছমীৰে সুধিলে, "কি কৈছা ?"

"মোক তুমি নুছুবা—" সেহাই সেহাই জুতিয়ে ক'লে।

ছমীৰ বহাতে বহি থাকিল। দেখাততো জুতিৰ এনে কোনো বেমাৰ হোৱা নাই, যিটো ছুবলৈ ভয় কৰিব লাগে।

একেথৰে জুতিয়ে ছমীৰৰ চকুলৈ চাই থাকিল। তাই যেন ছমীৰৰ ওচৰত বৰ ডাঙৰ কিবা অপৰাধ লগাইছে, আৰু কাতৰ চাৱনিৰে তাৰপৰা ক্ষমা ভিক্ষা কৰিবলৈ বিচাৰিছে।

তাইৰ তেনে গভীৰ, কৰুণ চাৱনিৰ অৰ্থ বুজিব নোৱাৰি ছমীৰে সুধিলে, "কি হৈছে জুতি ? মোলৈ এনেকৈ চাই আছা কেলেই ?"

তাইৰ ওঁঠ দুটা অশান্তভাৱে অলপ কঁপি উঠিল। তাইৰ চকুহাল সজল হৈ আহিল। তাই একো ক'ব নোৱাৰিলে।

ছমীৰৰ অলপ বেয়া লাগিল। ছোৱালীবোৰে অলপতে কান্দে। আৰু নো কি কৰিব জানে সিহঁতে ? সি ক'লে, "ভয় নকৰিবা, তোমাৰ অসুখ সোনকালে ভাল হৈ যাব।"

এইবাৰ জুতিয়ে ক'লে, "ভাল হ'লে মই কি কৰিম ?"

প্ৰশ্নটোৰ উত্তৰটো সম্পৰ্কে ছমীৰেও কোনো দিন চিন্তা কৰা নাছিল। জুতি সুস্থ হ'লে এজনী পতিতা হিচাপে ইয়াতে থাকি অন্যান্যৰ দৰেই কিবা এটা কৰি থাকি যাব পাৰিব। কিন্তু ইয়াতে তাই চিৰজীৱন থাকিব জানো ? থাকিব পাৰিব জানো ?

ছমীৰে সুধিলে, "ডাক্তৰে কি কৈছে ?"

"মই সোধা নাই।"

দুয়ো কিছুপৰ মনে মনে থাকিল। ওচৰত বৈ থকা ছোৱালীজনীয়ে স্পষ্ট কৌতূহলেৰে সিহঁতৰ মুখৰ ফালে চাই আছে।

"তোমাৰ নিচিনা অন্য ছোৱালী বহুত ইয়াতে আছে—" কিছুপৰৰ মূৰত ছমীৰে ক'লে।

জুতিয়ে একো নামাতিলে। তাৰ কথাত তাই সন্তুষ্ট হ'ব পৰা নাই। ছমীৰে কথাটো অনুভৱ কৰিলে।

"ডাক্তৰক সুধিবাচোন। তেখেত বৰ ভাল মানুহ—" ছমীৰে ক'লে।

"তুমি মোক ইয়াৰপৰা লৈ যাব নোৱাৰা ?"

"মই ? মই ক'লৈ লৈ যাম ?"

"ক'ৰবালৈ—"

ছমীৰে মূৰ জোকাৰিলে।

"ওহোঁ। মোৰ নিজৰেই কোনো ঠিকনা নাই।"

অলপ পৰ তাৰ চকুলৈ চাই থাকি জুতিয়ে চকু মুদি দিলে। তাই যেন বৰ হতাশ হৈ পৰিল।

আকৌ এটা অস্বস্তিকৰ নীৰৱতাৰ মাজেদি কিছু সময় পাৰ হৈ গ'ল।

হঠাৎ জুতি বহি দিলে। তাই স্থিৰভাৱে তাৰ চকুলৈ চালে, আৰু হুঁহাৰ নিচিনা কৰি ক'লে, "ইয়াত মই সদায় থাকিব নোৱাৰিম। মোৰ যাবলৈকো কোনো ঠাই নাই। মোৰ কোনো নায়ো। তোমাক এনেই কৈ চালোঁ। তুমি মোক নিব নোৱাৰা বুলি আগতে জানিছোঁ। কোৱাৰ কাৰণে বেয়া নাপাবা।"

প্ৰায় একে উশাহে কথাখিনি ক'লে জুতিয়ে। তাৰ পিছত যেন তাই ভাগৰি পৰিল।

আঁঠু দুটাৰ মাজত মূৰটো সুমুৱাই দি অস্পষ্ট মাতেৰে নিজকে কোৱাদি জুতিয়ে সৰুকৈ ক'লে, "চিন্তা নকৰিবা, মই আকৌ আগৰ ঠাইলৈকে ঘূৰি যামগৈ।"

সৰুকৈ ক'লে যদিও কথাখিনি ছমীৰে শুনিলে। শুনাৰ লগে লগে তাৰ খং উঠি আহিল। তাৰ গাটো সিৰ্‌সিৰাই গ'ল।

"কি ? কি কৈছা ?" কঠিন বুঢ় মাত ওলাই আহিল তাৰ ডিঙিৰপৰা।

তাৰ মাতটোৰ কঠিনতাত তাই মূৰ তুলি চালে। এনেকুৱা এটা মাত তাই শুনিছিল আজি কেইবা বছৰৰো আগতে। সেইদিনা তাইৰ মজিয়াত মাধৱ নামে এটা মানুহ আছিল।

তাইৰ চকু-মুখত ভয় জীৱন্ত হৈ উঠিল। তাই আকৌ তলমূৰ কৰিলে।

লাহে লাহে জুতি আকৌ শুই পৰিল, আৰু কাপোৰখন মূৰলৈকে টানি ল'লে।

কিছুপৰ ছমীৰে কিবা এটা ভাবি বহি থাকিল। তাৰ পিছত লাহে লাহে ক'লে, "মই তোমাক ক'লৈ লৈ যাম ? আৰু নিলেও তুমি মোৰ লগত কেনেকৈ থাকিবা ?" কথাখিনি যেন সি নিজকে ক'লে।

লৰচৰ নকৰাকৈ জুতি পৰি থাকিল, তাই নিঃসাৰ হৈ গৈছে।

ছমীৰে মনৰ ভিতৰত এটা অকাৰণ অশান্তি অনুভৱ কৰিলে। তাৰ নিজৰ বাবে নাভাবিবৰ কাৰণে যেতিয়া সি সংকল্প লৈছিল, তেতিয়া আকৌ সি অন্যৰ বাবে চিন্তা কৰিব লাগে কিয় ? জুতিৰ লগত তাৰ কোনো সম্পৰ্ক নাই। জুতি য'লৈকে যায়, য'তে থাকে, সেইবোৰ লৈ তাৰ চিন্তা কৰিবলগীয়া নাই। কিয় চিন্তা কৰিব সি ?

কি কৈছে বিশেষ নভবাকৈয়ে ছমীৰে ক'লে, "তোমাৰ কথা ডাক্তৰ আৰু চেনেহী বাইটিক ক'বা। তেওঁলোকে তোমাৰ বিষয়ে নভবাকৈ থকা নাই।"

কিন্তু একেই নিশ্চলভাৱে জ্যুতি পৰি থাকিল।

এনেতে ডাক্তৰ সোমাই আহিল। তেওঁ জোতাৰ শব্দ নকৰাকৈ সোমাই আহিছিল। তেওঁক দেখি ছোৱালীজনীয়ে যেতিয়া 'চাৰ আহিলে' বুলি ক'লে, তেতিয়াহে ঘূৰি চাই ছমীৰে ডাক্তৰক দেখিলে। সি বহাৰপৰা উঠিল।

"তুমি আছা ? কেতিয়া আহিলা ?" কথাষাৰ এনেয়ে সুধিলে ডাক্তৰে, তাৰ পিছত জ্যুতিক মাত লগালে, "জ্যুতি—"

জ্যুতিয়ে মুখৰপৰা কাপোৰখন টানি আঁতৰালে। ডাক্তৰ আৰু ছমীৰে তাইৰ মুখলৈ চালে। তাইৰ মুখখন শেঁতা হৈ গৈছে। তাইৰ দুয়ো গালেদি দুধাৰ লোতক বাগৰি গৈছে। তাইৰ চকুৰ নোমবোৰ তিতি আছে।

চকু দুটা আধা-মেলাকৈয়ে থাকি জ্যুতিয়ে ভগা ভগা মাতেৰে ক'লে, "বাবা—"

"ওঁ মই। কেনেকুৱা আছা এতিয়া ? ছমীৰ আহিছে নহয়, তোমাৰ খবৰ কৰিবলৈ—দেখাই নাই নেকি ?"

"দেখিছোঁ—" জ্যুতিয়ে ক'লে, আৰু এবাৰ ছমীৰৰ মুখলৈ চালে।

ডাক্তৰ বহিল, জ্যুতিৰ কপালত হাত দি চালে, তাৰ পিছত ছমীৰৰ ফালে চাই ক'লে, "সামান্য অসুখ। ভাল হৈ যাব। তুমি কেতিয়া আহিলা ?"

"অলপ আগতে আহিলোঁ। আপুনি কোনফালে গৈছিল ?"

ডাক্তৰে ক'লে, "এটা বৰ বেয়া কেচ আছিল, আমি ঘূৰি আহিব নোৱাৰিম বুলিহে ভাবিছিলোঁ। কিন্তু আমি গৈ পাওঁতে পাওঁতে বিপদজনক অৱস্থাটো পাৰ হৈ গ'ল। জ্যুতিৰ খবৰ কৰি যাবৰ কাৰণে চেনেহী আহিব খুজিছিল, মইহে পঠিয়াই দিলোঁ। তেওঁৰ আজি বৰ খাটনি পৰিল।"

ছমীৰে স্পষ্টভাৱেই বুজিব পাৰিলে যে ডাক্তৰো যথেষ্ট ক্লান্ত। বয়সীয়া মানুহ, শ্ৰম কৰিব পৰাৰ এটা সীমা আছে।

জ্যুতিয়ে মাতিলে, "বাবা—"

"কি জ্যুতি ?"

"মই মৰিম নেকি ?"

ডাক্তৰে হাঁহি কথাটো উৰুৱাই দিবৰ চেষ্টা কৰিলে আৰু ক'লে, "মৰাটো ইমান সহজ নহয় জানিছা ? নহয় নে ছমীৰ ?" ছমীৰেও হুঁহাৰ নিচিনা কৰিলে।

জ্যুতিয়ে ডাক্তৰৰ মুখলৈ চাই ক'লে, "নমৰিলে পিছে মই কেনেকৈ জীয়াই থাকিম ?"

আকৌ ডাক্তৰে ডাঙৰকৈ হাঁহিলে।

"আমি যেনেকৈ আছোঁ, তুমিও তেনেকৈ থাকিবা। মই আছোঁ, চেনেহী আছে, এওঁ ছমীৰ আছে, আৰু কত মানুহ আছে—"

ডাক্তৰে মৰমেৰে হাতখন জ্যুতিৰ কপালত থ'লে। যেন তাইক সান্ত্বনা দিবৰ চেষ্টা কৰিলে।

ডাক্তৰৰ চকুলৈ অসহায়ভাৱে চাই জ্যুতিয়ে ক্ষীণভাৱে ক'লে, "মোৰ কিন্তু কোনো নাই বাবা।"

হঠাৎ জ্যুতিৰ এই কথাষাৰে ছমীৰৰ বুকুৰ ভিতৰৰ কোনোবা এখিনিত এটা আঘাত কৰিলে যেন। সি বৰ দুৰ্ব্বল হৈ পৰিল। মোৰো 'কোনো নাই! কোনো নাই!' সি ডাক্তৰৰ মুখলৈ চালে।

একেই প্ৰশান্তভাৱে ডাক্তৰে ক'লে, "বুজিছা ছমীৰ, জ্যুতিয়ে অনাথ-আশ্ৰমত থাকি বেয়া পাইছে। বহুতেই বেয়া পায়। আশ্ৰম কেতিয়াও ঘৰৰ সমান হ'ব নোৱাৰে।"

"হয়—" ছমীৰে ক'লে।

"ইচ্ছা কৰিলে আমি পৃথিৱীৰ সকলোকে নিজৰ আপোন কৰি ল'ব পাৰোঁ। মই জ্যুতিক কৈছোঁ—তুমি আৰোগ্য আৰু সুস্থ হৈ লোৱা, তাৰ পিছত যদি ক'ৰবালৈ যাব খোজা আমি নাৰাখোঁ। ছমীৰক যেতিয়া চিনি পোৱা, ছমীৰৰ লগতে তুমি নিজৰ ঘৰলৈ যাবগৈ পাৰিবা। নহয় জানো ছমীৰ—?"

বিশেষ নাভাবি ছমীৰে ক'লে, "হয়।"

কিন্তু কৈয়ে সি থত্‌মত্‌ খাই গ'ল। জ্যুতি ছমীৰৰ লগত যাব কিয়? সিয়েইবা জ্যুতিক ক'লৈ নিব? আৰু নিবইবা কিয়?

ডাক্তৰে আশ্বাস দিয়াৰ সুৰত বেছ উল্লাসেৰে ক'লে, "সেয়া চোৱা! মই কৈছিলোঁ নহয়, যাব খুজিলে ছমীৰৰ লগতে তুমি যাব পাৰিবা—ছমীৰে কিয় নিনিব? দেখিলা?"

জ্যুতিৰ শেঁতা ওঁঠ দুটাৰ ওপৰেদি এটা অস্পষ্ট হাঁহিৰ ৰেখা বাগৰি গ'ল। তাই যেন এটা আশাৰ পথ দেখা পালে। কিন্তু তাই একো নক'লে, একেদৰেই পৰি থাকিল।

ডাক্তৰ বহাৰপৰা উঠিল আৰু ক'লে, "আমি যাওঁ আৰু জ্যুতি, ৰাতিৰ ঔষধ-পালি খাবা। তুমি বহুত ভাল হৈ গৈছা। দুই-এদিনতে একদম ভাল হৈ যাবা। চিন্তা নকৰিবা, মই কাইলৈ ৰাতিপুৱা আকৌ আহিম।"

আকৌ এবাৰ জ্যুতিৰ চুলিখিনিত হাত ফুৰাই দি ডাক্তৰ ওলাই আহিল।

ছমীৰো যাবলৈ ওলাল।

"তুমিও যোৱা নেকি?" জ্যুতিয়ে সুধিলে।

"যাওঁ আৰু, ৰাতি হ'ল নহয়—" ছমীৰে ক'লে।

"এৰা যোৱাগৈ। ভয় নকৰিবা, মই ভাল নহওঁ, আৰু হ'লেও তোমাক অকণো আমনি নকৰোঁ।"

ছমীৰে জ্যুতিৰ চকুলৈ চালে। তাই থৰ লাগি তাৰ ফাললৈকে চাই আছে। সি তাইৰ চাৱনিটো বৰ অসহায় আৰু কৰুণ দেখিলে। জ্যুতিলৈ তাৰ কোনো দিন মৰম লগা নাছিল। তাইৰ কাৰণে কোনো দিন সি অকণো অনুকম্পা অনুভৱ কৰা নাছিল। তাইক ঘিণ কৰা নাছিল যদিও তাইক মনে মনে বেয়া পাইছিল। তাই এজনী বেয়া ছোৱালী।

এইটো মুহূৰ্ত্তত তাৰ মনত লাগিল যেন জ্যুতিজনী সঁচাকৈয়ে আৰু ভাল নহ'ব, তাই যেন সঁচাকৈয়ে কেইদিনমানতে মৰি থাকিব। তাৰ অলপ বেয়া লাগিল।

"কি হ'ল?" জ্যুতিয়ে সুধিলে।

ছমীৰে ক'লে, "একো হোৱা নাই। তোমাৰ গাটো জানো ভাল পোৱা নাই?"

"কেইদিনমান ভাল পাওঁ, আকৌ অসুখ হয়। পাপৰ ফল। কোনে ভাল কৰিব পাৰিব? বুকুখন ইমান বিষায়। গাটোৰো গাঁঠিয়ে গাঁঠিয়ে বিষ। ডাক্তৰে কিজানি ধৰিবই পৰা নাই, মোৰ টি. বি. হৈছে কিজানি!"

ছমীৰ উচাপ্ খাই উঠিল।

"কি?... ?"

"বাৰু পিছত বুজিবা। তোমাক আকৌ এনেয়ে আমনি কৰিছোঁ। এদিন মোক ৰক্ষা কৰিছিলা নহয়, সেই দেখি মনত লাগে যেন সদায় মোক তুমি তেনেকৈয়ে ৰক্ষা কৰি থাকিবা, আনকি মৰণৰপৰাও।"

তাৰ ওপৰত জুতিৰ এই আশ্বাস কিহৰপৰা হৈছে ছমীৰে বুজিব নোৱাৰিলে।

মৰণ জানো এমেৰিকান সৈন্য? টি. বি. জানো মাধৱ? মৰণৰ বিৰুদ্ধে সি কি কৰিব পাৰে? কিন্তু জুতি সঁচাকৈয়ে মৰি থাকিব নেকি? গাভৰু ছোৱালীজনী কিয় মৰি থাকিব?

ছমীৰ জুতিৰ বিচনাখনৰ অলপ কাষ চাপি গ'ল। নিঃসংকোচভাৱে জুতিৰ হাতখনত ধৰিলে আৰু ক'লে, "ডাক্তৰে কৈছে তোমাৰ অসুখ সোনকালে ভাল হৈ যাব। আৰু ভালনো নহ'বা কেলেই? তুমি চিন্তা নকৰিবা।"

সি অলপ ৰ'ল, তাৰ পিছত ক'লে, "তুমি যদি ইয়াৰপৰা যাব খোজা, মোক ক'বা। পিছে ময়ো অকলেহে থাকোঁ। মোৰ লগত থাকি জানো ভাল পাবা?"

জুতিয়ে মাথোন তাৰ চকুলৈ চাই থাকিল। বহুত কৃতজ্ঞতা যেন তাইৰ চকুত প্ৰকাশি উঠিছে। ছমীৰ আৰু নৰ'ল। সি বেগাবেগিকৈ ওলাই গ'ল।

॥ ছয়চল্লিশ ॥

ৰাতি ছমীৰ শুবলৈ লৈছিল। তাৰ ভাগৰ লাগিছিল। সি একপ্ৰকাৰ ঠিকেই কৰি পেলাইছে যে ঠিকাদাৰ মানুহ সি ঠিকাদাৰিয়েই কৰিব, অন্য কাৰবাৰ সি নকৰে, সি নাজানেও।

সেই সম্পৰ্কতে আজি পিছবেলাটো সি বহুখিনি ঘূৰিলে। আৰু কিবা এটা কৰা যে তাৰ কাৰণে নিতান্ত প্ৰয়োজনীয় সেইটোও সি উপলব্ধি কৰিছে, বিশেষকৈ এনেই থাকি তাৰ যেতিয়া নাযায়-নুপুৱায় লাগে। আৰু ক'ৰবালৈ নগ'লে নাইবা কিবা এটা কৰি নাথাকিলে তাৰ নিজকে বৰ অকলশৰীয়া লাগে। সি সংকল্প কৰিছে—এনেকৈ আৰু বহি-শুই সি নকটায়, সি কিবা এটাত হাত দিব। ইতিমধ্যে ভালেমান দিন গ'লেই।

তাৰ অলপ টোপনি আহিব খুজিছিল, দুৱাৰ-মুখত সি স্পষ্টভাৱে শুনিবলৈ পালে —চেনেহীৰ মাত—'ছমীৰ, অ' ছমীৰ—"

সি উঠি আহিল, আৰু দুৱাৰখন মেলি দিলে।

"শুইছিলি নেকি?"—ভিতৰলৈ সোমাই আহি চেনেহীয়ে সুধিলে।

"বিচনাতে পৰি আছিলোঁ, টোপনি ধৰা নাছিল—" সি ক'লে আৰু বহিৰৰ কাৰণে চেনেহীলৈ চকীখন আগবঢ়াই দিলে।

বহি চেনেহীয়ে ক'লে, "মই সৰহ পৰ বহিব নোৱাৰিম। ডাক্তৰে খবৰ পঠিয়াইছে, এটা ডেলিভাৰী কে'চত যাব লাগে। তেওঁক বিচাৰিছিল, পিছে তেওঁ আজি যাব নোৱাৰে। মই অকলেই যাবলগীয়া হ'ল।"

"এতিয়াই যাবা নেকি ?"

"টেক্সি আনিবলৈ গৈছে, আহিলেই যাম। পিছে তোৰ ওচৰলৈ আহিলোঁ—"

ছমীৰে চেনেহীৰ মুখলৈ চালে।

"আজি-কালি ৰাতি-বিয়লি জীনাজনীক অকলে এনে থৈ যাবলৈ ভয় লাগে। দেখা নাই নে দিনে দিনে তাই কেনেকৈ বাঢ়ি আহিছে লহপহকৈ। আমি কাৰো শত্ৰুতা কৰা নাই, সেইবুলি আমাৰ শত্ৰুৰ অভাৱ নাই। যদি বেয়া নাপাৱ, তয়ে তাইৰ ওচৰত অলপমান থাকগৈ। আৰু ৰাতি যদি মোৰ ঘূৰি অহা বেছি পলম যেন দেখ, তই আমাৰ তাতে শুই থাকিবি। বেয়া পাবি নেকি আকৌ ?"

ছমীৰে ক'লে, "বাৰু থাকিমগৈ, বেয়ানো কেলেই পাম !"

নিজকে কোৱাৰ দৰে অলপ বিষণ্ণ মাতেৰে চেনেহীয়ে ক'লে, "এৰা বোপাই, জীনাক মই বৰ দুখেৰে তুলিছোঁ। তই কিজানি তাইৰ কথা নাজান। ভালকৈ কোনেও নাজানে, জানে কেৱল ডাক্তৰেহে।"

ছমীৰে ক'লে, "কি কথানো—মই একো নাজানো ?"

চেনেহীয়ে ক'লে, "মোৰ কথা জানই। নিজে ঠগ খালোঁ, ভাগ্যই আনি জানিবা ডাক্তৰ মহচিনৰ ওচৰত পেলাইছিলহি। পিছে মোৰেই দুৰ্ভাগ্য, মই ইয়ালৈ অহাৰ অলপ দিনৰ পিছতে ডাক্তৰণী ঢুকাই থাকিল। ডাক্তৰণী ঢুকাই ডাক্তৰ তেনেই জুৰুলা হ'ল। মানুহজনলৈ মোৰ বৰ বেয়া লাগিল। যদিও মোক চৰকাৰী হস্পিটলত কাম দিব নোৱাৰিলে, তথাপি তেৱেঁই মোক বহুতৰে লগত চিনাকি কৰি দিছিল। তেতিয়া ইয়াত মিড্-ৱাইফ কোনো নাছিলেই। ডাক্তৰক তেনেকুৱা কে'চলৈ বিচাৰি আহিলে ডাক্তৰে সদায় মোক লগত লৈ যায়।"

একে উশাহে কথাখিনি কৈ চেনেহী ৰ'ল। ছমীৰে মাথোন নীৰৱে শুনি গ'ল।

চেনেহীয়ে ক'লে, "ডাক্তৰে মোক বৰ মৰম কৰিছিল, এতিয়াও কৰে। পিছে বহুতৰে সহ্য নহ'ল। কত যে কি কথা নুলিয়ালে। মই সকলো এৰি থৈ ক'ৰবালৈ গুচি যাব খুজিছিলোঁ, পিছে ডাক্তৰে যাবলৈ নিদিলে। তেওঁৰ মনৰ বল বৰ বেছি। মোৰো তেওঁক এৰি যাবলৈ বেয়া লাগিল। তেওঁক সুখ দিব পৰা শক্তি মোৰ নাছিল, পিছে এজনী জীয়েকৰ নিচিনাকৈ যি পাৰোঁ সান্ত্বনা তেওঁক দিবৰ চেষ্টা কৰিছিলোঁ মই। ডাক্তৰে মাথোন এষাৰ কথাকে সদায় কৈছিল, 'তোমাক আৰু মোক বিবোৰ মানুহে বুজিব নোৱাৰে, সিহঁতৰ ওপৰত খং কৰি কি লাভ ? যেতিয়া আমাক বুজিব, তেতিয়া সিহঁতে নিজেই লাজ পাব'।"

ছমীৰে ক'লে, "ডাক্তৰ বৰ ভাল মানুহ। এনেকুৱা মানুহ মই ক'তো লগ পোৱা নাই।"

"লগ পোৱাই নহয়, যেতিয়া তই ডাক্তৰক চিনি পাবি, তেতিয়াহে জানিবি আচলতে তেওঁ কি মানুহ। তেওঁ গালি পাৰিলেও মোৰ আশীৰ্ব্বাদ যেন লাগে।"

"পিছে জীনিয়াৰ কথা কি কৈছিলা বাইটি ?"

"অ' তাইৰ কথা। তাইৰ কথা বিশেষ একো নাই বুলিবও পাৰি। এদিন কাতিমহীয়া ৰাতি ডাক্তৰে-মহে এফালৰপৰা আহিছিলোঁ, তেতিয়া ৰাতি এবাৰমান বাজিছিল। আমি সেই কন্দৰ্প চলিহাৰ ঘৰৰ ওচৰ পাইছিলোঁহি। বাটৰ কাষত কোনোবা কেঁচুৱাৰ কান্দোন শুনি আমি বৈ গ'লোঁ।"

চেনেহীক কথা শেষ কৰিবলৈ নিদি ছমীৰে কৈ উঠিল, "জীনিয়া তেনেহ'লে তোমাৰ নিজৰ জীয়াৰী নহয় ?"

শান্তভাৱে হাঁহি চেনেহীয়ে ক'লে, "তইনো ইমান অ'কৰা নে ? মোৰ বিয়াই নহ'ল, ছোৱালী হ'ব ক'ৰপৰা ? মই তাইক প্ৰথমতে ৰাখিব খোজা নাছিলোঁ। অৰ্ফেনেজটো তেতিয়া আৰম্ভ হৈছিল মাত্ৰ। ডাক্তৰে কিন্তু ক'লে, 'ছোৱালীজনী তুমিয়েই ৰাখা চেনেহী, তাই তোমাৰ সন্তান নহ'লেও মানুহৰে সন্তান।' মই ডাক্তৰৰ কথা পেলাব নোৱাৰিলোঁ। কিন্তু তাইক মই নিজৰ জীতকৈ বেছি যতনেৰে তুলিছোঁ। তায়ো মোৰ বাহিৰে এই দুনিয়াত আৰু কাকো নাজানে, কাকো নিচিনে। ভয়-ভীত তাইৰ নাই, য'লৈকে মন যায়—যায়। যি মন যায় কৰে, মই বাধা নিদিওঁ। পিছে তাই নিজকে সৰু ছোৱালী বুলি ভাবি থাকিলেও অইনে তো দেখিছে। তাতে ইয়াত বহুত বেয়া মানুহ আছে। আজি-কালি তাইক অকলে এৰি যাবলৈ ভয় লাগে।"

চেনেহীৰ কথাবোৰ ছমীৰে নীৰৱে শুনি গ'ল। সি অভিভূত হৈ পৰিছিল। সি যাকেই লগ পায়, সিয়েই বাৰু এনেকুৱা হ'ব লাগে নে ? তাৰ জীৱনৰ বাটত যেন অনিয়মবোৰেই নিয়ম হৈ প্ৰকাশি উঠিছে। জীনিয়াও তেন্তে বাটৰ কাষত পৰি থকা কাৰোবাৰ অবাঞ্ছিত সন্তান ? জীনিয়াও তাৰ দৰেই—সেই অশ্লীল পৰিচয়টোৰে জীনিয়াক চিনি পাবলৈ ছমীৰৰ বেয়া লাগিল। সি কোনোমতে ক'লে, "জীনিয়াৰ কথা মই একো নাজানিছিলোঁ বাইটি।"

"ডাক্তৰ আৰু মোৰ বাহিৰে আৰু কোনেও নাজানে তাইৰ এইবোৰ কথা। আজি তোকহে যি ক'লোঁ। কেইবাদিনো তোক ক'ম ক'ম বুলি আছিলোঁ। অইনে তাইৰ এইবোৰ কথা জানিলে ঘিণতে নাক কোঁচাব। পিছে মই জানো তই অইনৰ নিচিনা নহয়, তই তাইক মৰম কৰিব পাৰিবি।"

এই আস্থা চেনেহীয়ে তাৰ ওপৰত কিয় ৰাখিছে সি বুজিব নোৱাৰিলে। এইটো মুহূৰ্তত তাৰ মন গ'ল যেন সিও তাৰ নিজৰ প্ৰকৃত পৰিচয় চেনেহীক জনাই দিব। হয়তো জীনিয়াক ঘৃণা নকৰা চেনেহীয়ে তাকো ঘৃণা নকৰিব। হয়তো তাকো মানুহ বুলিয়ে মৰম কৰিব। কিন্তু সি একো ক'ব নোৱাৰিলে। সি মনে মনে থাকিল।

এনেতে টেক্সি এখন আহি ছমীৰৰ পদুলি-মুৰত ৰ'লহি।

"গাড়ী আহিল হ'বলা, মই যাওঁ। তই তেনেহ'লে যাবি ?"

চেনেহী বহাৰপৰা উঠিল, ছমীৰো উঠিল।

তাৰ মুখলৈ চাই চেনেহীয়ে ক'লে, "জীনাক আকৌ এইবোৰ একো নুসুধিবি। সুধিলে তাই ক'ব মই তাইৰ মাক। আৰু বাপেক কোন আছিল তাই ক'ব নোৱাৰে, তাইৰ কেঁচুৱাতে মৰিল বা নাছিলেই।"

মানুহ এটা আহি দুৱাৰ-মুখত ৰোৱা দেখি চেনেহী ওলাই গ'ল।

অলপ পৰৰ পিছতে এটা নিস্পৃহ, অৱসন্ন মন লৈ, দুৱাৰখনত তলা মাৰি ছমীৰো চেনেহীহঁতৰ ঘৰলৈ ওলাই গ'ল।

জীনিয়া শোৱা নাছিল।

সি গৈ মাত লগোৱা মাত্ৰে দুৱাৰ মেলি দি জীনিয়াই ক'লে, "ইমান দেৰি কৰিলা কেলেই? মই অথনিৰপৰা বাট চাই আছো—"

ছমীৰে ক'লে, "দেৰি হ'ল নেকি? বাইটি মোৰ তাৰপৰা এতিয়াহে গৈছে।"

দুৱাৰখন বন্ধ কৰি জীনিয়াই ক'লে, "ইয়াতে বৈ থাকিব নালাগে, ভিতৰলৈ ব'লা। ভাত খালা?"

"মই শুইছিলোঁ—" ছমীৰে ক'লে আৰু জীনিয়াৰ লগে লগে ভিতৰলৈ সোমাই গ'ল। তাইৰ হাতত লণ্ঠনটো।

জীনিয়াই ক'লে, "তেনেহ'লে চাহকে কৰিম নেকি? খাবা?"

"এতিয়া একো নাখাওঁ। তোমালোকে ভাত-পানী খালা নহয়?"

জীনিয়াই উত্তৰ নিদি ক'লে, "ইয়াতে বিচনাতে বহা। চকীত বহিব নালাগে।"

জীনিয়াৰ কথামতে ছমীৰ জীনিয়াৰ বিচনাখনতে বহিল। তাৰ অলপ আঁতৰতে জীনিয়াও বহিল।

তাৰ মুখৰ ফালে চাই জীনিয়াই ক'লে, "মাক কৈছিলোঁ, মই অকলেই থাকিব পাৰিম, আগেওতো থাকোঁ। অন্যক মিছাতে আমনি কৰাৰ কি দৰকাৰ? মাই আকৌ তোমাক পঠিয়াই দিলেগৈ।"

হাঁহি ছমীৰে ক'লে, "তেনেহ'লে মোৰ কাৰণে বাট চাই থকা নাছিলা?"

লাজত জীনিয়াৰ কাণ-মুখ ৰঙা পৰিল। কোনোমতে ৰঙা-চিঙা পৰি তাই ক'লে, "নহয়, তাৰ মানে—মাই আকৌ ক'লে নহয়, তোমাক পঠিয়াই দিমগৈ বুলি।"

ছমীৰে জীনিয়ালৈ চালে, আজি তাই এটা নীলাভ চেমিজ পিন্ধি আছে। তাইৰ ক্ৰমে পুৰঠ হৈ অহা মিহিন বাহু দুটা ওলাই আছে—তাইৰ ডিঙিটো ধুনীয়া। চুলিখিনি এতিয়াও আউলী-বাউলী হৈ আছে। তাই সঁচাকৈয়ে এজনী ডাঙৰ সৰু-ছোৱালী। তাইৰ বুকুখন ক্ৰমে স্পষ্ট হৈ আহিব ধৰিছে।

তাইৰ ফালে তেনেদৰে ছমীৰে চাই থকা দেখি জীনিয়াৰ অলপ সঙ্কোচ লাগিল। তাই তাৰ মুখলৈ চালে—তাইৰ চকুত এটা অবোধ, অজলা প্ৰশ্ন।

ছমীৰে চকু ঘূৰাই আনিলে, আৰু এটা চিগাৰেট জ্বলাই হুপিব ধৰিলে।

"কথা নোকোৱা কেলেই?" জীনিয়াই ক'লে। ছমীৰ বহাৰপৰা উঠিল আৰু লাহে লাহে পায়চাৰি কৰিব ধৰিলে। একো নবুজাৰ দৰে জীনিয়াই তাৰ মুখলৈ চালে।

"আহা আকৌ, উঠিলা কেলেই?"

ছমীৰ আহি আকৌ বিচনাখনতে বহিলহি।

সি ক'লে, "ৰাতি বহুত হ'ল, তুমি শুই থাকা জীনিয়া।"

"শুম নহয়, পিছে তুমিও জানো শুবা। তোমাৰ কিজানি টোপনি আহিছে নহয়?"

"তুমি আগেয়ে শোৱা। মই বাৰু পিছত শুম—" ছমীৰে ক'লে।

জীনিয়াই যেন আজি ছমীৰক ভালকৈ বুজিব নোৱাৰিলে, তাইৰ লগত আজি ছমীৰ কিবা কাৰণত সহজ হ'ব পৰা নাই।

"জীনিয়া—"

"হোঁ ?"

"অন্য দিনাতো তুমি অকলেই থাকা। আজিনো বাইটিয়ে মোক থাকিবলৈ ক'লে কিয় ?"

জীনিয়া তাৰ অলপ কাষ চাপি আহিল। এবাৰ কেউফালে চালে, তাৰ পিছত অলপ সৰু সৰুকৈ ক'লে, "আজি কেইদিনমানৰপৰা বহুত ৰাতি ক'ৰবাৰ দুটা নে তিনিটা বেয়া মানুহ আহি বাহিৰৰপৰা মোৰ নাম ধৰি মাতে, মাকো মাতে। মা পিছে ওলাই নাযায়। মাই কৈছে যে সিহঁত বেয়া মানুহ—গুণ্ডা।"

ছমীৰে তীব্ৰভাৱে জীনিয়াৰ মুখলৈ চালে। কথাটোত জীনিয়াই কোনো গুৰুত্ব দিয়া নাই। কথাটো যেন তেনেই সাধাৰণ। ছমীৰ অলপ বিস্মিত হ'ল। চেনেহী বাইটিও এনে অসাৱধান হোৱাটো ঠিক হোৱা নাই। তেওঁ বিপদ চিনি পোৱা মানুহ। জীনিয়াৰ কোনো বিপদৰ কাৰণে তেওঁৰ জানো কোনো দুৰ্ভাৱনা নাই ?

কিছুপৰৰ মূৰত ছমীৰে সুধিলে, "মানুহকেটা কোন ? কিবা জানা নে বাৰু ?"

"এইফালেই থাকে। দিনতো কেতিয়াবা মই স্কুলৰপৰা আহোঁতে মোক দূৰৰপৰা কিবা-কিবি কয়, জোকায়, সুহুৰিয়ায়ো। মই পিছে সেইবোৰলৈ কাণ নিদিওঁ। ৰাতিও কিজানি সিহঁতেই আহে হ'ব পায়।"

"আজিও সিহঁত আহিব নে বাৰু ?"

"আহিব পাৰে। কেনেকৈ জানিম ? সিহঁত এইখিনিতে ঘুৰি-পকি থাকে। মা ক'ৰবালৈ যায় নেকি মনে মনে খবৰ লৈ থাকে। মা ওলাই গ'লে, এনেয়ে সুহুৰিয়ায়, কিবাকিবি বেয়া কথা কয়। মই সেইবোৰ কাণ নিদিওঁ। সিহঁতলৈ ভয়ো নকৰোঁ।"

ছমীৰে কেৱল ক'লে, "ওঁ।"

সি অনুভৱ কৰিলে যেন তাৰ ভিতৰত এটা দুৰ্ধৰ্ষ, ক্ৰুদ্ধ মানুহ জাগ্ৰত হৈ উঠিছে। এতিয়াই যেন সেই মানুহকেটাক সি লগ পাব আৰু সিহঁতৰ শক্তি কিমান এবাৰ পৰীক্ষা কৰি চাব। বহুত দিন তাৰ ভিতৰৰ এই মানুহটো শুই আছিল। তাৰ যৌৱনৰ সকলো পৌৰুষ আৰু শক্তিমত্তা লৈ তাৰ ভিতৰৰ সেই উদ্দাম মানুহটো সচেতন হৈ উঠিছে। এনেয়ে ছমীৰৰ গাটো গৰম লাগি আহিল।

তাৰ বাঁও বাহুৰ ওপৰত হাতখন থৈ জীনিয়াই ক'লে, "আজিনো তোমাৰ কি হৈছে ? ইয়ালৈ মতাৰ কাৰণে বেয়া পাইছা নেকি বাৰু ?"

জীনিয়াৰ হাতৰ স্পৰ্শত হঠাৎ যেন ছমীৰ কিছু শান্ত হৈ আহিল। সি নিজকে শান্ত কৰিবৰ চেষ্টা কৰিলে, তাৰ পিছত ক'লে, "এইবোৰ কথা ইমান পাতলকৈ লোৱা ভাল নহয় জীনিয়া। বেয়া মানুহে বহুত বেয়া কাম কৰিব পাৰে।"

"ওঁ পাৰেতো, সেই কাৰণেহে তোমাক ইয়াত থৈ গৈছে—মাই।"

তাইৰ কথাৰ সৰলতাত ছমীৰে আমোদ পালে, সি হাঁহিবৰ চেষ্টা কৰি ক'লে, "মোক যে থৈ গ'ল, মই জানো ভাল মানুহ ?"

"ভাল নহয়, তুমি বেয়া মানুহ নেকি ?" অভিমানেৰে জীনিয়াই ক'লে।

ছমীৰে ক'লে, "মই কিজানি বেয়া মানুহ—একদম বেয়া মানুহ ? তুমি জানো মোক ভালকৈ জানা ?"

"যা যাহ্, বেয়া মানুহ কেনেকুৱা মই চিনি পাওঁ, তুমি আকৌ বেয়া মানুহ হ'বা কেনেকৈ ?"

ছমীৰে সৰুকৈ হাঁহিলে।

"বাৰু জীনিয়া, ৰাতি বহুত হ'ল। তুমি এতিয়া শুই থাকা। কোন বেয়া মানুহনো আছে মই চাম। মোকো সিহঁতে চিনি পোৱা দৰকাৰ।" কৈ ছমীৰ বিচনাখনৰপৰা উঠিল আৰু আগফালৰ কোঠালৈ যাব খুজিলে।

জীনিয়াই ক'লে, "মই শুম বাৰু। তুমিও বহি থাকিব নালাগে। সেইখন মাৰ বিচনা, মা কিজানি ৰাতি আৰু নাহিব। তুমি তাতে শোৱা। ৰ'বা, মই বিচনাখন ভালকৈ পাৰি দিওঁ।"

ছমীৰে একো নামাতিলে। জীনিয়াই সেই কোঠাৰে বেৰখনৰ কাষত থকা চেনেহীৰ বিচনাখন জাৰি-জোকাৰি দিলে।

"মই শুম বাৰু, তুমি শোৱা জীনিয়া। মোৰ কাৰণে ভাবিব নালাগে—" ছমীৰ এবাৰ এনেয়ে খিৰিকীখনৰ কাষলৈ গ'ল, আকৌ ঘূৰি আহিল।

জীনিয়া তাইৰ বিচনাখনতে বহিল।

"জীনিয়া—"

"কি ?"

"মানুহকেটা কোন তুমি চিনি পোৱা নে বাৰু ?"

"কোন মানুহৰ কথা কৈছা ?"

"সেই যে বেয়া মানুহকেটা—"

"তুমি এতিয়াও সেইবোৰকে ভাবি আছা নেকি ?"

"ভাবি থকা নাই। বাৰু নালাগে দিয়া, তুমি শুই থাকা এতিয়া।"

"তোমাৰ টোপনি অহা নাই ?"

"নাই অহা, আহিলে মই শুম নহয়।"

"মই তেনেহ'লে শোওঁ, আজি তোমাৰ বৰ কষ্ট হ'ল নহয় ?"

"হওক, তুমি শোৱা।" অলপ টান মাতেৰেই সি ক'লে।

জীনিয়াই হাত-ভৰি মেলি শুবৰ চেষ্টা কৰিলে।

চকীখনত বহি ছমীৰে আৰু এটা চিগাৰেট জ্বলাই নিবিড়ভাৱে হুপিব ধৰিলে। হাতৰ ঘড়ীটো সি চালে—দুই বাজিবলৈ দহ মিনিট আছে। ৰাতি কিছু হ'ল।

তাৰ চকুৰ টোপনি নোহোৱা হৈ গৈছে। তাৰ মূৰৰ ভিতৰটো এনেয়ে গৰম লাগিছে। তাৰ কাণ দুখন বৰ সজাগ হৈ পৰিছে।

সি জীনিয়াৰ ফালে চালে। তাইৰ টোপনি আহিছে। তাইৰ নাকৰপৰা এটা নিষ্পাপ সৰল নিশ্বাস ওলাই আহিছে। অলপ পৰ বহি থকাৰ পিছত ছমীৰ বহাৰপৰা উঠিল আৰু জীনিয়াৰ বিচনাৰ কাষলৈ গৈ, তাইৰ গাৰ ওপৰত ৰাগখন মেলি দিলে। ক্ৰমে জীনিয়াৰ টোপনি গধুৰ হৈ আহিল।

আগফালৰ দুৱাৰখন মেলি ছমীৰ বাহিৰলৈ ওলাই গ'ল। কুঁৱলী মিহলি জোনাকত এখন শ্ৰান্ত পৃথিৱী অলসভাৱে পৰি আছে। জীনিয়াৰ টোপনি ভাঙিবলৈ কোনো গুণ্ডা আলিবাটত ঘূৰি ফুৰা নাই। আশ্বস্ত হৈ, অলপ পৰ এনেই বাহিৰতে বৈ থাকি সি ভিতৰলৈ গুচি আহিল। সি দুৱাৰখন বন্ধ কৰিলে, আৰু তাৰ কাৰণে পাৰি দিয়া বিচনাখনতে বহিল।

এই দুপৰ ৰাতি অকাৰণত বহি থাকি টোপনি খতি কৰাৰ কোনো অৰ্থ নহয়। সি শুব। জীনিয়া সৰু ছোৱালী, অকলশৰে ঘৰটোৰ ভিতৰত ৰাতিটো কটোৱা তাইৰ কাৰণে নিশ্চয় নিৰাপদ নহয়। কিন্তু ছমীৰ যেতিয়া ইয়াত নাথাকিব, সি যেতিয়া ইয়াৰপৰা যাব, তেতিয়া আজিৰ নিচিনা নিশা জীনিয়াৰ কাষত টোপনি নোযোৱাকৈ কোন বহি থাকিব? মানুহে যে জীৱনত কাৰ কাৰণে কোনে ক'ত টোপনি খতি কৰিবলগীয়া হয়!

ছমীৰ বিচনাতে দীঘল দি পৰিল। জীনিয়াৰ নাকৰ নিঃশব্দ নিশ্বাসৰ বাহিৰে আৰু কেনিও কোনো শব্দ-সঁহাৰি নাই। কাতি হৈ ছমীৰে জীনিয়াৰ টোপনি যোৱা মুখখনৰ ফালে চালে। এখনি গঁঢ়িত, কোমল, ধুনীয়া মুখ, জোঙা এটা নাক, এটা গঁঢ়িত থুঁতৰি আৰু এযোৰ বৈ পৰা চেলাউৰি। এইজনী এজনী জীৱনৰ একোকে বুজি নোপোৱা সৰু ছোৱালী। ছমীৰ যেন তাইৰ নিজৰ মোমায়েক বা ককায়েক এটাহে–সি ওচৰত বহি থাকিলে, পৃথিৱীখনলৈ অকণো ভয় নকৰি তাই শান্তিৰে টোপনি যাব পাৰে! মানুহক মানুহে ইমান বিশ্বাস কেনেকৈ কৰে? কেনেকৈ কৰিব পাৰে?

ক্ৰমে টোপনিত তাৰ চকু দুটা মুদ খাই আহিছিল। লাহে লাহে তাৰ চকুৰ আগত আৰু এখন মুখৰ ছবি ভাহি উঠিল–এখন বগা, কৰুণ, পৱিত্ৰ মুখ! দুটা ঈষৎ শুকাই যোৱা পাতল ওঁঠ। সেই ওঁঠ দুটাত যেন তেতিয়াও কোৰাণৰ পৱিত্ৰ বাণীবোৰৰ স্পৰ্শ লাগি আছিল। সেইখন মুখ এজনী মন বুজিব নোৱাৰা মৰমিয়াল মানুহৰ—জুলেখাৰ! আজি এই মুহূৰ্ত্তত ছমীৰৰ চকুৰ আগত জুলেখাৰ মুখখনৰ ছবি কিয় উদ্ভাসি উঠিল, সি বুজিব নোৱাৰিলে। সন্তানহীনা সেই মানুহগৰাকীয়ে মৰম নেদেখুৱায়ো মোক মৰম কৰিছিল, মোক পুত্ৰৰ দৰে ভাবিও নিজক মোৰপৰা সদায় নিলগাই ৰাখিছিল। কিয় বাৰু? তেওঁৰ মনটোক যদি বুজিব পাৰিলোহেঁতেন, হয়তো আজি মোৰ জীৱনৰ গতিপথ অন্যহে হ'লহেঁতেন।

ছমীৰৰ টোপনি লাহে লাহে গাঢ় হৈ আহিল।

জীনিয়া শুই থকা কোঠালিটোৰ বেৰখনৰ বাহিৰ ফালে কাৰোবাৰ যেন ভৰি-খোজৰ শব্দ শুনা গ'ল। কোনোবা যেন সন্তৰ্পণে অহা-যোৱা কৰিছে!

হঠাৎ চকমকু খাই জীনিয়াই সাৰ পাই গ'ল, শুই থকাতে তাই চকু দুটা মেলি চালে। নুমাও' নুমাও' হোৱা চাকিটোৰ পোহৰত, তাই মাথোন ঘৰটোৰ আলাব্ধু লগা চালখনহে দেখা পালে। তাইৰ বুকুৰ ভিতৰখন ধুক্-ধুক্ কৰি বাজি উঠিল। তাই লৰচৰ নকৰাকৈ কাণ দিলে। তাইৰ বিশ্বাস হ'ল যেন সঁচাকৈয়ে বাহিৰ ফালে কোনোবা আহি হাতত সাৰে ভৰিত সাৰে থিয় দিছেহি, আৰু ফুচুফুচাই তাইক নাম ধৰি মাতিছে। তাইৰ ভয় লাগিল। শব্দ নকৰাকৈ তাই মুৰটো বেঁকা কৰি ছমীৰৰ

ফালে চালে, চেনেহীৰ বিচনাখনত, তাইৰপৰা তিনি হাতমান আঁতৰতে ছমীৰ শুই আছে—একেবাৰে নিৰ্ভাৱনাত তাৰ গাঢ় টোপনি আহিছে।

সন্তৰ্পণে জীনিয়া বিচনাৰপৰা নামিল। কোঠাটোৰ মাজতে ঢিমিক-ঢামাককৈ জ্বলি থকা লেম্পটো তাই নুমাই দিলে। অলপ পৰ কোঠাটোৰ মাজতে থিয় দি ৰ'ল, তাৰ পিছত নিজৰ বিচনালৈ নগৈ, ছমীৰ শুই থকা বিচনাখনৰ কাষলৈ গ'ল।

বিচনাৰ কাষত বৈ তাই আকৌ কাণ দিলে, বাহিৰত যেন কোনোবা দুটাই ফুচুফুচাই কিবা কৈছে। তাই আৰু নৰ'ল, ছমীৰৰ কাষতে খালী পৰি থকা ঠাইকণতে তাই দীঘল দি শুই দিলে। তাইৰ বৰ জাৰ লগা যেন লাগিল, তাইৰ গাটো যেন জাৰতে নে ভয়তে ঠক্‌ঠক্‌ কৰি কঁপিছে।

কিছুপৰ জীনিয়া নিশ্চল, নিঃসাৰ হৈ পৰি ৰ'ল। কাষত ছমীৰক পাই যেন তাইৰ ভয়টো নোহোৱা হ'ল। ছমীৰৰ এনেকুৱা গাঢ় টোপনি দেখি তাই মনে মনে আমোদ উপলব্ধি কৰিলে, 'মোক ৰাখিছে চোৱা। মই কাষতে ইমান পৰ শুই আছোঁ—ক'বই নোৱাৰে।' তাইৰ হাঁহিয়েই উঠিব খুজিলে।

এবাৰ তাই ভাবিলে ছমীৰৰ নাকটোত টেপা মাৰি ধৰে। ইমান ঘোৰ-ঘোৰাই টোপনি যাব লাগে নে?

কিন্তু তাই কিবা কৰিবলৈ নোপাওঁতেই, ছমীৰে সাৰ পালে আৰু অলপ চক্‌মক্‌ খাই সুধিলে, "কোন?"

কাতি হৈ আন্ধাৰতে জীনিয়াই হাতৰ তলুৱাৰে তাৰ মুখখন বন্ধ কৰি ধৰিলে।

ছমীৰ বিচনাতে বহি দিলে।

কোঠাটো আন্ধাৰ, জোনাকবোৰো শেঁতা হৈ শেষ হৈ আহিছে। হয়তো ৰাতি পুৱাবলৈ আৰু বেছি সময় নাই।

সি চকু দুটা মোহাৰিলে আৰু আন্ধাৰতে জীনিয়াৰ ফালে চাই সৰুকৈ সুধিলে, "কি হৈছে জীনিয়া?"

তাৰ হাতখনত ধৰি টানি জীনিয়াই ক'লে, "শোৱাচোন, মই ক'ম নহয়—"

ছমীৰে কিন্তু ক্ষীণ পোহৰতে দেখিলে জীনিয়াৰ গাত ৰাগ-ৰেজাই একো নাই। পাতল চেমিজটোৰেই গাটো ঢাকি বিচনাখনৰ একাষে পৰি আছে।

ছমীৰে তাইক ক'লে, "ভালকৈ শোৱা। চাওঁ, মই ৰেজাইখন দি দিওঁ ৰ'বা।"

"তুমি নোশোৱা নেকি?"

"মই বৰ শুলোঁ। তুমি যে কেতিয়া ইয়ালৈ আহিলা মই ক'বই নোৱাৰোঁ।"

ৰেজাইখন ছমীৰে ভালকৈ জীনিয়াৰ গাত দি দিলে। তাৰ পিছত জীনিয়াক সুধিলে, "তোমাৰ বিচনাৰপৰা কেলেই উঠি আহিলা? ভয় খালা নেকি?"

জীনিয়াই হাতখনত ধৰি টানি ছমীৰৰ মুখখন নিজৰ মুখৰ ওচৰলৈ আনিলে আৰু ক'লে, "বাহিৰত কোনোবা আহিছিল।"

"কোনোবা আহিছিল? মোক জগাই নিদিলা কেলেই?"

"জগাই দিব খুজিছিলোঁ, পিছে তোমাৰ যিমানহে টোপনি। আৰু সিহঁতক খেদি গ'লে, তোমাক জানো সিহঁতে অপকাৰ নকৰিলেহেঁতেন?"

জীনিয়াৰ কথাত ছমীৰে লাজো পালে, অলপ অনুশোচনাও হ'ল। মই ইয়াতে

থকা সত্ত্বেও আজি ৰাতি জীনিয়াজনীয়ে শান্তিৰে শুবলৈ নাপালে। চেনেহী বাইটিয়ে কথাটো জানিলে মোক যে কি বুলি ভাবিব !

"বাৰু, এতিয়া আৰু ভয় নাই, তুমি শুই থাকা। এইবাৰ মই আছোঁ—কোননো আহে চাওঁ।"

"তুমিও বহি থাকিব নালাগে। এতিয়া আৰু কোনো নাহে। আমি সাৰ পোৱা বুলি জানি সিহঁত যাবগৈ পায়—" জীনিয়াই ক'লে, আৰু তাৰ হাতখনত ধৰি থাকিল।

ছমীৰৰ নিজৰ ওপৰতে বৰ খং উঠিল। একো নকৈ সি বিচনাৰপৰা নামিল আৰু চিগাৰেট এটা জ্বলালে।

জীনিয়ায়ো একো নকৈ তাৰ মুখলৈ শোৱাৰপৰাই চাই থাকিল।

ছমীৰে গাৰুৰ ওচৰতে পৰি থকা তাৰ টৰ্চ্চটো ল'লে আৰু দুৱাৰখন মেলি বাহিৰলৈ ওলাই গ'ল।

জোনাক প্ৰায় শেষ হৈ আহিছে। কুঁৱলীবোৰ ডাঠ হৈ আহিছে, জগতখন থৰ লাগি নীৰৱে পৰি আছে, ক'তো কেনিও কাৰো সাৰ-সুৰ নাই। মাটি আৰু বনবোৰ নিয়ৰত সেমেকা। ক'ৰবাত কুকুৰাই ডাক দিছে, হয়তো এয়া প্ৰথম ডাক।

টৰ্চ্চ মাৰি ছমীৰে ঘৰটোৰ বাহিৰৰ চাৰিউফাল আৰু আলিবাটটোও চালে—ক'তো কোনো নাই। মনে মনে তাৰ অলপ বিৰক্তি লাগিল। কোন দুৰ্ব্বৃত্ত আহি জীনিয়াজনীৰ টোপনি ভাঙি গ'লহি ? এতিয়া পলাল কিয় ? লগ পোৱা হ'লে আজি তাক শেষ কৰি দিলোহেঁতেন !

ঘূৰি-পকি কেউঁপিনে চাই ছমীৰ ভিতৰ সোমাই আহিল—

দুৱাৰ-মুখত জীনিয়া থিয় দি আছে !

"তুমি আকৌ উঠি আহিলা কেলেই জীনিয়া ?"

"তুমিনো কি কৰি ফুৰিছা ?"

ছমীৰে ক'লে, "ব'লা, ব'লা শুই থাকাগৈ। কেলেই মিছাতে উঠি আহিলা ?"

"কুকুৰাই ডাক দিলেই. এতিয়া আৰু কি শুম। তোমাৰহে টোপনি ভাগিল— আহা, শুই থাকাহি।" জীনিয়াই ক'লে।

দুয়ো ভিতৰলৈ আহিল।

নিজৰ বিচনালৈ যাবৰ চেষ্টা নকৰি জীনিয়া আকৌ ছমীৰ শোৱা বিচনাখনতে ভৰি তুলি বহিল।

জুইশলা-কাঠি এটা জ্বলাই ছমীৰে লেমটো জ্বলাব খুজিলে।

"লেমটো আকৌ জ্বলাইছা কেলেই ?" জীনিয়াই ক'লে।

ছমীৰে কাঠিটো নুমাই দিলে।

"মামা—"

"কি জীনিয়া ?"

"তুমি সদায় আমাৰ ঘৰতে নাথাকা কেলেই ?"

"থাকিলোঁ জানিবা, তাৰ পিছত ?"

"মাজনীক সদায় ৰাতি ৰাতি মানুহে মাতি নিয়েহি, নগ'লেও নহয়। অকলে

অকলে মোৰ বৰ বেয়া লাগে। দিনত স্কুললৈ যাওঁ, ভাল লাগে। ৰাতি সদায় এনেকৈ অকলে থাকিব লাগে।"

ছমীৰে একো নক'লে। জীনিয়া সৰু ছোৱালী, তাই এতিয়াও দুনিয়াৰ জটিলতাৰ মেৰপাক চিনি পাবলৈ শিকা নাই!

অলপ সময় নীৰৱতাৰ মাজেদি কাটি গ'ল।

ছমীৰে ক'লে, "তুমি শুই থাকা জীনিয়া, এতিয়াও ৰাতি পুওৱা নাই।"

"তুমি নোশোৱা?"

"মই? ময়ো শুম বাৰু, তুমি শোৱাচোন।"

জীনিয়াই ক'লে, "ইয়াতে শুই থাকা—"

"নালাগে তুমি শোৱা, মই বাৰু সিখন বিচনাতে শোওঁগে।"

জীনিয়া যেন অলপ ক্ষুণ্ণ হ'ল। তাই ক'লে, "তুমিয়ে ইয়াত শোৱা, মই মোৰ বিচনাত শোওঁগে।"

কথাটো ছমীৰে সিমান বেয়া নাপালে। জীনিয়াক কাষত লৈ একেখন বিচনাতে ওচৰা-উচৰিকৈ বহি থাকিব পাৰি, কিন্তু সেইদৰে একেখন বিচনাতে শুই থকা নাযায়। জীনিয়া তেনেই সৰু ছোৱালী নহয়।

জীনিয়া বিচনাৰপৰা নামিল আৰু একপ্ৰকাৰ জোৰ কৰিয়ে ছমীৰক শুৱাই দিলে। ছমীৰৰ মনে মনে হাঁহি উঠিল। ছোৱালীবোৰে এইদৰে অলপ মুৰব্বীয়ানা কৰি আনন্দ পায়। তাই তাৰ গাত ৰেজাইখন জাপি দিলে। দুখোজমান আঁতৰি গ'ল, তাৰ পিছত বিচনাত উঠি তাৰ কাষতে ঘপহকৈ শুই দিলে।

'ইয়াতে শুবা নেকি জীনা?"

"ওঁ ইয়াতে শুম। নুশুম কেলেই?"

ছমীৰে অলপ একাষৰীয়া হৈ দিলে।

জীনিয়াই ছমীৰে লোৱা ৰেজাইখনকে তাইৰ গাৰ ওপৰলৈকো টানি ল'লে, আৰু তাৰ ফালে ঘূৰি ক'লে, "মামা, তুমি বেয়া পাইছা নেকি?"

ছমীৰে অনুভৱ কৰিলে এইজনী এজনী সৰু ছোৱালী। হয়তো এটা হেমন্তৰ ৰাতিৰ আন্ধাৰে তাইক আৰু শিশু কৰি পেলাইছে।

ছমীৰো তাইৰ ফালে কাতি হৈ ঘূৰিল, আৰু তাইৰ চুলিবোৰৰ মাজত আঙুলি বুলাই বুলাই ক'লে, "এতিয়া শুই থাকা দেই জীনা!"

"ওঁ, শোওঁ। তুমি হ'লে কুলকুলাই নিদিবা।"

জীনিয়ালৈ ছমীৰৰ মৰম লাগিল, সি যেন আগেয়ে কোনো দিন উপলব্ধি নকৰা পিতৃত্বৰ এক উদাৰ স্নেহ মনৰ মাজত অনুভৱ কৰিলে।

চুলিবোৰ মোহাৰি দি দি ছমীৰে সৰু সৰুকৈ ক'লে, "শুই থাকা। এতিয়া আৰু কোনো নাহে।"

তন্দ্ৰাজড়িত মাতেৰে জীনিয়াই ক'লে, "মোৰ টোপনি আহিলে তুমি আকৌ গুচি যাবা নেকি?"

"নাযাওঁ, নাযাওঁ, তুমি শোৱাচোন।"

নিঃশঙ্কভাৱে জীনিয়া টোপনিৰ কোলাত ঢলি পৰিল।

ছমীৰেও টোপনি যাবৰ চেষ্টা কৰিলে, কিন্তু তাৰ টোপনি নাহিল। তাৰ অলপ গৰম লগা যেন লাগিল। 'হয়তো মোৰ দৰেই জীনিয়াৰো জীৱনত কোনো পিতাৰ মৰমী হাতৰ স্নেহ-স্পৰ্শ নাই পোৱা। নহ'লে মোৰ নিচিনা এটা মানুহৰ ওচৰত তাই ইমান নিঃশঙ্ক হ'ব নোৱাৰিলেহেঁতেন।'—এনেয়ে ছমীৰে ভাবিলে। 'এইদৰে অনাত্মীয়, অপৰিচিতৰ লগত স্নেহৰ সেতু ৰচনা কৰি কৰিয়ে জীৱনটো শেষ কৰি দিব লাগিব নেকি ?' ভাষাহীন চিন্তাবোৰ তাৰ মনলৈ আহিল।

হঠাৎ ৰাতিৰ নীৰৱতা ভেদ কৰি আকৌ দূৰে দূৰে কুকুৰাৰ ডাকবোৰ ওপঙি আহিল। বহুত দিন সি কুকুৰাৰ ডাক শুনা নাই। শেহৰাতি তাৰ সদায় টোপনি আহে। তাৰ ভাল লাগিল, সি নীৰৱে পৰি ৰ'ল।

অলপ পৰৰ পিছতে তাৰ কাণত আহি পৰিল ওচৰৰে মচজিদটোৰপৰা ভাহি অহা আজানৰ মিঠা, গভীৰ শব্দ—হঠাৎ যেন ৰাতিৰ টোপনি ভাগি গ'ল। মধুৰ উদাত্ত কণ্ঠেৰে আজান দিছে—নিশ্চয় সেয়া ডাক্তৰ মহচিনৰ মাত। চাঁত কৰে ছমীৰৰ মনটো তাৰ ল'ৰালিকাললৈ ঘূৰি গ'ল। এই একেই আজানৰ মধুৰ আহ্বান সি নানাকৰ বুকুৰ কাষত শুই শুই আধা-টোপনিতে শুনিছিল—সিহঁতৰ গাঁৱৰ মচজিদৰপৰা ভাহি অহা। পৃথিৱীৰ সকলো মচজিদৰে ফজৰৰ আজানৰ মধুৰ আহ্বানে চিৰকাল এইদৰে মানুহৰ টোপনি ভাঙি আহিছে।

আজানৰ সি ভালকৈ অৰ্থ বুজিব নোৱাৰা মধুৰ মাতটোত ছমীৰে যেন এটা পৰিচয় আশ্বাসৰ সঁহাৰি পালে। মচজিদৰ মিনাৰত সেয়া ডাক্তৰ মহচিনৰ সমাহিত আহ্বান—

"আছ্‌ ছলাতু খাইৰুম্ মিনান্নাউম্—" টোপনিতকৈ উপাসনা শ্ৰেষ্ঠ। দেহৰ আৰাম লৈ পশুৰ দৰে শুই থকাতকৈ আত্মাক জগাই পৰম পদত প্ৰাৰ্থনা নিবেদন কৰাটো শ্ৰেষ্ঠতৰ···

ছমীৰ বিচনাৰপৰা নামিল, আন্ধাৰতে টোপনি যোৱা জীনিয়াৰ কপালত এটা চুমা খালে, তাৰ পিছত ওলাই আহিল বাহিৰলৈ।

॥ সাতচল্লিশ ॥

জাফৰ আৰু গুলচীৰ বিয়া একেলগেই পাতিবৰ দিহা কৰা হৈছিল। কিন্তু আগডোখৰ একো নোকোৱাকৈ মনে মনে থাকি বিয়াৰ দহ দিনৰ আগত জাফৰে জনাই দিলে যে সি সেইজনী ছোৱালী বিয়া নকৰায়। এনেকৈ বিয়া ভগা বা বিয়া ভঙা গাঁৱত কোনো নতুন কথা নহ'লেও হাছমতৰ গোটেই পৰিয়ালটো কিছু অপদস্থ আৰু বিব্ৰত হ'বলগীয়াত পৰিল। কইনাঘৰীয়ায়ো নানা ধৰণে গালি-শপনি পাৰি' কটু কথা শুনালে। ছোৱালীঘৰৰ মানুহ বৰ ধনী নহ'লেও ৰহৰহীয়াই আছিল। আৰু ছোৱালীজনীও আছিল দেখাই-মেলাই ধুনীয়া। সেই ছোৱালীজনী বিয়া কৰাবলৈ জাফৰে অস্বীকাৰ কৰাৰ কোনো কাৰণ কোনোৱে বুজিব নোৱাৰিলে।

সোণপাহীৰ কথামতে হাছমতহঁতে প্ৰথমে পাভকে চাইছিলগৈ, ছোৱালীজনীত মনো

আহিছিল। পিছে পাভহঁতৰ ঘৰৰ অৱস্থা বৰ দুখীয়া দেখি হাছমতে পাভক বোৱাৰী কৰিবলৈ অনিচ্ছা প্ৰকাশ কৰিলে। সোণপাহীয়ে এই সম্পৰ্কে আৰু একো নকৰাই তাইৰ কাৰণে মঙ্গলজনক হ'ব বুলি ভাবিলে।

শেষত হাছমতে অন্য এখন গাঁৱত ৰস-পম থকা চাই এঘৰৰ এজনী ছোৱালী জাফৰৰ কাৰণে বন্দৱস্ত কৰি পেলালে। ল'ৰালৈ নিঘূণী চাই ছোৱালী এজনী আনিব লাগে। অন্য বিবেচনা পিছৰ কথা।

মিতিৰৰ ঘৰৰ লগত আহ-যাহো চলিল। আনকি সোণপাহীও গৈ ছোৱালী চাই আহিলগৈ। ছোৱালীজনী বেয়া নহয়। ঘৰৰ বন-বাবিৰ উপৰিও ভুঁই-কঠীয়াও কৰিব পাৰিব।

সকলো পণ্ড কৰি দিলে জাফৰে। সি আগৰেপৰা বৰ গোঁৱাৰ ধৰণৰ। কিবা এটা নকৰোঁ বুলিলে জোৰ কৰি কৰাবৰ উপায় নাই। হাছমতে ক'লে, "এইদৰে শেহত মোক বেইজ্জতি কৰি সি ৰং চাইছে, চাওক। মই আৰু তাৰ কাৰণে ক'তো ছোৱালী বিচাৰি নাযাওঁ। সি য'ৰেপৰা আনে আনি থাকক—য'লৈ যায় যাওক।"

স্পষ্টভাৱে বুজিব নোৱাৰিলেও সোণপাহীয়ে অনুমান কৰিব পাৰিলে যে সেই ছোৱালীজনী বিয়া কৰাবলৈ জাফৰ কিয় অমান্তি হৈছে। কিন্তু সেই কথা মুখখুলি কাৰোবাক জনাবৰ উপায় সোণপাহীৰ নাছিল। আনকি সোণপাহীয়ে নিজৰ চিন্তাৰপৰাও সেই কথা নিলগাই ৰাখিবৰ চেষ্টা কৰিলে।

জাফৰৰ বিয়া ভাগিল যদিও হাছমতে সৰু জীয়েক গুলচীৰ বিয়াখন নপতাকৈ নাথাকিল। তায়েই হাছমতৰ নুমলীয়া ছোৱালী। সোণপাহীৰ কোনো সন্তান-সন্ততি হোৱাৰ সম্ভাৱনা আৰু নাই। গা-মন ভালে থাকোঁতেই গুলচীৰ বিয়াখন পাতি পেলাব পাৰিলে হাছমতৰ এটা চিন্তা যায়। জীৱনৰ ধাৰ শুজাও হয়।

বৰ বেছি খৰচ-পাতি নকৰাকৈ, ঘৰখনৰ মান-মৰ্য্যাদা ৰক্ষা কৰি গুলচীৰ বিয়াখন পাতি পেলোৱা হ'ল। হাছমতৰ উলিয়াই দিয়া জীয়েকজনীয়েও আহি লাগি-ভাগি দিলেহি।

জাফৰে কিন্তু ভনীয়েকৰ বিয়া বুলি একোকে নকৰিলে, আঁতৰে আঁতৰেই ফুৰিলে। সোণপাহীয়ে ছেগ চাই দুই-এটা কামৰ ভাৰ দি কৰালে, কিন্তু নিজৰ ভনীয়েকজনীৰ বিয়া বুলি উপযাচি সি একোকে নকৰিলে। তাক সকলোৱে জানে। কোনোৱে সেই বিষয়ে উচ-বাচ নকৰিলে। সি যেন ক'ৰবাৰ কোনোবা, এনেদৰেই বিয়াৰ কেদিন আলহীৰ দৰে থাকিল। যেন বিয়াখন হোৱাৰ কথা সি একো ক'বই নোৱাৰে।

বিয়া ভালে ভালেই হৈ গ'ল। গুলচীৰ দৰাটো ওচৰৰে গাঁও এখনৰ পাঠশালা স্কুলৰ পণ্ডিত। ছোৱালী বিয়া দি উলিয়াই দিয়াই কথা! থাব নিজৰ কপালৰ গুণে।

বৈচিত্ৰ্য নাথাকিলেও সোণপাহীৰ সংসাৰখনে গুলচীৰ বিয়াৰ পিছৰপৰা ৰূপ কিছু সলালে। গুলচী গ'ল। তাৰ অলপ দিনৰ পিছতে হাছমতৰ বাঁৰী জীয়েকজনীও নিজৰ স্বামীৰ ভেটিলৈ গ'লগৈ। সকলোৱে তাইক পৰামৰ্শ দিলে—'আজি বাপেৰ আছে কাৰণে নিজৰ ঘৰ বুলি থাই-মেলি আছ, কালিলৈকে বাপেৰে চকু মুদিলে তোক জাফৰেই ৰাখিব নে সোণপাহীয়েই ৰাখিব। উলিয়াই দিয়া ছোৱালীৰ বাপেকৰ ঘৰখন

নিজৰ ঘৰ নহয়। স্বামীৰ ঘৰহে নিজৰ ঘৰ, লাগিলে ভগা প'জাই হওক। তাতে জাফৰৰো উত্তৰ্ডালি দিনক দিনে চৰিছে। তই এনেকৈ বাপেৰৰ আৰ্জ্জন খাই থকা দেখি তাৰ চকু পুৰিছে। কিবা অঘটন নোঘটোতেই তই যাগৈ।'

আইটিৰ দেওৰেকহঁতেও বিধৱা বোৱেকক প্ৰাপ্যাংশিনি দিবলৈ অমান্তি নহ'ল। পলম নকৰি গুলচীৰ বিয়াৰ ডেৰ মাহৰ পিছত তাই এদিন সোণপাহী আৰু বাপেকৰপৰা বিদায় লৈ গুচি গ'লগৈ।

এতিয়া সোণপাহীৰ ঘৰখনত তিনিটা প্ৰাণী—হাছমত, জাফৰ আৰু সোণপাহী।

ঘৰখন নিমাওমাও। হাছমতৰ ঘৰলৈ অন্য মানুহৰো বৰ বেছি আহ্-যাহ্ নাই। সোণপাহীও বৰ বেছি গাঁও ফুৰা ছোৱালী নহয়। এক বেলেগ ধৰণৰ নিৰালম জীৱন-যাত্ৰা আৰম্ভ হ'ল সোণপাহীৰ।

অৱশ্যে এনে এটা জীৱনকে সোণপাহীয়ে বহু দিন কটাই আহিছে—বাপেকৰ ঘৰত। কিন্তু তাৰ পৰিৱেশ বেলেগ আছিল। বাপেক ৰহমান বুঢ়া আছিল তাইৰ সকলো দুখ-বেজাৰৰ অকৃত্ৰিম লগৰী, তেওঁ তাইক বুজি পাইছিল—তেওঁৰ আছিল এখন বহল হৃদয়। আৰু আছিল ছমীৰ! তাইৰ বুকুৰ ধন, তাইৰ আশা, তাইৰ ভৰসা।

ইয়াত আজি ইমান বছৰেও তাইক কোনোৱে ভালকৈ বুজিব নোৱাৰিলে। নিজক লৈয়ে তাই থাকিব লাগে, তাই চিৰনিঃসঙ্গ। জাফৰৰ চকুৰ অসহায় কামনাৰ বুভুক্ষা তাই বুজি পায়। তালৈ তাইৰ পুতো হয়, মাজে মাজে ঘৃণা হয়। কেতিয়াবা মৰমো লাগে, যেতিয়া সকলো যুক্তি-বিবেক দলিয়াই পেলাই সি ভিক্ষাৰীৰ দৰে আঁঠু লৈ তাইৰ মৰম বিচাৰে। তাৰ বা নিজৰ দুৰ্ব্বলতাৰ ওচৰত আত্ম-সমৰ্পণ নকৰিবৰ কাৰণে সোণপাহীয়ে নিজৰ লগতে যুঁজিবলগীয়া হয়।

হাছমত এটা বুঢ়া মানুহ, এইকথা যিমানেই উপলব্ধি কৰে, সিমানেই তাইৰ মনটো বেদনাত ভাৰাক্ৰান্ত হৈ উঠে। এটা পৌৰুষহীন, অক্ষম বুঢ়াক অৱলম্বন কৰি জীয়াই থকাৰ প্ৰয়াসটো তাইৰ বৰ অশ্লীল যেন লাগে। কেতিয়াবা তাইৰ মনটো বিদ্ৰোহী হৈ উঠে। তাতকৈ সকলো গ্লানি-অপযশ লৈ ছমীৰক বুকুত বান্ধি বিয়া নোহোৱাকৈ থকাই ভাল আছিল। হাছমতে তাইৰ দেহ-মনৰ কথা একো নুবুজে। বুজিলেও প্ৰতিকাৰৰ ব্যৱস্থা কৰাৰ কোনো চিন্তা নকৰে। হাছমতৰ এই উদাসীনতা তাইৰ অসহ্য লাগে।

কিন্তু সকলো কথা মনৰ মাজতে লুকাই ৰাখি সাধাৰণভাৱে হাঁহি-মাতি দৈনন্দিন জীৱনৰ অবিচিত্ৰ দিনবোৰ কটাই যাবৰ কাৰণে তাই মনে মনে সংকল্প কৰে। এটা কথাত তাই আশ্বস্ত হয় যে আশ-পাশৰ মানুহবোৰে আজি-কালি আৰু তাইৰ বিষয়ে কোনো কথাৰ আলোচনা নকৰে। তাই বহুত পুৰণি হৈ গৈছে ইয়াত, মানুহ নিজক লৈ ব্যস্ত। আৰু গাঁৱলীয়া ঠাইত এজনী ৩৭।৩৮ বছৰীয়া তিৰোতাৰ মনত নতুন সপোনৰ জন্ম হ'ব পাৰে বুলিও অতি কম মানুহেহে ভাবে।

কেতিয়াবা সোণপাহীয়ে নিজৰ গাটোলৈ চায়। ইমান অন্তৰ্বেদনা সত্ত্বেও তাইৰ শৰীৰ অটুট্ আৰু অম্লান থকাটো তাইৰ নিজৰে এটা ভয়াৱহ আৰু অশ্লীল কথা যেন লাগে। সেই ৰূপ, সেই স্বাস্থ্য লৈ মানুহৰ আগত দেখা দিবলৈও কেতিয়াবা তাইৰ লাজ লাগে। আৰু অধিক লাজ লাগে যেতিয়া তাইৰ আৰু তাইৰ স্বামী হাছমতৰ স্বাস্থ্যশ্ৰী আৰু ৰূপ-বয়সৰ কৰুণ পাৰ্থক্যটো তাইৰ চকুত স্পষ্ট হৈ উঠে।

সোণপাহীৰ নিজকে কোনো অজ্ঞাত কাৰণত অপৰাধী যেন লাগে।

কেতিয়াবা নিৰলে বহি সোণপাহীয়ে তাইৰ আসন্ন আৰু অপৰিহাৰ্য্য বৈধব্যৰ কালৰূপ দেখি শিয়ঁৰি উঠে। হাছমতৰ স্বাস্থ্য যে ক্ৰমাত পৰি আহিছে এই কথা আজিকালি তেওঁ নিজেও গোপন কৰিবৰ চেষ্টা নকৰে। নিতে নিতে বাঢ়ি অহা হাছমতৰ অসুখ-বিসুখবোৰে, সোণপাহীৰ সমাগত দুৰ্ভাগ্যৰে পূৰ্ব্বাভাস দিয়ে। সোণপাহীৰ আশা আৰু স্বপ্নৰ আকাশখন হতাশা আৰু ব্যৰ্থতাৰ ক'লা ডাৱৰে ঢাকি আনে। সোণপাহীয়ে পোহৰৰ পথ বিচাৰে।

অস্থিৰ অনিশ্চয়তাৰ মাজেদি সোণপাহীয়ে পোহৰৰ যি ক্ষীণ ৰেঙণি দেখা পায়, তাক বিশ্বাস কৰিবলৈ বা তাৰ ওপৰত আস্থা স্থাপন কৰিবলৈ তাইৰ নিজৰে ভয় লাগে। তাইৰ আশাৰ পদুলি-মুখত তাই দেখা পায় অভিমানী, অসহায়, অকলশৰীয়া ছমীৰক। এদিনো সি সোণপাহীক চাবলৈ নাহিল. কিয় আহিব ? তাৰ সোণপাহীলৈ লিখা এখন চিঠিৰ উত্তৰো সি নাপালে। তাৰ একান্ত প্ৰয়োজনৰ সময়তো মাকৰপৰা দুটা টকা পাম বুলি বাট চাই থাকি থাকি সি নিৰাশ হ'ল। সি জানো আজিও সোণপাহীৰ কথা মনত ৰাখিছে ? সি জানো আজিও সোণপাহীক চিনি পাব ? আজিও তাইক বৌটি বুলি মাতিব ?

'এইবোৰ দুৰাশা—এইবোৰ আকাশ-কুসুম।'—সোণপাহীয়ে ভাবে।

অহুকাণে-পহুকাণে সোণপাহীয়ে খবৰ পাইছিল যে যুদ্ধক্ষেত্ৰৰপৰা ছমীৰ ভালে ভালেই ঘূৰি আহিল. আৰু এতিয়া দুৰ্বাণৰ কোনোবা এখন চহৰত কিবা কাৰবাৰ কৰিছে। তাৰ বাহিৰে ছমীৰৰ বিষয়ে সোণপাহীয়ে আৰু একোকে নাজানে। কেতিয়াবা পুতেকৰ খবৰ পাবৰ কাৰণে তাইৰ মনটো উদ্বিগ্ন, উদ্বাউল হৈ উঠে যদিও তাই একো কৰিব নোৱাৰে। ছমীৰৰ বিষয়ে কোনো কথা তাই হাছমত আৰু জাফৰৰ আগত নুলিয়ায়ো। হয়তো তাইক ভুল বুজিব, জাফৰে হয়তো সন্দেহ কৰি বহিব যে তাই হাছমতৰ সম্পত্তিৰ ওপৰত জাফৰৰ লগতে ছমীৰকো অংশীদাৰ কৰাৰ গোপন পৰিকল্পনা কৰিছে। হাছমত নোহোৱা হ'লে যে তেওঁৰ স্থাৱৰ-অস্থাৱৰ সম্পত্তিৰ অধিকাৰী জাফৰহে হ'ব, তাই হোৱাৰ সম্ভাৱনা নাই—এই বিষয়েও সোণপাহীৰ কোনো সন্দেহ নাই। হয়তো স্বামীৰ সম্পত্তিৰ ভাগ পাবৰ কাৰণে তাই অবাঞ্ছনীয়ভাৱে জাফৰক সন্তুষ্ট কৰি ৰাখিবলগীয়াত পৰিব। অৱশ্যে পথৰ ভিখাৰী হ'বলগীয়া হ'লেও সোণপাহী জাফৰৰ অনুগ্ৰহ ভিক্ষা নকৰিবৰ কাৰণে দৃঢ়প্ৰতিজ্ঞ। হাছমত নোহোৱা হ'লে, এটা জীৱনৰ কাৰণে সোণপাহীয়ে হয়তো কাৰো অনুগ্ৰহ বা ভিক্ষা নিবিচৰাকৈও চলি যাব পাৰিব।

ছমীৰৰ বিষয়ে সোণপাহীৰ চিন্তা দিনক দিনে বাঢ়ি যাব ধৰিলে, কিন্তু এই কথা নিজতে আৱদ্ধ ৰাখিবৰ কাৰণে তাই আপ্ৰাণ চেষ্টা কৰিলে, যেন ছমীৰ বুলি তাইৰ কোনোৱেই নাছিল. আৰু আজিও কোনো নাই।

জাফৰৰ বিয়াখন ভাগি গ'লত আটাইতকৈ বেছি শংকিত হৈ উঠিল সোণপাহী। আৰু যেতিয়া হাছমতৰ বাঁৰী জীয়েকজনীও গুচি গ'ল আৰু সোণপাহীয়েই হ'ল ঘৰখনৰ একমাত্ৰ তিৰোতা মানুহ, তাইৰ ভয় আৰু শংকা আৰু বাঢ়িল। এতিয়া তাইৰ সন্মুখত দুটা পথ—জাফৰৰপৰা হাছমতৰ অজ্ঞাতে আত্মৰক্ষা কৰি চলা, আৰু জাফৰৰ

কামনাৰ ওচৰত আত্মসমৰ্পণ কৰি হাছমত আৰু জগতৰ চকুত ধূলি দি এটা গোপন পঙ্কিল জীৱন যাপন কৰা। অন্য পথ আৰু নাই। এই পৰিস্থিতিত কি কৰা উচিত সোণপাহীয়ে একো নিৰ্ণয় কৰিব নোৱাৰিলে।

এদিন হাছমত ঘৰত নথকা অৱস্থাত সোণপাহীয়ে বৰ আত্মীয়তাৰে জাফৰক ক'লে, "সিথন বিয়া ভাগিল ভাগিল, তোমাৰ বিয়াৰ দিহা আকৌ কৰিব খুজিছোঁ। এইবাৰ তুমি আৰু আমাক বিপদত নেপেলাবা দেই!"

"আকৌ যদি মোৰ বিয়াৰ কথা কোৱা, মই ক'ৰবালৈ গুচি যাম।" মাতত অলপ দৃঢ়তাৰেই জাফৰে ক'লে।

"আৰু তুমি যদি বিয়া নকৰোৱা, ময়ো ক'ৰবালৈ গুচি যাম। এই নিমাওমাও ঘৰখনত মই অকলে অকলে আৰু কিমান দিন থাকিম।" কঠিন মাতেৰে সোণপাহীয়ে ক'লে।

জাফৰে সোণপাহীৰ মুখলৈ চালে। তাৰ চকুত অসহায় চাৱনি। কিন্তু সোণপাহীয়ে তাৰ চকুলৈ চোৱা নাই, তলমূৰ কৰি আছে।

অলপ পৰ মনে মনে কাটি গ'ল।

সোণপাহীয়ে ক'লে, "তুমি এটা ডেকা মানুহ, তুমি বিয়া নকৰাবৰ কোনো কাৰণ নাই। বিয়া তুমি কৰাবই লাগিব।"

জাফৰে যেন সোণপাহীৰ কথাত ভয় খাই গৈছিল। সি দুৰ্ব্বলভাৱে ক'লে, "তোমাক মই আৰু নতুনকৈ বুজাই ক'বলৈ একো নাই। তুমি সকলো জানা।"

কঠিন মাতেৰেই সোণপাহীয়ে ক'লে, "সেইবোৰ কথা নাভাবিবাই, বৰ ডাঙৰ গুনাহ হ'ব। আৰু মোৰনো এতিয়া কিটো আছে, মই বুঢ়ী মানুহ—তোমালৈ ধুনীয়া চাই এজনী গাভৰু ছোৱালী বিয়া কৰাই আনিম।"

কথাখিনি কৈ সোণপাহীয়ে নিজৰ গাটোৰ ওপৰেদি এবাৰ চকু ফুৰাই নি জাফৰৰ মুখলৈ চালে।

আগেয়ে বহুবাৰ কোৱাৰ দৰেই জাফৰে ক'লে, "মই মৰি যাম—"

সোণপাহীয়ে একো নামাতিলে। জাফৰ অবুজ, তাক পুতৌ কৰা যায়। কিন্তু তাক বুকুৰ কাষ চপাই লোৱা নাযায়। এই বিষয়ে সোণপাহী নিশ্চিত যে এই জাফৰক তাই কোনো দিন ভাল পাব নোৱাৰিব। অৱস্থাৰ তাড়নাত পৰি যদি কেতিয়াবা মৰম কৰিবলগীয়াও হয়, তাত হয়তো যান্ত্ৰিক অভিনয় থাকিব, কিন্তু আন্তৰিক অনুভূতি নাথাকে।

সোণপাহীয়ে নিজৰ ওচৰতে বৰ অসহায় অনুভৱ কৰিলে।

কিছুপৰৰ নিস্তব্ধতাৰ পিছত সোণপাহীয়ে কিবা এটা ক'ব খুজিছিল। হঠাৎ জাফৰে ক'লে, "মই মৰি গ'লে তুমি ভাল পাবা নহয়?"

মনে মনে সোণপাহীৰ হাঁহি উঠিল। তাই জানে জাফৰৰ নিচিনা মানুহ কাৰোবাৰ মৰম নাপালে মৰিব পৰা মানুহ নহয়। সি বৰ দুৰ্ব্বলমনা। তাৰ কামনাও দুৰ্ব্বল, আশাও দুৰ্ব্বল।

"তুমিনো কেলেই মৰিবা? মৰিবলৈ কি হৈছে?"

একো নকৈ জাফৰ বাহিৰলৈ ওলাই গ'ল। সোণপাহী বহাতে বহি থাকিল। মনে

মনে সোণপাহীৰ ভয় হ'ল, জানোচা অবুজ আৰু অবুজেশী জাফৰটোৱে প্ৰকাশ্যে কিবা এটা অঘটন ঘটাই বহে। জীৱনৰ এটা কলঙ্কৰপৰা মুক্ত হ'বৰ কাৰণে তাই সাৰ্দিৰ ল'লে জীৱন-জোৰা এই যন্ত্ৰণা। আৰু কিবা ত্ৰুটিৰ লাগিলে তাৰ বাবে জগতে তাইকেই জগৰীয়া কৰিব, আৰু অৰপৰা মুক্তি পাবৰ পথ এটাই ব'ব—মৃত্যু। হয়তো এই মৃত্যুৰ ফালে অৱস্থাই তাইক টানি নিছে।

ছেগ বুজি সোণপাহীয়ে হাছমতকো ক'বৰাত জাফৰৰ কাৰণে এজনী ছোৱালী চাবলৈ ক'লে। হাছমতে কিন্তু কোনো আগ্ৰহ নেদেখুৱালে। উদাসীনভাৱে ক'লে, "এবাৰ সি আমাৰ নাক-কাণ কটাই থৈছে। আকৌবা কি কৰে!"

"জোৰ কৰি বিয়া কৰাই দিব লাগে। ডেকা ল'ৰাই গা এৰা দিবলৈ চাবই। আমাৰ ফালৰপৰা জোৰকৈ টানি ধৰিব লাগে। আপুনি বাৰু এজনী চকুত লগা ছোৱালীৰ খবৰ কৰকচোন।" সোণপাহীয়ে ক'লে।

"আগেয়ে তুমি তাক বিয়া কৰাবলৈ মান্তি কৰোৱাচোন। সিতো মোৰপৰা আলেঙে আলেঙে ফালৰি কাটি ফুৰে, তুমি কথা-বতৰা পাতিবাচোন।"

"মই কৈ চাম। পিছে আপুনি জোৰকৈ নধৰিলে নচলিব। আপুনি লাগক। এই মৰা-ঘৰ যেন নিমাওমাও ঘৰখনত মই বোবা-চামোন হৈ সদায় কেনেকৈ থাকিম!"

সোণপাহীয়ে কিন্তু বুজিছিল এয়া দুৰ্বল আত্মপ্ৰতাৰণাৰ বাহিৰে অন্য একো নহয়। হাছমতৰ সেই ব্যক্তিত্ব নাই, যাৰ দ্বাৰা জাফৰৰ নিচিনা ল'ৰা এটাক জোৰ কৰি কোনো কথা মনাব পাৰিব। তথাপি এটা সান্ত্বনা যে হাছমতৰ মনত সোণপাহী আৰু জাফৰ সম্পৰ্কে কোনো সন্দেহৰ অৱকাশ নাথাকিব। সোণপাহী জাফৰৰ মাক নহ'লেও, মাহীমাক। মাহীমাকৰ কৰ্ত্তব্য তাই কৰিবলৈ চেষ্টা কৰিছে। হয়তো জাফৰৰ শুভবুদ্ধিৰ উদয় হ'বও পাৰে। তেতিয়া হয়তো সোণপাহীয়ে জীৱনৰ দুটামান দিন অকণমান শান্তিৰেই কটাব পাৰিব।

॥ আঠচল্লিশ ॥

খবৰ আহিল—সোণপাহীৰ মাজু ককায়েকৰ টাইফয়েড হৈছে—ঘোৰা-থোৱা অৱস্থা। এবাৰ চাই যাবৰ কাৰণে তাইলৈ খবৰ পঠিয়াইছে। বাৰ্তাৰিটো পাই তাই বৰ বেছি উদ্বিগ্ন বা অধৈৰ্য্য নহ'ল। ককায়েকহ'তৰ লগত তাইৰ সম্পৰ্ক অতি পাতলীয়া। তাইৰ দুৰ্ভাগ্যৰ মুহূৰ্ত্তৰপৰা ককায়েকহ'তে তাইক ঘৃণা আৰু অৱহেলাই কৰি আহিছে। হয়তো ককায়েকৰ অৱস্থা সংকটজনক নোহোৱা হ'লে তাইলৈ বাৰ্তাৰিকে নিদিলেহেঁতেন।

কেইবা বছৰো সোণপাহী নিজৰ গাঁৱলৈ যোৱা নাই। যোৱাৰ কোনো প্ৰয়োজন বা উপলক্ষও উপলব্ধি কৰা নাই। ঘৰৰপৰা দুৰণিলৈ উলিয়াই দিয়া অন্যান্য বোৱাৰীৰ দৰে তায়ো ঘৰৰ কথা একপ্ৰকাৰ পাহৰিয়ে গৈছে। মাক-বাপেক নথকা ঘৰখনলৈ কিহৰ হেপাহত যাবৰ মন যাব?

ককায়েকৰ অসুখ বুলিয়ে হওক বা নিজৰ গাঁওখন এবাৰ চাওঁগৈ বুলিয়ে হওক,

সোণপাহীৰ এবাৰ যাবৰ মন গ'ল। কথাষাৰ উত্থাপন কৰিলতে হাছমতে সহজে সম্মতি জনালে আৰু ক'লে, "নাযাবা কেলেই, যোৱা। মোৰহে গাটো ভাল নাই। ইমান দূৰ মই যাব নোৱাৰিম, তুমি জাফৰকে লগত লৈ যোৱা।"

কথাষাৰ শুনি সোণপাহীৰ তালু শুকাই গ'ল। জীৱনত কি তাইক এনে বিড়ম্বনাই লগ নেৰিব? কথাষাৰ জানিব পাৰিলেই তাইৰ লগত যাবলৈ জাফৰ সাজি-কাচি ওলাব, আনকি তাক নাযাবা বুলি ক'বৰো কোনো উপায় নাথাকিব। কিন্তু জাফৰৰ লগত তাই যাব কেনেকৈ? কোনোবাই তাইক 'এয়েই হ'বলা তোমাৰ ...?' বুলি সুধিলে তাই কেনেকৈ কি উত্তৰ দিব? তাই কেনেকৈ ক'ব, 'এও মোৰ....নহয়, মোৰ ল'ৰাহে!'

গাঁৱত, ঘৰত সজ হৈ গৈছে, কিন্তু বাহিৰত, অন্য ঠাইত তাই জাফৰৰ চিনাকি দিবলৈ মনৰ বল বিচাৰি পাব জানো?

সোণপাহীয়ে তেতিয়াই একো নক'লে। ৰাতি সোণপাহীয়ে হাছমতক ক'লে, "মই গ'লে আপোনাৰ ভাত-পানী খোৱাৰে অসুবিধা নহ'ব জানো? আপুনিনো নিজে ৰান্ধি-মেলি কেনেকৈ খাব? তাতকৈ, গা ভাল পায় যদি কালি-পৰহিমানলৈ আপুনি খবৰ এটা কৰি আহকগৈ। যাবলগীয়া হ'লে মই পিছতো যাম।"

হাছমতে ক'লে, "তুমি গ'লেহে ভাল আছিল। তোমাক দেখিলে ককায়েৰে যিমান ভাল পাব, মোক দেখি সিমান ভাল পাব জানো? আৰু মোৰ গাটোও বৰ ভাল নাই।"

সোণপাহীয়ে ক'লে, "গাটো ভাল নাই যদি আপুনিও নালাগে যাব। ককাই-ভায়েনো আমাৰ কি বিচাৰ ৰাখিছে অতদিনে?"

অলপ চিন্তা কৰি হাছমতে ক'লে, "বৰ টান-টুন নোহোৱা হ'লে এনেকৈ বাতৰি নিদিলেহেঁতেন। মানুহৰ হায়াত-মৌৱতৰ কথা কোনে জানিছে।"

অৱশেষত হাছমত যোৱাটোৱেই ঠিক হ'লগৈ। হাছমতে গৈ খবৰ কৰি আহকগৈ, তাৰ পিছত নগ'লে নহয় যদি সোণপাহীহঁতো যাব।

ইয়াৰ তিনি দিনৰ পিছত সোণপাহীয়ে টোপোলা-টাপলি বান্ধি হাছমতক উলিয়াই পঠিয়ালে। যাবৰ সময়ত হাছমতে ক'লে, "ৰাতি জাফৰক ঘৰতে থাকিবলৈ ক'বা। ভয়-চয় নকৰিবা। মই পাৰোঁ যদি দুই-এদিনতে ঘূৰি আহিমগৈ।"

হাছমতক পঠিয়াই দিয়াৰ পিছত সোণপাহীয়ে উপলব্ধি কৰিলে যে এইদৰে হাছমতক নপঠিয়াই তাই নিজে যোৱাই ভাল আছিল।

ওচৰৰে কাৰোবাক ৰাতি তাইৰ লগত থাকিবলৈ মাতি আনিব পাৰে, কিন্তু তেতিয়া কিজানিবা গাঁৱৰ মানুহে কিবাকিবি ভাবে। একো নকৰি সোণপাহীয়ে আত্মৰক্ষা কৰাৰ উপায় আৰু বল বিচাৰিলে। বাহিৰত তাই কোনো শঙ্কা বা দুৰ্ব্বলতা প্ৰকাশ নকৰিলে।

সন্ধিয়া তাই গৰু-গাই নিজেই বান্ধিলে। টান ৰ'দ দিনত নাছিল যদিও শেষ-ব'হাগৰ সন্ধিয়াটো যথেষ্ট গৰম আছিল। ভাতৰ চৰু জুইৰ ওপৰত তুলি দি সোণপাহী পিছ-চোতাললৈ ওলাই আহিল। আৰু ফু-মাৰি ভাত খাব পৰা পৰিষ্কাৰ চোতালখনতে পাটী এটা পাৰি বহিল। এজাক শান্ত, জুৰ বতাহ বলিছে। ওপৰত

কৃষ্ণপক্ষৰ আকাশ—অঁাৰোৰ ওলাইছে। জোন হয়তো পিছ-ৰাতিহে ওলাব। দূৰৈত ল'ৰা-ছোৱালী কিছুমানে কিৰীলি পাৰি কিবা খেলিছে। সিহঁতৰ কিৰীলিৰ শব্দ আহি কাণত পৰিছেহি।

গধূলিৰ এই কোমল আন্ধাৰ, এই শান্ত বতাহজাকৰ উষ্ণ-শীতল স্পৰ্শ, ঘৰটোৰ গম্ভীৰ নীৰৱতা, আৰু চোতালখনৰ ধূলিয়ৰি পৰিচ্ছন্নতা—সকলোৰে মাজত নীৰৱে পৰি আছে এখন উদ্বিগ্ন, উৎকণ্ঠিত সৰু হৃদয়, আৰু তাৰ মাজত হাজাৰ অকথ্য অনুভূতিৰ পাৰ নোহোৱা বেমেজালি। সোণপাহীয়ে নিজেই বুজিব নোৱাৰিলে, ককায়েকৰ বেমাৰৰ খবৰ কৰিবলৈ তাই নিজে নগৈ হাছমতক পঠিয়ালে কিয়? জাফৰক তাই বুজে, নতুনকৈ তাক বুজিবৰ কাৰণে এনে এটা সুযোগ গ্ৰহণ কৰাৰ অশ্লীল অভিলাষে অজানিতে তাইক যোৱাৰপৰা বিৰত ৰাখিলে নেকি? জাফৰৰ অবাঞ্ছনীয় কামনাৰ প্ৰস্তাৱত তাই মনৰ গোপনত ক'ৰবাত কিবা অশ্লীল তৃপ্তি অনুভৱ কৰে নেকি? নে তাক বাধা দিয়াৰ মাজেদি তাই আত্ম-উপলব্ধিৰ কিবা আনন্দ লাভ কৰে?

সোণপাহীয়ে তাইৰ মনটোক আজিও অকণো বুজিব নোৱাৰিলে। নিজৰ মনৰ মাজলৈ চাবলৈকে তাইৰ ভয় লগা যেন লাগিল। হাছমতে তাইৰ কথা অকণো নাভাবে কিয়? হাছমতে জাফৰ আৰু তাইৰ মাজত কিবা অবাঞ্ছনীয় ভাব-অনুভূতিয়ে ঠাই পাব পাৰে বুলি অকণো সন্দেহ নকৰে কিয়? নে তেওঁ জাফৰৰ কথা সকলো জানিও নেদেখাৰ ভাও জুৰি থাকে?

ভাতথিনি নমাই, তৰকাৰিৰ কেৰাহী তুলি দি, সোণপাহী আকৌ চোতাললৈ ওলাই আহিল। বাঁওহাতৰ ঠাৰিডালকে গাৰু কৰি লৈ তাই ওপৰলৈ মুকৈ পাটীতে পৰিল, আৰু তৰাবোৰৰ ফালে চাই চাই কিবাকিবি আগ-গুৰি নোহোৱা অসংলগ্ন কথাবোৰ ভাবি যাব ধৰিলে।

এনেতে তাই বাহিৰত শুনিলে কাৰোবাৰ মাত—"কোন আছে? ঘৰত কোনোবা আছে নে?"

এই সময়ত জাফৰৰ বাহিৰে আন কোনোবা ইয়ালৈ আহিব বুলি তাই অকণো আশা কৰা নাছিল। মাতটো কাৰ তাই বুজিব নোৱাৰিলে। তাই ভালকৈ কাণ দিলে।

আকৌ অপৰিচিত মাতেৰে কোনোবাই একেদৰেই মাতিলে, "কোন আছে ঘৰত?"

সোণপাহী উঠি আহিল। তাই আগফালৰ দুৱাৰ-মুখলৈ আহিল, আৰু দুৱাৰখন নেমেলাকৈয়ে মিহি মাতেৰে ভিতৰৰপৰা সুধিলে, "কাক বিচাৰিছে?"

"এইটো হাছমত গাঁওবুঢ়াৰ ঘৰ হয় জানো?"

এইবাৰ সোণপাহীয়ে দুৱাৰখন মেলিলে, কোঠাৰ একাষৰ মেজখনৰ ওপৰতে লেমটো থ'লে, আৰু নিজে ভিতৰৰ কোঠাৰ দুৱাৰ-মুখলৈ আহি ক'লে, "আপুনি ভিতৰলৈকে আহি বহক।"

এজন ওখ, বগা, ডেকা মানুহ ঘৰৰ ভিতৰলৈ সোমাই আহিল। সোণপাহীয়ে ডেকাজনলৈ চালে। চিনি নাপায়। আগেয়ে দেখা নাই।

"বহক," সোণপাহীয়ে ক'লে।

মানুহজন চকীখনতে বহিল।

এই অচিনাকি মানুহজন তাইৰ ঘৰলৈ কিয় আহিছে তাই বুজিব নোৱাৰিলে।
তাই সুধিলে, "আপুনি ক'ৰপৰা আহিছে ?"
মানুহজনে ক'লে, "চিনাকি দিম বাৰু। পিছে তেখেত ঘৰত নাই নেকি ?"
"ঘৰত এতিয়া কোনোৱেই নাই। তেখেত আমাৰ তালৈ গৈছে, ককাইটিৰ নবিয়া। আৰু—"
মানুহজনে দুৱাৰ-মুখত বৈ থকা সোণপাহীৰ ফালে চালে। সোণপাহীয়ে সামান্য ইতস্ততঃ কৰি তলমূৰ কৰিলে। অচিনাকি মানুহৰ পোনপটীয়া চাৱনি তাইৰ অসহ্য লাগিল।
সোণপাহীৰপৰা চকু ঘূৰাই আনি তলমূৰ কৰি মানুহজনে ক'লে, "মই আপোনাকে লগ পাবৰ কাৰণেহে আহিলোঁ। আপুনিয়েই ছমীৰৰ মাক, নহয় জানো।"
"হয়। আপুনি ছমীৰক চিনি পায় নেকি ?"
"মই নাপাওঁ। পিছে আমাৰ পাভই চিনি পায়—"
"পাভ ? কোন পাভ ?" সোণপাহীয়ে যেন মনত পেলাবৰ চেষ্টা কৰিলে।
"পাভক ময়ে বিয়া কৰাইছোঁ—"
সোণপাহী আগবাঢ়ি আহিল—"এ হয় নেকি ? ভাল নে পাভৰ ? বহক, মই এটোপা চাহ কৰোঁ।" কৈ সোণপাহী ভিতৰলৈ গ'ল।
কেইমিনিটমানতে চাহ-জলপান যতনাই, সোণপাহীয়ে তেওঁক ভিতৰলৈ মাতি নিলেহি।
চাহ খাবলৈ কৈ ওচৰতে বৈ সোণপাহীয়ে ক'লে, "পাভৰ বিয়াত আমি যাব নোৱাৰিলোঁ। সেই কাৰণেহে আপোনাক চিনিব পৰা নাই।"
মানুহজনে ক'লে, "আমাৰ ঘৰ মাজৰ-চাপৰি গাঁৱত। মোৰ নাম নিজাম। মোক পিছে 'আপুনি' নুবুলিব। মই আপোনাৰ ভনী-জোঁৱায়েকহে হৈছোঁ।" কৈ তেওঁ সৰুকৈ হাঁহিলে।
নিজামক সোণপাহীৰ এজন সৰল, সহজ ডেকা যেন লাগিল।
"ইয়ালৈনো কেতিয়া আহিল ?"
'আহিলা' বুলি ক'বৰ চেষ্টা কৰিও ক'ব নোৱাৰিলে, কিবা সংকোচ লাগিল।
"আজি আহিলোঁ। আমাৰ তাৰপৰা কিজানি ইয়ালৈ আশী কিলোমিটাৰমানেই হ'ব।"
মাজৰ-চাপৰি গাঁৱৰপৰাও ইয়ালৈ বাছেৰেই আহিব লাগে। ইমান দূৰ কিয় আহিল জানিবৰ কাৰণে তাইৰ অলপ উৎকণ্ঠা হ'ল, কিন্তু তাই প্ৰকাশ কৰি নক'লে।
"ঘৰত আৰু কোনো নাই জানো ?"
"আছে, আমাৰ জাফৰ আছে নহয়। ওলাই গৈছে—অলপতে আহি পাবহি।"
অলপ পৰ মনে মনে থকাৰ পিছত নিজামে ক'লে, "মই পিছে আপোনাকে লগ পাবৰ কাৰণেহে আহিলোঁ। পাভই পঠিয়াই দিছে।"
"পাভজনী ভালে আছে, নহয় ? মই যে বহুত দিন দেখাই নাই ছোৱালীজনী। ল'ৰা-ছোৱালী কিবা হৈছে নেকি ?"
সামান্য লজ্জিতভাৱে নিজামে ক'লে, "না—ই—"

দুয়ো বাহিৰৰ কোঠালিতে ওলাই আহিল। বাহিৰৰ কালে এনেকুৱা চালে। অঁয়ৰ ভেতিয়াও ওলোৱাহি নাই।

সোধোঁ-নোসোধোঁকৈ সোণপাহীয়ে সুধিলে, “পাভইনো কেতিয়াই পঠিয়ালে?”

“ছমীৰৰ খবৰ-বাতৰি কিবা পাইছে জানো আপোনালোকে?”

সোণপাহীৰ বুকুখন কিবা এটা অজানিত ভয়ত ধুক্-ধুকাই উঠিল। ছমীৰৰ কিবা হৈছে নেকি ক'ৰবাত?

“আজি বহুত দিন তাৰ কোনো খবৰ-বাতৰি পোৱা নাই। স্কুল এৰি যুদ্ধলৈ যোৱা বুলি শুনিছিলোঁ, তাৰ পিছতনো সি ক'ত আছে, কি কৰিছে একো ক'ব নোৱাৰোঁ। তোমালোকে কিবা খবৰ পোৱা নেকি?”

“ছমীৰক ময়ো দেখা নাই। পিছে আমাৰ পাভৰ লগত বৰ ভাল আছিল বোলে। মাজে মাজে চিঠি-পত্ৰ দিয়ে—”

“তাৰ বাবু ভাল নে?”

“ভালে আছে বুলি লিখিছে।”

অলপ সময় নিজাম মনে মনে থাকিল। তাৰ পিছত কও'-নকও'কৈ ক'লে, “আজি কেইদিনমানৰ আগতে পাভই তেওঁৰপৰা এখন চিঠি পাইছে। তাত লিখিছে বোলে—”

“কি লিখিছেনো?” উদ্বিগ্নতাৰেই সোণপাহীয়ে সুধিলে।

নিজামে জেপৰপৰা খাম এটা উলিয়াই সোণপাহীৰ ফালে আগবঢ়াই দি ক'লে, “চিঠিখন মই লৈয়ে আহিছোঁ।”

“মই পঢ়িব নাজানো নহয়, পঢ়াচোন, তুমিয়ে পঢ়া—”

খামৰপৰা চিঠিখন চকুৰ আগলৈ উলিয়াই লৈ এনেই চাই থাকি নিজামে ক'লে, “চিঠিখনত তেনেকুৱা কথা বিশেষ নাই। পিছে এখাৰ কথা লিখিছে, সেইটোহে আমি ভালকৈ বুজিব পৰা নাই।”

সোণপাহীৰ চকু নিজামৰ মুখৰ ওপৰত নিবন্ধ।

লাহে লাহে নিজামে ক'লে, “ছমীৰে লিখিছে যে জুতি নামে ক'ৰবাৰ ছোৱালী এজনী তেওঁৰ লগতে আছে। সেই ছোৱালীজনীৰ কেও-কিছু নাই। ছমীৰৰ কিন্তু ছোৱালীজনী নিজৰ লগতে বেছি দিন ৰাখিবলৈ অসুবিধা হ'ব, কাৰণ তেওঁ কিবা ডাঙৰ ঠিকা লৈছে। গতিকে দূৰে দূৰে ঘূৰি ফুৰিবলগীয়া হ'ব। সেইদেখি জুতিজনীক কোনোবা নিৰ্ভৰযোগ্য মানুহৰ লগত কিছুদিনৰ কাৰণে ৰাখিবৰ ব্যৱস্থা কৰাটো প্ৰয়োজনীয় হৈছে।

ছমীৰে পাভলৈ এই সম্পৰ্কে লিখিছে। পাভই কিন্তু কথাটো বৰ ভাল পোৱা নাই। কাৰণ, জুতি ছোৱালীজনী ক'ৰ, কেনেকুৱা ছোৱালী পাভহঁতে কিয়, কোনোৱেই নাজানে। অৱশ্যে অন্যৰ লগত আলোচনা-পৰামৰ্শ নকৰাকৈ পাভই ছমীৰক সহায় কৰিব নোৱাৰিব বুলি জনাবলৈও টান পাইছে।”

গোটেই কথাবোৰ সোণপাহীৰ কিবা এক দুৰ্বোধ্য সাধুকথা যেন লাগিল। ছমীৰৰ খবৰ পাবলৈ তাই সদায় বাট চাই আছিল, কিন্তু তাৰপৰা যে এনেকুৱা খবৰহে এনে অভাৱনীয়ভাৱে আহিব তাই ভাবিবই পৰা নাছিল।

ছমীৰক সোণপাহীয়ে কত দিন দেখা নাই। সি জানো ডেকা-হ'ল? সি জানো

কোনো ছোৱালীৰ লগত কিবা সম্পৰ্ক গঢ়ি তুলিব পৰা বয়সৰ হৈছে? কাৰ এই জুতি? তাইবা কি ধৰণৰ ছোৱালী। ছমীৰটোৰ কিবা বিপদ-আপদ নহ'বতো?

সোণপাহী চিন্তিত হৈ পৰিল।

কথাটো নিজামে বুজিব পাৰিলে। আশ্বাস দিয়াৰ সুৰেৰে নিজামে ক'লে, "কোনো চিন্তা কৰাৰে দৰকাৰ নাই। জুতি ক'ৰবাৰ অসহায় ছোৱালী চাগে। অন্য একো নহয়। অন্য কিবা কথা হোৱা হ'লে, ছমীৰে পাভলৈ চিঠি নিলিখিলেহেঁতেন।"

"পিছে এতিয়া কি কৰা যাব?" নিজামৰ মুখলৈ চাই সোণপাহীয়ে সুধিলে।

"আমি অকলশৰীয়া মানুহ। তাতে আমাৰ অৱস্থাও সিমান ভাল নহয়। মোৰ খেতি-বাতিৰ বাহিৰে অন্য কাজ-কাৰবাৰ নাই। পেটে-ভাতে কোনোমতে খাই আছোঁ।" নিজামে ক'লে।

ল'ৰাটোৰ সৰলতা সোণপাহীৰ ভাল লাগিল। চিন্তিতভাৱে সোণপাহীয়ে ক'লে, "মইনো কি কৰিম বাৰু? মই যে কথাটো কি বুজিবই পৰা নাই। কিবা জা-জগৰৰ কথাই কিজানিবা!"

"আমিও বুজিব পৰা নাই। পাভই ছমীৰলৈ চিঠি লিখিছে। তেওঁক মাতি পঠিয়াইছে। পিছে আহেবা নাহে। আপোনাৰ ওচৰলৈ মোক পঠিয়াই দিলে কথাটো জনাবৰ কাৰণে।"

"পাভজনীৰ আগৰেপৰা তালৈ বৰ মৰম। খবৰটো মোক দিয়াৰ কাৰণে বৰ ভাল পাইছোঁ। অ' সি কিবা ঠিকা কৰিছে নহয়। সিনো ঠিকা কৰিব জানিব নে?"

নিজামে হাঁহি ক'লে, "চাৰি-পাঁচ বছৰ মিলিটাৰীত থাকি অহা মানুহ। কেলেই কৰিব নোৱাৰিব?"

আৰু কিছু কথা পতাৰ পিছত সোণপাহীয়ে ক'লে, "তুমি কাপোৰ-কানি সলোৱা, মই ভাতৰ দিহা কৰোঁগৈ।" কৈ সোণপাহীয়ে নিজামক জাফৰৰ শোৱা-কোঠালৈ লৈ গ'ল আৰু ক'লে, "আজি ৰাতি ইয়াতে শুবা। এইখন আমাৰ জাফৰৰ বিচনা। অলপ জিৰোৱা দেই, মই ৰান্ধনিশাললৈ যাওঁ।"

জাফৰ এতিয়াও অহা নাই। সি হয়তো অলপ বেছি ৰাতি হ'লেহে ওলাবহি। আজিবা সি মনতে কি পাঙিছে। কিন্তু নিজাম থকাৰ কাৰণে আজি সোণপাহীয়ে মনত কিছু বল পোৱা যেন পালে।

ভাত খাবৰ সময়তো জাফৰ আহি নোলালহি। নিজামক ভাত-পানী খুৱাই দুই-চাৰি আৰাৰ ঘৰুৱা কথা পাতি, তাৰ শোৱাৰ সকলো ব্যৱস্থা কৰি দি সোণপাহী আকৌ ৰান্ধনিশাললৈ আহিল। জাফৰৰ কাৰণে ভাত-তৰকাৰি, পানী-দুনি উলিয়াই থৈ তাই অলপ চোতাললৈ ওলাই আহিল। যথেষ্ট গৰম লাগিছে। ছমীৰৰ খবৰটো পাই মনটোৰ মাজতে এটা উত্তপ্ত উদ্বিগ্নতাও অনুভৱ কৰিলে সোণপাহীয়ে।

জাফৰটোনো ইমান ৰাতিলৈকে ক'লৈ গ'ল। সোনকালে অহা হ'লে হয়তো সি বুজিব পাৰিলেহেঁতেন আজি সিহঁতৰ ঘৰত আলহী আছে, সি যেন সোণপাহীৰ লগত ব্যৱহাৰ বুজি-বাজি কৰে। হয়তো তিনি পৰ ৰাতি ওলাবহি, আৰু হয়তো ঘৰত অন্য কোনো নাই ভাবি মুখ ফুটায়ে কিবা এটা অবাঞ্ছনীয় কথা কৈ পেলাব, আৰু হয়তো নিজামে শুনি যাব। নিজাম পাতৰ গিৰিয়েক।

সোণপাহীৰ বৰ আপত্তি আছিল, হাড়মতকালপৰীতওৱা দুখেই জাল আছিল।

কিছুপৰ চোতালতে বহি গাণ্ঠা অলপ শাস্তি লগাই সোণপাহী আকৌ ৰান্ধনিশালৈকে গ'ল। দুটামান ভাত খালে, তাৰ পিছত হাতত চাকিটো লৈ আগফালেদি ওলাই আহিল। আগফালৰ চোতালত কোনো নাই। গোহালিটোত গৰু-গাইকেইটাই ঘাঁহ পাগুলিছে। তৰাবোৰ আগতকৈ বেছি উজ্জ্বল হৈছে। গাঢ় নীৰৱতাই অৰুণৰ গাঁওখনক গিলি পেলাইছে।

সোণপাহীয়ে শলখা লগাই আগফালৰ দুৱাৰ বন্ধ কৰিলে, তাৰ পিছত নিজাম শোৱা-কোঠাটোলৈ গ'ল।

নিজামৰ টোপনি আহিল। দিনটো ভাগৰি-জুগৰি আহি চাৰি-পাটীত পৰা মাত্ৰে তাৰ চকু মুদ খাই গ'ল। আঁঠুৱাখনৰ কাষলৈ গৈ সোণপাহীয়ে চালে, ভালকৈ খুঁচি লৈছে।: মহো বৰ বেছি নাই।

সোণপাহী তাৰপৰা ওলাই আহিল আৰু দুৱাৰখন বন্ধ কৰিলে। জাফৰ শুবৰ কাৰণে তাই মাজৰ কোঠাৰ বিচনাখন অলপ জাৰি-জোকাৰি দিলে। আজি ৰাতিটো সি শান্তিৰে ইয়াতে শুলেই হয়।

ৰান্ধনিশাল আৰু মাজৰ কোঠালিৰ দুৱাৰ-শলখা নমৰাকৈ এনেই বন্ধ কৰি থৈ সোণপাহী হাতত চাকিটো লৈ নিজৰ শোৱা-কোঠালৈ সোমাই গ'ল। সোমায়ে তাই ঘূৰি লৈ ডাং মাৰি দুৱাৰখন বন্ধ কৰিলে, তাৰ পিছত বিচনাৰ কাষলৈ আহিল।

আগলৈ চাই তাই উচাপ্ খাই উঠিল। তাইৰ বিচনাৰ একাষত জাফৰ বহি আছে।

তাই চিঞৰ মাৰি দিব খুজিছিল, কিন্তু বহু কষ্টে তাই নিজক সংযত কৰিলে। জাফৰৰ ওপৰত অতীব ঘৃণা আৰু খঙত তাই উদ্‌ভ্ৰান্ত হৈ উঠিল। কিন্তু তাই একো নকৰিলে। হাততে চাকিটো লৈ কেইটামান মুহূৰ্ত তাই কোঠাটোৰ মাজতে বিমূঢ় হৈ থিয় দি ৰ'ল। তাৰ পিছত ফু-মাৰি চাকিটো নুমাই দিলে।

কোঠাটোৰ ভিতৰত খিৰিকীয়েদি অহা তৰাৰ পোহৰৰ বাহিৰে আৰু একো নাই।

সোণপাহীৰ যেন নিজৰ আৰু নিজৰ দুৰ্ভাগ্যৰ ওপৰতে ভীষণ খং উঠিল। খঙত অসহায় অনুভৱ কৰিলে। এতিয়া খং প্ৰকাশ কৰাৰ কোনো উপায় নাই। তাই আগফালে বহি নিজামৰ লগত কথা পাতি থাকোঁতেই যে জাফৰ মনে মনে আহি পিছ-দুৱাৰেদি ভিতৰ সোমাই তাইৰ বিচনাত বহি থাকিব, তাই কল্পনাও কৰিব পৰা নাছিল। আজি তাইৰ জাফৰক পুতৌ কৰিবৰো মন নগ'ল। সি তাইৰ পুতৌ পাবৰো যোগ্য নহয়। সি এটা দুৰ্ব্বল, কামুক পশু। .মানুহ নহয়, মানুহ নহয়।

খঙতে সোণপাহীয়ে চাদৰখন খুলি আলনাডাললৈ দলিয়াই থ'লে, আৰু অন্য দিনাৰ দৰেই পিন্ধি থকা চোলাটোও সোলোকাই হাতত ল'লে। তাই যেন জাফৰক দেখাই নাই। তাইৰ বিচনাত বহি তাইৰ ফালে অপলক দৃষ্টিৰে চাই থকা জাফৰটো যেন মানুহেই নহয়, এটা নিৰ্জীৱ খুঁটা।

সোণপাহী বিচনাতে বহিল। হাতত লৈ থকা চোলাটোৰেই তাইৰ ডিঙিটো, কপালখন আৰু বুকুৰ মাজৰ ঘামখিনি মচি পেলালে। তাৰ পিছত চোলাটো একাষলৈ দলি মাৰি থৈ বিচনাত দীঘল দি পৰিল।

তৰাৰ অস্পষ্ট পোহৰৰ মাজেদিয়ে এবাৰ তাই কেৰাহিকৈ জাফৰলৈ চালে। জাফৰৰ চকু তাইৰ গাৰ ওপৰত। তাই ভ্ৰূক্ষেপ নকৰিলে।

চকু দুটা মেলি তাই ওপৰলৈ মুকৈ বিচনাৰ ওপৰতে নিশ্চল হৈ পৰি ৰ'ল। ৰাতি বহুত হ'ল। পৃথিৱীখন নীৰৱ হৈ গৈছে। খিৰিকীৰ বাহিৰত এজাক মাজৰাতিৰ শান্ত বতাহ জিৰ্‌জিৰ্‌ কৰি বৈ গৈছে। বতাহজাকত আছে এটা উষ্ণ উন্মাদনা, ব'হাগী প্ৰকৃতিৰ সজীৱ প্ৰাণময়তা।

সোণপাহীয়ে একো ভাবিব পৰা নাই। তাইৰ কোঠাৰ ভিতৰত, তাইৰ বিচনাত, তাইৰ কাষতে বহি আছে জাফৰ। সি এবাৰো ভবা নাই যে সোণপাহী তাৰ বাপেকৰ বিবাহিতা স্ত্ৰী। এতিয়াও তাৰ বাপেক জীৱিত আছে। সি সম্বন্ধত সোণপাহীৰ পুত্ৰ-সদৃশ, সোণপাহী তাৰ মাহীমাক।

সি মাথোন ইমানকে জানে সোণপাহী অপূৰ্ব্ব দেহ-লাৱণ্যেৰে মোহনীয়া এজনী পূৰ্ণ-বয়স্কা গাভৰু। সোণপাহীৰ কেঁচা-হালধীয়া দেহাটোৰ আঁহে আঁহে আছে জীয়া কামনাৰ নিৰ্লজ্জ আহ্বান। এই আহ্বানক প্ৰত্যাখ্যান কৰিবলৈ কোনো সজাগ যৌৱনৰ শক্তি নাই।

নীৰৱে, নিশ্চলভাৱে সোণপাহী পৰি ৰ'ল। তাই আজি চাব জাফৰে কি কৰে। জাফৰে জানে সিফালৰ এটা কোঠাত এজন আলহী শুই আছে।

জাফৰৰো লৰচৰ নাই। সিও যেন বৰ ভয় খাইছে। তাক দেখিও সোণপাহীয়ে নেদেখা যেনকৈ নিৰ্ভাৱনাৰে বিচনাত পৰিছে। সোণপাহীৰ নিশ্চয় তাৰ ওপৰত খং উঠিছে। নাজানি সোণপাহীয়ে কি কৰি বহিব!

যথেষ্ট সময় নীৰৱে বহি থকাৰ পিছত জাফৰ শব্দ নকৰাকৈ বিচনাৰপৰা নামিল, আৰু কোঠাটোৰ মাজলৈ গ'ল। সোণপাহীয়ে লৰচৰ নকৰিলে। তাইৰ বৰ অলস লাগিছে। আন্ধাৰ আৰু নীৰৱতাই তাইৰ অঙ্গ-প্ৰত্যঙ্গবোৰ ক্লান্ত কৰি তুলিছে। তাইৰ টোপনি আহিব খুজিছে, চকুহাল তাইৰ মুদ খাই খাই আহিছে।

লাহে লাহে জাফৰ বিচনাখনৰ কাষলৈ আকৌ আহিল আৰু সোণপাহীৰ বুকুৰ ওচৰতে মাটিতে আঁঠুকাঢ়ি বহিল। কি এটা বিৰক্তি আৰু বিদ্ৰোহতে যেন সোণপাহীয়ে আজি তাৰ আগত গাটো ঢকাৰ কোনো প্ৰয়োজন বোধ নকৰিলে। একেথৰে জাফৰে তেনেই কাষৰপৰা সোণপাহীৰ বুকুখনলৈ আন্ধাৰৰ মাজেদিয়ে চাই ৰ'ল। তাৰ পিছত সি তাৰ মুখখন সোণপাহীৰ কাণৰ ওচৰলৈ নি সেপ ঢুকি শুকান মাতেৰে মাতিলে, "সোণ—এই সোণ—"

'সোণ—' এয়া নতুন, একেবাৰে নতুন সম্বোধন। এইবুলি তাইক মাতিবলৈকে হয়তো আজি দিনটো জাফৰে বহি বহি চিন্তা কৰি কটালে।

নুশুনাৰ দৰে সোণপাহী পৰি থাকিল, একো নামাতিলে।

আকৌ অলপ পৰৰ মূৰত সি চেপা শুকান মাতেৰে মাতিলে, 'সোণ, টোপনি গ'লা নেকি?"

সোণপাহী নীৰৱ। অথচ চকু দুটা তাই মেলি আছে। তাই নিশ্চয় টোপনি যোৱা নাই।

জাফৰে বৰ সন্তৰ্পণে তাইৰ চুলিত হাতখন থ'লে, আৰু একেবাৰে কাণতে মুখখন লগাই মাতিলে, "টোপনি গ'লা নেকি ?"

লাহে লাহে সি সোণপাহীৰ চুলিবোৰত হাত ফুৰাই দিব ধৰিলে।

অস্থিৰ নীৰৱতাৰ মাজেদি কিছু সময় পাৰ হৈ গ'ল। বাহিৰত বতাহজাকৰ জিৰ্‌জিৰণি অলপ বেছি হৈছে। নিজামৰ নাকৰ শব্দ আগতকৈ ডাঙৰ হৈছে। তৰাৰ ক্ষীণ পোহৰবোৰ স্নিগ্ধভাৱে কোঠাটোৰ মাজত সিঁচৰিত হৈ পৰিছে।

নিশ্চল হৈ পৰি আছে এটা সজাগ যৌৱন, এটা অম্লান নাৰী-দেহা, এটা দুৰ্বোধ্য স্বপ্ন।

আঠুকাঢ়ি থকাৰপৰা জাফৰ থিয় হ'ল, আৰু সোণপাহীৰ কাষতে বিচনাতে বহিল। তাইৰ গাৰ ওপৰতে ঢলি পৰি জাফৰে সোণপাহীৰ মুখৰ ওচৰলৈ মুখখন নি ক'লে, "নামাতা কেলেই ? তোমাৰ আজি কি হৈছে ?"

হঠাৎ সোণপাহী বিচনাতে বহি দিলে। সি অলপ উচাপ্ খাই উঠিল। অলপ আঁতৰি দিলে।

তাৰ মুখলৈ থৰ হৈ চাই সোণপাহীয়ে অস্পষ্ট কিন্তু দৃঢ় মাতেৰে ক'লে, "কি হ'ল ?"

"একো হোৱা নাই—"

আৰু কঠিন মাতেৰে কিন্তু একেই ধৰণে ফুচ্‌ফুচাই সোণপাহীয়ে ক'লে, "একো হোৱা নাই যদি এইদৰে সদায় মোক আমনি কৰি মাৰিছা কেলেই। বিয়া পাতি দিলেও নাপাতা, মোকো আমনি কৰিবলৈ নেৰা। মোক মাৰিম বুলি লাগিছা নহয় ?"

অলপ পৰ জাফৰ থৰ লাগি থাকিল, তাৰ পিছত একো নোকোৱাকৈ বিচনাৰপৰা নামি আঁতৰি গ'ল। সোণপাহীৰ কথাৰ উত্তৰ সি কোনো দিনেই দিব নোৱাৰিব। কিন্তু সোণপাহীৰপৰা আঁতৰতো সি থাকিব নোৱাৰে। সি কি কৰে, সোণপাহীয়ে চাই ৰ'ল। আন্ধাৰতে তাই দেখিলে জাফৰে কোঠাটোৰপৰা ওলাই যাবৰ কাৰণে দুৱাৰখনৰ ওচৰলৈ গৈ শব্দ নকৰাকৈ দুৱাৰখন মেলিবৰ চেষ্টা কৰিছে। লাহে লাহে সি দুৱাৰৰ ডাংডাল নিঃশব্দে সোলোকালে আৰু দুৱাৰখন মেলিব খুজিলে।

সোণপাহী ততাতৈয়াকৈ বিচনাৰপৰা নামি আহি তাৰ ওচৰত ৰ'লহি, আৰু তাৰ হাতখনত ধৰি ক'লে, "কি কৰা ?"

"যাওঁ, তুমি মোক ঘিণ কৰা—"

তাৰ কথাষাৰত সোণপাহীৰ হঠাৎ হাঁহি উঠি গ'ল, কিন্তু তাই হাঁহিটো দমাই ৰাখিলে। তাইৰ যেন জয় হ'ল, আজি জাফৰে বুজিলে সোণপাহীয়ে তাক ঘৃণা কৰে।

তাই সহজভাৱে দুৱাৰৰ ডাংডাল মাৰিলে আৰু তাৰ মুখৰ ওচৰলৈ মুখখন নি ক'লে, "কোনে ক'লে মই তোমাক ঘিণ কৰোঁ বুলি—?"

এটা সৰু ল'ৰাৰ হাতত ধৰাদি তাই তাৰ হাতখনত ধৰিলে আৰু তাক বিচনালৈ টানি আনিলে।

জাফৰো সোণপাহীৰ কাষতে বিচনাতে বহিল। তাই দেখিলে জাফৰে তাইৰ উন্মুক্ত বুকুখনলৈ আন্ধাৰতে চাই আছে। তাই ক'লে, "সদায় কৈছোঁ নহয়, মোক তুমি আমনি নকৰিবা। মই তোমাক কেলেই মৰম নকৰিম ?"

কথাষাৰ শুনাৰ লগে লগে জাফৰে সোণপাহীক দুয়ো হাতে সাবটি ধৰিলে। হঠাৎ

দুটা সবল কম্পিত বাহুৰ মাজত এজনী বিহ্বলা সুন্দৰী অসহায়ভাৱে সোমাই পৰিল। অলপ সময় কাটি গ'ল। সোণপাহীয়ে কেন অনুভৱ কৰিলে জাফৰৰ বাহু-বন্ধনী ক্ৰমাত অধিক টান হৈ আহিছে।

তাই চেপা মাতেৰে ক'লে, "চেপা মাৰি মোক মাৰি পেলাব খুজিছা নেকি? এৰি দিয়া আকৌ—"

লাহে লাহে জাফৰে সোণপাহীক বাহুৰ মাজৰপৰা এৰি দিলে। তাই অলসভাৱে বিচনাতে শুই পৰিল।

জাফৰে একো বুজিব নোৱাৰিলে। সোণপাহীয়ে যদি তাক ঘিণ নকৰে, তেন্তে তাই জানো তাক ভাল পায়? কিন্তু ভাল পায় যদি তাইৰ মনটোৰ অকণো ভাগ তাক নিদিয়ে কিয়? তাক তাইৰ দেহ আৰু মনৰপৰা এইদৰে আঁতৰাই ৰাখে কিয়? সোণপাহীক সি বুজিব নোৱাৰে, সেয়ে তাইলৈ তাৰ মনে মনে ভয় লাগে। সি তাইৰ মৰম ভিক্ষা কৰিব পাৰে, কিন্তু দাবী কৰিব নোৱাৰে। এই অক্ষমতাৰ বাবে সি নিজকে ধিক্কাৰ কৰিলে। 'মই এটা কাপুৰুষ। আজি এতিয়া যদি মই সোণপাহীক জোৰ কৰোঁ তাই চিঞৰিব নোৱাৰিব, একো কৰিব নোৱাৰিব। সিফালৰ এটা কোঠাত এজন মানুহ শুই আছে, সি সকলো কথা জানি যাব।'

জাফৰৰ কিন্তু নিজকে বৰ অসহায় যেনহে লাগিল। সি বাহিৰৰ ফালে চালে। বাহিৰখন ক্ৰমে পোহৰ হৈ আহিছে। বাতিৰ আধাতকৈও পাৰ হ'ল। হয়তো শেহ-ৰাতিৰ জোনাক ওলাইছে। ক্ৰমে কিছুমান শান্ত জোনাক কোঠাটোৰ ভিতৰলৈ সোমাই আহিব ধৰিলে।

জাফৰে সোণপাহীলৈ চালে। এইবাৰ সোণপাহী চকু দুটা মুদি বিচনাতে পৰি আছে। তাইৰ গাৰ উঠা-নমাবোৰ লোভনীয়ভাৱে স্পষ্ট হৈ পৰিছে। এইদৰে উন্মুক্ত হৈ জাফৰৰ আগত পৰি থাকিবলৈ সোণপাহীৰ বাৰু অকণো বেয়া লগা নাই নে? এয়া জানো মৌন আহ্বান!

সোণপাহীয়ে সমানে উশাহ লৈছে। টোপনিয়েই গ'ল নেকি? টোপনি আহিবৰোতো সময় হ'ল। তাৰ বাহিৰেনো কোন সাৰ পাই আছে এই দুপৰ-ৰাতি!

জাফৰে জোনাকত এনেয়ে কোঠাটোৰ চাৰিওফালে এবাৰ চালে। সোণপাহীৰ কেঁচা দেহাটোৰ ৰূপবোৰ যেন কোঠাটোৰ ভিতৰত উচলি-নিগৰি পৰিছে। এজনী শ্ৰান্ত অভিসাৰিকাৰ নিশ্বাসত জোনাকখিনি উত্তপ্ত হৈ উঠিছে।

সন্তৰ্পণে জাফৰ সোণপাহীৰ গাৰ কাষতে শুলে। নিশ্চলভাৱে সোণপাহী পৰি আছে। নিশাৰ নিশ্বাসত সৃষ্টিৰ আদিমতম বুভুক্ষাৰ অস্থিৰ উন্মাদনা। এই বুভুক্ষাৰ জন্ম হৈছিল তেতিয়াই, যেতিয়া মানুহে প্ৰেম আৰু ঘৃণাক চিনি পাবলৈকে শিকা নাছিল। যেতিয়া পুৰুষ আছিল পুৰুষ, আৰু নাৰী আছিল নাৰী। যেতিয়া পাপ আৰু পুণ্যৰ বিচাৰে নাৰী আৰু পুৰুষক নিলগাই ৰখা নাছিল।

জাফৰ মানুহটো লাজ লাগি যোৱাকৈ কঁপিছে। তাৰ জাৰো লগা নাই, ভয়ো লগা নাই, তথাপি তাৰ বুকুখন ঠক্‌ঠক্‌ কৰি কঁপিছে।

চকু নেমেলাকৈয়ে আৰু তাৰ ফালে কাতি নোহোৱাকৈয়ে সোণপাহীয়ে সুধিলে, "ইমান কঁপিছা কেলেই?"

জাফৰে কোনোমতে ক'লে, "অ-নো !"

কিছুপৰৰ মুৰ্ত্ত জাফৰৰ কঁপনি মাৰ গ'ল। সি অলপ সহজ হ'বৰ চেষ্টা কৰিলে আৰু অলপ ভয়ে ভয়ে সোণপাহীৰ গাত হাতখন থ'লে। সোণপাহীয়ে একো নক'লে।

"সোণ—"

"কি হ'ল ?"

"তুমি মোক ঘিণ নকৰা ?"

সোণপাহী মনে মনে থাকিল, একো নক'লে। জীৱনৰ একো কথা বুজি নোপোৱা এটা মানুহক মনৰ কথা কোৱাৰ কোনো প্ৰয়োজন নাই।

তাৰ পিছত, জোনাকৰ মাজত পৰি থাকি সোণপাহীয়ে যেতিয়া নিশ্চিতভাৱে বুজিব পাৰিলে যে এইটো মুহূৰ্ত্তত তাইৰ শৰীৰৰ কোনো অঙ্গতে অকণো কাপোৰ নোহোৱা হৈ গৈছে। তাই মাথোন নিজকে ক'লে, 'এয়া মোৰ পতনৰ আৰম্ভ নহয়, এয়া মৃত্যুৰ পথত মোৰ প্ৰথম খোজ। আৰু ঘূৰি আহিবৰ পথ নাই। মোৰ লজ্জা শেষ হৈ গৈছে, তাৰ লগে লগে মোৰ জীৱনো শেষ হৈ গৈছে। এই মৃত্যুৰ কথা মোৰ স্বামী হাছমত আৰু নিশ্চিন্তভাৱে শুই থকা নিজাম কোনোৱে নাজানে, কোনোৱে জানিব নোৱাৰে। আনকি অসহায়, দুৰ্ব্বল জাফৰেও ক'ব নোৱাৰে।'

এটা পুৰুষ দেহাৰ কম্পিত স্পৰ্শই সোণপাহীৰ ভিতৰত কুৰি বছৰ আগৰ এজনী গাভৰুক জগাই তুলিলে। তাই মাথোন অৱসন্নভাৱে, তেনেই সৰুকৈ বাৰে বাৰে ক'লে, "মোক এনেকৈ আৰ্মান নকৰিবা, কোনোবাই জানিলে আমাৰ কি গতি হ'ব ?" আৰু এটা পুৰুষৰ নিশ্চয়তা দি জাফৰে ক'লে, "কোনেনো জানিব ? এতিয়া সকলোৱে গভীৰ টোপনি।"

॥ ঊনপঞ্চাশ ॥

পি. ডব্লিউ. ডি.ৰ ঠিকা লোৱাৰ পিছত ছমীৰ ব্যস্ত হৈ পৰিবলগীয়া হ'ল। সি নগৰতে সদায় থাকিলে নচলে। চৌত্ৰিশ কিলোমিটাৰ দূৰৰ ঠিকা কামৰ ঠাইলৈ সপ্তাহত অন্ততঃ দুবাৰ যাব লাগে। ব্যস্ততা তাৰ ভাল লাগে। যুদ্ধক্ষেত্ৰৰ ৰুদ্ধশ্বাস হুৰাহুৰিৰ পিছত হঠাৎ এটা শান্ত, নিঃসঙ্গ জীৱন কটোৱাটো তাৰ কাৰণে আৰ্মান লগা হৈ পৰিছিল। এটা কৰ্ম্মক্ষম ডেকা মানুহৰ কাৰণে অকৰ্ম্মা হৈ বহি থকাটো এটা শাস্তি।

ঠিকা সি অকলেই লৈছে। অভিজ্ঞতা আছে, সাহসো আছে, তদুপৰি কিছু টকাও তাৰ আছে। নিজেই পাৰিব। গৱকাপ্তানি অফিচৰ কেৰাণী, একাউণ্টেণ্ট, অ'ভাৰচিয়াৰ আদিক যিদৰে ঘোচ দিয়াৰ বিধি, সেইদৰে দিয়াত তাৰ কোনো আপত্তি নাই। দিয়াটোৱেই নিয়ম।

সি ব্যস্ততা বিচাৰিছিল। ব্যস্ততাই তাক নিজৰপৰা কিছু মুক্ত কৰি ৰাখে। ব্যস্ততাই তাক আত্মগ্লানি আৰু আত্মবিদ্ৰোহৰপৰা কিছু মুক্ত কৰি ৰাখে। অলপ অৱকাশবীয়া হ'লেই তাৰ মনলৈ নিজৰ বিষয়ে চিন্তা আহে। তেতিয়া তাৰ গোটেই

পৃথিৱীখনৰ ওপৰতে খং উঠে। তাৰ পৰিচয় কাঢ়ি নি পৃথিৱীয়ে তাৰ ঘোৰ অন্যায় কৰিলে, 'মই যদি মতা মানুহ হও', এই অন্যায়ৰ প্ৰতিশোধ মই ল'ম।'

প্ৰতিশোধ লোৱাৰ উপায়ঃ মদ খাই নিজক বাগিত উটুৱাই ৰাখি যেই কোনো নাৰীৰ কাষত নিজৰ উদ্দণ্ড পৌৰুষৰ অপচয় কৰা, আৰু বাছ-বিচাৰ নোহোৱাকৈ ধন খৰচ কৰি অৱক্ষয়ৰ আনন্দ উপলব্ধিৰ অপপ্ৰয়াস কৰা।

ডাক্তৰ মহচিন আৰু চেনেহীৰ লগত পৰামৰ্শ কৰি জুতিক সি তাৰ ঘৰলৈকে লৈ আহিল। হঠাৎ এটা নিশ্চিত অৱলম্বন পাই জুতিয়ে যেন স্বাস্থ্যও ঘুৰাই পালে। তাৰ ঘৰলৈ অহাৰ পিছৰপৰা তাই ভাল হৈ আহিব ধৰিলে।

কেইদিনমানৰ ভিতৰতে নগৰৰ সেই অঞ্চলত কথাটো নানা ৰং লৈ প্ৰচাৰ হ'ল—ডাক্তৰ আৰু চেনেহীৰ লগত চক্ৰান্ত কৰি ছমীৰে অনাথ-আশ্ৰমৰপৰা ছোৱালী আনি নিজৰ ঘৰত ৰাখিছেহি। কথাটোৰ বহু ৰকমৰ ব্যাখ্যা হ'ব ধৰিলে, সেইবোৰ অকণো শ্ৰুতিমধুৰ নহয়।

কোনে কি কয়, সেই লৈ ছমীৰৰ অকণো ভ্ৰূক্ষেপ নাছিল। সমাজক কিবা উপায়ে অপমান কৰিব পাৰিলেই যেন সি আনন্দ পায়। জুতিক সি মাথোন ক'লে, "তুমি মোৰ ইয়াত থকাৰ কাৰণে কোনোবাই কিবাকিবি কৈছে, সেইবোৰলৈ কাণ নিদিবা।"

জুতিয়ে একো নক'লে।

কিন্তু ছমীৰৰ অসুবিধা হ'ল জুতিক অকলে ঘৰত এৰি ঠিকাৰ কাম চাবলৈ যোৱাটো। অকলে থাকিবলৈ তাই ভয় কৰে। সি ঘৰৰপৰা অলপ ওলাই গ'লেই কৌতূহলী চকুবোৰে তাৰ খিৰিকীৰ পৰ্দা ভেদ কৰি ভিতৰখনত ভুমুকি মৰাৰ প্ৰয়াস কৰে। এসময়ত জুতিয়ে মতা মানুহৰ চাৱনিলৈ অকণো ভয় কৰা নাছিল। আনকি ছ'টা-সাতোটা কামুক পুৰুষৰ চকুৰ আগতে অনায়াসে আৰু নিঃসংকোচে নিজক বিবস্ত্ৰা কৰিবলৈ লজ্জাবোধ নকৰিছিল। তাইৰ অনাবৃত দেহাটোৱেই আছিল তাইৰ ব্যৱসায়ৰ মূলধন। কিন্তু আজি তাইৰ মানুহলৈ ভীষণ ভয় লাগে। আগৰ জুতিজনীৰ মৃত্যু হৈছে!

ছমীৰক এই বিষয়ে বুজাই ক'বলৈ তাইৰ সাহস নহয়। তাই তাৰ কাম আৰু চিন্তাত কোনো ৰকমৰ বাধা দিবলৈ নিবিচাৰে। ছমীৰলৈ তাইৰ ভয় লাগে। তাৰ শৰীৰৰ মাংসপেশীবোৰত যি অমিত শক্তি আছে, তাৰ আঘাত তাইৰ নিচিনা এজনী নিশকতীয়া ছোৱালীৰ কাৰণে দুৰ্বিসহ হ'ব। তাৰ একেটা চৰে তাইৰ ধাতু বাহিৰ কৰি দিব।

অকলে অকলে জুতিক ঘৰত এৰি এদিন-দুদিনৰ কাৰণে ঠিকাৰ ঠাইলৈ যাবলগীয়া হ'লেও তাইৰ নিৰাপত্তাৰ কাৰণে তাৰ কিছু চিন্তা হয়। ক্ৰমাত কাম আগবঢ়াৰ লগে লগে সি কামৰ ঠাইতে বেছি সময় থাকিবলগীয়া হৈ আহিল, আৰু জুতি অকলে অকলে ঘৰৰ ভিতৰত সোমাই থাকিবলগীয়া হ'ল।

কথাটো সি ডাক্তৰক ক'লে। ডাক্তৰে তাৰ অৱস্থাটো বুজি পালে। ডাক্তৰে ক'লে, "জুতিয়ে শাৰীৰিকভাৱে এতিয়াও নিজে কাম কৰি খাব পৰা হোৱা নাই। তাইক তোমাৰ লগত নাৰাখি যদি কোনোবা তোমাৰ আত্মীয়ৰ লগতে কিছুদিন ৰাখিব পাৰা, ভাল হয়। চিঠি-পত্ৰ লিখি চোৱাচোন।"

পৰামৰ্শটো ভালেই, কিন্তু সি লিখিব কালৈ ? জুতিৰ নিচিনা এজনী ছোৱালীক ৰাখিবলৈ পূৰ্ণানন্দ চাৰৰ নিচিনা মানুহলৈ সি লিখিব নোৱাৰে। তেওঁলোক বা এতিয়া আছে ক'ত, কৰিছে কি ? হয়তো ঠিকনা বিচাৰি লৈ লিখিলেও তেখেতে লিখি পঠাব—'ছমীৰ, জুতিক তুমি লৈ আহা। বেদী বাইদেৱেৰাৰ অকলে থাকি বৰ দুখ হৈছে। জুতিক পালে বৰ বং পাব।'

নাই, পূৰ্ণানন্দ চাৰ আৰু দেৱী বাইদেউৰ আগত মুখ দেখুৱাবৰ উপায় আৰু এতিয়া মোৰ নাই, মই অমানুহ হৈ গৈছোঁ।

ছমীৰে আহমদ ঠিকাদাৰলৈ লিখাৰ কথাও ভাবিলে—কিন্তু অসম্ভৱ। আহমদ ঠিকাদাৰ আৰু জুলেখাৰ ওচৰলৈ ঘূৰি যোৱাৰ বাট মই মাৰি থৈ আহিছোঁ। আৰু জুতিৰ নিচিনা এজনী ছোৱালীক তেওঁলোকৰ ঘৰত আশ্ৰয় দিয়াৰ কোনো কাৰণ থাকিব নোৱাৰে।…

ছমীৰে চিঠিখন ঘূৰাই ঘূৰাই পঢ়িলে। পাভৰ আখৰ-পানী ভালেই আছিল, কিন্তু লিখাৰ অভ্যাস নথকাৰ কাৰণে আখৰবোৰ সৰু-ডাঙৰ হৈছে, শাৰীবোৰো বেঁকা-বেঁকি হৈছে।

"মৰমৰ ছমীৰ,

বায়েৰলৈনো অতদিনৰ মূৰত কেনেকৈ মনত পৰিল। মই জীয়াই আছোঁ বুলিনো কোনে খবৰ দিলে ? সদায় তোমাৰ চিঠি-পত্ৰ পাম বুলি বাটলৈ চাই থাকোঁ। পিছে মোক মনত ৰাখিবৰনো তোমাৰ কি গৰজ পৰিছে !

জুতিনো কোন ? বিয়া কৰালা নেকি ? মোক বাৰু জনাব নোপোৱা নে ? বিয়া যদি নাই কৰোৱা, অন্য ছোৱালীক তেনেকৈ ঘৰত ৰাখিব নাপায় নহয়। তেওঁকনো তোমাৰ ঘৰতে কেলেই ৰাখিছা ? নাৰাখিলে নহয় জানো ? কথাটো শুনি মই হ'লে বেয়া পাইছোঁ।

তোমাৰ চিঠিখন ভিনিহিয়েৰাক দেখুৱাইছোঁ। তেওঁ হেনো একো বুজিব পৰা নাই।

বাৰু, জুতিৰ যি হয় কিবা এটা কৰিব লাগিব। তুমি যেনে-তেনে এবাৰ আমাৰ ঘৰলৈ জৰুৰ আহি যোৱা। কিমান দিন যে তোমাক নাই দেখা। তোমাৰ কথা মনত পৰিলে মোৰ মনটো বৰ চাটিফুটি লাগে। মোক বাৰু একেবাৰে পাহৰি গ'লা নহয় নে ? এবা, তুমি হেনো আজি-কালি বৰ ধনী মানুহ হ'লা। আমি হ'লে দুখীয়া মানুহ। ভিনিহিয়েৰাই খেতি-বাতিহে কৰে। ভিনিহিয়েৰায়ো তোমাক চাব খুজিছে, এবাৰ মাতিছে। জৰুল জৰুল এদিন আহিবা দেই। কেতিয়া আহিবা বাৰু ? মই হ'লে বাটলৈ চাই থাকিম।

তোমাৰ চিঠিখন পাই যে মোৰ ইমান ভাল লাগিল। মোক তুমি পাহৰা নাই, নহয় নে বাৰু ?

অ' আমাৰ বৰা আৰু বৌটি দুয়ো ঢুকাল নহয়, এতিয়া আৰু মোৰ কোনো আপোন মানুহ নাই। অকল ভিনিহিয়েৰাহে আছে।

আমাৰ ভাল। চিঠিৰ উত্তৰ দিবা দেই। আশাকৰোঁ ভালে আছা। মোৰ বহুত মৰম ল'বা। ইতি।

তোমাৰ মৰমৰ বাইটিয়েৰা
—পাভ।"

জুতিক কিছুদিন ৰখা সম্পৰ্কে ছমীৰে যে চিঠি লিখিছিল, তাৰ উত্তৰত পাভৱই এইখন চিঠি লিখিছে। চিঠিখন পাই তাৰ বহুত কথা মনত পৰি গ'ল। ইতিমধ্যে পাভৰ বিয়া হৈ গৈছে। যুদ্ধক্ষেত্ৰত থাকোঁতেই সি পাভৰ বিয়াৰ খবৰ পাইছিল। কিন্তু যাব নোৱাৰিলে।

পাভক এবাৰ চাই আহিবৰ তাৰ বৰ মন যায়। বহুত দিন তাইক দেখা নাই। আগতকৈ শকত-আৱত হ'ব পায় চাগৈ। তাইৰ সমান মৰম আজিলৈকে তাক কোনোৱে কৰা নাই। এতিয়াও কিজানি তাক পালে তাই বুকুত সুমুৱাই ল'ব। তাই তাক জীৱনৰ বহুত কথা শিকাই দিছিল।

তাৰ ঘৰতে আশ্ৰয় দি ৰখাৰ কাৰণে জুতিৰ প্ৰতি তাৰ ঘৃণা ভাব ক্ৰমে নোহোৱা হৈ আহিল যদিও, আৰু নিৰাশ্ৰয় আৰু অসহায় কাৰণে তাইলৈ তাৰ অলপ মৰম লাগিছিল যদিও, কিবা এটা মানসিক কাৰণত সি তাইক অকণো শ্ৰদ্ধা কৰিব বা ভাল পাব নোৱাৰিছিল। অৱশ্যে সি নিজকে বহুবাৰ কৈছিল ঃ 'মই জুতিতকৈও বহুত বেয়া মানুহ। মই মদ খাওঁ, মই মায়াৰ তালৈ যাওঁ, মই মচজিদৰ কাষতে থাকিও কোনো দিন নামাজ নপঢ়োঁ। আল্লা আৰু মানুহ কালৈকো ভয় নকৰোঁ। মই এটা বৰ বেয়া মানুহ। জুতি মোতকৈ বহুত ভাল।'

কিন্তু তথাপি জুতিক সি অকণো ভাল পাব পৰা নাছিল।

জুতি মনে মনে বহি-শুই থাকে। সি তাইৰ লগত বৰ বেছি কথা নাপাতে। তাইৰো তাৰ লগত পাতিবলগীয়া বিশেষ কোনো কথা নাই। তাই তাক শ্ৰদ্ধা কৰে। তালৈ ভয়ো কৰে, হয়তো তালৈ তাইৰ কিবা ৰকমৰ মৰমো আছে। কিন্তু সেইবোৰ একোকে তাই প্ৰকাশ কৰি ক'ব নাজানে। ছমীৰ ক'লৈ যায়, কি কৰে, তাইক একো নকয়। তায়ো নোসোধে।

সি নিতৌ মদ খায়। কেতিয়াবা বেছি, কেতিয়াবা কম। মদ খাই সি চিএৰ-বাখৰ নকৰে। মনে মনে বহি থাকে, নাইবা শুই থাকে। কেতিয়াবা ৰাতি মদ খাই ঘৰৰপৰা ওলাই যায়, আৰু মায়াৰ তাত ৰাতিটো কটাই শেষ নিশা ঘূৰি আহে। জুতিয়ে একো নোসোধে।

এদিন সি জুতিক ক'লে, "জুতি, মোৰ ইয়াত অকলে অকলে থাকি তুমি বৰ আমনি পাইছা। ময়ো সদায় নাথাকোঁ। আৰু এতিয়া কাম বেছি হৈছে, মই কিছুদিন তাতেহে থাকিব লাগিব। তোমাৰ বিষয়ে মই এটা কথা ভাবিছোঁ—"

জুতিয়ে মূৰ তুলি চালে, তাইৰ চকুত প্ৰশ্ন।

"তোমালোকৰ ঘৰটো আৰু মাটিডোখৰ আছে নহয়। তুমি কিছুদিন তাতে থাকাগৈ। মই টকা পঠিয়াই থাকিম। তোমাৰ কোনো অসুবিধা নহয়।"

জুতিয়ে ক'লে, "দেউতা নাই নহয়, তাত অকলে মই কেনেকৈ থাকিম? মই তালৈ গ'লেই আগৰ মানুহবোৰ আকৌ আহিব।"

"আহিবলৈ নিদিবা—" অলপ কঠিন মাতেৰে ছমীৰে ক'লে।

"মই নিদিলেই নহাকৈ থাকিব নে? মানুহবোৰ কিবা কুকুৰ নেকি যে খেদাই দিলেই গুচি যাব?"

ছমীৰে জুতিৰ মুখলৈ চালে। মানুহবোৰ তেন্তে কুকুৰতকৈও বেয়া নেকি?

কিছু চিন্তা কৰি ছমীৰে ক'লে, "বোধেশ্বৰ আছে নহয়। মই ক'লে সি তোমাৰ খবৰ-বাতৰি কৰি থাকিব পাৰিব।"

উদাসীনভাৱে জ্যুতিয়ে ক'লে, "মোৰ কাৰণেই আগেও তোমাৰ বহুত লটি-ঘটি হ'ল। এতিয়াও তোমাক আমনি কৰি আছোঁ। তোমাৰ বাহিৰে অন্য কাৰো ওপৰত নিৰ্ভৰ কৰিবলৈ মোৰ সাহস নহয়। অন্য সকলো মানুহ একে যেন লাগে।"

ছমীৰ মনে মনে থাকিল। সকলো মানুহ কেতিয়াও একে নহয়। পূৰ্ণানন্দ চাৰ, মহচিন ডাক্তৰ, চেনেহী বাইদেউ এইবোৰ জানো বেয়া মানুহ? নিশ্চয় নহয়। পৃথিৱীত বহুত ভাল মানুহ আছে। ভাল মানুহ নথকা হ'লে কাহানিবাই পৃথিৱীখন ভাগি থানবান হৈ গ'লহেঁতেন।

কিছু বেলিৰ মূৰত ছমীৰে ক'লে, "বোধেশ্বৰ আৰু ময়ে একেলগে পঢ়িছিলোঁ। সি বেয়া মানুহ নহয়।"

কৈ কিন্তু সি বৈ গ'ল। ময়োতো ভাল মানুহ নহয়। মই বোধেশ্বৰতকৈ বহুত বেয়া মানুহ। সি দুখীয়া, তথাপি সি মোৰ নিচিনা বেয়া জীৱন কটোৱা নাই।

জ্যুতিৰ মুখলৈ চাই সি অলপ বঢ়ভাৱে ক'লে, "ময়োতো ভাল মানুহ নহওঁ।"

এবাৰ জ্যুতিয়ে তাৰ মুখলৈ চালে, তাৰ পিছত নীৰৱে বহা ঠাইৰপৰা উঠি গ'ল।

চিগাৰেটটো জ্বলাই লৈ খুব জোৰেৰে টান এটা মাৰি নিজকে কোৱাদি সি ক'লে, 'মই এটা বেয়া মানুহ জ্যুতি। মদ খালে অলপ ভাল মানুহ হওঁ, নিচা এৰালেই আকৌ বেয়া মানুহ হৈ যাওঁ। মোক তুমি একো নাজানা। জানিলে তুমি মোকো বিশ্বাস কৰিব নোৱাৰিবা।'

আপোন মনে কথাবোৰ কৈ সি অলপ সময় বহাতে বহি থাকিল। তাৰ পিছত উঠি গ'ল। হঠাৎ সি জ্যুতিলৈ ঘূৰি চাই দেখিলে তাইৰ দুয়ো চকুৰপৰা দুধাৰ লোতক বাগৰি আহিছে। তাই এক নিশ্চল পাষাণৰ দৰে পালেংখনৰ খুঁটাটোত ধৰি থিয় দি আছে। তাইৰ বিষাদক্লিষ্ট মুখখন ৰঙা পৰিছে। কন্দাৰ কাৰণে তাইৰ মুখখন দেখিবলৈ বেয়া হৈ গৈছে।

সি অলপ হতভম্ব হ'ল। জ্যুতিজনীয়ে আকৌ কান্দিছে কিয়? মইতো তাইক একো বেয়া কথা কোৱা নাই। মই নিজকে বেয়া মানুহ বুলি কৈছোঁ। সেইটো সঁচা কথা। সেইটো তায়ো জানে। তাত আকৌ তাইৰ কান্দিবৰ কি আছে? তাইৰপৰা নিজৰ পৰিচয় লুকুৱাইতো কোনো লাভ নাই। এইবোৰ কন্দা-কটা মই ভাল নাপাওঁ।

একো নকৈ সি ওলাই গ'ল আৰু ডাক্তৰ মহচিনৰ ঘৰৰ ফালে খোজ ল'লে।

॥ পঞ্চাশ ॥

কেইটামান কথা ছমীৰে অনুভৱ কৰিলেও নিজে স্পষ্টকৈ বুজিব নোৱাৰিছিল। কোনো পুৰুষ মানুহকে শ্ৰদ্ধা কৰিবলৈ তাৰ আগ্ৰহ নহয়। কোনো পুৰুষ মানুহকে অন্তৰঙ্গভাৱে সি ভাল নাপায়। কাৰণ নাথাকিলেও প্ৰায় সকলো পুৰুষৰ প্ৰতি তাৰ

যেন এটা সহজাত বিদ্বেষ আৰু বিতৃষ্ণা ক্ৰমাত বেছি জীৱন্ত হৈ উঠিছে। একমাত্ৰ পূৰ্ণানন্দ চাৰক তাৰ ভাল লাগিছিল, কিন্তু তেওঁৰ ভিতৰত সি কোনো পুৰুষ-সুলভ শক্তি-শৌৰ্য্য দেখা পোৱা নাছিল। তেওঁৰ সদা-ৰঙিয়াল স্বভাৱটোত সি এটা আত্মীয়তাৰ আস্বাদ পাইছিল, সেয়েহে হয়তো তাৰ তেওঁক ভাল লাগিছিল।

মহচিন ডাক্তৰ অলপ অন্য ধৰণৰ মানুহ। তেওঁ বৰ সাত্ত্বিক, বৰ ধাৰ্ম্মিক, বৰ বিনয়ী আৰু সদাশয়। মানৱ-সেৱাক তেওঁ জীৱনৰ আদৰ্শ কৰি লৈছে, কিন্তু এইবাবে তেওঁৰ কোনো অহংকাৰ নাই। ছমীৰৰ মহচিন ডাক্তৰক বৰ দুৰ্বলীয়া যেন লাগে। তাৰ মনত লাগে যেন নিজৰ শক্তি-সামৰ্থ্যৰ ওপৰত বিশ্বাস নাই কাৰণেই মহচিন ডাক্তৰে সদায় মচজিদলৈ গৈ আল্লাৰ আশ্ৰয় বিচাৰে, সহায় বিচাৰে। শিশু হৈ থাকোঁতে তাৰ মনৰ মাজত মচজিদ, কবৰস্থান আদিৰ প্ৰতি যি এটা সম্ভ্ৰম আৰু ভয়ৰ ভাব আছিল, সি এতিয়াও নোহোৱা হৈ যোৱা নাই। আল্লাৰ এবাদতৰ (উপাসনা) ঠাই বুলিয়েই তাৰ প্ৰতি এটা অকাৰণ ভক্তি আজিও তাৰ অন্তৰত আছে। কিন্তু নিজে মচজিদলৈ গৈ নামাজ পঢ়াৰ কোনো যুক্তি আজি-কালি সি বিচাৰি নাপায়।

আল্লাক সি কোনো দিন দেখা পোৱা নাই। আল্লা অৰূপ, নিৰাকাৰ—এই কথাকে সি শিকি আহিছে। তথাপি তাৰ ধাৰণা হয় আল্লা যেন এজন শকত-আৱত বলিষ্ঠ আদিম প্ৰাচীন পুৰুষ। যি সৃষ্টি কৰে, সৃষ্টি কৰিব পাৰে ; ধ্বংস কৰে, ধ্বংস কৰিব পাৰে। সৃষ্টি আৰু ধ্বংস লৈয়ে ব্যস্ত থকা এই অদৃশ্য প্ৰাচীন পুৰুষজনৰ প্ৰতি শ্ৰদ্ধা-ভক্তিৰ পৰিৱৰ্ত্তে সি এটা ভাষাৰে বুজাই ক'ব নোৱাৰা বিদ্ৰোহ অনুভৱ কৰে। মানুহৰ জীৱনৰ দুখ-দৈন্য, ভয়-শংকা সকলোৰে কাৰণে দায়ী এই আল্লাহ। এই আল্লালৈ ভয় কৰি বা ভক্তি কৰি কোনো লাভ নাই।

মতা মানুহৰ বাহুবল, মনোবল আৰু আত্মবিশ্বাসেই আটাইতকৈ দৰকাৰী কথা। তথাপি মাজে মাজে তাৰ সন্দেহ হয়ঃ পৃথিৱীৰ সকলো মানুহ পাগল নেকি ? মূৰ্খ নেকি ? কোনো মানুহেই যেন এজন অদৃশ্য আল্লাহ বা ঈশ্বৰ নহ'লে থাকিব নোৱাৰে। গোটেই পৃথিৱীত দিনে-ৰাতিয়ে সেই অদৃশ্যজনৰেই 'গুণানুকীৰ্ত্তন হ'ব লাগিছে। লাখ লাখ মন্দিৰ, মচজিদ, গিৰ্জা, পেগোডা, তীৰ্থভূমিত সমগ্ৰ পৃথিৱীৰ মানুহে সেই অদৃশ্য আল্লাকে মাতিছে, আৰাধনা কৰিছে, উপাসনা কৰিছে ! পৃথিৱীৰ সকলো মানুহে—সকলো মানুহে !

মানুহবোৰ বলিয়া নেকি ?

অন্যৰ দৰে এই আল্লাজনৰ প্ৰতি ভয়-ভক্তি হোৱাৰ পৰিৱৰ্ত্তে এটা বিদ্ৰোহৰ ভাবহে কিয় তাৰ মনত সদায় জাগ্ৰত হৈ থাকে সি বুজি নাপায়।

তাৰ খং উঠে—এই আল্লা-বিশ্বাসী মানুহবোৰৰ ওপৰত আৰু স্বয়ং আল্লা নামৰ সেই অদৃশ্য পুৰুষজনৰ ওপৰত।

কিন্তু সি একো কৰিব নোৱাৰে। কেতিয়াবা তাৰ মচজিদটোৰ ওপৰতে এটা উগ্ৰ খং উঠে। তাৰ দৈনন্দিন অহা-যোৱা কৰাৰ বাটতে মচজিদটো সদায় থিয় দি থাকে। মচজিদৰ ওখ মিনাৰটোৱে যেন তাৰ ফালে চাই তাক হাঁহে, উপহাস কৰে। মিনাৰটো তাতকৈ ওখ হোৱাৰ কাৰণেই তাক অৱমাননা কৰিবৰ কি অধিকাৰ আছে এই মিনাৰটোৰ ?

অবৈধভাৱে তাৰ জন্ম দি, তাৰ জীৱনত অপৰিচয়ৰ গ্লানি সানি আত্মগোপন কৰা তাৰ নাম নজনা বাপেক আৰু চিৰঅদৃশ্য, মানুহৰ দুখ-বেদনাৰ সৃষ্টিকাৰী, খেয়ালী, স্বাৰ্থপৰ আল্লা—দুয়ো তাৰ একেই শত্ৰু যেন লাগে।—'বাবা আৰু আল্লা কাকোৱেই মই ক্ষমা নকৰোঁ, কেতিয়াও ক্ষমা নকৰোঁ—ছমীৰে নিজকে কয়, কৈ তাৰ আনন্দ হয়। কাৰোবাক ক্ষমা নকৰিব পৰাত আত্মোপলব্ধিৰ তৃপ্তি আছে।

কিন্তু পিছমুহূৰ্ত্তে তাৰ নিজকে পৰাজিত আৰু অসহায় যেন লাগে। তাৰ বাপেক বা আল্লা কোনোৱেইতো তাৰ ওচৰত কাহানিও ক্ষমা বিচৰাহি নাই। যি ক্ষমা নিবিচাৰে, তাক ক্ষমা নকৰাত কি বিশেষত্ব আছে!

তাৰ আৰু খং উঠে।

আৰু এটা কথা সি বুজিব নোৱাৰে। কেইবাজনীও ছোৱালী আৰু তিৰোতাৰ সংস্পৰ্শলৈ আহিছে যদিও আজিলৈকে কাকো সি অন্তৰঙ্গভাৱে ভাল পোৱা নাই—, কিয়?

একমাত্ৰ এজনী ছোৱালীক তাৰ ভাল লাগিছিল—বৰ আপোন যেন লাগিছিল, তাই পাভ। কিন্তু পাভৰ অন্যৰ লগত বিয়া হৈ গৈছে। পাভৰ কথা মনলৈ আহিলেই এটা কথা তাৰ মনলৈ আহে।—পাভই তাক সদায় সৰু ল'ৰাক মৰম কৰাদি মৰম কৰে, তাক বুকুত সুমুৱাই লয়, লগত শুৱাই লয়। পাভই কোনো দিন তাক ডাঙৰ ল'ৰা বুলি নাভাবে। এই কথা মনলৈ আহিলে সি বৰ ক্ষুণ্ণ হয়। পাভই যেন এইদৰে তাক মৰম কৰি, তাৰ যৌৱনক, তাৰ পৌৰুষক লঘু কৰে! পাভই তাক এনেদৰে মৰম কৰাৰ ফলত তাৰ আৰু এটা ক্ষতি হ'ল বুলি সি অনুভৱ কৰে। তাৰ সকলো শক্তি-বীৰ্য্য আৰু পুৰুষত্ব সত্বেও ছোৱালীবোৰৰ ওচৰত তাৰ নিজকে এটা সৰু ল'ৰা যেন লাগে। যেই কোনো ছোৱালীৰ মৰম আৰু মাতৃৰ মৰমৰ মাজত যেন কোনো পাৰ্থক্য নাই।

'মায়াক মই ঘিণ কৰোঁ—তাই এজনী ধন লৈ মৰম বেচা বেশ্যা। তাই বাৰবনিতা, বহুবল্লভা। তাইক নিষ্পেষিত কৰি, তাইৰ নাৰী দেহাটোক পাশৱিকভাৱে ব্যৱহাৰ কৰি মোৰ পৌৰুষৰ শক্তি উপলব্ধি কৰোঁ। কিন্তু যেতিয়া ভোগৰ তৃপ্তি শেষ হয়, তাইলৈ বিতৃষ্ণা আৰু ঘৃণা জন্মে, তেতিয়া তাই মোক বুকুত সুমুৱাই লৈ মৰম কৰে, যেন মই এটা সৰু ল'ৰা। এজনী বেশ্যাৰ মোৰ পৌৰুষক এইদৰে পুতৌ কৰিবৰ কোনো অধিকাৰ নাই।

আৰু তাই মোক মৰম কৰিবলৈ বিচাৰে মাতৃৰ দৰে! মই যেন তাইৰ ল'ৰা! তাই যেন মোৰ মাতৃ! এজনী বেশ্যাৰ মোক মাতৃৰ দৰে মৰম কৰিবৰ কোনো অধিকাৰ নাই। মই নিজক মুক্ত কৰি গুচি আহোঁ।'

কিন্তু ছমীৰে অনুভৱ কৰে যে মায়াৰ এই মাতৃসুলভ মৰমখিনিয়েই তাইৰ প্ৰতি তাক বেছিকৈ আকৰ্ষণ কৰে। সি তাইক ঘৃণা কৰে যদিও তাইৰ এই মৰমখিনিক সি ঘৃণা কৰিব নোৱাৰে। সেয়ে তাৰ দুৰ্ব্বলতা!

জুতিকো সি ভাল নাপায়। তাইকো সি ঘিণ কৰে। কিন্তু তাইৰ স্বাস্থ্যহীন, অসহায় আৰু তাৰ ওপৰতে নিৰ্ভৰশীল জীৱনটোৰ প্ৰতি তাৰ অনুকম্পা হয়। জুতিয়ে তাৰপৰা একো নিবিচাৰে—বিচাৰে আস্থা আৰু আশ্ৰয়। কিন্তু বিতৃষ্ণাৰে

কাৰোবাক আশ্ৰয় দান কৰাত কোনো মহত্ত্ব নাই, কোনো তৃপ্তি নাই। জ্যোতিক মহচিন ডাক্তৰে আলিৰ দাঁতিৰপৰা বুটলি আনি জীৱন দান কৰিলে। কিন্তু তাইৰ জীৱনৰ দায়িত্ব সি ল'ব কিয় ?

দেৱী বাইদেউলৈ তাৰ শ্ৰদ্ধা হৈছিল—তেতিয়া সি সৰু ল'ৰা আছিল। কিন্তু দেৱী বাইদেউ, জ্যোতিলেখা মাহীটি—সকলোৱে তাক কেৱল সৰু ল'ৰা হিচাপেই মৰম কৰিলে কিয় ?

মাত্ৰ এজনী ছোৱালী আছে, যি তাক মাকৰ নিচিনাকৈ মৰম কৰিবলৈ নিবিচাৰে, যি তাক এটা মতা মানুহ বুলি ভাবে, পুৰুষ বুলি ভাবে। —জীনিয়া।

কিন্তু দেখাত ডাঙৰ হ'লেও তাই এজনী সৰু ছোৱালী। ইমান সৰু ছোৱালী যে তাই পৃথিৱীখনৰ একো কথাকে আজিও বুজা নাই। ৰাতি-দিনৰ পাৰ্থক্য বুজা নাই। ভাল-বেয়াৰ পাৰ্থক্য বুজি পোৱা নাই। পিতৃ-পৰিচয় নথকাটোত তাই অপমানিত বোধ কৰিবও নাজানে। সেইজনী ছোৱালীক বুকুত সুমুৱাই লৈ এজনী সৰু ছোৱালীৰ দৰে মৰম কৰিব পাৰি, কিন্তু তাইৰ লগত অন্তৰঙ্গতা গঢ়ি তুলি তাইক ভাল পাব নোৱাৰি।

'ছোৱালীৰ মৰম মই নিবিচাৰোঁ'—ছমীৰে নিজকে আশ্বস্ত কৰিবৰ চেষ্টা কৰে। কিন্তু যেতিয়াই সি অন্তৰৰ একান্ত নিঃসঙ্গতা অনুভৱ কৰে, তেতিয়াই সি অতিষ্ঠ হৈ উঠে। কোনো মাতৃৰূপা, ভগ্নীৰূপা, প্ৰিয়ৰূপা নাৰীৰ মৰম নহ'লে, আশ্ৰয় নহ'লে যেন সি এটা মুহূৰ্ত্তও থাকিব নোৱাৰিব। কিন্তু এইদৰে নাৰীৰ মৰম বাঞ্ছা কৰাটো তাৰ পৌৰুষৰ পৰাজয় বুলি ভাবে সি। নাৰীৰ মৰমৰ আশ্ৰয় নোলোৱাকৈও এটা মতা মানুহ চলি যাব পাৰে। চলি যাব পাৰিব লাগে। 'দুনিয়াত মোৰ কোনো নাই। ময়ো দুনিয়াত কাৰো হ'বলৈ নিবিচাৰোঁ। মই, মই—ছমীৰ।'

আগেয়ে ছমীৰে ভাবিছিল যে টকা হ'লেই মানুহৰ প্ৰতিষ্ঠা হয়, টকা হ'লেই মানুহৰ পৌৰুষ জয়ী হয়। টকা হ'লেই মানুহে সামাজিক স্বীকৃতি লাভ কৰে। মিছা কথা! বহুতে জানে সি আজি লাখ টকাৰ মালিক। বেংকৰ কৰ্ম্মচাৰীসকলে তাক সমীহ কৰে, খাতিৰ কৰে। কিন্তু টকা থকা সত্ত্বেও সি নিজকে জীৱনত সুপ্ৰতিষ্ঠিত বুলি অনুভৱ কৰিব নোৱাৰে। তাৰ পৰিচয়ৰ দৈন্য ঢাকি পেলাব নোৱাৰে। টকাৰ বলত সি দুৰ্দ্ধৰ্ষ হ'ব পাৰে, অত্যাচাৰী, ব্যভিচাৰী হ'ব পাৰে, কিন্তু নিজক নিজৰ নিঃসঙ্গতা আৰু অসহায়তাৰপৰা মুক্ত কৰিব নোৱাৰে।

এটা অসহিষ্ণু বিৰক্তিয়ে ছমীৰৰ মনটোক বিদ্ৰোহী কৰি তোলে। মানুহবোৰ যেন পৃথিৱীত এক পৰম অন্যায়ৰ, অক্ষমনীয় অবিচাৰৰ সৃষ্টি—এনে লাগে। কাৰোবাৰ বিৰুদ্ধে তাৰ মুকলি বিদ্ৰোহ কৰিবৰ মন যায়।

মহচিন ডাক্তৰ বাৰাণ্ডাতে বহি আছিল। গৰম পৰিছিল। এটা পাতলীয়া কাপোৰৰ কুৰ্ত্তা-চোলা পিন্ধি বিচনী মাৰি মাৰি ডাক্তৰ বহি আছিল।

ছমীৰক যোৱা দেখি তেওঁ আনন্দ পালে। বহি থকাৰপৰা নুঠিল যদিও তেওঁ সাদৰেৰে তাক কাষলৈ মাতিলে, তাৰ পিছত কাষৰে ইজি-চেয়াৰখনত বহিবলৈ দিলে।

"কেইবাদিনো তোমাক দেখা নাই, নাছিলা বোধকৰোঁ ?" ডাক্তৰে ক'লে।

"ঠিকাৰ কাম চাবৰ কাৰণে মাজে মাজে যাবলগীয়া হৈছে—ইয়াতে থাকিব পৰা নাই।"

"কাম চলিছে নহয় ভালেৰে ?"

"চলিছে একপ্ৰকাৰ—"

"অ' জ্যুতি ভালে আছে নে হে ? মই খবৰ কৰি আহোঁ বুলি কেইবাদিনো ভাবিছোঁ, যাবই পৰা নাই। আছে নহয় ছোৱালীজনী—?"

"আছে। এতিয়া ভালেই আছে। পিছে—"

মহচিন ডাক্তৰে ছমীৰৰ ফালে চালে। ছমীৰে ক'লে, "মই ঘৰত সদায় থাকিব নোৱাৰোঁ। আৰু বৰ্ত্তমান কিছুদিনৰ কাৰণে ঠিকাৰ ঠাইতে থাকিব লাগিব। নিজে চকু নিদিলে নহয়। জ্যুতিক লৈ অলপ অসুবিধাত পৰিছোঁ।"

"তেনেকৈ হ'লে অসুবিধা হ'ব অৱশ্যে।"

দুয়ো অলপ সময় মনে মনে থাকিল। তাৰ পিছত মহচিনে ক'লে, "ছোৱালীজনীয়ে নিজে তোমাৰ লগত যাওঁ নোবোলা হ'লে, মই তাইক তোমাৰ ঘৰলৈ নপঠিয়ালোহেঁতেন। মইতো আশ্ৰমতে থাকিবলৈ কৈছিলোঁ। তাই অলপ অন্য ধৰণৰ ছোৱালী। বুজালতো বুজিবৰ চেষ্টা নকৰিলে। তাতে বাপেকো মৰি থাকিল। অন্য কেও-কোনো নায়ো। তোমাক কিবা আমনি কৰিছে নেকি ?"

"আমনি নাই কৰা। কি আমনি কৰিব ?"

"এৰা, বেয়া ছোৱালী বুলি তুমি আকৌ তাইক আওহেলা নকৰিবা। কোন বেয়া, কোন ভাল আল্লাইহে জানে। আৰু মানুহে জানো হওঁ বুলি নিজে বেয়া হয়, অৱস্থাই মানুহক বেয়া কৰে জানিছা। জ্যুতিও ভাল ছোৱালীয়েই—"

সৰুকৈ ছমীৰে ক'লে, "হয়।"

জ্যুতি ভাল ছোৱালী নে বেয়া ছোৱালী সি কোনো দিন ভাবি চোৱা নাই।

দুয়ো দুগিলাচ চৰ্ব্বত খালে। ডাক্তৰে ক'লে, "জানিছা ছমীৰ, ডাক্তৰি কৰি বুঢ়া হ'লোঁ নহয়, এটা কথাকে বুজিলোঁ—মানুহ মানুহৰ মাজত কোনো পাৰ্থক্য নাই। একে তেজ, একে গঢ়-গঠন ; ধৰ্ম্ম যেই হওক, জাতি যেই হওক—আমি একে উশাহকে লৈ জীয়াই থাকোঁ। আমি একেদৰেই suffer কৰোঁ, একেদৰেই pain অনুভৱ কৰোঁ, আৰু আটাইতকৈ আচৰিত কথা কি জানা, পৃথিৱীত সকলো মানুহ একেদৰেই জন্ম হয় আৰু একেদৰেই মৰে। Biologically, physiologically আমি সকলো একে। উশাহ লৈ থাকিব পৰালৈকে আমি জীয়াই থাকোঁ, আৰু উশাহ ল'ব নোৱাৰা হ'লেই আমি মৰোঁ ?"

ছমীৰে বুজিলে ডাক্তৰে জ্যুতিৰ সম্পৰ্কতে কথাখিনি কৈছে। অন্য ধৰ্ম্মৰ হোৱাৰ কাৰণে কিজানিবা ছমীৰে জ্যুতিক অৱহেলা কৰে ! কিন্তু ধৰ্ম্মৰ বিচাৰেৰে সি কাকো কোনো দিন বিচাৰ কৰা নাই। তাৰ নিজৰ কি ধৰ্ম্ম তাকো সি আজিলৈকে চিন্তা কৰি চোৱা নাই। ধৰ্ম্মৰ লগত তাৰ কোনো সম্পৰ্ক নাই। আৰু জ্যুতি—তাইৰনো কিহৰ ধৰ্ম্ম আছে—দেহাৰ কোনো ধৰ্ম্ম নাই। জ্যুতি দেহাৰ বেহানি কৰি জীয়াই থকা এজনী ছোৱালী।

হঠাৎ ছমীৰৰ মনত এটা প্ৰশ্ন খেলাই গ'ল—দেহোপজীৱিনী বেশ্যাবোৰেই প্ৰকৃত মানুহ নেকি ? সিহঁতে নিজক দিবৰ সময়ততো কোনো দিন কাৰো জাতি-ধৰ্ম্মৰ বিচাৰ নকৰে। টকা লয়—ঠিক কথা। কিন্তু টকা লয় বুলিও সিহঁতে সকলো

মানুহকে সমান দেখে, একে দেখে, একে ধৰণেৰেই সকলোকে মৰম দিয়ে। যদিও বেশ্যাৰ মৰম অন্তঃসাৰশূন্য !

জুতিয়ে জাতি-ধৰ্ম্মৰ বিচাৰ নকৰি এমেৰিকান সৈন্যবো অঙ্কশায়িনী হৈছিল, আজি তাই বেশ্যা-জীৱন এৰি আহিল কাৰণেই তাইৰ পূৰ্ব্বৰ উদাৰতা হেৰুৱাই পেলালে নেকি ? আজি তাই মানুহক জাতি-ধৰ্ম্মৰ বিবেচনাৰে বিচাৰ কৰিবলৈ লৈছে নেকি ? সেয়ে হ'লেতো তাইৰ চৰিত্ৰৰ স্খলন হৈছে।

"কি চিন্তা কৰিছা ছমীৰ। বৰ বেছি নাভাবিবা। জুতিক লৈ যদি কিবা আহুকাল পাইছা, খোলাখুলিকৈয়ে কথাটো আমাক ক'বা। এবাৰ বাটৰ কাষৰপৰা বুটলি আনি বাটৰ মাজত এৰি দিয়াটো অন্যায় হ'ব।"

ছমীৰে ক'লে, "জুতিৰ এটা ব্যৱস্থা কৰিবৰ চেষ্টা কৰিছোঁ। আমাৰ গাঁৱৰ ওচৰতে মোৰ এজনী—এজনী বাই আছিল। তেওঁলৈ লিখিছোঁ—কিছুদিনৰ কাৰণে তেওঁলোকৰ লগতে জুতিক ৰাখিবৰ কাৰণে। জুতিক তাত থ'বৰ কাৰণে দিহা হৈ গ'লে, মই অলপ ঠিকাদাৰিৰ ঠাইতে থাকিবলৈ মনোযোগ দিব পাৰিম। বহুত টকাৰ ঠিকা, নিজে নাচালে লাভ বেছি নৰ'ব।"

ডাক্তৰে শলাগিলে। ছমীৰে তেনে কৰা উচিত। জুতিৰ কাৰণে নিজৰ কোনো ক্ষতি কৰাটো উচিত নহ'ব। লগতে তেওঁ ক'লে, "জুতিক কিন্তু অৱহেলা নকৰিবা। আল্লা ক'ত থাকে জানা ? দুনিয়াৰ এই অৱহেলিতবোৰৰ হিয়াৰ কাষতে আল্লাহ থাকে। সিহঁতক দুখ দিলে আল্লায়ো দুখ পায়।"

ছমীৰে ভাবিলে বুঢ়া ডাক্তৰ মহচিন আৰু মোৰ জগৎ সুকীয়া সুকীয়া। তেওঁ মোক বুজি নাপায়, ময়ো তেওঁক বুজি নাপাওঁ। ডাক্তৰৰ নিচিনাকৈ জীৱন আৰু জগতক চাবলৈ মোৰ আৰু বহুত দিন লাগিব। ডাক্তৰ মহচিনৰ জীৱনৰ মূলতে আছে আস্থা আৰু বিশ্বাস—সকলোকে বিশ্বাস কৰে ডাক্তৰে—জীৱন, জগৎ, আল্লা, আত্মা—সকলোকে। আৰু মই—মই একোকে বিশ্বাস নকৰোঁ। মই অন্যায়ৰ সন্তান, অবিচাৰৰ সন্তান, অনীতিৰ সন্তান—মই জাৰজ ! মানুহ, আল্লা, পৃথিৱী কাকো মই বিশ্বাস নকৰোঁ। আস্থা মানেই প্ৰৱঞ্চনা, বিশ্বাস মানেই মৃত্যু !

ছমীৰে মুখ ফুটাই একো নক'লে। হয়তো কথাবোৰ সি বুজাও নাছিল ভালকৈ। কিন্তু তাৰ বিদ্ৰোহী মনটোৱে কোনো এক বিশ্বব্যাপী অন্যায়ৰ বিৰুদ্ধে যুঁজি প্ৰতিশোধ ল'বৰ কাৰণে পলে পলে শক্তি আৰু প্ৰেৰণাৰ সন্ধান কৰিছিল—এই কথা সি জানিছিল।

ডাক্তৰে ছমীৰলৈ চালে। আজি ছমীৰ বৰ অন্যমনস্ক আৰু গম্ভীৰ হৈ আছে। অন্য কোনো দিন ছমীৰ এনেকৈ নাথাকে।

"তোমাৰ এতিয়া বিশেষ কিবা কাম আছে নেকি ছমীৰ ? নাই যদি ব'লা আমি অলপ অনাথ-আশ্ৰমৰ ফালৰপৰাই ফুৰি আহোঁ, জুৰ পৰি আহিছে। যাবা ?"

"ব'লক, যাম। মোৰ কোনো কাম নাই এতিয়া।"

দুয়ো ওলাই গ'ল।

সন্ধিয়া লাগি আহিছিল। দিনৰ গৰম অলপ শীতল হৈ আহিছিল। আলিবাটৰ ধূলিবোৰ কোমল হৈ আহিছিল। পাতল জোনাকৰ আভাস পৃথিৱীৰ ওপৰত নিগৰি পৰিছিল।

ডাক্তৰ মহচিনৰ কাষে কাষে ছমীৰ আগবাঢ়িছিল—নীৰৱে।

সাধাৰণতে অন্যদিনা ডাক্তৰে বেছি কথা নকয়। আজি কিন্তু ব্যতিক্ৰম। হয়তো ছমীৰ মনে মনে থকাৰ কাৰণেই ডাক্তৰে আজি বেছি কথা কৈছিল।

অনাথ-আশ্ৰমত আজি অন্যদিনা লক্ষ্য নকৰা কথা এটা লক্ষ্য কৰিলে ছমীৰে। আশ্ৰমৰ ল'ৰা-ছোৱালী সকলোৱে ডাক্তৰ মহচিনক অত্যন্ত শ্ৰদ্ধা-ভক্তি কৰে। সকলোৱে তেওঁক 'বাবা' বুলি মাতে। তেওঁৰ কাষলৈ আহিবলৈ, তেওঁক আমনি কৰিবলৈ অকণো ভয় নকৰে। আৰু তেওঁৰ যে এই অনাথ ল'ৰা-ছোৱালীবোৰলৈ কি আন্তৰিক, প্ৰাণখোলা মৰম। সকলো যেন তেওঁৰ নিজৰ ল'ৰা-ছোৱালী, নিজৰ নাতি-পুতি। সিহঁতৰ মাজত যেন তেৰোঁ এটা অজলা শিশু।

সেই সময়ত ডাক্তৰ মহচিনৰ আনকি ছমীৰৰ ফালে ঘূৰি চাবৰো সময় নাছিল। দুই-চাৰিটা ল'ৰা-ছোৱালীয়ে ছমীৰৰ ফালে চোৱা দেখি ডাক্তৰে ছমীৰৰ লগত সিহঁতৰ চিনাকি কৰি দিলে। ছমীৰে জেপৰপৰা উলিয়াই কেইটামান টকা দিব খুজিছিল, ডাক্তৰে মানা কৰিলে।

সৰুকৈ তেওঁ ক'লে, "মানুহে মানুহৰ চিনাকিৰ মাজলৈ টকা আনিলে চিনাকিক অপমান কৰা হয়। কোনোবাই যদি কাৰোবাক টকাৰ মাজেদি চিনি পায়, তেন্তে টকা নোহোৱা হ'লেই চিনাকিও নোহোৱা হৈ যাব। টকা নিদিবা, মৰম দিবা। মৰমৰ সম্বন্ধই আটাইতকৈ ভাল সম্বন্ধ।"

অলপ অপ্ৰস্তুত হৈ ছমীৰে হাঁহিবৰ চেষ্টা কৰিলে। কিন্তু শিশুবোৰক কেনেকৈ মৰম কৰিব লাগে সি নাজানে। সি মাথোন ডাক্তৰৰ লগে লগে ফুৰিলে।

ঘৰলৈ ঘূৰিবৰ সময়ত বৰ আপ্যায়িতৰ দৰে ডাক্তৰে ক'লে, "এই ল'ৰা-ছোৱালী-বোৰক মোৰ খুব ভাল লাগে, জানিছা ছমীৰ। এই আশ্ৰমত, এই শিশুবোৰে মানুহক মানুহ বুলিয়েই চিনি পায়। ইহঁত মানৱ-শিশু, ইহঁতৰ অন্য কোনো জাতি-ধৰ্ম্ম নাই, কোনো সংকীৰ্ণ গোষ্ঠী-পৰিয়াল নাই। যেয়ে সিহঁতক মৰম কৰে, তাকে সিহঁতে আপোন বুলি ভাবে। মৰমেৰে বনৰ পশুকো বশ কৰিব পাৰি, নহয় জানো?"

"ল'ৰা-ছোৱালীবোৰে কেতিয়াবা কাজিয়া নকৰে নে বাৰু?"

"কৰে, কেলেই নকৰে! কিন্তু যিমানেই দন-কাজিয়া নকৰক, অলপ পিছতে সিহঁতে সকলো পাহৰি যায়। শিশুৰ সেইটোৱেই স্বভাৱ।"

"ডাঙৰ হ'লে কিন্তু সেই স্বভাৱ আৰু নাথাকে!"

"থাকিলহেঁতেন, যদি আমি আমাৰ পৃথিৱীখন শিশুৰ উপযোগী কৰি ৰাখিব পাৰিলোহেঁতেন।"

"কিয়নো নোৱাৰিব?"

"পাৰিম—যেতিয়া সমগ্ৰ পৃথিৱীৰ মানুহে স্বীকাৰ কৰিব—বিশ্বাস কৰিব—যে জীৱনৰ মূলাধাৰ এটাই—প্ৰেম—"

শব্দটো শুনি ছমীৰ যেন অলপ বিস্মিত হ'ল। বুঢ়া ডাক্তৰ মহচিনেও প্ৰেম শব্দটোৰ অৰ্থ জানে নে?

লাহে লাহে একপ্ৰকাৰ আত্ম-সমাহিতভাৱে ডাক্তৰে ক'লে, "যদি কোনোবাই নতুন

পৃথিৱী নিৰ্মাণ কৰাৰ সংকল্প লয়, তেন্তে সেই নতুন ঘৰৰ ভেটি হ'ব লাগিব মানৱতা, তাৰ আধাৰশিলা হ'ব লাগিব প্ৰেম, আৰু সেই পৃথিৱীৰ বাসিন্দা হ'ব লাগিব মানুহৰ নতুন শিশু।"

একো বুজিব নোৱাৰিলেও ছমীৰে এনেয়ে ক'লে, "হয়।"

ডাক্তৰে আৰু একো নক'লে।

নীৰৱে দুয়ো আগবাঢ়িল। আজি ডাক্তৰৰ সকলো কথা-কাণ্ড ছমীৰৰ অস্বাভাৱিক যেন লাগিল। আজিনো ডাক্তৰে কি ভাবি আছিল! অৰ্থ বুজিব নোৱাৰা কিনো কথাবোৰ ক'লে!

"তোমাক অলপ আগবঢ়াই থৈ আহোঁ ব'লা—" ডাক্তৰে ক'লে।

নালাগে বুলি ক'বৰ মন যোৱা সত্ত্বেও ছমীৰে নক'লে।

"জানিছা ছমীৰ, পৃথিৱীত ভুলো আছে, ভালো আছে। শিশু সদায় শিশু হৈ নাথাকে, সি মানুহ হয়। কিন্তু মানুহ হ'বলৈ সংগ্ৰাম কৰোঁতেই সি গম নোপোৱাকৈয়ে সৰু-বৰ নানা ভুল কৰে। ভুল নকৰা মানুহৰ জন্ম পৃথিৱীত হোৱাই নাই। কিন্তু যদি আমি ভুলক ভুল বুলি বুজি পাই, স্বীকাৰ কৰি, তাৰ মাজেদিয়ে মানুহ হ'বৰ চেষ্টা কৰোঁ, আমি নিজকে সলনি কৰিব পাৰোঁ। মানুহ হোৱাৰ প্ৰচেষ্টাটোৱেই আচল বস্তু। এ, আমি মচজিদেই পালোঁহি। বাৰু তুমি যোৱাগৈ। মই ইয়াতে ঈছাৰ নামাজ কেইৰাকাত পঢ়ি যাওঁ। বেয়া নাপাবা আকৌ, আজি এনেয়ে তোমাক বহুত কথা ক'লোঁ।"

ছমীৰে সসম্ভ্ৰমে বিদায় লৈ তাৰ ঘৰৰ ফালে খোজ দিলে। আজিৰ নিচিনা দিন এটা তাৰ জীৱনত কোনো দিন অহা নাই। ডাক্তৰৰ কথাবোৰ শুনি তাৰ অলপ আমনি লাগিছিল যদিও বেয়া লগা নাছিল। ডাক্তৰৰ বয়স হৈছে, তেওঁ জীৱনক অন্য ৰকমে চিনি পাইছে। পৃথিৱীক তেওঁ বেলেগ চকুৰে চায়।

ছমীৰৰ কিন্তু মনত লাগিল যেন ডাক্তৰে আজি তাক কথাবোৰ এনেই কোৱা নাই, কিবা এটা উদ্দেশ্যেৰে কওঁ বুলিয়েই কৈছে। অথচ মচজিদলৈ তেওঁ অকলে গ'ল, যাবলৈ ছমীৰক লগ নল'লে! দুৰ্ব্বোধ্য।

॥ একাৱন ॥

বোধেশ্বৰক ছমীৰে মাতি পঠিয়াইছিল—চিঠিৰে। বোধেশ্বৰ আহিল। জুতিৰ কি কৰিব সেই সম্পৰ্কে ছমীৰে একপ্ৰকাৰ ঠিকেই কৰি পেলাইছিল। মাত্ৰ বোধেশ্বৰ মান্তি হ'লেই হয়। আৰু ছমীৰে নিজকে ক'লে, তাৰ মান্তি নহ'বৰো বিশেষ কাৰণ নাই।

বোধেশ্বৰৰ লগত ছমীৰে কথাটো অলপ আছুতীয়াকৈ আলোচনা কৰিলে: জুতিক বোধেশ্বৰে ইয়াৰপৰা লৈ যাব। তাইৰ অলপ পৈত্ৰিক সম্পত্তি আছে—বিশেষকৈ টাউনৰ ভিতৰতে ঘৰটো আৰু অলপ মাটিও আছে। তাৰ দাম তেনেই কম

নহ'ব। অৱশ্যে বিশেষ প্ৰয়োজন নহ'লে সেয়া বেচিব নালাগে, কিন্তু সেইবোৰৰ কোনো গিৰিহ'ত নাই বুলি জানিলে যেই কোনো মানুহে আত্মসাৎ কৰি পেলাব। অৱশ্যে জুতি যদি তাত থাকোঁ নোবোলে, তেন্তে উচিত মূল্যত বেচি দি অন্য ঠাইলৈকো গুচি যাব পাৰিব।

সদ্যহতে চলিবৰ কাৰণে ছমীৰে জুতিৰ হাতত এহাজাৰ টকা দিব। যদি লাগে আৰু বেছিও দিব। বোধেশ্বৰৰ লগত গৈ জুতিয়ে ঘৰ-বাৰীবোৰ ঠিক কৰি লৈ ভালকৈ থকাৰ দিহা কৰিব। যদি আকৌ তাইক কোনোবাই আগৰ নিচিনাকৈ আমনি কৰিবলৈ বিচাৰে, তাই তাৰপৰা অন্য ঠাইলৈ গুচি যাব।

ইতিমধ্যে ছমীৰেও চেষ্টা কৰি চাব তাইক কোনোবা সুবিধাজনক ঠাইত শান্তিৰে দিন কটোৱাৰ সুবিধা কৰি দিবৰ কাৰণে। তাইৰ স্বাস্থ্য একেবাৰে ভাগি গৈছে। তাই সাৱধানে চলিব লাগিব। আৰু তাইৰ পূৰ্ব্বৰ জীৱনৰ কথা সম্পূৰ্ণ পাহৰি গৈ তাই এটা ভাল সামাজিক জীৱন যাপন কৰিবৰ চেষ্টা কৰিব লাগিব।

বোধেশ্বৰৰ এতিয়ালৈকে জীৱিকাৰ কোনো স্থায়ী দিহা লগা নাই। চাকৰিও সি পোৱা নাই, আৰু কোনো কাৰবাৰ আদি কৰিবলৈকো তাৰ মূলধন নাই। বোধেশ্বৰ কিন্তু বেয়া ল'ৰা নহয়। তাৰ বুদ্ধি আৰু সাহস অলপ কম, কিন্তু ল'ৰাটো অসৎ নহয়। ছমীৰে তাক সদ্যহতে এহাজাৰ টকা দিব। তাৰেই সি কিবা এটা কাৰবাৰ আৰম্ভ কৰিবগৈ। সি জুতিক দেখা-শুনা কৰিব। জুতিৰ যাতে কোনো অসুবিধা নহয়, তাৰ কাৰণে চকু দিব।

ছমীৰৰ সকলো কথা বোধেশ্বৰে বৰ মনোযোগেৰে শুনিলে। তাকো এহাজাৰ টকা দিবলৈ ওলোৱা দেখি তাৰ ছমীৰলৈ নতুনকৈ এটা শ্ৰদ্ধাৰ ভাব হ'ল। সি ক'লে, "মোক টকা দিবি হয়, জানোচা কাৰবাৰ ভালকৈ চলাব নোৱাৰি লোকচান দিওঁ ?"

"কাৰবাৰ ভালকৈ কৰিলে কেলেই লোকচান হ'ব ? আৰু হ'লেও হ'ব, এহাজাৰ টকা লোকচান হ'লে মানুহ নমৰে। তই চিন্তা নকৰিবি।"

"তোক ঈশ্বৰে দিছে দেখি তেনেকৈ ক'ব পাৰিছ। আমাৰ নিচিনা মানুহৰ কাৰণে এহাজাৰ টকা বহুত টকা।"

"বাৰু, বহুত হওক, অলপ হওক, তাৰেই তই কাৰবাৰ আৰম্ভ কৰি দেগৈ। কৰিব জানিলে তাৰপৰাই তোৰ ভাল লাভ হ'ব।"

"পিছে জুতিক যে মোক লৈ যাবলৈ কৈছ, তাইকনো মই ক'লৈ নিম ? তাই কেনেকুৱা ছোৱালী তাক কোনেনো নাজানে ? তাইৰ ঘৰলৈ অহা-যোৱা কৰি থকা দেখিলে মানুহে জানো মোক কিবা নাভাবিব ?"

অলপ পৰ মনে মনে থাকি ছমীৰেও কথাটো চিন্তা কৰি চালে। বোধেশ্বৰৰ কথাখিনি একেবাৰে অমূলক নহয়। তাৰ এখন সমাজ আছে, সমাজৰ চকু আছে, উচিত-অনুচিতৰ বিচাৰ আছে। আৰু সকলো মানুহ ছমীৰৰ নিচিনা নহয়।

সি ক'লে, "জুতি মোৰ লগতে আছে। মোৰ লগতে ৰাখিবলৈ মই একো বেয়া নাপালোহেঁতেন। পিছে মই ইয়াত সদায় নাথাকোঁ। তাই অকলে অকলে থাকিবলগীয়া হয়। তাইৰ বৰ অসুবিধা হয়, মোৰো চিন্তা লাগি থাকে। তাতে তাইৰ গাও সদায় ভালে নাথাকে।"

"মই সকলো বুজিছোঁ।" বোধেশ্বৰে ক'লে, "পিছে আমাৰ তালৈ গৈ জ্যুতিক লগত লৈ থকাটো বৰ ভাল কথা নহ'ব কিজানি। জ্যুতি যদি মান্তি হয়, এটা কাম কৰিব পাৰি কিজানি—"

"কি ?"

"তাইক ইয়াতে বা অন্য কোনোবা ঠাইতে কোনোবা ভাল মানুহৰ লগত ৰাখি চোৱা-মেলা কৰি থাকিলে—"

"মই চেষ্টা কৰিছিলোঁ। কিন্তু এজনী তাইৰ নিচিনা গাভৰু ছোৱালীক যেই কোনো মানুহে ৰাখিবলৈ আগ নাবাঢ়ে।"

"আশ্ৰমতে ৰাখিলে কেনেকুৱা হয় ?"

"জ্যুতি নাথাকে।"

অৱশেষত ছমীৰে ক'লে, "জ্যুতিক তই সদায় লগত ৰাখি চোৱা-মেলা কৰি থাকিব নালাগে। ইয়াৰ ঠিকাৰ কাম শেষ হ'লে, মই অন্য কোনোবা চহৰলৈ যামগৈ বুলি ভাবিছোঁ। তেতিয়া মরে তাইৰ কিবা এটা স্থায়ী দিহা কৰিম। তই কিছুদিনৰ কাৰণে জ্যুতিৰ ভাৰ ল'লেই হ'ব।"

"জ্যুতিক কৈছিলি জানো ?"

"এতিয়াও নাই কোৱা। মই বুজাই ক'লে মোৰ কথা তাই নেপেলায়। তই মন থিৰ কৰ। বাকীবোৰ মই কৰিম।"

জ্যুতিক যেতিয়া ছমীৰে কথাখিনি ক'লে, তাই মাথোন অবাক চাৱনিৰে ছমীৰ আৰু বোধেশ্বৰৰ মুখলৈ চালে। তাইৰ মুখখন বিবৰ্ণ হৈ গ'ল। তাই যেন একোকে বুজা নাই। 'আকৌ সেইখন চহৰ, আকৌ আগৰ নিচিনা এটা জীৱন। ভয়াৱহ ৰাতি, কদাকাৰ দিন, বীভৎস মত্তুতা, এটা অসামাজিক বিষাক্ত দৈনন্দিনতা! তাত মই কেনেকৈ জীয়াই থাকিম ?'

'ছমীৰে মোক মাৰি পেলাবৰ ব্যৱস্থা কৰিছে। বেয়া নহয়। এতিয়া মোৰ মৰাৰ বাহিৰে আৰু অন্য কোনো কাম নাই। আৰু, ছমীৰ আৰু বোধেশ্বৰেও যেতিয়া মই মৰাটোকে আশা কৰে, মোৰ জীয়াই থাকিবলৈ চেষ্টা কৰাৰ কোনো দৰকাৰ নাই।'

নিজক অত্যন্ত সংযত কৰি আৰু কোনো প্ৰকাৰৰ দুখ-অভিমান প্ৰকাশ কৰিবৰ চেষ্টা নকৰি আত্মস্থভাৱে জ্যুতিয়ে ক'লে, "তোমালোক দুয়ো মোৰ কাৰণে বহুত কৰিলা, এতিয়াও কৰি আছা। তোমালোকৰ নিচিনা মৰম মোক কোনেও আজিলৈকে কৰা নাই। এতিয়াও মই জানো, তোমালোকে যিহকে কৰা মোৰ ভালৰ কাৰণেই কৰিবলৈ ওলাইছা।"

ছমীৰলৈ চাই তাই ক'লে, "প্ৰথম লগ পোৱাৰ দিনাই মই বুজিছিলোঁ, মোৰ এই পৃথিৱীত যদি কোনোৱেই নাথাকে, অকল তুমিয়ে থাকা, সেয়ে মোৰ কাৰণে যথেষ্ট হ'ব। সেই কাৰণে আশ্ৰমত থাকিবলৈও মোৰ ভয় লাগিছিল যদিও তোমাৰ ওচৰত আশ্ৰয় বিচাৰিবলৈ মোৰ অকণো ভয় নালাগিল।"

ছমীৰে ক'লে, "জানো তুমি এইবোৰ কি কৈছা মই বুজি পোৱা নাই। মেৰপাক লগা কথা মই নুবুজোঁ। তুমি জানাই, মোৰ কোনো নাই—মই অকলশৰীয়া আৰু

তুমিও অকলশৰীয়া। এনেকুৱা অকলশৰীয়া মানুহৰ লগত সদায় থাকিলে তোমাৰ নানা অসুবিধা হ'ব।"

জুতিয়ে ক'লে, "মই লগত থকাত তোমাৰ যে বহুত অসুবিধা হৈছে মই জানো বুজি পোৱা নাই? মই কেনেকুৱা ছোৱালী অন্য কোনোৱে নাজানিলেও মই নিজেতো জানো।"

তাৰ পিছত বোধেশ্বৰলৈ চাই তাই ক'লে, "তুমি চিন্তা নকৰিবা বোধেশ্বৰ ককাইটি, তোমাৰ লগত মই নাযাওঁ। ছমীৰ ককাইটিৰ লগতো মই নাথাকোঁ। মই বাটৰ কাষত পৰি আছিলোঁ, মই মৰিলোঁ বুলিয়েই ভাবিছিলোঁ। মৰিলোওহেঁতেন, যদি ডাক্তৰ মহচিনে বুটলি নানিলেহেঁতেন। তেওঁ যে মোক কিয় মৰিবলৈ নিদিলে মই আজিও বুজিব নোৱাৰিলোঁ।"

ইমানবোৰ কথা জুতিয়ে ছমীৰক কোনো কাহানিও কোৱা নাই। তাই যে কথাবোৰ এনেদৰে ভাবে, সেই কথাও ছমীৰে আগেয়ে ভবা নাছিল। সি অলপ বিব্ৰত হ'ল। ছোৱালীবোৰ এনেকুৱা অবুজ হৈ দিলে কি কৰিব লাগে সি নাজানে। এই নিশকতীয়া, খীণ ছোৱালীজনীৰ মনটো কিজানি বৰ টান হৈ আছে এতিয়াও। কিন্তু তাইৰ যদি ইমানেই আত্মবিশ্বাস আছে, তাই প্ৰথমতেই ধ্বংসৰ পথৰপৰা নিজক আঁতৰাই আনিব নাজানিলে কিয়? এমুঠি ভাত, এসাজ কাপোৰৰ কাৰণে তাই নিজৰ কেঁচা দেহাটো আগবঢ়াই দিছিল কিয়?

ছমীৰে তেতিয়া আৰু একো নক'লে। মাত্ৰ বোধেশ্বৰক ক'লে, "তই অলপ দিন মোৰ ইয়াতে থাক। কাইলৈ মই ঠিকাৰ কাম চাবলৈ যাব লাগিব। কাম কৰা মানুহবোৰক পইচাও দিবৰ হ'ল। ঘূৰি আহোঁতে মোৰ দুদিনমান হ'ব। তহঁত দুয়ো ইয়াতে থাকিবি।"

ছমীৰে মনে মনে ঠিক কৰিলে যে জুতিৰ সম্পৰ্কে চেনেহীৰ লগতো পৰামৰ্শ কৰিব লাগিব। চেনেহীয়ে হয়তো কিবা এটা উপায় দিব পাৰে। তেওঁৰ সংসাৰ-জ্ঞান যথেষ্ট আছে। ছমীৰে স্পষ্টভাৱে অনুভৱ কৰে যে জুতিৰ প্ৰতি তাৰ অকণো আকৰ্ষণ নাই। তাইলৈ তাৰ পুতৌ হয়, হয়তো মাজে মাজে মৰমো লাগে, কিন্তু তাইৰ জীৱনৰ দায়িত্ব লোৱাৰ প্ৰয়োজনত তাইক আশ্ৰয় দিলেও, সি তাইক সদায় নিজৰ লগত ৰখাৰ কোনো যুক্তি নাই।

আৰু কোনো ছোৱালীৰ ওচৰতে দুৰ্ব্বল হোৱা তাৰ মনত নপৰে। দুৰ্ব্বল হ'বলৈ সি প্ৰস্তুত নহয়। সংগ্ৰামৰ মাজেদি সি আজিৰ অৱস্থা পাইছেহি। কোনোৱা ছোৱালীৰ লগত কোনো আনুভূতিক সম্পৰ্ক ৰচনা কৰিবলগীয়া হ'লেও, সি কৰিব তাৰ পৌৰুষৰ আৰু সংগ্ৰামৰ সহায়ত। কাৰো মৰম সি দানস্বৰূপে পাবলৈ নিবিচাৰে।

'মই কোনো ছোৱালীৰ মৰম-চেনেহো নিবিচাৰোঁ। অন্য প্ৰয়োজনত কেতিয়াবা ছোৱালীৰ কাষ চাপিবলগীয়া হ'লেও তাৰ কাৰণে নিজক লঘু কৰি আত্মসমৰ্পণ কৰাৰ নাম দুৰ্ব্বলতা।' —ছমীৰ কেতিয়াও দুৰ্ব্বল নহয়। তাৰ মতে, কোনো ছোৱালীক মৰম দিয়া মানেই, কোনো ছোৱালীৰ মৰম বিচৰা মানেই দুৰ্ব্বলতা।

ছমীৰ ঘৰৰপৰা বাহিৰ ওলাই গ'ল।

'এই চহৰখনে মোক বাৰু অকণমানো বুজি পাইছে নে? মোক বুজিবলৈ কোনোৱে

অকণো চেষ্টা নকৰে কিয় বাৰু? মই সকলোৰে কাৰণে ইমান সহজ নে? মই ল'ৰা নে ডেকা, মই ভাল নে বেয়া, মই বৈধ নে জাৰজ—মই কি? কোনোৱে বুজিবৰ চেষ্টা নকৰে কিয় বাৰু? মোৰ বিষয়ে অকণো ভাবিবলগীয়া নাই বুলি ভাবিছে নেকি এই মানুহবিলাকে? দিনবোৰ গৈ আছে, ৰাতিবোৰ গৈ আছে। আৰু দিন আৰু, ৰাতিৰ লগতে ময়ো গৈ আছোঁ বুলি ভাবিছে নেকি?'

কাৰো প্ৰতি ভ্ৰূক্ষেপ নকৰি নানাবুলীয়া দিনবোৰ পাৰ হৈ যায়। কাৰোবাৰ জীৱনত অকণমান সাঁচ ৰাখি যায়, কাৰোবাৰ জীৱনত একো চিন বৈ নাযায়। মহাকালৰ আবহমান গতি-পৰিক্ৰমাত কাৰোবাৰ থান্‌বান্‌ জীৱন সুসংহত হৈ গঢ়ি উঠে, আৰু কাৰোবাৰ সুসংহত জীৱন থান্‌বান্‌ হৈ যায়।

অস্থায়ী জীৱনৰ লগত মিতালি পাতি গৈ থাকি থাকি ছমীৰৰ অস্থায়ীকে আপোন যেন লগা হৈ পৰিছে। তাৰ জীৱনৰ উত্থান-পতন, জয়-পৰাজয়বোৰকো তাৰ স্বাভাৱিক আৰু সহজ যেন লাগি আহিছে। কেইটামান কথা তাৰ তেনেই স্বাভাৱিক যেন অনুভৱ হয়—এই পৃথিৱীত সি একেবাৰেই অকলশৰীয়া। জীৱনৰ বাটত যিমানৰ লগত তাৰ পৰিচয় ঘটিল, তাৰ প্ৰায় সকলোবোৰেই তাৰ দৰেই দুৰ্ভগীয়া। ক'ৰবাত, তাৰ চিনা-জনাৰ বাহিৰত এখন 'ভাল মানুহৰ' জগৎ আছে, তাৰ একোকে সি বুজি নাপায়। সি নিজে নাভাবে যে সি এটা 'বেয়া মানুহ'। কিন্তু এটা কথা সি অনস্বীকাৰ্য্যভাৱে উপলব্ধি কৰে যে 'ভাল মানুহে' কৰা বহুত কামকে সি নকৰে, কৰাৰ কোনো তাগিদ বা আৱশ্যকেই অনুভৱ নকৰে। আকৌ 'বেয়া মানুহে' কৰা কিছুমান কাম নিঃসংকোচে কৰি যাবলৈ তাৰ বেয়া নালাগে।

লগে লগে সি অনুভৱ কৰে যে আজি পৰ্য্যন্ত ভাল মানুহ হ'বৰ কাৰণে কোনো সচেতন যত্ন কৰাৰো সি চেষ্টা কৰা নাই।

ছমীৰে নিজক ব্যস্ত ৰাখে। বৰকৈ ভবা-চিন্তা কৰাৰ অভ্যাস আগৰেপৰা তাৰ নাই। জীৱনৰ কৰ্ম্মক্ষেত্ৰত কৰিবলগীয়া সংগ্ৰামক তাৰ এখন ফুটবল খেলা যেন লাগে। জিকিবৰ কাৰণেই এই খেলা খেলিব লগা হয় যদিও জিকাৰ কাৰণে যিদৰে প্ৰস্তুত থাকিব লাগে, কেতিয়াবা হৰাৰ কাৰণেও একেদৰেই প্ৰস্তুত থাকিব পাৰিব লাগে। সংগ্ৰামৰ আনন্দই মূল বস্তু, হৰা-জিকা উপৰুৱা কথা।

॥ বাৰন ॥

হয়তো শৈশৱৰপৰা তাৰ মনৰ মাজত কেনিবাদি পোহ লৈ উঠা এটা অস্পষ্ট অসন্তুষ্টি আৰু বিদ্ৰোহেই ছমীৰক নাৰীজাতিৰ প্ৰতি বিতশ্ৰদ্ধ কৰি তুলিছিল। তাৰ মাকে তাক শৈশৱতে এৰি অন্য এটা মানুহৰ লগত বিয়া হৈ যোৱা কথাটোক সি কোনো দিন সমৰ্থন জনাব পৰা নাই। আৰু হয়তো তেনে কিবা এটা অস্পষ্ট কাৰণতে সি আল্লাৰ বিৰুদ্ধেও এটা অব্যক্ত অভিযোগ মনৰ মাজত গুমৰি থকা অনুভৱ কৰে। আল্লাকো সি ক্ষমা কৰাৰ কোনো যুক্তি বিচাৰি নাপায়। মানুহৰ জীৱন যদি স্ৰষ্টাৰ ইচ্ছাধীন হয়, তেন্তে তাৰ জীৱনৰ সকলো দুৰ্ভাগ্যৰ কাৰণেও সেই স্ৰষ্টাই জগৰীয়া।

সমাজকো সি শ্ৰদ্ধা কৰিবলৈ হেতু বিচাৰি নাপায়। সমাজৰ অবিচাৰ আৰু অন্যায়েৰে সৃষ্টি তাৰ মাক, জ্যুতি, মায়া, চেনেহী আৰু জীনিয়া। সি আৰু কত সিহঁতৰে নিচিনা হতভগীয়া, যাৰ জীৱনত প্ৰতিষ্ঠাৰ কোনো গৰিমা নাই, আছে আন্ধাৰত পথ বিচৰাৰ অসহায় আত্ম-প্ৰৱঞ্চনা।

এই ছমীৰ এক লাখ টকাৰ গৰাকী হ'ব পাৰে, তথাপি সমাজে যদি তাৰ পৰিচয় বুজি পায়, তাক ঘৃণাৰ চকুৰে মাথোন চাব—অকণো শ্ৰদ্ধা নকৰে। হাজাৰ মাতৃক মাতৃত্বৰ মহিমা দিয়াৰ কষ্ট বহন কৰি ফুৰিলেও চেনেহী বাইটি চিৰদিন এজনী মিড্‌ৱাইফেই হৈ থাকিব, ধায়েই হৈ থাকিব। অন্য সামাজিক মৰ্য্যাদা তেওঁ আশা কৰিব নোৱাৰে। জ্যুতি, মায়াহঁতৰ কথা বাদেই দিলোঁ।

চৌদিশে যেন কিবা এটা অদৃশ্য দুৰভিসন্ধিয়ে ছমীৰহঁতৰ জগতখনক অপমানিত আৰু নিষ্পেষিত কৰি ৰাখিছে। ইয়াৰ বিৰুদ্ধে ছমীৰৰ যুঁজিবৰ মন যায়—কিন্তু সি বৰ বিৰক্তিৰে উপলব্ধি কৰে যে এই বিদ্ৰোহৰ পথত সি সম্পূৰ্ণ অকলশৰীয়া। এই আত্মগ্লানি আৰু বিদ্ৰোহক বাহিৰত প্ৰকাশ কৰিব নোৱাৰি তাৰ আৰু অস্বস্তি লাগে। তাৰ অন্তৰাত্মাই মূক চিৎকাৰ কৰি উঠে। সেই অদৃশ্য অভিসন্ধিৰ বিৰুদ্ধে যুঁজাৰ একমাত্ৰ পথ সি বিচাৰি পায় উদ্দাম আৰু উচ্ছৃঙ্খল আত্মনিপীড়নৰ মাজেদি, তাৰ যৌৱনক হাজাৰ কামনাৰ বহিৰূপ দিয়াৰ মাজেদি, নিয়ম ভঙ্গৰ অবাৰিত আনন্দৰ মাজেদি। কেতিয়াবা কিবা অৱস্থাৰ হেঁচাত পৰি কিবা 'ভাল কাম' কৰিলেও পিছ-মুহূৰ্ত্ততে তাৰবাবে তাৰ অনুশোচনা হয়। সেয়া যেন তাৰ অমাৰ্জ্জনীয় দুৰ্ব্বলতা। সেয়া পৃথিৱীৰ সকলো মানুহে কৰিলেও সি কৰা যেন অশোভনীয়।

ছমীৰে এটা দুৰ্ব্বোধ্য মানসিক অশান্তিত ভুগিছিল—'ভাল কাম' কৰিলেও তাৰ অশান্তি আৰু অস্বস্তি লাগে, আৰু 'বেয়া কাম' কৰিলেও কিবা এটা নৈতিক অস্বস্তিয়ে তাক গোপনে ব্যথিত আৰু ব্যতিব্যস্ত কৰি তোলে। মনৰ সুখ আৰু শান্তিৰ লগত যেন তাৰ জীৱনৰ চিৰকলীয়া বিবাদ আৰম্ভ হৈ গৈছে কাহানিবাই।

অতীতক অবিশ্বাস কৰাৰ দৰেই ছমীৰে ভৱিষ্যতকো আন্তৰিকভাৱেই অবিশ্বাস কৰে। তাৰ জীৱনৰ গতিপথ যেন অপৰিৱৰ্ত্তনীয়।

তথাপি ছমীৰৰ অনাস্থা-অবিশ্বাসৰ মাজেদিয়েই তাৰ জীৱনৰ দিনবোৰ আগবাঢ়ি যাব ধৰিলে। —'গৈ থাকোঁতে চকুৰ আগত যি পথ দেখা পাওঁ, সেয়ে মোৰ পথ। নিজে পথৰ সন্ধান কৰাৰ কোনো সাৰ্থকতা নাই।'

যুদ্ধ-শেষত অসামৰিক জীৱনত যুদ্ধক্ষেত্ৰৰ ব্যস্ততা নোহোৱা হ'ল। ছমীৰে নিজৰ ব্যক্তিগত কথা পাহৰি থাকিবলৈ তেনে এটি ব্যস্ততাকে বিচাৰিছিল—য'ত মূৰ্খ মানুহবোৰ মৰিবৰ কাৰণে আগবাঢ়ি যায়—আৰু মৃত্যুৰ সমুখা-সমুখিকৈ থিয় দিও ভাবে—অন্য মৰিব, কিন্তু মই কেনেবাকৈ বাচি যাম!

ডাঙৰ দলংখন সজোৱাৰ ঠিকা লৈ, নিজক ব্যস্ত ৰাখিবলৈ পাই ছমীৰৰ আকৌ অলপ ভাল লাগি আহিছিল। বাণিজ্য-ব্যৱসায়ত উন্নতি কৰাৰ উপায় সি যুদ্ধক্ষেত্ৰতে ভালকৈ আয়ত্ত কৰি আহিছিল। ঠিকা পাবৰ কাৰণে যত্ন কৰাৰপৰা আৰম্ভ কৰি শেষৰ বিলখন পাছ কৰোৱা পৰ্য্যন্ত কাক ক'ত কেনেকৈ সন্তুষ্ট কৰিব লাগিব—সেই বিষয়ৰ এটা ভাল ধাৰণা ছমীৰৰ হৈ গৈছে। মুঠ লাভৰ আধাতকৈ সৰহ যে বিভাগীয় সহযোগী-

সকলৰ জেপলৈ আগতে যাব—তাত ছমীৰৰ অকণো সন্দেহ নাই, আক্ষেপো নাই সেইবাবে। এইটোৱেই যেন স্বাভাৱিক নীতি।

ছমীৰক নির্দ্দেশ দিওঁতা যিদৰে কোনো নাই, বাধা দিওঁতাও কোনো নাই। তাৰ উচ্ছৃংখল জীৱনটো বিশৃংখল হৈ গৈছে। তাৰ অন্তৰদেৱতাই অপমৃত্যুৰ পথৰ লগত মিতালি পাতিবলৈ লৈছে। কিন্তু তাক বাধা দিওঁতা কোনো নাই। কেতিয়াবা স্বেচ্ছাকৃতভাৱে অপচয় কৰি এটা যুক্তিহীন আনন্দ লাভ কৰা যায়। তাত হয়তো আত্মোপলব্ধিৰ এটা আস্বাদ আছে।

ছমীৰে সিদ্ধান্ত কৰি পেলোৱাৰ লগে লগে তদনুৰূপ কাৰ্য্যও কৰি পেলালে, বেঙ্কৰপৰা সি পাঁচ হাজাৰ টকা আনিলে। তাৰ ঠিকাৰ কাম কৰা মানুহবোৰক দিবলগীয়া আছে তিনি হাজাৰৰ অলপ বেছি। পিছত দিব।

ডেৰ হাজাৰ টকা ছমীৰে জ্যুতিৰ হাতত দি ক'লে, "এইকেটা টকা লোৱা। বোধেশ্বৰৰ আৰু তুমি ইয়াৰপৰা গৈ তোমালোকৰ তাতে বা অন্য কোনো ঠাইতে থাকাগৈ। বোধেশ্বৰে কিবা এটা কাৰবাৰ-চাৰবাৰ আৰম্ভ কৰকগৈ।"

ছমীৰৰ কথাত অকণো অনিশ্চযতা নাই। দৃঢ়ভাৱেই সি কৈছে। জ্যুতিয়ে বুজিলে ছমীৰক এই সিদ্ধান্তৰপৰা আঁতৰাই আনিবৰ চেষ্টা কৰি কোনো ফল নহ'ব। ছমীৰক আৰু তাই আমনি দি থকা উচিত নহ'ব।

বোধেশ্বৰে এটা পৰামৰ্শ আগবঢ়ালে, "জ্যুতি আৰু কেইদিনমান তোৰ লগতে থাকক। মই এবাৰ গৈ কিবা এটা কাৰবাৰ কৰাৰ দিহা কৰি থৈ আহোঁগৈ। অন্য কি কাৰবাৰনো কৰিম। ভাল ঠাইত ঘৰ এটা ভাৰা লৈ এখন দোকানকে দিব পাৰোঁ নে চাওঁগৈ। দোকানখন আৰম্ভ কৰিয়ে মই জ্যুতিক লৈ যামহি—তই চিন্তা নকৰিবি।"

জ্যুতিয়ে কিন্তু প্ৰতিবাদ কৰিলে, "নহয়, ময়ো তোৰ লগতে যাম। আমাৰ যে ঘৰটো আছে, পাৰিলে সেইটোও বেচি দিম—নাইবা কাৰোবাক ভাৰালৈ দি দিম। তাৰপৰা যি টকা পাওঁ, তাকো কাৰবাৰতে লগালে আমি চলি যাব পাৰিম।" জ্যুতিৰ কথাত অভিমান নাছিল, তাইৰ অবুজ অভিমানেৰে ছমীৰৰ মৰমক অপমান কৰিবলৈ তাই নিবিচাৰিলে!

ছমীৰে আশ্বাস দিলে, সি জ্যুতিহঁতক যেতিয়াই দৰকাৰ সহায় কৰি থাকিব। তাৰ বাবে সিহঁতে চিন্তা কৰিব নালাগে। কিন্তু ছমীৰৰ বৰ্ত্তমান কাম বহুত—আৰু—আৰু সি অলপ অকলশৰীয়াকৈ থাকিবলৈ বিচাৰিছে। জ্যুতিহঁতে যেন তাক বেয়া নাপায়।

জ্যুতিয়ে অৱশ্যে বেয়া পাইছিল, কিবা এটা অবোধ্য অস্পষ্ট কাৰণত তাইৰ ছমীৰৰ প্ৰতি এটি শ্ৰদ্ধা আৰু মৰম সোমাইছিল। ছমীৰ তাইৰ কাৰণে আছিল এটা নিৰ্ভীক আশ্ৰয় আৰু অৱলম্বন। তাৰ কাষত থাকি তাইৰ বিচ্ছিন্ন জীৱনটোৱে যেন সংহতি আৰু শৃংখলাৰ পথ দেখা পাইছিল। আৰু তাৰ কাষৰপৰা আঁতৰি থাকিলে তাই যেন আকৌ ভুলৰ পথত ভৰি দিবলৈ বাধ্য হ'ব।

তথাপি তাই যোৱাটোকে ঠিক কৰিলে। বোধেশ্বৰৰ যদি তাইৰ প্ৰতি কেতিয়াবা কিবা দুৰ্ব্বলতা আছিল, আজি সি নিশ্চয় নোহোৱা হৈছে। কিয়নো, তাইৰ জীৱনৰ সকলো কাহিনী আজি সি জানে। আৰু কেতিয়াবা আকৌ যদি সি তাইৰ ওচৰত

কোনো দুৰ্ব্বলতা প্ৰকাশ কৰেও, তাতো তাই আপত্তি বা অভিযোগ নকৰে। মানুহৰ দুৰ্ব্বলতাৰ লগত তাইৰ পৰিচয় বহুদিনীয়া।

'ছমীৰে এদিন মোক আত্মহত্যাৰ পথৰপৰা কোলাত তুলি আঁতৰাই আনিছিল। আকৌ মই সেই পথতেই খোজ দিছিলোঁ। সেইবাৰ মৃত্যুৱে নিজে আহি মোক সামৰি ল'ব খুজিছিল, আকৌ ছমীৰেই মোক মৃত্যুৰ হাতৰপৰা কাঢ়ি আনিলে। এতিয়াও তেওঁ মোক গ্লানি আৰু মৃত্যুৰপৰা ৰক্ষা কৰিব—এৰি নিদিয়ে।'

জুতিয়ে নিশ্চিতভাৱে নিজকে ক'লে যে ছমীৰক কোনো ৰকমে অসন্তুষ্ট কৰিবৰ বা তাৰ ইচ্ছাক বাধা দিবৰ কোনো অধিকাৰ তাইৰ নাই। আৰু তাইৰ নিচিনা এজনী অনাত্মীয় ছোৱালীয়ে তাৰপৰা যিমানখিনি আজিলৈকে পাইছে, তাতকৈ কিবা বেছি পাবলৈ বিচাৰিবৰ অধিকাৰো তাইৰ নাই। তাই যাব—বোধেশ্বৰৰ ওপৰত নিৰ্ভৰ কৰাৰ কোনো প্ৰয়োজন নাই। তাইৰ জীৱনৰ গতিপথ তাই নিজেই ঠিক কৰি ল'ব। জীয়াই থাকিবলৈ বা তাইৰ জীৱনটোলৈ আজি তাইৰ অকণো ভয় নাই। যিমান দূৰতে নাথাকক ছমীৰৰ কাষত তাইৰ কাৰণে আছে—এক নিশ্চিত আশ্ৰয়। সি তাইক ভাল নাপাব পাৰে, সি হয়তো তাইক ঘৃণাও কৰিব পাৰে, কিন্তু তথাপি হয়তো সি তাইক অৱহেলা নকৰিব। তাইৰ দুৰ্ভগীয়া জীৱনটোক সি মৰম নকৰিলেও পূতো কৰিব। সেয়ে হ'ব তাইৰ জীয়াই থকাৰ পাথেয়।

বোধেশ্বৰৰ লগতে যাবৰ কাৰণে জা-যোগাৰ কৰি জুতি সাজু হ'ল। এটা নতুন জীৱনৰ পাতনি মেলিবৰ কাৰণে কাপোৰ-কানি বা অন্য যি বস্তুৰ প্ৰয়োজন বুলি ছমীৰে অনুভৱ কৰিছিল, সকলো সি জুতিৰ কাৰণে কিনি আনিলে। নিজৰ বিষয়েই চিন্তা নকৰা ছমীৰটোৱে তাইৰ সংস্থানৰ এইবোৰ দিহা কৰা দেখি তাৰ প্ৰতি জুতিয়ে কৃতজ্ঞতা অনুভৱ কৰিলে। ছমীৰক তাইৰ আৰু বেছি নুবুজা যেন লাগিল।

জুতিহঁতৰ যোৱাৰ দিন-বাৰো ঠিক হৈছিল।

হঠাৎ অপ্ৰত্যাশিতভাৱে ছমীৰে এখন চিঠি পালে আহমদ ঠিকাদাৰৰপৰা। বহু প্ৰৱন্ধে তাৰ বৰ্ত্তমান ঠিকনা বিচাৰি লৈ তেওঁ চিঠিখন লিখিছে। মুকলিকৈ কোনো কথা নিলিখি মাত্ৰ কিবা এটা বৰ জৰুৰী দৰকাৰত তাক মাতি পঠিয়াইছে। চিঠিখন পাই তাৰ অলপ অনুশোচনা হ'ল—'মই বৰ অকৃতজ্ঞ—ইমান দিন মোক ভৰণ-পোষণ কৰা মানুহজনলৈ মই অহাৰ দিন ধৰি এখনো চিঠি দিয়া নাই। মোক বাৰু তেওঁলোকে মানুহ বুলি ভাবিছে নে? আৰু এতিয়া নিজেই চিঠি দিছে।'

সি পিছ-দিনাই যাবলৈ ঠিক কৰিলে। 'নোযোৱাটো অমাৰ্জ্জনীয় অভদ্ৰামি আৰু অকৃতজ্ঞতা হ'ব। অৱশ্যে মই আজি আগৰ ছমীৰ নহয়—হয়তো মই বহুত তললৈ গৈছোঁ। হয়তো মোৰ সকলো কথা জানিও মই কি হ'ম বুলি আশা কৰি তেওঁ মোক ঘৰত ৰাখি-মেলি পঢ়াইছিল, মই তাৰ একোকে নহ'লোঁ। তেওঁৰ আশা অপূৰণীয় থাকি গ'ল।

আজি তেওঁলোকৰ আগত মোৰ মুখ দেখুৱাবৰো থ'ল নাই।

তথাপি সি যোৱাটোকে ঠিক কৰিলে।

জুতিহঁতক সি কথাটো ক'লে। "মই ঘূৰি নাহোঁ মানে তোমালোক থাকিব পাৰা। আৰু যাম বুলি ওলালাই যদি, যাবগৈও পাৰা। ঘূৰি আহোঁতে হয়তো মোৰ কেইবাদিনো হ'ব।"

বোধেশ্বৰে ক'লে, "তই ঘূৰি নাহ মানে লাগিলে আমি থাকোঁৱেই। আমাৰতো খৰ-খেদা কৰিবৰ কোনো দৰকাৰ পৰা নাই।"

কিন্তু জ্যুতিয়ে কলে, "একে ঠাইলৈকে যাম যেতিয়া, আমি তিনিও একেলগেই যাওঁ। আপুনি ঘৰত নাথাকিলে আমিনো ইয়াত থাকি কি কৰিম ?"

এতিয়াহে ছমীৰৰ মনলৈ আহিল যে হয়তো জ্যুতি আৰু সি একে ঠাইলৈকে, একেখন চহৰলৈকে যাব! বৰ বেছিদিন হোৱা নাই সেই ঠাইৰপৰা অহাৰ, অথচ তাৰ আজি মনত লাগিল যেন বহুত কালৰ আগতে সি তাত আছিল—বহুত, বহুত দিন আগতে। আজি যেন তাৰ কথা তাৰ মনত নপৰে। পাঁচ-ছয় বছৰৰ ভিতৰতে তাৰ জীৱনত কত কি যে নঘটিল। তাৰ জীৱনৰ আশা-স্বপ্নবোৰ ক'ত কেনি যে থানবান হৈ গ'ল।

সন্ধিয়া সি মহচিন ডাক্তৰৰ ঘৰলৈ গ'ল। অন্যান্য কথাৰ পিছত সি যাবলৈ ওলোৱাৰ কথা ক'লে।

মহচিন ডাক্তৰে ক'লে, "কথাষাৰ মযে কেতিয়াবা তোমাক ক'ম বুলি ভাবিছিলোঁ। তোমাৰ ওচৰ-আত্মীয় কোনো নাথাকিব পাৰে, কিন্তু আগৰ চিনাকি মানুহতো নিশ্চয় আছে। তেওঁলোকক এবাৰ দেখা-শুনা কৰি অহা নিতান্ত দৰকাৰ।"

ছমীৰে ক'লে, এসময়ৰ তাৰ চিনাকি মানুহবোৰে আজি কিজানি তাক চিনিকে নাপাব। আৰু হয়তো আজি সি যিদৰে আছে, তেনেকৈ থকা বুলি জানিব পাৰিলে কোনোৱেই সন্তুষ্ট হ'ব নোৱাৰিব।

শান্তভাৱে ডাক্তৰে ক'লে, "ছমীৰ, মই জনাত তুমিতো কোনো বেয়া ৰকমে দিন কটোৱা নাই। তুমি এনেই বহি থকা নাই। ভালভাৱে কিবা এটা আৰ্জ্জনৰ দিহা কৰিছা। দান-বৰঙণি দিছা—জ্যুতিৰ নিচিনা এজনী ছোৱালীক আশ্ৰয় দিছা। তুমি এইবোৰ কৰি-মেলি আছা বুলি জানিব পাৰিলে, তোমাৰ বন্ধু-বান্ধৱে আনন্দহে পাব।"

ছমীৰে একো নামাতিলে। মনে মনে সি অলপ অস্বস্তি বোধ কৰিলে। মহচিন ডাক্তৰৰ ওচৰত তাৰ নিজকে কিয় অসহায় আৰু দুৰ্ব্বল যেন লাগে, সি বুজিব নোৱাৰে। হয়তো তেওঁ তাক ভাল মানুহ বুলি ভাবে কাৰণেই তাৰ আৰু বেয়া লাগে।

ডাক্তৰেই আকৌ ক'লে, "জানিছা ছমীৰ—টকাই আমাক চহকী কৰিব পাৰে, মানুহ কৰিব নোৱাৰে। কিন্তু টকাৰ অভাৱে মানুহক অমানুহ কৰিব পাৰে। আমি চহকী হোৱাতকৈ মানুহ হোৱাটোহে ডাঙৰ কথা।"

কিন্তু ডাক্তৰৰ এনে ধৰণৰ উপদেশমূলক কথাবোৰ ছমীৰৰ অকণো ভাল নালাগে। জন্মৰ পূৰ্ব্বৰপৰাই তাৰ পৰিচয় ঘটিল অনিয়মৰ লগত, অনীতিৰ লগত। আজি নীতি-নিয়মৰ মাজলৈ আনি তাৰ জীৱনটোক মাৰ্জ্জিত কৰিবৰ চেষ্টা কৰাৰ কোনো সাৰ্থকতা সি নেদেখে।

ডাক্তৰৰ কথাৰ সি প্ৰতিবাদ নকৰিলে। তাৰ মুখ খুলি ক'বৰ মন গৈছিল, 'টকা কেনেকৈ কৰিব লাগে মই জানো, কিন্তু মানুহ কেনেকৈ হোৱা যায়, জনাৰ মোৰ অকণো আগ্ৰহ নাই।'

সি নক'লে। তাৰ পৰিবৰ্ত্তে জ্যুতিৰ ভৱিষ্যৎ সংস্থানৰ যি ব্যৱস্থা সি কৰিছে, তাৰ বিষয়ে ডাক্তৰক জনালে।

ডাক্তৰে অনুমোদন জনাই ক'লে, "বেছ ভালেই কৰিছা। আৰুনো কি কৰিবা ? কিন্তু এটা কথা, ক'লে তুমি বেয়া পোৱা নেকি জানো ?"

ছমীৰে ডাক্তৰৰ মুখলৈ চালে। 'মই বেয়া পাব পৰা কি কথানো ডাক্তৰে ক'ব ? হয়তো মই মদ খোৱাৰ কথা, নাইবা মায়াৰ তালৈ যোৱাৰ কথা ডাক্তৰে জানি গৈছে। সেইবোৰৰপৰা বিৰত থাকিবলৈ ক'ব হয়তো। কিন্তু সেইবোৰ মোৰ নিজস্ব ব্যক্তিগত কথা। ডাক্তৰে সেইবোৰ কথা মোক এতিয়া নক'লেই ভাল পাম।'

ডাক্তৰে ক'লে, "জুতি আগেয়ে যেনেকুৱা ছোৱালীয়েই নাথাকক, তাইক যেতিয়া আমি আনি আশ্ৰমত ৰাখিলোঁহি, তাইক আমি কেতিয়াও বেয়া বুলি ধৰিব নোৱাৰোঁ। মই জুতিক আশ্ৰমতে থাকিবলৈ কৈছিলোঁ, কিন্তু—"

ডাক্তৰ অলপ ৰ'ল। তেওঁৰ কথালৈ কাণ দি থকাৰ নিদৰ্শন স্বৰূপে ছমীৰে সৰুকৈ ক'লে, "হয়—"

ডাক্তৰে লাহে লাহে ক'লে, "জুতি আশ্ৰমত থাকিবলৈ মান্তি নহ'ল—"

"কেলেই ?"

"তাই অলপ অন্য ধৰণৰ ছোৱালী। মই যেতিয়া তাইক আশ্ৰমত থাকিবলৈ ক'লোঁ—তাই ক'লে, মই ছমীৰ ককাইটিৰ লগতে থাকিম। ইয়াত থাকিলে তেওঁ বেয়া পাব।"

ছমীৰ অলপ বিস্মিত হ'ল। কি বিশ্বাসত বা কি আশ্বাসত জুতিয়ে আশ্ৰম এৰি তাৰ লগত থাকিবলৈ সাহ কৰিলে, সি বুজিব নোৱাৰিলে।

ছমীৰে একো মাতিব নোৱাৰিলে। 'অতদিনে ডাক্তৰে এই কথাষাৰ মোক কোৱা নাছিল কিয় ? আজি মই জুতিক বোধেশ্বৰৰ লগত পঠিয়াই দিবলৈ ওলাইছোঁ কাৰণেই এই কথাৰ উল্লেখ কৰিছে নেকি ? তাৰ অৰ্থ এয়ে নেকি যে জুতিক মোৰ লগৰপৰা পঠিয়াই দিয়াটো জুতিৰ কাৰণে অন্যায় কৰা হ'ব ? মোৰ ওপৰত থকা তাইৰ আশা আৰু আশ্বাস নোহোৱা হৈ যাব ? তাইৰ ত্ৰাণকৰ্ত্তা বা ৰক্ষাকৰ্ত্তা বুলি যদি তাই মোক ভাবিছিল, এতিয়া আৰু তাই মোক সেইদৰে ভাবিব নোৱাৰিব ?"

কথাবোৰ ছমীৰৰ বুজিব নোৱাৰা যেন লাগিল। মানুহৰ লগত অলপ বেছি চিনা-জনা হ'লেই এই বুজিব নোৱাৰা অৱস্থাবোৰ হয়। 'জুতিজনীয়ে আকৌ এইবোৰ কি ভাবি থৈছে, কি কথা কৈছে ? কথাবোৰ কিজানি মই জুতিক সুধিলেহে ভাল হ'ব।'

বিশেষ নভবাকৈ ছমীৰে মাথোন ক'লে, "জুতিক মই লগতে লৈ যাম। মই ঘূৰি ফুৰিব লাগে কাৰণেহে জুতিক পঠিয়াই দিবলগীয়া হৈছে। মোৰ লগত থাকিলে মোতকৈ তাইৰেই বেছি অসুবিধা হ'ব কিজানি।"

"তুমি সদায় জুতিক ঘৰতে ৰাখিবা বুলি ময়ো ক'ব নোৱাৰোঁ। এতিয়া তাইৰ কোনো আপোন মানুহ নাই কাৰণে তোমাকে আপোন বুলি ধৰিছে। য'তে যেনে-কৈয়ে নাথাকক, তুমি অৱহেলা কৰা নাই বুলি জানিলেই জুতি সুখত থাকিব পাৰিব।"

ছমীৰ গুচি আহিল। সি বুজিব নোৱাৰিলে আজি এইদৰে আহি এইদৰে গুচি যোৱাৰ কাৰণে ডাক্তৰে তাক কি ভাবিছে। জুতিৰপৰা সি আত্মৰক্ষা কৰিবৰ উপায় চিন্তিছে বুলি ভবা নাইতো ?

ছমীৰে মনতে ঠিক কৰিলে যে সি জ্যুতিকে সুধিব তাইক পঠিয়াব খোজাৰ কাৰণে তাই বেয়া পাইছে নেকি? কিন্তু যদি বেয়া পায়েই, সি কি কৰিব? জ্যুতিক নপঠিয়াব নেকি? কিন্তু নপঠিয়াই সি জ্যুতিক ৰাখি থ'ব কেনেকৈ? তাৰ অঘৰী জীৱন—এই জীৱনৰ মাজত জ্যুতিৰ বা কোনো ছোৱালী এজনীৰো ঠাই নাই। আৰু ছোৱালীৰ ভাল পোৱা, বেয়া পোৱাৰ লগত তাৰ কোনো সম্পৰ্ক নাই।

॥ তেৰ ॥

এইবোৰ চিনাকি বাট-পথ, এইবোৰ চিনাকি ঘৰ-বাৰী, এইবোৰ চিনাকি নঙলা-পদূলি। মাত্ৰ মানুহবোৰ অচিনাকি অচিনাকি লাগিছে। কথা-বতৰাবোৰ অলপ আচহুৱা যেন লাগিছে। বিয়া হৈ যোৱাৰ পিছত কইনা-ঘৰখন যেনেকৈ উৰুঙা উৰুঙা লাগে, যুদ্ধৰ পিছত এই চিনাকি নগৰখনো ছমীৰৰ তেনেকুৱা লাগিল। যেন এখন পৰিপাটি, ফুলনিত ক'ৰবাৰ বনৰীয়া গৰু-ম'হ এদল সোমাই মৰ্হটিয়াই থৈ গ'ল। সকলোবোৰ ছেদেলি-ভেদেলি হৈ গ'ল।

ৰেল-ষ্টেচনতে জ্যুতিক বোধেশ্বৰৰ লগত এৰি ছমীৰ ষ্টেচনৰ ওচৰৰে হোটেল এটাত ৰাতিটো থাকিবৰ কাৰণে গ'ল। এইখন চহৰত বোধেশ্বৰক নিশ্চয় বহুতে চিনি পায়। হয়তো দুই-চাৰিয়ে ছমীৰকো চিনি পাব। ইয়াত জ্যুতিক লগত লৈ কোনোবা ঘৰ বা হোটেলত ৰাতিটো কটাব লাগিলে, অন্য নহ'লেও চিনা-জনা নাগৰিক দুই-চাৰিজনৰ হয়তো অৱসৰত আলোচনা কৰাৰ এটা বিষয়-বস্তু ওলাব। হয়তো কোনো কোনোৰ মাজত এটা কেলেংকাৰীৰ বাতাৱৰণ গঢ়ি উঠিব। হয়তো কোনোবাই মনত পেলাই আত্মপ্ৰসাদ লাভ কৰিব: 'আমি ভাবিছিলোঁ কথাষাৰ মিছা। এতিয়াহে বুজিলোঁ মাধৱে মিছা মোকৰ্দ্দমা দিয়া নাছিল। এমেৰিকান মিলিটাৰীৰপৰা এৰুৱাই নিজেই ৰাখি থ'লে। সেয়া ঘৰ-সংসাৰ কৰি আছে—লাজৰ মূৰ খাই আকৌ ইয়ালৈকে আহিছে—জ্যুতি আৰু ছমীৰ।'

হয়তো আনে নহ'লেও মাধৱেই কথাটো সদৰি কৰি দিব।

অযথা ছমীৰৰ এটা হৈ-চৈ কৰিবৰ ইচ্ছা নহ'ল।

জ্যুতিয়ে বোধেশ্বৰ আৰু ছমীৰ দুয়োকে নিৰ্ভয় দিলে, "এতিয়া আৰু মোৰ কালৈকো ভয় নাই। মোৰ চহৰ এইখন। মোৰ ঘৰ-বাৰী আছে। দেউতা নাই, কিন্তু মোৰ পৈত্ৰিক সম্পত্তি আছে। আজি আৰু মই কালৈকো ভয় নকৰোঁ। আপোনালোকে মোৰ কাৰণে অকণো নাভাবিব।"

ছমীৰ হোটেলতে থাকিল।

বোধেশ্বৰৰ লগত গৈ জ্যুতিয়ে দেখিলে সিহঁতৰ ঘৰ-বাৰী সকলোতে মানুহ আছে। গিৰিহঁত নোহোৱা এনেই পৰি থকা ঘৰ। যুদ্ধৰ দিনৰ অৰাজক আইন। জোৰ যাৰ মুলুক তাৰ। জ্যুতিৰ ঘৰ-বাৰীত কোনোবা আহি গৃহস্থ হৈ আসন পাতি বহাত আচৰিত হ'বলগীয়া একো নাই।

অচিনাকি আলহীৰ দৰে আলিবাটৰপৰাই নিজৰ ঘৰ-বাৰী এবাৰ চাই জ্যুতি বোধেশ্বৰৰ লগত গুচি আহিল।

জ্যোতিয়ে ক'লে, "ময়ো মৰিলোঁ বুলি ভাবিছে সকলোৱে—নহয় নে ?"

বোধেশ্বৰে ক'লে, "নহয়নো কি ? আমিয়ে ভাবিছিলোঁ তই ক'ৰবাত মৰিলি বুলি। তই জীয়াই থকা বুলি খবৰ পাই মই বিশ্বাস কৰিবই পৰা নাছিলোঁ।"

সিহঁত বোধেশ্বৰৰ ঘৰৰ ফালেই আগবাঢ়িছিল। কিছুদূৰ যোৱাৰ পিছত জ্যোতিয়ে ক'লে, "এতিয়া পিছে মই ক'লৈ যাম ?"

"মই য'লৈকে যাওঁ, তয়ো তালৈকে যাবি ! চিন্তা কৰিছ নেকি ?"

"নাই কৰা। পিছে তহঁতৰ ঘৰত মোৰ কথা কি বুলি ক'বি ?"

"সেইবাবে বাৰু তই ভাবিব নালাগে। মোৰনো ক'ৰ ঘৰখন আছে ? ভাইটো কাহানিবাই ক'ৰবালৈ গ'ল, আজিও অহা নাই। বৌটি নায়েই, বাইজনী আছে। খেৎখেণ্ডালে মই ধমকি দিম, চুপ হৈ যাব।"

বোধেশ্বৰে সিহঁতৰ অকণমান ঘৰটোৰ ভিতৰত জ্যোতিৰ কাৰণে যেনে-তেনে এখন বিচনা কৰি দিলে। ভাত বিচাৰিবৰ দৰকাৰ নাছিল, খায়ে গৈছিল।

ছোৱালী এজনী লগত লৈ অহা দেখি বোধেশ্বৰৰ বায়েক যশোদাই এবাৰ মাথোন চকু তুলি চালে—একো নক'লে। জ্যোতিয়ে যি আশংকা কৰি আহিছিল—তাৰ একো নোহোৱা দেখি ভাল পালে।

হয়তো বায়েকৰ মন ভাল লগাবৰ কাৰণেই বোধেশ্বৰে শোৱাৰ আগে আগে টকা চল্লিশটা দি ক'লে, "হেৰা বাইদেউ, টকাকেটা ভালকৈ থৈ দে।"

ন'টকেখন লৈ বায়েকে আকৌ এবাৰ তাৰ মুখলৈ চালে। একো নক'লে।

শুবৰ সময়ত জ্যোতিয়ে বোধেশ্বৰক ক'লে, "কাইলৈ আমাৰ ঘৰত থকা মানুহবোৰ খেদাব লাগিব। কিবা এটা কৰিবি।"

বোধেশ্বৰে আশ্বাস দিলে, "এতিয়া শুই থাক। আমি আছোঁ নহয়।"......

জুলেখা আগৰ নিচিনাই আছে—অলপ শকত হৈছে। আগেয়ে দেখিলে ছোৱালী ছোৱালী লাগিছিল, এতিয়া এজনী তিৰোতা যেন দেখি। কিন্তু অলপ শকত হোৱাৰ কাৰণেই হয়তো তেওঁ যেন তেজে-পানীয়ে দেখিবলৈ আগতকৈ ধুনীয়াহে হৈছে। মানুহজনী আগৰ নিচিনাই গহীন।

জুলেখালৈ ছমীৰৰ আগৰ নিচিনা ভয় লগা নাছিল যদিও বহুত দিনৰ মূৰত এটা সম্পূর্ণ ডেকা মানুহ হিচাপে ঘূৰি আহি দেখা দিবলৈ তাৰ অলপ সংকোচ লাগিছিল। সি আগৰ নিচিনাই সহজ হ'বৰ চেষ্টা কৰিলে।

আহমদ ঠিকাদাৰ ঘৰতে আছিল। ৰাতিপুৱা যেতিয়া ছমীৰ গৈ ওলাল, তেতিয়া তাক দেখি যেন আহমদ অকণো বিস্মিত নহ'ল। হয়তো কেনেবাকৈ সি আহি পাইছে বুলি তেওঁ আগদিনাই গম পাইছিল।

ছমীৰক দেখি তেওঁ সঁচাকৈয়ে আনন্দ পালে। তাক পদূলি-মূৰত দেখিয়ে তেওঁ বহাৰপৰা উঠি আহিল, আৰু আগৰ গহীন হাঁহিটোক পাতল কৰি ক'লে, "আহ, আছ ভালে ?"

কথাবাৰত বহুত আগ্ৰহ আৰু বহুত মৰম সোমাই থকা যেন অনুভৱ কৰিলে ছমীৰে।

সি বছৰৰ প্ৰায় লগে লগেই ভিতৰৰপৰা জুলেখা ওলাই আহিল। তেওঁৰ মুখলৈ চাই ছমীৰ যেন অলপ দমি গ'ল। শুভ্ৰ, পৰিষ্কাৰ কাপোৰ-কানি পিন্ধা এই ধুনীয়া মানুহগৰাকীক যেন এয়া সি প্ৰথম দেখিলে। এটা কোমল, ধুনীয়া হাঁহি চকুৱে-মুখে ওপচাই জুলেখাই ক'লে, "বৰ এটা হ'লি বোপাই! বাটে-পথে দেখিলে চিনিবই নোৱাৰিলোহেঁতেন।"

ছমীৰৰ লাজ লাগিল। সি তলমূৰ কৰি হাঁহিলে।

জুলেখাই তাক ভিতৰলৈ মাতি নিলে।

ঘৰ-বাৰী সকলো আগৰ নিচিনাই আছে—আনকি খাট-পালেং, চকী-মেজবোৰো। তাৰ সকলো আপোন আপোন লাগিল। অলপ আগতেহে যেন সি বাহিৰলৈ ওলাই গৈছিল আৰু এতিয়া ঘূৰি আহিছে।

তাৰ আগত চাহ-জলপান দি মেজখনৰ ওচৰতে বৈ জুলেখাই ক'লে, "তইনো বাৰু অতদিনে চিঠি-পত্ৰ এখনো দিব নাপাৰ নে? গ'লি যি গ'লিয়েই। আমি মৰি-হাজি শেষ হ'লোঁ বুলি ভাবিছিলি নহয়?"

ছমীৰৰ লাজো লাগিল—অলপ অনুশোচনাও হ'ল। তাৰ অকৃতজ্ঞতা ঢাকিবৰ কোনো উপায় নাই এতিয়া।

আৰু বেছি কথা জুলেখাই নক'লে। কাৰণ ছমীৰে কেৱল তলমূৰ কৰি খাইছে। এষাৰ কথাৰো উত্তৰ দিয়া নাই। হয়তো সি বেয়া পাব।

চাহ খোৱা হ'লত জুলেখাই ক'লে, "বিচনা-পত্ৰ কিবা আনিছিলি নেকি?"

ছমীৰে তেওঁৰ মুখলৈ চাই ক'লে, "আনিছিলোঁ—"

"ক'ত থৈ আহিলি?"

"হোটেলত আছে।"

"হোটেলত? তই হ'বলা কেতিয়াবাই আহি হোটেলত সোমাই আছহি। আমি জীয়াই থকাৰ খবৰ লৈহে হ'বলা আজি ওলাইছহি।"

ছমীৰে এইবাৰ ক'লে, "কালি পালোঁহি। ৰাতি বেছি হ'ল কাৰণে আৰু ইয়ালৈ নাহিলোঁ, হোটেলতে ৰাতিটো থাকিলোঁ।"

"পিছে এতিয়া আহোঁতে লৈ নাহিলি কেলেই?"

ছমীৰ নিৰুত্তৰ।

পিৰিচ-পিয়লা সামৰি সামৰি জুলেখাই ক'লে, "সকলো বুজিছোঁ বোপাই। পৰ আৰু কেতিয়াবা আপোন হয় নে?"

দুৰ্বলভাৱে ছমীৰে ক'লে, "এতিয়া অনাম।"

ৰান্ধনিশালৰ ফালে আগবাঢ়ি জুলেখাই ক'লে, "তোৰ কোঠালি, তোৰ বিচনা এতিয়াও পৰি আছে। তই আৰু হোটেললৈ যাব নোৱাৰ।"

জুলেখালৈ ছমীৰৰ মৰম লাগিল। এই মানুহজনীক সি আজিও ভালকৈ বুজিব নোৱাৰিলে। এটা কথা অৱশ্যে সি অনুভৱ কৰিলে যে যি কাৰণতেই নহওক, জুলেখাই তাক আগতকৈ বেছি আদৰ-সাদৰ কৰিছে। এনেদৰে তাক মৰম কৰি যেন তেওঁ তাৰ ওপৰত থকা অভিভাৱকত্বৰ আস্বাদ উপলব্ধি কৰিবৰ চেষ্টা কৰিছে।

আবেদিন আহমদে ক'লে, "তই বোলে ঠিকা কৰিছ। কেনেকুৱা হৈছে?"

"লাভ হ'ব লাগে, এখন ডাঙৰ দলং লৈছোঁ।"

আহমদে ক'লে, "তই তিনিদিন থাক। থাকিব পাৰিবি নহয় ? মই কাম চাবলৈ যাব লাগে। লে'বাৰক পেমেণ্টও কৰিব লাগে।"

ছমীৰে সুধিলে, "আপুনি কেতিয়া ঘূৰিব ?"

"চাৰিদিন হ'ব। তই থাক, দৰকাৰী কথা আছে। মই আহি কথা-বতৰা পাতিমহি। এতিয়া যাওঁ।"

গাড়ী লৈ জুলেখাকো মাত লগাই আহমদ ওলাই গ'ল। চাৰি-পাঁচদিনমান থাকিম বুলিয়ে আহিছিল ছমীৰ। আহমদ নাথাকিব বুলি জানি সি বৰং ভালকে পালে।

ৰাতি সি বোধেশ্বৰক বিচাৰি গ'ল। জুতিও তাতে আছিল। জুতিহঁতে তাক সকলো কথা ক'লে। কোনোবা বঙালী ৰিফিউজী পৰিয়াল আহি জুতিৰ ঘৰত থিতাপি হৈ আছেহি—আজি তিনি-চাৰি বছৰ। সিহঁতৰ যেন মনতেই নাই যে এই ঘৰ-বাৰীৰ কোনোবা মালিক আছে। জুতি আৰু বোধেশ্বৰৰ কথাক সিহঁতে কথা বুলিয়ে ধৰা নাই।

ছমীৰে সিহঁতৰ কথা মনোযোগেৰে শুনিলে, কিবা এটা চিন্তা কৰিলে। তাৰ পিছত গহীনকৈ ক'লে, "বাৰু ৰিফিউজীলৈ ভয় কৰিব নালাগে, একে ধমকে ওলাই লৰ মাৰিব। পিছে—"

জুতি আৰু বোধেশ্বৰে তাৰ মুখলৈ চালে।

ছমীৰে ক'লে, "জুতি জানো ইয়াতে থাকিবা ?"

জুতিয়ে চকু দুটা ডাঙৰকৈ মেলি দিলে। অৰ্থাৎ 'নাথাকি ক'লৈ যাম ?'

কি ক'ব খুজিছে, ভালকৈ বুজাই ক'বৰ চেষ্টা কৰি ছমীৰে ক'লে, "মই ইয়াত চাৰি-পাঁচদিনহে থাকিম। আকৌ যামগৈ। তুমি ইযাত থাকি অসুবিধা পাবা নেকি ?"

ছমীৰৰ মুখৰপৰা এনেকুৱা সুৰৰ কথা জুতিয়ে আৰু এদিন শুনিবলৈ পাইছিল—যিদিনা তাই অসুখ হৈ আশ্ৰমত পৰি আছিল। এনেদৰে তাইৰ কাৰণে চিন্তা কৰি কথা কোৱা ছমীৰটোলৈ তাইৰ ভয় লাগে। কম কথা কোৱা, নিজ খুচি-খেয়ালমতে ঘূৰি ফুৰা, কঠিন আৰু দুৰ্ব্বোধ্য ছমীৰটোকে তাইৰ বেছি বুজি পোৱা যেন লাগে।

কোনোমতে জুতিয়ে ক'লে, "ওঁ, ইয়াতে থাকিম বুলিয়েতো আহিছোঁ, নাথাকিনো ক'লৈ যাম ?"

ছমীৰে একো ক'ব নোৱাৰিলে। তাৰ মনত পৰিছিল ডাক্তৰে কোৱা কথাষাৰ। জুতি কিয় আশ্ৰমত থাকিবলৈ অমান্তি হৈছিল। যিষাৰ কথা জুতিয়ে ডাক্তৰক ক'ব পাৰিলে, সেইষাৰ কথা মুখ খুলি তাক নকয় কিয় ?

নাই, ছোৱালীবোৰৰ মনবোৰ বুজা নাযায়। সিহঁতে মনতে ভাবি থাকে এটা, মুখেৰে কয় এটা।

ছমীৰে জানে জুতিৰ প্ৰতি তাৰ কোনো দুৰ্ব্বলতা নাই। অপ্ৰত্যাশিতভাৱে তাইৰ লগত এদিন চিনাকি হৈছিল, তাৰ অৰ্থ এই নহয় যে সেইবাবেই সি চিৰদিনৰ কাৰণে জুতিৰ দায়িত্ব ল'ব। 'দৰকাৰ হ'লে টকা দিম, কিন্তু ছোৱালীৰ লগত লেন-দেন কৰাত মই নাই। বেয়া পালেও পাওক জুতিয়ে।'

ছমীৰে ক'লে যে জুতিৰ ঘৰত থকা ৰিফিউজী পৰিয়ালটো যদি ভালেৰে নাযায়, তেন্তে আইনৰ আশ্ৰয় ল'ব লাগিব। আগৰ নিচিনা হোৱা হ'লে সি নিজেই সিহঁতক খেদাই পঠিয়ালেহেঁতেন, কিন্তু এতিয়া আৰু সি আগৰ নিচিনা ল'ৰা হৈ থকা নাই। সি এটা মানুহ হ'ল। মাৰ্-পিট্ কৰাটো শোভনীয় নহ'ব।

বোধেশ্বৰক সি বেলেগে মাতি নি ক'লে, "তোৰ লগতে জুতি থাকিলে তোৰ কিবা অসুবিধা হ'ব নেকি ?"

বোধেশ্বৰে ক'লে, "তই দেখোন সকলো জানই। ভাল হওক, বেয়া হওক তাইৰ কেও-কিছু নাই যেতিয়া, তাইক মোৰ লগতে ৰাখিব পাৰিলোহেঁতেন। পিছে বাইটিয়ে নিদিব আৰু মানুহেও বেয়া নুবুলিব জানো ?"

"মানুহে এতিয়াও বেয়া বুলিব। পিছে কোনোবাই লগত নাৰাখিলে জুতি কাৰ লগত থাকিব ?" ছমীৰে ক'লে।

"এৰা—"

ছমীৰে ক'লে, "মোৰ লগতে থাকিব পাৰিলেহেঁতেন। মই জাতি-ধৰ্ম্ম একো নামানো। পিছে মই জুতিক নালাগে কোনো ছোৱালীকে মোৰ লগত নাৰাখোঁ।"

বোধেশ্বৰে একো নামাতিলে।

কোনোবাই নামানিলেই ধৰ্ম্ম-সমাজ নোহোৱা হৈ নাযায়। এতিয়াও আমাৰ দেশত ধৰ্ম্ম নোহোৱা সমাজ এখন গঢ়ি উঠা নাই।

বোধেশ্বৰে আশ্বাসৰ সুৰত ক'লে, "বাৰু জুতি এতিয়া মোৰ লগতে থাকক। তোৰ লগত থাকিলে ইয়াত নানাজনে নানাকথা ক'ব। সেইবোৰ তই কেলেই শুনিব লাগিছে।"

ছমীৰ এটা দায়িত্বৰপৰা মুক্ত হ'ল। নিজৰ মনতে সি ক'লে, 'দুনিয়াৰ দুখীয়া-নিছলাবোৰ টানি ফুৰিবলৈ মোৰ কোনো গৰজ নাই। মিছা-মিছি এইবোৰ জঞ্জালত সোমাই মোৰ লোকচানহে হ'ব, লাভ নহয়। মই অকলশৰে মুকলি-মুৰীয়া হৈ থাকিবলৈ বিচাৰোঁ।'

অৱশ্যে বৰ্ত্তমানলৈকে জুতিৰ বাহিৰে অন্য কাৰো পোনপটীয়া দায়িত্ব ছমীৰে ল'বলগীয়া হোৱা নাছিল। চেনেহী আৰু জীনিয়া ছমীৰ নহ'লেও চলি থাকিব পাৰিব। অকাৰণতে কাৰোবাৰ মৰমত আৱদ্ধ হৈ পৰা দুৰ্ব্বলতা মাথোন।

॥ চৌৱন ॥

ৰাতি ভাত-পানী খাই উঠি জুলেখা আৰু ছমীৰ পাছফালৰ বাৰাণ্ডাতে বহিল। এতিয়া আৰু ছমীৰ ভয়ে ভয়ে, মনে মনে পাছ-দুৱাৰেদি ভিতৰ সোমোৱা আগৰ সৰু ল'ৰাটো নহয়। ছমীৰ এতিয়া ডেকা। গতিকে জুলেখাৰ আগত আগৰ লাজ-সঙ্কোচ বহুত নোহোৱা হৈছে। তাতে আহমদ ঘৰত নথকাৰ কাৰণে ঘৰখনত সি নিজকে আৰু বেছি মুক্ত অনুভৱ কৰিছে।

প্ৰথমে জুলেখাই ছমীৰৰ ওপৰত অভিযোগ ৰাখিলে: "আইনৰ নিচিনাকৈ ভয়ো যে চকু মুদা কুলি হ'বি আমি ভবা নাছিলোঁ। দুখলৈ গ'লি গ'লি, বহুত ল'ৰা

গৈছিল। তেওঁ বুলি আজি পাঁচ-ছ'বছৰে চিঠি এখন দিব নাপাৰ নে? আমি বাৰু মৰিলোঁ নে আছোঁ খবৰ ল'ব নালাগে, পিছে তোৰ ভাল-বেয়াৰ খবৰটোতো দিব পাৰিলিহেঁতেন। আমাক যে এনেকৈ পাহৰি যাব পাৰিবি আমি ভাবিবই পৰা নাছিলোঁ।"

অভিযোগ খণ্ডনৰ সুৰত ছমীৰে কোনোমতে ক'লে, "মোৰো কোনো ঠিকনা নাছিল। আজি ইয়াত, কালি তাত। তাৰ উপৰি শুনিছিলোঁ যে আপোনালোকো ইয়াত নাছিল, ক'ৰবাৰ গাঁৱত আছিলগৈ।"

জুলেখাই চমুকৈ যুদ্ধৰ দিনৰ কথা ক'লে। তেওঁলোকৰ ঘৰটো মিলিটাৰীয়ে ল'লে। নগৰৰ সৰহভাগ ভাল ঘৰ-বাৰীকে মিলিটাৰীয়ে লৈছিল। গতিকে তেওঁলোক গাঁৱলৈ গৈছিলগৈ। অৱশ্যে জুলেখাহে গৈছিল, আহমদ যোৱা নাছিল। এটা সৰু ঘৰ ভাৰা লৈ তেওঁ নগৰতে আছিল আৰু ইয়াৰপৰাই কাৰবাৰ চলাই আছিল। যুদ্ধৰ দিনত কাৰো থানথিত নাছিল, সকলো থান্‌বান্‌, ছেদেলি-ভেদেলি হৈ পৰিছিল।

ছমীৰে পূৰ্ণানন্দ মাষ্টৰৰ খবৰ সুধিলে। কিন্তু সেই কথাৰ উত্তৰ নিদি জুলেখাই ক'লে, "সেইবোৰ সকলো লাহে লাহে জানিব পাৰিবি! চহৰখনৰ কত কথা আছে। পিছে তোৰ খবৰ ক'চোন!"

"মোৰ খবৰ? মোৰনো কি খবৰ আছে? চিপাহী হ'ম বুলি ওলাই গৈছিলোঁ, হ'লোঁগৈ ঠিকাদাৰ। আৰু কি খবৰনো আছে।"

"ভালেই কৰিলি। যুদ্ধৰ চিপাহী হোৱাহেঁতেন এইদৰে ক'ত ঘূৰি আহিব পাৰিলিহেঁতেন। পিছে টকা-পইচা কিছু কৰিলি?"

"টকা ঢেৰ কৰিলোঁ। কিজানি ডেৰ-দুই লাখ হ'ব।"

"সঁচা?"

"ওঁ। টকা কৰিবলৈকেতো যুদ্ধলৈ গৈছিলোঁ।"

"টকা-পইচা ভালকৈ ৰাখিছ নহয়?"

"ওঁ বেংকত থৈছোঁ, একো ভয় নাই।"

"এৰা, লগত সৰহ টকা-পইচা নৰখাই ভাল। আজি-কালি যিহে চোৰ-ডকাইত হৈছে। তাতে তই অকলশৰীয়াকৈ আছ—"

ছমীৰে একো নক'লে। সি মাত্ৰ অনুভৱ কৰিলে যে যোৱা পাঁচ-ছ'বছৰৰ ভিতৰতে জুলেখা যেন বহুত সলনি হৈ গৈছে। মানুহগৰাকী আগৰ নিচিনা কঠুৱা আৰু দুৰ্ব্বোধ্য হৈ থকা নাই। তেওঁ আগতকৈ সহজ হৈ পৰিছে। ছমীৰে ইয়াত থাকি পঢ়ি থকা দিনত যদি তেওঁ তাক এনেদৰে আত্মীয়ৰ চেনেহ দেখুৱালেহেঁতেন, সি হয়তো একেদিনাই যুদ্ধলৈ যোৱাৰ সিদ্ধান্ত কৰি পেলাবলগীয়া নহ'লহেঁতেন।

যেই নহওক জুলেখাক ছমীৰৰ ভাল লাগিল। আহমদৰ ঘৰখনক আকৌ তাৰ আপোন ঘৰ যেন লাগিল।

কিছুপৰৰ মূৰত ছমীৰে ক'লে, "এতিয়া দদাইটিৰ কাৰবাৰ কেনেকুৱা চলিছে?"

অলপ দুখেৰে কোৱা ধৰণে জুলেখাই ক'লে, "কাৰবাৰত ঘূৰি ফুৰাটোৱেই দদাইটিয়েৰৰ নিচা। দেখা নাই জানো, চিঠি দি তোক মাতি পঠিয়ালে। কিন্তু তোৰ লগত ভালকৈ দুআষাৰ কথা পাতিবৰো আজৰি নহ'ল, গ'লেই। মই কওঁ,

আমি মানুহ দুটি—ল'ৰা নাই, ছোৱালী নাই ; আমাৰনো টকা-পইচাৰ কাৰণে ইমানকৈ খাটি মৰাৰ দৰকাৰ কি ? আল্লাই যি দিছে তাকে লৈ সুখী থাকিব লাগে। তেওঁ আকৌ কয়, ল'ৰা-ছোৱালী নাই কাৰণেই—গাত শক্তি থাকোঁতেই যি পৰা যায় খটি খাব লাগে। পিছত কাৰ অৱস্থা কি হয় কোনে জানে।"

ছমীৰে সৰুকৈ ক'লে, "হয়।"

সেইদিনা ৰাতি আৰু বেছি কথা-বতৰা নহ'ল।

জুলেখাই ক'লে, "বহুত দিনৰ মূৰত তোক পাই ভাল লাগিছে। আমাৰ ঘৰখন সদায় নিমাত-নিটাল। দদায়েৰ ঘৰত থাকিলে অলপ ভাল লাগি থাকে, নহ'লে জানিবা মৰা-ঘৰহে। বাৰু তই শোগৈ যা। তোৰ চাগৈ ভাগৰ লাগিব পায়।"

ছমীৰে ক'লে, "ভাগৰ নাই লগা। পিছে কেইবাবছৰো যুদ্ধৰ হুলস্থুলৰ মাজত থাকিলোঁ নহয়, এতিয়া এনেকুৱা নিমাওমাও কেতিয়াবা ভাল লাগে।"

"পিছে নামাজ-চামাজত ধৰিছ নে নাই ? মাজে মাজে অলপ আল্লা-ৰছুললৈও মনত পেলাব লাগে।"

ছমীৰ মনে মনে থাকিল। অৱশ্যে নামাজ নপঢ়াৰ কাৰণে তাৰ কোনো অনুতাপ নাছিল। কিন্তু জুলেখাৰ আগত তাৰ মনৰ ভাব ব্যক্ত কৰিবৰ সি ইচ্ছা নকৰিলে। হয়তো তেওঁ অসন্তুষ্ট হ'ব। ছমীৰে জানে জুলেখা ধৰ্ম্মপ্ৰাণ মানুহ।

ছমীৰ শুবলৈ গ'ল। জুলেখায়ো দুৱাৰ-ঘৰ মাৰি ঈছাৰ নামাজ পঢ়াত লাগিল।

তেতিয়া ৰাতি কিছু হৈছিল।

পিছদিনা জুলেখাৰ মুখত এটা বাতৰি শুনি ছমীৰ মৰ্ম্মাহত হ'ল। পূৰ্ণানন্দ মাষ্টৰ যুদ্ধত থাকোঁতেই মাত্ৰ তিনিদিন চোৰিৱেল মেলেৰিয়াত তেওঁৰ পৰিবাৰ দেৱীৰ মৃত্যু হ'ল। বাতৰি পাই পূৰ্ণানন্দ ছুটী লৈ আহিছিল। মানুহজন বলিয়াৰ নিচিনা হৈ গৈছিল। তেওঁক কোনোৱে বুজনি দিও শাঁত কৰিব নোৱাৰিছিল।

আকৌ পূৰ্ণানন্দ যুদ্ধলৈ ঘূৰি গ'ল। দয়ানন্দ ককাদেউতাকৰ লগতে আছে। পূৰ্ণানন্দ কিন্তু আৰু অহা নাই।

বাতৰিটো শুনি ছমীৰে মৰ্ম্মান্তিক আঘাত পালে। এই এগৰাকী অনাত্মীয়া মাতৃসমা মহিলাই তাক যিমান সৰলভাৱে মৰম কৰিছিল, পৃথিৱীত আন কোনোৱে তাক সেইদৰে মৰম কৰা নাছিল। অথচ আজি তেওঁ নাই।

ছমীৰৰ সহ্য কৰিবলৈ টান লাগিল। তাৰ মনত লাগিল যেন কেনেবাকৈ দেৱীৰ মৃত্যুৰ কাৰণে সিও জগৰীয়া।

হয়তো জুলেখাই তাৰ মনৰ অৱস্থা বুজিয়ে ক'লে, "আমি সকলোৱে বৰ দুখ পালোঁ। পিছে কি কৰিবি ? যাৰ যিমান দিন হায়াত আছে, সিমান দিনহে থাকিব। মৰণৰ ওপৰত আল্লাৰ বাহিৰে কাৰো হাত নাই।"

হয়তো ছমীৰৰ চকুপানী ওলাব খুজিছিল। দেৱী বাইদেউ এইদৰে নোহোৱা হৈ যোৱাটো তাৰ কাৰণে দুৰ্ব্বিসহ কথা। পূৰ্ণানন্দই বাৰু কেনেকৈ সহ্য কৰিলে।

কিছুপৰৰ মূৰত ছমীৰে সুধিলে, "চাৰ তেনেহ'লে আৰু অহাই নাই ?"

"নাই অহা।"

"তেখেত বা এতিয়া ক'ত আছে ?"

"কোনেও ক'ব নোৱাৰে। চিঠি-পত্ৰও পোৱা নাই।"

ছমীৰ আৰু বিমৰ্ষ হৈ পৰিল। মনে মনে সি ঠিক কৰিলে, সি এবাৰ দয়ানন্দৰ ওচৰলৈ যাব আৰু চাবৰ সন্ধান ল'ব। হয়তো চাবৰ চিঠি-পত্ৰ দয়ানন্দহঁতে পাব পায়। আৰু যদি নাই পোৱাও, হয়তো ছমীৰে দয়ানন্দক কিছু টকা দি সহায় কৰিব পাৰিব। যদি সি ল'বলৈ বেয়া নাপায়।

ছমীৰৰ আচৰিত লাগিল—যুদ্ধক্ষেত্ৰৰপৰাও মানুহ অক্ষত, অক্ষুণ্ণ হৈ সোঁ-শৰীৰে ঘূৰি আহে আৰু ঘৰৰ ভিতৰত থাকিও মানুহ মৰে! আৰু কত মৰিব লগা অবাঞ্ছিত মানুহ আছে, যি মৰা উচিত, কিন্তু নমৰে। আৰু যাৰ মৰাটো সকলোৰে কাৰণে পৰম ক্ষতিকৰ, তাৰেই হয় অকাল মৃত্যু। ময়োতো মৰিব পাৰিলোহেঁতেন! মোৰ নিচিনা এটা মানুহ—নিজৰ ওচৰতে নিজৰ বোজা হৈ জীয়াই থকাৰ কি অৰ্থ, কি সাৰ্থকতা আছে! মই মৰিলে এই পৃথিৱীৰ কাৰো কোনো ক্ষতি নহয়। অথচ যোৱা পাঁচ বছৰৰ ৰণস্থলীৰ দুৰ্যোগৰ মাজৰপৰাও মই নিৰ্ব্বিঘ্নে ঘূৰি আহিলোঁ।

দেৱীৰ মৃত্যুৰ বাতৰিয়ে ছমীৰক বৰ গভীৰ আঘাত দিলে।

অন্যান্য কিছু কথাৰ পিছত জুলেখাই আৰু এটা খবৰ দিলে, "আৰু এটা কথা শুনিছ নে নাই জানোঁ—"

ছমীৰে জুলেখাৰ মুখলৈ চালে।

"হাছমত বুঢ়াও মৰিল নহয়—"

"কোন হাছমত বুঢ়া ?"

অলপ ইতস্ততঃ কৰি জুলেখাই ক'লে, "তোৰ মাৰক যে বিয়া কৰাইছিল।"

কিছু সময় ছমীৰে একো মাতিব নোৱাৰিলে। হয়তো সি নিজেই বুজিব নোৱাৰিলে হাছমতৰ মৃত্যুৰ খবৰ পাই তাৰ আনন্দ লাগিছে নে বেজাৰ লাগিছে। দেৱী বাইদেউৰ মৃত্যুৰ বাতৰিত সি যিমান আঘাত পাইছিল, হাছমতৰ মৃত্যুৰ বাতৰিয়ে যেন তাক তেনে কোনো মনোকষ্ট দিব নোৱাৰিলে!

ভালেমান পৰ মনে মনে থকাৰ পিছত ছমীৰে ক'লে, "বুঢ়াও মৰিল, নহয় ?"

"তই তেনেহ'লে খবৰটো আগতে পোৱা নাই ? বুঢ়া মানুহ, তাতে কিবা এজমা নে কফৰ বেমাৰ আছিল—মৰিল আৰু—"

"কেতিয়া মৰিল ?"

"ডেৰ বছৰমানেই হ'ল হ'বপায়।"

"মই ক'ব নোৱাৰোঁ।"

সোধোঁ-নোসোধোঁকৈ ছমীৰে সুধিলে, "বৌটি এতিয়া ক'ত আছেবা ?"

"তাতে থাকিব পায়, আৰুনো ক'ত থাকিব ? তই খবৰ এটা কৰি আহিবিগৈ।"

ছমীৰে একো নক'লে।

হাছমতৰ মৃত্যুৰ পৰিণামত মাক সোণপাহীৰ কেনে অৱস্থা হৈছে জানিবৰ ইচ্ছা হোৱা সত্ত্বেও সি সেইকথা জুলেখাক নুসুধিলে। সোণপাহীক সি আজিও ক্ষমা কৰিব পৰা নাই।

কিন্তু হাছমত মৰা শুনি ছমীৰে ভাল পালে। তাৰ জীৱনটোক অপমান কৰিবৰ কাৰণে যেন সোণপাহীৰ সৈতে লগ লাগি হাছমতেও ষড়যন্ত্ৰ কৰিছিল। তাক

অপৰিচয়ৰ গ্লানিৰ মাজত পেলাই থৈ সিহঁত প্ৰত্যেকেই যেন নিজৰ নিজৰ চিনাকি দিয়াত উঠি-পৰি লাগিছিল।

ছমীৰক বিমৰ্ষ দেখি জুলেখাই ক'লে, "এইবোৰকে তই আকৌ ভাবি-চিন্তি নাথাকিবি। মৰাবোৰ মৰিবই। এইবোৰকে জনাবৰ কাৰণে তোক মতোৱা নাছিলোঁ। দদায়েৰৰ কিবা কথা আছে, ক'ব। মই পিছে অতদিনে নেদেখাৰ কাৰণে তোক চাওঁ বুলিহে মাতিলোঁ। তোৰ কথা মোৰ সদায় মনত পৰি থাকে। তহঁতৰ কথা সুকীয়া।"

আবেলি ছমীৰ অকলেই ফুৰিবলৈ ওলাই গৈছিল। আকৌ স্কুল বহিছে। তাৰ এবাৰ স্কুললৈ যাবৰ ইচ্ছা হৈছিল, কিন্তু নগ'ল। হয়তো সৰহভাগ শিক্ষক এতিয়াও আছে, কিন্তু এজন নাই। যিজনে সদায় তাৰ নামটো ভুলকৈ মাতিছিল, কিন্তু মৰম কৰিবলৈ পাহৰা নাছিল। চহৰখনৰ বিশেষ চকুত পৰা পৰিৱৰ্ত্তন একো হোৱা নাই যেন লাগিল। মাত্ৰ চাৰি-পাঁচ বছৰ থাকি মিলিটাৰীবিলাকে এৰি থৈ যোৱাৰ কাৰণে ঠায়ে ঠায়ে চহৰখন এৰা-পৰলীয়া যেন লাগিল। যুদ্ধৰ সময়ত আঁতৰি যোৱা মানুহবোৰ আকৌ ঘূৰি আহিল। কিছুমান মানুহ একেবাৰেই গুচি গৈছে। ঠায়ে ঠায়ে কিছুমান নতুন মাৰোৱাৰী, দেছোৱালীৰ দোকান-হোটেল আদি বহিছে।

এনেই ঘূৰি ফুৰি ছমীৰৰ ভাল নালাগিল। তাৰ মনত লাগিল যেন এইখন এখন বেলেগ চহৰ, আগৰ তাৰ চিনাকি চহৰখন নহয়। আগৰ সকলো থাকিও যেন ইয়াৰ পুৰণি সাঁচটো নোহোৱা হৈ গৈছে। আৰু এটা নতুন সাঁচও ভালকৈ গঢ় লৈ উঠা নাই।

বাটত সি ভালেমান চিনাকি মানুহক লগ পালে, সি বহুতকে চিনিও পালে, কিন্তু তাক কোনোৱে চিনি নাপালে যেন লাগিল তাৰ। কাৰোবাৰ চকুত আচহুৱা চাৱনি, কোনো কোনোৱে তাৰ ফালে নাচালেই। সি ভালেই পালে। আজি তাক আৰু আগৰ 'ছমীৰ গুণ্ডা' বুলি কোনোৱে চিনি নাপায়। হয়তো তাক বহুতে অন্য কোনোবা ভদ্ৰলোক বুলিয়ে ভাবিছে।

দৈনিক মদ খোৱাটো তাৰ অভ্যাস হৈ গৈছিল। কিন্তু ইয়ালৈ আহি সি বহু কষ্টে মদ নোখোৱাকৈ থাকিবৰ চেষ্টা কৰিলে। তাৰ অলপ টান লাগিল। কিন্তু মদৰ ৰাগি লৈ জুলেখাৰ ওচৰত দেখা দিবলৈ তাৰ ভয় লাগিল। মনে মনে ঠিক কৰিলে যে সি যিমান সোনকালে পাৰে ইয়াৰপৰা ঘূৰি যাব। হয়তো দেৱী বাইদেউ জীয়াই থকা হ'লে তাৰ আৰু দুই-এদিন ইয়াত থাকিবৰ মন গ'লহেঁতেন। কথাষাৰ ভাবি তাৰ বৰ উৰুঙা লাগিল। আমাৰ মৰমৰ মানুহবোৰ হঠাৎ এনেকৈ নোহোৱা হৈ যায় কিয় ?

এনেয়ে সি আগেয়ে পূৰ্ণানন্দ থকা ঘৰটোৰ ফালে গ'ল। ওচৰ পাই সি বেগাই খোজ দিলে। সেইফালে চাবলৈকে তাৰ বেয়া লাগিল। যেন পূৰ্ণানন্দ চাৰে তাক মাতি দিব, 'ৰমীজ নে সেইটো—আহ—'

অলপ দূৰৰপৰা ঘূৰি চাই সি দেখিলে ঘৰটোত কোনোবা অন্য মানুহ আছে, আৰু এদল ল'ৰা-ছোৱালীয়ে চিঞৰ-বাখৰ কৰিছে।

ছমীৰ ফুটবল ফিল্ডৰ ফালে গ'ল। ফিল্ডখন চিনিবই নোৱাৰা হ'ল। তাত

মিলিটাৰী কেম্প আছিল, মাজে মাজে ট্ৰেন্সবোৰ আছে, মাজে মাজে একোডোখৰ পকা কৰা ঠাই। এইখন ফিল্ডতে সি ফুটবল খেলিছিল—মাত্ৰ সৌ সিদিনা। মিলিটাৰীয়ে ফিল্ডখন নষ্ট কৰি পেলাইছে।

সন্ধিয়া লাগি ভগাৰ পিছত ছমীৰ ঘূৰি আহিল। এবাৰ সি জ্যোতি আৰু যোগেশ্বৰহঁতৰ ঘৰৰ ফালে যোৱাৰ কথা ভাবিছিল। কিন্তু বৰ্তমানে সি নোযোৱাকে ঠিক কৰিলে। 'থাওক, সকলোৰে খবৰ লৈ ফুৰাৰ কোনো দৰকাৰ নাই। মোৰ খবৰনো কিমানে লৈছে?'

ছমীৰৰ কাৰণে এইখন চহৰৰ কোনো আকৰ্ষণ নোহোৱা হৈছে। তাতকৈ তাৰ নতুন চহৰখনেই ভাল—তাত চেনেহী আছে, জীনিয়া আছে, মহচিন ডাক্তৰ আছে—আৰু মায়াও আছে। জ্যোতিৰ এটা দিহা লগোৱা হ'ল যেতিয়া তাৰ নিজৰ ঘৰটোত থাকিবলৈও তাৰ সিমান বেয়া নালাগিব। আৰু নতুন কাৰবাৰত একাগ্ৰতীয়াকৈ লাগি গ'লে, অন্য চিন্তা কৰিবৰো প্ৰয়োজন নাথাকিব। সেয়ে ভাল। সেয়ে ভাল।

অবশ্যে মহচিন ডাক্তৰৰপৰা আঁতৰি থাকিব লাগিব। তেওঁ মচজিদ, কবৰস্থান, অনাথ-আশ্ৰম লৈয়ে সদায় ব্যস্ত। তেওঁৰ লগত পৰা নাযাব। তেওঁ বেলেগ মানুহ। তেওঁ মোক ভাল মানুহ কৰাৰ ষড়যন্ত্ৰ কৰিছে। কিন্তু মোৰ ভাল মানুহ হোৱাৰ কোনো দৰকাৰ নাই। মই ছমীৰ গুণ্ডা—ছমীৰ গুণ্ডা হৈয়ে থাকিম।

ছমীৰ যাবলৈ ওলাইছিল। সেইদিনা আহমদো ঘূৰি আহিছিল। জুলেখাই ছমীৰক এসাজ ভালকৈ খুৱাবৰ কাৰণে বিশেষ ৰন্ধা-বঢ়াৰ আয়োজন কৰিছিল। পোলাও, কোপ্তা, কোৰ্ম্মা, কিমাম আদি নানা সুখাদ্যৰ দিহা কৰিছিল। কত দিন চাগৈ সি ভালকৈ এসাজ খোৱা নাই।

ভাত-পানী খাই উঠি আহমদে সাধাৰণভাৱে সুধিলে, "তই সিদিনা কিহৰ ঠিকা লোৱা বুলি কৈছিলি জানো?"

"পি. ডব্লিউ. ডি.ৰ ঠিকা লৈছোঁ। কাম আৰম্ভ কৰিছোঁৱেই। এখন ডাঙৰ দলং লৈছোঁ!"

"ও'। লাভ হ'ব?"

"কিছু হ'ব লাগে।"

"তোক এটা কথাৰ কাৰণে মাতিছিলোঁ,—" আহমদে ক'লে।

ছমীৰে তেওঁৰ মুখলৈ চালে।

"মই একে সময়তে তিনিটা ডাঙৰ ঠিকা পাইছোঁ। ভাল লাভ হ'ব। অকলে চলাবলৈ কিছু টান পাইছোঁ। টকা-পইচাৰ কাৰণে নহয়। মোৰ চোৱামেলা কৰিবলৈ টান পৰিছে। কিছুমান কাম নিজে নাচালে পিছত ঠিকাদাৰৰ বদ্‌নাম হয়। তয়ো যদি আহ, তয়ো কিছু কাম কৰিব পাৰিবি—"

কিছু চিন্তা কৰি ছমীৰে ক'লে, "মই তাত নতুনকৈ ঠিকা লৈছোঁ। মাজতে এৰি আহিলেও ভাল নহ'ব নহয়—"

"ও'। এতিয়া তই আহিব নোৱাৰিবি। বাৰু, তাত কাম শেষ কৰি ল। নতুন ঠিকা আৰু নল'বি। ইয়ালৈকে আহগৈ। মোৰ লগতে থাকি তই কাৰবাৰ কৰিব পাৰিবি। বেয়া হ'ব নেকি?"

ছমীৰে ক'লে, "বেয়া নহয়। মই বাৰু তাত শেষ কৰি লওঁ। তাতো ছ'মাহ-আঠমাহমান লাগিব কিজানি।"

আহমদে আৰু একো নক'লে। ছমীৰৰ মনে মনে এটা গৰ্ব্ব হ'ল, আজি আহমদেও তাক পাৰ্টনাৰ কৰি ল'বলৈ বিচাৰিছে! টকাৰ মূল্য নোহোৱা নহয়। কিন্তু আহমদে মোৰ সকলো জানে। আহমদ নহৈ অন্য কোনোবা যদি হ'লহেঁতেন!

মনে মনে সি ঠিক কৰিলে আহমদৰ লগত সি কাৰবাৰ নকৰে। তেওঁৰ লগত থাকিলে তাৰ মনটো মুক্ত হ'ব নোৱাৰিব। সি সদায় সেই তাহানিৰ ছমীৰটো হৈ চলিব লাগিব। তাতকৈ সি অকলে অকলে কোনোবা দুৰ্গম কিবাকিবি কৰি থাকিব। টকাৰ কাৰণে সি কাৰবাৰ নকৰে, সি কাৰবাৰ কৰিব নিজক ব্যস্ত ৰাখিবৰ কাৰণে। নিজৰ পৰিচয় পাহৰি থাকিবৰ কাৰণে।

সি যাবলৈ ওলোৱাৰ সময়ত জুলেখাই ক'লে, "মাৰক এবাৰ চাই আহিবিগৈ। ভাল হওক, বেয়া হওক, তোৰ মাৰ। মাৰৰ সমান কোন হ'ব?"

ছমীৰে কাণপাতি শুনি থাকিল, একো নক'লে। যিজনী মানুহে তাক জন্ম দিয়াৰ বাহিৰে তাৰ কাৰণে একোকে নকৰিলে, সেই মানুহজনীৰ কাৰণে কৃতজ্ঞতা অনুভৱ কৰিবলৈ তাৰ একো নাই। কিন্তু এই কথা সি কাকো মুখ খুলি ক'ব নোৱাৰে। আল্লা আৰু সোণপাহীৰ ষড়যন্ত্ৰতে তাৰ জীৱনত মচিব নোৱাৰা গ্লানিৰ চেকা বৈ গ'ল। এওঁলোকৰ এজনকো ছমীৰে কাহানিও মাফ নকৰিবৰ কাৰণে দৃঢ়-প্ৰতিজ্ঞ।

ব্যস্ত থাকিলেই ছমীৰ কিছু শান্তিত থাকে। দুৰ্গমৰ অচিনাকি মানুহৰ মাজত নিজ ইচ্ছামতে ঘূৰি ফুৰিলেই সি মৰ্ম্মদাহী আত্মগ্লানিৰপৰা ৰক্ষা পাই থাকে। কিন্তু এই চিনাকি ঠাইবোৰ, চিনাকি মানুহবোৰ—এওঁলোকৰ মাজত, এওঁলোকৰ সাক্ষাতত ছমীৰ অসহায় হৈ পৰিবলগীয়া হয়। অধোমুখ হৈ পৰিবলগীয়া হয়। অৱশ্যে হয়তো আজি-কালি তাক দেখিলে কোনোৱে তাৰ জন্ম-বৃত্তান্ত মনত নেপেলায়, হয়তো বহুতেই সেই বিষয়ে একো নাজানেও। কিন্তু চিনাকি মানুহৰ সমাজখনৰ মাজত পৰিলেই তাৰ ধাৰণা হয় যেন সকলোৱে তালৈ ভৎসনাৰ চকুৰে চাইছে। তাক গোপনে উপহাস কৰিছে, তাৰ পিঠিৰ পিছত যেন সকলোৱে তাৰ জন্ম-কাহিনী লৈ আলোচনা কৰিছে আৰু খিক্‌খিকাই হাঁহিছে। তাৰ অসহ্য লাগে, অধৈৰ্য্য লাগে। সমগ্ৰ পৃথিৱীৰ লগত অকলে যুঁজিবৰ মন যায়। যিমানে এইবোৰ কথা সি নাভাবিবৰ চেষ্টা কৰে, সিমানে সেই কথাবোৰ সি মনৰপৰা আঁতৰাব নোৱাৰা হয়। সি উদ্‌ভ্ৰান্ত হৈ পৰে, অতিষ্ঠ হৈ পৰে।

আহমদৰ ঘৰত আৰু অধিক দিন থকা তাৰ পক্ষে অসম্ভৱ যেন লাগিল। বিদায় লৈ সি গ'লগৈ।

॥ পাঁচপন ॥

চেনেহী আৰু ডাক্তৰ মহাচিনে কথা পাতিছিল। কেতিয়াবা কিছু আজৰি পালে দুয়ো বহি কথা পাতে। চেনেহীৰ বয়স হৈছে যদিও বিশেষ আনুষ্ঠানিক ধৰ্ম্ম-কাৰ্য্য কৰিবৰ আজৰি নাপায়। দেওবাৰে গিৰ্জালৈ যোৱা আৰু কেতিয়াবা গভীৰ ৰাতি

জীনিয়াৰ মৰ-শিতানত বহি বাইবেল পঢ়া, বৰদিন—ইষ্টাৰত অনুষ্টুপীয়াকৈ উৎসৱ পাতি দুই-চাৰিজনক নিমন্ত্ৰণ কৰি খুউৱা—ইয়াৰ বেছি চেনেহীয়ে একো কৰিবৰ সুবিধা কৰিব নোৱাৰে। অৱশ্যে চেনেহীয়ে টকা-পইচা যথেষ্ট আৰ্জ্জন কৰে। নিজৰ আৰ্জ্জনৰ ওপৰতে নিৰ্ভৰ কৰি নিজেও চলে, জীনিয়াকো পঢ়াইছে। কিন্তু ৰাজসিকভাৱে উৎসৱ আদি কৰাৰ মনোবৃত্তি চেনেহীয়ে কাহানিও আয়ত্ত কৰিব নোৱাৰিলে।

অন্যান্য কথাৰপৰা আহি তেওঁলোকে জীনিয়াৰ ভৱিষ্যৎ সম্পৰ্কে আলোচনা কৰিছিল। বয়সত জীনিয়া তেনেই সৰু হৈ থকা নাই। তাই গাভৰু হৈছে। কিন্তু তাইৰ সংসাৰ-জ্ঞান তেনেই কম। ভাল-বেয়াৰ জ্ঞান কিছু হৈছে যদিও তাইৰ এতিয়াও ভাল-বেয়া মানুহ চিনিব পৰা শক্তি হোৱা নাই সকলোকে, বিশেষকৈ তাইৰ চিনাকি সকলোকে তাই ভাল মানুহ বুলি ভাবে, সকলোকে সহজে বিশ্বাস কৰে। মানুহক সন্দেহ বা অবিশ্বাস কৰিবলৈ তাই এতিয়াও শিকাই নাই। এইটো চেনেহীৰ কাৰণে চিন্তাৰ বিষয়।

মাজে মাজে এই বিষয়ে চেনেহীয়ে ডাক্তৰৰ লগত পৰামৰ্শ কৰে।

ডাক্তৰ মহচিনে ক'লে, "আমাৰ সকলো মানুহে যদি সমাজখনক নিকা আৰু সুন্দৰ কৰি ৰাখিলেহেঁতেন, জীনিয়াহঁতবো পৃথিৱীৰ অসুন্দৰবোৰৰ লগত চিনাকি হ'বৰ দৰকাৰ নহ'লহেঁতেন। কিন্তু আমি নিজেই আমাৰ ধুনীয়া পৃথিৱীখনক বীভৎস আৰু কদাকাৰ কৰি পেলালোঁ। ইয়াৰ বাবে এক-পুৰুষক জগৰীয়া কৰিলে নচলে। হয়তো আমাৰ আদি-পুৰুষ আদম আৰু হাৱায়েই আল্লাৰ পৃথিৱীখনক মানুহৰ দোষ-দুৰ্বলতাৰে কলুষিত কৰি পেলালে। সেই প্ৰথম পাপৰ প্ৰায়শ্চিত্ত আজি আদমৰ কোটি কোটি সন্তান লগ লাগিও কৰিব পৰা নাই। কিন্তু হয়তো মানুহৰ পৃথিৱীখন এনেকুৱা বেয়া নোহোৱা হ'লে, মানুহে বেয়াৰ বিৰুদ্ধে যুঁজি জয়ী হোৱাৰ সুযোগ নাপালেহেঁতেন। ইও হয়তো আল্লাৰে কিবা ইচ্ছা।"

চেনেহীয়ে ক'লে, "কিন্তু জীনিয়ালৈ মোৰ ভয় লাগে। তাইৰ কোনো কথাতে মই বাধা নিদিওঁ। বাধা দিবলৈ মোৰ ভয় লাগে। মনতে ভাবোঁ—তাইৰ মাকে বাৰু বাধা দিলেহেঁতেন নে? তাই কৰিব খোজা কিবা এটা মই নকৰিবলৈ ক'লে জানোচা তাই মনত আঘাত পায়। অথচ এইদৰে নিজ ইচ্ছামতে সকলো সময়তে তাইক চলিবলৈ দিয়াটোও ভাল নহয়, মই জানো। যদি মই নাইকিয়া হ'লে তাইৰ কিবা হয়, হয়তো মই নাজানিম। কিন্তু মই থাকোঁতেই তাইৰ কিবা অঘটন হয় বুলি মোৰ মনটো সদায় উদ্বিগ্ন হৈ থাকে।"

"ছমীৰক তুমি কেনেকুৱা বুলি ভাবা?"

"আজিও মই তাক ভালকৈ বুজিব পৰা নাই। সমাজ সি ভাল নাপায়। কিন্তু তাৰপৰা আমাৰ কোনো অপকাৰ হোৱাৰ ভয় নাই যেন লাগে।" চেনেহীয়ে ক'লে।

"ল'ৰাটো ভাল। পিছে তাৰ মনৰ ভিতৰত ফুটাই ক'ব নোৱাৰা কিবা এটা দুখ আছে যেন লাগে। অৱশ্যে তাৰ বয়সো বৰ বেছি হোৱা নাই। এই কাৰণেই তালৈ কেতিয়াবা মোৰ ভয় লাগে।" মহচিন ডাক্তৰে ক'লে।

"প্ৰথম চিনাকি হোৱাৰ দিনাই তালৈ মোৰ মৰম লাগিছিল। তাৰ মাক-বাপেক,

ভাই-ককাই, আপোন পৰিয়ালৰ কথা সি কোনো দিন নকয়। এই কাৰণেই তাৰ ক'ৰবাত কিবা এটা গণ্ডগোল আছে যেন লাগে। কিন্তু তাক মই কেইবাদিনো জীনিয়াৰ লগত এৰি গৈছোঁ। জীনিয়াক সি নিজৰ ভনীয়েকৰ নিচিনাকৈ মৰম কৰে। তাৰ মনৰ কথা—যদি পাৰে, জীনিয়াইহে উলিয়াব পাৰিব।"

"জীনিয়াক সেইবিলাকত নলগাবা। তাই সৰু ছোৱালী, কিবা নসুধিবলগীয়া কথা সুধি দিব পাৰে। তেতিয়া ছমীৰে মনত আঘাত পাব।"

কওঁ-নকওঁকৈ চেনেহীয়ে ক'লে, "পিছে তাৰ দুটা কথা মই ভাল পোৱা নাই।"

"কি কথা ?"

"সি মাজে মাজে মদ খায়, আৰু কেতিয়াবা কেতিয়াবা বেয়া-চেয়া ঠাইলৈও যায়। জানো, আপুনি ক'ব পাৰে নে নোৱাৰে।"

অলপ চিন্তা কৰি ডাক্তৰে ক'লে, "মই ক'ব পাৰোঁ। কিন্তু মদতকৈ ভাল লাগি থকা বস্তুৰ সন্ধান পালে সি মদ এৰি দিব। আৰু কোনো প্ৰকৃত ভাল ঠাইৰ সন্ধান পালে, সি বেয়া ঠাইলৈ নোযোৱা হ'ব। কথাটো তুমি লক্ষ্য কৰিছা নে, সি বৰ ভাবপ্ৰৱণ। ভাবপ্ৰৱণ মানুহবোৰেই পিছত ভাল মানুহ হয়গৈ।"

"কিন্তু তাক কেনেকৈ ঘূৰাব পৰা যাব ?" চেনেহীয়ে সুধিলে।

"সেই বিষয়ে চিন্তাই নকৰিবা। সময়ত মানুহৰ আত্মজ্ঞান হয়। কিন্তু অন্য কোনোবাই তাক ভাল কৰিব বা শুধৰাব খুজিছে বুলি যদি সি গম পায়, সি আঁকোৰ-গোজ হৈ বহিব। অসুন্দৰক বৰ্জ্জনীয় বুলি নহয়, সুন্দৰক গ্ৰহণীয় বুলি তাৰ মনত সুমুৱাই দিব পাৰিলে সি আপুনি ঘূৰি আহিব।"

চেনেহীয়ে ক'লে, "অৱশ্যে ছমীৰ আমাৰ কাৰো একো নহয়। আমাৰ মাজত আহি আছেহি কাৰণে তাৰ কথা আমি চিন্তা কৰিছোঁ। কালিলৈকে সি ক'ৰবালৈ গুচি গ'লেনো আমাৰ কি কৰিবলগীয়া আছে, নহয় জানো ?"

ডাক্তৰ মহাচিনে কৰুণভাৱে হাঁহি ক'লে, "তুমি খৃষ্টান হৈও এনেকৈ ভাবিব পাৰিছা নে চেনেহী। যিশুৱে যিবোৰ মানুহৰ কাৰণে ক্ৰুছত প্ৰাণ বিসৰ্জ্জন দিছিল, সেইবোৰ জানো যিশুৰ কিবা লগা-ভগা আপোন পৰিয়ালৰ মানুহ আছিল ? সেইবোৰ অনাত্মীয় আছিল, কিন্তু সিহঁতো মানুহ আছিল। মানুহৰ আত্মাৰ মুক্তি আৰু উদ্ধাৰৰ কাৰণেই জানো যিশুৱে দেহ বিসৰ্জ্জন দিয়া নাছিল ? গৌতমে নিজৰ জৰা-মৃত্যুৰপৰা ৰক্ষা কৰিবৰ কাৰণে ৰাজপ্ৰাসাদ এৰা নাছিল, এৰিছিল পৃথিৱীৰ মানুহৰ মুক্তিৰ পথ বিচাৰি। হজৰত মহম্মদেও অশেষ নিৰ্য্যাতন ভোগ কৰিছিল মানুহৰ মুক্তি আৰু শান্তিৰ সাধনা কৰি। নিজৰ কাৰণে জীয়াই থকাত মানুহৰ কোনো মহত্ত্ব নাই— তুমি জানা—"

চেনেহীয়ে মহাচিনৰ কথাখিনি কাণ দি শুনিলে। তাৰ পিছত যেন নিজকে কোৱাদিয়ে ক'লে, "কিন্তু আজি-কালিৰ মানুহেতো ধৰ্ম্মবিলাকত একো নাই বুলিয়ে ভাবে। ধৰ্ম্মৰ কথা হাঁহি উৰুৱাই দিয়ে।"

"আগেও বহুতে কৰিছিল। পিছে সেই ধৰ্ম্মদ্ৰোহীবোৰ আজি নাই, কিন্তু ধৰ্ম্মবিলাক আছে। ধৰ্ম্মতকৈ ভাল কিবা নতুন বস্তু মানুহে যিদিনা উলিয়াব, তেতিয়া ধৰ্ম্মই আপোনা-আপুনিয়ে ঠাই এৰি দিব। কিন্তু আজিলৈকে মানুহৰ কাৰণে বিভিন্ন

ধৰ্মত নিহিত থকা কথাবিলাকতকৈ ভাল কথা ওলোৱা নাই, সেই কাৰণেই মানুহ ধৰ্মৰ ওচৰলৈকে আশ্ৰয় বিচাৰি ঘূৰি ঘূৰি আহিছে।"

"ছমীৰে কিন্তু ধৰ্মৰ নামকে নুশুনে।"

মহচিনে ক'লে, "সেই কাৰণেই ছমীৰৰ ওপৰত মোৰ আশা আছে। আজি সি টকাৰ বাহিৰে অন্য কোনো বস্তুতে গুৰুত্ব দিয়াৰ দৰকাৰ দেখা নাই। কিন্তু এদিন সি টকাতকৈও মূল্যৱান বস্তুৰ সন্ধান নিশ্চয় কৰিব।"

চেনেহীয়ে আৰু একো নক'লে। তেওঁ নিজৰ বিষয়ে ভালকৈ জানে। প্ৰকৃতিৰ নিয়ম একপ্ৰকাৰ অস্বীকাৰ কৰিয়ে তেওঁ চিৰকুমাৰীৰ কঠিন জীৱন যাপন কৰিছে। অথচ তেওঁ সন্ন্যাসিনীও নহয়। 'নান' বা কুমাৰী ধৰ্মপ্ৰচাৰকাৰিণীও নহয়। মানৱীয় সকলো কামনা-বাসনাক জীৱনৰপৰা আঁতৰাই ৰাখি তেওঁ মানৱ-সেৱাৰ ব্ৰত লৈছে। মাজে মাজে তেওঁৰ অন্তৰ্দ্বন্দ্ব নোহোৱা নহয়। কিন্তু তাক তেওঁৰ মনৰ দুৰ্ব্বলতা বুলি, পাপ বুলি তেওঁ তাৰপৰা নিজক মুক্ত ৰাখিবৰ চেষ্টা কৰি আহিছে। তেওঁ যিকণ ধৰ্ম্ম-কাম কৰে, সি তেওঁক অকণো মানসিক শান্তি দিব পৰা নাই। তাতকৈ মানৱ-শিশুৰ জন্মক্ষণত মাতৃসকলৰ জন্মদানৰ কায়িক কষ্ট পাৰ্য্যমানে লাঘৱ কৰি দি নতুন মানৱ-শিশুৰ কান্দোনেৰে পৰিয়ালৰ মজিয়া জীয়াই তুলিয়ে তেওঁ বেছি আনন্দ পায়। চেনেহী সমাজৰ দৰকাৰী মানুহ, কাৰণ তেওঁ এনে কাম কৰে, যি কাম পৰিষ্কাৰ-পৰিচ্ছন্ন হয়। মাতৃ-গৰ্ভৰ কেঁচা ৰক্তেৰে দুহাত বোলাই, সদ্যজাত শিশুৰ গাৰ মলি-আৱৰ্জ্জনা-বীজ-ৰক্তেৰে নিজক অপৰিষ্কাৰ কৰি চেনেহীয়ে মানৱ-সমাজলৈ নতুন মানৱ-শিশুক স্বাগত জনাই আনে। মাতৃৰ কোলা, পিতাৰ বুকু আনন্দেৰে পূৰ্ণ কৰি তোলে। কিন্তু চেনেহী মাক নহয়, ধাই-মাক। মাতৃ নহয়, ধাত্ৰী।

চেনেহীও মাতৃ হ'ব পাৰিলেহেঁতেন। অন্য মাতৃৰ দৰেই চেনেহীয়েও এটি লোদোৰ-পোদোৰ শিশুক কোলাত লৈ, বুকুৰ ক্ষীৰধাৰা মুখত দি, প্ৰাণৰ মৰম আৰু বুকুৰ উম দি মাতৃৰ গৰিমা উপলব্ধি কৰিব পাৰিলেহেঁতেন। কিন্তু চেনেহীয়ে সেই সৌভাগ্যৰপৰা নিজেই নিজক বঞ্চিত কৰি ৰাখিলে। মাজে মাজে চেনেহীয়ে বুকুৰ মাজত এটা পাৰহীন শূন্যৰ বেদনা অনুভৱ কৰি দুখত ছট্‌ফটায়। কিন্তু মুখ খুলি পৃথিৱীৰ কাকো সেই কথা নকয়, ক'ব নোৱাৰে।

ধাত্ৰী কেতিয়াবা মাতৃ হয় নে ?

বৰ লাজৰ কথা।

লাজৰ কথা।

'কিন্তু মাতৃ হ'বৰ কাৰণেই যদি নহয়, কি উদ্দেশ্য সাধনৰ কাৰণে মই সংসাৰলৈ আহিছিলোঁ'—কেতিয়াবা চেনেহীয়ে ভাবে। 'মইতো যিশু নহওঁ, বুদ্ধ নহওঁ, মহম্মদ নহওঁ যে মোৰ সমগ্ৰ জীৱন লোকৰ কাৰণেই নিঃশেষ কৰি দি আনন্দেৰে পৃথিৱীৰপৰা বিদায় ল'ম। মই তেনেই সৰু মানুহ, সমাজত আসন নোপোৱা এজনী ধাই, মিড্‌ৱাইফ্। মোৰ সেৱাৰ দাম মানুহে দিয়ে, মূল্য কোনোৱে নিদিয়ে। কাৰণ সমাজৰ কাৰণে অন্য এজনী ধাই আৰু চেনেহী মিড্‌ৱাইফৰ মাজত কোনো পাৰ্থক্য নাই।

চেনেহীয়ে ভাবিলে, 'ছমীৰৰ গুণাগুণ আলোচনা কৰাৰ কি যোগ্যতা মোৰ আছে।

তাৰ মনটোক বুজিবৰ কাৰণে কোনদিনা মই চেষ্টা কৰিছোঁ? অকলশৰীয়া হ'লেও আনমনা হৈ পৰা, বিমৰ্ষ হৈ পৰা, ধৰ্ম্ম-সমাজ-ঈশ্বৰৰ নাম শুনিলেই বিদ্ৰোহ কৰিব খোজা এই ডেকা মানুহটোক কিহে তেনেকুৱা কৰিলে মইতো কোনোদিন জানিবলৈ বিচৰা নাই। মই যি নিজকেই বুজিব নোৱাৰোঁ, ছমীৰক সমালোচনা কৰাৰ কোনো অধিকাৰ মোৰ নাই।'

ডাক্তৰ মহচিনে ক'লে, "ছমীৰে যদি অনুভৱ কৰে যে সি যিহকে কৰক, তাৰ বাবে তাৰ কাৰো ওচৰত জবাবদিহি কৰিবলগীয়া নহয়, তাৰ বাবে সি নিজৰ বা আন কাৰো ওচৰত জগৰীয়া নহয়, সি বেয়া হৈ যাব। আমাৰ কিবা অপকাৰ কৰিলেও তাৰ নিজৰ অপকাৰ কৰিবৰ অধিকাৰ যে তাৰ নাই, এই কথা সি বুজি পাব লাগিব। নিজৰ অন্যায় কৰা মানে আল্লাৰ বিৰুদ্ধে যুজা। আমাৰ জীৱনটো ধ্বংস কৰিবৰ কাৰণে আল্লাই আমাক দিয়া নাই। এই কথা ছমীৰে নিজে যিদিনা উপলব্ধি কৰিব, সেইদিনাই তাৰ নৰজন্ম আৰম্ভ হ'ব। সি মানুহ হ'বলৈ আৰম্ভ কৰিব।"...

প্ৰায়ে এনে ধৰণৰ কথা ডাক্তৰ মহচিনে চেনেহীক কয়। কেতিয়াবা চেনেহীয়ে বুজি পায়, কেতিয়াবা নুবুজে। চেনেহীৰ সিমান শিক্ষা-দীক্ষা নাই। কিন্তু নিজক আৰু নিজৰ জীৱনৰ সমস্যাক বুজিবলৈ চেষ্টা কৰোঁতে কৰোঁতে কেতিয়াবা চেনেহীৰ ডাক্তৰৰ কথাবোৰ বুজা যেন লাগি যায়। যিমানে বুজা যেন লাগে, সিমানে নিজক সৰু যেন লাগে। নিমাখিত যেন লাগে। জীৱনৰ উদ্দেশ্য বুজি নোপোৱাকৈ জীয়াই থাকি যেন চেনেহীয়ে অকাৰণতে মূল্যৱান জীৱনটোৰ মণি-মুকুতাবোৰৰ অপচয় কৰিছে— এনে লাগে চেনেহীৰ।

চেনেহীয়ে আজৰি নাপায়। পৃথিৱীলৈ নতুন নতুন মানৱ-শিশু আহিবই লাগিছে। আৰু চেনেহীৰ দুখন কোমল মৰমী হাতেই এই শিশুবোৰক পৃথিৱীৰ লগত প্ৰথম চিনাকি কৰি দিয়ে। এই ব্যস্ততাৰ মাজত চেনেহীৰ কেতিয়াবা, যেতিয়া বুকুৰ ভিতৰখন ৰিক্ত আৰু শূন্য যেন লাগে, যেতিয়া কিছুমান অনামী বেদনাই তেওঁৰ মনটো ভাৰাক্ৰান্ত কৰি তোলে, তেতিয়া চেনেহীয়ে ডাক্তৰ মহচিনৰ পিতৃসুলভ আশ্বাসৰ আশ্ৰয় লৈ সান্ত্বনা বিচাৰে। তেতিয়া চেনেহীৰ জীনিয়াক বুকুত লৈ মৰম কৰিবৰ মন যায়। আনকি অনাত্মীয় ছমীৰকো নিজৰ ল'ৰাৰ নিচিনাকৈ বুকুত লৈ মৰম কৰিবৰ মন যায়। কিবা এটাত নিজক নিঃশেষ কৰি দিবৰ মন যায়।

॥ ছাপন ॥

ভাৰা লোৱা ঘৰটো ছমীৰে এৰি দিয়া নাছিল। কিন্তু তাত ছমীৰ অতি কমেইহে থাকিবলৈ পাইছিল। সপ্তাহত তিনি-চাৰি দিন ছমীৰ ঠিকা লোৱা দলঙৰ কাম চোৱাত লাগি তাতে থাকি যায়। মাজে মাজে আহি দুই-এদিন টাউনত থাকেহি। কেতিয়াবা ঘৰত খায়, কেতিয়াবা হোটেলত খায় আৰু কেতিয়াবা চেনেহীৰ বা ডাক্তৰ মহচিনৰ ঘৰত খায়। সি আগৰ দৰেই অনিয়মীয়া আৰু অশান্ত। তাৰ বিদ্ৰোহী ৰক্তত এটা অধীৰ চাঞ্চল্য।

এইখন নতুন চহৰত তাৰ গতি-বিধি অতি কম মানুহেইহে লক্ষ্য কৰিছিল। সকলো মানুহ নিজক নিজক লৈয়ে ব্যস্ত। তথাপি ছমীৰে ভাবিছিল যেন মানুহবোৰে চাৰিওফালৰপৰা তাকেই চাই থাকে, যেন তাৰ বিষয়েই আলোচনা কৰে। আৰু এই মানুহবোৰক তেতিয়াই তাৰ কঠিন আঘাত দিবৰ মন যায়।

অৱশ্যে এই চহৰত আজিলৈকে তাক কোনোৱে গুণ্ডা বুলিও কোৱা নাই, বেয়া মানুহ বুলিও কোৱা নাই। আনকি বহুতে তাক এজন ভাল ভদ্ৰলোক বুলিয়ে গণ্য কৰে। তাক এজন কঠিন শ্ৰমেৰে সদ্ব্যৱসায় কৰি খোৱা মানুহ বুলিয়ে ধৰে। কিন্তু তাৰ নিজৰ মানত সি আজিও ভাল মানুহৰ শাৰীলৈ উঠা নাই। এই নীচাত্মিকা ভাবৰপৰাই জন্ম হয় তাৰ উদণ্ডতা আৰু বে'পৰোৱা ভাব।

এদিন ৰাতি ছমীৰ দেৰিকৈ ঘৰলৈ আহিল। কৃষ্ণপক্ষৰ আন্ধাৰ আছিল। জাৰো আছিল। সি সৰহকৈ মদ খাইছিল আৰু মাফ্‌লাৰেৰে কাণ-মূৰ ঢাকি, দীঘলীয়া গৰম কোটটোৰে গা ঢাকি সি খোজকাঢ়ি আহি ঘৰ সোমাইছিলহি। ঘৰ পাই সি দেখিলে ৰান্ধনি-ল'ৰাটো শুইছে আৰু তাৰ বৰ টোপনি। সি এবাৰ তাক মাতিলে, কিন্তু ল'ৰাটো সাৰ নাপালে। অলপ সময় সি বহি থাকিল, তাৰ পিছত উঠিল আৰু বিশেষ একো নাভাবি আকৌ ওলাই বাটত খোজ দিলে।

পৃথিৱীখন আন্ধাৰে ঢাকি ৰাখিছে। আলিবাটৰ লাইটৰ পোহৰবোৰে আন্ধাৰৰ লগত নীৰৱে যুঁজিছে। কুঁৱলী পৰি পৃথিৱীখন ঠেক কৰি পেলাইছে। চাৰিওপিনে চাই সি দেখিলে ক'তো কোনো নাই, মানুহবোৰ সকলো শুইছে কিজানি। ৰাতি বহুত হ'ল নেকি ?

নিজকে তাৰ বৰ অকলশৰীয়া যেন লাগিল। তাৰ অলপ ভয়ো লাগিল। চাৰিওফালৰপৰা যেন এখন বিৰাট আন্ধাৰ পৃথিৱীয়ে তাক আগুৰি ধৰিছে, আৰু তাক চেপি নিঃশেষ কৰি দিবলৈ বিচাৰিছে। সি যেন পলাব খুজিও বাট বিচাৰি পোৱা নাই। তৰাবোৰে চাৰিওফালৰপৰা তাৰ গাত পোহৰ পেলাই তাক ধৰা পেলাই দিব খুজিছে। চেঁচা কুঁৱলীবোৰ যেন তাৰ প্ৰাণলৈকে সোমাই গৈছে আৰু তাৰ উশাহ বন্ধ কৰি ধৰিব খুজিছে।

অদৃশ্য কাৰোবাক প্ৰতিবাদ কৰি সি কিবা এটা ক'ব খুজিলে। কিন্তু মাতটো তাৰ ডিঙিৰপৰা নোলাল। কিবা এটাই যেন তাৰ ডিঙিটোত টিপা মাৰি ধৰিছে। সি মাফ্‌লাৰখন খুলি হাতত ল'লে, আৰু কিবা ক'ব খুজিলে। তেতিয়াও তাৰ মাত নোলাল। তাৰ জিভাখন যেন থৰ লাগি অ'কৰা হৈ গৈছে।

তাৰ আৰু ভয় লাগিল। তাৰ হাত-ভৰিবোৰো অৱশ লাগিল। তাক যেন কোনোবাই এটা বন্ধ কোঠাত সুমুৱাই বাহিৰৰপৰা দুৱাৰ বন্ধ কৰি গুচি গৈছে। সি বেগাই খোজ দিবৰ চেষ্টা কৰিলে। কিন্তু তাৰ ভৰিবোৰ চুঁচৰি যোৱা যেন হে লাগিল। সকলো জঠৰ আৰু অৱশ হৈ গৈছে।

তাৰ মূৰটো ঘূৰাইছে। কাণবোৰ গৰম হৈ উঠিছে। তাৰ চকুৰ আগৰ পৃথিৱীখনে ওলট্-পালট্ হৈ নাচিছে। তাৰ ডিঙিটো শুকাই কাঠ হৈ গৈছে। ভালেমানপৰ ঘূৰি ফুৰাৰ পিছত অভ্যাসৰ বলতে সি কোনোমতে গৈ চেনেহীৰ দুৱাৰ-মুখত ৰ'ল, আৰু দুৱাৰ হেঁচি মাতিলে, "বাইটি—অ' বাইটি—"

সাৰ পাই চেনেহী ধহ্মহাই উঠি আহিল। আৰু দুৱাৰখন মেলি দিলে।

"কোন ?"

"ম-মই—" কোনোমতে ছমীৰে ক'লে।

"আহ, ভিতৰলৈ আহ। ইমান ৰাতি ক'ৰপৰা আহিলি ?"

ছমীৰ ভিতৰ সোমাই আহিল। চেনেহীয়ে দুৱাৰখন বন্ধ কৰি দিলে। তাৰ মুখত মদৰ গোন্ধ পায়ো সেই বিষয়ে চেনেহীয়ে একো নকৈ সুধিলে, "ভাত খালি ?"

ডাঙৰকৈ চকু দুটা মেলি চেনেহীৰ মুখলৈ চাই থাকি ছমীৰে জড়িত মাতেৰে ক'লে, "মোৰ খুব পিয়াহ লাগিছে।"

চেনেহীয়ে বুজিলে। তেওঁ নেমু চেপি এগিলাচ টেঙা চৰ্ব্বত বনাই দিলে। ছমীৰ ঘামিছে। তাৰ কপাল আৰু গাল-মুখত ঘামবোৰ বিৰিঙি পৰিছে। চেনেহী তাৰ গাৰ কাষলৈ আহিল, আৰু তেওঁৰ চাদৰখনৰ আচলটোৰে তাৰ মুখ-কপালৰ ঘামবোৰ মচি দিলে। অবাক হোৱাৰ নিচিনাকৈ সি চেনেহীৰ মুখলৈ চাই ৰ'ল।

লাহে লাহে চেনেহীয়ে ক'লে, "এইবোৰ চোলা-তোলা খোল। ইমান ৰাতি তিনিপৰলৈকে ক'ত ঘূৰি ফুৰিছিলি।"

অলপ সময় ছমীৰে এটা ভয়াৰ্ত্ত কৰুণ চাৱনিৰে চেনেহীৰ ফাললৈ চাই থাকিল। তাৰ পিছত তাৰ থৰক-বৰক হাত দুখনেৰে চেনেহীৰ ডিঙিত সাৱটি ধৰি সৰু ল'ৰাৰ দৰে মুখখন চেনেহীৰ বুকুৰ মাজত সুমুৱাই দিলে, আৰু এটা সৰু ল'ৰাই ফেকুৰি ফেকুৰি কোৱাৰ দৰে ক'লে, "মোৰ বৰ ভয় লাগিছে। বাইটি, মোৰ কিবা এটা হৈছে।"

চেনেহীয়েও এটা সৰু ল'ৰাক বুকুত সুমুৱাই লোৱাদি ছমীৰৰ মূৰটো বুকুৰ মাজত লৈ তাৰ গাল-মূৰ পিহি দি দি ক'লে, "মই আছোঁ নহয়। কোনো ভয় নাই। তয়োনো ভয় কৰ নে।"

আৰু অসহায়ভাৱে ছমীৰে চেনেহীক সাৱটি ধৰি থাকিল আৰু ক'লে, "দুৱাৰখন মাৰি দিয়া, মোৰ ভয় লাগিছে।"

"মই দুৱাৰ মাৰি থৈছোঁ। তই অকণো ভয় নকৰিবি। ইয়ালৈ কোনো আহিব নোৱাৰে। তই এতিয়া শুই থাকহি আহ—"

একপ্ৰকাৰ ধৰি ধৰিয়ে চেনেহীয়ে ছমীৰক চকীখনৰপৰা নি বিচনাত শুৱাই দিলে। ছমীৰৰ কিন্তু টোপনি ধৰা নাছিল। এটা ভয়ত, এটা বিস্ময়ত সি চকু দুটা ডাঙৰকৈ মেলি এবাৰ চেনেহীৰ মুখলৈ আৰু একোবাৰ ঘৰটোৰ ভিতৰখন চাৰিওফালে চাব ধৰিলে।

চেনেহীৰ মনে মনে সন্দেহ হ'ল। হয়তো সৰহকৈ মদ খাই কোনোবা বেয়া ঠাইলৈ যাওঁতে, কোনোবা গুণ্ডাই তাক আক্ৰমণ কৰিব খুজিছিল। ভয়ত সি পলাই আহি ইয়াত আত্মৰক্ষা কৰিছেহি। কিন্তু তেতিয়াই চেনেহীয়ে তাক একো নুসুধিলে, তাক আৰু এগিলাচ টেঙা চৰ্ব্বত খাবলৈ দিলে, আৰু তাৰ মূৰ-শিতানত বহি চুলিৰ মাজত আঙুলি বুলাই দিব ধৰিলে।

ক্ৰমে যেন ছমীৰৰ ভয় নোহোৱা হৈ আহিল। তাৰ চকু দুটা শান্তভাৱে মুদ খাই আহিল, তাৰ উশাহ-নিশাহ নিয়মীয়া হ'ব ধৰিলে। অলপ পৰৰ পিছতে চেনেহীৰ হাত এখনত ধৰি থাকিয়ে সি গভীৰ টোপনিত ঢলি পৰিল।

বহুত ৰাতিলৈকে চেনেহী তাৰ ওচৰতে বহি থাকিল। ছমীৰৰ বিষণ্ণ, বেদনাক্লিষ্ট

আৰু আত্মপীড়নত শীৰ্ণ হোৱা ধুনীয়া মুখখনৰ ফালে চাই চাই তেওঁ তাৰ বিষয়ে নানা কথা চিন্তা কৰিলে। এটা সুঠাম, স্বাস্থ্যবান ডেকা মানুহ—জোঙা নাক, বৈ পৰা চেলাউৰি, বহল কপাল, এহাল ধুনীয়া চকু। হাত দুখন বলিষ্ঠ আৰু শক্তিশালী পেশীবহুল। কিন্তু ওঁঠ দুটাত লাগি আছে এটা গভীৰ দুখৰ দেখ-নেদেখ ছায়া। এটা প্ৰচ্ছন্ন বিদ্ৰূপ! এই প্ৰায় ছ'ফুট ওখ তেইশ-চৌবিশ বছৰীয়া ডেকা ল'ৰাটো চেনেহীৰ বিচনাত এটা অসহায় আৰু নিৰাশ্ৰয় শিশুৰ দৰে টোপনি গৈছে। তাতকৈ অকলশৰীয়া যেন পৃথিৱীত আৰু কোনো নাই। ছমীৰ যেন এটা চিৰনিঃসঙ্গ অজলা শিশু—যাক পৃথিৱীৰ কোনোবাই বৰ বেয়া ৰকমে প্ৰৱঞ্চনা কৰিছে।

চাই থাকি থাকি চেনেহীৰ তালৈ মৰম লাগিল। 'ই যেন মোৰেই সন্তান, মোৰ অজানিতেই যেন ই কাহানিবা মোৰ গৰ্ভত গোপনে ঠাই লৈছিল। আৰু মোৰ অজানিতেই যেন সি ক'ৰবাত হেৰাই গৈছিল, আৰু বহুত দিনৰ মুৰত ক্লান্ত-শ্ৰান্ত হৈ সি মোৰ দুৱাৰলৈকে ঘূৰি আহিছে।

কথাবোৰ ভাবি ভাবি চেনেহীৰ ভাল লাগিল। লাহে লাহে তেওঁৰ চকু দুটা মুদ খাই আহিব ধৰিলে। কিছুপৰৰ পিছত ছমীৰৰ মুৰৰ কাষতে তেওঁৰ মুৰটো ঢলি পৰিল। চেনেহীয়ে যেন পৰম তৃপ্তিত আজি জীৱনত প্ৰথমবাৰৰ কাৰণে নিজৰ সন্তানটোৰ মুৰটো বুকুত সুমুৱাই লৈ পৃথিৱীৰ এগৰাকী মাতৃৰ দৰে পৰম শান্তি আৰু তৃপ্তিত টোপনি গ'ল।

শেহ-ৰাতিৰ চেঁচা বতাহজাকৰ বুকুত চেনেহী আৰু ছমীৰৰ গভীৰ টোপনিৰ উশাহ-নিশাহৰ শব্দ লাহে লাহে মিলি গ'ল। নিদ্ৰা-গভীৰ এটা ৰাতি, এখন শ্ৰান্ত পৃথিৱী, আৰু দুটা নিঃশংক, সৰল মানৱাত্মা।

ৰাতিপুৱা জীনিয়াই সাৰ পাই কাষৰ বিচনাত চেনেহীক নেদেখি উঠি আহিল। প্ৰভাতৰ অস্পষ্ট পোহৰত তাই দেখিলে ছমীৰৰ মুৰৰ কাষতে মুৰ থৈ চেনেহী কুঁচি-মুচি শুই আছে। দুয়োৰে ঘোৰ টোপনি।

জীনিয়া অলপ সময় থিয় দি বৈ থাকিল, তাৰ-পিছত নিজৰ কোঠালৈ গৈ তাইৰ লেপখন আনি ছমীৰ আৰু চেনেহীৰ গাৰ ওপৰত জাপি দিলে, আৰু মুখ-হাত ধুবৰ কাৰণে পাছফালে পুখুৰী-পাৰলৈ গ'লগৈ।

দৃশ্যটো দেখি জীনিয়াই বৰ আমোদ পালে। যেন এহাল সৰু ল'ৰা-ছোৱালীয়ে খেলি থাকি থাকি খেলাৰ ঠাইতে টোপনি গ'ল। গাত কাপোৰ ল'বলৈও সময় নাপালে। মনে মনে জীনিয়াই ঠিক কৰিলে যে ছমীৰহঁতে যেতিয়া সাৰ পাব, তাই দুয়োটাকে খুব জোকাব আৰু লাজ দিব।

ৰান্ধনিশালত সোমাই জুইকুৰা ধৰি চাহ কৰিবলৈ লওঁতেও তাই ছমীৰহঁতক লাজ দিয়াৰ কথাকে ভাবি থাকিল।

॥ সাতাৱন ॥

দলঙত কাম কৰা মানুহখিনিক দিবৰ কাৰণে মহৰীৰ হাতত টকা পঠিয়াই দিলে ছমীৰে। মানুহজন বিশ্বস্ত, টকা-পইচাৰ লেন-দেনত আজিলৈকে কোনো হেৰফেৰ

কৰা নাই। আৰু ছমীৰৰ লগত ইফাল-সিফাল কৰিবৰ সাহসো নকৰে। কাৰণ এইবিষয়ত ছমীৰ বৰ কাৰা। আৰু মহৰীৰ দৰমহাও অন্যতকৈ বেছি দিছে ছমীৰে।

আৰু ডেৰ মাহৰ ভিতৰত দলংখনৰ কাম শেষ কৰি দিব লাগিব। হয়তো হ'বগৈ। দৰকাৰ হ'লে সৰহকৈ মানুহ লগাই দিব।

এই মুহূৰ্ত্তত ছমীৰে ঠিকা নাইবা টকা-পইচাৰ কথা নাভাবিবৰ মনস্থ কৰিছিল। অহা বুধবাৰলৈ ঈদ আছে—ঈদল্‌ফিটৰ। আজি শনিবাৰ। নিজৰ ঘৰৰ ভিতৰতে অকলশৰে বহি ছমীৰে ঈদত কি কৰিব তাৰেই চিন্তা কৰিছিল।

ঈদল্‌ফিটৰ আনন্দৰ উৎসৱ। সমৰ্থৱানসকলে দান-ফিৎৰা-জাকাত আদি দি নিঃস্বসকলৰ মুখত এদিনৰ কাৰণে হ'লেও অকণ হাঁহি ফুটাবৰ চেষ্টা কৰিব। এমাহ ৰোজা ৰখাৰ পিছত, লঘোন দিয়াৰ পিছত সেইদিনা সকলোৱে খাই-বৈ আনন্দ কৰিব। সকলোৱে নিজ নিজ আপোন পৰিয়ালৰ ঘৰলৈ গৈ দেখা-সাক্ষাৎ কৰিব। খোৱা-লোৱা কৰিব। নতুন চোলা-কাপোৰত আতৰৰ সৌৰভ, চকুত চোৰ্‌মা, মনত আনন্দ—ইয়াৰ মাজেদি বছৰৰ এই শ্ৰেষ্ঠতম দিনটোক পূৰ্ণতম কৰি তুলিব—মুছলমানসকলে, ৰোজাদাৰসকলে।

আজি ছমীৰে তাৰ ল'ৰাকালৰ কথা মনত পেলালে। ঈদৰ দহ-পোন্ধৰ দিনৰ আগৰপৰা উলহ-মালহত যেন সিহঁতৰ গোটেই গাঁওখনেই নতুন হৈ উঠে, জীৱন্ত হৈ উঠে। তাৰ কাৰণে নানাক ৰহমান আৰু মাক সোণপাহী লগ লাগি নতুন পায়জামা-চোলা সীয়ায়, এটা ৰংচঙীয়া নতুন টুপী কিনি আনে। সোণপাহীয়ে ঘৰ-দুৱাৰবোৰ লিপি-মচি চালে চকু-ৰোৱা কৰে। সাৰি-জাৰি বেৰ-চালৰ আলান্ধু-মকৰাজাল নাইকিয়া কৰে। কাঁহী-বাটি, লোটা-চৰিয়া মাজি-কুজি চক্‌চকীয়া সোণালী-ৰূপালী কৰে। চোঁতাল-পদূলি চাঁচি-চুৰুকি ফু-মাৰি ভাত খাব পৰা কৰে। ৰহমান নানাৰ বাৰী-ঘৰলৈ যেন অকাল-বসন্ত নামি আহে।

শেষ ৰমজানৰ দিনা, অৰ্থাৎ ঈদৰ আগদিনা বেলি পাতত নৌবহাৰপৰা গাঁৱৰ ল'ৰা-বুঢ়া সকলোৰে চকু পশ্চিমৰ আকাশত নিবন্ধ হয়। পঢ়িব নোৱাৰা চিঠি এখন জুমি জুমি পঢ়িবৰ চেষ্টা কৰাৰ দৰে সকলোৱে পশ্চিমৰ আকাশখনলৈ পিৰ্‌ঠি নপৰাকৈ জুমি জুমি চায়। কোনোবা [দৃষ্ট ল'ৰাই এনেই চিঞৰি দিয়ে, "সউটো, সউটো—মই দেখিলোঁ।"

সকলো উৎকণ্ঠিত হৈ উঠে। এদল ল'ৰাই কিৰীলি পাৰি উঠে—"মিছা, মিছা। ক'তা, আমি দেখা নাই কেলেই।"

তাৰ পিছত বেলিৰ হেঙুলীয়া পোহৰ মাৰ যাওঁতে-নোযাওঁতেই কোনোবা এটাই আটাহ পাৰি চিঞৰি উঠে—"জোন ওলাল, সউৱা জোন ওলাল।"

তাৰ পিছত চিঞৰ-বাখৰ লাগে, কোঢ়াল হয়। ল'ৰাবোৰে কিৰীলি পাৰি জঁপিয়ায়, বয়সস্থসকলে ছাৱালৰ নতুন জোন ওলোৱাৰ কাৰণে দুয়োহাত তুলি মুনাজাত কৰে। মৌজাদাৰৰ পুতেকে এজাই বন্দুক মাৰে, কোনোবাই ফট্‌কা ফুটায়।

ঈদ হ'ব, কাইলৈ ঈদ হ'ব—সকলোৱে মুখে মুখে হুৰষতে ক'বলৈ আৰম্ভ কৰে।

ঈদৰ দিনা পুৱা ৰহমান বুঢ়াই আধা-ৰাতিতে উঠি ঘৰতে অজু কৰি মচজিদত

ফজৰৰ নামাজ পঢ়ি আহেগৈ। সোণপাহীয়ে ছমীৰক টোপনিৰপৰা জগাই দিয়ে। চকু-মুখ মোহাৰি ছমীৰ পুৰ নোহোৱা টোপনিৰপৰা উঠি আহে।

বেলিটো ৰঙা হয়। আকাশখন ৰঙা সোণবৰণীয়া ৰঙেৰে ৰঙা-ৰচঙা হয়। এজাক মিঠা বতাহ বলে। মনবোৰ উৰুৱাই নিয়ে। মানুহৰ গাৰ কাপোৰ-কানিবোৰ উৰুৱাই নিয়ে।

সোণপাহীয়ে কুহুমীয়া গৰম পানী কৰি ঘঁহি ঘঁহি ছমীৰৰ গা ধুৱাই দিয়ে। ঈদৰ দিনা গা-ধোৱাটো চুন্নত। তাৰ পিছত নতুন চাফা গামোচাৰে গা টুকি, নতুনকৈ সীওৱা পায়জামা-চোলা পিন্ধাই দিয়ে। সৰিয়হৰ তেল অকণ চুলিত সানি নিজৰ ফণিখনেৰেই ছমীৰৰ চুটি চুলিকেডাল ফণিয়াই দিয়ে। মুখতো অকণমান জাতি-তেল সানি দিয়ে। ছমীৰে চকুত চোৰ্‌মা ল'ব নোখোজে—চকুত ধৰে। তথাপি সোণপাহীয়ে-নানাকে ধৰি-মেলি তাৰ চকুত চোৰ্‌মা দি তাৰ জল্‌মলীয়া ধুনীয়া চকু দুটা ক'লা কৰি দিয়ে।

সোণপাহীয়ে বাপেক আৰু ছমীৰৰ কাৰণে ঈদৰ জলপান উলিয়ায়। হয়তো নতুন একো নহয়, চঁঞা দিয়া বৰা চাউলৰ ভাত, দৈ-মাখন, নাইবা চিতল মাছৰ কোলঠি।

ছমীৰৰ কিন্তু খোৱাত মন নাই। কালিবেপৰা তাৰ ভোক নোহোৱা হৈছে। ঈদৰ আনন্দই তাৰ ভোক নাইকিয়া কৰি দিছে। তথাপি নানাক আৰু মাকৰ সকিয়নিত দুগৰাহমান খায়। সি ঘূৰি ঘূৰি তাৰ চোলাটো চায়, পায়জামাটো চায়, নতুন জোতাযোৰ চায়। তাৰ মনত হাজাৰ অকথ্য আনন্দৰ উখল্‌-মাখল্‌।

লুঙি আৰু কুৰ্ত্তাটো পিন্ধি, মূৰত বগা পাগুৰিটো মাৰি, লাখুটিডাল সোঁহাতে ধৰি, বাঁওহাতেৰে নাতিয়েক ছমীৰৰ হাতত ধৰি ৰহমান ঈদৰ নামাজ পঢ়িবৰ কাৰণে মচজিদলৈ আগবাঢ়ে। দুৱাৰ-মুখত ৰৈ সোণপাহীয়ে একেথৰে দুয়োলৈকে চাই থাকে —চকুৰে নেদেখা নোহোৱালৈকে, তাৰ পিছত এটা গধুৰ মন লৈ, এটা হুমুনিয়াহ কাঢ়ি লাহে লাহে দুৱাৰ-মুখৰপৰা ভিতৰলৈ গুচি আহে।

ল'ৰাবোৰৰ লগত শাৰী পাতি ছমীৰো বহে। অন্যান্য ল'ৰাবোৰে পিন্ধা কাপোৰ-কানি আৰু টুপীবোৰ চাই আৰু নিজৰ সাজৰ লগত মনে মনে তুলনা কৰি নিজৰ সাজকে সৰ্ব্বশ্ৰেষ্ঠ বুলি মনে মনে সাব্যস্ত কৰে।

তাৰে মাজত কোনোবা এটাই সোধে, "এই তোৰ টুপীটো কোনে দিলে?"

"নানাই। আৰু তোৰটো?"

"বাবাই আনিছে। আমাৰ বাবাই আমাৰ চবলৈকে চোলাও আনিছে, টুপীও আনিছে—"

ছমীৰে আৰু একো নামাতে। তাৰ সৰু ল'ৰাৰ সৰু মনটো এক বুজি নোপোৱা বেদনাত বিমৰ্ষ হৈ পৰে।

মানুহবিলাকে থিয় হৈ নামাজ পঢ়িবৰ কাৰণে শাৰী পাতে। ডাঙৰ মানুহৰ পাছত ল'ৰাবোৰৰ লগত বাহুত বাহু লগাই ছমীৰো থিয় হয়। নামাজ কেনেকৈ পঢ়ে, তেতিয়াও সি ভালকৈ শিকা নাই। এনেয়ে নিয়ত কৰে, এনেয়ে অন্যৰ লগতে ৰুকু-চিজ্‌দা কৰি উঠা-বহা কৰে। দুই ৰাকাত নামাজ শেষ হয়। ইমামে খোৎবা পঢ়িবলৈ মিম্বৰৰ ওপৰত থিয় হয়। সকলো মানুহে নীৰৱে খোৎবা শুনে। কিন্তু ছমীৰৰ মনটো তাত নালাগে। তাৰ মচজিদৰ ভিতৰৰপৰা ওলাই আহিবৰ ইচ্ছা হয়।

ইমানবোৰ মানুহৰ মাজত এইদৰে ইমানপৰ বহি থকাটো তাৰ বৰ কষ্টকৰ যেন লাগে।

কিছুপৰৰ মূৰত নামাজ শেষ হয়। সকলোৱে আকৌ মুনাজাত কৰে। পিছত এজন এজনকৈ মানুহবোৰ লাহে লাহে মচজিদৰ ভিতৰৰপৰা বাহিৰ ওলাই আহে।

অন্য মানুহ মচজিদৰ চ'ৰা-ঘৰত বৈ যায়। কিন্তু ৰহমান বুঢ়া নবয়। ছমীৰৰ হাতত ধৰি, তলমূৰ কৰি তেওঁ ঘৰলৈ বাট লয়। ছমীৰৰ থাকি আহিবৰ মন যায়, কিন্তু নানাকে এৰি নাহে।

ঈদৰ দিনকে ধৰি দুদিন-তিনিদিনলৈ গাঁওখনৰ মানুহে ইঘৰ-সিঘৰত ঈদ খাই ফুৰে। ল'ৰা-ডেকাহঁতে জুম জুম হৈ খেলে, ছোৱালীবোৰে নানা ৰঙৰ কাপোৰ পিন্ধি জাকে জাকে দল বান্ধি ইঘৰৰপৰা সিঘৰলৈ যায়। থমকি ৰয়, খিল্‌খিলাই হাঁহে, লং-ডালচেনি খায়, খোপাত ফুল পিন্ধে। সেই কেইদিন যেন ঘৰৰ ভিতৰত সোমাই থকাৰ দিন নহয়, কাম-বন সকলো কাতি কৰি কেৱল খাই-বৈ ফুৰ্ত্তি কৰি ফুৰিব লাগে। ডেকা-বুঢ়া সকলোৰে গাত ডেকা-ধ্বনি লাগে।

কিন্তু ৰহমান বুঢ়া আৰু সোণপাহী ঘৰৰপৰা ক'লৈকো নাযায়। এজনেও নাহাঁহে, কথা-বতৰাও বৰকৈ নকয়। কিবা বেজাৰত মন মাৰি ঘৰৰ ভিতৰতে বহি থাকে। সিহঁতৰ ঘৰৰ আগেদিয়ে জাকে জাকে মানুহবোৰ অহা-যোৱা কৰে, ছমীৰে সিহঁতৰ বহুতকে চিনিও পায়, কিন্তু সিহঁতৰ ঘৰলৈ কোনো নাহে। সিহঁতৰ ঘৰৰ আগ পালে মানুহবোৰে সিফালে মুৰ্কৰি গুচি যায়।

"মানুহবোৰ আমাৰ ঘৰলৈ নাহে কেলেই ?" অবুজ ছমীৰে সুধি দিয়ে।

ততাতৈয়াকৈ ৰহমান আৰু সোণপাহীয়ে অন্য কথা উলিয়ায়।

ছমীৰকো কাৰো ঘৰলৈ যাবলৈ নিদিয়ে। ফুচুলিয়াই-মেলি, ডাবি-হুকি দি তাক ঘৰৰ ভিতৰতে সুমুৱাই ৰাখে। তাৰ অসহ্য লাগে। তাৰ ঘৰৰপৰা ওলাই গৈ অন্যান্য ল'ৰা-ছোৱালীবোৰৰ লগত খেলিবৰ মন যায়। ঘৰে ঘৰে গৈ ঈদ খাই ফুৰিবৰ মন যায়। তাৰ মুকলিমূৰীয়া মনটো অধীৰ, অতিষ্ঠ হৈ উঠে। কিন্তু মাকহঁতৰ হকা-বধাত অসহায়ভাৱে নিজৰ ভিতৰতে বিদ্ৰোহ কৰি মৰে।

ছমীৰৰ মনত লাগে যেন অন্যৰ ঈদ আৰু সিহঁতৰ ঈদ একে নহয়। অন্য মানুহ আৰু সিহঁত একে নহয়।

সোণপাহীক হাছমতলৈ বিয়া দি উলিয়াই নিদিয়া পৰ্য্যন্ত কোনো ঈদ-বক্‌ৰীদত গাঁৱৰ কাৰো ঘৰলৈ সি যাবলৈ নাপালে। তাৰ শিশু মনটোৱে বিচৰা উৎসৱৰ আনন্দ উপভোগ কৰিবলৈ নাপালে।

মাজে মাজে মাথোন ৰহমান আৰু সোণপাহী কাৰো বাধা-নিষেধ নামানি পাভ আহি ছমীৰক হাতত ধৰি সিহঁতৰ ঘৰলৈ লৈ যায়হি। তাই কাৰো কথা নামানে আৰু কয়, "তোমালোক নোযোৱা—নাযাবা, সি নাযাব কেলেই? ব'ল ছমীৰ আমি যাওঁ।"

ছমীৰে এবাৰ মাক আৰু নানাকৰ মুখলৈ চাই পাভৰ হাতত ধৰি ওলাই যায়। সোণপাহী আৰু ৰহমানে নীৰৱে গোপনে হুমুনিয়াহ কাঢ়ে।....

ছমীৰৰ চকু বাষ্পাকুল হৈ উঠিল। আজি ৰহমান নানা নাই, সোণপাহীও থকা-নথকা একে কথা। আৰু সি পৰি আছে আত্মীয়-স্বজনহীন এখন দুৰণীয়া চহৰত—তেনেই অকলশৰে। বছৰি ঈদ আহিছে আৰু গৈছে। সিও হয়তো এসাজ নতুন কাপোৰ পিন্ধি ঈদৰ নামাজ পঢ়িবলৈ গৈছে। কিন্তু ঈদৰ আনন্দৰ ভাগ সি নাপায়। সেই ল'ৰাকালত লগাৰ নিচিনাকৈ এতিয়াও তাৰ মনত লাগে যেন সি এখন বেলেগ পৃথিৱীৰ মানুহ। তাৰ কোনো লগ নাই, সঙ্গ নাই, চিনাকি নাই, আত্মীয় নাই। সি যেন ক'ৰবাৰপৰা ভুলত আহি পৰা এটা বনৰীয়া চৰাই। ইয়াত তাৰ কোনো ঠাই নাই।

বুধবাৰে ঈদ হ'ব। স্কুল-কলেজ, অফিচ-আদালত বন্ধ হ'ব। ঘৰৰপৰা আঁতৰি থকা মানুহবোৰ, ল'ৰা-ছোৱালী পা-পৰিয়ালৰ মাজলৈ ঘূৰি যাব। আই-বোপাই, বাই-ভনী, ভাই-ককাইৰ মাজত হাঁহি-তামাচাৰে, ৰং-ৰহইচেৰে ঈদ কৰিব। উৎসৱৰ আনন্দ প্ৰাণৰ পাত্ৰ পূৰ্ণ কৰি উপভোগ কৰিব। ঈদ সাৰ্থক হ'ব, জীৱন সাৰ্থক হ'ব।

কিন্তু ছমীৰ ক'লৈ যাব? ছমীৰে কি কৰিব? ঈদৰ দিনা শুই উঠি সি কাক তচ্‌লিম কৰিব? নামাজ পঢ়ি উঠি কাৰ হাতত ধৰি মোচাবাহা কৰিব? কাৰ বুকুত সাৰটি ধৰি বুকু মিলাব? কোনে তাক 'আহা' বুলি মাতি নিব? কোনে তাক 'যোৱা দেই' বুলি বিদায় দি তাৰ যোৱালৈ চাই থাকিব?

ডাক্তৰ মহাচিনে তাক তেওঁৰ ঘৰতে ঈদ কৰিবলৈ টানি কৈছে। হয়তো সি ডাক্তৰৰ ঘৰতে ঈদ-উৎসৱ পালন কৰিব—হয়তো ডাক্তৰে তাক নিজৰ নানাকৰ নিচিনাকৈ মৰম-চেনেহ কৰিব।

কিন্তু তাৰ প্ৰাণৰ মাজৰ আশৈশৱৰ যি কৰুণ দৈন্য, তাৰ ক্ষতিপূৰণ তেওঁ কেনেকৈ কৰিব?

ছমীৰৰ দুঃখী মনটো আকৌ বিদ্ৰোহী হৈ উঠিল। 'মই কাৰো মৰম নিবিচাৰোঁ, কাৰো অনুকম্পা নিবিচাৰোঁ। ডাক্তৰ মহাচিনৰো মোক মৰম কৰিবৰ কোনো অধিকাৰ নাই। মই পৃথিৱীলৈ নিজেতো অহা নাছিলোঁ। কিন্তু যেতিয়া আহিলোঁ মোৰ জীৱনৰ সকলো সুখ, সকলো আনন্দ, সকলো আশা তোমালোক সকলোৱে নিজে নিজে নিজৰ মাজতে ভগাই ল'লা। মই হ'লোঁ জাৰজ, মই হ'লোঁ অচ্ছুৎ, মই হ'লোঁ অস্পৃশ্য। ওপজাৰ লগে লগে মোক তোমালোকে দোষী কৰিলা, অপৰাধী কৰিলা। অন্যৰ দোষৰ কাৰণে মোক চিৰজীৱনৰ কাৰণে শাস্তি বিহিলা। কিয়? তোমালোকৰ সমাজত কুকুৰ-মেকুৰীৰ ঠাই আছে, চোৰ-ডকাইতৰ ঠাই আছে, লম্পটৰ, হত্যাকাৰীৰ ঠাই আছে, মাত্ৰ ঠাই নাই এটা নিৰ্দ্দোষ, নিষ্পাপ মানৱ-শিশুৰ—যাৰ অন্য কোনো দোষ নাই। একমাত্ৰ দোষ—তাৰ পিতৃ-পৰিচয় অজ্ঞাত। কিন্তু তোমালোকে জানা মই মানুহৰ সন্তান। মই স্বয়ম্ভু ঈশ্বৰ নহয়। মই ঈশ্বৰৰ পুত্ৰ যিশু নহয়। কোনোবা পুৰুষেই মোৰ মাতৃৰ গৰ্ভত মোক জন্ম দিছিল। তথাপি মই নকৰা অপৰাধৰ কাৰণে ময়েই জগৰীয়া।

গোটেই জীৱনত এটা দিন মই মনখুলি হাঁহিব নোৱাৰিলোঁ। গ্লানি আৰু অপমানৰ মাজেদি কাটি গ'ল মোৰ শৈশৱ, গ্লানি আৰু অপমানৰ মাজেদিয়েই কাটি গৈছে মোৰ যৌৱন—জাৰজ ছমীৰৰ যৌৱন।

কোনো শান্তি নাই, কোনো সান্ত্বনা নাই। কেৱল মদৰ ৰাগিত আত্মবিস্মৃত হৈ

অলপ সময়ৰ কাৰণে নিজক গ্লানিৰপৰা মুক্ত কৰাৰ চেষ্টা কৰোঁ। কোনো বাৰবনিতাৰ কামনাৰ ওচৰত আত্মসমৰ্পণ কৰি আত্মক্ষয়ৰ মৰ্ম্মন্তুদ তৃপ্তি উপলব্ধি কৰিবৰ চেষ্টা কৰোঁ। সাধাৰণ ভাল মানুহৰ, মাক-বাপেক থকা মানুহৰ শুচি সমাজখনত মোৰ ঠাই নাই। এইদৰেই শেষ হৈ যাব মোৰ যৌৱন, এদিন শেষ হৈ যাব মোৰ জীৱন। যি জীৱনানন্দ হেৰুৱাই পেলাইছে, তাৰ আকৌ কিদৰ আনন্দ!'

মূৰ তুলি চাই ছমীৰে দেখিলে দুৱাৰ-মুখত এজন আদহীয়া মানুহ বৈ আছে। ইমানপৰে সি মানুহজনলৈ মনকে কৰা নাছিল। সি অলপ উচাপ্ খাই উঠিল। 'মই কথা কৈ আছিলোঁ নেকি? মানুহজনে মোৰ মনৰ কথাবোৰ শুনি গ'ল নেকি?' সি সামান্য অস্বস্তিৰে বহাৰপৰা উঠি আহিল।

মানুহজনে কপাললৈ হাত তুলি তাক ছালাম কৰিলে।

সপ্ৰশ্ন চাৱনিৰে ছমীৰে তেওঁলৈ চালে। মানুহজনে ক'লে, "আপোনাৰ ওচৰলৈকে আহিলোঁ—"

"আহক, বহকহি—"

সামান্য ইতস্ততঃ কৰি মানুহজনে ভিতৰ সোমাই আহি ক'লে, "মই বৰ দুখীয়া মানুহ, বছৰেকৰ কিদটো আহিছে। ল'ৰা-ছোৱালীক কাপোৰ-কানি এডোখৰ কিনি দিবৰো কোনো জা-যোগাৰ কৰিব পৰা নাই। আল্লাই আপোনাক দিছে। জাকাতৰ ভাগৰে দুটামান পইচা মই বিচাৰিছোঁ। আমাৰ নিচিনা দুখীয়া-নিছলাক দিলে আল্লাই বৰকত দিব।"

মানুহজনৰ কথা শুনি ছমীৰ তভক খাই বৈ গ'ল। জাকাত! সঞ্চিত ধনৰ দিব লগা অংশ। এৰা, সিতো নিয়ম মতে দিব লাগিলে বহুত টকাকে দিব লাগিব। কিন্তু আজিলৈকে তাৰ ওচৰত কোনোৱে ফিৎৰা-জাকাত একো বিচৰা নাই—কোনো কাহানিও।

কি ক'ব একো ঠিক কৰিব নোৱাৰি ছমীৰে হুঁটা-মুটাকৈ সুধিলে, "আপোনাৰ ঘৰ ক'ত?"

"এয়া বেছি দূৰত নহয়। হাইস্কুলৰ সিফালে যে ধান-কলটো আছে, তাৰ কাষতে। মোৰ নাম বাপধন আলি।"

ছমীৰে আৰু একো নক'লে। মানুহজনৰ ৰুক্ষ মুখ, শুকান নিৰস চকু আৰু খীণ অৱয়ৱ দেখি তাৰ বেয়া লাগিছিল, কিন্তু মানুহজনলৈ তাৰ অকণো মৰম লগা নাছিল।

ছমীৰ ভিতৰলৈ গ'ল আৰু তিনিখন দহ-টকীয়া ন'ট আনি মানুহজনৰ হাতত দিলে। মানুহজনে নিশ্চয় ইমান দিব বুলি আশা কৰা নাছিল। তেওঁ অলপ থতমত খাই ন'টকেইখন ল'লে।

ছমীৰে সুধিলে, "হ'ব নহয়?"

"হ'ব হ'ব, বহুত হ'ব। আল্লাই আপোনাক আৰু দিব আৰু দিয়ক। এইদৰে গৰিব-মিস্কিনক খুচি কৰিবলৈ শক্তি দিয়ক।"

"ভাল, এতিয়া আপুনি যাওক—" ছমীৰে ক'লে।

আনন্দ আৰু কৃতজ্ঞতাত বাপধনৰ শুকান মুখখন প্ৰফুল্ল হৈ উঠিছিল। চালাম দি তেওঁ খৰ-খেদাকৈ গ'লগৈ।

ছমীৰে বেগা-বেগিকৈ ওলাই যোৱা মানুহজনৰ ফালে চাই ৰ'ল। তাৰ অলপ হাঁহি উঠিব খুজিলে। কিন্তু তাৰ পৰিৱৰ্ত্তে তাৰ খংহে উঠি আহিল। 'খোজা মামুকে মই মানুহটোক কিয় পইচা দি দিলোঁ। জাকাত! মোৰ সঞ্চয়ৰ প্ৰতি-বাৰন টকাত এটকাকৈ বাধ্যতামূলক দান মই দুখীয়াক দিবই লাগিব। মোৰ আৰ্জ্জনৰ ওপৰত দুখীয়াৰ হক্ আছে, অধিকাৰ আছে।

সকলোৰে অধিকাৰ আছে মোৰ ওপৰত, মোৰ আৰ্জ্জনৰ আৰু সঞ্চয়ৰ ওপৰত। কিন্তু মোৰ কাৰো ওপৰত কোনো অধিকাৰ নাই, একোৰে ওপৰত অধিকাৰ নাই। ধৰ্ম্মৰ বাধ্য-বাধকতা কেৱল মোৰ কাৰণেহে। আনৰ কাৰণে নহয়।'

ছমীৰে জোৰেৰে চিগাৰেট হুপিব ধৰিলে। অন্য বহুদিন ভবাৰ দৰে আজিও মনতে থিৰ কৰিলে যে সি আৰু নিজৰ কথা নাভাবে। যেই কি নহওক তাৰ পৰিচয়, সেই কথা সি নভবাকৈ থাকিব। তাৰ পৰিৱৰ্ত্তে সি কাৰবাৰ কৰিব, ধন আৰ্জ্জিব। নিজ খুচিমতে খাব-থাকিব, ফুৰ্ত্তি কৰিব। এইবিলাক কথাত তাক কোনেও হকা-বধা কৰিব নোৱাৰে।

'ধৰ্ম্মৰ লগত মোৰ কোনো সম্পৰ্ক নাই। বহুত ধনী মানুহে জাকাত, ফিৎৰা একো নিদিয়ে, নামাজো নপঢ়ে। তথাপি সিহঁত ভাল মানুহ। ময়ো একো নিদিওঁ। আৰু তাৰ বাবে যদি মোক কোনোৱে ভাল মানুহ নোবোলে মোৰ কোনো আপত্তি নাই। মই কাহানিও ভাল মানুহ হ'বলৈ বিচৰা নাই। মই চিৰদিন বেয়া মানুহ।'

॥ আঠাৰ ॥

ঈদৰ জোন ওলাল। অন্যৰ লগতে ছমীৰেও এবাৰ আকাশৰ ফালে চালে। নতুন কাঁচি-জোনটো দেখিলে। কিন্তু ঈদৰ জোনটো তাৰ এটা প্ৰাচীন বিদ্ৰূপৰ অস্পষ্ট হাঁহি যেন লাগিল। কোনে যেন চিৰন্তনীয়াকৈ আকাশৰ বুকুত আঁকি দিলে এটা বিদ্ৰূপৰ ৰেখা। জোনটো দেখি তাৰ নিজকে বৰ অসহায় যেন লাগিল। তাক অনিয়মৰ মুক্তিৰ মাজৰপৰা নিয়মৰ বন্ধনৰ মাজত বন্দী কৰি পেলাবৰ কাৰণে যেন সমগ্ৰ আকাশ-পৃথিৱীয়ে নিৰ্লজ্জ ষড়যন্ত্ৰ কৰিছে। তাক বাধ্য কৰাব খুজিছে অন্যৰ নিচিনা হ'বলৈ, অন্যৰ দৰে নীতি-নিয়মৰ বশ হ'বলৈ।

নিজকে তাৰ অসহায় যেন লাগিল। সি কি কৰিব একো থিৰাং কৰিব নোৱাৰিলে। কোনোবাফালে গুচি যোৱাৰ কথাও সি ভাবিছিল, কিন্তু যাব ক'লৈ? পলাই সাৰিবৰ পথ তাৰ নাই। বিব্ৰতভাৱে সি ঘৰৰ বাৰাণ্ডাতে পায়চাৰি কৰি ফুৰিব ধৰিলে।

দৌৰি দৌৰি জীনিয়া সোমাই আহিল।

"মামা—" তাই চিঞৰিলে।

"ঈদৰ জোন দেখিলা! ইমান ধুনীয়াকৈ ওলাইছে।"

"বহা জীনিয়া—"

"এতিয়ানো মানুহ বহি থাকে নে ?"
"কেলেই ? নবহি ক'লৈ যাম ?"
"ঈদৰ বজাৰ কৰিলা ?"
"ঈদৰ বজাৰ ?"
"ইঃ, অ'কৰা হৈ দেখুৱাইছে। চাওঁ—কি কি আনিলা ! মস্কাতি হালোৱা আনিছা ? চে'মৈ ? কি কে'ক্ আনিলা ? ঈদত যে ওচমান বেকাৰিত ইমান ভাল কে'ক্ বনায়। এক্সমাচ্ কে'কো আমি তাৰপৰাহে আনো। কাক কাক মাতিছা মামা ? আমাকতো নামাতাই, কি মাতিবা। আজি তিনি-চাৰিদিনতো আমাৰ ফালে যোৱাই নাই। পায়জামা চিলালা ? এই নামাতা কেলেই ? কি চাই আছা ! ঘৰৰ কথা মনত পৰিছে নহয় ? নগ'লা কেলেই ঘৰলৈকে—তুমি যে কি। ঈদতো ঘৰলৈ নোযোৱা।"
অলপ কঠিন মাতেৰে ছমীৰে মাতিলে, "জীনিয়া।"
"হৈছে যোৱা, মতা মানুহবিলাকৰ একো নাই। কাইলৈ মই ঈদ খাবলৈ তোমাৰ ঘৰলৈ আহিম বুলি ভাবিছা ! কেতিয়াও নাহোঁ। মোক অইনে মাতিছে, অইনৰ ঘৰলৈ যাম। ইঃ, নমতাকৈ আহিমহে হয়।"
ছমীৰে অনুভৱ কৰিলে যে কালিলৈ ঈদ বুলি জীনিয়াৰ যিটো আনন্দ লাগিছে, তাৰ সেই আনন্দ অকণো লগা নাই। কিন্তু জীনিয়াক অসন্তুষ্ট কৰিবৰ তাৰ ইচ্ছা নহ'ল।
সি নিজৰ ইচ্ছাৰ বিৰুদ্ধেও জীনিয়াক অলপ সন্তুষ্ট কৰিবৰ চেষ্টা কৰি ক'লে, "মই বৈ আছিলোঁ, বোলোঁ তুমি আহা নে নাহা চাওঁ। ঈদৰ বজাৰ অকলে কৰে নেকি ? আৰু, কি কি লাগে মই নাজানোও। কোন দোকানত কি পায় তাকো নাজানো।"
"ইঃ, সঁচা !"
"সঁচা কথা অকল তোমালোকেই কোৱা নেকি ? কেতিয়াবা ময়ো কওঁ, জানা।"
"মোৰ কাৰণে তুমি বৈ আছিলা ?"
"নহ'লে আৰু কাৰ কাৰণে বৈ আছিলোঁ।"
"তেনেহ'লে তুমি ওলোৱা। মই ঘৰৰপৰা মাক কৈ ওলাই আহোঁ। দুই মিনিটতে আহিম।"
'বছ।' জীনিয়া লম্ভিল যেতিয়া আৰু ৰক্ষা নাই। যাবই লাগিব। কিন্তু এই সময়ত ঘৰৰ ভিতৰতে সোমাই থকাও নাযায়। কোনিবাদি ওলাই যাবই লাগিব।'
বিশেষ চিন্তা নকৰি ছমীৰে এসাজ ভাল কাপোৰ উলিয়াই পিন্ধিলে। ফণিখন বিচাৰি চুলিখিনি অলপ ঠিক কৰি ল'লে। এক পেকেট চিগাৰেট খুলি চিগাৰেট-কে'চত ভৰাই ল'লে, আৰু এটা বাকচ খুলি কিছু টকা উলিয়াই জেপত ভৰাই ল'লে।
দৌৰি জীনিয়া সোমাই আহিল।
তাই কাপোৰ সলাই আহিছে। এখন পাতল গুলপীয়া ৰঙৰ পাটৰ শাৰী পিন্ধিছে, এটা কুহুমৰুলীয়া ব্লাউজ। বেণীত তাই ডাঠ সেউজীয়া দুডাল ৰিবন মাৰিছে। তাইৰ ওঁঠত দেখ-নেদেখ লিপ্‌ষ্টিকৰ ৰং। তাই যেন অন্য এজনী ছোৱালী হৈ আহিছে।
"ক'তা ! মামা, ওলোৱাই নাই নেকি ?" তাই চিঞৰিলে।

ছমীৰে ক'লে, "ব'বা, ওলাইছোঁ। মোনা-চোনা দুটামান লৈ লওঁ—"

"কি মোনা আকৌ—"

"কেলেই ! আলু-পিঁয়াজ, আদা-নিমখ কিহত আনিম !"

"আলু-পিঁয়াজ ! তুমি এতিয়া আলু-পিঁয়াজৰ বজাৰ কৰিবলৈ যাবা ? পাগল হৈছা নেকি ?"

"আলু-পিঁয়াজৰ বজাৰ কৰা মানুহবোৰ সকলো পাগল তেনেহ'লে।" নহঁহাকৈয়ে ছমীৰে ক'লে।

"ধেমালি কৰিব নালাগে। আহা, সোনকালে যাওঁ। অন্য মানুহে অৰ্থনিয়ে ঈদৰ বজাৰ কৰিলেই।"

অৱশেষত ছমীৰ আৰু জীনিয়া দুয়ো ওলাই গ'ল।

ছমীৰে ক'লে, "জীনিয়া, মই বজাৰ-চজাৰ কৰিব নাজানো। কি কি লাগে তুমি কৈ যাবা আৰু পচন্দও তুমিয়ে কৰিবা।"

"হ'ব হ'ব আহা, অ'কৰা হৈ দেখুৱাব নালাগে। লাখ লাখ টকাৰ কাৰবাৰ কৰিব জানা, ঈদৰ বজাৰ কৰিব নাজানা। বাৰু দেখিম নহয়—"

"ঈদৰ বজাৰটো জানো কাৰবাৰ ?"

জীনিয়াই ছমীৰক একপ্ৰকাৰ টানিয়ে মাৰোৱাৰী-পট্টিৰ ফালে লৈ গ'ল।

"পইচা কিমান আনিছা ?" জীনিয়াই সুধিলে।

"আনিছোঁ চাৰি-পাঁচ টকা। হ'ব নে বাৰু ?"

জীনিয়াই তাৰ ফালে চাই চকু ঘোপা কৰি ক'লে, "জানো নহয় ! তুমি এটা মহা কিৰ্পিণ, ইমান ডাঙৰ এটা ঘৰ লৈ আছা, তেও খাই টুকুৰায় বুলি ঘৰৰ মানুহবোৰ তোমাৰ লগলৈ আনি নোলোৱা। কি যে মানুহ তুমি ! তোমাৰ মা, ভাইটি-ভনীটি সকলোকে ইয়ালৈ লৈ নাহা কেলেই ? অকলে অকলে যে কেনেকৈ থাকা। কাজিয়া কৰি আহিছা, নহয় ?"

ছমীৰে কথাৰ উত্তৰ দিবলৈ চেষ্টা কৰোঁতেই জীনিয়াই এখন ডাঙৰ কাপোৰৰ দোকানৰ আগত বৈ দিলেহি।

"ব'লা, প্ৰথমতে ইয়াতে কাপোৰ কিনিম। দোকানীজনক মই চিনি পাওঁ।"

জীনিয়াৰ পাছে পাছে ছমীৰ দোকানলৈ সোমাই গ'ল। দোকানত আৰু বহুত মানুহ আছে। দুজনমানক ছমীৰে চিনিও পায়। প্ৰায় সকলো ঈদৰ কাপোৰ-কানি কিনিবলৈ অহা মানুহ। দুই-এজনে ছমীৰলৈ মূৰ দাঙি চালে। কোনোৱে চালে জীনিয়ালৈ। তাৰ পিছত নিজৰ নিজৰ কাপোৰ-কানি কিনাত লাগিল।

জীনিয়াহঁতৰ আগতো দোকানীয়ে বহুত কাপোৰ উলিয়াই দিলে—দামী দামী শাৰী, চোলা-কাপোৰ আৰু কিবাকিবি।

ছমীৰে গাত নলগাভাৱে কাপোৰবোৰত চকু ফুৰালে। দৰ-দাম সকলো জীনিয়াই কৰিলে। দুখন দামী শাৰী, কেইটামান ব্লাউজ আৰু অন্য চোলাৰ কাপোৰ। গেঞ্জি, ৰুমাল আদিও ভালেমান কিনিলে জীনিয়াই। ছমীৰে সুধিব খুজিছিল এইবোৰ কাৰ কাৰণে কিনিছে, কিন্তু সি নুসুধিলে। ঠিকনা নাই, জীনিয়া যেনেকুৱাহে ছোৱালী—লাগিলে মানুহবোৰৰ আগতে তাক কিবা এটা কথা শুনাই দিব।

"ব'লা যাওঁ—" পেক্ কৰি দিয়া কাপোৰ-কানিবোৰ হাতত লৈ জীনিয়াই ক'লে।
"তোমাৰ কাৰণে কি ল'লা ?" ছমীৰে সুধিলে।
"মোৰ কাৰণে আকৌ কেলেই।"
"তেন্তে এইবোৰ কি কৰিবলৈ কিনিছা।" তাৰ পিছত সি জীনিয়াক একো ক'বলৈ নিদি নিজেই দোকানীক ক'লে, "এওঁৰ কাৰণে এখন ধুনীয়া দামী শাৰী দিয়া, আৰু তাৰ লগত মিলা দুডোখৰ ব্লাউজৰ কাপোৰ—আৰু—"
চেপা মাতেৰে জীনিয়াই ক'লে, "পাগল হৈছা নেকি !"
ছমীৰে জীনিয়াৰ কথালৈ কাণ নিদিলে। দাম দি সিহঁত দোকানৰপৰা ওলাই আহিল।

জীনিয়াৰ লগে লগে ছমীৰ।
দুয়ো গৈ আকৌ এখন কাপোৰৰ দোকানত সোমাল। এইখন ৰেডিমেড কাপোৰৰ দোকান। জীনিয়াৰ নিৰ্দ্দেশমতে তাতো ছমীৰে তিনিটা কুৰ্ত্তা কিনিলে, তিনিটা পায়জামা কিনিলে, আৰু কিনিলে দুটামান সৰু ল'ৰা-ছোৱালীৰ কাপোৰ।
ছমীৰে আমোদ পালে। কিহে পাইছে বাৰু জীনিয়াজনীক। এইবোৰ তাই কেলেই কিনাইছে ! কাৰ কাৰণে কিনাইছে ! অৱশ্যে পইচা খৰচ কৰি ছমীৰৰ বেয়া লগা নাই, ছমীৰৰ বেছ ফুৰ্ত্তি লাগিছে।
তাৰ পিছত সিহঁত দুয়ো বজাৰৰ ফালে গ'ল, আৰু ভালেমান খোৱাবস্তু কিনিলে। হালোৱা, মিঠাই, চেঁৰৈ, খেজুৰ, কিচ্‌মিচ্ আৰু চকুৰ আগত যিহকে দেখিলে তাকে কিনিলে। কাষৰে এখন দোকানৰপৰা কিনিলে আতৰ, চোৰ্‌মা, আগৰবাতি, লোবান আৰু গোলাপজল।

দুয়োৰে হাত বস্তুৰে ভৰি পৰিল।
"ওঁ, ব'লা এতিয়া—" জীনিয়াই ক'লে।
"এইবোৰ কেনেকৈ নিম—"
"ক'ৰবাত ৰিক্সা আছে নে চোৱা, নহ'লে এখন টেক্সিকে ল'ব লাগিব।" জীনিয়াই মুৰব্বীয়ানাৰ সুৰত ক'লে। জীনিয়াৰ হাব-ভাব আৰু কথাৰ সুৰ ছমীৰে ভাল পালে।
এখন ৰিক্সাত দুয়ো উঠিল।
জীনিয়াই ক'লে, "সেয়া বজাৰ কৰিব নাজানো বুলিছিলা নহয়, চব কিনিলা দেখোন।"
"মই বজাৰ কৰিলোঁ নে তুমি কৰিলা ?"
"তোমাৰ বহুত টকা খৰচ কৰালোঁ, বেয়া পাইছা নহয় ?" শান্ত হৈ জীনিয়াই সুধিলে।
"মই অকণো বেয়া পোৱা নাই। কিন্তু ইমানবোৰ বস্তু তুমি কাৰ কাৰণে কিনালা তাকেহে মই বুজিব পৰা নাই। তিনিটা কুৰ্ত্তা, তিনিটা পায়জামা, দুখন শাৰী— এইবোৰ কাক দিম ?"
খিল্‌খিলাই হাঁহি জীনিয়াই ক'লে, "খোৱা খোৱা। মোৰ আগত অঁকৰা হৈ দেখুৱাব নালাগে। ঈদ যেন আৰু কোনোদিন কৰাই নাই। এটা কুৰ্ত্তা আৰু এটা

পায়জামা তোমাৰ—কাইলৈ পিন্ধিবা। এটা কুৰ্ত্তা, এটা পায়জামা ডাক্তৰ বাবাক দিবা—"

"কোন ডাক্তৰ বাবাক ?"

"মহচিন ডাক্তৰ। তেওঁক ঈদৰ কাপোৰ এসাজ দিব নাপায় নেকি ? আৰু ইযোৰ কুৰ্ত্তা আৰু পায়জামা তোমাৰ নিজৰ বাবাৰলৈ—অ' তোমাৰ বাবাৰ নাই, নহয় ? দিবা পঠিয়াই কোনোবা দদাইটি-মোমাইটিয়েৰালৈ—"

বাপেক নথকাৰ কথা ছমীৰে জীনিয়াক এবাৰ কৈছিল, কিন্তু তাৰ আচল মৰ্ম্ম জীনিয়াই হয়তো নুবুজিলে। এটা মুহূৰ্ত্ততে জীনিয়াৰ কথাত তাৰ মনৰ প্ৰফুল্লতা শেষ হৈ গ'ল। তাৰ ডিঙিটো শুকাই যোৱা যেন লাগিল। সম্মুখৰ চহৰখন অস্পষ্ট আৰু ধূঁৱলী-কুঁৱলী যেন লাগিল !

সোঁহাতে বহি অহা জীনিয়াই বাঁওহাতৰ কিলাকুটিৰে ছমীৰক ঠেলা এটা মাৰি দি ক'লে, "কি হ'ল, চুপ হৈ গ'লা যে। আৰু শাৰী যে কিনিলোঁ, এখন তোমাৰ মালৈ পঠিয়াই দিবা আৰু ইখন, তোমাৰ বাই-ভনী আছে নহয়, নাই নেকি ?"

ছমীৰে ৰিক্সাৱালাটোক ৰিক্সাখন ৰখাবলৈ ক'লে।

"কি হ'ল ? নামিবা নেকি ?" জীনিয়াই সুধিলে।

"ৰ'বা, মোৰ বৰ পিয়াহ লাগিছে। এগিলাচ চ'ডা খাই লওঁ।

"চ'ডা খাবা নে ক'ল্ড ড্ৰিংক ? এৰা, বহুত ঘূৰা হ'ল নহয়। আমি আগেয়ে ক'ৰবাত সোমাই চাহ-তাহ কিবা খাব লাগিছিল নহয় ?" সামান্য আক্ষেপৰ সুৰত জীনিয়াই ক'লে।

ছমীৰ ৰিক্সাৰপৰা নামি গ'ল। আৰু ৰাস্তাৰ কাষৰ পাণ-দোকানখনৰপৰা এবটল চ'ডা কিনি খালে। পিয়াহ নমৰা যেন পাই আৰু এবটল খালে। তাৰ পিছত আকৌ আহি ৰিক্সাত উঠিলহি।

জীনিয়াই ক'লে, "মামা—"

"হোঁ—"

"মই তোমাক আমনি কৰিছোঁ, নহয় ?"

ছমীৰে একো নক'লে।

"মোক বেয়া পাইছা ?"

তেতিয়াও ছমীৰে একো ক'ব নোৱাৰিলে। তাৰ মনত তেতিয়া কি ভাব খেলাইছিল সি নিজেই ক'ব নোৱাৰে।

"মোৰ তোমাৰ কাৰণে কেতিয়াবা খুব বেয়া লাগে, জানা ? ইয়াত তুমি অকলে অকলে থাকা। কেতিয়াবা যে কেনেকৈ মন মাৰি অকলে অকলে বহি থাকা, মোৰ দুখ লাগি যায়। কেতিয়াবা কেলেই তেনেকৈ থাকা ?"

সিহঁত আহি চেনেহীৰ ঘৰৰ সম্মুখ পাইছিলহি। ৰিক্সাখন ৰখালে আৰু ছমীৰ নামিল।

"নামা জীনিয়া, আমি পালোঁহি।" সি ক'লে।

বাহিৰৰ ফালে চাই জীনিয়াই ক'লে, "আমাৰ ঘৰহে পাইছোঁহি, ইয়াতে নামিবা নেকি ? তোমাৰ ঘৰলৈ নোযোৱা ?"

ছমীৰে মাথোন ক'লে, "আহা—"

মালখিনি হাতত লৈ ৰিক্সাৱালাটোক পইচা দি দুৱো চেনেহীৰ ঘৰলৈ সোমাই গ'ল।

চেনেহীৰ ঘৰত কোনোবা সেই সময়ত থাকিব বুলি ছমীৰে আশা কৰা নাছিল। কিন্তু ভিতৰ সোমাই সি দেখিলে, প'র্টিকতে বহি ডাক্তৰ মহচিনে চেনেহীৰ লগত কথা পাতি আছে। সি অলপ অপ্ৰতিভ বোধ কৰিলে। বিশেষকৈ ডাক্তৰ মহচিনক ইয়াত দেখা পাই।

"তহঁত আহিলি।" চেনেহীয়ে ক'লে।

বস্তুৰ বোজাটো কোঠাৰ মাজত থকা মেজখনৰ ওপৰতে নমাই থৈ জীনিয়াই ক'লে, "মামাই আজি বহুত বস্তু কিনিলে, জানিছ মা! বাবা আৰু তোৰ কাৰণেও কিনিছে নহয়—"

"মোৰ কাৰণেও কিনিছে?" একপ্ৰকাৰ আমোদ পোৱাৰ ধৰণে মহচিনে ক'লে, আৰু ছমীৰৰ মুখলৈ চালে। ছমীৰে যেন এটা সৰু ল'ৰাই লাজ পোৱাৰ নিচিনাকৈ লাজ পালে। একো নকৈ সি ক্লান্তভাৱে চকী এখনতে বহিল।

"ওঁ, আপোনালৈ আনিছে কুৰ্ত্তা-পায়জামা, মালৈ আনিছে শাৰী—যি ধুনীয়া—বহুত দামী জানিছা।" তাৰ পিছত অলপ বৈ ছমীৰৰ ফালে চাই ক'লে, "মোলৈহে একো নিকিনিলে—ক'লে, বোলে খৃষ্টানৰ কিহৰ ঈদ।" জীনিয়াই খুক্‌খুকাই হাঁহিলে।

ডাক্তৰ মহচিনে ক'লে, 'মই তোমাৰ ঘৰলৈকে আহিছিলোঁ ছমীৰ। বোলোঁ কালিলৈ ঈদ, ঘৰতনো অকলে কি ঈদ কৰিবা। আমাৰ তাতে ঈদ কৰিবা। মই তোমাক ঈদৰ কাৰণে দাৱাত কৰিবলৈহে আহিছিলোঁ। তোমাক ঘৰত নাপাইহে ইয়াত বহি আছোঁহি। বোলোঁ কথাষাৰ মই নিজেই কৈ যাওঁ। যাবা দেই কাইলৈ।"

ছমীৰে মূৰ তুলি এবাৰ মহচিন আৰু এবাৰ চেনেহীৰ মুখলৈ চালে। পুৰা এমাহ ৰোজা ৰাখি ডাক্তৰ মহচিন কিছু খীণাইছে, কিন্তু সেইবাবে তেওঁক বৰং স্নিগ্ধ আৰু পৱিত্ৰ যেন দেখাইছে। তেওঁৰ ধুনীয়া বগা মুখখনৰ স্পষ্ট আঁকবোৰৰ মাজে মাজে যেন শান্ত, কৰুণা আৰু সংযমৰ চিন জিলিকি উঠিছে। তেওঁ পিন্ধি থকা শুভ্ৰ কাপোৰসাজ, তেওঁৰ পকা ডাঢ়িখিনি, তেওঁৰ সামান্য নিৰস চকু দুটা—সকলোৱে যেন এই বয়সস্থ মানুহজনৰ সমাহিত ব্যক্তিত্বৰ এটা আভাস দিয়ে।

চেনেহীয়ে যেন পৰিস্থিতিটো উপভোগ কৰিছিল। জীনিয়াই ছমীৰক ধুনীয়াকৈ জব্দ কৰিছে। জীনিয়া নাছোড়বান্দা, আপোন-পৰ তাই নুবুজে। তাই যিটো কৰিব, কৰিবই। কিন্তু চেনেহীৰ কাৰণে ছমীৰৰ হতুৱাই ঈদৰ কাপোৰ কিনাই অনোৱাটো তেওঁৰ ভাল নালাগিল।

ছমীৰে এবাৰ চেনেহীৰ ফালেও চালে। এই দুগৰাকী মানুহৰ সম্মুখত সি অকাৰণতে কিছু দুৰ্ব্বল আৰু অসহায় অনুভৱ কৰে। এওঁলোকেই যেন নীতি-নিয়মৰ জগতখনৰ প্ৰতিনিধি।

উজ্জ্বল হৈ জ্বলি থকা লেমটোৰ পোহৰত ছমীৰে আজি হঠাৎ আৱিষ্কাৰ কৰিলে—বহুত সংযম আৰু বহুত দুখৰ মাজেৰে নিজক অস্বীকাৰ কৰি জীয়াই থকা এই সুন্দৰী, পৰিচ্ছন্ন মানুহগৰাকী, এই মিড্‌ৱাইফ চেনেহী বাইটি—এজনী ভৰ-বয়সৰ

গাভৰু মানুহ। হয়তো তেওঁৰ বয়স ২৭।২৮ বছৰৰ বেছি নহ'ব। তেওঁৰ গাল-মুখত ক'তো বয়সৰ আঁচোৰ পৰা নাই। তেওঁৰ এডাল চুলিও পকা নাই, ধুনীয়া সমান বগা দাঁত দুপাৰিৰ এটা দাঁতো সৰা নাই। তেওঁ আজিও চচমা লোৱা নাই। পাতল কপাহী শাৰীখনেৰে অতি মাৰ্জ্জিতভাৱে, সন্তৰ্পণে আবৰি ৰখা তেওঁৰ নাৰী-দেহাটোৰ কোনো অংশতে অকণো বাৰ্দ্ধক্য আৰু অসংযমৰ চিন নাই। জোঙা জোঙা আঙুলিৰে তেওঁৰ হাত দুখনৰ ঠাৰি দুডাল মসৃণ আৰু পুৰঠ-স্বাস্থ্য যেন উপচি পৰিছে। এনেকুৱা দুখন হাতৰ ছবি কোলাত কেঁচুৱা লৈ থকা তাৰ ক'ৰবাত দেখা যেন মনত পৰিল। অ' ক'ৰবাত নহয়, ছবিখন জীনিয়াৰ শোৱা-কোঠাতে আৰা আছে—ৰাফেলে নে কোনে আঁকিছিল কুমাৰী মেৰীৰ ছবি!

ছমীৰক তেনেকৈ মনে মনে থকা দেখি ডাক্তৰ মহচিনেই ক'লে, "তোমাৰ ঘৰৰ কথা মনত পৰাটো স্বাভাৱিক। কিন্তু সকলো সময়তে আমাৰ ঈদ-বক্ৰীদ কৰাৰ সুবিধা হয় জানো? আমি নানা কাৰণত ঘৰৰপৰা মাজে মাজে আঁতৰি থাকিব লগা হয়। আমি য'তে থাকোঁ, যাৰ মাজতে থাকোঁ, সেইখনকে আমাৰ ঘৰ, আমাৰ সমাজ বুলি ধৰিব লাগে। দুনিয়াৰ সকলো মানুহ ভাই-ককাই। মনটো মুকলি কৰি দিব পাৰিলে দুনিয়াত ক'তো আমাৰ আপোন মানুহৰ অভাৱ নহয়।"

সৰু মাতেৰে ছমীৰে কোনোমতে ক'লে, "হয়।"

বস্তু-বাহানিবোৰ থৈয়ে জীনিয়া ভিতৰলৈ গৈছিল। তাই চাৰি পিয়লা চাহ বাকি আনিলে, আৰু লগত অনা প্লেটখন মেজতে থৈ কিনি অনা মিঠাই আদি উলিয়াই দি ক'লে, "আগেয়ে চাহ খাই নল'লে মামাই আজি কথাকে ক'ব নোৱাৰিব। বহুত টকা খৰচ কৰি ডিঙি শুকাই আহিছে। বাটতে দুবটল চ'ডা খাইহে কোনোমতে ৰক্ষা পৰিছে।"

ডাক্তৰ মহচিন বা চেনেহী কাৰো ওপৰত অসন্তুষ্ট হ'বৰ কোনো কাৰণ নাছিল ছমীৰৰ। তাৰ বুকুৰ ভিতৰৰ অন্তৰ্দাহী অন্তৰ্দ্বন্দ্বৰ কথা তেওঁলোকে একো নাজানে। আৰু জীনিয়াতো সৰু ছোৱালী—তাই পৃথিৱীৰ হাঁহি-আনন্দৰ বাহিৰে দুখ-বেদনাক চিনি পাবলৈ এতিয়াও শিকা নাই।

তিনিও চাহ-মিঠাই খালে। মাজে মাজে একোডোখৰ মিঠাই মুখত ভৰাই, মাজে মাজে একোঢোকা চাহ খাই, জীনিয়াই কাপোৰ-কানিৰ টোপোলাবোৰ খোলাত লাগিল। কুৰ্ত্তা-পায়জামাকেটা তিনিভাগ কৰিলে, শাৰীকেখন আৰু চোলা-কাপোৰ-কেডোখৰো ভাগ ভাগ কৰিলে।

আৰু চাহ খাই শেষ হোৱাৰ লগে লগে ছমীৰক ক'লে, "ও', মই ভাগ কৰি দিছোঁ, এতিয়া কাক কি দিয়া, তুমি দি দিয়া—"

মহচিন আৰু চেনেহীয়ে হাঁহিলে। জীনিয়াৰ কাণ্ড দেখি ছমীৰৰ হাঁহি উঠিল। তাৰ পিছত ছমীৰ যেন কিছু স্থিৰতালৈ আহিল। প্ৰথমে এখন পাতল নীলাভ ৰঙৰ শাৰী আৰু তাৰ লগৰ চোলা-কাপোৰডোখৰ চেনেহীৰ ফালে আগবঢ়াই ছমীৰে ক'লে, "এয়া তোমাৰ—"

"মোৰ! কি ধেমালিখন কৰিছ! মইনো ইমান দামী শাৰী-চোলা পিন্ধো নে?" চেনেহীয়ে ক'লে, কিন্তু কাপোৰ দুটা কাষ চপাই কোলাত তুলি ল'লে।

তাৰ পিছত ছমীৰে কুৰ্ত্তা-পায়জামা দুটা মহচিনৰ হাতত দি ক'লে, "এয়া আপোনালৈ আনিছিলোঁ।"

ডাক্তৰ মহচিনৰ শান্ত মুখত এটা চৰম আনন্দৰ পোহৰ বিৰিঙি উঠিল। যেন তেওঁৰ বৰ পুতেকেহে তেওঁক এসাজ মূল্যৱান ঈদৰ কাপোৰ দিছে। তেওঁ মাথোন আনন্দ-আপ্লুত মাতেৰে কোনোমতে ক'লে, "এ, সঁচাকৈয়ে মোৰ কাৰণেও আনিলা নেকি? দিয়া—দিয়া।"

তাৰ পিছত ছমীৰ বহাৰপৰা উঠিল, আৰু ক'লে, "বাকী এইবোৰ তুমি থৈ দিয়া জীনিয়া। মই অলপ আহোঁ। আপোনালোক বহকচোন।" কৈ ছমীৰ বেগা-বেগিকৈ ওলাই গ'ল।

চিঞৰি ডাক্তৰে ক'লে, "কাইলৈ কিন্তু মোৰ তাত তোমাৰ দাৱাত থাকিল। নোযোৱাকৈ নাথাকিবা।"

ছমীৰ সেইদৰে উঠি যোৱাত জীনিয়া অলপ ক্ষুণ্ণ হ'ল। তাই কাপোৰ-কানিবোৰ জাপি জাপি ক'লে, "কিমান ৰাতি বা আহে কি ঠিক। লাগিলে আজি ৰাতি আৰু নাহিবই। কি যে ভাবি থাকে জানো।"

ছমীৰক পিছদিনা ঈদৰ কাৰণে তেওঁৰ ঘৰলৈ জবুল পঠিয়াই দিবলৈ কৈ অলপ পিছতে ডাক্তৰ মহচিনো গ'লগৈ।

ডাক্তৰ যোৱাৰ পিছত জীনিয়াই চেনেহীক ক'লে, "মা, মামাৰ জানো কোনো নাই? মই সুধিলত দেখোন একোকে নক'লে।"

"মই কোনো দিন সোধা নাই। সিহে সেইদিনা কিবাকিবি নিজে নিজে বকিছিল। জুতি আৰু বোধেশ্বৰেহে কৈছিল যে তাৰ আপোন মানুহ বৰ বেছি নাই। মাক বোলে আছে। কিন্তু বাপেক নাই—"

"এ, সেই কাৰণেই বেয়া পালে নেকি জানো।"

"তাৰ মনটো বৰ কোমল। কেতিয়া কিহত ভাল পায়, কেতিয়া কিহত বেয়া পায় বুজিবই নোৱাৰি। বাৰু, কাইলৈ ৰাতিপুৱা সোনকালে উঠিবি। তই আৰু মই এই খোৱা-বস্তু, কাপোৰ-কানি সকলো লৈ গৈ তাৰ ঘৰতে তাক ঈদৰ কাৰণে সাজু কৰিমগৈ।"

"এৰা, তাকে কৰিম। পিছে মা, ছমীৰ মামাৰ কিজানি কালৈকো মৰম নাই, নহয়?"

"কেনেকৈ জানিবি? মোৰ হ'লে তালৈ বৰ মৰম লাগে। তাক কিবা বৰ আপোন আপোন যেন লাগে।"

জীনিয়াই আৰু একো নক'লে। তাই মনে মনে ঠিক কৰিলে, আজি শোৱাৰ আগতে তাই ছমীৰৰ কাৰণে এখন ৰুমালত ফুল কৰি উলিয়াব, আৰু মনে মনে সেইখন কাপোৰৰ মাজতে সুমুৱাই দিব। লাগিলে তাই আজি নুশুবই।

॥ উনষাঠি ॥

জীৱনক খণ্ড খণ্ড আৰু বিচ্ছিন্নকৈ গ্ৰহণ কৰিব পৰা হ'লে হয়তো মানুহ সুখী হ'লহেঁতেন। কিন্তু প্ৰতিটো দিন-ৰাতিৰ প্ৰতিটো সৰু-ডাঙৰ অভিজ্ঞতাৰ হাজাৰ আঙঠি গাঁথি গাঁথি ৰচনা কৰা জীৱনৰ শিকলিডাল কাহানিও ছিগি নাযায়। নতুন

নতুন আঙঠি জোৰা খাই খাই শিকলি মাথোন বিচিত্ৰ আৰু দীঘল হৈ গৈ থাকে। মৰম-হতাশা, বেদনা-কাৰুণ্য, অপূৰ্ণতা আৰু জয়ৰ বিচিত্ৰ সমাবেশে জীৱনৰ প্ৰতিটো মুহূৰ্ত্তক সমৃদ্ধ কৰি তোলে। জীৱন অখণ্ড হৈ পৰে।

সেয়ে ছমীৰে অতীতৰপৰা নিজক বিচ্ছিন্ন কৰিবৰ বহু চেষ্টা কৰিও পৰা নাই। অতীতটো তাৰ কাৰণে কেৱল নিষ্প্ৰাণ ইতিহাস নহয়, তাৰ অতীতেই তাৰ ভাগ্য! সি যেন সেই ক্ৰুৰ অতীতৰ হাতৰ অসহায় চিকাৰ। জন্মক্ষণৰপৰা আজিলৈকে বহুতে হাজাৰ বছৰ হ'ল যেন লাগে তাৰ। কিন্তু তথাপি সি যেন তাৰ জন্মক্ষণৰপৰা অকণো আঁতৰি আহিব পৰা নাই, অকণো আগবাঢ়িব পৰা নাই। ঘূৰি ঘূৰি যেন সি জন্মক্ষণৰ চক্ৰবেহুৰ মাজতে ঘূৰ-পাক খাই ফুৰিছে, বাহিৰ ওলাব পৰা নাই।

হঠাৎ যুদ্ধখন শেষ হৈ যোৱাৰ খাটাং বাতৰি যিদিনা নিৰ্ভৰযোগ্যভাৱে সি পাইছিল, অকণমান সময়ৰ কাৰণে সি থমক খাই বৈ গৈছিল। আৰু তাৰ বিচনাৰ কাষত থকা সৰু মেজখনৰ ওপৰৰ আইনাখন হাতত লৈ অন্যমনস্কভাৱেই নিজৰ মুখখন এবাৰ চাইছিল। হঠাৎ উপলব্ধি কৰি সি আচৰিত হৈ গৈছিল যে নিজেই গম নোপোৱাকৈ সি ডেকা হৈ গৈছে। এতিয়া সি এটা ডেকা মানুহ। আৰু এই ডেকা মানুহটোৰ ছমীৰ নামৰ শিশুটো বা কিশোৰটোৰ লগত কোনো সম্পৰ্ক নাই। এইটো এটা পূৰ্ণ যৌৱনৰ অধিকাৰী সুকীয়া মানুহ। এইটো এটা পূৰ্ণ যৌৱন, এইটো এটা পূৰ্ণাঙ্গভাৱে বিকশিত পুৰুষ। সেইদিনা তাৰ নিজলৈ অকণো ভয় লগা নাছিল। সংকোচো তাৰ জন্মা নাছিল। সেই সময়ত কোঠাটোৰ ভিতৰত সি অকলে আছিল, আৰু সি ডেকা হোৱাৰ সত্যটোক প্ৰতিবাদ কৰিবলৈ তাত কোনো নাছিল।

মনে মনে তাৰ গৰ্ব্ব হৈছিল। তাৰ আনন্দ লাগিছিল। তাৰ সমগ্ৰ দেহ-মন-আত্মাৰ মাজত এটা বেলেগ নতুন মানুহৰ নিশ্বাস সি স্পষ্টভাৱে শুনিবলৈ পাইছিল।

ডেকা হোৱা মানেই মানুহ হোৱা—তাৰ ভিতৰৰ সেই নতুন মানুহটোৱে তাক বাৰে বাৰে কৈছিল।

'মই এটা মানুহ হ'লোঁ।'

'মই এটা পুৰুষ হ'লোঁ।'

'আত্মবিশ্বাস আৰু আত্মপ্ৰতিষ্ঠাই পুৰুষৰ প্ৰথম আৰু প্ৰধান গুণ। যুদ্ধ শেষ হ'লেও মোৰ হাতত মই নিজে ঘটা টকা আছে। টকা থাকিলে আত্মপ্ৰতিষ্ঠাৰ কাৰণে আৰু ভাবিব নালাগে। আত্মপ্ৰতিষ্ঠা নহ'লে আত্মোপলব্ধি নহয়। আৰু মই নিজকে প্ৰতিষ্ঠা কৰিবৰ কাৰণে আৰু নিজকে বুজি পাবৰ কাৰণে মই য'তে থাকোঁ, অকলে থাকিব লাগিব। মই নিজে নিজে থাকিব লাগিব।'

ছমীৰে ভাবিছিল। আৰু অকলে থকাৰ সিদ্ধান্ত লৈয়ে, নিৰ্লিপ্ত হৈ থাকিবৰ মনেৰেই সি দুৰ্ণিৰ এই নতুন চহৰখনলৈ আহিছিল। জীৱনৰ এই তৃতীয় পৰ্য্যায়ক সি তাৰ জীৱনৰ নতুন পৰ্য্যায় বুলি ভাবিবৰ প্ৰয়াস কৰিছিল।

এইখন সেই গাঁও নহয়, যি গাঁৱত সোণপাহী নামেৰে এজনী লাঞ্ছিতা নাৰীয়ে এটা জাৰজ সন্তানৰ জন্ম দিছিল। আৰু সেই জাৰজ সন্তানটো সকলো মানৱীয় আৰু সামাজিক অধিকাৰৰপৰা বঞ্চিত হৈ এদিন এখন নতুন চহৰলৈ নিজক আৱিষ্কাৰ কৰিবৰ কাৰণে যাত্ৰা কৰিছিল।

এইখন সেই নগৰ নহয়, য'ত এটা সৰু ল'ৰাই পৰৰ অনুগ্ৰহৰ ওপৰত নিৰ্ভৰ কৰি মানুহ হোৱাৰ যোগ্যতা আৰ্জ্জনৰ ব্যৰ্থ শ্ৰম কৰিছিল। য'ত তাক মনে মনে মৰম কৰা মানুহেও, মকুলিকৈ সামাজিকভাৱে মৰম কৰাটো সম্মান-হানিকৰ বুলি ভাবিছিল। আৰু য'ত এটা স্বাস্থ্যৱান কিশোৰে পুৰুষসুলভ কিবা এটা কৰিবলৈ গৈ বিভূষিত হৈছিল—গুণ্ডা উপাধিৰে। য'ত তাৰ বিষয়ে অন্যৰ নিজ নিজ মত পোষণ আৰু প্ৰকাশ কৰিবৰ অধিকাৰ আছিল, কিন্তু য'ত তাৰ নিজস্ব মত আৰু ধাৰণা প্ৰকাশ কৰাৰ কোনো অধিকাৰ নাছিল।

এই কাৰণেই, এই নতুন চহৰৰ নতুন জীৱনক ছমীৰে তাৰ জীৱনৰ প্ৰথম পৰ্য্যায় বুলি বিশ্বাস কৰিবলৈ বিচাৰিছিল। বহুত আঙঠি লগ লাগি হোৱা জীৱন নামৰ শিকলিডালৰ আঙঠি কিছুমান সোলোকাই পেলাই দিব খুজিছিল। কিন্তু সি দেখিলে সেই শিকলিডাল নিৰ্ম্মমভাৱে অৱিচ্ছেদ্য। এটা আঙঠিও তাৰপৰা এৰুৱাই পেলাই দিব নোৱাৰি। তাৰ মনত লাগিল যেন তাৰ দেহাটোতকৈ দেহাৰ ছাঁটোহে বেছি সত্য। ছাঁটোৱে যেন দেহাটোক সৰ্ব্বাত্মকভাৱে আগুৰি আছে। আৰু দেহাৰ ভিতৰৰ হাজাৰ পৰিৱৰ্ত্তন সত্ত্বেও, ছাঁটোৱেই অপৰিৱৰ্ত্তিত হৈ ৰৈ যায়।

ঈদ সি নিজৰ মতে কৰিব নোৱাৰিলে। চাৰ্কাচৰ বাঘৰ দৰে এটা লোহাৰ সজাৰ ভিতৰত সুমুৱাই লৈ তাক যেন সমাজ নামৰ বিংমাষ্টৰটোৱে নিজ অভিৰুচিমতে উঠ-বহ কৰালে। জীনিয়া. চেনেহী, ডাক্তৰ মহচিন, আনকি বাপধন নামৰ সেই অচিনাকি মানুহটোৱেও তাক যিহকে ক'লে সিও বিনা প্ৰতিবাদে তাকেই কৰিলে। তাৰ নিজস্ব মত-অভিমত বুলি, বা ইচ্ছা-অভিৰুচি বুলি যেন একোৱেই নাই!

এনেকৈ নিজৰ স্বকীয়া অস্তিত্ব নিৰ্ম্মূল কৰি গৈ গৈ এদিন সি তাৰ নিজস্বতা সম্পূৰ্ণ হেৰুৱাই পেলাবগৈ নে? সেইটো যে তাৰ চৰম পৰাজয় হ'ব।

'সমাজত মই ভাল মানুহ হ'বলৈ নিবিচাৰোঁ। মই কেৱল মানুহ হ'বলৈ বিচাৰোঁ। চেনেহী, ডাক্তৰ মহচিন, মচজিদ, ধৰ্ম্ম, কোৰাণ, বাইবেল সকলো লগ লাগি মোৰ স্বকীয়া অস্তিত্ব নোহোৱা কৰি পেলাবৰ আয়োজন কৰা নাইতো?'

'আৰু নহ'ব। মই ডেকা হৈছোঁ। মই মানুহ হ'ম। তোমালোকৰ নিচিনা নহয়, এটা বেলেগ মানুহ। লাগিলে মই এটা বেয়া মানুহেই হ'ম, তথাপি মোৰ নিজস্বতা খৰ্ব্ব হ'বলৈ নিদিওঁ।'

ছমীৰৰ ভাবি নিজৰ ওচৰতে লাজ লাগিল যে পুৱাৰপৰা ৰাতিলৈকে ঈদৰ দিনা সি য'ত যি কৰিলে, সেইবোৰ সি নিজৰ আনন্দৰ কাৰণে কৰা নাছিল। কৰিছিল জীনিয়া, চেনেহী, মহচিন আৰু সভ্য সমাজখনে বেয়া পায় বুলি। 'কিয় ইমান দুৰ্ব্বল হৈ পৰিছিলোঁ বাৰু?'

গা ধোৱা।

ধুলোঁ।

নতুন কাপোৰ পিন্ধা।

পিন্ধিলোঁ।

চকুত চোৰ্মা লোৱা, মুৰত নতুন তেল লোৱা, আতৰ লোৱা।

ল'লোঁ।

ঈদৰ নামাজ পঢ়িবলৈ মচজিদলৈ যোৱা।

গ'লোঁ।

নামাজ পঢ়া, খোৎবা শুনা, মোচাবাহা কৰা, চিনাকি-অচিনাকি মানুহবোৰক সাৱটি ধৰি বন্ধুত্ব বন্ধু মিলোৱা।

সকলো কৰিলোঁ।

ডাক্তৰ মহচিনক তচলিম কৰা, তেওঁ তোমাৰ পিতৃস্থানীয়।

তাকো কৰিলোঁ।

য'লৈকে নিলে, য'লৈকে মাতিলে, য'লৈকে যাবলৈ ক'লে—গৈ ঘৰে ঘৰে ঈদ খালোঁ। মই নাইকিয়া হৈ গ'লোঁ। আৰু অন্যৰ লগতে একেলগে হাত তুলি যেতিয়া মুনাজাত কৰিলোঁ, প্ৰাৰ্থনা কৰিলোঁ, আল্লায়ো চাগৈ মোক অন্যৰে একে দেখিলে। মোক সুকীয়াকৈ চাবৰ কোনো প্ৰয়োজনেই বোধ নকৰিলে।

বৰ অস্বস্তি লাগিল ছমীৰৰ।

তাৰ আৰু আচৰিত লাগিল যে কিছুদিনৰপৰা সি যেন মদ খোৱা এৰিয়ে দিছে। ঈদৰ আগদিনা, ঈদৰ দিনা, তাৰ পিছদিনা, তাৰো পিছদিনা।

'আচৰিত, মইঁ ডেকা মানুহ এটাই মদ নোখোৱাকৈ কেনেকৈ আছোঁ। এইবোৰ মোৰ কি হৈছে। মানুহবোৰে মোক ছমীৰ গুণ্ডা নহয় বুলি ভাবিছে নেকি? তেনেহ'লে তোমালোকে মোক আজিও চিনা নাই। মই এটা বেয়া মানুহ, বেয়া মানুহ হৈয়ে মই উপাৰ্জিছিলোঁ। তোমালোক সকলো লগ লাগিও মোক কাহানিও ভাল মানুহ কৰিব নোৱাৰিবা। যিয়ে মোক বিশ্বাস কৰা তাৰে মই বিশ্বাসঘাতকতা কৰিম! মোক বিশ্বাস নকৰিবা ডাক্তৰ মহচিন, বিশ্বাস নকৰিবা চেনেহী বাইটি, তয়ো বিশ্বাস নকৰিবি জীনিয়া। মই জাৰজ। হয়তো কোনোবাদিনা ময়ো কোনো নাৰীৰ গৰ্ভত জাৰজ সন্তানৰেই জন্ম দিম। মোৰ পৰিচয় দিলেও জাৰজৰ সন্তান জাৰজ নহৈ নোৱাৰে।'

আগ-গুৰি নোহোৱা বহুত কথা ভাবিলে ছমীৰে। নিজক সি বুজিবৰ চেষ্টা কৰিলে। 'জীনিয়াৰ মোলৈ ইমান মৰম কেলেই? তাই মোক ৰক্ষা কৰিবলৈ বিচাৰে কেলেই? তাই মোক তাইৰ মতে চলাই লৈ ফুৰাবলৈ বিচাৰে কেলেই? মইতো তাইৰ একো নহওঁ। নহয়, স্পষ্টভাৱে জীনিয়াক সুধিব লাগিব—তাই মোৰপৰা কি বিচাৰে? তাই মোক ফাকি দিব নোৱাৰে। তাই সৰু ছোৱালী নহয়, তাই এজনী গাভৰু ছোৱালী। খীণ হ'লেই, লাহী হ'লেই, চঞ্চল আৰু ল'ৰামতীয়া হ'লেই এজনী গাভৰু ছোৱালী সৰু ছোৱালী হৈ নাযায়। আৰু চেনেহী বাইটিয়েই বা তাইক এইদৰে মোৰ কাষত নিৰ্ভয়ে এৰি দিয়ে কোন সাহসত?'

সুধিব লাগিব।

সকলো সুধিব লাগিব।

ছমীৰে মনে মনে ঠিক কৰি পেলালে, জীনিয়াৰ নিচিনা এজনী ছোৱালীৰ ওচৰত সি পৰাজিত হ'বলৈ নিবিচাৰে। নিজক চেনেহী-জীনিয়াহঁতৰপৰা আঁতৰাই ৰখাৰ মানসেৰে ছমীৰে নগৰ এৰি ঠিকা লোৱা ঠাইত সৰহকৈ থাকিবলৈ ল'লে। 'আঁতৰি থকাই ভাল। নহ'লে মই দুৰ্ব্বল হৈ পৰিম।'

কিন্তু সৰহ দিন আঁতৰি থাকিবলৈ তাৰ বেয়া লাগে। ইয়াত তাক অকলশৰে

আপোনমনে, 'নিজে নিজে' থকাত কোনোৱে বাধা নিদিয়ে, আমনি কৰোঁতাও কোনো নাই। কিন্তু এনেকৈ অকলশৰে থাকিবলৈ তাৰ দেখোন বেয়া লাগে। 'মই আঁতৰি থাকিলত জীনিয়াই বাৰু অকণো বেয়া পোৱা নাই নে ? যদি নায়েই পোৱা, জীনিয়াৰ লগতনো মোৰ কিহৰ সম্পৰ্ক থাকিল। মোৰপৰা জীনিয়াই টকা-পইচা কোনো কাহানিও বিচৰা নাই, কোনো কাহানিও নিবিচাৰিবও, তেন্তে আৰু কি বিচাৰে !'

কিবাকিবি কাম থকা বুলি নিজকে বুজাই ছমীৰ দুই-চাৰি দিনতে আকৌ নগৰলৈ গুচি আহে। 'মই মোৰ নিজৰ দৰকাৰত আহিছোঁ। চেনেহী, জীনিয়া কাকো লগ পাবৰ কাৰণে অহা নাই।' নিজকে সি কয়।

এদিন ডাক্তৰ মহচিনক সি ক'লে, "এই দলংখনৰ কাম শেষ হ'লেই মই ইয়াৰপৰা যামগৈ বুলি ভাবিছোঁ।"

"কামনো আৰু কিমান বাকী আছেগৈ।" সাধাৰণভাৱে ডাক্তৰে সুধিলে।

"বাৰিষা পালেহি, কাম বন্ধ ৰাখিব লাগিব। আধাতকৈ বেছি কাম হ'ল। বাকী কাম অহা জাৰকালি নৱেম্বৰ মাহৰপৰাহে আৰম্ভ কৰিব পৰা যাব।" ছমীৰে ক'লে।

"সেই কাম বন্ধ থকাৰ সময়ত পিছে কি কৰিম বুলি ভাবিছা ?"

"এতিয়াও ঠিক কৰা নাই। অলপ ফুৰি-মেলি আহিম বুলি ভাবিছোঁ।"

"এৰা, বেয়া নহয়। সদায় ধন ঘটাৰ কামতে লাগি থাকিলে মানুহৰ গা-মন মুকলি নহয়।"

ছমীৰে মনে মনে আশা কৰিছিল যে এনেয়ে হ'লেও ডাক্তৰ মহচিনে তাক যাব নালাগে বুলি ক'ব। সি নিৰুৎসাহ হ'ল।

চেনেহীকো প্ৰায় একে কথাকে সি ক'লে, অৱশ্যে বেছি নিশ্চিতভাৱে সি জনালে যে একে ঠাইতে সৰহ দিন থকাৰ অভ্যাস তাৰ নাই। আৰু ইয়াত তাৰ আমনি লগা যেন পাইছে। গতিকে সি অন্ততঃ কিছুদিনৰ কাৰণে অন্যফালে যাব।

তাৰ কথাখিনিৰ গুৰুত্ব বুজিবৰ কাৰণেই হয়তো চেনেহীয়ে তাৰ মুখলৈ চালে। তাৰ পিছত ক'লে, "ইয়াত তোৰ মন বহা নাই, নহয় ?"

"মোৰ মন ক'তোৱেই নবহে।" গৰ্ব্বেৰে কোৱাদি সি ক'লে।

চিন্তা কৰি লাহে লাহে চেনেহীয়ে ক'লে, "মৰমেৰে তোক বান্ধি ৰাখিব পৰাৰ শক্তি মোৰ নাই। জোৰ কৰি ৰাখিবলৈও মোৰনো কি অধিকাৰ আছে। দূৰৰ মানুহ যাবৰ কাৰণেই আহে—জানিও ভাবিছিলোঁ, কিজানি কথাষাৰ মিছা, তই কিজানি থাকিবৰ কাৰণেহে আহিছ। যাবি কেতিয়া ?" হঠাৎ সুধিলে চেনেহীয়ে।

চেনেহীহঁতৰ ওচৰত দুৰ্ব্বল নহ'বৰ কাৰণে মনে মনে সি সিদ্ধান্ত কৰিছিল। সি নিশ্চয়তাৰ সুৰত ক'লে, "কেইদিনমানতে যাম। জানো তোমালোকক মাত লগাই যাব পাৰোঁ নে নোৱাৰোঁ।"

"মাত আকৌ লগাব লাগিছে কেলেই ? ইয়াতনো তোৰ ক'ৰ কোন আছে যে গ'লে মাত লগাই যাব লাগিব ?"

কৈ চেনেহী উঠি গ'ল।

ছমীৰ অস্বস্তি বোধ কৰিলে। তাক বাৰু কোনোৱে নাযাবি বুলি জোৰকৈ নকয়

কিয় ? সকলোৱে জানে তাৰ ক'তো কোনো নাই। যাবলৈকো কোনো বিশেষ ঠাই নাই। তথাপি তাক নোযোৱাকৈ ৰখাৰ হেপাহ কাৰো নাই কিয় ?

এদিন।

দুপৰ লহিয়াইছিল। ৰ'দজাক কোমল আছিল। নতুন ঘাঁহবোৰ সেউজীয়া হৈছিল। ঘৰৰ ভিতৰত অকলে সোমাই থাকি ছমীৰৰ আমনি লাগিছিল। সি চেনেহীৰ ঘৰৰ ফালে গুলাই গ'ল।

চেনেহীৰ ঘৰৰ আগফালৰ দুৱাৰ বন্ধ আছিল। ছমীৰে জীনিয়াক মাতিলে। জীনিয়াই পাছ-চোঁতালৰপৰা চিঞৰি ক'লে, "মই পাছফালে আছোঁ। ইয়ালৈ আহা।"

ছমীৰ পাছ-চোঁতাল পালেগৈ। চোঁতালতে এখন বেতৰ হেলনীয়া চকীত বহি, ঘৰৰ ছাঁত জুৰ লৈ জীনিয়াই কিবা কিতাপ এখন পঢ়ি আছিল।

ছমীৰ গৈ জীনিয়াৰ সন্মুখত থিয় হ'ল। সি সামান্য অপ্ৰতিভ বোধ কৰিলে। হয়তো গৰম হোৱাৰ কাৰণেই, নাইবা পাছফালে অন্য কোনো মানুহে দেখা পোৱাৰ আশংকা নাই কাৰণেই জীনিয়াই হাত নোহোৱা আৰু বুকু আৰু পিঠিৰো ভালেমান গুলাই থকা এটা চুটি পাটৰ ফ্ৰক পিন্ধি আছে।

কাষতে থকা আনখন চকীৰ ফালে দেখুৱাই জীনিয়াই ক'লে, "বহা।"

ছমীৰ বহিল।

"বাইটি নাই ?"

"কোনো নাই। মইহে আছোঁ।" নিৰ্লিপ্তভাৱে জীনিয়াই ক'লে।

নিস্তব্ধতা। কিছু সময় যেন কাৰো ক'বলৈ একো নাই।

হঠাৎ জীনিয়াই সুধিলে, "কেতিয়া যাবা ?"

"ক'লৈ ?"

"জানো ক'লৈ ? মই কেনেকৈ জানিম ? মোক জানো কৈছিলা কেতিয়াবা ?" জীনিয়াৰ চকু তেতিয়াও কিতাপৰ পাতত। তাই নিৰ্ব্বিকাৰ।

ছমীৰে তাইৰ ফালে একেথৰে চাই থাকি ক'লে, "তোমাক কোনে ক'লে ?"

"শুনিছোঁ—"

আকৌ নিস্তব্ধতা। জীনিয়াই ছমীৰৰ ফালে এবাৰো চোৱা নাই। কিন্তু ছমীৰে এক নতুন চাৱনিৰে জীনিয়াৰ ফালে চাই আছে। আজি যেন জীনিয়াক তাৰ অন্য এজনী ছোৱালী যেন লাগিল।

জীনিয়াই শান্তভাৱে কিতাপখন জপালে, আৰু হেলনীয়া হৈ থকাৰপৰা অলপ পোন হৈ বহিল। ছমীৰৰ চকুত চকু থৈ জীনিয়াই অলপ গহীন হৈ ক'লে, "মোৰ গালৈ তেনেকৈ চাই আছা কেলেই ?"

ছমীৰে সামান্য বিব্ৰত হৈ চকু অন্যফালে নিলে।

"চোৱা, চালে মই বেয়া নাপাওঁ, লাজো নাপাওঁ। তুমিতো দেহাটোৰ বাহিৰে একো চাব নাজানা—"

জীনিয়াৰ কথাষাৰে ছমীৰক আঘাত কৰিলে। আগেয়ে কোনো দিন তাই তাক এনেকুৱা কথা কোৱা নাই।

কোনোমতে কিবা এটা ক'বৰ চেষ্টা কৰি ছমীৰে ক'লে, "জীনিয়া—"

"নামটো মুখস্থ কৰি মনত ৰাখি থ'ব খুজিছা নেকি ? কিন্তু যাক চিনি নাপালা, তাৰ নাম মনত ৰাখি কি লাভ হ'ব ?"

ক'বৰ ইচ্ছা নথকা সত্ত্বেও ছমীৰে ক'লে, "অসময়ত আহিলোঁ কাৰণে বেয়া পাইছা নেকি ?"

জীনিয়াই ক্ষুণ্ন মাতেৰে ক'লে, "অসময় বুলি জানিছিলাই যদি, নাহিব পাৰিলাহে'তেন।"

জীনিয়াৰ অভিমানৰ কাৰণটো বুজিবৰ কাৰণেই হয়তো ছমীৰে আকৌ জীনিয়াৰ ফালে চালে। হঠাৎ জীনিয়াক সি বৰ ধুনীয়া দেখিলে। দুটা উজ্জ্বল, সবল চকু, এখন প্ৰশস্ত কপাল, এযোৰ খীণ বৈ পৰা চেলাউৰি, বঙা পৰা এখন শুৱনি মুখ, কেঁকোঁৰা-কেঁকুৰি ক'লা ঘন চুলি, আৰু দুটা কোমল, ৰঙা ওঁঠ।

ছমীৰৰ অলক্ষিতেই তাৰ চকু জীনিয়াৰ গালে নামি আহিছিল। কাষলতিলৈকে ওলাই থকা মিহিন, পুৰঠ বাহু দুটা, ধুনীয়া ডিঙিটো আৰু ডিঙিৰ তলত ভালেমানলৈকে ওলাই থকা বগা বুকুখন। সৰু ফ্ৰকটোৱে আবৰি ৰখা, কাপোৰ টান খাই স্পষ্টভাৱে ওলাই পৰা বুকু দুটাৰ লোভনীয় সুগোল ৰেখা, আৰু এখন তেনেই সৰু কঁকাল ! ছমীৰ স্তম্ভিত হৈ গ'ল। জীনিয়াক তাৰ কোনো দিন ইমান ধুনীয়া যেন লগা নাছিল।

ছমীৰৰ এই অৱস্থা দেখি যেন জীনিয়াৰ ওঁঠৰ কোণত জান-নাজান এটা হাঁহি বিৰিঙি উঠিছিল। হঠাৎ জীনিয়াৰ লাজ লাগি গ'ল। কেনেকৈ তাইৰ গালৈ চাই আছে ছমীৰে !

তাইৰ লাজ আৰু বিব্ৰত অৱস্থা লুকুৱাবৰ কাৰণেই যেন জীনিয়াই ক'লে, "বিশ্বাস হোৱা নাই, নহয় ?"

"কি ?" কোনোমতে ছমীৰে সুধিলে।

"মই যে এজনী ডাঙৰ ছোৱালী ?"

ছমীৰে ক'লে, "এনেকৈ তোমাক তেনেই সৰু ছোৱালী এজনী যেন লাগে—"

"মিছা কথা কৈছা। এজনী সৰু ছোৱালীলৈ মানুহে তোমাৰ নিচিনাকৈ চাই নাথাকে।"

ছমীৰ জব্দ হ'ল। এনে ধৰণৰ ছোৱালীৰ লগত কথা কটা-কটি কৰাত ছমীৰ অভ্যস্ত নহয়। ছমীৰে অন্যফালে মুখ ঘূৰালে, আৰু কিছুপৰৰ মূৰত সুধিলে, "বাইটি কোনফালে গ'ল ?"

"আজি দেখোন মাকহে বিচাৰিছা ! মোলৈ ভয় লাগিছে নেকি ? বাৰু দিয়া, মই ডাঙৰ ছোৱালী হ'লেও তোমাৰ ভয় কৰিবলগীয়া নাই। মই তোমাক অকণো আমনি নকৰোঁ। বাৰু কেতিয়াকৈ যাবা ?" আগতকৈ যেন জীনিয়া কিছু সহজ হৈছে।

"এই যাওঁৱেই—" ছমীৰে ক'লে, আৰু বহাৰপৰা উঠিব খুজিলে।

একো নকৈ জীনিয়া ভিতৰলৈ গ'ল আৰু ভিতৰৰপৰাই চিঞৰি ক'লে, "মই চৰ্বত বাকিছোঁ দেই মামা—বহা—"

ছমীৰ বহি থাকিল। এই সময়ত তাৰ ক'তো কোনো কামো নাই, যাবলৈও অন্য ঠাই নাই। অন্ততঃ সন্ধিয়ালৈকে ইয়াতে বহি থাকিবলৈ পালে সি বেয়া নাপায়।

দ্ৰুগিলাচ চৰ্ব্বত লৈ জীনিয়া ওলাই আহিল। এগিলাচ ছমীৰলৈ আগবঢ়াই জীনিয়াই ক'লে, "চেঙা অলপ বেছি দিছোঁ। গৰম হৈছে নহয়—"

চৰ্ব্বতগিলাচ খাই খাই ছমীৰে ক'লে, "ছোৱালীবোৰে নিজকে বৰ লুকুৱাই ৰাখিব পাৰে।"

জীনিয়াই হাঁহিলে, যেন:তাইৰ জয় হৈছে। তাৰ পিছত ক'লে, "মনৰ চকুৰে চাবলৈ শিকিব লাগে। ছোৱালীবোৰতকৈ বুজিবলৈ সহজ আৰু একো নাই।"

"মন-চন মই বুজি নাপাওঁ। চকু দুটাৰে যি দেখোঁ, সেয়ে।"

"চকু নোহোৱা হ'লে তেন্তে মনেৰে মানুহে কাকো চিনিব নোৱাৰে, নহয়। মই আকৌ চকুৰে চাবই নাজানো। মনেৰে চাওঁ, সেই কাৰণেই ভুল কৰোঁ কিজানি—"

জীনিয়াৰ কথাবোৰ আজি অন্য ৰকমৰ যেন লাগিল। সি অনুভৱ কৰিলে যেন জীনিয়াই তাক কিবা এটা ক'ব খুজিছে, কিন্তু মুখ খুলি ক'ব পৰা নাই। আৰু সদায় ৰাংঢালী, আৰু গাত নলগা ধৰণে কথা কোৱা জীনিয়াজনীয়ে যে এনে ধৰণৰ কথা ভাবিব বা ক'ব পাৰে ছমীৰৰ ধাৰণাই নাছিল।

ছমীৰে কিছু চিন্তা কৰি ক'লে, "চোৱা জীনিয়া, মই ইয়াত থকাৰ কাৰণে যেনেকৈ কাৰো কোনো লাভ হোৱা নাই, মই ইয়াৰপৰা ক'ৰবালৈ গুচি গ'লেও কাৰো একো হানি নহয়—"

"তুমি কেনেকৈ জানিলা ?"

ছমীৰে জীনিয়াৰ মুখলৈ চালে।

"মই এনে ধৰণে ডাঙৰ-দীঘল হৈছোঁ যে ভাল-ভদ্ৰ সমাজৰ বহুত কথা মই বুজিব নোৱাৰোঁ। তথাপি কিন্তু এইটো কথা মই জানিছোঁ।"

জীনিয়াই খিল্‌খিলাই হাঁহি দিলে। আৰু ক'লে, "যি-বা এটা কথা জানিলোঁ বুলি ভাবিছা, সিও হ'ল ভুল। তুমি একোকে নাজানা—"

"জনাৰ মোৰ কোনো দৰকাৰো নাই।"

"তেনেহ'লে তাকে কোৱা। তুমি নিজৰ বাহিৰে অন্য কাৰো কথা নাভাবা। ভাবা জানো ?"

"আৰু কাৰ কথা ভাবিম ?" কৈ ছমীৰ বৈ গ'ল। কথাষাৰ ক'লে জীনিয়াই কিজানি খুব বেয়া পাব। 'মই জানো সঁচাকৈয়ে জীনিয়াহঁতৰ কথা নাভাবোঁ! অৱশ্যে মোৰ নিজৰ কথা ভাবিবলৈ ল'লে অন্যৰ কথা ভাবিব নোৱাৰা হৈ যাওঁ, সঁচা। কিন্তু মই নিশ্চয় মাজে মাজে অন্যৰ কথাও ভাবোঁ।'

নিজকে কোৱাদি জীনিয়াই ক'লে, "মই যে কি মুৰ্খ। মই আকৌ ভাবিছিলোঁ, তুমি কিজানি কেতিয়াবা মোৰ কথা ভাবা। অৱশ্যে মোৰ কথা ভাবিবৰ তোমাৰ কোনো দৰকাৰো নাই। বাটত চিনাকি হোৱা ছোৱালী এজনীৰ কথানো কোনে ভাবিব ?"

"জীনিয়া—"

"ওঁ, মই জানো, মোক কোনেও চিনি পাবলৈ নিবিচাৰে, বুজি পাবলৈতো নিবিচাৰেই। মোৰ লগত চিনাকি হোৱাৰ কাৰণে কিজানি তোমাৰ বৰ বেয়া লাগে নহয়। মই যে কি মুৰ্খ!"

কৈ কৈ জীনিয়া ভিতৰলৈ উঠি গ'ল।

ছমীৰো বহাৰপৰা উঠিল আৰু ক'লে, "শুনাচোন জীনিয়া—"

কিন্তু জীনিয়া নৰ'ল, তাই শোৱনি-কোঠালৈ সোমাই গ'ল, আৰু সৰু সৰুকৈ অশ্রুভাৰাক্রান্ত মাতেৰে কৈ গ'ল, "তোমাৰ কিমান টকা আছে মই কোনো দিন সোধা নাই। তোমাৰ ঘৰ-বাৰী ক'ত তাকো মই কোনো দিন সোধা নাই। তুমি ক'ৰপৰা আহিছা, ক'লৈ যাবা—মই কাহানিও জানিবলৈ বিচৰা নাই। তোমাক প্রথম দেখাৰ দিনাই মোৰ চিনাকি যেন লাগিছিল, আপোন যেন লাগিছিল, তোমালৈ মোৰ মৰম লাগিছিল। মই যে কি মুৰ্খ! মোৰ ভাল লাগিলেই যে মোক কোনোবাই ভাল পাব—তাৰ কি মানে আছে? তুমি যাবাই, নাযাবা কেলেই? মই তোমাক কেনেকৈ ধৰি ৰাখিম। তোমাক কোনে ৰাখিব পাৰিব?" ·

প্রথমে জীনিয়াৰ কথাখিনি ছমীৰৰ বুজি নোপোৱা যেন লাগিল। 'মইনো আজি জীনিয়াক এনে কি কথা ক'লোঁ যে তাই এইবোৰ কৈছে! ছোৱালীবোৰক অকণো বুজিব নোৱাৰি। কেতিয়াবা টান কথা ক'লেও জীনিয়াই হাঁহি উৰুৱাই দিয়ে, আজি আকৌ একো নোকোৱাকৈয়ে তাইৰ বেয়া পাবলৈ কি হ'ল। মই যামগৈ— সেইষাৰ কোৱাটোৱেই জগৰৰ কথা হ'ল নে?'

ছমীৰে কেউপিনে চালে। বেলি ক্রমে পৰি আহিছে। অলপ অলপ আন্ধাৰ হৈ আহিছে।

সি এবাৰ আকৌ মাতিলে, "জীনিয়া—"

কিন্তু জীনিয়াৰ কোনো উত্তৰ নাই। তাই কোঠাত সোমাই নিজে নিজে কিবাকিবি সৰু সৰুকৈ বকি আছে।

কিবা এটা ভাবিলে ছমীৰে। কিবা এটা বুজিবৰ চেষ্টা কৰিলে যেন। তাৰ পিছত সি জীনিয়াৰ কোঠালৈ সোমাই গ'ল।

খোলা খিৰিকীখনেদি বেলিৰ শেষ পোহৰ এখিনি সোমাই আহি কোঠাটোৰ ভিতৰখন কিছুমান সোণোৱালী পোহৰেৰে ভৰাই তুলিছে। খিৰিকীৰ কাষতে থকা জীনিয়াৰ বিচনাতো পোহৰবোৰ পৰিছে। আৰু ধকধকীয়া বগা বিচনা-চাদৰখন এটা ধুনীয়া পোহৰেৰে উপচি পৰিছে। আৰু সেই বিচনাখনৰে ঠেং-নামনিৰ ফালে মাটিলৈ ভৰি দুখন ওলোমাই তলৈ বিচনাত মুৰ গুজি জীনিয়া পৰি আছে, আৰু উচুপিছে। উচুপনিত তাইৰ গাটো কঁপি কঁপি উঠিছে। তাইৰ চুলিখিনি ডিঙি, পিঠি আৰু বিচনাৰ একাংশত সিঁচৰিত হৈ পৰি আছে।

ওচৰতে বৈ ছমীৰে মাতিলে, "জীনিয়া, কি হ'ল? এনেকুৱা কৰিছা কেলেই?"

জীনিয়াই একো নকৈ মুখখন বিচনাত আৰু হেঁচি ধৰি লুকুৱাবৰ চেষ্টা কৰিলে।

ছমীৰে কুঁজা হৈ জীনিয়াৰ বাহু দুটাত ধৰি উঠাই দিলে, আৰু মুখখন নিজৰ ফালে ঘূৰাবৰ চেষ্টা কৰি ক'লে, "কি হ'লনো? কান্দিছা কেলেই?"

জীনিয়াই তাৰ হাতৰপৰা নিজক এৰুৱাবৰ এটা অপ্রয়াস চেষ্টা কৰি ক'লে, "একো হোৱা নাই। তুমি যাব খুজিছা যোৱাগৈ।"

"যামগৈ। কিন্তু তোমাৰ কি হৈছে? চোৱা, মোৰ মুখলৈ চোৱা—" সি জীনিয়াৰ মুখখন দুয়ো হাতে ধৰি তাৰ ফালে ঘূৰাই দিলে। এবাৰ জীনিয়াই ছমীৰৰ

চকুলৈ চালে। তাইৰ দুয়ো চকুৰ পানী গালেদি বাগৰি আহিছে। হঠাৎ জীনিয়াই ছমীৰৰ বুকুৰ মাজত মুখটো সুমুৱাই হুকহুকাই কান্দি উঠিল। তাইৰ চুলিবোৰ ছমীৰৰ নাকে-মুখে লাগিল।

অসহায়ভাৱে ছমীৰে ক'লে, "মইনো কি কৰিলোঁ বাৰু! যদি তোমালোকে এতিয়া যাব নালাগে বুলি কোৱা, নাযাওঁ।"

জীনিয়াই উচুপি উচুপিয়ে ক'লে, "তোমাক কোনে নাযাবলৈ কৈছে! মই কেলেই ৰাখিম! মোৰ কাৰণে তুমি কেলেই থাকিবা?"

ছমীৰে জীনিয়াৰ লেউ-সেউ গাটো মৰমেৰে সাৱটি ধৰি কলে, "জীনিয়া, জীনিয়া—"

জীনিয়া যেন কিছু শান্ত হৈছিল। তাই ছমীৰৰ গাৰ কাষৰপৰা গুলাই গৈ বাঁওহাতৰ পিঠিৰে চকু দুটাৰ পানীখিনি মোহাৰিলে, আৰু শান্তভাৱে ক'লে—"মামা—"

ছমীৰে জীনিয়াৰ মুখলৈ চালে।

"মোৰ কথা সকলো তুমি জানা নহয়?"

"কি কথা জীনিয়া?"

"এই পৃথিৱীত মোৰ কোনো নাই, জানা? মোৰ মা কোন ক'ব নোৱাৰোঁ, বাবা কোন ক'ব নোৱাৰোঁ। তেওঁলোক হিন্দু আছিল নে মুছলমান আছিল নে খৃষ্টান আছিল কোনেও নাজানে। ওপজাৰ পিছতে মোক বাটৰ কাষত পেলাই দিছিল—হয়তো মৰিবৰ কাৰণে। কিন্তু মই আজিও নমৰিলোঁ, মাই মোক তুলি-তালি ডাঙৰ-দীঘল কৰিলে। হয়তো মোৰ নিজৰ মাৰ গাখীৰ খাবলৈ নোপোৱাৰ কাৰণেই মই শকত-আৱত হ'ব নোৱাৰিলোঁ। এইবোৰ কথা ইয়াৰ বহুতে জানে। তুমিও জানা কিজানি। মাই মোক ইমান বেছি মৰম কৰে যে হয়তো মোৰ নিজৰ মায়ো সিমান মৰম কৰিব নোৱাৰিলেহেঁতেন। মই জানো, মোৰ নিজৰ কথা পাহৰাই ৰাখিবৰ কাৰণেই মাই মোক মৰম কৰে। কেতিয়াবা মই পাহৰিও থাকোঁ। কিন্তু সদায় পাহৰি থাকিব নোৱাৰোঁ।"

ছমীৰে একো ক'ব নোৱাৰিলে। সি কিবা ৰকমে অনুভৱ কৰিলে যেন জীনিয়াৰ এই সকলো দুৰ্ভাগ্যৰ কাৰণে সিয়ে জগৰীয়া। বহু চেষ্টা কৰি সি কোনোমতে ক'লে, "এইবোৰ কথানো মোক কেলেই কৈছা?"

"জানো, এইবোৰ কথা শুনি তুমি বেয়া পাবা। কিন্তু পৃথিৱীৰ সকলোৰেপৰা লুকুৱাই ৰাখিলেও এই কথা মই তোমাৰপৰা কেতিয়াও লুকুৱাই ৰাখিব নোৱাৰোঁ। সকলোকে ফাঁকি দিলেও তোমাক মই কাহানিও ফাঁকি দিব নোৱাৰোঁ।"

কথাখিনি কৈ জীনিয়াই দুয়োহাতে চকু-মুখ ঢাকি আকৌ বিচনাত মুখ গুজি দিলে।

ছমীৰে জীনিয়াৰ কথাৰ অৰ্থ একো বুজিব নোৱাৰিলে। ইমানখিনি আস্থা আৰু বিশ্বাস সি কাৰোপৰা কোনো দিন পোৱা নাই। পৃথিৱীখনে তাক কাহানিও মানুহ বুলিয়ে গণ্য কৰা নাই কিজানি! কিন্তু এই অজ্ঞাত-কুলশীলা ছোৱালীজনীয়ে এইবোৰ কি কথা কৈছে!

হঠাৎ ছমীৰে এই ছোৱালীজনীৰ আগত নিজকে বৰ অসহায় অনুভৱ কৰিলে। সি মাতিলে, "জীনিয়া—"

জীনিয়াই ঘূৰি তাৰ মুখলৈ চালে, তাইৰ চকু দুটা লোতকেৰে ভৰা। ছমীৰে জীনিয়াৰ লাহী হাত দুখন নিজৰ হাতৰ মাজত ল'লে, আৰু বৰ অসহায় আৰু কাতৰভাৱে ক'লে, "মোৰো কোনো নাই, জীনিয়া! আৰু মই বৰ বেয়া মানুহ—বৰ বেয়া মানুহ।"

ছমীৰৰ মাতটো থোকাথুকি হৈছিল। সি যেন তাৰ সমগ্ৰ সত্তা দি জীনিয়াক বুজাই দিব খুজিছিল যে সি এটা বেয়া মানুহ। সি এটা গুণ্ডা। সি জীনিয়াৰ নিচিনা এজনী নিষ্পাপ, নিষ্কলুষ ছোৱালীৰ মৰম পাবৰ যোগ্য নহয়।

ছমীৰে জীৱনত কোনো দিন কন্দা নাই। কোনো দিন চকুপানী টোকা নাই। যিমানেই জীৱনত লাঞ্ছনা-গঞ্জনা পাইছে, সিমানে তাৰ মনটো বিদ্ৰোহী হৈ উঠিছে। কিন্তু এই মুহূৰ্ত্তত জীনিয়াৰ ওচৰত তাৰ মনটোৱে যেন এটা অসহায় শিশুৰ দৰে কান্দিব খুজিলে। তাৰ চকু দুটা সেমেকা যেন লাগিল।

লাহে লাহে সি জীনিয়াৰ হাত দুখন এৰি দিলে, আৰু একো নোকোৱাকৈ তলমূৰ কৰি বাহিৰলৈ ওলাই আহিল। জীনিয়াৰ নিচিনাকৈয়ে সহজভাৱে সি তাৰ নিজৰ কথাও জীনিয়াক জনাই দিবৰ চেষ্টা কৰিছিল। কিন্তু কিবা এটাই তাক বাধা দিলে। সি নোৱাৰিলে। এতিয়াও তাৰ জীনিয়াৰ ওচৰত নিজক সৰু কৰি প্ৰকাশ কৰি দিবৰ সাহস নহ'ল। সি মাথোন নিজকে কোৱাদি ক'লে, "মই এটা বেয়া মানুহ, মই এটা বৰ বেয়া মানুহ, তুমি মোৰ একো নাজানা—মই বৰ বেয়া মানুহ "

জীনিয়া একেঠাইতে থিয় দি থাকিল। তাইৰ গা-মন যেন পাতল লাগিল। তাই খিৰিকীখনেদি বাহিৰৰ ফালে চালে। লাহে লাহে তলমূৰ কৰি ছমীৰ ওলাই গৈছে। তাক জীনিয়াৰ এটা অন্য কোনোবা মানুহ যেন লাগিল।

॥ ষাঠি ॥

আৰু পোন্ধৰ দিনৰ পিছত ছমীৰৰ ঠিকাৰ কাম বন্ধ হ'ব। বৰষুণ বৰ বেছি হোৱা নাই যদিও ব'হাগৰ বিহুৰ পিছতে ডাঙৰ ধল-বৰষুণ অহাৰ সম্ভাৱনা আছে। ধল আহিলে আৰু দলঙৰ কাম চলাই থকা নাযাব।

এই সম্পৰ্কে ছমীৰে এক্‌জিকিউটিভ্‌ ইঞ্জিনীয়াৰৰ লগত পৰামৰ্শ কৰিলে। আকৌ খৰালি নহয় মানে কাম বন্ধ ৰাখিব লাগিব। প্ৰথমে ছমীৰে নিজৰপৰা দহ-বাৰ হাজাৰমান টকা খৰচ কৰিছিল। তাৰ পিছত ৰানিং বিল দি কিছু কিছু টকা আনি আছিল। কিন্তু ছয়-সাত মাহৰ কাৰণে কাম বন্ধ ৰাখিবলগীয়া হ'লে কিছুমান মানুহক টকা-পইচা দি বিদায় দিব লাগিব। সাধাৰণ বনুৱা, মহৰী আদিক দিয়াৰ উপৰিও দলং সাজিবৰ কাৰণে অনা লোহা-কাঠ আদিৰ বাবেও ভালেমান টকা দিবলগীয়া হৈ আছিল। ছমীৰে হিচাপ কৰি চাই দেখিলে যে সকলো মিলি সত্তৰ হাজাৰমান টকা আদায় দিব লাগিব। এয়া বৰ বেছি টকা নহয়। এক লাখ আশী হাজাৰ টকাৰ ঠিকা। যুদ্ধৰ পিছত বস্তুৰ দাম, বনুৱাৰ মজুৰি আদি সকলো কেইবাগুণো বাঢ়িল।

কাজেই টকাৰ মূল্য বহুত কমিল। গতিকে এক লাখ আশী হাজাৰ বৰ বেছি টকা নহয়।

দলং সজা কাম সম্পূৰ্ণ শেষ হ'লেহে ছমীৰে সকলো টকা ঘূৰাই পাব। এতিয়া নিজৰবৰীয়াকৈ খৰচ কৰিবই লাগিব।

এদিন ছমীৰে বেংকৰপৰা প'ইসত্তৰ হাজাৰ টকা উলিয়াই আনিলে। আৰু সিমানখিনি টকা নিজৰ হাতত ৰখাটো নিৰাপদ নহয় বুলি বিবেচনা কৰি বাহিৰে বাহিৰে ঠিকা লোৱা ঠাইলৈ গৈ প্ৰায় সকলোৰে পইচা আদায় কৰি দিলে।

কাঠ-লোহা আদিৰ দোকানত দিব লগা টকা দি শেষ কৰি ছমীৰৰ হাতত চাৰে চাৰি হাজাৰমান টকাহে থাকিলগৈ। অৱশ্যে ছমীৰৰ গা-মন পাতল লাগিল। সি কাৰো ওচৰত ধৰুৱা হৈ থাকিবলৈ নিবিচাৰে। ধৰুৱা হোৱা মানে আনৰ ওচৰত সৰু হোৱা।

ছমীৰ বাহিৰে বাহিৰে আহি ডাক্তৰ মহচিনৰ ঘৰত সোমাইছিলহি, কিন্তু ডাক্তৰক ঘৰত নাপালে। সি ভাবিছিল, কিছু টকা খৰচৰ কাৰণে ৰাখি, বাকী টকা কেইদিনমানৰ কাৰণে ডাক্তৰৰ হাততে থ'ব। কিন্তু ডাক্তৰক ঘৰত নাপাই সি চেনেহীৰ ঘৰ ওলালগৈ। চেনেহীৰ হাততে সি চাৰি হাজাৰ টকা থ'লে। আৰু বাকী টকা হাতখৰচলৈ বুলি নিজৰ লগতে ৰাখিলে। প্ৰায় পাঁচ শ টকা।

চেনেহীক সি কেইবা দিনো লগ পোৱা নাছিল। সি যি সময়ত আহে, সেই সময়ত চেনেহী প্ৰায়ে ঘৰত নাথাকে। আৰু সিদিনাৰ পিছত সি জীনিয়াৰ ওচৰলৈও তেনেকৈ অহা নাই। আহিলেও সাধাৰণভাৱে জীনিয়াৰ লগত কথা-বতৰা পাতি যায়গৈ।

সেইদিনাৰ গোটেই ঘটনাটো ছমীৰৰ মনত বৰ অস্বাভাৱিক যেন লাগিছিল। ছোৱালীবোৰ মাজে মাজে কিবা একৰকম হৈ পৰে কিজানি। অৱশ্যে সিদিনাৰ ঘটনাটোৱে ছমীৰৰ কিছু অপকাৰো কৰা যেন অনুভৱ কৰিলে। আজি-কালি ইচ্ছা নকৰিলেও জীনিয়াৰ কথা তাৰ মনত পৰে, আৰু জীনিয়াই নিজৰ কথাবোৰ তাৰ আগত কৈ দি কিয় কান্দিছিল, তাৰ জানিবৰ ইচ্ছা হয়। কিন্তু এই বিষয়ে সি জীনিয়াক আৰু কোনো কথা সোধাৰ প্ৰয়োজন বোধ নকৰিলে।

চেনেহীয়ে তাক বেংকৰপৰা টকা উলিওৱাৰ বিষয়ে সুধিলে। সি সকলো কথা বুজাই ক'লে, আৰু লগতে ক'লে, "ঠিকাৰ কাম বন্ধ হ'লে, কিছুদিনৰ কাৰণে মই অলপ ফুৰি আহিমগৈ।" এই কথা আগেও ছমীৰে জনাইছিল।

চেনেহীয়ে মাত্ৰ সুধিলে, "কোনফালে যোৱাৰ কথা ভাবিছনো ?"

"এতিয়াও ঠিক কৰা নাই। মোমাইটিহঁতৰ ঘৰৰ ফাললৈকে যাম বুলি ভাবিছোঁ।"

"এৰা, যাব লাগেতো। দুনিয়াত আৰু ধন ঘটাই কথা নে। আপোন পৰিয়ালৰ খবৰ-বাতৰি মাজে মাজে কৰিব লাগে। মোৰো কেতিয়াবা কেনিবা যাবৰ মন যায়। পিছে যামনো ক'লৈ ? মোৰ আকৌ যাবলৈ ঠায়েই নাই নহয়।"

যদিও কথাষাৰ লঘুভাৱেই ক'বৰ চেষ্টা কৰিলে, আৰু অলপ হাঁহিবৰো চেষ্টা কৰিলে, তথাপি চেনেহীৰ মাতটো কিন্তু কিছু গধুৰ হৈয়ে ওলাল। ছমীৰে বৰ ভাল নাপালে। তাৰ হাতত যথেষ্ট টকা থকাৰ কাৰণেও তাৰ মনটো ফুৰ্তিত আছিল আজি।

একৰকম গাত নলগা ধৰণে সি ক'লে, "মোৰ লগতে ওলোৱা, আমি বহুত দূৰ ফুৰি আহিমগৈ।"

"যাৰেই জানিবা, জীনিয়াক ক'ত থৈ যাম ?"

"জীনিয়াকো লোৱা, মোৰ কিবা টকা নোহোৱা হৈছে নে ? এতিয়াও বেংকত ঢেৰ টকা আছে, জানা ?"

এইবাৰ ৰহস্য সৃষ্টি কৰাৰ ধৰণে চেনেহীয়ে ক'লে, "ও', তোৰ লগত মা-জী দুয়োজনী ওলাই যাওঁ, আৰু ইফালে চহৰখনে ঢোল পিটক—"

"চহৰখনলৈ কোনে কেয়াৰ কৰে। আৰু আমাকনো অন্য ঠাইত কোনে চিনি পাব।"

চেনেহীয়ে ক'লে, "বাৰু হ'ব হ'ব, প্ৰথমে তয়ে ফুৰি-মেলি আহগৈ। আমি বাৰু পিছে-পৰেও যাম।"

"বাৰু, মই এতিয়া অলপ ওলাই যাওঁ—কাম আছে।"

"ও', যা। পিছে ৰাতি ইয়াতে থাবি। আৰু—" অলপ চিন্তা কৰি চেনেহীয়ে ক'লে, "ইয়াতে থাকিবি।"

"খাম বাৰু। পিছে ইয়াত নাথাকোঁ। ঘৰতে থাকিম।" ছমীৰে ক'লে।

"ঘৰত আজি তই থাকিব নালাগে।"

"কেলেই ?"

ইফালে-সিফালে চাই চেনেহীয়ে ক'লে, "বেংকৰপৰা টকা সৰহকৈ উলিয়াইছ বুলি কোনোবা কোনোবাই গম পাইছে। সকলো মানুহকে বিশ্বাসো নকৰিবি, আৰু সকলো মানুহক ভাল মানুহ বুলিও নাভাবিবি। যা বাৰু।"

ছমীৰে ক'লে, "মোৰ কিজানি ঘূৰোঁতে পলম হ'ব—"

হঠাৎ কঠিন মাতেৰে চেনেহীয়ে ক'লে, "কেলেই পলম হ'ব ? ক'লৈ যাবি।"

চেনেহীৰ মাতৰ কঠিনতাত ছমীৰ থত্‌মত্‌ খাই ৰৈ গ'ল। সি ক'ব খুজিছিল, 'য'লৈকে যাওঁ, তোমাৰ কি ?'

কিন্তু চেষ্টা কৰিও সি ক'ব নোৱাৰিলে। সি মাত্ৰ ক'লে, "ক'লৈকো নাযাওঁ, অলপ ফুৰি-মেলি আহিম।"

একেই টান মাতেৰে চেনেহীয়ে তাৰ ফালে নোচোৱাকৈয়ে ক'লে, "চাওঁ, তোৰ হাতত আৰু পইচা কিমান আছে ?"

সৰু ল'ৰা এটাৰ দৰে ছমীৰ ৰৈ দিলে। চেনেহীয়ে ক'লে, "আজি-কালিৰ দিনত জেপত পাঁচ শ টকা লৈ ৰাতি ফুৰিবলৈ যোৱাটো ভাল কথা নহয়। তইহে নাজান, এইখন চহৰতো তোৰ শত্ৰু আছে। যাৰ হাতত যিমান বেছি টকা থাকে, তাৰ শত্ৰুও সিমান বেছি। হোঁ, এই কুৰি টকা লৈ যা, বাকীখিনি থৈ যা মোৰ হাততে। হ'ব ?"

ছমীৰৰ চোলাৰ জেপৰপৰা টকা উলিয়াই কুৰিটা তাৰ ফালে আগবঢ়াই দি চেনেহীয়ে ক'লে।

ছমীৰে ক'লে, "অলপ দৰকাৰ আছে। আৰু বিশ টকামান দিয়া—"

চেনেহীয়ে আৰু দুখন দহটকীয়া ন'ট তাক দিলে।

ছমীৰ লাহে লাহে ওলাই গ'ল। তাৰ ফালে নোচোৱাকৈয়ে চেনেহীয়ে অলপ

সৰুকৈ ক'লে, "বেয়া ঠাই-চাইলৈ নাযাবি। সোনকালে ঘূৰি আহিবি। আজি আকৌ জীনিয়াও ঘৰত নাই। ক্লাচৰ ছোৱালী এজনীয়ে মাতি নিছে। তাতে থাকিব। মোৰ টোপনি খতি নকৰাবি।"

আলিবাটত উঠি ছমীৰৰ খোজ খৰ হ'ল। তাৰ যেন বিশেষ দৰকাৰত ক'ৰবালৈ যাবলগীয়া আছে। অলপ পৰৰ পিছতে সি আন্ধাৰৰ মাজত হেৰাই গ'ল।

এটা আনন্দত চেনেহীৰ মুখখন উজ্জ্বল হৈ উঠিল। 'আজি প্ৰথম মই ছমীৰক ভাবি দিলোঁ। হয়তো সি বেয়া পালে—পাওক।'

টকাখিনি নি চেনেহীয়ে নিজৰ বাকচত ভৰাই থ'লে, আৰু ৰাতিৰ সাজৰ কাৰণে বজাৰ কৰিবলৈ ছমীৰৰ ঘৰত থকা ল'ৰাটোকে পঠিয়াই দিলে। আজি ছমীৰক খাবলৈ মাতিছে, অলপ ভাল ৰন্ধা-বঢ়া কৰিব লাগিব। আজি ৰাতি আৰু কোনোৱে বিচাৰি নাহিলেই হয়।

॥ এষষ্ঠি ॥

ৰাতি বৰ বেছি হোৱা নাছিল। আলিবাটেদি তেতিয়াও মানুহবোৰে অহা-যোৱা কৰি আছিল, ছমীৰ আগবাঢ়িছিল। ক'লৈ যাব সি একো ঠিক কৰা নাছিল। অকলশৰীয়া এটা মানুহৰ যোৱা—লক্ষ্যহীন যোৱা। এই বিষয়ে বিশেষ ভাবিবলগীয়া একো নাই।

গৈ থাকোঁতে তাৰ মনত পৰিল যে আজি ভালেমান দিন সি মায়াৰ ঘৰলৈ যোৱা নাই। মায়াৰ কথা তাৰ বৰ কমহে মনত পৰিছে। 'সঁচাই, ইমানদিন মই মায়াৰ ঘৰলৈ নোযোৱাকৈ কেনেকৈ আছিলোঁ বাৰু? মোৰ কি হৈছিল যে মই মায়াক এই কেইদিন একেবাৰে পাহৰি আছিলোঁ।' সি ভাবি চালে। সি দেখিলে সঁচাকৈয়ে ইতিমধ্যে তাৰ জীৱনত সৰু-সুৰা বহুত কিবাকিবি ঘটিল, সেইবোৰেই তাক তাইৰ কথা ইমানদিন মনত নপৰাকৈ ৰাখিলে। কামত লাগি থাকিলে মানুহে কিজানি এনেকৈয়ে সকলোকে পাহৰি থাকিব পাৰে।

অলপ খৰকৈয়ে সি মায়াৰ ঘৰৰ ফালে আগবাঢ়িল। হঠাৎ এটা কথা সি আৱিষ্কাৰ কৰিলে—'মায়া মোৰ কোনো নহয়। মায়া মোৰ একো নহয়। মায়াৰ কথা মনত ৰখাৰ মোৰ কোনো প্ৰয়োজন নাই। যি মোৰ একো নহয়, তাৰ কথা মোৰ কিয় মনত থাকিব? পাভৰ কথা আজিও মই পাহৰিব পৰা নাই। আজিও মোৰ মনত আছে, কাৰণ পাভক—যাঃ, পাভক আৰু কি? তাইতো মোৰ কথা এবাৰো মনত নেপেলালে! তাইতো লোকৰ লগত বিয়া হৈ গ'ল—মোৰ কাৰণে বাট নাচালে। হওক, মই কিন্তু পাহৰিব পৰা নাই। ছোৱালীবোৰনো কি? চকুৰ আঁতৰ হ'লেই মনৰো আঁতৰ হৈ যায়।'

পাভৰ কথা মনত পৰাৰ লগে লগে তাৰ মায়াৰ ঘৰলৈ যোৱাৰ আগ্ৰহটো কমি আহিল। 'পাভৰ নিচিনাকৈ কোনোৱে মৰম কৰিব নাজানে। পাভজনী যে কি সাংঘাতিক। তাইৰ কিছুমান কথা মই এতিয়াহে বুজি পাইছোঁ।'

মায়াৰ ঘৰৰ ওচৰ পাওঁতে ৰাতি কিছু হৈছিল। চহৰৰ অন্য ঠাইৰ মানুহ প্ৰায়বোৰ তেতিয়া শুইছিল। অৱশ্যে মায়াহঁত থকা গলিটোৰ কাষত তেতিয়া এক বেলেগ জীৱন আৰম্ভ হৈছিল। এই অঞ্চলৰ নৈশ-জীৱনত এটা উন্দাম, অশ্লীল কাৰুণ্য আছে। কোনোবাই যেন এখন মৰিশালিত বহুত চাকি জ্বলাইছে। কোনোবা মৰা শ'ই যেন নাচিছে, কোনোবা মৃতকৰ প্ৰেতাত্মাই যেন কিবা এটা বিকট, বেসুৰা গান গাইছে—গানবোৰৰ কথাবোৰ নিৰ্লজ্জভাৱে অশ্লীল, কিন্তু তাৰ অন্তৰ্নিহিত আবেদনটো যেন কান্দোনৰ দৰেই মৰ্ম্মদাহী।

এনেকুৱা কোনো দিন লগা নাছিল ছমীৰৰ। সি বৰ নিৰুৎসাহ অনুভৱ কৰিলে।

হঠাৎ তাৰ মনত লাগিল যেন কোনোবা তাৰ পাছে পাছে আহি আছে—হাতত সাৰে ভৰিত সাৰে। সি ঘূৰি নাচালে। নিৰ্ব্বিকাৰভাৱে আগবাঢ়িবৰ চেষ্টা কৰিলে সি। 'মোৰ পাছে পাছে জুতিজনী কিয় আহি আছে বাৰু? এইডোখৰ বৰ বেয়া ঠাই—জুতি ইয়ালৈ আহিব নালাগিছিল।' বতাহ-জাকত যেন জুতি জুতি কিবা এটা মৃদুভাৱে গোন্ধাইছিল। সি ৰ'ল, সি ঘূৰি চালে। নাই, কোনো নাই। অকলে অকলে সি আহি আছে, আৰু তাৰ পাছে পাছে আহি আছে তাৰ ক'লা ছাঁটো।

'কিবোৰ যে ভাবি আহিছোঁ আজি। জুতি আকৌ আহিব কিয়? জুতি এতিয়া ঘৰত আছে। তাই কিয়, তাইৰ ছাঁটোও মোৰ লগত অহা নাই।'

বেগাই গৈ ছমীৰ মায়াৰ পদূলি-মূৰ পালেগৈ।

মায়াৰ ঘৰলৈ অহাত সি কোনো চাঞ্চল্য অনুভৱ কৰা নাছিল—এয়া লক্ষ্যহীন অহা—নিষ্প্ৰাণ, গতানুগতিক। মায়া সদায় আছে, নিৰ্ব্বিশেষে। মায়াৰ পদূলিত তাৰ কাৰণে কোনো নঙলা-জপনা নাই।

মায়াৰ ঘৰৰ দুৱাৰখন বন্ধ আছিল। ভিতৰত এটা লেম জ্বলি আছে। ঘৰটোৰ ভিতৰত এটা অশ্লীল নিস্তব্ধতা।

দুৱাৰখন হেঁচা মাৰি ছমীৰ সোমাই গ'ল। "মায়া—" ডাঙৰকৈয়ে সি মাতিলে।

প্ৰথমতে কাৰো মাত শুনা নগ'ল। তাৰ পিছত সি শুনিলে যেন মায়াৰ ঘৰৰ পাছফালৰ দুৱাৰখন নিঃশব্দে মুকলি হৈছে। আৰু কোনোবা মানুহ এটা হাতত সাৰে ভৰিত সাৰে ওলাই গৈছে।

ছমীৰ চকীখনতে বহিল, অকলশৰে বহিবলগীয়া হোৱাত তাৰ অলপ অস্বস্তি লাগিল। আকৌ সি মাতিলে, "মায়া—"

ভিতৰৰপৰা উধাতু খাই অহাদি মায়া সোমাই আহিল। ছমীৰে তাইলৈ চকু দাঙি চালে। তাই মুখখনত ততাতৈয়াকৈ পাউডাৰ ঘঁহি আহিছে। কাপোৰ-কানিবোৰ শোট-মোচ, চুলিবোৰ অলপ আউলী-জাউলী।

তাইৰ অপ্ৰস্তুত অৱস্থাটো দেখি যেন ছমীৰে আমোদ পালে।

এটা শুকান, নিষ্প্ৰাণ হাঁহি ওঁঠত বিৰিঙাই মায়াই তাৰ ফালে চাই ক'লে, "অ' তুমি! ইমানদিন ক'ত আছিলা? মই বোলোঁ মোক পাহৰিয়ে গ'লা কিজানি।"

ছমীৰে তাইৰ মুখলৈ চাই থাকিল—একো নক'লে।

মায়া অলপ তাৰ ওচৰলৈ আহিল, আৰু মাতটোত আত্মীয়তা মিহলাই ক'লে, "তোমালোক মন্তা মানুহবোৰৰ মৰম-ধৰম একো নাই। ইমানদিন বাৰু কেনেকৈ নহাকৈ থাকিব পাৰিলা!"

তাৰ পিছত বাৰাঙ্গনাৰ ভ্ৰূকুটি চকুৰ চাৱনিত সানি তাৰ মুখলৈ চাই ক'লে, "আজি-কালি অন্য কাৰোবাৰ ওচৰলৈ যোৱা নেকি?"

তাইৰ শেষৰ কথাষাৰত যেন তাৰ খং উঠি গ'ল। কঠিনভাৱে তাইৰ মুখলৈ চাই সি সুধিলে, "পাছ-দুৱাৰেদি যে ওলাই গ'ল সেইটো কোন?"

মায়া সামান্য অপ্ৰস্তুত হ'ল। কিন্তু পিছ-মুহূৰ্ত্ততে নিজক সামৰি লৈ হাঁহি ক'লে, "তুমি কেনেকৈ জানিলা?"

আৰু কঠিনভাৱে ছমীৰ চিঞৰি উঠিল :

"মায়া—"

ভয় খোৱা যেন দেখুৱাই মায়াই ক'লে, "তোমাক যে আৰু কোনে কেনেকৈ সন্তুষ্ট ৰাখিব পাৰিব মই আজিও বুজিব নোৱাৰিলোঁ। মই পাছফালে বহি আছিলোঁ। তোমাৰ মাত শুনি দৌৰা-দৌৰিকৈ ওলাই আহিছোঁ। তুমি জানো ক'ৰ কাক দেখিলা।"

একেই কঠিন মাতেৰে ছমীৰে ক'লে, "মই আহিবৰ সময়ত তোমাৰ ঘৰৰ ভিতৰত কোনোবা এটা নাছিল?"

এটা কুটিল হাঁহি মাৰি মায়াই ক'লে, "দিনে-ৰাতিয়ে মই অকলে অকলে ঘৰটোৰ ভিতৰত সোমাই থাকোঁ। তুমিও নাহা আজি-কালি। কেতিয়াবা কোনোবা আহি যদি দুআষাৰ কথা-বতৰা পাতোঁহি, তাতেনো তুমি বেয়া পাব লাগে নে?"

"মই কৈছিলোঁ নহয়, ইয়ালৈ অন্য কাকো আহিবলৈ নিদিবা!"

"কৈছিলা। পিছে এমাহ-ডেৰমাহ তুমি এবাৰো অহা নাই। মই কেনেকৈ চলিম?"

ছমীৰৰ হঠাৎ খং উঠি গ'ল। সি বহাৰপৰা উঠিল। তাৰ অনুমান তেনেহ'লে ঠিক। সি নথকা সময়ত মায়াৰ ঘৰলৈ আন মানুহ আহে। তাৰ মাতটো আৰু কঠিন হৈ ওলাল, "মই নাথাকোঁতে ইয়ালৈ কোন আহে?"

একেই নিৰ্ভীকতাৰে হাঁহি, তাৰ চকুলৈ চাই মায়াই ক'লে, "যেয়ে আহক, সেইবোৰনো তোমাক কেলেই? আজি অতদিনৰ মূৰত আহিছা, মোৰ লগত কাজিয়া কৰিম বুলি ঠিক কৰি আহিছিলা হ'বলা। আহা, ভিতৰলৈ আহা। ইয়াতে বৈ থাকিব নালাগে।"

এবাৰ কঠিনভাৱে মায়াৰ চকুলৈ চালে ছমীৰে, একো নক'লে। মায়া আহি তাৰ কাষতে থিয় হ'ল, আৰু তাৰ বাউসিত হাতখন থ'লে। ছমীৰে এছাৰ মাৰি মায়াৰ হাতখন এৰুৱাই দি তাইৰ ফালে ঘূৰিল—"তই—তই—"

এইবাৰ তাৰ মূৰ্ত্তি দেখি মায়াই অলপ ভয় খালে। কিন্তু ভয়টো লুকুৱাই তাই ক'লে, "আজি-কালি তোমাৰ লগত যে আছে সেইজনী কোন ছোৱালী?"

"কোন ছোৱালী আছে মোৰ ঘৰত?"

"জানো! মই দেখিছোঁ নে কিবা! কোৱাহে শুনিছোঁ বোলে মহচিন ডাক্তৰে আশ্ৰমত থকা ছোৱালী একনী তোমাক বন্দবস্ত কৰি দিছে। তুমি টকা থকা মানুহবনো কি? ব'তে-ত'তে ছোৱালী পাবা।"

কৈয়ে মায়া ভিতৰলৈ সোমাই গ'ল। অলপ সময় থৰ লাগি বৈ থাকি ছমীৰো তাইৰ কোঠাটোলৈ সোমাই গ'ল।

ছমীৰে দেখিলে গাৰ কাপোৰ থহাই মায়া বিচনাতে ওপৰলৈ মুকৈ পৰিছে। তাইৰ যেন বৰ দুখ আৰু ভাগৰ লাগিছে। এইটো মুহূৰ্ত্তত ছমীৰৰ মন গৈছিল যেন শুই থকা মায়াজনীক ডিঙিত টেপা-মাৰি মাৰি পেলাব। 'আজি আহি পোৱাৰপৰা তাই মোক অপমান কৰিছে। আৰু মোক প্ৰৱঞ্চনা কৰিও তাই অকণো ভয় কৰা নাই। তাইতো মোক কোনোবা দিনা বিহ দি মাৰি পেলাব! কি ভয়ানক এই মায়াজনী।'

সি বিচনাখনৰ কাষ চাপি গ'ল। দেহোপজীৱিনীৰ অভ্যস্ত কৌশলেৰে ছমীৰৰ কামনাক আকৰ্ষণ কৰিবৰ চেষ্টা কৰি তাই চকু মুদি পৰি আছে। তাই যেন এজনী শান্ত-শিষ্ট ভাল ছোৱালী!

অলপ সময় ছমীৰে মায়াৰ গাটোৰ ফালে চাই থাকিল। এটা ঘৃণাৰে তাৰ মনটো হঠাৎ ভৰি উঠিল। 'অলপ সময়ৰ আগতে মাথোন তাইৰ এই বিচনাখনৰপৰাই অন্য এটা মানুহ উঠি গৈছে। তাক পাছ-দুৱাৰেদি পঠিয়াই দি, তাই আকৌ মোৰ লগত অভিনয় আৰম্ভ কৰিছে।'

সি মায়াৰ মুখখনলৈ চালে। দৈহিক অত্যাচাৰ আৰু অকাল বাৰ্দ্ধক্যৰ ৰেখা গালে-মুখে স্পষ্ট হৈ উঠিছে। মুখখন খীণাই সৰু হৈ গৈছে। চকুৰ গুৰিবোৰ বেয়া ৰকমে ক'লা পৰিছে। তাইৰ পাতল ওঁঠ দুটা শেঁতা, শুকান আৰু নিৰস। তাইৰ ডিঙিটো খীণ, দুডাল নীলা সিৰৰ মাজেদি উশাহ-নিশাহ অহা-যোৱা কৰি আছে। কৃত্ৰিম উপায়ে ফুলাই ৰাখিবৰ চেষ্টা কৰা তাইৰ বুকুখন জাৰ্মাৰি গৈছে। তাত লাগি আছে মুকুলিত যৌৱনৰ অপমৃত্যুৰ স্বাক্ষৰ। যিটো দেহাক মূলধন কৰি তাই জীয়াই থকাৰ বেহানি কৰিছে, সেইটো দেহায়েই তাইক অকালতে প্ৰৱঞ্চনা কৰাৰ অভিসন্ধি কৰিছে।

ছমীৰৰ মনটো দমি গ'ল। ডিঙিত টিপা দি এই ছোৱালীজনীক মাৰি পেলোৱাটো তেনেই সহজ কথা! হয়তো তাইক তাইৰ নিজৰপৰা ৰক্ষা কৰিবৰ কাৰণে মাৰি পেলোৱাই উচিত। অকণমান, খীণ এটা ডিঙি, অকণমান উশাহ-নিশাহ। এটা টিপাৰ বেছি দৰকাৰ নহয়।

লাহে লাহে ছমীৰে অনুভৱ কৰিলে যে অলপ আগৰ তাৰ মনৰ ঘৃণাৰ ভাবটো ক্ৰমাত তাইৰ প্ৰতি পুতৌলৈ পৰিৱৰ্ত্তিত হৈছে। 'জ্যোতি আৰু মায়া দুয়োজনী একে ছোৱালী। মায়া জ্যোতিতকৈ বেয়া নহয়। জ্যোতিক যদি মই ঘিণ নকৰাকৈ পাৰোঁ, মায়াকো ঘৃণা কৰাৰ কোনো কাৰণ নাই।'

মায়াই চকু দুটা আধা-মেলাকৈ তাৰ মুখলৈ চালে। তাইৰ মুখৰ ফালে ৰ' লাগি চাই থকা দেখি তাই যেন অলপ বিস্মিত হ'ল। চকু দুটা তাই ডাঙৰকৈ মেলি দিলে, আৰু তাৰ মুখখনৰ অবোধ্য ভাবটো বুজিবৰ চেষ্টা কৰিলে। ছমীৰে যেন বহুত দূৰৰপৰা তাইৰ ফালে চাই আছে আৰু তাইক চিনিব পৰা নাই।

মায়াই সোঁহাতখন ওপৰলৈ দাঙি তাৰ ফালে আগবঢ়ালে, আৰু সৰুকৈ ক'লে, "থিয় হৈ আছা কেলেই, আহা—"

ছমীৰে মায়াৰ খীণ হাতখনৰ ফালে চালে। আজিহে সি প্ৰথম দেখিলে যে ৰূপৱতী, স্বাস্থ্যৱতী বুলি অতদিনে ভাবি থকা এই ছোৱালীজনী তেনেই নিশকতীয়া। তাইৰ গা-মুখৰ গঢ়-গঠন ধুনীয়া, কিন্তু তাইৰ দেহাটো তেনেই লাহী। পীড়নে পীড়নে তাই ৰূপ-যৌৱন হেৰুৱাই পেলাবলৈ আৰম্ভ কৰিছে।

ছমীৰে মায়াৰ হাতখন নিজৰ হাতৰ মাজত ল'লে, আৰু তাইৰ মুখৰ ফালে চাই, কি কৈছে ভালকৈ নুবুজাকৈয়ে সৰুকৈ ক'লে, "ছোৱালীজনীৰ নাম জ্যুতি।"

তাৰ কথাষাৰ বুজি নোপোৱাৰ দৰে মায়াই সুধিলে, "কি কৈছা ?"

হুঁটা-মুটাকৈ ছমীৰে ক'লে, "জ্যুতিও তোমাৰ নিচিনাই। বাৰু, মই এতিয়া যাওঁ।"

সি মায়াৰ হাতখন এৰি দিলে। জেপত হাত দি সি তিনিখন দহটকীয়া ন'ট উলিয়ালে, আৰু বিচনাখনৰ ওপৰতে থৈ এবাৰো ঘূৰি নোচোৱাকৈ মায়াৰ ঘৰৰপৰা ওলাই আহিল। বিস্মিত আৰু হতভম্ব হৈ মায়াই তাৰ যোৱাৰ ফালে চাই থাকিল।

ছমীৰৰ কিবা এটাৰ কাৰণে বৰ ঘিণ লগা যেন লাগিছিল। সি যেন বৰ বেয়া বস্তু এটা ছুই আছিল, আৰু হঠাৎ চাই দেখিলে যে বস্তুটো অতি ঘিণ লগা। নিজক মুক্ত কৰিবৰ কাৰণেই যেন সি বেগাই খোজ দিব ধৰিলে। তাৰ ভয় লগাৰ নিচিনা লাগিল। আলিবাটৰ দুয়োকোষে সৰু সৰু লেতেৰা ঘৰবোৰত বীভৎস হাঁহি-খিকিন্দালি, অশ্লীল কথোপকথন আৰু চিঞৰ-বাখৰ হৈছে। ছমীৰে কোনোফালে নাচাই খোজ আগুৱাই দিলে। হঠাৎ তাৰ মনত পৰিল অন্য এটা ৰাতিৰ কথা, অন্য এখন চহৰৰ কথা, এটা ডাক্তৰ মাতিবলৈ যোৱা স্কুলীয়া ল'ৰাৰ কথা। সেইদিনা সেই সৰু ল'ৰাটোৰ গাত বল আছিল। মনত সাহস আৰু আত্মবিশ্বাস আছিল। আজি ছমীৰৰ যেন গা-মনৰ বল নোহোৱা হৈ গৈছে। আজি কোনোবাই তাক আগচি ধৰিলে সি একোকে কৰিব নোৱাৰিব।

তাৰ কি হৈছে সি বুজিব নোৱাৰিলে। মাত্ৰ অনুভৱ কৰিলে যে কিবা এটা অজানিত কাৰণত তাৰ বৰ ভয় লাগিছে। 'অলপ মদ খাই নল'লে আৰু মই এখোজো যাব নোৱাৰিম'—সি নিজকে ক'লে, আৰু বিলাতী মদ বেচা দোকানখনলৈ সোমাই গ'ল।

ডাঙৰ দোকান—'ৰয়-চৌধুৰী-নাগ এণ্ড কোম্পানী।' পুৰণি দোকান। বহুত বিভাগ আছে। কাপোৰ-কানি, খাদ্য-বস্তু, ইংৰাজী কিতাপ-আলোচনী, ঘৰ সজা সৰঞ্জাম, ঔষধ, বিলাতী মদৰপৰা আৰম্ভ কৰি শাক আৰু ফুলৰ গুটিলৈকে। সাধাৰণতে চাহ-বাগানৰ মালিক, মেনেজাৰ আদি আৰু দূৰ-ওচৰৰ ধনী মানুহে ইয়াৰ বস্তু কিনে। আৰু তেওঁলোকে থাউকতে পাব পৰাকৈ সকলো ধৰণৰ বস্তু ইয়াত মজুত ৰাখে।

চিনাকি দোকান। বিশেষ ইতস্ততঃ নকৰি ছমীৰ দোকানলৈ সোমাই গ'ল। তেতিয়া তাৰ হাতত দহোটা টকা আছিল। কিন্তু লাগিলে তাক হাজাৰ টকাৰ বাকী দিবলৈও বেয়া নাপায়, কাৰণ ছমীৰক মিলিটাৰী ঠিকাদাৰ বুলি দোকানৰ মেনেজাৰ, চে'লছ্‌মেন সকলোৱে জানে।

মদ বেচা কাউণ্টাৰলৈ গৈ ছমীৰে এবটল মদ দিবলৈ ক'লে। লগতে ক'লে, "লিখি ৰাখিব—"

হাঁহি চেল্‌ছ্‌মেনজনে ক'লে, "আৰু কিবা লাগিব নেকি ?"

ছমীৰে এবাৰ চিন্তা কৰি চালে। কি কিনিবলগীয়া আছিল তাৰ মনত নপৰিল। একেবাৰতে আৰু দুবটলমান মদ সি লৈ যাব নেকি ভাবিলে, কিন্তু একো নিশ্চয় কৰিব নোৱাৰি ক'লে, "এতিয়া আৰু একো নালাগে।"

দোকানীজনে বটলটো এখন কাগজত মেৰিয়াই ছমীৰলৈ আগবঢ়াইছিল, এনেতে সি দেখিলে সিফালৰ ঔষধ বেচা কাউণ্টাৰৰ ফালৰপৰা হাতত পেকেট এটা লৈ ডাক্তৰ মহচিন তাৰ ফাললৈকে আহিছে।

ছমীৰে বৰ বিব্ৰত বোধ কৰিলে। কিন্তু তেতিয়া একো কৰিবৰ বা নকৰিবৰ উপায় নাছিল। সি বটলটো হাতত ল'লে, আৰু সেইখিনিৰপৰা আঁতৰি আহিব খুজিলে। কিন্তু তেতিয়া ডাক্তৰ মহচিন আহি তাৰ কাষেই পাইছেহি। ছমীৰে নাৰ্ভাচ নহ'বৰ চেষ্টা কৰি গহীন হোৱাৰ প্ৰয়াস কৰিলে। কিন্তু পৰিস্থিতিটো সহজ কৰি দি ডাক্তৰে ক'লে, "এ, ছমীৰ নেকি ? হ'ল নে বস্তু-বাহানি কিনা ? ঘৰলৈকে যাবা নহয় ? ব'লা, ময়ো যাম।" দুয়ো দোকানৰপৰা ওলাই আহিল। ডাক্তৰে ক'লে, "এটা ইন্‌জেক্‌চন্‌ লগা হ'ল। ক'তো পাবলৈ নাই। ভাগ্যে যেনিবা ইয়াত পালোঁহি। তুমি ক'ৰপৰা আহিলা।"

ছমীৰে ক'লে, "আজি আবেলি মই আপোনাৰ তালৈ গৈছিলোঁ।"

"হয় নেকি ? আজি আবেলি কিয় প্ৰায় গোটেই দিনটোৱেই মই ঘৰত নাছিলোঁ। এৰা, তোমাক ভালেকেইদিন লগ পোৱা নাই। ব'লা, মোৰ তালৈকে যাওঁ। অন্য ক'ৰবালৈ যাব লগা নাই নহয় ?"

"চেনেহী বাইটিয়ে তেওঁৰ তাতে খাবলৈ কৈছে—"

"অ' বাৰু যাবা। ৰাতি বহুত হ'ল নেকি ?"

তাৰ পিছত ডাক্তৰে ষ্ট্ৰীট লাইটৰ পোহৰত নিজৰ হাতৰ ঘড়ীটো চাই ক'লে, "এ, বহুত ৰাতি হ'ল। এৰা, আৰু অলপ দেৰি হোৱা হ'লে, দোকানেই বন্ধ হ'লহেঁতেন। দাৱাইৰ দোকান কাৰণেহে ইমান ৰাতিলৈকে খোলা আছে।"

মদৰ বটলটো ছমীৰৰ বৰ গধুৰ যেন লাগিল। এইদৰে ডাক্তৰক লগ পাই যাব বুলি সি একেবাৰে আশা কৰা নাছিল। ঠিক ডাক্তৰৰ ওপৰত নহয়, কিন্তু পৃথিৱীখনৰ ওপৰত তাৰ খং উঠিল। 'স্বতন্ত্ৰভাৱে কিবা এটা কৰিবলৈ ল'লেই পৃথিৱীখনে কেউফালৰপৰা বাধাৰ সৃষ্টি কৰে কেলেই। অকলে অকলে নিজৰ মতে থাকিম বুলি ইয়ালৈ আহিলোঁ। ইয়াতো আকৌ ভাল মানুহৰ উপদ্ৰৱৰপৰা ৰক্ষা নাই! এই ভাল মানুহবোৰৰ বেয়া মানুহবোৰক ভাল কৰিবলৈ বিচাৰি ফুৰাটো এটা বেমাৰ। এই মানুহবোৰ নোহোৱা নহয় মানে আমাৰ শান্তি নাই।'

ডাক্তৰে ক'লে, "ছমীৰ, অকণমান এইখিনিতে সোমাই যাওঁ আহা। দহ মিনিটৰ বেছি নহয়। মানুহ এজনৰ অসুখ—এবাৰ চাই যাওঁ। যাবা ?"

নাযাওঁ বুলি কওঁ বুলিও ক'ব নোৱাৰিলে ছমীৰে। এটা সৰু গলিয়েদি দুয়ো আগবাঢ়িল। আগে আগে ডাক্তৰ, পাছে পাছে ছমীৰ। ছমীৰে যেন নিজৰ ইচ্ছা-শক্তি হেৰুৱাই পেলাইছিল। এইদৰে ডাক্তৰৰ পাছে পাছে গৈ তাৰ অস্বস্তি লাগিছিল।

ষ্ট্রীট লাইটৰ কিছু নিলগত অলপ আন্ধাৰত চাপৰ খেৰী ঘৰ এটালৈ দুয়ো আগবাঢ়িল। ঘৰটো আলিৰপৰা কিছু নামনিত আৰু চাল্লিশ মিটাৰমান দূৰত।

দুৱাৰ-মুখত বৈ ডাক্তৰে মাতিলে, "আইকণ—"

দুৱাৰমান মতাৰ পিছত দুৱাৰখন মেল খালে। আৰু হাতত টিপ-চাকি এটা লৈ এজনী মানুহ দুৱাৰখনৰ একাষৰীয়াকৈ থিয় দি ৰ'ল। ছমীৰক দেখি মানুহজনীয়ে গাৰ কাপোৰ-কানি অলপ ঠিক কৰি ল'বৰ চেষ্টা কৰিলে। কিন্তু এবাৰ চকু দাঙি চায়ে ছমীৰ স্তম্ভিত হৈ গ'ল। মানুহজনীৰ গাত একেবাৰে মলিয়ন আৰু ছিঁৰালিফটা কাপোৰ-কানি। তাইৰ মুখ যেন শুকান, চুলিবোৰ ৰুক্ষ আৰু আউলী-জাউলী, খীণাই মানুহজনীৰ হাড়-ছালহে আছেগৈ।

"ভিতৰলৈকে আহা ছমীৰ", ডাক্তৰে ক'লে।

ডাক্তৰৰ পাছে পাছে ছমীৰো ভিতৰ সোমাই গ'ল।

মানুহজনীয়ে চাকিটো আনি অকণমান মেজখনৰ চুক এটাতে থ'লে। আৰু কোঠাত থকা নাল এৰোৱা কাঠৰ চকী দুখন চাফা কৰি বহিবলৈ দিলে।

কোঠাটো ঠেক আৰু আন্ধাৰ। বেৰবোৰৰ মাটি এৰোৱা। ঘৰৰ চালবোৰ ধোঁৱা আৰু আলাদ্ধু লাগি ক'লা হৈছে। মজিয়াৰপৰা নে ঘৰৰ ভিতৰৰপৰা এটা সেমেকা আৰু ভেঁকুৰা গোন্ধ ওলাইছে। গোন্ধটোৰ লগত ডেটল, আয়ডিন, পিঁয়াজ আদিৰ এটা দুঃসহ মিহলি গোন্ধ ওলাইছে। ইয়ালৈ ডাক্তৰে তাক কিয় আনিলে সি বুজিব নোৱাৰিলে।

তাৰ অস্বস্তি লাগিল। আৰু বিশেষকৈ এই খীণ, লেতেৰা মানুহজনীয়ে দুজনকৈ মানুহ দেখিও কিয় নিশ্চলভাবে থিয় দি বৈ আছে, সি বুজিব নোৱাৰিলে।

"ববাৰ ক'ত আছে ?" ডাক্তৰে সুধিলে।

"সিটো কোঠাত আছে—" মানুহজনীয়ে ক'লে।

'চাও' আহাচোন—" ডাক্তৰৰ আগে আগে চাকিটো লৈ মানুহজনী কাষৰ কোঠাটোলৈ গ'ল। মাজে মাজে ফটা আৰু ৰছী এডালৰপৰা অসহায়ভাৱে ওলমি থকা লেতেৰা পৰ্দা-কাপোৰখন একাষৰীয়া কৰি ডাক্তৰো সিটো কোঠালৈ গ'ল। আন্ধাৰত কোঠাটোত বৈ থকাৰ পৰিৱৰ্ত্তে ছমীৰো পাছে পাছে গ'ল।

এখন জৰাজীৰ্ণ তক্তা-পোছত এখন লেতেৰা বিচনা। গাঁৰু, বিচনা-চাদৰ, তোছক, সকলোবোৰ ঘিণ লগাভাৱে মলিয়ন। বহুকাল কিজানি সেইবোৰে পানী-চাবোন একো দেখা নাই।

হাতত চাকিটো লৈ মানুহজনী বিচনাখনৰ কাষতে থিয় দি ৰ'ল। ওচৰতে থিয় দিলে ডাক্তৰ মহচিন আৰু তেওঁৰ কিছু আঁতৰত ছমীৰ।

বিচনাখনত খীণাই হাড়-ছাল ওলোৱা এজন মানুহ প্ৰায় থৰ লাগি পৰি আছে। মানুহজনৰ ডিঙিলৈকে এখন পাতল লেতেৰা কাপোৰ মেলি দি থোৱা আছে। মানুহজনৰ মুখত এঁখিনি ডাঢ়ি, মূৰটো তপা আৰু আভঁজা। চকু দুটা কোটৰত সোমোৱা। মানুহটোৱে যেন বৰ কষ্টেৰে হে উশাহ-নিশাহ লৈছে।

"বাপধন"—ডাক্তৰে মানুহজনক মাতিলে।

"বাবা—" লগে লগে মানুহজনীয়েও মাতিলে।

মানুহজনীৰ মাতটো শুনি যেন মানুহটোৱে সাৰ পালে। সি দুৰ্ব্বল চকু দুটা মেলি চালে।

"বাপধন—চাওঁ, এতিয়া কেনেকুৱা আছা—"

মানুহটোৰ নিশকতীয়া হাতখন ডাক্তৰে নিজৰ হাতত ল'লে, আৰু নাড়ী চালে।

ছমীৰে মানুহজনৰ মুখলৈ চালে। মানুহজনক তাৰ চিনি পোৱা যেন লাগিল। ক'ৰবাত মানুহজনক সি কেতিয়াবা দেখিছিল। কিন্তু ক'ত দেখিছিল তেতিয়াই তাৰ মনত নপৰিল।

মানুহটোৱে কিবা এটা মুখ ফুটাই ক'বৰ চেষ্টা কৰিলে, কিন্তু নোৱাৰিলে। সি মাত্র হাতেৰে তাৰ বুকুখন দেখুৱালে আৰু মুখৰ ভঙ্গিৰে বুজাবৰ চেষ্টা কৰিলে যে তাৰ বৰ কষ্ট হৈছে।

ডাক্তৰে দোকানৰপৰা কিনি অনা ঔষধটো উলিয়াই অলপ গৰম পানী অনাই মানুহটোক এটা ইন্‌জেক্‌চন্‌ দিলে। তাৰ পিছত কোঠাৰপৰা ওলাই আহিল, আৰু ক'লে, "আহা ছমীৰ—"

তিনিও ইটো কোঠালৈ আহিল। এবাৰো কথা নোকোৱাকৈ মানুহজনীয়ে ডাক্তৰৰ মুখলৈ চালে। ডাক্তৰে ক'লে, "কাইলৈ মই আকৌ আহিম। বেজী দিছোঁ, কি হয় চোৱা যাওক—"

তাৰ পিছত জেপৰপৰা উলিযাই ডাক্তৰে পাঁচটকীয়া ন'ট এখন মানুহজনীৰ হাতত দিলে আৰু ক'লে, "আমি এতিয়া যাওঁ।"

তেতিয়াও মানুহজনীয়ে এষাৰ কথাও নক'লে। কিন্তু হাতত চাকিটো লৈ দুৱাৰৰ একাষে থিয় হৈ মানুহজনীয়ে শুকান চকু দুটা মেলি এনেধৰণে অসহায়ভাৱে ডাক্তৰৰ মুখলৈ চালে যে দেখি ছমীৰ চৰগ পৰা মানুহৰ দৰে বৈ গ'ল। জীয়া মানুহৰ চকুত এনেকুৱা মৰণকাতৰ কৰুণতা সি কোনো কাহানিও দেখা নাছিল। এই মানুহজনী যেন মৰিবলৈ ওলাইছে, আৰু সেই নিশ্চিত মৃত্যুৰ কবলৰপৰা পৃথিৱীৰ একোৱে তাইক ৰক্ষা কৰিব নোৱাৰিব বুলি তাই দৃঢ়-নিশ্চিত। মানুহৰ চকুত একে সময়তে ইমান ভয়, ইমান বেদনা, ইমান অসহায়তা প্রকাশি উঠা সি ক'তো দেখা নাই। এটা মুহূর্ত্তৰ চাৱনিতে এই মানুহজনীৰ সমগ্ৰ জীৱনৰ ইতিহাস যেন ছমীৰে দেখা পালে। নগ্ন দাৰিদ্ৰ্য, কদৰ্য্য অভাৱ, অমানুষিক কায়িক শ্ৰম আৰু অনাহাৰ-অৰ্দ্ধাহাৰে যেন এই মানুহজনীৰ জীৱনটোক চেপি-খুন্দি শেষ কৰি আনি মৰণৰ দুৱাৰ-ডলি পোৱাইছেহি।

তলমূৰ কৰি ডাক্তৰৰ পাছে পাছে ছমীৰ গুচি আহিল। হয়তো সি মানুহজনীক যাওঁ বুলি কৈছিল, কিন্তু মাতটো তাৰ ডিঙিৰপৰা নোলাল। দুয়ো আহি আলিবাটত উঠিলহি। তেতিয়াও যেন ছমীৰৰ নাকত ডে'টল, আয়ডিন আৰু পিঁয়াজৰ মিহলি গোন্ধটো লাগি আছিল।

ডাক্তৰ মহীচনে ক'লে, "মানুহজনৰ নাম বাপধন আলি। বৰ গৰিব মানুহ। আগেয়ে ইমান গৰিব নাছিল। ভাল মানুহৰে ল'ৰা আছিল। বাপেকৰ একমাত্ৰ ল'ৰা আছিল। বাপেক মৰাৰ পিছত টকা-পইচা সকলো উৰুৱাই দিলে। কেইবা ঠাইতো কামো কৰিছিল। পিছে ক'তো সৰহ দিন থাকিব নোৱাৰে।

মানুহটোৰ স্বভাব বেয়া হ'ল। যাৰে-তাৰেপৰা টকা ধাৰ কৰে আৰু ঘুৰাই দিব নোৱাৰে। মাটি-বাৰী, বস্তু-বাহানি বেচি, বন্ধক দি শেষ কৰিলে।"

কথাবোৰ ডাক্তৰে গাত নলগা ধৰণে কৈ গৈছিল।

ছমীৰে ইমান পৰৰ মূৰত সুধিলে, "মানুহজনী কোন ?"

ডাক্তৰে যেন হাঁহিলে—ক'লে, "মানুহজনী নহয়, ছোৱালীজনী। তাই বাপধনৰে জীয়েক, বৰ বেছি দিনৰ ছোৱালী নহয়। বাইশ-তেইশ বছৰমান হৈছে কিজানি—"

"বাইশ তেইশ বছৰ।" আচৰিত হৈ ছমীৰে ক'লে।

"দেখিলে বয়স বহুত যেন লাগে। বৰ ধুনীয়া ছোৱালী আছিল—দুখে দুখে এনেকুৱা হৈছে।"

"মানুহজনৰ আৰু কোনো নাই নেকি ?"

ডাক্তৰে ক'লে, "ছোৱালীজনীতকৈ ডাঙৰ দুটা পুতেক আছিল। বাপেকৰ স্বভাৱ-চৰিত্ৰ ভাল নেদেখি দুয়োটা আঁতৰি গ'ল। ছোৱালীজনীয়েহে তাক এৰি যোৱা নাই।"

ধান-কলটো পাৰ হোৱাৰ পিছত সিহঁত বৰ-আলিত উঠিল। ইয়াত যেন বৰ মুকলি লাগিল ছমীৰৰ।

মানুহবোৰ প্ৰায় সকলো শুইছে। বহল আলিবাটটোৰ ওপৰত নিজৰ নিজৰ চিন্তাত মগ্ন দুজন মানুহ—এজন বুঢ়া, আনজন ডেকা। এটা দুৰ্বোধ্য বাতি।

কিছু সময় নীৰৱে কাটি গ'ল। মদৰ বটলটো তেতিয়াও ছমীৰৰ হাতত আছিল। আৰু বটলটো তাৰ বৰ গধুৰ লাগিছিল। তাৰ নিজৰ খোজবোৰো গধুৰ লাগিছিল।

ডাক্তৰে ক'লে, "বাপধনৰ আৰু ভাল হোৱাৰ আশা নাই।"

"তেওঁৰ কি হৈছেনো ?" ছমীৰে সুধিলে।

"বেমাৰ তেনেকৈ একো নায়েই। কিন্তু কম বয়সৰপৰা বৰ বেছিকৈ মদ খাবলৈ ল'লে। মদ খাই খাই মাটি-বাৰী, সা-সম্পত্তি সকলো উৰুৱাই দিলে। সেইবাবেই পুতেকহঁতো আঁতৰি গ'ল। নগ'ল মুঠেই আইকণ। তাইৰো বেচেৰীৰ কম দুখ হোৱা নাই। মানুহৰ ঘৰত কাম কৰে, কাম নাপালে কেতিয়াবা খুজি-মাগিও আনে। বাপেকক ভাত খুৱালেই নহয়, মদৰ খৰচো দিব লাগে তায়েই। লঘোনে আৰু আধা-পেটীয়াকৈ থাকি থাকি তাই গাভৰু ছোৱালীজনী বুঢ়ী যেন হ'ল। তাৰ উপৰি পইচা-পাই আনি নিদিলে গালি-শপনি, মাৰ-কিলো খাব লাগে তাই।"

"তায়ো গুচি নাযায় কেলেই ?"

"কিছুমান বৰ আচৰিত ছোৱালী থাকে। বহুতেই তাইক ককায়েকহঁতৰ লগলৈ বা ক'ৰবালৈ গুচি যাবলৈ কৈছে। কিন্তু তাই যাবলৈ মান্তি নহয়। তাই কয়, 'মই এৰি গুচি গ'লে, বাবা খাবলৈ নাপাই মৰিব, নহ'লেবা ক'ৰবাত ভিক্ষা কৰিবগৈ। ল'ৰা-ছোৱালী জীয়াই থাকোঁতে বাপেকক মগনীয়া হ'বলৈ এৰি দিব নাপায়'।"

ছমীৰৰ চকুৰ আগত সেই খীণ, লেতেৰা মানুহজনীৰ কৰুণ আৰু অসহায় চাৱনিটো ভাহি উঠিল। আৰু ভাহি উঠিল আইকণৰ বাপেক বাপধনৰ মৰণৰ ছায়া পৰা শুকান মুখখনৰ ছবিখন।

ডাক্তৰৰ কথাবোৰ যেন সি একো বুজা নাই।

দুয়ো আহি আহি ডাক্তৰৰ ঘৰৰ ওচৰ পালেহি।

ডাক্তৰে ক'লে, "ৰাতি কিছু হ'ল। এতিয়া জানো মোৰ ভাত অকণমান সোমাবা ?"

ছমীৰে কিন্তু ছোৱালীজনীৰ কথাকে ভাবি আছিল। সি সুধিলে, "মানুহজন ভাল নহ'ব নেকি ? তেও' মৰি থাকিলে পিছে ছোৱালীজনীয়ে কি কৰিব ?"

"অ' বাপধনৰ কথা সুধিছা ? মদ খাই খাই তাৰ লাংচ্ একেবাৰে নষ্ট হৈ গৈছে। এতিয়া একো খাবও নোৱাৰে। হজমী শক্তি নোহোৱা হৈছে। তাতে দাঁতবোৰো সকলো সৰি গ'ল। বাপধন বৰ বেছি বয়সীয়া মানুহ নহয়। পঞ্চাশমানেই হোৱা নাই কিজানি। কিন্তু অনবৰত অত্যাচাৰ কৰি থাকিলে নিজৰ দেহায়ো বিদ্ৰোহ কৰে বুজিছা। দাৰাই, ইন্জেক্চন যি হয় দিছোঁ। কিন্তু নিজে মাতি অনা মৰণক আৰু বেজী দি খেদাব পাৰি নে ?"

মানুহজনৰ মৰণৰ বিষয়ে ডাক্তৰে কথাখিনি ইমান নিৰ্লিপ্তভাৱে ক'লে যে ছমীৰৰ বেয়াই লাগিল। ডাক্তৰ হ'লেই মানুহৰ ৰোগ আৰু মৃত্যু সম্পৰ্কে ইমান নিৰ্ব্বিকাৰ হ'ব লাগে নে ? বাপেক মৰিলে ছোৱালীজনীৰ কি অৱস্থা হ'ব, সেই বিষয়ে যেন ডাক্তৰৰ অকণো চিন্তা কৰিবলগীয়া নাই।

নিজৰ ঘৰৰ পদূলি-মুৰ পাই ডাক্তৰ মহচিন ৰ'ল। আৰু একেবাৰে সহজ আৰু সাধাৰণভাৱে, কিন্তু মাতটো কঠিন কৰি তেও' ক'লে, "চাও', মদৰ বটলটো মোক দিয়া—"

ছমীৰে থত্মত্ খালে। ডাক্তৰৰ নিচিনা নম্ৰ আৰু ভদ্ৰ এজন মানুহে তাক ইমান কঠিনকৈ কথা ক'ব পাৰিব, সি ভাবিবই পৰা নাছিল। সি আচৰিত হ'ল। কিন্তু ডাক্তৰৰ সম্মুখত তাৰ সকলো শক্তি হঠাৎ নোহোৱা হৈ যোৱা যেন পালে। যন্ত্ৰ-চালিতৰ দৰে বটলটো সি ডাক্তৰৰ ফালে আগবঢ়াই দিলে।

তাৰ ফালে নোচোৱাকৈয়ে ডাক্তৰে ক'লে, "আল্লাই আমাক একো নিদিব পাৰে, কিন্তু আমাক যে মানুহ কৰি জন্ম দিছে, তাতকৈ ডাঙৰ কথা আৰু একো নাই। মদ খাই, বজ্জাতি কৰি মানুহ গুচি জানোৱাৰ হ'বৰ কাৰণে আল্লাই মানুহক মানুহ কৰা নাই। নিজৰ জীৱনটো নিজেই ধ্বংস কৰি পেলালে কোনোৱে ৰক্ষা কৰিব নোৱাৰে। বাপধন মৰিবই, কিন্তু তুমি কেলেই আওমৰণেৰে মৰিবলৈ ওলাইছা ? তোমাক মই মৰিবলৈ এৰি নিদিওঁ। এতিয়া যোৱাগৈ। অন্য ক'লৈকো নাযাবা, চিধা চেনেহীৰ ঘৰলৈ যাবাগৈ। তেও' তোমাৰ কাৰণে বাট চাই থাকিব পায়।"

আৰু অকণো নৰৈ, হাতত মদৰ বটলটো লৈ ডাক্তৰ মহচিন নিজৰ ঘৰলৈ সোমাই গ'ল। অলপ সময় বিমূঢ়ভাৱে থিয় দি থাকি ছমীৰেও চেনেহীৰ ঘৰৰ ফালে খোজ দিলে। তাৰ বৰ লাজ লাগিল। হাজাৰ-বিজাৰ মানুহৰ মাজত যেন সি উলঙ্গ হৈ আছে—অতি নিৰ্লজ্জভাৱে।

॥ বাষষ্ঠি ॥

ডাক্তৰ মহচিনৰ কঠিন মাতটো আৰু কঠিন কথাকেষাৰ তাৰ কাণত এতিয়াও বাজি আছে। 'তুমি কেলেই আওমৰণেৰে মৰিবলৈ ওলাইছা? তোমাক মই মৰিবলৈ এৰি নিদিও'।...

'মৰিবলৈ ওলাইছোঁ! মদ খালে মানুহ মৰে নেকি? কেনেকৈ মৰে? সেই বাপধন নামৰ বুঢ়াটোৰ নিচিনাকৈ? মই তাক চিনি পাইছোঁ। এয়া সিদিনা মাথোন, ঈদৰ আগদিনা, বাপধনে আহি মোৰপৰা জাকাতৰ টকা বিচাৰি নিছিল। তাক মই ত্ৰিশ টকা ৰূপে দিছিলোঁ। সি কৈছিল ল'ৰা-ছোৱালীক ঈদৰ কাপোৰ-কানি দিবৰ কাৰণে সি মোৰপৰা জাকাত বিচাৰিছে। কিন্তু মই নিশ্চয়কৈ জানো সেই ত্ৰিশ টকাৰ সি কাকো কাপোৰ-কানি কিনি নিদিলে। হয়তো গোটেইখিনি টকাৰে সি মদ খালে। আৰু সৰহকৈ মদ খাই তাৰ নষ্ট হৈ থকা লাংচ্‌কেখন একেবাৰে ধ্বংস কৰি পেলাই এতিয়া মৰিবলৈ ওলাইছে।...

তোমাক মই মৰিবলৈ এৰি নিদিও'।... মোৰ কাৰণে যমৰ লগত যুঁজিবলৈ ওলোৱা কোনোবা এজন বীৰৰ এয়া যেন আশ্বাসবাণী, এয়া বজ্ৰ ঘোষণা!'

ছমীৰে বেগাই খোজ দিব ধৰিলে। পাছৰ ফালে চাবলৈ তাৰ ভয় লাগিল। যেন মাংসৰ লেশমাত্ৰও নথকা দুখন অস্থি-সৰ্বস্ব দীঘলীয়া বদাকাৰ হাতে তাৰ বুকুৰ মাজৰপৰা প্ৰাণটো উলিয়াই নিবৰ কাৰণে আগবাঢ়ি আহিছে, আৰু ডাক্তৰ মহচিনে সেই হাত দুখনক বাধা দিব খুজিছে। আৰু সি নিজে বৰ অসহায় হৈ পৰিছে। অকলে আলিবাটেদি খোজকাঢ়ি গৈ থাকিবলৈ তাৰ ভয় লাগিল। সি যেন দৌৰি গৈ ডাক্তৰ মহচিনৰ ওচৰ পাবগৈ আৰু তেওঁৰ বুকুত সোমাই ক'ব, 'মোক ৰক্ষা কৰক, মৃত্যুৰপৰা মোক ৰক্ষা কৰক।'...

চেনেহীৰ ঘৰ নাপাওঁ নাপাওঁ যেন লাগিল তাৰ। সি কেউপিনে চালে। ক'তো কোনো নাই। ইমান অকল সি। তাৰ মনত লাগিল যেন সি বহুত দিনৰপৰা অকলে অকলে খোজকাঢ়ি আহি আছে, আৰু সি এখন তেনেই আচহুৱা আৰু অচিনাকি দেশৰ মাজেদি চেনেহীৰ ঘৰকে বিচাৰি বহু দূৰ আহি আছে। কিন্তু এতিয়াও তাৰ চেনেহীৰ ঘৰ পাবলৈ আৰু বহুত দূৰ বাকী আছে।

'বাপধন মৰিবই! ইমান সোনকালে মানুহ মৰে নে? সিদিনাহে মানুহটোৱে মোৰপৰা টকা খুজি নিছিল। কিন্তু বাপধন মৰিলে জীয়েকজনী ক'লৈ যাব? তাই কি কৰিব? তায়ো কিজানি মৰি থাকিব! তাইক কিন্তু কোনোৱে এজনী গাভৰু ছোৱালী বুলি বিশ্বাস নকৰে। ইমান খীণ আৰু নিৰস ছোৱালীজনী! তাই যদি কেনেবাকৈ হাৰ্ট ফেল কৰি মৰি থাকে, বাপেকটোৱে বাৰু কি কৰিব! নহয় বাপেক আগেয়ে মৰিব, তাৰ পিছতহে মৰিব তাই। বাপেক মৰি গ'লে, আৰু ভালকৈ খাব-পিন্ধিবলৈ পালে তাই কিজানি নমৰিবও পাৰে।'

'এৰা, তাই নমৰাহে ভাল। তাই গাভৰু ছোৱালী, দুখীয়া কাৰণেহে তেনেকুৱা

হৈছে। তাই নমৰে।' হঠাৎ ছমীৰে এনেয়ে ক'লে, "মই তোমাক মৰিবলৈ নিদিও"।" অৱশ্যে কি কৈছিল সি নিজেই বুজা নাছিল। আৰু থৰকৈ খোজ দি সি আহি চেনেহীৰ দুৱাৰ-মুখত ৰ'লহি। আৰু শুকান মাতটোৰে মাতিলে, "বাইটি—"

"সোমাই আহ—" চেনেহীয়ে ক'লে।

চেনেহীয়ে তাৰ মুখলৈ চালে। ছমীৰ অলপ ঘামি আহিছে। তাৰ মুখত কিবা এটা ভয়ৰ চিন তেতিয়াও লাগি আছে। বহুত দূৰৰপৰা ক্লান্ত হৈ অহাৰ নিচিনা লাগিল ছমীৰক।

প্ৰথমে চেনেহীয়ে একো নক'লে। তাৰ পিছত শান্তভাৱে ক'লে, "ইমান ৰাতি কৰিলি যে, ক'লৈনো গৈছিলি ?"

একো নকৈ ছমীৰে একেথৰে চেনেহীৰ মুখলৈ চাই ৰ'ল। চেনেহীয়ে মাথোন বুজিবৰ চেষ্টা কৰিলে ছমীৰে মদ খাই আহিছে নেকি ? কিন্তু তাক মদ খাই অহা যেন নালাগিল।

"ভাতকে উলিয়াওঁগৈ নে চাহ-চৰ্ব্বত কিবা খাবি এতিয়া ?"

"এগিলাচ চেঁচা পানী দিয়া। পিয়াহ লাগিছে।" সংযত আৰু আত্মস্থ হ'বৰ চেষ্টা কৰি ছমীৰে ক'লে। চকীখনত নবহি সি বিচনাখনতে বহিল আৰু চিগাৰেট এটা জ্বলালে।

চৰ্ব্বত এগিলাচ চেনেহীয়ে আনি দিলে, আৰু ক'লে, "তই বহ, মই ভাত-পানীৰ দিহা কৰোঁগৈ—"

"ভাত অলপ পিছত খাম, বহাচোন—" ছমীৰে ক'লে।

"ৰাতি বহুত হ'ল নহয়, ক'ববাত কিবা খাই আহিছ জানো ?"

ছমীৰৰ আভোক আভোক লাগিছিল। আৰু এইটো মুহূৰ্ত্তত তাৰ খোৱা-বোৱাৰ কথা একেবাৰে মনলৈ অহা নাছিল। ডাক্তৰৰ ওচৰত ইমান বাধ্য আৰু দুৰ্ব্বল হৈ দিয়াৰ কাৰণে এতিয়াহে তাৰ লাহে লাহে খং উঠি আহিছিল। কিন্তু খং ডাক্তৰৰ ওপৰত উঠা নাছিল, উঠিছিল তাৰ নিজৰ ওপৰতে।

একো নকৈ চেনেহী তাৰ ওচৰতে বহিল। অলপ সময় নীৰৱতাৰ মাজেদি কাটি গ'ল। কিবা এটা কওঁ কওঁ কৰি সি অন্য কিবা এটা সুধি পেলালে, "জীনিয়া নাই ?"

"অৰ্থানিয়ে তোক কোৱা নাই জানো ? তাইক আজি ৰাখিলে, নাহিল।"

সি চেনেহীৰ ফালে ঘূৰিল। চেনেহীয়ে তাৰ মুখলৈ চালে।

"বাইটি ?"

"হোঁ—"

"তুমি জানা, তুমি মোৰ বাইটি নোহোৱা আৰু ময়ো তোমাৰ ভায়েৰ নহওঁ—"

"পিছে কি হ'ল ?"

"জীনিয়া মোৰ একো নহয় ?"

"নহয় জানিবা, পিছে—"

"আৰু ডাক্তৰ মহচিনো মোৰ একো নহয়—?"

"ডাক্তৰ মোৰো একো নহয়—" শান্তভাৱে চেনেহীয়ে ক'লে।

"কিন্তু তোমালোক সকলোৱে মোক ইমান মৰম কৰা কেলেই ?"

চেনেহীৰ চকু-মুখৰ ওপৰেদি এটা দেখ-নেদেখ তৃপ্তিৰ ৰেখা বাগৰি গ'ল।

"তই বেয়া পাইছ নেকি ?"

"ও', মই বেয়া পাইছোঁ। মৰম কৰি মোক তোমালোকে ভাল মানুহ কৰিব খুজিছা। কিন্তু মই ভাল মানুহ নহয়। আৰু মই ভাল মানুহ হ'বলৈও নিবিচাৰোঁ।"

"কোনেনো ক'লে তই ভাল মানুহ নহয় বুলি।"

"মই জানো নহয়। মই মদ খাওঁ, মই বেয়া কাম কৰোঁ, মই—"

"ও', হৈছে হৈছে। মই ভাত বাঢ়োঁগৈ। তোৰ লাগক-নালাগক মোৰ ভোক লাগিছে। কথা-বতৰা পিছতো পাতি থাকিম। গোটেই ৰাতিটো আছে। অ' তোৰ চিঠি এখন আহিছে। আনো ৰহ—" কৈ চেনেহী উঠি গ'ল আৰু চিঠিখন আনি ছমীৰৰ হাতত দি ভাত বাঢ়িবলৈ ৰান্ধনিশাললৈ গ'ল।

চিঠিখন হাতত লৈ কিছু সময় ছমীৰ অনিশ্চিতভাৱে বহি ৰ'ল।

তাৰ পিছত লাহে লাহে চিঠিখন খুলিলে। প্ৰথমে আখৰখিনি তাৰ অচিনাকি যেন লাগিল। তাৰ পিছত সি পঢ়ি গ'ল। চমু চিঠি, সৰু মোমায়েকে লিখিছে। বহু প্ৰয়ত্নে তাৰ ঠিকনা বিচাৰি লৈ চিঠিখন লিখিছে। অন্য বিশেষ খবৰ নাই। এটা অতি জৰুৰী দৰকাৰত ছমীৰক যিমান সোনকালে হয় এবাৰ মাতি পঠিয়াইছে। অতি জৰুৰী দৰকাৰ। পলম কৰিলে হয়তো পিছত ছমীৰৰ বহুত ক্ষতি হ'ব।

প্ৰথমে চিঠিখন পঢ়ি ছমীৰৰ বিশেষ কোনো ভাবান্তৰ নহ'ল। কি জৰুৰী দৰকাৰ হ'বনো আৰু ? হয়তো টকা-পইচাৰ দৰকাৰ পৰিছে। নহ'লেনো আৰু কি হ'ব ? সি বিশেষ ভাবিবৰ চেষ্টা নকৰিলে।

চেনেহীয়ে তাক ভাত খাবলৈ ভিতৰলৈ মাতি লৈ গ'ল। চিঠিখন বিচনাতে এৰি সি ভিতৰলৈ উঠি গ'ল।

ভাত খাই থাকোঁতে চেনেহীয়ে সুধিলে, "কোনে দিছে চিঠি ?"

"সৰু মোমাইটিয়ে।"

"কি লিখিছে ? ভাল নে সকলোৱে ?"

"বৰ জৰুৰী দৰকাৰ, মোক মাতি পঠিয়াইছে।"

"কি দৰকাৰ লিখা নাই ?"

"একো লিখা নাই। আৰু, লিখিলেও আৰু পোন্ধৰ-বিশ দিনমানৰ ভিতৰত মোৰ যাব পৰাৰ আশা নাই। কাম বহুত আছে।"

"কাইলৈ তেনেহ'লে সেইবুলি চিঠিকে এখন লিখি দে। আৰু তই যে কেনিবা ফুৰিবলৈ যাব খুজিছিলি, আগেয়ে মোমায়েকৰ ঘৰৰপৰা আহি যাবি।"

ছমীৰে ক'লে, "বাৰু হ'ব কিবা এটা।"

ভাত খাই ছমীৰ বাহিৰৰ কোঠালৈ ওলাই আহিল। ৰান্ধনিশাল সামৰি আৰু অলপ সময়ৰ পিছত তামোলৰ বটা লৈ চেনেহীও আহিল।

তামোল এখন মুখত ভৰাই ছমীৰে এটা চিগাৰেট জ্বলাই হুপিব ধৰিলে।

এইবাৰ চেনেহীয়েই কথা আৰম্ভ কৰিলে, "তইহে নালাগে, তই এনেকৈ আমাৰ

আপোন হৈ পৰাৰ কাৰণে অইন মানুহো আচৰিত হৈছে। বহুতে বহুত কিবাকিবি কৈছেও। সেইবাবেই হ'বলা তই বেয়া পাইছ। কি কৰিম, আমি ইমান দুৰ্ভগীয়া যে দুনিয়াত আমি কাৰোবাক মৰম কৰিবৰ কাৰণেও উপযুক্ত নহও।"

"কোনে কি কয় মই কাণ নিদিওঁ। আৰু মানুহৰ কিবা কোৱালৈ মোৰ কোনো ভয়ো নাই। কিন্তু—"

"বুজিছোঁ। তোক আমি আপোন বুলি ভাবিলেই তয়ো যে আমাক আপোন বুলি ভাবিবি, তাৰ কি অৰ্থ আছে! আপোন ভাবিয়ে তোক তয়াঁ-হ'ম্না কৰোঁ। তই যে বেয়া পাব পাৰ মই ভবাই নাছিলোঁ। জীনিয়াই আকৌ তোক যে কি বুলি ভাবে তাইহে জানে। আজিলৈকে মোৰ বাহিৰে তাই কাৰো মৰম পোৱা নাই। সেইদেখি তোলৈ ইমান হেঁপাহ। তাই বৰ অবুজ, কাৰো ওপৰত মান-অভিমান কৰিবও নাজানে।"

কঠিন মাতেৰে ছমীৰে ক'লে, "বাইটি, এইবোৰ কি কৈ আছা?"

"কি ক'ম আৰু। এইবোৰ আমাৰ কথা কৈছোঁ। তই হয়তো মনতে ভাব, তোৰহে কিবা দুখ আছে, আমাৰ নাই! তই মোৰ কথা জানই। সমাজত মোৰ মান-সন্মান একো নাই। অকল ধাই বুলি নহয়, মোৰ জাতি-কুল, আই-বোপাইৰ কোনো ঠিক-ঠিকনা নাই কাৰণে। বহুত দিন পিছত মোৰ মাও মৰা বুলি শুনিছোঁ। ভাল হ'ল মা মৰি থাকিল। মাৰ ভিনিহিয়েকেই হেনো আছিল মোৰ দেউতা। পিছে মই তেওঁক কোনো দিন দেখা পোৱা নাই। তেওঁক চিনি পাবৰ ইচ্ছাও মোৰ নাই। কি হ'ব চিনি পাই? যাৰ কাৰণে নিজৰ সন্তানতকৈ সন্মান ডাঙৰ, তাক মানুহ বুলি গণ্য কৰিব পাৰি নে? ভালেই হ'ল মোক খৃষ্টান কৰিলে। এতিয়া সকলোৰে পিতা যিশুকে মোৰ নিজৰ পিতা বুলি ভাবোঁ। যিশুৰো তো পিতাক নাছিল। তেওঁ হেনো ঈশ্বৰৰ পুত্ৰেক, ঈশ্বৰ তেওঁৰ পিতাক। যাৰ কোনো পিতাক নাই, ঈশ্বৰে তাক নিজৰ সন্তান বুলি লয়। ঈশ্বৰতকৈনো ভাল আৰু ডাঙৰ পিতা আৰু কোন হ'ব?"

চেনেহীয়ে যেন কথাবোৰ নিজকে কৈছিল। সেই সময়ত ছমীৰৰ চেনেহীক অন্য এজনী মানুহ যেন লাগিছিল।

ছমীৰে ক'লে, "মই আল্লা-ঈশ্বৰ-মানুহ একোকে বিশ্বাস নকৰোঁ।"

"ছিঃ, নাপায় ক'ব তেনেকৈ! আল্লা-মানুহ একোকে বিশ্বাস নকৰিলে মানুহ কি লৈ জীয়াই থাকিব?"

"কোনো দৰকাৰ নাই। মানুহ নিজে নিজে এনেয়ে জীয়াই থাকিব। কি হ'ব মানুহৰ কথা ভাবি বা আল্লাৰ কথা ভাবি? আল্লা-মানুহ কোনোৱে আমাৰ মনৰ দুখ বুজি নাপায়—"

চেনেহীয়ে বৰ মৰমেৰে হাত এখন ছমীৰৰ কান্ধত লাহেকৈ থ'লে আৰু ক'লে, "দুখ নোহোৱা কোনো মানুহ আজিও পৃথিৱীলৈ অহা নাই। কিন্তু সেইবাবেই জানো আমি আল্লা আৰু মানুহৰ ওপৰত বিশ্বাস হেৰুৱাই পেলাব লাগে? আমাৰ জীৱনত সুখৰ বিদৰে দৰকাৰ, দুখৰো দৰকাৰ থাকিব পাৰে—"

কান্ধত থকা চেনেহীৰ হাতখনে যেন ছমীৰক কিছু শান্ত কৰি পেলালে। ছমীৰে ক'লে, "কোনো দৰকাৰ নাই। আমাৰ দুখৰ কোনো দৰকাৰ নাই।"

"দুখ পাওঁ কাৰণেই আমি আমাৰ পাপৰ চিন্তা কৰোঁ।"

"কিন্তু মই যদি পাপ নকৰাকৈয়ে দুখ পাবলগীয়া হৈছে, তাৰ বাবে মই মানুহ আৰু আল্লাক জগৰীয়া নকৰিম কিয় ?"

"মই সিমানবোৰ কথা নাজানো ছমীৰ। শিক্ষা-দীক্ষা মোৰ নাই। কিন্তু জীৱনত মই এটা কথা দেখি দেখি শিকিছোঁ—"

ছমীৰে চেনেহীৰ মুখলৈ উৎকণ্ঠাৰে চালে। চেনেহীয়ে ক'লে, "বহুতে ভাবে মই যিটো কাম কৰি ফুৰোঁ, সেইটোৱেই পৃথিবীৰ আটাইতকৈ বেয়া কাম। মই লাজ-ঘিণ-ভয় একো নকৰি, ধনী-দুখীয়া উচ্চ-নীচ নাভাবি, হিন্দু-মুছলমান-খৃষ্টান পাহৰি গৈ মানুহৰ সন্তানৰ জন্মলাভত সহায় কৰি দিওঁ। মাতৃৰ পেটৰ কেঁচা তেজেৰে মোৰ হাত লুতুৰি-পুতুৰি হয়। কিন্তু প্ৰতিটো শিশুৰ জন্মৰ পিছত যেতিয়া মই কেঁচুৱাটো দুয়োহাতে দাঙি মোৰ কোঁচত ভৰাই লওঁ, মোৰ মনত লাগে যেন এই প্ৰত্যেকটি নতুন শিশুৱেই একোটি যিশু আৰু প্ৰতিজনী মাকেই একোগৰাকী কুমাৰী মেৰী। জানিছ ছমীৰ, আটাইতকৈ সঁচা কথা হ'ল যে জন্মৰ সময়ত সকলো মানৱ-শিশু একে হৈ ওপজে—তাৰ কোনো ধৰ্ম্ম নাই, জাতি নাই, উচ্চ নাই, নীচ নাই—বৈধ নাই, অবৈধ নাই। কিমান যে পবিত্ৰ আৰু সুন্দৰ মানুহৰ নতুনকৈ ওপজা সন্তান। সেই কাৰণেই কেতিয়াবা মই ভাবোঁ মানুহক মোতকৈ ভালকৈ কোনোৱে চিনি নাপায়, কোনোৱে চিনি পাব নোৱাৰে।"

চেনেহীৰ কথাত ছমীৰে আকৌ নিজৰ কথাৰ আঁত হেৰুৱাই পেলালে। হুঁটা-মুটাকৈ সি ক'লে, "তুমি সেইদৰে ভাবিব পাৰা, কাৰণ সেই নতুনকৈ হোৱা ল'ৰা-ছোৱালীবোৰ তোমাৰ একো নহয়। কিন্তু তোমাক যেতিয়া তোমাৰ মাই জন্ম দি কোলাত লৈছিল বা মোক মোৰ বৌটিয়ে প্ৰথমে কোলাত লৈ মোৰ মুখলৈ চাইছিল, তেতিয়া তেওঁলোকে তোমাক বা মোক একোটি সৰু যিশু বুলি ভাবিব পাৰিছিল নে ? কেতিয়াও পৰা নাছিল। তেওঁলোকৰ কাৰণে তুমি বা মই আছিলোঁ তেওঁলোকৰ দুৰ্ভাগ্যৰ সাক্ষী। আমাৰ জন্মৰ মুহূৰ্ত্তেতে তেওঁলোকে আমাক অভিশাপ দিছিল—তেতিয়াই মৰিবৰ কাৰণে—"

"ছিঃ ছিঃ ছমীৰ, মোৰ লগত তোক বিজাইছ কেলেই ? মই বৰ দুৰ্ভগীয়া। মোৰ মাও দুৰ্ভগীয়া আছিল—"

হঠাৎ ঘূৰি ছমীৰে চেনেহীৰ ডিঙিত এটা সৰু ল'ৰাৰ দৰে সাৱটি ধৰিলে, আৰু হুকহুকাই উচুপি উঠিল।

চেনেহী বিব্ৰত হৈ পৰিল। হঠাৎ ছমীৰৰ কি হ'ল !

অতি মৰমেৰে তাৰ মূৰে-পিঠিয়ে হাত ফুৰাই দি চেনেহীয়ে ক'লে, "তই আকৌ কান্দিছ কেলেই ! তোৰ কি হ'ল—?"

কথাষাৰ যেন ছমীৰৰ বুকুৰ মাজৰপৰা ওলাই আহিব খোজা নাছিল। বহু কষ্ট কৰি, খোকাথুকি মাতেৰে, চেনেহীৰ বুকুৰ মাজত অসহায়ভাৱে মূৰ গুজি ছমীৰে কোনোমতে ক'লে, "ময়ো তোমাৰে নিচিনা—তোমাৰে নিচিনা। মোৰো কোনো বাবা নাই।"

হঠাৎ যেন চেনেহীৰ চকুৰ আগৰ এখন ৰহস্যময় আন্ধাৰ পৃথিৱী চাঁত কৰে নোহোৱা হৈ গ'ল। কেউপিনে যেন মুকলি মুকলি, পোহৰ পোহৰ লাগিল।

চেনেহীৰ বুকুৰ ভিতৰখন বহুত দুখ, বহুত সমবেদনা আৰু বহুত বুজিব নোৱাৰা আনন্দেৰে হঠাৎ পূৰ্ণ হৈ উঠিল। নিজৰ এটা সৰু শিশুক বুকুত সাৱটি লোৱাৰ সকলোখিনি চেনেহ আৰু আৱেগেৰে চেনেহীয়ে ছমীৰক বুকুৰ মাজত চেপি ধৰিলে, আৰু বুজনি দিয়াৰ ধৰণে ক'লে, "অতদিনে মোক কোৱা নাছিলি কেলেই ?"

"আজিলৈকে মই পৃথিৱীৰ কাকো কোৱা নাছিলোঁ। আজি কিয় নাজানো, কি হৈ গ'ল ! মই বেয়া মানুহ—বৰ বেয়া মানুহ—"

চেনেহীয়ে ক'লে, "উঠ, মোৰ মুখলৈ চাচোন। মই জানো তোক কেতিয়াবা বেয়া মানুহ বুলি ভাবিছোঁ ?"

আৰু আৱেগেৰে চেনেহীক সাৱটি ধৰি ছমীৰে ক'লে, "সেই কাৰণেই মোৰ তোমালোকৰ ওপৰত সদায় খং উঠে, তোমালোকে কেতিয়াও মোক নোসোধা কেলেই মই কোন, তোমালোকে জানিব নোখোজা কেলেই মই কিমান বেয়া মানুহ। মই এটা জাৰজ—মোক মৰম কৰা পাপ।"

"কাৰোবাক মৰম কৰিলে মানুহে জানো আঁতি-গুৰি সুধি মৰম কৰে। তই যে কি কৈছ। তই এটা সৰু ল'ৰাৰ সমান কথাও নাজান। মনৰ দুখটো মনতে লুকুৱাই ৰাখিছ, নিজে নিজে কষ্ট খাইছ, দুনিয়াখনৰ ওপৰত অভিমান-অসন্তোষ লৈ ফুৰি নিজক কষ্ট দিছ—অথচ কাকো মুখ খুলি কথাষাৰ কৈ দিয়া নাই।"

ছমীৰ শান্ত হ'ল। কিন্তু তেতিয়াও তাৰ চেনেহীৰ চকুলৈ পোনে পোনে চাবলৈ লাজ আৰু ভয় লাগিছিল। সি বিচনাতে ভৰি মেলি দীঘল দি পৰিল, আৰু হাতেৰে মুখ ঢাকি কোনোমতে ক'লে, "মই ভাবিছিলোঁ এই কথা কাৰোবাৰ আগত কোৱাৰ আগতে মোৰ মৃত্যু হ'ব। সেই কথা অন্যক নালাগে, অতদিন মই নিজকে ক'বলৈ সাহ কৰা নাছিলোঁ। আজি যে কি হৈ গ'ল। আজি যে তোমাৰ আগত কেনেকৈ ক'লোঁ।"

ছমীৰৰ মূৰত হাত ফুৰাই ফুৰাই চেনেহীয়ে ক'লে, "আজি তই মোক চিনিব পাৰিলি সেইদেখি ক'ব পাৰিছ। আজিৰপৰা তোৰ মনত আৰু কোনো কষ্ট নাথাকে। আজিৰপৰা তোৰ পুনৰ্জন্ম আৰম্ভ হ'ল। বুজিছ।"

ছমীৰ চুপ হৈ গ'ল। তাৰ আচৰিত লাগিল। চেনেহী নামৰ এজনী অনাত্মীয়, অচিনাকি মানুহৰ বুকুত সোমাই সি আজি কান্দিলে কিয় ? তাৰ জীৱনৰ চৰম লজ্জা আৰু গ্লানিৰ গোপন কথাষাৰ আজি কি সাহসত এই মানুহজনীক সি কৈ দিলে ? তাৰ কি হৈ গ'ল ? এইবোৰ সি কি কৰিছে ? কি কৰিলে ? কিন্তু সি অনুভৱ কৰিলে যেন তাৰ মনটো আজি পাতল লাগিছে। চেনেহীহঁতৰ ওপৰত থকা তাৰ খং আৰু অভিযোগবোৰ যেন লাহে লাহে নোহোৱা হৈ আহিছে। তথাপি তাৰ বিস্ময় জাগিল—তাৰ পৰিচয়ৰ কথা আজি চেনেহীক সি কিয় কৈ দিলে ? কিয় ? সি মুখ ফুটায়ে সুধিলে, "কিন্তু মই বুজিব পৰা নাই, মই এইবোৰ কথা তোমাক কিয় ক'লোঁ।"

চেনেহীয়ে হাঁহিলে।

"হাঁহিছা কেলেই ?"

"টকাকেইটা কি কৰিলি ?"

"টকা ! কি টকা !"

"লৈ গৈছিলি যে—"

লাজত মৰাৰ নিচিনা হৈ ছমীৰে অপৰাধীৰ দৰে ক'লে, "এজনী ছোৱালীক দি থৈ আহিলোঁ।"

"কোন ছোৱালীক—?"

"মায়া নামেৰে এজনী বেয়া ছোৱালীক। আগেও কেতিয়াবা তাইৰ তালৈ যাওঁ। তাইক পইচা দিওঁ। আজি কিন্তু তাইক এনেই দি থৈ আহিলোঁ। তাইক মোৰ ডিঙি চেপি মাৰি পেলাবৰ মন গৈছিল।"

চেনেহীয়ে ছমীৰৰ মুখলৈ চালে। "এইবোৰ কথা অতদিনে মোক কোৱা নাছিলি কিয় ?"

আচৰিত চাৱনিৰে চকু দুটা মেলি ছমীৰে চেনেহীৰ মুখলৈ চালে, তাৰ পিছত ক'লে, "সেইবোৰ কথা কাৰোবাক ক'ব পাৰি নেকি ?"

"আজি পিছে কেনেকৈ পাৰিলি ?"

ছমীৰে কাষতে বিচনাত বহি থকা চেনেহীৰ কোলাত মূৰটো সুমুৱাই দিলে আৰু ক'লে, "আজি মোৰ কিবা হৈ গ'ল। মায়াৰ তাৰপৰা আহি এবটল মদ কিনিছিলোঁ, ৰাতি খাম বুলি। ডাক্তৰে কাঢ়ি লৈ গ'ল আৰু মোক টান কথাও শুনালে।"

"সঁচা ? আজি ময়ো তোক টান কথা কৈছিলোঁ। তই গুচি যোৱাৰ পিছত মোৰ মনটোত বেয়া লাগি আছিল। আজি কি হ'ল বুজিছ ? অতদিনে তই মোৰ মৰম বুজি পোৱা নাছিলি, সেয়ে তোৰ নিজৰ কথা লুকুৱাই ৰাখিছিলি। ময়ো তোক মৰম কৰিছিলোঁ, কিন্তু তোৰ প্ৰতি থকা মোৰ দায়িত্বৰ কথা পাহৰি আছিলোঁ। আজি তই মোৰ মৰম বুজি পালি, ময়ো তোলৈ থকা মোৰ দায়িত্ব বুজি পালোঁ। বাৰু, ৰাতি বহুত হ'ল, এতিয়া তই শো—"

"ওঁ, শুম। কিন্তু তুমি মোৰ ওচৰতে থাকিব লাগিব।"

"মই আকৌ তোৰ ওচৰত বহি থাকিম কেলেই। মই নুশুম নেকি ?"

"নালাগে শুব। আজি মোৰ জীৱনৰ সকলো কথা তোমাক ক'ম, তুমি শুনিব লাগিব। শুনিবা ?"

"ক'বি বাৰু কেতিয়াবা। ইমান ৰাতি ক'ব লাগিছে কিয় ?"

"নহয় আজিয়ে, এতিয়াই ক'ম। ক'বৰ মন গৈছে। পিছত হয়তো ক'ব নোৱাৰা হৈ যাম। মই যে কিমান বেয়া মানুহ, মই নিজে নক'লে তুমি বুজিব নোৱাৰিবা।"

চেনেহীয়ে ক'লে, "ভালকৈ শো। মই বাৰু এয়া তোৰ মূৰ-শিতানতে আছোঁ। ৰাতি বহুত হ'ল। লাইট নুমাই দিওঁ দেই। নহ'লে কাইলৈ ৰাতিপুৱা চকু পুৰিব।"

বহুত তৰাৰে ভৰি থকা বাহিৰৰ আকাশখনৰ কিছুমান ৰহস্যময় শান্ত পোহৰ খোলা খিৰিকীয়েদি ভিতৰলৈ সোমাই আহিছিল। জুৰ বতাহজাকত ৰাতিৰ এটা নিজস্ব নিবিড় গোন্ধ উৰি আহিছিল। সমগ্ৰ জগৎখন যেন এক বিশাল, আদিম মাতৃৰ বাহুৰ মাজত সোমাই পৰিছিল। মানুহৰ অনিদ্ৰ নিশ্বাসত সমুদ্ৰৰ গভীৰ বেদনা ব্যক্ত হৈ উঠিছিল।

ছমীৰৰ বেদনাক্ৰান্ত অন্তৰ্দেৱতাই সাৰ পাইছিল। চেনেহীয়ে উপলব্ধি কৰিছিল মাতৃত্বৰ এক পবিত্ৰ, শাশ্বত মহিমা।

ছমীৰে তাৰ শৈশৱৰপৰা তাৰ জীৱনৰ ওপৰেদি পাৰ হৈ যোৱা দুৰ্যোগ-দুৰ্দশাৰ কাহিনী এটা এটাকৈ কৈ গৈছিল, আৰু নীৰৱে, গভীৰ আস্থা আৰু কৰুণাৰে চেনেহীয়ে শুনি গৈছিল সেই মৰ্ম্মদাহী গোপন কাহিনী। চেনেহীয়ে উপলব্ধি কৰিছিল যেন এয়া ছমীৰৰ জীৱনৰ কাহিনী নহয়, সকলো মানুহৰ জীৱনৰ কাহিনী। বেদনা আৰু বিদ্ৰোহ, গ্লানি আৰু চৰম ত্যাগৰ কাহিনী।

মচজিদত যেতিয়া ফজৰৰ নামাজৰ আজান দিছিল, তেতিয়া ছমীৰ আৰু চেনেহীৰ কাণত যেন পৰিছিল এখন নতুন পৃথিৱীত সাৰ পাই চকু মেলাৰ আহ্বান। কাহিনী কৈ কৈ আৰু কাহিনী শুনি শুনি চেনেহী আৰু ছমীৰ ক্ৰমে টোপনিৰ বুকুত ঢলি পৰিছিল। আৰু দুটা বেদনা-ভাৰাক্ৰান্ত নিশ্বাস যেন পৃথিৱীৰ বুকুৰপৰা আকাশৰ পথ বিচাৰি ওপৰলৈ উৰি গৈছিল এজন আদিম পিতাৰ সান্নিধ্য আৰু কৰুণাৰ আশ্বাস বিচাৰি।....

॥ তেষষ্ঠি ॥

অলপ সময়ৰ ভিতৰতে বাতৰিটো গোটেই চহৰখনত ৰাষ্ট্ৰ হৈ পৰিল। মানুহবোৰৰ মনবোৰ আতংকত ত্ৰস্ত হৈ উঠিল। য'তেই দুজন মানুহ একেলগ হ'ল, ত'তেই কথাটোৰ বিষয়ে আলোচনা হ'ল। নানা মন্তব্য হ'ল। কোনো কোনোৱে এক অহেতুক আনন্দও প্ৰকাশ কৰিলে। কোনোৱে আনৰ ক্ষতিক নিজৰ ক্ষতি বুলি হা-হুতোহ্‌স্মি প্ৰকাশ কৰিলে। যাৰ যাৰ নিজস্ব ক্ষতি হ'ল সি মৰ্ম্মাহত হ'ল। বিনামেঘে বজ্ৰপাত পৰাৰ দৰে মানুহবিলাক অসহায় আৰু বিমূঢ় হৈ পৰিল। এনে ঘটনা আগেয়ে কোনো কাহানিও হোৱাৰ কথা কোনোৱে ক'ব নোৱাৰে।

ছমীৰ সেইদিনা চহৰত নাছিল। ঠিকাৰ কাম কৰি থকা মানুহবিলাকক পইচা-পাই দি বিদায় দিবৰ কাৰণে সি ঠিকা কৰা ঠাইলৈ গৈছিল। দলঙৰ যিখিনি কাম সম্পূৰ্ণ হৈছিল, সেইখিনিৰ জোখ-মাপ কৰিবৰ কাৰণে পি. ডব্লিউ. ডি-ৰ ইঞ্জিনীয়াৰ যাব, সেইবাবেও ছমীৰ তাত নিজে থাকিব লাগিব। ইয়াৰ পিছতে চৰকাৰীভাৱে বাৰিষা ঋতু আৰম্ভ হ'ব, আৰু বৰ্ত্তমানলৈ কাম বন্ধ থাকিব।

বাতৰিটো পায়ে ডাক্তৰ মহচিন ছমীৰক লগ পাবৰ কাৰণে আহিল। কিন্তু ছমীৰৰ ঘৰত তলা মৰা। ডাক্তৰ চেনেহীৰ ঘৰলৈ গ'ল। চেনেহীও নাই। ক'ৰবাত কেঁচ আছে, ওলাই গ'ল। ঘৰত ডাক্তৰে জীনিয়াক মাথোন লগ পালে। জীনিয়া স্কুললৈ যাবলৈ ওলাইছিল।

ডাক্তৰ আহি বহিলহি।

"জীনিয়া, ক'ব পাৰ নে ছমীৰ কেতিয়া ঘূৰি আহিব ?"

"আজি ঘূৰি অহাৰ কথা আছে। আবেলি পাৰহি কিজানি। কেলেই বাবা ?"

"অলপ দৰকাৰ আছে। আৰু ছমীৰ গাঁৱৰ ঘৰলৈ যোৱাৰ কথা আছিল হ'বলা, নহয় ?"

"তাৰপৰা যদি আজি ঘূৰি আহে, তেন্তে পৰহিলৈ ঘৰলৈ যাব বুলি কৈছিল।"

"বাৰু, মই এতিয়া যাওঁ। আবেলিকৈ এবাৰ আহিম। মাৰক ক'বি।"

"বাৰু। কিন্তু কি হৈছেনো বাবা ?"

জীনিয়াৰ কথাৰ উত্তৰ নিদি ডাক্তৰ মহচিনে সুধিলে, "তোৰ পৰীক্ষাৰ তাৰিখ দিলে নেকি ?"

"ও', দিছে।"

"পঢ়া-শুনা কেনেকুৱা কৰিছ ?"

"পঢ়িছোঁ আৰু।"

"ও', ভালকৈ পাছ কৰিব পাৰিলেহে কলেজলৈ যাবলৈ পাবি।" ডাক্তৰে ক'লে।

জীনিয়াই মেট্ৰিক পৰীক্ষা দিব।

যাবলৈ উঠি ডাক্তৰে ক'লে, "ছমীৰ আহিলে ঘৰতে থাকিবলৈ ক'বি। মই আহিম। মাৰকো থাকিবলৈ ক'বি।" কৈয়ে ডাক্তৰ গ'লগৈ।

তেওঁ যোৱাৰ পিছত জীনিয়াৰ অলপ চিন্তা হ'ল। আজি কি বিশেষ জৰুৰী কামত ডাক্তৰহ'তে ছমীৰক লগ পাবলৈ বিচাৰিছে ? আৰু তাইকনো পঢ়াৰ কথা এনেকৈ ক'লে কেলেই ? কিবা হৈছে নেকি ?

ভাবি জীনিয়াই একো নিৰ্ণয় কৰিব নোৱাৰিলে। অৱশ্যে তাই একেটা কথাকে বেছিপৰ চিন্তা কৰিও থাকিব নোৱাৰে। তাই নিজকে আশ্বস্ত কৰিলে, 'জানি-শুনি মই কোনো বেয়া কাম কৰা নাই। ছমীৰ মামাক মই ভাল পাওঁ—এই কথা লুকুৱাই ৰখা নাই। তাৰ বাবে মোক কোনেও দোষ দিব নোৱাৰে।'

জীনিয়াই ছমীৰ ঘূৰি অহালৈ বাট চালে।

ছমীৰে তাইক খোলা-খুলিকৈয়ে কৈছে যে তাৰ ক'তো কোনো নাই। সৰু মোমায়েকে চিঠি দি মাতিছে কাৰণে ছমীৰ গাঁৱৰ মোমায়েকৰ ঘৰলৈ এবাৰ যাবলৈ ওলাইছে। আৰু পাভ নামেৰে কোনোবা ছোৱালী এজনী আছে। সেই ছোৱালীজনীৰো এবাৰ খবৰ কৰিবলৈ যাব। পাভ মোমায়েকহঁতৰ গাঁৱত নাথাকে। দূৰৰ অন্য এখন গাঁৱতহে থাকে। তাতে তাইৰ গিৰিয়েকৰ ঘৰ। মোমায়েকৰ ঘৰত দুই-তিনি দিন থাকি ছমীৰ পাভহঁতৰ ঘৰলৈ যাব—তাত দুই-এদিন থাকি আকৌ ইয়ালৈ গুচি আহিব। আৰু ছমীৰৰ কোনো নাই।

'এই দুদিনমানৰ কাৰণে ছমীৰ যাবলৈ ওলোৱা কাৰণেই ডাক্তৰহঁত ইমান ব্যস্ত হৈ পৰিছে কিয় ?'

আজি ওলাই যোৱাৰ আগতে চেনেহীয়েও তাইক কৈ গৈছে, 'মামাৰৰ লগত আজি বৰকৈ ঠাট্টা-ধেমালি নকৰিবি। একো টান কথা নক'বি।'

আগেতো এইবোৰ নকয়, আজিনো কিয় ক'লে ?

আবেলি ছমীৰ নৌ আহি পাওঁতেই চেনেহী আৰু ডাক্তৰ দুয়ো কথা পাতি পাতি আহি সোমালহি। জীনিয়াই দুয়োলৈকে লক্ষ্য কৰিলে যেন দুয়োজন কিছু চিন্তিত আৰু উদ্বিগ্ন হৈছে। আৰু সন্তৰ্পণে কিবা কথা এটা জীনিয়াৰপৰা লুকাই ৰাখিবলৈ চেষ্টা কৰিছে। জীনিয়াৰ দুশ্চিন্তা হ'ল। কিন্তু ক'ত কি হৈছে তাই একো বুজিব নোৱাৰিলে।

সন্ধিয়া লাগো লাগো সময়ত ছমীৰ আহি পালেহি। পদূলি-মূৰত ছমীৰক দেখিয়ে ডাক্তৰ আৰু চেনেহী যেন সন্ত্ৰস্ত হ'ল। আৰু দুয়ো সহজ হ'বৰ চেষ্টা কৰিলে।

ছমীৰ কিন্তু বেছ উৎফুল্লভাৱেই ভিতৰ সোমাই আহিল। তাৰ মনত যেন বেছ ফুৰ্ত্তি।

ডাক্তৰ আৰু চেনেহী দুয়ো বহাৰপৰা উঠি ছমীৰৰ ফালে অলপ আগবাঢ়ি গ'ল।

"আহিলা ছমীৰ?" ডাক্তৰে ক'লে।

"হয় আহিলোঁ, আপুনিও ইয়াতে আছে। ভালে আছে নহয়?"

জীনিয়াও আগবাঢ়ি আহিল। আৰু ছমীৰৰ হাতৰপৰা ছামূৰাৰ বেগটো ল'লে।

ডাক্তৰে ক'লে, "মগ্ৰিবৰ নামাজৰ সময় হ'ল। তোমালোক অকণমান বহা। মই মচজিদৰপৰা আহোঁ।"

ছমীৰে ক'লে, "খবৰটো আপোনালোকে পাইছে নহয়?"

ছমীৰৰ কথাষাৰ শুনি চেনেহী আৰু ডাক্তৰ দুয়োৰে মুখ শেঁতা পৰি গ'ল। আৰু জীনিয়াই ভয়ে ভয়ে তিনিওৰে মুখলৈ চালে।

ডাক্তৰে ক'লে, 'কি খবৰৰ কথা কৈছা?"

"বেংক ফে'ল মৰাৰ খবৰ। অসমৰ কেইবাটাও বেংক ফে'ল মাৰিছে— আপোনালোকে জানো শুনা নাই?"

ডাক্তৰহঁতে একো ক'বলৈ নোপাওঁতেই জীনিয়াই প্ৰায় চিঞৰি উঠি সুধিলে, "কি বেংক ফে'ল মাৰিছে, মামা—?"

হাঁহি ছমীৰে ক'লে, "বুজা নাই, নহয়। বেংক ফে'ল মৰা মানে যিবোৰ মানুহে বেংকত টকা থৈছিল, সেইবোৰৰ সকলো টকা মৰা পৰিল।"

"আৰু তোমাৰ টকা?" জীনিয়াই উদ্বিগ্ন হৈ সুধিলে।

ডাক্তৰ আৰু চেনেহীয়েও ভয়েৰে তাৰ মুখলৈ চালে।

ছমীৰে ক'লে, "নামাজৰ সময় হৈছে। আপুনি নামাজ পঢ়ি আহকগৈ বাবা। জীনিয়া, মোৰো পিয়াহ লাগিছে। চাহ-চৰ্ব্বত কিবা এটা দিয়া। মই বাৰু সকলো ক'ম। ভয় কৰিব নালাগে।"

জীনিয়া ভিতৰলৈ গ'ল।

চেনেহীয়ে ছমীৰৰ মুখলৈ মৰম আৰু সমবেদনাৰ চাৱনিৰে চাই ক'লে, "গা-পা ধুবি নেকি?"

"পিছত ধুম। আজি গৰমো পৰিছে, আৰু ময়ো বৰ ঘূৰা-ঘূৰি কৰিলোঁ। অলপ জিৰাই লওঁ।"

জীনিয়াই ক'লে, "মামা, হাত-মুখ ধুই লোৱাহি। মই চাহ আনিছোঁ।"

ছমীৰে চাহ খাই থাকোঁতেই ডাক্তৰ নামাজ পঢ়ি মচজিদৰপৰা ঘূৰি আহিল। তেওঁ আৰু চেনেহী দুয়ো ছমীৰক লঘুভাৱে হাঁহি-মাতি থকা দেখি কিছু বিস্মিত হ'ল। জীনিয়াই কিন্তু ভাল পালে। 'আজি মামা অন্য দিনাতকৈ ফুৰ্ত্তিত আছে।'

চাহ খোৱাৰ পিছত চেনেহীহঁত সকলো প'ৰ্টিকলৈ ওলাই আহিল। ডাক্তৰ আৰু চেনেহীৰ ভয় আছিল, কিজানি ছমীৰে আজি ক'ত কি কৰি আহিছে, আৰু ক'ত কি কৰিব! তাতে ছমীৰৰ মনৰ লঘু অৱস্থা দেখি ই স্বাভাৱিক নে অস্বাভাৱিক বুজিব নোৱাৰি কিছু বিমোৰত পৰিল।

ছমীৰ কিন্তু শান্ত আৰু আত্মস্থ। কিবা এটা কাৰণত যেন তাৰ মনটো ফৰকাল হৈ পৰিছে হঠাৎ।

বহি লৈ বেছ ফূৰ্ত্তিৰে কোৰাৰ দৰে ছমীৰে ক'লে, "আপোনালোকে জানো স'চাই খবৰটো এতিয়াও পোৱা নাই?"

ডাক্তৰে ক'লে, "মই শুনিলোঁ। কিন্তু আচলতে ঘটনাটো কেনেকৈ কি হৈছে মই ভালকৈ বুজিব পৰা নাই।"

"প্ৰথমতে ময়ো বুজা নাছিলোঁ। খবৰটো মই তাতে শুনিলোঁ, শুনিয়ে 'বেংক অব্ আসাম'ৰ মেনেজাৰ ভট্টাচাৰ্য্যৰ ওচৰলৈ আহিলোঁ। তেওঁ ক'লে যে কথাটো স'চা। যুদ্ধৰ সময়ত বহুত লাখ টকা 'অভাৰ ড্ৰাফ্ট্' দিয়াৰ কাৰণে, আৰু অন্য কিবা ভিতৰুৱা গোলমালৰ কাৰণে বেংক দেউলীয়া হ'ল। যাৰ যাৰ টকা আছিল সকলো গ'ল।" ছমীৰে ক'লে।

"তোমাৰ টকাও গ'ল নেকি?" জীনিয়াই ব্যগ্ৰতাৰে সুধিলে।

হাঁহি ছমীৰে ক'লে, "সকলোৰে টকা গ'ল, মোৰনো নাযাব কেলেই? গ'ল।"

"তোমাৰ কিমান টকা আছিল?" ডাক্তৰে সুধিলে। টকা-পইচা সম্পৰ্কীয় কোনো কথা আজিলৈকে ডাক্তৰে ছমীৰক কাহানিও সোধা নাছিল।

অলপ চিন্তিতভাৱে ছমীৰে ক'লে, "সঠিককৈ ময়ো ক'ব নোৱাৰোঁ, তথাপি এক লাখমান যাব পায়।"

"এক লাখ?" জীনিয়া আৰু চেনেহী দুয়ো একেলগে বিস্মিতভাৱে কৈ উঠিল।

"ক'ব নোৱাৰোঁ, অলপ কম-বেছি হ'ব পাৰে। ইয়ালৈ আহোঁতে আঢ়ৈ লাখমান আছিল। পিছে ঠিকাত সোমাল নহয় কিছু টকা।" কথাবোৰ গাত নলগা ধৰণে সহজভাৱে ক'লে ছমীৰে।

চেনেহীহঁত স্তব্ধ হৈ গ'ল। মিলিটাৰী ঠিকা কৰি সি সৰহকৈয়ে কিছু টকা ঘটি আনিছিল বুলি তেওঁলোকে জানিছিল। কিন্তু ছমীৰৰ যে লাখৰ ওপৰ টকা আছিল তেওঁলোকে জনা নাছিল। বেংকত চেনেহীৰো অলপ টকা আছিল, ডাক্তৰৰ নিজা টকা নাছিল, অনাথ-আশ্ৰমৰ কিছু টকা আছিল। সেইখিনি টকা ছমীৰৰ পৰিমাণৰ অনুপাতত অতি সামান্য।

জীনিয়াই যেন ছমীৰক নতুন চকুৰে চালে। ছমীৰ তেনেহ'লে এজন লাখপতি ধনী মানুহ। তাই ক'লে, "এতিয়া পিছে কি হ'ব মামা?"

ছমীৰে ক'লে, "কি হ'ব আৰু। টকা নোহোৱা হৈ গ'লে মানুহ দুখীয়া হৈ যায়। নাযায় জানো?"

এইবাৰ ডাক্তৰে ক'লে, "টকাই মানুহক চহকী নকৰে ছমীৰ। আৰু টকা নোহোৱা হৈ গ'লেই মানুহ দুখীয়া হৈ নাযায়।"

"স'চা কিজানি বাবা। সেই কাৰণেই কিজানি বেংক ফে'ল কৰাৰ খবৰটো পোৱাৰপৰা কিয় নাজানো মোৰ মনটো বৰ পাতল লাগিছে, যেন কোনোবাই মোক বন্দী কৰি থৈছিল, আৰু আজি হঠাৎ তাৰপৰা মুক্তি পাই গ'লোঁ—এনেকুৱা লাগিছে।"

চেনেহীয়ে কথাবাৰৰ সত্যাসত্য বুজিবৰ কাৰণে ছমীৰৰ মুখলৈ চালে, 'ছমীৰে কথাবোৰ প্ৰকৃতিস্থ অৱস্থাতে কৈছে নে বাৰু!'

ছমীৰে চেনেহীলৈ চাই ক'লে, "তোমালোক কিজানি আচৰিত হৈছা বাইটি। কিন্তু মোৰ নিচিনা বিদ্যা-বুদ্ধি নথকা মানুহ এটায়ে যেতিয়া পাঁচ বছৰত দুই-আঢ়ৈ লাখ টকা কৰিব পাৰে, টকাৰ কি মূল্য আছে ?"

ডাক্তৰে ক'লে, "টকাৰ মূল্য নথকা নহয়। কিন্তু টকাকে সৰ্ব্বস্ব বুলি যদি নাভাবে, তেন্তে টকা স'চাকৈয়ে বৰ ডাঙৰ বস্তু নহয়। টকাই যেনেকৈ কাকো মানুহ কৰিব নোৱাৰে, টকা নোহোৱা হৈ গ'লেও মানুহ দুখীয়া বা অমানুহ হৈ নাযায়। তুমি স'চাকৈয়ে বৰ বেজাৰ পোৱা নাইতো ছমীৰ ?"

ছমীৰে ক'লে, "মোৰ স'চাকৈয়ে দুখ লাগিব লাগিছিল, কিন্তু কেলেই জানো কথাটো মোৰ আমোদজনক যেনহে লাগিছে। এখন যুদ্ধ হ'ল, কত লাখ মানুহ মৰিল, কত কোটি কোটি টকাৰ ধন-সম্পত্তি ধ্বংস হ'ল। ময়োতো মৰিবৰ মনেৰেই যুদ্ধলৈ ওলাই গৈছিলোঁ। কিন্তু মৰাৰতো কথাই নাই, লাখ টকা আৰ্জ্জন কৰি সোঁশৰীৰে ঘূৰি আহিলোঁ। এতিয়া আকৌ যুদ্ধ নাই, গণ্ডগোল নাই, একো নাই। এক মুহূৰ্ত্ততে বেংক ফে'ল মাৰি লাখ লাখ টকা নোহোৱা হৈ গ'ল। মোৰ বাৰু কেলেই দুখ লাগিব। আৰু বাবা, মই এতিয়া ভাবি চাইছোঁ যে মোৰ যিখিনি টকা বেংকত মৰা পৰিছে, সেইখিনি মোৰ নিজা আৰ্জ্জনৰ টকা নহয়—"

"কিয় ?"

"সেয়া এনেই ঘোচ দি পোৱা টকা। মিলিটাৰীত টকা ঘটাটো ইমান সহজ যে মানুহে টকাৰ কাৰণে ইমান হাবাথুৰি কিয় খায় ; মই আজিও বুজি নাপালোঁ।"

"যুদ্ধতো সদায় নাথাকে। এতিয়া জানো তই পাঁচ বছৰত এক লাখ টকা ঘটিব পাৰিবি ?" চেনেহীয়ে ক'লে।

"নোৱাৰিম বুলি নকওঁ। পিছে লাখ টকা ঘটিবলৈ চেষ্টা কৰিম কিয় ? বেয়া উপায়ে যিখিনি টকা ঘটিছিলোঁ, সেইখিনি বেংকত গ'ল। বাকী, ঠিকাত যিখিনি খটাইছোঁ সেইখিনি নিশ্চয় ঘূৰাই পাম। আৰু কিছু লাভো পাম। তাৰেই মোৰ চলি যাব—নাযাব জানো ?"

ছমীৰৰ কথাখিনিয়ে ডাক্তৰহ'তক কিছু আশ্বস্ত কৰিলে। ছমীৰৰ সকলো টকা মৰা পৰা নাই। এতিয়াও আশী-নব্বৈ হাজাৰ টকা আছে। হয়তো সেই কাৰণেই ছমীৰে বেংক ফে'ল হোৱা কথাটো ইমান সহজভাৱে ল'ব পাৰিছে।

ডাক্তৰে ক'লে, "স'চাকৈয়ে ছমীৰ, চেনেহী আৰু মই তোমাৰ কাৰণে চিন্তিত হৈ পৰিছিলোঁ। কিজানিবা তুমি আঘাতটো সহ্য কৰিববলৈ টান পোৱা। কিন্তু তোমাৰ কথা শুনি ভাল পাইছোঁ। দুখীয়া হৈ জীয়াই থাকিও মানুহ ৰজাৰ দৰে মৰিব পাৰে, আৰু কিছুমান মানুহ ৰজাৰ দৰে থাকিও দুখীয়াৰ দৰে মৰে। মনৰ দাৰিদ্র্যহে দাৰিদ্ৰ্য, ধনৰ দাৰিদ্ৰ্য অতি সাধাৰণ কথা।"

ছমীৰৰ যেন বহুদিনৰ বন্দী আৰু বেদনাহত আত্মাটোৱে সাৰ পাই উঠিছিল। কোনো দিনে নভবা আৰু কোনো দিনে নোকোৱা কথাবোৰ যেন আজি তাৰ মুখ খুলি ক'বৰ মন গ'ল। আৰু সেইবোৰ কথা যেন ডাক্তৰ, চেনেহী বা জীনিয়াৰ আগত ক'বলৈ তাৰ অকণো সংকোচ কৰিবলগীয়া নাই।

সি একপ্ৰকাৰ উল্লাসেৰেই ক'লে, "জানিছা জীনিয়া, এসময়ত, মানে মোৰ

ল'ৰাকালত মই একেবাৰে দুখীয়া আছিলোঁ। মোৰ স্কুলৰ ফীজকেইটাও দিব নোৱাৰিছিলোঁ। কিতাপ কিনিবলৈ, কানি-কাপোৰ ল'বলৈকো পইচা নাছিল। লোকৰ ঘৰৰ এচুকত পৰি থাকোঁ, লোকৰ ভাতেই ভাত আৰু লোকৰ মাতেই মাত আছিল। তেতিয়া ভাবিছিলোঁ, মোৰ যদি কেনেবাকৈ বহুত টকা থাকিলহেঁতেন! কিন্তু পিছত দেখিলোঁ টকা ঘটাতকৈ সহজ কথা আৰু একো নাই। তেতিয়া মোৰ নিজলৈকে পুতৌ হৈছিল।"

চেনেহীয়ে একো নক'লে। তেওঁৰো বহুকষ্টে অৰ্জা কেইশমান টকা গৈছে। তেওঁৰ বেজাৰ নালাগি থকা নাই। ডাক্তৰৰ সান্ত্বনা আৰু আশ্বাসে তেওঁক আশ্বস্ত কৰিছিল। কিন্তু ছমীৰৰ মনৰ অৱস্থা দেখি, চেনেহীৰ নিজৰ ক্ষতি অতি নগণ্য যেন অনুভৱ হ'ল। ডাক্তৰেও যেন ছমীৰৰ ভিতৰত অন্য এটা মানুহ লাহে লাহে সাৰ পাই উঠা লক্ষ্য কৰিলে। এদিন ছমীৰৰ নিজৰ জীৱনৰ ওপৰত আস্থা নোহোৱা হৈছিল, আল্লা আৰু মানুহৰ ওপৰতো আস্থা নাছিল। কিন্তু এতিয়া ছমীৰৰ টকাৰ মূল্যৰ ওপৰত আস্থা নোহোৱা হৈছে। এয়া যেন ছমীৰৰ জীৱনত ৰূপান্তৰৰ আৰম্ভণি।

টকাৰ প্ৰসঙ্গটো তল পেলাবৰ কাৰণে চেনেহীয়ে ক'লে, "তোৰ ঠিকাত কাম কৰা মানুহবোৰক টকা-পইচা দিবলগীয়া থাকিল নেকি ?"

"এক পইচাও নাই। এই কাৰণে মোৰ আৰু ভাল লাগিছে। সিদিনা পইচা কিছু উলিয়ালোঁ। এখন বানিং বিলবো টকা পালোঁ। সকলোৰে টকা আদায় কৰি দিলোঁ। আৰু, অহা খৰালিলৈকে কামো বন্ধ থাকিব। মোৰ একো চিন্তা কৰিবলগীয়া নাই।"

আৰু কিছুপৰ কথা-বতৰা পাতি ডাক্তৰ মহচিন যাবলৈ উঠিল। ৰাতি হৈছিল, তেওঁৰো ক'ৰবাত কাম আছিল। ছমীৰে ক'লে, "বাবা, আপোনালোকে মোৰ কাৰণে নাভাবিব। আপোনালোক যেতিয়া আছে, মোৰ আৰু কোনো ভাবনা নাই।"

"আমিনো তোমাক কি কৰি দিব পাৰোঁ, ছমীৰ ?" ডাক্তৰ ক'লে।

"আজি মই বুজিলোঁ, আপোনালোকে মোক টকা-পইচাৰ কাৰণে মৰম নকৰে, এনেয়ে মৰম কৰে। এই কাৰণে মোৰ বৰ ভাল লাগিছে। মোৰ কাৰণে চিন্তা কৰোঁতা বহুত মানুহ থকাৰ নিচিনা লাগিছে।"

ছমীৰৰ কথা শুনি ডাক্তৰে হাঁহিলে আৰু ক'লে, "নিজৰ ল'ৰা-ছোৱালী ধনী-মানী হ'লে মাক-বাপেকে আনন্দ পায়। সেইবুলি কেতিয়াবা ল'ৰা-ছোৱালীৰ অৱস্থা বেয়া হ'লে মাক-বাপেকে ল'ৰা-ছোৱালীক মৰম নকৰাকৈ থাকে নেকি ? আৰু তোমাৰতো এতিয়াও টকা-পইচা আছে। কেতিয়াবা, আল্লাই নকৰক, তোমাৰ এক পইচা নোহোৱা হ'লেও, তোমাক আমি একেদৰেই ভাবি থাকিম।"

ভালেমানপৰ গোটেই কথাবোৰ একো বুজি নোপোৱাৰ দৰে শুনি থকাৰ পিছত এইবাৰ জীনিয়াই ক'লে, "আমি দুখীয়া হৈ গ'লে কিন্তু মামাই আমাৰ কথা নভবা হৈ যাব—"

চেনেহীয়ে ক'লে, "এতিয়াও তই বৰ চহকী নহয়।"

বেঙ্কত চেনেহীৰ টকাও যোৱাৰ কথা জীনিয়াক জনাবলৈ চেনেহীয়ে ইচ্ছা নকৰিলে। এইবোৰ কথা জীনিয়াই নজনাই ভাল।

ডাক্তৰ যোৱাৰ পিছত ছমীৰে জীনিয়াক ক'লে, "এইপিনে আহাচোন জীনিয়া।"

"কি হ'ল ?"

জীনিয়াৰ হাতখন টানি আনি নিজৰ বুকুৰ ওপৰত থৈ ছমীৰে ক'লে, "ঠিক আছে নে নাই ?"

"কি ?"

"চলিছে নে নাই ?"

"কি ?"

"বুকুৰ ভিতৰত কি চলে ? কি থাকে ?"

"কিজানি কি থাকে !"

"তাকো নাজানা। বুকুৰ ভিতৰত ক'ৰবাত হাৰ্ট থাকে হেনো। বেংক ফে'ল মাৰি মোৰ টকা যোৱাত বাইটিহঁতে ভাবিছিল কিজানি মই হাৰ্ট-ফে'ল কৰিম। কিন্তু বেংক ফে'ল কৰিলেই, হাৰ্ট-ফে'ল কৰা মানুহ ছমীৰ নহয়। এতিয়াও মোৰ হাৰ্ট আগৰ নিচিনাকৈয়ে চলি আছে নে নাই ?"

তাৰ কথা শুনি চেনেহী আৰু জীনিয়া দুয়ো হাঁহিলে। চেনেহী ভিতৰলৈ গুচি গ'ল।

জীনিয়াৰ হাতখন এৰি নিদিয়া দেখি ওঁঠ কামুৰি জীনিয়াই ক'লে, "তোমাৰ হাৰ্ট তো আগৰ নিচিনাকৈ চলা নাই।"

"কেনেকৈ চলিছে ?"

"আগতকৈ বহুত খৰকৈ চলিছে।"

"ওঁ, খৰকৈ চলিছে। এৰা, ডাক্তৰ বাবাই কৈছিল যে কোনোবা মানুহৰ যেতিয়া পৰ-মানুহক এৰি দুৰণিলৈ যাবলৈ ওলোৱাৰ কাৰণে আনন্দ লাগে, তেতিয়া হাৰ্ট খৰকৈ চলে।"

"ওঁ, খৰকৈ চলাৰ পিছত চাবি শেষ হৈ যায়। আৰু তাৰ পিছত হাৰ্ট বন্ধ হৈ যায়, নচলা হৈ যায়।"

জীনিয়াৰ হাতখন হেঁচি ধৰি ছমীৰে ক'লে, "বন্ধ হৈ যোৱা নাই নে, চোৱাচোন।"

অলপ পৰৰ মূৰত জীনিয়াই ক'লে, "আকৌ তুমি কেতিয়া আহিবা ?"

"এতিয়ালৈকেতো ইয়াৰপৰা যোৱাই নাই। চাওঁ, যদি পাৰোঁ আকৌ আহিম।"

"আৰু যদি নোৱাৰা ?"

"নোৱাৰিলে আৰু কি কৰিম ?"

"কেলেই তেনেকৈ কৈছা ?" তাৰ চকুলৈ চাই জীনিয়াই ক'লে।

"গাঁও-নগৰ বহুত ঘূৰিলোঁতো। এখন ঠাই এৰি গ'লে তালৈ আকৌ ঘূৰি যাবলগীয়া নহয়েই দেখোন—"

"কিয় ?"

"ঘূৰি যাবৰ থলেই নাথাকে।"

জীনিয়াই ক'লে, "ইয়ালৈকো নাহা তেন্তে ?"

ছমীৰে হাঁহি ক'লে, "আহিম জানো ? আহি জানো তোমাক আকৌ পামহি ?"

॥ চৌষষ্ঠি ॥

প্ৰায় পুৰা এটা দিন ৰেলেৰে আহি তাৰ পিছত দুঘণ্টা বৈ ছমীৰ এখন বাচত উঠিল। ৰেল-ষ্টেচনটোত মানুহ কম। ৰেলখন যোৱাৰ প্ৰায় আধাঘণ্টাৰ পিছত মানুহ একেবাৰে নোহোৱাই হ'ল। গাঁৱৰ ফালে যোৱা বাচ পাবৰ কাৰণে তাৰ এঘণ্টা ৰ'বলগীয়া হ'ল। কাৰণ আৰু এখন ৰেল আহিব। সেইখনৰো যাত্ৰী লৈহে বাচখন যাব। তেতিয়া ৰাতি দুই বাজিবৰ হৈছিল, মাজ-ব'হাগৰ মিঠা উত্তাপ-মিহলি ফৰকাল ৰাতি।

তাৰ লগতে আৰু সাত-আঠজনমান মানুহ বাচখনত উঠি আছে। ড্ৰাইভাৰ-হেণ্ডিমেন ক'ৰবাৰ হোটেলত খাবলৈ গ'ল। পৰি আছে অকলশৰীয়া এটা সৰু ষ্টেচন, আৰু তাৰ পাছফালৰ মুকলি ঠাইডোখৰত এখন পুৰণি সৰু বাচ।

ছমীৰে বিচনা-পাতি অনা নাই। তাৰ কান্ধতে এটা মোনা আৰু হাতত এটা ছামুৰাৰ চুটকেচ্।

যুদ্ধ শেষ হোৱাৰ লগে লগে খাকী কাপোৰ পিন্ধাৰ ফেশ্বনটোও ক্ৰমে উঠি গৈছিল। তথাপি ছমীৰে এটা এমেৰিকান খাকী পেণ্ট আৰু এটা চীনা-পাটৰ কামিজ পিন্ধি আহিছিল। হাতত তাৰ দামী এমেৰিকান হাতঘড়ী, আৰু পেণ্টৰ জেপত এটিন চিগাৰেট। ওখই-পাখই, চেহেৰাই-পানীয়ে ছমীৰ বেছ দেখনিয়াৰ হৈ পৰিছিল। আৰু এই সৰু গাঁৱলীয়া ষ্টেচনৰ প্লেটফৰ্মত তাৰ নিচিনা এজন ডেকাক দেখি প্ৰায় সকলোৱেই তাৰ ফালে চাইছিল ; যদিও কোনোৱে একো সুধিব পৰা নাছিল। অন্যান্য মানুহবিলাকৰ মাজত ছমীৰৰ নিজকে অলপ বেলেগ বেলেগ যেন লাগিছিল।

ষ্টেচনৰপৰা বাচেৰে ষোল কিলোমিটাৰ যাব লাগিব। পাভই চিঠিত লিখিছিল— পি. ডব্লিউ. ডি. আলিৰপৰা চাৰি-আলিত নামি মাৰোৱাৰীৰ ধান-কলটোৰ গায়েদি পশ্চিমলৈ যিটো সৰু আলি গৈছে, তাৰেই গৈ থাকিলে প্ৰায় এক কিলোমিটাৰ যোৱাৰ পিছত এটা পকা-মচজিদ পায়। মচজিদৰ পুখুৰী-পাৰেদি তিনি ঘৰ মানুহ এৰি চতুৰ্থ ঘৰেই পাভ-নিজামহু'তৰ ঘৰ।

পাভই লিখিছিল, 'আমাৰ ঘৰটো আকৌ অকণমান, সৰু খেৰৰ ঘৰহে। চোতালৰ আগতে এজোপা বৰ ডাঙৰ আমগছ আছে—মানুহে 'বৰ আম' বুলি কয়। সেইটোৱেই আমাৰ ঘৰ। তই কাকো সুধিবই নালাগে। চিধা সোমাই আহিবি।'

ভাল জোনাক থকাৰ কাৰণে ৰাতি হোৱা সত্ত্বেও ছমীৰৰ বেয়া লগা নাছিল। হয়তো ভালেমান বছৰৰ মূৰত পাভক দেখা পাব বুলিয়ে, নাইবা সেই তেতিয়াৰ ছমীৰ নামৰ ল'ৰাটো এতিয়া অন্য এটা ডেকা মানুহ হৈ পাভৰ ওচৰলৈ অহাৰ কাৰণে তাৰ মনৰ মাজত সি এটা আনন্দ অনুভৱ কৰিলে। অৱশ্যে পাভৰ যাৰ লগত বিয়া হ'ল সেই মানুহজন কেনেকুৱা সি নাজানে। তেওঁক সি কোনো দিন দেখা নাই। তথাপি কিবা কাৰণত, মানুহজন বেয়া নহ'ব বুলিয়ে তাৰ ধাৰণা হ'ল। পাভৰ গিৰিয়েক

নিশ্চয় বেয়া মানুহ হ'ব নোৱাৰে। কিয় জানো তাৰ এনেকুৱা এটা ভাব হৈছিল।

বাচখন চলিছে। আলিবাটটো ওখোৰা-মোখোৰা। হয়তো যুদ্ধৰ সময়ত বৰ বেছিকৈ লৰী-মটৰ চলি ৰাস্তাটো নষ্ট কৰিলে। যাত্ৰীৰ কাৰো মুখত মাত নাই। হয়তো সকলোৰে টোপনি আহিছে। দুপৰ-ৰাতি, সকলোৰে টোপনি অহাৰ সময়।

ছমীৰৰ কিন্তু টোপনি অহা নাই। বাচৰ একাষে বহি সি বাহিৰলৈ চাই আছিছে। জোনাকত এখন শান্ত পৃথিৱী নীৰৱে পৰি আছে। কাষতে সেউজীয়াৰ লগত বগা জোনাক মিহলি হৈ এটা নাম দিব নোৱাৰা ৰং লাগিছে—গছ-পাত, ঘৰ-বাৰী সকলোতে। দূৰলৈ—সবলোবোৰ ধূঁৱলী-কুঁৱলী, ৰহস্যময় হৈ পৰিছে। কিন্তু সকলো নীৰৱ, নিস্তব্ধ। মাত্ৰ এজাক জিৰ্জিৰীয়া বতাহ বলি আছে। আৰু বাটৰ কাষৰ গছ-পাতবোৰ জিৰ্জিৰ্ কৰি কঁপিছে। বাচখনৰ শব্দটো আৰু গছ-পাতৰ জিৰ্জিৰণি মিলি যিটো শব্দ হৈছে, তাৰ কোনো বিশেষ ধ্বনি নাই। সি যেন নীৰৱতাৰে আন এটা ৰূপ।

ছমীৰৰ ভাবপ্ৰৱণতা অতি কম। কেতিয়াবা কোনো অভাৱনীয় পৰিস্থিতিয়ে তাক ভাবপ্ৰৱণ কৰি তুলিলেও সি বিব্ৰত হৈ পৰে। কিয়নো নিজৰ মনটোৰ স'তে অলপ সময় অকলশৰীয়া হৈ থাকিবলগীয়া হ'লেই, তাক গ্লানিয়ে আবৰি ধৰে। সি অধৈৰ্য্য হৈ পৰে।

আজি কিন্তু গাঁৱৰ মাজে মাজে, জোনাকৰ মাজে মাজে নিজস্ব এটা শব্দ কৰি গৈ থকা বাচখনত বহি বাহিৰৰ ফালে চাই চাই তাৰ মনটোও সামান্য ভাবপ্ৰৱণ নোহোৱাকৈ নাথাকিল। পৃথিৱীত সি যেন বৰ অকলশৰীয়া। এখন আচহুৱা দুৰণিৰ পৃথিৱীৰ মাজেদি সি অকলশৰে গৈ আছে। তাৰে একেলগে কোনোবা আছিছে যদিও কোনোৱে তাক চিনি নাপায়। সিও কাকো চিনি নাপায়। তাৰ মনটো ক'ৰবাত লগ হেৰুওৱা এটা চৰাই, যি আহোঁতে আহোঁতে নিজৰ মাতটোও পাহৰি গ'ল। কোনোবা দুৰণিৰ অচিন উপত্যকাৰ আহ্বানত সি যেন আজি উধাও হৈছে। কিন্তু জোনাকৰ ধূঁৱলী-কুঁৱলীৰ মাজত সেই অচিন উপত্যকা কোনফালে আছে সি নাজানে।

ছমীৰৰ মনটো কিবা কাৰণত উৰুঙা লাগিল। এইটো যেন এটা বেলেগ মন, আচহুৱা মন। তাৰ কিন্তু বেয়া নালাগিল। নিজকে তাৰ নতুন নতুন লাগিল, বেলেগ বেলেগ লাগিল।

ধান-কলৰ চাৰি-আলিত বাচখন ৰ'ল আৰু ছমীৰ নামিল। ছমীৰৰ লগতে আৰু এজন মানুহো নামিল, বাচখন গ'লগৈ।

মানুহজনেই আগবাঢ়ি আহি বিশেষ ইতস্ততঃ নকৰি ছমীৰক সুধিলে, "আপুনি কোনফালে যাব ?"

"মই ? মই নিজামৰ ঘৰলৈ যাম—"

"কোন নিজামৰ ঘৰ ?" মানুহজনে সুধিলে।

ছমীৰে ক'লে, "মাজৰ-চাপৰি গাঁৱৰ নিজাম। মই ইয়ালৈ আগেয়ে অহা নাই। নিজামকো চিনি নাপাও"—"

মানুহজনে ছমীৰৰ মুখলৈ চাই ক'লে, "ময়ো সিখন গাঁৱলৈহে যাম। পিছে

মাজৰ-চাপৰি মুছলমান গাঁও এইখনেই। ৰাতি শেষেই হৈছে চাগৈ। অলপ পৰৰ পিছতে গাঁৱৰ মানুহবোৰ উঠিবই। সুধিলেই নিজামৰ ঘৰৰ চিনাকি পাব। মই তেনেহ'লে আগবাঢ়োঁ।"

"বাৰু, আপুনি যাওক।" চমুকৈ ছমীৰে ক'লে, আৰু অলপ পৰ ৰোৱাতে ৰৈ থাকি চাৰিওফালে চালে। আজিৰ ৰাতিটোও তাৰ নতুন যেন লাগিল। আগেও হয়তো এনেকুৱা শেষ-ৰাতি সি অকলশৰে ক'ৰবাত ৰৈছিল, কিন্তু আজিৰ নিচিনা প্ৰকৃতিস্থ সি নাছিল। মদ খাই, নিচাত মাতাল হৈ কোনো গণিকা, কোনো অভিসাৰিকাৰ ঘৰলৈ যাবলৈ বা ঘৰৰপৰা ঘূৰি আহিবলৈ সি কোনো অখ্যাত বাটৰ কেঁকুৰিত ৰৈ থকাৰ আনন্দ উপলব্ধি কৰিছিল। কিন্তু আজি এই শেষ-ৰাতি অকলশৰে এই নতুন চাৰি-আলিটোত ৰৈ তাৰ মনটো ফৰকালহে লাগিল। কিবা কাৰণত তাৰ চুটকেচটোও পাতল যেন লাগিল।

ওচৰৰেপৰা অহা এটা কুকুৰাৰ ডাক তাৰ কাণত পৰিল। তাৰ পিছত ওচৰে-দূৰে আৰু বহুত কুকুৰাই ডাক দি উঠিল। ৰাতিটো শেষ হৈ গ'ল। জোনটোৰ পোহৰবোৰ কোমল হৈ আহিল। আৰু পূবৰ ফালৰ আকাশখন অলপ মুকলি হোৱা যেন লাগিল তাৰ।

ছমীৰে এটা চিগাৰেট জ্বলালে আৰু ধান-কলটোৰ কাষৰ আলিটোৰেদি বিশেষ চিন্তা নকৰাকৈ খোজ ল'লে। এইদৰে অকলে অকলে মাৰ যাব ধৰা জোনৰ শেঁতা জোনাকৰ মাজে মাজে, কুকুৰাৰ ডাকৰ মাজে মাজে, সমগ্ৰ শৰীৰত শেষ-নিশাৰ মৃদু বতাহজাকৰ মৰমী নিশ্বাস সানি লৈ গৈ থাকিবলৈ তাৰ অকণো বেয়া নালাগিল।

প্ৰায় এক কিলোমিটাৰ খোজকঢ়াৰ পিছত ছমীৰে দেখিলে এটা আহল-বহল ওখ পকা-মচজিদ। হয়তো পাভই এই মচজিদটোৰ কথাকে তালৈ লিখিছিল। সি মচজিদটোৰ ফালে চালে। প্ৰথমে সি কাকো নেদেখিলে। বগা চূণ দিয়া মচজিদটো নীৰৱে গম্ভীৰ হৈ পৰি আছে। যেন এটা সনাতন প্ৰাচীন প্ৰাৰ্থনা—শুভ্ৰ এটা শিলাস্তম্ভৰ দৰে আশ-পাশৰ মানুহবোৰৰ জন্ম-মৃত্যু, হাঁহি-অশ্ৰুৰ নীৰৱ নিৰ্ব্বিকাৰ সাক্ষী হৈ থিয় দি আছে।

মচজিদটো পাৰ হৈ যাবৰ কাৰণে সি খোজ দিছিল। হঠাৎ উচাপ্ খাই সি ৰৈ গ'ল। মচজিদৰ মিনাৰৰপৰা এটা গম্ভীৰ মিঠা মাত আহি তাৰ কাণত পৰিলহি—"আল্লাহু আকবৰ।"

বহুদিন ছমীৰে এই আজানৰ ধ্বনি শুনিছে। তাৰ জন্মৰ পিছ-মুহূৰ্ত্তত কোনোবাই এই আজানকে তাৰ কাণত পেলাইছিল। কিন্তু আজি যেন আজানৰ মাতটো ছমীৰৰ মিঠা যেন লাগিল। আৰু আজান শুনি অন্য দিনাৰ দৰে আজি তাৰ মনটো বিৰক্ত বা বিদ্ৰোহী হৈ নুঠিল।

আজান শেষ নোহোৱা পৰ্য্যন্ত সি থিয় দিয়াতে থৰ লাগি ৰৈ থাকিল। তাৰ পিছত এবাৰ ভাবি চালে, সি মচজিদত সোমাই ফজৰৰ নামাজ পঢ়ি যাব নেকি? কিন্তু তাৰ গাত পেণ্ট-কামিজ আদি নামাজ পঢ়িবৰ উপযুক্ত পৰিষ্কাৰ হৈ থকা নাছিল। আজিৰ ফজৰৰ নামাজত যোগ দিব নোৱাৰি তাৰ যেন সামান্য অনুশোচনাহে হ'ল। সি দেখিলে আজান শুনি গাঁওখনৰপৰা কেইবাজনো মানুহ থৰ-খেদাকৈ মচজিদলৈ আহিছে।

তেওঁলোকৰ গাত সাধাৰণ কপাহী কুৰ্তা, কপাহী লুঙি আৰু মূৰত একোটা বগা কপাহী টুপী।

তেতিয়াও ৰাতি পুওৱা নাই। পূবৰ আকাশত ধল-ফাট দিছে, তৰা আৰু জোনৰ পোহৰ নিস্তেজ হৈ আহিছে। শান্ত, শীতল বতাহজাকত আজানৰ মিঠা সুৰটো দিগন্তৰ ফালে বিয়পি গৈছে।

এই গোটেই পৰিৱেশটো ছমীৰৰ তেনেই চিনাকি আৰু আপোন যেন লাগিল। যেন হাজাৰ বছৰ ধৰি এইদৰেই শেষ-ৰাতি পৃথিৱীৰ বিভিন্ন দেশ-মহাদেশৰ গাঁৱে-নগৰে সি নীৰৱে থিয় দি ফজৰৰ আজান শুনিছে। যুগ যুগৰ চিনাকি-অচিনাকি নামাজী-সকলৰ মিছিলত গৈ এই একেটা ছমীৰেই নামাজৰ চফত থিয় হৈ দুই ৰাকাত নামাজ পঢ়িছে, আৰু অন্যৰ লগতে দুয়োহাত দাঙি কাতৰ মুনাজাত কৰিছে—

'ইহ্‌দিনাচ্ছেৰাতল মোস্তাকিমা,
চিৰাতল লাজিনা, আন্ আমতা
আলাইহিম্ গাইৰিল মগদুবে
আলাইহিম, ৱলাদ্দাল্লীন··'

'হে প্ৰভু, মোক সেই বাটেদি বাট দেখুৱাই নিয়া—যি বাটেদি তোমাৰ অনুগ্ৰহ লাভ কৰোঁতাসকল গ'ল। সেই বাটেদি মোক নিনিবা—যি বাটেদি গ'ল তোমাৰ অভিশপ্তদল।'

এঘৰ, দুঘৰ, তিনিঘৰ। এয়া তিনি ঘৰ পাৰ হৈ আহিলোঁ। তাৰ পিছত, এয়া—এইটো ঠেক পদূলি, এইজোপা বৰ আম—সউটো সৰু খেৰী ঘৰ—এইটোৱেই পাভহুঁতৰ ঘৰ নেকি? ঘৰ-বাৰী সি ভাবি অহাৰ নিচিনা নহয় যদিও ছমীৰৰ মনত বিশ্বাস হ'ল যে এয়াই নিশ্চয় পাভহুঁতৰ ঘৰ।

কাহিলি পোহৰত ছমীৰে এবাৰ নিজৰ ফালে চালে। কিবা কাৰণত পাভৰ আগত দেখা দিবলৈ যেন তাৰ সংকোচ লাগিল। 'পাভই বাৰু মোক চিনিব পাৰিব নে? মোক এনেকুৱা দেখি পাভই বাৰু কি ভাবিব?'

বিশেষ নভবাকৈ ছমীৰ নঙলাডাল মেলি সোমাই গ'ল, অলপ এটলীয়া বাটটোৱেদি। কিন্তু সি চোতালত ভৰি দিওঁতে-নিদিওঁতেই ঘৰটোৰ বাঁহৰ-কাঠিৰ দুৱাৰখন মেল খালে, আৰু আঠুমূৰীয়া চুৰিয়া এখনে, হাত-নোহোৱা বনিয়ন এটা পিন্ধা ডেকা মানুহ এজন ভিতৰৰপৰা ওলাই আহিল। হঠাৎ চোতালৰ মূৰত ছমীৰক দেখি মানুহটোৱে ভয় নাখালেও, অলপ থত্‌মত্ খালে। সি দুখোজ আগবাঢ়ি আহি সুধিলে, "কোন?"

মাতটো কোমলেই আছিল।

"এইটো নিজামৰ ঘৰ হয় নে?" ছমীৰে সুধিলে।

"হয়, ময়েই নিজাম। আপুনি— ?"

কিন্তু ছমীৰে উত্তৰ দিবলৈ নাপালে।

ভিতৰৰপৰা পাভ ওলাই আহিল। আৰু পোনে পোনে আহি ছমীৰৰ আগত ৰৈ, এক-মুহূৰ্ত তাৰ মুখলৈ চাই চিঞৰি উঠিল, "আয়ে দেহি! তই! আহ আহ, ভিতৰলৈ আহ। এনেকৈ খবৰ-খাতি নিদিয়াকৈ শেষ-ৰাতিখন ক'ৰপৰা ওলালিহি?"

পাভ ব্যস্ত হৈ পৰিল। আৰু তাৰ হাতৰপৰা চুট্‌কেচ্‌টো নিজৰ হাতলৈ লৈ

ক'লে, "এইটো ছমীৰ—তুমি চিনিকে পোৱা নাই, নহয়? আহ আহ, ভিতৰলৈ আহ—"

তেতিয়াও ঘৰৰ ভিতৰত আন্ধাৰ আছিল। পাভই দুৱাৰখন টানি টানি যিমান দূৰ পৰা যায় মেলিলে, আৰু মূঢ়া এটা জাৰি-জোকাৰি দি ক'লে, "বহ। আৰে দোহি! তই যে আহিলি! ক'ৰপৰা আহিলি? ৰাতি আহিলি কেনেকৈ? বাটত কিবা দিগদাৰি হৈছিল নেকি?"

ছমীৰে কোনটো কথাৰ উত্তৰ দিব ঠিকেই কৰিব নোৱাৰিলে। নিজামেহে ক'লে, "কথাচোন পিছতো সুধিবা, আগেয়ে হাত-মুখ ধুবলৈ পানী-দুনী দিয়া।"

নিজামৰ কথালৈ বৰকৈ কাণসাৰ নকৰাৰ দৰে পাভ ছমীৰৰ ওচৰলৈ আহিল, আৰু তাৰ গালে-মূৰে হাত ফুৰাই ফুৰাই ক'লে, "ক'লা পৰিলি নেকি অলপ। ইঃ, কিমান দিনৰ মূৰত যে তই আহিলি!"

তাৰ গালৰ আৰু থুতৰিৰ ওপৰত হাত ফুৰাই ক'লে, "হেৰ' তোৰ ডাঢ়ি গজিল নেকি? গাল-মুখবোৰ খহটা খহটা লাগিছে দেখোন। ডেকাটো হ'লি, নহয়?"

পাভৰ কথাত ছমীৰৰ অলপ লাজ লাগিল। মানুহ জানো আৰু সদায় সৰু ল'ৰা হৈ থাকে? কিন্তু তাৰ ভাল লাগিল যে পাভ আগৰ নিচিনাজনী হৈয়ে আছে। সেই অলপ দুষ্ট, অলপ আজলী আৰু একেই সৰল। মাত্র পাভ আগতকৈ অলপ বেছি শকত হৈছে, আৰু কিজানি বগাও হৈছে।

নিজামৰ লগত কথা পাতিবলৈ এৰি পাভ ৰান্ধনিশাললৈ গ'ল যদিও বাৰে বাৰে ভুমুকি মাৰি ইটো-সিটো সুধি থাকিব ধৰিলে:

"তই বাৰু অতদিন ক'ত আছিলি?"

"হয় নে তই বোলে বহুত ধন কৰিলি? কিমান অ'? আমি আকৌ দুখীয়া মানুহ।"···

"মাৰৰ ফালৰ কিবা খবৰ-বাতৰি পাৱ নে?"···

"আমাৰ বাবা আৰু বৌটি মৰাৰ কথা ক'ব পাৰ নে নোৱাৰ?"···

"সেইজনী ক'ৰনো ছোৱালী অ', তোৰ তাত যে আছিলগৈ?"

"তোক পিছে ঘূৰি যাবলৈ নিদিছোঁ। তহঁত মতা ল'ৰাবোৰৰ একো নাই। গ'লি যি গ'লি, খবৰ এটা ল'বলৈও মনত পৰিব নাপায় নে।"·

উত্তৰ নিবিচৰা এই প্ৰশ্নবোৰৰ মাজে মাজে পাভই ছমীৰক মুখ-হাত ধুবলৈ পানী দিলে, কাপোৰ সলাবলৈ ক'লে, একপ্ৰকাৰ আঁজুৰিয়ে তাৰ চোলা-কাপোৰ সোলোকোৱালে, তাক চাহ-জলপান দিলে, আৰু জোতাযোৰ সোলোকোৱাই নিজৰ গাৰ চাদৰখনৰ মূৰ এটাৰেই ধূলি-বালিবোৰ মোহাৰি, ফুৱাই জোতাযোৰ চাফা কৰিলে।

এইবোৰ একোতে ছমীৰে বাধা দিবৰ সময় নাপালে। কিন্তু তাক হঠাৎ দেখা পাই পাভৰ এনে সৰল আনন্দ আৰু চঞ্চলতা হোৱা দেখি ছমীৰে ভাল পালে। প্ৰকৃতপক্ষে ছমীৰ আৰু নিজাম এটায়ো কথা ক'বলৈকে নাপালে, পাভয়ে নিজে নিজেই কৈ গ'ল। মাত্র মাজতে এবাৰ নিজামে কৈছিল, "তোমাৰ কথা পাভই মোক পুৱা-গধূলি সদায় কৈ থাকে। মোক এবাৰ তোমাক বিচাৰি আনিবলৈকে পঠিয়াব

খুজিছিল, পিছে তুমি বা থাকা ক'ত—মই বা বিচাৰিমগৈ ক'ত। আৰু অহা-যোৱাৰ খৰচ-পাতিও লাগিব। মইনো সিমানবোৰ টকা ক'ত পাওঁ? খেতি কৰি, বাৰীৰ লাও-বেঙেনা বেচি যি পাওঁ তাৰেই দুখে-কষ্টে কোনোমতে চলিছোঁ··"

কিন্তু পাভই আৰু ক'বলৈ নিদিলে। তাই চিঞৰি উঠিল, "হ'ব হ'ব আৰু বকলা মেলিব নালাগে। আমাৰ ঘৰ-দুৱাৰ দেখিয়ে সি সকলো বুজি পাইছে। তুমি এতিয়া যোৱা, দোকান কৰি আহাগৈ। অতদিনৰ মূৰত ল'ৰাটো আহিছে—" তাৰ পিছত ছমীৰক ক'লে, "ও', তয়ো ভিনিহিয়েৰৰ লগত কথা চোবাই থাকিব নালাগে। ওৰে ৰাতি টোপনি নাই, চাহ্-জলপান খাই তই অলপ শো। দুপৰীয়া ভাত হ'লে মই জগাই দিম।"

নিজাম দোকানলৈ গ'ল। ছমীৰক পাভই সিহঁতৰ শোৱা-কোঠালৈ নি সিহঁতৰ বিচনাখনতে শুবলৈ দিলে ঃ "আৰু বিচনা-চিচনা নাই। আমি মতা-মাইকী এহাল। বিচনাও এখনেই। আজি গধূলিকৈ বাৰু আৰু এখন বিচনা কৰিম। কৰিব নোৱাৰিলেও আমিহাল পাটী-ঢৰা পাৰি মাটিতে শুম। গৰম পৰিলেই।" তাই ক'লে।

"এই পাভ—"

"কি?"

"মানে, তহঁতৰ—?"

"কি? ল'ৰা-ছোৱালী? লাজ নালাগে নে সেইবোৰ সুধিবলৈ? শুই থাক মনে মনে।"

"ভিনিহিৰ আৰু কোনো নাই নেকি?"

"কেলেই? ভনীযেক আছে। বিয়া কৰাবি নেকি?"

"কিবোৰ যে কৈছ! মই—"

"ও', তই মোৰ বিয়ালৈ নাহিলি কেলেই? আহিবলৈ লাজ পালি নহয়?"

"মইনো কেনেকৈ আহিম, যুদ্ধৰ কাম চলি আছিল। মই এদিনৰ কাৰণেও এৰাবকে নোৱাৰোঁ। খবৰো পালোঁ দেৰিকৈ।"

"থ থ, এনেহে যুদ্ধৰ কাম। মই ইমান বাট চালোঁ, বোলোঁ তই কিজানি আহিবি। বহুতকে ক'লোঁও, বোলোঁ চিঠি পালে সি জৰুৰ আহিব। পিছে ক'ত আহিবি! মইনো তোৰ কিহৰ কি হওঁ!"

কথাবোৰ কৈ কৈ পাভই তাৰ মূৰ-শিতানলৈ আহি তাৰ চুলিবোৰ টানি টানি এটা সৰু ল'ৰাক নিচুকাই শুৱাবৰ চেষ্টা কৰাৰ দৰে মৰম কৰিবলৈ ধৰিলে।

ছমীৰৰ ভাল লাগিল। আকৌ যেন সি তাৰ সেই সহজ শৈশৱলৈ ঘূৰি গৈছে। শান্ত, সৰু গাঁও। মানুহবোৰৰ গতানুগতিক ব্যস্ততা, সৰু সৰু হাঁহি-কান্দোন, জীৱন-সংগ্ৰামৰ প্ৰাচীন সমস্যা—স্নেহ-প্ৰীতি, মান-অভিমান। লাহে লাহে তাৰ টোপনি আহিল। পাভ কেতিয়া গ'ল সি আৰু গম নাপালে।

॥ পঁইষষ্ঠি ॥

আগ-বেলাৰ ভিতৰতে গাঁওখনত জনা-জনি হৈ গ'ল যে মিলিটাৰীত থকা পাভৰ ভায়েক আহিছে। হয়তো ছমীৰৰ বিষয়ে পাভৰ মুখৰপৰা গাঁৱৰ মানুহে আগতে বহু কথা শুনিছিল। আৰু এতিয়া ছমীৰ শুই থকা সময়খিনিৰ ভিতৰতে পাভই যাক যেনেকৈ পাৰিলে কথাষাৰ জনাই আহিল। মানুহে বুজিলে যে মিলিটাৰীৰপৰা বহুত টকা লৈ পাভৰ ভায়েক আহিছে। কথাটোৱে সৰু গাঁওখনত একপ্ৰকাৰ উত্তেজনাৰে সৃষ্টি কৰিলে।

কৌতূহলবশতঃ দুই-চাৰিজনে ছমীৰক এবাৰ চাবৰ কাৰণে আহিল, কিন্তু পাভই সকলোকে ঘূৰাই পঠালে। কাণে কাণে ফুচ্‌ফুচাই ক'লে, "গোটেই ৰাতি ল'ৰাটোৰ টোপনি নাই, এতিয়া শুইছে। পিছ-বেলা আহিবা, নহ'লে ময়ে তাক গাঁও ফুৰাবলৈ লৈ যাম।"

কোনোৱে আপত্তি নকৰিলে।

নিজামক ছমীৰৰ ভাল লাগিল। মানুহজন এলেহুৱা নহয়, কৰ্ম্মঠ আৰু স্বাস্থ্যৱান। পঢ়া-শুনা সামান্য, কিন্তু বহুকষ্টে, মনপুতি খেতি-বাতি কৰে। আৰু পাভৰ নিচিনা একাচেকা আৰু ভংভঙীয়া ছোৱালী এজনীৰ লগত বেছ মিলি-জুলি ঘৰ-সংসাৰ কৰি খাইছে।

হয়তো ছমীৰৰ হাতত বহুত টকা আছে বুলিয়ে, নাইবা নগৰ-চহৰ, যুদ্ধক্ষেত্ৰ দেখা মানুহ বুলিয়ে প্ৰথমে ছমীৰৰ প্ৰতি নিজামৰ সামান্য সংকোচ আছিল, কিন্তু পিছলৈ সি নোহোৱা হ'ল। তিনিও সহজ হৈ পৰিল। আৰু ছমীৰেও তাক ভিনিহি বুলি মাতিবলৈ দ্বিধাবোধ নকৰিলে।

পাভই ছমীৰক ফুচ্‌ফুচাই ক'লে, "আমাৰ মানুহবোৰক তোৰ টকা-পইচা কিমান আছে নক'বি, জানিছ। ক'লেই ধাৰলৈ বিচাৰিব। আৰু ক'লেও বেংকত আছে বুলি ক'বি, হাতত নাই।"

ছমীৰে হাঁহিলে।

পাভৰপৰা ছমীৰে সিহঁতৰ নিজৰ গাঁওখনৰ সম্পৰ্কে কিছু বুজ ল'লে। হৈ যোৱা যুদ্ধখনৰ পোনপটীয়া প্ৰভাৱ গাঁওখনৰ ওপৰত পৰা নাছিল যদিও গাঁওখন যুদ্ধৰ প্ৰভাৱৰপৰা সম্পূৰ্ণ মুক্তও নাথাকিল। গাঁৱৰ বুঢ়া-বুঢ়ী কেইবাজনো মৰিল। পুৰণি মচজিদটো নতুনকৈ সাজিলে। গাঁৱৰ আগৰ দুখৰমান মানুহ ধনী হ'ল। ইত্যাদি ইত্যাদি···

এইবোৰ কথা জানি বা শুনি ছমীৰৰ বিশেষ দুঃখিত বা আনন্দিত একো হ'বলগীয়া নাছিল। পাভৰো মাক-বাপেক ঢুকাল, গতিকে তাইৰ নিজ গাঁৱলৈ যোৱাবো বিশেষ দৰকাৰ নোহোৱা হ'ল। তদুপৰি নিজামো অকলশৰীয়া, গ'লে দুয়োটা যাব লাগে। ঘৰ-বাৰী এনেই পৰি থাকে। বাটো দুৰণীয়া, একেদিনে গৈ ঘূৰি

আহিব নোৱাৰে। কমেও এসপ্তাহ খৰচ হ'ব। বৰ জৰুৰী কাম নথকাৰ কাৰণে সিহঁতৰ আহ্-যাহ্ হোৱা নাই বুলিলেই হয়। তাইৰো খবৰ-খাতি কৰিবলৈ আহোঁতা ওচৰ-আপোন তেনে কোনো নাই। সেই কাৰণে সিহঁতৰ গাঁৱৰ কিছুমান খবৰ পাভহঁতে নাপায়েই। আৰু যিবোৰ খবৰ পায়, সেইবোৰো পায় বহুত পলমকৈ। বাৰিষাৰ বাতৰি খৰালিহে পায় সিহঁতে।

এইবাৰে বিশেষ কোনো নতুন বাতৰি পাভই ছমীৰক দিব নোৱাৰিলে। ছমীৰৰো মোমায়েকহঁতৰ আৰু মাকৰ খবৰৰ বাহিৰে অন্য খবৰ শুনাৰ বিশেষ আগ্ৰহ নাছিল। কিন্তু সি মনে মনে ঠিক কৰিছিল যে আনৰ খবৰ সুধিলেও মাকৰ খবৰ সি কেতিয়াও উপযাচি নোসোধে। মাকৰ ওপৰত তাৰ অভিযোগ জীৱনজোৰা।

কিবা বিশেষ কাৰণত পাভয়ো যেন তাক সোণপাহীৰ খবৰ নোকোৱাকৈ থাকিবৰ চেষ্টা কৰিছিল। দুদিন পাৰ হৈ গ'ল।

কাহিলি পুৱাতে নিজাম নাঙল-গৰু লৈ পথাৰলৈ ওলাই যায়। কঠীয়াতলি আৰু দ' মাটি দুডৰামান ব'হাগৰ ভিতৰতে চহাই থ'ব পাৰিলে, অকলশৰীয়া মানুহ তাৰ সুবিধা হ'ব। বন-বাৰী কৰি অ'তাই পাভই বহি বহি তাৰ লগত আগ-গুৰি নোহোৱা নানা কথা পাতে। তাই সিহঁতৰ সৰু সংসাৰখনৰ কথা কয়। নিজাম মানুহটো ভাল, কিন্তু গাঁৱৰ সকলো মানুহ বৰ ভাল নহয়। সিহঁতৰ মাটি-বাৰীও বৰ বেছি নাই। যিবা অলপ এজমালি পট্টাৰ মাটি আছে, তাৰ ভাগ লৈ মোকৰ্দ্দমা চলি আছে। মাজে মাজে নিজাম জিলালৈ যাব লাগে। কেতিয়াবা মোকৰ্দ্দমা পিছ-বেলা ওলালে, সি একেদিনাই ঘূৰি আহিব নোৱাৰে। পাভৰ অসুবিধা হয়। তাই গাঁৱৰ কোনোবা বুঢ়া-বুঢ়ী মাতি আনি ঘৰ ৰখিবলৈ ৰাখিবলগীয়া হয়।

বিশেষ লাজ নকৰাকৈয়ে পাভই কয়ঃ বিয়া হ'বৰ কেইবাবছৰো হ'ল যদিও সিহঁতৰ ল'ৰা-ছোৱালী হোৱা নাই। সেইবাবে দুয়োটাৰে মনত অলপ দুখ আছে। "পিছে সেইবোৰ কথাকে মই সদায় ভাবি নাথাকোঁ। মাজে মাজে বৰ উৰুঙা উৰুঙা লাগে অ'। পিছে কপালত আছে যদি হ'ব—নহয় জানো?"

গাঁৱৰ মানুহবোৰে পাভ আৰু নিজামক মৰম নকৰা নহয়। পিছে মাজে মাজে দন্দ-কাজিয়াও লাগে। "বোৱাৰী ছোৱালী হ'লোঁ বুলি আৰু সদায় কিমান সহি থাকিবি। স'চা-স'চি কিবা ক'লে মই নামাতোঁ। পিছে মনেপতা কথাবোৰ ৰৌজাল-বৌজাল কৰি কিছুমানে ৰং পায়। মোক লৈ কত ৰকমৰ কথা যে নুলিয়ায়! পিছে সেইবোৰক মই এৰি নিদিওঁ। "

নোসোধোঁ বুলিও ছমীৰে সুধিলে, "তোৰনো কি কথা উলিয়ায়?"

"কি কথা আৰু? গাঁৱৰ ডগুৰাগালৰ আৰু পদুলি-শুঙাৰ বাহিৰে কি কাম আছে। বিয়া নোহোৱা গাভৰু ছোৱালীলৈ চকু দিয়, দে। মোক আকৌ জোকাবলৈ আহ কেলেই? সেইবোৰে গালি নাখাব কেলেই?"

সুৰুঙা বুজি ছমীৰে এবাৰ ক'লে, "মোৰ ভালেমান কাম আছে। যাবগৈ লাগিব।"

পাভই খেংখেঙাই উঠিল, "চুপতি কৰিবলৈ নাহিবি অ'। অতদিনৰ মূৰত আহিছ, যাওঁ যাওঁ লগালিয়েই। ক'ত কোনে দুৱাৰ মেলি বাট চাই আছে অ' তোলৈ? কৈ ক'ৰবাত কোনোবা আছে? এবা, ডেকা হ'লি নহয়।—"

ছমীৰে ক'লে, "নগৈ, ইয়াতনো কি কৰিম বহি থাকি থাকি ?"

"আমনি লাগিলেই নে ? এৰা, মইনো কিহৰ কি ? যাবৰ মন গ'লে যাবি। মই কিবা বান্ধি থাখিব পাৰোঁ নে ? পিছে আৰু তিনিদিন তই থাকিবই লাগিব।"

"তিনিদিন ? কেলেই ?"

"কাইলৈ ভিনিহিয়েৰৰ মোকৰ্দ্দমাৰ তাৰিখ আছে। খুৰি আহিবলৈ পাৰে নে নোৱাৰে কি ঠিক ? তই থাক।"

"তেনেকুৱা দৰকাৰ আছে যদি বাৰু দুই-এদিন থাকিম। পিছে বেছিদিন হ'লে থাকিব নোৱাৰোঁ।"

"নোৱাৰ যদি নালাগে থাকিব। আগে-পিছে কিবা মোক তইহে ৰাখিছ নে।"

পাভই বেয়া পায় বুলি ছমীৰে আৰু অন্য কথা নক'লে। ছমীৰে দেখিলে পাভ আগৰজনীয়েই আছে। তাই কেতিয়া খঙত থাকে, কেতিয়া ৰঙত থাকে বুজিবই নোৱাৰি।

কথাটো তাক নিজামেও ক'লে, "তুমিয়ে দুদিন থাকা। মই জিলাৰপৰা আহোঁগৈ। আৰু অতদিনৰ মূৰত আহিছা, ভাত এসাজ নাখাই গলে আমাৰে বেয়া লাগিব। বায়েৰাৰো তোমালৈ বৰ হেপাহ। বায়েৰাৰ মনত বেজাৰ দি নাযাবা।"

ছমীৰে বৰ আপত্তি নকৰিলে। থাকোঁ বুলিলে সি সৰহদিনো থাকিব পাৰে। তাৰ বিশেষ কাম নাই। কিন্তু একেঠাইতে বিশেষ কাম-বন নথকাকৈ সোমাই থকাটো তাৰ স্বভাৱ-বিৰুদ্ধ হৈ পৰিছে। অৱশ্যে পাভৰ ওচৰত তাৰ দুদিন থাকি যাবলৈ বেয়া নালাগে। আৰু নিজাম নাথাকিলে কিজানি আৰু ভালেই লাগিব।

ৰাতিপুৱাই নিজাম গ'ল। পাভ আৰু ছমীৰে বহি নানা কথা পাতিলে। ছমীৰে তাৰ জীৱনৰ ক'ব পৰা আটাইবোৰ ঘটনাৰ কথা পাভক ক'লে। কিছুমান পাভই বিশ্বাস কৰিলে। কিছুমান বিশ্বাস কৰিবলৈ টান পালে। এই কেইবছৰৰ ভিতৰতে ছমীৰৰ জীৱনত ইমানবোৰ ঘটনা ঘটিল নে ? ছমীৰৰ কথাবোৰ তাইৰ সাধুকথা যেন লাগিল। তাই থৰ লাগি তাৰ মুখলৈ চাই কথাবোৰ শুনি থাকে, আৰু মাজে মাজে কেৱল কয়, "ইঃ, সঁচা নে ? আও, আচৰিত পায়। ধেৎতেৰি।" আৰু কেতিয়াবা ছমীৰৰ কথাত সমৰ্থন জনাই কয়, "এৰা পায় —"

দিনত ফট্‌ফটীয়া ৰ'দ থকাৰ কাৰণে অলপ গৰমো পৰিছিল। আকাশ নিৰ্ম্মল। ৰাতিও ছমীৰ আৰু পাভ পাছ-চোতালত পাটী পাৰি বহি আগ-গুৰি নোহোৱা নানা কথা পাতিলে।

জোনাক নাছিল, কিন্তু নিৰ্ম্মল আকাশখনৰ বুকুৰপৰা তৰাবোৰৰ পোহৰ গোটেই পৃথিৱীতে বিয়পি পৰিছিল। পোহৰবোৰৰ লগত মিহলি হৈ আহিল—কাৰোবাৰ বাৰীত ফুলা জাপ-তগৰৰ গোন্ধ আৰু ব'হাগৰ মৰম লগা উত্তাপ।

পাভৰ মানত ছমীৰ যেন আজিও এটা সৰু ল'ৰা। তাই তাক পাটীতে শুৱাই লৈ গা-মূৰ মোহাৰি দিলে। আঙুলি টানি দিলে, চুলিবোৰ আঙুলিৰে লিৰিকি-বিদাৰি দিলে। আন্ধাৰতে বিচাৰি বিচাৰি বুকু, পিঠিত হোৱা ঘামচি ভাঙি খজুৱাই দিলে। তাইৰ যেন তাক খুব মৰম কৰিবৰ মন গৈছে। আৰু কেনেকৈ তাক মৰম কৰিব একো ঠিক কৰিব পৰা নাই।

ছমীৰৰো পাভৰ কাষত পৰি থাকি নিজকে সেই তাহানিৰ সৰু ল'ৰাটো যেন লাগিল। পাভৰ মৰম-আবদাৰ তাৰ বেয়া নালাগিল। অন্য সময়ৰ দৰে নিজকে সৰু ল'ৰা বুলি উপলব্ধি কৰিবলগীয়া হোৱাত তাৰ বিৰক্তি নালাগিল। মাত্ৰ এটা কথা অনুভৱ কৰি তাৰ অস্বস্তি লাগিছিল যে পাভৰ বিয়া হৈ গ'ল। পাভ আৰু আগৰ পাভ হৈ থকা নাই, আৰু তাৰো বহুত পৰিৱৰ্ত্তন হৈ গৈছে। পাভৰ নিঃস্বাৰ্থ আৰু বলিষ্ঠ মৰমক পাহৰি সি অন্য বহুতৰে লগত দেহ আৰু মনৰ সম্পৰ্ক গঢ়ি তুলিলে। তাৰ পাভৰ ওচৰত দোষী যেন লাগিল।

ৰাতি তাক শুবলৈ দি পাভ যেতিয়া যাব খুজিছিল, সি পাভৰ হাতখনত ধৰি কাষতে বহুৱাই লৈ ক'লে, "অকণমান বহচোন—"

পাভ বহিল! আৰু ধোঁৱাই ক'লা কৰা চিমনিৰ লেমটোৰ পোহৰত তাৰ মুখলৈ চালে।

"কিবা ক'বি ?"

"ওঁ, ক'ম—মই তোক সকলো কথা এতিয়াও কোৱা নাই—"

পাভ তাৰ বুকুৰ কাষতে বহিল আৰু ক'লে, "কি কথানো ?"

অলপ পৰ মনে মনে থাকি, চকু আধা-মুদা কৰি লাহে লাহে ছমীৰে ক'লে, "তোৰ ওচৰৰপৰা যোৱাৰ পিছত, মই বৰ বেয়া হৈ গ'লোঁ—"

"যা যাহ্। কিহৰ বেয়া হ'লি অ'। তোক মই জানো। সাজি কথা ক'ব নালাগে।"

ছমীৰে ক'লে, "নহয় পাভ, মই সঁচাকৈয়ে বেয়া হৈ গ'লোঁ। মই…"

পাভই ছমীৰৰ মুখখন তাইৰ ফালে ঘুৰাই লৈ ক'লে, "কেনেকৈ বেয়া হৈ গলি অ' ?"

"কেনেকৈ আৰু ? যুদ্ধলৈ গ'লোঁ। মদ খাবলৈ ল'লোঁ—"

"কি কৈছ !" ছমীৰৰ কথা বন্ধ কৰি দি পাভই চিঞৰি উঠিল।

"ওঁ, মই সঁচাকৈ কৈছোঁ। মই মদ খাওঁ, গুণ্ডামি কৰোঁ, মাৰ-পিট্ কৰোঁ, যত বেয়া কাম আছে সকলো কৰোঁ।"

পাভই ক'লে, "বাৰু হ'ল হ'ল, থ। সেইবোৰ কথা কৈ মোক ভয় খুৱাব নালাগে—"

"মই সঁচাকৈ কৈছোঁ পাভ—"

হঠাৎ পাভ ক্ৰুদ্ধ হৈ উঠিল, আৰু এছাৰ মাৰি তাৰ হাতখন এৰি দিলে। "সেইবোৰকে ক'বলৈ মোৰ ওচৰলৈ আহিছিলি ! লাজ লগা নাই ! তাতকৈ নমৰিলি কেলেই ! মাৰ নাই, বাপেৰ নাই, ক'ৰবাত মৰিব পাৰ, হ'বপায়। কি কৰিবলৈ আহিছিলি মোৰ ইয়ালৈ।"

ছমীৰে ক'লে, 'মৰিম বুলিয়ে যুদ্ধলৈ গৈছিলোঁ। পিছে মৰিব নোৱাৰিলোঁ, কি কৰিম ?"

অভিমানত ভগা মাতেৰে পাভই ক'লে, "তই নিজে নোকোৱা হ'লে, তোৰ সাত-শত্ৰুৱে কোৱা হ'লেও এইবোৰ কথা মই বিশ্বাস নকৰিলোহেঁতেন। এইবোৰ বেয়া কাম কৰিবলৈ তোক কোনে শিকালে ? আমি দুখীয়া মানুহ, দুখ-কষ্ট কৰি মানুহ হ'ব লাগে। তই আকৌ মিলিটাৰীত ধন ঘটিবলৈ গ'লি ! সেইবোৰ কৰিবলৈ গ'লি ? মোৰ গাত ধৰি ক'চোন এইবোৰ তই সঁচাকৈয়ে কৈছ নে ?"

"ও', স'চাকৈয়ে কৈছোঁ পাভ ! মোৰ খুব দুখ লাগে, জান। মোৰ বাবা কোন ক'ৰ নোৱাৰোঁ, বৌটিৰ হ'ল সেইবোৰ. কোনো আপোন মানুহ নাই, ঘৰ-বাৰী নাই; মনৰ বেজাৰতে মই বেয়া মানুহ হৈ গ'লোঁ। তই বেয়া পাইছ, নহয় ?"

"তোৰ যদি ইমান দুখ লাগিছিল, মোৰ ওচৰলৈ গুচি নাহিলি কেলেই ? ময়ো মৰিলোঁ বুলি ভাবিছিলি, নহয় ?"

"মাজে মাজে ভাবিছিলোঁ। পিছে তোৰ বিয়া হৈ গ'ল বুলি খবৰ পালোঁ নহয়। তইনো কেলেই বিয়া হ'লি ?"

"বিয়া নহৈ কেনেকৈ থাকিম ? বাবা-বৌটি দুয়ো মৰি থাকিল। মই কাৰ লগত থাকিম অকলে অকলে—ঘৰ-দুৱাৰ এৰাবাৰী হ'ল।"

অসহায়ৰ দৰে দুয়ো দুয়োৰে চকুলৈ চালে। দুটা হতভাগ্য অসহায় শিশু, অৱস্থাৰ আৱৰ্ত্তত থান্‌বান্‌ হৈ যোৱা দুটা ছিন্নমূল জীৱন। দুয়োৰে দুয়োৰো বিৰুদ্ধে অভিযোগ আছে, কিন্তু জীৱন আৰু জগতক অস্বীকাৰ কৰিবৰ উপায় সিহঁতৰ নাই।

উষ্ণ, আন্ধাৰ ৰাতিটো আগবাঢ়িছিল। নীৰৱতাই সৰু ঘৰটো সামৰি লৈছিল। বাহিৰত তৰাৰ পোহৰবোৰ শান্তভাৱে জ্বলি আছিল, মানুহৰ প্ৰাণৰ বেদনাৰ দৰেই শাশ্বত।

লাহে লাহে নীৰৱতা ভঙ্গ কৰি ছমীৰে ক'লে, "জানিছ পাভ. তেতিয়া মই বুজা নাছিলোঁ, এতিয়া অলপ অলপ বুজিব পাৰিছোঁ—"

"কি কথা ?"

"মোৰ দুৰ্দশা-দুৰ্গতিৰ কাৰণে মোৰ কোনো দিন দুখ লগা নাছিল—সদায় খং উঠিছিল। দুখ কৰিব জনা হ'লে কিজানি মই ইমান বেয়া মানুহ হৈ নগ'লোহেঁতেন।"

"সেইবাৰ কথা ময়ো বুজি পাইছিলোঁ। তোৰ মাৰৰ কথাও যেতিয়া তই ভাবি নাচাই. সদায় মাৰকে দোষ দিলি, তোৰ মনটো যে ভাল নহয়, মই জানিছিলোঁ। এতিয়াও তোৰ মাৰৰ কাৰণে দুখ নালাগে নে ?"

"এতিয়া, মই বৌটিৰ কথা নাভাবোঁৱেই—"

"কি ? তই মানুহ নে জানোৱাৰ ? মাৰৰ কথাও নাভাব যদি তই কি ভাব ?"

"একো নাভাবোঁ। মদৰ কথা ভাবোঁ, ছোৱালীৰ কথা ভাবোঁ—"

"চুপ্‌। নিলাজ ! জানোৱাৰ হৈ গৈছ !"

হঠাৎ ছমীৰ বিচনাতে বহি দিলে।

"এই পাভ—"

"কি হ'ল ?"

"মই যদি জানোৱাৰ হৈ গৈছোঁ—হৈছোঁ, কি হ'ল পিছে। তোৰ আগত কথা লুকুৱাবলৈ মই তোলৈ ভয় নকৰোঁ, বুজিছ—"

তাৰ মাতটোৰ কঠিনতাত পাভ কিছু শাঁত হৈ গ'ল।

লিপি নিমজ কৰি ৰখা বেৰখনৰ ফালে চাই বেদনাৰ্ত্ত মাতেৰে তাই ক'লে, "মোলৈ ভয় কৰিবলৈনো তোক কোনে কৈছে ? মইনো তোৰ কিহৰ কি হওঁ। পিছে মানুহে আল্লালৈ অলপ ভয়-চয় কৰিব লাগে। আল্লা এজন নাই বুলি ভাবিছ হ'বলা ?"

পাভৰ মুখত আল্লাৰ নাম শুনি ছমীৰ অলপ বিস্মিত হ'ল। হুঁটা-মুটাকৈ সি সুধিলে, "এই পাভ ? তই আল্লাক বিশ্বাস কৰ ?"

"কি কৈছ ? তই কাফিৰ হৈ গ'লি নেকি ? আল্লা-ৰচুল নামান, গুৰু-গোসাঁই নামান—তই—তই মৰিবি জানিছ—মৰিবি—" খুব খং আৰু বিৰক্তিত, অন্য একো ক'বলৈ নাপাই থোকাথুকি মাতেৰে পাভই ক'লে।

পাভ মানুহজনী ৰঙা পৰিছে। তাইৰ মুখখন গোলাপ ফুল যেন হৈ উঠিছে। তাইৰ চকু দুটা জলমলীয়া হৈ পৰিছে। তাইৰ সম্মুখত এটা নাস্তিক যেন শিলৰ দৰে থৰ লাগি ৰৈ আছে। কি কাৰণত জানো হঠাৎ তাইৰ বুকু ভাঙি কান্দোন ওলাই আহিল। বহি থকা ছমীৰক তাই দুয়ো বাহুৰে ডিঙিত সাৱটি ধৰিলে। বাষ্পৰুদ্ধ কণ্ঠেৰে পাভই হুকহুকাই উচুপি উঠিল।

অলপ পৰ বিমোৰত থাকি ছমীৰেও পাভক সাৱটি ধৰিলে, আৰু থোকাথুকি মাতেৰে ক'লে, "মোক খং কৰিছ, নহয় পাভ ?"

কিছুপৰৰ মূৰত পাভই লাহে লাহে তাক এৰি দিলে। আৰু তাইৰ দুয়ো গালেদি বাগৰি অহা চকুপানীখিনি মচি মচি ক'লে, "ৰাতি বহুত হ'ল, আজিলৈ শুই থাক আৰু, ময়ো শোওঁগৈ।"

পাভৰ মুখলৈ চাই থাকি ছমীৰে ক'লে, "তই ইয়াত নোশোৱ ?"

"ইয়াত ? মদাহী গুণ্ডাটোৰ লগত শুবলৈহে আছে। তই ইয়াতে শুই থাক। লৰচৰ নকৰিবি।"—কৈ পাভই ছমীৰক হেঁচা মাৰি শুৱাই দিলে আৰু তাৰ কাণ এখনত ধৰি টানি ক'লে, "সিফালে মুখকৈ শো—নিলাজটো ক'ৰবাৰ! মই তোৰ বায়েৰ বুলি পাহৰিলি হ'বলা। তেনেকৈ যে গা-পালৈ চাই আছ—গুনাহ হ'ব জানিছ—"

ছমীৰৰ মনটো এক অনিৰ্ব্বচনীয় অনুভূতিৰে পূৰ্ণ হৈ উঠিল। এই অনুভূতি কামনাৰ নহয়, ভয়ৰ নহয়, আত্মগ্লানিৰো নহয়। এই অনুভূতি যেন মাকৰ কোলাত মূৰ দি পৰি থকা এক ৰুগ্ন শিশুৰ—যি অসহায়, কিন্তু অভিমানী, যি পৰম আশ্বাসেৰে মাকৰ মুখলৈ চাই আছে শান্তি আৰু সান্ত্বনাৰ কাৰণে, মৰম আৰু কৰুণাৰ কাৰণে।

সিফালে মুখ কৰি শান্তভাৱে ছমীৰে যেন শুবৰ চেষ্টা কৰিছিল। আকৌ কাণখনত ধৰি পাভই তাৰ মুখখন নিজৰ ফালে ঘূৰাই মাতিলে :

"এই—"

"কি হ'ল ?"

"বেৰখনত কি দেখিছ ? মোৰ ফালে চা—"

"ওঁ—"

"মোৰ যে বিয়া হ'ল, তোৰ মনত আছে নে নাই ?"

"পিছে কি হ'ল ?"

"আগৰ ল'ৰাকালৰ কথাবোৰ পাহৰি পেলা। তেতিয়া তয়ো সৰু আছিলি, ময়ো সৰু আছিলোঁ। নজনা-নুশুনাকৈ যদি কিবা গুনাহ কৰিছিলোঁ আল্লাই আমাক মাফ কৰিব। পিছে এতিয়া গুনাহ কৰিলে আল্লাই কেতিয়াও মাফ নকৰে।" পাভই ক'লে, আৰু ভাবসা বিচাৰি তাৰ মুখলৈ চালে।

পাভৰ থুঁতৰিটোত ধৰি ছমীৰে ক'লে, "এতিয়া মই বুজিছোঁ পাভ—"

"কি বুজিলি ?"

"মানুহক টকা-পইচা, মান-সন্মান একো নালাগে। অকণমান মৰম লাগে। মৰমেহে মানুহক জীয়াই ৰাখে।"

পাভৰ সবল ৰাঙলী মুখখন এটা তৃপ্তিত উজ্জ্বল হৈ উঠিল। তায়ো যেন এনেকুৱা কথা এযাৰকে ক'বৰ কাৰণে ভাষা বিচাৰিছিল। কিন্তু সেই ভাষা বিচাৰি পোৱা নাছিল। তাই থৰ লাগি ছমীৰৰ মুখলৈ চাই ৰ'ল, তাৰ পিছত সুধিলে, "কি কৈছ ?"

"এৰা, মানুহৰ সঁচা মৰম পালে, মানুহ বাপেক-মাক নোহোৱাকৈও জীয়াই থাকিব পাৰে। মই এতিয়া বুজিছোঁ।"

কাৰ বিষয়ে এই কথা কৈছে বুজিবৰ কাৰণে পাভই অলপ চেষ্টা কৰিলে। হঠাৎ তাইৰ ভাল লাগি গ'ল, লাজো লাগিল। তাই মানুহজনী শান্ত হৈ পৰিল। আজি ছমীৰে বুজিব পাৰিছে তাইৰ তালৈ কিমান মৰম। তাইক আৰু একো নালাগে। একো নালাগে। ছমীৰে যেতিয়া তাইৰ মৰমক বুজি পালে, তাইৰ আৰু একো পাবলগীয়া নাই। ছমীৰৰ বাবে বা তাইৰ নিজৰ বাবে, তাইৰ আৰু কোনো আক্ষেপ-অনুশোচনা নাই।

তাই ছমীৰৰ গাৰ আৰু কাষ চাপি গ'ল, আৰু দুয়োহাতে তাৰ মুখখন নিজৰ হাতৰ মাজত লৈ তাৰ মুখলৈ চালে।

এখন ক্লিষ্ট, কৰুণ, অশান্ত মুখ। অসন্তুষ্টি আৰু আত্মনিগ্ৰহৰ অশান্তিয়ে, হয়তো মদ আৰু অবাঞ্ছনীয় নাৰীৰ সংস্ৰৱে, অনিয়ম আৰু অপ্ৰকাশ বিদ্ৰোহে এখন ধুনীয়া, সুশ্ৰী মুখ ক্লান্ত-শ্ৰান্ত কৰি পেলাইছে। শেষ নোহোৱা অভিযোগ আৰু মৌন বিদ্ৰোহৰ জীৱাণুৱে কুটি কুটি এখন সৱল হৃদয় ৰোগাক্ৰান্ত কৰি পেলাইছে। এটা অশান্ত, অতৃপ্ত আত্মাই, এই দুৰ্বিসহ ৰোগৰপৰা মুক্তি বিচাৰি মৰণৰ দুৱাৰতো থিয় দিছিলগৈ। কিন্তু আজি হয়তো কোনো অনুকূল গ্ৰহে তাক জীৱনৰ পথলৈ ঘুৰাই পঠাইছে।

ছমীৰৰ মুখখনলৈ চাই চাই বহুত বুজি নোপোৱা কথা ভাবি গ'ল পাভই। তাই নিজেও যেন বহুদিনৰপৰা কিবা এটা বুজি পাবলৈ বিচাৰি আছিল, কিন্তু কি বুজিবলৈ বিচাৰিছে তাই জনা নাছিল। আজি এই মাৰ্জনিশা ছমীৰৰ মুখলৈ চাই, ছমীৰৰ আধা-মুদা চকুহাললৈ চাই তাই যেন সকলো বুজি গ'ল। জীৱনৰ অৰ্থ যেন তাইৰ কাৰণে তেনেই সহজ হৈ গ'ল।

তাই তাৰ মুখলৈ তেনেদৰে চাই থকা দেখি ছমীৰে সুধিলে, "এনেকৈ কি চাই আছ ? কি হৈছে পাভ ?"

পাভই কুঁজা হৈ নাকটোৰে ছমীৰৰ কপালখন হেঁচি ধৰিলে আৰু ক'লে, "মই ইয়াতে শুই থাকিম, তোৰ গাৰ কাষতে—"

ছমীৰে চকু দুটা ডাঙৰকৈ মেলি তাইৰ মুখলৈ চালে আৰু তাইৰ শান্ত, নিৰ্ভীক মুখখন দেখি সি আনন্দ পালে।

সি ক'লে, "সঁচা ? গুনাহ হয় যদি ?"

পাভই ছমীৰৰ গাৰ কাষতে ভৰি মেলি শুলে, আৰু তাৰ কাণৰ ওচৰলৈ মুখখন নি ক'লে, "কেলেই গুনাহ হ'ব ? গুনাহ হোৱা কথাবোৰ নাভাবিবি ! মই জানিবা

তোৰ বাৰেৰ নহয়, মাৰ। মাকৰ বুকুৰ মাজত পুতেকক শুৱাই ল'লে গুনাহ হয় নেকি ?"

ছমীৰৰ মনটো পৱিত্ৰ লাগিল। 'পাভজনীক একো বুজিব নোৱাৰি। তাই যে মোক কত ৰকমে মৰম কৰিবলৈ বিচাৰে। মৰম কৰি কৰি তাই যেন মোক নাইকিয়া কৰি দিব।'

পাভৰ বুকুৰ মাজত এটা সৰু ল'ৰাৰ দৰে মূৰটো সুমাই দি অস্পষ্ট মাতেৰে সি মাথোন ক'ব পাৰিলে, "সৰুতে বৌটিয়ে মোক তোৰ নিচিনাকৈয়ে মৰম কৰিছিল পাভ—তেতিয়া মই বুজি পোৱা নাছিলোঁ।"

"জানিছ ছমীৰ, সৰুৰেপৰা ময়ো তোক বৌটিয়েৰৰ নিচিনাকৈয়ে মৰম কৰি আহিছোঁ। তই ভাবি চাইছ নে ?"

পাভই বহুত মৰম আৰু আৱেগেৰে ছমীৰক সাৱটি ধৰিলে। সন্তানহীনা পাভৰ বুকুত ছমীৰ যেন এটা সৰু শিশু। ছমীৰ শান্ত হৈ পৰি ৰ'ল। ইমান আৱেগ, ইমান মৰম, ইমান সৰলতা সি পাভৰ বাহিৰে জীৱনত কাৰোপৰা কাহানিও পোৱা নাই। সি অনুভৱ কৰিলে যেন লাহে লাহে তাৰ আত্মাৰ অভাৱটো পূৰ্ণ হৈ আহিব ধৰিছে, আৰু সি আকৌ এটা সৰু শিশু হৈ গৈছে। আৰু মাকৰ বুকুৰ স্নেহৰ অমৃত-ধাৰাৰে তাৰ জীৱনৰ ছন পৰা সমতল সিক্ত হৈ উঠিছে।

"পাভ ?"

"কি ?"

"একো নহয়। এনেয়ে মাতিছোঁ—"

দুয়োটাই যেন কি দুৰ্বোধ্য কথাবোৰ ভাবিছিল।

ছমীৰে বুজিবৰ চেষ্টা কৰিছিল—'নাৰী সকলো সময়তে মাতৃয়েই নেকি ? প্ৰিয়া ৰূপত, ভগ্নী ৰূপত, আত্মীয়া ৰূপত—সকলো ৰূপতে নাৰীৰ বুকুৰ মাজত এজনী মাতৃয়েই শুই থাকে নেকি ? নে পাভ এক বেলেগ নাৰী ?'

আৰু পাভই নিজকে নিজে কৈছিল, 'নিজাম থাকিলেও মই ছমীৰক এনেকৈ বুকুৰ মাজত লৈ শুই থাকিব পাৰিম। তেওঁক মই ক'ব পাৰিম—ছমীৰ মোৰ ভায়েই নহয়, সি মোৰ ল'ৰাও। ছমীৰেই মোৰ ল'ৰা।'

এজনী মাকৰ নিচিনাকৈ পাভই ছমীৰৰ গালে-মুৰে হাত ফুৰাই দিলে, আৰু এটা ডেকা দেহাৰ অস্তিত্বৰ কথা ক্ৰমে পাহৰি পাহৰি ছমীৰ টোপনিৰ বুকুত ঢলি পৰিল। যেন দুটা দেহা নোহোৱা হৈ গৈছে, আছে কেৱল দুটা সৰু আত্মা।

॥ ছয়ষষ্ঠি ॥

নিজাম মাস্তি হ'ল। ছমীৰৰ লগতে পাভও গৈ এবাৰ সিহঁতৰ গাঁওখন, সিহঁতৰ মাটি-ভেটিবোৰ চাই-মেলি আহিবগৈ। ভালেমান দিন পাভ নিজৰ গাঁৱলৈ যোৱা নাই। যাবৰ সুবিধাই নহয়। অকলশৰীয়া মানুহ, গ'লে দুৱাৰত তলা মাৰিবলগীয়া হয়। আৰু বহুত লোকচানো হয়।

ছমীৰে পাভক অলপ টকা দিলে, নিজামৰ হাতত খৰচৰ বাবে দি যাবৰ কাৰণে। নিজামে অলপ আপত্তি কৰিছিল যদিও পাভই বিশেষ আপত্তি নকৰিলে। "হাতত আছে যদি দে, মই বেয়া নাপাওঁ। আমাৰ টকা-পইচাৰ বৰ নাটনি।"

ছমীৰে যেন একোকে নাজানে। সকলো পাভইহে জানে—এনে ধৰণে বাটডোখৰত পাভই চলাই-কৰাই আনিলে। তায়ো ব্যৱস্থা কৰিলে যে তাইৰ যেতিয়া নিজৰ বুলিবলৈ কোনো নাই, সিহঁত দুয়োটা ছমীৰৰ মোমায়েকৰ ঘৰলৈকে যাব, আৰু বি দুই-এদিন থাকিবলগীয়া হয়, তাতে থাকিব। ছমীৰকতো বিশেষ জৰুৰী দৰকাৰ আছে বুলি মোমায়েকে চিঠি দি মাতিয়ে পঠিয়াইছিল। সিহে প্ৰথমে মোমায়েকৰ ঘৰলৈ নগৈ, পাভৰ ঘৰলৈ গ'ল।

ভালেমান বছৰৰ মূৰত নিজৰ গাঁওখনলৈ ঘূৰি আহিবলৈ লৈ ছমীৰৰ মনত আনন্দ লাগিছিল। কিন্তু তাৰ সংকোচো লাগিছিল। এদিন ইয়াৰপৰা সি ওলাই গৈছিল এটা সৰু ল'ৰা হিচাপে, আৰু এতিয়া সি আহিছে অন্য এটা ডেকা মানুহ হিচাপে। আৰু এইখন গাঁৱে তাক চিনি পায় অন্য এটা পৰিচয়েৰে, আৰু সেই পৰিচয়েৰেই তাক চিৰদিন চিনি পাব—তাৰ মৃত্যু পৰ্যন্ত! সেইবাবে গাঁওখনলৈ অহাৰ বৰ আগ্ৰহ তাৰ নাছিল। তাক নানা কথা কৈ নানা ৰকমে উদগনি দিছিল পাভই। আৰু নিজ গাঁৱলৈ ঘূৰি যোৱাটো বৰ আকৰ্ষণীয় কৰি তুলিবৰ চেষ্টা কৰিছিল।

অৱশ্যে গাঁওখনৰ প্ৰতি থকা তাৰ বিৰক্তি-বিতৃষ্ণা এনেয়ে তাৰ কিছু কমি গৈছিল। গাঁওখনক সম্পূৰ্ণৰূপে সি ক্ষমা কৰিব পৰা নাছিল। কিন্তু তাৰ জন্ম-পৰিচয়ৰ দুৰ্ঘটনাটো সি যেন কিছু সহজভাৱে ল'ব পৰা হৈছিল। আৰু এতিয়া সি আগৰ দুখীয়া ল'ৰাটো নহয়। তাৰ হাতত এতিয়া আছে টকা। গাঁৱৰ মানুহবোৰে তাক আগৰ চকুৰে নাচাব। অলপ সমীহ কৰিব।

সেইবাবে ছমীৰে মনত কিছু আনন্দ লৈয়ে মোমায়েকৰ ঘৰ বুলি যাত্ৰা কৰিছিল।

সকলো প্ৰায় আগৰ নিচিনাই আছে। যুদ্ধৰ পিছত কিছুমান নগৰ চিনিব নোৱাৰাকৈ সলনি হ'ল। কিন্তু এই গাঁওখনৰ বিশেষ একো যেন সলনি হোৱাই নাই! দুই-এঘৰ মানুহ বাঢ়িল, দুটামান গছ-পুলি আগতকৈ ওখ হ'ল। আৰু একোৱেই যেন হোৱা নাই। সকলো ছমীৰৰ চিনাকি চিনাকি লাগিল। আপোন আপোন লাগিল।

সিহঁত গাঁও সোমাওঁতে সন্ধিয়া লাগি ভাগিছিল। বাটৰ কাষৰ মানুহবোৰৰ ঘৰৰ মজিয়াত লেম-চাকি জ্বলিছিল। ল'ৰা-ছোৱালীবোৰে এনেয়ে কিবাকিবি চিঞৰিছিল। কোনোবাই কাৰোবাক খিঙিয়াই কিবা সুধিছিল। সন্ধিয়াতে ৰাতি যেন লাগিছিল।

পাভ আৰু ছমীৰ আগবাঢ়িছিল। বাচত আহোঁতে গাৰ কাষতে বহি ওৰে বাটটো পাভই কিবাকিবি কৈ আহিছিল। এতিয়া পাভও কিছু ভাগৰি পৰিছে। ছমীৰৰ কোনো কথাকে ক'বৰ মন যোৱা নাই। কিবা এটা অবোধ্য কাৰণত গাঁওখন তাৰ বৰ গহীন গহীন যেন লাগিল।

মোমায়েকৰ ঘৰৰ পদূলি-মূৰ পাই দুয়ো ৰ'ল। ঘৰৰ ভিতৰৰ ফালে চালে। এটা লণ্ঠন মজিয়াত থকা মেজখনৰ ওপৰতে কমকৈ জ্বলি আছে। আৰু দুজনমান মানুহ

বহি সব্ সব্কৈ কিবা কথা পাতিছে। কি কথা পাতিছে নুশুনি, কিন্তু কথাবোৰ গহীন আৰু বিষণ্ণ যেন লাগিল।

দুয়ো অকণমান সময় চৌতালৰ মুৰতে থমক খাই ৰ'ল। ঘৰটো অকণো ভুল হোৱা নাই। এই ঘৰৰ মজিয়াতে ছমীৰ কেঁচুৱাৰপৰা আছিল। তথাপি সমগ্র পৰিৱেশটো ছমীৰহঁতৰ অচিনাকি যেন লাগিল।

পাভই ক'লে, "কি চাই আছ, ব'ল—"

"ওঁ, ব'ল—" চমক ভগাৰ দৰে ছমীৰে ক'লে।

লাহে লাহে চৌতালখন পাৰ হৈ দুয়ো আহি দুৱাৰ-মুখত ৰ'লহি। পদুলি-মুৰত মাত শুনিয়ে কোনোবা এজনে বাহিৰৰ ফালে চাইছিল। সিহঁত দুৱাৰ-মুখ পোৱাত মানুহজনে লণ্ঠনটো হাতত লৈ থিয় দিলে আৰু সুধিলে—

"কোন ?"

ছমীৰে ক'বলৈ নৌপাওঁতেই পাভই টপৰাই ক'লে, "আমি—ছমীৰ আৰু মই—"

পাভৰ মুখৰ কথাষাৰ ওলাওঁতে-নোলাওঁতেই একেলগে প্রায় তিনি-চাৰিজন মানুহে চিঞৰি উঠিল—"ছমীৰ! ক'তা ? ক'ত আছে ?"

পাভহঁত ভিতৰ সোমাই আহিল।

আটায়ে ছমীৰৰ মুখলৈ চালে। এই ওখ-পাখ ডেকা মানুহটোক ছমীৰ বুলি চিনি পাবলৈ তেওঁলোকৰ সময় লাগিল।

সৰু মোমায়েকে মাথোন ক'লে, "আহ বোপাই, বহ। পাভ, তই ভিতৰলৈ যা। কত কালৰ মুৰত যে আহিলি ! ক'ৰপৰা আহিলি এতিয়া ?"

মুঢ়া এটাতে ছমীৰ বহিল। টোপোলা-টাপলিকেটা লৈ পাভ ভিতৰলৈ সোমাই গ'ল।

পাঁচজন মানুহ আছিল। দুজনমানক ছমীৰে চিনি পালে, দুজনমানক নাপালে। তেওঁলোকৰ কিন্তু এজনেও প্রথমে ছমীৰক চিনিব নোৱাৰিলে, আৰু সেইদেখি কৌতুহলেৰে তাৰ মুখলৈ চালে।

মোমায়েকে ক'লে, "চিঠি পাইছিলি নহয় ?"

"পাইছিলোঁ।"

"এৰা, মই বোলোঁ নাপাৰই কিজানি—তোৰ ঠিকনাও যাক-তাক সুধিহে বিচাৰি পাইছোঁ।"

মানুহকেজনে নিজৰ ভিতৰতে কোৱা-কুই কৰিলে, "ল'ৰাটো ভাগৰে-জুগৰে আহিছে—জিৰাওক, আমি যাওঁহক ব'লা। এৰা, আমি আহিলোঁহে। চিন্তা-ভাবনা কৰি নাথাকিবিহঁক। ছমীৰো আহিছে। খোদাৰ হুকুমক কোনে বদ কৰিব।"

আৰু কিবাকিবি কথা কৈ কৈ মানুহকেজন এজন এজনকৈ ওলাই গ'ল।

অলপ পৰৰ পিছতে ছমীৰক মামীয়েকে ভিতৰলৈ মাতি নিলে।

ভিতৰত দুই-এষাৰ কথাৰ উত্তৰ দি দি সি শান্তভাৱে জলপান খাই যাব ধৰিলে। ভিতৰৰ ফালে অন্য কোঠাত আৰু কোনোবা তিৰোতা মানুহ আছে। পাভই সৰু সৰুকৈ সিহঁত কাৰোবাৰ লগত কথা পাতিছে। ছমীৰৰ মনত লাগিল যেন কিবা এটা গোপন আলোচনাহে হৈছে। কোনোবা ফালে সৰু ল'ৰাই কান্দিছিল।

কান্দোনটো তাৰ বৰ অস্বস্তিকৰ লাগিল। কোনোবাই কন্দা-ল'ৰাটোক নিচুকাবৰ চেষ্টা কৰিছিল, কোনোবাই চেপা মাতেৰে বিৰক্তি প্ৰকাশ কৰিছিল—"কিমান কান্দে অ' এইটোৱে।"

কাৰোবাৰ কিবা প্ৰশ্নৰ উত্তৰত পাভই কোৱা ছমীৰৰ কাণত পৰিল—

"আমি স'চাকৈয়ে ক'ব নোৱাৰোঁ। কোনেনো ক'বগৈ আমাক!"

তাৰ পিছত পাভৰ মাতো সৰু হৈ আহিল। চাহ-জলপান খাই উঠি ছমীৰ আকৌ বাহিৰৰ কোঠালৈ ওলাই আহিল।

অকাৰণতে সি অনুভৱ কৰিলে যেন গুৰুতৰ কিবা এটা হৈছে, আৰু সকলোৱে তাৰপৰা কথাষাৰ লুকুৱাবৰ যত্ন কৰিছে। বৰ জৰুৰী দৰকাৰ আছে বুলি মোমায়েকে চিঠিত লিখিছিল। কি-বা সেই জৰুৰী কথা! সিহঁত আহি পাবৰ সময়ত তাৰেই আলোচনা হৈ আছিল নেকি?

কিন্তু ভাত-পানী খাই উঠাৰ পিছতো কোনোৱে অন্য বিশেষ কথা একো নুলিয়ালে। সি নিজে সুধিবৰ মন নকৰিলে। সময় মতে সকলো সি জানিব পাৰিব।

কিন্তু তাৰ নিজকে অলপ আচহুৱা যেন লাগিল। এইখন তাৰ নিজৰ ককাদেউতাকৰ ঘৰ। ইয়াতেই তাৰ জন্ম হৈছিল, ইয়াৰ মজিয়াতে চুঁচৰি-বাগৰি সি ডাঙৰ হৈছিল। কিন্তু কেইটামান বছৰৰ ব্যৱধানে সকলো যেন তাৰ অচিনাকি কৰি পেলালে। মামীয়েকহঁতেও তাৰ লগত জুখি-মাখিহে কথা-বতৰা পাতিলে। তাৰ অলপ বেয়া লাগিল।

সি শুবৰ কাৰণে বিচনাত পৰিছিল। ভিতৰৰপৰা পাভ ওলাই আহি তাক সুধিলে, "ভাত খালি?"

"ওঁ—তই খালি?"

"খালোঁ—বেয়া লাগিছে নেকি?"

"নাই লগা, কেলেই বেয়া লাগিব।"

"তই শো তেনেহ'লে। মোৰ ভাগৰ লাগিছে, শোওঁগৈ।"

"এই পাভ?"

"কি?"

"বাৰু, একো নহয়, যা শোগৈ—"

"এতিয়া বাৰু শুই থাক। অকলে শুবলৈ ভয় কৰিবি নেকি?"

"তই বাৰু শোগৈচোন যা। মোৰ কথা ভাবিব নালাগে—"

"মই কাষৰ কোঠাতে শুইছোঁ—কিবা লাগিলে মাতিবি—" কৈ পাভ ওলাই গ'ল।

আগ-ৰাতি কিছু পৰলৈ টোপনি নাহিলেও পিছ-ৰাতি ছমীৰৰ ভাল টোপনি আহিল। কি জৰুৰী কথাৰ কাৰণেনো মোমায়েকে তাক মাতি পঠাইছে, তাকে চিন্তা কৰি কৰি সি টোপনি গ'ল।

পিছদিনা ৰাতিপুৱা ছমীৰ শুই উঠি চাহ-জলপান খায়মানে এজন-দুজনকৈ গাঁৱৰ ভালেমান মানুহ আহি ওলালহি। ছমীৰে ভাবিলে অতদিনৰ মূৰত অহাৰ কাৰণে তাক দেখা কৰিবলৈহে আহিছে। কিন্তু মানুহবোৰৰ চকু-মুখলৈ চাই তাৰ ধাৰণা হ'ল—যেন সকলো অন্য কিবা এক উদ্দেশ্যতহে আহিছে। আৰু অৰ লগত দুই-চাৰি

আষাৰ কথা পাতিলেও কিবা অপৰাধত অপৰাধীৰ দৰেহে যেন পাতিছে। কথাটো কি হৈছে জানিবৰ মন গ'ল ছমীৰৰ। মানুহবোৰ যেন তাৰ কিবা বিচাৰ কৰিবৰ কাৰণেহে আহিছে!

সি চৌতাললৈ ওলাই আহিল, কিয়নো চৌতালতে সৰহখিনি মানুহ বৈ আছিল। কেইজনমান মানুহ বহিছিল আৰু কিছু থিয় দি আছিল। কোনোবাই আগবঢ়াই দিয়া মূঢ়া এটাত ছমীৰ বহিল, আৰু ইজন-সিজনৰ লগত দুই-চাৰি আষাৰ কথা পাতি সহজ হ'বৰ চেষ্টা কৰিলে।

এনেতে পাভ আৰু ছমীৰৰ সৰু মামীয়েক ভিতৰৰপৰা ওলাই আহি তাৰ ওচৰতে ৰ'লহি। ৰাতিপুৱাতে এনে ধৰণৰ এটা সমাৱেশ তাৰ অস্বাভাৱিক যেন লাগিল। এইবাবে তাৰ উৎকণ্ঠাও বাঢ়িল।

তাৰ অলপ আঁতৰতে সৰাতোকৈ বয়োজ্যেষ্ঠ মণিৰুদ্দিন গাঁওবুঢ়া বহিছিল। তেওঁৰ ডাঢ়ি-চুলি, আনকি চকুৰ চেলাউৰি পৰ্যন্ত পকিছে। দাঁত এটাও নাই। শুদা দাঁতৰ আলুৰেই তেওঁ খুন্দা তামোল চোবাইছিল।

মণিৰুদ্দিন ছমীৰৰ ফালে ঘূৰিল, আৰু লাহে লাহে কৈ যাব ধৰিলে, "বোপাই, হায়াত-মউত সকলো আল্লাৰ হাতত। দুনিয়াত আল্লাই যিমান পয়দা কৰিছে, সকলো মৰিছে। কোনোবা জীয়াই আছে জানো? কত ডাঙৰ ডাঙৰ ৱলী-আউলিয়া, পীৰ-পয়গম্বৰ দুনিয়ালৈ আহিল—সকলো এই ফানা দুনিয়াৰপৰা গুজৰি গ'ল। কোনো নাথাকে। আমিও এদিন যাব লাগিব। জীৱননো কি? কচু-পাতৰ পানী—এই আছে, এই নাই। আমি না-চবুৰ গুনাহগাৰ বান্দা, আমাৰ দুখ-বেজাৰ লাগিবই। পিছে বেজাৰ কৰিব নাপায়, আল্লা নাৰাজ হয়। তই জনা-বুজা হৈছ…"

মণিৰুদ্দিন বুঢ়াৰ কথাখিনি ছমীৰৰ একেবাৰে অপ্ৰাসঙ্গিক, অবাস্তৱ আৰু অৰ্থহীন যেন লাগিল। বুঢ়া হ'লেই এইদৰে বক্তৃতা দিব লাগে নেকি? তাৰ অলপ বিৰক্তিও লাগিল। গাঁৱৰ মানুহবোৰ যে এতিয়াও কি হৈ আছে! কেতিয়া কাৰ লগত কি কথা পাতিব লাগে তাকো নাজানে! তাৰ লগত অন্য কথা পতাৰ পৰিৱৰ্তে এওঁলোকে উলিয়াইছে হায়াত-মউতৰ কথা—জন্ম-মৃত্যুৰ কথা।

মণিৰুদ্দিন বুঢ়া অলপ মনে মনে থাকিলত, আন এজন আদহীয়া মানুহে কথা ক'বলৈ আৰম্ভ কৰিলে। মানুহজন ক্ষীণ, মুখত আই-দাগ আছে। চুলি আধা-আধি পকিছে। তেওঁৰ মাতটো অলপ ৰুক্ষ আৰু কঠিন।

ছমীৰে কথা ক'বলৈ আৰম্ভ কৰা মানুহজনৰ মুখলৈ চালে, মানুহজনক তেওঁৰ অকণো ভাল নালাগিল। মানুহজনৰ গাত এটা ফটা বনিয়নৰ বাহিৰে আৰু একো নাই। তেওঁ ক'ব ধৰিলে, "তই কিজানি কথাষাৰ এতিয়াও গম পোৱা নাই। লুক-ঢাক কৰি, অকাই-পকাই কৈ কাৰ কি লাভ হ'বনো? মই আৰু পোনপটীয়া মানুহ।"

মানুহজন অলপ ৰ'ল, আৰু অন্যান্যৰ মুখলৈ এবাৰ চালে। যেন তেওঁ সাহস আৰু সমৰ্থন বিচাৰিলে। তাৰ পিছত মানুহজনে আকৌ ক'লে, "কথাষাৰ ক'বলৈ আমাৰ বেয়া লাগিছে। এৰা, বোৱা ৰাতিয়ে ক'ব লাগিছিল। পিছে ভাগৰে-জুগৰে আহিছিলি, তেতিয়া আৰু নক'লে—"

"আপোনালোকেনো কি ক'ব খুজিছে ?" ছমীৰে সুধিলে আৰু এবাৰ সকলোৰে মুখলৈ চালে। তাৰ চাৱনি দেখি যেন আকৌ সকলো দমি গ'ল।

"এইবাৰ কাৰো ফালে নোচোৱাকৈ তলমুৰে কৰি ছমীৰৰ সৰু মোমায়েকে এক অস্বাভাৱিক মাতেৰে ক'লে, "সোণপাহী ঢুকাল !"

প্ৰথমে ছমীৰে একো বুজিব নোৱাৰিলে, সি ভয়ে ভয়ে মোমায়েকৰ মুখলৈ চালে।

আকৌ মণিৰুদ্দিনে ক'লে, "এৰা বোপাই, তোৰ মাৰ সিদিনা ঢুকাল। কি কৰিবি, খোদাৰ হুকুম। তোক এবাৰ চাবলৈ বিচাৰিছিল, মোমায়েৰে চিঠিও দিছিল নহয়। পিছে তই অহাত পলম কৰিলি। যাৰ যিমান দিন আয়ুস থাকে—"

বহাতে থৰ লাগি ছমীৰ বৈ গ'ল। তাৰ হাত-ভৰিবোৰ নিশ্চল, নিঃসাৰ হৈ গ'ল। সি চকুৰে একো দেখা নাই। ডাঙৰকৈ চকু দুটা মেলি সি চাৰিওফালে এবাৰ চালে। তাৰ সম্মুখত এদল মৰা-শ বহি আছে। তাৰ চকুৰ আগৰ পৃথিৱীখন ঘূৰ-পাক খাইছে। ছমীৰৰ মূৰটো ঘূৰোৱা যেন লাগিল। সি যেন এতিয়া পৰি যাব।

পাভ তাৰ ওচৰলৈ আহিল, তাৰ পিঠিত হাত এখন থৈ তাই তাক সান্ত্বনা দিবৰ যত্ন কৰি ক'লে, "ময়ো ক'ব নোৱাৰোঁ। জনা হ'লে তোক আগতে ক'লোহেঁতেন। ইয়ালৈ আহিহে গম পাইছোঁ। বেজাৰ নকৰিবি।"

অতপৰ ছমীৰ নিশ্চল হৈ বহি আছিল। পাভৰ কথাত তাৰ শোকৰ পাৰ ভাঙি আহিল। পাভক সাৱট মাৰি ধৰি সি হুকহুকাই কান্দি উঠিল—'বৌটি, বৌটি—"

উপস্থিত অন্যান্যৰো তাক কন্দা দেখি বেজাৰ লাগিল। কোনোৱে একো ক'ব নোৱাৰিলে। সংসাৰত এতিয়া আৰু ছমীৰৰ কোনো নাই, কোনোৱেই নাই।

ভালেমান পৰ ছমীৰে অশান্তভাৱে উচুঁপি উচুঁপি কান্দিলে। পাভই শান্ত কৰিবৰ চেষ্টা কৰি বিফল হ'ল। বাকী মানুহবোৰে মাথোন অসহায়ভাৱে ক'লে, "দুখ নকৰিবি বোপাই, বেজাৰ নকৰিবি। কান্দিলেনো কি হ'ব, কান্দিলে মোৰ দাৰ ৰুহেহে দুখ পায়—"

কিন্তু কথাবোৰ তেওঁলোকে এনেয়েহে কৈছিল। তেওঁলোকে বুজিছিল এইবোৰ কথাই ছমীৰক শাঁত কৰিব নোৱাৰে। ছমীৰৰ আঘাত গভীৰ, তাৰ ক্ষতি অপূৰণীয়।

মানুহবোৰ ক্ৰমে এজন-দুজনকৈ ঘৰা-ঘৰি গ'লগৈ। হয়তো মাক মৰাৰ বাতৰিটো ক'লে ছমীৰ অধৈৰ্য্য হৈ ভাগি পৰিব বুলিয়ে মানুহবোৰ চাপিছিল, দেখাত কিন্তু ছমীৰ স্থিৰ হৈয়ে থাকিল।

পাভই ছমীৰক ভিতৰলৈ লৈ আহিল, আৰু বিচনা এখনত শুৱাই দিলে। ছমীৰৰ যেন ইচ্ছাশক্তি লোপ পাইছিল, তাক যেন এখন মহাসমৰ যুঁজি অহাৰ সমগ্ৰ ভাগৰে হেঁচি ধৰিছিল। সি মাথোন গাঁৰুত মূৰ গুজি উচুঁপি উচুঁপি কান্দিছিল, আৰু মাজে মাজে বিৰবিৰাই কৈছিল, "বৌটি—বৌটি—"

তাৰ কাষতে বহি পাভই, মামীয়েকে আৰু অনান্য দুজনীমান মাইকী মানুহে তাক বুজোৱাৰ আৰু সান্ত্বনা দিয়াৰ অক্ষম চেষ্টা কৰিছিল। চুলিৰ মাজত আঙুলি বুলাই বুলাই পাভই কৈছিল, "মোৰোতো বৰা-বৌটিহঁত মৰিল, মই কি কৰিম। কান্দিলে জানো কোনোবা ঘূৰি আহিব !"

ভালেমান পৰৰ মূৰত এটা দূৰ্বোধ্য, দুৰ্বিসহ অস্বস্তিৰপৰা লাহে লাহে ছমীৰ মুক্ত হ'ল। সি চকু মেলি চালে। তাৰ ওচৰতে পাভ বহি আছে। প্ৰথমতে সি বেলে পাভকো চিনিব নোৱাৰিলে। কঁজা হৈ পাভই মুখখন তাৰ মুখৰ কাষলৈ নি ক'লে, "উঠ, চকু-মুখবোৰ ধুই পেলা, বেজাৰ কৰি থাকিব নালাগে।"

ছমীৰ কিন্তু তেনেকৈয়ে অলসভাৱে পৰি থাকিল। কিবা এটা বুজিব নোৱাৰা কথা বুজিবৰ চেষ্টা কৰিলে যেন সি। কিন্তু তাৰ মাক, সোণপাহী মৰাৰ কোনো কাৰণ, কোনো অৰ্থ সি যেন বিচাৰি নাপালে। যুদ্ধত তাৰ চকুৰ আগতে বহুত মানুহ মৰা দেখিলে সি কিন্তু সোণপাহীৰ মৃত্যু যেন বেলেগ। অতি কৰুণ, অতি ভয়াবহ, অতি মৰ্ম্মন্তুদ আৰু দুঃসহ এই মৃত্যু। 'কিয় মৰিল বৌটি—? কিয় মৰিল?' সমাধান নোহোৱা এই প্ৰশ্নটোৱে তাক আমনি কৰিব ধৰিলে, তাক বিব্ৰত কৰি তুলিলে।

লাহে লাহে মামীয়েকে তাক সোণপাহীৰ মৃত্যুৰ বিষয়ে সকলো কথা বিবৰি ক'লে। কথাবোৰ শুনি লজ্জা, দুখ, বিৰক্তি, বেদনাত ছমীৰ আৰু অস্থিৰ হৈ পৰিল। কিন্তু নুশুনিও তাৰ উপায় নাছিল, আৰু সোণপাহীৰ বিষয়ে সকলো কথা তাৰ জানিবৰো এটা প্ৰবল ইচ্ছা হৈছিল। বহু কষ্টে সহজ হ'বৰ চেষ্টা কৰি মামীয়েকে চমুৱাই তাক ক'লে: 'হাছমত বুঢ়া বেমাৰী মানুহ আছিল, তাতে বৰ কট্‌কিনা হৈ চলিছিল। কোনো পুষ্টিকৰ ভাল বস্তু কেতিয়াও কিনি-মেলি নাখাইছিল। বুঢ়া মৰিল। বুঢ়া মৰাৰ পাঁচ মাহৰ পিছতে সোণপাহীৰ এজনী ছোৱালী উপজিল। ছোৱালীজনী হোৱাৰ আগৰেপৰা সোণপাহীৰ গা বেয়া হ'বলৈ ধৰিছিল। গাত তেজ নোহোৱা হৈছিল। একো খাব নোৱাৰা হৈছিল, খালেও হজম নহৈছিল। তাতে হাছমত ঢুকালত বেজাৰো পালে বৰ। তাৰ পিছত আৰু মানুহজনীয়ে গা কৰিব নোৱাৰিলে।

ঘৰত আৰু কেও-কিছু নাই। বুঢ়াৰ পুতেক জাফৰ আছিল। আগেয়ে সি সোণপাহীক মৰম কৰিছিল, কিন্তু বুঢ়া মৰাৰ পিছৰপৰা আৰু বিশেষকৈ ছোৱালীজনী হোৱাৰ পিছৰপৰা সি সোণপাহীক দেখিব নোৱাৰা হ'ল। গাঁৱৰ মানুহেও তাইৰ খবৰ-খাতি কৰিবলৈ এৰিলে, কিছুদিন তেনেকৈয়ে গ'ল। অৱশেষত নিৰুপায় হৈ তাই বাপেকৰ ঘৰলৈকে গুচি আহিল।

ইয়াত সোণপাহীৰ চিকিৎসা-পাতি কৰা হৈছিল, কিন্তু তাই আৰু ভাল নহ'ল। দিনে দিনে তাই শুকাই-খীণাইহে যাব ধৰিলে। কথা-বতৰাও নকয়, নাহাঁহেও, নিয়ম মতে নাখায়-নবয়, নোশোৱে, ছোৱালীজনীকো বৰকৈ মৰম-চৰম নকৰে।

সোণপাহীৰ চেহেৰা-পাতিও দিনে দিনে বেয়া হৈ যাব ধৰিলে। বহুতে ক'লে তাইৰ দেহাৰ অসুখতকৈ মগজুৰহে কিবা বিকাৰ হৈছে। তাই যেনেদৰে মলিয়ন কাপোৰ-কানিৰে, আউলী-জাউলী চুলিৰে, নমতা-নোবোলাকৈ জুপুকা মাৰি জলকা লাগি থাকে, তাইক মানুহে বলিয়ানী হোৱা বুলিহে সন্দেহ কৰিছিল।

পিছলৈ সোণপাহী বিচনাত পৰি থকা হ'ল, উঠিবলৈ গাত শক্তি নাইকিয়া হৈ আহিল। কথা-বতৰা একেবাৰেই নোকোৱা হ'ল। তেতিয়াহে মোমায়েকে ছমীৰৰ ঠিকনা বিচাৰি চিঠি দিছিল। পিছে ছমীৰ অহালৈ আৰু সোণপাহী বাচি নাথাকিল। আজি ছ'দিনৰ আগতে শেষ-ৰাতি সোণপাহী ঢুকাল। শেষৰ দিনা ছমীৰক

বিচাৰিছিল, হোৱালীজনীকো বিচাৰিছিল, পিছে কাকো একো কথা-বতৰা নক'লে।

সোণপাহী ঢকুৱাৰ খবৰ জনায়ো এখন চিঠি মোমায়েকে ছমীৰলৈ দিছিল, পিছে চিঠিখন পোৱাৰ আগতে ছমীৰ তাৰপৰা আহিলেই হ'বলা।'....

ছমীৰে মাথোন মামীয়েকে কোৱা কথাবোৰ শুনি গ'ল। কিছুমান কথা তাৰ নবুজা যেন লাগিল। দুই-এটা কথা তাৰ সুধিবৰো মন গৈছিল, কিন্তু নুসুধিলে। সুধি বা জানি একো লাভ নাই। সোণপাহী শেষ হৈ গৈছে, লগে লগে সোণপাহীৰ জীৱনৰ সমগ্ৰ কাহিনীও শেষ হৈ গৈছে। খং-অভিমান কৰিবলৈও আজি আৰু তাৰ কোনো নাই। পৃথিৱীত সি অকলশৰীয়া।

মাকৰ জীৱনৰ শেষ-কালৰ কাহিনীবোৰ শুনি তাৰ শোক কিছু পাতল যেন লাগিল। বহুত দুৰণীয়া কোনোবা এজনী অচিনাকি মানুহৰ কাহিনী যেন তাক কোনোবাই শুনালে, আৰু সেই কাহিনীৰ লগত যেন তাৰ কোনো সম্পৰ্ক নাই।

পাভৰ বাহিৰে ছমীৰৰ ভিতৰৰ মানুহটোক কোনোৱে ভালকৈ নাজানে। সেই কাৰণে প্ৰায় গোটেই দিনটো পাভ তাৰ কাষে কাষেই থাকিল। কিজানিবা ছমীৰে খং-দুখ-অভিমানত কিবা অঘটন ঘটাই বহে। কিন্তু ছমীৰ বিমৰ্ষ আৰু বিষণ্ণমনে দিনটো বহি-শুই থাকিল। মাকৰ মৃত্যুৱেই নহয়, তাৰ নিজৰ মৃত্যুৰ চিন্তায়ো যেন তাক অলপ ভবাই তুলিলে। ভুলৰ মাজেদি, ভালৰ মাজেদি, সুখৰ মাজেদি, দুখৰ মাজেদি মানুহ অনিচ্ছা সত্ত্বেও মৃত্যুৰ বুকুলৈকে আগবাঢ়ে। মৃত্যুৱে সুখ-দুখ সকলো একাকাৰ কৰি দিয়ে, অৰ্থহীন কৰি দিয়ে।

"কেলেই তেনেকৈ চিন্তা কৰি আছ ?" মাজে মাজে পাভই কয়। সি চকু দুটা দাঙি পাভৰ মুখলৈ চায়, একো নামাতে। তাৰ দুচকুত মৰ্ম্মদাহী বেদনাৰ গভীৰ ছায়া। এখন ক্ষত-বিক্ষত হৃদয়ৰ সকলো অব্যক্ত যন্ত্ৰণা আহি যেন তাৰ চকুত থুপ খাইছেহি।

আকাশখন নিৰ্ম্মেঘ নাছিল। আকাশৰ জোনটো মাজে মাজে পাতলীয়া মেঘে ঢাকি ঢাকি ধৰিছিল। সমগ্ৰ আকাশৰ বুকুখন এটা গভীৰ বিষণ্ণতাই ছানি পেলাইছিল। বতাহজাক কিবা কাৰণত গধুৰ হৈ পৰিছিল।

মগ্‌ৰিবৰ পিছত ছমীৰ অকলশৰে মচজিদৰ পাছফালে থকা পুৰণি কবৰস্থানৰ ফালে ধীৰে ধীৰে ওলাই গ'ল। ৰাতি কবৰস্থানৰ ফালে যাবলৈ সাধাৰণতে বহুতে ভয় কৰে, বিশেষকৈ যেতিয়া সদ্যমৃত কোনো লোকৰ নতুন কবৰ থাকে।

ছমীৰৰ কিন্তু ভয়-ভীত একো লগা নাছিল। কবৰস্থানলৈ ভয় লাগিব লগা কথাটো যেন সদ্যহতে সি পাহৰিয়ে গৈছিল। আলিয়েদি দুই-এটা মানুহ অহা-যোৱা কৰি আছে। মগ্‌ৰিবৰ নামাজ পঢ়ি দুই-চাৰিজন মানুহ কিবাকিবি কথা পাতি পাতি ঘৰা-ঘৰি গৈছে। ক্ৰমে মচজিদৰ আশ-পাশ নীৰৱ, নিস্তব্ধ হৈ আহিছে।

মচজিদৰ পাছফালেই কবৰস্থানখন। গাঁওখনৰ কেইবাপুৰুষৰো কবৰ ইয়াত আছে। এখন নীৰৱ, জয়াৰ, শান্ত পৃথিৱী। এখন বেলেগ পৃথিৱী। জীৱনৰ বেচা-কিনাৰ বেহানি সামৰি সকলো ইয়াত নীৰৱে পৰি আছে—মৌন, নিথৰ, নীৰৱ। কবৰৰ আন্ধাৰ-বুকুত জীৱনৰ কোলাহল মাৰ গৈছে।

ছমীৰ গৈ গৈ কবৰস্থানৰ কাষত ৰ'লগৈ। পাতল জোনাকতে সি চালে তাৰ মাকৰ কবৰ কোনটো। কিছু নিলগত সি দেখা পালে এটা কেঁচা মাটিৰ ঢিপ্, এটা নতুন কবৰ। তাৰ বিশ্বাস হ'ল সেয়াই সোণপাহীৰ কবৰ, তাৰ মাকৰ কবৰ। থৰ লাগি সি সেইফালে বহুপৰ চাই ৰ'ল। তাৰ ভাব-চিন্তা সকলো কিবা খেলি-মেলি হৈ গ'ল। তাৰ সন্মুখত এখন প্ৰাণহীন মৃতকৰ ৰাজ্য, মাটিৰ বুকুত সকলো মিলি একাকাৰ হৈ গৈছে। শব্দ-সাঁহাৰি নাই, স্পন্দন নাই, কোলাহল নাই—এয়া বহু বাঞ্ছিত বিশ্ৰাম, বহু আকাঙ্ক্ষিত শান্তি।

থিয় হৈ হৈ ছমীৰে কিবা এটা ভাবিবৰ চেষ্টা কৰিলে, কিবা এটা বুজিবৰ চেষ্টা কৰিলে। কিন্তু সি কি ভাবিব খুজিছে, বুজিব খুজিছে নিজেই বুজিব নোৱাৰিলে।

ভৰিৰপৰা জোতাযোৰ খুলি সি সেমেকা বননিত ভৰি দি থিয় হ'ল, আৰু মৃতকসকলৰ আত্মাৰ কাৰণে কিবা এটা দোৱা, এটা প্ৰাৰ্থনা কৰিব খুজিলে. কিন্তু মুখ ফুটাই সি একো ক'ব বা পঢ়িব নোৱাৰিলে। শোকে তাক খুন্দা মাৰি ধৰিলে, তাৰ দুচকুৰপৰা দুধাৰ তপত চকুপানী বাগৰি আহিল। বুকুৰ ভিতৰখন তাৰ ভাগি-ছিগি যোৱা যেন লাগিল। গাঁৱৰ এজনী সৰল সাধাৰণ ছোৱালীৰ সমগ্ৰ জীৱনক বিষময়, বেদনাময় কৰি অকাল মৃত্যুৰ বুকুলৈ ঠেলি দিলে—আন একোৱে নহয়, ছমীৰৰ অভিশপ্ত অবৈধ জন্মই। সোণপাহীৰ জীৱনৰ সমগ্ৰ দুৰ্দশা-দুৰ্গতিৰ কাৰণে ছমীৰেই দায়ী—'অথচ, গোটেই জীৱন মোৰ দুৰ্গতিৰ কাৰণে মই দোষী কৰি গ'লোঁ বৌটিক! কি আচৰিত!' নিজকে পৰম অপৰাধত অপৰাধী যেন লাগিল ছমীৰৰ। চিন্তাবোৰ তাৰ থান্‌বান্ হৈ যাব ধৰিলে।

নিজেই গম নোপোৱাকৈ সি কোনোবা সময়ত বননিতে বহি পৰিল, আৰু মাটিত সোঁহাতখন থৈ সন্মুখৰ মাকৰ কেঁচা কবৰটোৰ ফালে চাই অস্পষ্টভাৱে বিৰ্‌বিৰকৈ ক'লে, 'মই আহিছিলোঁ বৌটি। মই তোমাক মোৰ পিতৃৰ কথা সুধিবলৈ অহা নাছিলোঁ, কিন্তু তোমাক ক'বলৈ আহিছিলোঁ যে তোমাৰ ওপৰত থকা সকলো খং-অভিমান মই এৰি পেলাইছোঁ। তোমাৰ বিৰুদ্ধে আৰু মোৰ কোনো অভিযোগ নাই। মই তোমাক ক্ষমা কৰি দিছোঁ। তোমাক ক্ষমা কৰি দিছোঁ—কাৰণ জীৱনত তুমি বহুত কষ্ট, বহুত দুখ ভোগ কৰিলা।

তুমি কিয় আৰু দুদিন নৰ'লা মোৰ কথা শুনি যাবৰ কাৰণে? মই যে আহিছিলোঁ বৌটি, মই যে আহিছোঁ· '

ছমীৰৰ মূৰটো ঘূৰোৱা যেন লাগিল। কবৰস্থানৰ কবৰবোৰৰ বুকুৰপৰা যেন এটা অস্পষ্ট, দুৰ্বোধ্য গুণ্‌গুণনিৰ ধ্বনি উঠিছে। সি ইফালে-সিফালে চালে। অস্পষ্ট জোনাকত সেমেকা চকুৰ দৃষ্টিৰে সি যেন বগা কফন পিন্ধা কিছুমান মৰা-শ কবৰবোৰৰ বুকুৰপৰা উঠি অহা দেখিলে। সেই কফনবোৰৰ মাজত সোণপাহী কোনজনী সি চিনিব নোৱাৰিলে।

তাৰ গাৰ নোমবোৰ শিয়ৰি উঠিল। সি চকু দুটা মোহাৰিলে, দেখিলে একো নাই—নিৰ্জন, নিথৰ মৰিশালিখনৰ মাজত সি অকলে বননিতে বহি আছে।

তাৰ বৰ ভয় লাগিল। কবৰবোৰৰ মাজত আকৌ যেন কিবা গুণ্‌গুণনি এটা সি শুনিবলৈ পালে। বেগাবেগিকৈ সি বহাৰপৰা উঠিল, থক্‌মক্ কৰি জোতাযোৰ

ভবিত সুমুৱালে, আৰু বেগাবেগিকৈ মচজিদৰ ফালে খোজ দিলে। কিমান সময় যে অকলে অকলে সি কবৰস্থানত বহি আছিল, সি একো আন্দাজ কৰিব নোৱাৰিলে।

মচজিদৰ ওচৰ পাইহে সি বুজিলে যে ৰাতি বহুত হ'ল। মানুহ সকলো ঘৰা-ঘৰি গৈছে। হয়তো গাঁৱৰ মানুহ বহুতেই ইতিমধ্যে শুই পৰিছে।

মচজিদৰ চাপৰ খিৰিকীখনেদি ভিতৰৰ ফালে চকু ফুৰাই সি দেখিলে মচজিদৰ মিম্বৰৰ ওপৰত দুডাল মম নীৰৱে জ্বলি আছে। পাতলীয়া বতাহত মমৰ জুই অকণ অকণ কঁপিছে। আৰু কোনো নাই, একো নাই। তথাপি যেন ছমীৰে মচজিদৰ ভিতৰতো এটা অস্পষ্ট গুণ্‌গুণনিৰ শব্দ শুনিবলৈ পালে। নামাজ পঢ়ি যোৱা মানুহবোৰৰ প্ৰাৰ্থনাবোৰ যেন এতিয়াও মচজিদৰ ভিতৰতে সোমাই আছে। আৰু সেই নীৰৱ অব্যক্ত প্ৰাৰ্থনাবোৰেই সৰৱ হৈ আকাশৰ পথ বিচাৰি ব্যাকুল হৈ পৰিছে।

ছমীৰে মচজিদৰ চালৰ ওপৰলৈ চালে—তাৰ মনত লাগিল যেন নামাজীসকলৰ অন্তৰৰ প্ৰাৰ্থনাবোৰ ঘৰৰ চালৰ ওপৰেদি আকাশৰ ফালে উৰি গৈ আছে। আৰু সি সেই প্ৰাৰ্থনাবোৰ দেখা পাব!

কিন্তু সি মাত্ৰ দেখা পালে এখন পাতল জোনাকত পোহৰ হোৱা গাঢ় নীলা আকাশ—আকাশৰ বুকুত কিছুমান অনুজ্জ্বল তৰা, আৰু মাজে মাজে কিছুমান পাতলীয়া ডাৱৰ। কিন্তু সি অপ্ৰত্যাশিতভাৱে অনুভৱ কৰিলে যে সঁচা-সঁচিকৈয়ে জোনাকৰ মাজেদি কিছুমান শুভ্ৰ কফন ওপঙি ওপঙি আকাশৰ ফালে গৈ আছে। আৰু সেই কফনবোৰেই কিবা দুৰ্ব্বোধ্য ভাষাৰে কিবাকিবি কৈছে। ছমীৰৰ মনত লাগিল যেন সমগ্ৰ মচজিদটোৱেই ক্ৰমে আকাশৰ ফালে উঠি গৈছে, আৰু তাৰ ভিতৰত বহুত মম জ্বলিছে। কিছুপৰ সি চাই ৰ'ল। তাৰ পিছত চকু দুটা মোহাৰি দেখিলে, মচজিদটো আগৰ ঠাইতে আছে। আৰু কিবা ভ্ৰমতহে সি আকাশখনকে এটা মচজিদ যেন দেখিছিল, আৰু আকাশৰ বুকুত জ্বলি থকা তৰাবোৰ তাৰ জ্বলি থকা অজস্ৰ মম যেন লাগিছিল।

কিবা এটা বুজিব নোৱাৰা কাৰণত তাৰ মনটো পাতল লগা যেন পালে সি। সদায় দেখি অসন্তুষ্ট আৰু বিৰক্ত হোৱা মচজিদটোক কিবা কাৰণত যেন তাৰ ভাল লাগিল। কেৱল মচজিদটোৱেই নহয়, সমগ্ৰ পৃথিৱীখন যেন বহুত পৱিত্ৰতাৰে পূৰ্ণ হৈ আছে। আৰু তাৰ মাজত থাকি সিও কেনেবাকৈ পৱিত্ৰ হৈ গৈছে!

এটা পাতল মন লৈ ছমীৰ লাহে লাহে মোমায়েকৰ ঘৰৰ ফালে আগবাঢ়িল।

কোনো কোনো মানুহ ইতিমধ্যে শুইছে। কোনো কোনো শোৱা নাই যদিও দুৱাৰ-বৰ মাৰি ভিতৰ সোমাই আছে। খিৰিকী আৰু বেৰৰ জলঙাইদি লেমৰ পোহৰ দেখা গৈছে। কিন্তু কাৰো ঘৰতে কথা-বতৰা, মাত-বোল নাই।

মোমায়েকৰ ঘৰৰ পদুলি-মুখ পাই ছমীৰে জোতাযোৰ খুলি পেলালে। গধুৰ গধুৰ লাগিছিল, আৰু কবৰস্থানলৈ পিন্ধি যোৱা জোতাৰে ঘৰ সোমাবলৈ তাৰ বেয়াও লাগিছিল। বাৰীৰ ভিতৰফালে জপনাৰ কাষতে জোতাযোৰ থৈ শুদা ভৰিৰেই সি দুৱাৰ-মুখৰ ফালে আগবাঢ়িল।

হঠাৎ সি থমকি ৰ'ল। ঘৰটোৰ দুৱাৰ বন্ধ কৰা হৈছে। ভিতৰত এটা লেম জ্বলি আছে। বেৰৰ আগেদি অলপ পোহৰ দেখা গৈছে। কিন্তু মানুহ শোৱা নাই।

ভিতৰত অলপ ভাঙৰ ভাঙৰকৈয়ে কোনোবাই কথা পাতি আছে। তিৰোতা মানুহৰ মাত।

ছমীৰৰ বিশেষ কৌতূহল হোৱা নাছিল। তথাপি কিহৰ কথানো পাতিছে জানিবৰ ইচ্ছা হ'ল তাৰ। সি এনেয়ে বেৰখনৰ কাষ চাপি গ'ল।

অলপ চেপা মাতেৰে কোৱা, কিন্তু স্পষ্ট দুই-চাৰি আষাৰ কথা আহি তাৰ কাণত পৰিলহি। সি অনিচ্ছা সত্ত্বেও কাণ দিলে ঃ

"সি মাল্তি হ'ব জানো ?"

'নহ'ব কেলেই ? তাৰ নিজৰ ভনীয়েকজনী—"

"কিহৰনো নিজৰ ভনীয়েক ! সোণপাহীৰ জীয়েকহে। সিতো মাকৰ নামকে শুনিব নোৱাৰে।"

"আজি পিছে সি বৰ দুখ পাইছে। তাৰ মুখলৈ চাবলৈকে বেয়া লগা হৈছিল। হাজাৰো হওক, মাক নহয় জানো ?" সেয়া পাভৰ মাত যেন লাগিল তাৰ।

"এনেই ছোৱালীজনী সি নিও' বুলিলেও কথাবোৰ জানিলে যে সি নিব আশা কম—"

ছমীৰে আৰু উৎকণ্ঠাৰে কাণ দিলে।

"আজি নহয় কালিলৈ সি সকলো জানি যাব। কেনেকৈ লুকুৱাই ৰাখিবা ? আৰু কোনো কথা নুলুকুৱাই সকলো তাক কৈ দিয়াই ভাল। সি কি কৰে কৰিব—"

"কিন্তু সেইবোৰ কথানো তাক কোন মুখেৰে কওঁ। এইজনীও জানো এওঁলোকৰ বংশত কি কুলক্ষণী ছোৱালী হৈছিল।"

"সেইবোৰ আৰু নক'বা। যোৱা গ'ল। আল্লাৰ হুকুম আছিল—তাইৰ সেইবোৰ হ'ল। তাই কি কৰিব ?"

"আগতে যি কৰিলে কৰিলে বাৰু। তেতিয়া তাই সৰু ছোৱালী আছিল। পিছে এটালৈ বিয়া সোমাই আদ-বয়স যোৱাৰ পিছত তাইনো এনেকুৱা গুনাহৰ কাম কৰিব পায় নে ? নিজৰ পুতেক নহ'ল, কি হ'ল ? তেও জাফৰ তাইৰ পুতেক। সেই জাফৰৰ লগত এনেকুৱা কাম কৰি কাললৈ নাম ৰাখিবলৈ তাইৰ ভয় নালাগিল নে ?"

কিছুপৰৰ নিস্তব্ধতা। ছমীৰৰ হাত-ভৰি অৱশ আৰু নিঃসাৰ হৈ পৰিছে। তাৰ মুৰটো ঘূৰাইছে। তাৰ ডিঙিটো শুকাই গৈছে।

"জাফৰে পিছে কি কয় এতিয়া।"

"সি আৰু কি ক'ব। ছোৱালীজনী তাৰ ফালৰ নহয় বুলি কৈছে ; তাৰ বুলিলে মানুহেনো কেলেই মানিব ? দুনিয়াত জানো অন্যৰ গাভৰু মাহীমাক নাথাকে ? আৰু তায়ো জানো গাভৰু হৈ আছিল। বয়স দুকুৰিমানেই হৈছিল চাগৈ। তাইৰ তেজ-পানী ভাল আছিল বুলিহে ···"

ছমীৰৰ আৰু শুনি থকাৰ ধৈৰ্য্য নাছিল। কোনোমতে সি সেইখিনিৰপৰা অলপ আঁতৰি আহিল, আৰু পৰি নোযোৱাকৈ থাকিবৰ চেষ্টা কৰিলে।

'সোণপাহীয়ে এইবোৰ কি কৰিলে জীৱনত ! এটা জাৰজৰ জন্ম দি সন্তুষ্ট নহৈ আকৌ এজনী জাৰজ ছোৱালীৰ জন্ম দিলে ! কিয় ? কিয় বৌটিয়ে এনেকুৱা কৰিলে ?'

কিছুসময় ছমীৰ বাহিৰতে থিয় দি ৰৈ থাকিল। তাৰ মনি বোৱাৰ সমান লাজ লাগিছিল। মৃতা মাকৰ সকলো কলংক মূৰত লৈ সি কেনেকৈ পৃথিৱীত জীয়াই থাকিব? সি কি কৰিব? ক'লৈ যাব?

কিছুসময়ৰ মূৰত সি সংযম আৰু ধৈৰ্য্য বিচাৰি লৈ কোনোমতে দুৱাৰ-মুখৰপৰা মাতিলে, "মোমাইটি—"

ধহমহাই পাভ হাতত চাকিটো লৈ ওলাই আহিল, আৰু এনেই বন্ধ কৰি ৰখা দুৱাৰখন মেলি দিলে।

"ইমান ৰাতিলৈকে তই ক'লৈ গৈছিলি? আমি বোলোঁ কাৰোবাৰ ঘৰত শুই থাকিলিগৈ হ'বলা—" পাভই ক'লে।

ছমীৰ ভিতৰ সোমাই আহিল। পাভই তাৰ মুৰৰপৰা ভৰিলৈকে চালে। ছমীৰ মানুহটো বিবৰ্ণ হৈ গৈছে। চুলি তাৰ আউলী-জাউলী, চকু দুটাত এটা উদ্‌ভ্ৰান্ত, উদাস চাৱনি। তাৰ চোলা-কাপোৰবোৰত ধূলি-মাটি লাগিছে। তাৰ হাত আৰু ভৰিতো মাটি আৰু শুকান বোকা।

ভয়েৰে তাৰ ফালে চাই পাভই সুধিলে, "তই ক'লৈ গৈছিলি? এতিয়া ক'ৰপৰা আহিলি?"

সহজ হ'বৰ আৰু মাতটো স্বাভাৱিক কৰিবৰ চেষ্টা কৰি ছমীৰে তাইৰ ফালে নোচোৱাকৈয়ে ক'লে, "কবৰস্থানলৈ গৈছিলোঁ—"

পাভ আচৰিত হ'ল।

"কবৰস্থানলৈ? ইমান ৰাতি! কাৰ লগত গৈছিলি?"

"অকলে গৈছিলোঁ। মোক এগিলাচ পানী দে পাভ, বৰ পিয়াহ লাগিছে।"

"চাওঁ, তই বহ, বহ। পানী খাবি—কবৰস্থানৰপৰা আহিছ, আগেয়ে হাত-মুখ ধো। তইনো ৰাতিখন অকলে কবৰস্থানলৈ যাব পাৰ নে?" কৈ কৈ পাভ খৰ-খেদাকৈ ভিতৰলৈ গ'ল, আৰু তাক গামোচা আৰু পানী আনি দিলে।

মামীয়েকো উঠি আহিছিল। তেওঁৰ যেন ছমীৰক দেখি ভয়েই লাগিল। কেনেকুৱা উদ্‌ভ্ৰান্ত হৈ আহিছে মানুহটো। পাভই ক'লে, "তালৈ ভাত-পানী উলিওৱাগৈ যোৱা। কি যে ল'ৰা। সিনো ৰাতিখন অকলশৰে কবৰস্থানলৈ যাব পায় নে? দেও-জিন কত কি থাকে কবৰস্থানত। তাতে মাকৰ কেঁচা কবৰটো দেখি চাগৈ তাৰ আৰু দুখ লাগিব পায়।"

পাভই ছমীৰৰ আন এসাজ কাপোৰ আনি দিলে।

"ওঁ, সেইবোৰ কাপোৰ-কানি সলাই পেলা। তই এনেকুৱা কৰিব নাপাইছিল। ৰাতি কেতিয়াও কবৰস্থানলৈ যাব নাপায়—নাজান নে?"

ভাত খাই থাকোঁতেও পাভ আৰু মামীয়েকে বাৰে বাৰে তাৰ মুখলৈ চাইছিল—ই ঠিক আছে তো? তাৰ গাত কিবা দেও-জিন লাগি অহা নাইতো?

ভাত খাই উঠি ছমীৰ বিচনাত পৰিল। তাৰ বৰ ভাগৰ লাগিছিল। টোপনিয়ে তাক হেঁচি ধৰিলে।

॥ সাতষষ্ঠি ॥

মোমায়েকহঁতে ৰখাত আৰু দুদিন ছমীৰ মোমায়েকৰ ঘৰতে থাকিল। পাভৰ ইমান দিন নিজামক এৰি আঁতৰি থাকিবৰ মন নাছিল। কিন্তু তাই যাওঁ বুলিলে ছমীৰেও যাবৰ কাৰণে খৰ-খেদা লগাব বুলি ভাবি তাই নিজে যোৱাৰ কথা নুলিয়ালেই, বৰং মাকৰ দহদিনীয়া পৰ্য্যন্ত থাকি যাবলৈ ছমীৰক টানি ধৰিলেহে।

ছমীৰ নিষ্ক্ৰিয় আৰু নিস্পৃহ হৈ পৰিছিল। যাবৰ কাৰণে সি জোৰ নকৰিলে। হয়তো তাৰ নানাকৰ এই ঘৰলৈ, তাৰ জন্ম হোৱা এই পুৰণি ঘৰটোৰ মজিয়ালৈ তাৰ আৰু কাহানিও ঘূৰি অহা নহ'ব। এইখন গাঁৱৰ মাটিৰ বুকুতে শুই থাকিব—তাৰ নানাক, শুই থাকিব তাৰ অভিশপ্তা মাক! গাঁৱৰ অন্যান্য মানুহো এজন এজনকৈ এই গাঁৱৰ ধুলি-মাটিৰ লগতে মিলি যাব। কিন্তু ছমীৰ আৰু ইয়ালৈ নাহে। তাৰ অহাৰ প্ৰয়োজন শেষ হৈছে। মাকৰ মৃত্যুৰ লগে লগে তাৰ সম্বন্ধৰ জৰীগছো চিৰদিনৰ কাৰণে ছিগি গৈছে। তাক আজি কোনো গাঁও, কোনো চহৰৰ মোহে ধৰি ৰাখিব নোৱাৰে। কোনো মাটিৰ কোলাত তাৰ কাৰণে কোনো মোহ, কোনো আকৰ্ষণ নাই। সি আজি পথত ভৰি দিছে। পথৰ মোহেই তাৰ মোহ। পথৰ মায়াই তাৰ মায়া। যিদিনাই মাকৰ লগত থকা তাৰ ৰক্ত-সম্পৰ্ক শেষ হৈ গ'ল, সেইদিনাই তাৰ সমগ্ৰ পৃথিৱীৰ লগত আত্মীয়তাৰ এনাজৰীডালো ছিগি গ'ল।

সেই কাৰণে তাৰ ককাদেউতাকৰ মজিয়াত আৰু দুটা দিন কটাই যাবলৈ সি বিশেষ আপত্তি নকৰিলে। মোমায়েকহঁতেও ভাল পালে। ছমীৰে সকলো বুজা হৈছে। সি আগৰ নিচিনা উতনুৱা সৰু ল'ৰা হৈ থকা নাই। আপোন-পৰ চিনি পোৱা হৈছে আজি-কালি। দায়িত্বজ্ঞানো নিশ্চয় বাঢ়িছে।

মাকৰ মৃত্যুক স্বাভাৱিক এটা প্ৰাকৃতিক ঘটনা বুলি ধৰি লৈ যেন ছমীৰে নিজেও স্বাভাৱিক হৈ পৰাৰ চেষ্টা কৰিলে। তাৰ মনৰ মাজৰ দুখ আৰু আত্মগ্লানিক সি ঢাকি ৰাখিবৰ আপ্ৰাণ চেষ্টা কৰিলে। এতিয়া আৰু অপৰিচয়ৰ পৰাজয় বহন কৰি জীয়াই থাকিবলৈ সি প্ৰস্তুত নহয়। দুৰ্ব্বলতাই তাৰ ব্যক্তিত্ব আৰু পৌৰুষক লঘু কৰিব। সি আত্মস্থ হ'বৰ চেষ্টা কৰিলে।

দহদিনীয়া সকামৰ আয়োজন চলিল। এটা সৰু-সুৰা ভোজৰে দিহা কৰা হ'ল। সোণপাহীৰ ভোজ—গাঁৱৰ সকলোকে নিমন্ত্ৰণ কৰিব লাগিব। ছমীৰে মামীয়েকৰ হাতত খৰচৰ কাৰণে এক হাজাৰ টকা দিলে। সি জানে খৰচ যথেষ্ট হ'ব। আৰু তাৰ মোমায়েকৰ অৱস্থাও বৰ স্বচ্ছল নহয়। তদুপৰি জীয়াই থকা কালছোৱাত পুত্ৰ হিচাপে মাকৰ কাৰণে সি একোকে কৰিব নোৱাৰিলে। এডোখৰ চোলা-কাপোৰো সি মাকক দিবলৈ নাপালে। লোকৰ হাত-মুখলৈ চাই, কটনা কাটি খাই বহু দুখ-যন্ত্ৰণাৰ মাজেদিয়ে সোণপাহীৰ জীৱনটো গ্লানি-অপযশ-অপমানৰ মাজেদি শেষ হৈ গ'ল। আজি আৰু তাৰ মাকে ভাবপৰা একো নিবিচাৰে, একো নলয়।

গতিকে মাকৰ সকামতে সি যি পাৰে খৰচ কৰিব। হয়তো মাকৰ আত্মাই শান্তি

পাব। বৈধভাৱে হওক, অবৈধভাৱে হওক মাকে তাক এদিন জন্ম দিছিল। সেই জন্মৰ ধাৰ সি শুজিব নোৱাৰে। মাতৃঋণ জানো কোনোবাই পৰিশোধ কৰিব পাৰে।

সকামৰ কাৰণে টকা দিয়াৰ বাহিৰে সি কিন্তু সকামৰ কাম-কাজত নালাগিল। বৰং অলপ গা এৰা দিয়ে ফুৰিলে। মনে মনে তাৰ ভয় হৈছিল কিজানিবা তাৰ উপস্থিতিতে কোনোবাই তাৰ মাকৰ সম্পৰ্কে আৰু কিবা বেয়া কথা কৈ দিয়ে। সহ্য কৰিবলৈ হয়তো তাৰ টান লাগিব। হয়তো তাৰ খং উঠি যাব, আৰু তাৰ ফলত কোনো অপ্ৰিয় পৰিস্থিতিৰো সৃষ্টি হ'ব পাৰে। সোণপাহী সম্পৰ্কে কোনো অপ্ৰিয়, অবাঞ্ছনীয় কথা শুনাৰ শক্তি আৰু ধৈৰ্য্য আজি তাৰ নাই। বৰং তাক নিজক কোনোবাই অপমান কৰিলে সি সহ্য কৰিবৰ চেষ্টা কৰিব।

সকামৰ আগদিনা আবেলি পাভই ছমীৰক ক'লে, "অহাৰপৰা ইয়াতে সোমাই থাকিলোঁ। পৰাহিলৈ মই যেনে-তেনে যামগৈ। অকলে অকলে ভিনিহিয়েৰে বৰ আমনি পাব পায়। আজি গাঁৱৰ দুই-এঘৰত ফুৰি আহোঁগৈ। তয়ো যাব যদি ওলা—"

"কাৰ ঘৰলৈ যাবি?"

"কদমনিত আমাৰ জেঠাই এজনী আছে নহয়। বহুত দিন দেখাই নাই মই। বুঢ়ীও হৈছে। এবাৰ তেওঁক চাই আহোঁগৈ—"

"কদমনি দেখোন দুই কিলোমিটাৰমান দূৰ—"

"হ'ব নোৱাৰিলে। আমি আৰু দুই কিলোমিটাৰ খোজকাঢ়িব নোৱাৰিম নে। অলপ সোনকালে যাম, দিনে-পোহৰে ঘূৰি আহিম।"

ছমীৰ যাবলৈ মান্তি হ'ল।

ঘূৰি-ফুৰি পাভহঁত যেতিয়া ঘূৰিল, তেতিয়া কদমনিতে বেলি পৰিছিল। অৱশ্যে আকাশত জোন থকাৰ কাৰণে সিহঁতৰ বেয়া লগা নাছিল। দিনটো গৰম আছিল, আৰু সন্ধিয়াৰ বতাহজাক সিহঁতৰ ভাললাগিছিল। আলিবাটৰ দুয়োকাষৰ পথাৰবোৰত তেতিয়াও ব'হাগৰ ধলৰ পানী আছিল। জোনাকত পানীবোৰ কজলা বৰণীয়া দেখাইছিল। নতুন ঘাঁহ গজিছিল। বতাহত মাজে মাজে ক'ৰবাত ফুলা তগৰ, খৰিকা-জাইৰ গোন্ধ ওপঙি আহিছিল। ছমীৰ আৰু পাভৰ ভাল লাগিছিল। সিহঁতৰ নিজকে দুটা নতুন মানুহ যেন লাগিছিল। খোজকাঢ়ি সিহঁতৰ ভাগৰ লগা নাছিল।

মাজতে পাভই ক'লে, "ববা-বৌটি ঢুকোৱাৰ পিছত, আৰু ময়ো নোহোৱা হ'লত, আমাৰ বাৰীখন এৰাবাৰী হ'ল। দেখিলেই দুখ লাগে। অকলে যাবলৈ বেয়াই লাগে। এবাৰ চাই যাওঁচোন ব'ল। যাবি?"

"কিনো চাবিগৈ তাত?"

"এনেয়ে যাওঁ। তাতে বাগৰি-চঁচৰিয়ে মই ডাঙৰ হৈছিলোঁ নহয়। ব'ল যাওঁ।"

পাভহঁতৰ পুৰণি বাৰীখনৰ মুখ পাই পাভৰ পাছে পাছে ছমীৰো বাৰীৰ ভিতৰলৈ সোমাই গ'ল। ঘৰবোৰ ভাগি পৰিল। কোনোবাই চাল-বেৰ সকলো এৰুৱাই নি খৰি খালেগৈ। বাৰীখনৰ মাজে মাজে মুৰসমনীয়া গছ-বন গজিল, চিনিব নোৱাৰা

হ'ল। ঘৰৰ ভেটি আৰু পাছফালে পুখুৰীলৈ যোৱা বাট ওলাই আছে। কিন্তু তাতো মাজে মাজে বন গজি চিন মাৰি পেলাইছে।

আগে আগে পাভ, পাছে পাছে ছমীৰ। আকাশত জোনাক। দুয়ো গৈ গৈ পাভহঁতৰ পুখুৰীটোৰ পাৰ পালেগৈ। পুখুৰীটোৰ পাৰলৈকে পানী চপ্‌চপীয়া হৈ আছে। কিন্তু পাৰবোৰ ঘাঁহ-বনে তেনেই ঢাকি পেলাইছে।

অলপ মুকলি চাই পাভই ক'লে, "অলপ বহিবি নে?"

ছমীৰে ক'লে, "হাত-মুখবোৰ ধুই লওঁ। বহিম বাৰু—"

দুয়ো পুখুৰীত হাত-মুখ ধুলে। পাভই গাত লৈ অহা চাদৰখনৰ আগ এটা আগবঢ়াই দিলে ছমীৰে মুখখন মচিবৰ কাৰণে।

"এবা, ঘৰ-বাৰীবোৰ দেখিলে বৰ বেয়া লাগে অ'—" ঘাঁহনিতে বহি পাভই ক'লে।

ছমীৰো তাইৰ কাষতে বহিল, একো নামাতিলে।

পুখুৰীৰ পানীত জোনটোৱে শান্তভাৱে নাচিছে। দূৰণিত কোনোবাই উঁকিয়াই উঁকিয়াই কিবা কৈছে। কোনোবা এজোপা গছত জিলী এটাই একেসুৰে চিঞৰি আছে। ঘাঁহ-বনবোৰৰপৰা এটা মিঠা কেঁচা গোন্ধ ওলাইছে। গোন্ধটো পাভৰ চুলিৰ গোন্ধৰ লগত মিলি গৈছে। ব'হাগৰ উষ্ণতা-সনা ৰাতিটো এক জোনাকী ৰহস্যৰ মাজলৈ ক্ৰমে সোমাই গৈছে।

"বৰ কিবা কিবা লাগিছে অ'—" পাভই ক'লে, আৰু চাদৰখন সোলোকাই ঘাঁহনিতে পাৰি তাতে লাহে লাহে ওপৰলৈ মুকৈ শুই পৰিল।

গাৰ কাষতে বহি থকা ছমীৰে পাভলৈ চালে। জোনাকত পাভজনী অন্য এজনী মানুহ যেন হৈ পৰিছে। তাইৰ ৰাঙলী মুখখন কিবা এটা অব্যক্ত উত্তেজনাত আৰু ৰঙা হৈ পৰিছে। তাইৰ নাকৰ কাষত আৰু থুঁতৰিত অকণ অকণ ঘামৰ টোপাল বিৰিঙিছে। টান চোলাটোৰ মাজেদি তাইৰ গাটো স্পষ্ট আৰু সুন্দৰ হৈ ওলাই পৰিছে। পাভৰ জল্‌মলীয়া চকুহালৰ দৃষ্টি জোনাকে ৰূপালী কৰা সুদূৰ আকাশৰ কোনোবা এটা বিন্দুত স্থিৰভাৱে নিবন্ধ।

"অকণমান মোৰ কাষতে শুবি আহ—" পাভই ক'লে।

ছমীৰে ক'লে, "ৰাতি হ'ল, নাযাব জানো? ইয়াত এনেকৈ বহি-শুই থাকিলে জানো ভাল হ'ব?"

পাভই তাৰ মুখলৈ চালে, "মোলৈও তোৰ ভয় লাগে নে? তহঁত মতা মানুহবোৰহে সলনি হব, মই সেই একেজনী পাভই আছোঁ, জানিছ। তোলৈ মোৰ মৰম লাগে—সকলোৱে জানে। এতিয়া মোৰ বিয়া হ'ল বুলি আৰু আগৰ মৰম নোহোৱা হৈ গ'ল নে?"

ছমীৰে ক'লে, "তই মোক মৰম নকৰ বুলি কৈছোঁ জানো? ৰাতি হোৱাৰ কাৰণেহে কৈছোঁ—"

"হওক ৰাতি। আমাক কোনেও ইয়ালৈ বিচাৰি নাহে। আৰু জানিছ, আগেয়ে মই নাজানিছিলোঁ, বিয়া হোৱাৰ পিছত এতিয়া বুজিছোঁ—দেহাটোৰ একো নাই অ'। ভিনিহিয়েৰে মোক বৰ মৰম কৰে, দেহাটো বিচাৰে, দিওঁ—পিছে মনটো ক'ৰবাত

থাকে দেখোন। তই কিজানি এইবোৰ কথা নুবুজিবি। আমাৰ মাইকী মানুহৰ কথা। পিছে মই তোক কৈছোঁ, দেহাটোৰ একো নাই।"

ছমীৰে পাভৰ গালে, মুখলৈ চালে। যেন তাইৰ কথাষাৰৰ অৰ্থ বুজিবলৈ চেষ্টা কৰিলে। পাভইনো আজি কি কথা কৈছে এইবোৰ? পাভৰ কাষত ল'ৰাকালৰেপৰা শুই আহিছে ছমীৰে। সিদিনাও সিহঁতৰ ঘৰত পাভ তাৰ কাষতে শুইছে। কোনো নতুনত্ব নাই। পাভ তাতকৈ বয়সত ডাঙৰ, সেই কাৰণেই হয়তো তাইৰ তালৈ কোনো সংকোচ নাই। 'কিন্তু মইতো এতিয়া সৰু ল'ৰা হৈ থকা নাই!'

পাভই বেয়া পাব বুলিয়ে ছমীৰ তাইৰ কাষতে ঘাঁহনিতে দীঘল হৈ পৰিল। পাভ তাৰ ফালে কাতি হৈ ঘুৰিল, আৰু তাৰ মুখখনত এবাৰ হাত ফুৰাই ক'লে, "মাৰৰ কথাকে ভাবি নাথাকিবি। দুনিয়াত কাৰো মাক-বাপেক সদায় জীয়াই নাথাকে। আৰু মাৰৰ অন্য কথাবোৰো ভাবি নাথাকিবি। বেয়া হওক, ভাল হওক, মাক মাকেই।"

চিন্তিতভাৱে ছমীৰে ক'লে, "বৌটিয়ে যে জীৱনত ইমানবোৰ ভুল কেলেই কৰিলে, মই আজিও বুজিব নোৱাৰিলোঁ।"

"ভুল নকৰানো কোন আছে। মই কৈছোঁ নহয়। দেহাটোৰ একো নাই। মাৰ ধুনীয়া ছোৱালী আছিল। যাৰে-তাৰে চকু পৰিছিল, যেয়ে-সেয়ে লোভ কৰিছিল, মাৰেনো কি কৰিব?"

দুয়ো কিছুপৰ মনে মনে থাকিল। কি জানো কি ভাবিলে দুয়ো। তাৰ পিছত পাভই সামান্য জড়িত মাতেৰে ক'লে, "তোক এটা কথা কওঁ বুলিহে ইয়ালৈ এনেকৈ মাতি আনিছোঁ।"

ছমীৰে পাভৰ মুখলৈ উৎকণ্ঠাৰে চালে, তাৰ যেন অলপ ভয়ো লাগিল।

"কি কথানো পাভ?"

"ভনীয়েৰৰ কথা। তাইৰ কথা তই একো নাজান কিজানি। বাৰু, সেইবোৰ কথা পিছে-পৰে ক'ম। পিছে তাইক ইয়াত কোনেও নাৰাখে।"

"কিয়?"

"কিনো ক'ম? তাই হেনো হাছমতৰ ছোৱালী নহয়, হাছমতৰ পুতেক জাফৰৰহে ছোৱালী।"

ছমীৰ বিশেষ আচৰিত নহ'ল। সি সিদিনা ৰাতিয়ে এই বিষয়ে কিছু সন্দেহ পাইছিল।

পাভই ক'লে, "এইবোৰ কথা ভাবি এতিয়া কোনো লাভ নাই। তয়ে বুলি বা ময়ে বুলোঁ, ফুল ফুলেই। আমি বেয়া ভাবিব নাপায়।"

ছমীৰে মাথোন তলমুৰ কৰি শুনি গ'ল। হয়তো সি বিৰক্ত হ'বলৈও নজনা হৈ পৰিছিল।

পাভই ক'লে, "তই যদি মান্তি হ্ব, ছোৱালীজনীক মই লৈ যাম।"

"তই নিবি?"

"অঁ, মোৰ ল'ৰা-ছোৱালী নাই। কপালত আছে যদি কেতিয়াবা হ'ব। মই তাইকে লৈ যাম। আমাৰ ছোৱালী কৰি ল'ম। তই কি কৱ?"

ছমীৰে পাভৰ হাত দুখন নিজৰ হাতৰ মাজত লৈ কেৱল ক'লে—
"পাভ—তই—"
পাভই ক'লে, "তই মতা ল'ৰা, তোক সদায় মোৰ কাষত ৰাখি থ'ব নোৱাৰোঁ। তাই থাকিব—যি কেইদিন থাকে। তাই জানো তোৰ ভনীয়েৰ নহয়? তই নাথাক, তাই থাকিব, মোৰ সেয়ে হ'ব।"
ছমীৰে আৰু কথা ক'ব নোৱাৰিলে। এটা নতুন মৰমে পাভৰ কাষত তাক দুৰ্ব্বল কৰি পেলালে। সি পাভৰ কাষ চাপি আহিল, আৰু তাইৰ ডিঙিত সাৰটি ধৰি থোকাথুকি মাতেৰে ক'লে, "তই তাইক নিবি পাভ? তই তাইক নিবি?"
"কেলেই নিনিম? তোক যদি মই মৰম কৰিব পাৰোঁ, ভনীয়েৰকনো নোৱাৰিম কেলেই?"
ছমীৰ ৰহিল, আৰু বহুত মৰম আৰু ভক্তি মিহলি চাৱনিৰে পাভৰ মুখলৈ চাই ৰ'ল। এই ভংভঙীয়া সৰল পাভজনীক যেন সি অকণো বুজিব নোৱাৰিলে।
পাভই মাথোন ক'লে, "কি হ'ল। চিন্তা কৰিব নালাগে। দুদিনমান বাট চা। তোৰো বিয়া পাতি দিম। মোৰ মনৰ পচন্দমতে ধুনীয়া ছোৱালী এজনী বিয়া কৰাই আনিম। তই হ'লে হাঁ-না নকৰিবি। এতিয়া যাওঁ ব'ল।"
পাভই জাৰি-জোকাৰি চাদৰখন পিন্ধি ল'লে। তাইৰ মুখখন কিবা এটা সাফল্যৰ পোহৰত যেন আগতকৈ উজ্জ্বল হৈ উঠিছে। তাইৰ চকু দুটা ধুনীয়া আৰু জলমলীয়া হৈ উঠিছে। তাইৰ ঘন ক'লা চুলিখিনি যেন আৰু গভীৰভাৱে ক'লা হৈ পৰিছে।
পাভক দেখি ছমীৰৰ আনন্দ লাগিল। পাভক ইমান ধুনীয়া সি কোনো দিন দেখা নাছিল। কেঁচা ঘাঁহনিৰ ওপৰেদি খোজকাঢ়ি গৈ থকা পাভৰ ধুনীয়া ভৰি দুখনৰ ফালে চাই চাই ছমীৰে ক'লে, "ভনীক আমি লৈ যাম, নহয় নে পাভ?"

॥ আঠষষ্ঠি ॥

সোণপাহীৰ দহদিনীয়া সকামৰ কাৰণে গাঁওখনৰ সকলো মানুহ গোট খালে। কোৰাণ পঢ়োৱা হ'ল, মৌলুদো কৰা হ'ল। আজি ভোজৰ দিনা কোনো মানুহেই আৰু সোণপাহীৰ জীৱনৰ মলি-কলংকৰ কথা মনত নেপেলালে। সকলোৱে হাত তুলি মৃতকৰ ৰুহৰ মগফিৰাতৰ কাৰণে, আত্মাৰ মুক্তিৰ কাৰণে মুনাজাত কৰিলে। আৰু ছমীৰকে ধৰি জীৱিত সকলোৰে মঙ্গলৰ কাৰণে দোৱা কৰিলে।
খাই-বৈ বাহিৰা মানুহবোৰ গৈ শেষ হ'ল। ঘৰুৱা আপোন মানুহ থাকিল। তাতে ছোৱালীজনীৰ সম্পৰ্কে আলোচনা হ'ল। বিশেষ ভূমিকা নকৰি ছমীৰে ক'লে, "ভনীক মই লৈ যাম।"
"তই? তই তাইক ক'ত ৰাখিবিগৈ।"

"মই য'তে থাকোঁ, তায়ো তাতে থাকিব।"

সকলোৱেই মনে মনে ভাল পালে। সি যে তেওঁলোকে ক'ব খোজা কথাষাৰ উপযাচিয়ে ক'লে।

আৰু এষাৰ কথা ছমীৰে উপযাচিয়ে ক'লে, "বৌটিৰ কবৰটো পকা কৰাব খুজিছোঁ। যি টকা-পইচা লাগে মই দিম।"

কথাষাৰ সকলোৱে সমানে ভাল নাপালে। সোণপাহীৰ নিচিনা এজনী মানুহৰ কবৰ পকা কৰাটো যেন বৰ ভাল কথা নহয়। আন কিছুৱে কথাটো ভাল বুলি সমৰ্থন কৰিলে।

আলোচনা হৈ থাকোঁতেই ভিতৰৰপৰা পাভ ওলাই আহি সমজুৱাতে ক'লে, "বাইজ, ছমীৰে মাকৰ কবৰ পকা কৰিব খুজিছে, কৰক বাৰু। পিছে মই তাক কওঁ, আমাৰ পুৰণি মচজিদটো পকা কৰিবৰ কাৰণে সি পাঁচ হাজাৰ টকা দিয়ক। টকা আহে আৰু যায়। মানুহো সদায় নাথাকে। পিছে খোদাৰ মচজিদ সদায় থাকিব। মচজিদৰ কাৰণে সি পাঁচ হাজাৰ টকা দিয়ক।"

সকলোৱে ছমীৰৰ মুখলৈ চালে। ছমীৰে পাভৰ মুখলৈ চালে। তাৰ পিছত তলমূৰ কৰি নম্ৰভাৱে ক'লে, "বাইজে যদি লয়, মচজিদৰ কাৰণে মই পাঁচ হাজাৰ টকা দিম বাৰু—"

সকলোৱে ছমীৰ আৰু পাভলৈ শ্ৰদ্ধা আৰু বিস্ময়ৰ চকুৰে চালে। পাঁচ হাজাৰ টকাৰে গোটেই মচজিদটো পকা কৰিব পৰা নাযাব। কিন্তু তাৰে মচজিদৰ ভেটিটো পকা কৰিব পৰা যাব—মচজিদটো ডাঙৰ, খৰচ বহুত পৰিব। কিন্তু মচজিদৰ নতুন ভেটিৰ কাৰণে ছমীৰে আগবঢ়োৱা পাঁচ হাজাৰ টকাই বহুখিনি সহায় কৰিব। কোনো কোনোৱে ছমীৰক মুখৰ আগতে শলাগিলে।

॥ উনসত্তৰ ॥

পিছদিনা কাহিলি পুৱাতে পাভ, ছমীৰ আৰু ঘৰৰ অন্যান্য সকলো উঠিল। মামীয়েকে ছোৱালীজনীকো জগাই হাত-মুখ ধুৱাই কাপোৰ-কানি পিন্ধাই দিলে। চাহ-জলপান খাই ছমীৰহঁত যাবলৈ ওলাল।

ভেতিয়াও ভালকৈ ৰাতি পুওৱা নাছিল। কিন্তু সিহঁত সোনকালে যাব লাগিব। বাচ সোনকালে যায়। পলম হ'লে সিহঁতে বাচ ধৰিব নোৱাৰিব।

মোমায়েকে ক'লে, "মোৰ অৱস্থা ভাল হোৱা হ'লে, ছোৱালীজনীক ময়ে ৰাখিলোহেঁতেন। পিছে তহঁতে সকলো দেখিছই। তাইক মৰম-বেথা কৰি ভালকৈ ৰাখিবি।"

ছমীৰ আৰু পাভই কেৱল যাওঁ বুলি মাত লগালে। বিশেষ একো নক'লে। তাৰ পিছত নিজৰ বেগটো আৰু পাভৰ সৰু চুটকেচটো লৈ ছমীৰ বাহিৰ ওলাল, আৰু ছোৱালীজনী কোলাত লৈ বৰ বং মনেৰে পাভও ওলাই আহিল।

মোমায়েকৰ মুখলৈ চাবলৈ ছমীৰৰ টান লাগিছিল। সি কোনোমতে ক'লে,

"আমি যাওঁ আৰু—"

পাভ আগবাঢ়িল।

মোমায়েকহঁতে সিহঁতক পদূলি-মুখলৈকে আগবঢ়াই দিলে।

কিছুদূৰ গৈ ঘূৰি পাভই ক'লে, "টকা সি গৈয়েই পঠিয়াব। তোমালোকে মচজিদটো সজাবলৈ যো-জা কৰা। আৰু সোণপাহীৰ কবৰটোও পকা কৰায় দিহা কৰা।"

কৈ তাই আকৌ বেগ আৰম্ভ কৰিলে।

চিনাকি :

আমাৰ প্ৰকাশিত আৰু পৰিৱেশিত সাহিত্য সম্ভাৰ :

ডাঃ হৰনাথ শৰ্মা বৰদলৈ :

॥ মন আকাশৰ অচিন দিগন্ত ॥	৩০.০০
॥ যৌনজীৱন ॥	৩৫.০০
॥ সমাজ-সমীক্ষা : অপৰাধ আৰু অনাচাৰ ॥	৩৫.০০

চৈয়দ আব্‌দুল মালিক :

॥ আধাৰশিলা ॥	৩৫.০০
॥ স্বপ্নভঙ্গ ॥	২৫.০০
॥ পোৱা গাঁৱত পহিলা ব'হাগ ॥	২০.০০
॥ অমৰ-মায়া ॥	৯.০০
॥ ছয় নম্বৰ প্ৰশ্নৰ উত্তৰ ॥	১০.০০
॥ এটা সূৰ্য্য, দুখন নদী আৰু এখন মৰুভূমি ॥	১৭.০০
॥ সোণালী সূতাৰে বন্ধা ॥	১৫.০০
॥ বহুত বেদনা এটোপা চকুলো ॥	১২.০০
॥ জীয়া-জুৰিৰ ঘাট ॥	১৫.০০
॥ ৰজনীগন্ধাৰ চকুলো ॥	১৬.০০
॥ এটা চিনাকি দীপৰ তটৰেখা ॥	(যন্ত্ৰস্থ)
॥ ৰূপতীৰ্থৰ যাত্ৰী ॥ অখণ্ড সংস্কৰণ	(„)

নিৰোদ চৌধুৰী :

॥ দেৱী ॥	১০.০০
॥ দেহ-দেউল ॥	১০.০০
॥ নিশিগন্ধা ॥	১০.০০

যদু পূজাৰী :

॥ মন যাৰ মালতী-বকুল ॥	১০.০০

ড. মুকুল শৰ্মা :

॥ এটম বোমাৰ কাহিনী ॥	১০.০০

ত্ৰৈলোক্য গোস্বামী :

॥ সাহিত্য-কলা আৰু তাৰ বিচাৰ ॥	৩০.০০

সুমেৰ দাই :

॥ পৃথিৱীৰ হাঁহি ॥	২৫.০০

পদ্ম বৰকটকী :

॥ মৰমৰ চিন ॥	১৫.০০
॥ কাপুৰুষ মহাপুৰুষ ॥	২০.০০
॥ ভক্তে কিবা ভয় ॥	(যন্ত্ৰস্থ)
॥ নতুন দিনৰ কইনা ॥	১৫.০০
॥ বিয়াৰ প্ৰথম নিশা ॥	১০.০০
॥ বীতাৰ প্ৰেম ॥	১০.০০

জয়কান্ত গন্ধীয়া :

॥ বহ্নি-কন্যা ॥	১০.০০

ডিম্বেশ্বৰ বৰা :

॥ কলঙৰ পাৰে পাৰে ॥	১২.০০

উপেন বৰঠাকুৰ :

॥ মোৰ নাম বৰ্ণালী ॥	৮.০০

ৰমা বেজবৰুৱা :

॥ নাৰীৰ মন ॥	১০.০০
॥ স্বপ্ন বৈজয়ন্তী ॥	(যন্ত্ৰস্থ)

মহিম বৰা :

॥ বাতি ফুলা ফুল ॥	১৪.০০
॥ দেহা-গৰকা প্ৰেম ॥	১৬.০০
॥ হেৰোৱা দিগন্তৰ মায়া ॥	১৬.০০

বিঃ দ্ৰঃ—অগ্ৰিম নপঠিয়ালে ভি. পি. ডাকযোগে কিতাপ পঠোৱা নহয়।

মিত্ৰ এজেন্সি এণ্ড কোং : তিনিচুকীয়া, অসম।